# মাজুলী

( বিশ্বৰ বৃহত্তম নদী-দ্বীপ, বৈষ্ণৱ-সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ মাজুলীৰ ভৌগোলিক, প্ৰাকৃতিক, ঐতিহাসিক, সাংস্কৃতিক, আৰ্থ-সামাজিক আৰু সাম্প্ৰতিক বিষয়ৰ তথ্য-সমৃদ্ধ গ্ৰন্থ )

*সম্পাদনা*

**প্ৰশান্ত কুমাৰ মহন্ত**

**গ্ৰন্থ-সংস্কৃতি**

তৰাজান, যোৰহাট - ৭৮৫ ০০১

**MAJULI :** *A comprehensive book, illuminating the Geographical, Historical, Cultural, Political, Socio-Economic and Administrative aspects of the greatest river island in the world, Majuli, the center of Vaisnavite culture, edited by Prasanta Kumar Mahanta, Published by Monoj Kumar Goswami & Anjal P. Goswami on behalf of Grantha-Sanskriti,*
*A. T. Road, Tarajan, Jorhat-785 001.* *Price Rs.* : **200.00 (Two Hundred) only.**

**প্ৰকাশকদ্বয় :**
মনোজ কুমাৰ গোস্বামী
অঞ্জল প্ৰদীপ গোস্বামী
গ্ৰন্থ-সংস্কৃতি
তৰাজান, যোৰহাট - ৭৮৫ ০০১
অসম।

**প্ৰথম প্ৰকাশ :**
ডিচেম্বৰ, ২০০১

**মূল্য : ২০০.০০ (দুশ) টকা মাত্ৰ**

**প্ৰচ্ছদ আৰু অলংকৰণ :**
ৰবীন বৰুৱা

**আলোকচিত্ৰ :**
প্ৰসেনজিত দুৱৰা (গুৱাহাটী)
অশোক কুমাৰ বৰুৱা (যোৰহাট)
ড° হেমেন্দ্ৰ নাথ দত্ত (গুৱাহাটী)
অংকুৰ বৰগোহাঞি (যোৰহাট)
প্ৰশান্ত বৰদলৈ (নগাঁও)

**অংগসজ্জা/অক্ষৰ বিন্যাস :**
অশ্বিনী বৰঠাকুৰ
নিউ এ'ৰা মেডিয়া চাৰ্ভিছ, তৰাজান, যোৰহাট- ১
দূৰভাষ : (০৩৭৬) ৩৩২৬৯৭২

**কালাৰ স্কেনিং :**
নৰ্থ ইষ্ট গ্ৰাফিক্‌চ্, গুৱাহাটী

**ছপা :**
নিউ এ'ৰা মেডিয়া চাৰ্ভিছ, তৰাজান, যোৰহাট- ১

এই গ্ৰন্থৰ লেখকসকল—

যতীন্দ্ৰনাথ গোস্বামী
ডিম্বেশ্বৰ দয়াল শৰ্মা
নাৰায়ণ চন্দ্ৰ গোস্বামী
ড° পীতাম্বৰদেৱ গোস্বামী
অতুল চন্দ্ৰ গোস্বামী
ড° অমূল্য চন্দ্ৰ শৰ্মা
ড° ডম্বৰুধৰ নাথ
ড° যোগেন শৰ্মা
ড° নৰনাথ শইকীয়া
ইন্দ্ৰেশ্বৰ পেগু
ডা° ধ্ৰুৱজ্যোতি বৰা
ড° কুমুদ বৰা
ড° হেমেন্দ্ৰনাথ দত্ত
ড° জগন্নাথ মহন্ত
ড° পৱিত্ৰপ্ৰাণ গোস্বামী
ড° অশোক বৰা
ড° দীপা দত্ত
দিলীপ কুমাৰ ফুকন
ভুৱনচন্দ্ৰ ঠাকুৰ
থানেশ্বৰ গোস্বামী
তৰুণ চন্দ্ৰ ভট্টাচাৰ্য
নৰেন ঠাকুৰীয়া
তিলেশ্বৰ বৰদলৈ
ৰঞ্জিৎ কুমাৰ ভূঞা
প্ৰসন্ন কুমাৰ ফুকন
বগাৰাম নাথ
শান্তনু কৌশিক বৰুৱা
চন্দ্ৰধৰ বৰুৱা
খগেন চন্দ্ৰ দেউৰী
বিদ্যাসাগৰ দেউৰী
জগত বৰা
ডাঃ নিৰঞ্জন দাস
অমৃতেশ্বৰ চুতীয়া
বোধেশ্বৰ শইকীয়া
নীলমণি ভূঞা
গুণমণি নাথ
কৰুণা বৰা
দেৱেন্দ্ৰদেৱ গোস্বামী
ললিত বৰা
নিৰ্মল বৰা
তৰুণ বৰুৱা
কিশোৰী মোহন পাল
কৃষ্ণ গোস্বামী
আনন্দ হাজৰিকা
পুনাৰাম নাথ
মুক্তিনাথ বৰা
চালেহা আহমেদ
মাধৱী দাস
গোবিন কুমাৰ খাউণ্ড
দেৱজিত শইকীয়া
তিলক চন্দ্ৰ শৰ্মা
দুৰ্লভ চন্দ্ৰ দাস
গুৰুপ্ৰসাদ বৰা
প্ৰশান্ত কুমাৰ মহন্ত

---

এই লেখকসকলে আগবঢ়োৱা ৰচনাসমূহ আৰু তেখেতসকলৰ পৰিচয় ২৮৭ পৃষ্ঠাৰ পৰা ২৯৭ পৃষ্ঠালৈ সবিশেষ উল্লেখ কৰা হৈছে।

**'মাজুলী' সম্পাদনাৰ সময়ত দিহা-পৰামৰ্শ আৰু বিভিন্ন তথ্যাদি আগবঢ়োৱা সকল :**

ড" অমূল্য চন্দ্ৰ শৰ্মা, ড" ডম্বৰুধৰ নাথ, দিলীপ কুমাৰ ফুকন, নৰেন ঠাকুৰীয়া, ডা" ধ্ৰুৱজ্যোতি বৰা, ড" প্ৰকাশ গোস্বামী, ভুৱন চন্দ্ৰ ঠাকুৰ, তিলক চন্দ্ৰ শৰ্মা, দুৰ্লভ চন্দ্ৰ দাস, গোবিন কুমাৰ খাউণ্ড, পৱন বুঢ়াগোহাঁঞি, অচ্যুত খাউণ্ড (দুলু), ৰবীন বৰুৱা।

## কৃতজ্ঞতা

অতুলানন্দ গোস্বামী, প্ৰদীপ চলিহা, বিকাশজ্যোতি বৰুৱা, ৰূপলেখা দেৱী, অশোক শৰ্মা, দিলীপ তামুলী, জোনা বৰুৱা (গুৱাহাটী); প্ৰতাপ গোস্বামী, মালচন্দ্ৰ পেগু, দুলাল চন্দ্ৰ বৰুৱা, জয়ন্ত দেৱশৰ্মা, নগেন হাজৰিকা, সমীৰণ বৰদলৈ, ৰাণী দেৱী বৰা, বুলবুলি শৰ্মা, জয়প্ৰকাশ ওজা, উদয় শংকৰ ভট্টাচাৰ্য, কনক মহন্ত, উপেন্দ্ৰনাথ শৰ্মা, কনকলতা বৰা, নবীন চন্দ্ৰ বৰা, শৈলেন গোস্বামী, পবিত্ৰ বৰদলৈ, বৰ্ণালী মহন্ত , ৰমেন শইকীয়া, বীৰেন্দ্ৰনাথ গোস্বামী (যোৰহাট); বৰকটকী কোম্পানী প্ৰাইভেট লিমিটেড (যোৰহাট), ভগীৰথ সাহা (চাউথ পইণ্ট ষ্টেচনাৰ্ছ, যোৰহাট); নৃপেন হাজৰিকা (অমিয়া প্ৰিণ্ট ক্ৰাফ্‌ট, যোৰহাট); উৎপল ভট্টাচাৰ্য, উজ্জ্বল ভট্টাচাৰ্য (আপু প্ৰিণ্টাৰ্ছ, যোৰহাট); প্ৰবীনা বৰা, দুলাল চন্দ্ৰ মহন্ত, জগত মহন্ত, ভৰত মহন্ত, ৰূপজ্যোতি পেগু, মিত্ৰদেৱ মহন্ত, নীলমশংকৰ ঠাকুৰীয়া, মৃদুল বৰুৱা, প্ৰদীপ মহন্ত, মিনতি শইকীয়া, ৰেণুমালা দত্ত, পূৰ্ণ শইকীয়া, বিষ্টু বৰা, ইলা শৰ্মা বৰঠাকুৰ, ৰীণা চাৰ', অণিমা কুটুম, মামণি পেগু, স্বপ্না পেগু, শৈলাৱতী কুটুম, টিনামণি কুটুম, হেমচন্দ্ৰ কুটুম, মাইনা কুটুম, ৰাজুমণি চাৰ', মুকুল কুটুম, বিনোদ পেগু, প্ৰেমানন্দ পেগু, নিৰন শইকীয়া, কমল দত্ত, নিত্যানন্দ মহন্ত (মাজুলী); উৎপল হাজৰিকা (বাণী মন্দিৰ), ভাস্কৰ গগৈ (এন.ই.গ্ৰাফিক্‌চ্); ৰাজীব বৰুৱা (মৰিয়নী); ডম্বৰু সোনোৱাল, ডম্বৰু চুতীয়া, ৰেবকান্ত শইকীয়া, বিজয় মোহন সন্দিকৈ, প্ৰফুল্ল ভূঞা, চক্ৰেন শইকীয়া, ভাৰতী গগৈ, ভোলানাথ গগৈ, অহিদুল হক, মৃদুলা গগৈ (বৰহোলা); ভৰত মহন্ত (মৰাণ)। অশ্বিনী বৰঠাকুৰ (দেৰগাঁও); ক্ষীৰোদ গোস্বামী, অপূৰ্ব বল্লভ গোস্বামী, অৰূপ বল্লভ গোস্বামী (গোলাঘাট)।

নতুন কমলাবাৰী, আউনীআটী, বেঙেনাআটী, দক্ষিণপাট, উত্তৰ কমলাবাৰী, চামগুৰি, গড়মূৰ, এলেঙি নৰসিংহ সত্ৰ প্ৰমুখ্যে মাজুলীৰ প্ৰত্যেক সত্ৰৰ সত্ৰাধিকাৰ আৰু ভকত-বৈষ্ণৱ সকল।

'নিউ এ'ৰা মেডিয়া ছাৰ্ভিচ'ৰ কৰ্মীবৃন্দ।

# অৱতৰণিকা

**(এক)**

ব্ৰহ্মপুত্ৰ আৰু খেৰকটীয়া-লোহিত পৰিৱেষ্টিত মাজুলী বিগত কেইবা শতিকাজুৰি ভিন্নজনৰ দৃষ্টিত ভিন্ন গুৰুত্বৰে প্ৰতিভাত হৈ আহিছে। সৰ্বসাধাৰণৰ দৃষ্টিত মাজুলী বিশ্বৰ বৃহত্তম নদী দ্বীপ; বৈষ্ণৱ ধৰ্মাৱলম্বীসকলৰ বাবে মধ্যযুগৰ ভক্তি আন্দোলনৰ অসমৰ দিকপাল মহাপুৰুষ শংকৰ-মাধৱৰ মিলনভূমি তথা ৰজাঘৰীয়া ('চাৰিসত্ৰ'ৰ ভিতৰত) তিনিসত্ৰ সমন্বিতে তিনিকুৰিৰো অধিক সত্ৰ (বৰ্তমান নাই) অৱস্থিত এখন পুণ্যক্ষেত্ৰ — এক মহাপীঠ। কলা-সংস্কৃতিপ্ৰেমী আৰু গৱেষকসকলৰ বাবে মাজুলী সমৃদ্ধ সংস্কৃতিৰ সুসংগবদ্ধ এখন বিদ্যালয়, য'ত বিভিন্ন জাতি-জনজাতিৰ বৰ্ণাঢ্য সংস্কৃতিয়ে স্বকীয়তা ৰক্ষা কৰিও দিয়া-লোৱা প্ৰক্ৰিয়াৰে সমন্বয়ৰ সেতু ৰচনা কৰিছে। বহুতে অনুভৱ কৰে, মাজুলী প্ৰত্নতাত্ত্বিক কলাসম্পদৰো যাদুঘৰস্বৰূপ। ন-ন চিন্তাৰ উন্মেষ ঘটাৰ লগে লগে মাজুলী দ্বীপ সৃষ্টিৰ ৰহস্য, ইয়াৰ ভৌগোলিক অৱস্থিতি, প্ৰদুষণমুক্ত প্ৰাকৃতিক পৰিৱেশ, দেশী-বিদেশী প্ৰব্ৰজনকাৰী চৰাই, বিৰল জৈৱ-বৈচিত্ৰ; সংঘাতপূৰ্ণ অথচ সহজ-সৰল-সংস্কৃত জনজীৱন আদি উপাদানসমূহেও সংশ্লিষ্ট গৱেষকসকলক প্ৰলুব্ধ নকৰাকৈ থকা নাই। অতি সাম্প্ৰতিক কালত মাজুলী, অসমলৈ অহা দেশ-বিদেশৰ পৰ্যটকৰ বাবেও আকৰ্ষণ স্থলীৰূপে পৰিগণিত হ'ব ধৰিছে। অবাঞ্চিত হ'লেও, বিগত কেইবাদশক ধৰি প্ৰলয়ংকৰী বান আৰু খহনীয়া আক্ৰান্ত এক অঞ্চল হিচাপে মাজুলীয়ে বাতৰিকাকত, ৰেডিঅ', দূৰদৰ্শন আদি প্ৰচাৰ মাধ্যমত সততে স্থান দখল কৰি জনমানসত 'মাজুলী' নামটোৰে প্ৰভাৱ পেলাই আহিছে।

সন্দেহ নাই, উল্লিখিত বৈশিষ্ট্যৰাজিয়ে মাজুলীক তুলনামূলক বিচাৰত একক চৰিত্ৰ প্ৰদান কৰিছে, সেয়ে হোৱা সত্ত্বেও কিন্তু মাজুলী সম্পৰ্কে সামগ্ৰিকভাৱে জানিবলৈ এখনো গ্ৰন্থ নাই বুলিলেও অত্যুক্তি কৰা নহ'ব। তীৰ্থনাথ শৰ্মাৰ 'আউনীআটী সত্ৰৰ বুৰঞ্জী'য়ে আৰু বেণুধৰ শৰ্মাৰ 'দক্ষিণপাট সত্ৰৰ বুৰঞ্জী'য়ে মাজুলী সম্বন্ধে বহু গুৰুত্বপূৰ্ণ তথ্যৰ সন্ধেদ দিয়ে; একেদৰেই গংগাধৰ হাজৰিকাৰ 'শ্ৰীশ্ৰীমৎ ধৰ্মাচাৰ্য পীতাম্বৰদেৱ' জীৱনীগ্ৰন্থখনো বিপ্লৱীধৰ্মগুৰু পীতাম্বৰদেৱ গোস্বামীৰ যুগৰ তৎকালীন মাজুলী তথা অসমৰ সমাজখনৰো মূল্যৱান দলিল স্বৰূপ। তথাপি ইয়াৰ কোনোখনেই মাজুলীৰ, অন্ততঃ আহোম বা প্ৰাক্‌স্বাধীন আৰু স্বাধীনোত্তৰ যুগৰো সকলো তথ্য যোগান ধৰিব নোৱাৰে। তাত অৱশ্যে আশ্চৰ্যৰ কাৰণো নাই; কিয়নো এই গ্ৰন্থকেইখন নিতান্তই বিষয়কেন্দ্ৰিক। আন্ধাৰত এধানি পোহৰেই পথৰ সন্ধান দিয়াৰ দৰে উল্লেখিত গ্ৰন্থকেইখনেও যুগে যুগে মাজুলী বিষয়ক বুৰঞ্জীৰ গৱেষকসকলৰ নতুন নতুন উৎসৰ সন্ধান দি আহিছে। ইয়াৰ উপৰি অসমৰ বিভিন্ন বুৰঞ্জী পুথি, সাহিত্য-সংস্কৃতিৰ গ্ৰন্থ … গুৰু চৰিত পুথিসমূহেও মাজুলী সম্পৰ্কে পৰ্যাপ্ত তথ্য দিয়ে, যিবোৰৰ আলমত বহুকেইগৰাকী গৱেষক আৰু অনুসন্ধিৎসু ব্যক্তিয়ে মাজুলী বিষয়ক চিন্তা-চৰ্চা কৰা পৰিলক্ষিত হৈছে। তাৰ বাবে সেইসকলে সাধুবাদ পাবৰ যোগ্য। তথাপি স্বীকাৰ কৰিব লাগিব — মাজুলী সম্বন্ধে অতীত-বৰ্তমান সামৰি কোনো গ্ৰন্থ প্ৰকাশ পোৱা নাই।

অসমৰ প্ৰসিদ্ধ বুৰঞ্জীবিদ ড' হেডম্বকান্ত বৰপূজাৰীয়ে 'অসম বুৰঞ্জীৰ সমল' শীৰ্ষক অসম সাহিত্য সভাৰ বুৰঞ্জী সন্মিলনৰ এক অভিভাষণত উল্লেখ কৰিছিল যে "বহুতৰে ধাৰণা আছিল, অসম তথা ভাৰত বুৰঞ্জী মানেই প্ৰাচীন বুৰঞ্জী আৰু সিও ৰাজনৈতিক বুৰঞ্জী। এই যুগৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰি ইয়াৰ ভিত্তিতে বৰ্তমান আৰু ভৱিষ্যত সমাজ গঠন কৰাই হয়তো সিবিলাকৰ উদ্দেশ্য আছিল। এই ভ্ৰান্ত ধাৰণা

ক্ৰমে লোপ পাই সম্প্ৰতি মধ্য আৰু একেবাৰে আধুনিক বুৰঞ্জীৰ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক সকলো অংশৰে সমানে গুৰুত্ব দিয়া হৈছে।" অৰ্থাৎ বুৰঞ্জী প্ৰণয়নৰ পৰম্পৰাগত দৃষ্টিভংগীৰ ব্যাপক পৰিৱৰ্তন হৈছে আৰু তাৰ পৰিসৰো বৃদ্ধি পাইছে। সেয়েহে মানৱ জাতিৰ সামগ্ৰিক কৰ্মৰাজি আৰু চিন্তাধাৰাক প্ৰতিফলন ঘটাব পৰাকৈ বুৰঞ্জী ৰচনাৰ প্ৰয়োজন আহি পৰিল। এনে এক দৃষ্টিভংগীৰে একাধিক বিষয়ত গুৰুত্বপূৰ্ণ বুলি বিবেচিত মাজুলীৰ এখন বুৰঞ্জী ৰচনাৰ প্ৰয়োজন নুই কৰিব নোৱাৰি। এই কথাও স্বীকাৰ্য যে, মাজুলীৰে কিয় গোটেই ভাৰতবৰ্ষৰে প্ৰত্যেক চপৰা মাটিত বুৰঞ্জী নিহিত হৈ আছে; তথাপি ইতিপূৰ্বে উল্লেখ কৰি অহা একক বৈশিষ্ট্যৰাজিৰ কাৰণেই অন্ততঃ উত্তৰপুৰুষ আৰু মাজুলীৰ প্ৰতি অনুসন্ধিৎসুসকলৰ বাবে, গৱেষকেই হওক বা পৰ্যটকেই হওক মাজুলীৰ অতীত-বৰ্তমানক প্ৰতিফলিত কৰিব পৰাকৈ এখন তথ্যসম্বলিত গ্ৰন্থ লাগে, সি পূৰ্ণাংগ বুৰঞ্জী হওকেই বা নহওক ।

সেয়ে হ'লেও 'মাজুলী' নামৰ ভূখণ্ডৰ প্ৰাচীন ইতিহাসৰ, বিশেষকৈ প্ৰাক্ আহোম যুগৰ সবিশেষ সমল পাবলৈ নাই। ৰূপকথা আৰু কিংবদন্তিৰ আলমত সেইছোৱা সময়ৰ বহুকথা কেৱল অনুমান কৰিব পাৰি, আটাইবোৰ তথ্যভিত্তিক বুলি গ্ৰহণ কৰিব নোৱাৰি। মাজুলী সম্পৰ্কে কেইবাটাও গৱেষণামূলক প্ৰবন্ধৰ ৰচক, বুৰঞ্জীবিদ ড° ডম্বৰুধৰ নাথে এই গ্ৰন্থতে প্ৰসংগক্ৰমে, স্পষ্টভাষাতেই কৈছে যে মাজুলীৰ ৰতনপুৰ (ৰত্নপুৰ) নামৰ ঠাইত ৰামচন্দ্ৰ নামৰ ৰজাৰ ৰাজধানী থকা অথবা চুতীয়া ৰজা ৰত্নধ্বজপালেও একে ঠাইতে ৰাজধানী প্ৰতিষ্ঠা কৰা (ত্ৰয়োদশ শতিকাৰ মাজভাগত) আদি বিশ্বাস বা ধাৰণাবোৰৰ কোনো ঐতিহাসিক ভিত্তি নাই। এই বক্তব্যৰ অৰ্থ আমি এনেদৰেও ল'ব পাৰো যে বেছি আগলৈ নগৈ দ্বাদশ-ত্ৰয়োদশ শতিকাৰ মাজুলীৰ বুৰঞ্জী উদ্ঘাটন কৰাটোও সহজ কথা হৈ থকা নাই। বুৰঞ্জীৰ বেলিকা শেষ কথা কোৱা সম্ভৱ নহয় যদিও ড° নাথৰ গৱেষণাপ্ৰসূত সিদ্ধান্তও উলাই কৰিব পৰা বিধৰ নহয়। অৱশ্যে আহোম ৰাজত্বকালৰ, বিশেষকৈ ষোড়শ শতিকাৰ আৰম্ভণিৰপৰা মাজুলীৰ ইতিহাস সম্পৰ্কে তথ্যৰ সিমান অভাৱ দেখা নাযায়। শ্ৰীমন্ত শংকৰদেৱে মাজুলীৰ অন্তৰ্গত ধুৱাহাট-বেলগুৰিত থান প্ৰতিষ্ঠা কৰা, সেই স্থানতে শংকৰদেৱ-মাধৱদেৱৰ মিলন হোৱা আদি বিষয়ক তথ্য অন্ততঃ চৰিতপুথি আৰু সাহিত্য-সংস্কৃতিৰ বুৰঞ্জীৰ পৰাও আহৰণ কৰিব পৰা যায়। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই 'মণিকাঞ্চন সংযোগ' আখ্যা দিয়া 'সোণত সুৱগা চৰা' শংকৰদেৱ-মাধৱদেৱৰ মিলন নিশ্চয়কৈ যুগমীয়া পৰিঘটনা। আহোম স্বৰ্গদেউ চুহুংমুং ওৰফে দিহিঙীয়া ৰজাৰ দিনত শংকৰদেৱে ধুৱাহাট-বেলগুৰিত থান (সত্ৰ) প্ৰতিষ্ঠা কৰে। এই থান প্ৰতিষ্ঠাৰ পৰা স্বৰ্গদেউ নৰিয়া ৰজা আৰু জয়ধ্বজ সিংহৰ পৃষ্ঠপোষকতাত গঢ় লৈ উঠা আউনীআটী, দক্ষিণপাট আৰু গড়মূৰ সত্ৰৰ আগে-পিছে মাজুলীত অন্যান্য বহু সত্ৰ স্থাপন হয়। বহু কেইগৰাকী গৱেষকৰ মতে সত্ৰানুষ্ঠানসমূহ স্থাপন নোহোৱা পৰ্যন্ত মাজুলীৰ প্ৰকৃত ইতিহাস আৰম্ভ হোৱা বুলি ক'ব নোৱাৰি। সত্ৰানুষ্ঠান স্থাপনৰ পৰাই অসমত গা-কৰি উঠা বৈষ্ণৱ নৱজাগৰণৰ মাজুলী এক বিশিষ্ট কেন্দ্ৰলৈ পৰিণত হ'ল; ই কেৱল ধৰ্মীয় দিশতে সীমিত নহৈ অসমীয়া জাতিৰ সামাজিক-সাংস্কৃতিক আৰু সমাজ-সংগঠনৰ ক্ষেত্ৰতো ব্যাপক প্ৰভাৱ পেলাবলৈ ধৰে। আনহাতে ৰজাৰ পৃষ্ঠপোষকতাত গঢ় লোৱা সত্ৰকেইখনৰ প্ৰভাৱ ৰজা ঘৰতো স্বীকৃত হোৱাত অসম বুৰঞ্জীত একাধিক কাৰণত 'মাজুলী' নামৰ ভূখণ্ডৰ গুৰুত্বও বৃদ্ধি পায়। ৰজা ঘৰত সত্ৰৰ প্ৰভাৱ, পৰৱৰ্তী কালছোৱাত সংঘটিত সত্ৰীয়া নিৰ্যাতন, মোৱামৰীয়া বিদ্ৰোহৰ



মাজুলীকেন্দ্ৰিক ঘটনাৱলী আদি ঐতিহাসিক ঘটনাসমূহ নিতান্তই মাজুলীৰে নহয়, অসম বুৰঞ্জীৰে অতি তাৎপৰ্যপূৰ্ণ ঘটনা বুলি বিবেচিত হৈছে। এনে বহু ঘটনা এই গ্ৰন্থত বিবৃত হৈছে। সেই সম্পৰ্কে অধিক আলোচনালৈ নগৈ যদি যুক্তিৰ খাতিৰত মাজুলীৰ প্ৰাচীন ইতিহাস সমূলি নাই বুলিও ধৰি লোৱা যায়, তথাপি পঞ্চদশ শতিকাৰ পৰা মাজুলীত সংঘটিত গুৰুত্বপূৰ্ণ ঘটনাৱলীৰ ঐতিহাসিক তথ্যৰ অভাৱ নহ'ব। মাজুলীৰ বুকুত থকা (অনাদৃতভাৱে হ'লেও) কেইবাটাও ৰজাদিনীয়া গড়, পুখুৰী, থান-সত্ৰ, সত্ৰসমূহত সংৰক্ষিত চৰিতপুথি-সমূহ, বিভিন্ন প্ৰত্নতাত্ত্বিক কলা-সম্পদ, বৃত্তিয়াল গাঁও, ঠাইবোৰ বা নামবোৰ, কিংবদন্তি আদি সমলবিলাকে স্বতন্ত্ৰীয়াকৈও বহু ইতিহাসৰ সাক্ষ বহন কৰে আৰু এইবোৰে মাজুলীৰ ইতিহাস ৰচনাৰ বাবে যথেষ্ট তথ্যৰ যোগান ধৰিব পাৰে। অন্য এটা তাৎপৰ্যপূৰ্ণ বিষয় হৈছে আজি বিশ্বৰ সৰ্ববৃহৎ নদী-দ্বীপৰূপে খ্যাত মাজুলী নামৰ ভূখণ্ড আৱহমান কালৰে পৰা এটা দ্বীপ নাছিল। এই সম্পৰ্কে চিন্তা-চৰ্চা কৰাসকলে ইতিমধ্যে যুক্তি-তথ্যসহকাৰে দেখুৱাইছে যে অনন্ততঃ আউনীআটী, দক্ষিণপাট আৰু গড়মূৰ সত্ৰ স্থাপন হোৱা পৰ্যন্ত মাজুলীয়ে সম্পূৰ্ণ নদীবেষ্টিত দ্বীপৰ আকাৰ লোৱা নাছিল। অৰ্থাৎ সাম্প্ৰতিক কালত মাজুলীৰ যি কেইটা বৈশিষ্ট্যই অসম তথা ভাৰতৰ বাহিৰৰ মানুহবো মাজুলীৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে তাৰ অন্যতম সাংস্কৃতিক আৰু ভৌগোলিক বৈশিষ্ট্যৰ ঐতিহ্যও নিহিত হৈ আছে আহোম যুগৰ বুৰঞ্জীতে।

অসমখন ইংৰাজৰ অধীনলৈ যোৱাৰ পিছত যি দুটা বিষয়ে মাজুলীৰ নাম কালৰ বুকুত যুগমীয়া কৰি থৈ গ'ল, তাৰ এটা আউনীআটীয় সত্ৰাধিকাৰ দত্তদেৱ গোস্বামীৰ 'আসাম বিলাসিনী'ৰ প্ৰকাশ; আনটো গড়মূৰ সত্ৰৰ মানৱতাবাদী বিপ্লৱী সত্ৰাধিকাৰ পীতাম্বৰদেৱ গোস্বামীয়ে সমাজৰ সৰ্বাংগীন উন্নয়নৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহ। 'আসাম বিলাসিনী' দিৱসৰ ভাষণ প্ৰসংগত (আউনীআটী সত্ৰত অনুষ্ঠিত) বিশিষ্ট সাহিত্যিক চন্দ্ৰ প্ৰসাদ শইকীয়াই কৈছিল, "...১৮৭১ খ্ৰী:ত ১৩০ বছৰৰ আগত এই মাজুলীলৈ মানুহ আহিবলৈ ভয় কৰে, যাতায়াত স্তব্ধ, নাৱত আহিব লাগে, টুলুং-ভুটুং নাও— কি বিস্ময় ঘটনা; সেই মাজুলীৰ আউনীআটী সত্ৰলৈ কলিকতাৰ পৰা ছপাযন্ত্ৰ আনি অসমৰ দ্বিতীয়খন কাকত আসাম বিলাসিনী প্ৰকাশ কৰিছিল। আমাৰ অসমীয়া ভাষা-সাহিত্য আৰু সংস্কৃতিত এইটো এটা অপূৰ্ব মুহূৰ্ত। আমাৰ অসমীয়া জীৱনত এই মুহূৰ্ত স্থায়ী হৈ থাকিব।" সাহিত্যাচাৰ্য যতীন্দ্ৰনাথ গোস্বামীয়েও উল্লেখ কৰিছে যে আসাম বিলাসিনীৰ এটা ঐতিহাসিক ভূমিকা আছে। অসমীয়া ভাষাৰ পানীত হাঁহ নচৰা অৱস্থাত আসাম বিলাসিনীয়ে অতীত গৌৰৱক স্মৰণ কৰাই নতুন যুগৰ দুৱাৰ মুকলি কৰিলে। ড° মহেশ্বৰ নেওগেও এক গুৰুত্বপূৰ্ণ মন্তব্য কৰিছে এনেদৰে— ১৮৭১ খ্ৰী:ত আউনীআটীৰ সত্ৰাধিকাৰে প্ৰকাশ কৰা আসাম বিলাসিনীৰ পৰা ১৮৮৮ খ্ৰী.ত ৰুক্মাভিৰাম বৰুৱাই প্ৰকাশ কৰা মৌ'ৰাবকুলৈকে এই পত্ৰিকাসমূহে অসমীয়া সাহিত্যৰো আঁত হেৰাই যাবলৈ নিদিয়াকৈ একপ্ৰকাৰ ৰক্ষা কৰিছিল। যি কি নহওক, আমাৰ বোধেৰে কাকতখনৰ অনেক সীমাবদ্ধতা থকা সত্বেও দত্তদেৱ গোস্বামীৰ আসাম বিলাসিনীয়ে এক অম্লান ইতিহাস ৰচনা কৰি থৈ গ'ল, যি ইতিহাস অসমবাসীয়ে কেতিয়াও পাহৰিব নোৱাৰে।



গড়মূৰ সত্ৰৰ বিপ্লৱী ধৰ্মগুৰু পীতাম্বৰদেৱ গোস্বামীৰ প্ৰসংগত সাহিত্য সভাৰ প্ৰাক্তন সভাপতি প্ৰয়াত যজ্ঞেশ্বৰ শৰ্মাৰ এষাৰ কথা উদ্ধৃত কৰিব পাৰি। "গড়মূৰ সত্ৰৰ প্ৰয়াত সত্ৰাধিকাৰ মধ্যযুগীয় সংস্কৃতিৰ

এগৰাকী প্ৰধান বাহক হ'লেও তেখেত মানবিকবাদী পুৰুষ আছিল; তেখেতক Mediaeval humanist বুলি ক'ব পাৰি। তেখেতৰ মতে 'কেৱলং শাস্ত্ৰমাশ্ৰিত্য ন কৰ্ত্তব্যো বিনিৰ্ণয়ঃ যুক্তিহীন বিচাৰেতু ধৰ্ম্মহানিঃ প্ৰজায়তে'— কেৱল শাস্ত্ৰকে আশ্ৰয় কৰি কৰ্তব্য নিৰ্ণয় নকৰিব : যুক্তিহীন বিচাৰৰ পৰা ধৰ্ম হানি হয়। স্মৃতিৰ এই মতেৰেই তেখেতে কালৰ অনুপযোগী কিছুমান মত খণ্ডন কৰিবলৈ প্ৰয়াস কৰিছিল। যুক্তি নিৰ্ভৰতা মানবিকবাদৰ প্ৰধান লক্ষণ। মানবিকবাদে কেৱল ঐতিহ্য আৰু বিশ্বাসৰ ওপৰতে নিৰ্ভৰ নকৰে। ৰক্ষণশীলতাৰ প্ৰতীক এগৰাকী ধৰ্মগুৰুৱে এনে অভিনৱ মত দাঙি ধৰা আধুনিক অসমৰ বুৰঞ্জীত প্ৰথম বুলি ক'ব লাগিব।' আজিৰ পৰা এশ বছৰ আগৰ মাজুলীৰ সামাজিক পটভূমি কি আছিল ? স্বীকাৰ কৰিবই লাগিব যে সেই সময়তো সত্ৰ-সংস্কৃতিয়ে ব্ৰাহ্মণ্য-সংস্কৃতিৰ জাতিভেদ আৰু নানা শুচিতাৰ সংস্কাৰ পৰিহাৰ কৰিব পৰা নাছিল। সত্ৰসমূহৰ স্থিতি আছিল 'উন্নত বা মাৰ্জিত সামন্তবাদৰ স্তম্ভ'ৰ দৰেই। তদানীন্তন সংৰক্ষণশীল সত্ৰীয়া পৰিমণ্ডলৰ অনেক বাধা-বিঘিনি নেওচি বিপ্লৱী সত্ৰাধিকাৰগৰাকীয়ে নিজে হাতে-কলমে যি আদৰ্শ দি গ'ল সেয়া অসমৰে কিয়, সমগ্ৰ ভাৰতবৰ্ষতে এজন ধৰ্মগুৰুৰ ক্ষেত্ৰতে বিৰল। তেখেতৰ জীৱনব্যাপী কৰ্ম আৰু চিন্তা-চেতনাক লৈ ৰচিত 'শ্ৰীশ্ৰীমৎ ধৰ্মাচাৰ্য পীতাম্বৰদেৱ' নামৰ জীৱনী গ্ৰন্থখনত যিবোৰ কথা প্ৰকাশ পাইছে, সেইবোৰৰ আঁত ধৰি তেখেতৰ প্ৰগতিশীল চিন্তা আৰু কৰ্মৰাজিৰ আভাস পাব পাৰি। সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি, মাজুলীৰ অন্যতম জনজাতীয় নেতৃস্থানীয় পুৰুষ, প্ৰয়াত তৰুণচন্দ্ৰ পামেগাম প্ৰভৃতিৰ লেখনিৰ আঁত ধৰি নিশ্চিত হ'ব পাৰি যে তেখেতে জনজাতি আৰু পিছপৰা জাতিৰ উন্নতিৰ লগতে সত্ৰৰ ৰক্ষণশীল বেহু ভেদ কৰিবলৈ ভালেমান বাস্তৱ পদক্ষেপ গ্ৰহণ কৰিছিল। তেখেতে ২৫/৩০ কি: মি: দূৰ হাতীৰে গাঁৱে গাঁৱে গৈ মিচিং আৰু পিছপৰা জাতিসমূহৰ সামাজিক-সাংস্কৃতিক উন্নয়নৰ হকে কাম কৰাৰ কথা জানিব পাৰি। সমাজ-সংগঠন আৰু উন্নয়নৰ বাবে জনজাতিসকলৰ মাজলৈ গৈ তেখেতে এটা গুৰুত্বপূৰ্ণ ইংগিত দিছিল। সমন্বয় তথা সহাৱস্থান আৰু উন্নয়ন অবিহনে যে এখন শান্তিপূৰ্ণ সুন্দৰ সমাজ আশা কৰিব নোৱাৰি, তেখেতে তেতিয়াই উপলব্ধি কৰিছিল। নানা জাতি-জনজাতিৰ বাসভূমি মাজুলীত কেৱল সত্ৰৰ 'উপস্থিতি'য়ে যে সমন্বয় সাধন কৰিব নোৱাৰে, সেয়া দূৰদৃষ্টিসম্পন্ন ধৰ্মাধিকাৰজনে নভবাকৈ থকা নাছিল।

মন কৰিবলগীয়া এই যে যিটো সময়ত সাতখলপীয়া গাদী নৰবাহন স্বৰূপ খাটোলা আদিৰ প্ৰচলন আছিল সুলভ, সত্ৰৰ দেৱোত্তৰ মাটি-সম্পত্তি জনসাধাৰণৰ মংগলাৰ্থে এৰি দিয়াটো আছিল সপোনতো ভাবিব নোৱৰা বিষয়, তেতিয়াই পীতাম্বৰদেৱ গোস্বামীয়ে সেইবোৰ কৰি বিৰল দৃষ্টান্ত স্থাপন কৰিছিল। পীতাম্বৰদেৱ গোস্বামীয়ে আছিল একমাত্ৰ সত্ৰাধিকাৰ যি 'গুৰু-কৰ' বিলোপ কৰি আধুনিক কৃষি-পদ্ধতিৰে কৃষি-কৰ্ম আৰু হাতী-মহল চলাই স্বাৱলম্বী হৈ জীয়াই থকাৰ আদৰ্শ দেখুৱাইছিল। একেগৰাকী সত্ৰাধিকাৰেই সমাজৰ সৰ্বনাশস্বৰূপ কানি, ভাং আদি মাদক দ্ৰব্য নিবাৰণৰ অৰ্থে চৰকাৰৰ কোনো সঁহাৰি নাপাই, নিজে গাঁৱে-ভূঞে খোজ কাঢ়ি মাদক দ্ৰব্য সেৱনৰ বিৰুদ্ধে জনসাধাৰণক সজাগ কৰিছিল। আলোকসন্ধানী সত্ৰাধিকাৰগৰাকীয়ে সমাজ-সংস্কাৰৰ বাবে জৰুৰী বা প্ৰয়োজনীয় শৈক্ষিক-সাংস্কৃতিক দিশৰ প্ৰতিও সমানেই দৃষ্টি ৰাখিছিল। দুষ্কৃতি-অনীতিৰ বিৰুদ্ধে সদা-সতৰ্ক প্ৰহৰীৰ দৰে হাতত কলম তুলি লোৱা সত্ৰাধিকাৰগৰাকীয়ে অসমৰ জ্বলন্ত সমস্যা (পাকিস্তানী অনুপ্ৰৱেশকাৰীৰ সমস্যা আদি) সম্পৰ্কেও লিখিবলৈ



নাপাহৰিছিল। চাৰি-সত্ৰীয়াৰ এজন অন্যতম সত্ৰাধিকাৰ হিচাপে ভাৰতৰ স্বাধীনতা সংগ্ৰামত পীতাম্বৰদেৱ গোস্বামীৰ ভূমিকাও চিৰস্মৰণীয়। তেখেতে অনুভৱ কৰিছিল পৰাধীনতাৰ পৰা মুক্তি পাবলৈ কৰা সংগ্ৰাম দুষ্কৃতিৰ বিৰুদ্ধে সংগ্ৰাম। তেখেতে ধৰ্মপ্ৰাণ ৰাইজক বুজাইছিল— দেশৰ স্বাধীনতা উদ্ধাৰ কৰা ধৰ্মৰ প্ৰথম কৰ্তব্য। প্ৰয়াত যজ্ঞেশ্বৰ শৰ্মাৰ ভাষাত— "অসীম প্ৰতাপী ব্ৰিটিছ চৰকাৰৰ বিৰুদ্ধে আন্দোলন কৰি কাৰাবৰণ কৰা ধৰ্মগুৰুৰ সংখ্যা ভাৰতত্তে বিৰল। এজন স্বাধীনতা সেনানীৰূপে কাৰাগাৰত সোমোৱা পীতাম্বৰদেৱ গোস্বামী প্ৰথমগৰাকী সত্ৰাধিকাৰ।"

সংক্ষেপে এই কথা ক'লেই যথেষ্ট হ'ব যে শংকৰদেৱৰ প্ৰকৃত উত্তৰ-সাধক হিচাপে, সৰ্বগুণাকৰ পীতাম্বৰদেৱ গোস্বামীয়ে সামগ্ৰিকভাৱে মানৱ-কল্যাণৰ বাবে যি আদৰ্শ আৰু অৱদান দি গ'ল, সেয়া যুগে যুগে প্ৰাসংগিক হৈ ৰ'ব।


আইনষ্টাইনে মহাত্মা গান্ধীৰ বিষয়ে কৈছিল : Generations to come, will scarce believe that such one as this, ever in flesh and blood walked upon this earth.— একেদৰেই ভাব হয়, মাজুলী কিম্বা অসমৰ মানুহৰ বাবেও পীতাম্বৰদেৱ গোস্বামী এতিয়া ৰূপকথাৰ নায়ক। তেওঁলোকে বিশ্বাসেই নকৰিব যে এগৰাকী মধ্যযুগীয় সংস্কৃতিৰ বাহক হৈও পীতাম্বৰদেৱ গোস্বামীয়ে এদিন স্বশৰীৰে অভিনৱ আৰু প্ৰগতিশীল চিন্তা-কৰ্মৰে আলোকৰ সন্ধান দিছিল; আশাৰ বতৰা বিলাইছিল। আমাৰ ব্যক্তিগত অনুভৱ — পীতাম্বৰ দেৱ গোস্বামীক অসমৰ মানুহে পাহৰিলে নচলিব, বিশেষকৈ মাজুলীবাসীয়ে। মাজুলীৰ প্ৰাণ প্ৰতিষ্ঠাতা পীতাম্বৰদেৱ গোস্বামীক জীয়াই ৰাখিবলৈ, এক নৱজাগৰণৰ সূচনা কৰিবলৈ আমি কেন্দ্ৰীয়ভাৱে, মাজুলীৰ চুকে-কোণে, জাতি-ধৰ্ম নিৰ্বিশেষে, প্ৰত্যেক বছৰে 'পীতাম্বৰদেৱ দিৱস' পালন কৰিব লাগিব যেনেকৈ সকলো অসমীয়াই জ্যোতি-দিৱস, বিষ্ণুৰাভা দিৱস পালন কৰে।

**(দুই)**

আমি ইতিপূৰ্বে উল্লেখ কৰি আহিছো যে মাজুলীৰ প্ৰাচীন ইতিহাসৰ সমল যথেষ্ট পোৱা নাযায় আৰু বহু ইতিহাস অদ্যপৰিমিত কিংবদন্তি আৰু ৰূপকথাৰ দৰেই। তথাপি ওপৰৰ আলোচনাৰ পৰা এই সিদ্ধান্তলৈ আহিব পাৰি যে আহোম যুগৰ পৰা অন্ততঃ বিপ্লৱী সত্ৰাধিকাৰ পীতাম্বৰদেৱ গোস্বামীৰ যুগৰ মাজুলী পৰ্যন্ত ঐতিহাসিক তথ্য আহৰণ কৰা অসুবিধা নহ'ব। আনহাতে সাম্প্ৰতিক কালৰ মাজুলী সকলোৰে জনা বিষয়। জন্মলগ্নৰে পৰা প্ৰকৃতিৰ বিৰুদ্ধে সংগ্ৰাম আৰু সহাৱস্থান কৰি; অকলেই, বীৰৰদৰে যুঁজি যুঁজি হাৰ নমনাকৈ জাতীয় কলা-সংস্কৃতি জীয়াই ৰখা লোকৰ বাসস্থান, বৰ্ণাঢ্য জাতি-জনজাতিৰ মিলনভূমি মাজুলী সঁচাকৈ এখন বৈচিত্ৰ্যময় স্থান। বান-খহনীয়া প্ৰপীড়িত, যাতায়ত-যোগাযোগ বিচ্ছিন্ন মাজুলীৰ সম্পূৰ্ণ কৃষিপ্ৰধান গ্ৰামীন পৰিবেশত সত্ৰ-কেন্দ্ৰিক সংস্কৃতিৰ ধাৰাবাহিক চৰ্চাই অদ্যপৰিমিত যি পৰিৱেশ দান কৰিছে, সেয়া অসমৰ অন্যান্য ঠাইত বিৰল বুলিলেও বঢ়াই কোৱা নহয়। গাঁৱলীয়া, নিৰক্ষৰ, সহজ-সৰল মানুহখিনিৰ বাবে সত্ৰসমূহ (আৰম্ভণিৰে পৰা) হৈ পৰিল আধ্যাত্মিকতা, সাহিত্য, কলা-সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ। এই সত্ৰসমূহৰ প্ৰভাৱ একালত এনে পৰ্যায়ৰ আছিল যে মাজুলীৰ প্ৰায়বিলাক গাঁৱৰে পৰিয়ালসমূহ কোনোবা নহয় কোনোবা এখন সত্ৰৰ শিষ্য আছিল। সত্ৰসমূহৰ মাই উদ্দেশ্য ভক্তি-ধৰ্ম




প্ৰচাৰ কৰাটোৱেই আছিল যদিও প্ৰায়বিলাক সাংস্কৃতিক কাৰ্যাৱলী, সুকুমাৰ কলাক ধৰ্মীয় সাধনাৰ সৈতে সম্পৃক্ত কৰি উদাৰনৈতিক মানৱতাবাদী আদৰ্শ প্ৰতিষ্ঠা কৰিলে। ড° লীলা গগৈয়ে, অসমৰ সত্ৰসমূহক অসমীয়া সংস্কৃতিৰ 'নাড়ী-কেন্দ্ৰ' বুলি অভিহিত কৰিছে। সেই অৰ্থত মাজুলীৰ সত্ৰসমূহো পৃথক নহয়, যিহেতু অসমৰ অন্যান্য সত্ৰসমূহক মাজুলীৰ সত্ৰসমূহে প্ৰতিনিধিত্ব কৰে বুলি নিঃসন্দেহে ক'ব পৰা যায়। আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড° পীতাম্বৰদেৱ গোস্বামীয়ে তেখেতৰ এক ৰচনাত উল্লেখ কৰিছে যে সাহিত্য, সংগীত, নৃত্য, অভিনয়, স্থাপত্য, ভাস্কৰ্য, কলাসমূহেৰে পৰিপূৰ্ণ সত্ৰীয়া সংস্কৃতিয়ে ব্যক্তি তথা সমাজৰ নৈতিক, সামাজিক আৰু বৌদ্ধিক উত্তৰণ ঘটায়। তেখেতৰ ভাষাত "সত্ৰীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ মাজুলীয়ে প্ৰতিষ্ঠাকালীন দিনৰপৰা ইয়াৰ ধাৰাবাহিকতা ৰক্ষা কৰি সময়সাপেক্ষ অভিযোজনা ঘটাই আহিছে। .... কেৱল ইমানেই নহয়, সমাজৰ সংকটকালত জাতিৰ সম্ভ্ৰম ৰক্ষাত মাজুলীৰ সত্ৰসমূহৰ কৰ্তব্যৰ খতিয়ান নিঃসন্দেহে স্মৰণযোগ্য। তদুপৰি প্ৰবাহিত পৰম্পৰা ৰক্ষাত মাজুলীৰ সত্ৰসমূহৰ আত্মনিয়োগ উল্লেখযোগ্য দিশ।" এইখিনিৰ উপৰিও মাজুলীৰ কোনো সত্ৰই সৰ্বপ্ৰথম সত্ৰীয়াচিত্ৰশৈলীৰ সূচনা কৰিছিল। অসমৰ বৈষ্ণৱযুগৰ চিত্ৰকলাৰ গৱেষক ড° নৱেন কলিতাই স্থানান্তৰত উল্লেখ কৰিছে যে সত্ৰীয়া চিত্ৰশৈলীৰ প্ৰথম উন্মেষ ঘটিছিল মাজুলীৰ কোনো সত্ৰত। চিত্ৰ-ভাগৱত, বৰকীৰ্ত্তন, গীতগোবিন্দ, আনন্দ-লহৰী, অষ্টম স্কন্ধ ভাগৱত, তিনিখন ভক্তি ৰত্নাৱলী আৰু অজামিল উপাখ্যান আদি পুথিসমূহৰ প্ৰব্ৰজনৰ ইতিহাস অনুসন্ধান কৰি মত প্ৰকাশ কৰিছে যে বৈষ্ণৱযুগৰ চিত্ৰকলাৰ জন্ম আৰু বিকাশত মাজুলীয়ে একমাত্ৰ ভূমিকা পালন কৰিছিল। এনে বহু ঐতিহ্যৰ সাক্ষী মাজুলীৰ সত্ৰসমূহে বান-খহনীয়াৰ সৈতে নিৰন্তৰ সংগ্ৰাম কৰিও সংস্কৃতিৰ বন্তিগছি প্ৰজ্জ্বলিত কৰি ৰখাটো কম গুৰুত্বপূৰ্ণ কথা নহয়। অৱশ্যে ৰজাঘৰীয়া পৃষ্ঠপোষকতা, ৰাজনৈতিক প্ৰতিপত্তি আৰু ব্ৰাহ্মণ্য সংস্কৃতিৰ প্ৰভাৱে এসময়ত শংকৰ-মাধৱদেৱৰ উদাৰ-মানৱীয় প্ৰমূল্যৰ প্ৰৱাহক বন্ধ কৰাৰ উপক্ৰম কৰিছিল। ড° হীৰেন গোহাঁইৰ এষাৰ কথা এই প্ৰসংগত উল্লেখ কৰিব পাৰি। তেখেতে উল্লেখ কৰিছে যে ব্ৰিটিছ অহাৰ পিছত প্ৰকাশিত ১৮৮১ চনৰ চেন্সাছ ৰিপ'ৰ্ট মতে গাঁৱৰ সমাজত জাতিভেদৰ ঘাই ধৰণী হৈ পৰিল সত্ৰসমূহেই। সামন্তবাদী পৰিবেশৰ ৰূপান্তৰ নঘটিল। বৰং উন্নত বা মাৰ্জিত সামন্তবাদৰ স্তম্ভ হিচাপেই সত্ৰবোৰ গঢ় লৈ উঠিল।" সেয়ে হ'লেও কিন্তু সত্ৰসমূহৰ সামগ্ৰিক যোগাত্মক ভূমিকাই তদানীন্তন সময়ত ইয়াৰ প্ৰভাৱাধীন লোকসকলক সেই সত্য উপলব্ধি কৰিবলৈ সুযোগ নিদিয়া যেন ধাৰণা হয়। সহজ-সৰল নিৰক্ষৰ লোকসকলে এনে জাত-পাতৰ বিভাজন স্বাভাৱিক নিয়মৰ ভিতৰুৱা বুলিয়ে গ্ৰহণ কৰিছিল। অৱশ্যে কুৰি শতিকাৰ পৰা সত্ৰসমূহৰ এনে ঐতিহাসিক ভুল সমূহৰ কুফলো সমাজে ভোগ কৰিব লগা হয়। অৱশ্যে ইয়াৰ ফলশ্ৰুতিত পৰৱৰ্তী কালত সত্ৰসমূহে ইয়াৰ পৰোক্ষ আৰু প্ৰত্যক্ষ অনেক প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগা হৈছে। এই কথাও মনত ৰাখিব লাগিব যে বৰ্তমান কেৱল সত্ৰই নহয়, প্ৰায়বোৰ ধৰ্মীয় প্ৰতিষ্ঠানলৈকে ভোগবাদী আদৰ্শৰ প্ৰত্যাহ্বান আহিছে । কালান্তৰৰ সামাজিক-আৰ্থিক-ৰাজনৈতিক পৰিৱৰ্তনসমূহে জন-জীৱন এনে পৰ্যায়লৈ লৈ গৈছে য'ত তাহানিৰ সত্ৰৰ শৰণ, ভজন, সদাচাৰ, খোল-তাল আদি জীৱনৰ অংগ হৈ থকা নাই। আনলৈ নগৈ সত্ৰত জীৱন-যাপন কৰাসকলৰ ক্ষেত্ৰতেই সেই কথা প্ৰযোজ্য হয়। এনে প্ৰেক্ষাপটত অতীতৰ ভুল-ত্ৰুটিৰ কথা পাহৰি, বহুধাবিভক্ত ধৰ্মীয় মতাদৰ্শৰ মাজতো সহাৱস্থান কৰি মিচিং, দেউৰী, কৈৱৰ্ত,



নাথ, কোঁচ, ব্ৰাহ্মণ, কলিতা, বিহাৰী, ইছলাম ধৰ্মাৱলম্বী, বঙালী, মাৰোৱাৰী আদি সকলো জাতি-জনজাতি এক হ'ব লাগিব; কাৰণ সমন্বয়ৰ মাজতহে মাজুলীৰ গৌৰৱপূৰ্ণ সামাজিক-সাংস্কৃতিক ঐতিহ্য সংৰক্ষিত হৈ থকা সম্ভৱ। সুখৰ বিষয় যে শেহতীয়াকৈ কেইবাখনো নেতৃস্থানীয় সত্ৰই পূৰ্বৰ দৃষ্টিভংগীৰ পৰিৱৰ্তন সাধন ঘটাই উদাৰভাৱে সমাজ সংগঠন আৰু সমন্বয়ৰ বাবে আগবাঢ়ি আহিছে। ইয়াৰ সমান্তৰালভাৱে কমলাবাৰী থূলৰ সত্ৰকেইখনৰ নেতৃত্বত মাজুলীৰ সাংস্কৃতিক প্ৰবাহ সম্প্ৰতি অধিক ত্বৰান্বিত হোৱাটোও এই প্ৰসংগত উল্লেখ্য। যি কি নহওক, এই গ্ৰন্থৰ মুখ্য উদ্দেশ্য হৈছে মাজুলী নামৰ ভূখণ্ডৰ প্ৰকৃত স্বৰূপ দাঙি ধৰা। মাজুলীৰ ভূগোল, ইতিহাস, সামাজিক-সাংস্কৃতিক-আৰ্থিক, শৈক্ষিক আদি বিষয়ৰ সংক্ষিপ্ত ইতিহাসচয়নৰ লগে লগে সমাজৰ ৰূপকাৰ — ব্যক্তি আৰু অনুষ্ঠানৰ বিষয়েও, যিমান দূৰ সম্ভৱ তথ্যাদি পোৱা গৈছে লিপিবদ্ধ কৰিবলৈ যত্ন কৰা হৈছে। মাজুলীৰ সাংস্কৃতিক কাৰ্যাৱলী সম্পৰ্কে ক'বলৈ গ'লে অৱধাৰিতভাৱেই প্ৰথমেই নাম ল'ব লগা হয় সত্ৰানুষ্ঠানৰ কথা। সিবোৰৰ আলোচনাৰ উপৰি মাজুলীৰ প্ৰত্যেকটো প্ৰধান জনগোষ্ঠীৰ সামাজিক-সাংস্কৃতিক অৱদানৰ বিষয়েও আলোচনা আগবঢ়োৱা হৈছে। সংক্ষিপ্তভাৱে হ'লেও মাজুলীৰ সমগ্ৰ বিষয় অন্তৰ্ভুক্ত কৰিবলৈ প্ৰয়াস কৰাৰ বাবেই গ্ৰন্থখনিৰ নামো ৰখা হৈছে 'মাজুলী'।

মাজুলীৰ নাম উত্থাপন হোৱাৰ লগে লগেই অৱধাৰিতভাৱে আহি পৰে ইয়াৰ দুই প্ৰধান সমস্যা বান আৰু খহনীয়াৰ কথা। সেই দুই সমস্যা সম্পৰ্কেও এটা অধ্যায়, এই গ্ৰন্থত অন্তৰ্ভুক্ত কৰা হৈছে। আমাৰ এই আলোচনা এক অৰ্থত গতানুগতিক; তথাপি সমস্যাটো লিপিবদ্ধ কৰি সংশ্লিষ্ট আটাইৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ বিচৰা হৈছে। এই কথা আটায়ে মনত ৰখা দৰকাৰ — মাজুলীৰ সকলো সমস্যাৰ উৰ্ধত গৰাখহনীয়াৰ সমস্যা; এই সমস্যাৰ পৰা মাজুলীক বচাবই লাগিব। আজি মাজুলীক বিশ্ব দৰবাৰত প্ৰতিষ্ঠাৰ বাবে চলোৱা প্ৰচেষ্টাৰ দৰেই মাজুলীক ধ্বংসৰ পৰা ৰক্ষা কৰিবলৈ সমান্তৰাল এক আন্দোলনৰ প্ৰয়োজন; সেই আন্দোলন দেশৰ বাহিৰলৈও প্ৰসাৰিত হ'ব লাগিব।

**'মাজুলী'ৰ সম্পাদনাৰ সন্দৰ্ভত :** এই গ্ৰন্থৰ সম্পাদনা ৰীতি সন্দৰ্ভত এইখিনিতে দু-আষাৰ কৈ থোৱা সমীচিন হ'ব। আমি এই গ্ৰন্থক এখন গতানুগতিক প্ৰবন্ধসংসকলৰ দৰে নাৰাখি মাজুলীৰ প্ৰতিটো দিশ (aspect) একাদিক্ৰমে পাঠকৰ আগত দাঙি ধৰিবলৈ প্ৰয়াস কৰিছোঁ। ইয়াৰ প্ৰধান উদ্দেশ্য হৈছে — গ্ৰন্থখনৰ বিষয়সমূহৰ কাল আৰু গুৰুত্ব অনুসৰি পৰ্যায়ক্ৰমে সজোৱা; যাতে পাঠকসকলে মাজুলীৰ জগতখনলৈ প্ৰৱেশ কৰোঁতে উজুটি খাবলগীয়া নহয়। এক অৰ্থত বিষয়সমূহৰ মাজত ঐক্য স্থাপন কৰিবলৈ বিচৰা হৈছে। এনে কৰিবলৈ যাওঁতে বহুসময়ত লেখকসকলৰ একোটা বিষয়ৰ ৰচনাত একাধিক বিষয় সোমাই থকাত ছোৱা ছোৱাকৈ বিষয়ৰ ক্ৰম অনুসৰি সন্নিবিষ্ট কৰা হৈছে। আৰু, কেইবাগৰাকী লেখকৰ ৰচনাত কোনো বিষয়ত বাৰম্বাৰ একে প্ৰসংগ আলোচিত হৈ থকা বাবে কেতিয়াবা তেনে কোনো অংশ সম্পূৰ্ণ বাদ দিব লগা হৈছে। অৱশ্যে এনে কৰোঁতে লেখকৰ মৌলিকতা অক্ষুন্ন ৰাখিবলৈ যত্ন কৰা হৈছে। কেতিয়াবা কোনো কোনো ৰচনাত প্ৰয়োজন আৰু প্ৰসংগ অনুসৰি অতিৰিক্ত তথ্যাদি যোগ কৰা হৈছে। দুই এক ৰচনাত নিৰ্দিষ্ট বিষয়ত ঐক্যমতত উপনীত হ'ব নোৱৰাত সংশ্লিষ্ট ৰচনাৰ তলত সম্পাদকৰ টোকা দিয়া হৈছে। এই গ্ৰন্থত যিমানদূৰ সম্ভৱ নিৰ্ভুল তথ্য সন্নিবিষ্ট কৰিবলৈ বিভিন্ন লিখিত তথ্যৰ উপৰি ভালেমান



অভিজ্ঞ আৰু বয়োজ্যেষ্ঠ ব্যক্তিৰো সহায় লোৱা হৈছে। তথাপি বহু বিষযত সঠিক কথা কোৱা হৈছে বুলি দাবী কৰিব নোৱাৰি। আনহাতে ইতিপূৰ্বে কৈ অহাৰ দৰে নহৈ কেতিয়াবা কোনো কোনো বিষয়ৰ প্ৰাসংগিকতা অনুসৰি পুনৰোল্লেখ অৱশ্যম্ভাৱী নোহোৱাকৈ থকা নাই। আমাৰ পূৰ্বনিৰ্ধাৰিত সম্পাদনা ৰীতিৰ বাবে এই গ্ৰন্থ অলংকৃত কৰা লেখকবৃন্দৰ ৰচনাত হ'ব পৰা সম্ভাব্য ত্ৰুটী-বিচ্যুতিৰ বাবে এই সুযোগতে প্ৰত্যেকগৰাকী লেখকৰ ওচৰত ক্ষমা বিচাৰিলোঁ।

এটা কথা আমি স্পষ্ট কৰি দিয়া উচিত হ'ব যে ইয়াত কোনো ব্যক্তি-অনুষ্ঠানক সমালোচনা কৰাটোৱেই এই মুহূৰ্তত আমাৰ উদ্দেশ্য হিচাপে ধৰা হোৱা নাই। ঘৰে-পৰে মাজুলীক জানিব পৰাকৈ তথ্যসম্বলিত এখন গ্ৰন্থ প্ৰস্তুত কৰাটোৱেই আমাৰ প্ৰধান উদ্দেশ্য। আমাৰ আশা এই গ্ৰন্থই মাজুলী সম্পৰ্কে অনুসন্ধিৎসু সকলক কিছু তথ্যৰ যোগান ধৰিব আৰু ভৱিষ্যতে মাজুলীৰ এখন পূৰ্ণাংগ ইতিহাস ৰচনাত ই হয়তো এক সহায়ক-আধাৰ হিচাপে বিবেচিত হ'ব পাৰে।

**'মাজুলী'ৰ প্ৰকাশ সন্দৰ্ভত :** মাজুলী বিষয়ক এখন সম্পাদিত কিতাপৰ পৰিকল্পনা, আঠৈকুৰিৰো আধিক বিশেষজ্ঞ-লেখকসকলক নিৰ্দিষ্ট বিষয়ৰ ৰচনা লিখিবৰ বাবে অনুৰোধ জনাবলৈ প্ৰত্যেকজনকে লগ কৰা আৰু ৰচনা সংগ্ৰহ তথা সম্পাদনা কৰাটো আমাৰ বাবে বৰ সহজ বিষয় নাছিল। অসমৰ বিভিন্ন স্থানত থকা মাজুলীৰ বিভিন্ন অভিজ্ঞ ব্যক্তিৰ ওচৰলৈ গৈ তথ্য সংগ্ৰহ কৰা, বিভিন্ন স্থানত আলোকচিত্ৰ (মাজুলীৰ) গ্ৰহণ কৰোৱা আদি কামো যথেষ্ট কষ্টকৰ আছিল। তদুপৰি, এনে এখন ব্যয়বহুল গ্ৰন্থ প্ৰকাশৰ বাবে প্ৰকাশক যোগাৰ কৰাটো আছিল আটাইতকৈ জটিল বিষয়। বিশেষকৈ ব্যৱসায়িক লাভালাভৰ চিন্তা নকৰাকৈ আজিৰ যুগত কিতাপ প্ৰকাশ কৰাৰ কথা ভবাই টান। কিন্তু আমাৰে সৌভাগ্য যে যোৰহাটৰ এটি নতুন প্ৰকাশন প্ৰতিষ্ঠান 'গ্ৰন্থ-সংস্কৃতি'ৰ স্বত্বাধিকাৰদ্বয় এই দুঃসাহসিক কামৰ বাবে আগবাঢ়ি আহিল। তেওঁলোকে কিতাপ প্ৰকাশ কৰাই নহয়, বিগত প্ৰায় এবছৰ তেওঁলোক দুয়োজন সম্পাদকৰ লগে লগে ছাঁৰদৰে থাকি, তাগিদা দি এই 'মাজুলী'ৰ প্ৰকাশ সম্ভৱ কৰি তুলিলে। আমি অকপটে এই কথা জনাই থওঁ যে এই গ্ৰন্থখন অধিক সু-সংহত, নিৰ্ভুল আৰু তথ্যসমৃদ্ধ কৰিবৰ বাবে অন্ততঃ আৰু এবছৰ সময়ৰ প্ৰয়োজন আছিল। সেয়ে আমাৰ সজ্ঞানেই সম্পাদনাত অনেক হীন-ডেডি ৰৈ গৈছে। আনহাতে বৰ্ণাশুদ্ধিৰ বেলিকাও ই যে দোষমুক্ত নহয় আমি নিশ্চিত। আমি আশা ৰাখিছোঁ — গ্ৰন্থখনি পাঠক, সমালোচক আটায়ে সহানুভূতিৰ দৃষ্টিৰে গ্ৰহণ কৰিব আৰু গঠনমূলক সমালোচনাৰে পৰৱৰ্তী সংস্কৰণ প্ৰকাশ কৰিবলৈ দিহা-পৰামৰ্শ আগবঢ়াব। সদৌ শেষত গ্ৰন্থখনৰ সমূহ লেখক আৰু প্ৰকাশকদ্বয়ক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

**— প্ৰশান্ত কুমাৰ মহন্ত**



## প্ৰথম খণ্ড

**প্ৰথম অধ্যায় : পৰিচয় :** পৃষ্ঠা

মাজুলীৰ ভৌগোলিক পটভূমি : ১—১৫

'মাজুলী' নামৰ তাৎপৰ্য আৰু উৎপত্তি — মাজুলীৰ অৱস্থিতি — মাজুলীৰ চাৰিসীমা — মাজুলীৰ ভূ-তাত্ত্বিক বিৱৰণ — মাজুলীৰ জলবায়ু — মাজুলীৰ সম্ভাব্য অন্তঃপৃষ্ঠীয় স্তৰয়িত অনুক্ৰম — মাজুলীৰ ভূ-প্ৰকৃতি — মাজুলীৰ মাটিকালি — মাজুলীৰ ভৌগোলিক স্থিতি আৰু জলনিৰ্গম প্ৰণালী — মাজুলীৰ নৈ : টুনী নৈ।

**দ্বিতীয় অধ্যায় : মাজুলীৰ ঐতিহাসিক পৰিচয় :** ১৬—৩২

মাজুলী : এক ঐতিহাসিক পৰিচয় — মাজুলী দ্বীপ সৃষ্টিৰ কাৰণ — মাজুলী দ্বীপ সৃষ্টিৰ সময়।

**তৃতীয় অধ্যায় : মাজুলীৰ ঐতিহাসিক পটভূমি :** ৩৩—৬০

প্ৰাক্-স্বাধীন যুগৰ মাজুলী, মাজুলীত সত্ৰ প্ৰতিষ্ঠাৰ ইতিবৃত্ত (এক), মাজুলীত সত্ৰ প্ৰতিষ্ঠাৰ ইতিবৃত্ত (দুই); — মাজুলীৰ সত্ৰসমূহ — সত্ৰৰ প্ৰশাসনীয় ব্যৱস্থা — উদাসীন সত্ৰৰ বালক আনয়ন পৰম্পৰা — মাজুলীৰ প্ৰত্ন তাত্ত্বিক স্থান আৰু কলা-সম্পদ — মাজুলীৰ বৃত্তিয়াল গাঁওসমূহ।

**চতুৰ্থ অধ্যায় : মাজুলীৰ জন-গাঁথনি :** ৬১—৯০

মাজুলীৰ জনবসতিৰ পটভূমি — বাণিজ্য কেন্দ্ৰৰূপে মাজুলী — মাজুলীৰ জন-গাঁথনিৰ ইতিবৃত্ত — মাজুলীৰ জন-গাঁথনিৰ স্বৰূপ — মাজুলীৰ মিচিংসকলৰ পৰিচয় — মাজুলীৰ মিচিংসকলৰ আৰ্থ-সামাজিক দিশ — মাজুলীৰ দেউৰীসকলৰ ইতিবৃত্ত — মাজুলীৰ দেউৰীসকলৰ অতীত আৰু বৰ্তমান — মাজুলীৰ কৈৱৰ্তসকল — মাজুলীৰ কোঁচৰাজবংশীসকল — মাজুলীৰ নাথসকল : অতীত আৰু বৰ্তমান।

**পঞ্চম অধ্যায় : মাজুলীৰ ৰাজনৈতিক আৰু প্ৰশাসনিক দৃশ্যপট :** ৯১—১০৪

মাজুলীৰ প্ৰশাসনিক ব্যৱস্থাৰ ক্ৰমবিকাশ — জাগৰণৰ যুগত মাজুলী — মাজুলীৰ মুক্তিযুঁজাৰুসকল।

**ষষ্ঠ অধ্যায় : মাজুলীৰ সাংস্কৃতিক ঐতিহ্য আৰু পটভূমি :** ১০৫—১৬৩

সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ মাজুলী — মাজুলীৰ সাংস্কৃতিক ঐতিহ্য — মাজুলীৰ সাংস্কৃতিক বৈশিষ্ট্য আৰু পৰিক্ৰমা — পুণ্যক্ষেত্ৰ মাজুলীৰ সত্ৰীয়া-সাহিত্যৰ আভাস — মাজুলীৰ নৃত্য-সম্ভাৰ — মাজুলীত ৰাগ-সংগীতৰ চৰ্চা — মাজুলীৰ ৰাস আৰু পালনাম উৎসৱ — মাজুলীৰ মুখা-শিল্পৰ পৰম্পৰা আৰু চৰ্চা — মাজুলীৰ মৃৎ-শিল্প — মাজুলীৰ ঐতিহ্যৰ অন্য এক সংযোজন : তামোল নোখোৱা আতৈৰ সাহিত্য আৰু দৰ্শন — মাজুলীৰ জাতি-জনজাতিসকলৰ বৰেণ্য ব্যক্তি — কীৰ্তিমান পুৰুষ দত্তদেৱ গোস্বামী আৰু 'আসাম বিলাসিনী' — অসমৰ সংবাদ-পত্ৰৰ অবিস্মৰণীয় অগ্ৰদূত 'আসাম বিলাসিনী' — মাজুলী আৰু 'আসাম বিলাসিনী'।

**সপ্তম অধ্যায় : মাজুলীৰ সমাজ পৰিৱৰ্তনৰ এক ধাৰা :** ১৬৪—১৭৩

মাজুলীৰ সামাজিক পৰিৱৰ্তনৰ গুৰিকথা — সমাজ-সংস্কাৰত পীতাম্বৰদেৱ গোস্বামীৰ ভূমিকা — জনজাতিসকলৰ ওপৰত বৈষ্ণৱ ধৰ্ম-সংস্কৃতিৰ প্ৰভাৱ।

**অষ্টম অধ্যায় : মাজুলীৰ অৰ্থনৈতিক স্থিতি :** ১৭৪—১৮৬

মাজুলীৰ এটি আৰ্থিক সমীক্ষা — মাজুলীৰ অৰ্থনীতিৰ সাম্প্ৰতিক দৃশ্যপট।

**নৱম অধ্যায় : মাজুলীৰ শিক্ষা ব্যৱস্থাৰ ক্ৰমবিকাশ :** ১৮৭—২০৩

মাজুলীত আনুষ্ঠানিক শিক্ষাৰ সম্প্ৰসাৰণ — শিক্ষাৰ বিভিন্ন দিশত আলোকপাত।

**দশম অধ্যায় : মাজুলীৰ স্বাস্থ্য-ব্যৱস্থা :** ২০৪—২১০

মাজুলীৰ স্বাস্থ্য-ব্যৱস্থাৰ অতীত আৰু বৰ্তমান — মাজুলীৰ অনুন্নত স্বাস্থ্য-সেৱাৰ কাৰণ।

# বিষয়সূচী

## দ্বিতীয় খণ্ড


**প্ৰথম অধ্যায় : সাম্প্ৰতিক মাজুলী :** ২১৩–২১৮

প্ৰদূষণমুক্ত মাজুলী আৰু পৰিৱেশ — মাজুলী মহকুমাৰ সংক্ষিপ্ত তথ্যৰাজি।

**দ্বিতীয় অধ্যায় : মাজুলীৰ সমৃদ্ধ প্ৰকৃতি :** ২১৯–২৪৫

মাজুলীৰ পক্ষী — মাজুলীৰ উদ্ভিদ — মাজুলীৰ আৰ্দ্ৰভূমি।

**তৃতীয় অধ্যায় : পৰ্যটকৰ বাবে মাজুলী :** ২৪৬–২৫১

পৰ্যটকৰ বাবে আকৰ্ষণীয় উপাদানসমূহ — মাজুলীৰ জৈৱ-বৈচিত্ৰৰ আকৰ্ষণ।

**চতুৰ্থ অধ্যায় : মাজুলীৰ ব্যক্তি আৰু অনুষ্ঠান :** ২৫২–২৭৫

মাজুলীৰ গৌৰৱ — মাজুলীৰ সাহিত্যসেৱীসকল — মাজুলীৰ সংবাদ-পত্ৰ আৰু সংবাদসেৱীসকল — মাজুলীৰ স্বেচ্ছাসেৱী অনুষ্ঠানসমূহ — মাজুলীৰ উল্লেখযোগ্য মহিলা অনুষ্ঠান — মাজুলীৰ ক্ৰীড়াৰ খতিয়ান।

**পঞ্চম অধ্যায় : মাজুলীৰ সমস্যা :** ২৭৬–২৮৬

সমস্যাৰ পটভূমি — বান আৰু খহনীয়াৰ কাৰণ — মাজুলীৰ বান আৰু খহনীয়া : ইয়াৰ সমাধান (এক) — মাজুলীৰ বান আৰু খহনীয়া : ইয়াৰ সমাধান (দুই) — মাজুলীৰ বান আৰু খহনীয়া : ইয়াৰ সমাধান (তিনি) — মাজুলীৰ যাতায়াত।

**পৰিশিষ্ট (ক)** ২৮৭–২৯৭

লেখকৰ পৰিচয়

**পৰিশিষ্ট (খ)** ২৯৯-৩০৪

সম্পাদনা-সহায়ক — উৎস-পঞ্জীৰ একাংশ

অন্যান্য

পাঠকৰ টোকা-পৃষ্ঠা

# প্রথম খণ্ড

প্ৰথম অধ্যায় :: পৰিচয়

# ভৌগোলিক পটভূমি

## মাজুলী নামৰ তাৎপৰ্য আৰু উৎপত্তি

মাজুলীয়ে নদী-দ্বীপৰ আকাৰ লোৱাৰ আগতেই দিহিং-ব্ৰহ্মপুত্ৰৰ মাজৰ ঠাইখনক 'মাজালি', 'মজালি' বোলাৰ কিছু প্ৰমাণ পোৱা যায়। সময়ে সময়ে ঠাইখনৰ দীঘ-প্ৰস্থৰ সীমা পৰিৱৰ্তন হৈছিল যদিও 'মাজালি' (মাজুলী) শব্দই কেৱল দ্বীপকে নুবুজাই নদী দুখনৰ মাজৰ উপদ্বীপ আকাৰৰ ভূখণ্ডকে বুজাইছিল; তক অনুমান কৰিব পাৰি। খ্ৰীষ্টীয় ষোড়শ শতিকাৰ দ্বিতীয়াৰ্ধত চিলাৰায়ে খোৱা ৰজাৰ ৰাজ্য আক্ৰমণ কৰাৰ সংক্ৰান্তত এইদৰে উল্লেখ পোৱা যায়— 'মাল শুক্ৰে গৈ মজালিত ৰহিলগৈ'।[১] একে শতিকাৰে শেষৰ ফালে বদলা পদ্ম আতাৰ ওচৰলৈ (কমলাবাৰীত সত্ৰ প্ৰতিষ্ঠা কৰাৰ আগত) আহি 'তিপামৰ গুপি: মযালিৰ ৰাম: মলুৱাল সনাতন: দুইমুখৰ সনাতন: ঠকুৰিয়াল সনাতন: এই পাঁচজনে মহাপুৰুষক গুৰু বুলি একদিনা নাম অৱসানে আতাত পৰমাৰ্থ সুধিছে'।[২] আকৌ গদাধৰ সিংহৰ দিনত, ১৬৯১ খ্ৰী:ত এটা ডাঙৰ বানপানী হৈ 'হোলোঙৰ বৰজথলাৰ পাঁচখোপ তল গৈছিল, তাৰ নাম থ'লে শকা-শাকিনী।'[৩] উল্লেখ্য যে ৱিলকক্স চাহাবক বগাদমৰা বৰফুকনে এই শকা-শাকিনী বানপানীটো ১৭৩৫ খ্ৰী:ত হৈছিল বুলি কৈছিল।[৪] এইটো বৰ-বাপানীতেই ব্ৰহ্মপুত্ৰই গতি সলাই দিহিঙত পৰাত মাজুলী এটা নদী-দ্বীপলৈ ৰূপান্তৰ হয় বুলি এক সবল জন-বিশ্বাস চলি আহিছে। নকুল চন্দ্ৰ ভূঞাই বাৰ ভূঞাৰ চমু বুৰঞ্জীত উল্লেখ কৰা মতে উপদ্বীপ মাজুলীয়ে নদী-দ্বীপৰ আকাৰ লয় জয়ধ্বজ সিংহৰ (১৬৪৮—১৬৬৩) দিনতেই।[৫] আকৌ লক্ষ্মীসিংহৰ দিনত (১৭৭৭ খ্ৰী:) বেঙেনাআটী সত্ৰক দিয়া ভূমিদান আৰু পাইক নিৱন্ধনৰ তামৰ ফলিত 'মাজালি' আৰু 'মজালি'— এই দুয়োটা শব্দকে ব্যৱহাৰ কৰা হৈছে।[৬] ড° জে. পি. ৱেডে অষ্টাদশ শতিকাৰ শেষ দশকত 'মাজুলী' শব্দটো ব্যৱহাৰ কৰি ইয়াৰ দীঘ-প্ৰস্থ ক্ৰমে ১৬০ আৰু ৬০ মাইল (বৃটিছ মাইল) বুলি কৈছে।[৭] Gazetteer of Bengal and North-East India ৰ তথ্য মতে ১৯০১ খ্ৰী:ত মাজুলীৰ আয়তন আছিল ৪৮৫ বৰ্গমাইল। এই নদী-দ্বীপটো ২৬°৪৫´—২৭°১২´উত্তৰ অক্ষাংশ আৰু ৯৩°৩৯´—৯৪°৩৫´ দ্ৰাঘিমাংশত অৱস্থিত।[৮] গদাধৰ সিংহৰ দিনত নিৰ্বাসন দিয়া মহাজন-মহন্তসকলক পুতেক ৰুদ্ৰসিংহই শ্ৰেণী অনুসাৰে শিষ্য বাঁটি দি মাজুলীত সংস্থাপন কৰিছিল। তেওঁৰ দিনত এনে প্ৰবাদ প্ৰচলিত আছিল যে, যিবিলাক মহন্তৰ মাজুলীত ভেটি নাই, সিবিলাক আচল ভাল ভাল মহন্ত-মেধি-বাপু নহয়।[৯]

ওপৰৰ আলোচনাৰ পৰা অনুমান কৰিব পাৰি যে, খ্ৰীষ্টীয় ষোড়শ শতিকামানৰ আগৰ পৰাই দিহিং -ব্ৰহ্মপুত্ৰৰ মাজৰ ইংৰাজীৰ V আখৰৰ আকৃতিৰ উপদ্বীপটোক মাযালি, মজালি আৰু মাজালি বোলা হৈছিল আৰু ১৬৯১ খ্ৰী:ৰ শকা-শাকিনী বানত ব্ৰহ্মপুত্ৰই উত্তৰৰ পৰা গতি সলাই দিহিঙত পৰাৰ পিছৰে পৰা মজালি/মাজালিয়ে সম্পূৰ্ণৰূপে নদী-দ্বীপৰ আকাৰ লয়।

ওপৰৰ তথ্যই এই কথাকে প্ৰতীয়মান কৰে যে বৰ্তমান যোৰহাট জিলাৰ এটা মহকুমা, মাজুলীৰ ভূ-খণ্ডক (যদিও অতীতৰ তুলনাত মাটিকালি বহু হ্ৰাস হৈছে) অতীতৰে পৰা 'মাযালি', 'মজালি', 'মাজালি' বা 'মাজুলী' বুলি উল্লেখ কৰি অহা হৈছে। ড° ডম্বৰুধৰ নাথে প্ৰসংগক্ৰমে উল্লেখ কৰিছে যে, "সপ্তদশ শতিকাৰ মাজভাগ পৰ্যন্ত মাজুলীৰ অৱস্থিতি চাপৰি এটাৰ দৰে হ'লেও ই দক্ষিণ স্থলভাগৰ লগত মুক্তভাৱে সংলগ্ন আছিল। অৱশ্যে দিহিং আৰু দিখৌৰ জলধাৰা এক হৈ প্ৰৱাহিত হোৱাৰ পৰৱৰ্তী কালত ইয়াৰ আকৃতি প্ৰায় নদীবেষ্টিত দ্বীপ অৰ্থাৎ চাপৰি বা মাজুলী এটাৰ নিচিনা হৈ পৰে। সেইকাৰণেই সম্ভৱতঃ, প্ৰকৃততে দ্বীপ এটাৰ আকাৰ লোৱাৰ আগৰেপৰাই মানুহে

১। 'সাতসৰি অসম বুৰঞ্জী', ১৯৯৪ :: পৃ. ২৩, ৭২।
২। 'গুৰুচৰিত কথা', ১৯৮৭ :: পৃ. ৪৪০।
৩। 'সাতসৰি অসম বুৰঞ্জী', ১৯৯৪ :: পৃ. ১১৬।
৪। 'ফুল-চন্দন', ১৯৬৩ :: পৃ. ১৬৩।
৫। নকুল চন্দ্ৰ ভূঞা ৰচনা সমগ্ৰ, ১৯৯৬ :: পৃ. ৫০২, ৫১৩।
৬। 'প্ৰাচ্য শাসনাৱলী', ১৯৭৪ :: পৃ. ৬৭।
৭। 'An Account of Assam', 1972, p. 369-372.
৮। 'Gazetteer of Bengal and North-East India', Reprint, 1979, Mittal Publication :: p. 159.
৯। 'আহোমৰ দিন', ১৯৮১ :: পৃ. ৫১০।

ইয়াক মাজুলী চাপৰি বা 'লুইত মাজুলী' বুলি কৈছিল; কিন্তু কেউফালে নদীবেষ্টিত নোহোৱা বাবে ই দেখাত এখন দীঘল দা বা জাতিলাও এটাৰ দৰেহে আছিল। এনে ভৌগোলিক অৱস্থানৰ বাবেই ঠাইখণ্ডক কেতিয়াবা কেতিয়াবা মাজালি (মজালি, মাযালি) অৰ্থাৎ মাজৰ ঠাই বুলিও ˘ল্লেখ কৰা পোৱা যায়। তথাপি 'মাজালি' শব্দই বৰ্তমান মাজুলী নামে জনাজাত ঠাইখিনিক নিৰ্দিষ্টকৈ বুজাইছিল; কিন্তু মাজুলী শব্দই ব্ৰহ্মপুত্ৰৰ বুকুৰ যি কোনো চাপৰিকে বুজাইছিল যদিও এই শব্দই মাজালিকো সামৰি লৈছিল।"[১০] ° নাথৰ মতৰ ভিত্তিত এই সিদ্ধান্তলৈ আহিব পাৰি যে বৰ্তমানৰ মাজুলীৰ অতীত নাম 'মাজালি' আছিল। ইয়াক 'মাযালি', 'মজালি'ও বোলা হৈছিল। অৱশ্যে ° নাথৰ এই তথ্যই সপ্তদশ শতিকাৰ মাজভাগৰ পৰাহে মাজুলীৰ নাম সম্পৰ্কে এক নিৰ্দেশ কৰিলেও আৰম্ভণিতে ˘ল্লেখ কৰি অহা চিলাৰায়ে ষোড়শ শতিকাৰ মাজভাগত খোৰাৰজাৰ ৰাজ্য আক্ৰমণ সক্ৰান্ততো মাঁজুলীৰ নাম 'মজালি' থকাৰ ˘মান দিয়ে; এই নাম আৰু সময়ৰ কথা গুৰুচৰিতৰ ˘ল্লেখতকৈও পৃথক নহয়। অৰ্থাৎ ষোড়শ বা সপ্তদশ শতিকাৰ তথ্যই বৰ্তমানৰ মাজুলীৰ নাম মজালি, মাজালি বা মাযালি থকাটো সমৰ্থন কৰে। আনহাতে স্বৰ্গদে˘ প্ৰতাপ সিংহৰ (১৬০৩-১৬৪১) দিনলৈকে মাজুলী শব্দৰ পৰিবৰ্তে 'মাজালি' শব্দৰহে ব্যৱহাৰ দেখা যায়। ˘ত্তৰে লোহিত আৰু দক্ষিণে দিহিং নদীৰ মাজৰ ভূখণ্ডক এটা দীঘলীয়া আলিবাট বুলি ধৰি লৈ কাশীনাথ তামুলী ফুকনৰ বুৰঞ্জীত (মাজ+আলি) 'মাজালি' বুলি লিখিছিল। এই বুৰঞ্জীখন ১৮৪৪ খ্ৰী:ত প্ৰথম প্ৰকাশ হৈছিল বুলি কোৱা হয় (অৱশ্যে ১৯০৬ খ্ৰী:ৰ দ্বিতীয় সংস্কৰণটোহে পোৱা যায়)। মন কৰিবলগীয়া যে, ড° বেডৰ ওঠৰ শতিকাৰ শেষত প্ৰকাশিত ইতিপূৰ্বে উল্লিখিত বুৰঞ্জীত 'মাজুলী' বুলি উল্লেখ কৰাৰ বিপৰীতে কাশীনাথ তামুলী ফুকনৰ 'আসাম বুৰঞ্জী'ত 'মাজালি' বুলি লিখা হৈছে। "..... পাছে, উত্তৰে-দক্ষিণেজুৰি ৰাজ্যখনকে মেৰাই ৰাজগৰ বন্ধালে। এই গৰকে দক্ষিণ পাৰে লাহদৈ আৰু কোটোহা গৰ বোলে; মাজালি পাৰে মেৰাগৰ বোলে, ......"[১১] প্ৰসংগক্ৰমে উল্লেখিত এই বাক্যশাৰীত ব্যৱহৃত 'মাজালি'য়ে মাজুলীকে বুজাইছে। অতি তাৎপৰ্যপূৰ্ণভাৱে মাজুলীৰ আউনীআটী সত্ৰৰ পৰা ১৮৭১ খ্ৰী:ত প্ৰকাশিত 'আসাম বিলাসিনী' কাকতত মাজুলী নামটোৰ বৰ্ণ বিন্যাস মাজুলীৰ পৰিবৰ্তে 'মাজালী' (মাজালি) বুলিহে উল্লেখ কৰিছে। বোধহয় 'মাজুলী'ৰ লগতে 'মাজালি' শব্দটোও সেই পৰ্যন্ত (অৰ্থাৎ ঊনৈশ শতিকালৈকে) প্ৰচলিত হৈ আছিল আৰু সি জনপ্ৰিয়তা হেৰুওৱা নাছিল পুৰণি শব্দ 'মাজালী' সচেতনভাৱেই 'আসাম বিলাসিনী'ত ব্যৱহাৰ কৰা হৈছিলনেকি, বিচাৰ্যৰ বিষয়।

সি যি কি নহওক, এইখিনিতে এক প্ৰশ্ন হয়, মাজালি বা মাজুলী নাম ব্যৱহাৰ হোৱাৰ পূৰ্বে দিহিং-লুইত পৰিবেষ্টিত মাজুলীৰ নাম কি আছিল, নে বুৰঞ্জীয়ে ঢুকি পোৱাৰ আগৰে পৰা এই নিৰ্দিষ্ট ভূখণ্ডক উক্ত নামেৰেই জনা গৈছিল। তীৰ্থনাথ শৰ্মাই একালত ব্ৰাহ্মণ, কায়স্থ আৰু ক্ষত্ৰিয়সকলৰ অসমলৈ প্ৰব্ৰজন সম্পৰ্কত লিখিছে— "প্ৰব্ৰজন কৰি অহা এই লোকসকল, উত্তৰ কামৰূপ, বৌতা, বিশ্বনাথ, কলাবাৰী, নাৰায়ণপুৰ, লক্ষীমপুৰ আদি অঞ্চলত বাস কৰিছিল। লক্ষীমপুৰ বোলোতে ৰতনপুৰ অৰ্থাৎ আজিকালি মাজুলী বোলা ঠাইখনৰ অংশ এটাও সামৰখাই আছিল।[১২] ঠিক একে সুৰতে বেণুধৰ শৰ্মায়ো উল্লেখ কৰিছে— ".......ৰতনপুৰ বা ৰত্নপুৰকে আগতে স্বৰ্ণগিৰিপাল চুতীয়া ৰজাই ভদ্ৰসেন ৰজাক পৰাস্ত কৰি আজি যিখন ঠাইক মাজুলী বোলা হয়, তাতে নিৰ্মাণ কৰিছিল। দক্ষিণপাটো সেই মাজুলীৰ ভিতৰতে আছিল। বৰ্তমান মাজুলীৰ দক্ষিণে ব্ৰহ্মপুত্ৰ গৈছে। ৰতনপুৰত ৰাজপাট থকাৰ সময়ত ব্ৰহ্মপুত্ৰ উত্তৰপোনে বৈছিল। পুৰণি ৰতনপুৰৰ কিছু অংশ ব্ৰহ্মপুত্ৰই পুতি আৰু খহাই পেলোৱাত অৱশিষ্ট ডোখৰৰ নাম হ'ল মাজুলী।"[১৩] এই দুই বুৰঞ্জীবদৰ বৰ্ণনাত মাজুলীৰ পুৰণি নাম ৰতনপুৰ আছিল বুলি ইংগিত পোৱা যায়। অৱশ্যে এই সম্পৰ্কে অধিক ব্যাখ্যাৰ বাবে যথেষ্ট সমল পোৱা নাযায়।

বৰ্তমানৰ ব্ৰহ্মপুত্ৰ-লুইত পৰিবেষ্টিত মাজুলী দ্বীপটোৰ নামৰ প্ৰচলনৰ ইতিহাস যিয়েই নহওক, 'মাজুলী' নামটো যে মূলতঃ পানীৰে আগুৰি থকা অৰ্থতে উৎপত্তি হৈছিল তাৰ বিষয়ে অনুমান কৰাত

১০। 'লুইতৰ মাজুলী-মাজুলী দ্বীপ :: ইয়াৰ সৃষ্টি আৰু ঐতিহাসিক অৱস্থান', স্মৃতিগ্ৰন্থ, মাজুলী ঐতিহ্য সংৰক্ষণ সমাৰোহ।

১১। ঐ, পৃষ্ঠা ২৭।

১২। 'আউনীআটী সত্ৰৰ বুৰঞ্জী', ১৯৭৫ :: পৃ. ৫৫।

১৩। 'বুৰঞ্জীৰ সঁফুৰা'ৰ অন্তৰ্গত 'দক্ষিণপাট সত্ৰ', পৃ. ১৬৯।

অসুবিধা নহয়। ওপৰত আলোচিত তথ্যৰ পৰাও একে ধাৰণা ল'ব পাৰি। হেমকোষত দিয়া মতে— মাজুলী, বি. মাজালী চাপৰি, কেউফালে পানীৰে আবৃত ঠাই, উপদ্বীপ, an ısland, a peninsula, বিণ. পানীৰে আবৃত মাজালী, Surrounded by water এই অভিধানিক অৰ্থৰ পৰাও পানীৰে আবৃত ভূগণ্ড হোৱা বাবেই একালৰ দিহিং-লুইত পৰিবেষ্টিত ঠাইখণ্ড 'মাজুলী' নামে পৰিচিত হোৱা যেন অনুমান কৰিব পাৰি। অতি তাৎপৰ্যপূৰ্ণভাৱে ড° বিৰিঞ্চি কুমাৰ বৰুৱাই '—জোল, — জুলি' শব্দাংশ পানীৰ লগত সম্বন্ধ থকা বুলি উদ্ধাৰ কৰি দেখুৱাইছে। তেওঁ উদাহৰণ স্বৰূপে 'ঢেকিয়াজুলি' আৰু 'ৰংজুলি' নামৰ ঠাই দুখনৰ কথা উল্লেখ কৰিছে ('অসমীয়া ভাষা আৰু সংস্কৃতি', পৃ. ৮৯)। মাজুলী সম্বন্ধে একো কথা উল্লেখ নকৰিলেও ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ তথ্যই মাজুলীৰ নাম সম্বন্ধে অধিক গবেষণাৰ সমল যোগাব পাৰে।

'মাজুলী'ৰ নামটোৰ সন্ধি ভাঙি সাহিত্যাচাৰ্য ✓অতুল চন্দ্ৰ হাজৰিকাই লক্ষ্মীৰ ভঁৰাল (মা=লক্ষ্মী, জুলী=ভঁৰাল) হিচাপে অভিহিত কৰিছিল। এসময়ত শস্যে-মৎস্যে ভৰপূৰ, নদন-বদন অৱস্থাৰ হোৱাৰ বাবেই মাজুলীক লখিমীৰ ভঁৰাল বা জোলোঙা বুলি কোৱা যেন ধাৰণা হয়; ইয়াৰ বাহিৰে ই অধিক অনুসন্ধান-উৎসুক্য জগাব পৰা তাৎপৰ্য বহন কৰা যেন ধাৰণা নহয়।



# মাজুলীৰ অৱস্থিতি

অসমৰ যোৰহাট মহকুমাৰ উত্তৰ দিশত মাজুলী অৱস্থিত। মাজুলী যোৰহাট জিলাৰ দ্বিতীয়টো মহকুমা আৰু সম্পূৰ্ণ এটা বান আৰু খহনীয়া পীড়িত অঞ্চল। মাজুলীয়ে পৃথিৱীৰ বৃহত্তম নদী-দ্বীপ হিচাপেও আজিলৈকে খ্যাতি বহন কৰি আহিছে। ইয়াৰ উপৰিও মাজুলী হ'ল এখন পৰ্যটন নিবাস থলী, ভিন্ন বিষয়ৰ ক্ষেত্ৰ অধ্যয়নৰ উপযোগী ঠাই আৰু বিভিন্ন জনগোষ্ঠীৰ মিলনভূমি। এই মাজুলীৰ ভৌগোলিক অৱস্থিতি ২৬°৪৫´ উত্তৰ অক্ষাংশৰ পৰা ২৭°২২´ উত্তৰ অক্ষাংশ আৰু ৯৩°৩৯´ পূব দ্ৰাঘিমাংশৰ পৰা ৯৪°৩৫´ পূব দ্ৰাঘিমাংশৰ ভিতৰত আবদ্ধ।

মাজুলী সমতলভূমিৰ আকাৰ প্ৰায় এটা শিলিখা ফলৰ দৰে (Myrobalan-shaped) আৰু ইয়াৰ মুঠ ভৌগোলিক মাটিকালি হ'ল ১২৫৬ বৰ্গ কিল'মিটাৰ। প্ৰতিবছৰে ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াৰ ফলত বাসোপযোগী আৰু কৃষিভূমিৰ পৰিমাণ আগতকৈ বহুত কমিছে। অৱশ্যে মাজুলীৰ মূল ভূমিভাগ খহনীয়াত ক্ষয় হৈ থাকিলেও সমান্তৰালভাৱে কিছুমান নতুন চাপৰিও সৃষ্টি হৈ আছে।

## মাজুলীৰ চাৰিসীমা

মাজুলীৰ সীমাৰেখা তিনি ফালেই প্ৰাকৃতিক, মাত্ৰ এফালেহে ৰাজনৈতিক অৰ্থাৎ উত্তৰ-পূব দিশেৰে অতি ঠেক বৰ্ষা-বিচ্ছিন্ন পথেৰে ই দেশৰ মূল অংশৰ লগত সংলগ্ন। মাজুলীৰ উত্তৰে লখিমপুৰ, ধেমাজি জিলা, দক্ষিণে যোৰহাট মহকুমা, পূবে শিৱসাগৰ জিলা আৰু পশ্চিমে গোলাঘাট, শোণিতপুৰ জিলা। মাজুলীক অসমৰ পাঁচখন জিলাই স্পৰ্শ কৰি আছে।

## মাজুলীৰ ভূতাত্ত্বিক বিৱৰণ

নদী-দ্বীপ মাজুলীৰ সমস্ত স্থলভাগ নদীৰ পাৰৰ সমতল পলসুৱা অঞ্চল। ইয়াত কোনো প্ৰাচীন শিলাস্তৰ উদ্‌গম হৈ থকা অৱস্থাত পোৱা নাযায়। ভাৰতৰ সিন্ধু-গংগা-ব্ৰহ্মপুত্ৰৰ বিশাল উপত্যকাৰ পলসুৱা মাটিৰ ভিতৰত মাজুলী এটা সামান্য অংশ বিশেষ। এই মাটিখিনি অধুনাকল্পৰ সময়ত সৃষ্টি হোৱা। ভাৰতৰ আন ঠাইত এইখিনিক দুটা ভাগত ভগোৱা হৈছে। বালি, শিলগুটি আদিৰে গঠিত গাঢ় ৰঙৰ গেদখিনিক গংগা উপত্যকাত 'ভাঙৰ' বোলে। পাতল ৰঙৰখিনিক পঞ্জাবত 'খাদাৰ' বোলে। অসমৰ বিভিন্ন ঠাইত অধুনাকল্পৰ গেদখিনিক অন্ততঃ তিনিটা ভাগত ভগোৱা দেখা গৈছে। মাজুলীত তাৰ ভিতৰৰ নুমলীয়া ভাগ দুটা থকাৰ সম্ভাৱনা অধিক।

মাজুলীৰ পলসুৱা মাটিখিনিৰ তলত আছে কঠিন শিলাস্তৰ। এই শিলাস্তৰখিনি অসম উপত্যকাৰ বিখ্যাত তৃতীয় মহাকল্পৰ শিলাস্তৰসমূহৰ অন্তৰ্ভুক্ত। অৱশ্যে তাৰে কোনকেইটা শিলাস্তৰ কি ধৰণেৰে আছে তাক জানিবলৈ মাজুলীৰ ভিতৰত কোনো গভীৰ কূপ খনন কৰা হোৱা নাই; কিন্তু মাজুলীৰ দক্ষিণৰ দিচাংমুখ আৰু উত্তৰে বিহপুৰীয়া অঞ্চলত খনা তৈল-কূপ আৰু মাজুলীৰ বুকুত কৰা ভূ-ভৌতিক জৰীপৰ তথ্যৰ পৰা মাজুলীৰ ভূগৰ্ভত থকা শিলাস্তৰবোৰৰ বিষয়ে যি জানিব পৰা গৈছে তাক সিপিঠিৰ তালিকাত দিয়া হৈছে।☆

## মাজুলীৰ জলবায়ু

মাজুলীৰ জলবায়ু বুলিলে সাধাৰণতে মৌচুমী জলবায়ু বুলিয়ে কোৱা হয়। কাৰণ মাজুলী অঞ্চলটোও অসম উপত্যকাৰে এটি অবিচ্ছেদ্য অংশ। জলবায়ু-বিজ্ঞানৰ ফালৰ পৰা মাজুলীৰ জলবায়ুক 'উপক্ৰান্তীয় মৌচুমী জলবায়ু' বোলা হয়। ঋতু অনুসৰি উত্তাপ পৰিৱৰ্তন হোৱাৰ ফলত চাপৰ তাৰতম্য ঘটি আঞ্চলিকভাৱে এই মৌচুমী বায়ু প্ৰৱাহৰ সৃষ্টি হয়। তদুপৰি মাজুলী অঞ্চলৰ স্থানীয় প্ৰাকৃতিক কাৰকবোৰে (যেনে—নদ-নদী, বিল-খাল, চৰ-চাপৰি আদি) এনে জলবায়ুৰ যথেষ্ট পৰিমাণে সহায়ক হৈছে। এই জলবায়ুক উত্তাপ, বৰষুণ, চাপ, মেঘ, কুঁৱলী, আৰ্দ্ৰতা আদি বায়ুমণ্ডলৰ উপাদানৰ বিতৰণৰ লক্ষণৰ ওপৰত ভিত্তি কৰি চাৰিটা ঋতুত ভগাব পাৰি, যেনে--- ক) শীতকালীন, খ) প্ৰাক্-মৌচুমী কাল, গ) মৌচুমী কাল, ঘ) মৌচুমী উত্তৰকাল। এই ঋতু অনুসৰি মাজুলী আৰ্দ্ৰ তাপযুক্ত আৰু বৃষ্টিপাতযুক্ত মৌচুমী অঞ্চলৰ অন্তৰ্ভুক্ত। মাজুলীৰ জলবায়ু সাধাৰণতে গৰম আৰু সেমেকা, বিশেষকৈ মৌচুমী কালত অধিক তাপ আৰু বৰষুণ হয়। আনহাতে, শীতকালত বৰষুণ আৰু তাপৰ মাত্ৰা কম হৈ জাৰৰ প্ৰকোপ বৃদ্ধি হয়; কিন্তু নৱৈ দশকৰ মাজ ভাগৰ পৰা ৰাজ্যৰ আন আন অঞ্চলৰ তুলনাত মাজুলীত উত্তাপৰ পৰিমাণ বৃদ্ধি হৈছে আৰু বৰষুণৰ পৰিমাণ অতি কম হোৱা পৰিলক্ষিত হৈছে। বিশেষকৈ ১৯৯৬, ১৯৯৮, ১৯৯৯, ২০০০ চনত একেৰাহে ছমাহ পৰ্যন্ত বৰষুণ হোৱা নাছিল আৰু ২০০১ খ্ৰী:তো ব'হাগ মাহৰ পৰা শাওণৰ শেহলৈকে বৰষুণ নাই বুলিয়েই ক'ব পাৰি। বৰ্তমানৰ পৰা ভৱিষ্যতলৈ আৰু অধিক বতৰ আৰু জলবায়ু পৰিৱৰ্তন হোৱাৰ

# মাজুলীৰ সম্ভাৱ্য অন্তপৃষ্ঠীয় স্তৰয়িত অনুক্ৰম☆

| বয়স (বছৰ) | সংঘ | ৰচনা | বিৱৰণ | বেধ (মিটাৰ) |
|---|---|---|---|---|
| অধুনাকল্প<br>০–১ নিযুত<br><br>প্লিষ্ট চিন<br>১–২ নিযুত | | পলস | নৈয়ে নিক্ষেপ কৰা বোকা, বালি, পলস, শিলগুটি; কিছুমান সামান্য সংপিণ্ডিত। | ৮০০-১২০০ |
| | বিষম বিন্যাস | | | |
| প্লায়চিন<br>২–৭ নিযুত | দিহিং | ঢেকিয়াজুলী স্তৰসমূহ | নদী নিক্ষেপিত বালি-শিল, পলসুৱা শিল আদি। | ৮০০-১০০০ |
| | বিষম বিন্যাস | | | |
| মায়-প্লায়চিন | দুপিটিলা | নামচাং স্তৰসমূহ | বালিশিল, বোকাশিল। | ৪০০-১০০০ |
| | বিষম বিন্যাস | | | |
| | | গিৰুজান বোকাশিল | ৰঞ্জিত বোকাশিল আৰু বালিশিল। | ০–১০০ |
| মায়চিন<br>৭-২৬ নিযুত | টিপাম | টিপাম বালিশিল | প্ৰধানকৈ বালিশিল লগতে বোকাশিল। | ৪০০–১৮০০ |
| | বিষম বিন্যাস | | | |
| অলিগচিন<br>২৬–৩৮ নিযুত | বৰাইল | বৰাইল | ওপৰ অংশ প্ৰধানকৈ বোকাশিল আৰু কয়লা, তলৰ অংশ প্ৰধানকৈ বালিশিল লগতে বোকাশিল। | ০—৪০০ |
| ইয়চিন/ওপৰ পলিঅচিন<br>৩৮–৬৫ নিযুত | জয়ন্তীয়া | কপিলী একান্তকৰণ | বোকাশিল, পলসুৱা শিল, কাৰ্বনযুক্ত শ্বেল, চূণাকাৰ বালিশিল। | ২০০–৩০০ |
| | | ছিলেট চূণশিল | জীৱাশ্মযুক্ত চূণশিল, বোকাশিল আৰু বালিশিল। | ১০০–৩০০ |
| | বিষম বিন্যাস | | | |
| প্ৰাক্ কেম্ব্ৰিয়ান<br>৩০০০-৪৫০০ নিযুত | বেছমেন্ট ভিত্তি শিলাসমষ্টি | — | গ্ৰেনাইট/গ্ৰেনাইট নাইছ | |

☆সত্যম দৈ

সম্ভাবনা আছে। কাৰণ বতৰৰ উপাদানবোৰৰ গতিশীলতা দিন দিনে বাঢ়ি গৈ আছে।

মাজুলী অঞ্চলৰ ওপৰেদি প্ৰৱাহিত হোৱা দক্ষিণ-পশ্চিম মৌচুমী বায়ু-প্ৰৱাহৰ ব্যতিক্ৰমৰ বাবে এনেকুৱা পৰিস্থিতিৰ উদ্ভৱ হৈছে। সমগ্ৰ অঞ্চলটোত গৰমকালি উত্তাপৰ পৰিমাণ ২২°–৩৪° চেলচিয়াছ আৰু শীতকালী ১০°–১২° চেলচিয়াছ পৰ্যন্ত হোৱা দেখা যায়। সেইদৰে নিয়মীয়া মৌচুমী বায়ু-প্ৰৱাহ বলিলে গড়ে ২০০ ছে: মি:ৰ পৰা ৩০০ ছে: মি: পৰিমাণৰ বৰষুণ হয়। শীতকালত উত্তৰ-পূব ফালৰ পৰা দক্ষিণ-পশ্চিমলৈ মাজুলীৰ ওপৰেৰে এবিধ বায়ু-প্ৰৱাহ নিয়মিতভাৱে বলে। তদুপৰি এই শীতকালতেই বৰষুণৰ পৰিমাণ কম হোৱাৰ লগতে অঞ্চলটোৰ উপৰিভাগত থকা শুকান বালিচঁহীয়া মাটিৰ কাৰণে যথেষ্ট পৰিমাণে ধূলি-বালিৰ সৃষ্টি হয়। সাধাৰণতে বছৰটোৰ অক্টোবৰ আৰু মাৰ্চ মাহ দুটাত শান্তিদায়ক বতৰ বিৰাজ কৰে আৰু আনহাতে গ্ৰীষ্মকালত বতৰ গৰম হোৱাৰ বাবে অশান্তিকৰ হয়। বৰ্তমান মাজুলীৰ জলবায়ুৰো বহু পৰিমাণে পৰিৱৰ্তন ঘটিছে। ইয়াৰ মূলতে দায়ী মৌচুমী বায়ু-প্ৰৱাহৰ গতি পৰিৱৰ্তন, মাজুলীৰ প্ৰাকৃতিক দুৰ্যোগবোৰ, সংলগ্ন অঞ্চলৰ প্ৰদূষিত বায়ুমণ্ডল, অৰণ্য ধ্বংস-কাৰ্য আৰু পৃথিৱীৰ ক্ৰমবৰ্দ্ধমান তাপমাত্ৰা বৃদ্ধি আদি। তথাপি মাজুলীৰ জলবায়ু শক্তিদায়ক (invigourating) আৰু ই ইয়াৰ বাসিন্দাসকলক পৰিশ্ৰমী হোৱাত সহায়ক হৈছে।

## মাজুলীৰ ভূ-প্ৰকৃতি

মাজুলীৰ ভূ-প্ৰকৃতি বা বন্ধুৰতা ইয়াৰ দ্বীপীয় অৱস্থানৰ লগতে গঢ় লৈ উঠা দেখা যায়। মাজুলীৰ ভূ-প্ৰকৃতি বুলিলে সাধাৰণতে ইয়াৰ উপৰিভাগৰ পৰিদৃশ্যমান প্ৰাকৃতিক অৱয়বৰ উপকৰণসমূহকে বুজায়। এই উপকৰণসমূহ হ'ইকে সঞ্চয়জাত পুৰণি আৰু নতুন পলসুৱা মাটিৰ সমতলভূমি, সক্ৰিয় প্লাৱনভূমি আৰু চৰ বা চাপৰি অঞ্চল। মাজুলীত সৰু-বৰ কোনো পাহাৰ নাই। মাজে মাজে সমতল অংশৰ ওখ ঠাই আৰু নিম্নভূমি প্ৰায় অঞ্চলতে বিদ্যমান। মাজুলী অঞ্চল বিশাল ব্ৰহ্মপুত্ৰ অৱবাহিকাৰ এক অবিচ্ছেদ্য অংশও। এই অঞ্চলত ব্ৰহ্মপুত্ৰ নদী আৰু লোহিত উপনৈৰ অবৰিতভাৱে হৈ থকা ক্ষয়ীকৰণৰ হেতু বিকাশপ্ৰাপ্ত ভূ-প্ৰাকৃতিক অৱয়বসমূহ বিশেষভাৱে উল্লেখনীয়। মাজুলী অঞ্চল উত্তৰৰ ধেমাজি জিলাৰ পৰা পশ্চিমৰ নগাঁও-দৰং জিলাৰ সীমালৈকে সম্পূৰ্ণ সমতল আৰু সক্ৰিয় প্লাৱনভূমি। এই বিশাল ভূমিভাগ উত্তৰৰ পাৰ্বত্য অঞ্চল আৰু দক্ষিণৰ উচ্চ ভূমিৰ পৰা ব্ৰহ্মপুত্ৰ আৰু দুই পাৰৰ উপনৈসমূহে কঢ়িয়াই অনা পলসুৱা গেদীয় শিলেৰে গঠিত। উত্তৰ-পূবৰ পৰা দক্ষিণ-পশ্চিমলৈ এঢলীয়া এই সমভূমি সমুদ্ৰপৃষ্ঠৰ পৰা ৮৪.৫ মিটাৰ ওখ। মাজুলী অঞ্চল প্ৰকৃতিগতভাৱে নদী-দ্বীপ হ'লেও ই চৰ-চাপৰি বা কোমল ভূমিৰে গঠিত নহয়। মাজুলী ইমূৰৰ পৰা সিমূৰলৈকে পুৰণি পলসুৱা বা আলতীয়া মাটি আৰু নতুন পলসুৱা ভূমিৰেহে গঠিত। মাজুলীৰ ভূ-প্ৰকৃতিৰ গঠন যোৰহাট-শিৱসাগৰ অঞ্চলৰ ভূ-প্ৰকৃতিৰ লগত প্ৰায় একে। মাজুলীৰ এই দ্বীপীয় সমতল ভূমিৰ উপৰিভাগৰ ভূ-প্ৰকৃতি অৱস্থাক তলত দিয়া ধৰণে চাৰিটা ভাগত ভগাব পাৰি— ক) *উজনি মাজুলী* : পুৰণি-নতুন পলসুৱা সমভূমি আৰু সক্ৰিয় প্লাৱনভূমি অঞ্চল। খ) *মধ্য মাজুলী* : পুৰণি-নতুন পলসুৱা সমভূমি আৰু সক্ৰিয় প্লাৱনভূমি অঞ্চল। গ) *নিম্ন মাজুলী* : পুৰণি-নতুন পলসুৱা সমভূমি আৰু সক্ৰিয় প্লাৱনভূমি অঞ্চল। ঘ) *উচ্চ-মধ্য-নিম্ন মাজুলী* : চৰভূমি অঞ্চল।

### (ক) উজনি মাজুলী—পুৰণি-নতুন পলসুৱা সমভূমি আৰু সক্ৰিয় প্লাৱনভূমি অঞ্চল :

মাজুলীৰ এই অঞ্চলটোৰ ভূমিভাগ তুলনামূলক-ভাৱে আনকেইটা অঞ্চলতকৈ কিছু ওখ বাবেই ইয়াক উজনি মাজুলী নামেৰে জনা যায়। এই সমতল অঞ্চল পুৰণি-নতুন পলসুৱা আৰু সক্ৰিয় প্লাৱনভূমিৰে গঠিত। ইয়াত টেকেলিফুটা, জাৰৰচুক, গেজেৰা, আইনচুক, হালধিবাৰী, ৰতনপুৰ, বৰবিল, বেকেজীয়া, কুঁহিয়াৰবাৰী, জেংৰাইমুখ, বৰপমুৱা, ফুলনি, অভয়পুৰীয়া, বোকাজান, গায়ন গাঁও, শালমৰা, বনগাঁও, দক্ষিণপাট, চামগুৰি, কণ্যালগাঁও আদি অঞ্চলভুক্ত। গোটেই অঞ্চলটো ভালেমান ওখ আৰু নিম্নভূমিৰে আগুৰা।

এই অঞ্চলত থকা পথাৰ, পাম, চাপৰি আদি শব্দবোৰে সাধাৰণতে ওখ ঠাইকে বুজায়। নিম্নভূমিৰ ভিতৰত বিল আৰু ডুবিবোৰেই প্ৰধান। ইয়াৰ উল্লেখযোগ্য বিলবোৰ হ'ল— ৰূপহী, ভকতি, হাতীমূৰীয়া, টেঙাপনীয়া, কাজুলিমাৰী, ঠাকুৰসুঁতি, ভূৱামৰা, বৰবিল, নলনি, বৰদলনি, সোণাৰিআটী আদি। ডুবিৰ ভিতৰত কঁঠাল-খোৱা

কঠমীয়া, ফুলনি আলিছিঙা আৰু বগাচাঁহী বিশেষভাবে উল্লেখনীয়। এনে ভূ-প্ৰকৃতিৰ বাবে ইয়াত ক্ৰান্তীয় চিৰসেউজীয়া আৰু মিশ্ৰ পৰ্ণপাতী উদ্ভিদ পোৱা যায়।

**(খ) মধ্য মাজুলী — পুৰণি-নতুন পলসুৱা সমভূমি আৰু সক্ৰিয় প্লাৱনভূমি অঞ্চল :**

মাজুলীৰ ভূ-প্ৰকৃতিৰ এইটো এটা উল্লেখনীয় অঞ্চল। ইয়াৰো ভূ-প্ৰকৃতি সম্পূৰ্ণ সমতলভূমি আৰু পুৰণি -নতুন পলসযুক্ত তথা সক্ৰিয় প্লাৱনভূমিৰে গঠিত। এই অঞ্চলতেই মাজুলীৰ প্ৰাণকেন্দ্ৰ স্বৰূপ কমলাবাৰী হাট-নগৰ (Market-Town) আৰু মহকুমা সদৰ গড়মূৰ অৱস্থিত। এই অঞ্চল জামুদ চুক, নগৰ চুক, কলিয়া গাঁও, পকাজৰা, গোৱালবাৰী, বৰদলনি, গোসাঁইবাৰী, ভূৰামৰা, ঘোৱাচলা, ৰাৱণাপাৰ, পতিয়ৰী, টটয়া, কমাৰগাঁও, পটীয়াগাঁও, কাকতিবাৰী, ভোগপুৰ, ম'হখুটি, মাণিকপথাৰ, গড়মূৰ, দেওদিয়াআটী, বেঙেনাআটী, বৰহোলা, নামকাটনী, আউনীআটি, বৰিটিকা, বৰুৱাচিতাদাৰ চুকৰ পৰা বৰগএ্রা, বালিচাপৰি আদি ঠাই হৈ গোৱালগাঁৱলৈকে বিস্তৃত হৈ আছে। এই মধ্য অঞ্চলটোত ওখ আৰু নিম্নভূমিও আছে। ইয়াত 'আটি', 'টিকা' নামৰ ওখ ঠাই আৰু 'হোলা' নামৰ নিম্নভূমি সৰহ পৰিমাণে দেখা যায়। নিম্নভূমিৰ অন্যান্য বিল, ডুবি, জান আদিয়েই প্ৰধান। বিলৰ ভিতৰত পিঠাখোৱা, টটয়া, দীঘলী, ভোগপুৰ, ভেতেক, মলহাখোৱা, লাইমণিকা, খুজুৱা, হাঁহচৰা, বৌমাৰী, খহুলী, কাকৰিকটা, বৰগএ্রা, চাকলি বিল আদি প্ৰধান। ডুবিৰ ভিতৰত টটয়াডুবি, ৰাৱণাপাৰ, ঔ-ডুবি, গোসাঁই ডুবি, দৰিয়া ডুবি, খৰখৰি ডুবি আদি বিশেষভাৱে উল্লেখনীয়। মাজুলীৰ একমাত্ৰ নদী 'টুনী' এই অঞ্চলেদি প্ৰৱাহিত হৈ আছে। কানিয়াজান, খাৰজান আদি নিম্নভূমিভাগ এই অঞ্চলত দেখা যায়। ইয়াত চিৰসেউজীয়া, আংশিক চিৰসেউজীয়া আৰু পৰ্ণপাতী উদ্ভিদ দেখিবলৈ পোৱা যায়। লাহলিয়াল গাঁৱৰ পশ্চিমে থকা চাকলি বিল আৰু পূবে থকা ভেৰেকী বিলত পৰিভ্ৰমী চৰাই (হাঁহ, চাকৈ-চকোৱা আদি) পৰা দেখা যায়।

**(গ) নিম্ন মাজুলী— পুৰণি-নতুন পলসযুক্ত আৰু সক্ৰিয় প্লাৱনভূমি অঞ্চল :**

মাজুলীৰ এই অঞ্চল ভূ-প্ৰকৃতিৰ অৱস্থান অনুসৰিয়েই নিম্ন ভূমি হোৱা পৰিলক্ষিত হয়। ইয়াতো পুৰণি আৰু নতুন পলসুৱা মাটি আছে যদিও সক্ৰিয় প্লাৱনভূমিৰ পৰিমাণ সৰহ। কাৰণ এই অঞ্চলত নৈৰ গুম্ফিত আকৃতিৰ বাবে সোঁতৰ প্ৰৱণতা কম হৈ সৰ্পিল গতিৰ ফলত অসংখ্য বালিচৰ গঠন কৰিছে। ইয়াত গোৱালগাঁও, বিৰিণাবাৰী, কৰতিপাৰ, চৰাইকোকোৰা, বৌমৰা, বৰমুকলি, মহৰীচুক, সাঁকোপাৰা, বিৰুলীপাৰা, মলুৱাল, ওখল'চুক, বেবেজীয়া, কৰতিপাৰ, হৰিচাপৰি, বাঘমৰা, কৌপতীয়া, পমুৱা, বাঘগাঁও, আঁহতগুৰি, চামগুৰি আৰু মিছামৰা আদি ঠাই অন্তৰ্ভুক্ত। এই অঞ্চল নৈৰ গৰাখহনীয়াৰ দ্বাৰা আক্ৰান্তৰ হোৱাৰ ফলত বৰ্তমান কিছু অংশইহে পূৰ্বৰ সাক্ষ্য বহন কৰি আছে। উল্লেখযোগ্য যে ওখল'চুকত ব্ৰহ্মপুত্ৰ নদীৰ এটা সুঁতিয়ে লোহিত উপনৈৰ অন্য এটা সুঁতিৰ লগত লগ হোৱাত আঁতহগুৰি অঞ্চলটোক লৈ মাজুলীৰ ভূ-প্ৰকৃতিৰ ভিতৰতে অন্য এটা মাজুলীৰ সৃষ্টি হ'ল। মাজুলীৰ ভূ-প্ৰকৃতিত নৈ কাৰ্য-প্ৰণালীৰ ই এটা অতি মন কৰিবলগীয়া দিশ। এই অঞ্চলটো স্বাভাৱিকতে নিম্নভূমি হোৱা বাবে বিল, ডুবি, জলাহ আদি অধিক। ইয়াৰ বিলৰ ভিতৰত গজোৱা, মিছামৰা বাহিৰ অংশ, মিছামৰা চাপৰি, ভোমোৰাগুৰি, বৰদোৱাৰ, কাঠ চাপৰি, কানাই আদি প্ৰধান।

**(ঘ) উচ্চ-মধ্য-নিম্ন মাজুলীৰ চৰভূমি বা চাপৰি অঞ্চল :**

উজনি মাজুলীৰ উত্তৰ-পূবৰ টোকৰ, ডবলা, ধেনুখনা, বনৰীয়া, মোৱামাৰী আদি চাপৰিৰ পৰা আৰম্ভ কৰি মধ্য মাজুলীৰ দৰবাৰ, পলাকনি, কাৰ্তিক, বুঢ়া চাপৰি, পকীমূৰীৰ সৈতে নামনি মাজুলীৰ দক্ষিণ-পশ্চিমৰ ধোদাং, ফুৰফুৰীয়া, বুঢ়া চাপৰি, শিকলি চাপৰি, চৰাই চাপৰি আৰু শগুন চাপৰিলৈকে প্ৰায় ৯০ কি: মি: দৈৰ্ঘৰ বিস্তীৰ্ণ চাপৰি অঞ্চল ইয়াৰ অন্তৰ্ভুক্ত। এই বিস্তীৰ্ণ চৰ অঞ্চলৰ ভূ-অৱয়ব পৰিবৰ্তনশীল। এই অঞ্চলৰ গাতে লাগি থকা বিভিন্ন অশ্বখুৰা হ্ৰদ, জলাহ, পিতনি ইয়াৰ নিম্নভূমি। ইয়াত নৈপৰীয়া ঘাঁহনি অঞ্চল দেখা যায়।

# মাজুলীৰ মাটিকালি

মাজুলীৰ উৎপত্তি সচৰাচৰ নদী-দ্বীপ বা চৰ-চাপৰিৰ দৰে নহয়। অতীজত ই কিমান ডাঙৰ আছিল তাক অনুমানহে কৰিব পাৰি। ১৮৯১ চনত কৰা এটা চৰকাৰী জৰীপৰ তথ্যমতে মাজুলীৰ মাটিকালি আছিল ১২৫৬ বৰ্গ কিল'মিটাৰ; কিন্তু ১৯৯০ চনৰ তথ্য অনুসৰি মূল দ্বীপটোৰ কালি মাত্ৰ ৫১৪ বৰ্গ কিল'মিটাৰ বুলি পোৱা গৈছে। ইয়াত মাজুলীৰ এই পৰিবৰ্তনৰ এটি থুলমূল আভাস দিবলৈ প্ৰয়াস কৰা হৈছে।

**অষ্টাদশ শতিকাৰ মাজুলীৰ তথ্য :**

অসমৰ প্ৰাচীন সাহিত্যত মাজুলীৰ প্ৰাকৃতিক বিৱৰণ যথাযথভাৱে পোৱা নাযায়। সৌভাগ্যক্ৰমে ড° জন পিটাৰ ৱেডে ১৭৯২ চনৰ পৰা ১৭৯৪ চনলৈ মাজুলী আদি ঠাই ভ্ৰমণ কৰি লিখা এটা টোকাৰ পৰাই মাজুলীৰ প্ৰথম বিজ্ঞান-সন্মত প্ৰাকৃতিক বিৱৰণ পোৱা যায়। তেওঁ দৈনিক খোজকাঢ়ি কৰা হিচাপমতে (হিন্দুস্থানৰ সুগম ঠাইত দিনে ২৫ মাইল আৰু দুৰ্গম ঠাইত ১৬ মাইল খোজকাঢ়ি যাব পৰা অৱস্থাত মাজুলীত দিনে ২০ মাইল পথ খোজকাঢ়িব পৰা গৈছিল।) মাজুলী দ্বীপটো দীঘে ২৫৭ কিল'মিটাৰ আৰু বহলে ৯৬ কিল'মিটাৰ আছিল। গতিকে এই বৃহৎ অঞ্চলটোক তেওঁ অসমৰ 'তৃতীয় বিভাগ' বুলিছিল।

ৱেডৰ টোকামতে গোটেই মাজুলী দ্বীপটোক লুইত আৰু দিহিঙক সংযোগ কৰা ভালেমান সুঁতিয়ে ভাগ কৰি বহুত চাপৰিত বিভক্ত কৰিছিল। বানপানীৰ সময়ত এই চাপৰিবোৰৰ কিছুমান প্ৰতি বছৰে আৰু কিছুমান কোনো কোনো বছৰত ডুব গৈছিল। সেই সময়ত মাজুলীত ১৫টা বৃহৎ চাপৰি আছিল[১]। চাপৰিকেইটাৰ নাম আৰু কালি (বৰ্গ কিল'মিটাৰত) পশ্চিমৰ পৰা পূবলৈ এনে ধৰণৰ—

| | চাপৰিৰ নাম | মাটিকালি (বৰ্গ কিঃ মিঃত) |
|---|---|---|
| ১। | ৰূপাই | ৪৭ |
| ২। | ৰঙা | ২০৭ |
| ৩। | হালধিআটী | ৩৮৮ |
| ৪। | বৰগোহাঁই | ৩৮৮ |
| ৫। | তামোলবাৰী | ১৮১ |
| ৬। | ঘূৰীয়া | ১৫৫৩ |
| ৭। | আউনীআটী | ৮৩ |
| ৮। | বেঙেনাআটী | ১৬৫ |
| ৯। | কমলাবাৰী | ৬২ |
| ১০। | কৌপটীয়া | ২০ |
| ১১। | পটীয়া | ৪৬ |
| ১২। | দক্ষিণপাট | ১০৪ |
| ১৩। | গড়মূৰ | ১৫৫৩ |
| ১৪। | পহুমৰা | ২৫৮ |
| ১৫। | চিনাতলি | ১৫৫ |

এই চাপৰিকেইটাৰে কেইটামানৰ উল্লেখযোগ্য দিশ হ'ল এনেধৰণৰ— ১) ঘূৰীয়া চাপৰিত থকা কলাকটা নলা নামৰ এটা সুঁতিয়ে লুইত আৰু দিহিঙক লগ লগাইছিল। ২) আউনীআটী চাপৰি আনবোৰতকৈ যথেষ্ট ওখ আছিল। ৩) কমলাবাৰী চাপৰিৰ মাজেদি বোৱা টুনী নলাই লুইত আৰু দিহিঙক সংযোগ কৰিছিল। ৪) দক্ষিণপাট চাপৰি দিহিঙৰ পাৰতে আছিল। ৫) চিনাতলিত কুমাৰ গাঁওখন আছিল। ড° ৱেডে নিৰ্ণয় কৰা মতে মাজুলীৰ কালি আছিল কমেও ৫১৯০ বৰ্গ কিল'মিটাৰ।

**উনবিংশ শতিকাৰ তথ্য :**

ড° ৱেডৰ পাছৰ সময়ত ফ্ৰেন্সিছ হেমিল্টনে মাজুলীৰ কালি ১৮০৭/০৮ চনত ৩৩৬৯ বৰ্গ কিল'মিটাৰ আৰু ১৮১৪ চনত ৫০৪৪ বৰ্গকিল'মিটাৰ বুলি হিচাপ কৰি উলিয়ায়। এম. মিল্‌ছে ৰাজহ সংগ্ৰহৰ উদ্দেশ্যে ১৮৫৩ চনত কৰা হিচাপ মতে মাজুলীৰ কালি আছিল ১১৪২ বৰ্গ কিল'মিটাৰ। আন এটা পুৰণি টোকা মতে, ১৮৯১ চনত মাজুলীৰ ভূমি জৰীপ কৰি ইয়াৰ কালি ১২৫৬ বৰ্গ কিল'মিটাৰ বুলি পায়।

১) 'An Account of Assam', ed. by Benudhar Sharmah (1927) p. 369.

**বিংশ শতিকাৰ তথ্য :**

বিংশ শতিকাত প্ৰযুক্তিবিদ্যাৰ উৎকৰ্ষ আৰু জন-সচেতনতা বৃদ্ধি পোৱাৰ লগে লগে মাজুলীৰ ভৌগোলিক তথ্যসমূহ বিজ্ঞানসম্মতভাৱে নিৰ্ভুলকৈ উপলব্ধ হৈছে। শতিকাটোৰ আৰম্ভণিতে ১৯০১ চনত কৰা লোকপিয়লৰ তথ্য মতে, মাজুলীৰ কালি আছিল ১২৫৫ বৰ্গ কিল'মিটাৰ। তাৰপাছত ১৯১৬ চনৰ পৰা ১৯১৯ চনৰ ভিতৰত মাজুলীৰ জৰীপ কাৰ্য ভাৰতীয় জৰীপ বিভাগে সম্পাদন কৰি নিখুঁত মানচিত্ৰ প্ৰকাশ কৰে। এই মানচিত্ৰসমূহৰ তথ্যৰ পৰা সেই সময়ৰ মাজুলীৰ বহুত প্ৰাকৃতিক তথ্য জানিব পাৰি। তাৰপাছলৈ আধুনিক প্ৰযুক্তিবিদ্যাৰ সহায়ত মানচিত্ৰবোৰৰ সংশোধন কৰা হয়। বিশেষকৈ, আকাশমাৰ্গৰ পৰা তোলা ছবিৰ সহায়ত জৰীপ বিভাগে ১৯৬৬ চনৰ পৰা ১৯৭০ চনলৈ উল্লিখিত মানচিত্ৰবোৰৰ নতুন সংস্কৰণ প্ৰকাশ কৰে। এই দুবিধ মানচিত্ৰৰ সহায়ত ১৯১৬ চনৰ পৰা ১৯৬৬ চনলৈকে প্ৰায় ৫০ বছৰত মাজুলীলৈ অহা প্ৰাকৃতিক পৰিৱৰ্তনখিনিক নিৰ্ণয় কৰাটো সহজ হৈছে। বিশেষকৈ, ১৯৫০ চনৰ অসমৰ বৰভূঁইকঁপৰ বাবে ব্ৰহ্মপুত্ৰ নদীৰ যি পৰিৱৰ্তন ঘটিছে; সিও মাজুলীৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলাইছে বুলি জনা যায়।


ইয়াত মাজুলীৰ প্ৰাকৃতিক পৰিৱৰ্তন, বিশেষকৈ খহনীয়াৰ ফলত হোৱা ক্ষয়-ক্ষতি নিৰ্ণয় কৰাৰ বাবে মাজুলী দ্বীপটোক ২৫টা সমান খণ্ডত ভাগ কৰি লোৱা হৈছে। প্ৰায় বৰ্গাকাৰ প্ৰতিটো খণ্ডৰ বাহুৰ দীঘ ৬.৬ কিল'মিটাৰ আৰু কালি ৪৪ বৰ্গ কিল'মিটাৰ। প্ৰতিটো খণ্ড এনেভাৱে নিৰ্বাচন কৰা হৈছে যাতে তাত যিকোনো এখন প্ৰধান নদী বা সুঁতিৰ সক্ৰিয় কাষ এটা পৰে। সেইবাবে বিভিন্ন সময়ত হোৱা খহনীয়া বা পলস পৰি নতুনকৈ সৃষ্টি হোৱা মাটিকালিৰ হ্ৰাস-বৃদ্ধি যথাক্ৰমে নিৰ্ণয় কৰাত সহায়ক হয়।

মাজুলীক খণ্ডত ভাগ কৰি সম্পন্ন কৰা বৰ্তমান অধ্যয়নৰ পৰা পোৱা গৈছে যে ১৯১৬ চনৰ পৰা ১৯৭০ চনৰ ভিতৰত পূবফালৰ ২টা খণ্ড আৰু দক্ষিণৰ এটা খণ্ড সম্পূৰ্ণকৈ খহনীয়াত জাহ গ'ল। পূব, পশ্চিম আৰু দক্ষিণৰ সকলোবোৰ খণ্ডত ব্যাপক হাৰত খহনীয়া হোৱাত ভালেমান এলেকা ব্ৰহ্মপুত্ৰৰ বুকুত সোমাল; কিন্তু পশ্চিমৰ এটা আৰু উত্তৰৰ ৬টা খণ্ডত বিশেষকৈ, সোৱণশিৰী নদীৰ উত্তৰমুৱাহৈ সুঁতি পৰিৱৰ্তনৰ বাবে বহুত নতুন এলেকা মাজুলীত যোগ হ'ল। তেনেদৰে ১৯৭০ চনৰ পৰা ১৯৯০ চনলৈ কৰা অধ্যয়নত দেখা গৈছে যে, খহনীয়া বিশেষকৈ দক্ষিণপাৰত অধিক হাৰত সংঘটিত হৈছে; যাৰ বাবে ১৯১৬ চনৰ তুলনাত মুঠ ৯টা খণ্ড সম্পূৰ্ণকৈ খহনীয়াত জাহ গ'ল। কিন্তু সোৱণশিৰীয়ে উত্তৰমুৱা গতি অপৰিৱৰ্তিত ৰখা হেতুকে মাজুলীত বহুত নতুন এলেকা যোগ হৈছেহি। ইয়াকে নোহোৱাহেঁতেন আউনীআটীৰ কাষৰ গুৱালগাঁৱৰ ওচৰত ব্ৰহ্মপুত্ৰই মাজুলীক দুটা ভাগত ভগাই দুটা দ্বীপ কৰি পেলালেহেঁতেন। গতিকে মাজুলীত কেৱল মাত্ৰ খহনীয়াই হৈ থকা নাই; সময়ে সময়ে বালি-পলস পৰি ইয়াত নতুন ঠায়ো যোগ হৈ আহিছে।

১৯১৬ চনৰ মেপত পোৱা মতে (সিপিঠিৰ মানচিত্ৰ চাওক), তেতিয়া মূল মাজুলী দ্বীপৰ মাটিকালি আছিল ৭৭০ বৰ্গ কিল'মিটাৰ। এই পৰিমাণ হ্ৰাস পাই ১৯৭০ চনত হ'লগৈ ৫৮৫ বৰ্গ কিল'মিটাৰ আৰু ১৯৯০ চনত ৫১৪ বৰ্গ কিল'মিটাৰ। গতিকে গৰাখহনীয়াৰ ফলত মাজুলী দ্বীপটো অহৰহ সংকুচিত হ'বলৈ ধৰিছে। উক্ত তথ্য অনুসৰি মাজুলীত বাৰ্ষিক খহনীয়াৰ হাৰ ১৯১৬–১৯৭০ চনলৈ আছিল ৩.৪ বৰ্গ কিল'মিটাৰ আৰু ১৯৭০-১৯৯০ চনলৈ এই মাত্ৰা সামান্য বৃদ্ধি পাই হৈছে ৩.৮ বৰ্গ কিল'মিটাৰ।

মাটিকালিৰ দৰে মাজুলীৰ পৰিসীমাও ক্ৰমাৎ হ্ৰাস পাইছে। ইয়াৰ পৰিমাণ ১৯১৬ চনত আছিল ২৫৬ কিল'মিটাৰ, ১৯৭০ চনত হ'লগৈ ২০২ কিল'মিটাৰ আৰু ১৯৯০ চনত হয়হি ১৯০ কিল'মিটাৰ। মাজুলীত খহনীয়া প্ৰধানকৈ দক্ষিণপাৰত আবদ্ধ আছে। সৌভাগ্যক্ৰমে উত্তৰপাৰত যথেষ্ট পৰিমাণে নতুন ঠাই যোগ হৈছে। অৱশ্যে এই অধ্যয়নত থকা আঁসোৱাহ এটাই যে ১৯১৬ চনৰ পৰা ১৯৭০ চনৰ ভিতৰৰ কোন চনত কিমান খহনীয়া হৈছে তাক জনাৰ উপায় নাই। এনেবোৰ তথ্যৰ বাবে চৰকাৰী তথ্যৰ ওপৰত ভিত্তি কৰিবলগা হয়।

এক চৰকাৰী তথ্যত পোৱা মতে প্ৰতি দহ বছৰৰ ভিতৰত মাজুলীৰ তিনিটা মৌজা— আঁহতগুৰি, কমলাবাৰী আৰু শালমৰা, প্ৰত্যেকৰে কিমান পৰিমাণৰ গৰাখহনীয়া হৈছে তাক তালিকাত দিয়া হৈছে।




মাজুলীৰ অৱস্থান আৰু ১৯১৬, ১৯৭০ আৰু ১৯৯০ চনৰ মাজুলীৰ মানচিত্ৰ

মেপ নং - ১

| তালিকা (মাজুলীৰ প্ৰতি মৌজাৰ মাটিকালি বৰ্গ কিল'মিটাৰত) | | | | | | |
|---|---|---|---|---|---|---|
| মৌজা | ১৯৩১ | ১৯৪১ | ১৯৫১ | ১৯৬১ | ১৯৭১ | ১৯৮৯ |
| আঁহতগুৰি | ৩৫১ | ৩৫১ | ৩৯৬ | ৩৫৬ | ৩১৮ | ২৩৯ |
| কমলাবাৰী | ৪২৫ | ৪২৫ | ৪২৫ | ৪২৫ | ৪৯০ | ৩৯৪ |
| শালমৰা | ৫০৫ | ৫০৫ | ৫০৫ | ৫০৫ | ৪৩১ | ৩৮৮ |

উক্ত তালিকাৰ পৰা স্পষ্ট হয় যে শালমৰা আৰু কমলাবাৰী মৌজা দুটাৰ মাটিকালি ১৯৩১ চনৰ পৰা ১৯৬১ চনলৈকে একে আছিল। অৰ্থাৎ তাত খহনীয়া হোৱা নাছিল। পৰৱৰ্তী সময়তহে এই দুই মৌজালৈ পৰিৱৰ্তন আহে। তেনেকৈ আঁহতগুৰি মৌজাত ১৯৫১ চনলৈ কিছু নতুন এলেকা লগ লাগিছিল যদিও পাছত ক্ৰমান্বয়ে অধিক হাৰত খহনীয়াগ্ৰস্ত হৈ ই সংকুচিত হোৱা দেখা যায়। অৱশ্যে এই তথ্যবোৰৰ হীন-ডেঢ়ি হোৱাটো অস্বাভাৱিক নহয়।

মাজুলীত বানপানী আৰু গৰাখহনীয়া প্ৰতিবছৰে ঘটি আহিছে বাবে ইয়াৰ বাসিন্দাসকলে এই দুই প্ৰাকৃতিক দুৰ্যোগৰ লগত সহাৱস্থান কৰাৰ বাহিৰে আন উপায় নাই। মাজুলীৰ বানপানী ৰোধৰ বাবে যিকেইটা মথাউৰি বন্ধা হৈছে, সেইকেইটাৰ স্লুইছগেট নাই কাৰণে বানপানীৰ হেঁচাত মথাউৰি ভগাৰ সম্ভাৱনা বেছি। যিবোৰ ঠাইত মথাউৰি ভাগে, তাৰ কাষৰ মাটি বানে কঢ়িয়াই অনা বালিত পোত গৈ সাৰুৱা পথাৰ হৈ পৰে ধকধকীয়া বগা বালি। এটা চৰকাৰী তথ্য অনুসৰি ১৯৫১ চনৰ পৰা ১৯৮৯ চনৰ ভিতৰত ব্ৰহ্মপুত্ৰই মাজুলীৰ ৭৮খন গাঁও খহাই নিছিল আৰু তাৰ ফলত ৯২৬৩টা পৰিয়াল ভূমিহীন হৈ পৰিছিল। উল্লেখনীয় এই যে, ১৯৬৫ চনত খেৰকটীয়া সুঁতিটো ভেটি, ৰাস্তা বন্ধাৰ বাবে মাজুলী এতিয়া ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ লগত স্থল পথেৰেও সংযুক্ত হৈছে।

## মাজুলীৰ ভৌগোলিক স্থিতি আৰু জলনিৰ্গম প্ৰণালী

অসমৰ মানচিত্ৰত প্ৰাকৃতিকভাৱে এক বিশেষ স্থান দখল কৰি থকা অতি গুৰুত্বপূৰ্ণ ব্ৰহ্মপুত্ৰ আৰু লোহিত-খেৰকটীয়া পৰিৱেষ্টিত অঞ্চলটোৱেই হ'ল মাজুলী। প্ৰকৃতাৰ্থত 'মাজুলী' নিজেই এটা ভৌগোলিক শব্দ যাৰ অৰ্থ চাৰিওফালে নদীৰ পানীৰে আগুৰি থকা সাৰুৱা ভূমি আৰু য'ত প্ৰাণভৰি ভূগোলৰ বৈশিষ্ট্যৰে পৰিপূৰ্ণ বিভিন্ন উপকৰণসমূহ উপভোগ কৰিব পাৰি। বৰলুইতৰ বুকুৰ শুৱনি মাজুলী বৰ্তমানৰ বন্যা-বিপন্ন, প্ৰতি মুহূৰ্ততে গৰাখহনীয়াৰ দ্বাৰা আক্ৰান্ত। অৱশ্যে অনেক প্ৰাকৃতিক দুৰ্যোগৰ মাজতো মাজুলীয়ে এতিয়াও কিছুমান স্বকীয়তা বজাই ৰাখিবলৈ সমৰ্থ হৈছে। আচৰিত যেন লাগিলেও সত্য যে, মাজুলী এতিয়াও এক প্ৰদূষণমুক্ত অঞ্চল। এই মাজুলী কেৱল অসম তথা ভাৰতৰে এখন পবিত্ৰ ভূমি আৰু বৈষ্ণৱ কলা-সংস্কৃতিৰ বৰঘৰ নহয়; ই পৃথিৱীৰ এটা বৃহত্তম নদী-দ্বীপ হিচাপেও খ্যাতি বহন কৰি আহিছে।

মাজুলীৰ ভৌগোলিক স্থিতিৰ ক্ষেত্ৰত ইয়াৰ জলনিৰ্গম প্ৰণালী বা অৱবাহতন্ত্ৰৰ ব্যৱস্থাটো প্ৰত্যক্ষভাৱে সাঙোৰ খাই আছে। এই জলনিৰ্গম প্ৰণালী মাজুলীৰ স্থিতিৰ এটা মুদ্ৰাৰ ইপিঠি আৰু সিপিঠি — ইয়াক বাদ দি নদী-দ্বীপটো কোনো দিনেই বৰ্তি থাকিব নোৱাৰে। এই জলনিৰ্গম প্ৰণালীৰ বিভিন্ন কাৰ্য, প্ৰকাৰ্য সংঘটিত হৈ ইয়াৰ স্থিতিৰ ৰূপ, প্ৰতিৰূপ সময়ে সময়ে স্থান বিশেষে সাময়িক আৰু স্থায়ীভাৱে পৰিৱৰ্তন হৈ আছে। সেয়ে ভূ-পৃষ্ঠৰ ভিন্ ভিন্ অঞ্চলৰ স্থিতিত ভূ-প্ৰকৃতি আৰু জলনিৰ্গম প্ৰণালীৰ নানা ক্ৰিয়াৰ ফলত যেনেদৰে বিভিন্ন ৰূপ প্ৰতিফলিত হৈছে, ঠিক তেনেদৰে মাজুলীৰ ক্ষেত্ৰতো হৈছে; অৰ্থাৎ স্থূলাকৃতি,

নদ-নদী, আৰ্দ্ৰভূমি আদি মিলি যি সুস্থিৰ প্ৰাকৃতিক পৰিৱেশৰ সমন্বয় ঘটিছে, সেইটোৱে ইয়াৰ সাংস্কৃতিক পৰিৱেশৰ উপকৰণসমূহকো এক স্বকীয় ৰূপ প্ৰদান কৰাত সহায়ক হৈছে। এই প্ৰবন্ধত মাজুলীৰ স্থিতি আৰু জলনিৰ্গম প্ৰণালী বা অৱবাহতন্ত্ৰৰ সম্পৰ্কত কেৱল ভৌগোলিক দিশৰ পৰাহে আলোচনা কৰা হৈছে আৰু সম্ভৱতঃ এই তথ্যসমূহৰ ভিত্তিৰো এক যথাৰ্থতা আছে।

মাজুলী নদী-মাতৃক এটা অঞ্চল— নদীয়েই ইয়াৰ জীৱনৰেখা। প্ৰায় চাৰিওদিশে আগুৰি থকা নদী, উপনদীকেইখনক বাদ দি মাজুলীৰ অস্তিত্ব অনুভৱ কৰাটো কল্পনাতীত। বৰলুইত আৰু ইয়াৰ উপনৈ বুঢ়ীদিহিং, দিখৌ, সোৱণশিৰী আৰু লোহিত-খেৰকটীয়া সুতিৰ প্ৰকৃতিগত পৰিৱৰ্তনৰ ফলতে উৎপত্তি হৈছিল। এইটো স্বীকাৰ্য যে মাজুলীৰ উৎপত্তি সাধাৰণ চৰ-চাপৰিৰ দৰে নৈৰ পলস পৰি সৃষ্টি হোৱা নহয়। ইয়াৰ ভূ-ভাগ বিশাল ব্ৰহ্মপুত্ৰ উপত্যকা বা অসম উপত্যকাৰ দক্ষিণপাৰৰ অবিভক্ত পুৰণি শিৱসাগৰ জিলাৰ সম্পূৰ্ণ একাংশ হৈ লগ লাগি আছিল। মাজুলী একালৰ শিৱসাগৰ, বৰ্তমানৰ যোৰহাট মহকুমাৰ বিস্তীৰ্ণ সমতল ভূমিৰ পৰা প্ৰাকৃতিক কাৰণবশতঃ বিচ্ছিন্ন হৈ নদী-দ্বীপ হোৱা পৰিঘটনাটো প্ৰায় ৩০০ বছৰ পুৰণি। ব্ৰহ্মপুত্ৰ ২৮৮০ কিল'মিটাৰ দৈৰ্ঘৰে এখন চেলা-জৰী গাঁথা বা জটলা নদী (Braided River) আৰু সকলো অঞ্চলতে ইয়াৰ প্ৰস্থ আৰু গভীৰতাও সমান নহয়। নদৰাজ ব্ৰহ্মপুত্ৰৰ গতিপথ পূৰ্বতে এতিয়াৰ দৰে নাছিল আৰু অধিক গুম্ফিত ৰূপ ধাৰণ কৰি প্ৰবাহিত হৈছিল। এনে অৱস্থাত ব্ৰহ্মপুত্ৰই ন-শদিয়া অতিক্ৰম কৰাৰ পিছত ইয়াৰ নিম্নাংশত নৈসৰ্গিক কাৰণত হঠাৎ গতিপথ পুনৰ সলনি কৰে আৰু ইয়াৰ লগে লগে খনন, পৰিবহন আৰু অৱক্ষেপণৰ কাৰ্যও সলনি হৈ পৰে। ইয়াৰ ফলত নৈখনে ইতিমধ্যে কঢ়িয়াই থকা অসংখ্য গেদ, পলস, বোকা, বালি আদিৰে ইয়াৰ গতিপথত সৰু-ডাঙৰ অস্থায়ী, অৰ্ধস্থায়ী, স্থায়ী অনেক চৰ-চাপৰি আৰু দ্বীপৰ সৃষ্টি কৰিবলৈ লয়। এই চৰ-চাপৰি আৰু দ্বীপসমূহৰ ভালেসংখ্যক নৈৰ জল-প্ৰক্ৰিয়াৰ ফলত নাইকিয়া হৈ পুনৰ গঠিত হয়। উল্লেখযোগ্য যে চৰ-চাপৰিবোৰ সাধাৰণতে নদীৰ সোঁতৰ দিশৰ সমান্তৰালকৈ দীঘলীয়া আকাৰৰ হয় আৰু এনে কাৰ্য বৰ্তমানেও অব্যাহত। আনকি সেই সময়ছোৱাত ব্ৰহ্মপুত্ৰৰ গতিপথৰ বিভিন্ন অঞ্চলত অনেক সৰু-বৰ আকৃতিৰ সুঁতিৰো সৃষ্টি হৈ বেছ কিছুদূৰলৈ প্ৰসাৰিত হৈ পুনৰ নৈতে লগ লাগিছিল। ইয়াৰে খেৰকটীয়া এনেঁবিধৰ এটি সুঁতি; যিটো বুঢ়ীদিহিং উপনৈৰ মুখৰ বিপৰীতে দেখিবলৈ পোৱা যায়। এই খেৰকটীয়া সুঁতিৰ সৈতে আকৌ ব্ৰহ্মপুত্ৰৰ সৰ্ববৃহৎ উপনৈ সোৱণশিৰী পূবলৈ ঘূৰি ডফলাকটা বিলক স্পৰ্শ কৰি দক্ষিণ-পশ্চিমফালে গতি সলাই পুনৰ খাৱলি নাম লয়। সোৱণশিৰী-খেৰকটীয়া সুঁতিৰ পশ্চিম অংশক লোহিত নামে জনা যায়, যিটো আজিও প্ৰৱাহিত হৈ আছে। এই লোহিত সুঁতিটো পুনৰ ধনশিৰি মুখত ব্ৰহ্মপুত্ৰৰ লগ লাগিছে। এই খেৰকটীয়া আৰু লোহিত উত্তৰৰ জলবাহু আৰু ব্ৰহ্মপুত্ৰ দক্ষিণৰ জলবাহু। লৌহিত্যৰ এই দুই জলবাহুৰ মাজত ভৌগোলিকভাৱে অৱস্থান কৰা উৰ্বৰ ভূমিৰ অঞ্চলটোকে 'মাজালি' বা মাজৰ ঠাই বুলিও কোৱা হৈছিল। এই 'মাজালি' শব্দৰ পৰাই বৰ্তমানৰ 'মাজুলী'। এইদৰে ব্ৰহ্মপুত্ৰৰ অৱবাহতন্ত্ৰৰ গতিমান প্ৰক্ৰিয়াৰ ফলতে প্ৰায় এটি শিলিখাৰ আকৃতিৰে (Myrobalan-Shaped) মাজুলীৰ স্থলাকৃতি গঠিত হৈছিল। ইয়াৰ উপৰিও মাজুলী অঞ্চলৰ উৎপত্তি আৰু অৱস্থানৰ সম্পৰ্কত প্ৰাকৃতিকভাৱে হোৱা আমূল পৰিৱৰ্তনবোৰো যথেষ্ট সহায়ক হৈছিল। মহাবাহু ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰৰ উপনৈ, যেনে— সোৱণশিৰী, ৰঙানদী, ডিক্ৰং, ঘাগৰ, ডুবিয়া, বুৰৈ, চিচি আৰু টাউনী আদিয়ে বছৰি কঢ়িয়াই অনা বোকা, বালি, শিলগুটি, পলস আদি নানা ধৰণৰ অৱক্ষেপবোৰ যুগ যুগ ধৰি জমা কৰিছিল আৰু এতিয়া এই অঞ্চলটোত জমা কৰিয়ে আছে।

ঘাইকৈ সোৱণশিৰী নৈখন মাজুলীৰ উত্তৰত ঠিক সোঁমাজতে প্ৰত্যক্ষভাৱে লগ লাগিছে আৰু ইয়াৰ ফলত পলস জমা হোৱাৰ পৰিমাণো অত্যধিক হৈছে। অৰ্থাৎ মূল উপনৈ সোৱণশিৰীয়ে সমুদায় কঢ়িয়াই অনা অপৰ্যাপ্ত অৱক্ষেপবোৰ এই অঞ্চলৰ অন্তৰ্গত ব্ৰহ্মপুত্ৰৰ উত্তৰকাষৰ নদীৰ তলিত সঞ্চয় কৰিবলৈ লোৱাৰ ফলত ইয়াৰ বিপৰীতে দক্ষিণকাষত ক্ৰমান্বয়ে পাৰ্শ্ব খননকাৰ্য অধিকতৰ হয়। শদিয়াৰ পৰা ধুবুৰীলৈ ব্ৰহ্মপুত্ৰ সম্পূৰ্ণকৈ মধ্যগতিত থকা এখন আন্তৰ্জাতিক পুৰণি নদী। এই গতিপথত ব্ৰহ্মপুত্ৰই ইয়াৰ তিনিও প্ৰকাৰ কাৰ্যৰে কিছু পৰিমাণে অসমাঞ্জস্য অৱস্থা আঁতৰাই এটি ভাৰসাম্য ঢালৰ সৃষ্টি কৰি বৈ আহিছে। প্ৰধানতঃ এইটো কাৰণতেই পুৰণি কালৰ পৰা ব্ৰহ্মপুত্ৰই উত্তৰকাষৰ পৰা দক্ষিণকাষলৈ বিস্থাপন প্ৰক্ৰিয়া অবিৰামভাৱে কৰি আহিছে। ঠিক একে সময়তে অসম উপত্যকাৰ উত্তৰপাৰৰ অবিভক্ত

লখিমপুৰ জিলাৰ ধেমাজীৰ ওচৰৰ চিচি বিলৰ (কাপোৰধোৱা নৈ) পৰা আৰম্ভ কৰি পশ্চিমে ধুবুৰী জিলাৰ সৰেশ্বৰ বিললৈকে এলানি বিল আছিল। এই প্ৰায় একে লেঠাৰিয়ে থকা বিলবোৰৰ মাজেৰে ব্ৰহ্মপুত্ৰ নদী প্ৰৱাহিত হৈছিল। অৱশ্যে উত্তৰপাৰৰ বিশ্বনাথ চাৰিআলি, তেজপুৰ আৰু গুৱাহাটী আদি অঞ্চলত ব্ৰহ্মপুত্ৰই নিজৰ গতিপথ সলনি কৰা নাছিল। ইয়াৰ কাৰণ হ'ল অসম উপত্যকাৰ এই অঞ্চলটো পুৰণি পলসুৱা মাটি আৰু কঠিন আগ্নেয়শিলাৰে প্ৰায় ২৫ নিযুত বছৰ আগতে গঠিত হৈছিল। এনে জল-প্ৰক্ৰিয়া চলি থকা সময়তে দক্ষিণপাৰৰ উপনৈ বুঢ়ীদিহিঙে দিচাং, দিখৌ, নামদাং, কাকডোঙা, ধলি, জাঞ্জী, টীয়ক, কাকজান, মেলেং, ককিলা, ভোগদৈ (দিচৈ), গেলাবিল আৰু ধনশিৰি আদিৰ সৈতে এক জটিল নদী-শৃংখল গঠন কৰি ব্ৰহ্মপুত্ৰৰ সমান্তৰালভাৱে বৈ আহি কাজিৰঙাৰ ওচৰত পুনৰ ব্ৰহ্মপুত্ৰৰ লগত মিলিছিল। এনেধৰণৰ ভৌগোলিক অৱস্থা অঞ্চলটোত ১৩শ শতিকাৰ সময়ছোৱাতে হৈছিল বুলি ইংগিত পোৱা যায়। ইয়াৰ পিছত পুনৰ এই সমগ্ৰ অঞ্চলটোত ভূ-প্ৰাকৃতিক অৱস্থাৰ এক আমূল পৰিৱৰ্তন ঘটিছিল; যাৰ ফলত ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰৰ নদী তলিত অৱক্ষেপণ আৰু দক্ষিণপাৰত পুনৰ খনন কাৰ্যই প্ৰবল ৰূপ ধাৰণ কৰিবলৈ লয়। অৱশ্যে এই ক্ষেত্ৰত প্ৰবল বানপানীৰ কাৰ্যও কিছু সহায়ক হৈছিল। এই ধৰণে ব্ৰহ্মপুত্ৰই দক্ষিণপাৰত অবিৰত খনন কাৰ্যৰ লগতে প্ৰথমতে থকা বুঢ়ীদিহিঙৰ নিম্নভাগৰ মাজেৰে ব'বলৈ সক্ষম হয় আৰু বুঢ়ীদিহিং নদী-শৃংখলটোৰ পূৰ্বৰ স্থিতি সলনি কৰি মাজুলী নদী-দ্বীপলৈ ৰূপান্তৰিত কৰে, যাৰ ফলত উল্লিখিত দিহিঙৰ উপনৈসমূহে নতুন অৱস্থা লাভ কৰিবলৈ সক্ষম হয়। ইয়াৰ পৰা এইটো প্ৰমাণিত হয় যে মাজুলী অঞ্চল সম্পূৰ্ণ দক্ষিণপাৰৰ; কাৰণ ব্ৰহ্মপুত্ৰ নদীৰ গৰাখহনীয়া এতিয়াও দক্ষিণপাৰত চলি আছে বাবে মাজুলীতো এনে কাৰ্য অবিৰত গতিত অব্যাহত আছে।

বৰ্তমান মাজুলী সমতল ভূমিৰ নৈয়ে গৰকা বিশেষ বৈশিষ্ট্যৰে উত্তৰ-পূবৰ পৰা দক্ষিণ-পশ্চিমলৈ ঢালযুক্ত এটা বিস্তীৰ্ণ অঞ্চল। এই অঞ্চলটো সমুদ্ৰ পৃষ্ঠৰ পৰা প্ৰায় ৮৪.৬ মিটাৰ গড় উচ্চতাত অৱস্থিত। ১২৫৬ বৰ্গ কিল'মিটাৰ আয়তনেৰে ২৬°৪৫ উত্তৰ অক্ষাংশৰ পৰা ২৭°১২ উত্তৰ অক্ষাংশ আৰু ৯৩°৩৯ পূব দ্ৰাঘিমাংশৰ পৰা ৯৪°৩৫ পূব দ্ৰাঘিমাংশলৈ ই বিস্তৃত হৈ আছে। ২০০১ চনৰ লোক গণনা অনুসৰি মাজুলীৰ মুঠ জনসংখ্যা হ'ল ১,৫৩,৩৬৪ জন (সাময়িক)। ইয়াৰে ৭৯,৪৯৪ জন পুৰুষ আৰু ৭৩,৮৭০ গৰাকী মহিলা। ইয়াৰ জনবসতিৰ ঘনত্ব হ'ল প্ৰতি বৰ্গ কিল'মিটাৰত ১২২.১০ জন। শালমৰা, কমলাবাৰী আৰু আঁহতগুৰি; এই তিনিটা মৌজা, ২০খন গাঁও পঞ্চায়ত আৰু প্ৰায় ২৪৩ খন কেডেষ্ট্ৰেল গাঁৱত নিবল, বৈখিক আৰু কেন্দ্ৰীভূত বসতিৰে প্ৰাধান্য বেছি। ইয়াৰ উপৰি ইয়াৰ ডাঙৰ-সৰু সত্ৰবোৰেও গ্ৰাম্য বসতিৰ বিশেষ প্ৰতিৰূপ দাঙি ধৰি কৃষি অৰ্থনীতিৰ এক সুন্দৰ নিদৰ্শন দেখুৱাবলৈ সমৰ্থ হৈছে।

মাজুলীৰ উপৰিভাগৰ অৱস্থা সম্পূৰ্ণ বিস্তীৰ্ণ সমতল ভূমি আৰু এই ভূমিভাগত বিশেষভাৱে স্থান দখল কৰিছে ইয়াৰ অৱবাহতন্ত্ৰ (River System)আৰু আৰ্দ্ৰভূমিয়ে (Wetlands); যাক একেলগে জলনিৰ্গম প্ৰণালী (Drainage System) বুলি কোৱা হয়। অৱবাহতন্ত্ৰৰ ভূমিকা মাজুলীৰ ক্ষেত্ৰত অদ্বিতীয়, যিয়ে ইয়াক বিচ্ছিন্ন অৱস্থানত ৰাখিছে আৰু প্ৰায় সকলো দিশতে নিয়ন্ত্ৰকৰ গুৰিব'ঠা ধৰি আছে।

মাজুলীৰ নদ-নদী বুলিলে পোনতে চকুত পৰে চিৰপ্ৰবাহমান মহাবাহু ব্ৰহ্মপুত্ৰলৈ। ব্ৰহ্মপুত্ৰ মাজুলী তথা অসমৰ প্ৰাণ। ইয়াৰ উপৰি অঞ্চলটোৰ উত্তৰে থকা লোহিত-খেৰকটীয়া সুঁতি, সোৱণশিৰী উপনৈ আৰু টুনী নৈ। এই নৈখন মাজুলীৰ উত্তৰ-পূব ভাগৰ পৰা দক্ষিণ-পশ্চিমলৈ ইয়াৰ প্ৰায় সোঁমাজেদি খণ্ড খণ্ড হৈ প্ৰবাহিত হৈছে। এই টুনী নৈৰ উজনি অংশৰ নাম শুকানসুঁতি আৰু উত্তৰ কমলাবাৰী সত্ৰৰ উত্তৰে থকা অংশক মৰিটুনী নামে জনা যায়। ইয়াত ভালেমান জান-জুৰিয়ে নদীখনক প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে সংলগ্ন কৰি ৰাখিছে। ইয়াৰ ভিতৰত পহুমৰা জান, বোকাজান, খাৰজান, দীঘলীজান, অমুলীজান, দাধৰা জান, কানীয়াজান, ঔগুৰি জান বা দৰিয়াবিল জান, ম'হকাটি জান, বালিজান, খৰখৰিজান, সিদ্ধিজান, ঠাকুৰজান, লাহনজান, গেলাইজান ইত্যাদি। মাজুলীৰ জলনিৰ্গম প্ৰণালীৰ আন এটা উল্লেখযোগ্য দিশ হ'ল ইয়াৰ বিলবোৰ; য'ত এক বৃজনসংখ্যক লোকৰ জীৱিকা আৰু সমগ্ৰ অঞ্চলটোৰ অৰ্থনীতিৰ কথাও জড়িত হৈ আছে। এই বিলবোৰ জলজ উদ্ভিদ, মাছ-কাছ আদিৰে ভৰা আৰু স্থানীয় পৰিভ্ৰমী চৰাইৰ মিলনভূমি। এই বিলবোৰ যেন একো একোটা পানীৰ জলাধাৰ— প্ৰাকৃতিক গবেষণাগাৰ। তদুপৰি এই জলাধাৰবোৰ অপৰ্যাপ্ত

সম্পদৰ ভঁৰাল। মাজুলীৰ উল্লেখনীয় বিলৰ ভিতৰত হ'ল— গজ্জোৰা বিল, মিছামৰা বাহিৰ ঘূলি বিল, মিছামৰা চাপৰি বিল, ভোমোৰা বিল, শ্ৰীৰাম চাপৰি বিল, কংকুৰ চাপৰি বিল, বালিদোৱাৰ বিল, জোনাই বিল, গেলাদোৱাৰ বিল, বৰদোৱাৰ বিল, কাঠচাপৰি বিল, বেলগুৰি বিল, ললিতি বালিদোৱাৰ বিল, মৰিখাৰজান বিল, গড়মূৰ ফুটুকী বিল, ২৩ কি: মি: গড়মূৰ যোগীপথাৰ বিল, নাদুৱা বিল, দুবৰিদলনি বিল, বালিচটা, মাগুৰমাৰি, পোৰাম বিল, টেঙাপনীয়া, কাজুলিমাৰী, ১নং বৰগঞা, পিঠাখোৱা বিল, খৰখৰিজান বিল, চৰলা বিল, টটয়া বিল, ডেকাসেনচোৱা, মেখেলীগাঁও বিল, বিদ্ধিয়াবিল, লাহলিয়াল চাকলি বিল, ধুপপাৰা বিল, পোহৰদিয়া গেৰেকী বিল, ভোগপুৰ বিল, পোহৰ দিয়া দীঘলী বিল, মটিয়াবাৰী, দৰিয়া আলিছিগা বিল, কেৰেলা গাঁও আলিছিগা বিল, ভেৰেক বিল, ২নং ম'হখুটি বিল, কেৰেলা গাঁও বিল, পকাজৰা বিল, ৩নং ম'হখুটি বিল, পকাজৰা চোৰলা, ১৬১ নং জোকাইবোৱা, ৩নং ভুৰামৰা, কলিয়া জকাইবোৱা, কাপোৰধোৱা বিল, গা-খুজুৱা বিল, টুনীনৈ বালিবাট, ধোৱাচলা বিল, বাঘেমাৰী বিল, বোকাবিল, মৰাণবিল, গৰৈমাৰী, ঘটাহোলা, দক্ষিণপাট মথাউৰী, খৰ দাবিল, তৰুৱা বিল, মিৰিগাঁও তিনিআলি, মিৰিগাওঁ হালধিবাৰী, চাওৰিকিয়া মথাউৰীছিগা, হালধিবাৰী গড়কাপ্টানী, কাছমাৰী, বগলীপোৱা, বৰপমুৱা আলিছিগা, খুজুৱা, এলেংমাৰী, কটাইনাহৰণী, কঠালখোৱা কঠমীয়া, শালমাৰী, মুদৈবিল, হাতীমূৰীয়া, শ্ৰীৰামদেউৰী, দেউৰীবিল, বৰগুৰি, বাটামাৰী, চন্দামাৰী, ১৮নং শুকানসুঁতি বিল, ১নং ভুকুকবিল, কাকৰিকটা, টুনীবিল, চাউলা গোটং বিল, খেৰকাটি বিল, জোৰবিল, ভূৰামৰাবিল, কাটিমৰা, শ'লমাৰি বিল আদি। এই বিলবোৰ বাৰিষা কালতহে পানীৰে উপচি পৰে; খৰালি বেছিসংখ্যক বিলেই শুকাই যায়। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ সোৱণশিৰী, লোহিত-খেৰকটীয়া সুঁতিৰ লগত সংযোগ স্থাপন হৈ আছে যদিও বৰ্তমান এই বিলবোৰৰ অৱস্থা বৰ দুখলগা আৰু ইয়াৰ সৰহভাগেই মহাপ্ৰস্থানৰ অপেক্ষাত। এই বিলবোৰ নাইকিয়া হ'লে মাজুলীত তথা অসমত গাখীৰ আৰু মাছৰ বাৰুকৈয়ে অভাৱ হ'ব। কাৰণ এই বিল অৱস্থিত অঞ্চলতহে অধিকভাৱে মাছ আৰু গৰু-ম'হৰ খুটি দেখা যায়।

উল্লিখিত বিল বা আৰ্দ্ৰভূমিবোৰৰ উপৰিও মাজুলীত ভালেমান ডোৱা, ডুবি আৰু পুৰণি পুখুৰী আছে, যিবোৰে ইয়াৰ জলনিৰ্গম প্ৰণালীত এক বিশেষ স্থান দখল কৰাৰ লগতে প্ৰাকৃতিক ভূমিদৃশ্যৰো শোভা বৰ্ধন কৰিছে। মাজুলী ভূ-খণ্ডৰ বিভিন্ন অঞ্চলত থকা ডোবাবোৰ হ'ল— দৰিয়া, মৰিসুঁতি খামখা, মৰিসুঁতি বৰগয়া ডোবা, বৰপমুৱা আলিছিগা, গোটংয়া ফুলমুখ ডোবা আদি। তেনেদৰে ডুবিৰ ভিতৰত জলজলিয়া, টটয়া ঔডুবি, টটয়া খানিডুবি, ৰাৱণাপাৰ ডুবি, বালিডুবি, খুজুৱা ডুবি, কুমাৰবাৰী আলিডুবি, চেৰপাই মাজৰ ডুবি, গটিয়ালা আলিছিগা ডুবি, ফুলনি আলিছিগা ডুবি, ছেংমাৰি ডুবি, বোকাজান ডুবি, হোৱাই ডুবি আদি প্ৰধান। এই ডুবিবোৰ সাধাৰণতে আলিবাটৰ দাঁতিত বানপানীৰ প্ৰবল ক্ৰিয়াৰ ফলত সৃষ্টি হোৱা দেখা যায়। ইয়াতো যথেষ্ট মাছ আছে আৰু ঠাইবিশেষে কাছও থকা দেখা যায়। ইয়াৰ ভিতৰত ৰাৱণাপাৰ ডুবিত এতিয়াও অসংখ্য বিৰল কাছ আছে। মাজুলীত পুৰণিদিনীয়া ভালেসংখ্যক পুখুৰীও আছে, যিবোৰে সমগ্ৰ অঞ্চলটোৰ নদ-নদী, বিল, জলাহ, পিতনি আদিৰ সৈতে জলনিৰ্গম প্ৰণালীত সংযোগ হৈ আছে। তাৰ ভিতৰত ৰাৱণাপুখুৰী, দীঘলীপুখুৰী, গোসাঁইবাৰী, জোৰপুখুৰী আদি উল্লেখনীয়। এই পুখুৰীবোৰ মাজুলী তথা অসমৰ ইতিহাসৰ সাক্ষ্য বহন কৰাৰ লগতে মাছ ব্যৱসায়, উদ্যান কৃষি ব্যৱস্থা, পানী যোগান ব্যৱস্থাতো যথেষ্ট সহায় কৰি আহিছে।

অসম উপত্যকাৰ বৃহৎ ভূ-প্ৰাকৃতিক গোটৰ লগত চিৰদিন সংলগ্ন হৈ থকা এই মাজুলী অঞ্চলটো ব্ৰহ্মপুত্ৰৰ জলৰাশিয়ে সদায় পৰিচালনা কৰি আছে। এই অঞ্চলটো প্ৰকৃততে ভৌগোলিকভাৱে বিচ্ছিন্ন হৈ থকা নাই; কেৱল দেশৰ বিভিন্ন অঞ্চলৰ সৈতে সুচল যোগাযোগৰ অভাৱৰ বাবেহে বহু মানুহৰ মনৰ পৰা ই বিচ্ছিন্ন হৈ আছে।

## মাজুলীৰ নৈ : টুনী নৈ

মাজুলীৰ প্ৰায় সোঁমাজেদি, মাজুলীৰ একমাত্ৰ নৈখন বৈ গৈছে। মাজুলীৰ উত্তৰ-পূব ভাগৰ পৰা দক্ষিণ-পশ্চিমলৈ বৈ যোৱা এই নৈখনৰ নাম টুনী নৈ। টুনীৰ উজনি অংশৰ নাম শুকানসুঁতি।

ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰৰ দিখৌ নৈখন নিজৰ সুঁতিৰে বৈ অহাহেঁতেন মাজুলীৰ যি ঠাইত ওলালহেঁতেন; ঠিক সেই ঠাইতে অৰ্থাৎ দিখৌমুখৰ পৰা ৮ কি: মি: উত্তৰ-পশ্চিমৰ মাজুলীৰ মায়েঙীয়া গাঁৱৰ ওচৰত শুকানসুঁতিৰ মুৰটো দেখা যায়। তাৰ পৰা সুঁতিটো চামৰা বিলৰ

পশ্চিমেদি উত্তৰ-পশ্চিম দিশত ৫ কি: মি: আহি বেবেজিয়া গাঁৱৰ পৰা দক্ষিণ-পশ্চিমমুৱা হৈ অহা এগন জান সোঁপাৰে লৈ নিজেও সেই দিশতে বৰলৈ লয়। সামান্যভাৱে সৰ্পিল পথেৰে আহি বাটত বাঁওপাৰে মৰিসুঁতি জান, ভকত বিল, বোকাজান আৰু বোকাজান বিল আৰু সোঁপাৰে নলনি, আহুক, হাতীমাৰী বিল আদিৰ লগ হয়। ইয়াৰ পাছত শুকানসুঁতিয়ে নিজৰ বাঁওপাৰৰ খোটাই নাহৰণী বিল, শুকানসুঁতি বিল, ধোৱাচলা বিল আদিৰ কাষেদি আৰু ধোৱাচলা মিচিংগাঁৱৰ উত্তৰেদি আহি টুনী নৈ নাম লয় আৰু পটিয়ৰীত দীঘলীজানক বাঁওপাৰে লয়। শুকানসুঁতিৰ উক্ত অংশৰ দৈৰ্ঘ্য ১৮ কি: মি:।

দীঘলীজানখন পূবৰ ৰতনপুৰীয়া আৰু বাহগড় গাঁৱৰ পৰা প্ৰথমে ১০ কি: মি: দক্ষিণ-পশ্চিমলৈ আহি বনগাঁৱত উত্তৰ-পশ্চিমলৈ ঘূৰি বিধাইকটা মিছামৰা, দীঘলী বিলৰ পশ্চিমে আৰু মহাজনডোবাৰ পূবেদি ৫ কি: মি: আহি টুনী নৈত পৰে। টুনী নৈয়ে দীঘলীজানক লোৱাৰ পাছত সামান্য ভটিয়াই পহুমৰা জানক সোঁপাৰে লৈ, সোঁপাৰৰ বাৰনিয়াৰ ডুবি, ভূৰামৰা বিল, টেকেলিয়া বিল, বাটমাৰী বিল আৰু শ'লমাৰী বিলৰ দক্ষিণেদি ৯কি: মি: বাট সৰ্পিল পথেৰে আহি কমলাবাৰী-বনগাঁও পথ পাৰ হয়। তাৰপৰা নৈখন আঢ়ৈ কি: মি: আহি বেঙেনাআটী সত্ৰ আৰু তাৰপৰা ওপৰ-বটীয়ামাৰী হৈ মৰিটুনী বা হাৰজানক সোঁপাৰে লৈ মুঠ ৫ কি: মি: আহি কমলাবাৰী চহৰ পায়। কমলাবাৰীৰ পৰা নৈখন দক্ষিণমুৱা হৈ ৪ কি: মি: বৈ গৈ নতুন কমলাবাৰী সত্ৰৰ কাষ পায়। ইয়াৰ পৰা পশ্চিম দিশত ২ কি: মি: ভটিয়াই বেৰেকি বিলৰ দক্ষিণে টুনী নৈখন ব্ৰহ্মপুত্ৰত পৰিছে।

১৯১৯ খ্ৰী:ৰ তথ্যমতে শুকানসুঁতিৰ পূবৰ জানবোৰ আছিল, পূবৰ পৰা ক্ৰমে— দীলগৰা নৈ, মৰিসুঁতি, খেং নৈ আৰু দাধৰাজান। পহুমৰা জানৰ পশ্চিমে লাহনজান, ঠাকুৰজান, সিদ্ধিজান আদি পশ্চিমলৈ আহি গেলাইজান নামে গড়মূৰ সত্ৰৰ উত্তৰেদি বৈ লোহিত বা সোৱনশিৰি নৈত পৰিছিল। তেতিয়া টুনী নৈৰ পশ্চিমে দৰিয়া বিলজান বা ঔগুৰিজান গৈ চাকলি বিলত পৰিছিল। ইয়াৰ দক্ষিণত আচাৰখনা বা ম'হকটীজান আৰু পশ্চিমলৈ থকা কাকৰিকটা বিলত কুটিমৰা আৰু সুন্দৰজান পৰিছিল। এইগন বিলৰ দক্ষিণত ওলোৱা মূৰভীমৰা নৈ পুৰণা আউনীআটী সত্ৰৰ উত্তৰেদি গৈ গজলাজান নামেৰে পচতীয়া বিলত পৰিছিল। সুন্দৰজানৰ পশ্চিমে মনজান আৰু কাকৰিকটা জান গৈ উক্ত পচতীয়া বিলত পৰিছিল। ইয়াৰ পশ্চিমে সাঁকোপাৰৰ কাষেদি লেতেৰীজান বৈ গৈছিল। উক্ত লেতেৰীজান, চেঙেলীসুঁতি, পহুমৰাজান বা মিৰিসুঁতি আদি কেইখনমান জান তেতিয়া কটকটি নৈ বা মহাইদোৱাৰ নৈ নামৰ ব্ৰহ্মপুত্ৰৰ এটা ডাঙৰ সুঁতিত পৰিছিল।

বৰ্তমান পুৰণা আউনীআটী, সাঁকোপাৰ আদি ঠাইবোৰ ব্ৰহ্মপুত্ৰৰ বুকুত সোমাল। উল্লেখযোগ্য যে দক্ষিণপাৰৰ দিখৌ নৈখনকে মাজুলীৰ টুনী নৈখন বুলি স্থানীয় লোকৰ বিশ্বাস দৃঢ় হৈ আছে। অতীজৰ লুইতখনৰ দিখৌমুখৰ পৰা জাঁজীমুখলৈকে থকা অংশকো শুকানসুঁতি বোলা হৈছিল। ঐতিহাসিক তথ্যমতে এই লুইতৰ শুকানসুঁতিতে মোমাইতামুলী বৰবৰুৱাই প্ৰজা গোট খুৱাই লোকপিয়ল কৰাইছিল। সেয়া আছিল ১৬৫০ খ্ৰী: মানৰ কথা, অৰ্থাৎ ই মাজুলী সৃষ্টি হোৱাৰ আগৰ ঘটনা।

উল্লেখ্য এয়ে যে মাজুলীৰ প্ৰায়বোৰ জান বা সুঁতি অথবা বিলেই বৰ্তমানৰ টুনী নৈৰ দিশত (মাজুলীৰ উত্তৰ-পূব ভাগৰ পৰা দক্ষিণ-পশ্চিমলৈ) অৱস্থান কৰিছে। সি যি নহওক, ১৯১৯ খ্ৰী:ৰ জৰীপ মতে মাজুলীত বিস্তৰ পৰিমাণৰ সৰু-সুৰা জান বা সুঁতি আছিল। অৱশ্যে ১৯৭০ খ্ৰী:ৰ জৰীপৰ তথ্যত উক্ত জান বা সুঁতিবোৰৰ সৰহভাগৰে চিন হেৰাল। এইবোৰ হয় পোত খাই পৰিল, নহয় খেতিৰ পথাৰ হ'ল।

☆ *তথ্য উৎস : ড° যোগেন শৰ্মা, 'অসমৰ নদ-নদী' পৃ: ৩০৮, ৩০৯, ৩১০।*



## মাজুলী : এক ঐতিহাসিক পৰিচয়

মানুহৰ বিশ্বাসমতে লুইত-ব্ৰহ্মপুত্ৰ আৱেষ্টিত মাজুলী পৃথিৱীৰ ভিতৰতে সৰ্ববৃহৎ নদী-দ্বীপ[১(ক)]; কিন্তু এই ধাৰণাৰ সপক্ষে যুক্তি দৰ্শাব পৰাকৈ আজিলৈকে কোনো পৰিসংখ্যাগত বা তুলনামূলক আৰু বিশ্লেষণধৰ্মী অধ্যয়ন হোৱা নাই। পৃথিৱীৰ বৃহৎ বৃহৎ নদীসমূহৰ বুকুত বহুতো সৰু-ডাঙৰ দ্বীপ থকাৰ উল্লেখ পোৱা যায়। মাজুলী আৰু বিশ্বৰ এনে দ্বীপসমূহৰ তুলনামূলক অধ্যয়ন হ'লে কিছু নতুন দিশ উন্মোচন হ'ব পাৰে বুলি আশা কৰিব পাৰি। কিন্তু এই কথা ঠিক যে, বিখ্যাত মাজুলী দ্বীপটোৰ জন্মৰ ইতিহাস সম্পৰ্কে যথেষ্ট তথ্য পোৱা নাযায়।

অষ্টাদশ শতিকাৰ শেষত ড° জন পীটাৰ ৱেডে উলিওৱা হিচাপমতে তেতিয়া মাজুলী দ্বীপৰ সম্ভাব্য দৈৰ্ঘ্য আছিল প্ৰায় ১৬০ মাইল আৰু পথালিয়ে দীৰ্ঘতম ৬০ মাইল।[১(খ)] মাজুলীৰ আয়তনৰ বিষয়ে উলিওৱা হিচাপৰ ভিতৰত এইটোৱেই প্ৰাচীনতম হিচাপ। ইয়াৰ পূৰ্বেও অৱশ্যে মাজুলীৰ আয়তনৰ বিষয়ে দুই-এঠাইত আনুমানিক হিচাপৰ উল্লেখ পোৱা যায়। উদাহৰণ স্বৰূপে, সম্ৰাট ঔৰংজেবৰ জীৱনী-লেখক মহম্মদ কাজিমৰ আনুমানিক হিচাপমতে (কাজিম মাজুলীলৈ অহা নাই!) খ্ৰী: ১৭শ শতিকাৰ মাজভাগত মাজুলীৰ দৈৰ্ঘ্য আছিল ৫০ কোশ বা প্ৰায় ১০০ মাইল।[২] ইয়াৰ প্ৰায় দুশ বছৰৰ পিছত ১৮৫৩ খ্ৰী:ত এ. জে. মফট্ মিল্‌ছে (A. J. Moffat Mills) অসমৰ বিষয়ে লিখি উলিওৱা তেওঁৰ প্ৰতিবেদনত উল্লেখ কৰিছে যে, তেতিয়াৰ মাজুলীৰ আয়তন ২,৮২,১৬৫ একৰ মাটি সামৰি আছিল।[৩] এই শতিকাৰ আৰম্ভণিতে ১৯০১ খ্ৰী:ত লোৱা আন এটা হিচাপ অনুসৰি মাজুলী দ্বীপটো তেতিয়া ১৮৫ বৰ্গমাইল ধৰি বিস্তৃত আছিল আৰু ইয়াৰ জনসংখ্যা আছিল ৩৫,০০০।[৪] তেতিয়া শিৱসাগৰ জিলাৰ অন্তৰ্গত যোৰহাট মহকুমাটোৰ $\frac{২}{৫}$ অংশ এলেকা মাজুলী দ্বীপটোৱে সামৰি লৈছিল।[৫] উল্লেখিত হিচাপবোৰৰ প্ৰায়বোৰেই আনুমানিক; কিন্তু এইবোৰৰ পৰা ধাৰণা কৰি ল'ব পাৰি যে, অতীতত মাজুলী দ্বীপটো সঁচাকৈয়ে এক বৃহৎ ভূখণ্ড আছিল আৰু পূবে দিহিংমুখৰ পৰা (টেকেলিফুটা) পশ্চিমে নগাঁৱৰ কলিয়াবৰৰ কাজলিমুখলৈ বিস্তৃত এই নদীবেষ্টিত দ্বীপটো মানুহৰ ধাৰণাত বিশ্বৰ ভিতৰতে সৰ্ববৃহৎ আছিল (যি বিশ্বাসৰ প্ৰচলন লোক-সমাজত এতিয়াও আছে)।

জন-বিশ্বাস মতে মাজুলী ব্ৰহ্মপুত্ৰই নিজৰ বুকুত বালি, জাঁজৰি আদি সঞ্চয় কৰি সৃষ্টি কৰা এটা দ্বীপ। কিন্তু কিছুমান গুৰুত্বপূৰ্ণ তথ্যৰ ওপৰত ভিত্তি কৰি ক'ব পাৰি যে মাজুলীৰ মূল আৰু প্ৰধান ভূখণ্ড এনেদৰে সৃষ্টি হোৱা নাছিল। পূৰ্বে ই ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰৰ ভূখণ্ডৰ লগত সংলগ্ন দক্ষিণৰ এক বৰ্দ্ধিত স্থলভাগহে আছিল। জনপ্ৰবাহ আৰু ভৌগোলিক পৰিবৰ্তনসমূহৰ থাকি যোৱা অৱশিষ্টসমূহৰ পৰা[৬] মাথোঁ ক'ব পাৰি যে এই বৰ্দ্ধিত ভূখণ্ড আছিল এটা দীঘল জাতিলাউ বা দা এখনৰ দৰে স্থিতি লৈ থকা দিখৌ নদী আৰু ব্ৰহ্মপুত্ৰৰ মাজৰ সুদীৰ্ঘ এক খণ্ড ঠাই; কিন্তু এই বৰ্দ্ধিত ভূখণ্ড দক্ষিণপাৰৰ লগত কেতিয়ালৈকে

১। ক) Dr. J. P. Wade ৰ An Account of Assam (North Lakhimpur, 1927) গ্ৰন্থৰ লগত সংযোজিত A Geographical sketch of Assam, গ্ৰন্থৰ 32 পৃষ্ঠা চাওক। উল্লেখযোগ্য যে উক্ত গ্ৰন্থত ৱেডে মাজুলীক 'Great Island' আৰু Francis Hamilton এ তেওঁৰ An Account of Assam (2nd Edn., Gauhati, 1963) নামৰ গ্ৰন্থত (২৫ পৃষ্ঠা) Very Large Island' বুলি উল্লেখ কৰিছে।

খ) ৱেডৰ হিচাপ পৰিসংখ্যামূলক অনুমান আছিল। তেওঁ ধৰি লৈছিল যে সেই সময়ত সমগ্ৰ ভাৰতৰ ভৌগোলিক পাৰিপাৰ্শ্বিকতাত এজন মানুহে খোজকাঢ়ি এদিনত গড় হিচাপত ২০ মাইল ৰাস্তা অতিক্ৰম কৰিব পাৰে। সেই পৰিসংখ্যা আগত ৰাখি এই হিচাপ দাখিল কৰা বাবে ৱেডৰ হিচাপৰো সীমাবদ্ধতা আছে। (ৱেডৰ পূৰ্বোক্ত গ্ৰন্থৰ 32 পৃষ্ঠা চাওক)।

২) মহম্মদ কাজিমৰ Alamgirnama গ্ৰন্থৰ Henry Varsittart যে কৰা অনুবাদ (Asiatic Researches, II, 2nd edn., New Delhi, 1979) গ্ৰন্থৰ 131 পৃষ্ঠা।

৩) A. J. Moffat Mills ৰ Report on the Province of Assam (2nd edn., Gauhati, 1984) ৰ 504 পৃষ্ঠা।

৪। B. C. Allen e.t. al. ৰ Gazetteer of Bengal and North-East India (পূৰ্বে Provincial Gazetteer of India . Eastern Bengal and Assam) গ্ৰন্থৰ (Reprint, Delhi, 1979) 159 পৃষ্ঠা।

৫। ওপৰোক্ত গ্ৰন্থৰ 169 পৃষ্ঠা।

৬। ৯ নং পাদটীকাৰ তথ্য দ্ৰষ্টব্য।

সংলগ্ন হৈ আছিল তাক ঠিৰাংকৈ ক'ব পৰা নাযায়। খ্রী: ত্রয়োদশ শতিকাৰ আৰম্ভণিত ব্ৰহ্মপুত্র উপত্যকাত আহোম ৰাজ্যখন স্থাপন হ'বৰ সময়ত প্রতিষ্ঠাপক আহোম স্বৰ্গদেউ চুকাফাৰ ভ্রমণ বৃত্তান্ত থকা বুৰঞ্জীসমূহত বৰ্তমান মাজুলী দ্বীপে আগুৰি থকা ঠাইখিনিত কোনো দ্বীপৰ অৱস্থিতিৰ কথা উল্লেখ পোৱা নাযায়; কিন্তু সেই সময়ছোৱাত মাজুলী ঠাই খণ্ডই বিস্তৃতি লাভ কৰি থকা অঞ্চলটোত কোনো দ্বীপ নাছিল বুলিও বুৰঞ্জীসমূহত স্পষ্টতঃ উল্লেখ নাই। বৰঞ্চ এইটো কথাহে গুৰুত্বপূর্ণ যে বুৰঞ্জীত উল্লেখ থাকিব পৰাকৈ চুকাফাই সিমান দূৰ পশ্চিমলৈ আগবাঢ়ি তাৰ পূৰ্বেই দিহিং আৰু ব্ৰহ্মপুত্ৰ এৰিছিল আৰু দিখৌৰেদি উজাই চৰাইদেউ পাহাৰত ৰাজধানী পাতিছিলগৈ। বুৰঞ্জীত আছে:—

*"পাচে তিপামৰ গাটি (মাটি ?) তল যোৱা দেখি বহিব নোৱাৰি বোলে 'আত থাকিবলৈ ভাল নহয়' এই বুলি ..... ৰজা দিহিঙে ভটিয়াই আহি দিহিং কাষৰত, শলগুৰিত ৰ'লহি। ............ পাঁচ লাকনি তাতে থাকি ....... ৰাজা লুইতে ভটিয়াই হাবুঙত ৰ'লগৈ। ........'পানীত তল যোৱা মাটি, থাকিবলৈ ভাল নহয়' এই বুলি চুকাফা ৰাজা লুইতে ভটিয়াই দিখৌমুখ পালেহি। দিখৌমুখে উজাই আহি দিলিহৰ মুখ পালেহি।"*[৭]

ইত্যাদি এই তথ্যৰ পৰা ইমানকে ক'ব পাৰি যে, সেই সময়ত দিহিং, দিখৌ আৰু ব্ৰহ্মপুত্ৰৰ অৱস্থিতি আজিৰ অৱস্থাতকৈ বৰ বেছি ইফাল-সিফাল হৈ থকা নাছিল; কেৱল (বোধহয়) ব্ৰহ্মপুত্ৰৰহে ভৰা সোঁতটো মাজুলী দ্বীপ বিস্তৃত হৈ থকা অঞ্চলটোৰ উত্তৰেদি গৈছিল।

দিহিং, দিখৌ আৰু ব্ৰহ্মপুত্ৰৰ গতিপথৰ গুৰুত্বপূৰ্ণ পৰিৱৰ্তনৰ ফলতেই মাজুলীৰ সৃষ্টি হয়। জন-বিশ্বাস আছে যে, এসময়ত দিখৌ নদী ব্ৰহ্মপুত্ৰৰ সমান্তৰালভাৱে বৈ গৈ পশ্চিমে নগাঁও কলিয়াবৰৰ কাজলিমুখত মিলিছিলগৈ।[৮] দিখৌ নদীৰ পূৰ্বৰ মৰাসুঁতি মাজুলীৰ ভিতৰভাগত থকা টুনী আৰু নগাঁৱৰ কলং নদীয়ে এসময়ত দিখৌৰ এনে এটা সুদীৰ্ঘ আৰু ব্ৰহ্মপুত্ৰৰ সমান্তৰালভাৱে থকা গতিধাৰা এটাৰ প্ৰমাণ বহন কৰে।[৯] তেতিয়া জাঁজী, ভোগদৈ (দিচৈ) আৰু ধনশ্ৰী দিখৌৰ উপনদী আছিল। সমসাময়িকভাৱে দিহিং নদীয়ে দিচাঙক নিজৰ উপনদী হিচাপে লৈ বৰ্তমানৰ দিহিংমুখৰ পৰা কিছু ওচৰে-পাজৰে ব্ৰহ্মপুত্ৰত মিলিছিলগৈ;[১০] কিন্তু দিখৌ আৰু দিহিঙৰ তেনে গতিধাৰালৈ খ্রী: ত্রয়োদশ শতিকাৰ পূৰ্বেই যে এক ঐতিহাসিক পৰিৱৰ্তন আহিছিল, তাক ওপৰত উল্লেখ কৰা চুকাফাৰ ভ্ৰমণসূচীৰ পৰাই জানিব পাৰি।☆

অৱশ্যে আহোম ৰাজ্যখন প্ৰতিষ্ঠা হোৱাৰ পূৰ্বেই মাজুলীৰ সৃষ্টি হৈছিল যদিও প্ৰায় সপ্তদশ শতিকাৰ শেষভাগ পৰ্যন্ত দিহিঙে পুৰণি বা মৰা মুখেদি পূৰ্ণগতি লোৱা নাছিল। অৰ্থাৎ তেতিয়ালৈকে মাজুলীৰ পূবৰ সীমাটো ব্ৰহ্মপুত্ৰৰ গভীৰ জলৰাশিৰ প্ৰৱাহিত ধাৰাই স্পষ্ট কৰি দিয়া নাছিল। ইয়াৰ অৰ্থ এই যে, দ্বিতীয় এক বিৰাট ভৌগোলিক পৰিৱৰ্তন হৈ বিশাল ব্ৰহ্মপুত্ৰৰ মূল জলধাৰা দিহিং-দিখৌৰ সংযুক্ত বাহিনীত মিলিত নোহোৱালৈকে মাজুলীৰ পূব-দক্ষিণ দিশ কিছু উন্মুক্ত আছিল। এনে ভৌগোলিক অৱস্থানৰ বাবেই বোধহয় এই ঠাইখণ্ডক কোনো কোনো সময়ত 'মাজালি' অৰ্থাৎ মাজৰ ঠাই বুলিও উল্লেখ পোৱা যায়।[১১] তথাপি 'মাজালি' শব্দই বৰ্তমান 'মাজুলী' নামে জনাজাত অঞ্চলটোক নিৰ্দিষ্টকৈ বুজাইছিল; কিন্তু 'মাজুলী' (মাজুলি) শব্দই ব্ৰহ্মপুত্ৰৰ বুকুৰ যিকোনো চাপৰিকে বুজাইছিল যদিও এই শব্দই মাজুলীকো সামৰি লৈছিল। উল্লেখনীয় যে মাজুলীক নিৰ্দিষ্টকৈ বুজোৱা শব্দ হিচাপে (সম্ভৱতঃ) 'মাজালি'হে প্ৰথম ব্যৱহাৰ হয়; 'মাজুলী' নহয়।

---

৭। 'দেওধাই অসম বুৰঞ্জী' (২য় সম্পাদন, ১৯৬২)ৰ ৮ পৃষ্ঠাৰ পৰা উদ্ধৃত।

৮। E. A. Gaitৰ A History of Assam (2nd Edn. Reprint, Gauhati, 1981) গ্ৰন্থৰ 133 পৃষ্ঠা।

৯। ঐ

১০। E. A. Gaitৰ A History of Assam (2nd Edn. Reprint, Gauhati, 1981) গ্ৰন্থৰ 133 পৃষ্ঠা।

১১। উদাহৰণ স্বৰূপে, 'অসম বুৰঞ্জী সাৰ', ২য় প্ৰকাশ, গুৱাহাটী, ১৯৬৪, ২৭ পৃষ্ঠা; 'অসম বুৰঞ্জী', (সুকুমাৰ মহন্তৰ ঘৰত পোৱা) ৩য় প্ৰকাশ, গুৱাহাটী, ১৯৮৮, ৫৮ পৃষ্ঠা; 'প্ৰাচ্য শাসনাৱলী', সম্পা. মহেশ্বৰ নেওগ, গুৱাহাটী, ১৯৭৪), ৮২ নং কলি, ৬৭ পৃষ্ঠা; হিতেশ্বৰ বৰবৰুৱা, 'আহোমৰ দিন', গুৱাহাটী, ১৯৮১, ১২৮, ১৪২, ২৪৩ পৃষ্ঠা চাওক।

☆ এই মতামত গ্ৰহণ কৰি বৰ্তমান লেখকে তেওঁৰ প্ৰবন্ধ 'লুইতৰ মাজুলী— মাজুলী দ্বীপ আৰু ইয়াৰ ঐতিহাসিক অৱস্থান' শীৰ্ষক প্ৰবন্ধত (Souvenir, North-East India History Association, XIV Annual Conference, November, Jorhat, 1993, 81-88 পৃষ্ঠা) প্ৰতিপন্ন কৰা নিজৰ মতামত সংশোধন কৰিছে।

ত্রয়োদশ শতিকাতে মাজুলীয়ে দ্বীপৰ চৰিত্ৰ পৰিগ্ৰহ কৰিলেও দ্বিতীয় এক বৃহৎ ভৌগোলিক পৰিৱৰ্তনৰ ফলতহে লুইত বা ব্ৰহ্মপুত্ৰই মাজুলীৰ উত্তৰ পাৰে থকা ইয়াৰ মূল সুঁতি এৰি পূৰ্বৰ দিহিঙৰ মৰা মুখ ভাঙি দিহিঙত পৰে আৰু তাৰ ফলত মাজুলীৰ নদীবেষ্টিত দ্বীপ আকৃতিয়ে পৰিপূৰ্ণতা লাভ কৰে। খ্ৰীষ্টীয় সপ্তদশ শতিকাৰ ৫০ আৰু ৬০ দশকত ক্ৰমে আহোম স্বৰ্গদেউ নৰীয়া ৰজা (১৬৪৪-১৬৪৮) আৰু জয়ধ্বজ সিংহৰ সময়ত (১৬৪৮-১৬৬৩) মাজুলীত আউনীআটী, দক্ষিণপাট আৰু গড়মূৰ— তিনিখন সত্ৰ প্ৰতিষ্ঠা হয়। সত্ৰকেইখন প্ৰতিষ্ঠা হোৱাৰ সময়ত ব্ৰহ্মপুত্ৰই আজিৰ দৰে মাজুলীৰ দক্ষিণে বৈ নগৈ ইয়াৰ উত্তৰ ফালেহে বৈ গৈছিল, য'ত আজিকালি লুইত (অৰ্থাৎ পুৰণি ব্ৰহ্মপুত্ৰ) আছে। উল্লেখ আছে যে দক্ষিণপাট (সত্ৰৰ) নামটো লুইত বা ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰৰ ঠাই হিচাপেহে দিয়া হৈছিল।[১২] স্বাভাৱিকতে ই সত্ৰখনৰ ভৌগোলিক স্থানগত অৱস্থিতিৰে ইংগিত দিয়ে। আউনীআটী সত্ৰখনৰ বিষয়েও একে ইংগিতৰে উল্লেখ পোৱা যায়। 'কেশৱদেৱ চৰিত'ত আছে যে, পূৰ্বতে যি ঠাইত সত্ৰখন স্থাপন কৰা হৈছিল, সেই ঠাই আছিল দিহিঙৰ উত্তৰে আৰু সত্ৰখনৰ ঠিক পোনে পোনেই দিহিঙৰ দক্ষিণপাৰত আছিল দেৰগাঁৱৰ শিৱদ'ল।[১৩] সম্ৰাট ঔৰংজেৱৰ (১৬৫৮-১৭০৭) জীৱনী গ্ৰন্থ 'আলমগীৰ নামা'তো ব্ৰহ্মপুত্ৰৰ দক্ষিণে মাজুলী বুলি উল্লেখ আছে।[১৪]

উল্লেখিত তথ্যসমূহৰ পৰা দেখা যায় যে, অন্ততঃ সপ্তদশ শতিকাৰ ষষ্ঠ দশক পৰ্যন্ত দিহিং আৰু ব্ৰহ্মপুত্ৰ কাজলিমুখ (লখৌ) পৰ্যন্ত সমান্তৰালভাৱে বৈ গৈছিল; দিহিং আৰু ব্ৰহ্মপুত্ৰৰ পুৰণি মিলনক্ষেত্ৰ হৈ পৰিছিল শুকান আৰু শীৰ্ণকায়। সেয়েহে দিহিং-দিখৌৰ জলধাৰাৰে ব্ৰহ্মপুত্ৰৰ শীৰ্ণ এক জলধাৰা প্ৰৱাহিত হ'লেও ঘাই ব্ৰহ্মপুত্ৰ বা মূল লুইতখন বৈ গৈছিল মাজুলীৰ উত্তৰে নিজৰ পুৰণি গতিপথেদি; কিন্তু তাৰ পৰৱৰ্তী কালত কোনো প্ৰাকৃতিক কাৰণতে ভৌগোলিক অৱস্থানসমূহৰ পৰিৱৰ্তন হৈছিল আৰু মাজৰ ঠাই মাজুলী বা মাজালিৰো দক্ষিণৰ লগত থকা জীৰ্ণ-শীৰ্ণ সংযোগ চিৰদিনৰ কাৰণে বিচ্ছিন্ন কৰি ব্ৰহ্মপুত্ৰ আৰু দিহিঙে মিলি মাজুলীক এটা সম্পূৰ্ণ নদীবেষ্টিত দ্বীপ আকাৰত পৰিপূৰ্ণ কৰি তুলিছিল।

উল্লেখযোগ্য এই যে, যিখিনি অঞ্চলক সাধাৰণতে মাজুলী বুলি জনা গৈছিল, সেইখিনি পূৰ্বৰে পৰা এটা মাথোঁ নিৰ্দিষ্ট দ্বীপ নাছিল। দিহিং আৰু ব্ৰহ্মপুত্ৰই নিজৰ প্ৰাচীন গতিপথ পৰিৱৰ্তন কৰিবলগা অৱস্থা এটাৰ অন্তৰালত দুই নদীৰ বুকুত ইতিমধ্যেই বহুতো সৰু-বৰ দ্বীপৰ সৃষ্টি হৈছিল বুলি অনুমান কৰিব পাৰি। তদুপৰি ব্ৰহ্মপুত্ৰৰ বিভিন্ন সুঁতিবোৰে বহুতো ঠাইত মূল দ্বীপটোক ছিন্ন-বিচ্ছিন্ন কৰাত অসংখ্য সৰু-বৰ স্থায়ী-অস্থায়ী দ্বীপৰ জন্ম হৈছিল। ফলত আৰম্ভণিৰে পৰাই মাজুলী কিছুমান দ্বীপৰ সমষ্টিহে আছিল।[১৫] ড° জন পীটাৰ ৱেডে তেওঁৰ মাজুলীৰ ভৌগোলিক বৰ্ণনাত এনে প্ৰায়বোৰ সৰু-ডাঙৰ দ্বীপ বা চাপৰি বা পৃথক পৃথক কৰি দেখুৱাব পৰা অঞ্চলসমূহক প্ৰত্যেককে একোটা District অৰ্থাৎ বৃহৎ অঞ্চল বুলি উল্লেখ কৰিছে।[১৬] সি যি কি নহওক, ইয়াৰ গঠন প্ৰক্ৰিয়াৰ পৰা এটা কথা পৰিষ্কাৰভাৱে জানিব পাৰি যে নৈৰ বালি আৰু সাকৰা পলসৰ উপৰি মাজুলীৰ ভূখণ্ডত দক্ষিণ পাৰৰ স্থলভাগৰ লগত সাদৃশ্য থকা কঠিন আলতীয়া মাটিও পোৱা যায়।

দক্ষিণপাৰৰ লগত সংলগ্ন এখন ঠাই হিচাপে মাজুলীত প্ৰাচীন কালৰে পৰাই জনবসতি আছিল। কিংবদন্তি অনুসৰি প্ৰাচীন কামৰূপ ৰাজ্যৰ অৱস্থিতিৰ সময়তে ৰামচন্দ্ৰ নামৰ এজন ৰজাৰ ৰাজধানী আছিল মাজুলীৰ পূব প্ৰান্তত থকা ৰতনপুৰ (ৰত্নপুৰ) নামৰ ঠাইখনত।[১৭] ঐতিহাসিক তথ্যৰে প্ৰমাণিত নহ'লেও কোনো কোনোৱে এই ঠাইত

১২। বনমালীদেৱ চৰিতত এইদৰে আছে :
নামত দক্ষিণপাট বুলি সবে কহে।
উত্তৰত মহানদী ব্ৰহ্মপুত্ৰ বহে॥
বেণুধৰ শৰ্মাৰ 'দক্ষিণপাট সত্ৰ' গ্ৰন্থৰ (গুৱাহাটী, ১৯৭৭) ৫-৬ পৃষ্ঠা চাওক।

১৩। কেশৱদেৱ চৰিতত আছে :
দক্ষিণে দিহিং নদী বহে মহাবেগে।
মহাদেৱ দৌল নদী সিকূলে আছয়।
শিৱৰূপ শিৱক পূজা নৰ চয়॥; তীৰ্থনাথ শৰ্মাৰ 'আউনীআটী সত্ৰৰ বুৰঞ্জী' (আউনীআটী, ১৯৭৫) গ্ৰন্থৰ ১২৩ পৃষ্ঠাৰ পাদটীকা দ্ৰষ্টব্য।

১৪। Asiatic researches' II, ৰ 132 পৃষ্ঠা।

১৫। Wade এ ইয়াক 'a cluster of islands' বুলি উল্লেখ কৰিছে। Wade ৰ পূৰ্বোক্ত গ্ৰন্থৰ 32 পৃষ্ঠা দ্ৰষ্টব্য।

১৬। ঐ, 32-33 পৃষ্ঠা।

১৭। Gait ৰ History, 17 পৃষ্ঠা।

চুতীয়া ৰজা ৰত্নধ্বজ পালৰ (ত্ৰয়োদশ শতিকাৰ মাজভাগ) ৰাজধানীও আছিল বুলি বিশ্বাস কৰে।[১৮] এই বিশ্বাস বা ধাৰণাবোৰৰ কোনো ঐতিহাসিক ভিত্তি নাই; তথাপি এইটো বিশ্বাস কৰিব পাৰি যে প্ৰাচীন কালৰে পৰাই মাজুলী ঠাইখণ্ডৰ বিষয়ে মানুহে জানিছিল আৰু ই এখন জনবসতিৰ ঠাই আছিল। ইয়াৰ উপৰি মধ্যযুগত মাজুলীৰ জনবসতিৰ বিষয়ে সমসাময়িক কিছুমান তথ্যৰ পৰাও অনুমান কৰিব পাৰি। উদাহৰণ স্বৰূপে 'আলমগীৰ নামা' গ্ৰন্থত মহম্মদ কাজিমে মাজুলী এখন জনবসতিপূৰ্ণ ঠাই বুলি উল্লেখ কৰিছে।[১৯] মহাপুৰুষ শংকৰদেৱে মাজুলীৰ বেলগুৰিত কেন্দ্ৰ (থান) পাতি ধৰ্মপ্ৰচাৰ কৰা আৰু পৰৱৰ্তী কালত মাজুলীত ঠন ধৰি উঠা বিভিন্ন সত্ৰই সেই সময়ত ই যে এখন জনবসতিপূৰ্ণ ঠাই আছিল তাৰ ইংগিত দিয়ে। ইয়াৰ উপৰি শংকৰদেৱ আৰু মাধৱদেৱৰ মিলনৰ ঠাই হিচাপে জনাজাত[২০] মাজুলীত শংকৰোত্তৰ যুগত কালসংহতিৰ অন্তৰ্গত মায়ামৰা সত্ৰৰ আদি পৰ্যায়টো সৃষ্টি হৈছিল। উল্লেখনীয় যে, মায়ামৰা সত্ৰৰ প্ৰতিষ্ঠাপক ধৰ্মগুৰু অনিৰুদ্ধদেৱ কিছুকাল মাজুলীত আছিল।[২১] তেওঁৰ পৰৱৰ্তী ধৰ্মগুৰু জগতানন্দৰ ধৰ্ম প্ৰচাৰৰ কেন্দ্ৰ অন্য এক ঠাই— সাৰজান[২২] এতিয়াও গড়মূৰ সত্ৰৰ পৰা কিছু পূবলৈ পূৰণিবাৰী গাঁও আৰু ফুটুকী চাপৰি মিৰি (মিচিং) গাঁৱৰ মাজত আছে। শংকৰোত্তৰ কালত আউনীআটি, দক্ষিণপাট আৰু গড়মূৰ সত্ৰ প্ৰতিষ্ঠা হোৱাৰ পিছত মাজুলী ব্ৰাহ্মণ্য বৈষ্ণৱ ধৰ্মৰ প্ৰধান কেন্দ্ৰস্থল হৈ পৰে। ইয়াৰ লগে লগে অসমৰ সাংস্কৃতিক আৰু ৰাজনৈতিক জীৱনত মাজুলীৰ গুৰুত্বও স্বীকৃত হয়। আহোম ৰাজত্বৰ জয়জয় ময়ময় কালত মাজুলীখন যে এখন জনবসতিৰ স্থান আছিল আৰু তেওঁলোকে যে সত্ৰ অনুষ্ঠানসমূহৰ উপৰি ৰাষ্ট্ৰৰ অৱস্থিতি আৰু উন্নতিত প্ৰভূত বৰঙণি আগবঢ়াইছিল, আহোম স্বৰ্গদেউসকলে ৰাজ্যৰ আন আন ঠাইৰ লগতে নিয়মিত ৰূপত লোৱা মাজুলীৰ লোকপিয়ল-বোৰৰ পৰাই জানিব পাৰি।[২৩] এই লোকপিয়লবোৰৰ জৰিয়তে আহোম প্ৰশাসনে ৰাষ্ট্ৰৰ প্ৰজাবৰ্গৰ একোটা হিচাপ উলিওৱাই নহয়, তেওঁলোকে ইয়াৰ দ্বাৰা প্ৰজাবৰ্গক বিভিন্ন আৰ্থ-সামাজিক শ্ৰেণীত ভাগ কৰি লৈছিল আৰু সেই অনুক্ৰমে তেওঁলোকক দেশৰ কামত নিয়োগ কৰিছিল।[২৪]

পূৰ্বৰে পৰা বিভিন্ন গোষ্ঠীৰ লোকৰ বসবাসৰ ঠাই হ'লেও আহোম স্বৰ্গদেউসকলৰ ৰাজত্বকালত মাজুলী গোড়া হিন্দুসকলৰ বসতিস্থান এখনত পৰিণত হৈছিল আৰু ই উচ্চ হিন্দু হিচাপে গণ্য কৰা, বিশেষকৈ গোসাঁই-ব্ৰাহ্মণসকলৰ বাসস্থান হিচাপে বিখ্যাত হৈছিল। সেই বাবেই ব্ৰিটিছ লেখকসকলে মাজুলীক 'সত্ৰাধিকাৰ'(men thought to be holy) সকলৰ ঠাই বুলি উল্লেখ কৰি গৈছে।[২৫] আহোম স্বৰ্গদেউসকলৰ এনে ধৰ্মীয় নীতিৰ ফলত যিকোনো লোকক বিশেষকৈ, সমাজৰ তথাকথিত নিম্ন বৰ্ণৰ লোকসকল, সেই সময়ত অবাধে মাটি-বাৰী কৰিবলৈ দিয়াটো সীমিত আছিল। সেই দৃষ্টিৰে চালে মাজুলীত বসবাস কৰিবলৈ পোৱাটো বিশেষ শ্ৰেণীৰ লোকৰ মাজতে আবদ্ধ আছিল আৰু স্বাভাৱিকতে মাজুলীত বসবাস কৰিবলৈ পোৱাটো সমাজত সৌভাগ্যৰ কথা হিচাপে বিবেচনা কৰা হৈছিল।[২৬] অৱশ্যে,

১৮। 'দেওধাই অসম বুৰঞ্জী'ত (পৃ: ১৯৪) উল্লেখিত চুতীয়া ৰজা ৰত্নধ্বজপালৰ ৰাজধানী ৰত্নপুৰ মাজুলীৰ ৰতনপুৰ একেখন ঠাই হয়নে নহয় তাক নিশ্চিতভাৱে ক'ব নোৱাৰি। বৰঞ্চ চুতীয়া ৰাজ্যখনৰ অৱস্থিতিলৈ লক্ষ্য কৰি মাজুলীত তেওঁলোকৰ ৰাজধানী থকাটো সম্ভৱ নাছিল যেন হে অনুমান হয়। এই বিষয়ত S. L. Baruahৰ A Comprehensive History of Assam (Delhi, 1985) ৰ গ্ৰন্থৰ 185পৃষ্ঠা আৰু বেণুধৰ শৰ্মাৰ 'দক্ষিণপাট সত্ৰ'ৰ ৫-৬ পৃষ্ঠা দ্ৰষ্টব্য।

১৯। 'Asiatic Researches', II, 131 পৃষ্ঠা।

২০। 'কথা গুৰুচৰিত' (সম্পা. উপেন্দ্ৰ চন্দ্ৰ লেখাৰু, গুৱাহাটী, ১৯৮৭)ৰ ৬৬ পৃষ্ঠা আৰু M. Neogৰ Sankardeva and His Times (Gauhati University, 1965) গ্ৰন্থৰ 110-113 পৃ: দ্ৰষ্টব্য।

২১। শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ চৰিত (চাবুৱা, ১৯৩১)ৰ ১৬৭-৬৮ নং শ্লোক; W. Robinson ৰ 'A Descriptive Account of Assam' (Reprint, Delhi, 1975) গ্ৰন্থৰ 326-327 পৃষ্ঠা দ্ৰষ্টব্য।

২২। শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ চৰিত, ২৬৭-২৬৮ নং শ্লোক।

২৩। 'সাতসৰী অসম বুৰঞ্জী' (২য় সম্পাদন, ১৯৬৪)ৰ ৭৬-৭৭ পৃষ্ঠা;'দেওধাই অসম বুৰঞ্জী', ১৩০ পৃষ্ঠা। 'পুৰণি অসম বুৰঞ্জী'ত (পুনৰ্মুদ্ৰণ, গুৱাহাটী, ১৯৭৭) মাজুলীত লোৱা লোকপিয়লৰ বিষয়ে উল্লেখ আছে। ৬০ পৃষ্ঠা দ্ৰষ্টব্য।

২৪। Jahnabi Gogoi (Nath) ৰ Agarian System of Medieval Assam (Dibrugarh University Ph. D. Thesis, 1993) ৰ Class IV & V দ্ৰষ্টব্য।

২৫। Hamilton ৰ পূৰ্বোক্ত গ্ৰন্থৰ ২৬ পৃষ্ঠা।

ঐতিহাসিক কাৰণতে মাজুলীত তেতিয়াও সকলোবোৰ বৰ্ণৰ লোকে বসবাস কৰিছিল। হাবুং নামে জনাজাত উত্তৰপৰীয়া সাংস্কৃতিক আৰু অৰ্থনৈতিকভাৱে উন্নত ঠাই এখন মাজুলীৰ সংস্পৰ্শত থকাত আৰু পূৰ্বে হিন্দুধৰ্মত দীক্ষিত চুতীয়া ৰজাসকলৰ ৰাজ্যৰ একাংশ হোৱাত, তদুপৰি কোঁচৰজা মল্লদেৱ ওৰফে নৰনাৰায়ণৰ (১৫৪০-১৫৮৭ খ্ৰী:) অস্থায়ী ৰাজনৈতিক কেন্দ্ৰস্থল হিচাপে[২৭] ইয়াত নানান জাতিৰ লোকৰ সংমিশ্ৰণ ঘটিছিল। আনহাতে, আহোম প্ৰশাসনৰ পিছৰফালে ৰজাঘৰীয়া সত্ৰ-কেইখনক দৈনন্দিন আৰু ব্যৱহাৰিক সমল যোগান ধৰিবৰ উদ্দেশ্যে কোনো কোনো বৃত্তিধাৰীলোকক মাজুলীত বসবাস কৰিবলৈ সুবিধা দিয়া হৈছিল। সেইবাবেই উচ্চ হিন্দু অধ্যুষিত ঠাই হোৱা সত্বেও মাজুলীত নানান বৰ্ণ বা জাতৰ লোকে বসবাস কৰিছিল; পাৰ্থক্য কিছু পৰিমাণে হয়তো দেখা যায় তেওঁলোকৰ অৱস্থানসমূহতহে। কিন্তু এই শতিকাৰ অন্ততঃ সত্তৰৰ দশক পৰ্যন্ত মাজুলীত কোনো মুছলমান বা খ্ৰীষ্টানলোকৰ উল্লেখনীয় বসবাস নাছিল।[২৮] স্বাধীনোত্তৰ কালত অসমৰ বিধানসভাৰ প্ৰতিনিধি নিৰ্বাচনৰ বাবে মাজুলীক জনজাতীয় আসনৰ বাবে সংৰক্ষিত কৰা হৈছে যদিও যিটো জনজাতিৰ (অৰ্থাৎ মিচিং) প্ৰতিনিধিয়ে (যোৱা ১৯৯৬ চনৰ নিৰ্বাচনক বাদ দি) এই আসনখন অলংকৃত কৰি আহিছে (সেইফালৰ পৰা চাবলৈ গ'লে মাজুলীৰ জনজাতিসকলৰ ভিতৰত যিটো জনজাতিৰেই সংখ্যা গৰিষ্ঠতা আছে) মধ্যযুগ পৰ্যন্ত তেওঁলোকৰ ইয়াত কোনো ধৰণৰ বসবাস আছিল বুলি উল্লেখ পোৱা নাযায়। বৰঞ্চ ১৬৬২ খ্ৰী:ৰ এটা গুৰুত্বপূৰ্ণ তথ্য অনুসৰি সেই সময়ত মিৰি (মিচিং), মিৰ্চিমি থকা অঞ্চলবোৰ (অৰ্থাৎ পাহাৰবোৰ) অসমৰ উত্তৰ-পূবে গড়গাঁও ৰাজধানীৰ পৰা কমেও ১১ দিনৰ যাত্ৰাৰ অন্ততহে পোৱা গৈছিল, অৰ্থাৎ প্ৰায় ২০০-২২০ মাইল দূৰতহে এই পাহাৰবোৰ আছিল।[২৯] এইদৰে বিভিন্ন জনগোষ্ঠীৰ বাসভূমি মাজুলীৰ সামাজিক পটভূমি আছিল বৈচিত্ৰ্যময় আৰু সংমিশ্ৰিত; তথাপি ইয়াৰ জন-সমাজৰ বিকাশ আৰু চৰিত্ৰ গঠনত ব্ৰাহ্মণ্য-বৈষ্ণৱীয় পৰম্পৰাৰ বিপুল প্ৰভাৱ পৰিলক্ষিত হয়। উল্লেখনীয় যে, মধ্যযুগীয় অসমৰ ৰাজতন্ত্ৰত মাজুলীৰ আউনীআটী, দক্ষিণপাট, গড়মূৰ আদি সত্ৰৰ সত্ৰাধিকাৰসকলৰ বিপুল প্ৰভাৱৰ উপৰি ইয়াৰ ধৰ্মীয় আৰু সমাজ-জীৱনত এই সত্ৰসমূহৰ প্ৰভাৱ আছিল অপৰিসীম।[৩০] সেয়েহে সত্ৰসমূহৰ ছত্ৰ-ছাঁয়াত গঢ় লৈ উঠা মধ্যযুগৰ আৰু পৰৱৰ্তী কালত মাজুলীত গঢ় লৈ উঠা সমাজখনৰ এনে কিছু বৈশিষ্ট্য হৈ গৈছিল যে, এইবোৰে মাজুলীৰ সমাজখনক দেশৰ অন্যান্য ঠাইৰ সমাজৰ পৰা একপ্ৰকাৰ পৃথক অথচ বিশিষ্ট কৰি ৰাখিছিল আৰু ই বহুতো ক্ষেত্ৰত ধৰ্মান্ধ, জাতি-বৰ্ণভিত্তিক আৰু ঠেক মনোবৃত্তিৰ আছিল। সেয়ে ব্ৰিটিছ লেখকসকলৰ কেইবাগৰাকীয়েও মাজুলীক এলান্ধুকলীয়া চিন্তাৰ ঠাই হিচাপে চিহ্নিত কৰি থৈ গৈছে।[৩১]

ওপৰত দাঙি ধৰা তথ্যৰ ভিত্তিত জানিব পাৰি যে, মাজুলীখন কোনো কালেই জনশূন্য ঠাই নাছিল; কিন্তু নদী-বেষ্টনৰ মাজত থকা বাবে ই সেৰেঙা জনবসতিৰ ঠাই আছিল আৰু বিংশ শতিকাৰ প্ৰথমভাগ পৰ্যন্ত হাবি-অৰণ্যৰে ভৰা দুৰ্গম আছিল। যাতায়াতৰ অসুবিধা আৰু অৰণ্যময় হোৱা বাবে মধ্যযুগত যুদ্ধত হাৰি পলাই ফুৰা সৈন্য আৰু ৰাজৰোষত পৰা অপৰাধীয়ে মাজুলীত লুকাই আশ্ৰয় লৈছিল। 'আলমগীৰ নামা' গ্ৰন্থত মহম্মদ কাজিমে উল্লেখ কৰিছে যে মাজুলীত

২৬। লেখকৰ প্ৰবন্ধ 'মাজুলী দ্বীপ আৰু ইয়াৰ সমাজ পৰিৱৰ্তনৰ ধাৰা' (ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ আলোচনী, ১৯৯০)ৰ ৪৬ পৃষ্ঠা।

২৭। 'দেওধাই অসম বুৰঞ্জী' ৪৭ পৃষ্ঠা।

২৮। সাধাৰণতে মাজুলীৰ বাম আৰু চহৰমুখী বা গুৰুত্বপূৰ্ণ ঠাইবোৰত উচ্চহিন্দু বৰ্ণৰ লোকসকলৰ বসতি দেখা যায়। সেইদৰে নৈ, জান-জুৰি বা তুলনামূলকভাৱে কম গুৰুত্বপূৰ্ণ স্থানসমূহত দেখা যায় নিম্নবৰ্গৰ লোকসকলৰ বসবাস। অৱশ্যে এসময়ত কম গুৰুত্বপূৰ্ণ বুলি ভবা আৰু খেতি-বাতিৰ বাবে অনুপযুক্ত ঠাইবোৰো ভূ-প্ৰাকৃতিক পৰিৱৰ্তন আৰু নগৰীকৰণ প্ৰক্ৰিয়াৰ ফলত বৰ্তমান গুৰুত্বপূৰ্ণ আৰু প্ৰথম শ্ৰেণীৰ ঠাইলৈ ৰূপান্তৰিত হোৱা দেখা যায়। এয়া লেখকৰ নিজা অভিজ্ঞতা। '৭০ৰ দশকৰ পৰৱৰ্তী কালছোৱাত মাজুলীৰ জেংৰাইমুখ মিচিং অধ্যুষিত এলেকাত কোনো কোনো লোকে খ্ৰীষ্টানধৰ্ম গ্ৰহণ কৰাও দেখা গৈছে।

২৯। ছিহাবুদ্দিন তালিছৰ 'ফাথিয়া-ই-ইব্ৰীয়া' গ্ৰন্থ; উদ্ধৃতি, Gait ৰ History, 143 পৃষ্ঠা।

৩০। এই বিষয়ে তীৰ্থনাথ শৰ্মাৰ 'আউনীআটী সত্ৰৰ বুৰঞ্জী'; বেণুধৰ শৰ্মাৰ 'দক্ষিণপাট সত্ৰ' আৰু গংগাধৰ হাজৰিকাৰ 'শ্ৰীশ্ৰীমৎ ধৰ্মাচাৰ্য পীতাম্বৰদেৱ' (তিতাবৰ, ১৯৭৩) গ্ৰন্থ দ্ৰষ্টব্য।

৩১। B. C. Allen et. al ৰ Gazetteer ত এইদৰে লিখা আছে : The island has but one road and no town, and an old air pervades the place which savours more of the eighteenth than the twentieth century. (159 পৃষ্ঠাৰ পৰা উদ্ধৃত)।

পথাৰৰ কাষে কাষে অটব্য অৰণ্য আৰু অৰণ্যবোৰ বনৰীয়া হাতীৰে ভৰা আছিল। ৰজাঘৰৰ লোকে এই জংঘলবোৰৰ পৰা বছৰেকত বহুতো হাতী ধৰি নিছিল।[৩২] আনহে নালাগে কোনো কোনো হাতীপ্ৰেমী ৰজাই ইয়াত গড় মাৰিও হাতী ধৰিবলৈ ব্যৱস্থা কৰিছিল।[৩৩] হাবি-জংঘলেৰে ভৰা আৰু নানান জীৱ-জন্তুৰ ৰম্যভূমি হোৱা বাবে মাজুলী এসময়ত আহোম স্বৰ্গদেউসকলৰ মৃগয়াৰ ক্ষেত্ৰত পৰিণত হৈছিল। বুৰঞ্জীত উল্লেখ আছে যে, তেনেকৈ এবাৰ চিকাৰ কৰিবলৈ যাওঁতে স্বৰ্গদেউ গৌৰীনাথ সিংহৰ জেংৰাই চাপৰিৰ ওচৰত লুইতৰ ঢৌত নাও নুডুবাকৈ কথমপিহে প্ৰাণ ৰক্ষা পৰিছিল।[৩৪] মাজুলীৰ অৰণ্যময় অৱস্থাৰ বিষয়ে ব্ৰিটিছ লেখকসকলৰ লেখনিসমূহৰ পৰাও জানিব পাৰি। ড° জন পীটাৰ ৱেডে উল্লেখ কৰিছে যে, তেওঁৰ সময়তো (অষ্টাদশ শতিকাৰ শেষ আৰু ঊনবিংশ শতিকাৰ আৰম্ভণিত) মাজুলীৰ প্ৰায় $\frac{১}{৪}$ অংশ অনাবিষ্কৃত হৈয়ে আছিল।[৩৫] এইবোৰ অঞ্চল বিল, ডুবি, সুঁতি, পিতনি, নলনি আৰু বেতনিৰে ভৰা আছিল।[৩৬] ১৯০১ খ্ৰী:ৰ অসমৰ এটা হিচাপ অনুসৰিও মাজুলী ওখ আৰু ডাঠ হাবি আৰু কেউফালে থকা বেতৰ ওখ ওখ জোপোহাৰে ভৰা আছিল; কিন্তু এইবোৰে বিশেষকৈ, বেতৰ জোপোহাবোৰে ঠাইখনৰ বিপুল সৌন্দৰ্য বৃদ্ধি কৰিছিল।[৩৭] একেদৰেই মিল্‌চ চাহাবেও মাজুলীৰ হাবিময় অৱস্থা আৰু ইয়াৰ পাতল জনবসতিৰ কথা উল্লেখ কৰি গৈছে।[৩৮]

মাজুলীত এনে দুৰ্গম অৱস্থা এটা সৃষ্টি হোৱাৰ মূলতে ইয়াৰ জলবায়ু, পলস পৰা সাৰুৱা মাটি আৰু সেৰেঙা জনবসতিয়েই মূল কাৰণ আছিল। 'ফাথিয়া-ই-ইব্ৰীয়া' গ্ৰন্থৰ লেখক ফাৰ্চী ঐতিহাসিক ছিহাবুদ্দিন তালিছে মন কৰিছিল যে, উজনি অসমত বছৰেকত প্ৰায় ৮ মাহ ধাৰাসাৰে বৰষুণ হয় আৰু শীতকালতো বৰষুণ নোহোৱাকৈ নাথাকে।[৩৯] আনহাতে, ব্ৰহ্মপুত্ৰ আৰু লুইত-সোৱণশিৰীৰ বছৰেকীয়া বানপানীৰ ফলত এহাতে যেনেকৈ ইয়াত (মাজুলীত) সাৰুৱা ভূমি সৃষ্টি হয়, আনহাতে ইয়াৰ ফলত মানুহৰ বাসোপযোগী ঠাইৰো নাটনি হৈ পৰে। বাৰিষা কালত মাজুলীত উপৰ্যুপৰি হোৱা বানপানীৰ কথা বুৰঞ্জীবিলাকত থকাৰ উপৰি ঊনবিংশ শতিকাৰ ব্ৰিটিছ তথ্যবোৰত উল্লেখ আছে। এনেবোৰ অসুবিধাৰ উপৰি অষ্টাদশ শতিকাৰ শেষভাগৰ পৰা ঊনবিংশ শতিকাৰ আগভাগলৈ (১৭৬৯-১৮২৬) অসমত হোৱা মোৱামৰীয়া বিদ্ৰোহৰ গৃহযুদ্ধ আৰু মানৰ আক্ৰমণৰ ফলত ৰাজ্যৰ প্ৰায় অৰ্ধেক লোকৰ প্ৰাণহানী হৈছিল। উল্লেখনীয় যে, মাজুলীত মোৱামৰীয়া বিদ্ৰোহৰ সময়ত বিস্তৰ অশান্তি হৈছিল আৰু সত্ৰীয়াসকলৰ ওপৰত নানা অত্যাচাৰ চলিছিল। অসংখ্য লোকৰ প্ৰাণহানী হোৱাৰ উপৰি সত্ৰাধিকাৰসকলক বিদ্ৰোহী নেতৃবৰ্গই হাজাৰ হাজাৰ টকা জৰিমনা কৰোৱাইছিল।[৪০] ইয়াৰ পৰৱৰ্তী কালত হৈছিল মানৰ আক্ৰমণ। আউনীআটী সত্ৰৰ সমসাময়িক সত্ৰাধিকাৰসকলৰ চৰিতপুথিত মাজুলীত হোৱা মানৰ আক্ৰমণৰ বিষয়ে বৰ্ণনা কৰা আছে।[৪১] এই সকলোবোৰ অৱস্থাৰ পৰিপ্ৰেক্ষিতত সেই সময়ছোৱাত মাজুলীত হঠাতে জনসংখ্যা কমি গৈছিল আৰু য'তে য'তে হাবি হৈছিল।[৪২] ১৯০১ খ্ৰী:ৰ হিচাপমতে তেতিয়া সমগ্ৰ যোৰহাট মহকুমাটোৰ জনসংখ্যা আছিল ২,১৯,১৩৭জন আৰু তাৰ ভিতৰত মাজুলীৰ জনসংখ্যা আছিল ৩৫,০০০জন;[৪৩] কিন্তু আগতে উনুকিয়াই অহা হৈছে যে, মাজুলীয়ে এই মহকুমাটোৰ প্ৰায় ৪০ শতাংশ ভূমি আৱৰি ৰাখিছিল। গতিকে দেখা যায় যে ঊনবিংশ শতিকাৰ শেষছোৱাত যোৰহাট মহকুমাটোৰ এই ৪০ শতাংশ ভূমিত (অৰ্থাৎ মাজুলীত) ১৫ শতাংশমান লোকেহে বসবাস

---

৩২। 'Asiatic Researches' II, 131 পৃষ্ঠা।
৩৩। 'অসম বুৰঞ্জী' (হৰকান্ত বৰুৱা সদৰামিন, ২য় সম্পাদন, ১৯৬২), ৩৯-৪০ পৃষ্ঠা।
৩৪। 'তুংখুঙীয়া বুৰঞ্জী', ৯৩ পৃষ্ঠা.
৩৫। পূৰ্বোক্ত গ্ৰন্থ, ৩২ পৃষ্ঠা।
৩৬। ঐ, B C. Allen et. al, Gazetteer, 159 পৃষ্ঠা।
৩৭। ব্ৰিটিছ পৰ্যবেক্ষকসকলে লিখিছে : Majuli is a large island which lies north of the main channel of the Brahmaputra, presents a very different appearance. The land lies low, the population is comparatively sparse, and extensive tracts are covered with high grass jungle and forest, which is rendered particularly beautiful by the luxuriant growth of the creeping cane. B C. Allen et. al, ৰ Gazetteer, 572 পৃষ্ঠা চাওক।
৩৮। 'Report' 503 ৰ পৃষ্ঠা ।

৩৯। 'ফাথিয়া-ই-ইব্ৰীয়া'; উদ্ধৃতি, Gait ৰ History, 141পৃষ্ঠা।
৪০। 'তুংখুঙীয়া বুৰঞ্জী', ১৪৮ পৃষ্ঠা দ্ৰষ্টব্য।
৪১। 'আউনীআটী সত্ৰৰ বুৰঞ্জী' উদ্ধৃতি— ৪৮১-৪৮৬ পৃ:।
৪২। B C. Allen et. al, ৰ Gazetteer ৰ 575 পৃষ্ঠা।
৪৩। ঐ

কৰিছিল। সেই সময়ৰ গোটেই শিৱসাগৰ জিলাখনৰ জনসংখ্যাৰ তুলনাত (মুঠ ৫,৯৭,৯৬৯জন) মাজুলীৰ জনসংখ্যাৰ হাৰ আছিল ৬ শতাংশতকৈ কম; কিন্তু স্বাধীনোত্তৰ কালতছোৱাত মাজুলীত জনসংখ্যাৰ হাৰ বৃদ্ধি পাইছে।

প্লাৱনভূমি আৰু হাবি-জংঘল পচি সৃষ্টি হোৱা জৈৱিক সাৰৰ ফলত মাজুলী সদায়ে আছিল এখন সাৰুৱা কৃষি উপযোগী ক্ষেত্ৰ। মিলছ্ চাহাবে লিখিছে যে, মাজুলীখন যেন (ভগৱানে) খেতি হ'বৰ বাবেহে সৃষ্টি কৰিছে![৪৪] সেইবাবেই যিকোনো বিদেশীৰ চকুত ই আছিল শস্য-শ্যামলা ঠাই। সপ্তদশ শতিকাত অহা ফাৰ্চী লেখকসকলেও মাজুলীৰ হাবি-জংঘল, মুকলি পথাৰ, সৌন্দৰ্যময়, উপভোগ্য পাৰিপাৰ্শ্বিকতা আৰু সেউজ শস্যৰ কথা উল্লেখ কৰি গৈছে।[৪৫]

চাপৰি মাটি হোৱা বাবে মধ্যযুগত মাজুলীৰ মাটি প্ৰায়খিনিয়েই 'কাটনি' মাটি আছিল, অৰ্থাৎ কৃষকে ইয়াত স্বেচ্ছাই হাবি ভাঙি মাটি উলিয়াই বিনা ৰাজহে বা অৰ্ধাংশ ৰাজহ ভৰি অস্থায়ীভাৱে উপভোগ কৰিব পাৰিছিল। তদুপৰি সত্ৰসমূহ প্ৰতিষ্ঠা হোৱাৰ ফলত ইয়াত প্ৰায়খিনি মাটিয়েই সত্ৰৰ সত্ৰাধিকাৰসকলৰ জিম্মাত দেৱোত্তৰ, ধৰ্মোত্তৰ আৰু ব্ৰহ্মোত্তৰ কৰি ৰজাঘৰৰ পৰা ৰাজহবিহীন ভূমি হিচাপে মঞ্জুৰী দিয়া হৈছিল। ইয়াৰ ফলত মাজুলীত নিগাজী আৰু নিয়মিতভাৱে ৰাজকোষলৈ ৰাজহ যোগান ধৰা মাটিৰ পৰিমাণ আছিল বৰ কম। মিল্‌চে লিখিছে যে ১৮৫৩ খ্ৰী:ৰ সময়ছোৱাতো প্ৰায় ২,৮২,১৬৫ একৰ মাজুলীৰ মাটিৰ ভিতৰত মুঠেই ৭৪৪৬ একৰ মাটিৰ পৰাহে ৰাজকোষলৈ খাজনা গৈছিল।[৪৬]

সমগ্ৰ অসমৰ দৰে মাজুলীতো এসময়ত মেলেৰিয়া, কলেৰা আদি ৰোগ হৈছিল। আহোম বুৰঞ্জী আৰু ব্ৰিটিছৰ নথি-পত্ৰবোৰত মহামাৰী ৰূপ ধাৰণ কৰা এই ৰোগবোৰৰ উল্লেখ পোৱা যায়। অসমৰ স্বাস্থ্য আদি বিষয়ৰ আলোচনা কৰি ১৮৩৭ খ্ৰী:ত জন এমকোচে (John M'Cosh) উল্লেখ কৰিছে যে অৰণ্যময় আৰু অপৰিষ্কাৰ পাৰিপাৰ্শ্বিকতা, পিতনিৰে ভৰা নলা, ডোবা, পুখুৰী আৰু বাৰীৰ কেউকাষে কৰা পায়খানাৰ পৰাই এনেবোৰ ৰোগে সেই সময়ত অসমীয়া মানুহক পীড়ন কৰিছিল।[৪৭] সপ্তদশ শতিকাৰ মাজভাগত ছিহাবুদ্দিন তালিছে লক্ষ্য কৰিছিল যে ভাৰতৰ অন্যান্য ঠাইৰ তুলনাত অসমত গোধা, গৰল, কুষ্ঠ আদি ৰোগ বিৰল।[৪৮] তেওঁৰ সেই মন্তব্য মাজুলীৰ ক্ষেত্ৰতো প্ৰযোজ্য হয়। অৱশ্যে নদী-বেষ্টিত আৰু সেমেকা জলবায়ুৰ ঠাই হোৱা বাবে ইয়াৰ নৈৰ কাষৰীয়া প্ৰায়বোৰ অধিবাসীৰে গৰল ৰোগ হোৱা দেখা যায়; কিন্তু সাধাৰণভাৱে মাজুলী অতীজৰে পৰা এখন স্বাস্থ্যকৰ আৰু সৌন্দৰ্যপূৰ্ণ ঠাই আছিল। বিদেশী লেখকসকলে লক্ষ্য কৰিছিল যে ব্ৰহ্মপুত্ৰৰ কাষত স্বদেশী আৰু বিদেশী সকলো শ্ৰেণীৰ লোককে ইয়াৰ জলবায়ুৱে ভালদৰেই সুজে।[৪৯] সেইদৰে মহম্মদ কাজিমেও উল্লেখ কৰি গৈছে যে, মাজুলী এখন আহল-বহল, পৰিষ্কাৰ আৰু বাসোপযোগী ঠাই আছিল।[৫০] ফ্ৰেন্সিচ্ হেমিল্টনে তেওঁৰ ১৮০৭/০৮ খ্ৰী:ৰ বৰ্ণনাত মাজুলীক এটা বৰ ধুনীয়া দ্বীপ বুলি কৈ ইয়াক ঈৰ্ষা আৰু হাবিয়াসৰ ঠাই বুলি উল্লেখ কৰিছে।[৫১] বৈষ্ণৱ গুৰু আৰু সত্ৰাধিকাৰসকলৰ চৰিতপুথি-সমূহৰ পৰাও মাজুলীৰ সৌন্দৰ্যৰ বিষয়ে অনুমান কৰিব পাৰি। স্বাভাৱিকতেই ধৰ্মীয় দিশটোৰ উপৰি প্ৰাকৃতিক সৌন্দৰ্যৰ দিশৰ পৰাও মাজুলীখন যে অসমৰ এখন অদ্বিতীয় ঠাই আছিল তাক অনুমান কৰিব পাৰি। উল্লেখনীয় যে মাজুলীৰ এই সৌন্দৰ্য ইয়াৰ স্বদেশীসকলতকৈ বিদেশী ভ্ৰমণকাৰীৰ চকুত অধিকভাৱে ধৰা পৰিছিল।

ইংৰাজে অসমখন অধিকাৰ কৰি লোৱাৰ পিছতো মাজুলীৰ সামাজিক জীৱন আৰু ধৰ্মীয় জীৱনৰ বিশেষ পৰিৱৰ্তন হোৱা নাছিল। সেই সময়ছোৱাত ইয়াৰ জনসংখ্যা যেনেকৈ দ্ৰুত গতিত বৃদ্ধি পোৱা নাছিল, দেশৰ অন্যান্য ঠাইৰ লগত ই ৰাখিব পৰা যোগাযোগৰ ব্যৱস্থাও

৪৪। উদ্ধৃত — Report, 503 পৃষ্ঠা।

৪৫। ফাথিয়া-ই-ইব্ৰীয়া, উদ্ধৃতি Gait ৰ History, 142 পৃষ্ঠা; Alamgirnama গ্ৰন্থত (Asiatic Researches, II, 131 পৃষ্ঠা)ত আছে : Between these rivers (i.e. Brahmaputra and Dihing) is an island well-inhabited, and in an excellent state of tillage. It contains a spacious, clear, and pleasent country, extending to the distance of about fifty coss. The culti tract is bounded by a thick forest, which harbourg elephants.

৪৬। উদ্ধৃত — Report, 503 পৃষ্ঠা।

৪৭। John M'Cosh ৰ 'Topography of Assam' (Reprint, New Delhi, 1975) গ্ৰন্থৰ 105-106 পৃষ্ঠা।

৪৮। 'ফাথিয়া-ই-ইব্ৰীয়া'; উদ্ধৃতি— Gait ৰ History, 142 পৃষ্ঠা।

৪৯। ঐ—

৫০। Asiatic Researches, II, 131 পৃষ্ঠা।

৫১। পূৰ্বোক্ত গ্ৰন্থৰ 26 পৃষ্ঠা।

আগৰ দৰেই আছিল। ক'বলৈ গ'লে মাজুলী তেতিয়াও সমসাময়িক অন্যান্য ঠাইৰ সমাজৰ পৰা বিচ্ছিন্ন আছিল। ফলত মাজুলীৰ মানুহৰ মানসিক সীমাবদ্ধতাও আহি পৰিছিল। উল্লেখনীয় যে, মাজুলীত এনে লোকো পোৱা যায় যি মাজুলীৰ বুকুতে জন্ম লাভ কৰিছে, মাজুলীৰ বুকুত ডাঙৰ-দীঘল হৈছে আৰু মাজুলীতেই এই সংসাৰ ত্যাগ কৰিছে; ইয়াত এনে লোকো আছে যি ব্ৰহ্মপুত্ৰৰ বুকুতে জন্মলাভ কৰি জীৱনত কেতিয়াও ব্ৰহ্মপুত্ৰ দেখা পোৱা নাই। এইবিলাক কাৰণতে মাজুলীৰ বাহিৰৰ কোনো কোনো ঠাইত ইয়াৰ লোকসকলক 'মাজুলীয়াল' বা মধ্যযুগীয় লোক বুলি হেয় জ্ঞান কৰিছিল।[৫২]

সমসাময়িক প্ৰগতিশীল সমাজৰ লগত মাজুলীৰ সম্পৰ্ক বাধ্য-বাধক ৰূপত সীমিত হোৱা বাবে স্বাধীনোত্তৰ কাল পৰ্যন্ত মাজুলীৰ সমাজখনৰ দৃষ্টি আৰু সামাজিক সম্পৰ্ক বহু পৰিমাণে মধ্যযুগীয় আৰু সীমাবদ্ধ হৈ ৰৈছিল। জাত-বৰ্ণ ভিত্তিক সামাজিক ব্যৱধানত বিশ্বাসী গোড়া উচ্চ হিন্দুসকলৰ ঠাই হোৱা বাবে বৰ্ণ-বৈষম্যই মাজুলীৰ সমাজখনক প্ৰাচীন ৰীতি-নীতিৰ মাজতে থাকিবলগা কৰিছিল। কুৰি শতিকাৰ প্ৰথমভাগ পৰ্যন্ত পাঠশালা বা মাইনৰ স্কুলবিলাকৰ যিকোনো ধৰ্মীয় আচাৰ-অনুষ্ঠানত ছাত্ৰসকলক (ছাত্ৰী নাছিলেই) জাতি-বৰ্ণ নিৰ্বিশেষে নিজৰ আসন বা প্ৰসাদ ল'বলৈ দিয়া হৈছিল বুলি জনা যায়।[৫৩] সেইদৰে নামঘৰবোৰত প্ৰৱেশ কৰা বা থিয়েটাৰ-ভাওনা আদিত অংশ গ্ৰহণ কৰিবলগা হওঁতেও বৰ্ণ-বৈষম্য মানি চলা হৈছিল।[৫৪] স্বাভাৱিকতে সাম্যবাদৰ ভিত্তিত প্ৰতিষ্ঠিত মহাপুৰুষীয়া বৈষ্ণৱধৰ্মৰ প্ৰাণকেন্দ্ৰ হৈয়ো মাজুলীত ধৰ্মীয় উদাৰতাৰ কিছু সীমাবদ্ধতা আছিল। শিক্ষা-দীক্ষাৰ ক্ষেত্ৰতো মাজুলীৰ দুৰ্বল যোগাযোগ ব্যৱস্থাই অতীজৰে পৰা ইয়াৰ সমাজৰ শৈক্ষিক প্ৰগতিলৈ প্ৰতিবন্ধক আনিছে। এসময়ত সৰু হাত-নাৱত উঠি ব্ৰহ্মপুত্ৰ পাৰ হৈ মাজুলীৰ ল'ৰাই যেতিয়া যোৰহাটত স্কুলীয়া বা কলেজীয়া শিক্ষা ল'ব লগা হৈছিল, তেতিয়া মাজুলীৰ অতি কম অভিভাৱকেহে তেনে দুৰ্জয় সাহ কৰি ল'ৰাক যোৰহাটলৈ পঠিয়াইছিল। সেই বাবেই প্ৰাক্-স্বাধীনতাৰ কালছোৱাত মাজুলীৰ উচ্চ শিক্ষা লাভ কৰিব পৰা লোকৰ সংখ্যা আঙুলিৰ মূৰত লিখিবলৈয়ো নাছিল। মাজুলীৰ প্ৰথমখন উচ্চ ইংৰাজী বিদ্যালয় 'মাজুলী আউনীআটী হেমচন্দ্ৰ হাইস্কুল' প্ৰতিষ্ঠা হয় ১৯২৪ খ্ৰী:ত আৰু এই হাইস্কুলৰে প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক মাজুলীৰ প্ৰথমগৰাকী স্নাতক ৺কেশৱৰাম বৰাই বি. এছ. চি. পৰীক্ষাত উত্তীৰ্ণ হয় ১৯২০ খ্ৰী:ত।[৫৫] স্বাধীনোত্তৰ কালছোৱাত মাজুলীত শিক্ষানুষ্ঠান আৰু তাৰ লগে লগে ইয়াৰ শিক্ষিত লোকৰ সংখ্যাও বৃদ্ধি পায়। স্বাভাৱিকতে শিক্ষাৰ প্ৰসাৰণে মাজুলীৰ প্ৰাচীনকলীয়া অন্ধবিশ্বাস আৰু বৰ্ণ-বৈষম্যমূলক সামাজিক ব্যৱহাৰ-প্ৰণালী তথা মানুহৰ দৰ্শনলৈয়ো পৰিৱৰ্তন আৰু মুক্তিকামিতা (Liberalism)ৰ ঢল আনিছে।

স্বাধীনোত্তৰ কালত মাজুলীৰ সমাজলৈ নৱোন্মেষৰ যুগ এটা নমাই অনাত গড়মূৰ সত্ৰৰ প্ৰয়াত সত্ৰাধিকাৰ পীতাম্বৰদেৱ গোস্বামীৰ অমূল্য বৰঙণি আছে। মাজুলীৰ সামাজিক দৰ্শনলৈ পৰিৱৰ্তন আৰু সংশোধনৰ এটা নতুন যুগৰ ঢল নমাই অনাত অৱশ্যে মাজুলীৰ গোড়া সমাজখনৰ পৰা পীতাম্বৰদেৱ গোস্বামীয়ে প্ৰচুৰ বাধাৰ সন্মুখীন হ'বলগা হৈছিল।[৫৬] কিন্তু পীতাম্বৰদেৱ গোস্বামীৰ বিশেষত্ব আছিল এই যে— কোনো বাধাই তেওঁক তেওঁৰ জীৱনৰ মহৎ উদ্দেশ্য সাধনৰ পথত প্ৰাচীৰ স্বৰূপে থিয় দিব পৰা নাছিল। এইগৰাকী দূৰদৃষ্টিসম্পন্ন আৰু উদাৰ সত্ৰাধিকাৰৰ একান্ত ইচ্ছাতেই মাজুলীত বৰ্ণ-বৈষম্যৰ দেৱালখন লাহে লাহে ক্ষয়প্ৰাপ্ত হয় আৰু সত্ৰৰ নামঘৰত সকলো জাতিৰ লোকৰ প্ৰৱেশ স্বীকৃত হয়। কেৱল সেয়ে নহয়, জনজাতীয় আৰু তদ্সম জাতিসমূহৰ মাজত বৈষ্ণৱধৰ্ম প্ৰচাৰ কৰি এৰেঁই সামাজিক সংহতিৰ পথো পৰিষ্কাৰ কৰে। উল্লেখনীয় যে, জ্যোতিপ্ৰসাদৰ পিছত বিশেষকৈ, সত্ৰৰ চৌহদত সহ-অভিনয়ৰ পাতনিও পীতাম্বৰদেৱ গোস্বামীৰ

---

৫২। 'শ্ৰীশ্ৰীমৎ ধৰ্মাচাৰ্য পীতাম্বৰদেৱ' গ্ৰন্থৰ (১ম খণ্ডৰ) ১ম পৃষ্ঠা দ্ৰষ্টব্য।

৫৩। উদাহৰণ স্বৰূপে, 'তৰুণ চন্দ্ৰ পামেগাম ৰচনাৱলী' (১ম খণ্ড, অসম সাহিত্য সভা, ১৯৮৯) গ্ৰন্থৰ 'পীতাম্বৰ প্ৰভুৰ সান্নিধ্যৰ সোঁৱৰণ' নামৰ প্ৰৱন্ধ দ্ৰষ্টব্য (বিশেষকৈ, ২৭২-২৭৩ পৃষ্ঠা।) বৰ্তমান লেখকৰ ঘৰত এই শতিকাৰ প্ৰথমভাগত ছাত্ৰ আৰু শিক্ষকতা কৰা লোক থকা বাবে এই কাহিনী (!)বোৰ তেওঁ নিজেও শুনিবলৈ পাইছিল।

৫৪। তৰুণ চন্দ্ৰ পামেগামৰ ওপৰোক্ত প্ৰৱন্ধ দ্ৰষ্টব্য।

৫৫। মাজুলীত শিক্ষাৰ পাতনি আৰু বিকাশ সম্পৰ্কে মাজুলী আউনীআটি হেমচন্দ্ৰ গোস্বামী হাইস্কুলৰ মহাৰজত জয়ন্তী উপলক্ষে প্ৰকাশ কৰা 'স্মৃতিগ্ৰন্থ' (সম্পা. যোগেশ্বৰ শইকীয়া, ১৯৯৮) দ্ৰষ্টব্য।

৫৬। 'শ্ৰীশ্ৰীমৎ ধৰ্মাচাৰ্য পীতাম্বৰদেৱ' গ্ৰন্থৰ ৩৮-১০৯ পৃষ্ঠা দ্ৰষ্টব্য।

হাততেই আৰম্ভ হয়।[৫৭] অসমৰ প্ৰথম পৰ্যায়ৰ চলচ্চিত্ৰ অভিনেত্ৰী ইলা কাকতি প্ৰকৃতপক্ষে পীতাম্বৰদেৱ গোস্বামীয়ে সৃষ্টি কৰা ঐতিহ্যৰ সৃষ্টি বুলি ক'ব পাৰি।[৫৮]

পীতাম্বৰদেৱ গোস্বামীৰ নেতৃত্বতে মাজুলীবাসীয়ে দেশৰ অন্যান্য ঠাইৰ লগতে স্বাধীনতা সংগ্ৰামত অংশ গ্ৰহণ কৰিছিল। বিশেষকৈ, বিয়াল্লিছৰ গণ-আন্দোলনৰ আৰু তাৰ পৰৱৰ্তী সংগ্ৰামী কাৰ্যসূচীসমূহত মাজুলীৰ অংশ গ্ৰহণ মন কৰিবলগীয়া। সমসাময়িক ৰাজনৈতিক পৰিস্থিতিৰ উমান নোপোৱা মাজুলীৰ কৃষকশ্ৰেণীৰ মনত স্বাধীনতাৰ সপোন জগোৱা প্ৰধান পুৰুষ আছিল এইগৰাকী সত্ৰাধিকাৰ। মহাত্মা গান্ধী, জৱাহৰলাল নেহৰু আদি দেশনেতাসকলৰ লগত ব্যক্তিগত সম্পৰ্ক থকা আৰু আৱশ্যক বুলি ভবা গুৰুত্বপূৰ্ণ বিষয় একোটা পত্ৰযোগে হ'লেও তেওঁলোকক সোঁৱৰাই দিব পৰা পীতাম্বৰদেৱ গোস্বামীৰ অনুপ্ৰেৰণাতে মাজুলীত পূৰ্ণগতিত স্বাধীনতা সংগ্ৰাম চলিছিল। আনহাতে, গোড়া ব্ৰাহ্মণ্য ৰীতি-নীতি এৰি বিভিন্ন সমাজ-সংস্কাৰমূলক উদাৰপন্থী কাম হাতত লোৱাত বিশেষকৈ, পীতাম্বৰদেৱৰ দৰে সত্ৰাধিকাৰে এই বিষয়ত আগভাগ লোৱাত তেওঁ সমসাময়িক সত্ৰাধিকাৰসকলৰ পৰা সমালোচনাৰ সন্মুখীন হ'বলগা হৈছিল;[৫৯] কিন্তু মাজুলীৰ অন্ধকাৰ আৱৰা সমাজখনক দিক্‌দৰ্শাই নিয়াৰ পথত পীতাম্বৰদেৱ গোস্বামী আছিল অলৰ-অচৰ। পীতাম্বৰদেৱ গোস্বামীৰ আদৰ্শই মাজুলীৰ গোড়া সমাজখনলৈ উদাৰতাৰ প্ৰথম প্লাৱন ঘটাইছিল।

পীতাম্বৰদেৱ গোস্বামী সমসাময়িক মাজুলীৰ আৰ্থ-সামাজিক অৱস্থাৰেই আদৰ্শ সৃষ্টি আছিল। ধৰ্মৰ নামত যুগ যুগ ধৰি চলি থকা অৰ্থনৈতিক শোষণ আৰু বৰ্ণভিত্তিক সমাজৰ শ্ৰেণীবিভাজন, সামাজিক আৰু অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণীক হেয় প্ৰতিপন্ন কৰাৰ মানসিকতা আৰু ক্ৰমান্বয়ে গঢ়ি উঠা চহৰমুখী অৰ্থনীতি এটাৰ নব্য শোষণ যন্ত্ৰৰ বিৰুদ্ধে থিয় দিবলৈ সচেতন পীতাম্বৰদেৱ গোস্বামী আগবাঢ়ি আহিছিল। মাজুলীৰ সমসাময়িক পটভূমিত আৰ্থ-সামাজিক শোষণ-নিষ্পেষণৰ ভেঁটি আছিল ইয়াৰ সত্ৰীয়া ছত্ৰ-ছাঁয়াত সজীৱ হৈ থকা মানুহৰ ধৰ্মগোড়া মনোভাব। স্বাভাৱিকতে এখন প্ৰথমশ্ৰেণীৰ ৰজাঘৰীয়া সত্ৰৰ সত্ৰাধিকাৰ আৰু উচ্চতম বৰ্ণহিন্দু শ্ৰেণীৰ সদস্য হিচাপে পীতাম্বৰদেৱ গোস্বামীৰ এনেবোৰ সমস্যা অনুধাৱন কৰিবলৈ যি সুবিধা আছিল, তেনেদৰে সেই সমস্যাবোৰৰ বিৰুদ্ধে যুঁজিবলৈয়ো তেওঁৰ হাতত আছিল সামৰ্থ আৰু কৰ্তৃত্ব। সমাজৰ গভীৰ সংকট আহিব পৰা সমস্যাবোৰৰ বিষয়ে কৰা অনুধাৱন আৰু সমসাময়িক ভাৰতীয় সংস্কাৰবাদীসকলৰ লগত ৰখা তেওঁৰ সম্পৰ্কয়ো ধৰ্মান্ধ আৰু নিষ্পেষিত মাজুলীবাসীৰ আৰ্থ-সামাজিক উত্তৰণত কাম কৰিবলৈ পীতাম্বৰদেৱ গোস্বামীক প্ৰেৰণা দিছিল বুলি ভাবিব পাৰি।

স্বাধীনোত্তৰ কালত বিশেষকৈ, সত্তৰৰ দশকৰ পৰৱৰ্তী কালছোৱাত দেশৰ অন্যান্য ঠাইৰ লগতে মাজুলীলৈয়ো সম্প্ৰসাৰিত ৰূপত পৰিৱৰ্তন আহিছে। অৰ্থনৈতিক পৰিৱৰ্তন, বস্তুবাদী ধ্যান-ধাৰণা আৰু চহৰমুখী সমাজৰ বিকাশেই ইয়াৰ মূল কাৰক বুলি ক'ব পাৰি। ১৯৭৯ খ্ৰী:ত মাজুলীখনক যোৰহাট জিলাৰ এটা মহকুমা হিচাপে ঘোষণা কৰি ইয়াত প্ৰায় সকলো শ্ৰেণীৰ প্ৰশাসনীয় কাৰ্যালয়সমূহ প্ৰতিষ্ঠা কৰাৰ লগে লগে মাজুলীৰ সমাজ আৰু অৰ্থনীতিলৈ নতুন পৰিৱৰ্তনৰ ঢল আহে। ইয়াৰ ফলত গঢ় লৈ উঠা চহৰ-কেন্দ্ৰিক বজাৰ-অৰ্থনীতি এটাই মাজুলীৰ সামগ্ৰিক জীৱনৰ এটা পূৰ্ণ পৰিৱৰ্তনৰ পথো মুকলি কৰে। পণ্য দ্ৰব্যৰ বজাৰ, জনসংখ্যা বৃদ্ধি, চহৰমুখী হোৱা গাঁও, ভূমি সমস্যা আদি এই পৰিৱৰ্তনবোৰৰ মূলতে আছে। মাজুলীত এতিয়া কৃষি উপযোগী ঠাইবোৰক দোকান-পোহাৰ, ঘৰ-বাৰী আৰু চৰকাৰী কাৰ্যালয় নিৰ্মাণ হৈছে আৰু কেউফালে বান্ধি উলিওৱা মথাউৰিবিলাকৰ ফলত শস্যৰ পথাৰবোৰ হৈ পৰিছে অনুৰ্বৰ। আনহাতে, সত্ৰীয়া বেষ্টনিৰ মাজত চহৰীয়া আধুনিক সমাজ এখনৰ বীজ সংক্ৰমণ হোৱাত সমাজৰ গাঁথনি আৰু চিন্তাই নতুন ৰূপ লৈছে; মদ, জুৱা আদি মাদকদ্ৰব্য আৰু অসামাজিক কামৰ প্ৰতি মানুহৰ আসক্তি বৃদ্ধি পাইছে। লগে লগে মানুহৰ ধৰ্ম বা আধ্যাত্মিক দিশটোৰ প্ৰতি থকা শ্ৰদ্ধা কমিছে।[☆] অৱশ্যে এই সকলোবোৰ কেৱল মাজুলীৰে একান্ত পৰিৱৰ্তন নহয়, বহুতো পৰিৱৰ্তন আধুনিক ভাৰতীয় সমাজৰ সাধাৰণ পৰিৱৰ্তনসমূহৰে একোটা ধাৰা মাথোঁ।

---

৫৭। তৰুণ চন্দ্ৰ পামেগাম ৰচনাৱলীৰ 'পীতাম্বৰ প্ৰভুৰ সান্নিধ্য সোঁৱৰণ' প্ৰবন্ধৰ ২৭২-২৭৬ পৃষ্ঠা দ্ৰষ্টব্য।

৫৮। অভিনয় কৰিবলৈ দি সত্ৰৰ ছোৱালীবোৰক পীতাম্বৰ গোস্বামীয়ে কৈছিল এইদৰে— "ভালকৈ অভিনয় কৰহঁক। ভাল দেখিলে ফিল্ম কোম্পানীয়ে অভিনয়ৰ বাবে লৈ যাব।" উদ্ধৃতি— ওপৰোক্ত গ্ৰন্থৰ ২৭৬ পৃষ্ঠা।

৫৯। 'শ্ৰীশ্ৰীমৎ ধৰ্মাচাৰ্য পীতাম্বৰদেৱ' গ্ৰন্থৰ ২য়খণ্ড দ্ৰষ্টব্য।

☆ *বৰ্তমান লেখকৰ প্ৰবন্ধ 'মাজুলীৰ মানৱীয় ঐতিহ্য : এটি ঐতিহাসিক দৃষ্টি', জ্ঞান প্ৰবাহ, (মাজুলী জিলা মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থাৰ মুখপত্ৰ, প্ৰথম সংখ্যা, মাজুলী ১৯৯৮), ১৩-১৮ পৃষ্ঠা দ্ৰষ্টব্য।*

## মাজুলী দ্বীপ সৃষ্টিৰ কাৰণ

নদীৰ গতিপথৰ পৰিৱৰ্তনৰ কাৰণেই যে মাজুলীৰ উৎপত্তি হৈছে তাত দ্বিমত নাই। অতীজৰ ব্ৰহ্মপুত্ৰই বৰ্তমানৰ খেৰকটীয়া সুঁতিয়েদি শ্ৰীলোহিত বা লোহিত নামেৰে গতি কৰিছিল। সেই সময়ত দিখৌ আৰু দিচাং উপনৈ দুখন দিহিং উপনৈখনত মিলিছিল আৰু এই দিহিঙে নগাঁও জিলাৰ লাখৌ[1] নামৰ ঠাইত ব্ৰহ্মপুত্ৰৰ লগত মিলিছিল। পৰৱৰ্তী সময়ত ব্ৰহ্মপুত্ৰই দক্ষিণলৈ গতি সলনি কৰি দিহিঙৰ মধ্যাংশইদি বৈ গৈ আগৰ গতিপথ আৰু নতুন গতিপথৰ মাজৰ ভূ-ভাগক এটা 'ব' আকাৰৰ দ্বীপলৈ ৰূপান্তৰিত কৰিলে। জনশ্ৰুতি মতে, অতীজতে দিখৌৰ গতিপথ নগাঁও জিলাৰ কপিলী আৰু ব্ৰহ্মপুত্ৰৰ সংগমস্থল কাজলীমুখ (১নং মানচিত্ৰ চাওক) পৰ্যন্ত আছিল। মাজুলীৰ বৰ্তমানৰ টুনী[২] সুঁতি উক্ত দিখৌ নদীৰে এটা অংশ। ড°ৱেডৰ মতে মাজুলীৰ পশ্চিম সীমা কলিয়াবৰৰ আগত নগাঁৱৰ বানফাং[৩] নামৰ ঠাইখনৰ বিপৰীতে থকা ঠাই; যি ঠাইত দিহিং ব্ৰহ্মপুত্ৰৰ লগত মিলিছিল। মাজুলী পশ্চিমে বানফাং আৰু পূবে বেংমৰা নামৰ ঠাই দুখনৰ মাজত অৱস্থিত আছিল (২ নং মানচিত্ৰ চাওক)।

মাজুলীৰ পূব সীমা সম্বন্ধেও মত পাৰ্থক্য থকা দেখা যায়। বহুতৰ মতে ব্ৰহ্মপুত্ৰই বেংমৰা (বাইগ্মান্)[৪] বা ৰংপুৰ নগৰৰ পৰা ১৯২ কি: মি: দূৰত্বত থকা টিক্‌লিপটাৰ[৫] (টেকেলিফুটা, মাজুলীত অৱস্থিত) বা হাবুঙৰ ওচৰত আগৰ গতিপথৰ পৰা বৰ্তমানৰ গতিপথ লৈছিল।

সম্ভৱ ১৫৪৯ চনৰ পাছতহে মাজুলীৰ সৃষ্টি হৈছিল। বুৰঞ্জীবিদ তীৰ্থনাথ শৰ্মাৰ মতে স্বৰ্গদেউ জয়ধ্বজ সিংহই ব'হাগ মাহত ব্ৰহ্মপুত্ৰৰ কাষত (বৰ্তমান ঢকুৱাখনা) যজ্ঞ পাতিবলৈ আয়োজন কৰিছিল; কিন্তু সেই সময়ত একেৰাহে আঠদিন ধৰি ভূমিকম্প হোৱাৰ কাৰণে উক্ত যজ্ঞ মাঘ মাহত পাতিবৰ কাৰণে স্থগিত ৰাখিলে। উক্ত ভূমিকম্পৰ ফলস্বৰূপে সেই সময়তে ব্ৰহ্মপুত্ৰই দক্ষিণৰ ফালে গতি কৰে। সেই সময়ৰ পুথিৰ মতে বুঢ়ীদিহিঙে দেৰগাঁৱৰ পৰা নাতিদূৰত ব্ৰহ্মপুত্ৰৰ লগত লগ লাগিছিল আৰু ব্ৰহ্মপুত্ৰৰ নতুন গতিপথে বুঢ়ীদিহিঙৰ মধ্যাংশৰ কিছু অংশ গ্ৰাস কৰি গতি কৰে। বুঢ়ীদিহিঙৰ বাকী থকা অংশটো এতিয়াও বুঢ়ীদিহিং বা বুঢ়ীসুঁতি নামে জনাজাত। উক্ত অংশটো কালক্ৰমত বাম হৈ গ'ল আৰু মাত্ৰ বৰ্ষা কালতহে পানীৰে ওপচি পৰে। ১৬৯১ খ্ৰী:ত ব্ৰহ্মপুত্ৰত দুটা ডাঙৰ বানপানী (বেণুধৰ শৰ্মা)[৬] হোৱাৰ ফলত নদীখনৰ গতিপথ সলনি হৈ বৰ্তমান অৱস্থাপ্ৰাপ্ত হয়। ড° ডম্বৰুধৰ নাথে তেখেতৰ মাজুলী দ্বীপ সৃষ্টি সম্পৰ্কীয় এক গৱেষণামূলক প্ৰবন্ধত লিখিছে এনেদৰে— অসমীয়া মানুহৰ মনত এনে এটা জন-বিশ্বাস আছে যে খ্ৰী: ১৭৩৫ বা তাৰ প্ৰায় অৰ্ধ-শতাব্দীৰ আগে আগে ব্ৰহ্মপুত্ৰ আৰু দিহিং নদীত উঠা প্ৰবল বানপানীৰ ফলত এই দুই নদী মিলি মাজুলী দ্বীপৰ সৃষ্টি কৰিছিল। এইটো ঠিক যে তেনে এক প্ৰবল বানপানীৰ ফলতেই এনেকুৱা পৰিৱৰ্তন সম্ভৱ হ'ব পাৰে; কিন্তু বানপানী হ'বলৈ বা বানপানীৰ ফলত ব্ৰহ্মপুত্ৰৰ দৰে বৃহৎ নদী এখনে গতি সলনি কৰা অৱস্থা এটা পাবলৈ বানপানী আৰু ভূমিকম্প দুয়োটাই সমানে আৰু সমসাময়িকভাৱে ক্ৰিয়া কৰিব লাগিব; কিন্তু ওপৰত উল্লেখ কৰা মতে, অসমীয়া মানুহে বিশ্বাস কৰাৰ দৰে ১৭৩৫ খ্ৰী:তেই তেনে কোনো প্ৰলয়ংকৰী বানপানী হোৱাৰ তথ্য বুৰঞ্জীবিলাকৰ পৰা পোৱা নাযায়। অৱশ্যে তুংখুঙীয়া বুৰঞ্জীত তাৰ অৰ্ধ শতিকামানৰ পূৰ্বে ১৬১৩ আৰু ১৬১৮ শক অৰ্থাৎ খ্ৰী: ১৬৯১ আৰু ১৬৯৬ খ্ৰী:ত অসমত হোৱা প্ৰবল বানপানী আৰু ভূমিকম্পৰ উল্লেখ আছে। বুৰঞ্জীখনৰ মতে ১৬৯১ খ্ৰী:ত তিনিদিনৰ অগা পিছাকৈ হোৱা দুটা প্ৰবল বানপানীৰ ফলত সমগ্ৰ ৰাজ্যখন জলমগ্ন হৈ পৰিছিল আৰু ৰাজধানী গড়গাঁৱৰ হোলোংঘৰলৈ উঠা জখলাৰ তলৰ পাঁচোটা খাপ পানীত তল গৈছিল।

---

১। ড° ৱেড, জে. পি.— পৃ: ৩৬৯

২। মি: হেমিল্টন, ফ্ৰেন্সিছ, (১৮০৭–১৪)
"এন একাউন্ট অব আসাম' পুনঃ মুদ্ৰিত
সূৰ্য্য কুমাৰ ভূঞা (১৯৬৩), পৃ: ২৬।


৩। মি: মিলচ্, মফেট (১৮৫৩)
"একাউন্ট অব আসাম' পৃ: ১।

৪। গেইট, ছাৰ এডৱাৰ্ড (১৯০৫)
পুনঃ মুদ্ৰিত ১৯৭৫ 'অসম বুৰঞ্জী' পৃ:১৩৩

৫। গেইট, ছাৰ এডৱাৰ্ড (১৯০৫)ঐ, পৃ: ৬ আৰু ১৩৩।


৬। ড° ৱেড, জে. পি.— পৃ: ৪৭

**মাজুলী**
**(১৬৪৯ খ্ৰী :ৰ আগৰ)**
**স্কেল :- ১ ছে:মি: ৯৬ কি:মি:**
**ব্ৰহ্মপুত্ৰ নদী আৰু ইয়াৰ উপনৈ দিহিং, দিখৌ, দিচাং, জাঁজী, ভোগদৈ আৰু ধনশিৰি আদি অৱস্থান**




(চাৰ এড্ৱাৰ্ড গেইটৰ মতে) মেপ নং-২

**মাজুলী**
**(১৬৪৯ খ্ৰী :ৰ আগৰ)**
**স্কেল ঃ- ১ ছে:মি: ৯৬ কি:মি:**
**ব্ৰহ্মপুত্ৰ নদী আৰু ইয়াৰ উপনৈ দিহিং, দিখৌ, দিচাং, জাঁজী, ভোগদৈ আৰু ধনশিৰি আদি অৱস্থান**




**(ড° পীটাৰ স্ক্ৰেভৰ মতে) মেপ নং - ৩**

সেয়ে মানুহে এই দুটা বানপানীক শঁকা-শাকিনী বানপানী বুলি কৈছিল। ১৬৯৬ খ্ৰী:ত হোৱা ভূমিকম্পৰ ফলত "শদিয়াত মাটি ফাটি মাগুৰ, কাবৈ মাছ ওলাল। পানীত বালি ওলাওঁতে ততো পৰ্বতো খহিল।" যদি অসমীয়া মানুহে ধৰি ৰখা বিশ্বাসমতে ১৭৩৫ খ্ৰী:ৰ প্ৰায় অৰ্ধ শতিকামানৰ আগতে এনে এটা পৰিৱৰ্তন হৈছিল, তেনেহ'লে ১৬৯১–১৬৯৬ খ্ৰী:ত হোৱা বানপানী আৰু ভূমিকম্পৰ ফলতেই ব্ৰহ্মপুত্ৰৰ গতিৰ বিচ্যুতি ঘটি মাজুলী দ্বীপ সৃষ্টি হৈছিল বুলি ক'ব পাৰি।[৭] আন এক তথ্যমতে ১৭৫০ খ্ৰী:ত হোৱা ডাঙৰ বানপানীৰ (ঘাৰমৰা সত্ৰৰ বুৰঞ্জী) আগলৈকে ব্ৰহ্মপুত্ৰ বৰ্তমানৰ খেৰকটীয়া সুঁতিয়েদি গতি কৰিছিল আৰু দিহিঙে হাবুং নামে ঠাইত ব্ৰহ্মপুত্ৰৰ লগত মিলিছিল; উক্ত বানপানীৰ ফলত ব্ৰহ্মপুত্ৰ দক্ষিণ-পশ্চিম ফালে গতি কৰি দিহিং, দিচাং আৰু দিখৌৰ মধ্যাংশইদি বৈ বৰ্তমানৰ অৱস্থাপ্ৰাপ্ত হয়।[৮]

১৭৫০ চনৰ আগলৈকে দিখৌ, মাজুলীৰ টুনী সুঁতি আৰু নগাঁও জিলাৰ কলং সুঁতি এখন উপনদীয়েই আছিল বুলি ধাৰণা কৰিব পাৰি। এই ধাৰণাৰ ওপৰত ভিত্তি কৰি ব্ৰহ্মপুত্ৰই ওপৰোক্ত উপনদীখনক তিনিটা ভাগত বিভক্ত কৰিছিল বুলি অনুমান কৰিব পাৰি। সেই কাৰণেই টুনী আৰু কলঙক ব্ৰহ্মপুত্ৰৰ সুঁতি বুলি কোৱা হয়।[৯]

এইদৰে অতীতৰ পৰা চলি অহা জন-বিশ্বাস আৰু বুৰঞ্জীবিলাক বিশ্লেষণ কৰি সিদ্ধান্তলৈ আহিব পাৰি যে অতীতৰ দিহিঙৰ গতিপথেই প্ৰকৃততে বৰ্তমানৰ ব্ৰহ্মপুত্ৰৰ গতিপথ। অতীজতে মাজুলী, ব্ৰহ্মপুত্ৰ আৰু দিহিঙৰ সংগম স্থলৰ মাজৰ এটা Doab আছিল, যাৰ উত্তৰে ব্ৰহ্মপুত্ৰ আৰু দক্ষিণে দিহিং প্ৰবাহিত হৈছিল। বহুতো পুৰণি পুথিত লখিমপুৰ জিলাক ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে আৰু মাজুলীক ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰে বুলি উল্লেখ কৰা হৈছিল— যিটোৱে প্ৰমাণ কৰে যে, মাজুলীৰ সৃষ্টি পলমকৈ হৈছিল।[১০] উল্লেখযোগ্য যে খ্ৰী: ১৬৬২ত মাজুলীত আউনীআটী, দক্ষিণপাট আৰু গড়মূৰ সত্ৰ প্ৰতিষ্ঠা হোৱাৰ সময়তো মাজুলী এটা নদী পৰিৱেষ্টিত দ্বীপ হোৱা নাছিল। ব্ৰহ্মপুত্ৰ নদীও আজিৰ দৰে দক্ষিণে নহৈ মাজুলীৰ উত্তৰেদিহে (য'ত আজিকালি লুইত বৈ গৈছে) বৈ গৈছিল। আমোদজনকভাৱে দক্ষিণপাট (সত্ৰৰ) নামটো লুইত বা ব্ৰহ্মপুত্ৰৰ দক্ষিণৰ স্থান হিচাপেহে ব্যৱহৃত হৈছিল। এইকথাই নিশ্চয়কৈ ভৌগোলিক অৱস্থিতিৰহে ইংগিত বহন কৰে।[১১]

বানপানী, ভূমিকম্প আদি প্ৰাকৃতিক দুৰ্যোগৰ ফলত ব্ৰহ্মপুত্ৰৰ গতিপথৰ পৰিৱৰ্তন হৈ এই বৈশিষ্ট্যপূৰ্ণ উচ্চ ভূ-ভাগৰ সৃষ্টি হৈছে; ফলত এই ভূ-ভাগত জন্মলগ্নৰে পৰা বানপানী হৈ থকা দেখা যায়। সকলো দিশ চালি-জাৰি চাই, মাজুলীয়ে স্বৰ্গদেউ চুক্লেনমুং (১৫৩৯-৫২ খ্ৰীষ্টাব্দ)ৰ ৰাজত্বকালৰ পিছতহে, বৰ্তমানৰ এই অৱস্থাপ্ৰাপ্ত হয় বুলি সিদ্ধান্ত ল'ব পাৰি আৰু ইয়াৰ আগতে এই দ্বীপ সৃষ্টি হোৱাৰ কোনো তথ্য পোৱা নাযায়।

---

৭। ড° ৰেড, জে. পি. — পৃ: ৪৭
৮। ড° ৰেড, জে. পি. — পৃ: ৩৬৯–৩৭২
৯। ফ্ৰেন্সিছ হেমিল্টন — পৃ: ২৪
১০। ৰাজকুমাৰ, সৰ্বানন্দ (১৯৬৪) "চুতীয়া, ভূঞা আৰু মটক ৰাজ্য' — পৃ: ৫ আৰু ৬
১১। শৰ্মা, তীৰ্থনাথ (১৯৭৫)— 'আউনীআটী সত্ৰৰ বুৰঞ্জী'



## মাজুলী দ্বীপ সৃষ্টিৰ সময়

বুৰঞ্জীয়ে ঢুকি পোৱা যুগৰ আগৰ পৰাই মাজুলী এটা দ্বীপ আছিল জানো ? মাজুলী কেতিয়া দ্বীপত পৰিণত হ'ল, এই সম্পৰ্কে অসমৰ বুৰঞ্জীত কোনো প্ৰত্যক্ষ উল্লেখ নাই। ড° ডম্বৰুধৰ নাথে তেখেতৰ এক প্ৰবন্ধত¹ মাজুলী দ্বীপ সৃষ্টিৰ প্ৰসংগত ১৬ ১–১৬ ৬ খ্ৰী:লৈ এই চাৰিবছৰ কাল মাজুলী দ্বীপ সৃষ্টিৰ বুৰঞ্জীত অতি গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰিছে। তেখেতে একে প্ৰবন্ধতে এই কথাও উল্লেখ কৰিছে যে দ্বীপ সৃষ্টিৰ গোটেই প্ৰক্ৰিয়াটো আৰম্ভ হৈ সম্পূৰ্ণ হোৱালৈকে 'পূৰ্ব-প্ৰস্তুতি আৰু সমাপ্তিকৰণ প্ৰক্ৰিয়া কিছু আগৰ পৰা কিছু পিছলৈ চলিছিল বুলি ক'ব পাৰি।' এনে প্ৰেক্ষাপটত মাজুলী দ্বীপৰ উৎপত্তি কেতিয়া হ'ল তাক ঠাৱৰ কৰিবলৈ চেষ্টা কৰা হৈছে।

ড° মহেশ্বৰ নেওগদেৱে সম্পাদনা কৰা আৰু অসম সাহিত্য সভাই প্ৰকাশ কৰা 'পৱিত্ৰ অসম'ত নকুলচন্দ্ৰ ভূঞাদেৱৰ এই বিষয়ে এটা লিখা সন্নিবিষ্ট কৰা হৈছে। ইয়াৰ মতে "জয়ধ্বজ ৰজাৰ দিনত, বৰ্তমান দিহিংমুখত লুইত আৰু দিহিং লগ লাগি মাজুলী দ্বীপ তৈয়াৰ কৰি বিশাল ব্ৰহ্মপুত্ৰ নৈখনৰ এটা ডাঙৰ সোঁত দক্ষিণলৈ অহাৰ আগতে লুইত ব্ৰহ্মপুত্ৰৰ উত্তৰে বৈছিল। লুইতৰ দক্ষিণে, দিখৌৰ উত্তৰে দিহিং নৈখন বৈ গৈ কাজিৰঙাৰ ওচৰত লুইত বা ব্ৰহ্মপুত্ৰত পৰিছিল।" জয়ধ্বজ সিংহৰ ৰাজত্বকাল ১৬৪৮ খ্ৰী:ৰ পৰা ১৬৬৩ খ্ৰী:লৈ— এতিয়াৰ পৰা মুঠেই তিনিশ পঞ্চাশ বছৰ আগৰ। দ্বীপ হিচাপে মাজুলীৰ জন্ম জানো তিনিশ পঞ্চাশ বছৰ আগতে হৈছিল ?

জয়ধ্বজ সিংহৰ দিনতেই ১৬৬২ খ্ৰী:ৰ জাৰকালি মিৰজুমলাই আহোম ৰাজ্য আক্ৰমণ কৰিছিল। মিৰজুমলাৰ নৌবাহিনী ব্ৰহ্মপুত্ৰেৰে উজাই আহিছিল, লগে লগে স্থলবাহিনী আগবাঢ়িছিল ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰেদি। কলিয়াবৰ পাৰ হৈ মিৰজুমলাৰ সৈন্যবাহিনীয়ে যিখন ঠাইত বাহৰ পাতিছিল, তাৰ নাম লখু বা লখুগড়। ছাৰ এডৱাৰ্ড গেইটৰ সুবিখ্যাত গ্ৰন্থ, 'A History of Assam'ত² এই বিষয়ে বৰ্ণনা কৰা হৈছে — "লখু দিহিং আৰু ব্ৰহ্মপুত্ৰৰ সেই সময়ৰ সংগমস্থানৰ ওচৰত। মাজুলীৰ উত্তৰেৰে বৈ যোৱা যিখন নৈক এতিয়া লোহিত বোলা হয়, সেই সময়ত ব্ৰহ্মপুত্ৰ এই সুঁতিৰেই বৈ গৈছিল। মাজুলীৰ দক্ষিণফালেদি যিটো সুঁতিৰে এতিয়া ব্ৰহ্মপুত্ৰ বৈ গৈছে সেই সুঁতিৰেই দিহিং বৈ গৈছিল; দিচাং আৰু দিখৌ এই দিহিঙতে পৰিছিল। এই দুয়োখন নৈৰ পানী লগত লৈ মাজুলীৰ পশ্চিম মূৰত দিহিং ব্ৰহ্মপুত্ৰৰ লগত মিলিত হৈছিল।" জয়ধ্বজ সিংহৰ দিনত মাজুলীৰ দক্ষিণৰ দিহিং আছিল এখন বাম নৈ। "সেই সময়ত দিহিং নৈখন ইমান বাম আছিল যে মিৰজুমলাৰ নৌবাহিনী দিহিঙেৰে আগুৱাব নোৱাৰিলে।" গতিকে নৌবাহিনী এৰি থৈ মিৰজুমলাই অকল স্থলবাহিনী লগত লৈয়েই দিখৌৰ পাৰত থকা আহোম ৰাজধানী গড়গাঁৱলৈ আগবাঢ়িল। এই খবৰ পাই জয়ধ্বজ সিংহ নামৰূপলৈ পলাই গ'ল আৰু 'ভগনীয়া ৰজা' নামেৰে বুৰঞ্জীত কুখ্যাতি অৰ্জন কৰিলে। এই সময়ত দিহিঙৰ উত্তৰলৈ থকা মাজুলীত আহোম সৈন্যৰ এটা কোঠ আছিল। মিৰজুমলাৰ সেনাপতি ইবন হুছেইনে আহোমৰ এই সৈন্যবোৰক সঘনাই আক্ৰমণ কৰি ব্যতিব্যস্ত কৰি ৰাখিলে যাতে তেওঁলোকে মিৰজুমলাই এৰি থৈ যোৱা নৌবাহিনীৰ ক্ষতি কৰিব নোৱাৰে। ইয়াৰ পৰা সহজেই অনুমান কৰিব পাৰি যে এইখন দিহিং পাৰ হোৱাটো লুইত পাৰ হোৱাৰ নিচিনা দুঃসাধ্য নাছিল। গতিকে জয়ধ্বজ সিংহৰ দিনত "বিশাল ব্ৰহ্মপুত্ৰ নৈখনৰ এটা সোঁত দক্ষিণলৈ বৈ আহে" বোলা কথাটো বুৰঞ্জীয়ে সমৰ্থন নকৰে। গেইটে দিহিং আৰু ব্ৰহ্মপুত্ৰৰ সংগমস্থান মাজুলীৰ পশ্চিম মূৰত বুলি কোৱাৰ পৰা এইটোও অনুমান কৰিব পাৰি যে, তেতিয়ালৈকে বৰ্তমানৰ দিহিংমুখত দিহিং লুইতত পৰা নাছিল; সেই সময়ত এটুকুৰা ঠেক মাটিৰে মাজুলী পূব মূৰত ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ সমতল ভূমিৰ লগত সংলগ্ন হৈ আছিল।

১. 'লুইতৰ মাজুলী—মাজুলী দ্বীপ : ইয়াৰ সৃষ্টি আৰু ঐতিহাসিক অৱস্থান' [Souvenir, North East India History Association, XIV Annual Conference, P 81]

২ ক) A History of Assam— Sir Edward Gait, পৃ: ১৩৬, ১৩৭, ১৪১ চাওক।

খ) অসমৰ নদ-নদী— ড° যোগেন্দ্ৰ নাথ শৰ্মা; পৃ: ২৩, জনশ্ৰুতি মতে ১৭৫০ চনত হোৱা বানপানী।

মাজুলী তেতিয়া দ্বীপ নাছিল, আছিল উপদ্বীপ। তেনেহ'লে কোন সময়ত ব্ৰহ্মপুত্ৰ মাজুলীৰ দক্ষিণলৈ আহিল ?

ওঠৰ শতিকাৰ শেষভাগত যেতিয়া আহোমৰ শাসন-ব্যৱস্থা ভাগি পৰিল, তেতিয়া গৌৰীনাথ সিংহৰ আমন্ত্ৰণত ইষ্ট ইণ্ডিয়া কোম্পানিৰ এজন বিষয়া কেপ্টেইন বেলছ ১৭৯২ খ্ৰী:ত অসমলৈ আহিছিল। তেওঁৰ লগত আহিছিল এজন ইংৰাজ ডাক্তৰ। নাম— জন পিটাৰ বেড (John Peter Wade)। বেডে ১৮০০ খ্ৰী:ত An Account of Assam নামেৰে এখন প্ৰতিবেদন লিখিছিল; পাছলৈ স্বৰ্গীয় বেণুধৰ শৰ্মাদেৱৰ সম্পাদনাত ইয়াক কিতাপ হিচাপে প্ৰকাশ কৰা হয়। বেডে মাজুলীৰ বৰ্ণনাৰ উপৰিও সেই সময়ত লুইত-ব্ৰহ্মপুত্ৰৰ বিষয়ে সৰ্বসাধাৰণৰ মাজত থকা ধাৰণাৰো উল্লেখ কৰিছে। তেতিয়াৰ প্ৰচলিত ধাৰণা মতে, একেখন ঠাইৰ পৰাই তিনিখন লুইতৰ উৎপত্তি হৈছে; 'চিৰি লুইত' উত্তৰলৈ বৈ গৈ সাগৰত পৰিছে, 'বুঢ়া লুইত' দক্ষিণলৈ ব্ৰহ্মদেশৰ মাজেৰে বৈ গৈছে, 'ডেকা লুইত' বা 'লুইত'ৰেই আনটো নাম ব্ৰহ্মপুত্ৰ। ই শদিয়াৰ দাঁতিয়েদি পশ্চিমলৈ 'অসম আৰু কামৰূপ'ৰ মাজেদি বৈ গৈছে। এইখিনিতে ক'ব পাৰি যে, সেই সময়ত ব্ৰহ্মকুণ্ডৰ পৰা ওলোৱা লোহিতকেই ব্ৰহ্মপুত্ৰৰ আদি সুঁতি বুলি ভবা হৈছিল। সম্ভৱতঃ লোহিতৰ দক্ষিণ দিশৰ শাখানদী ন-দিহিঙকেই 'বুঢ়া-লুইত' বোলা হৈছিল আৰু উত্তৰৰ পৰা বৈ অহা দিহিঙকেই 'চিৰি-লুইত' বুলি ভবা হৈছিল। 'শদিয়াৰ দাঁতিৰে বৈ যোৱা নৈখন কিছুদূৰত দুটা সুঁতিত ভাগ হৈছে। প্ৰথমটো সুঁতি উত্তৰ-পশ্চিম দিশলৈ গৈ তাৰ পৰা দক্ষিণ-পশ্চিম দিশলৈ বৈ গৈছে, এইটো সুঁতিৰ নাম লুইত। দ্বিতীয় আৰু ডাঙৰ সুঁতিটোৰ নাম দিহিং; ই প্ৰথমতে দক্ষিণমুৱাকৈ বৈ গৈ সোণাৰী নৈ, দেওৰগাঁও (বৰ্তমানৰ দেৰগাঁও) ইত্যাদিৰ দাঁতিৰে পশ্চিমলৈ বৈ গৈ কলিয়াবৰৰ চল্লিছ মাইলমান উজনিলৈ লুইতৰ লগত মিলিত হৈছে।''[৩] ইয়াৰ মাজতেই আছে মাজুলী, বেডৰ ভাষাত Majuli or the Great Island. গতিকে ১৮০০ খ্ৰী:ৰ আগতেই ব্ৰহ্মপুত্ৰৰ প্ৰধান সোঁত মাজুলীৰ দক্ষিণলৈ অহাটো খাটাং।

কোনটো প্ৰাকৃতিক মহা বিপৰ্যয়ৰ ফলত ব্ৰহ্মপুত্ৰ মাজুলীৰ উত্তৰৰ পৰা দক্ষিণলৈ আহিল আৰু মাজুলী দ্বীপত পৰিণত হ'ল ? বুৰঞ্জীয়ে ঢুকি পোৱা সময়ত ব্ৰহ্মপুত্ৰ উপত্যকাৰ সমতল ভূমিত নৈৰ সুঁতি সলনি হোৱাৰ উদাহৰণবোৰৰ লগত ৰিজাই ইয়াৰ উত্তৰ বিচাৰি চোৱাটো সমীচিন হ'ব। ব্ৰহ্মপুত্ৰ উপত্যকাৰ জলবহন প্ৰণালীৰ দুটা কাৰণত যুগে যুগে পৰিৱৰ্তন হৈছে; প্ৰথমটো ভূমিকম্প, দ্বিতীয়টো অভূতপূৰ্ব বানপানী। অসমত আধুনিক কালৰ দুটা প্ৰলয়ংকৰী ভূমিকম্পৰ প্ৰথমটো হৈছিল ১৮৯৭ খ্ৰী:ত, দ্বিতীয়টো ১৯৫০ খ্ৰী:ত। ১৯৫০ খ্ৰী:ৰ ভূমিকম্পৰ ফলত অৰুণাচলত হোৱা ভূমিস্খলনে দিবাং, লোহিত আৰু ন-দিহিঙৰ তলি আঢ়ৈ মিটাৰৰ পৰা তিনিমিটাৰলৈকে বাম কৰি পেলালে। ভূমিকম্পৰ আগতে ১৯৫০ খ্ৰী:ৰ জানুৱাৰী মাহত ডিব্ৰুগড়ৰ ওচৰত ব্ৰহ্মপুত্ৰৰ সৰ্বনিম্ন জলপৃষ্ঠৰ উচ্চতা আছিল ৩২৫ ফুট (৯৭.৫ মিটাৰ)। ভুঁইকঁপৰ পাছত ১৯৫১ খ্ৰী:ৰ জানুৱাৰীত ই হ'লগৈ ৩৩১ ফুট (৯৯.৩ মিটাৰ)। ১৮৭৬ খ্ৰী:ত প্ৰকাশ কৰা গুণাভিৰাম বৰুৱাৰ 'আসাম বুৰঞ্জী'ৰ মতে ''এই দেশৰ চাৰিওফালে পৰ্ব্বত থকাত আৰু কয়লা ইত্যাদিৰ আকৰ থকাত সময়ে সময়ে বড় ভূমিকম্প হয়।''[৪] ''ৰবিনসন সাহাবে তেওঁৰ বুৰঞ্জীত লিখিছে যে ইংৰাজী ১৬০৭ খ্ৰী:ত এনেহে ভূমিকম্প হইছিল যে কোনো কোনো সৰু পৰ্ব্বতো তললৈ গইছিল।[৫] প্ৰথমবাৰ মান অহাৰ পূৰ্বে এবাৰ এনে ভূমিকম্প হইছিল যে লোকে কয় বোলে সেই নিমিত্তেহে দেশত উৎপাত হ'ল।'' ইয়াত উল্লেখ কৰা ৰবিনছন চাহাবে ১৮৪১ খ্ৰী:ত ৰচনা কৰা বুৰঞ্জীখনৰ নাম Descriptive Accounts of Assam. গোলাপচন্দ্ৰ বৰুৱাই সম্পাদনা কৰা আৰু ইংৰাজী অনুবাদেৰে সৈতে টাই ভাষাত লিখা 'Ahom Buronji'ৰ মতেও ''লাক্‌নি খুট্‌চিংগা বছৰত (১৫৯৬

৩। An Account of Assam— Dr. John Peter Wade, F.R.A.S.; *Edited by Benudhar Sharma.*
পৃ: ৩৬৭ আৰু ৩৬৮ চাওক।
বেডে মাজুলীৰ দক্ষিণৰ ডাঙৰ সুঁতিটোৰ নাম 'দিহিং' বুলি লিখিছে। এয়া ইং ১৮০০ চনত।
ক) গেইটৰ A History of Assamৰ পৃ: ২০২ চাওক
খ) বুৰঞ্জী সাহিত্য— লীলা গগৈ।

৪। কোন সময়ত কি কাৰণত ব্ৰহ্মপুত্ৰৰ প্ৰধান সোঁত মাজুলীৰ উত্তৰৰ পৰা দক্ষিণলৈ আহিল অসমৰ বুৰঞ্জীত তাৰ কোনো প্ৰত্যক্ষ উল্লেখ নাই। গতিকে একমাত্ৰ উপায় হৈছে সমতল ভূমিত ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ শাখা-নদীবোৰৰ কোন কাৰণত কোন ধৰণৰ পৰিৱৰ্তন হৈছিল তাক ৰিজাই চোৱা। অসমৰ ভিতৰত ব্ৰহ্মপুত্ৰ আৰু শাখা-নদীবোৰৰ কুৰি শতিকাত এনে পৰিৱৰ্তন হৈছে ভূমিকম্পৰ ফলত— ১৮৯৭ আৰু ১৯৫০ চনত।
৫) আসাম বুৰঞ্জী— গুণাভিৰাম বৰুৱা (Published in 1884 AD), পৃ: ৩।

খ্ৰী:ত) এটা প্ৰলয়ংকৰী ভূমিকম্প হয়।"৬ গতিকে যোল শতিকাৰ শেষভাগত বা সোতৰ শতিকাৰ আদিতে এটা ডাঙৰ ভূঁইকঁপ হোৱাটো নিশ্চিত। কিন্তু এয়াতো জয়ধ্বজ সিংহৰ ৰাজত্বকালৰ আগৰ ঘটনা। মিৰজুমলাৰ আক্ৰমণৰ সময়তো ব্ৰহ্মপুত্ৰ মাজুলীৰ উত্তৰেই বৈ আছিল।

মাজুলীৰ নিচিনাকৈ ব্ৰহ্মপুত্ৰৰ সুঁতি সলনিৰ আনটো ঘটনা ঘটিছে ইংৰাজী ১৭৮৭ খ্ৰী:ত, বৰ্তমান বাংলাদেশৰ ভিতৰত। ব্ৰহ্মপুত্ৰ নদীখন সামগ্ৰিকভাৱে অধ্যয়ন কৰিলেহে এই নদীখনত হোৱা ভূতাত্ত্বিক পৰিৱৰ্তনবিলাকৰ বিষয়ে সম্যক ধাৰণা কৰা সম্ভৱ হ'ব। সেয়েহে বাংলাদেশৰ ভিতৰত পলসভূমিত এই নদীখনৰ সুঁতি সলনি হোৱা ঘটনাৰ লগত মাজুলীৰ সমীপত হোৱা পৰিৱৰ্তন ৰিজাই চোৱাটো যুক্তিযুক্ত হ'ব।

বাংলাদেশৰ ভিতৰত ব্ৰহ্মপুত্ৰৰ নাম যমুনা আৰু গংগা নদীৰ নাম পদ্মা। ১৭৮৭ খ্ৰী:ৰ আগলৈকে হিমালয়ৰ পৰা দক্ষিণলৈ বৈ অহা তিস্তা নদী গংগাতহে পৰিছিল। ১৮৮৭ খ্ৰী:ত তিস্তা নদীত অভূতপূৰ্ব বানপানী হয়। তিস্তাৰ ওপৰঞ্চি পানী পূবলৈ এটা পৰিত্যক্ত নলাৰে বৈ গৈ ব্ৰহ্মপুত্ৰত পৰিল। কিছুদিনৰ পিছত এইটোৱেই হৈ পৰিল তিস্তাৰ নতুন আৰু প্ৰধান সুঁতি। এই সময়লৈ ব্ৰহ্মপুত্ৰৰ এটা Spill channel আছিল। নাম কোনাই-জেনাই; অসমৰ ভিতৰত থকা কলঙৰ নিচিনা। তিস্তাই ওপচাই পেলোৱা ব্ৰহ্মপুত্ৰৰ পানী এই কোনাই-জেনাইৰে ব'বলৈ ধৰিলে। ক্ৰমে ক্ৰমে ডাঙৰ হৈ গৈ ১৮১০ খ্ৰী:ত ইয়ে হৈ পৰিল ব্ৰহ্মপুত্ৰৰ প্ৰধান সুঁতি— যমুনা। মৈমনসিং চহৰৰ দাঁতিৰে বৈ যোৱা পুৰণি সুঁতিটোক এতিয়াও ব্ৰহ্মপুত্ৰ বোলা হয়। এই প্ৰাকৃতিক ঘটনাটোৱে পূৰ্ণৰূপ পাওঁতে ১৭৮৭ খ্ৰীষ্টাব্দৰ পৰা ১৮১০ চনলৈ ২৩ বছৰ লাগিল। মাজুলীৰ ক্ষেত্ৰতো অনুৰূপ ঘটনা হোৱাৰ সম্ভাৱনা আছে। ৰুদ্ৰসিংহৰ দিনত ১৬১৮ শকত (ইং ১৬৯৬ খ্ৰী:) হোৱা শদিয়াৰ ভূমিকম্পই দিবাং উপত্যকাত আনিব পৰা পৰিৱৰ্তনে এনে বানপানীৰ সূচনা কৰিব পাৰে।৭

মৈমনসিং নগৰৰ দাঁতিয়েদি ১৭৮৭ চনলৈকে বৈ যোৱা ব্ৰহ্মপুত্ৰৰ সুঁতিটো ১৮১০ চনত হ'লগৈ মৰা ব্ৰহ্মপুত্ৰ। মৈমনসিং নগৰৰ ওচৰত এনেকৈ ব্ৰহ্মপুত্ৰ পূবৰ পৰা পশ্চিমলৈ প্ৰায় ৭০ কিল'মিটাৰ আঁতৰি আছিল। যদিও আহোম বুৰঞ্জীত প্ৰত্যক্ষভাৱে উল্লেখ কৰা নাই, মাজুলীৰ ক্ষেত্ৰতো একেধৰণৰ ঘটনাই ঘটিছে বুলি গেইটৰ বুৰঞ্জীত জনশ্ৰুতিৰ (common tradition) ওপৰত নিৰ্ভৰ কৰি লিখা হৈছে। এই জনশ্ৰুতিৰ মতে, দিবাং নদীত ১৭৩৫ চনত হোৱা এটা ডাঙৰ বানপানীৰ ফলতেই ব্ৰহ্মপুত্ৰ মাজুলীৰ উত্তৰৰ পৰা দক্ষিণলৈ আহিল। সেইকালৰ পৰা চাবলৈ গ'লে দ্বীপ হিচাপে মাজুলীৰ অস্তিত্ব মুঠেই দুশ পয়ষঠি বছৰ। জনসাধাৰণৰ মাজত থকা আন এটা কিংবদন্তিৰ কথাও গেইটে উল্লেখ কৰিছে। "সৰ্বসাধাৰণৰ মাজত এটা ধাৰণা আছে যে এই সময়ৰ (জয়ধ্বজ সিংহৰ দিনৰ) বহু আগতে দিহিং নৈখন বৰ্তমানৰ দিহিংমুখৰ পূবলৈহে ব্ৰহ্মপুত্ৰত পৰিছিল। কিংবদন্তিৰ মতে আগৰ দিনত দিখৌ নৈখন কাজলীমুখলৈ বৈ গৈছিল; ইয়াৰে এটা অংশই বৰ্তমানৰ মাজুলীৰ মাজেদি বৈ যোৱা টুনী নদী, আনটো নগাঁৱৰ কলং।"

এইখিনিতে মাজুলীৰ মানচিত্ৰত থকা কেইটামান বৈশিষ্ট্যলৈ আঙুলিওৱা উচিত হ'ব। ইয়াত দেখা যাব যে দিহিং নৈখন যেন দিহিংমুখৰ পৰা আৰু অলপ আগলৈ পোনে পোনে বৈ গ'লেই খেৰকটীয়া সুঁতিত মিলি গ'লহেঁতেন। দিখৌ নৈখনো পোনে পোনে আগলৈ বৈ গ'লে টুনী নৈত লগ লাগিলহেঁতেন । গেইটে উল্লেখ কৰা কিংবদন্তিক ইয়েই সমৰ্থন কৰে। প্ৰণিধানযোগ্য এই যে এই লেখকৰে মাজুলী দ্বীপ সৃষ্টি সম্পৰ্কীয় এক প্ৰবন্ধৰ প্ৰক্ষিপ্তত৮ নুৰুল আমিনে কিংবদন্তিৰ বাহিৰেও ব্ৰহ্মপুত্ৰ-দিহিঙৰ পূৰ্বৰ সংগমস্থলৰ বিষয়ে কিছু তথ্যৰ সন্তেদ দিছে আৰু এই ক্ষেত্ৰত বৰ্তমান মাজুলীত থকা টুনী নৈখনক এক সাক্ষী হিচাপে লোৱাৰ পোষকতা কৰিছে। "বুৰঞ্জীৰ মতেও টুনী দিখৌৰ বিচ্ছিন্ন অংশ। নৈ দুখনৰ অৱয়বৰ (Morphology) মাজত থকা সাদৃশ্যৰ পৰা এই সম্ভাৱনা আৰু দৃঢ় হয়। কিয়নো টুনী নৈৰ অৱয়ব ব্ৰহ্মপুত্ৰৰ এৰা সুঁতিৰ (বা সুঁতি) দৰে নহয়। ই নিশ্চয়কৈ ব্ৰহ্মপুত্ৰৰ দক্ষিণৰ কোনো নৈৰ অংশ। অৱস্থান আৰু অৱয়বৰ দিশৰ পৰা ই দিখৌৰ লগত সহজে খাপ খায়। যদি টুনী নৈক নৈ এখন পূৰ্ণ দিখৌ নৈ কল্পনা কৰা হয়, তেন্তে তাত দিহিঙৰ দৰে এখন নৈ থকাৰ কোনো

ব্ৰহ্মপুত্ৰ আৰু খেৰকটীয়া-লোহিত আৱেষ্টিত মাজুলীৰ উৎপত্তিৰ সম্পৰ্কে বিভিন্নজনৰ বিভিন্ন মত পোৱা যায়। অৱশ্যে ব্ৰহ্মপুত্ৰ

৬) Ahom Buronji— Translated and edited by G. C. Barua; Spectrum Publications, Guwahati, 1985. p. 52; 81.

৭) চাওক--- Encyclopedia Britannica, 1985 edition, Vol. 14, p.-268.

৮) 'প্ৰান্তিক', ১—১৫ ফেব্ৰুৱাৰী, ২০০১, পৃ: ২১।

অৱকাশেই নাই। এই অৱস্থাই ব্ৰহ্মপুত্ৰ-দিহিঙৰ সংগমস্থল বৰ্তমানতকৈ আৰু পূবত থকাটোকে সমৰ্থন কৰে। হয়তো সেই সময়ত দিখৌ নৈ বৰ্তমানৰ শিৱসাগৰ অংশৰ লগতে মাজুলীৰ মাজেৰে পশ্চিমলৈ বৈ গৈছিল। বেণুধৰ শৰ্মাৰ মতে, বৰ্তমানৰ কলং নৈখনো দিখৌৰেই অংশ। বুৰঞ্জীৰ এই মতামতক একাষৰীয়া কৰি থ'লেও এটা কথা লক্ষণীয় যে কলং নৈৰ অৱয়বৰ বিভিন্ন উপাদানে এটা কথাকে সূচায় যে কলং নিশ্চিতৰূপে উজনিৰ কোনো নৈৰ নামনি ভাগহে। সেয়া ধনশিৰিৰ পৰা দিখৌলৈকে যি কোনো এখন হ'ব পাৰে। বৰ্তমান কলিয়াবৰ অঞ্চলত থকা মৰিকলঙৰ অংশবোৰে ইয়াৰেই সাক্ষী বহন কৰিছে। এই ক্ষেত্ৰত অবৈজ্ঞানিক অধ্যয়নৰ অতিকৈ প্ৰয়োজন।

যিটো ঘটনাৰ বাবে ব্ৰহ্মপুত্ৰ-দিহিঙৰ সংগমস্থল মাজুলীৰ পূবৰ পৰা পশ্চিমলৈ গ'ল; সেইটো সাধাৰণ ঘটনা নহয়। কাৰণ এই ঘটনাই দিহিঙক এনে শক্তি প্ৰদান কৰিছিল যে ই দিখৌক ছিঙি দুডোখৰ কৰি নিজৰ গতিপথ উলিয়াই লৈছিল। 'River Capture'ৰ দৰে ঘটনা সাধাৰণতে ঘটে, য'ত শক্তিশালী নদীখনে সৰু বা দুৰ্বল নৈক নিজৰ মাজত বিলীন কৰি দিয়ে; কিন্তু বৈ থকা নৈ এখন দুডোখৰ কৰাটো এটা অসাধাৰণ ঘটনা। সেই সময়ত দিহিঙৰ পানী ইতিমধ্যে অৱস্থান কৰি থকা টুনী নৈৰ বুকুৰে নগৈ নিজে বাট উলিয়াই ল'লে। ইয়াৰ পাছৰ পৰ্যায়ত মাজুলীৰ উত্তৰেৰে বৈ থকা ব্ৰহ্মপুত্ৰ মাজুলীৰ দক্ষিণেৰে ব'বলৈ লয়।"

উল্লিখিত পৰিৱৰ্তন ১৭৩৫ খ্ৰী:ত ঘটাৰ প্ৰসংগত আমিনে আৰু কিছু তথ্য সংযোজন কৰিছে এনেদৰে— "বেণুধৰ শৰ্মাৰ ৰচনাৱলীত (পৃ: ৩৩৩-৪) উল্লেখ কৰামতে ১৬৭১ খ্ৰী:ৰ কাতি মাহত প্ৰথমে ব্ৰহ্মপুত্ৰৰ এটা অংশ ভাগি আহি দিহিঙৰ বুকুত পৰেহি। কাতি মাহৰ সময়লৈ চাই এই পৰিৱৰ্তন বানপানীৰ বাহিৰে অন্য কাৰণ হোৱাৰ সম্ভাৱনা বেছি। বেণুধৰ শৰ্মাৰ মতে, "১৭০২ শক (১৭৮০ খ্ৰী:) মানত দিহিং নৈত শঁকা-শাকিনী নামে বৰধল পানী এটা অহাত সেই পানীয়ে থল-পৰ্বত তল নিয়াই একাকাৰ কৰিলে। তেতিয়াই আগেয়ে দিহিং বৈ থকা পোনেই ব্ৰহ্মপুত্ৰৰ ভৰা সোঁতা হ'ল। বগা দমৰা বৰফুকনে (কাপ্টান ৱিলকক্সক) কোৱামতে এই ধল আহিছিল ১৬৫৭ শক বা ১৭৩৫ খ্ৰী:ত।" গতিকে ব্ৰহ্মপুত্ৰই নিজৰ গতিপথ এৰি দিহিঙৰ পথ বোধহয় একেবাৰে লোৱা নাছিল। গোটেই প্ৰক্ৰিয়াটো সম্পূৰ্ণ কৰোঁতে হয়তো ৬৫ৰ পৰা ১১০ বছৰৰ ভিতৰত সময় লৈছিল আৰু এই সময়ছোৱাহে মাজুলী ব্ৰহ্মপুত্ৰৰ বুকুৰ মাজত আছিল। অৱশ্যে পাছৰ কালছোৱাত ব্ৰহ্মপুত্ৰৰ এটা সুঁতি মাজুলীৰ উত্তৰেৰে বৈ থাকিলেও বৰ্তমান সিও প্ৰায় অস্তিত্বহীন।"

উল্লেখনীয় এই যে সত্তৰৰ দশকৰ বান-নিয়ন্ত্ৰণ বিভাগে মাজুলীৰ পূবমূৰত এটা ভেটা বান্ধি খেৰকটীয়া সুঁতিটো বন্ধ কৰি দিছে। এই দ্বীপটো এতিয়া লখিমপুৰ জিলাৰ সমতল ভূমিৰ লগত সংলগ্ন হৈ পৰিছে।



## প্ৰাক্-স্বাধীন যুগৰ মাজুলী

মাজুলীৰ প্ৰাচীন ইতিহাস পাবলৈ নাই। কিম্বদন্তিয়ে কয়, মাজুলীৰ ৰতনপুৰত ৰামচন্দ্ৰ নামৰ এজন ৰজাই ৰাজধানী পাতি এই অঞ্চল শাসন কৰিছিল। ৰতনপুৰ পাছলৈ আন ৰজাৰো ৰাজধানী আছিল বুলি জানিব পাৰি। ছাৰ এডৱাৰ্ড গেইটৰ মতে কুশাৰণ নামে এজন ৰজায়ো এই অঞ্চলত শাসন কৰিছিল। এইজনা ৰজাৰ পিতাকৰ নাম আছিল হৰবিন্দু। 'দীপিকা চন্দ' নামৰ পুথিৰ মতে, এওঁ একেধাৰে গৌড়, কামৰূপ আৰু জয়ন্তীয়া ৰাজ্যতো শাসন বিস্তাৰ কৰিছিল। এইজনা ৰজাৰ শাসনকাল নিৰ্ণয় কৰা সম্ভৱ নহয়; এওঁ সম্ভৱ অতি পুৰণি কালৰ ৰজা আছিল। ব্ৰহ্মপুত্ৰৰ গতি পৰিবৰ্তন হোৱাত প্ৰাচীন যুগৰ ৰতনপুৰৰো সীমা আজি একেদৰে থকা নাই। গেইট চাহাবে এই সন্দৰ্ভত লিখিছে, "তাহানিৰ ৰতনপুৰ খহনীয়াত জাহ গ'ল।"

ৰতনপুৰত ৰাজধানী পতা ৰামচন্দ্ৰ ৰজাৰ পুতেকৰ নাম আছিল আৰিমত্ত। আৰিমত্ত বৰ পৰাক্ৰমী ৰজা আছিল বুলি কিম্বদন্তিয়ে কয়। নগাঁৱৰ চহৰী মৌজাত শাসন কৰি গড়মৰা ৰজা জোঙাল বলহুও এওঁৰে পুতেক আছিল বুলি গেইট চাহাবৰ বুৰঞ্জীত আছে। ৰামচন্দ্ৰ ৰজাৰ আন নাম প্ৰতাপ সিংহ। পত্নীৰ নাম চন্দ্ৰপ্ৰভা (কামৰূপৰ বুৰঞ্জী)। জীতাৰি বংশৰ ধৰ্মপাল নামৰ ৰজাৰ ৰামচন্দ্ৰ নাতিনিয়েক আছিল। এওঁলোক কূলত ক্ষত্ৰিয়। পদ্মনাথ গোহাঞি বৰুৱাৰ মতে, জোঙাল বলহু আৰিমত্ত ৰজাৰহে নাতি আছিল। ৰামচন্দ্ৰ ৰজাৰ পাঁচোটা সুকীয়া সুকীয়া নাম থকাৰ কথা জনা গৈছে। সেইকেইটা হ'ল— ৰামচন্দ্ৰ, প্ৰতাপ চন্দ্ৰ, ৰতনপুৰীয়া, মীনাংক (হাতত মাছৰ চিহ্ন থকাৰ কাৰণে) আৰু মায়ামত্ত। মাজুলীৰ ৰতনপুৰত ৰাজ্য পতাৰ কাৰণে এওঁ মায়ামত্ত নাম পাইছিল। আৰিমত্ত বৰ পৰাক্ৰমী ৰজা আছিল। এওঁ কামৰূপৰ বেদ্যগড় নামৰ ঠাইত সদৰ পাতি প্ৰায় সমগ্ৰ কামৰূপকে নিজৰ অধীনলৈ আনিছিল বুলি লোকশ্ৰুতি আছে। যি সময়ত ৰজা ৰামচন্দ্ৰৰ ৰাজধানী ৰতনপুৰত আছিল, সেই সময়তে তেওঁৰ পত্নী ব্ৰহ্মপুত্ৰত ডুবিছিল; নীলাচলৰ ওচৰতহে এজন ব্ৰাহ্মণে পাই উদ্ধাৰ কৰে। পানীত পৰাৰ সময়ত এওঁ সগৰ্ভা আছিল। ব্ৰাহ্মণৰ ঘৰত এওঁ এটি পুত্ৰ সন্তান জন্ম দিয়ে। এই পুত্ৰ সন্তানটিয়ে ডাঙৰ হৈ আৰিমত্ত নাম লয়। কিম্বদন্তি চলি আহিছে— আৰিমত্তৰ দৰে এওঁৰ কুঁজ থকাৰ কাৰণে হেনো এনে নাম পাইছিল। আৰিমত্তৰ ভাৰ্যাৰ নাম ৰত্নমালা। গোহাঞি বৰুৱাৰ মতে আৰিমত্তৰ জন্ম ১৩০০ খ্ৰীষ্টাব্দত। যদি এই তাৰিখ শুদ্ধ হয়, তেনেহ'লে চুকাফাই অসমত প্ৰৱেশ কৰাৰ সময়ত, মাজুলীৰ একাংশত ৰতনপুৰ সামৰি ৰামচন্দ্ৰৰ ৰাজত্ব চলিছিল। আৰিমত্তক কেন্দ্ৰ কৰি উজনি-নামনিৰ সকলো ঠাইতে অনেক কাহিনী চলি আহিছে। সেইবিলাক ইয়াত আলোচনা কৰি লাভ নাই। এটা কথা প্ৰতীয়মান হয় যে, আৰিমত্তই অসমত ৰাজত্ব কৰা কালত পাল ব শ লোপ পাইছিল। আৰিমত্তৰ পিতৃ ৰামচন্দ্ৰ বা মায়ামত্তই লৌহিত্যৰ উত্তৰ-দক্ষিণ দুয়ো পাৰতে আধিপত্য বিস্তাৰ কৰিছিল। অৱশ্যে, সমগ্ৰ অসমত এওঁৰ ৰাজত্ব চলিছিল বুলি ক'লে শুদ্ধ নহ'ব। এই কালছোৱাত মাজুলীৰ ঠাই বিশেষে ভূঞাৰো ৰাজত্ব চলিছিল। বাৰভূঞাৰ বুৰঞ্জীত পোৱা যায়, 'ধুঞাহাট' শব্দটো ভূঞাহাটৰ অপভ্ৰংশহে। শ্ৰীশ্ৰীশংকৰদেৱে ভূঞাহাট নিৰাপদ স্থান বুলিয়ে বাছি লৈছিল।

১২০০ শতিকাৰ প্ৰাৰম্ভত মাজুলীৰ ভৌগোলিক অৱস্থা আজিৰ দৰে নাছিল। সেই সময়ত লৌহিত্য বা লোহিত ঠেক পথেৰে মাজুলীৰ উত্তৰে বৈ গৈছিল। মাজুলীৰ দক্ষিণলৈ আছিল দিহিং নদীৰ পথ। কোনো নৈসৰ্গিক কাৰণত লোহিতে দিহিঙৰ পথ গ্ৰাস কৰি পুনৰ লখৌৰ ওচৰত পুৰণি পথতে মিলি যায়। লগে লগে মাজুলী এটা নদী-দ্বীপত পৰিণত হয়। এই ঘটনাৰ সঠিক সময় ঠাৱৰ কৰাটো বৰ সহজ নহয়। মীৰজুমলাৰ অসম আক্ৰমণৰ সময়ত দিহিঙৰ ঠাইত 'ব্ৰহ্মপুত্ৰ' শব্দৰ ব্যৱহাৰ পুৰণি বুৰঞ্জীত আছে। অৱশ্যে, কমলেশ্বৰ সিংহ স্বৰ্গদেউৰ দিনতো দিহিং নামটো লোপ পোৱা নাছিল। গেইট চাহাবৰ অসম বুৰঞ্জীৰ পৰা জনা যায় যে এসময়ত দিখৌমুখ বোলা ঠাইখনৰো অৱস্থিতি বৰ্তমানৰ দৰে নাছিল। এই সন্দৰ্ভত ছাৰ এডৱাৰ্ড গেইটৰ বুৰঞ্জীৰ পৰা প্ৰয়োজনীয় অংশ উদ্ধৃত কৰি দিয়া হ'ল:—

"Lakhau lies at what was then the confluence of the Dihing and the Brahmaputra. At the period in question, the latter river flowed down the course of what is now called the Lohit river, along the north of the Majuli island, while the Dihing flowed the present

channel of the Brahmaputra to the south of it, and after receiving the waters of Disang and Dikhau united with the Brahmaputra at its western extremity. At a still earlier period, the Dihing is believed to have flowed into the Brahmaputra further east than Buri Dihing does now. At that time, according to native tradition, the Dikhau had an independent course as far as Kajalimukh, part of which still survives in Majuli as the Tuni river, and part in Nowgang as the Kallang.'' কামৰূপৰ বুৰঞ্জী মতেও, চন্দ্ৰহাস নামৰ এজন প্ৰাক্‌আহোম যুগৰ ৰজাৰ দিনত দিহিং মেৰাবিলেদি গৈ লোহিতত পৰিছিল। পাছৰ যুগত সেই পথেদিয়েই সম্ভৱ লোহিতে দিহিং নদীৰ পথটো ল'বলৈ আগবাঢ়ি আহিছিল। গেইট চাহাবে লিখা মতে; টুনী নৈখন প্ৰকৃততে দিখৌহে। 'টুনীমুখ' নামৰ সলনি বহুতে আজিও মাজুলীৰ সেই অংশক দিখৌমুখো বোলে।

স্বৰ্গীয় হৰিনাৰায়ণ দত্তবৰুৱাই অৱশ্যে তাহানিৰ 'আৱাহন'ত (৬ষ্ঠ বছৰ, ২য় সংখ্যা) লিখিছিল যে, মাজুলীৰ ৰামচন্দ্ৰ ৰজাৰ নাতি বস্ৰ সিংহইহে বস্ৰপুৰ (ৰত্নপুৰ) নামেৰে এখন নগৰ পাতি, কিছুদিন আছিল। দত্তবৰুৱাই ১৩৮৫ খ্ৰী:ত এই নগৰ স্থাপন হৈছিল বুলি লিখিছে। দত্তবৰুৱাৰ লেখাটিৰ ভিত্তি (source) কি আছিল জনা নাযায়। তেওঁৰ মতে বস্ৰ সিংহৰ আন এটা নাম আছিল শুকৰাংক। ৰামচন্দ্ৰৰ মীনাংক নামৰ লগত সাদৃশ্য ৰাখি, নাতিল'ৰাই শুকৰাংক নাম লোৱাত আচৰিত হ'বলগা নাই। যদি ১৩০০ খ্ৰী:ত আৰিমত্তৰ জন্ম হয় আৰু তেওঁ ভুলতে বা অজানিতে পিতৃক (ৰামচন্দ্ৰক) যুদ্ধত হত্যা কৰে (এনে কথা প্ৰচলিত আছে), তেনেহ'লে সমগ্ৰ মাজুলীতেই হয়তো এসময়ত আৰিমত্তৰ শাসন চলিছিল। এওঁৰ মৃত্যুৰ পাছত পুতেক বস্ৰ সিংহই মাজুলীত ৰজা হোৱাটো নিশ্চিত। মৃত্যুৰ সময়ত আৰিমত্তৰ ৫০ বছৰমান হ'লেও বস্ৰ সিংহৰ সময় ১৩৮৫ খ্ৰী: বুলি ধৰিব পৰা যায়। ৰত্নপুৰ নামৰ লগত বস্ৰসিংহ নামৰ সম্পৰ্ক আছে। বস্ৰসিংহই পতা কাৰণে বস্ৰপুৰ বা ৰত্নপুৰ নাম হোৱাটো বেছি স্বাভাৱিক। ৰজা ৰামচন্দ্ৰৰ দিনত হয়তো ৰত্নপুৰৰ নাম সুকীয়া আছিল। একালত ৰত্নপুৰ বৰ সমৃদ্ধিশালী নগৰ আছিল। সেই কথা ''ঢোল বায় ক'ত, ৰতনপুৰত, খোল বায় ক'ত, ৰতনপুৰত'' আদি গীতাংশইয়ো প্ৰমাণ কৰে। ৰজা ৰামচন্দ্ৰ আৰু তেওঁৰ বংশই এই ঠাইত কিমান বছৰ ৰাজত্ব কৰিছিল বা তেওঁলোকৰ ৰাজ্যৰ পৰিসীমা কি আছিল, এইবিলাক প্ৰশ্নৰ কোনো উত্তৰ পোৱা নাযায়। লিখিত তথ্যৰ অভাৱত মাজুলীৰ সেই যুগৰ অৱস্থা বা ইতিহাসৰ বিস্তৃত আলোচনা সম্ভৱ নহয়।

আজি পুৰণি ৰতনপুৰ নাই যেনেই লাগে। অসমীয়া মানুহে এখন ঠাই ত্যাগ কৰি নতুন ঠাইলৈ উঠি গ'লে লগত পুৰণি গাঁৱৰ নামটোও লৈ যায়। বৰ্তমান যুগত আমি সেই কাৰণে একে নামৰ বহুতো ঠাই পাওঁ। বৰ্তমানৰ ৰতনপুৰখনো প্ৰাচীন ৰতনপুৰ নহয় বুলি ক'ব পাৰি। গেইট চাহাবে প্ৰাচীন ৰতনপুৰ নাই বুলি লিখিছে। সেই যুগৰ সকলো বস্তু-সম্পদ নদীৰ বন্যাত জাহ গ'ল।

কামৰূপৰ বুৰঞ্জীত মাজুলীত শাসন কৰা আন এজন ৰজাৰ নাম পোৱা যায়। এওঁৰ নাম আছিল চন্দ্ৰহাস। চন্দ্ৰহাস কোন বংশৰ ৰজা আৰু তেওঁৰ প্ৰকৃত সময় কি আছিল জানিব নোৱাৰি। এওঁ লোহিতৰ দক্ষিণলৈ ৰাজধানী বা পাট পতাৰ কাৰণে এওঁ পতা নগৰৰ নাম দক্ষিণপাট আছিল। চন্দ্ৰহাস ৰজাৰ দিনতে দিহিং নদীয়ে মেৰাবিলেদি পথ লোৱা বুলি কামৰূপৰ বুৰঞ্জীত লিখিছে। চন্দ্ৰহাসৰ পাছত উত্তৰধ্বজ ৰজা হয়। উত্তৰধ্বজৰ মৃত্যুত তেওঁৰ পুত্ৰ বিক্ৰমধ্বজ ৰজা হয়। এওঁৰ দিনত লোহিতে দক্ষিণপাট খহাই নিয়ে। ৰজাই ৰাজধানী বৃহগাচল পাহাৰলৈ আনে। এই বৃহগাচলেই পাছত 'চৰাইদেউ' নাম পালে। আহোম স্বৰ্গদেউ জয়ধ্বজ সিংহৰ দিনত (১৬৪৮-১৬৬৩ খ্ৰী:) বেহাৰৰ পৰা আহি সন্ত বনমালীদেৱে ৰজাৰ ইচ্ছা পূৰ্ণ কৰি চন্দ্ৰহাসৰ সদৰ ঠাইতে সত্ৰ পাতিছিল। সেই কাৰণেই বোধহয় সত্ৰৰ নাম দক্ষিণপাট ৰখা হৈছিল। আজি সেই যুগৰ দক্ষিণপাট সত্ৰও নাই। এই সত্ৰ পুৰণি ভেঁটিৰ পৰা আঁতৰি আহিছে।

দক্ষিণপাট নগৰ লোহিতে খহোৱাৰ সময় আনুমানিক ১৩০০ খ্ৰী:ৰ আগৰ হ'ব। ১৩০০ খ্ৰী:ৰ পৰা ১৩৩০ খ্ৰী: মানত বিক্ৰমধ্বজৰ দিনত ৰাজ্যৰ স্থান পৰিবৰ্তন হয়। সেই সময়ৰ আগে-পিছে মাজুলীৰ প্ৰাকৃতিক পৰিবৰ্তন হোৱা সম্ভৱ। চুকাফাই সৌমাৰপীঠত ভৰি দিয়াৰ সময় ১২২৮ খ্ৰী:। চুকাফাৰ অসম আগমনৰ পাছৰ পৰাহে 'চৰাইদেউ' নাম প্ৰচলন হয়। চৰাইদেউ শব্দটো টাই ভাষাৰ চে-ৰাই-দই নামৰ শব্দ তিনিটাৰ পৰা ওলাইছে। গতিকে নিঃসন্দেহে ক'ব পাৰি, দক্ষিণপাট

নগৰ প্ৰতিষ্ঠাৰ সময় ১২২৮ খ্ৰী:ৰ আগৰ হ'ব। দক্ষিণপাট নগৰৰ সীমাৰ বিষয়ে জনাৰ উপায় নাই। এইসকল ৰজাই সমুদ্ৰ ভূঞাসকলৰ দৰে একোখন নিৰ্দিষ্ট সৰু এলেকাতে স্ব-শাসন আৰম্ভ ৰাখিছিল। কছাৰী ৰজাই 'বাণপুৰ' আৰু 'সোণাপুৰ' নামৰ নগৰ পাতি চৰাইদেউৰ ওচৰত শাসন কৰাৰ দৰে বিক্ৰমধ্বজ ৰজাই কম সময়ৰ কাৰণে বৃহগাচল নামৰ পাহাৰলৈ ৰাজ্য অনাটো অসম্ভৱ নহয়। চুকাফাৰ আগমনৰ পাছত এইবিলাক ঠাইত প্ৰাচীন যুগৰ সকলো চিন হেৰাই গ'ল।

ড° জে. পি. ৱেড চাহাবে তেওঁৰ 'A Geographical Sketch of Assam' নামৰ সৰু পুথিখনত গৌৰীনাথ সিংহৰ দিনত (১৭৮০-৯৫) মাজুলীৰ দীঘ প্ৰায় ১৬০ মাইল আৰু পুতল ৬০ মাইল বুলি লিখিছে। তেওঁৰ মতে প্ৰায় এক-চতুৰ্থাংশ মাজুলীৰ ঠাই মানুহৰ চকুত নপৰাকৈ আছিল। ইয়াৰ কাৰণ বহুতো ঠাই জলাশয় আৰু হাবি-জংঘলেৰে পৰিপূৰ্ণ হৈ আছিল। সেই জংঘল বা অৰণ্যময় ঠাইখিনি কোনো শাসনৰ ভিতৰত নথকাই স্বাভাৱিক। ৱেড চাহাবে আৰু এটা কথা লিখিছে যে, সমগ্ৰ মাজুলীখনেই কিছুমান সৰু সৰু দ্বীপৰ (চাপৰি) সমষ্টি (Cluster of island)। সেই কাৰণে তেওঁ সাধাৰণ গাঁও বাদ দি ১৩ খন বিখ্যাত ঠাইৰহে বৰ্ণনা দিছে। ৰামচন্দ্ৰ বা ৰত্ন সিংহই ৰতনপুৰত ৰাজধানী স্থাপন কৰাৰ সময়ত হাবি-জংঘলৰ মাত্ৰা নিশ্চয় অধিক আছিল। ৱেড চাহাবে পুনৰ লিখিছে যে লোহিত আৰু দিহিঙৰ (বৰ্তমান ব্ৰহ্মপুত্ৰ) পৰা বাহিৰ হোৱা সুঁতিবিলাকেও মাজুলীক কিছুমান সৰু সৰু দ্বীপত পৰিণত কৰিছে। এই সুঁতিবিলাকে মাজুলীৰ যাতায়াত ব্যৱস্থা দুৰ্গম কৰি তুলিছিল।

গেইট চাহাবৰ বুৰঞ্জীৰ পৰা জানিব পাৰি, ১৩ আৰু ১৪ শতিকা পৰ্যন্ত ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰে দিখৌ নদীৰ পৰা কলং পৰ্যন্ত কছাৰীসকলৰ ৰাজত্ব চলিছিল। সমগ্ৰ ধনশিৰি উপত্যকাত কছাৰীৰ আধিপত্য চলাৰ প্ৰমাণ চৰিত পুথিবিলাকৰ পৰাও পাব পাৰি। নিশ্চিত তথ্যৰ অভাৱত সঠিক সীমা অংকন কৰিবলৈ টান। আহোমসকল সৌমাৰত প্ৰৱেশ কৰাৰ পাছতে দিখৌ নদীৰ পূবফালে থকা কছাৰী বাসভূমি আহোমক এৰি দিব লগা হ'ল। গেইটে লিখামতে প্ৰায় ১০০ বছৰ ধৰি দিখৌ নদী আহোম আৰু কছাৰী ৰাজ্যৰ মাজত সীমা হৈ আছিল। যোৰহাট নগৰৰ ভোগদৈ নদীৰ পশ্চিম পাৰটো আজিও 'কছাৰী পাৰ' বুলি জনা যায়। সেইকালত নিঃসন্দেহে মাজুলীৰ বহু অংশ কছাৰীসকলৰ অধীনত থকাটো নিশ্চিত। কছাৰীৰ ৰাজত্বকালত লখিমপুৰৰ ভিতৰত পৰা অংশ বাদ দি মাজুলীৰ আৰ্থ-সামাজিক অৱস্থা কেনে ধৰণৰ আছিল ক'বলৈ টান। সত্ৰ অনুষ্ঠানসমূহ মাজুলী অঞ্চলত গা-কৰি উঠাৰ পাছতহে প্ৰকৃতপক্ষে মাজুলী অঞ্চলৰ ইতিহাস আৰম্ভ হয় বুলি ক'ব পাৰি।

ৱেড চাহাবে 'A Geographical Sketch of Assam' পুথিত মাজুলীৰ অন্তৰ্গত যিবিলাক ঠাইৰ বিৱৰণ দিছে, সেইবিলাক হ'ল- – ৰূপহী চাপৰি, বেঙেনাআটী, কমলাবাৰী, কৌপতীয়া, গড়মূৰ, ৰঙাচাপৰি, বৰগোহাঁই চাপৰি, তামোলবাৰী, ঘূৰীয়া, আউনীআটী, দক্ষিণপাট আৰু পহুমৰা। এই নামবোৰৰ বেছিভাগেই আহোম যুগত উদ্ভৱ হোৱা। দক্ষিণপাট নামটো আগতে আমি আলোচনা কৰিছোঁ। হালধিআটী, কটোৱাল গাঁও, ক্ষেত্ৰী গাঁও আদি পুৰণি ঠাই। ইবিলাকত কছাৰী যুগৰ গোন্ধ আছে। কৌপতীয়া, বৰগোহাঁই চাপৰি আদি ঠাইত আহোম যুগৰ সুস্পষ্ট ছাপ আছে। আহোমসকলে দোষীক শাস্তি দিবলৈ ৰখা লোকক 'চাওদাং' বুলি কৈছিল। সেইকাৰণে কটোৱাল গাঁও প্ৰাক্-আহোম যুগৰ ঠাই হ'ব পাৰে। প্ৰতাপ সিংহ ৰজাদেৱৰ দিনত কৌপতীয়া সনাতন কটকী বৰ বিখ্যাত লোক আছিল। কৌপতীয়া ঠাইৰ লগত সেইকাৰণে আহোম যুগৰ ইতিহাস জড়িত থকা দেখা যায়। 'পটীয়া' আহোম যুগত পাটীদৈ বোৱা মানুহ। যোৰহাট আৰু মাজুলীত একালত পাটীসজা অনেক মানুহ আছিল। 'আটী' শব্দই ওখ টিঙনা ঠাই বুজায়। তেনেকুৱা ওখ ঠাইত কুঁহিয়াৰ, হালধি, বেঙেনা আনকি পাণ-তামোলৰো বাৰী সহজে পাতিব পাৰি (আউনীআটী সত্ৰৰ বুৰঞ্জী, পৃ:১২৩)। আউনী পাণ গজা ওখ ঠাইত নবীয়া ৰজাই (১৬৪৪-১৬৪৮) সত্ৰৰ ঘৰ সাজি দিছিল। অৱশ্যে, জয়ধ্বজ সিংহৰ দিনতহে মাটি-বাৰী, পাইক, গৰু-ম'হ আদিৰে আউনীআটী সত্ৰ সু-প্ৰতিষ্ঠিত হয়। আউনীআটী শব্দৰ নিচিনাকৈ— বেঙেনাআটী, হালধিআটী আদি শব্দবোৰ সম্পন্ন হৈছে। সেই ঠাইবিলাকত সত্ৰ পতাৰ কাৰণে সত্ৰয়ো একে নামকে লাভ কৰিছে। ৰজা জয়ধ্বজ সিংহৰ দিনৰ পৰা বিশেষকৈ, আউনীআটী, দক্ষিণপাট, গড়মূৰ আদি সত্ৰই ৰাজ-পোষকতা লাভ কৰি কেৱল চহকী হোৱাই নহয়, প্ৰখ্যাতো হৈ পৰে। লগে লগে ৰজাঘৰৰ লগত মাজুলীৰো সম্পৰ্ক বাঢ়ি যাবলৈ ধৰিলে।

স্বৰ্গদেউ প্ৰতাপ সিংহৰ দিনতে মাজুলী তথা সমগ্ৰ উজনি অসম, পশ্চিমৰ পৰা অহা শত্ৰুৰ হাতৰ পৰা ৰক্ষা কৰিবলৈ এটা গড় বন্ধোৱা

হৈছিল। এই গড় সন্দৰ্ভত তামুলী ফুকনৰ বুৰঞ্জীত আছে— 'পাচে, উত্তৰে-দক্ষিণেজুৰি ৰাজ্যখনকে মেৰাই ৰাজগৰ বন্ধালে; এই গৰকে দক্ষিণপাৰে লাহদৈ আৰু কোটোহা গৰ বোলে; মাজালি পাৰে মেৰাগৰ বোলে, উত্তৰপাৰে চোআতল গৰ বোলে।" কালক্ৰমত গড় থকা অংশটো 'মেৰাগড়' নামেৰে জনাজাত হ'ল। এই গড়ৰ নাতিদূৰত এটা প্ৰাচীনযুগৰ মৈদামো বন্ধোৱা হৈছিল। মৈদামটো মাজুলীত থকা এজন ৰাজ বিষয়াৰ বুলি জনা যায়। মেৰাগড় বান্ধি ৰজাই মাজুলীক সুৰক্ষা প্ৰদান কৰিছিল।

স্বৰ্গদেউ নৰীয়া ৰজাৰ (চুত্যিনফা) দিনৰে পৰা আহোম ৰজাসকলে, বৈষ্ণৱগুৰু, বিশেষকৈ আউনীআটী সত্ৰৰ লগত যোগাযোগ কৰিবলৈ ধৰিলে। এইজনা ৰজাই আউনীআটীৰ ঘৰ-বাৰী সাজি দিয়ে বুলি সত্ৰৰ বুৰঞ্জীত পোৱা যায়। আগতে লিখা হৈছে, চুত্যিনফা বা নৰীয়া ৰজাৰ পাছত চুতামলা বা জয়ধ্বজ সিংহ ৰজা হয়। এওঁ আউনীআটী সত্ৰলৈ দেৱোত্তৰ মাটি, পাইক, গৰু-ম'হ আদি দি সত্ৰৰ অধিকাৰ নিৰঞ্জন বাপুৰ ওচৰত শৰণ লয়। এইজনা ৰজাৰ দিনতে দক্ষিণপাটতো বেহাৰৰ পৰা সন্ত বনমালীক অনাই সত্ৰ পাতি দিয়ে। বনমালীদেৱে সত্ৰখন ৰাঙলীবাহৰত পাতিছিল যদিও, চন্দ্ৰহাস ৰজাৰ ৰাজধানীৰ নামেৰেই(?) সত্ৰৰ নামো ৰাখিলে। প্ৰথমতে সত্ৰখনৰ নাম 'বৈকুণ্ঠপুৰ' দিয়া হৈছিল যদিও দক্ষিণপাট নামটোহে প্ৰখ্যাত হৈ পৰিল।

জয়ধ্বজ সিংহ ৰজাৰ প্ৰেৰণাতে মাজুলীত বৈষ্ণৱ গুৰুসকলৰ প্ৰতিপত্তি বাঢ়িবলৈ ধৰিলে। এইজনা ৰজাই শ্ৰীশ্ৰীশংকৰদেৱৰ লীলাভূমি বৰদোৱা উদ্ধাৰ কৰিবলৈকো কনকলতা আইক তিনিকুৰি পাইক দি সহায় কৰিছিল। জয়ধ্বজ সিংহৰ পৰৱৰ্তী ৰজা চক্ৰধ্বজ সিংহৰ দিনতো দক্ষিণপাট সত্ৰৰ গুৰু বনমালীদেৱ বৰ ক্ষমতাশালী হৈ পৰিছিল। সন্ত বনমালীয়ে ৰজা জয়ধ্বজ আৰু চক্ৰধ্বজ সিংহ দুয়োগৰাকীৰে মৃত্যু-মংগল কৰা বুলি সুকুমাৰৰ বুৰঞ্জীয়ে কয়। গড়মূৰ সত্ৰও এই সময়তে স্থাপন হোৱা। বংশী গোপালদেৱৰ খুৰাক কৰমাইৰ পৰিনাতি, মিশ্ৰদেৱৰ পুতেক লক্ষ্মীনাৰায়ণে ৰাজ-অনুগ্ৰহত গড়মূৰ সত্ৰ পাতে। হালধিআটীত যজ্ঞ কৰি আউনীআটীত সত্ৰ পতাৰ পাছত আউনীআটী, দক্ষিণপাট, হালধিআটী আদি ঠাইবোৰ লাহে লাহে প্ৰসিদ্ধ হ'বলৈ ধৰিলে। মাজুলীত ৰাজ-অনুগ্ৰহত সত্ৰ বাঢ়ি যোৱাৰ লগতে সেই ঠাইবিলাকৰ ঐতিহাসিক গুৰুত্ব বাঢ়ি যাবলৈ ধৰে। স্বীকাৰ কৰিব লাগিব, সত্ৰসমূহক বাদ দিলে মাজুলীৰ ঐতিহাসিক গুৰুত্ব বহুতো হ্ৰাস পাব।

আঁহতগুৰি, চামগুৰি আদি খেতি-পথাৰপ্ৰধান গাঁওবোৰ সত্ৰসভা স্থাপন হোৱাৰ পাছৰ পৰাহে উন্নত আৰু যাতায়াতৰ উপযোগী হৈ পৰে। চামগুৰিত ১৫৮৫ শক (১৬৬৩ খ্ৰী:)ত সত্ৰ স্থাপন হয়। আঁহতগুৰি নামৰ ঠাইখনো সেইদৰে সত্ৰ স্থাপন হোৱাৰ পাছতহে বিখ্যাত হৈ উঠে। ওপৰত আমি ভূঞাৰহাট বা ধূয়াহাটৰ কথা লিখিছোঁ। শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ মিলনক্ষেত্ৰ আৰু কোৰোলা বাৰৈয়ে মদন-গোপালৰ মূৰ্তি কাটি থোৱাৰ কাৰণে এইখন ঠাইৰ ঐতিহাসিক গুৰুত্ব নুই কৰিব পৰা নাযায়। এই ঠাইৰ আন নাম বেলগুৰি। এজোপা পুৰণি বেলগছতে কোৰোলা বাৰৈৰ হতুৱাই কটোৱা মদন-গোপালৰ মূৰ্তিটো পাই বংশী গোপালদেৱে লৈ গৈছিল। প্ৰায় একে কাৰণতে মহাপুৰুষ মাধৱদেৱৰ শিষ্য পদ্মআতা বা বাদুলা আতাৰ দ্বাৰা কমলাবাৰী সত্ৰ সংস্থাপিত হয়। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ উপৰিপুৰুষসকলৰ কমলাবাৰীৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক আছিল।

জয়ধ্বজ সিংহৰ পৰৱৰ্তী যুগত নানা ঠাইৰ পৰা ধৰ্ম প্ৰচাৰক আহি সৰু সৰু সত্ৰ পাতি সমগ্ৰ মাজুলীকে বৈষ্ণৱ ধৰ্মৰ কেন্দ্ৰৰূপে গঢ়ি তোলে। বৈষ্ণৱসকলক শিক্ষা দিবলৈ মাজুলীত আহোম যুগতে অনেক শিক্ষাৰ কেন্দ্ৰও প্ৰতিষ্ঠা কৰা হৈছিল। সেই অনুষ্ঠানবিলাকত থাকি ছাত্ৰসকলে শাস্ত্ৰ-ভাগৱত অধ্যয়ন কৰিছিল। আউনীআটী সত্ৰৰ বুৰঞ্জীত আছে:—

"সেইকালত মাজুলী আৰু উত্তৰ লক্ষীমপুৰৰ বিভিন্ন অঞ্চলত বহুত সংস্কৃত বিদ্যালয় আছিল। সেইবোৰক ছাত্ৰশাল বোলা হৈছিল। বৈৰাগী বাপুৰ পঢ়াশালী, চকলাৰ ছাত্ৰশাল, চাংগিনীৰ ছাত্ৰশাল, বৰকলাৰ ছাত্ৰশাল; এইবিলাক বহুত দূৰে দূৰে থকা ছাত্ৰশাল নহয়, দহ-পোন্ধৰ মাইলৰ অন্তৰা-অন্তৰি আছিল। পাছত ৰুদ্ৰসিংহ আৰু শিৱ সিংহৰ দিনতো বহুত ছাত্ৰশাল স্থাপিত হৈছিল।"

স্বৰ্গদেউ জয়ধ্বজ সিংহৰ পাছত স্বৰ্গদেউ চক্ৰধ্বজ সিংহই মীৰজুমলাৰ হাতৰ পৰা দেশ উদ্ধাৰৰ প্ৰচেষ্টা চলাই থকা সময়তো সন্ত-মহন্তসকলক সত্ৰসভা পতাত উদগনি দি আছিল। গালপুৰ ঘাটত সন্তসকলক লৈ যজ্ঞও কৰাইছিল (সুকুমাৰৰ বুৰঞ্জী)।

স্বৰ্গদেউ গদাধৰ সিংহ ১৬৮১ খ্ৰী:ত ৰজা হয়। তেওঁ ৰাজ্যত নিবনুৱা হৈ থকা ভকত উচ্ছেদৰ কাৰণে, লগতে ব্যক্তিগত ক্ষোভ

পূৰাবলৈকো বৈষ্ণৱ নিৰ্যাতন কৰিছিল। এইগৰাকী ৰজাৰ এনে নীতিৰ কাৰণে সমগ্ৰ মাজুলীৰ বৈষ্ণৱসকলৰ মাজত ত্ৰাস আৰু অনিশ্চয়তাই দেখা দিছিল। বৈষ্ণৱ নিৰ্যাতনৰ প্ৰথম বলি হৈছিল ১৮জন কাল-সংহতিৰ মহন্ত। এওঁলোক অৱশ্যে সকলো মাজুলীৰে নহয়। ব্ৰহ্ম-সংহতিৰ আউনীআটী আৰু দক্ষিণপাট সত্ৰৰ অধিকাৰকো শাৰীৰিক নিৰ্যাতন দিয়া হৈছিল। দক্ষিণপাটৰ ৰামদেৱ গোসাঁইৰ 'মৰ্যাদা নষ্ট কৰি চক্ষু কাঢ়িলে''। আউনীআটীৰ কেশৱ বাপুক ধন ডাণ্ডি লৈ শদিয়ালৈ খেদিলে। দক্ষিণপাটৰ সুৱৰ্ণমূৰ্তিকো ভাঙি পৰ্বতৰ দ'লৰ ঘট দিলে। আউনীআটীৰ গোবিন্দ ঠাকুৰকো পানীত পেলাবলৈ আদেশ হ'ল (তুংখুঙীয়া বুৰঞ্জী)। আন আন অনেক মহন্তক মাজুলীৰ পৰা আনি টোকোলাই বচাত থ'লে আৰু নামৰূপলৈ খেদিলে। সেই কালত নামৰূপ আৰু টোকোলাই (দক্ষিণ যোৰহাট) জৰা-ব্যাধিৰ ঠাই আছিল।

জয়ধ্বজ সিংহৰ ৰাজত্বৰ পাছত সৃষ্টি হোৱা 'এটকা মহন্তৰ দেশ' মাজুলী গদাধৰ সিংহ স্বৰ্গদেউৰ দিনত থান্‌বান্ হৈ পৰিছিল (এটকা মহন্তৰ ব্যাখ্যা স্বৰ্গীয় গুণাভিৰাম বৰুৱাই এনেদৰে দিছিল— ১টকা = একাৱন কড়ি = ১৬ পোণ কড়ি = ১২৮০; 'আগৰ দিন এতিয়াৰ দিন')। অৱশ্যে সৰু সৰু অনেক সত্ৰ, ১২৮০ সংখ্যাৰ ভিতৰত ধৰা হোৱা নাছিল।

স্বৰ্গদেউ গদাধৰ সিংহৰ মৃত্যুৰ পাছত তেওঁৰ পুত্ৰ লাই কোঁৱৰ ৰজা হৈ ৰুদ্ৰসিংহ নাম লয়। এওঁ পিতৃৰ বৈষ্ণৱ-নিৰ্যাতন নীতি পৰিহাৰ কৰি, সত্ৰ-সংস্কৃতিৰ পোষকতা কৰিবলৈ লোৱাত, আউনীআটী, দক্ষিণপাট প্ৰমুখ্যে সকলো মহন্তক সত্ৰৰ ঘৰ-বাৰী সাজি পুনৰ সংস্থাপন দিলে। মাজুলীত বৈষ্ণৱ ধৰ্মই আকৌ এবাৰ হেকওৱা জীৱন ঘূৰাই পালে। স্বৰ্গদেউ ৰুদ্ৰসিংহৰ ৰাষ্ট্ৰনীতি তথা প্ৰজা-ৰঞ্জকতা, তেওঁৰ সুযোগ্য পুত্ৰ শিৱসিংহ, প্ৰমত্ত সিংহ আৰু ৰাজেশ্বৰ সিংহৰ দিনলৈকে চলি থাকে। মহাৰাজ ৰুদ্ৰসিংহ, শিৱসিংহ আৰু ৰাজেশ্বৰ সিংহই নিজে মাজুলী ভ্ৰমণ কৰি প্ৰজা পালন আৰু ধৰ্মানুষ্ঠানৰ পোষকতা কৰিছিল। মহাৰাজ ৰুদ্ৰসিংহই মহন্তসকলৰ সভা আহ্বান কৰি সত্ৰসভাৰ কিছুমান নিয়মো বান্ধি দিছিল।

স্বৰ্গদেউ লক্ষ্মীসিংহ আৰু তেওঁৰ পুত্ৰ গৌৰীনাথ সিংহয়ো পিতৃ ৰজাসকলৰ নীতি মানি মাজুলী তথা আন ঠাইৰ প্ৰজাৰ ক্ষেত্ৰতো ধৰ্মনিৰপেক্ষতা অৱলম্বন কৰিছিল। স্বৰ্গদেউ কমলেশ্বৰ সিংহ আৰু তেওঁৰ ভাতৃ চন্দ্ৰকান্ত সিংহই দেশৰ মহা দুৰ্যোগৰ সময়তো মাজুলীলৈ গৈ সত্ৰসভা পৰিচালনা আৰু খেতি-বাতিৰ বুজ লৈছিল। ৰজাই নিজে আউনীআটী আৰু দক্ষিণপাটত ভাওনা-সবাহত যোগ দিয়াৰ কথা তুংখুঙীয়া বুৰঞ্জীত আছে। চন্দ্ৰকান্ত সিংহয়ো ৰাজ্যত ধনৰ নাটনি সত্ত্বেও সত্ৰৰ ঘৰসজ্জা, মাটি দান কৰা আদি কামৰ পৰা আঁতৰত থকা নাছিল।

মোৱামৰীয়া বিদ্ৰোহত জড়িত থকা মৰাণহঁতে আউনীআটী, দক্ষিণপাট, গড়মূৰ আদি প্ৰধান প্ৰধান সত্ৰৰ বাৰী-ঘৰত জুই দি গোসাঁইসকলক পলাবলৈ বাধ্য কৰিছিল। মৰাণহঁতে ধন-সোণ লুট কৰি, গোসাঁই-মহন্তকো এৰি দিয়া নাছিল। তুংখুঙীয়া বুৰঞ্জীত আছে— "আউনীআটীৰ ললে ৰূপ ৮,০০০, দক্ষিণপাট ৮,০০০, গড়মূৰৰ ৪,০০০, কুৰুৱাবাহীৰ ৪০০০, এই ৰূপে সকলো মহন্তৰ তাৰতম্য ৰূপে ধন ডাঁৰি ললে।" এই সময়ত আহোম ৰাজশক্তি দুৰ্বল হৈ পৰাত, গড়মূৰ সত্ৰৰ ভকতসকলে সত্ৰ ৰক্ষাৰ কাৰণে মোৱামৰীয়া মৰাণৰ লগত যুদ্ধ দি বহুতো মোৱামৰীয়া নিধন কৰি নিজেও মৃত্যুবৰণ কৰিছিল। তুংখুঙীয়া বুৰঞ্জীত বিভিন্ন ঠাইত উল্লেখ হোৱা স্বয়ম্ভু মোৱামৰীয়া ৰজা আৰু তেওঁলোকৰ ধ্বংস-কাৰ্যৰ বিৱৰণ দিছে। মোৱামৰীয়াৰ আক্ৰমণত খেতি-পথাৰৰ অৱস্থা শোচনীয় হৈ পৰিছিল। তুংখুঙীয়া বুৰঞ্জীত আছে— "উত্তৰ কোলে জাপৰী ভিটাত এবাহ মোৱামৰীয়াই তাঁতী নামেৰে ৰজা এটা পাতি লৈ লোহিত সীমাকৈ ভোগ কৰি আছিল আৰু মাজুলীত এবাহে হাউহা নামেৰ এটাক ওস্তাজ লৈ দিহিং সীমাকৈ ভোগ কৰি আছিল।...... উত্তৰে মাজালী, ৰংপুৰ, অভয়পুৰ এই ঠাইত সন্ত-মহন্ত দেশ প্ৰাণীসকলকো মোৱামৰীয়াই উচ্ছন্ন কৰি খেদিলে।" অগ্নি সংযোগ, লুণ্ঠন আদিৰ বলি সৰু-ডাঙৰ অনেক সত্ৰৰ অৱস্থা পানীত হাঁহ নচৰা হৈ পৰিছিল। যিবিলাক প্ৰজাক, আহোম ৰাজ-শক্তিৰ অনুগত বা বিশ্বাসী বুলি অনুভৱ হৈছিল, সেই সকলোৰেই মোৱামৰীয়াৰ হাতত প্ৰাণ দিবলগা হৈছিল।

১৭৯২ চনত কেপ্টেইন ৱেলচ্ চাহাবৰ ফৌজ এটা আহিহে মোৱামৰীয়াক সম্পূৰ্ণ দমন কৰিব পাৰিলে। ৰংপুৰত গৌৰীনাথ সিংহক পুনৰ সিংহাসনত বহুৱাৰ পাছত দেশত শান্তি অহা দেখা গ'ল।

মোৱামৰীয়া বিদ্ৰোহে আহোম ৰাজশক্তিক একেবাৰে কঁকাল ভাঙি দিলে বুলি ক'ব পাৰি। তাৰ পাছতে আহিল মানৰ আক্ৰমণ। ১৮১০ খ্ৰী:ত কমলেশ্বৰ সিংহৰ মৃত্যুত তেওঁৰ ভায়েক চন্দ্ৰকান্ত ৰজা

হয়। এওঁৰ দিনতে মন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঁই আৰু গুৱাহাটীৰ বদনচন্দ্ৰ বৰফুকনৰ মনোমালিন্য হোৱাত বদনচন্দ্ৰ পলাই গৈ মান দেশত ওলালগৈ। তেওঁ মানৰজাৰ সহায় লৈ ১৮১৬ খ্ৰী:ত ৮,০০০ সেনা লৈ অসমত প্ৰৱেশ কৰে। বুঢ়াগোহাঁয়ে মানক বাধা দিবলৈ এটা সেনাবাহিনী পঠায়। ঘিলাধাৰীত দুয়োদল সেনাৰ যুদ্ধ লাগে। যুদ্ধত বুঢ়াগোহাঁইৰ সেনা পৰাস্ত হয় আৰু মান আহি ৰাজধানী যোৰহাট নগৰ অধিকাৰ কৰে। ইতিমধ্যে বুঢ়াগোহাঁইৰ আকস্মিকভাৱে মৃত্যু হোৱাত পুতেক ৰুচিনাথ গুৱাহাটীলৈ আঁতৰি গ'ল। মান সেনাৰ সহায়ত বদনচন্দ্ৰই উঠিৰজা আৰু বহিৰজা হৈ দেশত বুঢ়াগোহাঁইৰ ফলীয়া সকলোকে বধ কৰি নিজৰ শাসন নিষ্কণ্টক কৰিলে। ১৮১৭ খ্ৰী:ত চন্দ্ৰকান্তই মান ৰজালৈ দিয়া কন্যা এটি উপহাৰ হিচাপে লৈ মানসকল নিজ দেশলৈ উলটি গ'ল। মান যোৱাৰ পাছতে বদনচন্দ্ৰক গুপুতে হত্যা কৰোৱা হ'ল আৰু চন্দ্ৰকান্তক ভাগ্তি পুৰন্দৰ সিংহক ১৮১৮ খ্ৰী:ত ৰজা পতা হ'ল।

মান ৰজাই এই বাতৰি পাই পুনৰ অসম আক্ৰমণ কৰিবলৈ এটা ফৌজ পঠালে। মান সেনাই দেশ লুট-পাত কৰি, মানুহ মাৰি, ঘৰ জ্বলাই প্ৰজাক অশেষ দুৰ্গতি কৰিলে। মানৰ সহায়ত চন্দ্ৰকান্ত দ্বিতীয়বাৰৰ কাৰণে ৰজা হ'ল। মানসেনা স্বদেশলৈ ঘূৰিলে। ৰজা হৈ চন্দ্ৰকান্তই ভৱিষ্যতলৈ মান আহিব নোৱৰাকৈ পতাল বৰবৰুৱাৰ সহায়ত জয়পুৰত এটা কোঠ মৰালে। মান ৰজাই এই বাতৰি পাই তৃতীয়বাৰৰ কাৰণে অসম আক্ৰমণ কৰিবলৈ এদল সৈন্য পঠালে। ১৮২২ খ্ৰী:ত মানসেনাৰে চন্দ্ৰকান্তৰ শেষবাৰৰ কাৰণে ম'হগড়ৰ ওচৰত এখন ভয়ানক যুদ্ধ হয়। এই যুদ্ধত ৰজা চন্দ্ৰকান্তই নিজেই সেনা পৰিচালনা কৰিছিল। মান সেনাপতিৰ সহায়ৰ কাৰণে মিঙিমাহা বান্দুলাৰ নেতৃত্বত নতুন এদল সেনা আহি যোগ দিয়াত চন্দ্ৰকান্ত পৰাস্ত হৈ আঁতৰি গ'ল। অসমত মানৰ আধিপত্য সুপ্ৰতিষ্ঠিত হৈ পৰিল।

মান সেনাই উজনি-নামনি আৰু সমগ্ৰ দেশতে অৱৰ্ণনীয় অত্যাচাৰ চলাবলৈ ধৰিলে। ধনী-নিধনী নিৰ্বিশেষে মানুহ হত্যা কৰি, ধন-সম্পত্তি লুট কৰি, তিৰোতাৰো সতীত্ব নষ্ট কৰি গোটেই দেশতে বিভীষিকাৰ সৃষ্টি কৰিলে। ১৮২৪ খ্ৰী: পৰ্যন্ত মানৰ নাৰকীয় কাণ্ড চলি থাকিল।

মানৰ অত্যাচাৰৰ পৰা মাজুলীৰ সাধাৰণ প্ৰজাও সাৰি থাকিব নোৱাৰিছিল। মিঙিমাহাই লোকক দেখুৱাবলৈ যোগেশ্বৰ গোহাঁই নামৰ ৰাজবংশৰ ল'ৰা এজনক ৰজা পাতি নিজে উঠিৰজা হৈ ৰাজ্য চলাইছিল। মাজুলী খণ্ডত ঠায়ে ঠায়ে বিষয়া পাতি দিছিল। এওঁলোকে শাসন নকৰি শোষণ আৰু উৎপীড়ন কৰাতহে গুৰুত্ব দিছিল। বাছ-বিচাৰ নকৰাকৈ উপদ্ৰৱ আৰু অত্যাচাৰ চলিবলৈ ধৰিলে। লুণ্ঠন, হত্যা, নাৰী ধৰ্ষণ, অগ্নি-সংযোগ আদি মানবিলাকৰ লীলা স্বৰূপ হৈ পৰিছিল। সত্ৰবিলাকত জুই লগাই দি ৰং চাইছিল। বহুতো বৈষ্ণৱে মানৰ অত্যাচাৰ সহিব নোৱাৰি হাবি-জংঘলত সোমাই থাকি প্ৰাণ ৰক্ষা কৰিবলগা হৈছিল। মান বিষয়া নাখাম আৰু চেক্ ফুকনে গড়মূৰত বাহৰ পাতি সত্ৰ লুটিবলৈ ধৰিলে। আউনীআটী সত্ৰাধিকাৰকো ধৰিবলৈ চেষ্টা কৰি আছিল যদিও ১৫,০০০ টকা দি আউনীআটীয় কুশদেৱ গোস্বামী কোনোমতে ৰক্ষা পৰে।

ইতিমধ্যে মান সেনাই ইংৰাজৰ ৰাজ্য আক্ৰমণ কৰাত, ডেভিদ স্কট চাহাব আৰু মেক্মৰিন চাহাব আহি মানক খেদি অসমদেশ দখল কৰে। ১৮২৬ খ্ৰী:ৰ ২৪ ফেব্ৰুৱাৰীত মান আৰু ইংৰাজৰ মাজত সন্ধি হোৱাত অসমদেশ ইংৰাজৰ অধীনলৈ গ'ল। ডেভিদ স্কট চাহাবে অসমদেশ তিনিটা খণ্ডত ভাগ কৰি উজনি অসমক 'জুনিয়ৰি মোতালক' আৰু নামনি অসমক 'চুনিয়ৰি মোতালক'☆ নাম দিলে। জুনিয়ৰ খণ্ডৰ সীমাৰ বাহিৰে ওপৰখণ্ডক এজেন্সি খণ্ড নাম দি পৃথকাই ৰাখিলে। এই এজেন্সি খণ্ডৰ ভিতৰত মটক, খামতি, চিংফৌ, নগা, আবৰ, মিচিমি, আদি অনেক জাতি সোমাইছিল। উজনি খণ্ডৰ দায়িত্বত আছিল কৰ্ণেল ৰিচাৰ্ড চাহাব। এওঁৰ পাছত কুপাৰ আহি গৱৰ্ণৰ জেনেৰেলৰ কমিশ্যনাৰ জুনিয়ৰ হয়হি।

সমগ্ৰ মাজুলী এলেকা 'জুনিয়ৰি মোতালক'ৰ অন্তৰ্গত কৰা হৈছিল। ১৮২৮ খ্ৰী:ত কুপাৰ চাহাবৰ ঠাইত কেপ্টেইন জন ব্ৰায়েন নিউভিল (Newville) চাহাব আহি দায়িত্ব লয়হি। তেওঁ যোৰহাটত সদৰ স্থাপন কৰি প্ৰশাসন চলাইছিল। তেওঁৰ দায়িত্বতে মাজুলীতো পিয়লৰ কাম আৰম্ভ কৰা হৈছিল। ১৮৩০ খ্ৰী:ৰ ২৬ জুলাইত নিউভিল চাহাবৰ যোৰহাট নগৰত মৃত্যু হয়। তেওঁৰ ঠাইত মেথি চাহাব আৰু পাছত আডাম হোৱাইট চাহাবে দায়িত্ব লৈ পিয়লৰ ফলাফল ঘোষণা

☆ *কাশীনাথ তামুলী ফুকনৰ 'অসম বুৰঞ্জী', পৃ: ৬০*

কৰি কৰ নিৰ্ণয় কৰি দিয়ে।

কাঁড়ীৰ ১০০ গোটত ২৭টা ওপৰ ভগন গৈ ৭৩টা গোটত ৯ টকাকৈ খাজনা লাগে। পাইকান চমুৱাৰ ১০০ গোটত ২২টা ওপৰ ভগন গৈ বাকী থকা ৭৮টা গোটত ৮ টকাকৈ খাজনা, সোণোৱালৰ গোটত ১৮ টকা, মৰিয়াৰ গোটত ১৫ টকা, মিৰি, ডফলা বহতীয়াৰ গোটত ৩ টকা, দেৱলীয়াৰ গোটত ৪।। টকাকৈ খাজনা লাগে। ১৭৫০ শক (১৮২৮ খ্ৰী:)ৰ পৰা পাইকত ৬ টকাকৈ মাটি-মিৰিৰো খাজনা লগালে।

মৌজা আৰু মহলৰ ব্যৱস্থা কৰি খাজনা তোলাৰ কথা ভাবোঁতেই ১৮৩৩ খ্ৰী:ত শিৱসাগৰ আৰু লখিমপুৰ জিলা, পুৰন্দৰ সিংহক বছৰি ৫০,০০০ টকাৰ লালবন্দী দি কৰতলীয়া ৰজাৰ দায়িত্ব দিয়া হয়। পুৰন্দৰ সিংহই ন-পুৰণি দুয়োটা প্ৰথাকে মিলাই শাসন কৰিবলৈ লোৱাত, অনেক বেমেজালিয়ে দেখা দিলে। তাৰ উপৰি, ৰজাৰ বিষয়াবিলাকো দুৰ্নীতিপৰায়ণ হোৱাত প্ৰজাৰ সুশাসন আশা কৰিব পৰা নগ'ল। মাজুলী প্ৰমুখ্যে সকলো ঠাইৰে প্ৰজাৰ আপত্তি বাঢ়ি যোৱাত জেন্‌কিন্স চাহাব আহি শিৱসাগৰ আৰু লখিমপুৰৰ ভ্ৰমণ কৰি ১৮৩৮ খ্ৰী:ত চৰজমিন লয়হি। সেই খ্ৰী:তে জেন্‌কিন্সৰ প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি পুৰুন্দৰ সিংহৰ হাতৰ পৰা ৰাজ্য ইংৰাজে ঘূৰাই আনে। কেপ্টেইন ব্ৰোডি চাহাবৰ হাতত শিৱসাগৰ জিলাৰ প্ৰশাসনৰ দায়িত্ব দিয়া হ'ল। ব্ৰোডি চাহাব বৰ প্ৰজাপ্ৰিয় বিষয়া আছিল। অসমীয়া মানুহে এওঁক 'বৰতি চাহাব' বুলি ক'লেহে চিনি পাইছিল। ১৮৩৯ খ্ৰী:ত বৰতি চাহাবে জিলাৰ দায়িত্ব লৈয়েই মৌজা পাতি মাটিৰ খাজনা তোলাৰ ব্যৱস্থা কৰে। আগতে যিবিলাক ঠাইত একোটা টাঙ্গনি আছিল, সেইবিলাক ঠাইতে মৌজা পাতি খাজনা তোলাৰ নিৰ্দেশ দিয়া হৈছিল। যোৰহাটত সেইকালত ২৯টা মৌজা আছিল বুলি সমসাময়িক নথি-পত্ৰৰ পৰা জানিব পাৰি। মৌজাদাৰ বা তহচিলদাৰসকলে দেৱোত্তৰ, ব্ৰহ্মোত্তৰ আৰু ধৰ্মোত্তৰ মাটি বাদ দিহে খাজনা সংগ্ৰহ কৰিব পাৰিছিল। জিলাধিপতিজনক প্ৰিন্সিপাল এচিছ্‌টেণ্ট বা জিলা কলেক্টৰ বোলা হৈছিল। ব্ৰোডি চাহাবৰ দিনতে চোৰ-ডকাইত ধৰিবলৈ আৰু গাঁৱে-ভূঞে শান্তি স্থাপন কৰিবলৈ ঠায়ে ঠায়ে পুলিচ থানাও পতা হৈছিল। ব্ৰোডি চাহাবৰ পাছত ১৮৫১ খ্ৰী:ত কেপ্টেইন চি. জে. হলৰয়ড আহি শিৱসাগৰ জিলাৰ দায়িত্ব লয়হি। বিচাৰৰ কাৰণে যোৰহাট নগৰত সদৰ আমিন আৰু 'পঞ্চায়ত'ৰ ব্যৱস্থা কৰা হৈছিল। ১৮৬৯ খ্ৰী:ৰ আগলৈকে যোৰহাট মহকুমা ঘোষণা হোৱা নাছিল। সেই কাৰণে প্ৰধান প্ৰধান মাম্‌লা-মোকৰ্দ্দমা শিৱসাগৰতহে বিচাৰ হৈছিল। ১৮৬৯ খ্ৰী:ত যোৰহাট মহকুমা ঘোষণা হোৱাত আৰু যাতায়াতৰ উন্নতি হোৱাত মাজুলীৰ কাম-কাজ চোৱাও সহজ হ'ল। ১৮৮৩ খ্ৰী:ৰ পাছত অসমত নিয়মীয়াকৈ ভাপ-জাহাজ চলাত যোৰহাট তথা অসমৰ প্ৰধান চহৰৰ লগত মাজুলীৰ যোগাযোগ বৃদ্ধি পায়। মাজুলীৰ কমলাবাৰীত ভাপ-জাহাজৰ আস্থান হোৱাত যোগাযোগ আৰু ডাক অনা-নিয়া কৰাৰো সুচল হ'ল।

১৮৪৬ খ্ৰী:ত শিৱসাগৰত খ্ৰীষ্টান মিছনেৰীয়ে ছপাশাল পাতি 'অৰুনোদই' কাগজ প্ৰকাশ কৰাৰ পাছতে মাজুলীৰ আউনীআটী সত্ৰৰ পৰাও দত্তদেৱ গোস্বামীয়ে ১৮৭১ খ্ৰী:ত 'আসাম বিলাসিনী' কাকত উলিয়াই সংবাদ জগতলৈ এক সাহসী পদক্ষেপ আগবঢ়ায়। সেইকালত যাতায়াতৰ অসুবিধা সত্ত্বেও আউনীআটীত ছপাশাল বহুৱাই সংবাদপত্ৰ উলিয়াব পৰাটো কম কৃতিত্বৰ বিষয় নহয়। ছপাশালটো পিছত বিক্ৰী কৰি দিয়া হয় আৰু মাজুলীৰ পৰা প্ৰকাশিত 'আসাম বিলাসিনী' বন্ধ হৈ গ'ল।

খ্ৰীষ্টান মিছনেৰীসকলে ধৰ্ম প্ৰচাৰৰ লগতে মাজুলীৰ ভেকেলীমুখৰ(?) দৰে আওহতীয়া ঠাইতো পাঠশালা পাতি শিক্ষা-সংস্কৃতিৰ সম্প্ৰসাৰণ কৰাত আত্মনিয়োগ কৰাৰ কথা মিলছ্ চাহাবৰ প্ৰতিবেদনত পোৱা যায়।

১৯১২ খ্ৰী:ত শিৱসাগৰৰ পৰা যোৰহাটলৈ ৰাজধানী স্থানান্তৰ হোৱাৰ পাছতহে শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত সামাজিক পৰিৱৰ্তন লক্ষ্য কৰিব পাৰি। যোৰহাটৰ পৰা উপায়ুক্তসকল গৈ মাজুলী পৰিদৰ্শন কৰা, কৰ সংগ্ৰহৰ সুবিধা-অসুবিধা, অভাৱ-অভিযোগ আদিৰ বুজ লোৱা সহজ হ'ল। ১৮৮৪ খ্ৰী:ত যোৰহাটৰ পৰা ককিলামুখ জাহাজঘাটলৈ ৰেল চলাচল কৰাত বাণিজ্যৰ দিশতো অগ্ৰগতি সম্ভৱ হ'ল। মাজুলীৰ দৰে ঠাইতো লাহে লাহে হাইস্কুল হোৱাত শিক্ষিতৰ সংখ্যাও ক্ৰমে ক্ৰমে বাঢ়িবলৈ ধৰিলে।

স্বাধীনোত্তৰ যুগত মাজুলীত স্কুল-কলেজ প্ৰশাসনীয় বিষয়া, ৰাজহচক্ৰ আদি বাঢ়িবলৈ ধৰাত আন ঠাইৰ লগতে মাজুলীও আগবাঢ়িবলৈ ধৰে।

# মাজুলীত সত্ৰ প্ৰতিষ্ঠাৰ ইতিবৃত্ত
## (এক)

**ধুঁৱাহাট-বেলগুৰিত শংকৰদেৱৰ পদাৰ্পণ; সত্ৰ প্ৰতিষ্ঠা : পঞ্চদশ শতিকাত আহোম ৰাজ্যৰ পশ্চিম সীমাত, বৰ্তমান মাজুলীৰ পশ্চিম অংশত স্বৰ্গদেউ চুহুংমুং ওৰফে দিহিঙীয়া ৰজাৰ দিনত (১৪৯৭–১৫৩৯) 'ধুঁৱাহাট বেলগুৰি' ঠাইখণ্ড আছিল। এই ঠাইখণ্ডৰ স্থিতি সম্পৰ্কে তথ্য দিয়ে এনেদৰে : শংকৰদেৱে কছাৰীসকলৰ লগত বাৰভূঞাৰ সংঘৰ্ষ হোৱাত বৰদোৱা অঞ্চল এৰি বিশ্বনাথ অঞ্চলত কিছুদিন থাকি তাৰপৰা উজাই কেইবাঠাইতো ৰৈ শেষত মাজুলীৰ পশ্চিম অঞ্চলত ধুঁৱাহাট বা বেলগুৰিত বাৰ/চৈধ্য বছৰ সত্ৰ পাতি থাকে। সত্ৰৰ ঠাইখিনি পবিত্ৰ থানৰূপে পৰিগণিত হয় আৰু তাতে আকৌ এখনি সত্ৰ হয়। ১৮৩৭ শকৰ বাৰিষা ব্ৰহ্মপুত্ৰই থান খহাই নিয়ে, সত্ৰ লক্ষীমপুৰলৈ (কাচিকটা) উঠি যায়। (১৯১৫ খ্ৰী:ত) :: বেলগুৰি সত্ৰ: পবিত্ৰ অসম: ৮৪।**

শংকৰদেৱে তেওঁলোকৰ কথা শুনি ধুঁৱাহাটলৈ যোৱাটো ভাল বুলি ক'লত, আটাইকে সকলোৱে যাবৰ থিৰ কৰিলে। পিছত শংকৰদেৱে ভক্তসকলেৰে সৈতে নাৱেৰে কজলকটাইদি উজাই গৈ ধুঁৱাহাট পাই তাতে নৈৰ পানীৰ সুচল দেখি থাকিবৰ মন কৰি, হাবি কটাই হাটীঘৰ, নামঘৰ, মণিকূট আদি সজাই সত্ৰ পাতিলে। ভূঞা বঙহ-পৰিয়াল আদিয়েও তাতে নিবাস কৰিলে। এই ধুঁৱাহাটেই পিছত বেলগুৰি থান বুলি প্ৰসিদ্ধ হ'ল। :: শ্ৰীশংকৰদেৱ আৰু শ্ৰীমাধৱদেৱ— বেজবৰুৱা।

চৰিতমতে: মাছ পানীৰ ঠেক, খেতিও জলে নিলে, ডফলাৰো জোট, ছমাহ ৰহি সবেও আলচি ৰাম ৰাম গুৰু, ৰামদাস, বুঢ়া খা, কেতাই খা, গাভৰু খা, ৰাম খা, হৰি খা, ৰূপ খা, জইহৰি, সেতেৰি, ৰহাই দলৈ, জঠাই ঠাকুৰীয়া, উতৰা বৰি, বাৰ্জন বাৰি, অৰ্জুনা মুদৈ, এই সব গৃহ খেত কৰিবলৈ লুইত পাৰ হৈ বেলগুৰি ধুৱাঁহাটা গ্ৰামত ৰ'লহি; পাছত মহাপুৰুষ পালেহি: কথা গুৰু চৰিত। সেহি ভয়ে শংকৰ সহিতে প্ৰজাজাক। ব্ৰহ্মপুত্ৰে উজাইলন্ত ধুম-যে-হাটাক:: গুৰু চৰিত- - ৰামানন্দ। গুৰুধ্বজ নামে তান ভাই শুভানয়। ধুঞাহাটা হন্তে শুনে লোক সমস্তয়:: গুৰু চৰিত— দৈত্যাৰি ঠাকুৰ:: "সেই বেলা কছাৰীৰ উপদ্ৰৱত বৰদোৱাত ৰ'ব নোৱাৰি, ভূঞাহঁত উজাই আহি বেলগুৰি ধোঁৱাহাটাত আছিল"— আহোমৰ দিন, হিতেশ্বৰ বৰবৰুৱা।

প্ৰায় ৬৭ বছৰ বয়সত ধুঁৱাহাট-বেলগুৰিত থিত্ লোৱা শংকৰদেৱ এই স্থানত ১৮ বছৰ আছিল বুলি বেজবৰুৱাই লিখিছে। সেইমতে সময় উক্ত পঞ্চদশ শতিকাৰ ভিতৰত। অন্যহাতে, 'ধূৱাহাট-বেলগুৰি' নামটো ধূৱাহাট, ধুঁৱাহাটা, ধুম-যে-হাটক, ধোঁৱাহাট ৰূপে বিভিন্ন চৰিতপুথি, বুৰঞ্জী আৰু শংকৰ-মাধৱৰ জীৱনী গ্ৰন্থত প্ৰকাশ পাইছে।

**শংকৰদেৱৰ জীৱন-সোঁতত নতুন সুঁতি :** ধুঁৱাহাট-বেলগুৰিৰ পৰা দক্ষিণ-পশ্চিমৰ নাৰায়ণপুৰ অঞ্চলৰ লেটেকুপুখুৰীৰ হৰিসিঙা বৰাৰ আশ্ৰয়ত থকা সময়ত ১৪১১ শকৰ জেঠ মাহত, গোবিন্দগিৰি আৰু মনোৰমা আইৰ সন্তান, মাধৱৰ জন্ম হয়। পিতৃৰ জন্মভেটি বণ্ডুকাৰ পৰা উভতি আহোঁতে, মাতৃৰ অসুখৰ খবৰ শুনি আৰোগ্যৰ বাবে শৰৎকালৰ গোসাঁনী পূজাৰ নিমিত্তে এযোৰ বগা পঠা আগ কৰিলে। মাধৱে গৃহ পাই মাতৃ আৰোগ্য দেখি সন্তোষ পালে। ইতিমধ্যে পূজাৰ সময় আহিল। ভনী-জোঁৱাই মাধৱ নথকা অৱস্থাত শংকৰদেৱক লগ পাই গুৰুধৰ্মত মতি হৈ শংকৰদেৱত শৰণ লৈ গয়াপাণিয়ে ভক্তৰূপে ৰামদাস নাম পায়। পূজাৰ পঠা বিচৰাৰ ভাৰ ৰামদাসক দিছিল যদিও ৰামদাসে পঠাৰ যোগাৰ কৰিব নোৱৰাত, মাধৱৰ 'হোকৰা কুছীয়া তুমি বুদ্ধিত পাগল। বিহানে টকা দিলো নানিলা ছাগল'' বুলি গালি খাব লগা হ'ল। বলি-বিধান সম্পৰ্কত বৈষ্ণৱ ভক্ত ৰামদাস আৰু প্ৰবৃত্তিমাৰ্গী মাধৱৰ মাজত তৰ্ক-বিতৰ্ক হ'ল। শেষত ৰামদাসৰ সৈতে মাধৱ শংকৰৰ কাষ পালেগৈ।

কথা গুৰুচৰিত মতে: গুৰুজনৰ তিনিকুৰি তেৰ বৰ্ষ যাওঁতে শ্ৰীমাধৱদেৱৰ একুৰি বাৰ বৰ্ষত লাগ পাইছে। প্ৰবৃত্তি মাৰ্গৰ সপক্ষে সাজি-কাচি প্ৰতিদ্বন্দ্বী হৈ "তিনি প্ৰহৰবেলা শংকৰ আৰু মাধৱৰ ক্ৰমে নিবৃত্তি আৰু প্ৰবৃত্তি মাৰ্গৱলম্বী পাণ্ডিত্যপূৰ্ণ তৰ্কৰ পিছত মাধৱে হাৰ মানি শংকৰদেৱত শৰণ ল'লে। এই সময়ৰ পৰাই শংকৰ গুৰুৱে মাধৱক 'প্ৰাণবান্ধৱ' বুলি বুকুত বান্ধি ল'লে। মাধৱ গুৰুজনৰ হ'ল 'মাধৱবান্ধৱ', 'বঢ়াৰপো'। গুৰুজনা হ'ল মাধৱৰ 'বাপ'। শংকৰ-মাধৱৰ অভিন্ন গুৰু-শিষ্য সম্পৰ্কৰ তুলনা নাই। আমাৰ জাতীয়-জীৱনত আৰু সংস্কৃতিত এই মণি-কাঞ্চন সংযোগ যাউতিযুগীয়া মিলনৰ সুৰ হৈ বাজি আছে আৰু আগলৈকো থাকিব।": 'শ্ৰীশ্ৰীশংকৰদেৱ'— নেওগ। প্ৰতিদ্বন্দ্বী মাধৱ যুগনায়ক শ্ৰীমন্ত শংকৰদেৱৰ প্ৰধান সহযোগী হৈ তেওঁৰ মহান অভিযান সফল কৰিলে। বেজবৰুৱাই সোণসেৰীয়া ভাষাৰে কৈছে—

"সোণত সুৱগা স্বৰূপ শংকৰ-মাধৱৰ মিলন হ'লত, হৰি-কীৰ্তনৰ ধ্বনি ধূঞাহাট-বেলগুৰিত গগণ লংঘিবলৈ ধৰিলে।"

এই ধুঁৱাহাট-বেলগুৰিতে মাধৱৰ জীৱনে অন্য গতি ল'লে। শংকৰদেৱক গুৰু মানি তেওঁৰ সহযোগী হোৱা মাধৱে গুৰুজনাক লগ পোৱাৰ আগতে বিবাহৰ বাবে জোৰোণ পিন্ধাই থৈছিল এগৰাকী কন্যাক। গুৰুজনাৰ কাষত থাকি লাভ কৰা নিষ্কাম বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱে বৈবাহিক জীৱনৰ বাবে আগবঢ়া মাধৱৰ মনৰ গতি সলনি কৰি চিৰকুমাৰ হৈ জীৱন কটোৱাৰ পথত অগ্ৰসৰ হ'ল। পৰৱৰ্তী জীৱনতো বিষয়-বাসনাৰ বান্ধ ছিঙি মাধৱদেৱ উদাসীন হৈ ৰ'ল।

দ্ৰোহী ৰূপত শংকৰ-মাধৱ; আহোম ৰাজসভাত বিচাৰ: ধুৱাহাট বেলগুৰিত শংকৰদেৱে বৈষ্ণৱ আদৰ্শ প্ৰচাৰ কৰাত, শাস্ত্ৰ চৰ্চাত অনেক লোক আহি তেখেতৰ আদৰ্শ গ্ৰহণ কৰাত বৈষ্ণৱ আদৰ্শ-বিৰোধীসকল, বিশেষকৈ কৰ্মকাণ্ডী বিপ্ৰসকল জঁকি উঠিল। সেইসকলে আনকি শংকৰৰ ভক্তসকলক নানা ধৰণৰ লাঞ্ছনা কৰাতে ক্ষান্ত নাথাকি 'শংকৰদেৱৰ গণতান্ত্ৰিক ধৰ্ম-আন্দোলন ঢাকিবলৈ' নানান প্ৰচেষ্টা চলালে। অৱশেষত যুক্তি আৰু সাহসেৰে শংকৰদেৱৰ সন্মুখীন হ'ব নোৱাৰি স্বৰ্গদেউ চুহুংমুং দিহিঙীয়া ৰজাত গোচৰ দিলেগৈ— আচাৰ্য, কন্দলি, মিশ্ৰ, উপাধ্যায়, ভাৰতী উপাধিধাৰী ব্ৰাহ্মণসকলে। সেইসকলৰ অভিযোগ, "শংকৰ নামৰ শূদ্ৰ এজনে শ্ৰাদ্ধবিধি, বৈদিক কাৰ্য ৰহিত কৰি ৰাজ্য নষ্টৰ উপক্ৰম কৰিছে।" ৰাজ-আদেশত স্বৰ্গদেৱৰ সন্মুখত উপস্থিত হ'ল শংকৰ-মাধৱ আৰু গোচৰীয়াসকল। ৰজাই অভিযোগ আৰু পদকীয়াৰ উত্তৰ শুনি গুচৰীয়াৰ প্ৰতি খং কৰিলে আৰু ৰাজ-দৰবাৰৰ পৰা খেদাই পঠালে। শংকৰ-মাধৱে সন্মানসহকাৰে ৰাজধানীৰ পৰা বিদায় লৈ ধুৱাহাটলৈ উভটি আহিল। শংকৰদেৱৰ আদৰ্শই স্বীকৃতি লাভ কৰিলে।

ধুৱাহাট-বেলগুৰি বিদায় – ৰাজ-ৰোষৰ পৰিণতি : যুদ্ধ-বিগ্ৰহৰ বাবে, বিশেষকৈ সঘন আক্ৰমণৰ বাবে আহোম ৰজাঘৰত হাতী অপৰিহাৰ্য সম্পদ। হাতী ধৰিবৰ বাবে স্বৰ্গদেৱে হাতীগড় মৰাই হাতী ধৰোৱাৰ ব্যৱস্থা কৰিছিল। লুইতৰ উত্তৰ পাৰে পাহাৰৰ পৰা লুইতৰ কাষলৈ গড় বন্ধাই হাতী ধৰাৰ ব্যৱস্থা কৰি গড়ৰ 'দক্ষিণত ব্ৰহ্মপুত্ৰ, উত্তৰে লৌহিত্য। নিয়োজিলা পাত্ৰ-ভৃত্য যথা নানামত।। পূৰ্বত দিলন্ত কতো ভৃত্যগণ আনি। পশ্চিমত দিলা শংকৰক মহামানী।।" মুখ্য তত্ত্বাৱধায়কৰ দায়িত্ব পৰিল, শিৰোমণি ভূঞা শংকৰদেৱৰ ওপৰত; ৰজাঘৰীয়া আদেশ। ৰজাৰ কঠোৰ আদেশ, যাৰ ফালে হাতী পলাব, সেইসকলৰ মূৰ কটা যাব। ঠেঙুৱৈ লগা জাৰত পালি-পহৰীয়া অৱশ হৈ পৰাত, শিৰোমণি শংকৰৰ দায়িত্ব থকা ফালেই বনৰীয়া হাতীয়ে গড় ভাঙি পলাল। খবৰ গৈ ৰজাঘৰ পোৱাৰ লগে লগেই ৰাজ-হুকুম হ'ল— গড়ৰ দায়িত্বত থকাসকলক বন্দী কৰিবলৈ, দণ্ড দিবলৈ। ধুৱাহাটত ৰাজ-বাহিনী হাজিৰ হ'লহি শংকৰদেৱক বন্দী কৰিবলৈ। শংকৰদেৱক ধৰিব নোৱাৰি মাধৱদেৱ আৰু শংকৰদেৱৰ জোঁৱায়েক হৰিক বন্দী কৰি আহোম ৰাজধানী ৰংপুৰ পোৱালেগৈ।

ৰজাৰ বিচাৰত গৃহস্থী হৰিৰ প্ৰাণদণ্ডৰ আদেশ হ'ল। আসন্ন মৃত্যুৰ ক্ষণ গণি হৰি আৰু মাধৱে সিদ্ধান্ত কৰিলে। মাধৱে হৰিক ক'লে-– "মোক যদি আগেয়ে কাটে, তেন্তে তুমি মোক সোঁৱৰিবা আৰু তোমাক আগেয়ে কাটিলে মই তোমাক নাম সোঁৱৰাম।" বধ্যভূমিত চাওদাঙে 'গৃহস্থীজনক কাটিব লাগে আৰু বৈৰাগীজনক এৰি দিব লাগে'— এই ৰাজ আদেশ পালে। কটাৰ আগতে হৰিক পূৰ্বৰ কথামতেই নাম সোঁৱৰালে—

"হুয়ো ভাই সাৱধান। যাৱে নাহি ছুটে প্ৰাণ।।
গোবিন্দৰ ফৰমান। নিকটে মিলাৱে জান।।
জীৱন যৌৱন ঠোৰ। সবে মায়াময় চোৰ।।
দুঃখ সব কৰা দূৰ। হৰিষদে মন জুৰ।।
ত্যজা সব অভিলাস। দূৰ কৰা মোহ পাশ।।
হৰি পদে কৰা আশ। কহয় মাধৱ দাস।।"

হৰিপদত আত্মসমৰ্পণ কৰা এই বড়গীতটি শুনিয়েই চাওদাঙৰ দাৰ কোবত কটা মূৰে 'ৰাম ৰাম' বুলি উফৰি পৰিল। এজন ভক্তৰ ৰঙা তেজেৰে ৰাঙলী হ'ল অসমী আইৰ মাটি আৰু আন এজন ভক্তৰ হৃদয় নিজৰি ওলোৱা বড়গীতটি হ'ল— সংগীতৰ এডালি হেম-হাৰ।

পালনামৰ আৰম্ভণি : মাধৱ বান্ধৱ আৰু হৰি জোঁৱাইৰ শুভাগমন কামনা কৰি ধুৱাহাট-বেলগুৰি থানত গুৰুজনাই আৰম্ভ কৰিলে পালনাম। সাত দিনৰ মূৰত ৰংপুৰৰ পৰা নীতিগতভাৱে ৰজাঘৰীয়া আদেশেৰে বিদায় লৈ গুৰুজনাৰ কাষ পালেহি। অসমৰ বৈষ্ণৱ সমাজত প্ৰচলিত পবিত্ৰ পালনাম উৎসৱৰ আৰম্ভণি হৈছিল প্ৰথমে ধুৱাহাট-বেলগুৰিতে।

শংকৰ-মাধৱৰ জীৱনৰ সুখ-দুখ, হাঁহি-কান্দোন, বিৰোধ-সহযোগ, সৃষ্টিৰ আনন্দ আৰু আত্মীয়-স্বজনক হেৰুৱাৰ বেদনাই য'ৰ

মাটি-পানী, আকাশ-বতাহ আৰু মানুহৰ নিবিড়তাৰে ১৮ বছৰ কটালে; সেই ধুৱাহাট-বেলগুৰি থান এৰি গুৰুজনাই ভক্তসমে আহোম ৰাজ্যৰ পৰা বিদায় ল'বলৈ সিদ্ধান্ত কৰিলে। গুৰু চৰিত আৰু আধুনিক কালৰ জীৱনীকাৰ– বেজবৰুৱা, নেওগদেৱৰ মতৰ ভিত্তিতে, ১৪৬৫-৬৬ শকৰ ভিতৰত, গুৰুজনাই ৯৪/৯৫ বছৰ বয়সত ধুৱাহাট-বেলগুৰি এৰি কামৰূপলৈ নাও মেলিলে।

মাজুলীৰ আদি-কবি, আদি-নাট্যকাৰ, ধৰ্ম প্ৰচাৰক, সত্ৰ স্থাপন কৰোঁতা শংকৰ-মাধৱৰ পবিত্ৰ স্মৃতি বিজড়িত ধুঁৱাহাট-বেলগুৰি অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি-বুৰঞ্জীৰ বুকুত জিলিকি থাকিল এটি সোণালী অধ্যায় হৈ।

## মাজুলীত সত্ৰ প্ৰতিষ্ঠাৰ ইতিবৃত্ত (দুই)

মাজুলীৰ ইতিহাসত অন্যতম গুৰুত্বপূৰ্ণ কথা হ'ল ইয়াত বৈষ্ণৱ সত্ৰানুষ্ঠানসমূহৰ প্ৰতিষ্ঠা। দুই ধৰণে ইয়াত সত্ৰবোৰ প্ৰতিষ্ঠা হৈছিল।

কিছুমান বৈষ্ণৱ ধৰ্মগুৰুৱে ৰাজ-অনুগ্ৰহত মাটি-বাৰী লাভ কৰিছিল। এনে মাটি-বাৰী সাধাৰণতে ফৰিঙতি বা অনাবাদী মাটিত দিয়া হৈছিল। মাটিৰ লগতে পাইক-খাটনিয়াৰ হিচাপে কিছু মানুহক (আৰু তেওঁবিলাকৰ পৰিয়ালক) লগত দিয়া হৈছিল। কেতিয়াবা লগত দিয়া হৈছিল গৰু-ম'হ, বন্দী-বেটি আদি। ৰজাক দেখি বিষয়া-ডাঙৰীয়াসকলেও মাটি-বাৰী, ধন-সম্পত্তি দান কৰিছিল। এনেদৰে অনাবাদী মাটি সত্ৰ-সংগঠনক দান কৰাৰ ফলত সেই ফৰিঙতি মাটিবোৰত খেতি-বাতি আৰু মানুহৰ আবাস গঢ় লৈ উঠিছিল। ধনে-জনে ৰাজ্যৰ শ্ৰীবৃদ্ধি হৈছিল। মাজুলীত ৰজাঘৰীয়া সত্ৰসমূহ, যেনে– দক্ষিণপাট, আউনীআটি, গড়মূৰ আদি সত্ৰক সহস্ৰবিঘা মাটিৰ খাত-পাম ৰজাঘৰৰ পৰাই দান দিয়া হৈছিল; দেৱোত্তৰ, ধৰ্মোত্তৰ কৰি। এই মাটি আছিল খাজনামুক্ত।

বহুতো সত্ৰ বা ধৰ্মানুষ্ঠানে প্ৰত্যক্ষভাৱে ৰাজঘৰৰ পৰা মাটি-বাৰী নাপালেও নিজৰ শিষ্য হিচাপে থকা ডাঙৰ ৰাজ-বিষয়াৰ পৰা এনে সুবিধা পাইছিল। বদলা আতাই উত্তৰপাৰৰ পৰা আহি মাজুলীত সত্ৰ পতাৰ কথা চিন্তা কৰোঁতে তেৰাৰ প্ৰপন্ন শিষ্য লক্ষ্মীনাথ বেজবৰুৱা, দীননাথ বেজবৰুৱাৰ পূৰ্বপুৰুষ, পুৰুষোত্তম বৰুৱাৰ পৰাই তেওঁ খাত এখন খুজি লৈছিল আৰু এই খাতখনতে বদলা আতাই কমলাবাৰী সত্ৰ প্ৰতিষ্ঠা কৰিছিল।

এনেকৈয়ে সৰু-ডাঙৰ বিভিন্ন সত্ৰই মাজুলীত মাটি-বাৰী অলপ গোটাই লৈ সত্ৰ পাতিছিল। এসময়ত এনেদৰেই সমগ্ৰ মাজুলী দ্বীপটোৰ এক বৃহৎ অংশ সত্ৰ-সংগঠনসমূহৰ অধীন হৈ পৰিছিল।

মাজুলীত কিহৰ বাবে বৈষ্ণৱ সত্ৰ-সংগঠনবোৰ এনেদৰে বাঢ়ি আহিছিল ?

এটা কাৰণ আছিল যে, হয়তো ৰজাঘৰে মাজুলীতে সত্ৰবোৰক মাটি-বাৰী দিয়াৰ কাৰণে ইয়াতেই আটাইতকৈ বেছি সত্ৰ অনুষ্ঠান গঢ়ি উঠিছিল। ৰজাঘৰেও হয়তো মূল সত্ৰসমূহ এখন ঠাইতেই হোৱাটো বিচাৰিছিল; যাতে এই সত্ৰানুষ্ঠানবোৰৰ ওপৰত সহজতে নজৰ ৰাখিব পৰা যায়। মাজুলী ৰাজধানীৰ পৰা ওচৰতো অথচ দূৰত। ভৌগোলিকভাৱেও নৈৰে আবৰা এই অঞ্চল বিচ্ছিন্নপ্ৰায়; নজৰ আৰু নিয়ন্ত্ৰণত ৰাখিবলৈকো ই সুচল আৰু এই অঞ্চলত ধৰ্মগুৰুসকলক দিবলৈ যোগ্য, প্ৰচুৰ সাৰুৱা ফৰিঙতি মাটিও আছিল। সকলো ফালৰ পৰা মাজুলী ৰজাঘৰৰ বাবে সত্ৰ স্থাপন কৰিবলৈ দিবলৈ সুচল আছিল।

দ্বিতীয়তে, ঠায়ে ঠায়ে ইতিমধ্যে এখন স্থায়ী খেতিয়ক সমাজ গঢ় লৈ উঠিছিল। বৈষ্ণৱ ধৰ্মৰ ধৰ্মগুৰু, ভকতসকল আৰু সত্ৰ-থানসমূহক ধান-চাউলৰ পৰা অন্যান্য বয়-বস্তু এই সমাজখনে যোগান ধৰিব পাৰিছিল। ৰাইজৰ অনুগ্ৰহ আৰু দানৰ ওপৰত নিৰ্ভৰশীল ভকত-বৈষ্ণৱসকলৰ বাবে নদন-বদন মাজুলী সেয়ে এক আকৰ্ষণীয় স্থান আছিল। মাজুলীৰ ৰাইজৰ ভক্তিধৰ্মৰ প্ৰতি প্ৰীতি আৰু সাংস্কৃতিকভাৱে উন্নত অৱস্থাও এই অঞ্চলত ভক্তিধৰ্মৰ প্ৰসাৰ, সংস্কৃতিৰ চৰ্চা আৰু সত্ৰ-সংগঠনৰ পত্তনৰ বাবে অনুকূল আছিল।

এনে বিভিন্ন কাৰণৰ ফলত মাজুলীত সত্ৰসমূহৰ বিকাশৰ সুবিধা হৈছিল। বিকশিত হৈছিল মাজুলী বৈষ্ণৱধৰ্ম আৰু সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ হিচাপে অসমীয়া সমাজ, সংস্কৃতি আৰু জাতীয়-জীৱনৰ এক এৰাব নোৱৰা অংশ হিচাপে মাজুলীৰ বিকাশ হয়। মাজুলী হৈ পৰে অসমীয়া বৈষ্ণৱসকলৰ পুণ্যভূমি, তীৰ্থস্থানৰ দৰে। অসমীয়া সত্ৰীয়া-সংস্কৃতিৰ সিংহভাগ সম্পদো মাজুলীতেই বিকশিত আৰু সুৰক্ষিত হৈ পৰিছিল। সত্ৰ-সংগঠনসমূহৰ সামাজিক ভূমিকা আৰু প্ৰাসংগিকতা থকালৈকে এই প্ৰতিষ্ঠানবোৰেই মাজুলীৰ সমাজৰ মূল নিয়ন্ত্ৰক আছিল। কেৱল মাজুলীৰেই নহয়, সমগ্ৰ অসমৰে ধৰ্মপ্ৰাণ বৈষ্ণৱ সমাজখনক সামাজিকভাৱে আৰু সময়ে সময়ে ৰাজনৈতিকভাৱেও মাজুলীৰ সত্ৰসমূহেই নিয়ন্ত্ৰিত আৰু প্ৰভাৱিত কৰি আহিছে।

# মাজুলীৰ সত্ৰসমূহ

মাজুলীয়ে পৃথিৱীৰ সৰ্ববৃহৎ নদী-দ্বীপৰূপে খ্যাতি বহন কৰি আহিলেও এই ভূ-খণ্ডৰ প্ৰধান বৈশিষ্ট্য হৈছে ইয়াত অৱস্থিত সত্ৰসমূহ আৰু এই সত্ৰসমাজৰ ভূমিকা তথা ইয়াৰ নিদৰ্শন। ই কেৱল ধৰ্মপ্ৰাণ লোকৰ বাবেই নহয়, বিভিন্ন পৰ্যটকৰ আকৰ্ষণৰো কেন্দ্ৰবিন্দু। বুৰঞ্জীবিদসকলে মাজুলী দ্বীপৰূপে সৃষ্টিৰ পূৰ্বতে সত্ৰ প্ৰতিষ্ঠা হৈছিল বুলি মত প্ৰকাশ কৰি আহিছে। মাজুলীখন দ্বীপৰূপে পৰিচিত হোৱাৰ লগত সত্ৰৰ অৱস্থিতি আৰু ইয়াৰ ঐতিহ্য তথা সংস্কৃতিয়ে বিশেষ ধৰণে অৰিহণা যোগাইছে আৰু বিশেষ পৰিচয় প্ৰদান কৰিছে। সেইকাৰণে চিৰকথিত "মাজুলী সত্ৰীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ" বাক্যটিয়ে তাৎপৰ্য বহন কৰি আহিছে। মহাপুৰুষ শংকৰদেৱ-মাধৱদেৱৰ দ্বাৰা প্ৰচাৰিত একশৰণ নামধৰ্ম আৰু ইয়াৰে গইনা লৈ দুয়োজনা গুৰুৰ লগতে পৰৱৰ্তী ধৰ্মগুৰু-সকলে সৃষ্টি কৰা সাংস্কৃতিক প্ৰবাহে অসমৰ অন্য অংশৰ লগতে মাজুলীকো বিশেষৰূপে স্পৰ্শ কৰিলে। সত্ৰীয়া-সংস্কৃতিৰ এই ধাৰাটোৱেই মাজুলীৰ বাবে গৌৰৱোজ্বলতাৰ বিশেষ পৰিচয়।

শংকৰদেৱেই মাজুলীৰ পশ্চিম অঞ্চলত সৰ্বপ্ৰথম বেলগুৰি বা ধুঁৱাহাটত সত্ৰ প্ৰতিষ্ঠা কৰে। মাজুলীৰ এই পোনপ্ৰথম স্থাপিত সত্ৰখনত গুৰুজনা বাৰ-চৈধ্য বছৰ থকা বুলি জনা যায়। উক্ত সত্ৰ প্ৰতিষ্ঠাৰ সময় ঠাৱৰ কৰিব পৰাকৈ চৰিতপুথিত ঐতিহাসিক তথ্যৰ অভাৱ। যি কি নহওক গুৰুজনেই পোন প্ৰথমতে মাজুলীত সত্ৰ স্থাপন কৰি সত্ৰীয়া ঐতিহ্যৰ পাতনি মেলে। কছাৰীসকলৰ লগত বাৰভূঞাৰ সংঘৰ্ষ হোৱাত শংকৰদেৱে বৰদোৱা অঞ্চল ত্যাগ কৰি বিশ্বনাথ অঞ্চলত কিছুদিন থাকি তাৰ পৰা উজাই আহি কেইবা ঠাইতো বৈ শেষত মাজুলীত প্ৰৱেশ কৰি মাজুলীৰ উক্ত অঞ্চলত সত্ৰ পাতি নাম-ধৰ্ম বিস্তাৰ কৰে। মাজুলীৰ বাবে পৰম গৌৰৱৰ বিষয় যে, বেলগুৰিতে শাক্ত-পন্থী মাধৱদেৱে শংকৰদেৱৰ লগত আগম আৰু নিগম ধৰ্ম সম্পৰ্কে তৰ্ক কৰি পৰাস্ত হৈ একশৰণ নামধৰ্মত শৰণাপন্ন হয়। এই স্থানেই 'মণি-কাঞ্চন সংযোগ' ক্ষেত্ৰ বুলি আজিও প্ৰখ্যাত হৈ আছে। কথা-চৰিতৰ উদ্ধৃতি দি ড° মহেশ্বৰ নেওগে 'শ্ৰীশ্ৰীশংকৰদেৱ'ত লিখিছে যে, ১৮—২২ খ্ৰী: অৰ্থাৎ ১৪৪৪ শকত শংকৰ-মাধৱৰ মিলন হৈছিল (পৃ. ৬৫)। মাধৱদেৱ আছিল শংকৰদেৱৰ পৰিপূৰক। দুজনা মহাপুৰুষৰ মিলন মাজুলীতে সম্পন্ন হোৱাটো মাজুলীৰ বাবে গৌৰৱ তথা বিশেষত্ব নিহিত হৈ আছে।

শংকৰদেৱে মাজুলীত সত্ৰ প্ৰতিষ্ঠা কৰাৰ কাৰণো সম্ভৱতঃ বহুত। প্ৰধানতঃ সত্ৰৰ সাত্বিক জীৱন-যাপন, ৰাজনৈতিক বাতাৱৰণ তথা প্ৰভাৱমুক্ত, নিবিড়-নিৰল, অন্যান্য প্ৰদূষণৰহিত, নদ-নদীৰ কাষত ইয়াৰ অৱস্থান আদিয়ে বুলি সিদ্ধান্তলৈ আহিব পাৰি। শংকৰদেৱৰ পৰৱৰ্তী কালত বহুতো সত্ৰ প্ৰতিষ্ঠা হৈছিল বুলি অনুমান কৰাত অসুবিধা নহয়। শংকৰ-মাধৱ দুয়োজনা মহাপুৰুষে বেলগুৰি সত্ৰ ত্যাগ কৰি যেতিয়া কোঁচ ৰাজ্যলৈ যাত্ৰা কৰে, তাৰ কিছুবছৰৰ পিছতহে লাহে লাহে এখন-দুখনকৈ ধৰ্মীয় আৰু ৰাজনৈতিক উভয় কাৰণত সত্ৰ প্ৰতিষ্ঠা হ'বলৈ ধৰে। উল্লেখযোগ্য যে ১৯১৪ খ্ৰী:ৰ (১৮৩৭ শক) বাৰিষা ব্ৰহ্মপুত্ৰই উক্ত বেলগুৰি সত্ৰ (থান) খহাই নিয়াত, সত্ৰ লখিমপুৰৰ কাচিকটালৈ উঠি যায়।[১] এনেদৰে গৰাখহনীয়া, বানপানী আদি প্ৰাকৃতিক দুৰ্যোগৰ লগতে ৰাজনৈতিক কাৰণতো মাজুলীৰ পৰা বহু সত্ৰ স্থানান্তৰিত হ'ল আৰু কিছুমান ছেদেলি-ভেদেলি হৈ পৰিছিল। বহুতো সত্ৰৰ ঐতিহাসিক তথ্য নথকাৰ ফলত সেইবোৰৰ প্ৰাচীনত্ব কিমান, তাৰ সন্ধেদ পোৱা নাযায়। তদুপৰি ৰাজনৈতিক উত্থান-পতন, মোৱামৰীয়া বিদ্ৰোহ, মানৰ আক্ৰমণ, সীমামূৰীয়া ৰাজ্যৰ অত্যাচাৰ আদি অনেক কাৰণত বহু মূল্যবান তথ্য-পাতি বিলুপ্ত হ'ল।

মাজুলীৰ গুৰুঘৰীয়া, ৰজাঘৰীয়া, ধনী-দুখীয়াভেদে চাৰিসংহতিৰ বহু সত্ৰ আছে। ইয়াৰে আউনীআটি, গড়মূৰ, দক্ষিণপাট আদি ৰাজনৈতিক কাৰণত স্থাপিত সত্ৰ। মাজুলীত অৱস্থিত সত্ৰৰ সঠিক সংখ্যাৰ বেলিকা মত পাৰ্থক্য থকা দেখা যায়। বিভিন্ন তথ্যই ৪০ৰ পৰা ৬৫খন সত্ৰ মাজুলীত আছিল বুলি সমৰ্থন কৰে। ইতিপূৰ্বে উল্লেখ কৰি অহা হৈছে যে বহু সত্ৰ গৰাখহনীয়া, প্ৰাকৃতিক দুৰ্যোগ, ৰাজৰোষ তথা বিভিন্ন বিদ্ৰোহ-অত্যাচাৰৰ পৰিপ্ৰেক্ষিতত স্থানান্তৰিত হ'ল। এই লেখনিত মাজুলীত বৰ্তমান অৱস্থিত আৰু ইতিমধ্যে স্থানান্তৰিত হোৱা সত্ৰসমূহৰ নাম উল্লেখ কৰা হ'ল—

১। 'পবিত্ৰ-অসম'— ড° মহেশ্বৰ নেওগ সম্পাদিত, পৃ: ৯৮।

১। টকৌবাৰী, ২। মলুৱাল, ৩। বাঁহজেঙনি, ৪। আঁহতগুৰি ৫। সাঁকোপাৰা, ৬। সৰু সাঁকোপাৰা, ৭। গড়মূৰ (বৰ), ৮। গড়মূৰ (সৰু), ৯। লেটুগ্ৰাম, ১০। মদাৰগুৰি, ১১। মটীয়াবৰীয়া, ১২। ভোগপুৰ, ১৩। ভাগতী, ১৪। বেলসিদ্ধিয়া, ১৫। বেঙেনাআটী, ১৬। বালিচাপৰি বৰ এলেঙি, ১৭। বিহিমপুৰ, ১৮। বাঘৰগঞা, ১৯। বতাৰগঞা, ২০। পোহাৰদিয়া, ২১। পুনিয়া(বৰ্তমান খোৱাং, নামদাং, দিখৌমুখ, টেঁকীয়াখোৱা আৰু লখিমপুৰত এই সত্ৰৰ শাখা সিঁচৰতি হৈ আছে), ২২। নাচনিপাৰ, ২৩। নৰসিংহ, ২৪। দীঘলী, ২৫। দিহিং, ২৬। দক্ষিণপাট, ২৭। ডৌকাচাপৰি, ২৮। চুপহা, ২৯। চামগুৰি (নতুন), ৩০। চামগুৰি (পুৰণা), ৩১। চামগুৰি (দলনি), ৩২। আউনীআটী, ৩৩। গজলা, ৩৪। খেৰকটীয়া, ৩৫। কৌপটীয়া, ৩৬। কাথবাপু, ৩৭। কাটনীপাৰ, ৩৮। কৰতিপাৰ, ৩৯। কমলাবাৰী (নতুন) ৪০। কমলাবাৰী (উত্তৰ), ৪১। কলাকটা, ৪২। ঔৱা, ৪৩। চকলা, ৪৪। দিখৌমুখীয়া, ৪৫। কামজনীয়া বা বগী আই এলেঙি, ৪৬। আদি বা পোৰাভেটি এলেঙি, ৪৭। কাকৰিকটা বৰ এলেঙি, ৪৮। উলুতলীয়া, ৪৯। আধাৰ, ৫০। ধুঁৱাহাট বা বেলগুৰি, ৫১। নেপালী সত্ৰ[২], ৫২। বৰাচুক সৰু এলেঙি[৩], ৫৩। সাউদকুছি[৪], ৫৪। ন-গোসাঁই[৫] ৫৫। দিছিৰীগঞা[৬], ৫৬। লাইআটী (বৰ্তমান নগাঁৱত আছে)[৭], ৫৭। হেমাৰবৰি[৮], ৫৮। নিকামূল সত্ৰ(বৰ্তমান তেজপুৰত আছে)[৯], ৫৯। ৰতনপুৰ সত্ৰ (বৰ্তমান নামতিৰ ওচৰত আছে)[১০] আদি।* ইয়াৰ বাহিৰেও আৰু কিছুসংখ্যক

২। 'পবিত্ৰ-অসম'— ড° মহেশ্বৰ নেওগ সম্পাদিত পৃ: ৭৮।
৩। ঐ " " পৃ: ৭১
৪। ঐ " " পৃ: ৮৪
৫। ঐ " " পৃ: "
৬। চণ্ডিকাবল্লভ দেৱ গোস্বামী, স্মৃতিগ্ৰন্থ, অসম সাহিত্য সভা গোলাঘাট শাখা :: পৃ: ৪৭।
৭। 'পবিত্ৰ-অসম'— ড° মহেশ্বৰ নেওগ সম্পাদিত পৃ: ১২৫
৮। ঐ " " পৃ: ১৪৯
৯। ঐ " " পৃ: ২০৫
১০। ঐ " " পৃ: ৫৮

* *মাজুলীত মুঠ ৬৫খন সত্ৰ থকা বুলি বিভিন্ন জনে সহমত প্ৰকাশ কৰিলেও সমূহ সত্ৰৰ নাম জানিব পৰা নাযায়।*

সত্ৰ আছিল বুলি জনা গ'লেও সেইবিলাকৰ বিষয়ে তথ্য পোৱা নগ'ল।

উল্লেখিত সত্ৰসমূহৰ বেছিভাগৰে প্ৰতিষ্ঠাৰ ইতিহাসৰ সবিশেষ পোৱা নাযায়। অৱশ্যে ১৫৫৭ খ্ৰী:ত কাথবাপু সত্ৰ, ১৬৬২ খ্ৰী:ত বেঙেনাআটী সত্ৰ, ১৫৫৮ খ্ৰী:ত বৰ এলেঙি সত্ৰ, ১৬৬২ খ্ৰী:ত আউনীআটী আৰু দক্ষিণপাট, ১৬৭৩ খ্ৰী:ত কমলাবাৰী সত্ৰ আদি প্ৰতিষ্ঠাৰ তথ্য পোৱা যায়।

ভৌগোলিক বৈশিষ্ট্যৰ কথা বাদ দিও মাজুলী 'এটকা মহন্তৰ থল' ৰূপেহে প্ৰখ্যাত স্থান। সেয়েহে ইয়াৰ সত্ৰকেইখনৰ সাংস্কৃতিক কাৰ্যাৱলী সামৰিহে মাজুলীৰ বিশেষত্ব তথা পৰিচয় বিৰাজ কৰি আছে। সমগ্ৰ অসমখনেই সত্ৰৰ ৰাজ্য হিচাপে খ্যাতি আছেই। এনে এক পটভূমিত মাজুলীৰ সত্ৰসমূহে বিভিন্ন সময় আৰু উপলক্ষ্যত কেৱল ভাৰততেই নহয়, বিদেশতো অসমক প্ৰতিনিধিত্ব কৰি গৌৰৱ কঢ়িয়াই আনিছে। ধনী-দুখীয়া, সংহতি, গুৰুঘৰীয়া, ৰজাঘৰীয়াভেদে মাজুলীত অৱস্থিত সত্ৰবোৰ প্ৰত্যেকৰে স্বকীয় বৈশিষ্ট্যপূৰ্ণ নিত্য-নৈমিত্তিক উৎসৱ-অনুষ্ঠান আছে। শংকৰ-মাধৱদেৱৰ সংগীত-নাট-নৃত্যৰ উপৰিও পৰৱৰ্তী কালত ৰজাঘৰীয়া প্ৰভাৱত সৃষ্ট নৃত্য-গীত-নাট্যৰো বিকাশ সাধন হৈছিল। দুজনা গুৰুৰ তিথি, ৰাসোৎসৱ, ফল্গুৎসৱ, তিনি-বিহু, আতা-আতৈসকলৰ তিথি, পালনাম, সত্ৰাধিকাৰসকলৰ মৃত্যু তিথি আদি পালনৰ পৰম্পৰা ৰক্ষা কৰি সত্ৰসমূহে কেৱল ধৰ্মীয় তথা আধ্যাত্মিক ক্ষেত্ৰতে নহয়, সাংস্কৃতিক ক্ষেত্ৰতো ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখিছে। সংগীত, সাহিত্য, নৃত্য, অভিনয়, স্থাপত্য, ভাস্কৰ্য— এই কলাসমূহৰ চৰ্চা আৰু উৎকৰ্ষ সাধনৰ জৰিয়তে মাজুলীৰ সত্ৰসমূহে সত্ৰীয়া সংস্কৃতিৰ পূৰ্ণ প্ৰকাশ ঘটাইছে।**

## সত্ৰৰ প্ৰশাসনীয় ব্যৱস্থা

**ভূমিকা :** অসমৰ বৈষ্ণৱ-সংস্কৃতিৰ উৎস আৰু ইয়াৰ বিকাশৰ থলীস্বৰূপ সত্ৰসমূহক অসমীয়া সমাজৰ প্ৰাণকেন্দ্ৰ বুলি গণ্য কৰা হয়। ই ভক্তি-আন্দোলনৰ প্ৰধান বাহক। সত্ৰ শব্দটো বিভিন্ন অৰ্থত ব্যৱহৃত হ'লেও শ্ৰীমন্ত শংকৰদেৱে ভাৰতৰ পূব দিশত ভক্তিধৰ্ম প্ৰৱৰ্তন আৰু

** *মাজুলীত বৰ্তমান স্থিত সত্ৰসমূহৰ তালিকা 'পৰ্যটকৰ বাবে মাজুলী' পিতানত দিয়া হৈছে।*

ইয়াৰ প্ৰচাৰৰ কাৰণে এই অভিনৱ অনুষ্ঠান 'সত্ৰ'ৰ সৃষ্টি কৰিছিল। এই ক্ষেত্ৰত মাজুলীৰ সত্ৰসমূহ, বিশেষকৈ চাৰি-সত্ৰৰ ভূমিকাক বিশেষভাৱে স্বীকৃতি দিয়া হৈছে। উল্লেখযোগ্য যে, অসমত প্ৰায় পাঁচশৰো অধিক সত্ৰ থকা সত্বেও গড়মূৰ, আউনীআটী, কমলাবাৰী আৰু দক্ষিণপাট সত্ৰই অসমীয়া সমাজত এক উচ্চ আসন অধিকাৰ কৰি আছে।

সত্ৰসমূহৰ মুখ্য বিষয় আছিল কৃষ্ণ-কথাৰ শ্ৰৱণ-কীৰ্তন। এই উদ্দেশ্য আগত ৰাখিয়েই সত্ৰসমূহত কীৰ্তনঘৰ/নামঘৰ স্থাপন কৰাৰ ব্যৱস্থা কৰিছিল। নামঘৰ স্থাপন কৰিবৰ বাবে এক প্ৰতিষ্ঠিত আৰ্হি গ্ৰহণ কৰি লোৱা হৈছিল। নামঘৰৰ আকাৰ, ভকত-শিষ্যৰ সংখ্যাৰ ওপৰত নিৰ্ভৰ কৰে। সাধাৰণতে নামঘৰতেই সত্ৰৰ সকলো গুৰুত্বপূৰ্ণ কাৰ্য সম্পন্ন কৰা হয়। আলোচনা, ধৰ্মীয় সভা, সাংস্কৃতিক দিশৰ বিভিন্ন কাৰ্যাৱলী নামঘৰতেই হয়। নামঘৰক সৰু সংসদ বুলিও উল্লেখ কৰিব পাৰি; কিয়নো ৰাজনীতি, সমাজনীতি আনকি বিবাদ নিষ্পত্তি কৰাৰ বাবেও নামঘৰ ব্যৱহৃত হয়।

নামঘৰৰ মূধত মণিকূট নিৰ্মাণ কৰা হয়। যিহেতু 'মণি' মানে ৰত্ন আৰু 'কূট' মানে ঘৰ; গতিকে মণিকূটৰ অৰ্থই হ'ল 'ৰত্নৰ ঘৰ'। মণিকূটৰ ক্ষেত্ৰত ৰত্ন বুলিলে মহাপ্ৰভুৰ মূৰ্তি বা তেওঁৰ গুণানুকীৰ্তন সন্নিবিষ্ট পুথিকে প্ৰধানতঃ গণ্য কৰা হয়। মণিকূটৰ আকাৰ নামঘৰৰ তুলনাত ঠেক আৰু সৰু হয়। এই মণিকূটতেই পাঁচ, সাত বা ন-খলপীয়া কাঠেৰে নিৰ্মিত হেঙুল-হাইতাল বোলোৱা সিংহাসন ৰখা হয়। এই সিংহাসনৰ একেবাৰে ওপৰত থকা 'আমহী ঘৰ' সুন্দৰভাৱে ঘৰৰ আকাৰত নিৰ্মিত মূল অংশ। ইয়াতেই মূল পুথি ৰখা হয়।

সত্ৰৰ ভিতৰলৈ যোৱা প্ৰৱেশ-পথতে কৰপাট বা বাটচ'ৰা নামেৰে এটি সৰু খোলা ঘৰ থাকে। এই বাটচ'ৰাতেই অতিথিসকলক আদৰণি জনাই সত্ৰৰ ভিতৰলৈ লৈ যোৱা হয়। সত্ৰৰ চৌহদৰ চাৰিওফালে হাটীৰূপে জনাজাত চাৰি শাৰী ঘৰ থাকে। বিভিন্ন শ্ৰেণীৰ ভকতসকলে ইয়াতেই বাস কৰে। সত্ৰাধিকাৰৰ বাসস্থান মূল চৌহদৰ ভিতৰতে নিৰ্মাণ কৰা হয়।

**প্ৰশাসনিক ব্যৱস্থা :** প্ৰত্যেক সত্ৰতে এজন সত্ৰাধিকাৰ থাকে। তেখেতেই সত্ৰৰ মূৰব্বী ব্যক্তি। সত্ৰাধিকাৰজনক জ্যেষ্ঠতাৰ ভিত্তিত নাইবা বংশানুক্ৰমে বাছি লোৱা হয়। সত্ৰাধিকাৰজনক সহায় কৰিবৰ কাৰণে একে সংহতিৰ গৃহস্থী সত্ৰ এখনৰ পৰা এজন কম বয়সীয়া ল'ৰাক বাছনি কৰি লোৱা হয়। এই ব্যৱস্থা বিশেষকৈ মূল সত্ৰসমূহত প্ৰচলিত; কিয়নো, এই সত্ৰসমূহত সত্ৰাধিকাৰসকলে অবিবাহিত জীৱন যাপন কৰে। গৃহস্থী সত্ৰসমূহত বংশানুক্ৰমে জ্যেষ্ঠতাৰ ভিত্তিত সত্ৰাধিকাৰ নিৰ্বাচিত কৰা হয়। বাছনিৰ সময়ত ল'ৰাজনৰ শাৰীৰিক আৰু মানসিক গুণৰ ওপৰত গুৰুত্ব দিয়া হয়। এনেদৰে বাছি লোৱা ল'ৰাজনক বৈষ্ণৱ ধৰ্মৰ জীৱন-দৰ্শন, নানান ধৰ্ম-জ্ঞান, ভৰণ-পোষণ, শিক্ষা আদিৰ সকলো ব্যৱস্থা কৰে। কোনো ক্ষেত্ৰত যদি ল'ৰাজনে সত্ৰাধিকাৰৰ নিৰ্দেশমতে চলিবলৈ অমান্তি হয় নাইবা তেওঁৰ আচাৰ-ব্যৱহাৰ মনঃপুত নহয়, তেন্তে শিষ্যসকলৰ লগত আলোচনা কৰি তেওঁক বাদ দি আন ল'ৰাক বাছি লোৱাৰ নিয়ম আছে। এখন সত্ৰৰ অধিকাৰ হ'বৰ বাবে আন আন সত্ৰ আৰু ভকতসকলৰ স্বীকৃতিৰো প্ৰয়োজন।

সত্ৰৰ সত্ৰাধিকাৰসকলৰ কাৰ্যকালৰ বাবে কোনো ধৰা-বন্ধা সময় নাই; সেয়েহে গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ পীতাম্বৰদেৱ গোস্বামী আৰু আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ দত্তদেৱ গোস্বামীয়ে ক্ৰমে সুদীৰ্ঘ ৪৮ আৰু ৬৬ বছৰ সত্ৰাধিকাৰ হৈ কাৰ্যকাল সম্পন্ন কৰিছিল। সত্ৰত বাস কৰা ভক্তসকলক আৰু ভ্ৰমণকালত শিষ্যসকলক শৰণ-ভজন দিয়া সত্ৰাধিকাৰসকলৰ এক মুখ্য কাম। শৰণ-ভজনৰ মাধ্যমত ধৰ্ম প্ৰচাৰৰ ব্যৱস্থা কৰা হয়। ইয়াৰ উপৰি সত্ৰাধিকাৰসকলে শিল্প, কলা, সাহিত্য, সংস্কৃতিৰ বহুমুখী সম্প্ৰসাৰণ আৰু প্ৰচাৰৰ বাবেও অহোপুৰুষাৰ্থ কৰে; কাৰণ ইয়াৰ জৰিয়তে ভক্তসকলৰ জীৱনৰ উৎকৰ্ষ সাধন কৰাত সহায় হয়।

সত্ৰৰ সকলোখিনি কাৰ্যাৱলী নিখুঁত আৰু সুন্দৰভাৱে পৰিচালনা কৰিবৰ বাবে এখন পৰিষদ গঠন কৰা হয়। সত্ৰাধিকাৰেই এই পৰিষদ গঠন কৰে। পৰিষদৰ বিষয়ববীয়াসকল— মেধি, মুক্তিয়াৰ, ভাগৱতী, বৰপূজাৰী, খাটনিয়াৰ, পাচনি, আলধৰা, নামলগোৱা, চাউল-ভৰালী, ধন-ভৰালী, গায়ন, বায়ন আদিয়েই প্ৰধান। বিভিন্ন সত্ৰত বিষয়ববীয়াসকলৰ সংখ্যাৰ তাৰতম্য আছে; কিন্তু প্ৰায় পাঁচশ বছৰৰ আগতে প্ৰতিষ্ঠিত মাজুলীৰ সত্ৰসমূহৰ আন্তঃগাঁথনি বৰ্তমান সময়তো প্ৰযোজ্য।

পৰিষদৰ মুখ্য বিষয়সমূহৰ ভিতৰত ৰাজমেধি অন্যতম। ৰাজমেধিয়ে সত্ৰলৈ আগবঢ়োৱা গুৰু-কৰ সংগ্ৰহ কৰিব লাগে। ইয়াৰ উপৰি সত্ৰ আৰু শিষ্যবৰ্গৰ মাজত সম্বন্ধ ৰক্ষা কৰাটোও তেওঁৰ কৰ্তব্যৰ

ভিতৰত পৰে। ৰাজমেধিক সহায় কৰিবৰ বাবে বৰমেধি, পাখিমেধি আৰু সাজতোলাই দ্ৰব্য সংগ্ৰহৰ দায়িত্ব পালন কৰে। পাচনিসকলে সত্ৰৰ ভিতৰত বাস কৰা আৰু বাহিৰত থকা শিষ্যসকলৰ মাজত সত্ৰৰ বাতৰি যোগান ধৰাৰ উপৰিও সত্ৰাধিকাৰৰ নিৰ্দেশ প্ৰচাৰ কৰে। সত্ৰৰ নামঘৰত ভাগৱত, পুৰাণ আদি ধৰ্মীয় পুথি পঢ়ি ব্যাখ্যা কৰিবৰ বাবে ভাগৱতী থাকে। সত্ৰৰ মুখ্য পুৰোহিতজনক বৰপূজাৰী বুলি কোৱা হয়। মণিকূটৰ ভিতৰত কৰিবলগীয়া নিত্য-নৈমিত্তিক কৰ্তব্যসমূহ বৰপূজাৰীৰ দ্বাৰা সম্পন্ন কৰা হয়। বিশেষ কিছুমান তিথি-পাৰ্বন আদিত ধৰ্মীয় পুথি পঢ়িবৰ বাবে পাঠক থাকে। প্ৰসাদ বিতৰণ, বিগ্ৰহসমূহক দিবৰ বাবে চন্দন পিহি প্ৰস্তুত কৰা, ধূপ-দীপ, জ্বলাবৰ বাবে সত্ৰত দেউৰীৰ ব্যৱস্থা আছে। দেউৰীৰ লগতে বিগ্ৰহক দিবৰ বাবে মালা তৈয়াৰ কৰিবলৈ মলীয়াও থাকে। সত্ৰৰ ভঁৰালঘৰসমূহৰ দায়িত্ব ভঁৰালীক দিয়া হয়। ইয়াত চাউল-ভঁৰালী আৰু ধন-ভঁৰালী নামৰ দুজন বিষয়া থাকে। সত্ৰৰ ভঁৰালৰ পৰা ৰান্ধনিশাললৈ বস্তু উলিয়াই দিয়া আৰু মহাপ্ৰভুক পূজা-অৰ্চনা কৰিবৰ বাবে লাগতিয়াল দ্ৰব্যসমূহ যোগান ধৰাই ভৰালীৰ প্ৰধান কাম। সত্ৰৰ ৰাজ-ভঁৰালৰ দায়িত্ব ধন-ভঁৰালীক দিয়া হয়। সত্ৰৰ মূল্যবান সা-সম্পত্তিৰ পৰা শিষ্য বা পৃষ্ঠপোষকসকলৰ দান-বৰঙণি পৰ্যন্ত ধন-ভঁৰালীয়ে চোৱাচিতা কৰে আৰু হিচাপ-নিকাচ ৰাখিব লগা হয়। সামগ্ৰিকভাৱে এইজন বিষয়াই সত্ৰ পৰিচালনাৰ বাবে খৰচ হোৱা হিচাপ দাখিল কৰিব লাগে। ["He is the custodian of valuable properties. He keeps accounts of income derived from lands, ......., presents and gifts from diciples and patrons. He is required to keep regular accounts of expenditure incurred in connection with management of Satra." (The Neo- Vaisnavite Movement and the Satra Institution of Assam, S. N. Sarmah, P. 111, 1966).] সত্ৰৰ নামঘৰত নিৰ্দিষ্ট সময়ত নাম লগাবৰ বাবে নামলগোৱা থাকে। এই নামলগোৱাজনেই সমূহীয়া প্ৰাৰ্থনাৰ দায়িত্ব ল'ব লাগে। শিষ্য-ভকতসকলক দৈনিক আৰু বছৰেকীয়া উৎসৱ-পাৰ্বনত আশীৰ্বাদ দিবৰ বাবে আশীৰ্বাদীয়া থাকে। সত্ৰাধিকাৰক ব্যক্তিগতভাৱে আলপৈচান ধৰিবৰ বাবে আলধৰাৰো ব্যৱস্থা আছে। ৰাজ্যিক প্ৰশাসন আৰু সত্ৰৰ মাজত সম্বন্ধ ৰাখিবৰ বাবে থকা বিষয়াজনক খাটনিয়াৰ বুলি কোৱা হয়। এই খাটনিয়াৰজনেই ৰাজসভাত অতীতৰ সত্ৰৰ প্ৰতিনিধিত্ব কৰে। ইয়াৰ উপৰি সত্ৰৰ চাৰিওফালে থকা হাটীসমূহক চোৱা-চিতা কৰিবৰ বাবে আঠপৰীয়া, প্ৰসাদ বিলাবৰ বাবে বিলনীয়া থাকে। সত্ৰসমূহত কেইবাটাও গায়ন-বায়নৰ দল থাকে। সপ্তাহৰ প্ৰত্যেক দিনাই একো-একোটা দলে নিৰ্দিষ্ট কৰি দিয়ামতে গাব লাগে। এই সকলো কাৰ্য সম্পন্ন কৰিবৰ বাবে বিষয়ববীয়াসকলক সত্ৰাধিকাৰে পৰিয়ালৰ ঐতিহ্য আৰু অভিজ্ঞতাৰ ওপৰত নিৰ্ভৰ কৰি নিযুক্তি দিয়ে। সত্ৰাধিকাৰে 'নিৰ্মালি' প্ৰদান কৰি নিযুক্তি দিয়াৰ বাবে এই বিষয়ববীয়াসকলক সহজে অব্যাহতি দিব নোৱাৰে। যদি কোনো বিষয়াই নিজৰ কৰ্তব্য সম্পন্ন কৰিবলৈ অসমৰ্থ হয়, তেনে ক্ষেত্ৰত ভক্তসকলৰ লগত আলোচনা কৰি তেনে দায়িত্ব আনক দিব পাৰে।

সত্ৰৰ কাৰ্যাৱলীসমূহ সাধাৰণতে দুটা দিশত ভাগ কৰা হয়, প্ৰাথমিক আৰু গৌণ। আধ্যাত্মিক আৰু ধৰ্মীয় দিশৰ উন্নতিয়েই প্ৰাথমিক কামৰ মূল উদ্দেশ্য। ধাৰ্মিক আৰু মানৱীয়তাৰ ক্ষেত্ৰত শিষ্যসকলৰ বাবে সত্ৰাধিকাৰসকল অভিভাৱক; সেয়েহে সত্ৰাধিকাৰসকলে শিষ্যসকলক শৰণ-ভজন দিয়াৰ গুৰু দায়িত্ব পালন কৰিব লাগে।

শৰণ দিয়াৰ প্ৰণালী সত্ৰভেদে বেলেগ হ'লেও মূলতঃ শৰণ দিবৰ বাবে ব্যক্তিজনৰ স্বভাৱ-চৰিত্ৰৰ ওপৰত গুৰুত্ব দিয়া হয়। শৰণ ল'ব খোজা ব্যক্তিসকলৰ স্বভাৱ-চৰিত্ৰ পৰীক্ষা কৰাৰ ব্যৱস্থা আছে যদিও স্বাভাৱিকতে এই প্ৰক্ৰিয়াৰ বাবে যথেষ্ট সময়ৰ প্ৰয়োজন হয়। গতিকে শাৰীৰিক আৰু মানসিকভাৱে পৱিত্ৰ হৈ মহাপ্ৰভুৰ আগত সেৱা জনাই নাম, দেৱ, গুৰু, ভক্ত— এই চাৰি মৌলিক নীতিৰ বশৱৰ্তী হ'বৰ বাবে বুজনি দিয়া হয়।

কোনো কোনো সত্ৰত এজন ব্যক্তিৰ দ্বাৰাইও নাম-প্ৰসংগ কৰা হয় যদিও ভক্তসকলে বিভিন্ন সময়ত প্ৰাৰ্থনা কৰা, নাম-প্ৰসংগ কৰা, খোল-তাল বাদ্যৰে অৰ্চনা কৰা, গীতা-ভাগৱত পাঠ কৰি অৰ্থ আলোচনা কৰা সত্ৰৰ কাৰ্যাৱলীৰ ভিতৰত অন্যতম। সাধাৰণতে সত্ৰত চৈধ্য-প্ৰসংগ কৰা হয়— প্ৰাৰ্থনা, ধৰ্মগ্ৰন্থৰ আবৃত্তি, ভাগৱত ব্যাখ্যা, ধৰ্মীয় গীত-মাত আদি সময়ে সময়ে কৰা হয়। ইয়াৰ উপৰি, মুখ্য কাৰ্যৰ ভিতৰত বিভিন্ন ধৰণৰ উৎসৱ পাতি জাতি-ধৰ্ম-বৰ্ণ-সম্প্ৰদায় নিৰ্বিশেষে সকলো জনসাধাৰণৰ মাজত একতাৰ বীজ ৰোপণ কৰা হয়। শ্ৰীকৃষ্ণৰ জন্মাষ্টমী, নন্দোৎসৱ, ফল্গোৎসৱ, ৰাসযাত্ৰা আদি উৎসৱত সকলো

শ্ৰেণীৰ লোকে অংশ গ্ৰহণ কৰে।

গৌণ কামৰ ভিতৰত সত্ৰ আৰু জনসাধাৰণৰ মাজত এক সৌহাৰ্দ্যপূৰ্ণ সম্বন্ধ স্থাপন কৰা হয়। শিক্ষা বিস্তাৰ আৰু ইয়াৰ সম্প্ৰসাৰণৰ ক্ষেত্ৰতো সত্ৰৰ অৱদান উল্লেখযোগ্য। সত্ৰসমূহক আবাসিক বিদ্যালয় (Residential School) বুলিও ক'ব পৰা যায়; কিয়নো ধৰ্মীয় আৰু নৈতিক শিক্ষা দিবৰ বাবে সত্ৰত থকা সত্ৰাধিকাৰ, ভাগৱতী, পাঠকৰ উপৰিও বিভিন্ন ঠাইৰ পৰা ধৰ্মীয় নেতা আৰু পণ্ডিতসকলক আমন্ত্ৰণ জনাই ভকতসকলক নিজৰ দোষ-ত্ৰুটিবোৰ জানিবলৈ সুযোগ দিয়াৰ উপৰিও নতুন জ্ঞান আৰু অভিজ্ঞতা আহৰণ কৰিবলৈ সুবিধা দিয়া হয়। সেয়েহে সত্ৰসমূহে সময়ে সময়ে উপযুক্ত শিক্ষক, ধৰ্মীয় নেতা, কবি, পণ্ডিত, দাৰ্শনিক সৃষ্টি কৰিবলৈ সমৰ্থ হৈছে।

উল্লেখিত প্ৰশাসনীয় ব্যৱস্থা মূলতঃ উদাসীন আউনীআটী, দক্ষিণপাট, গড়মূৰ, নতুন কমলাবাৰী, উত্তৰ কমলাবাৰী, ভোগপুৰ সত্ৰৰ ক্ষেত্ৰতহে বিশেষভাৱে প্ৰযোজিত। মাজুলীত বৰ্তমান স্থিত গৃহস্থী সত্ৰৰ বেলিকা এনে নিয়মত শিথিলতা থকাই নহয়, বহু সত্ৰত এনেবোৰ প্ৰশাসনীয় অথবা পৰিচালনা নীতি প্ৰয়োগ কৰা নহয়। কেৱল পৰম্পৰাগতভাৱে উত্তৰাধিকাৰী কিম্বা জ্যেষ্ঠতাৰ ভিত্তিত বিষয়-বাব দিয়া হয়। সত্ৰাধিকাৰৰ ক্ষেত্ৰত জ্যেষ্ঠতাৰ ভিত্তিত সত্ৰাধিকাৰৰ নিৰ্মালি প্ৰদান কৰা প্ৰথাই মাজুলীৰ প্ৰায় সমগ্ৰ গৃহস্থী সত্ৰত প্ৰচলন হৈ থকা দেখা যায়।

## উদাসীন সত্ৰৰ বালক আনয়ন পৰম্পৰা

**সত্ৰীয়া পৰম্পৰা :** শংকৰদেৱ তথা মাধৱদেৱ পুৰুষৰ আজ্ঞাপৰ ধৰ্মাচাৰ্যসকলে বিভিন্ন সময়ত প্ৰতিষ্ঠা কৰা বিৰাট সত্ৰ-সভাই একোটাকৈ বিশাল সত্ৰীয়া পৰম্পৰাৰ সৃষ্টি কৰিলে। এই পৰম্পৰাৰ দীঘল বাটত বহু সত্ৰৰ ঐতিহ্যই নিষ্প্ৰভ হ'ল। বহুতে নিজস্ব পৰম্পৰাক যিকোনো প্ৰকাৰে আগুৱাই আনিলে মাত্ৰ। বহুতো সত্ৰই গৃহস্থী ৰীতি ল'লে। আন কিছুমানে উদাসীন পৰম্পৰা বৰ্তাই ৰাখিলে। মাজুলীৰ এই উদাসীন সত্ৰৰ ভিতৰত প্ৰধান হ'ল, ১। আউনীআটী সত্ৰ (১৬৪৪ খ্ৰী:), ভকতৰ সংখ্যা প্ৰায় ৪০০ জন। ২। দক্ষিণপাট সত্ৰ (১৬৬২ খ্ৰী:), ভকতৰ সংখ্যা ৭০জন। ৩।.কমলাবাৰী সত্ৰ (১৬৭৩ খ্ৰী:), ভকতৰ সংখ্যা (চাৰিওখন সামৰি) প্ৰায় ৩০০ জন। ৪। ভোগপুৰ সত্ৰ, ভকতৰ সংখ্যা প্ৰায় ৮০ জন।

পিতা-পুত্ৰৰ আধাৰিত বংশ পৰম্পৰাৰে গৃহস্থী সত্ৰসমূহৰ অধিকাৰী আসন পূৰ্ণ কৰাৰ বিপৰীতে উপযুক্ত বালক আনয়ন ৰীতিৰ জৰিয়তেহে উদাসীন সত্ৰৰ অধিকাৰ তথা ভকতৰ স্থান পূৰ্ণ কৰাৰ নিয়ম। মহাপুৰুষজনাৰ প্ৰচাৰিত বৈষ্ণৱবাদী ধৰ্ম-দৰ্শনৰ মূল জুমুঠিটো নিৰ্মিত হৈছে কৃষ্ণৰস মিশ্ৰিত নৃত্য, গীত, বাদ্য, নাটৰ সফল সমাবেশত। ইয়াৰ সফল ৰূপায়ণৰ বাবেই সত্ৰ-মঞ্চক সাৰ্থক ক্ষেত্ৰ হিচাপে বাছি লোৱা হৈছিল। সেয়েহে এজন সত্ৰীয়াই প্ৰথম সত্ৰত প্ৰৱেশ কৰোঁতেই ধৰ্মাচৰণৰ লগতে তেওঁক সংগীতৰ মাপকাঠিৰেও জুখি-মাখি চোৱাৰ নিয়ম প্ৰচলিত।

**বালক আনয়ন ৰীতি :** একোখন উদাসীন সত্ৰ জীয়াই থকাটো নিৰ্ভৰ কৰে গঞাঘৰৰ উদাৰতাৰ ওপৰত। সত্ৰৰ এখন বহা (থকাঘৰ)ৰ মূৰব্বী হয় একোজন বুঢ়াভকত (অভিভাৱক)। তেখেতৰ সংগত বাস কৰে একাধিক আলধৰা বা সৰু-বৰ ল'ৰাই। বুঢ়াভকতগৰাকীৰ বিয়োগত জ্যেষ্ঠ আলধৰাজনে এই ঠাই পূৰ কৰি বাকী কেইজনসহ জীৱন নিৰ্বাহৰ পাতনি মেলে। শৈশৱৰ লেহুকা মানসিকতাক সহজতে ধৰ্মীয় আচাৰ-ৰীতিৰে আচ্ছন্ন কৰাৰ সুবিধা গ্ৰহণ কৰিয়েই ৮-১০ বছৰীয়া বালকক সত্ৰলৈ অনা হয়।

পিতৃ-মাতৃ, অভিভাৱক, গৰাকী আৰু নৱাগত শিশুটি— উদাসীনতাৰ এই ত্ৰিবেণী সংগমত সত্ৰীয়া পৰম্পৰাই সঞ্জীৱনী সুধা লাভ কৰে। সহজাত প্ৰবৃত্তিৰ বাবেই বহুতো শিশু অপৰাধপ্ৰৱণ (Juvenile Deliquency) হোৱাও দেখা যায়। ঘৰত পিতৃ-মাতৃয়ে কৰা শাসনত পিতৃত্ব বা মাতৃত্বৰ মমতাই ক্ষমাৰ আধাৰ হিচাপে ক্ৰিয়া কৰে। ফলত অন্তৰ্দ্বন্দ্ব ক্ষণস্থায়ী হয়; কিন্তু এইচাম শিশু সত্ৰলৈ অহাৰ লগে লগে এওঁলোকৰ নিয়ন্ত্ৰণৰ দায়িত্ব অভিভাৱকগৰাকীৰ ওপৰত ন্যস্ত হয়। বিভিন্ন পৰিয়ালৰে পৰা অহা বাকী দুই-চাৰি ল'ৰা (আলধৰা)ৰ সৈতে একোখন ঘৰৰ বাতাবৰণ গঢ়ি তোলে। ফলত বংশসূত্ৰে বিভিন্ন পৰিয়ালৰ পৰা কঢ়িয়াই অনা সহজাত সু/কু-প্ৰবৃত্তিবোৰৰ এটি বহুৰূপী সত্ৰীয়া পৰিবেশত সমন্বয় ঘটে। এফালে সমনীয়া আলধৰাৰ সৈতে নৱাগতৰ মানসিক দ্বন্দ্বৰ সৃষ্টি হয়। আনফালে সত্ৰীয়া কঠোৰ পৰিৱেশৰ সৈতে হোৱা খহতা সংযোগ আয়ত্ত কৰাত এওঁলোক ব্ৰতী হয়। লগতে থাকে মাতৃৰ কোমল বুকুৰ পৰা ওলাই অহা একোখনি ঠেনুকা বুকুৰ হাবুডুবু।

কাজেই স্বভাৱসুলভভাৱেই শিশুৰ মানসিক চেপা-সংঘাত বৃদ্ধি পায়। কেতিয়াবা খোপনিত বৈ যায়; এজন পৰম ভকত হৈ পৰে। কেতিয়াবা উফৰি গৈ পুনৰ ঘৰমুৱা হয়। কেতিয়াবা আকৌ অৱচেতন মনত লুকাই থকা কিছুমান কু-প্ৰবৃত্তিয়ে (Complexity of the unconcious mind) উক দিয়ে। অভিভাৱক হাৰ মানি যায়। অৱশেষত এই পৰম্পৰাৰ পৰাই বিদায় লয়।

এই বিৰাট অন্তৰ্দ্বন্দ্বৰ কেন্দ্ৰবিন্দুত অৱস্থান কৰে সত্ৰীয়া অভিভাৱকগৰাকীয়ে। পিতৃৰ দায়িত্ববোধ আৰু মাতৃৰ স্নেহ আৰু ক্ষমাৰ স্বৰ্গীয় গুণেৰে একোজন অভিভাৱক মহিমামণ্ডিত হয়। শিশুটিৰ উত্তৰোত্তৰ উত্তৰণৰ আঁৰিয়া-গছি এওঁৱেই ধাৰণ কৰে। পিতৃ-মাতৃ আৰু শিশুটিৰ মানসিক প্ৰশান্তিৰ চাবি-কাঠি এই অভিভাৱকগৰাকীৰ হাততে অৰ্পিত হয়। উল্লেখ্য, এটি পৰ-সন্তানক পিতৃত্ব তথা মাতৃত্বৰ অমৃত পান কৰোৱা এইসকল অভিভাৱক সঁচাই চিৰনমস্য। একেদৰে ত্ৰগৰাকী আচহুৱা ব্যক্তিকে (অভিভাৱক) প্ৰকৃত পিতৃ-মাতৃজ্ঞান কৰি হৃদয় উজাৰি জীৱন-যৌৱন সঁপি দিয়া এইসকল সত্ৰীয়া শিশুও সমানেই অনন্য। উদাসীন পৰম্পৰাৰ ডেকা সত্ৰাধিকাৰৰ বাবে অনা ল'ৰাটিৰো মানসিক দ্বন্দ্ব আৰু সংঘাত একে পৰ্যায়ৰে। পাৰ্থক্য মাত্ৰ আন ভকতৰ ল'ৰাৰ দৰে এওঁৰ চলন-ফুৰণ, হলি-গলিত কিছু সীমাবদ্ধতা থাকে।

**সত্ৰীয়া ৰীতি-নীতি আৰু শিক্ষা গ্ৰহণ :** আচহুৱা পৰিৱেশ হজম কৰিবলৈ নৱাগতই প্ৰাণপণে চেষ্টা কৰে। এটি নৱাগত সত্ৰীয়া শিশুক পিতৃয়ে সত্ৰত থ'বলৈ আহি ঘূৰি যোৱাৰ সময়ত শিশুটিয়ে কৰা আৰ্তনাদৰ এয়া সঁচাই কৰুণ বিননি।

লাহে লাহে নৱাগত আলধৰাটি অভ্যস্ত হৈ পৰে। ঘৰৰ পিতৃ-মাতৃ, ককাই-ভাইৰ প্ৰতি থকা মমতা কিছু পৰিমাণে কমি আহে। এই সুযোগতে অভিভাৱকগৰাকীয়ে ল'ৰাটিক সত্ৰীয়া ৰীতি-নীতিৰ মাজলৈ টানি লৈ যায়। সত্ৰীয়া সদাচাৰ বিধিৰ নিয়মাৱলী অৱগত কৰায়। যথা সময়ত শৰণ আৰু ভজন দিয়া হয়। তাৰ লগে লগে গুৰুসেৱা বিধি তথা পৰমাৰ্থিক তত্ত্ব-কথাৰে যৌৱনপ্ৰাপ্ত হোৱা ল'ৰাটিক ক্ৰমে গুৰুমুখী কৰি তোলা হয়। ফলত নৱাগতৰ আচাৰ-ব্যৱহাৰৰ আমূল পৰিৱৰ্তন সাধন হয়।

কোনো ব্যক্তিক (সত্ৰীয়া) নাম ধৰি মতাৰ বিপৰীতে আতৈ, আতা, বুঢ়াভকত, অধ্যাপক, হৰিভকত, প্ৰভুঈশ্বৰ, গুৰুঈশ্বৰ, গৰাকী আদি সম্বোধনবাচক শব্দৰ প্ৰয়োগৰ সৈতে এওঁলোক পৰিচিত হয়। জীৱশ্ৰেষ্ঠ মানৱৰ জীৱন-যাত্ৰাৰ সৰ্বনাশী বীজটো হ'ল, অহংকাৰ বা অ-বিদ্যা। 'মই' বা 'মোৰ' নামৰ শব্দৰ দ্বাৰা এই অহমিকাৰ আচৰণ কৰা হয়। কিন্তু সত্ৰীয়া ভকতৰ ল'ৰাই 'কি' বোলাৰ পৰিৱৰ্তে 'ৰাম' বুলি অথবা 'মই কৰিলোঁ' বুলি নকৈ 'আমি কৰিলোঁ' বুলিহে ব্যক্ত কৰি দম্ভহীন সৰলতাৰ পৰিচয় দিয়ে। আনহাতে পুৱাৰ বাহি-বন, গো-পালনৰ পৰা আৰম্ভ কৰি কৃষি-কাৰ্যলৈকে সমস্ত কাম চলাই এওঁলোকে নিজে আৰ্জি নিজে ভোগ কৰা বিধিৰে আত্মনিৰ্ভৰশীলতাৰ পৰিচয় দিয়ে। সাম্প্ৰতিক কৰ্মবিমুখ কিশোৰ-যুৱকৰ সন্মুখত এইসকল সত্ৰীয়া ল'ৰা নিশ্চয় সফল উদাহৰণ।

সংগীত সাধনাৰ আন এটা নাম ধ্যান। তাহানিৰ ঋষি-মুনিসকলে 'ওম' অৰ্থাৎ মুক্তিদায়ক নাদৰ দ্বাৰা উপাসনা কৰিছিল। এই নাদ-ব্ৰহ্মৰ বুকুতে সংগীতৰ সূচনা হ'ল। এইবিধ কলা আধ্যাত্মিক আৰু ভৌতিক ৰূপত বিভক্ত। নীচ প্ৰবৃত্তিৰ বাহকৰূপে, ভৌতিক সংগীতে বাসনাৰ পোষকতা কৰে। অনৈতিক মনোৰঞ্জন, অশ্লীল শৃংগাৰ, অসৎভাব আদি ভৌতিক সংগীতৰ অংগীভূত। আনহাতে আধ্যাত্মিক সংগীতে জীৱনৰ আনন্দ, প্ৰেম-ভক্তি তথা আত্মোন্নতি বৃদ্ধি কৰি মানুহৰ দুখ-বেদনা নিৰাময় কৰে। সত্ৰীয়া শিশুৰ সৌভাগ্য যে পুণ্যক্ষেত্ৰ সত্ৰসমূহ এই আধ্যাত্মিক কলাৰেই ৰংগমঞ্চ। এওঁলোকে ইয়াত অৱগাহন কৰি কৃতধন্য হয়।

দিন, মাহ, বছৰ কৰি সত্ৰীয়া শিশু ডাঙৰ হয়। বাহিৰা দহটি শিশুৰ দৰেই এওঁলোকেও গপ্ পাতে, ভেম ধৰে, জুমুৰি কৰে। বুঢ়াভকতগৰাকীয়ে সহি-সামৰি নিজৰ আয়ত্তলৈ আনে। শিশুটিৰ মন বুজি সত্ৰীয়া-শিক্ষাৰ প্ৰথম পাঠ হিচাপে 'গুণমালা ভটিমা' শিকিবৰ বাবে একোজন অভিজ্ঞ অধ্যাপকৰ ওচৰত অৰ্চনি দিয়ে। এটা কাঠৰ চৰিয়াত গুৱা-পাণসহ সামান্য অৰ্থৰে এই অৰ্চনি আগবঢ়াই বুঢ়া ভকতগৰাকীয়ে। ল'ৰাটিক শিক্ষাৰ বাবে চমজাই দিয়ে। শিক্ষা গ্ৰহণৰ প্ৰশস্ত সময় সন্ধ্যা। গুণমালাৰ শিক্ষা সমাপ্ত হ'লে একেদৰে অৰ্চনিসহ অভিভাৱকগৰাকীয়ে ল'ৰাটিক যথাক্ৰমে গায়ন, বায়ন, ওজা, পাঠক, নামলগোৱা আদি শিক্ষাৰ বাবে একোগৰাকী অধ্যাপকৰ ব্যৱস্থা কৰি দিয়ে। এইসকল সত্ৰীয়া গুৰুৱে কোনো অৰ্থাকাংক্ষা নকৰাকৈ সত্ৰত এই শিক্ষা বিলাই দি মহানুভৱতাৰ পৰিচয় দি আহিছে। বছৰেকীয়া বিহু অথবা বিশেষ উদ্দেশ্যত শিষ্যই পুনৰ এই অৰ্চনি দি কৰা সেৱা-ভক্তিয়েই এইসকল গুৰুৰ মূল দক্ষিণা। সন্ধ্যা ভাতৰ আখলত কেঁচা খৰি ফুৱাই ধোঁৱাত

কলা-কলা দি একোজন অধ্যাপকে শিষ্যক শিক্ষা দিয়া দৃশ্যৰ আমেজ নেদেখাজনে বুজা কঠিন। এয়া একবিংশ শতিকাৰ গুৰুকূল আৰ্হিৰ শিক্ষা।

**উদাসীন পৰম্পৰাত যৌৱনৰ পৰশ :** এজন সত্ৰীয়াৰ জন্ম হয় গাঁৱৰ ঘৰত। ডাঙৰ-দীঘল হয় মায়াৰ বান্ধোনত; কিন্তু বাল্যকালতে সত্ৰলৈ আহি ল'ৰাটিয়ে এই মায়া আঁতৰাই গুৰুমুখী হয়। 'মায়া' শব্দৰ ধাতুগত অৰ্থ হ'ল— 'মা' নিষেধবাচক, 'য়া' প্ৰাপ্তিবাচক; অৰ্থাৎ যি প্ৰাপ্ত হৈও নাই সেয়ে মায়া। সত্ৰীয়া যুৱকে সংসাৰৰ এই মায়াক অসাৰ বুলি ভাবে। 'এ ভৱ গহন বন'ৰ পৰা মুক্তি পাবলৈ 'ৰাখু ৰাখু এ সদাশিৱ' বাণীক জীৱন-তৰীৰ কাণ্ডাৰী স্থান কৰে।

উৰণ, বুৰণ, গুঞ্জন, ভ্ৰমণ আদি প্ৰজাতিৰ বংশ-বৃদ্ধিৰ মূল সত্যটোৱেই হ'ল প্ৰজনন। আকৌ এই সত্যৰ মূল বিন্দুটোতেই নিহিত হৈ আছে যৌৱনৰ পৰশ। চিৰন্তন প্ৰকৃতিৰ প্ৰতিটো দিশত নিৰন্তৰ জৈৱ বংশবৃদ্ধিৰ অৱধাৰিত গতিধাৰাই ভুমুকি মাৰে। বিপৰীত লিংগৰ প্ৰতি আকাংক্ষা অথবা পাৰস্পৰিক মিলনৰ হাবিয়াস ইয়াৰেই পৰিণতি। তাৎপৰ্যপূৰ্ণভাৱে বংশবৃদ্ধিৰ এই চিৰন্তন ধাৰাটোৰ বিপৰীত পাৰত অৱস্থান কৰে সত্ৰীয়া ল'ৰাই। যৌনাকাংক্ষাই আত্মসমৰ্পণ কৰে এওঁলোকৰ সংযমশীলতাত। চিৰাচৰিত সত্ৰীয়া পৰিবেশে ইয়াত সহায় কৰে। সাধাৰণ সাজ-পাৰ, নিয়ন্ত্ৰিত আহাৰ, লঘোণ-উপবাস, মাৰ্জিত আচাৰ-ব্যৱহাৰ, শৰণ-ভজন আদি তত্ত্ব-কথাবস্তু গ্ৰহণ তথা আত্মনিৰ্ভৰশীল জীৱন-প্ৰণালীয়ে এওঁলোকক আধ্যাত্মিক মন্ত্ৰেৰে সম্মোহিত কৰে।

ব্ৰহ্মচৰ্যক জীৱনৰ ব্ৰত হিচাপে গ্ৰহণ কৰা সত্ৰীয়া যুৱকৰ বয়সৰ স্তৰে স্তৰে দায়িত্ব আৰু কৰ্তব্যৰ বোজাও ক্ৰমাৎ বৃদ্ধি পায়। বাল্যকালতে আৰম্ভ কৰা নৃত্য-শিক্ষা ক্ৰমে পৰিপূৰ্ণ হৈ যৌৱন বয়সত পূৰ্ণতা লাভ কৰি আগ-নটুৱাৰ শাৰীলৈ উন্নীত হয়। একেদৰে বাল্যকালতে পাতনি মেলা বায়ন, গায়ন, ওজা, পাঠেক, নামলগোৱা আদি শিক্ষাই যৌৱনৰ ভৰপকত চৰম সীমাত উপনীত হয়। এই সময়ছোৱাতেই এওঁলোক বৰ-গায়ন, বৰ-বায়ন, ওজা-উঠা, পাঠেক-উঠা আদি বিষয়ত পটুতা লাভ কৰি নিত্য-নৈমিত্তিক উদ্দেশ্যত পৰিৱেশনমুখী হৈ উঠে। কাজেই এটি সত্ৰীয়া ল'ৰাই ধৰ্মাচৰণৰ মাজতেই সংগীতাচৰণৰ অমৃতাঞ্জল পান কৰে এনেদৰে— "যি শুদ্ধ চিত্তে, ভক্তিৰে নৃত্য কৰে, সি শত জনমৰ পাপৰ পৰা মুক্তি পায়"।

সত্ৰীয়া যুৱকৰ যৌৱনলৈও প্ৰেম আৰু কামনাৰ বা আহে। জাগি উঠে প্ৰাণোচ্ছল ৰোমাঞ্চ। সকীয়াই দিয়ে নিজক, দহক ভাঙ্গ পাবলৈ; পৃথিৱীখন প্ৰেমময়, অমৃতময় কৰি তুলিবলৈ। কিন্তু তাৎপৰ্যপূৰ্ণভাৱে সত্ৰীয়া ল'ৰাই তেওঁলোকৰ প্ৰেমৰ অস্তিত্ব অন্য দিশেৰেহে অনুভৱ কৰে। এওঁলোকে জানে যে দেহক স্বীকাৰ কৰি লোৱা মানেই মৃত্যুকো স্বীকাৰ কৰা। কিয়নো দেহৰ মৰণ নিশ্চিত। সেয়েহে সত্ৰীয়া যুৱকৰ মানৱীয় প্ৰেম ভগৱৎপ্ৰেমলৈ উন্নীত হয়। যিহেতু "সৰ্ববীজং পৰং ব্ৰহ্ম কৃষ্ণ ইত্যভিধিয়তে"। দেহ-তত্ত্বৰ এই জ্ঞান সত্ৰীয়া ল'ৰাই অঞ্জনীয়া বুঢ়াভকত তথা সত্ৰাধিকাৰ গুৰুৰ পৰা লাভ কৰে।

একোপাহি ফুলৰ পৰা কদো-বৰলে তৈয়াৰ কৰে বিহুৰ ভঁৰাল। আনহাতে এইপাহি ফুলৰ পৰাই মৌ-মাখিয়ে নিৰ্মাণ কৰে একোখন সুমিষ্ট মৌচাক। যৌৱনৰ নঙলা মাৰি প্ৰাপ্তবয়স্ক এজন সত্ৰীয়াই নৃত্য, গীত, ভাওনাৰে মুখৰিত কৰা 'হৰি-কীৰ্ত্তন' উৎসৱৰ আয়োজন কৰে।

বৰ্তমানৰ বস্তুবাদী যুগত নিজৰ ল'ৰাটোক আধুনিক শিক্ষাৰে শিক্ষিত কৰি এটা চাকৰিৰ ব্যৱস্থা কৰি দিয়াই অধিক ব্যক্তিৰ মূল কৰ্তব্য হৈ পৰিছে। এনে পটভূমিত গঞাঘৰে ল'ৰাটি দি এটি মহৎ উপকাৰ সাধন কৰে। মুঠতে সত্ৰীয়াঘৰ নিয়াৰি হোৱাত গঞাঘৰৰো অৱদান অসীম। একেদৰে কলা-সংগীতৰ যোগেদিয়েই আকৰ্ষিত কৰি ধৰ্মীয় আৱেষ্টনিত তথা শিল্পী-পেঞ্চন আদি জলপানিৰে এইসমূহ যুৱকক সত্ৰত আকৰ্ষিত কৰি ৰখাৰ সুবিধা আছে।

শেষত ক'ব পাৰি— সত্ৰীয়া ল'ৰাৰ যৌৱনত সংসাৰ বৃদ্ধিৰ বীজমন্ত্ৰ নাই; কিন্তু ইয়াৰ মহত্ত্ব আছে। শতাধিক বছৰীয়া ধৰ্মীয় বাতাবৰণ, বিশেষকৈ সত্ৰীয়া-সংস্কৃতিৰ ধাৰাটো বহন কৰি অনাত এওঁলোকৰ অৱদান আছে। শ শ ত্যাগধন্য জীয়া-যৌৱনৰ পৰশ আছে। সংযমৰ ক্ষুৰৰ সাঁকো বগাই ধৰ্ম তথা সংগীতৰ বেদীত এৰি অহা এই যৌৱনবোৰ সেয়েহে মাজুলীবাসীৰ মৰমৰ, আদৰৰ আৰু গৌৰৱৰ একোটা নিদৰ্শন। অস্তিত্বৰ ৰণত হাৰ নমনা মাজুলীৰ গুৰুত্বও নিশ্চয় এই দিশতেই লেখত ল'বলগীয়া। সত্ৰীয়া-সংস্কৃতিৰ বৰ্তমানৰ ৰূপ, ৰস, প্ৰচাৰ, প্ৰসাৰত সেই সেই জীৱিত অথবা হেৰাই যোৱা সত্ৰীয়া যুৱকৰ অৰিহণা একক আৰু অনন্য। সেয়েহে ক'ব লাগিব— বৈকুণ্ঠৰ পাৰ ভাঙি নিগৰি অহা হৰিধ্বনি, সংগীতৰ অমৃতময় কণ্ঠধ্বনি আৰু গুৰু-গম্ভীৰ দেৱ-বাদ্যধ্বনিৰ ত্ৰিবেণী-সংগমত উদাসীন সত্ৰীয়া যুৱকৰ অস্তিত্ব একোপাহি প্ৰস্ফুটিত পুষ্প- পাৰিজাত।

## মাজুলীৰ প্ৰত্নতাত্ত্বিক স্থান আৰু কলা-সম্পদ

বুৰঞ্জীৰ প্ৰাচীন যুগৰে পৰা শেষ মধ্য যুগলৈকে অসমৰ দক্ষিণকূলৰ সৈতে বৰ্তমানৰ নদী-দ্বীপ মাজুলী ভৌগোলিক আৰু সাংস্কৃতিকভাৱে অবিচ্ছিন্ন হোৱাৰ বাবে সামগ্ৰিকভাৱে মূল অসমৰ প্ৰত্ন তত্ত্ব আৰু কলা-সম্পদৰ সৈতে মাজুলীৰ প্ৰত্নতত্ত্ব আৰু কলা-সম্পদসমূহৰ সাদৃশ্য পৰিলক্ষিত হয়।[১] বৰ্তমানলৈকে কোনো প্ৰণালীবদ্ধ প্ৰত্নতাত্ত্বিক খনন-কাৰ্য সম্পাদন নোহোৱাৰ বাবে মাজুলীৰ মানৱ বসতিৰ বুৰঞ্জীৰ কোনো স্তৰ অথবা সময়ৰ ক্ৰমানুক্ৰমিক তথ্য অৱগত হোৱা নাই। প্ৰত্নতাত্ত্বিক সম্পদৰ অৱস্থিতিও নিয়মীয়াকৈ হোৱা প্ৰাকৃতিক দুৰ্যোগ অথবা বানপানীৰ কবলত ইতিমধ্যে নিশ্চিহ্ন হৈছে বুলি অনুমান হয়। সেয়ে, মূল অসমৰ প্ৰাচীন বুৰঞ্জীত মাজুলীৰ অনেক উল্লেখ থাকিলেও এনে তথ্যৰ ভিত্তিত এই অঞ্চলত প্ৰত্নতাত্ত্বিক স্থান অথবা সম্পদ পাবলৈ নাই; কিন্তু মধ্যযুগত মাজুলী অসমৰ সত্ৰ-সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ হৈ উঠাত অনেক কলা-সম্পদ, যেনে— লিপি, মুদ্ৰা, ধাতুৰ শিল্প, কাঠ-শিল্প, চিত্ৰশিল্প, বাদ্যযন্ত্ৰ আৰু অন্যান্য কলা-সম্পদৰ সৃষ্টিৰ থল হৈ পৰে। ইয়াত মাজুলীৰ প্ৰত্নতাত্ত্বিক স্থান আৰু কলা-সম্পদসমূহৰ এটি থুলমূল আভাস[২] দিবৰ প্ৰয়াস কৰা হ'ল। অনেক স্থানৰ পৰিদৰ্শন, সত্ৰসমূহত সংৰক্ষিত কলা-সম্পদসমূহৰ আংশিক দৃষ্টিগোচৰ আৰু উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ৰ প্ৰবক্তা দিলীপকুমাৰ ফুকনদেৱৰ সৌজন্যত প্ৰাপ্ত মাজুলীৰ প্ৰত্নতাত্ত্বিক কলা-সম্পদৰ সম্যক ধাৰণাৰ আলমত এটি পৰ্যালোচনা কৰিব পৰা যায়। ইয়াত ইতিপূৰ্বে প্ৰকাশিত তথ্যৰো সহায় লোৱা হৈছে।

উল্লেখ কৰাৰ দৰে, মাজুলীত প্ৰাক্-ঐতিহাসিক যুগৰ কোনো স্থান অথবা সম্পদ এতিয়ালৈকে উদ্ধাৰ বা আবিষ্কাৰ নহ'লেও বিশিষ্ট প্ৰত্নতত্ত্ববিদ আহমদ হাছান ডানিয়ে[৩] বিভক্ত কৰা আঞ্চলিক ব্ৰহ্মপুত্ৰ উপত্যকাৰ প্ৰাক্-ঐতিহাসিক জন-জীৱনৰ লগত প্ৰাক্-ঐতিহাসিক মাজুলীৰ দৃশ্যপট একেই আছিল বুলি অনুমান হয়। সেয়ে হ'লে, দক্ষিণ-পূব এচিয়াৰ অনেক নৃ-গোষ্ঠীৰ লোক আদিম যুগৰে পৰা মাজুলীলৈ বিয়পি পৰা বুলি অনুমান কৰিব পাৰি। ঐতিহাসিক কালতো ভিন্ন জনগোষ্ঠীৰ লোকৰ মাজুলীলৈ প্ৰব্ৰজন হৈছে। ৰত্নপীঠ, কামপীঠ, সুবৰ্ণ পীঠ আৰু সৌমাৰ পীঠ নামেৰে বিভক্ত হৈ থকা প্ৰাচীন অসমৰ আঞ্চলিক দৃশ্যপটে[৪] প্ৰাচীন কালত অসমৰ ভৌগোলিক বৈশিষ্ট্যৰ পটভূমিত কৃষিভিত্তিক স্থানীয় জন-সমাজৰ বিকাশৰ মাজেৰে বিভিন্ন সময়ত আঞ্চলিকভাৱে কামৰূপ, ডবকা, উপৰিপট্টন, হাৰুপেশ্বৰৰ দৰে একোখন আঞ্চলিক ৰাজ্যৰ বিকাশ হোৱাৰো সঙ্কেত দিয়ে।[৫] গুপ্তযুগ অথবা গুপ্তযুগৰ পৰৱৰ্তীকালৰ কোনো ৰাজনৈতিক তথ্যৰ আঁত মাজুলী অঞ্চলত পৃথকভাৱে পাবলৈ নাই। এই লেখকৰ শেহতীয়াভাৱে প্ৰতিষ্ঠিত গৱেষণামূলক তথ্যৰ ভিত্তিত প্ৰাচীনকালত উজনি অসমত বিকাশ হোৱা উপৰিপট্টন[৬] নামৰ আঞ্চলিক ৰাজ্যখন নিঃসন্দেহে মাজুলীৰ অন্তৰ্ভুক্ত হৈ আছিল। পৰৱৰ্তী কালত কামৰূপ ৰাজ্যত পাল বংশই ৰাজত্ব কৰা সময়ত (১১/১২ খ্ৰী:) উজনি মাজুলীৰ ৰত্নপুৰ বা ৰতনপুৰত শাসনকেন্দ্ৰ স্থাপন কৰি পদ্ম নাৰায়ণ, চন্দ্ৰ নাৰায়ণ, হৰবিন্দৰ পুত্ৰ কৃশাৰণ্য নামৰ ৰজাই মাজুলী অঞ্চলৰ পৰাই ৰাজ্য শাসন কৰিছিল। দীপিকা চান্দৰ মতে ৰজা কৃশাৰণ্য প্ৰবল প্ৰতাপী আছিল আৰু ৰত্নপুৰৰ পৰাই গৌড়, কামৰূপ আৰু জয়ন্তীয়া ৰাজ্য শাসন কৰিছিল।[৭] খ্ৰীষ্টাব্দ ১৪ শতিকাত মায়ামত্ত নামৰ এজন ৰজাই ৰত্নপুৰৰ পৰা ৰাজত্ব কৰিছিল বুলি উল্লেখ পোৱা যায়।[৮] পাল বংশৰ পতনৰ পাছত অসমত যেনে এটি অস্থিৰ ৰাজনৈতিক অৱস্থাৰ সৃষ্টি হয়, তেনে সময়ত মাজুলীৰ উজনি অংশত ৰত্নপুৰ প্ৰখ্যাত শাসনকেন্দ্ৰ ৰূপে নিশ্চয় বিকাশ হৈছিল। শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱেও পৰৱৰ্তী কালত এনে ৰাজনৈতিক প্ৰভাৱৰ ছত্ৰ-ছাঁয়াত বিকশিত সমাজত ধৰ্মপ্ৰচাৰ কৰিবৰ বাবে সুচল হ'ব বুলি ভাবি হয়তো মাজুলী অঞ্চল বাছি লৈছিল। মাজুলীৰ এই ৰত্নপুৰ দিহিং নৈয়ে ক্ষতি সাধন কৰে। তদুপৰি নিয়মীয়াকৈ হোৱা প্ৰবল বানপানী আৰু গৰাখহনীয়াৰ বাবে বিশেষকৈ, ১৮৯৭, ১৯৫০ৰ ভূমিকম্পৰ পাছত মাজুলীৰ ভূ-পৃষ্ঠৰ আমূল পৰিৱৰ্তন ঘটে। ব্ৰহ্মপুত্ৰৰ বুকু বাম হোৱাত ভাৰণ ক্ষমতা হ্ৰাস হৈ গতি ধীৰ হৈ পৰে।[৯] অক্ষত অৱস্থাত মাজুলী বৰ্তি থকা হ'লে এই অঞ্চলৰ প্ৰত্নতাত্ত্বিক সম্পদৰ তথ্যই অতীতৰ বুৰঞ্জীৰ অনেক সঙ্কেত নিশ্চয় দিলেহেঁতেন। পৰৱৰ্তীকালত আহোমৰজাসকলৰ আমোলত নিঃসন্দেহে মাজুলী আহোম ৰাজ্যৰ অন্তৰ্ভুক্ত হয়। খ্ৰীষ্টাব্দ পঞ্চদশ শতিকাৰ পৰা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে একশৰণ ভাগৱতী ধৰ্ম প্ৰচাৰৰ বাবে স্থাপন কৰা সত্ৰানুষ্ঠানসমূহৰ বাবে মাজুলী বৈষ্ণৱধৰ্ম আৰু সত্ৰ-সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ হৈ পৰে। একালত এটি সুকীয়া অৰ্থনৈতিক জীৱনৰ আঁত লৈ বসবাস কৰা নানান বৃত্তিয়াল

গাঁওবিলাকৰ অৱস্থিতিয়ে মাজুলীৰ প্ৰচীন সুচল অৰ্থনৈতিক জীৱনৰ ইংগিত দিয়ে। বৃটিছসকলৰ আগমনত মাজুলীৰ বিষয়ে লিখা তথ্যও পোৱা হয়।[১০] প্ৰাকৃতিক দুৰ্যোগ, মোৱামৰীয়া বিদ্ৰোহ, মানৰ আক্ৰমণ, অৰ্থনৈতিক জীৱনৰ পট পৰিৱৰ্তন আদি কাৰণত মাজুলীৰ পৰম্পৰা আৰু ঐতিহ্যৰ বিস্তৰ ক্ষতি হ'ল। মাজুলীৰ প্ৰত্নতাত্ত্বিক স্থান আৰু কলা-সম্পদৰ বিষয়ে তলত দিয়া ধৰণেৰে যুগুতোৱাৰ প্ৰয়াস কৰা হৈছে।

**মৃৎ শিল্প-কলা :** মাজুলীৰ সু-প্ৰাচীন প্ৰত্ন-ঐতিহাসিক নিদৰ্শনৰ পৰম্পৰা বৰ্তি থকা স্থান বনগাঁৱৰ ওচৰৰ শালমৰা কুমাৰ গাঁও। কুমাৰগাঁৱৰ মৃৎ-শিল্পৰ পৰম্পৰা, ব্ৰহ্মপুত্ৰ সভ্যতাৰ প্ৰাচীনতম মৃৎ-শিল্প শৈলীৰ অৱশেষ বুলিলে অত্যুক্তি কৰা নহয়। প্ৰাচীন ব্ৰহ্মপুত্ৰ সভ্যতাৰ বিকাশত কলিতা সম্প্ৰদায়ৰ অৱদানৰ বিষয়ে আলোচনা হৈছে।[১১] অসমৰ প্ৰাচীন মৃৎ শিল্প-কলাৰ বিকাশত কলিতা সম্প্ৰদায়ৰ লোক জড়িত। এই কলিতা লোকসকল আৰ্যসকল অসমলৈ অহাৰ পূৰ্বেই অসমলৈ আহিছিল।[১২] এই কলিতাসকলক কাশ্মীৰ উপত্যকাত খ্ৰীষ্টপূৰ্ব ৪০০ শতিকাত স্থাপন হোৱা সুবিখ্যাত কুলুৰাজ্যৰ সুসভ্য 'কুলতা' অথবা 'কলিতা' লোকৰ লগত সম্পৰ্ক ৰখা হয়।[১৩]

মাজুলীৰ বনগাঁৱত অৱস্থিত শালমৰা কুমাৰগাঁৱৰ কলিতা সম্প্ৰদায়ৰ লোকসকলে বলিয়া, পিতনি আদি আহিলাৰ সহায়ত চাক্ ব্যৱহাৰ নকৰাকৈ হাতেৰে মৃৎ-পাত্ৰ গঢ় দিয়ে। এনেদৰে মৃৎ-পাত্ৰ গঢ়াৰ নিদৰ্শন অতি প্ৰাচীন। গোৱালপাৰা জিলাৰ মৰনৈ প্ৰত্নতাত্ত্বিক স্থানতো এনে পৰম্পৰা বৰ্তি থকা দেখা যায়। সেয়ে, মাজুলীৰ বনগাঁও অঞ্চলৰ কুমাৰগাঁৱত বৰ্তি থকা কুমাৰ শিল্প-কলা এতিয়ালৈকে নিৰৱচ্ছিন্নভাৱে বৰ্তি থকা মানৱ সভ্যতাৰ প্ৰাচীনতম মৃৎ-শিল্প শৈলীৰ একক ৰূপ বুলি ক'ব পাৰি। এই কুমাৰসকলে বৰ্তমান অৰ্থনৈতিক জীৱনৰ আধাৰৰূপে মৃৎ-শিল্পীৰ জীৱন ল'লেও, এই প্ৰয়াসেৰে তেওঁলোকে জীয়াই ৰাখিছে মৃৎ-শিল্পকলাৰ এটি প্ৰাচীনতম প্ৰকাশ। এনে মৃৎ-শিল্পই পুৰণি সমাজৰ অৰ্থনৈতিক চিন্তাৰ বিকাশেৰে স্থায়ীভাৱে সমাজ সূচনা হোৱাৰ ইংগিত বহন কৰে।

শালমৰা গাঁৱৰ কুমাৰসকলে সম্প্ৰতি ব্ৰহ্মপুত্ৰৰ পাৰৰ বেচামৰা নামৰ ঠাইৰ পৰা কুমাৰমাটি সংগ্ৰহ কৰে। পুৰুষসকলে মাটি খান্দে, খৰি-খেৰ সংগ্ৰহ কৰে, পাগশালিত পোৰে, বেহা-বেপাৰলৈ নাৱত বোজাই দি ব্ৰহ্মপুত্ৰইদি তেজপুৰ, শদিয়া, ধুবুৰী পৰ্যন্ত যোগান ধৰে। তিনি চাৰি প্ৰকাৰৰ সৰু বৰ টেকেলি, মলা, চৰু, নদীয়া, ভাবুকি, চাকি, ধূনাদানি আদি হাতেৰে গঢ়ে তিৰোতাসকলে। ৰঙা ৰঙৰ ৰাঙলী মাটিৰ সহায়ত মৃৎ-পাত্ৰৰ বহিঃভাগত নানান প্ৰকাৰৰ অংকন কৰে।[১৪]

**স্থাপত্য কলা :** অসমৰ আদি মধ্যযুগৰ প্ৰায় সকলো শৈল স্থাপত্য প্ৰাকৃতিক দুৰ্যোগৰ বাবে বিনষ্ট হোৱাৰ দৰে মাজুলীতো আদি মধ্যযুগৰ কোনো শৈল-স্থাপত্য বৰ্তি থকা নাই। অনুমান হয়, মাজুলীত একালত শিলৰ মন্দিৰ নিৰ্মাণ হৈছিল। এনে মঠ-মন্দিৰৰ সমীপত পুখুৰী বা জলৰাশিৰ ব্যৱস্থা কৰি মন্দিৰৰ সৌন্দৰ্য বৰ্ধনৰ ব্যৱস্থাও কৰা হৈছিল। আদি মধ্যযুগৰ প্ৰায় খ্ৰীষ্টাব্দ ১০-১১ শতিকাৰ শিলৰ স্থাপত্যৰ নিদৰ্শনৰ অৱশেষ মাজুলীৰ কোনো কোনো স্থানত আমাৰ পৰিলক্ষিত হৈছে। অনুসন্ধান কৰিলে হয়তো এনে সম্পদ আৰু দৃষ্টিগোচৰ হ'ব। এই স্থাপত্যৰ অৱশেষৰ বিৱৰণ দিয়া হ'ল।

**পানীখাটি শিলগুৰি থান :** উজনি মাজুলীৰ ৰতনপুৰ মিৰিৰ পৰা প্ৰায় ১৫ কি: মি: দূৰত্বৰ মোৱামাৰিত থকা পানীখাটি শিলগুৰি থান আৰু নামঘৰত আদি মধ্যযুগৰ শিলৰ স্থাপত্যৰ অংশবিশেষ সংৰক্ষিত হৈ আছে। শিলৰ স্থাপত্যৰ এটি ঘূৰণীয়া অংশ (ব্যাস ৯৭ ছে: মি: × উচ্চতা ৩১ ছে: মি:) আৰু অন্য এটি বৰ্গক্ষেত্ৰাকাৰ অংশ (৮৯×৮৯×৩৩ ছে: মি:) ৰ প্ৰত্যেকৰে মাজভাগত থকা ঘূৰণীয়া খোলনিয়ে আৰু অন্যান্য প্ৰতিৰূপে এই দুয়োটি শৈল-সম্পদ কোনো প্ৰাচীন স্থাপত্যৰ অৱশেষ বুলি অথবা কোনো প্ৰাসাদৰ শৈল-স্তম্ভৰ অংশ বুলি ইংগিত দিয়ে। একাদশ-দ্বাদশ শতিকাৰ এনে স্থাপত্যৰ অংশবিশেষ দেৰগাঁও, দেওপৰ্বত আদি স্থানত পৰিলক্ষিত হয়। এই স্থানৰ নাতিদূৰত ২৫০×১৫০ মিটাৰ জোখৰ ঐতিহাসিক পুখুৰী এটিৰ চিহ্ন বৰ্তি আছে। কোৱা বাহুল্য যে ভাৰতীয় শিল্পশাস্ত্ৰ মতে মঠ-মন্দিৰ নিৰ্মাণৰ স্থানত বৃহৎ জলৰাশিৰ ব্যৱস্থাপনা কৰা বিধি আছিল। অধিক অনুসন্ধান কৰিলে শিলগুৰি থানত অথবা ওচৰে-পাজৰে প্ৰত্নতাত্ত্বিক সম্পদ উদ্ধাৰ হ'ব বুলি ধাৰণা হয়।

মাজুলীৰ বনগাঁৱৰ শ্ৰীশ্ৰীমেৰাগড় বেলগুৰি থানৰ মণিকূটৰ আসনত এটি শিলৰ নিৰ্মিত মন্দিৰৰ শিখৰৰ কলচী বা কলহৰ (উচ্চতা ২৩ × ব্যাস ৪০ ছে: মি:) ওপৰত স্থাপিত হৈ আছে। এই মন্দিৰৰ চূড়াৰ কলচীৰ সময়ো খ্ৰীষ্টাব্দ ১১০০ শতিকামানৰ; কোনো শিলৰ মন্দিৰৰ অংশবিশেষ। অধিক অনুসন্ধান অথবা ফলপ্ৰসূ স্থানত খনন

কাৰ্য চলালে এই দিশত আৰু অধিক তথ্য উদ্‌ঘাটন হ'ব বুলি আমাৰ ধাৰণা। এইটো নিশ্চিত যে মাজুলীত একাদশ শতিকামানত শিলৰ স্থাপত্যৰ বিকাশ হৈছিল। ৰত্নপুৰৰ ঐতিহাসিক পৰিক্ৰমায়ো দশম-একাদশ শতিকাত মাজুলীত শিলৰ স্থাপত্য নিৰ্মাণ হোৱাৰ স্পষ্ট ইংগিত বহন কৰে।

**আহোম যুগৰ অৱদান :** আহোম যুগত মাজুলীত ইটাৰ মঠ-মন্দিৰ, দ'ল-দেৱালয় নিৰ্মাণ হৈছিল; কিন্তু প্ৰাকৃতিক দুৰ্যোগৰ বাবে এই স্থাপত্যসমূহৰ ক্ষতিসাধন হয়। শ্ৰীশ্ৰীবেঙেনাআটী সত্ৰৰ আদিস্থানত এনে এটি ইটাৰ মন্দিৰ আছিল। বানপানী আৰু খহনীয়াত এই মন্দিৰ বিনষ্ট হয়। এই মন্দিৰৰ দেৱকোষ্টৰ ভাস্কৰ্যসমূহৰ কিছু বৰ্তমানৰ শ্ৰীশ্ৰীবেঙেনাআটী সত্ৰৰ মণিকূটৰ বেৰত ৰখা হৈছে। ইন্দ্ৰ (৩৬×৫০ ছে: মি:), ব্ৰহ্মা (৫৫×৪২ ছে: মি:), শিৱ (৫৬×৪৪ ছে: মি:), বলোৰাম (৫৬×৪৪ ছে: মি:), পৰশুৰাম (৫৮×৪০ ছে: মি:) আৰু অন্যান্য। বিষ্ণুৰ দশাৱতাৰৰ ভাস্কৰ্য, অনন্তশয্যা আদি ভাস্কৰ্যসমূহৰ কলাসুলভ প্ৰকাশ ভংগীমাৰ পৰা এই সম্পদসমূহ আহোম যুগৰ বুলি ক'ব পাৰি।

ফুলনিৰ সমীপৰ পহুমৰাৰ শ্ৰীশ্ৰী ন-গোসাঁইবাৰী সত্ৰৰ ওচৰত আহোম যুগৰ পোৰামাটিৰ এটি ইটাৰ ভাটা পোৱা হৈছিল। ইয়াত পোৱা ইটা, যোৰহাট জিলা সংগ্ৰহালয়ত সংৰক্ষিত হৈ আছে। এই স্থানত ৪৪×৪৪ মিটাৰ আৰু ৪৬×৬০ মিটাৰ জোখৰ দুটা পুখুৰীৰ পাৰত অৱস্থিত এটি ফাগুৱা দ'লত ১৮ শতিকাৰ বংশীবাদন বিষ্ণুৰ পিতলৰ মূৰ্তি এতিয়াও পূজিত হৈ আছে। হয়তো আহোম যুগত স্বৰ্গদেউ গৌৰীনাথ সিংহৰ দিনত এই স্থানত এটি শিলৰ মন্দিৰ নিৰ্মাণৰ প্ৰচেষ্টা হাতত লোৱা হৈছিল। কোনো কাৰণত এই পৰিকল্পনা ত্যাগ কৰিব লগা হয়।

**ঐতিহাসিক সত্ৰানুষ্ঠান :** মাজুলীত কেইখনমান বুৰঞ্জী-প্ৰসিদ্ধ বৈষ্ণৱ সত্ৰ অনুষ্ঠান আছে। এই সত্ৰসমূহে আহোম ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰি প্ৰখ্যাত হৈ পৰে। প্ৰায় কেইখন সত্ৰই বানপানীৰ কবলত পৰি স্থানচ্যুত হ'ব লগা হোৱাত বিস্তৰ ক্ষতি সাধন হয়। এই সত্ৰসমূহ অনেক প্ৰত্নতাত্ত্বিক কলা-সম্পদেৰে চহকী।

**শ্ৰীশ্ৰীআউনীআটী সত্ৰ :** আহোম স্বৰ্গদেউ জয়ধ্বজ সিংহই ইং ১৬৫৩ খ্ৰীষ্টাব্দত হিন্দুধৰ্মৰ পৃষ্ঠপোষকতা কৰি কুকুৰাবাহীৰ পৰা নিৰঞ্জন পাঠকক নি মাজুলীত আউনী পাণৰ আটী কাটি শ্ৰীগোবিন্দ ঠাকুৰক প্ৰতিষ্ঠা কৰি আউনীআটী সত্ৰ প্ৰতিষ্ঠা কৰে।[১৫] স্বৰ্গদেৱে বৰ্তমান শিৱসাগৰৰ গালপুঘাটত গোবিন্দ ঠাকুৰৰ হুতুৱাই খণ্ড কৰাই সত্ৰৰ নামত মাটি-মানুহ উচৰ্গি, তামৰ ফলি কৰি দিলে।[১৬] এই সত্ৰ ৰাজআৰ্হিৰ আৰু উপাস্য দেৱতা শ্ৰীশ্ৰীগোবিন্দ মহাপ্ৰভু। এই সত্ৰত ভাগৱতী ধৰ্মৰ ব্ৰহ্মসংহতি গীতা ভাগৱতোক্ত শ্ৰৱণ-কীৰ্তন আদি ৯বিধ ভক্তি, চৈধ্যপ্ৰসংগ ৰূপে নিৰন্তৰ প্ৰচলিত।

প্ৰতিষ্ঠাৰ পৰা আউনীআটী, ঔৱাবাৰী, আউনীবাৰী, মৰথিমৰা, লোৰপাৰ আদি স্থান বদলি কৰি বৰ্তমান কমলাবাৰীৰ পশ্চিমৰ জুগুনীবাৰীত এই সত্ৰ অৱস্থিত।

**শ্ৰীশ্ৰীদক্ষিণপাট সত্ৰ :** স্বৰ্গদেউ জয়ধ্বজ সিংহই বনমালীদেৱক আহতগুৰিৰ জতকৰা (শাকবাৰী)ৰ পৰা আনি লুইতৰ দক্ষিণে ১৫৮৪ চনত দক্ষিণপাট নামেৰে সত্ৰ প্ৰতিষ্ঠা কৰি দি শ্ৰীবনমালীদেৱৰ শৰণ লয়।[১৭] প্ৰাচীন যুগত দক্ষিণপাটৰ নাম আছিল দক্ষিণপাটক। দক্ষিণপাটক বুলিলে লৌহিত্যৰ দক্ষিণে থকা এটা বন্দৰ বা বাণিজ্যকেন্দ্ৰৰ কথা বুজায়।[১৮] পট্টন মানে নদীৰ কাষৰ বন্দৰ বা বাণিজ্যকেন্দ্ৰ। লুইতৰ কাষত এনে বন্দৰ গঢ়ি উঠাটো অসম্ভৱ নাছিল। উজনি মাজুলীৰ ভকতিদুৱাৰ অঞ্চলৰ গোসাঁইবাৰীয়েই এই সত্ৰৰ আদিস্থান। এই স্থানৰ সমীপতে স্বৰ্গদেউ প্ৰতাপসিংহই ৰাঙলীবাহৰ পাতিছিল। স্বৰ্গদেউ জয়ধ্বজ সিংহই প্ৰভু বনমালীদেৱক স্থাপিবৰ কাৰণে সত্ৰোপযোগী স্থানৰ অন্বেষণ কৰালত চতুৰ্দিশে চাই আহি—

"নামত দক্ষিণপাট বুলি সবে কহে
উত্তৰত মহানদী ব্ৰহ্মপুত্ৰ বহে" বুলি ৰত্নপুৰৰ ঐতিহাসিক পটভূমিত স্থিত দক্ষিণপাটকে নিৰ্দিষ্ট কৰাত ১৫৮৪ শকত শ্ৰীশ্ৰীবনমালীদেৱৰ দ্বাৰাই শ্ৰীশ্ৰীদক্ষিণপাট সত্ৰৰ প্ৰতিষ্ঠা কৰায়।[১৯]

পৰৱৰ্তীকালত প্ৰাকৃতিক দুৰ্যোগ আৰু ৰাজনৈতিক অথন্তৰৰ বাবে কেইবা ঠাইলৈ সত্ৰ স্থানান্তৰ কৰিবলগা হয়। ১৭৯১ শকলৈকে ৰাধাচাপৰিত সত্ৰ স্থাপন হৈ আছিল। তেতিয়া এই সত্ৰৰ স্থিতি দিহিঙৰ পাৰে পাৰে চামগুৰি গাঁও, দীঘলী গাঁও, বৈৰাগী গাঁও আৰু কুমাৰ গাঁও সামৰি আছিল। ব্ৰহ্মপুত্ৰ তেতিয়া হোৱা নাছিল।[২০] পাছত স্বৰ্গদেউ ৰাজেশ্বৰ সিংহ প্ৰদত্ত দেৱোত্তৰৰ ভিতৰতে বৰগোহাঁইপৰীয়া চন্দ্ৰমালা আইদেউৰ যি মাটি— "যাদৱৰায়ৰ উদ্দেশ্যে উচৰ্গি দিছিল, সেই

স্থানতেই ১৭৯১ শকৰ পৰা বৰ্তমানৰ দক্ষিণপাট সত্ৰ স্থাপিত হৈ আছে। গাতে লাগি থকা পুখুৰীৰ সৈতে এই সত্ৰৰ দৃশ্য অতি বিতোপন। এই সত্ৰৰ সীমা— পূবে দীঘলী নৈ, নাওশালি আৰু বুঢ়াগোহাঁয়ে খন্দা জান; উত্তৰে ৰাওনাপাৰ ব্ৰাহ্মণৰ মাটি আৰু বৰচিলা; দক্ষিণে ব্ৰহ্মপুত্ৰ।

শ্ৰীশ্ৰীযাদৱৰাই মহাপ্ৰভুৰ মূৰ্তি দক্ষিণপাট সত্ৰৰ ইষ্টদেৱতা আৰু মূল পূজিত বিগ্ৰহ। শ্ৰীকৃষ্ণৰ ৰাসোৎসৱেই এই সত্ৰৰ প্ৰধান উৎসৱ। বিধি অনুযায়ী পূজা, হোম, অৰ্চনা, বন্দনা, নৃত্য-গীত, অভিনয়ৰ দ্বাৰা এই উৎসৱ সমাধা হয়।

**শ্ৰীশ্ৰী গড়মূৰ সত্ৰ :** বংশীগোপালৰ ভাতৃ-পুত্ৰ জয়হৰিদেৱে গড়মূৰ সত্ৰ স্থাপন কৰে। আহোম স্বৰ্গদেউ জয়ধ্বজ সিংহই জগন্নাথৰ পৰা বংশীগোপাল বিগ্ৰহ অনাই গড়মূৰ সত্ৰ প্ৰতিষ্ঠা কৰি দিয়ে। স্বৰ্গদেউ প্ৰতাপসিংহই বন্ধোৱা ছেৰাতল গড়ৰ মূৰতে জয়হৰিদেৱে সত্ৰ স্থাপন কৰা বাবে সত্ৰৰ নাম হয় 'গড়মূৰ' সত্ৰ। গড়মূৰ আগতে দুখন আছিল; এখন বৰ গড়মূৰ সত্ৰ, আনখন সৰু গড়মূৰ সত্ৰ। পীতাম্বৰদেৱ গোস্বামীৰ দিনতে সৰু গড়মূৰ সত্ৰ বৰ গড়মূৰ সত্ৰৰ লগত এক হয়। শিৱসিংহ ৰজাই ৩০,০০০ (ত্ৰিশ হাজাৰ) পুৰা নিস্কৰ মাটি আৰু বাৰশ ঘৰ পাইক দি গড়মূৰ সত্ৰক পৃষ্ঠপোষকতা কৰে।

**শ্ৰীশ্ৰীবেঙেনাআটী সত্ৰ :** পুৰুষোত্তম ঠাকুৰৰ আজ্ঞাপৰ বৰ বাৰজনীয়া মুৰাৰীদেৱৰ দ্বাৰা স্থাপিত এই সত্ৰৰ আদিস্থান বৰ্তমান ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গ'ল। বৰ্তমান কমলাবাৰীৰ পৰা প্ৰায় ৬ কিল'মিটাৰ নিলগত এই সত্ৰ অৱস্থিত। ১৬৯৯ শকত আহোম স্বৰ্গদেউ লক্ষ্মীসিংহই এই সত্ৰলৈ ভূমি আৰু পাইক নিবন্ধন কৰি তামৰ ফলি দান কৰে। স্বৰ্গদেউ চন্দ্ৰকান্ত সিংহৰ পৰাও বেঙেনাআটী সত্ৰই ৰাজপৃষ্ঠপোষকতা লাভ কৰিছিল।

**শ্ৰীশ্ৰীকমলাবাৰী সত্ৰ :** কমলাবাৰী সত্ৰ, নাৰায়ণপুৰৰ তিতাচোমদাৰৰ পুত্ৰ ধৰ্মাচাৰ্য পদ্ম বা বদলা আতা এই সত্ৰৰ প্ৰতিষ্ঠাপক। বদলা আতাৰ দহটা নামৰ ভিতৰত প্ৰখ্যাত নাম কমলাকান্তৰ পৰা তেওঁ প্ৰতিষ্ঠা কৰা সত্ৰৰ নাম কমলাবাৰী বুলি ভবা হৈছে। কোনো কোনোৱে ক'বলৈ বিচাৰে, কমলাটেঙাৰ বাৰীত প্ৰতিষ্ঠা কৰাৰ বাবেও এই সত্ৰক কমলাবাৰী সত্ৰ বোলে। মূল কমলাবাৰী সত্ৰ, নতুন কমলাবাৰী, উত্তৰ কমলাবাৰী আদি শাখা-সত্ৰত বিভক্ত হয়। পুৰণি কমলাবাৰী ব্ৰহ্মপুত্ৰৰ প্ৰবল খহনীয়াত পৰি বৰ্তমান তিতাবৰৰ মহিমাত স্থিতি লৈছে। উত্তৰ কমলাবাৰীত শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱ আৰু বদলা আতাৰ ব্যৱহৃত সম্পদ সংৰক্ষিত হৈ আছে।

**পহুমৰা ন-গোসাঁই সত্ৰ :** উজনি মাজুলীৰ ফুলনিৰ পৰা প্ৰায় ৫ কি: মি: দক্ষিণে নিকিনিখোৱা গাঁৱত ন-গোসাঁইবাৰী সত্ৰ অৱস্থিত। আহোম স্বৰ্গদেউ লক্ষ্মীসিংহই তেওঁৰ গুৰু ৰমানন্দ পুষ্পাচাৰ্যক ১৭৭০ শকত মাজুলীৰ পহুমৰাত এই সত্ৰ পাতি দিয়ে; কিন্তু সত্ৰ নিৰ্মাণ হোৱাৰ পূৰ্বেই মোৱামৰীয়া বিদ্ৰোহৰ সূত্ৰপাত হোৱাত এই স্থান ত্যাগ কৰিবলগা হয়।[১১] এই স্থানৰ ফাগুৱা দ'ল, পুখুৰী, পিতলৰ বংশীবাদন মূৰ্তি এতিয়াও বৰ্তি আছে। ৰমানন্দ আচাৰ্যই এই সত্ৰৰ কেউকাষে এটি গড় বন্ধোৱাইছিল। এই গড়ৰ অৱশেষ এতিয়াও গোসাঁইবাৰীৰ পৰা জামুৰনীযেদি বৰফুলনি গাঁৱলৈকে বৰ্তি থকা দেখা যায়।

**শ্ৰীশ্ৰীচামগুৰি সত্ৰ :** আহোম স্বৰ্গদেউ চক্ৰধ্বজ সিংহই ১৬৬৩ শকত চক্ৰপাণিক মাজুলীৰ জহাখাটত চামগুৰি সত্ৰ পাতি দিয়ে। ১৯০২ খ্ৰীষ্টাব্দত এই সত্ৰ দুখন হৈ নতুন চামগুৰি সত্ৰখন কিছুদূৰ উত্তৰলৈ স্থাপিত হয়।

**এলেঙি থুলৰ সত্ৰ :** এলেঙি থুলৰ সত্ৰসমূহৰ ভিতৰত কাকৰি কটা বৰ এলেঙি, পোৰাভেটি বৰ এলেঙি, শালমৰাৰ ওচৰৰ কামজানৰ পাৰৰ বগীআই এলেঙি, ৰতনপুৰৰ দিখৌমুখীয়া এলেঙিআৰু নৰসিংহ এলেঙি সত্ৰই প্ৰধান। এই সমূহ সত্ৰৰ শেষৰ দুখনৰ বাদে বাকীকেউখন বানপানীৰ কবলত ক্ষতিগ্ৰস্ত হৈ স্থানান্তৰিত হ'ল।

অনেক সত্ৰই যেনে— খেৰকটীয়া সুঁতিৰ পাৰৰ খেৰকটীয়া সত্ৰ, কাথবাপু সত্ৰ, শালমৰাৰ কাটনিপাৰ সত্ৰ, দিহিং সত্ৰ, ঢৌকা চাপৰি, আহতগুৰি মৌজাৰ নাচনিপাৰ সত্ৰ, জেংৰাইমুখৰ নেপালী সত্ৰ, বতাৰ গঞা সত্ৰ আদি অনেক সত্ৰই পূৰ্বৰ স্থান ত্যাগ কৰি অন্যান্য স্থানত স্থিতি ল'বলগা হৈছে। বটাৰ গঞা, সাঁকোপাৰ, বিহিমপুৰ, মটীয়াবৰীয়া আদি কেইখনমান সত্ৰই অনেক সমস্যাৰ লগত যুঁজি কোনোমতে বৰ্তি আছে।

**বেলগুৰি থান :** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ মিলনভূমি বেলগুৰি থান মাজুলীৰ আহতগুৰিৰ ধঁৱাহাটত। মানৰ আক্ৰমণত এই থানখনিৰ অশেষ ক্ষতি হয়। থানখনৰ অতীজৰ ঠাইখিনি ইতিমধ্যে খহনীয়াত জাহ গৈছে।

**২ নং বেলগুৰি থান :** ২নং বেলগুৰি থান বনগাঁৱৰ মেৰাগড়ৰ ওচৰত ১৪৬৯ শকত স্থাপিত হয়। কথিত আছে; শংকৰদেৱ

ইয়াত কিছুদিন থাকি ধৰ্মগ্ৰন্থ লিখিছিল। বৰ্তমান এই থানো পৰিত্যক্ত অৱস্থাত। কাঠৰ গছা, আসন, গৰুড় পক্ষী, নামসিংহ; এই থানৰ মণিকূটত সংৰক্ষিত। শিলৰ স্থাপত্যৰ কলচী কোনো মন্দিৰৰ অংশ এই মণিকূটত সংৰক্ষিত। এই থানত বাসুদেৱ কৃষ্ণক গৰুড় পক্ষীয়ে কান্ধত তুলি নিয়া ভংগীমাৰ এটি মূৰ্তি (উচ্চতা ৩০ ছে: মি:, ব্যাস ১৬ ছে: মি:) পূজিত হৈ আছে। এই থানত সাঁচিপাতত লিখা কীৰ্তন, ভাগৱত, বৰগীত, ৰামবিজয় নাট, ৰুক্মিণী হৰণ নাট, হৰিশ্চন্দ্ৰ উপাখ্যান, গুণমণি, নামমালিকা, ভক্তি ৰত্নাকৰ, নামঘোষা, ভক্তিপ্ৰদীপ, গুণমালা, মহাভাৰতৰ শান্তিপৰ্ব (সংস্কৃত), শংকৰদেৱৰ চৰিত, ভক্তি ৰত্নাৱলী, একাদশ স্কন্ধ ভাগৱত আদি ধৰ্মগ্ৰন্থ সংৰক্ষিত হৈ আছিল।[২৩]

**আহোম ৰাজত্বৰ তামৰ ফলি :** মাজুলীৰ ৰাজকীয় সত্ৰসমূহে ৰাজপৃষ্ঠপোষকতা লাভ কৰিছিল। স্বৰ্গদেউসকলে অনেক মাটি-বৃত্তি আৰু পাইক নিবন্ধিত কৰি সত্ৰসমূহক তামৰ ফলিত লিপিবদ্ধ কৰি দান দিছিল। এই লিপিসমূহৰ পৰা অনেক তথ্য পাব পাৰি। মাজুলীৰ সত্ৰসমূহৰ তামৰ ফলিসমূহ[২৪] এনেধৰণৰ—

ক) দক্ষিণপাট সত্ৰৰ ভূমি দানৰ তামৰ ফলি— শক ১৬৭১
খ) দক্ষিণপাটৰ বাসুদেৱ মঠৰ তামৰ ফলি— শক ১৬৮৬
গ) বেঙেনাআটী সত্ৰৰ ভূমিদান আৰু পাইক নিবন্ধনৰ তামৰ ফলি— শক ১৬৯৯
ঘ) গৌৰীবল্লভ দ'লৰ তামৰ ফলি — শক ১৬৯৬
ঙ) দক্ষিণপাট সত্ৰৰ ভূমিদান আৰু পাইক নিবন্ধনৰ তামৰ ফলি— শক ১৭০৭
চ) আউনীআটী সত্ৰৰ তামৰ ফলি— শক ১৭১১
ছ) আউনীআটী সত্ৰৰ তামৰ ফলি— শক ১৭৪২
জ) বাপু বৰুৱা তামৰ ফলি[২৫] — শক ১৬৩৬

**ঐতিহাসিক স্থান, গড় আৰু পুখুৰী :** মাজুলীৰ বুকুত অনেক ঐতিহাসিক স্থান আছে। এনে প্ৰায়বিলাক স্থানৰে মৌলিক বৈশিষ্ট্যসমূহ প্ৰাকৃতিক দুৰ্যোগৰ কবলত পৰি বিলুপ্তি ঘটিছে। গড়সমূহৰ কোনো কোনো স্থানত অৱশেষ মাত্ৰ বাকী আছে। মাজুলীৰ এনে ঐতিহাসিক স্থানসমূহ এনেধৰণৰ—

**মাজৰ দেউৰী গোসাঁনী থান :** দেউৰীসকলৰ শক্তিৰূপা আৰাধ্যা দেৱী কুন্তীমায়া বা মহামায়া থান এখন মাজৰ দেউৰী গাঁৱত আছে। এই থানত দুৰ্গাপূজা প্ৰতিবছৰে হয়। শ্ৰীৰাম দেউৰীতো এনে এখন থান আছে।

**ফুলেশ্বৰী থান :** ফুলনি চাৰিআলিৰ পৰা ২ কি: মি: পশ্চিমে অৱস্থিত ফুলেশ্বৰী থান, আহোম স্বৰ্গদেউ শিৱসিংহৰ মহীষী ফুলেশ্বৰীয়ে নিৰ্মাণ কৰোৱাইছিল। ১৮৯৭ খ্ৰীষ্টাব্দৰ ভূমিকম্পত এই থান বিলুপ্ত হয় আৰু এতিয়া অৱশেষ মাত্ৰ আছে। স্থানীয় মিচিংসকলে এতিয়াও পূজা-সেৱা কৰে।

**আতৈচুক :** পুৰুষ সংহতিৰ এটি বিশিষ্ট ৰূপ তামোল নোখোৱা ধৰ্ম সম্প্ৰদায়ৰ কেন্দ্ৰস্থল হ'ল বনগাঁৱৰ কড়াল গাঁৱৰ আতৈচুক। শ্ৰীমন্ত শংকৰদেৱে প্ৰৱৰ্তন কৰা একশৰণ নামধৰ্মৰ পথ পৰৱৰ্তী কালত সু-পৰিকল্পিতভাৱে আধ্যাত্মিকতাৰ উচ্চ শিখৰত স্থাপন কৰোঁতা ধৰ্মগুৰু শ্ৰীশ্ৰীবোধ গুৰুক তামোল নোখোৱা সম্প্ৰদায়ৰ লোকে ধৰ্মগুৰু আৰু শ্ৰীমন্ত শংকৰদেৱক ঈশ্বৰ বুলি মানি আহিছে।

শ্ৰীশ্ৰীবোধগুৰুৱে ভক্তি ৰসৰ অমিয়া সোঁতৰ ধাৰা প্ৰৱৰ্তন কৰা এই আতৈচুকতে শংকৰদেৱৰ জীৱন-চৰিত, কীৰ্তন-ঘোষা, নামঘোষা, ৰত্নমালা, গুণমালা, টোটয়, ভটিমা, ত্ৰয়োদশ স্কন্ধ ভাগৱত, গীত (এই সম্প্ৰদায়ৰ লোকৰ মতে বড়গীত) ধৰ্মখল, নাটক আদি দুকুৰি গ্ৰন্থ এই স্থানতে লিখিছিল।[২৬]

**গড়মূৰৰ গড় :** পঞ্চদশ শতিকাত আহোম স্বৰ্গদেউ প্ৰতাপ সিংহই(?) নগা পৰ্বতৰ পৰা দিহিং নদীৰ পাৰ কৰি 'মাজালি'লৈকে খেদা চিকাৰ কৰি হাতী ধৰিবলৈ বন্ধোৱা গড়টো কমলাবাৰী মহাবিদ্যালয়ৰ সন্মুখেদি গৈ ২নং ফুটুকী গাঁৱৰ মাজেৰে গৈ গড়মূৰত লাগি অন্ত হৈছে।

**মেৰাগড় :** মাজুলীৰ বনগাঁৱৰপৰা প্ৰায় ৫ কি: মি: উত্তৰ-পূবত এতিয়াও চক্ৰকাৰ পাদবিন্যাসেৰে বৰ্তি থকা মেৰাগড় বেচামৰা নামৰ ঠাইত অৱস্থিত। বাহিৰগড়, ভিতৰগড় বুলি স্থানীয় লোকে আখ্যা দিয়া একো-একোটা বৃহৎ এলেকা— মুঠ ৮০ বিঘামান অঞ্চল আৱৰি চক্ৰাকৃতিৰ কেইবাটাও গড় এই স্থানত আছে। মৌলিকৰূপৰ অৱক্ষয় হ'লেও, বিশিষ্ট দিশসমূহ এতিয়াও বিদ্যমান। এই গড়টো আহোমসকলৰ দিনত ব্ৰহ্মপুত্ৰ নদীৰ বালি ধুই-পখালি সোণ-কমোৱা শিল্পৰ লগত জড়িত। সোণ-কমোৱাত সিদ্ধহস্ত এজন ৰাজকোঁৱৰক আহোম ৰজাই সোৱণশিৰীৰ বালি ধুই-চালি সোণ-কমাবলৈ বা এই

শিল্প তদাৰক কৰিবলৈ নিয়োগ কৰিছিল। এই গড়ৰ সন্মুখতে থকা হাউলিবিলৰ পাৰতেই তেওঁৰ কাৰেং আছিল বুলি কোৱা হয়। সোণ মিহলি বালি চলা পথাৰখনক এতিয়াও চলাপথাৰ বোলে। সোণৰ চেকুৰা মিহলি বালি ধুই-চালি সোণ-কমোৱা বাবে এই গড়ক ধোৱা-চলা গড়ো বোলে। ওচৰতে বৰ্তি থকা শুকান সুঁতিলৈ চাই এই স্থানতে নিশ্চয় বালিৰ পৰা সোণ-কমোৱা হৈছিল বুলি ঠাৱৰ কৰিব পাৰি।

**গোসাঁইবাৰী গড় :** মাজুলীৰ ভকতিদুৱাৰত দক্ষিণপাট সত্ৰৰ প্ৰাচীন স্থিতিৰ চিহ্ন গড় আৰু পুখুৰী বৰ্তি আছে। এই গোসাঁইবাৰী এলেকা সামৰি এটা গড় বন্ধোৱা হৈছিল। গড়ৰ এটা অংশ ভকতিদুৱাৰ-গোসাঁইবাৰী পথৰূপে ব্যৱহৃত হৈ আহিছে। ভকতিদুৱাৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ ওচৰৰ পৰা গড়ৰ উত্তৰমুৱা আনটো গড় ফাটি কিছুদূৰ যোৱাৰ পাছত পুনৰ ভকতিদুৱাৰ-গোসাঁইবাৰী গড় পথত লাগিছে।

**বাপু বৰুৱা গড় :** ১৭১৪ খ্ৰী:ত আহোম স্বৰ্গদেউ শিৱসিংহই সভাপণ্ডিত বিদ্যাবিনোদ বাপুবৰুৱা গুৰুক অনেক ভূ-সম্পত্তিসহ সম্পদ দি তামৰ ফলি প্ৰদান কৰিছিল। পহুমৰাৰ ওচৰৰ প্ৰায় ২ কি: মি: দক্ষিণলৈ থকা শুকান-সুঁতিৰ ওচৰত বাপুবৰুৱাৰ ভেটিৰ চাৰিওকাষে বন্ধোৱা গড় আৰু এই গড়ৰ ভিতৰত বসতি কৰা বাপুবৰুৱাৰ ভেটি পোৱা হয়। শ্ৰীদিলীপকুমাৰ ফুকনদেৱে এই বাপুবৰুৱাৰ তামৰ ফলি উদ্ধাৰ কৰি উল্লেখযোগ্য কৰ্ম সম্পাদন কৰিছে।

**ন-গোসাঁইবাৰী গড় :** পহুমৰীয়া গোসাঁই ৰমানন্দ আচাৰ্যই সত্ৰৰ কেউকাষে এটা গড় বন্ধোৱাইছিল। এই গড়ৰ ভগ্নাৱশেষ এতিয়াও ন-গোসাঁইবাৰীৰ পৰা জামুৱনীয়েদি বৰফুলনি গাঁৱলৈকে দেখা যায়।

**ৰাওনাগড় আৰু পুখুৰী :** বনগাঁৱৰ ওচৰত কমলাবাৰী-বনগাঁও পথৰ কাষত ৰাওনাগড় আৰু পুখুৰী অৱস্থিত। ৰাওনা নামৰ কোনো ৰাজবিষয়াই এই গড় আৰু পুখুৰী নিৰ্মাণ কৰায়। গড়টো নিচিহ্ন হোৱাৰ পথত যদিও প্ৰায় ৪০০×৪০০ মি: জোখৰ পুখুৰীটো অক্ষত অৱস্থাত আছে।

**ৰত্নপুৰ :** ৰত্নপুৰ অথবা ৰতনপুৰ, উজনি মাজুলীৰ খেৰকটীয়া সুঁতিৰ পাৰত। ওচৰৰে ৰতনপুৰ গাঁৱে এই সুপ্ৰাচীন স্থানৰ নামটো জীয়াই ৰাখিছে। দৰাচলতে এই ৰত্নপুৰ প্ৰাচীন শাসন কেন্দ্ৰ আৰু প্ৰবল প্ৰতাপী ৰাজ বংশৰ ভদ্ৰাসন, ময়ুৰধ্বজ, ৰামচন্দ্ৰ, মায়ামত্ত, আৰিমত্ত আদি মধ্যযুগৰ ৰজাসকলৰ ৰাজধানীখন খেৰসুঁতিৰ পাৰত বৰ্তমানৰ ৰতনপুৰ বুলি ভবাৰ থল আছে।[২৭] আগত উল্লেখ কৰা হৈছে যে, প্ৰতাপী ৰজা কুশাৰণ্যই ৰত্নপুৰ বা ৰতনপুৰৰ পৰাই গৌড়, কামৰূপ, জয়ন্তীয়া ৰাজ্য শাসন কৰিছিল।[২৮] এই স্থান দিহং নৈয়ে খহাই নিয়াত পৰৱৰ্তী কালত অন্য স্থানলৈ ৰাজকেন্দ্ৰ স্থানান্তৰিত হয়। আজিৰ ৰতনপুৰ সেয়ে পুৰণি মাজুলীৰ ৰাজকীয় শাসন কেন্দ্ৰৰ সোঁৱৰণী।

**ঐতিহাসিক বৃত্তিয়াল গাঁও :** মাজুলীত অনেক ঐতিহাসিক বৃত্তিয়াল গাঁও আছে, যেনে— ৰাওনাপাৰৰ ওচৰৰ শেনচোৱা গাঁও-– আহোম স্বৰ্গদেউসকলৰ আগত শেন চৰাই মেলি কণুৱা চৰাই ধৰি আনিবলৈ শেন চৰাইক প্ৰশিক্ষণ দিয়াসকলৰ শেনচোৱা গাঁও; দক্ষিণপাট সত্ৰৰ ওচৰৰ নাওশালী গাঁও— আহোমসকলৰ শক্তিশালী নৌবাহৰ আৰু নাওসজা স্থান; ওচৰৰে নাৱৰ তলিত কৰ্শাল মৰা বাবে শালমৰা গাঁও; দৌল-দেৱালয়ত ইটাৰ স্থাপত্য নিৰ্মাণৰ বাবে হাঁহকণী, বৰালি মাছ, বৰা চাউল, গুৰ, ধূনা আদিৰে কঢ়াল তৈয়াৰ কৰা কঢ়াল গাঁও; তাঁতী সম্প্ৰদায়ৰ ভকতিদুৱাৰৰ ওচৰত তাঁতী গাঁও, যোগী গাঁও আদি।

**চিত্ৰশিল্প :** মাজুলীৰ সত্ৰসমূহ শিল্প-সংস্কৃতিৰ থলি। সত্ৰসমূহত শ শ সাঁচিপতীয়া গ্ৰন্থৰ পুথিভঁৰাল আছে। তাৰে কিছুসংখ্যক পুথি চিত্ৰিত।[২৯] মাজুলীৰ এনে সচিত্ৰ পুথিসমূহ মূলতে অসমৰ প্ৰধান চিত্ৰপুথি গৰগঞা শৈলী আৰু বৈষ্ণৱীয় চিত্ৰশিল্পৰ অন্তৰ্ভুক্ত। গৰগঞা চিত্ৰশিল্পৰ ভিতৰত আউনীআটী সত্ৰৰ হস্তীবিদ্যাৰ্ণৱ (৫৯×১৮) পুথিখন উল্লেখযোগ্য। দিলবৰ আৰু দোষাই নামৰ দুজন শিল্পীয়ে চিত্ৰৰূপ দিয়া সুকুমাৰ বৰকাঠে লিখা এই গ্ৰন্থখন মূলতে খ্ৰীষ্টাব্দ ৪ৰ্থ শতিকা মানত পালকাপ্য মুনিৰ মূল সংস্কৃত 'হস্ত্যায়ুৰ্বেদ' গ্ৰন্থৰ পৰ্যায়ৰ। আহোম ৰজা শিৱসিংহ আৰু মহীষী অম্বিকাদেৱীৰ পৃষ্ঠপোষকতাত এই পুথিত আহোম ৰাজদৰবাৰৰ স্থাপত্য-কলাৰ আৰ্হি, ৰাজ-বিষয়াবৰ্গৰ আচৰণ, সাজ-পোছাক, আচাৰ-ব্যৱহাৰৰ উপৰিও প্ৰায় ২৪৫ প্ৰকাৰৰ হাতীৰ গাৰ গঠন, মানসিক প্ৰৱণতা, বেমাৰ, চিকিৎসা আদি সকলো দিশ সামৰি এই মূল্যবান গ্ৰন্থ ৰচিত। এই সত্ৰৰ আনখন চিত্ৰিত গ্ৰন্থ সচিত্ৰ ভাগৱত। ৩৮ ছে: মি: দীঘল আৰু ১২ ছে: মি: বহল এই গ্ৰন্থৰ চিত্ৰশিল্প বৈষ্ণৱীয় ধাৰাৰ। ভাগৱতৰ কাহিনী ইয়াত চিত্ৰৰূপেৰে প্ৰকাশ কৰিবলৈ বিচৰা হৈছে। এনে এখন চিত্ৰিত ভাগৱত বেঙেনাআটী সত্ৰত আছে। প্ৰায় ৬৪ ছে: মি: × ২১ ছে: মি: জোখৰ এখিলা সাঁচিপাতৰ চিত্ৰিত শিল্পৰূপ

এই সত্ৰত সংৰক্ষিত হৈ আছে। এখন সচিত্ৰ ভাগৱতৰ অংশ ভৰ্কতিদুৱাৰ অঞ্চলৰ বাঁহজেঙনি সত্ৰত সংৰক্ষিত হৈ আছে। চামগুৰি সত্ৰত সংৰক্ষিত হৈ আছে এখন সচিত্ৰ অনাদিপাতন পুথি। এই সচিত্ৰ পুথিসমূহৰ নান্দনিক অথবা সাংস্কৃতিক প্ৰমূল্য অতুলনীয়। ইসবৰ উপযুক্ত সংৰক্ষণ হ'ব লাগে। আউনীআটী সত্ৰত এখন বহুমূলীয়া সচিত্ৰ 'শ্ৰীহস্ত মুক্তাৱলী' নামৰ শাস্ত্ৰীয় নৃত্যৰ ভংগীমা, মুদ্ৰা আৰু অন্যান্য ভাব-আবেগ প্ৰকাশৰ চিত্ৰিত ৰূপ অংকিত এখন সচিত্ৰ পুথি আছিল। ড° মহেশ্বৰ নেওগদেৱৰ সম্পাদনাত এই বহুমূলীয়া গ্ৰন্থ সম্পাদিত হৈ প্ৰকাশ পাইছে; কিন্তু হ'লেও মৌলিক পুথিখন এতিয়া অসমৰ ক'তো পাবলৈ নাই, ই অত্যন্ত পৰিতাপৰ কথা।[৩০]

**কাঠ-শিল্প :** মাজুলীৰ কাঠৰ কাৰুকলা আৰু চাৰুকলা দুয়োবিধ শিল্প কাঠৰ মাধ্যমত প্ৰকাশ হয়। ঘৰুৱা আচবাব, সা-সঁজুলি, নাও আদি নিৰ্মাণৰ ক্ষেত্ৰত প্ৰায় সকলো লোকে কাঠ ব্যৱহাৰ কৰে। নৃ-গোষ্ঠীয় লোকসকলে উৰাল, থকাঘৰ আদি কাঠেৰে নিৰ্মাণ কৰে। সত্ৰসমূহত কাঠৰ মাধ্যমত থকা নানান শিল্পৰূপৰ সম্পদ পোৱা হয়। কোনো কোনো ক্ষেত্ৰত দেখা যায় কাঠৰ কাৰুকলাত শিল্পায়তনিক অভিব্যক্তিৰো স্বৰূপ প্ৰকাশ পায়। শ্ৰীশ্ৰী উত্তৰ কমলাবাৰী সত্ৰৰ হেঙুল-হাইতাল বোলোৱা গুৱাহাটীৰ সংগ্ৰহালয়ত থকা খেল-নাওখন এনে এক সমাহাৰৰ অপূৰ্ব সৃষ্টি। ইয়াৰ বিপৰীতে অতি সূক্ষ্মাতি-সূক্ষ্ম আৰু নিৰহ্-নিপানীকৈ শিল্পসুলভ চিন্তাৰে গঢ়া কাঠৰ শিল্পকলাও মাজুলীত পোৱা হয়। শ্ৰীশ্ৰীবেঙেনাআটী সত্ৰত সংৰক্ষিত এটি তাঁতশালৰ যঁতৰৰ নিম্নাংশ এনেদৰে শিল্পৰূপ খোদিত কৰা। পদুম ফুলৰ খোলনি, পদুম ফুলত সাপ-ভেকুলি আদিৰ শিল্পৰূপ ইয়াত খোদিত হৈ আছে।

প্ৰায়বিলাক সত্ৰতে কাঠৰ আচবাব বিশেষকৈ, উত্তৰ কমলাবাৰী সত্ৰৰ কাঠৰ কাঁহী-বাতি, কৰিয়া-চৰিয়া, ফুলাম চ'টি (৩.৪ মি: × ২০ ছে: মি:), পিতলৰ বাও লগোৱা টুনগুৰ বা গাখীৰ খীৰোৱা পাত্ৰ (৩০ ছে: মি: × ২৮ ছে: মি:) ফুলখোদিত বিচনাৰ খুটা, খৰম আদি পোৱা হয়। এই সত্ৰৰ ম'ৰাচৰাই খোদিত উৰাল চকুতলগা।

প্ৰায়বিলাক সত্ৰতে কাঠৰ গৰুড় পক্ষী পোৱা হয়। শ্ৰীশ্ৰীগড়মূৰ সত্ৰ গৰুড় পক্ষী (১.৬০×১.৫৪ মি:) চমকলগা; এই সত্ৰতে গোলাকাৰ আকৃতিৰ কাঠত খোদিত কৰা শ্ৰীকৃষ্ণ, বলোৰাম, কূৰ্ম, বৰাহ, পৰশুৰামৰ ভাস্কৰ্য নিখুঁতকৈ খোদিত কৰা। সনতকুমাৰ, নাৰায়ণৰ অনন্তশয্যা, জয়-বিজয়ৰ ভাস্কৰ্যও কাঠত কাটি উলিওৱা। ইয়াৰ নামঘৰত থকা কাঠৰ কাছৰ ওপৰত অনন্তনাগৰ বুকুত চতুৰ্ভুজ ভাস্কৰ্যৰ কোলাত বিষ্ণুৰ (?) ভাস্কৰ্য খোদিত ৰূপ অতুলনীয়। শ্ৰীশ্ৰীবেঙেনাআটী সত্ৰতো জয়-বিজয়, উৰণীয়া সিংহ আদিৰ কাঠৰ ভাস্কৰ্য আছে।

**মুখা-শিল্প :** বৈষ্ণৱ সত্ৰসমূহৰ উল্লেখযোগ্য ধৰ্মীয় উৎসৱৰ অংগ ভাওনা আৰু মুখা ভাওনাৰ চৰিত্ৰৰ চৰম অভিব্যক্তিৰ শীৰ্ষতম শিল্পৰূপ। শ্ৰীশ্ৰীচামগুৰি সত্ৰ, নতুন চামগুৰি সত্ৰৰ মুখাশিল্পই সুখ্যাতি অৰ্জন কৰিছে। বিশেষকৈ, দশভুজ ৰাৱণৰ মুখা, নৃসিংহৰ মুখা, হনুমানৰ মুখা বা ভাওনাৰ যিকোনো চৰিত্ৰৰ অভিনয়ৰ বাবে বাঁহ, কাপোৰত মৃৎ প্ৰলেপৰ ওপৰত ৰং দি মুখাসমূহ তৈয়াৰ কৰা হয়। কোনো কোনো ক্ষেত্ৰত কাঠৰ অংশ খুলি মুখাবয়বৰ আকৃতি গঢ় দি কাঠৰ মুখা তৈয়াৰ কৰা হয়। শ্ৰীশ্ৰীনৰসিংহ সত্ৰৰ এনে বাঘৰ মুখা এটি যোৰহাট জিলা সংগ্ৰহালয়ত আছে। শ্ৰীশ্ৰীবাঁহজেঙনি সত্ৰতো এনে মুখাৰ সৃষ্টি আৰু ব্যৱহাৰ আছিল আৰু শ্ৰীশ্ৰীনৰসিংহ সত্ৰ, শ্ৰীশ্ৰীবিহিমপুৰ সত্ৰত আজিও হৈ আছে।

ইয়াৰ উপৰিও কাঠৰ শৰাই, সঁফুৰা, দৌল-শৰাই, থগা, গছা, মণিকূটৰ বা কীৰ্তনঘৰৰ আসন, সিংহাসন আদি নানান প্ৰকাৰৰ কাঠ-শিল্পৰ বাবে মাজুলী বিখ্যাত। আউনীআটী সত্ৰত দুখন ব্ৰহ্মদেশৰ শৰাই আছে।

**ধাতুৰ শিল্প :** ধাতুৰ শিল্পকলাৰ ভিতৰত শৰাই, সঁফুৰা, টেমা-টেমী, পিক্‌দানী, কাঁহী-বাতি, বটা, মুদ্ৰা আদি আচবাব আৰু বিগ্ৰহসমূহ আছে। এতিয়ালৈকে ধাতুৰ শিল্পসমূহৰ যিবোৰ পোৱা হৈছে, তাৰে বৃহৎ অংশ সত্ৰসমূহত সংৰক্ষিত হৈ আছে। এনে মূল্যৱান সম্পদৰ ভিতৰত দীননাথ বেজবৰুৱাই নাম খোদিত কৰি শ্ৰীশ্ৰীকমলাবাৰী সত্ৰলৈ দিয়া ৰূপৰ শৰাই, ডাঙৰ পিতলৰ চৰিয়া, অন্যান্য সামগ্ৰী, যেনে—পদুমফুলীয়া বটা, ৰূপৰ সঁফুৰা, আউনীআটী সত্ৰৰ সংৰক্ষিত তিনিটা গজঘণ্টা, ৰূপৰ বাতি, সঁফুৰা, দুখন ৰূপৰ শৰাই (৫৯×২০; ৫৪×২২ ছে: মি:) আদি উল্লেখযোগ্য।

মাজুলীৰ মেৰাগড় বেলগুৰি থানত সংৰক্ষিত গৰুড় ধাতুৰ ভাস্কৰ্য, কান্ধত চতুৰ্ভুজ বাসুদেৱৰ ভাস্কৰ্যৰ মুখৰ প্ৰকাশিত বিনয় ভাব চকুত লগা। পদুম ফুল খোদিত পাদদেশত আঁঠুকাঢ়ি বাসুদেৱক কান্ধত লৈ থকা এই ভাস্কৰ্যৰ মুকুটৰ প্ৰকাশভংগীত দক্ষিণ-পশ্চিম এচিয়াৰ কলাত্মক দিশৰ

মিল থাকিলেও, মাজুলীৰ বৈষ্ণৱ ধৰ্মৰ কেন্দ্ৰৰূপ এই মূৰ্তি যে মাজুলীৰ শিল্প সৃষ্টি, ই নিঃসন্দেহ। ইয়াৰ সময় প্ৰায় খ্ৰীষ্টাব্দ ১৭ শতিকা মানৰ। মাজুলীৰ নিকিনিখোৱা গাঁৱৰ ভোলা শইকীয়াই ১৯৮৭ চনত এটি চতুৰ্ভুজ বিষ্ণুমূৰ্তি পাইছিল।[১১] শ্ৰীদিলীপকুমাৰ ফুকনৰ সৌজন্যত এই মূৰ্তি (১০.৪×২৪ ছে: মি:) উদ্ধাৰ হয় আৰু এই লেখকে যোৰহাট জিলা সংগ্ৰহালয়ত সংৰক্ষণ কৰে। মূৰ্তিটোৰ সময় খ্ৰীষ্টাব্দ ১৮ শতিকা হ'ব। শ্ৰীশ্ৰীবেঙেনাআটী সত্ৰতো দুপদ বাসুদেৱৰ বিগ্ৰহ (৬২×৪০; ৭৭×৫০ ছে: মি:) সংৰক্ষিত হৈ আছে। মাজুলীৰ ধাতুৰ শিল্পকলাৰ অন্যতম প্ৰকাশ আউনীআটী সত্ৰৰ দশাৱতাৰৰ ৰূপেৰে চিত্ৰিত কাঁহৰ দুৱাৰ। এই শিল্পৰূপ বৰ্তমান কীৰ্তনঘৰৰ মণিকূটৰ মূল প্ৰৱেশদ্বাৰ। অন্য এটি দশাৱতাৰ ছবি অংকিত এনে শিল্প-সম্পদ কমলাবাৰী সত্ৰৰ ঘটিসদৃশ পানীৰখা পাত্ৰ এটি।

**মুদ্ৰা :** মাজুলীৰ ব্যক্তি অনুষ্ঠানৰ তত্ত্বাৱধানত অনেক মুদ্ৰা আছে। মুদ্ৰা বুৰঞ্জী, কলা, ঐতিহ্যৰ সাক্ষী। ১৯৮৯ চনত ২২টা ৰূপৰ কোঁচৰজাৰ মুদ্ৰা মাজুলীৰ গাতিয়লা গাঁৱত পোৱা গৈছিল। তাৰে অনেক মুদ্ৰাৰ স্থিতি বিলুপ্ত হ'ল। শ্ৰীদিলীপ কুমাৰ ফুকনদেৱৰ সৌজন্যত সংগ্ৰহ হোৱা আধা অনীয়া এই মুদ্ৰাসমূহৰ লিপিও অসম্পূৰ্ণ। মুদ্ৰাসমূহ অধ্যয়ন কৰি শ্ৰীফুকনে এনে ধৰণেৰে পাঠোদ্ধাৰ কৰিছে —

**প্ৰথম পিঠি :** শ্ৰীচন্দ্ৰ নাৰায়ণ শাকে

**দ্বিতীয় পিঠি :** শ্ৰীশ্ৰী শিৱচৰণ কমল মধুকৰস্য। এই মুদ্ৰা কোঁচৰজা চন্দ্ৰনাৰায়ণৰ (১৬৪৩–১৬৬০ শকাব্দ) বুলি ঠাৱৰ কৰা হৈছে।

**হাতীদাঁতৰ শিল্প :** মাজুলীৰ সত্ৰসমূহত হাতীদাঁতৰ অনেক সম্পদ সংৰক্ষিত হৈ আছে। তাৰ ভিতৰত শ্ৰীশ্ৰীবেঙেনাআটী সত্ৰত হাতীদাঁতৰ বকলাৰ মাজত এখন দুই ইঞ্চিমান দীঘল সাঁচিপাতৰ গুণমালা পুথি, এখন হাতীদাঁতৰ ফণি আৰু এডাল লাখুটি। শ্ৰীশ্ৰীআউনীআটী সত্ৰত ৰাজশিল্পী বাহাদুৰ গাঁওবুঢ়াৰ হাতৰ[১২] হাতীদাঁতৰ পাটি (১.৫৫×৫১.৩৭ মি:), খৰম, পিঠিখজুৱা, হাতীদাঁত খটুৱা চকি, হাতীদাঁত আদি শিল্প-সম্পদ সংৰক্ষিত হৈছে।

**উপসংহাৰ :** এইকথা নিঃসন্দেহে ক'ব পাৰি যে, একোখন সত্ৰানুষ্ঠান শিষ্য-ভকতৰ সৈতে একোখন বিশ্ববিদ্যালয়ৰ দৰে। আধুনিক যুগত খাপখোৱাকৈ একোখন সত্ৰৰ কৰণীয়, দৰ্শনীয়, মাননীয়, অগ্ৰগণ্য অনেক দিশ সত্ৰসমূহৰ আছে। 'মাজুলী প্ৰত্নতাত্ত্বিক স্থান আৰু কলা-সম্পদ'ৰ বিষয়ে এই লিখাও, এই প্ৰবন্ধৰ অন্তৰ্ভুক্ত একো-একোটি দিশৰ পাতনিৰ আৰম্ভণিহে মাথোন। প্ৰতিটো বিষয়তে গবেষণা, তথ্যভুক্তিকৰণ, পঞ্জীয়ন, সংৰক্ষণ আদি অনেক কাম কৰাৰ অৱকাশ আছে। আশাকৰোঁ সচেতন সমাজে এনে আধুনিক চিন্তাৰ সঠিক নিৰ্দেশ দিব।

**প্ৰসংগ গ্ৰন্থ আৰু টোকা :**


১. মাজুলীত এতিয়ালৈকে উদ্ধাৰ হোৱা প্ৰত্নতাত্ত্বিক সম্পদৰ ভিত্তিত এনে মতামত পোষণ কৰিব পাৰি।

২. এই প্ৰবন্ধৰ তথ্য ইতিপূৰ্বে প্ৰকাশিত গ্ৰন্থ, আলোচনীৰ পৰাও সংগ্ৰহ কৰা হৈছে।

৩. A. H. Dani, 'Pre-History and Proto History of Eastern India'

৪. E. A. Gait, 'A History of Assam', p. 11.

৫. Dr. H. N. Dutta, "5000 years of Guwahati and its perspec-tive planning for the 21st century AD". Paper submitted in the seminar held on 6th June, 1999.

৬. Dr. H. N. Dutta, "Art and Archaeology of the Doiyang Dhanshiri Valley of Assam", P.hd Thesis, (1997).

৭. E A Gait, 'op cit.', p. 17-18.

৮. R M. Nath, "The Background of Assamese Culture, p 65

৯. R L Singh, ed "India- A Regional Geography", p 308

১০. J P Wade, "An Account of Assam", 1972, P. 309 - 372.

১১. Sjt. Kaliram Medhi, "The Kalitas" Journal of the Assam Research Society, Vol. III, No. 3, P. 75-88.

১২. R. M. Nath, "op. cit." p. 63.

১৩. J. B. Neufville, "Geography and Population of Assam", Asiatic Researches, Vol. XVI, 2828, P. 344 – 345.

১৪. শালমৰা বনগাঁৱৰ কুমাৰ শিল্পী শ্ৰীমতী ৰঙিলী কলিতাৰ পৰা তথ্য সংগ্ৰহ কৰা হৈছে।

১৫. ড° মহেশ্বৰ নেওগ, "পৱিত্ৰ অসম", পৃ: ৬০।
তীৰ্থনাথ শৰ্মা, "আউনীআটী সত্ৰৰ বুৰঞ্জী", পৃ: ১২২।
১৬. হিতেশ্বৰ বৰবৰুৱা, "আহোমৰ দিন", পৃ: ১৩৮।
১৭. উদ্ধৃত গ্ৰন্থ, পৃ: ১৪৩।
১৮. বেণুধৰ শৰ্মা, "দক্ষিণপাট সত্ৰৰ বুৰঞ্জী", পৃ: ৫।
১৯. উদ্ধৃত গ্ৰন্থ, পৃ: ৬।
২০. উদ্ধৃত গ্ৰন্থ, পৃ: ৬।
২১. পহুমৰীয়া ন-গোসাঁই সত্ৰৰ এটি থুল দেৰগাঁৱত পোৱা হয়।
২২. শ্ৰীদিলীপকুমাৰ ফুকন, মাজুলীৰ ঐতিহাসিক পটভূমি, 'মাজুলী', ১৯৮৪, পৃ: ২১—২৭।
২৩. বৰ্তমান এই ধৰ্ম গ্ৰন্থসমূহ গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সংগ্ৰহালয়ত সংৰক্ষিত। থানৰ অন্যান্য ধাতুৰ পাত্ৰও কলাক্ষেত্ৰত সংৰক্ষিত হৈছে।
২৪. ড° মহেশ্বৰ নেওগ, "প্ৰাচ্য শাসনাৱলী" গ্ৰন্থ দ্ৰষ্টব্য।
২৫. বাপুচলা তামৰ ফলিখন উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ৰ প্ৰবক্তা দিলীপ কুমাৰ ফুকনদেৱৰ সৌজন্যত সংগৃহীত। শ্ৰীফুকনদেৱে ১৯৭৮ চনৰ ১৪ নৱেম্বৰৰ দৈনিক জনমভূমি কাকতত এই ফলিখনৰ পাঠ উদ্ধাৰ কৰি এটি টোকা প্ৰকাশ কৰিছে। ফলিখন অসম ৰাজ্যিক সংগ্ৰহালয়ত পঞ্জীয়ন বিষয়া শ্ৰীঅজিত কুমাৰ বৰুৱাদেৱে জমা দিছিল।
২৬. শ্ৰীশ্ৰী বোধগুৰু বিৰচিত, "কীৰ্তন ঘোষা", (বোধ গ্ৰন্থ, ৫৫১ শংকৰাব্দ, পাতনিৰ পৰা)।
২৭. বেণুধৰ শৰ্মা, "ফুলচন্দন", পৃ: ১৫৪।
২৮. E A Gait, "op cit", pp 17-18
২৯. অসমৰ পুথি-চিত্ৰৰ বিষয়ে ড° মহেশ্বৰ নেওগ, ড° কপিলা বাৎসায়ন, ড° নবেন কলিতা, ড° ৰবীন দেব চৌধুৰী আদি পণ্ডিতসকলে গবেষণামূলক কৰ্ম সম্পাদন কৰিছে (অসম প্ৰকাশন পৰিষদ, গুৱাহাটীয়ে এই গ্ৰন্থসমূহ প্ৰকাশ কৰিছে)। এই লেখকেও "অসমৰ চিত্ৰিত পুথি" শীৰ্ষক তথ্যচিত্ৰ এখনৰ (১৯৮৭ চনত) গবেষণামূলক টোকা সম্পাদন কৰিছে।
৩০. এই লেখকে ১৯৮৬ চনত তথ্যচিত্ৰৰ টোকা আৰু তথ্যচিত্ৰভুক্ত কৰিবলৈ পুথিখন মাজুলী আৰু গুৱাহাটীৰ আউনীআটী সত্ৰত বিচাৰিছিল।
৩১. এই বিষ্ণুৰ ভাস্কৰ্য যোৰহাট জিলা সংগ্ৰহালয়ত সংৰক্ষিত হৈ আছে।
৩২. আব্দুছ ছাত্তাৰ; "বাহাদুৰ গাঁওবুঢ়া", পৃ: ১৬—১৭।

# মাজুলীৰ বৃত্তিয়াল গাঁওসমূহ

লৌহিত্য বংশীয় কায়স্থৰাজ আৰিমত্ত-ৰত্নসিংহ-সমুদ্ৰ-মনোহৰ, চুতীয়া ৰজা ৰত্নপাল আৰু আহোম স্বৰ্গদেউসকলৰ আমোলত মাজুলীত বহুতো বৃত্তিয়াল খেলৰ মানুহ আছিল যদিও এতিয়া কেইটামান খেলৰ লোকেহে পূৰ্বপুৰুষীয়া বৃত্তিবোৰ এৰা-ধৰাকৈ অনুশীলন কৰি আছে। তেওঁলোকৰ বিষয়ে তলত উল্লেখ কৰা হ'ল :

**(ক) সোণোৱাল কছাৰী :** লেহেতী, দোৱণী, উদৰ ছাল আদিৰে সোৱণশিৰী, দিখৌ আদি নৈৰ বালি ধুই সোণ কমোৱা এই গাঁওখন উজনি মাজুলীত আছে। এওঁলোকে ভূঞা, চুতীয়া আৰু আহোম ৰজাসকলৰ আমোলত সোণ কমাই নিজৰ লগতে ৰাজভঁৰালো চহকী কৰিছিল। পাঁচজন মানুহে এদিনত প্ৰায় এক তোলা অসংশোধিত সোণ কমাব পাৰিছিল। সোণোৱাল খেলত কছাৰীৰ উপৰি কোঁচ সম্প্ৰদায়ৰ লোকো আছিল। সাধাৰণতে মাঘ, ফাগুন আৰু চ'ত মাহত সোণ কমোৱা হয়। তেওঁলোকে আঁউসী, একাদশী, পূৰ্ণিমা আৰু সংক্ৰান্তিত সোণ নকমাইছিল। প্ৰতিজন সোণোৱালে নিজৰ বৰা-শইকীয়াক বছৰি এতোলাকৈ সোণ দিয়াৰ উপৰিও চাংকাকতি, ভণ্ডাৰী, পাচনী, লিগিৰা আৰু কুকুৰাচোৱা বৰুৱাক এমহাকৈ সোণ দিব লগা হৈছিল। চন্দ্ৰধ্বজ সিংহৰ দিনত বিশ হাজাৰতকৈও অধিক সোণোৱালে সোণ কমাই ৰাজভঁৰালত প্ৰায় পাঁচ হাজাৰ তোলা সোণ জমা দিছিল। ১৮৮৪ চনৰ ইংৰাজ আমোলত সোণ কমোৱা বিদ্যা নিষিদ্ধ কৰাত অসমৰ আন ঠাইৰ দৰে মাজুলীৰ সোণোৱালসকলেও এই বৃত্তি এৰি দিয়ে।

**(খ) শালমৰা আৰু চিনাতলি কুমাৰ গাঁও :** অসমৰ মৃৎ-শিল্পৰ ইতিহাস অতি প্ৰাচীন। অৱশ্যে মাজুলীত থকা শালমৰা আৰু চিনাতলি নামৰ মৃৎ-শিল্পৰ গাঁও দুখনৰ প্ৰাচীনত্ব সম্পৰ্কে বৰকৈ জনা নাযায়। আহোম ৰজাসকলৰ দিনত পাঁচ শ্ৰেণীৰ কুমাৰ থকাৰ বিষয়ে জনা যায় : ৰজাভগীয়া, বিলতীয়া, সত্ৰীয়া, দেৱলীয়া আৰু ৰাজহুৱা। শালমৰা আৰু চিনাতলিৰ কুমাৰসকল কোন শ্ৰেণীৰ আছিল জনা নাযায়। এওঁলোকে ঘট-কলহ-টেকেলি, মলা, চৰু, নদীয়া, পুতলা, সুতুলী, উধান আদি নিৰ্মাণ কৰি শদিয়াৰ পৰা ধুবুৰীলৈকে নাৱেৰে সেইবোৰ বেচে বা আন দ্ৰব্যৰ লগত বিনিময় কৰে। বৰ্তমান এওঁলোকে পুতলা আৰু সুতুলী সাজিবলৈ এৰি দিয়াত প্লাষ্টিকৰ বস্তুৱে বজাৰ দখল কৰিছে।

অসমত বৰ্তমান বঙালী কুমাৰৰ দ্বাৰা কম আয়াসত নিৰ্মিত নানা মৃৎ-পাত্ৰৰ প্ৰচলন হোৱা সত্ত্বেও শালমৰা কুমাৰৰ পাত্ৰৰ চাহিদা অসম-অৰুণাচললৈকে থকাৰ মুখ্য কাৰক হ'ল— পাত্ৰবোৰৰ গুণগত মান অতি উন্নত। অৰুণাচলত একোটা ভাবুকী চাৰিশ পঞ্চাশ টকালৈকে বিক্ৰী হয়। তেওঁলোকে সেইবোৰত শস্যৰ গুটি আৰু কাপোৰ থয়। অৱশ্যে যোৱা কেইবছৰমানৰ পৰা উজনিলৈ যোৱা শালমৰা-চিনাতলিৰ বেপেৰুৱা নাৱৰ সংখ্যা সীমিত হৈছে; কাৰণ ডিব্ৰুগড়ৰ কাষৰ কাৰেং চাপৰি আদি ঠাইত এই নাওবোৰ একশ্ৰেণী লোকে ডকাইতি কৰি সৰ্বস্বান্ত কৰে। উল্লেখ্য যে মাজুলীত বৰ্তি থকা পুৰণি বৃত্তিৰ ভিতৰত পৰম্পৰাগত মৃৎ-শিল্পটোৱেই প্ৰধান। আধুনিক প্ৰযুক্তি-কৌশলেৰে শিল্পটোক জাতীয়-শিল্পলৈ উন্নীত কৰাৰ থল আছে।

**(গ) শেনচোৱা :** ব'হাগ বিহুৰ আগত আহোম স্বৰ্গদেউ আৰু ডা-ডাঙৰীয়াসকলে কৃত্ৰিম চৰাই-চোংবোৰত শেন-কণুৱা মেলাই ৰং চাইছিল। কণুৱা ধৰা শেনবোৰক প্ৰশিক্ষণ দিবলৈ শেনচোৱা নামৰ এখেল মানুহ নিযুক্ত হৈছিল। তেনে শেনচোৱা খেলৰ দুখন গাঁও ৰাৱণাপাৰৰ ওচৰত এতিয়াও আছে। অৱশ্যে ইংৰাজ ৰাজত্বৰ আগে আগে এই বৃত্তি লোপ পালে। স্বৰ্গদেউ প্ৰতাপসিংহ বুঢ়াৰজাই নিৰ্মাণ কৰোৱা এখন চৰাই চোং ৰাঙলীবাহৰৰ ওচৰত এতিয়াও আছে। তাত অনেক পৰিভ্ৰমী চৰায়ে আশ্ৰয় লয় যদিও বৰ্তমান অঞ্চলটো বেদখলকাৰীয়ে ঠেকাই অনাত চৰাইৰ সংখ্যাও আশাতীতভাৱে কমি আহিছে। প্ৰতাপসিংহ, জয়ধ্বজ সিংহ আৰু চন্দ্ৰকান্ত সিংহই এইখন ৰাঙলীবাহৰত থাকিয়েই জন্তু-চৰাইৰ যুঁজ-বাগৰ চাই, চিকাৰ কৰি আৰু কাৰেঙত প্ৰকাশ্যে নিষিদ্ধ কিছুমান ৰাজকীয় ব্যসন তথা আমোদ-প্ৰমোদত মত্ত হৈছিল। এইখন চৰাই-চোঙক পক্ষী-উদ্যানৰূপে কম আয়াসতেই সংৰক্ষিত কৰিব পাৰি। তাৰবাবে প্ৰথমেই অঞ্চলটো বেদখলমুক্ত কৰিব লাগিব।

**(ঘ) সোণাৰিআটী :** স্বৰ্গদেউ শিৱসিংহৰ আমোলত বৰৰজা ফুলেশ্বৰী কুঁৱৰীয়ে বৈষ্ণৱ মহন্তক মূৰ্তি পূজা কৰাবৰ বাবে মধ্য মাজুলীত সোণাৰীসকলক বহুওৱা আটীটোৰ নামেই সোণাৰিআটী। বৰ্তমান এই গাঁৱত সোণাৰীলোক নাই। আহোম ৰাজ আমোলত বহুতো সোণাৰী বণিয়া খেলভুক্ত হয়। মাজুলীৰ পুৰণি চামগুৰি অঞ্চলত এখন বণিয়া গাঁও আছে যদিও সোণাৰী বৃত্তি তেওঁলোকে এৰি দিলে। ৰাজদ্ৰোহ বা অসামাজিক কাম কৰা লোকক বণিয়া খেলভুক্ত কৰি, জীৱিকাৰ বাবে সোণাৰী কামত লগোৱাৰ তথ্য আহোম বুৰঞ্জীয়ে দিয়ে।

**(ঙ) তাঁতী গাঁও :** মোমাই তামুলী বৰবৰুৱাই অসংগঠিত বৃত্তিয়াল লোকসকলক সংগঠিত কৰি অসমীয়া প্ৰজাক স্বাৱলম্বিতাৰ যি ব্যৱহাৰিক শিক্ষা দিছিল, তেনে বৃত্তিৰ অন্যতম লোক হ'ল তাঁতীসকল। মাজুলীৰ ভকতিদুৱাৰ আৰু পহুমৰাত দুখন তাঁতী গাঁও আছে যদিও তেওঁলোকে পৰম্পৰাগত বৃত্তি এৰি পেলালে। অসমত সংগঠিত তাঁতী লোক কেৱল শুৱালকুছিতহে আছে।

**(চ) কঢ়াল গাঁও :** হাঁহকণী, বৰা চাউল, বৰালি মাছ, গুৰ, ধুনা আদিৰে তৈয়াৰ কৰা কঢ়ালেৰে (চিমেন্ট বিশেষ) আহোম আমোলত দ'ল-দেৱালয়, কাৰেং-দলং আদি গাঁথিছিল। কঢ়াল তৈয়াৰ কৰা বৃত্তিৰে জীৱিকা নিৰ্বাহ কৰা কঢ়ালৰ গাঁও বা কঢ়ালগাঁও এখন বনগাঁৱৰ ওচৰত আছে যদিও মোৱামৰীয়া বিপ্লৱৰ সময়তে সেই বৃত্তি লোপ পালে।

**(ছ) কাটনি বা যোগী গাঁও :** ৰাজমোহন নাথে ভবা মতে গণ্ডকী নদীৰ পূবফালে থকা ব্ৰাত্যসকলেই অসমৰ যোগী সম্প্ৰদায়ৰ লোক। এওঁলোক মীননাথ, গোৰক্ষনাথৰ শিষ্য বুলি কথিত। পাট, মুগা আৰু এড়ীপলু পুহি তাৰপৰা সুন্দৰ সূতা তৈয়াৰ কৰা বৃত্তিত জড়িত হোৱা বাবে এই লোকসকলক কাটনি বোলা হৈছিল। ডিমৰু পাতৰ পৰা তৈয়াৰ কৰা একশ্ৰেণী নিমখীয়া খাৰেৰে মুগা, মেজাংকৰী, চপা-পাটৰ সূতা আৰু কাপোৰ চফা কৰা হৈছিল। বৰ্তমান গড়মূৰ আৰু ৰঙাচাহী অঞ্চলত থকা এই সম্প্ৰদায়ৰ হাতত বৃত্তিটো কোনোমতে জীয়াই আছে যদিও ডিমৰু খাৰৰ ব্যৱহাৰ জনা লোক নাই। অন্যহাতে উন্নত প্ৰযুক্তি কৌশলেৰে উৎপাদিত কৰ্ণাটকী পাটসূতাই অসমৰ বজাৰ দখল কৰাত, পূৰ্বে মধ্যপ্ৰাচ্য, মিচৰ, গ্ৰীচ আদি দেশতো চাহিদা থকা অসমীয়া পাট-শিল্পটোৱেই বিপদাপন্ন হৈছে। আঢ়ৈ হাজাৰ বছৰ পুৰণি বিখ্যাত ৰেচম পথেদি এতিয়া মহীশূৰী পাটহে অসমলৈ আহে।

**(জ) কৈৱৰ্ত গাঁও :** ভাৰতৰ আন ঠাইৰ কৈৱৰ্তসকলে ঘাটৈৰ কাম কৰি, ঢোল বজাই, খেৰ আৰু দীৰ্ঘপৰ্ণী উদ্ভিদেৰে ঢাৰি-পাচি সাজি জীৱিকা নিৰ্বাহ কৰাৰ বিপৰীতে অসমত এওঁলোকৰ মুখ্য জীৱিকা হ'ল মৎস্য ব্যৱসায়। মাজুলীত কৈৱৰ্তলোকৰ গাঁও প্ৰায় একুৰিখন মান আছে। ব্ৰহ্মপুত্ৰ আৰু লোহিতে মৎস্য ক্ষেত্ৰবোৰ সংকুচিত কৰাৰ উপৰিও প্ৰজনন আৰু কণী পৰাৰ সময়ত ঘন জালেৰে মাছ ধৰাত, এসময়ত মাছ-গাখীৰৰ বাবে বিখ্যাত মাজুলীলৈ দক্ষিণ ভাৰতৰ পৰাহে মাজে-সময়ে মাছ আমদানি কৰিব লগা হয়। কষ্টসহিষ্ণু বঙালী আৰু বিহাৰী জালোৱাৰ লগত প্ৰতিদ্বন্দ্বিতা কৰিব নোৱাৰি মাজুলীৰ

কৈবৰ্তসকলৰ এক বৃহৎ সংখ্যকে বাধ্যত পৰি জীৱিকাৰ বাবে আন কামত হাত দিব লগা হৈছে। কাগজত মাছ উৎপাদন কৰা মীন বিভাগৰ সুবিধাইও এই লোকসকলক স্পৰ্শ কৰিব পৰা নাই। এশ্ৰেণী বিত্তশালী মধ্যভোগীয়ে প্ৰকৃত মৎস্য-কৰ্মীসকলক শোষণ কৰি আহিছে। অন্যহাতে মাছ কমি যোৱাৰ লগে লগে মাজুলীত পৰিভ্ৰমী চৰাই আৰু জীৱ-বিচিত্ৰতাও হ্ৰাস পাইছে।

**(ঝ) গায়ন গাঁও :** শিৱসিংহৰ দিনত এই গায়ন গাঁওখন আছিল বৰ্তমান ৰতনপুৰৰ দক্ষিণ-পূবে থকা নটবৰ চাপৰিত। দিহিঙে খহোৱাত গাঁওখন ৰতনপুৰৰ নামনিলৈ উঠি যায়। আহোম ৰজাৰ আমোলত পুৰুষসকলে দ'ল-দেৱালয়ত গীত-মাত পৰিৱেশন আৰু অবিবাহিতা কন্যাই দেৱদাসী হৈ নাচিছিল। নটবৰ চাপৰিৰ চিনাতলীয়া গায়ন গাঁৱৰ সুচতুৰা কন্যা ফুলমতীয়ে ফুলেশ্বৰী নাম লৈ শিৱসিংহৰ হৈ ৰাজ্য শাসন কৰিছিল। হিতেশ্বৰ বৰবৰুৱাৰ মতে এওঁলোক জাতত নট, খেলত গায়ন। দেৱদাসী পৰম্পৰা উঠি যোৱাত ৰাজকীয় গায়ন-বৃত্তিও লোপ পালে।

**(ঞ) কাঁড়ী গাঁও :** আহোম ৰাজ আমোলত চমুৱা শ্ৰেণীত নপৰা সাধাৰণ পাইকৰ ল'ৰাই সোতৰ বছৰ হ'লেই ধনু কাঁড় লৈ যুদ্ধলৈ যাব লাগিছিল। তেনে এখন কাঁড়ী গাঁও ৰতনপুৰ অঞ্চলত আছে যদিও ৰাজ আমোলৰ অৱসানৰ লগে লগে এই বৃত্তিও লোপ পালে।

ইয়াৰ উপৰিও ৰজাদিনীয়া অনেক বৃত্তিকেন্দ্ৰিক গাঁও মাজুলীত আছে যদিও বৃত্তিবোৰ লোপ পাই কেৱল নামটোৱেহে স্মৃতিকণ জীয়াই ৰাখিছে। সেইবোৰ হ'ল—

কমাৰ গাঁও, পাটীৰ যোগান ধৰা পটীয়া গাঁও, ৰাইদাং যোগান ধৰা ৰাইদঙীয়া গাঁও, ভ্ৰমণৰত ৰজাৰ পেৰা ভাৰ বোৱা পেৰাভাৰী গাঁও, দা লৈ ৰজাৰ দেহৰক্ষা কৰা দা-ধৰা, ৰাজসত্ৰকেইখনৰ উৎসৱ-পাৰ্বণত চক-মলা যোগান দিয়া মলীয়া, কালি বজাওঁতা কালিয়া (পিছৰ দুটা বিষয়বাবহে, স্থায়ী বৃত্তি নহয়) আদিৰ নাম উল্লেখনীয়। এসময়ত অসমীয়া তথা কামৰূপী প্ৰজাই বিদেশৰ পৰা একো বস্তু আমদানি নকৰাকৈ সকলোবোৰ নিজে তৈয়াৰ তথা অৰ্জন কৰি লৈছিল। বৰ্তমান শ্ৰম-বিমুখ শিক্ষা ব্যৱস্থাৰ বাবে সামান্য কাম একোটাও বহিৰাগতৰ দ্বাৰাহে কৰাব লগা হয়। ইয়াৰ বাবে অসমৰ পৰা দিনে দিনে কোটি কোটি টকা বাহিৰলৈ ওলাই গৈ আছে।



## মাজুলীত জন-বসতিৰ পটভূমি

মাজুলীত মানুহৰ বসতি কেতিয়া হৈছিল, সেই বিষয়ে কিছু অনুমান কৰিব পাৰি। এহেজাৰ বছৰৰ আগেয়ে মাজুলীত মানুহৰ জনপদ গঢ়ি উঠিছিলনে নাই সেই কথা কোৱাটো টান।

তৃতীয়-চতুৰ্থ শতিকাৰ পাছৰ কালত ব্ৰহ্মপুত্ৰ নৈখন এখন গুৰুত্বপূৰ্ণ ব্যৱসায়-বাণিজ্যৰ পথ আছিল বুলি জনা যায়। এই নৈ-বাটেদি বোলে পূবৰ চীন আৰু বাৰ্মাৰ (ম্যানমাৰ) বিভিন্ন জনগোষ্ঠীৰ লগত পাটকাই পাৰহৈ নিয়মিত ব্যৱসায়-বাণিজ্য চলিছিল। যদি সেয়ে হয়, তেতিয়াহ'লে বাটৰ সুচল ঠাই মাজুলীত কিছু জিৰণি ঘাট আৰু জনপদ গঢ়ি উঠাটো সম্ভৱপৰ। এয়া কিন্তু সম্পূৰ্ণ অনুমান-নিৰ্ভৰ কথাহে; আন্ধাৰলৈ মৰা ফমুঠিৰ দৰে। মাজুলীত জনপদ কেতিয়া গঢ়ি উঠিছে সেইবিষয়ে এতিয়ালৈকে সকলো কথা অনুমান-নিৰ্ভৰহে। কিন্তু উজনি অসমত মানুহৰ স্থায়ী বসতি গঢ়ি উঠাৰ সময়তেই মাজুলীতো হয়তো আবাস আৰম্ভ হৈছে। নদী-বিধৌত মাজুলীৰ বিস্তীৰ্ণ চাপৰি অঞ্চলত হয়তো আন ঠাইতকৈ খেতি-বাতি তথা পশুপালনৰ সুচলৰ বাবে সোনকালেই মানুহৰ স্থায়ী বসতি গঢ়ি উঠাটো সম্ভৱ। এই সময় সম্পৰ্কে যুক্তিনিৰ্ভৰভাৱে অনুমান কৰিব পাৰি যে সপ্তমৰ পৰা ত্ৰয়োদশ শতিকাৰ ভিতৰতেই মাজুলীৰ বিভিন্ন ঠাইত হয়তো স্থায়ী কৃষিভিত্তিক জনপদ গঢ়ি উঠিছিল। হয়তো জনজাতীয় মিচিংসকলৰ আদিপুৰুষসকল এই সময়ৰ আগে-পাছেই উত্তৰৰ পাহাৰীয়া অঞ্চলৰ পৰা সোৱণশিৰিৰ পাৰেদি নামি আহি মাজুলীত প্ৰৱেশ কৰিছিলহি।

প্ৰাচীনকালত সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকা আছিল অৰণ্যাৰে আবৰা। বিশাল বিশাল গছৰ গভীৰ হাবিৰে পৰিপূৰ্ণ এই উপত্যকাত বসতি স্থাপন কৰাটো বৰ সহজসাধ্য কথা নাছিল। ইয়াৰ বাবে প্ৰচুৰ কষ্ট, শ্ৰম আৰু জন-শক্তিৰ প্ৰয়োজন হৈছিল। হাবি-জংঘল মোকোলাই মানুহৰ আবাস গঢ়ি তোলাটো সহজ নাছিল। সেয়ে হয়তো নৈয়ে ভঙা চাপৰি অঞ্চলতেই প্ৰথম আবাস গঢ়ি উঠিছিল; আবাস গঢ়ি উঠিছিল নৈপৰীয়া তৃণভূমিত। এইবোৰ দিশৰ পৰা মাজুলীত আবাস গঢ়ি তোলাটো কিছু কিছু সুচল আছিল। মাজুলীৰ একাংশহে গভীৰ হাবিৰে পূৰ্ণ আছিল; বহু ঠাই আছে নৈয়ে পলস পেলোৱা বিস্তীৰ্ণ চৰ-চাপৰি অঞ্চল। হয়তো ইয়াৰ সুচল ঠাইত গঢ়ি উঠিছিল প্ৰাচীন [illegible] সমাজ, মাছমৰীয়া গাঁও— যি গাঁৱৰ লোকসকলো সম্পূৰ্ণ বা আংশিকভাৱে খেতি-বাতিৰ লগত জড়িত আছিল।

মধ্যযুগৰ পৰাহে মাজুলীত আবাসস্থল গঢ়ি উঠাৰ প্ৰক্ৰিয়া বোধকৰো ত্বৰান্বিত হয়। আহোম শাসনকালত কেইটামান বিশেষ কাৰণত মাজুলীৰ জন-সমাজৰ বিকাশ আৰু বৃদ্ধি খৰতকীয়া হ'বলৈ আৰম্ভ কৰে। প্ৰথম কথা আছিল, মাজুলীৰ ভৌগোলিক অৱস্থান।

আহোম শাসনকালৰ মাজ মানলৈকে অসমৰ বাট-পথ আৰু পথ-পৰিবহনৰ বৰ এটা প্ৰচলন নাছিল। তেতিয়া যাতায়াতৰ মূল উপায় আছিল নাও। জলপথেই আছিল প্ৰধান পথ। উজনিৰ লগত মধ্য আৰু নামনি অসমৰ সংযোগ হৈছিল জল-পথেদিয়েই। এই পথতেই আছিল মাজুলী। অতীজৰ দৰে মধ্যযুগতো মাজুলী আছিল জলপথ-পৰিবহনৰ এক গুৰুত্বপূৰ্ণ ঘাটি।

দ্বিতীয়তে, মাজুলীৰ ৰাজধানীৰ লগত নিকট অৱস্থান আছিল অত্যন্ত গুৰুত্বপূৰ্ণ। মাজুলীৰ পৰা দক্ষিণে নৈখন পাৰ হোৱাৰ পাছতেই এহাতে যোৰহাট, ঢেকীয়াজুলী, টীয়ক আদি পোৱাৰ লগতে সামান্য উজাই গৈয়েই দিখৌমুখ পোৱা গৈছিল। দিখৌ নদীয়েদি অলপ উজাই গৈয়েই পোৱা গৈছিল ৰাজধানী ৰংপুৰ-গড়গাঁও। মাজুলী আছিল দেশৰ ৰাজধানীৰ পৰা যাত্ৰা-সুচল, যোগাযোগ-সুচল দূৰত্বত অৱস্থিত এক অঞ্চল।

তৃতীয়তে, মাজুলীত আছিল প্ৰচুৰ সাৰুৱা মাটি। নৈৰ পলসে তৰপে তৰপে সাৰুৱা কৰি থোৱা মাটিত শালি খেতি, সৰিয়হ আৰু কুঁহিয়াৰ খেতিৰ বাবে ই আছিল অতি সুচল ঠাই। খৰি-খেৰ, মাছ-কাছ, গৰু-ম'হ, বাঁহ-কাঠ, চৰাই-পহুৰে পৰিপূৰ্ণ এক অতি সুচল, সাৰুৱা, ভোগালী ঠাই। এতিয়াৰ দৰে সেই সময়ত বানপানীৰ বিধ্বংসাত্মক ধ্বংসলীলা নাছিল। ভূমিকম্পত বুঢ়ালুইতৰ বুকু বাম হোৱা নাছিল। মাজুলীৰ বান আছিল মাটি সাৰুৱা কৰা, পলস পেলোৱা প্ৰকৃতিৰ আশীৰ্বাদ; অভিশাপ নহয়। সেয়ে ইয়াৰ ঠায়ে ঠায়ে মেটমৰা খেতিয়ক সমাজবোৰ তেতিয়ালৈ ভালদৰেই গঢ়ি উঠিছিল। চুতীয়া ৰজাৰ অধীনত (মাজুলীৰ এক বৃহৎ অংশ; বোধকৰো সমগ্ৰ দ্বীপটোৱেই চুতীয়া ৰজা আৰু কছাৰী ৰাজ্যৰ তলতো আছিল, আহোম শাসনৰ অধীন হোৱাৰ আগলৈকে) আৰু পৰৱৰ্তী কালতো সেয়ে ইয়াত জনপদৰ দ্ৰুত বিকাশ ঘটিছিল।

আহোম শাসনৰ অধীনলৈ অহাৰ পাছত আৰু মাজুলীত প্ৰজাসকলক খেলবদ্ধ কৰি পাইক ব্যৱস্থাত অন্তৰ্ভুক্ত কৰাৰ পাছত মাজুলী হৈ পৰে বিষয়া-ডাঙৰীয়াসকলৰ খাত-পামৰ ঠাই। বহুতো সৰু-ডাঙৰ বিষয়াক ভোগালী মাজুলীতে খাত-পাম আৰু পাইক-খাটনিয়াৰ দিয়া হয়। এই খাত-পামবোৰত পাল পাতি মাজুলীৰ ৰাইজে বিষয়াসকলৰ ভৰণ-পোষণ, লাহ-বিলাহৰ বাবে শস্য উৎপন্ন কৰিছিল। নামত নহ'লেও কামত মাজুলীত এনেদৰে আহোম আমোলাতন্ত্ৰৰ অধীনত এক প্ৰকাৰৰ সামন্তবাদী (জমিদাৰী) ব্যৱস্থাৰ পত্তন ঘটিছিল। মাজুলীৰ সাৰুৱা মাটিত লহপহকৈ গঢ়ি উঠিছিল এই সামন্তবাদৰ পোখা। যদিও বিষয়ৰ লগত পোৱা এই খাত-পামবোৰ বংশানুক্ৰমিক নাছিল; বিষয় যোৱাৰ লগে লগে এইবোৰ অন্যৰ হাতলৈ গৈছিল।

## বাণিজ্য কেন্দ্ৰৰূপে মাজুলী

**মাজুলীত পঞ্চদশ শতিকাৰ আগৰ পৰাই পণ্ডিত ব্ৰাহ্মণ, কায়স্থ, ভূঞা, বেপাৰী আদিয়ে বাস কৰিছিল। শংকৰদেৱৰ ধুৱাহাট-বেলগুৰিত থকা কালত (ঠাইখনক ভূঞাহাটো বোলে) শ্ৰীধৰ ভট্টাচাৰ্য, কবিৰাজ মিশ্ৰ, বামনাচাৰ্য, ৰত্নাকৰ কন্দলী, দৰীয়া আচাৰ্য, ব্ৰহ্মানন্দ ভট্টাচাৰ্য ব্যাসকলাই ভাস্কৰ গুৰু আদি শাক্ত পণ্ডিতৰ বাসস্থান আছিল আৰু তেওঁলোকে মহাপুৰুষক সততে ধৰ্ম প্ৰচাৰত আমনি কৰিছিল।[১] ধুৱাহাটৰ উত্তৰে নাৰায়ণপুৰ-লেতেকুপুখুৰী পাৰৰ হৰিসিংহ বৰা উজিৰৰ বাৰীত থকা সময়ত মাধৱদেৱৰ পিতৃৰ জিকিৰি পিড়াত গা-সেকিবলৈ দিনে এভাৰ খৰি কিনিবলগা হৈছিল। সেই সময়ত মাজুলীৰ উত্তৰ অঞ্চলটো ব্যৱসায়-বাণিজ্যৰ ডাঙৰ কেন্দ্ৰ আছিল আৰু নগৰীয়া সংস্কৃতিয়ে গা-কৰি উঠিছিল।[২] ধুৱাহাটৰ ধনাই মুদৈয়ে তামোল-পাণৰ বেপাৰ কৰি লাখপতি হৈছিল আৰু হোকোৰাকুচিয়া লোণ মুদৈয়ে নাৱেৰে নিমখৰ বেপাৰ কৰি বিত্তশালী হৈছিল।[৩] তেওঁলোকে বৰ্তমানৰ বাংলাদেশলৈকে নাৱেৰে বেপাৰ-বাণিজ্য কৰিছিল আৰু বগুকাৰ (বাংলাদেশ) পৰা মাজুলীৰ ৰত্ন-পুৰলৈকে (ভূঞা সামন্তৰ ৰাজধানী) থকা কায়স্থ ভূঞাসকলৰ মাজত অহা-যোৱা, বিয়া-বাৰুও হৈছিল। ভৱালী ডুবিৰ পৰা মাধৱদেৱে শংকৰদেৱৰ লগত শাস্ত্ৰ-তৰ্ক কৰিবলৈ আহোঁতে ছকুৰি বগুকীয়া পকা তামোল লৈ আহিছিল। চুতীয়াসকলৰ পূৰ্বে মাজুলী অঞ্চলটো ভূঞা শাসনৰ তলতীয়া আছিল আৰু তেওঁলোকে হাবুং (লখিমপুৰ- ঢকুৱাখনা আৰু ধেমাজি মহকুমা) অঞ্চলো শাসন কৰিছিল। ৰেড চাহাবে কোৱাৰ দৰে ১৬—১৭ শতিকাত মাজুলীখন গেজেপনি হাবিৰে ভৰা ঠাই নাছিল। মৰাণ-মানৰ ভগনৰ পিছতহে মাজুলী অঞ্চলটোৰ পূব অংশ হাবি-জংঘলেৰে ভৰি পৰে।**

১। ভূষণ দ্বিজ কৃত শ্ৰীশ্ৰীশংকৰদেৱ, ১৯৮৬, পৃ. ৬১—৭১
গুৰুচৰিত কথা, পৃ. ৭৫।
২। গুৰুচৰিত কথা, পৃ. ৪৮—৪৯।
৩। পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৫৫।

## মাজুলীৰ জন-গাঁথনিৰ ইতিবৃত্ত

'মাজুলী' নামৰ বিশ্বৰ অনন্য ঐতিহ্যপূৰ্ণ দ্বীপটো সৃষ্টি হোৱাৰ আগতেও এই ভূখণ্ডত বিভিন্ন নৃ-গোষ্ঠীৰ লোকে বসবাস কৰাৰ যথেষ্ট প্ৰমাণ পোৱা যায়। এই সু-প্ৰাচীন নৃ-গোষ্ঠীৰ লোকসকলৰ ভিতৰত চুতীয়া, সোণোৱাল ক ছাৰী, মিচিং, দেউৰী আদি লোকসকল তিব্বত-বাৰ্মা শাখাৰ মংগোলীয় গোষ্ঠীৰ; কোঁচসকল মংগোলীয় আৰু দ্ৰাবিড় গোষ্ঠীৰ সংমিশ্ৰিত; নাথ, কৈৱৰ্ত, কেওঁট আৰু মটকসকল দ্ৰাবিড় নৃ-গোষ্ঠীৰ আৰু ব্ৰাহ্মণ, কলিতাসকল আলপাইন নৃ-গোষ্ঠীৰ লোক।

মাজুলীত বিশেষকৈ চুতীয়া, কছাৰী, আহোম, কোঁচ, কলিতা আদি সম্প্ৰদায়ে ৰাজনৈতিক কাৰণত বসতি কৰাৰ উল্লেখ পোৱা যায়। উল্লেখ্য যে ১৩শ শতিকাৰ আগভাগৰ মাজুলীৰ কোনো লিপিবদ্ধ ৰূপত বুৰঞ্জী পোৱা নাযায় যদিও যোগিনীতন্ত্ৰত এই ভূখণ্ডত কেইবাটাও ৰাজবংশই ৰাজত্ব কৰাৰ উল্লেখ পোৱা যায়। আহোম স্বৰ্গদেউ চুহুংমুঙৰ ৰাজত্বকালৰ পৰাহে অৰ্থাৎ ১৪৯৭ খ্ৰী:ৰ পৰাহে মাজুলীৰ বিষয়ে লিখিত বুৰঞ্জী পোৱা যায়।

যোগিনীতন্ত্ৰত উল্লেখ কৰা মতে ভাৰতবৰ্ষৰ মূল ভূ-ভাগৰ পৰা প্ৰব্ৰজন কৰি অসমত ৰাজত্ব কৰা ধৰ্মপাল নামৰ এজন ৰজাৰ তৃতীয় পুত্ৰ ৰামচন্দ্ৰই তেওঁৰ ৰাজ্যৰ ৰাজধানী মাজুলীৰ ৰত্নপুৰ বা ৰতনপুৰত স্থাপন কৰিছিল। ৰামচন্দ্ৰৰ আগতেও ৰতনপুৰত বহুজন ৰজাই ৰাজত্ব কৰিছিল; কিন্তু সেই ৰজাসকলৰ বা ৰাজবংশৰ বিস্তৃত বিৱৰণ যোগিনীতন্ত্ৰত উল্লেখ পোৱা নাযায়। ১৩৬৫-১৩৮৫ খ্ৰী:লৈ ৰত্নপুৰত আৰিমত্ত আৰু নাগমত্তই ৰাজত্ব কৰিছিল আৰু এই জিতাৰীসকলেই মাজুলীৰ আবিষ্কাৰক বুলি জনা যায়। বুৰঞ্জীৰ তথ্যমতে আৰিমত্তৰ প্ৰথম পুত্ৰ ৰত্নসিংহ বা শুকাৰংক এই বংশৰ পৰাক্ৰমী ৰজা আছিল। এই ৰত্ন পুৰত আৰিমত্তৰ পিছত তেওঁৰ ভূঞা ক্ষত্ৰিয় মন্ত্ৰী সমুদ্ৰ আৰু সমুদ্ৰৰ পাছত তেওঁৰ পুত্ৰ শান্তনু আৰু সামন্ত বিখ্যাত হৈ উঠাৰ উল্লেখ পোৱা যায়।

অন্য এক তথ্যমতে চুতীয়া ৰাজ্যৰ প্ৰতিষ্ঠাপক বীৰপাল ৰজাৰ পুত্ৰ গৌৰীনাৰায়ণে ১৩শ শতিকাৰ আগভাগত ৰত্নধ্বজপাল নাম লৈ ৰজা হয় আৰু তেওঁ শ্বেতগিৰি পাহাৰৰ ভদ্ৰসেন ৰজাক পৰাস্ত কৰি

ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰৰ ৰত্নপুৰত ৰাজধানী পাতে। তেতিয়া বিশ্বৰ এই ঐতিহ্যপূৰ্ণ নদী-দ্বীপটো মাজুলীৰ পৰিৱৰ্তে হেনো ৰতনপুৰ নামে পৰিচিত আছিল।

ত্ৰয়োদশ শতিকাত চুকাফাই অসমত আহোম ৰাজ্য প্ৰতিষ্ঠা কৰাত মাজুলী আহোম ৰাজ্যৰ অন্তৰ্ভুক্ত হৈ পৰে। ঘটনাক্ৰমে ১৫৬২ খ্ৰী:ত মহামতি মহাৰাজ নৰনাৰায়ণ আৰু ভাতৃ মহাপ্ৰতাপী বীৰ চিলাৰায়ে এখন সৰ্ববৃহৎ সংযুক্ত অসমীয়া সমাজ গঠন কৰাৰ অভিপ্ৰায়ে পাঁচলাখ বত্ৰিশ হাজাৰ কোঁচ সৈন্য লৈ আহোম ৰাজ্য আক্ৰমণ কৰে। এই যুদ্ধত মহানায়ক চিলাৰায়ৰ বিক্ৰমত তিষ্ঠিত নোৱাৰি শেষত আহোম ৰজা চুখাম্ফাই কোঁচ ৰজাৰ সৰ্ববৃহৎ সংযুক্ত অসমীয়া সমাজ গঠনৰ প্ৰস্তাৱ মানি 'মহামিলনৰ ৰাজদৰবাৰ' পাতি মিত্ৰতা কৰিলে আৰু 'মহামতি মহাৰাজ নৰনাৰায়ণৰ জয় হওক' বুলি জয়ধ্বনি দিলে। ফলস্বৰূপে মহাপ্ৰতাপী বীৰ চিলাৰায়ৰ 'অসম সংযুক্ত ৰাজ্য' ১৫৬৪ খ্ৰী:ত ঘোষিত হ'ল।

যোগিনীতন্ত্ৰ আৰু বুৰঞ্জীৰ উল্লেখিত তথ্য আৰু ঘটনা-প্ৰৱাহে এটা কথা নিশ্চিত কৰে যে বৰ্তমানৰ মাজুলী নামৰ এই দ্বীপটো এসময়ৰ বৃহত্তৰ অসমৰ অবিচ্ছেদ্য অংগ আছিল আৰু ইয়াত এসময়ত চুতীয়া ৰজা, কছাৰী ৰজা, মাটিগিৰি ভূঞাসকল, আহোম ৰজা, কোঁচ ৰজা আৰু মোৱামৰীয়া বিদ্ৰোহীসকলৰ অধীনত আছিল। অতীত মাজুলীৰ এনেবোৰ ৰাজনৈতিক ঘটনা আৰু পৰিস্থিতিয়ে অসমৰ লগতে মাজুলীতো জন-গাঁথনি প্ৰক্ৰিয়াত যথেষ্ট প্ৰভাৱ পেলাইছিল।

১৭শ শতিকাৰ শেষভাগত মিচিংসকল উৰ্বৰা মাটিৰ অন্বেষণত মাজুলীলৈ আহি মাজুলীৰ বুকু সেউজীয়া সৰিয়হ-ফুলীয়াকৈ গঢ়ি তুলিলে। আহোম যুগৰ মাজভাগত মাজুলীত প্ৰৱেশ কৰা নাথ সম্প্ৰদায়ৰ লোকে মাজুলীৰ তাঁত-শিল্পক আঁচুফুলৰ দৰে ৰঙীণ কৰি ৰাখিছে। পানীৰ ওপৰত নিৰ্ভৰশীল কৈৱৰ্তসকলো মাজুলীলৈ ১৭শ(?) শতিকাৰ মাজভাগত প্ৰৱেশ কৰে। এই মৎস্যজীৱী লোকসকলে মাজুলীত মৎস্য-ব্যৱসায়ক জনপ্ৰিয় কৰি তোলাত প্ৰভূত বৰঙণি যোগাইছে। মাজুলীৰ উৰ্বৰা আৰু কেঁচা মাটিৰ গোন্ধে এই ভূখণ্ডলৈ বিভিন্ন জাতি-জনজাতিৰ লোকক আকৰ্ষিত কৰিছিল। কৃষিভিত্তিক এই জাতি-জনজাতিৰ লোকসকলে মাজুলীৰ বৰ্ণাঢ্য জন-সংস্কৃতিক মহীয়ান কৰি তুলিছে।

## মাজুলীৰ জন-গাঁথনিৰ স্বৰূপ

প্ৰকৃতিৰ ৰম্যভূমি, সত্ৰীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ, এটকা মহন্তৰ থল মাজুলী ভিন্ন জনগোষ্ঠীবো মিলনভূমি। যুগ যুগ ধৰি জন-মানসত মাজুলী এখনি পুণ্যতীৰ্থ ৰূপে পৰিচিত হৈ আহিছে। মাজুলীৰ ঐতিহ্য আৰু ঐশ্বৰ্যময় সভ্যতাৰ উত্থান-পতনৰ ঐতিহাসিক স্বাক্ষৰ অনেক ন-পুৰণি পুথি, গড-পুখুৰীৰ স্থাপত্যই বহন কৰিছে। 'যোগিনীতন্ত্ৰ', ড° জন পীটাৰ ৱেডৰ 'এক একাউন্ট অৱ আসাম', গেইট চাহাবৰ বুৰঞ্জী, বুৰঞ্জীবিদ্ বেণুধৰ শৰ্মা, তীৰ্থনাথ শৰ্মা, সূৰ্যকুমাৰ ভূঞা, ড° লীলা গগৈ, ড° মহেশ্বৰ নেওগ আদি পণ্ডিতসকলে নদী-দ্বীপটোৰ ভৌগোলিক অৱস্থিতি, জন-গাঁথনি, সাংস্কৃতিক জীৱনধাৰা, সত্ৰীয়া সংস্কৃতিৰ বিৱৰণ লিখি গৈছে। ধৰ্মপাল, ৰামচন্দ্ৰ, নাগমত্ত, আৰিমত্ত, ৰত্নসিংহ আদি প্ৰতাপশালী ৰজাই এই ভূখণ্ডত ৰাজত্ব কৰাৰ উল্লেখ 'যোগিনীতন্ত্ৰ'ত আছে। চুতীয়া ৰজা ৰত্নধ্বজ পালে মাজুলীৰ ৰত্নপুৰত (বৰ্তমান ৰতনপুৰ) ৰাজধানী পাতিছিল। সেইজন ৰজাৰ নৃত্য-গীত চৰ্চাৰ কেন্দ্ৰ ৰাওলীবাহৰ নামৰ ঠাইৰ উপস্থিতিয়ে আজিও দ্বীপটোৰ পুৰণি ঐতিহ্যৰ স্বাক্ষৰ বহন কৰা যেন লাগে। ইয়াৰ উপৰি এই ভূখণ্ড একালত কোঁচ, কছাৰী, ভূঞাসকল, আহোম, আনকি বিদ্ৰোহী মোৱামৰীয়াসকলৰ কবলত আছিল। আজিও সেই ৰাজবংশৰ লোকসকলে মাজুলীত বসবাস কৰি আছে। শংকৰ-মাধৱৰ মিলনভূমি তেৰাসৱৰ শিষ্যসকলে প্ৰতিষ্ঠা কৰা সত্ৰসমূহৰ উচ্চ আধ্যাত্মিক ঐতিহ্যপূৰ্ণ সত্ৰীয়া সংস্কৃতিৰ মূল্যবোধ আজিও মাজুলীবাসীৰ প্ৰাণৰ লগত সম্পৃক্ত হৈ আছে। ১৮০০ খ্ৰী:ত ৰচিত ড° জন পীটাৰ ৱেডৰ 'এন একাউন্ট অৱ আসাম' নামৰ গ্ৰন্থত মাজুলীৰ আয়তন, জনবহুল চহৰ, উৰ্বৰা কৃষি-ভূমিৰ উল্লেখ থকাৰ লগতে এই ভূখণ্ডৰ উচ্চ সভ্যতাৰ ইংগিত আছে। গ্ৰন্থখনৰ মতে, অসমৰ তৃতীয় অংশ মাজুলীৰ দীঘ পশ্চিমৰ বানফাওৰ পৰা পূবে বেংমৰালৈ মুঠ ১৬০ মাইল আৰু বহলে ৬০ মাইল। গ্ৰন্থখনিত উল্লেখ থকা উৰ্বৰা কৃষি-ভূমি, জনবসতিপূৰ্ণ চহৰসমূহ হ'ল— ৰূপাই চাপৰি, ৰঙা চাপৰি, বৰগোহাঁই চাপৰি, তামুলী চাপৰি, ঘূৰীয়া, আউনীআটী, কমলাবাৰী, কৌপতীয়া, পটীয়া, দক্ষিণপাট, গড়মূৰ, পহুমৰা ইত্যাদি। আহোম স্বৰ্গদেউসকলৰ ৰাজধানীৰ নাতিদূৰৈত অৱস্থিত মাজুলীৰ বৃত্তিয়াল গাঁওসমূহ হ'ল— কুমাৰ গাঁও, কমাৰ গাঁও. নাওশালী, কঢ়াল গাঁও,

**পটীয়া গাঁও**, কাটনি গাঁও ইত্যাদি। তেনেদৰে গড়মূৰ, যোৱাচলা গড়, **ৰাৱণাপুখুৰী** আদি ঐতিহাসিক চিহ্নসমূহ আজিও বিদ্যমান।

**মাজুলী বৃহত্তৰ অসমৰ ক্ষুদ্ৰ সংস্কৰণ।** ঐতিহাসিক, সামাজিক অথবা প্ৰাকৃতিক ঘটনাক্ৰমতেই হওক বা আন কাৰণতেই হওক, বিভিন্ন সময়ত বিভিন্ন কাৰণত নিজ ভাষা-সংস্কৃতিয়ে সু-সমৃদ্ধ বিভিন্ন জাতি-সম্প্ৰদায়ভুক্ত বৰ্ণাঢ্য জন-সমষ্টি, অতি পুৰণি কালতেই এই ভূখণ্ডলৈ আহি স্থায়ীভাৱে বসবাস কৰি, বানপানী-খহনীয়া আদি প্ৰাকৃতিক দুৰ্যোগৰ সমভাগী হৈ আহিছে। অৱশ্যে মাজুলীলৈ কোন জাতিৰ লোক কেতিয়া আহিল, তাৰ সঠিক সময় নিৰ্ণয় কৰা সহজ নহয়। বৰ্তমান মাজুলীৰ প্ৰায় ৫০টা মান সৰু সৰু দ্বীপৰ ভিতৰত তেইশটামানতে কোঁচ, কছাৰী, চুতীয়া, মিচিং, দেউৰী, আহোম, ব্ৰাহ্মণ, কলিতা, কেওঁট, কৈৱৰ্ত, কায়স্থ, নাথ, নেপালী, বঙালী আদি সম্প্ৰদায়ৰ লোকে বৈচিত্ৰ্যৰ মাজত ঐক্য আৰু সমন্বয়েৰে জীৱন নিৰ্বাহ কৰিছে। স্বীকাৰ কৰিব লাগিব— মাজুলী নৃতাত্ত্বিক, সমাজতাত্ত্বিক, ভাষাতাত্ত্বিক, ঐতিহাসিক, ভৌগোলিক, সাংস্কৃতিক দিশৰ গৱেষণাৰ এক ভূ-স্বৰ্গ। এই লেখাত মাজুলীত স্থায়ীভাৱে বাস কৰা ভিন্ন জাতি-উপজাতিৰ বিতং বিৱৰণ দিয়াটো সম্ভৱ নহয়। সেয়ে মাজুলীৰ সামাজিক আৰু সাংস্কৃতিক ইতিহাসত বৈচিত্ৰ দান কৰা কেইটামান সম্প্ৰদায়ৰ বিষয়ে সংক্ষিপ্ত আলোচনা কৰা হ'ল।

**মিচিং :** মিচিংসকল মংগোলীয় গোষ্ঠীৰ তিব্বত-বৰ্মা শাখাৰ লোক। মিচিংসকলক অন্যান্য সম্প্ৰদায়ৰ লোকে 'মিৰি' বোলে; কিন্তু তেওঁলোকে নিজকে 'মিচিং' অৰ্থাৎ ভাল মানুহ (মি-মানুহ, য়াছিং-ভাল বা শ্ৰেষ্ঠ) বুলি পৰিচয় দিয়ে। 'আনে-দঞি' (মাতৃ-সূৰ্য) 'আবু পলঅ' (পিতৃ-চন্দ্ৰ) বুলি ধৰ্মীয় অনুষ্ঠানত স্মৰণ কৰে। মিচিংসকল প্ৰধানতঃ ৯টা খেলত বিভক্ত। 'চায়াং' বা চায়েংগীয়া, 'অয়ান' বা অয়েংগীয়া, 'ময়ি' বা ময়েংগীয়া, 'দেলো', 'তায়োতায়ে', 'পাগৰ', 'দাম্বুক', 'চামগুৰীয়া' আৰু 'তামাৰ'। মিচিংসকল চুতীয়াৰাজ্য পতনৰ সময়ত আবৰ পাহাৰত থকা 'মিয়ং' আৰু 'দাপ্ৰে' এই দুই জাতিৰ পৰা ফাটি অহা বুলি পণ্ডিতসকলে অনুমান কৰে। মিচিংসকলৰ মাজত এটি প্ৰবাদ আছে যে, পাহাৰৰ পৰা উপত্যকা ভূমিলৈ নামি আহোঁতে বাটতে এটা 'জিজি' (খাল) পাইছিল আৰু সেই 'জিজি'ৰ পৰা 'মাসি' আৰু 'মাকং' নামৰ দুডাল সোণ-ৰূপ বৰণৰ লতাৰে বগাই আহি উপত্যকা ভূমিত ভৰি দিছিল। বৰ্তমান মিচিংসকল পূবে দিহিঙৰ পৰা পশ্চিমে ভৰলীলৈকে বিয়পি আছে।

১৭শ শতিকাত মিচিংসকলে মাজুলীৰ সাকৰা ভূমিত পদাৰ্পণ কৰে। বৰ্তমান প্ৰায় ৪৫ হাজাৰ মিচিংলোক মাজুলীৰ চাৰিওফালে সীমান্তৰক্ষী অতন্দ্ৰ প্ৰহৰীৰ দৰে বিয়পি আছে। বানপানী, গৰাখহনীয়া আদি প্ৰাকৃতিক দুৰ্যোগত মাজুলীবাসীৰ ভিতৰত মিচিংসকলেই প্ৰথমতে সন্মুখীন হ'ব লগীয়া হয়। অথচ তেওঁলোকে স্বকীয় ভাষা-সংস্কৃতিৰ খহনীয়া অটুট ৰাখিবলৈ সক্ষম হৈ আছে। মাজুলীৰ মিচিংসকলে তেওঁলোকৰ পৰম্পৰাগত আদিম ধৰ্ম পালন কৰাৰ উপৰি স্থানীয় অন্যান্য সম্প্ৰদায়ৰ দৰে বিহু, পূজা, নামঘৰ আৰু নাম-প্ৰসংগ, নাট-ভাওনা আদি বৈষ্ণৱ পৰম্পৰাও অটুট ৰাখি বৈচিত্ৰ্য সমন্বয়ৰ মাজেদি মাজুলীৰ জন-গাঁথনিত এক বিচিত্ৰতা প্ৰদান কৰিছে। শেহতীয়াকৈ কিছু সংখ্যক মিচিংলোকে নতুনকৈ খ্ৰীষ্টান ধৰ্মও গ্ৰহণ কৰিছে।

**দেউৰী :** নিজকে 'জিমচ্ছায়া' বুলি পৰিচয় দিয়া দেউৰীসকল মংগোলীয় গোষ্ঠীৰ তিব্বত-বৰ্মা শাখাৰ অন্তৰ্গত আৰু চুতীয়াসকলৰ আদি পুৰোহিত শ্ৰেণীৰ লোক। চুতীয়া ৰাজ্যত পূজাৰী কাম কৰাৰ বাবে তেওঁলোক দেউৰী (দেৱ + গৃহীক = দেৱগৃহী > দেউৰী) বুলি জনাজাত। ড° কাকতিদেৱে 'দেউৰী' শব্দটো সংস্কৃত 'দেৱগৃহীক' শব্দৰ পৰা উদ্ভৱ হোৱা নব্য-ভাৰতীয় আৰ্য ভাষাৰ শব্দ বুলি অভিহিত কৰিছে। তেওঁলোকৰ আদি বাসস্থান কুণ্ডিল (Kundil) নৈৰ পাৰত। আজিও দেউৰীসকলে হুঁচৰি গীতত কুণ্ডিল নৈ, শদিয়াৰ চুতীয়া ৰজা আৰু চাৰিখন গোসাঁনী-শালক স্মৰণ কৰে।

*"কুণ্ডিলৰ অগোচী গুদাকৈ হেমেলু ....... ।*
*সদিয়া ৰাজত ঐ চাৰিহাল (শাল) গোখানি*
*—তালৈকে নমস্কাৰ কৰোঁ।"*

শক্তি-উপাসক দেউৰীসকলৰ প্ৰধান খেল চাৰিটা। 'ডিবঙীয়া', টেঙাপনীয়া', 'বৰগঞা' আৰু 'পাতৰগঞা'। ডিবঙীয়া খেলে 'পিৰা-পিৰাচি' বা 'কুণ্ডিমামা'; টেঙাপনীয়া খেলে 'পিচাদেমা', বৰগঞা খেলে 'পিচাচি' আৰু পাতৰগঞা খেলে গোসাঁনীশালত পূজা কৰে।

মাজুলীৰ উজনি অংশত অতি প্ৰাচীনকালৰে পৰা কিছুসংখ্যক দেউৰী পৰিয়ালে বাস কৰি আহিছে। সম্ভৱতঃ চুতীয়া ৰজা ৰত্নধ্বজ পালে মাজুলীৰ ৰত্নপুৰত (বৰ্তমান ৰতনপুৰ!) ৰাজধানী পতা সময়তে

দেউৰীসকল মাজুলীলৈ আহিছিল। সম্প্ৰতি মাজুলীত থকা দুখন দেউৰী গাঁৱৰ মুঠ জনসংখ্যা ২,২৬৬জন। এওঁলোক ডিবঙীয়া খেলৰ। ডিবঙীয়া খেলৰ বাদে বাকী খেল তিনিটাৰ নিজা ভাষা (দোৱান) বিলুপ্তি ঘটিছে। মাজুলীত থকা দেউৰীসকলে নিজা ভাষা-সংস্কৃতি ৰক্ষা কৰিও অন্যান্য সম্প্ৰদায়ৰ লগত বিহু, তিথি, পূজা আদি নিয়মীয়াকৈ পালন কৰে। তিনিওটা বিহু, মাহটোৰ প্ৰথম বুধবাৰৰ পৰা পালন কৰে। ল'ৰা, বুঢ়া, পুৰুষ, মহিলা নিৰ্বিশেষে 'চুঝে' নামৰ এবিধ ঘৰুৱা মদ খায়।

**সোণোৱাল কছাৰী :** মংগোলীয় জনগোষ্ঠীৰ তিব্বত-বৰ্মা শাখাৰ পৰা বড়ো, নগা, কুকীচীন আদি বংশ উৎপত্তি হৈছে বুলি নৃতাত্ত্বিকসকলে ঠিৰাং কৰিছে। এই বড়ো শাখাৰ পৰাই বড়ো, ৰাভা, ডিমাছা, গাৰো, তিৱা, কাৰ্বি, কছাৰী, কোঁচ আদি উৎপত্তি হৈছে। আহোমসকলৰ আগমনৰ সময়ত কছাৰীসকল সু-সংগঠিত পৰাক্ৰমী জাতি আছিল বুলি বুৰঞ্জীত উল্লেখ আছে। ওচৰ-চুবুৰীয়া ৰজাসকলৰ পৰা সঘনাই আক্ৰমণৰ হেঁচা পোৱাত কোনো কোনোৱে মূলৰ পৰা ফাটি আহি উপত্যকা অঞ্চলৰ ঠায়ে ঠায়ে বসতি কৰিবলৈ ল'লে। ফলস্বৰূপে বড়ো, মেছ, হাজং, ৰাভা, ডিমাছা, লালুং, ঠেঙাল, সোণোৱাল আদি ঠালৰ সৃষ্টি হ'ল। বুৰঞ্জীৰ মতে আহোম ৰজাৰ অধীনত সোণ কমোৱা বৃত্তিধাৰীলোক অনুযায়ী এই শ্ৰেণীলোক সোণোৱাল নামে জনাজাত হ'ল। জনশ্ৰুতি মতে, বাণ ৰজাৰ চাৰি পুত্ৰৰ ভিতৰত 'ডিমছা'ই ডিমাপুৰত কছাৰী ৰজা, 'গবা'ই গাৰো পাহাৰত গাৰো ৰাজ্য, 'ভালুকবীৰে' অঁকাৰাজ্য আৰু 'হুগ্ৰা'ই এহেজাৰ সৈন্য লৈ শদিয়াৰ ফালে সোণোৱাল কছাৰী ৰাজ্য এখন প্ৰতিষ্ঠা কৰে; কিন্তু সোৱণশিৰী নৈত সোণৰ চেকুৰা বুটলি আহোম ৰজাক সোণ যোগান ধৰাৰ কথা বুৰঞ্জীত আছে। শিৱদ'লৰ সোণৰ কলচীৰ সোণ সোণোৱাল কছাৰীসকলে গোটাই দি অসম ৰজাৰ কীৰ্তিক স্থায়ী আসন দিবলৈ সক্ষম হয়। 'বালিখিতিয়াৰী', 'চিৰিপুৰীয়া', 'অমৰাবমীয়া', 'ধূলিয়াল', 'উজনিকুচীয়া', 'নামনিকুচীয়া' আৰু টিপমীয়া নামে সাতখেলত বিভক্ত সোণোৱাল কছাৰীসকল মুঠ চৈধ্যতা বংশত বিভক্ত।

মাজুলীৰ বিচিত্ৰ জন-গাঁথনিত সোণোৱাল কছাৰীসকলো প্ৰধান অংশীদাৰ। ব্ৰিটিছ আগমনৰ আগৰে পৰা উজনি মাজুলীৰ হালধিবাৰীত সোণোৱাল কছাৰীসকলে বসবাস কৰি আহিছে। মাজুলীত বৰ্তমান তেওঁলোকৰ জনসংখ্যা মুঠ ১০৬২জন। ব্ৰিটিছ শাসনৰ সময়লৈকে এই লোকসকলে সোৱনশিৰি নৈত সোণ বুটলিছিল। আজিও সোণ চেকাৰ দুই-এপদ আহিলা তেওঁলোকৰ দুই-এঘৰত আছে বুলি শুনা যায়।

**চুতীয়া :** মাজুলীৰ বিভিন্ন সম্প্ৰদায়ৰ ভিতৰত চুতীয়াসকল অন্যতম। নৃতাত্ত্বিক পৰিচয়ে চুতীয়াসকলক মংগোলীয় গোষ্ঠীৰ তিব্বত বৰ্মা শাখাৰ অন্তৰ্ভুক্ত কৰিছে। নিজস্ব ভাষা-সংস্কৃতিৰ অধিকাৰী চুতীয়াসকল অতি প্ৰাচীন কালৰে পৰা অসমৰ উত্তৰ-পূব খণ্ডত বসতি স্থাপন কৰিছিল। নিতাই বা নীতিপালৰ ৰাজত্বকালত আহোম ৰজা চুহুংমুঙৰ আক্ৰমণত ১৫২৩ খ্ৰী:ত চুতীয়া ৰাজ্যৰ পতন ঘটে। লগতে ভৱিষ্যতে যাতে একগোট হৈ আহোমৰ বিৰুদ্ধে মূৰ তুলিব নোৱাৰে, তালৈ লক্ষ্য ৰাখি চুতীয়াসকলক আহোম ৰাজ্যৰ অন্যান্য ঠাইত বসবাস কৰিবলৈ দিয়া হয়। ফলত পৰৱৰ্তী কালত নিজস্ব ভাষা-সংস্কৃতি ত্যাগ কৰি হিন্দুধৰ্ম গ্ৰহণ কৰাসকলক হিন্দু-চুতীয়া, বৰাহীসকলৰ লগত মিলি যোৱাসকলক বৰাহী-চুতীয়া, আহোমসকলৰ লগত মিলি যোৱাসকলক আহোম-চুতীয়া আৰু দেউৰী-চুতীয়াৰূপে জনাজাত হ'ল।

মাজুলীত থকাসকল হিন্দু-চুতীয়া। অধিকসংখ্যক গড়মূৰ আৰু আউনীআটী সত্ৰৰ শিষ্য। কিছুসংখ্যক শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সেৱক। মাজুলীৰ তিনিওটা মৌজাতে পূৰ্বৰ পৰা বসবাস কৰা চুতীয়াসকলে মাজুলীৰ অন্যান্য সম্প্ৰদায়ৰ লগত মিহলি হৈ কলা-কৃষ্টি, ধৰ্ম-সংস্কৃতি সকলোতে সমভাৱে অংশ গ্ৰহণ কৰি আহিছে।

**কোঁচ :** কোঁচ শব্দ বুজাবলৈ 'কুবাচ', 'কৰাচ' শব্দ প্ৰয়োগ মন কৰিবলগীয়া। তন্ত্ৰ, পুৰাণ আনকি শংকৰদেৱৰ গ্ৰন্থতো এই শব্দ উল্লেখলৈ চাই কোঁচসকল অসমৰ অতি পুৰণি সম্প্ৰদায় যেন লাগে।

আহোমসকল অসমলৈ আহোঁতে অসমৰ পশ্চিম অংশত কোঁচসকলৰ ৰাজ্য আছিল আৰু শেষ ৰজা ধৰ্মনাৰায়ণৰ মৃত্যুত (খ্ৰী: ১৬৩৮) কোচ ৰাজ্যৰ বৰনদীৰ উত্তৰখণ্ড মুছলমানৰ হাতত আৰু আন অঞ্চলসমূহ আহোমৰ তলতীয়া হয়। নৃতত্ত্ববিদসকলে কোঁচসকলক মংগোলীয় গোষ্ঠীসম্ভূত বুলি অভিহিত কৰিছে। বাথাম হড্‌গছনে কোঁচসকলক মংগোলীয় গোষ্ঠীৰ বড়ো শাখাৰ ঠাল বুলি মত পোষণ কৰিছে। কৰ্ণেল ডেল্টনে দ্ৰাবিড় গোষ্ঠীৰ আৰু ৰেজলীয়ে মংগোলীয় আৰু দ্ৰাবিড় সংমিশ্ৰণত কোঁচসকলৰ উৎপত্তি বুলিও মত পোষণ কৰিছে।

নদীয়ে দ্বীপ সৃষ্টি কৰাৰ আগৰে পৰা মাজুলীত কোঁচসকলে বসবাস কৰি আহিছে। মাজুলীৰ জন-গাঁথনিত বিচিত্ৰতা অনাৰ লগতে সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষেত্ৰত কোঁচসকলৰ স্থিতি অন্যতম।

**নাথ সম্প্ৰদায় :** নাথসকলৰ মাজত দ্ৰাবিড় গোষ্ঠীৰ নৃতাত্বিক পৰিচয়ৰ কিছু লক্ষণ আছে বুলি পণ্ডিতসকলে অনুমান কৰে। খ্ৰীষ্টীয় দশম শতিকাৰ আগতেই ৰচিত তিব্বতীয় ভাষাত লিখা তাৰানাথৰ 'সিদ্ধচৰিত্ৰাৱলী'ৰ সম্প্ৰতি ইংৰাজী ভাঙনি ওলাইছে। তাত 'মীননাথ' আৰু 'মচ্ছিন্দ্ৰনাথ' নামৰ দুজন বজ্ৰযানি সিদ্ধ পুৰুষৰ নাম উল্লেখ আছে। মচ্ছিন্দ্ৰনাথৰ শিষ্য গোৰক্ষনাথ। গোৰক্ষনাথৰ শিষ্য তীৰ্থনাথ, কালনাথ, ব্ৰহ্মনাথ, গোলেনাথ, ওংকাৰ নাথ আছিল। বাণীকান্ত কাকতিদেৱে এইজনা গোৰক্ষনাথৰ পৰাই অসমৰ নাথ সম্প্ৰদায়ৰ আবিৰ্ভাৱ হয় বুলি মত পোষণ কৰিছে। নাথসকলক 'যোগী'ও বোলা হয়। পাট-পলু পোহা আৰু কটা বাবে কাটনি নামেও পৰিচিত। কথাগুৰু চৰিতত উল্লেখ আছে যে মাধৱদেৱে অনাই-বনাই ফুৰোঁতে কাচিকটাৰ কাষৰে পাট-পলু পোহা যোগী এঘৰত আশ্ৰয় লৈছিল। চিলাৰায়ক আহোম ৰজাই 'যোগী তাঁতি বিস্তৰ দিলে' আদি উক্তিৰ ওপৰত ভিত্তি কৰি আহোম যুগত ভালে সংখ্যক নাথ সম্প্ৰদায়ৰ লোক আছিল যেন বোধ হয়।

মাজুলীৰ মধ্য অংশৰ সোণাৰিআটী, ফুলনি, ৰঙাচাহী আদি নাথসকলৰ বাসস্থান। শিক্ষা-দীক্ষাত আগবঢ়া মাজুলীৰ নাথসকলৰ অধিক সংখ্যক শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সেৱক। পূৰ্বৰ বৌদ্ধতন্ত্ৰক হিন্দুৰূপ দি শৈৱ সম্প্ৰদায়ভুক্ত হোৱা নাথসকলে মাজুলীৰ ভিতৰত আটাইতকৈ নিৰাপদ অঞ্চলত বসতি কৰি স্বাৱলম্বীভাৱে জীৱন-যাপন কৰি আছে।

**কলিতা :** আলপাইনসকলৰ এটা ঠালে অতি পুৰণি কালতে ব্ৰহ্মপুত্ৰ উপত্যকালৈ প্ৰব্ৰজন কৰিছিল। প্ৰাচীন অসমৰ ব্ৰাহ্মণ, কায়স্থ আৰু কলিতাসকলৰ লগত সেই আলপাইনসকলৰ সম্পৰ্ক থকাৰ কথা পণ্ডিতসকলে ঠিৰাং কৰিছে। কোনো কোনোৱে আকৌ দ্ৰাবিড় ঠালৰ নৃতাত্বিক পৰিচয় কলিতাসকলৰ মাজত আছে বুলিও কয়। কলিতাসকল পুৰণি উত্তৰ ভাৰতৰ সু-বৃহৎ ক্ষত্ৰিয় জাতিৰ ভিতৰৰ এটি সৰু ফৈদ আছিল বুলিও কোনো কোনোৱে কয়। কথা গুৰুচৰিত পুথিত গোপাল আতাৰ বংশাৱলী নিৰ্ণয় কৰোঁতে অসমৰ পূব অংশত কলিতা ৰাজ্য এখন থকাৰ কথাও উল্লেখ আছে। "আত্ৰ উপায় নেপাই দেশ এৰি অটব্য অৰণ্যে ভৰা পৰ্বত পাৰ হৈ তিনিমণি ফাটে, আবৰ মিৰি-চাৰি মাটি মিৰি এদি অচম দেশ ওলালহি পোন্ধৰ দিনে, শক্তিমন্ত মহাপুৰুষ শক্তিগুণে অনাহাৰে।" ইয়াত মন কৰিবলগীয়া কথা হ'ল— অচমদেশ আৰু কলিতা দেশ। অচমদেশ মানে উজনি অঞ্চলৰ আহোম ৰাজ্য। আবৰ মিৰিসকলৰ ঠাইৰ মাজেৰে অহাব পৰা বুজা যায় যে কলিতা দেশ উত্তৰ-পূব সীমান্তত অসমৰ পৰা পোন্ধৰ দিনৰ বাট। পূব অসমৰ শদিয়া সীমান্তত থকা কলিতা ৰাজ্যখন আহোম ৰজা ৰাজেশ্বৰ সিংহৰ দিনত (খ্ৰী: ১৭৫১-১৭৬৯) লোপ পায় বুলি বুৰঞ্জীত উল্লেখ আছে। আকৌ পুৰণি কালত অসমৰ মানুহক 'কলিতা জাতি' আৰু 'আন জাতি' এই দুই ভাগত বিভক্ত কৰালৈ লক্ষ্য ৰাখি অতি পুৰণি কালৰে পৰা অসমত অনেক কলিতা লোক আছিল যেন অনুমান হয়। অষ্টম শতিকাৰ পাল বংশৰ ৰাজত্বৰ সময়ত গৌড, কনৌজ, মন্দাৰতলা, জবই-সাহান, তিৰ্হুত আৰু বাৰকাৰ এই ছয় ঠাইৰ ব্ৰাহ্মণ, কায়স্থ, কলিতা আনি দেশত আশ্ৰয় দিয়া কাহিনী কামৰূপৰ বুৰঞ্জীত উল্লেখ আছে। কলিতাসকলে আন জাতিক পৌৰোহিত্য কৰালৈ লক্ষ্য ৰাখি বেডেন্ পাৱেলে তেওঁলোকক পূৰ্বে বৌদ্ধ আছিল বুলি কৈছে। কলিতা শব্দৰ লগত 'কুললুপ্ত' সম্পৰ্কৰ বিষয়ে বাণীকান্ত কাকতিয়ে কলিতাসকলে বৌদ্ধ মতৰ পৰা হিন্দু মতলৈ অহাৰ লগতহে সম্ভৱ বুলি অনুমান কৰিছে। শিক্ষা-দীক্ষাত পাকৈত কলিতাসকলে নিজকে কায়স্থ বুলিও চিনাকি দিছিল।

অধিক জনসংখ্যালৈ চাই মাজুলীত থকা কলিতাসকল বাৰভূঞাসকলৰ উত্তৰ পুৰুষ যেন অনুমান হয়। কলিতাসকল বৰকলিতা (সজ), সৰুকলিতা, কুমাৰ কলিতা, নটকলিতা, সুৰি কলিতা আদি খেলত বিভক্ত। কুমাৰ কলিতাৰ কিছুসংখ্যকে মাজুলীৰ দক্ষিণপাট, শালমৰাত আজিও মাটিৰ পাত্ৰ তৈয়াৰ কৰি প্ৰাচীন অসমৰ মৃন্ময় শিল্পক জীয়াই ৰাখিছে। প্ৰবাদ আছে হালোৱা কলিতাসকলক কেওট, জালোৱা কলিতাসকলক কৈৱৰ্ত, ৰজাঘৰত নৃত্য কৰাসকলক নটকলিতা আৰু সুৰা তৈয়াৰ কৰাসকলক সুৰি কলিতা নামেৰে জনাজাত হ'ল। এনে বৃত্তিয়াল কলিতাসকল বৰকলিতাৰ সমাজত কম মৰ্যাদাসম্পন্ন।

**ব্ৰাহ্মণ :** ব্ৰাহ্মণসকল আলপাইন গোষ্ঠীৰ লোক। ঐতিহাসিক

কনকলাল বৰুৱাই খ্ৰী: পূ: চতুৰ্থ শতিকাতে আলপাইন গোষ্ঠীৰ এটা শাখা ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰেদি প্ৰাচীন কামৰূপলৈ অহাৰ ইংগিত দিছে। কালিকা পুৰাণত উল্লেখ আছে— নৰকে পশ্চিমৰ পৰা দ্বিজাতি আনি ৰাজ্যত বহুৱাইছিল। কামাখ্যাৰ মাহাত্ম্য বাঢ়িছিল, লগতে পশ্চিমৰ পৰা অনেক ব্ৰাহ্মণ পণ্ডিত আদি কামাখ্যা দৰ্শন কৰিবলৈ আহিছিল। পুৰণি অসম বুৰঞ্জীসমূহতো উল্লেখ আছে যে, কমতাপুৰৰ যেন বংশৰ প্ৰতিষ্ঠাতা ৰজা নীলধ্বজে মিথিলাৰ পৰা ব্ৰাহ্মণ-সজ্জন কামৰূপলৈ আনিছিল। ড° বাণীকান্ত কাকতিৰ মতেও 'বশিষ্ঠ' শব্দটো ব্যক্তিবাচক শব্দ নহয়; ই বংশ বা গোত্ৰবাচক শব্দ। বশিষ্ঠগোত্ৰীয় ব্ৰাহ্মণ তন্ত্ৰ সাধনাৰ বাবে অতি পুৰণিকালতে কামৰূপলৈ আহিছিল। কোঁচ, আহোম আদি ৰজাসকলেও বিভিন্ন সময়ত কনৌজ, মিথিলা, কাশী আদিৰ পৰা ব্ৰাহ্মণ পণ্ডিতক নিজ দেশলৈ আনি উচ্চ মৰ্যাদা দিছিল। অসমীয়া ব্ৰাহ্মণ বুলিও এক শ্ৰেণী লোক আছে। তেওঁলোকক বিশ্বসিংহ ৰজাই কান্যকুব্জৰ পৰা অনাইছিল।

মাজুলীত থকা ব্ৰাহ্মণসকল অতি প্ৰাচীন। মাজুলীত সত্ৰসমূহৰ প্ৰতিষ্ঠা হোৱা আগতেই ব্ৰাহ্মণসকল আছিল বাবেই বোধকৰো ৰজাঘৰীয়া পৃষ্ঠপোষকতাত বামুণীয়া সত্ৰ স্থাপন হৈছিল। অন্যান্য সম্প্ৰদায়ৰ তুলনাত গোসাঁই-ব্ৰাহ্মণৰ সংখ্যা তাকৰীয়া যদিও মাজুলীত তেখেতসকলৰ সামাজিক মৰ্যাদা উচ্চস্থানত বিদ্যমান হৈ আছে। গোসাঁইসকলে গোস্বামী (সং: গো- বেদ, স্বামী-গৰাকী, অৰ্থাৎ বেদৰ অধিকাৰ, গুৰু) লিখে।

**কৈৱৰ্ত :** কৈৱৰ্ত সম্প্ৰদায়ৰ মাজত পণ্ডিতসকলে দ্ৰাবিড়-গোষ্ঠীৰ নৃতাত্বিক পৰিচয় পাইছে। পূৰ্বোক্ত তাৰানাথৰ "সিদ্ধচৰিত্ৰাৱলী"ত মীননাথ আৰু মচ্ছিন্দ্ৰনাথ নামৰ দুজন সিদ্ধপুৰুষৰ নাম উল্লেখ আছে। পণ্ডিতসকলে ঠিৰাং কৰিছে যে তেওঁলোক কামৰূপৰ কৈৱৰ্ত লোক আছিল। খ্ৰীষ্টীয় নৱম-দশম শতিকাত ৰচিত উক্ত গ্ৰন্থত থকা ব্যক্তি দুজনৰ নামোল্লেখে প্ৰমাণ কৰে যে, নৱম-দশম শতিকাৰ আগৰ পৰাই কামৰূপত কৈৱৰ্তসকলৰ স্থিতি আছিল। মৎস্যজীৱী হোৱা হেতুকে নদী-বিল আদিয়ে ভৰা মাজুলীলৈ এই লোকসকল ১৭শ শতিকাৰ মাজ ভাগতেই আগমন হৈছিল। মায়ামৰীয়া আৰু মহাপুৰুষীয়া ধৰ্ম সম্প্ৰদায়ৰ মাজুলীৰ কৈৱৰ্তসকলে স্থানীয় ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক দিশ আদিত উল্লেখনীয় ভূমিকা আগবঢ়াইছে।

মায়ামৰীয়া সম্প্ৰদায়ভুক্তসকলক মটক বোলে। আহোম যুগত মোৱামৰীয়া বিদ্ৰোহৰ সময়ত এক মতত উপনীত হোৱা বাবে মটক (মত+এক) বোলে। কাল-সংহতি মায়ামৰা ধৰ্মৰ মটকসকলৰ গুৰু অনিৰুদ্ধদেৱ। অনিৰুদ্ধদেৱে আহোম ৰজাৰ হাতত বন্দী হৈ থাকোঁতে মায়াসৰ্প সৃষ্টি কৰি পুনৰ নাশ কৰা এটা কাহিনীৰ আলমত 'মায়ামৰীয়া' আখ্যা পায় বুলি এটি জনবিশ্বাস আছে। মাজুলীৰ ডেকা শেনচোৱা, বুঢ়া শেনচোৱাত 'মায়ামৰীয়া' ধৰ্ম সম্প্ৰদায়ৰ কিছুসংখ্যক মটক লোক আছে। এওঁলোকৰ মৃদঙ্গীয়াল দলটিৰ অৱস্থান আজিও অক্ষুণ্ণ আছে।

**নেপালী :** নেপাল অসমৰ চুবুৰীয়া ৰাষ্ট্ৰ। খ্ৰীষ্টীয় দশম শতিকাৰ আগভাগত কামৰূপ আৰু নেপালৰ মাজত সু-সম্পৰ্ক থকাৰ প্ৰমাণ নেপালৰ ৰাজদৰবাৰত উদ্ধাৰ হোৱা অসমীয়াৰ প্ৰাচীনতম গ্ৰন্থ 'চৰ্যাচৰ্যবিনিশ্চয়ে' দিয়ে। কিন্তু অসমত থকা নেপালীসকল ব্ৰিটিছ শাসনৰ সময়তহে অহা বুলি পণ্ডিতসকলে কয়। মাজুলীৰ ফুলনি আৰু কুঁহিয়াবাৰী অঞ্চলত থকা নেপালীসকলে গো-পালন, গাখীৰ ব্যৱসায় আৰু খেতি-বাতি কৰি আহিছে। নেপালীসকল প্ৰধানতঃ দ্বি-ভাষী। ঘৰুৱা পৰিৱেশত নিজ ভাষা-সংস্কৃতি আৰু বাহিৰত নিভাঁজ অসমীয়াত কথা কয় আৰু অসমীয়া কৃষ্টি-সংস্কৃতিত সহযোগিতা কৰে।

**বঙালী :** মাজুলীৰ ভিতৰত কমলাবাৰী, গড়মূৰ, জেংৰাইমুখ আৰু উজনি মাজুলীৰ নতুন বজাৰৰ আশে-পাশে কিছুসংখ্যক বঙালী ভাষা-ভাষীলোক আছে। তাৰে অধিক সংখ্যক হিন্দু ধৰ্মাৱলম্বী, দুই-এঘৰহে ইছলাম ধৰ্মী লোক। দুই-এঘৰৰ বাদে অধিক সংখ্যকেই দেশ স্বাধীন হোৱাৰ পিছতহে মাজুলীলৈ আহে। গো-পালন, গাখীৰ ব্যৱসায়, মাছধৰা, খেতি-বাতি আৰু দোকান-পোহাৰৰ যোগেদি জীৱিকা নিৰ্বাহ কৰা এই বঙালীভাষী লোকসকলে মাজুলীৰ অৰ্থনীতি আৰু সামাজিক জীৱনত অনেক প্ৰভাৱ পেলাইছে। ইয়াৰ উপৰি মাজুলীলৈ বিভিন্ন সময়ত কিছুসংখ্যক বিহাৰী, মাৰোৱাৰী আদি সম্প্ৰদায়ৰ লোক আহি বসতি স্থাপন কৰিবলৈ লৈছে। মূলতঃ ব্যৱসায়-বাণিজ্য সংক্ৰান্তীয় কাৰণতে এইসকল লোকৰ মাজুলীলৈ আগমন ঘটিছিল।

ইয়াৰ উপৰি মাজুলীৰ উজনি অংশত লাহন আৰু চাওকীয়া গাঁৱত কিছু সংখ্যক আহোম সম্প্ৰদায়ৰ লোক আছে। এনে ভিন্ন জন-

সম্প্ৰদায়ে অতি প্ৰাচীনকালৰে পৰা মাজুলীত শান্তি-সম্প্ৰীতিৰে বাস কৰি পুণ্যভূমি মাজুলীত সুখ-দুখৰ সমভাগী হৈ মহাপুৰুষীয়া বৈষ্ণৱ সভ্যতা গঢ়ি তাৰ কৃষ্টি-সংস্কৃতিয়ে অসমক গৌৰৱান্বিত কৰি আহিছে।

## প্ৰসংগ পুথি :


১। দেওধাই বুৰঞ্জী: সম্পাদক — সূৰ্য কুমাৰ ভূঞা।
২। 'An Account of Assam' Dr. John Peter Wade
৩। 'Early History of Kamrupa' Rai Bahadur K. L. Barua
৪। বাণীকান্ত ৰচনাৱলী : অসম প্ৰকাশন পৰিষদ।
৫। অসমৰ জনজাতি : প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য সম্পাদিত।
৬। আউনীআটী সত্ৰৰ বুৰঞ্জী : তীৰ্থনাথ শৰ্মা।


## মাজুলীৰ মিচিংসকলৰ পৰিচয়

মিচিংসকল আদিগোষ্ঠীৰ লোক। অৰুণাচলৰ আদি, নীচি, ডফলা, আপাটানি আদি গোষ্ঠীৰ লোকসকলে নিজকে 'টানি' বুলি পৰিচয় দিয়ে। যিহেতু তেওঁলোকে নিজকে পৌৰাণিক পিতৃ আব টানিৰ বংশধৰ বুলি বিশ্বাস কৰে। তেওঁলোকৰ ধৰ্ম-বিশ্বাসৰ বহুত ক্ষেত্ৰত মিল আছে আৰু ভাষাত সাদৃশ্য আছে। তেওঁলোক মংগোলীয় গোষ্ঠীৰ তিব্বত-বৰ্মা প্ৰজাতিৰ লোক। পৌৰাণিক শাস্ত্ৰসমূহত তেওঁলোকক কিৰাট জনগোষ্ঠীৰ লোক বুলি কোৱা হয়।

মিচিংসকল কেতিয়া অৰুণাচলৰ পৰা অসমৰ ভৈয়ামলৈ প্ৰব্ৰজন কৰি আহিলে তাৰ কোনো লিখিত বিৱৰণ পোৱা নাযায়। তেওঁলোকৰ বুৰঞ্জী লিখাৰ প্ৰথা নাছিল। পিতৃ-পুৰুষসকলৰ ওৰম (পিণ্ড) দিবৰ কাৰণে ২১ পুৰুষলৈকে নামবোৰ স্মৰণ কৰিব পৰাকৈ মুখস্থ কৰিছিল; তাৰ বেছিভাগ এৰি গৈছিল। কিন্তু আহোমসকলে অসম জয় কৰি ইয়াত ৰাজ্য স্থাপন কৰিছিল। তেওঁলোকৰ বুৰঞ্জী লিখাৰ প্ৰথা আছিল। তেওঁলোকৰ বুৰঞ্জীত মিৰি শব্দৰ উল্লেখ পোৱা যায়। বুৰঞ্জীবোৰত শদিয়া-মিৰি আৰু চুতীয়া-মিৰি বুলি উল্লেখ আছে। সোণাৰাম পায়েং কটকীৰ মিৰি-বুৰঞ্জীত পোৱা যায় যে যেতিয়া আহোম আৰু চুতীয়াৰ মাজত ৰণ হয়, তেতিয়া কিছুমান চুতীয়া মানুহে মিচিং-চাঙত আশ্ৰয় লয়।

মিচিং লোকসকলক চুতীয়া-মিৰি বুলি কোৱা হয়। প্ৰায়বোৰ আদিবাসীলোকে দেওধাই জাতীয় লোকসকলক যথেষ্ট গুৰুত্ব দিয়ে। প্ৰায় ধৰ্মীয় আৰু সামাজিক কৰ্মত তেওঁৰ নেতৃত্ব মানি চলে। সেই দেওধাই জাতীয় লোকসকলক মিৰি বুলি কোৱা হয়। ধৰ্মীয় অনুষ্ঠানবোৰত তেৱেঁই নেতৃত্ব দিয়ে কাৰণে তেওঁৰ নাম অনুসৰি ভৈয়ামৰ মানুহে এই জাতিটোক 'মিৰি' বুলি কোৱা হ'ল। আমি-আৰৌ (Ami-Are) ৰ 'ৰৌ' শব্দটো অন্য মানুহে উচ্চাৰণ কৰিব নোৱৰাত 'ৰৌ'ৰ ঠাইত 'ৰি'; 'মিৰৌ'ৰ ঠাইত 'মিৰি' হ'ল। ইয়াৰ অৰ্থ — 'মূল্যবান মানুহ' বা 'গুৰুত্বপূৰ্ণ মানুহ'। কালক্ৰমত ভৈয়ামৰ মানুহে উপলুঙা বা অৱমাননাসূচক ইংগিত দিয়াত মিচিংসকলে এই শব্দ বেয়া পোৱা হ'ল। তাৰ ঠাইত তেওঁলোকে তেওঁলোকৰ জাতীয়লোকে দিয়া 'মিচিং' শব্দটোকে গ্ৰহণ কৰিলে।

পাহাৰত থাকোঁতে এই গোষ্ঠীৰ লোকসকল বৰ হিংস্ৰ আছিল। গাঁও আৰু গোষ্ঠীগত কাজিয়া অনবৰত চলি আছিল। তদুপৰি ভৈয়ামলৈ প্ৰব্ৰজন কৰাৰ পিছতো আহোম ৰাজ্যৰ কিছুমান প্ৰজাক উপদ্ৰৱ কৰাত প্ৰতাপ সিংহ মহাৰাজে (১৬০৩-১৬৪১) মিৰি কটকী নিয়োগ কৰি মিৰিসকলৰ গতি-বিধি নিৰীক্ষণ কৰিছিল। তদুপৰি পাহাৰৰ মিৰিসকলক 'পঁচা' নামৰ কিছু মঞ্জুৰী দি শান্ত কৰি ৰাখিছিল। জয়ধ্বজ সিংহ মহাৰাজৰ (১৬৪৮-১৬৬৩) দিনত তেওঁলোকক দমন কৰিবলৈ এটা অভিযান চলায়। সেই অভিযানত মিৰিসকল পৰাভূত হয় আৰু মহাৰাজৰ বশ্যতা স্বীকাৰ কৰি আহোমৰ সাৰ্বভৌমত্ব মানি লৈ সাধাৰণ প্ৰজা হিচাপে শান্তিৰে বাস কৰিবলৈ লয়। মহাৰাজে আহোম সৈন্য বাহিনীত মিৰি লোকৰ এটা কাঁড়ী ফৌজ গঠন কৰে। তিনি হাজাৰ সৈন্যবাহিনীৰ পৰিচালনা কৰিব পৰাকৈ এটা মিৰি-বৰুৱাৰ পদ সৃষ্টি কৰিছিল আৰু শদিয়াখোৱা গোহাঁই আৰু বৰবৰুৱাৰ অধীনত মিৰি সৈন্যবোৰ ৰখা হৈছিল। তদুপৰি তেওঁলোকে দেউৰী, চুতীয়া আৰু ডফলাৰ লগ লাগি আহোম প্ৰজাৰ ওপৰত উপদ্ৰৱ চলায় (১৬৬৫ খ্ৰী:ত)। আহোম সৈন্যই এই বিদ্ৰোহ দমন কৰে। ইয়াৰ পিছত মিৰি বিদ্ৰোহ সম্পৰ্কে বুৰঞ্জীও নিমাত; কিন্তু আহোমৰ সৈন্যবাহিনীত থকা মিৰিসকলৰ দ্বাৰা নগা, কছাৰী আৰু অন্যান্য জনজাতিসমূহক দমন কৰাত তেওঁলোকে অভূতপূৰ্ব বৰঙণি যোগায়। কালক্ৰমত অন্যান্য অসমীয়া প্ৰজাৰ লগত তেওঁলোকৰ সমন্বয় সাধন হয়। তেতিয়াৰ পৰা মিৰি জনজাতিৰ পৰা আহোম ৰাজত্বই কোনো বাধা পোৱা নাছিল। আৰম্ভণিৰ পৰাই আহোম ৰজাই তেওঁলোকৰ লগত

সৌহাৰ্দ্যপূৰ্ণভাৱে বিবাদ নিষ্পত্তিৰ বাবে যত্ন কৰিছিল। চুহংমুং (দিহিঙীয়া ৰজা)ই (১৪৯৭-১৫৩৯) তাওচুং গ্রেইন কুংগ্রিন নামৰ এজন মিৰি বিষয়াক ৰাজ-পৰিষদৰ অন্যান্য ডাঙৰীয়াসকলৰ লগত বহিবলৈ অনুমতি দিছিল। প্ৰতাপ সিংহ মহাৰাজৰ দিনত বকতা বৰগোহাঁই ডাঙৰীয়াই এজন মিৰি ল'ৰাক তুলি লৈ পিছত ল'ৰাটোক সন্দিকৈ বাব দিয়ে আৰু তেওঁ 'মিৰি সন্দিকৈ' নামে জনাজাত হয়। অৱশেষত শদিয়াখোৱা গোহাঁই পদত নিযুক্তি দিয়া হয়।[১] আহোমসকলে সৌহাৰ্দ্যমূলক কৌশলেৰে মিৰিসকলক প্ৰজাভুক্ত কৰিলে। তেনে প্ৰক্ৰিয়াৰে সমন্বয় সাধন কৰি মিচিংসকলক অসমীয়া জাতি গঠনত আহোমৰ সমানে অৱদান আগবঢ়াবলৈ যত্নৱান হ'ল। যিসকল পাহাৰীয়া গোষ্ঠীৰ লোকে তেতিয়াও আবৰ (indomitable) বা আহোমৰ সাৰ্বভৌমত্ব স্বীকাৰ নকৰি বাহিৰত থাকিল, তেওঁলোক মিচিং; মিচিংসকলে নীৰৱে অন্যৰ লগত মিলা-মিচাকৈ থাকিবলৈ লয়। এনেকৈ থকা দেখি তেওঁলোকক 'মিচিং' বুলিলে। আমি-আন্‌ছি মিচিং অৰ্থাৎ আমি= মানুহ+আন্‌চিং= ঠাণ্ডা; অৰ্থাৎ ঠাণ্ডা মানুহ বা শান্ত মানুহ।

আহোম বুৰঞ্জীৰ উপৰি নব-বৈষ্ণৱ ধৰ্ম প্ৰচাৰক মহাপুৰুষ শংকৰদেৱ আৰু তেওঁৰ প্ৰিয় শিষ্য মাধৱদেৱৰ বৈষ্ণৱ কাব্যসমূহত মিৰি জাতিৰ উল্লেখে প্ৰমাণ কৰে যে, তেওঁলোক সেই সময়ত উজনি অসমত ব্যাপকভাৱে বিস্তাৰিত হৈ আছিল। পৰমানন্দ নামৰ এজন বৈষ্ণৱ শিষ্যৰ কথাও উল্লেখ পোৱা যায়। তথাপিতো যিসকল 'টানি' গোষ্ঠীৰ লোকে আহোম ৰাজতন্ত্ৰৰ বশ্যতা স্বীকাৰ নকৰি পাহাৰত আবৰ হৈ থাকিল, তেওঁলোকে অন্য অসমীয়া প্ৰজাৰ উপৰি মিচিং প্ৰজাৰ ওপৰতো উপদ্ৰৱ কৰিবলৈ এৰা নাছিল। তেওঁলোকৰ ভিতৰত গাচি, মিঞং আদি জনজাতিৰ লোক আছিল। মিচিংসকল অৱশেষত অতিষ্ঠ হৈ উঠিল। কথিত আছে—

*"পাচি মিতুৰ মগেমাং*
*তাকে তালাব দগেমাং*
*অলং-কুদুম দুম্মাআকামীম তকলা গুয়েবং"*

অৰ্থাৎ "পাচিৰ লগত মিতুৰো নকৰোঁ। আদা আৰু পিয়াজো নাখাওঁ, নাৱৰ টিং নিছিগালৈকে ভটিয়াই গৈ থাকিম।" সেইবুলি গাচি আদি আবৰৰ লগতো 'মিতুৰো' নকৰোঁ বুলি নাৱেৰেই ভটিয়াই গৈ থাকিল। কালক্ৰমত ভৰলী নদীৰ মুখত নাৱৰ টিং ছিগিল আৰু তাৰপৰাই সীমা কৰি তেওঁলোকৰ বহুতো ঘূৰি আহি ব্ৰহ্মপুত্ৰৰ দুই পাৰে যিয়ে যেনেকৈ সুবিধা পালে তেনেকৈ নৈৰ পাৰে পাৰে থিতাপি ল'লে। তদুপৰি মহামাৰী, গৰাখহনীয়া অন্যান্য প্ৰাকৃতিক দুৰ্যোগ পীড়িত হৈ তেওঁলোকৰ প্ৰব্ৰজন এতিয়াও চলি আছে। নামনি মাজুলীৰ বহুতো লোক অসমৰ বিভিন্ন ঠাইলৈ উঠি গৈছে। এনে প্ৰক্ৰিয়াৰে মাজুলীত বিভিন্ন ঠাইৰ পৰা প্ৰব্ৰজন হৈ আহি মিচিং লোকসকল মাজুলীত বসতি কৰিবলৈ লৈছে। নৈপৰীয়া হোৱা বাবে তেওঁলোক স্থায়ীভাৱে বসতি কৰিব পৰা নাই। এতিয়াও মাজুলীৰ নতুনকৈ পতা চাপৰিবোৰত তেওঁলোকে বসতি সলাই থাকে।

১৩শ শতিকাৰ পৰা মিচিংসকলে আহোম ৰাজত্বৰ প্ৰজা হিচাপে শান্তিপূৰ্ণভাৱে অন্যান্য জনগোষ্ঠীৰ মাজত সহাৱস্থান কৰাৰ ফলত পাৰস্পৰিক সহিষ্ণুতা বৃদ্ধি হয়; সমন্বয়ৰ প্ৰক্ৰিয়াৰ ফলত সমাজত বহুতো পৰিৱৰ্তন আহে। পাহাৰৰ ঝুম খেতিৰ পদ্ধতি পৰিত্যাগ কৰি ভৈয়ামৰ উন্নত পদ্ধতি গ্ৰহণ কৰে। খেতিত ব্যৱহৃত সকলো সা-সঁজুলি মিচিং ভাষাত পাবলৈ নাই। আনকি গৰুৰে হাল বোৱা পদ্ধতি পাহাৰত নাছিল। সেইবাবে পথাৰৰ আৱশ্যকীয় সকলো বস্তুৰেই নাম মিচিং ভাষাত নাই। গৰু, নাঙল, যুঁৱলি, মৈ, জোঁটজৰী, শ'লমাৰি, আঁহতজৰী; ঠিক সেইদৰে ৰথীয়া শব্দ স্থানীয় অসমীয়া সংস্কৃতিৰ পৰা লৈ গ্ৰহণ কৰে। পাহাৰত তেওঁলোকে মেথোন পোহে, গাহৰি পোহে, কুকুৰা পোহে; কিন্তু নাৰাখে। ৰথা সংস্কৃতিটো সমন্বয়ৰ জৰিয়তে মিচিং সমাজত অন্তৰ্ভুক্ত হৈছে। কৃষি-পদ্ধতি আয়ত্ত কৰাৰ লগতে আনুষংগিক বহুতো সংস্কৃতিগত, ভাষাগত আৰু সামাজিক ব্যৱস্থাত অংগীভূত কৰিবলৈ আৰম্ভ কৰিলে। প্ৰথমে বিহু সংস্কৃতিয়ে মিচিং সমাজত গভীৰভাৱে শিপাবলৈ ধৰে আৰু তাৰ লগতে বিহুগীত, বনগীত লোকপ্ৰিয় হোৱাৰ উপৰি বনগীতৰ আৰ্হিত আবাং বা, মিকুগীতৰ ঠাইত নতুনকৈ জন্ম পালে মিচিঙৰ আদৰণীয় ঐনিতম বা প্ৰিয় গীত। ঢোল, তালবোৰ মিচিং নাচবোৰত আমদানি হোৱাৰ লগে লগে পাহাৰৰ পঃনুং নাচবোৰৰ ঠাইত বিহুনাচ আৰু পঃনুং নাচৰ সংমিশ্ৰণৰ ফলত অপূৰ্ব মিচিং নাচ বা গোম্‌ৰাগ নাচৰ সৃষ্টি হ'ল। এইদৰে অন্যান্য সমাজৰ সান্নিধ্যত আৰু সংস্কৃতিৰ সমন্বয়ত অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত মিচিং সমাজৰ বৰঙণি আছে। ৰজনীকান্ত

১। 'The Mising in the Spcial System of Assam in the Middle Ages.' — *Dambarudhar Nath*

ৰবদলৈয়ে 'মিৰি জীয়ৰী'ত উল্লেখ কৰিছে যে, মিৰিসকল একুৰীয়া; আনৰ কথা মানিলেও নিজৰ কথাটো কেতিয়াও নেৰে। আনৰ কিছু অনুসৰণ কৰিলেও নিজৰটো কেতিয়াও নেৰে। গতিকে, এৰা-ধৰাৰ মাজতে তেওঁলোকৰ সমন্বয়ৰ সংস্কৃতিয়ে গঢ় লয়। বিহু নাচটো অনুসৰণ কৰিলেও মিচিং নাচৰ বৈশিষ্ট্য সুকীয়া। কৃষি-পদ্ধতি ভৈয়ামৰ পৰা গ্ৰহণ কৰিলেও, পূৰ্বপুৰুষৰ পদ্ধতিৰ প্ৰতিও শ্ৰদ্ধা জনাবলগীয়া হয়। সেইমতে, বছৰৰ আৰম্ভণিতে আলি-আয়ে-লৃগাং উৎসৱ অৰ্থাৎ কঠীয়া সিঁচা উৎসৱ পাতিব লগা হয়। পথাৰৰ এচুকত পাহাৰীয়া পদ্ধতিৰে কিছু কঠীয়া সিঁচি গুইংচমিন্, দঞি-পলক প্ৰাৰ্থনা জনাই খেতি আৰম্ভ কৰে। ইয়াৰ উপৰি আৰু এটা কৃষি-উৎসৱ প'ৰাগ বা নৰাছিগা পালন কৰে। ইয়াক খেতি চপোৱা দিনত কৰে। আলি-আয়ে-লৃগাং উৎসৱ ফাগুনৰ প্ৰথম বুধবাৰে পালন কৰে। প'ৰাগ উৎসৱটো বৰ খৰচী হোৱাত আজিকালি খুব কমেইহে হিচাপে পালন কৰে। এইবোৰ উৎসৱ আৰু ইয়াৰ নৃত্য-গীত আদিও সমন্বয়ৰ ফলতেই সৃষ্টি হৈছে। প'ৰাগ উৎসৱ পালন কৰিবলৈ মুৰং ঘৰৰ আৱশ্যক। পাহাৰত থাকোঁতে ডেকা চাং হিচাপে এই মুৰং ঘৰৰ সৃষ্টি হৈছিল। গাঁওখনৰ প্ৰতিৰক্ষাৰ কাৰণে মুৰং ঘৰবোৰত ডেকাসকল শুইছিল আৰু গাঁৱৰ ৰাজহুৱা অনুষ্ঠানবোৰে ইয়াক পৰিচালনা কৰিছিল। তেওঁলোকৰ কেবাংবোৰ ইয়াত বহি বিবাদবোৰ নিষ্পত্তি কৰিছিল। বিষ্ণু ৰাভাই উল্লেখ কৰিছিল যে, এই মুৰং ঘৰৰ আৰ্হি লৈ শংকৰদেৱে নামঘৰ স্থাপন কৰিছিল। যি কি নহওক, আদিম কালত মিচিং সমাজ পৰিচালনাৰ ক্ষেত্ৰত মুৰং ঘৰে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

আজি মিচিং গাঁওবোৰত নামঘৰ আছে; কিন্তু মুৰংঘৰে যি উদ্দেশ্য পূৰণ কৰিছিল, আজিৰ মিচিং গাঁৱৰ নামঘৰবোৰে সেই উদ্দেশ্য পূৰণ কৰিব পৰা নাই। তাত অতিৰীয়া ভকতসকলে গোপনে বৰসেৱা পাতে তাত ভুক্ত হোৱা ভকতৰ বাবেহে, অন্যৰ প্ৰৱেশ নিষেধ।

সমন্বয়ৰ যোগেদি আজি মিচিং জনজাতিসকল বৃহৎ অসমীয়া জাতিৰ অংগ হ'লেও তেওঁলোকে সুকীয়াকৈ গাঁওপাতি বাস কৰে। আজিও তেওঁলোক চাংঘৰত থাকি ভাল পায়। অৱশ্যে বানপানী আৰু গৰাখহনীয়া হোৱা ঠাইত চাংঘৰ অতি উপযুক্ত। এতিয়াও তেওঁলোকৰ চাংঘৰবোৰত বহতো পৰিয়ালে যৌথভাৱে বাস কৰে। চাংঘৰবোৰ মুৰং ঘৰৰ আৰ্হিত থাকে, য'ত কোঠাবোৰক পাৰ্থক্যসূচক বেৰ দিয়াৰ প্ৰথা প্ৰচলন হোৱা নাই। অসমীয়া ভাষাত অন্যৰ লগত আদান-প্ৰদান কৰিব পাৰিলেও তেওঁলোকৰ নিজা ভাষা— মিচিং ভাষাত কথা কয়। মিচিঙৰ নাৰীসকল বোৱা-কটাত অতি নিপুণ; ৰং-বিৰঙৰ কাপোৰ-কানি বোৱাত পাৰ্গত। পৃথিৱীৰ অতি বিখ্যাত 'মিৰি-জিম' ব'ব পাৰে, কপাহৰ পৰা সূতা তৈয়াৰ কৰিব পাৰে; তদুপৰি এৰী কাপোৰৰ উপৰি নুনীপলু পুহিও পাটৰ কাপোৰ তৈয়াৰ কৰিব পাৰে।

মিচিং নাৰীসকলে বোৱা-কটা বা হস্ত-তাঁতৰ উপৰি গাহৰি আৰু কুকুৰা পুহিও যথেষ্ট স্বাৱলম্বী হ'ব পাৰিছে। তথাপি তেওঁলোকে স্থায়ীভাৱে বসতি কৰিব নজনাত তথা নদীপৰীয়া হোৱা বাবে আজিৰ যুগতো অনগ্ৰসৰ হৈ আছে। মাজুলীৰ মিচিংসকল বিভিন্ন সত্ৰসমূহৰ প্ৰভাৱত হিন্দুধৰ্মৰ প্ৰতি আকৃষ্ট হ'লেও তেওঁলোকে আদিধৰ্মৰ আচৰণৰ প্ৰতিও অৱহেলা কৰা নাই। হিন্দুধৰ্মৰ বিভিন্ন দেৱ-দেৱীৰ প্ৰতিও তেওঁলোকৰ শ্ৰদ্ধা অসীম। মাজুলীৰ শংকৰী কলা-কৃষ্টিৰ প্ৰতিও তেওঁলোকৰ অপৰিসীম শ্ৰদ্ধা আছে। অনা-মিচিং গাঁৱত পতা ভাওনা-সবাহবোৰতো মিচিং মানুহৰ দৰ্শকেৰে ভৰপূৰ হৈ থাকে। জেংৰাই, বৰগঞা, আৰু চিতাদাৰচুক মিচিং গাঁওবোৰত ৰাস পাতিবলৈ লৈছে আৰু তাৰ যোগেদি মিচিং ল'ৰা-ছোৱালীয়ে শংকৰী কৃষ্টি-সংস্কৃতি শিকিবলৈ লৈছে। কীৰ্তন-নাম-ঘোষা আদি বৈষ্ণৱ পুথিবোৰেও মিচিং সমাজত যথেষ্ট সমাদৰ পাইছে। এনে প্ৰক্ৰিয়াৰ দ্বাৰা মিচিং সমাজত ভক্তি ভাবৰ উদয় হৈছে। তথাপি তেওঁলোকৰ আদিধৰ্ম উৰম, তালেং উয়ু আদি পূজা কৰি দুয়ো কূল ৰক্ষা কৰি চলে। ধৰ্মক লৈ কোনোদিনে তেওঁলোকে বিবাদ সৃষ্টি কৰা নাই। সহ-অৱস্থান, সহিষ্ণুতা আৰু পাৰস্পৰিক মিলা-প্ৰীতিয়েই মাজুলীৰ মিচিংসকলৰ ধৰ্ম। শিক্ষাৰ প্ৰতি সৰ্বসাধাৰণ মিচিংসকলৰ ধাউতি হৈছে। মাজুলীৰ শিক্ষিত মিচিং লোকে চাকৰি কৰিছে, উচ্চ পদস্থ বিষয়া, ডাক্তৰ, ইঞ্জিনিয়াৰ, বিদ্যালয়/ মহাবিদ্যালয়ৰ শিক্ষক আদি সকলো বিভাগতে চাকৰি কৰাৰ হাবিয়াস হৈছে। জনজাতি সংহত উন্নয়নৰ পৰা ছাত্ৰ-ছাত্ৰীক বৃত্তি দিয়া হৈছে। সমাজ উন্নয়নৰ শিতানত বহুতো উন্নয়নমূলক কাম হাতত লৈছে। মিচিং স্বায়ত্ত পৰিষদৰ পৰাও উন্নয়নমূলক কাম হাতত লৈছে। মাজুলী বিধানসভা সমষ্টিটো জনজাতিৰ বাবে সংৰক্ষিত হোৱা বাবে ইয়াত মিচিং মানুহে বিধায়ক হিচাপে প্ৰতিনিধিত্ব কৰিবলৈ পায়। এতিয়া পঞ্চায়ত নিৰ্বাচনতো মিচিংসকলে অংশ গ্ৰহণ কৰি উন্নয়নমূলক কামত, সমাজ সংগঠনত অংশীদাৰ হ'ব পাৰিছে। সকলো সম্প্ৰদায়ৰ সংমিশ্ৰণৰ যোগেদি জাতি গঠনত সফল হ'ব বুলি এওঁলোকে বিশ্বাস কৰে। পৃথক

ৰাজ্যৰ দাবী কৰি বিভাজনমুখী আন্দোলনৰ কথা মাজুলীৰ মিচিংসকলে বিশ্বাস নকৰে। মাজুলীৰ চাপৰিসমূহত তেওঁলোকে বসতি বিস্তাৰ কৰি দখল কৰি থকাত বিদেশী অনুপ্ৰৱেশকাৰীয়ে চৰবোৰ অনাধিকাৰ দখল কৰাৰ সুবিধা পোৱা নাই। চৰবোৰত বাস কৰা এই জনজাতিসকলক বিশেষ সুবিধা দি থাকিবলৈ, যেনে— নাৱৰ যোগান ধৰা, চলন্ত চিকিৎসালয়ৰ সুবিধা দিয়া বা আকস্মিকভাৱে গৰাখহনীয়া হ'লে চাংঘৰবোৰ স্থানান্তৰ কৰাৰ সুবিধা কৰি দিলে ভাল হ'ব আৰু তেনে পৰিস্থিতিত নলী-নাদৰ যোগান দি পৰিষ্কাৰ পানী খোৱাৰ ব্যৱস্থা কৰিব পাৰিলে ভাল।

## মাজুলীৰ মিচিংসকলৰ আৰ্থ-সামাজিক দিশ

মাজুলীত পৰ্যাপ্ত পৰিমাণৰ কৃষিভূমি, কাঠনি-ঘাঁহনি আদিয়ে মিচিংসকলক এসময়ত মাজুলীলৈ আকৰ্ষণ কৰিছিল। জানিব পৰা মতে মাজুলীৰ সোৱণশিৰিৰ পাৰত থকা দাসুকিয়াল গাঁওখনেই মাজুলীৰ প্ৰথম মিচিং গাঁও। তাৰ পাছতে বৰগঞা, গেজেৰা, চুমৈমাৰী আদি। বেছিভাগ মিচিং লোকেই পূৰ্বৰ দিখৌমুখ অঞ্চলৰ পৰা আহি মাজুলীৰ পাম খাইছিল। তাৰ পাছত তেওঁলোকৰ পূৰ্বৰ পিতৃভিঠা নদীৰ বুকুত জাহ যোৱাত পমুৱাঘৰত থাকিবলৈ লয় আৰু বৰপমুৱা গাঁও নামেৰে নামকৰণ হয়। পূৰ্বৰ সমৃদ্ধিশালী গাঁও গেজেৰা, চুমৈমাৰী আৰু নামনি মাজুলীৰ কৰতিপাৰৰ পৰা আৰম্ভ কৰি আঁহতগুৰি মৌজাত থকা বহুকেইখন গাঁও ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গ'ল। শেহতীয়াকৈ জাহ গ'ল কানিয়াজান আৰু বৰ্তমান আৰম্ভ হৈছে মলাপিন্ধা, চাৰিঘৰীয়া আদি বহুতো গাঁও। মাজুলীৰ মিচিং জনসংখ্যাৰ হীন-ডেঢ়ি ঘটি আছে। কাৰণ বৰ্তমান বহুতো পৰিয়াল খহনীয়াৰ কবলত পৰি ইয়াৰ পৰা আঁতৰি যাবলগা হৈছে। মাজুলীত দাসুকিয়াল, দহগাম আৰু বাৰগামৰ মিচিংসকল বসবাস কৰে। ফৈদ হিচাপে বা ভাষা, কথোপকথন, সাজ-পোছাকত বেলেগ হ'লেও উভয়ৰে কৃষ্টি-সংস্কৃতি একেই।

আহোম শাসনকালত মাজুলীৰ মিচিংসকলৰ বিষয়ে সবিশেষ পোৱা নাযায়; কিন্তু ব্ৰিটিছ শাসনকালৰ পৰা তথ্য পোৱা যায়। স্বাধীনতা সংগ্ৰামত মাজুলীৰ মিচিংসকলে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। গড়মূৰৰ শ্ৰীশ্ৰীপীতাম্বৰদেৱ গোস্বামীৰ নেতৃত্বত জেংৰাইৰ গোপাল গো-শালাত এটা সংগ্ৰামী দল গঠন হৈছিল। জেংৰাই মধুৰা গামৰ উল্লেখো পোৱা যায়। স্বাধীনতা সংগ্ৰামৰ বীৰ হিচাপে পেন্সন পাইছিল গেজেৰা গাঁৱৰ ⌐টুপীৰাম দলেই। তেওঁ মিচিং তিৰোতাৰ হাতেকটা হতুৱাই সূতাৰে কাপোৰ বোৱাইছিল।

মাজুলীৰ মিচিংসকলৰ অৰ্থনৈতিক দিশটো আটাইতকৈ শোচনীয়। চৰকাৰী সাহায্য বা ঋণলৈ চাই থকা মাজুলীৰ মিচিংসকলৰ মনত বেছিভাগৰে লাহে লাহে স্বাৱলম্বিতাৰ অভাৱ পৰিলক্ষিত হৈছে। একাংশ মিচিংলোকৰ পৰ্যাপ্ত পৰিমাণৰ কৃষিভূমি আছে যদিও উপযুক্ত ব্যৱহাৰ নহয়। খাদ্য-শস্য উৎপাদনৰ বাবে যিসকলক পানী-সিঁচা যন্ত্ৰৰ যোগান ধৰিলে, সৎ ব্যৱহাৰৰ অভাৱত ইপ্সিত লক্ষ্য পূৰ· হোৱা নাই। সেয়েহে খৰাং বতৰৰ সময়ত খেতি কৰাৰ সুবিধা কৰিব পৰা দেখা নাযায়।

আৰ্থিক দিশত তেওঁলোকে ধান, মাহ, সৰিয়হ, আলু, শাক-পাচলি, গাহৰি, কুকুৰা, গৰু আদি বিক্ৰী কৰি টনকিয়াল হোৱাৰ সম্ভাৱনা আছে যদিও মিচিংসকলে সেই সুবিধা গ্ৰহণত বিফল হৈছে। কৃষিভূমিৰ নাটনি আৰু প্ৰাকৃতিক দুৰ্যোগৰ ফলত মিচিংসমাজৰ আৰ্থিক অৱস্থা দিনে দিনে শোচনীয় হৈ আহিছে।

পশু-পালনৰ ক্ষেত্ৰত মাজুলীৰ মিচিংসকলৰ গো-পালন, ম'হ, গাহৰি, হাঁহ-কুকুৰা আদিয়েই প্ৰধান। পূৰ্বতে মাজুলীৰ বহুতো মিচিং ঘৰত হাতী পালন কৰিছিল; কিন্তু বৰ্তমান হাতী-ব্যৱসায় নাই বুলিব পাৰি। পৰ্যাপ্ত পৰিমাণৰ চৰ-চাপৰি অঞ্চল থকাৰ বাবে গৰু-ম'হ পালন কৰাৰ যথেষ্ট সুবিধা আছে। সেয়েহে চাপৰি অঞ্চলত অথবা মূল ভূখণ্ডত বসবাস কৰা কিছুমান মিচিং পৰিয়ালত কিছুসংখ্যক গৰু-ম'হ আছে। কিন্তু কৃষিভূমিৰ নাটনিয়ে পশু-পালনৰ ক্ষেত্ৰত যথেষ্ট বাধাৰ সৃষ্টি কৰিছে আৰু সেই বৃত্তি ত্যাগ কৰিবলৈ বাধ্য কৰাইছে। গাহৰি আৰু কুকুৰা প্ৰতি ঘৰতে পালন কৰে। তাৰ পৰা যথেষ্ট আয় হয় যদিও বিজ্ঞানসন্মতভাৱে পালন নকৰাৰ ফলত প্ৰতি বছৰে বেমাৰ-আজাৰত যথেষ্ট সংখ্যক মৃত্যু হয়। বোৱাৰী আৰু গাভৰুসকলৰ দৈনন্দিন খৰচ বা ঘৰুৱা খৰচৰ বাবে ই এক অন্যতম আয়ৰ উৎস। আজিকালি বহুতো মিচিং মানুহে হাঁহ পালন কৰিবলৈ লৈছে। আৰ্থিক দিশটো এইদৰে সবল হয় যদিও সঞ্চয় কৰিব পৰাকৈ যথেষ্ট নহয়।

কুটীৰশিল্পৰ ক্ষেত্ৰত পূৰ্বৰ মাজুলীৰ মিচিংসকল স্বাৱলম্বী আছিল

যদিও বৰ্তমান সেই বিদ্যা এৰি দিছে আৰু পৰনিৰ্ভৰশীল হ'বলগা হৈছে। ঠায়ে ঠায়ে এনে পৰ্যায়ো পাইছেগৈ যে, ডলা, কুলা, চালনী, পল আদিৰ দৰে সামগ্ৰীও অন্যান্য লোকৰ পৰা ক্ৰয় কৰিহে ব্যৱহাৰ কৰে।

বয়ন-শিল্পৰ ক্ষেত্ৰত মাজুলীৰ মিচিং তিৰোতাসকল অনন্যা। সুন্দৰ সুন্দৰ মনোমোহা চাদৰ, মেখেলা, ৰিবি, গাচেং, গামোচা আদি নিজে বৈ লয়; কিন্তু সকলো সামগ্ৰী ব্যৱসায়িক ভিত্তিত উৎপাদন নকৰে। আজি কিছুদিনৰ আগলৈকে এৰী চাদৰ ব্যৱসায়িক ভিত্তিত উৎপাদন কৰিছিল; কিন্তু বৰ্তমান তাকো পৰিহাৰ কৰিছে। ব্যৱসায়ৰ ক্ষেত্ৰতো মিচিংসকলৰ অনীহা; সেয়ে ব্যৱসায়ো নকৰে। মাহ-সৰিয়হৰ দিনত দুই-এজন লোকে মধ্যস্বত্বাধিকাৰী হিচাপে কাম কৰে।

মাজুলীৰ মিচিংসকলৰ সামাজিক জীৱন জাক-জমকতাপূৰ্ণ আৰু সামাজিক বান্ধোন কটকটীয়া। একোখন গাঁও শাসন কৰিবৰ বাবে পূৰ্বতে 'গাম' আছিল; কিন্তু বৰ্তমান প্ৰতিখন গাঁৱতে একোখন উন্নয়ন সমিতি আৰু যুৱক সংঘ আছে। বিভিন্ন অপৰাধৰ বিচাৰ উন্নয়ন সমিতিয়ে কৰে। সামাজিক বিচাৰ নামানিলে আৰক্ষী থানালৈ পঠাই দিয়ে।

মিচিংসকলৰ একে গোত্ৰ আৰু উপাধিৰ মাজত বিয়া-বাৰু হ'ব নোৱাৰে। সমাজত কেতিয়াবা সামাজিক নিয়মেৰেও বিয়া হয় আৰু কেতিয়াবা মনে মিলা ডেকা-গাভৰু পলাই গৈ একেলগ হয়। ল'ৰা-ছোৱালী পলুৱাই নিয়াৰ দ্বিতীয় দিনা দৰাঘৰে ছোৱালীঘৰত খবৰ দিয়ে। তাৰ পাছত মিতিৰ পাতে। কেতিয়াবা ছোৱালীঘৰে ৰাইজৰ বিচাৰ মতে ছোৱালী ঘূৰাই আনে আৰু ল'ৰাৰ অপৰাধৰ বাবে জৰিমনা ভৰিবলগা হয়। মাজুলীৰ মিচিং-সমাজত বহু-পত্নী বিবাহো দেখা যায়। তেওঁলোকৰ সমাজত তোলনী বিয়া পতাৰ ব্যৱস্থা নাই যদিও বৰ্তমান দুই-এটা পৰিয়ালে পাতিবলৈ লৈছে।

শিশু এটি জন্মৰ তিনিদিনৰ দিনা মাক আৰু সন্তানক মিচিঙৰ নিয়ম অনুসৰি শুচি কৰে। কাৰোবাৰ মৃত্যু হ'লে ৰাইজক জনাবলৈ ঘৰৰ মুধচৰ্তত উঠি এজনে ঢোল কোবায়। পূৰ্বতে মুখীয়াল ব্যক্তিৰ মৃত্যুত 'লেলং' নামৰ এবিধ বৰকাঁহ বজাইছিল; কিন্তু আজিকালি নোহোৱা হ'ল। মৃতকক বাকচত ভৰাই ৰাজহুৱা শ্মশানত পোতে। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ লোকসকলে দাহ কৰে। তিনিদিনত তিলনী, দহ দিনত দহা, এঘাৰ দিনত কাজ কৰাটো নিয়ম যদিও আৰ্থিক কাৰণত বৰ্তমান তিনিদিনতে শুচি কৰি কেইবা মাহ বা বছৰৰ মূৰত দহা-কাজ পাতে। দহা-কাজত আপং, মাছ-ভাত আদি ব্যৱহাৰ কৰে আৰু পুতেকহঁতে চুলি খুৰায়। পাছদিনা জীয়ৰী-বোৱাৰীক গাহৰি মাৰি ভোজ-ভাত দিয়ে। অনা-মিচিংসকলৰ দৰে প্ৰতিবছৰে মৃতকৰ শ্ৰাদ্ধ (বছৰেকীয়া) পতাৰ নিয়ম নাই।

এইখিনিতে এটা কথা উল্লেখ কৰিব পাৰি যে, ঘৰখনৰ যাৱতীয় কাম, যেনে— ধান মৰা, ধান খুন্দা, পথাৰৰ কাম কৰা, ভাত-পানী ৰন্ধা, আপং চকা, গাহৰি-কুকুৰা আপডাল কৰা, তাঁত বোৱা আদি সমস্ত দায়িত্ব নাৰীৰ ওপৰত। পুৰুষে কেৱল হালবোৱা বা খেতি পথাৰৰ আনুষংগিক দুই-এটা কামহে কৰা দেখা যায়।

মাজুলীৰ চুমৈমাৰী অঞ্চলৰ বহুলোক আন ঠাইলৈ উঠি যোৱাৰ পাছৰ পৰা মিচিং সমাজৰ সাধুকথা, ফকৰা-যোজনা আদি মাজুলীত নোহোৱা হ'ল। ৺তৰুণচন্দ্ৰ পামেগামৰ লিখনিতহে কিছুমান তেনেধৰণৰ সমল পোৱা যায়।

সংস্কৃতিৰ পৰিসৰ বৰ বহল। চমুকৈ ক'বলৈ গ'লে সংস্কৃতি হ'ল মানুহৰ জীৱন-যাত্ৰাৰ প্ৰণালী আৰু পথ। সংস্কৃতিৰ আদৰ্শই মানুহক এক নিৰ্দিষ্ট পথেদি লৈ যায়। সেই আদৰ্শ সমাজৰ প্ৰত্যেক কৰ্ম-প্ৰচেষ্টাৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। সমগ্ৰ অসমৰ লগতে মাজুলীৰ মিচিংসকলৰ সাংস্কৃতিক জীৱন বৈচিত্ৰ্যময়। পৰম্পৰাগত সংস্কৃতিৰ লগত অসমৰ থলুৱা সংস্কৃতিৰ মিশ্ৰণ ঘটাই এক নব্য-সংস্কৃতি সৃষ্টি কৰি তাক মিনা কৰাই লৈছে। তেওঁলোকৰ সংস্কৃতি, লোক-সংস্কৃতি আৰু তলত দিয়া ধৰণে চাব পাৰি।

মাজুলীৰ মিচিংসকলৰ মাজতো অন্ধবিশ্বাস আৰু পৰম্পৰাৰ ওপৰত ভিত্তি কৰি পূজা-পাতল কৰা, ভূত-প্ৰেত বিশ্বাস, ব্যক্তি বা ৰাইজৰ কিবা অঘটন ঘটিলে 'মিবু' মাতি মংগল চোৱা (বৰ্তমান মাজুলীত 'মিবু' পাবলৈ নাই, সেয়ে আন ঠাইৰ পৰা আনে।)এই 'মিবু'ও পৰম্পৰাগত বিশ্বাসৰ ওপৰত নিৰ্ভৰশীল। তেওঁলোকৰ গীত-মাতসমূহ আনে বুজি নাপায়। গাঁও শুদ্ধ কৰিবলৈ 'দবুৰ পূজা' পতা, বেজ-বেজালী বিশ্বাস কৰা, গাঁৱলীয়া দৰৱ ব্যৱহাৰ কৰা আদি ধৰ্মীয়-সংস্কৃতিৰ অন্তৰ্গত। ব'হাগৰ বিহুৰ প্ৰথমদিনা গো-পূজা কৰা, নতুন পঘা দিয়া প্ৰথাটো মিচিংসকলে ভৈয়ামলৈ অহাৰ পাছতহে গ্ৰহণ কৰিছিল। কাৰণ পাহাৰত গো-পালনৰ সুবিধা নাছিল। গৰু, ম'হ, ছাগলী, হাতী আদি জন্তুবোৰ তেওঁলোকে ভৈয়ামলৈ অহাৰ পিছতহে পালন কৰিবলৈ লয়।

ধৰ্ম সম্বন্ধীয় লোক-বিশ্বাসৰ ক্ষেত্ৰত তেওঁলোক কেৱলীয়া যদিও স্বকীয় ধৰ্মীয় পৰম্পৰা এৰা নাই। মাজুলীত মিচিংসকলৰ মাজত প্ৰসিদ্ধ, কেৱলীয়া, সৎসংগ আৰু কিছু খ্ৰীষ্টান লোক আছে । অৱশ্যে খ্ৰীষ্টান ধৰ্ম গ্ৰহণ কৰা বহুলোকে সেই ধৰ্ম এৰি শ্ৰীশ্ৰীআউনীআটী সত্ৰৰ শিষ্যত্ব গ্ৰহণ কৰাও দেখা গৈছে।

মিচিংসকলে কোনো পূজাৰী নিয়োগ কৰি পূজা নাপাতে। নিজস্ব ৰীতি-নীতি অনুসৰি গঞাঁলোকেই গাহৰি, কুকুৰা, মাছ আদি লৈ পূজা দিয়ে। মাজুলীৰ বহুসংখ্যক মিচিঙৰ মাজত কাল-সংহতিৰ ৰীতি-নীতি অনুসৰি সকাম আদি পাতে; কিন্তু বৰ্তমান প্ৰয়োজনীয় 'সাধু'ৰ অভাৱে দেখা দিছে। গতিকে বহুতে নাম-কীৰ্তন আদি কৰিয়েই সকাম পালন কৰে। 'দবুৰ' পূজা মিচিংসকলে সমজুৱাভাৱে প্ৰতিবছৰেই গাঁৱৰ আঁতৰত পাতে। সেই পূজাৰ দিনা অন্য গাঁৱৰ লোক দবুৰ পতা গাঁৱলৈ সোমোৱাটো নিৰ্ষিদ্ধ। প'ৰাগ বা নৱাছিগা বিহু তেওঁলোকৰ এক বিশেষ উৎসৱ। এই উৎসৱ প্ৰতি বছৰে পাতিব নোৱাৰে। ১০-১৫ বছৰৰ মূৰত একোবাৰ পাতে। এই উৎসৱত যথেষ্ট মদ, গাহৰি আদিৰ প্ৰয়োজন আৰু সুন্দৰকৈ 'মুৰংঘৰ' নিৰ্মাণ কৰিব লাগে। 'আলি-আই-লৃগাং' অৱশ্যে নিজ নিজ গাঁৱত প্ৰতিবছৰ ফাগুন মাহৰ প্ৰথম বুধবাৰৰ পৰা পালন কৰে আৰু প্ৰতিঘৰতে 'লৃগাং' নৃত্য ডেকা-গাভৰুৱে প্ৰদৰ্শন কৰে। নাচ প্ৰদৰ্শন কৰি পোৱা মাননিৰে লৃগাঙৰ শেষত ভোজ-ভাত খায়। ব'হাগৰ বিহুতো মাজুলীৰ মিচিংসকলে হুঁচৰি গায়। গাঁৱৰ বিভিন্ন নামঘৰত বয়োবৃদ্ধসকলে সকাম আদি পাতে। তদুপৰি মাজুলীৰ মিচিংসকলে শংকৰদেৱ-মাধৱদেৱৰ জন্মোৎসৱ, জন্মাষ্টমী আদি পাতে।

কৃষি সম্বন্ধীয় সংস্কৃতি লৃগাং উৎসৱ, ভঁৰালঘৰ লোৱা, আহুধান সিঁচা আদি উৎসৱ উদ্‌যাপনৰ মাজত মিচিং সংস্কৃতি জীয়াই আছে। কঁকালৰ বিষ হ'লে 'পীজাৱ উয়ে' (হাঁহৰ সকাম) পতা, চোৰ ধৰা নপৰিলে ৰাইজে দেখাকৈ কলপুলি পুতি বাঁহৰ হুল মৰা; কাতি বিহুত বন্তি প্ৰজ্বলন আদি প্ৰকৃতি পূজা, ভৱিষ্যত গণনাৰ সংস্কৃতি বুলি ক'ব পাৰি।

মিচিং সমাজৰ 'মুৰংঘৰ' এক বিশেষ সংস্কৃতিৰ স্তম্ভ স্বৰূপ। ইয়াক আকৰ্ষণীয় কৰি সজা হয়। বৰ্তমান মুৰংঘৰ মাজুলীত নাই যদিও প'ৰাগ উৎসৱৰ সময়ত ইয়াৰ অত্যন্ত প্ৰয়োজন। পূৰ্বতে এই মুৰংঘৰতে গামসকলে বিভিন্ন বিচাৰ আদি কৰিছিল। ই গণতন্ত্ৰৰ মূল ভেঁটি। নামঘৰক যিদৰে গাঁৱৰ সংসদ বুলি আখ্যা দিয়া হয়, সেইদৰে মুৰংঘৰো মিচিং সমাজৰ সংসদ। ইয়াৰ লগত জড়িত আছে মিচিং সংস্কৃতিৰ থাইশিপা।

ইয়াৰ উপৰি খাদ্য, বাসস্থান, সাজপাৰ, দৈনন্দিন কৰ্মৰাজিৰ ওপৰত আন ঠাইৰ দৰে মাজুলীৰ মিচিংসকলৰ সংস্কৃতি জড়িত হৈ আছে। কিন্তু মাজুলীৰ মিচিংসকলে আজি পূৰ্বৰ দৰে বনৰীয়া ঔষধজাতীয় শাক-পাচলি খাবলৈ নাপায়। অৰ্থৰ আৰু সামগ্ৰীৰ অভাৱত বহু মিচিংলোকে চাংঘৰ এৰি মাটিৰ ঘৰত বসবাস কৰিবলৈ লৈছে। অৱশ্যে নৈৰ পাৰত বাস কৰাসকলে যিকোনো প্ৰকাৰে চাংঘৰ সাজি লৈছে যদিও গৰাখহনীয়াই সৰ্বস্বান্ত কৰি পেলাইছে। মাজুলীৰ নতুন চাম লোকক মিলৰ ৰংচঙীয়া কাপোৰে আকৰ্ষণ কৰাৰ ফলত নিজে হাতেবোৱা কাপোৰ শিল্পটো সীমিত হ'বলৈ ধৰিছে। প্ৰকৃতিৰ প্ৰতিকূল অৱস্থা আৰু বস্তুবাদী সমাজ-ব্যৱস্থা তথা আৰ্থিক অনাটনৰ বাবে অনা-মিচিংসকলৰ দৰে মাজুলীৰ মিচিংসকলৰ সমাজ-জীৱনলৈ অৱধাৰিতভাৱেই অভাৱনীয় পৰিৱৰ্তন আহিব ধৰিছে।

## মাজুলীৰ দেউৰীসকলৰ ইতিবৃত্ত

মাজুলীত প্ৰাচীনকালৰে পৰা না না জাতি-উপজাতিয়ে বসবাস কৰি আহিছে। ইয়ালৈ পোনপ্ৰথম কোন জাতি-উপজাতিৰ প্ৰব্ৰজন ঘটিল, সঠিককৈ কোৱা টান। দেউৰীসকল মাজুলীলৈ অহাৰ নিৰ্দিষ্ট সময় নিৰূপণ কৰাটোও এটা জটিল বিষয়। অৱশ্যে তেওঁলোকৰ যে অতি প্ৰাচীনকালৰে পৰা মাজুলীত বসতি স্থাপন হৈছিল, তাত সন্দেহ নাই। দেউৰীসকলৰ মাজুলীলৈ কেনেদৰে প্ৰব্ৰজন ঘটিল, সেই সম্পৰ্কে এটি লোক-প্ৰবাদ আজিও মাজুলীৰ দেউৰীসকলৰ মাজত প্ৰচলিত হৈ আছে। এই লোক-প্ৰবাদৰ কথা পাছলৈ থৈ প্ৰথমে দেউৰীসকলৰ ঐতিহাসিক পটভূমি বিচাৰ কৰিবলৈ লোৱা হৈছে।

দেউৰীসকলৰ অসম আগমন সম্বন্ধে প্ৰামাণ্য তথ্য বৰ বেছি নাই যদিও, তেওঁলোকৰ মাজত প্ৰচলিত প্ৰবাদ আদিৰ পৰা জনা যায় যে দেউৰীসকল হিমগিৰি পৰ্বতৰ পৰা আহি অসমৰ উত্তৰ-পূব দিশৰ কুণ্ডিল নগৰত বসবাস কৰিবলৈ লৈছিল। অনুমান কৰা হয় এই হিমগিৰি পৰ্বতেই হিমালয়। ব্ৰাউন চাহাবৰ মতেও দেউৰীসকলৰ আদি বাসস্থান

কুণ্ডিল নৈৰ পাৰত আছিল। ১৯০১ খ্ৰী:ৰ জন-গণনাতো তেওঁলোকৰ প্ৰাচীন বসতিস্থল শদিয়াৰ পূবৰ কুণ্ডিল নৈৰ পাৰত বুলি উল্লেখ কৰিছে। যি কি নহওক, মংগোলীয় প্ৰজাতিৰ দেউৰীসকলে শদিয়াৰ দাঁতিকাষৰীয়া অঞ্চলবোৰত থকাৰ সময়তে চুতীয়াসকল উত্তৰ-পশ্চিমেদি আহি ব্ৰহ্মপুত্ৰ উপত্যকাৰ উজনি অসমত প্ৰৱেশ কৰে। দেউৰীসকলৰ পূজা-পাতল দেখি চুতীয়া ৰজাৰ পছন্দ হোৱাত তেওঁলোকক ৰাজ-পুৰোহিত ৰূপত থাকি, চুতীয়াসকলৰ শেষৰ জন ৰজা নীতিপালৰ ৰাজত্বকাললৈকে পূজা-পাতল চলাই যাবলৈ সুবিধা দিছিল। ১৫২৩ খ্ৰী:ত চুতীয়াৰাজ্য আহোম সাম্ৰাজ্যৰ অধীনলৈ যোৱাৰ পাছতো, স্বৰ্গদেউ গৌৰীনাথ সিংহই ৰাজ্যৰ শাসনভাৰ গ্ৰহণ কৰাৰ আগলৈকে আহোম স্বৰ্গদেউসকলেও দেউৰীসকলৰ অশীৰ্বদীয়া নিৰ্মালি গ্ৰহণ কৰিছিল বুলি বুৰঞ্জীয়ে সাক্ষ্য বহন কৰি আহিছে।[১] এনেদৰে দেউৰীসকলে ৰাজ-পুৰোহিত হিচাপে খ্যাতি লাভ কৰিছিল; যিটো কথা দেউৰীসকলে আজিও গৰ্বৰে ৰোমন্থন কৰে। উল্লেখযোগ্য এই যে দেউৰী জাতি তদানীন্তন সময়ত একমাত্ৰ শক্তি-উপাসক আছিল। ড° লক্ষ্মী দেৱীৰ মতে দেউৰীসকল যদি বিদৰ্ভৰাজ ভীষ্মকৰ প্ৰকৃত বংশধৰ, তেন্তে ১১৮৯ খ্ৰী:ত পোনতে বীৰপাল নামে এজন লোকে শদিয়াত শাসন কৰিব লাগিব। সম্ভৱতঃ দেউৰীসকলে তেতিয়া পৌৰোহিত্য কৰি থকা নাছিল।

দেউৰীসকলৰ তিনিটা শাখা— হিন্দু-চুতীয়া, আহোম-চুতীয়া আৰু দেউৰী-চুতীয়া। এই শাখা তিনিটাৰ উৎপত্তিৰ মূলতে চুতীয়াসকলৰ সৈতে স্থাপিত হোৱা বৈবাহিক সম্পৰ্কই অন্যতম বুলি ঠাৱৰ কৰা হৈছে। ড° উপেন গোস্বামীৰ 'দেউৰী-চুতীয়াৰ সাধাৰণ পৰিচয়'[২] শীৰ্ষক নিবন্ধত উল্লেখ কৰা মতে বৰাহী-চুতীয়া নামৰ এটি সৰু শাখাও আছিল যদিও কালক্ৰমত অৰ অন্তৰ্গত লোকসকল আনকেইটা ঠালৰ লগত মিলি যায়। ইয়াৰে দেউৰী-চুতীয়াসকলেই বিভিন্ন সামাজিক-সাংস্কৃতিক পৰিৱৰ্তনৰ মাজতো স্বকীয়তা বজাই ৰাখিবলৈ সমৰ্থ হৈছিল। নিজকে 'জিমচাঁয়া' বুলি পৰিচয় দিয়া দেউৰীসকল মংগোলীয় প্ৰজাতিৰ তিব্বত-বৰ্মা শাখাৰ জনগোষ্ঠী। জিতু কুমাৰ লেখাৰুৱে এক প্ৰবন্ধত[৩] উল্লেখ কৰামতে 'জিম' মানে— 'বীৰ্য' বা 'শুক্ৰ', 'চাঁ' মানে— 'সূৰ্য' আৰু 'য়া' মানে— 'চন্দ্ৰ'। 'চাঁ' আৰু 'য়া' অৰ্থাৎ পুৰুষ-প্ৰকৃতিৰ মিলনৰ পৰা সৃষ্ট 'জিম'। 'চাঁ' আৰু 'য়া'ৰ ঔৰষজাত বাবে 'জিমচাঁয়া'। কিছুলোকে 'দেউৰী' শব্দটো সাধাৰণভাৱে প্ৰকাশ কৰিছে এনেদৰে— যিজনে দেৱক পূজা কৰিব পাৰে বা দেৱক জানে; তেৱেঁই দেউৰী। ড° বাণীকান্ত কাকতিয়ে দেউৰী শব্দটো সংস্কৃত 'দেৱগৃহিক' (দেৱ + গৃহীক = দেৱগৃহী> দেউৰী) শব্দৰ পৰা উদ্ভৱ হোৱা এটা নব্য-ভাৰতীয় আৰ্য ভাষাৰ শব্দ বুলি উল্লেখ কৰিছে।[৪]

দেউৰীসকলে শদিয়াত পৌৰোহিত্য কৰি থকা অৱস্থাতে কিবা এক অজান কাৰণত মিচিমিসকলে দেউৰী পুৰোহিতসকলৰ ওপৰত আক্ৰমণ চলায়। দেউৰীসকলৰ উপাস্য দেৱতা কুণ্ডিমামাই তেতিয়া বৰপূজাৰীজনক ৰাতি সপোনত সেই ঠাই এৰি যাবলৈ দিহা দিলে। সেই পৰামৰ্শ অনুসৰি চাৰিখেলে চাৰিখন ভূৰ বান্ধি ৰাতিটোৰ ভিতৰতে ভটিয়াই এৰি দিলে। এটা সময়ত তেওঁলোকৰ ভূৰ আহি ব্ৰহ্মপুত্ৰৰ এক নিৰ্জন বালি চৰত লাগি ধৰিলেহি। প্ৰবাদ আছে যে তাৰে এখন ভূৰ হেৰাল। সেই হেৰাই যোৱা ভূৰখনেই 'পাটৰগঞা' খেলৰ বুলি কোৱা হয়। অনুমান হয়, সেয়েহে এই খেলৰ অস্তিত্ব পাবলৈ নাই। ক্ষয়-ক্ষতি নোহোৱাকৈ থকা ভূৰ তিনিখনৰ লোকসকলেই বৰ্তমানৰ দিবঙীয়া, টেঙাপনীয়া আৰু বৰগঞা খেলৰ অন্তৰ্ভুক্ত দেউৰীসকল। আজিকালিৰ ধেমাজি জিলাৰ অন্তৰ্গত দেউৰীঘাটতে হেনো ভূৰকেইখন লাগি ধৰিছিল। দেউৰী ভূৰকেইখন লাগি ধৰাৰ সূত্ৰেই উক্ত ঠাইখন আজিও 'দেউৰীঘাট' নামে জনা যায়। জন-বিশ্বাস অনুসৰি সেই দেউৰীঘাটৰ পৰাই দেউৰীসকলে বসবাসৰ উপযোগী ঠাই বিচাৰি মাজুলীৰ উজনি খণ্ডত থিতাপি লয়।[৫] এই দেউৰীসকলৰ তিনি খেলে যে মাজুলীত বসতি আৰম্ভ কৰিছিল তাৰ প্ৰমাণ আজিও কেইখনমান ঠাইৰ নামে সজীৱ কৰি ৰাখিছে। মাজুলীত টেঙাপনীয়া খেলে বসবাস কৰা টেঙাপনীয়া গাঁৱৰ নাম এতিয়াও উজনি মাজুলীত বিদ্যমান। অৱশ্যে গাঁওখনত বৰ্তমান অনা-দেউৰীলোকেহে বাস কৰে। য'ত বৰগঞাসকলে বাস কৰিছিল তাত এখন বিল আছিল আৰু আজিও সেই বিল বৰগঞা নামেৰেই জনা যায়। ঠিক সেইদৰে দিবঙীয়া খেলে বসবাস কৰা ঠাইখন জেংৰাইৰ সমীপত দেউৰীবিল নামৰ বিলখনেই জ্বলন্ত স্বাক্ষৰ বহন কৰি আছে। কথিত আছে যে কালক্ৰমত নতুন খেতি মাটিৰ সন্ধানত মাজুলীৰ পৰাই অসমৰ নানা জিলাত দেউৰীসকল সিঁচৰতি হৈ পৰিল। সেই দেউৰীসকলৰে বংশধৰসকল আজিও উজনি মাজুলীৰ শুকানসুঁতি নদীৰ পাৰত (তাহানিৰ দিখৌৰ পাৰত) চিৰাম

(শ্ৰীৰাম) দেউৰী আৰু খেৰকটীয়া নৈৰ পাৰত মাজৰ দেউৰী গাঁৱত বসবাস কৰি আছে। প্ৰায় তিনিহাজাৰ জনসংখ্যাৰে মাজুলীৰ দেউৰীসকলে এতিয়াও নিজস্ব ভাষা-কৃষ্টি সংৰক্ষণ কৰি ৰাখিছে।

সচৰাচৰ নৈৰ দাঁতি-কাষৰীয়া ঠাইত বসবাস কৰি অহা দেউৰীসকলৰ খেলবোৰৰ নামো নৈক কেন্দ্ৰ কৰিয়ে উৎপত্তি হৈছে। দিবং নৈৰ পাৰত বসবাস কৰাসকলক দিবঙীয়া, টেঙাপানী নৈৰ পাৰত বসবাস কৰাসকলক টেঙাপনীয়া আৰু বৰগাং নৈৰ পাৰত বসবাস কৰাসকলক বৰগঞা খেল বোলে।

অসমৰ লখিমপুৰ, ধেমাজি, যোৰহাট, শিৱসাগৰ আৰু তিনিচুকীয়া জিলাতেই সৰহসংখ্যক দেউৰীলোকে বাস কৰে। ইয়াৰে যোৰহাট জিলাৰ মাজুলী মহকুমাত বসবাস কৰা দেউৰীসকল সংখ্যাত তাকৰীয়া হ'লেও বৈশিষ্ট্যৰ ফালৰ পৰা একক। তেওঁলোকৰ সামাজিক গাঁথনি বৰ কটকটীয়া। তেওঁলোকৰ একেখন গাঁৱতে বহু গোত্ৰৰ লোকে বসবাস কৰে। তেওঁলোকৰ সমাজত ইজনে-সিজনক সহায় কৰাৰ নিয়ম আৱহমান কালৰ পৰা চলি আহিছে। বিপদত পৰস্পৰে পৰস্পৰক সহায় কৰাটো দেউৰী সমাজৰ অন্যতম বৈশিষ্ট্য।

---

পাদটীকা :

১. 'অসমৰ বৰ্ণাঢ্য জনগোষ্ঠী : দেউৰীসকল', প্ৰান্তিক, ১ মাৰ্চ, ২০০১ দ্ৰষ্টব্য।
২. 'অসমৰ জনজাতীয়', পৃ. ৮৮।
৩. জিতু কুমাৰ লেখাৰুৰ পূৰ্বোক্ত প্ৰবন্ধ।
৪. The Mother Goddess Kamakhya, p. 66.
৫. কিংবদন্তি অনুসৰি।

---

## মাজুলীবাসী দেউৰীসকলৰ অতীত আৰু বৰ্তমান

জাতিৰ বৈশিষ্ট্য আৰু সম্মান অটুট ৰাখিবৰ হেতু সম্ভৱতঃ পোন্ধৰ শতিকামানতে দেউৰীসকলে তেওঁলোকৰ আদি বাসস্থান শদিয়া এৰি ব্ৰহ্মপুত্ৰইদি ভূৰবান্ধি পলাই আহিছিল বুলি ইতিপূৰ্বে উল্লেখ কৰা হৈছে। তেতিয়াৰ পৰাই দেউৰীসকলে বিভিন্ন নদীৰ পাৰত বসবাস কৰিবলৈ লয় আৰু সেই সেই নদীসমূহৰ নামানুসাৰে দেউৰী জাতি ঐতিহাসিকভাৱে চাৰিফৈদত বিভক্ত হ'ল। সেই চাৰিফৈদ হ'ল— ১। দিবং নদীৰ পাৰত বসবাস কৰাসকলে দিবঙীয়া, ২। টেঙাপানী নদীৰ পাৰত বসবাস কৰাসকল টেপনীয়া (দেউৰীসকলৰ ভাষাত) বা টেঙাপনীয়া, ৩। বৰগাং নদীৰ পাৰত থকাসকলক বৰগিঞা বা বৰগঞা আৰু ৪। চতুৰ্থ ফৈদটো পাটৰগঞা বুলি পৰিচিত হ'ল। চতুৰ্থ ফৈদটো নগাঁও জিলাৰ ওচৰত লালুং (বৰ্তমান টিৱা) সম্প্ৰদায়ৰ লগত মিলি গ'ল বুলি দেউৰীসকলৰ মাজত প্ৰবাদ আছে। ব্যক্তিগতভাৱে চলোৱা অনুসন্ধানৰ পৰা এই প্ৰবাদটো সঁচা যেন লাগিল। কাৰণ বৰ্তমান 'টিৱা' সম্প্ৰদায়ৰ মাজত দেউৰী উপনাম থকাৰ উপৰিও ভাষা, সকাম-নিকামৰ মন্ত্ৰপাঠ আদিতো যথেষ্ট মিল আছে। এই সম্পৰ্কে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ৺ড° লীলা গগৈয়ে খগেন দেউৰীলৈ দিয়া এক চিঠিত এনেদৰে কৈছিল— "মই ভাবোঁ, দেউৰীসকলৰ হেৰাই যোৱা ভূৰটো লালুংসকলেই। কাৰণ 'লালুং' শব্দটো দেউৰী শব্দ। দেউৰী ভাষাত 'লা' মানে— 'এইটো' আৰু 'লুং' মানে— 'সুঁতি'। সেইফালৰ পৰা চালে লালুং সম্প্ৰদায়ৰ সৈতে আপোনালোকৰ হেৰাই যোৱা ভূৰৰ লোকসকল মিলি গ'ল।" সি যি কি নহওক, চতুৰ্থ ফৈদৰ লোক বৰ্তমান দেউৰী সম্প্ৰদায়ৰ মাজত নাই।

ভৌগোলিক অৱস্থিতিৰ বাবে দিবঙীয়া ফৈদৰ বাহিৰে বাকী দুটা ফৈদৰ মাতত কেইটামান বিশেষ শব্দৰ বাহিৰে বৈশিষ্ট্যপূৰ্ণ দেউৰী ভাষাৰ প্ৰচলন প্ৰায় নোহোৱা হ'ল।

মাজুলীত বসবাস কৰা দেউৰীসকল দিবঙীয়া ফৈদৰ। প্ৰবাদ আছে যে শদিয়াৰ পৰা ভূৰত অহা দেউৰীসকলে মাজুলীতে প্ৰথমতে বসবাস কৰিছিল। তাৰে সাক্ষী স্বৰূপে বৰ্তমান 'চিৰাম' (দেউৰীসকলে কয়) বা শ্ৰীৰাম দেউৰী গাঁৱৰ কাষতে থকা চিৰামআটী, বৰগিয়াঁ পুকুৰি (পুখুৰী), টেপনীয়া (টেঙাপনীয়া), আতিগু ইত্যাদি। দেউৰীসকলে মাজুলীত থকা দুখন গাঁৱৰ নাম ক্ৰমে— আতিগু (চিৰাম গাঁও), তেমেৰা আতিগু (মাজৰ দেউৰী গাঁও)। চিৰাম দেউৰী গাঁওখন আচলতে শ্ৰীৰাম হ'ব লাগিছিল বুলি আমাৰ ধাৰণা হয় এই কাৰণে যে, দেউৰীসকলে বিশিষ্ট শব্দবোৰ চমুকৈ উচ্চাৰণ কৰে। সেয়ে 'শ্ৰীৰাম' শব্দটো 'চিৰাম' হ'ল। 'শ্ৰীৰাম' এইবাবে হ'ব বুলি ধাৰণা হয় যে, গাঁওখনৰ চাৰিওফালে কেইবাখনো সত্ৰ, যেনে— নৰসিংহ সত্ৰ গোসাঁই বাহৰ আদি অৱস্থিত দ্বিতীয়খন গাঁৱক দেউৰীসকলে 'তেমেৰা আতিগু' বুলি কয়। 'তেমেৰা শব্দৰ কি বৈশিষ্ট্য সেই সম্পৰ্কে নাজানিলেও বৰ্তমান গাঁওখনৰ নাম

মাজৰ দেউৰী কোৱাৰ এক বৈশিষ্ট্য আছে। মাজুলীত যদিও দুখনহে গাঁও আছে, তথাপিতো লখিমপুৰ জিলাৰ ঢকুৱাখনা সমষ্টিৰ অন্তৰ্গত খেৰকটীয়া নদীৰ উত্তৰ পাৰত অৱস্থিত বালিদেউৰী গাঁওখন মাজুলীৰ কাষতে থকাৰ বাবেই অতীতৰ তেমেৰা আতিগু, মাজৰদেউৰী নামেৰে বৰ্তমান সমগ্ৰ মাজুলী তথা অসমতে জনপ্ৰিয়। জনসংখ্যাৰ ফালৰ পৰা চালে মাজৰদেউৰী গাওঁখনতেই আটাইতকৈ বেছি। তাৰ পাছতেই চিৰামদেউৰী গাঁও । মাজত এখন নদী থকাৰ বাবে দুখন যেন লাগে যদিও ভোজে-সকামে পৰস্পৰক নেৰে। সেয়ে হ'লেও 'দেগৰ' বা দেওঘৰ বা থানঘৰ দুখন বাবে পূজা-পাৰ্বনত পৰস্পৰ নিৰ্ভৰশীল নহয়। অতীতত বালিদেউৰী গাঁওখন তেনেই সৰু (১৪ঘৰ) আছিল যদিও বালিদেউৰী গাঁওখন কেইবাটাও দিশত দেউৰীসকলৰ মাজত বিশিষ্ট স্থান অধিকাৰ কৰি আছে।

চিৰাম দেউৰী গাঁৱৰ অতীত বৈশিষ্ট্যৰ বিষয়ে ক'বলৈ গ'লে কেইটামান বিশেষ কথা চকুত পৰে। সেয়া হ'ল দেউৰীসকলৰ সাধাৰণ বৈশিষ্ট্যখিনিৰ উপৰিও চিৰাম দেউৰী গাঁৱৰ মানুহে বিশেষভাৱে চাংগিৰা ইকু (ৰঙা ধুতি) আৰু চাংগিৰা বচে (ৰঙা গামোচা) ব্যৱহাৰ কৰাটো, যিটো সম্প্ৰদায়ৰ ব্যতিক্ৰম বৈশিষ্ট্য। দ্বিতীয়তে, শিক্ষিতৰ হাৰ তেনেই নগণ্য আছিল। বৰ্তমান শিক্ষিতৰ হাৰ কিছু বৃদ্ধি হ'লেও কাৰিকৰী শিক্ষাত কোনো নথকাটো গাঁওখনৰ অন্য এক বৈশিষ্ট্য। দেউৰী জাতিৰ মূল ফৈদসমূহ হ'ল— চিতিগায়', আইৰিয়', কুমতায়', বদেৰিয়'। আজিকালি অৱশ্যে অন্যান্য বহু উপ-ফৈদৰ লোক দেখা যায় যদিও চিৰাম দেউৰী গাঁৱত চিতিগায়' আৰু কুমতায়' ফৈদৰ লোক নাই। অতীতত এই চিৰাম দেউৰী গাঁৱত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শৰ প্ৰভাৱ নাছিল যদিও বৰ্তমান গাঁওখনত মহাপুৰুষীয়া প্ৰভাৱ পৰা পৰিলক্ষিত হৈছে। যাৰ ফলত নামঘৰ (ব্যক্তিগত) আৰু ভাওনা প্ৰদৰ্শন কৰা দেখা গৈছে। অন্যান্য উন্নয়নৰ দিশত বিজ্ঞানসন্মতভাৱে বিশেষভাৱে আগবঢ়া দেখা নাযায়; যদিও নতুন প্ৰজন্মক শিক্ষাৰ দিশত আগুৱাই নিবৰ বাবে প্ৰাথমিক বিদ্যালয়ৰ উপৰিও গাঁৱৰ সমীপতে ৰাইজৰ অশেষ চেষ্টাত এখন মধ্য ইংৰাজী বিদ্যালয় আৰু উচ্চ মাধ্যমিক বিদ্যালয় স্থানীয় শিক্ষিতসকলৰ চেষ্টাত গঢ়ি উঠাতো এক বলিষ্ঠ পদক্ষেপ। গাঁৱৰ মানুহবোৰ সৰল আৰু অতি মৰমিয়াল হ'লেও অতীতত এইখন গাঁৱৰ মানুহে অতিথিক স্বতঃস্ফূৰ্তভাৱে নিমন্ত্ৰণ নকৰাটো বৈশিষ্ট্য বুলি সমীপত থকা টেমেৰা আৰু বালি দেউৰী গাঁৱৰ মানুহে কথা-প্ৰসংগত কোৱা শুনা যায়। অৱশ্যে বৰ্তমান এনে বৈশিষ্ট্য চকুত পৰাকৈ নাই। আইসকলৰ মাজত শিক্ষিতৰ হাৰ কম বাবে যোৱা নব্বৈ দশকলৈকে এইখন গাঁৱত নাৰী-শিক্ষাৰ প্ৰভাৱ কম আছিল। বৰ্তমান ইয়াৰ ব্যতিক্ৰম ঘটিছে আৰু ঘৰে ঘৰে ছাত্ৰীৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰিছে।

দ্বিতীয়খন গাঁও, তেমেৰা গাঁও বৰ্তমানৰ মাজৰ দেউৰী। আগতে উল্লেখ কৰি অহা হৈছে যে মাজুলীৰ গাঁওকেইখনৰ ভিতৰত মাজৰ দেউৰীতেই লোকসংখ্যা সৰ্বাধিক। সাধাৰণতে দেউৰী জাতিৰ সাধাৰণ বৈশিষ্ট্য পৰিলক্ষিত হোৱাৰ উপৰিও এইখনেই মাজুলীৰ সমূহ জনসাধাৰণৰ মাজত জনাজাত দেউৰী গাঁও। অতীততে জনসংখ্যা বেছি কাৰণেই জনপ্ৰিয়তা লাভ কৰিছিল যদিও বৰ্তমান বিশেষ কেইটামান কাৰণত গাঁওখন বিশ্বৰ সৰ্ববৃহৎ নদী-দ্বীপ মাজুলীত নতুন প্ৰজন্মৰ মাজত জনপ্ৰিয়। সেই বৈশিষ্ট্যসমূহৰ ভিতৰত প্ৰথম জনপ্ৰিয়তাৰ কাৰণ হিচাপে ৰাজনৈতিক সক্ৰিয়তা। ১৯৭৭ খ্ৰী:ত অসমত যেতিয়া জনতা দলৰ ৰাজনৈতিক ঢৌ বলিছিল, সেই ঢৌতে অসম চৰকাৰৰ কৰ্মচাৰী আনন্দ দেউৰী চাকৰি ইস্তফা দি সাধাৰণ নিৰ্বাচনত নিৰ্দলীয় প্ৰাৰ্থীৰূপে থিয় দিছিল। নিৰ্বাচনত জয়যুক্ত নহ'ল যদিও মাজুলীবাসীৰ মনত মাজৰ দেউৰী গাঁৱৰ বিষয়ে বাৰকৈয়ে সাঁচ বহিল। দ্বিতীয়তে, মাজৰ দেউৰী উচ্চ মাধ্যমিক বিদ্যালয়খনি। বিদ্যালয়খনিৰ মূল হোতা তথা উদ্যোক্তা ✓বাপুৰাম দেউৰীৰ অশেষ আন্তৰিক প্ৰচেষ্টাত অতীতৰ বালি দেউৰী গাঁৱৰ ✓ৰমাকান্ত দেউৰী আৰু তেখেতসকলৰ পৰিয়ালৰ লোকে ভূমি দান দি বিদ্যালয়খনি প্ৰতিষ্ঠা কৰাত অভূতপূৰ্ব বৰঙণি যোগালে। ১৯৭১ খ্ৰী:ত প্ৰতিষ্ঠা হোৱা মাজৰ দেউৰী উচ্চ মাধ্যমিক বিদ্যালয়ে সেই অঞ্চলৰ সাধাৰণ খেতিয়ক পৰিয়ালৰ দুখীয়া দেউৰী ছাত্ৰী-ছাত্ৰীৰ উপৰিও সেই অঞ্চলৰ বহু ছাত্ৰ-ছাত্ৰীৰ জীৱন গঢ়ি দুখীয়া পিতৃ-মাতৃক প্ৰেৰণা দি আহিছে। এই বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ বিমলা প্ৰসাদ দেউৰী, বিদ্যালয়খনিৰ পৰিচালনা সমিতিৰ প্ৰতিষ্ঠাপক সদস্য ✓শুকুৰাম দেউৰীৰ দ্বিতীয় পুত্ৰ। তেওঁৱেই উক্ত বিদ্যালয়ৰ পৰা উত্তীৰ্ণ হৈ কাৰ্যবাহী অভিযন্তা ৰূপে উদ্যোগ বিভাগত কাৰ্যনিৰ্বাহ কৰিছে। ইয়াৰ উপৰি, একেটা পৰিয়ালৰে প্ৰথম, ১ম বিভাগত উচ্চ মাধ্যমিক শেষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা সোণ কুমাৰ দেউৰী বৰ্তমান ভাৰতীয় তেল নিগম, দুলীয়াজানত

যান্ত্রিক বিভাগৰ উপ-মুখ্য অভিযন্তা ৰূপে কাৰ্যনিৰ্বাহ কৰি আছে। তাৰ পিছত একাদিক্ৰমে ১ম বিভাগত উত্তীৰ্ণ হোৱা নবেল দেউৰী, মৃদুপৱন দেউৰী আৰু বাখৰ দেউৰী (দুয়োজন আনন্দ দেউৰীৰ পুত্ৰ) সহকাৰী অভিযন্তাৰূপে কাৰ্যনিৰ্বাহ কৰি আছে। উল্লেখযোগ্য যে মাজৰ দেউৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা পোনপ্ৰথম দ্বিতীয় বিভাগত উত্তীৰ্ণ হোৱা খগেন চন্দ্ৰ দেউৰী, দেউৰী সম্প্ৰদায়ৰ প্ৰথম ET (English Teaching) ডিপ্লমাধাৰী। তাৰোপৰি প্ৰথম কাৰ্যবাহী অভিযন্তা বিমলা প্ৰসাদ দেউৰী, প্ৰথম উপ-মুখ্য অভিযন্তা সোণকুমাৰ দেউৰী, সহকাৰী কাৰ্যবাহী অভিযন্তা নবেল দেউৰী— আটাইকেইজনৰ জন্মভূমি হ'ল মাজুলীৰ সমীপতে থকা বালি দেউৰী গাঁও। গাঁওখনৰ অন্য এক উল্লেখনীয় দিশ হ'ল দুজনকৈ শৈল্য-চিকিৎসকৰ সৃষ্টি। তেওঁলোক হ'ল— ডাঃ মুহি দেউৰী আৰু ডাঃ প্ৰভাত চন্দ্ৰ দেউৰী। দেউৰী সম্প্ৰদায়ৰ ভিতৰত প্ৰথম ফাৰ্মাছিষ্ট ডিপ্লমাধাৰী হিমালয় দেউৰী (বৰ্তমান নাৰায়ণপুৰ, উদেশ্যপুৰ দেউৰী গাঁৱৰ বাসিন্দা) আৰু বিজয় দেউৰী মাজুলীৰ জনপ্ৰিয় ফাৰ্মাছিষ্ট। অন্যহাতেদি গাঁওখনৰ প্ৰথম স্নাতকোত্তৰ ডিগ্ৰীধাৰী ঘনকান্ত দেউৰী বৰ্তমান বিক্ৰীকৰ বিভাগৰ অধীক্ষকৰূপে কাৰ্যনিৰ্বাহ কৰি আছে।

কলা-সংস্কৃতিৰ দিশতো গাঁওখন লেখত ল'বলগীয়া। এইখন গাঁৱৰ ৺নবীন দেউৰী (এপলিয়া গিৰা) জনপ্ৰিয় সুগায়ক। তেওঁৰেই ভতিজা ভূপেন দেউৰী, দেউৰী সম্প্ৰদায়ৰ প্ৰথম অনাতাঁৰ শিল্পী। শ্ৰীদেউৰীয়ে ১৯৬৯ খ্ৰী:ত পোনপ্ৰথমবাৰৰ বাবে ডিব্ৰুগড় আকাশবাণী কেন্দ্ৰৰ যোগেদি দেউৰী-বিহুগীত পৰিৱেশন কৰি সমগ্ৰ অসম-অৰুণাচলবাসী দেউৰী জনগণক আনন্দ প্ৰদান কৰাৰ লগতে দেউৰী জাতিৰ কলা-সংস্কৃতিৰ প্ৰতি নতুন প্ৰজন্মক ন-কৈ চিন্তা-চৰ্চা কৰি বিজ্ঞানসন্মতভাৱে গবেষণাৰ সমল সংৰক্ষণ আৰু গতিশীল কৰি তোলাত মনোবল যোগাইছিল। ভূপেন দেউৰীৰ কণ্ঠ, মনোহৰ দেউৰীৰ বাঁহীৰ সুৰে সমগ্ৰ অসমৰ দেউৰীসকলৰ অন্তৰত গভীৰ ৰেখাপাত কৰিছিল। ৺নবীন চন্দ্ৰ দেউৰীৰ টোকাৰী গীত বৰ্তমান অসমৰ দেউৰীসকলৰ মাজত জনপ্ৰিয় হৈ আছে। এইজন দেউৰী ব্যক্তিয়েই মাজুলীত পোনপ্ৰথমবাৰৰ বাবে তামোল-পাণ, জৰা, চকলা, গোলনেমু-কাজিনেমু আদিৰ খেতি কৰি দেউৰী মানুহে বাৰীৰ বস্তু বিক্ৰী কৰিব নজনা এই এলান্ধুকলীয়া ৰীতিৰ আমূল পৰিৱৰ্তন ঘটাইছিল।

এইখন গাঁৱত বছৰি থিয়েটাৰ পতাটো অন্যতম বৈশিষ্ট্য। নতুন পুৰুষৰ মাজত অনেক কণ্ঠশিল্পীয়ে ভুমুকি মাৰিছিল যদিও পৰিৱেশ আৰু প্ৰকৃত পথ-প্ৰদৰ্শক নথকাৰ বাবে শিল্পীসকলে তেওঁলোকৰ সুপ্ত প্ৰতিভাক জীয়াই ৰাখিব নোৱাৰিলে। সেইসকলৰ ভিতৰত অনাতাঁৰ তথা দূৰদৰ্শন শিল্পী বিদ্যাসাগৰ দেউৰীৰ নাম উল্লেখযোগ্য। এইগৰাকী শিল্পীয়ে দেউৰী জাতিৰ অনেক গীত-মাত দেউৰী ভাষালৈ অনুবাদ কৰি দেউৰী ভাষা-সাহিত্যৰ ভঁৰাললৈ এক অনন্য অৱদান আগবঢ়াইছে।

যোৱা সত্তৰ দশকলৈকে কেৱল মাত্ৰ চৈধ্যঘৰ মানুহৰে বসবাস কৰা বালি দেউৰী গাঁৱৰ স্থান সমগ্ৰ দেউৰী জাতিৰ ভিতৰতে সৰ্বোচ্চ স্থানত থাকিব। এইখন গাঁৱৰ সুযোগ্য সন্তান, একালৰ 'মাইকী ম'হগুৱাল' ড° ৰামপ্ৰসাদ দেউৰী জাতিটোৰ প্ৰথম বিলাতফেৰত। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পদাৰ্থবিজ্ঞান বিভাগৰ ৰীডাৰৰূপে অৱসৰপ্ৰাপ্ত শ্ৰদ্ধেয় দেউৰী বৰ্তমান ডিব্ৰুগড়ৰ কুমাৰণীছিগাৰ বাসিন্দা। দেউৰী জাতিৰ প্ৰথম শৈল্য-চিকিৎসক ডাঃ মহৎ দেউৰী, দুয়োগৰাকী মহান ব্যক্তি; কিন্তু দেউৰী ভাষাৰ প্ৰথম ব্যাকৰণ পুথিৰ (দেউৰী পাঠ) প্ৰণেতা শ্ৰদ্ধেয় বিশ্বকান্ত দেউৰী ভৰালী বালি দেউৰী গাঁৱৰ সু-সন্তান, দেউৰী ভাষা-সাহিত্যৰ অন্যতম পথ-প্ৰদৰ্শক। শ্ৰদ্ধেয় দেউৰী বৰ্তমান যোৰহাট ৰজাবাৰীৰ স্থায়ী বাসিন্দা। এইখন গাঁৱৰ অন্যতম বৈশিষ্ট্য হ'ল মহাপুৰুষ শ্ৰীমন্ত শংকৰ-দেৱৰ আদৰ্শ গ্ৰহণ কৰি ব্যক্তিগতভাৱে নামঘৰ স্থাপন কৰি সমগ্ৰ উগনি মাজুলীত জনপ্ৰিয়তা লাভ কৰা ৺দোলোং ভকত। তেখেত সমগ্ৰ দেউৰীকুলতে মহাপুৰুষীয়া আদৰ্শৰ পথ-প্ৰদৰ্শক। তেখেতৰেই বৰপুত্ৰ শ্ৰদ্ধেয় জয়নাথ দেউৰীয়ে পিতৃৰ পৰা পোৱা উক্ত আদৰ্শ পালন কৰি মাজুলীত এতিয়াও বসবাস কৰি আছে। গাওঁখনৰ ৫০ শতাংশ লোকে মহাপুৰুষীয়া আদৰ্শ গ্ৰহণ কৰি ১৯৭৬ খ্ৰী:ত এটি ৰাজহুৱা নামঘৰ প্ৰতিষ্ঠা কৰে। খগেন দেউৰীয়েও উক্ত নামঘৰ প্ৰতিষ্ঠাত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰিছিল।

শিক্ষা-সংস্কৃতিৰ দিশতো গাঁওখন বেছ আগবঢ়া। গাঁওখনৰ প্ৰতিটো পৰিয়ালত কমেও দুজনকৈ স্নাতক ব্যক্তি থকাৰ উপৰিও নাৰী-শিক্ষাত উচ্চস্থান লাভ কৰি আছে। আঠজনকৈ ডিগ্ৰীধাৰী অভিযন্তা আৰু ছয়জনকৈ ডিপ্লমাধাৰী অভিযন্তা থকাটো গাঁওখনৰ বাবে গৌৰৱৰ বিষয়। অতীতৰ বালিদেউৰী গাঁৱৰ প্ৰায় ১৫/২০টামান পৰিয়াল মাজুলীত বসবাস কৰিছে। দুখনকৈ প্ৰাথমিক বিদ্যালয় থকা গাঁওখনত এখন মধ্য ইংৰাজী বিদ্যালয়ো আছে।

ভাষা, কলা-কৃষ্টি, ধৰ্মীয় পৰম্পৰা, আচাৰ-আচৰণৰ দিশত অতীতৰ লগত তুলনা কৰিলে বহু অপ-সংস্কৃতিয়ে ঘূণ-পোকৰ দৰে সমাজত প্ৰৱেশ কৰাৰ সময়তো অসমৰ অন্যান্য ঠাইৰ দেউৰী জনগোষ্ঠীৰ লোকৰ তুলনাত মাজুলীবাসী দেউৰীসকলৰ বৈশিষ্ট্য অনন্য। তুলনামূলকভাৱে অসমৰ অন্য ঠাইতকৈ মাজুলীৰ দেউৰীসকল অধিক পৰিশ্ৰমী। ফলত শিক্ষিতৰ হাৰো বেছি। সেয়ে হ'লেও বৰ্তমান শিক্ষাৰ হাৰ আগৰ তুলনাত যথেষ্ট নিম্নমানৰ। মাজুলীৰ দেউৰীসকলৰ লোক-বিশ্বাস, পৰম্পৰা, আচৰণসমূহ তলত আলোচনা কৰা হ'ল।

**দেউৰীসকলৰ খেল বা ফৈদ :** দেউৰীসকলৰ টেঙাপনীয়া, বৰগঞা আৰু দিবঙীয়া ফৈদত নিজাববীয়াকৈ খেল আছে। মাজুলীত যিহেতু কেৱল দিবঙীয়া খেলহে আছে; সেয়ে এই খেলসমূহকে উল্লেখ কৰা হ'ল। সেইবোৰ হ'ল— ক) বদেৰি বা বৰদেউৰী, খ) কুমতায়, গ) আইৰিয়', ঘ) পাতিৰিয়', ঙ) লাগাচুয়', চ) চ্চাৰিয়' (কুলিয়), ছ) চিতিগায়', জ) কমাৰ।

ক) বদেৰি বা বৰদেউৰী খেলৰ লোকসকলৰ দেওধনিৰ মনোনীত ব্যক্তিয়েহে থানঘৰত বৰদেউৰী বা বৰপূজাৰী হোৱাৰ নিয়ম।

খ) যিবোৰ গাঁৱত বৰদেউৰী খেলৰ লোক নাই, তাত কুমতা খেলৰ ব্যক্তিক দেওধনিয়ে বদেৰিৰ বাবে মনোনীত কৰে।

গ) যিবোৰ গাঁৱত ওপৰোক্ত দুই খেলৰ লোক নাথাকে তাত কমাৰ খেলৰ পৰা বদেৰি মনোনীত কৰা দেখা যায়। মাজুলীৰ মাজৰদেউৰীত কুমতা আৰু বদেৰি বংশৰ লোক নথকাৰ বাবে কমাৰ বংশৰ শ্ৰীযুত মেনা দেউৰীয়ে বহুবছৰ এই পদ নিষ্ঠাৰে পালন কৰি আহিছে। অৱশ্যে চিতিগা বংশৰ লোকো গাঁওখনত নাই। পাতিৰিয়' খেলৰ পৰা সক-দেউৰী মনোনীত কৰাই পৰম্পৰা।

ঘ) আইৰিয়' খেলৰ পৰা 'বৰবৰালি' (বৰভৰালী) মনোনীত কৰা হয়।

ঙ) চ্চাৰিয়' মানে কুলি খেলৰ পৰা 'বৰা' মনোনীত কৰে।

চ) চিতিগা ফৈদৰ পৰা থানঘৰত 'ভোগ ৰান্ধনি' মনোনীত কৰে।

স্মৰণীয় যে দেউৰীসকলে অন্যান্য সম্প্ৰদায়ৰ লোকক থানঘৰত মদ বাকি খেললৈ তুলি, যিকোনো এটা খেলৰ লোক হিচাপে গণ্য কৰাৰ পৰম্পৰা আছে। এনে মদ বকা পদ্ধতিৰ দ্বাৰাই অন্য সম্প্ৰদায়ৰ ছোৱালীক বিবাহসূত্ৰে গ্ৰহণ কৰাৰ ব্যৱস্থা দেউৰী সমাজত অতীতৰ পৰা চলি আহিছে। এনেদৰে খেললৈ তুলি ল'লে কছাৰীৰ পৰা অহাসকলক কচাৰিয় বজা, সাধাৰণ শ্ৰেণীৰ অসমীয়া লোকক তুলি ল'লে মিচ্চায় বজা, আহোমৰ পৰা আহিলে আহোমসকলৰ ফৈদ অনুযায়ী নামকৰণ কৰা হয়।

দেউৰী-পূজাৰীসকলক দেগৰ (থানঘৰৰ) 'পৰিয়া' বুলি কয়। সেইসকলৰ পদ-মৰ্যাদা অনুযায়ী বদেৰি বা বৰদেউৰী, সদেৰি বা সৰুদেউৰী, বৰবৰালি (বৰভৰালী), সৰুবৰালি (সৰুভৰালী), বৰা, বাৰিক, কেঁকুৰা বৰা আৰু ৰান্ধনি। এইসকল পাৰিষদেই দেওঘৰৰ সমস্ত ৰীতি-নীতি পৰিচালনা কৰে।

দেউৰীসকলৰ সমস্ত কলা-সংস্কৃতিৰ মুখ্য কেন্দ্ৰস্থল হ'ল দেওঘৰ। দেওঘৰক কেন্দ্ৰ কৰিযেই সমস্ত পূজা-পাতল, বিহু আদি উদ্‌যাপিত হয়। গাঁৱত যিকোনো সামাজিক সিদ্ধান্ত গ্ৰহণ কৰিবলৈ চাৰিদেউৰীৰ মতামত গ্ৰহণ কৰাটো অতীতত বাধ্যতামূলক আছিল যদিও বৰ্তমান এনে বাধ্যবাধকতা শিথিল হোৱা পৰিলক্ষিত হৈছে। সেয়ে হ'লেও গাঁৱত বিয়া, দহা আদিত চাৰিদেউৰীৰ (বদেৰি, সদেৰি, বৰবৰালি, সৰুবৰালি) এজন নাথাকিলে ৰাজহুৱা আশীৰ্বাদ বা ভোজ আৰম্ভ কৰিব নোৱাৰাটো দেউৰী জাতিৰ এক পৰম্পৰা। মাজুলীত বসবাস কৰা দেউৰীসকল ইয়াৰ ব্যতিক্ৰম নহয়।

দেউৰীসকলৰ মাজত থানঘৰত প্ৰৱেশ কৰাৰ এক বিশেষ প্ৰথা আছে। তেওঁলোকে দোমাহীক অশৌচীয়া দিন বুলি গণ্য কৰি অহাৰ বাবেই, সৰ্বসাধাৰণ অসমীয়া সমাজত পালন কৰি অহা ব'হাগ বা মাঘবিহু সংক্ৰান্তিক উৰুকাৰূপে পালন নকৰে। সেয়ে তেওঁলোকে বুধ আৰু বৃহস্পতিবাৰ দুটা পবিত্ৰ দিন ৰূপে গণ্য কৰে। ফলত ব'হাগ বা মাঘ-সংক্ৰান্তিৰ পিছৰ প্ৰথম বুধবাৰতহে চাৰিদেউৰীয়ে থানঘৰত পূজা পাতি বিহু-উৎসৱ পতাৰ বিশেষ প্ৰথা। অৱশ্যে বিশেষ পৰিস্থিতিত দেওবাৰেও থানঘৰত পূজা পাতি চিৰআৰাধ্য কুণ্ডিমামাক উপাসনা কৰে।

দেউৰীসকলে অসমত অসমীয়া সমাজে উদ্‌যাপন কৰি অহা তিনি-বিহুৰ কেৱল মাত্ৰ ব'হাগ আৰু মাঘ বিহুহে বিশেষভাৱে পালন কৰে। কাতি বিহুত সামাজিক উৎসৱমুখৰ পৰিবেশ সৃষ্টি নহয় যদিও পথাৰত, ভঁৰালত, ঘৰত তেলৰ চাকি জ্বলোৱাৰ এক পৰম্পৰা আছে।

**দেওঘৰৰ পূজা :** দেওঘৰৰ পূজা হিচাপে মাজুলীৰ দেউৰীসকলে সাধাৰণতে তলত উল্লেখ কৰা পূজাসমূহ পালন কৰে। ১) ব'হাগ বিহুৰ পূজা, ২) ৰাজকেমা বা মিদিদেৰুৱা, ৩) মেতুৱা, ৪) শাওণ পূজা আৰু ৫) মাগিয় পূজা (মাঘ বিহুৰ পূজা)।

ওপৰোক্ত পূজাসমূহ মাজুলীৰ কেউখন গাঁৱেই এটা ক্ৰমত থানঘৰত উদ্‌যাপন কৰে। সেই ক্ৰম অনুযায়ী ব'হাগৰ সংক্ৰান্তিৰ পিছৰ প্ৰথম বুধবাৰৰ পৰা আৰম্ভ কৰি সপ্তাহজোৰা উপভোগৰ পিছত বৃহস্পতিবাৰে সামৰণি মাৰে। দেউৰীসকলে বিহুৰ সামৰণিৰ দিনাহে বিহুৰ পিঠা-পনা বনায়। সামৰণিৰ দিনা দেও উঠে আৰু নিৰ্দিষ্ট সময়ত গাঁৱৰ ডেকা-গাভৰুৱে থানঘৰত সমূহীয়া বিহু মাৰিবলৈ নগ'লে ঘৰে ঘৰে আহি ডেকা গাভৰুক খেদি খেদি বিহু মাৰিবলৈ নিৰ্দেশ কৰে। মাজুলীৰ দেউৰী গাঁওসমূহত এই বিহু সামৰণি উৎসৱ বৰ উলহ-মালহেৰে উদ্‌যাপিত হয় বাবে বহু দূৰ-দূৰণিৰ লোকো সমবেত হয়। দেউৰীসকলৰ পৰম্পৰা অনুসৰি বগা ধূতি (পুৰু ইকু), গামোচা (বচে) পুৰুষসকলে; গাভৰু আৰু আইসকলে মুগাৰ চাদা মেখেলা (মুগা ইগু), মুগাৰ লুগুৰু ইচা (নাচনী-নামতী সকলোৱে পৰিধান কৰা বিশেষ দীঘল চাদৰ), পুৰু গাতিগি (বগা মূৰত বন্ধা গামোচা), গামকাৰু (গামখাৰু), হাঁচৰমৰা (সোণ-পানী চৰোৱা ৰূপৰ বিশেষ খাৰু), মাদলি, কটু (থুৰীয়া), জাংপাই (থুৰীয়াতকৈ ডাঙৰ) আদি অলংকাৰ পৰিধান কৰি বিহু মাৰে। থানঘৰত সেইদিনা প্ৰত্যেকজন পুৰুষ, ডেকা-গাভৰু, আইসকলে নাচিব নাজানিলেও এপাক নাচিব পাই বুলি মাজুলীৰ লোকসকলে কয়। প্ৰবাদ আছে যে বিহু সামৰণিত নাচিলে হেনো আয়ুধান বেছি হয়। সেয়ে ধেমেলীয়া শহুৰ-শাহুৱে ন-বোৱাৰীসকলকো ঠেলি ঠেলি যেনে-তেনে এপাক মাৰিবলৈ বাধ্য কৰায়। মাজুলীৰ দেউৰী গাওঁসমূহত বিশেষভাৱে সেইদিনা দেওঘৰত কেইবাটাও দলত বিভক্ত হৈ বিচু নচা দেখা যায়। এইদৰে বিচু কৰি কৰি হাচতি, হুৰাই, ৰাঙলী, আবৰৰ' আদি নৃত্য-গীত পৰিৱেশন কৰা হয়। পুৰুষবৰ্জিত এই নৃত্যত বুঢ়ীসকলেও অংশ লয়। ডেকাসকলে আদহীয়াসকলৰ সৈতে দেওধনী বুঢ়ীক নচুৱায়। থানঘৰত বিচু সামৰণি উৎসৱত দেওধনী নৃত্যই বিশেষ তাৎপৰ্য বহন কৰে। নিৰ্দিষ্ট সময়ত বিচু সামৰিবৰ বাবে দেও-বুঢ়ীয়ে নিজে কিম্বা বৰদেউৰীৰ হতুৱাই ডেকা-গাভৰুসকলক ইংগিত দিয়ে। লগে লগে ডেকাসকলে লহৰিয়া নৃত্যৰ বাবে সাজু হয় আৰু গাভৰু আৰু আইসকল থানঘৰৰ চৌহদৰ বাহিৰ হয়। সেইদিনা দেওধনী বুঢ়ীয়ে দেশৰ ভৱিষ্যতৰ কুশল-মংগলৰ বাতৰি দিয়ে। বিভিন্নজনে ব্যক্তিগত সমস্যা আৰু বেমাৰ-আজাৰ সম্পৰ্কে দেওধনীৰ ওচৰত প্ৰণাম কৰি সোধে। এইদৰে ডেকা-গাভৰুৱে নিৰ্দিষ্ট সময়ত থানঘৰ ত্যাগ কৰি গাঁৱৰ ঘৰে ঘৰে বিহু মাৰে। বৰদেউৰী, সৰুদেউৰী আদি পূজাৰীবৰ্গৰ ঘৰত কিছু সময় বেছিকৈ বিহু মাৰে। সেইদিনা গাঁৱৰ প্ৰতি ঘৰৰ চোতালত তুঁহগুৰিৰ জুই জ্বলায়। ইঘৰ এৰি সিঘৰ পোৱাৰ ব্যৱধানখিনিত ডেকা-গাভৰুৱে এইদৰে গায় —

"জম তেৰে তেৰে

যমুনাৰ বাৰী

সুদাই তৈ আহোঁগে শদিয়াৰ বাৰী।"

দেউৰীসকলৰ থানঘৰবিলাক সাধাৰণতে গাঁৱৰ পূবত অৱস্থিত হয় বাবে পূবৰ পৰা বিহু মাৰি পশ্চিমৰ কোনো ঠাইত 'বিচু দাবেকুনৈ' (বিহুক পঠাবলৈ) যায়। তেতিয়া ডেকা-গাভৰুৱে বৰ দুখেৰে গায় —

"বেজীতে বটিয়া হীম হীম

অতি চেনেহৰ ব'হাগৰ বিহুটি

কেনেকৈ পতিয়াই দিম।"

এইদৰে গাঁৱৰ নামনিত প্ৰত্যেকৰে হাতত থকা টকামাৰি সাধাৰণ বাঁহৰ মাৰিবোৰ পেলাই কিছুদূৰ উভতি নোচোৱাকৈ দৌৰি আহে।

সেই দিনটোতে বহুতো পিতৃ-মাতৃয়ে সাৱধানতা অৱলম্বন কৰে যাতে ছোৱালীজনী সোনকালে ঘৰ সোমাইছি। কাৰণ বহু প্ৰেমিক-প্ৰেমিকাই সেই বিহু সামৰণিৰ দিনটোকে জীৱনৰ আটাইতকৈ পবিত্ৰ দিন হিচাপে বাছি লৈ প্ৰেমিকজনলৈ প্ৰেমিকাজনী পলাই যোৱাৰ সিদ্ধান্ত লয়।

**মিদিদেৰুৱা বা ৰাজকেমা (দেও-ভূত আদি খেদা পূজা):** এই দেওপূজা দেওঘৰৰ চৌহদৰ বাহিৰত কৰে। সাধাৰণতে এই উৎসৱ বিহু সামৰণিৰ পিছৰ বুধবাৰত অনুষ্ঠিত হয়। কলপটুৱাৰে তিনিটা ঘৰ সদৃশ পূজাৰ বেদী তৈয়াৰ কৰে। মাজৰটো ডাঙৰ, কাষৰ দুটা সৰু। পূজাথলীতে কেঁচা পিঠাগুৰি, তৰাপাতত বান্ধি ডাঙৰ কেৰাহিত সিজোৱা হয়। ইয়াকে 'কেমতৌ' বোলে। লগতে কেঁচা কলো সিজোৱা হয়। এই পূজাৰ আদিতে ৪টা গাহৰি, ৬০টা কুকুৰা, ১যোৰ হাঁহ, ২টা কণী

আৰু কল-পিঠা আদি উচৰ্গা কৰা হয়। ৬৪ কোটি দেৱ দেৱীৰ সন্তুষ্টিৰ অৰ্থে ৰাইজৰ সৰ্বপ্ৰকাৰ মংগল কামনাৰে এনে পূজা কৰা হয়। বৰ্তমান এই প্ৰথাৰ কিছু শিথিল হোৱা যেন লাগে।

**মেতুৱা পূজা :** দেউৰীসকলৰ এয়া হ'ল আটাইতকৈ গুৰুত্বপূৰ্ণ পূজা। মাজুলীৰ দেউৰীসকলে সাধাৰণতে দেউৰী-বিহু আৰম্ভ হোৱাৰ তৃতীয় বুধবাৰত এই পূজা দিয়ে। সমজুৱাভাৱে গোটেই গাঁৱৰ ৰাইজৰ মংগলাৰ্থে ৩টা ছাগলী, পাৰ, কুকুৰা আদি দিয়াৰ উপৰি ব্যক্তিগতভাৱে আগ কৰি থোৱা ছাগলী, হাঁহ-পাৰ, কুকুৰা আদি পূজাৰ বাবে আগবঢ়োৱা হয়। ৰাইজৰ ছাগলীকেইটাৰ ডিঙি একে ঘাপে ছিগিছেনে নাই সেই কথাৰ ৰাইজে ভূ লয়। কাৰণ দেউৰীসকলৰ মাজত প্ৰবাদ আছে যে, একেঘাপে ছাগলীৰ ডিঙি নিছিগিলে অমংগল হয়। সেয়ে এই কথাৰ ভূ-লওঁতে বৰ উদ্গ্ৰীব হৈ পৰে। এই মূল দিনটোত উৎসৰ্গিত ব্যক্তিগত হাঁহ, পাৰ, ছাগলী, কুকুৰা আদি বেছি হ'লে বৰদেউৰীৰ নিৰ্দেশত নিৰ্দিষ্ট সময়ত পূজাৰ কাম সমাপ্ত কৰে আৰু বৈ যোৱা ব্যক্তিগত হাঁহ, পাৰ, ছাগলীবোৰ কোনোবা নিৰ্দিষ্ট দিনত মেতুৱা দিয়া হয়। 'মেতুৱা' শব্দৰ অৰ্থ 'মে' মানে ছাগলী; 'তুৱা' মানে টোঁৱাই থকা। অৰ্থাৎ ছাগলীটোলৈ দেওঘৰৰ বলিকটা বিশেষ দাখন সাজু হৈ থাকে।

**শাওণীয় পূজা :** শাওণ মাহত উদ্‌যাপন কৰে বাবে এই পূজাক শাওণীয় পূজা বোলে। এই পূজাৰ বৈশিষ্ট্য হ'ল, এই পূজা কৰাৰ পিছৰে পৰা থানঘৰৰ দুৱাৰ মাঘ বিহুলৈকে বন্ধ কৰা হয়। সেয়ে ইয়াক 'চিপেৰে গিদুৱা' পূজা বুলিও কোৱা হয়। এই পূজাত ৰাজহুৱাভাৱে এটা ছাগলী বলি দিয়া হয়।

**মাঘ বিহু :** মাঘ বিহুৰ বাবে গাঁৱৰ ডেকাসকলে এমাহমানৰ আগতে শিমলু গছৰ খৰি ফালি শুকুৱাই ৰাখে। মাঘৰ বিহুৰ উৰুকাৰ আগদিনা (সংক্ৰান্তিত নহয়) অৰ্থাৎ বুধবাৰে উৰুকা বৃহস্পতিবাৰে বিহু আৰম্ভ হয়। সেয়ে মাজুলীৰ দেউৰীসকলে মংগলবাৰে ৰাতি ঢেঁকীশালত চাউল ভাজি কড়াইগুৰি প্ৰস্তুত কৰে। সেইদিনা ঘৰে-ঘৰে লেম-চাকিৰ পোহৰত ঢেঁকীশালত এনেদৰে চাউল ভজাৰ ফলত চাৰিওফালে বস্তি জ্বলোৱাৰ দৰে গাঁওখন উৎসৱমুখৰ হয়। ল'ৰাবোৰে (ডেকাবোৰে) দলবান্ধি সান্দহগুৰি খাই ফুৰে। এয়া এক পুৰণিকলীয়া নিয়ম। এনেদৰে খাই ফুৰোঁতে ল'ৰাবোৰৰ মুখত শুনা যায়—

*"মেৰকু মেৰকু হাদ হাদ*
*কুৰমে কুৰমে দহা দহা।"*

সেইদিনা ৰাতি গাঁৱৰ ডেকাবোৰে আগেয়ে চাই থোৱা শিমলু গছ গৃহস্থক সোধ-পোছ নকৰাকৈ কাটি আনে। বুধবাৰে গোটেই দিনজুৰি মেজি সাজি সন্ধিয়াৰ আগে আগে শেষ কৰে। মেজি সাজি থাকোঁতে ডেকাসকলে সেইফালেদি যোৱা গাভৰুৰ ৰূপ-গুণ বৰ্ণনা কৰি 'মজায়া' গায়। বৃহস্পতিবাৰে পুৱা দোক্‌মোকালিতে পিতৃ-মাতৃ থকা ডেকা দুই-তিনিজনে মিলি সমবেতভাৱে জয়ধ্বনি দি অগ্নি দেৱতাক স্মৰণ কৰি মেজি জ্বলায়। সেইদিনা প্ৰায় মানুহে আলু, কাঠআলু টোপোলা কৰি মেজিত অৰ্পণ কৰে।

সেইদিনা কোনোবা ন-কইনা, চিৰৰুগীয়াসকল আৰু পৰীক্ষাৰ্থীসকলে নিজৰ নিজৰ উদ্দেশ্য সিদ্ধিৰ হকে চুজে-কাজি (মদ-ভাজি) আগবঢ়াই উপস্থিত ডেকা আৰু ৰাইজৰ ওচৰত আশীৰ্বাদ বিচাৰে। এনে কৰিলে বহুজনৰে মনৰ আশা পূৰ হয় বুলি মাজুলীৰ দেউৰীসকলে বিশ্বাস কৰে। এই বিহু তিনিদিন মানতে অন্ত পৰে। ইয়াৰ সামৰণী অনুষ্ঠান নাই।

দেওঘৰত উদ্‌যাপিত এই উৎসৱসমূহৰ উপৰিও আৰু কিছুমান বিশেষ সামাজিক উৎসৱ মাজুলীৰ দেউৰীসকলৰ মাজত প্ৰচলিত হৈ আছে। সেইবিলাকৰ ভিতৰত 'য়ই মিদি' (আই সকাম), 'ৰাইজ ভকত মক' (ৰাজহুৱা ভকত ভাত) আদি প্ৰধান।

ইয়াৰ উপৰি ঘৰুৱাভাৱে পতা সকামসমূহ হ'ল, 'ৰিষ্ট', 'ন-জনীয়া', 'এৰৈকেশজনীয়া' (আজিকালি নকৰা হ'ল), 'য়ই চগাদুবা' (আইলৈ আগকৰা), 'মিনুচি মিদি' (লক্ষ্মী পূজা), 'গুৰু লাগাবা' (গুৰু মতা), 'চাই-চিক লাবিবা' (চোৰা ভঙা), 'কিন মিদি' (বজ্ৰপাত পৰিলে পতা সকাম)। মাজুলীৰ দেউৰীসকলে এনেবোৰ সকাম-নিকাম বহু যুগৰ পৰাই কৰি অহাৰ উমান পোৱা যায়।

মাজুলীৰ দেউৰীসকলৰ আৰু কিছুমান ঘৰুৱা উৎসৱ আছে যিবোৰত সমূহ ৰাইজৰ পূৰ্ণ সহযোগ পোৱা যায়। তেনে ঘৰুৱা উৎসৱবোৰৰ ভিতৰত 'লগুনগাটি লেবা' (ছোৱালী পলুৱাই অনাৰ পিছত সমজুৱা স্বীকৃতি দিয়া উৎসৱ), 'মক চিবা হাবা' (ন-ভাত খোৱা), 'চুৱা লাবিবা' (নৱজাতকৰ অশৌচ ভঙা) ইত্যাদি। মৃতকৰ শুচিকৰণৰ কৰ্মপদ্ধতিবোৰ মাজুলীবাসী দেউৰীসকলৰ মাজত পৰম্পৰাগতভাৱে একে পদ্ধতিৰে চলি আহিছে। দেউৰীসকলে সাধাৰণতে মৃতদেহ দাহ কৰে। মৃতকৰ বৰপুত্ৰ বা কনিষ্ঠ পুত্ৰই মুখাগ্নি কৰে। যিজনে মুখাগ্নি কৰে সেই পুত্ৰৰ হাতেদি মৃতকৰ পিণ্ডদান দিয়ে।

সাধাৰণতে মহিলাৰ বেলিকা ৫ দিন আৰু পুৰুষৰ বেলিকা ৭ দিন এবেলা (মৃতকক দিয়া বলা) উপবাসে থাকি ফল-মূলৰ বাদে একো খাদ্যবস্তু গ্ৰহণ নকৰাকৈ থাকে। ঠিক ৫।৭ দিনৰ অন্তত 'পিণ্ড উটাবা'— পিণ্ড সামৰণী অনুষ্ঠানৰ ভিতৰেদি সকলো কৰ্ম শেষ কৰি ব্ৰত ভংগ কৰি ৰাইজৰ লগত ভোজ-ভাত খায়। দহা-কাজ দেউৰীসকলে আৰ্থিক দিশৰ লগত নিৰ্ভৰ কৰি অৰ্থাৎ নিজৰ সুবিধা অনুসৰিহে দিন ধাৰ্য কৰে।

বিয়া-বাৰুৰ ক্ষেত্ৰত দেখা যায় দেউৰীসমাজত পৰম্পৰাগতভাৱে চলি অহা গন্ধৰ্ব-বিবাহেই প্ৰধান। এনে বিবাহত নিৰ্দিষ্ট খেলৰ ছোৱালী হ'লে মাক-বাপেকে গাহৰি বধ কৰি গাঁৱৰ সকলো ৰাইজক মাতি (বেছিভাগ নামাতিলেও যায়) ভোজ খুৱাই আশীৰ্বাদ লয়। অৱশ্যে নতুন চামে বৰ-বিয়া পাতিবলৈ মনোনিৱেশ কৰাত সমাজত প্ৰচলিত গন্ধৰ্ব বিবাহৰ প্ৰথা একালত প্ৰায় শেষ হ'বগৈ যেন লাগে। এনে গন্ধৰ্ব প্ৰথাৰে বিবাহপাশত আৱদ্ধ হ'লে 'বুঢ়ী-বিয়া' পতাটো বাধ্যতামূলক। ল'ৰা-ছোৱালী ডাঙৰ হৈ যোৱাৰ পিছতো ৫০/৬০ (আজিকালি সলনি হৈছে) বছৰ বয়সত বয়সস্থ মাক-বাপেকৰ বিয়া দেখি পুত্ৰ-কন্যাই লজ্জাবোধ কৰে যদিও ৰাইজে বৰ আনন্দ লভে।

'বৰ-বিয়া' মানে আনুষ্ঠানিকভাৱে খুজি পতাৰো প্ৰথা আছে। সেয়ে খুব কম সংখ্যকলোকেহে বৰ-বিয়া পাতে।

ভাষা-সংস্কৃতিৰ ক্ষেত্ৰত মাজুলীবাসী দেউৰী ৰাইজ পিছপৰা। ভাষা-সাহিত্যৰ প্ৰতি অনুৰাগী লোকৰ সংখ্যা তেনেই নগণ্য; কিন্তু বৰ্তমান দেউৰী-সাহিত্য সভাৰ অশেষ চেষ্টা আৰু প্ৰেৰণাত নতুন এচামে দেউৰী ভাষাৰ চৰ্চা কৰিবলৈ আৰম্ভ কৰাটো শুভলক্ষণ। অনুবাদ-সাহিত্যৰ প্ৰতি অনুৰাগী কিছু শিল্পীয়ে দেউৰী ভাষাত গীত-নাটক আদি লিখাৰ চেষ্টা চলাই আছে বুলি জনা যায়। দেউৰী ভাষাৰ Standard Language মাজুলীত প্ৰচলিত হৈ থকাটো শুভলক্ষণেই নহয়, নতুন প্ৰজন্মৰ বাবে প্ৰেৰণাৰ উৎসও।

দেউৰীসকলৰ বহু হেৰাব খোজা লোকগীতৰ সুৰ জনা লোক মাজুলীৰ মাজৰ দেউৰী গাঁৱত আছিল; কিন্তু প্ৰকৃত চৰ্চাৰ অভাৱত এনে আপুৰুগীয়া গীতসমূহৰ প্ৰচলন বন্ধ হোৱা উপক্ৰম হৈছে। অতীতৰ বিয়ানাম, টোকাৰীগীত, বীণৰ চৰ্চা মাজুলীত আছিল। নতুন পুৰুষে এনে আপুৰুগীয়া সম্পদৰ চৰ্চা নকৰাত আজিকালি লুপ্তপ্ৰায় হ'ল।

আইনাম আৰু মালিবাই গীতৰ (মালিতা) বিশেষ সুৰসমূহ মাজুলীত আজিও শুনা যায়। আইসকলৰ মাজত অনেকেই এই ঐতিহ্যপূৰ্ণ গীতসমূহৰ সুৰ জানে যদিও চৰ্চাৰ অভাৱত হেৰাই যোৱাৰ উপক্ৰম হৈছে।

এই কথা স্পষ্টকৈ দেখা যায় যে মাজুলীৰ দেউৰীসকলৰ মাজত বহু বৈশিষ্ট্য আছিল; কিন্তু উপযুক্ত চৰ্চাৰ অভাৱত এই বৈশিষ্ট্যসমূহ বৰ্তমানে লোকচক্ষুত ধৰা দিয়া নাই। মাজুলীৰ দেউৰীসকলৰ এনে বৈশিষ্ট্যসমূহ নতুন পুৰুষে বিজ্ঞানসন্মত-ভাৱে চিন্তা-চৰ্চা কৰি ব্যৱহাৰিক জীৱনত খটুৱাব পাৰিলে ইয়াৰ ফল সুদূৰপ্ৰসাৰী হ'ব।

## মাজুলীৰ কৈৱৰ্তসকল

"চতুৰ্বৰ্ণ্যং ময়া সৃষ্টং, গুণকৰ্ম বিভাগচঃ" — ভগৱান শ্ৰীকৃষ্ণই গীতাত অৰ্জুনক কৰ্মযোগৰ বিষয়ে দিয়া উপদেশৰ আঁত ধৰি মানৱ জাতিৰ গুণ আৰু কৰ্মৰ আধাৰত ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ— এই চাৰিটা ভাগত ভাগ কৰিছিল। প্ৰথমে জন্ম তাৰ পাছতহে কৰ্ম। সেই কৰ্ম অনুসৰিয়েই জাতিৰ সৃষ্টি। অৰ্থাৎ জন্মৰ লগে লগেই মানুহৰ জাতিৰ সৃষ্টি হ'ব নোৱাৰে। অধ্যাপক ফ্লাৱাৰে মানৱজাতিক নিগ্ৰো, মংগোলীয় আৰু ককেছীয়ান— এই তিনিটা ভাগত ভাগ কৰিছে।

মানৱ জাতিৰ সৃষ্টিৰ আদিম ইতিহাসৰ বিৱৰ্তন আৰু ভাৰতীয় সভ্যতাৰ প্ৰাচীন যুগৰ পৰা বৰ্তমান মানৱ সমাজলৈ এক নিৰৱচ্ছিন্ন ধাৰাবাহিকতা আছে। এই অক্ষুণ্ণ ধাৰাৰ গতিতেই সমাজত শ্ৰেণী-বিভাজনৰ সৃষ্টি হৈছিল।

ভাৰতীয় জাতি, বৰ্ণ বিভাজনৰ মাজত কৈৱৰ্তসকলো এটা জাতি। পৰমব্ৰহ্ম, নিৰাকাৰ-নিৰঞ্জন প্ৰভুৰ নাভি-কমলতেই ব্ৰহ্মাৰ সৃষ্টি। সেই ব্ৰহ্মাৰ পৰাই দক্ষ, অদিতি, বিৱস্বান, মনু, ইলা, পুৰুৰবা, আয়ুঃ, নহুষ, যযাতিৰ সৃষ্টি। প্ৰথমা ভাৰ্যা দেৱযানীৰ পৰা যাদৱ কুল আৰু দ্বিতীয়া ভাৰ্যা শৰ্মিষ্ঠাৰ পৰা পুত্ৰ পুৰু। পুৰু, জন্মেজয়, প্ৰচীমান, সংযতি-অহংৱযতি, সাৰ্বভৌম-জয়সেন-অৱাৰ্চীন-অৰিহ-মহাভৌম-অযুনায়ী, অক্ৰোধন, দেৱাতিথি-অৰিঅৰ্ক্ষ-তংসু-ইলিন-দুষ্মন্ত। সেই দুষ্মন্তই বিয়া কৰাই শকুন্তলাক আৰু শকুন্তলাৰ পুত্ৰ ভৰত। ভৰত-ভূমন্য-পৰীক্ষিত-ভীমসেন-প্ৰতিশ্ৰবা-প্ৰতীপ-শান্তনু। আনহাতে মহাতপস্বী বসুৰাজে বিয়া কৰাই মৎস্যৰাজৰ কন্যা অদ্ৰিকাক। বসু আৰু

অদ্ৰিকাৰ পালিতা কন্যা মৎস্যগন্ধাৰ ৰূপত বিমুগ্ধ হৈ পৰাশৰ মুনিয়ে যমুনা নৈৰ পাৰত মৎস্যগন্ধাক বিয়া কৰায়। মুনিয়ে মৎস্যগন্ধাৰ নাম দিলে গন্ধৱতী বা যোজনগন্ধা। এই গন্ধৱতীৰেই পৰৱৰ্তী নাম হ'ল সত্যৱতী। পৰাশৰ মুনিয়ে সত্যৱতীক ত্যাগ কৰাত এটা নিৰ্জন দ্বীপত সত্যৱতীয়ে এটি পুত্ৰ সন্তান জন্ম দিয়ে। তেওঁৰ নাম কৃষ্ণদ্বৈপায়ণ বা ব্যাসদেৱ। প্ৰয়োজন সাপেক্ষে মাতৃক দেখা দিয়াৰ প্ৰতিশ্ৰুতি দি ব্যাসদেৱে সত্যৱতীক পৰিত্যাগ কৰি গভীৰ তপস্যাত মগ্ন হ'ল। সেই ব্যাসৰেই সৃষ্টি বেদ। শান্তনুৱে সত্যৱতীক বিয়া কৰালে। শান্তনুৰ প্ৰথমা ভাৰ্যা গংগাৰ পুত্ৰ ভীষ্ম; সত্যৱতীৰ পুত্ৰ বিচিত্ৰবীৰ্য আৰু চিত্ৰাংগদা। বিচিত্ৰবীৰ্যৰ প্ৰথমা ভাৰ্যা অম্বিকাৰ পুত্ৰ ধৃতৰাষ্ট্ৰ আৰু বিদুৰ। ধৃতৰাষ্ট্ৰৰ পুত্ৰ এশ-কৌৰৱ। দ্বিতীয়া ভাৰ্যা অম্বালিকাৰ পুত্ৰ পাণ্ডু। পাণ্ডুৰ পুত্ৰ পঞ্চ-পাণ্ডৱ। আনহাতে বিৰাটৰাজ মাছমৰীয়াসকলৰ ৰজা আছিল বাবে তেওঁক মৎস্যৰাজ বোলা হৈছিল। বিৰাট ৰজাৰ কন্যা উত্তৰাক অৰ্জুনৰ পুত্ৰ অভিমন্যুৱে বিয়া কৰাইছিল। অভিমন্যুৰ পুত্ৰ পৰীক্ষিত আৰু পৰীক্ষিতৰ পুত্ৰ জন্মেজয়। এইদৰেই ভাৰতবৰ্ষত কৈৱৰ্ত সম্প্ৰদায়ৰ ক্ৰমাগত বিকাশ ঘটিল। বুৰঞ্জীবিদসকলে প্ৰাচীন সিন্ধু নদীৰ উপত্যকাত দ্ৰাবিড় আৰু আৰ্যগোষ্ঠীৰ লোকসকলে বসবাস কৰাৰ কালতো গোষ্ঠীবিলাকৰ কঁকালৰ জোখ, চুলিৰ ৰং, ছালৰ বৰণ, চকুৰ ৰং আদিৰ তথ্যৰ ওপৰতো জাতি-উপজাতিৰ বিভাজন হৈছিল বুলি ঠাৱৰ কৰা হৈছে।

সংস্কৃতত 'কৈৱৰ্ত' শব্দৰ অৰ্থ এনেদৰে পোৱা যায়: 'কে ৱৰ্ততে ইতি কৈৱৰ্ত।' 'কে' শব্দই পানীক বুজায়। অৰ্থাৎ পানীক নিৰ্ভৰ কৰি যি জীৱন-নিৰ্বাহ কৰে, সিয়েই 'কৈৱৰ্ত'। কৈৱৰ্ত শব্দৰ পৰাই কেৱট আৰু কেঁওট শব্দৰ সৃষ্টি হৈছে। কৈৱৰ্ত আৰু কেঁওট মূলতঃ একেটা জাতি। আনহাতে ছাৰ এডৱাৰ্ড গেইটৰ 'History of Assam'ত কেঁওট জাতিৰ কোনো উল্লেখ নাই। গেইট চাহাবে তেখেতৰ 'অসম বুৰঞ্জী'ত লিখিছে— "The Kaibarta who were once prominent in the population live on agriculture." জনসংখ্যা হিচাপে বিখ্যাত কৈৱৰ্তসকলে এসময়ত কৃষিৰ ওপৰতেই নিৰ্ভৰ কৰিছিল। সময়ৰ গতিত কৈৱৰ্তসকলে কৃষিতকৈ মৎস্য ব্যৱসায়ক আগস্থান দি নদীৰ অৱবাহিকা অঞ্চল আৰু আশে-পাশে বাস কৰিবলৈ ধৰিলে। আজিকালিও কৈৱৰ্তসকল বেছিকৈ নদীৰ কাষত বাস কৰে আৰু বহু সংখ্যকেই কৃষিতকৈ মাছধৰা আৰু মাছৰ ব্যৱসায় কাৰ্যত জড়িত হৈ থাকে। কৈৱৰ্ত জাতিৰ তিৰোতাসকল কৃষি-কৰ্ম আৰু বোৱা-কটা কাম কৰা, ঘৰ পৰিষ্কাৰকৈ ৰখা আদি আদিম প্ৰবৃত্তি। সামাজিক আচাৰ-ব্যৱহাৰ ৰীতি-নীতি, ধৰ্মীয় উৎসৱ পালন আদিত হিন্দুধৰ্মৰ অন্য সম্প্ৰদায়তকৈ পিছপৰা নহয় আৰু কোনো পাৰ্থক্য নাই। গেইট চাহাবৰ বুৰঞ্জীত তেখেতে এঠাইত লিখিছে— "A few others, such as Dom's of obvious of Dravadion origion, the bulk of the population of the Brahmaputra Valley is comprised of tribes whose peculiar dialects belong to the Tibeto-Burma branch " অৰ্থাৎ 'ডোম'বিলাক এটা বিশেষ উপভাষা কোৱা তিব্বত-বাৰ্মী গোষ্ঠীয় জনজাতি। গতিকে 'কৈৱৰ্ত' আৰু 'ডোম' এই দুটা জাতিৰ পাৰ্থক্য অতি পৰিষ্কাৰ; কিন্তু গোড়া সমাজ-ব্যৱস্থাত কৈৱৰ্তসকলক অন্যান্য তথাকথিত বহুতো সম্প্ৰদায়ৰ মানুহে 'ডোম' বুলি, পিছপৰা মানুহ বুলি হেয় প্ৰতিপন্ন কৰিব খোজে। কৈৱৰ্ত মানুহে মহৎ আৰু আদৰ্শপূৰ্ণ শ্ৰম কৰিলেও সমাজৰ এচামে নিম্ন মানুহে কৰা কাম বুলি তাচ্ছিল্য কৰে। ইয়াৰ প্ৰতিকাৰ স্বৰূপে মাজুলীৰ গড়মূৰ সত্ৰৰ দ্বাদশ ধৰ্মাচাৰ্য, সমাজ-সংস্কাৰক শ্ৰীশ্ৰীপীতাম্বৰদেৱ গোস্বামীয়ে বিশাল কৰ্মময় জীৱনৰ অভিজ্ঞতাৰে ১৯১০ খ্ৰী:ত অসমৰ চীফ্ কমিশ্যনাৰক সমাজত অস্পৃশ্য বুলি গণ্য কৰি 'ডোম'ৰ পৰিৱৰ্তে এই জাতিক 'কৈৱৰ্ত' বুলি আখ্যা দিয়াটো উচিত আৰু সমীচিন হ'ব বুলি যুক্তিযুক্ত শাস্ত্ৰীয় বচনৰ উদ্ধৃতিৰে দাবী জনাইছিল।

পুৰাণ, মহাভাৰত, আদি যামল আদিতেই কৈৱৰ্ত জাতিৰ ইতিহাস সোমাই আছে। এই আপুৰুগীয়া গ্ৰন্থসমূহ ভালকৈ অধ্যয়ন কৰিলেই বুজিব পাৰি, কৈৱৰ্ত জাতি এটা প্ৰাচীন ঐতিহ্যপূৰ্ণ জাতি। প্ৰাক্‌শংকৰী যুগৰ 'চৰ্যাপদ'কালত কৈৱৰ্ত জাতিৰ 'মীণপা'ই কাশ্মীৰলৈ গৈ বৌদ্ধধৰ্ম প্ৰচাৰ কৰাৰ কথা উল্লেখ আছে।

আজিৰ পৰা ৫৫৩ বছৰৰ পূৰ্বে জন্মগ্ৰহণ কৰা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱেও 'কৈৱৰ্ত' বুলিহে ধৰ্মীয় পুথিসমূহত উল্লেখ কৰিছে। ভাগৱতৰ দশম স্কন্ধত তেওঁ লিখিছে— 'কলিত কেৱল কৈৱৰ্ত প্ৰধান।' 'আদি যামল'ত এই তাৎপৰ্যপূৰ্ণ কথাষাৰৰ ভাবাৰ্থ বৰ্ণিত আছে।

প্ৰায় পঞ্চদশ শতিকাৰ পৰাই মাজুলী বা মাজালি নামেৰে পৰিচিত এই ভূখণ্ড পৃথিৱীৰ সৰ্ববৃহৎ নদী-দ্বীপ। প্ৰকৃতিৰ ৰম্যভূমি,

মহাপুৰুষীয়া সত্ৰীয়া-সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ; শস্য-মৎস্যৰ ভঁৰাল, বিভিন্ন জনগোষ্ঠীৰ মিলনত কৈৱৰ্তসকলো এটা উল্লেখযোগ্য জনগোষ্ঠী। মাজুলীৰ কৈৱৰ্তসকল কেতিয়া কেনেকৈ মাজুলীলৈ আহিছিল, সেই সম্পৰ্কত বুৰঞ্জী নিমাত। ক্ষণজন্মা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ ১৫২২ খ্ৰী:ত ধুঁৱাহাট-বেলগুৰিত মণি-কাঞ্চন সংযোগ কালতো এই ভূখণ্ডত কৈৱৰ্তসকলে বসবাস কৰি থকাৰ প্ৰমাণ আছে। স্বৰ্গদেউ প্ৰতাপসিংহই উজনি মাজুলীৰ এক বৃহৎ অঞ্চলত ৰং-ধেমালি কৰিবৰ বাবে ৰাজকীয় প্ৰমোদ-বাহৰ নিৰ্মাণ কৰিছিল, যি 'ৰাঙলী বাহাৰ' নামৰ বৰ্তমান কৈৱৰ্ত জাতিৰ বৃহৎ অঞ্চল। বাহৰৰ অনতিদূৰত কৃত্ৰিমভাৱে চৰাইৰ বাসস্থানৰ কাৰণে চৰাইৰ চোং পাতিছিল। এই ঠাইখনে বুৰঞ্জীক বহু সমল প্ৰদান কৰিছে। ইয়াৰ পৰা জনা যায় যে কৈৱৰ্তসকলো মাজুলীৰ পুৰণি গিলঞ্জীয়া জাতি। মাজুলীৰ ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক আদি দিশত কৈৱৰ্তসকলেও বিশেষ ভূমিকা পালন কৰি আহিছে। উজনি আৰু নামনি অসমৰ বৰাক আৰু ব্ৰহ্মপুত্ৰ উপত্যকাত বাস কৰা এই লোকসকলৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, চাল-চলন, মাত-কথা কিছু বেলেগ ধৰণৰ। এই লোকসকলে দাস, হাজৰিকা, শইকীয়া, বৰা, বৰুৱা, ভৰালী, কাকতি, মেধি, বৈশ্য, পাঠক, মুক্তিয়াৰ আদি উপাধি লিখে।

ভাৰতৰ স্বাধীনতা আন্দোলনত মাজুলীৰ চিৰনমস্য গুৰু, বিপ্লৱী, সমাজ-সংস্কাৰক পীতাম্বৰদেৱ গোস্বামীৰ মুখ্য ভূমিকাত কৈৱৰ্ত জাতিৰ কেইবাজনো ব্যক্তিয়ে সংগ্ৰামত জঁপিয়াই পৰি জাতিসত্তা আৰু দেশহিতৈষীৰ মহৎ আদৰ্শ দাঙি ধৰিছিল। আন্দোলনৰ উপৰি যিসকল ব্যক্তিৰ মহৎ আদৰ্শৰ উত্তৰণৰ ফলস্বৰূপে বৰ্তমান মাজুলীত কৈৱৰ্ত-সকলেও ৰাজনৈতিক, সামাজিক, ধৰ্মীয়, সাংস্কৃতিক, অৰ্থনৈতিক আদি বিভিন্ন দিশত উল্লেখযোগ্য বৰঙণি আগবঢ়াই আহিছে, সেইসকলৰ ভিতৰত ৺বিদেশী দাস, ৺মাধুৰী বাঈ, ৺বুদ্ধেশ্বৰী হাজৰিকা, ৺তীৰ্থ মেধি, ৺ধৰ্মেশ্বৰ দাস, ৺গোলাপ হাজৰিকা, ৺ধীৰমন ভৰালী, ৺চন্দ্ৰ ভৰালী, ৺ৰামেশ্বৰ ভৰালী, ৺সোণেশ্বৰ মেধি, ৺ডম্বৰু দাস, ৺কণ পাঠক আদিয়েই প্ৰধান।

মাজুলীত বৰ্তমান থকা কৈৱৰ্ত গাঁওসমূহ হ'ল— ১। ৰাঙলী বাহাৰ, ২। অশোকগুৰি, ৩। চিৰাম নৱৰাঙলী বাহাৰ, ৪। বঙালকটা, ৫। বাঘৰগাঁও, ৬। গেজিং কৈৱৰ্ত, ৭। শালমৰা, ৮। অফলামুখ, ৯। দক্ষিণপাট, ১০। বনগাঁও, ১১। বনগাঁও যোগী, ১২। বুঢ়া শেনচোৱা, ১৩। ঠাকুৰবাৰী, ১৪। শেনচোৱা, ১৫। বালিচাপৰি, ১৬। আমগুৰি, ১৭। ডেকা শেনচোৱা, ১৮। কাঠনিআটী, ১৯। ভূৰামৰা, ২০। কোশলপুৰ, ২১। শান্তিপুৰ, ২২। ভেকুলীমাৰি, ২৩। খোৰাহোলা, ২৪। সোণাৰিবাৰী, ২৫। মাজগাঁও, ২৬। আউনীআটী আলিমুৰ, ২৭। পুৰণা খাৰজানপাৰ, ২৮। নতুন খাৰজানপাৰ, ২৯। নতুন কমলাবাৰী, ৩০। ঢেকীয়াজুলি, ৩১। কাকৰিকটা, ৩২। চিলাকলা, ৩৩। পদুমৰা, ৩৪। বৰমুকলি, ৩৫। মলাপিন্ধা, ৩৬। বেবেজীয়া, ৩৭। চামগুৰি, ৩৮। হুটাৰ, ৩৯। বেলগুৰি, ৪০। ঔগুৰি-বাঘপাম, ৪১। শিকলি চাপৰি, ৪২। শেনচোৱা এলেঙিআটী।

ওপৰোক্ত গাঁওসমূহৰ কেইবাগনো গাঁৱৰ ঐতিহ্যই ইতিহাসক যথেষ্ট সমল যোগায়। বৰ্তমান মাজুলীত প্ৰায় ত্ৰিশ হাজাৰমান কৈৱৰ্ত সম্প্ৰদায়ৰ মানুহ বাস কৰে। ৰাজনৈতিক দিশতো এই সম্প্ৰদায়ৰ লোকে সামগ্ৰিকভাৱে বলিষ্ঠ ভূমিকা গ্ৰহণ কৰি আহিছে।

সামাজিক জীৱনৰ ক্ষেত্ৰখনত কৈৱৰ্তসকল বৰ্তমানো স্বাৱলম্বী বুলিব নোৱাৰি। স্পৃশ্য-অস্পৃশ্য, উচ্চ-নীচ, শিক্ষিত-অশিক্ষিত আদি কিছুমান অসামাজিক প্ৰাচীৰে আবহমান কালৰ পৰাই এই জাতিক জুৰুলা কৰি আহিছে। এই ক্ষেত্ৰত পীতাম্বৰদেৱ গোস্বামীদেৱৰ বাদে কোনো ধৰ্মাধিকাৰে অনুন্নত শ্ৰেণীৰ লোকক প্ৰচলিত নাম-ধৰ্মৰে পৰিচালিত সত্ৰসমূহৰ সৈতে কায়িকভাৱে সন্মিলিত কৰিব খোজা পৰিলক্ষিত হোৱা নাই। আমি এই কথা পাহৰিলে নচলিব যে, কৈৱৰ্তসকলো বৃহত্তৰ অসমীয়া জাতিৰ এক অবিচ্ছেদ্য অংগ।

শিক্ষা আৰু সাংস্কৃতিক দিশত মাজুলীৰ কৈৱৰ্তসকলো অন্য জাতিৰ দৰে অনুসন্ধিৎসু আৰু আলোক সন্ধানী। তথাপি কিছুমান গাঁৱত শিক্ষা আৰু সংস্কৃতিৰ প্ৰভাৱ অতি কম পৰিমাণেহে পৰিছে। সমস্যাৰে জুৰুলা মাজুলীৰ শৈক্ষিক জগতখনলৈ মন কৰিলে কৈৱৰ্তসকলৰ শিক্ষিত লোকসকলৰ সংক্ষিপ্ত খতিয়ান এনেদৰে পোৱা যায়—

**মাজুলীৰ কৈৱৰ্ত সম্প্ৰদায়ৰ শিক্ষিতলোকৰ সংখ্যা :**

শিক্ষাবিভাগ — স্নাতকোত্তৰ : ২৩জন; স্নাতক (কলা): ৮৫জন, স্নাতক (বিজ্ঞান) : ৬জন, স্নাতক (বাণিজ্য):৫জন, স্নাতক (আইন): ২জন; অভিযন্তা: ৩জন; কনিষ্ঠ অভিযন্তা: ৭জন; চিকিৎসক: ২জন; উচ্চ মাধ্যমিক: ২৬৪জন; উচ্চতৰ মাধ্যমিক: ৫৪৫ জন।

ৰাজ্যৰ অন্যান্য অংশত নিবনুৱা সমস্যাই যিদৰে ভয়াবহ ৰূপ

লৈছে, ঠিক সেইদৰে মাজুলীৰ কৈৱৰ্ত সম্প্ৰদায়ৰ বহুতো শিক্ষিত যুৱক-যুৱতীয়ে কৰ্মহীনতাত জীয়াতু ভুগিছে। অনুসূচীত জাতিৰ নিবনুৱাসকলক নিযুক্তি আৰু পদোন্নতিৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিবৰ বাবে ১৯৭৮ খ্ৰী:ত কেন্দ্ৰীয় চৰকাৰ আৰু ১৯৭৯ খ্ৰী:ৰ পৰা কাৰ্যকৰী হোৱাকৈ অসম চৰকাৰে সময়ে সময়ে জাৰি কৰা নীতি-নিৰ্দেশনাবোৰো কেৱল 'ফাইল'তে আবদ্ধ হৈ থাকিল। তথাপি সামগ্ৰিকভাৱে শিক্ষা, চিকিৎসা, সামৰিক, আৰক্ষী, প্ৰশাসনিক আদি বিভিন্ন বিভাগত কম পৰিমাণে হ'লেও নিযুক্তি হোৱাটো শুভ-লক্ষণ। ইয়াৰ উপৰিও চিকিৎসক, আইনজীৱী, অভিযন্তা, সাংবাদিক, শিক্ষক হিচাপেও কৈৱৰ্ত সমাজৰ লোকে আত্মপ্ৰকাশ কৰি সেৱা আগবঢ়াইছে। অসমীয়া কল্পতৰু বৃক্ষজোপাৰ ছাঁয়াত জিৰণি লৈ সেৱা আগবঢ়োৱা বহুতো নবীন সাহিত্যিকৰ উপৰি প্ৰবীণ প্ৰতিষ্ঠিত লেখকৰ ভিতৰত ৺অভয় দাস, বেণীমাধৱ দাস, সুৰেন দাস, আনন্দ হাজৰিকা, আদি অন্যতম। ৺অভয় দাস মাজুলীৰ সাহিত্য জগতৰ এটি উজ্জ্বল নক্ষত্ৰ বুলি ক'ব পাৰি। চাৰি-সংহতিৰ মূল সত্ৰসমূহৰ ধৰ্মীয় শিক্ষাত ব্ৰতী হৈ আবহমান কালৰে পৰা মানুহৰ আধ্যাত্মিক দিশত প্ৰেৰণা যোগোৱা প্ৰতিটো কামেই কৈৱৰ্তসকলে ৰূপায়ণ কৰি আহিছে। চাৰি-সত্ৰৰ প্ৰচলিত ধৰ্মৰ বাহিৰেও মোৱামৰীয়া সম্প্ৰদায়ৰ 'মটক'সকলে কাল-সংহতি পন্থাৰ আদিগুৰু শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ তিথি পালন কৰে। তিথিৰ লগত সংগতি ৰাখি সুন্দৰ, কলাত্মক মৃদং-বাদ্য পৰিৱেশন কৰাটো সাংস্কৃতিক ঐতিহ্যৰ স্বাক্ষৰ।

ব্ৰাহ্মণ-কায়স্থ সজ্জনৰ তিৰোতাসকলে বান্ধিব নোৱৰা টেঁটুৱানী জান বান্ধি শান্তি-জানলৈ ৰূপান্তৰিত কৰা কৈৱৰ্ত জাতিৰ কন্যা ৰাধিকা শান্তিয়ে সামাজিক প্ৰগতিৰ পুনৰ মূল্যায়নৰ যি অবিস্মৰণীয় আদৰ্শ কালৰ বুকুত ৰাখি থৈ গ'ল, সেই আদৰ্শক সাৰোগত কৰি 'সতী ৰাধিকা শান্তি উৎসৱ' মাজুলীৰ কৈৱৰ্তসকলে আজিও পালন কৰে।

সদৌ অসমজুৰি প্ৰচাৰ কৰা 'একশৰণ ভাগৱতী সমাজ, অসম'ৰ প্ৰতিষ্ঠাপক আচাৰ্য, শংকৰদেৱ বটা বিজয়ী ইলাৰাম দাসদেৱৰ জন্মোৎসৱ, অখণ্ড পালনাম, ধৰ্মীয় অনুষ্ঠান আদি মাজুলীৰ কৈৱৰ্তসকলে উচ্চস্তৰীয় পৰম্পৰাৰে পালন কৰাৰ লগতে পবিত্ৰ ভাদ মাহত নামঘৰত প্ৰতিদিন গুৰু-গম্ভীৰভাৱে, মৰ্যাদাসহকাৰে নাম-প্ৰসংগ কৰে।

অসমৰ লোক-সংগীতৰ জগতখনলৈ কেইবাজনো নিষ্ঠাবান সংগীত শিল্পীয়ে সংগীত সাধনাৰে অৰিহণা যোগাইছে। সেইসকলৰ ভিতৰত বিষ্ণু দাস, গোপাল দাস, দুলাল দাস, কদম দাস, যোগেন হাজৰিকা, বস্তি দাস, দিলীপ দাস আদিৰ অৰিহণা উল্লেখযোগ্য। হুঁচৰি, বিহু আৰু ভাওনা নাট্যাভিনয়ৰ কাৰ্যসূচীত কৈৱৰ্তসকলৰ কৃষ্টি-সংস্কৃতি আকৰ্ষণীয়।

মাজুলীৰ কৈৱৰ্তসকলৰ আৰ্থ-সামাজিক দিশটো টনকিয়াল নহয়। পূৰ্বপুৰুষসকলৰ অদূৰদৰ্শিতা আৰু উদাৰ মনোবৃত্তিৰ সুযোগ গ্ৰহণ কৰিলে অন্যান্য জাতিৰ লোকসকলে। যাৰ বাবে বহুতো কৈৱৰ্ত সম্প্ৰদায়ৰ পৰিয়াল বৰ্তমানো ভূমিহীন হৈ কৰ্ম-বিমুখতাৰে দাৰিদ্ৰতাক আকোঁৱালি লৈছে। ফলত মৎস্য ব্যৱসায়ক প্ৰধান উপাৰ্জনৰ পথ হিচাপে বাছি লয় সৰহসংখ্যক লোকে। বৰ্তমান মৎস্য ব্যৱসায় কৰি বহুলোকে মাথোন পেটে-ভাতে খাই-বৈ থকা অৱস্থাতে থাকিব লগা হৈছে।

বৰ্তমান মাজুলীত পঞ্জীয়নভুক্ত ১৭খন সক্ৰিয় মীনমহল সমবায় সমিতি আছে যদিও সুযোগ-সন্ধানী এচাম মহলদাৰৰ আধিপত্যৰ বাবেই ৰাজহুৱা স্বাৰ্থত আঘাত হোৱাই নহয়, উন্নয়নতো বাধা পৰিছে। কম-বেছি পৰিমাণে খেতি-বাতি, মৎস্য ব্যৱসায়, দোকান-পোহাৰ, চাকৰি আদিৰ যোগেদি জীৱন নিৰ্বাহ কৰিলেও সাময়িকভাৱে সৰহসংখ্যক পৰিয়ালৰ জীৱন ধাৰণৰ মানদণ্ড নিম্নখাপৰ। জন্ম-নিয়ন্ত্ৰণৰ ক্ষেত্ৰতো গুৰুত্ব নিদিয়াৰ ফলত জীৱন-নিৰ্বাহৰ মানদণ্ড অধিক নিম্নগামী হৈছে। প্ৰতিবছৰৰ বানপানীত কৈৱৰ্ত সমাজেও সমানেই জীয়াতু ভুগিছে। বৰ্তমান কিছুমান পৰিয়ালৰ লোকে জীৱন আৰু জীৱিকাৰ তাড়নাত ওচৰৰ নগৰসমূহলৈ ঢাপলি মেলিছে আৰু বহুজনে পৰমুখাপেক্ষী হৈ দাৰিদ্ৰতাক আকোঁৱালি লৈছে।

ঐক্য-সংহতিৰ ওপৰতো মাজুলীৰ কৈৱৰ্তসকলৰ গভীৰ আস্থা আছে। তেওঁলোকে কথাই প্ৰতি কয়— "ৰাইজৰ নাও বামেৰেও যায়।" সামূহিক ধৰ্মীয় অনুষ্ঠান নামঘৰত পালন কৰাৰ উপৰি ৰাইজৰ সন্মুখত দেখা দিয়া সমস্যা আৰু দুষ্কৃতিকাৰীৰ বিচাৰ সামূহিকভাৱে নিষ্পত্তি কৰিব পৰা সামূহিক মনোবল তেওঁলোকৰ আছে। বৰ্তমান সকলো গাঁৱতে যুৱক সংঘ, মহিলা সমিতি, কৃষ্টি সংঘ আদি গঢ় লৈ উঠিছে। আনহাতে, 'মাজুলী জিলা অনুসূচীত জাতি পৰিষদে' কৈৱৰ্তসকলক জাতিগত প্ৰমাণপত্ৰ দিয়াৰ লগতে সামূহিক উৎসৱ পালন কৰা আৰু জাতিৰ বৃহৎ স্বাৰ্থত মাত মাতি আহিছে।

বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ চূড়ান্ত বিকাশৰ কালতো মাজুলীৰ কৈৱৰ্তসকলৰ অৱস্থা দুখলগা হৈয়ে আছে। গণতান্ত্ৰিক আদৰ্শৰ ভেটিত বিজ্ঞানসন্মতভাৱে এখন বহল আদৰ্শ অসমীয়া সমাজ গঢ়ি তুলিবলৈ আৰু মাজুলীক সমৃদ্ধিশালী, সংৰক্ষণ আৰু ৰক্ষণাবেক্ষণ দিবলৈ; উচ্চ-নীচ, বৰ্ণভেদ, বিচ্ছিন্নতাবাদী মনোভাব পৰিহাৰ কৰি সৰু সৰু মানুহৰ বহল হৃদয়ক আত্মোপলব্ধিৰে বিশ্লেষণ কৰি সাম্য-মৈত্ৰীৰ অমোঘ মন্ত্ৰেৰে কৈৱৰ্ত, কায়স্থ, ব্ৰাহ্মণ, কলিতা, চুতীয়া, তাঁতী, কুমাৰ আদি সকলোৰে সম্প্ৰীতিৰ এনাজৰীৰে বান্ধ খাই থাকিব পৰাকৈ কৈৱৰ্তসকলৰ উদাৰতাৰ অভাৱ হোৱা নাই।

## মাজুলীৰ কোঁচৰাজবংশীসকল

মাজুলীৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক-সাংস্কৃতিক আৰু জন-গাঁথনিত কোঁচ ৰাজবংশীসকলে কেৱল বৈচিত্ৰ্য দান কৰাই নহয়, এক বিশেষ ভূমিকাও পালন কৰি অহা দেখা গৈছে। মংগোলীয় আৰু দ্ৰাবিড় গোষ্ঠীৰ সংমিশ্ৰণত গঢ় লোৱা কোঁচ ৰাজবংশীসকল প্ৰায় সমগ্ৰ মাজুলীতে সিঁচৰতি হৈ আছে। শালমৰা, কমলাবাৰী আৰু আঁহতগুৰি মৌজাৰ ২৪৪খন ৰাজহ গাঁৱৰ ১০০খনেই জনজাতি অধ্যুষিত গাঁও। অন্য ১৪৪খন গাঁৱৰ ৯০খন গাঁৱেই কোঁচ ৰাজবংশী অধ্যুষিত গাঁও বুলিব পাৰি। শংকৰদেৱৰ ভাগৱত-পুৰাণৰ দ্বিতীয় স্কন্ধৰ এটি শ্লোকত কোঁচসকলক 'কুৱাচ' বুলি উল্লেখ কৰিছে। যোগিনীতন্ত্ৰয়ো "কোচ" শব্দক সংস্কৃতীয় কৰি 'কৱাট' কৰিছে। ড° সুনীত কুমাৰ চট্টোপাধ্যায়ে কয়, সংস্কৃতৰ 'কম্বোজ' শব্দৰ পৰাই কোঁচ বা কোচ শব্দৰ উৎপত্তি হৈছে। কোঁচসকলক লৈ ব্যৱহৃত এই শব্দৰাজিয়ে কোঁচসকল যে অসমৰ এটি সু-প্ৰাচীন সম্প্ৰদায়, সেই কথাৰ ইংগিত বহন কৰিছে। ১৫১০ খ্ৰী:ৰ পৰা ১৯৭০ খ্ৰী:লৈ অৰ্থাৎ কোঁচ ৰাজবংশৰ আদি ৰজা চন্দন চিকনাৰ পৰা জগদ্দীপ নাৰায়ণলৈ কোঁচ ৰাজবংশৰ ৰাজত্বৰ এখনি বিস্তৃত তালিকা 'কোচবিহাৰ গ্ৰন্থ প্ৰকাশন সমিতি'ৰ প্ৰকাশিত 'কোচবিহাৰ পৰিক্ৰমাত' পোৱা যায়। কোঁচ ৰাজবংশৰ এনে এখন তালিকাৰ তথ্যই কোঁচসকল যে 'ৰাজবংশী', তাক নিঃসন্দেহে প্ৰমাণ কৰে। কোঁচ ৰাজবংশৰ তেজস্বী মহাপ্ৰতাপী মহাৰাজ নৰনাৰায়ণ আৰু তৃতীয় বিশ্ব মহাবীৰ খ্যাত চিলাৰায়ৰ গৌৰৱময় স্মৃতি, বিশেষকৈ মহাৰাজ নৰনাৰায়ণ আৰু বীৰ চিলাৰায়ৰ সৰ্ববৃহৎ সংযুক্ত অসমীয়া সমাজ গঠন কৰা ঐতিহাসিক ঘটনা বুৰঞ্জীৰ পাততে দীপ্তময় হৈ থকা নাই; ই জাতীয় চেতনা আৰু বিভিন্ন জাতি-উপজাতিৰ বিৰাট সমন্বয়ৰ কথাও সোঁৱৰাই আছে। সমগ্ৰ অসমৰ কোঁচ ৰাজবংশীসকলে কোঁচ ৰজাসকলৰ পৰা উত্তৰাধিকাৰী সূত্ৰে ৰাজনৈতিক, অৰ্থনৈতিক, ধৰ্ম, সংস্কৃতি, বিদ্যা-শিক্ষা আৰু সাহিত্য বিষয়ৰ শিক্ষা লাভ কৰিছিল। বিশেষকৈ, কোঁচ ৰাজবংশীসকলৰ চিৰপূজ্য বিশ্বমহাবীৰ চিলাৰায়ৰ বহুমুখী প্ৰতিভাই কোঁচ ৰাজবংশীসকলক দয়া, প্ৰেম, ক্ষমা, কষ্ট-সহিষ্ণু, ধৰ্ম, দৃঢ়মনা, কৃষিপ্ৰেমী আৰু ভাষা-সাহিত্য-সংস্কৃতিৰ প্ৰতি অনুপ্ৰাণিত আৰু অনুৰাগী কৰি আহিছে। মহাবীৰ চিলাৰায়ে যুগনায়ক শংকৰদেৱক আত্মাৰ নিভৃতকোণৰ পৰা শ্ৰদ্ধা কৰিছিল। ব্ৰাহ্মণসকলৰ আপত্তিক্ৰমে শংকৰদেৱক শাস্তি দিবলৈ ৰজাই আদেশ কৰাত বীৰ চিলাৰায়ে তেওঁৰ নিজৰ কক্ষভৱনত শংকৰদেৱক লুকাই ৰাখিছিল আৰু মহাপুৰুষগৰাকীৰ নিৰ্মোহ ব্যক্তিত্ব আৰু গুণ-গৰিমাত মোহিত হৈ সপৰিবাৰে বৈষ্ণৱধৰ্ম গ্ৰহণ কৰিছিল। কোঁচ ৰাজবংশীসকলৰ এই প্ৰ-পিতামহগৰাকীৰ বৰ্ণাঢ্য আৰু বিশাল ব্যক্তিত্বৰ বাবেই শংকৰদেৱৰ নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ-প্ৰসাৰৰ লগতে অসমীয়া সংস্কৃতি মুকুতা মালাৰ দৰে উজ্বলি উঠিবলৈ সক্ষম হ'ল। সম্যক দৃষ্টিভংগীৰে লক্ষ্য কৰিলে দেখা যায় যে, অসমৰ কোঁচ ৰাজবংশীৰ ঐতিহ্যময় ইতিহাসে অসমৰ ৰাজনৈতিক, অৰ্থনৈতিক, নাট-চৰ্চা, ভূমি-সংস্কাৰ, শিক্ষা, স্থাপত্য-ভাস্কৰ্য, সাহিত্য, অনুবাদ সাহিত্য, খেলা-ধূলা আদিত প্ৰভূত বৰঙণি যোগাইছে।

মহাযোদ্ধা কোঁচ ৰাজবংশী লোকসকল যুদ্ধ বিজয়ৰ সূত্ৰেই হওক বা উৰ্বৰা কৃষিভূমিৰ অনুসন্ধানতেই হওক, ১৬শ শতিকাৰ ষাঠি দশকমানৰ পৰা মাজুলীত বসবাস কৰিবলৈ লয় বুলি অনুমান হয়। মাজুলীৰ জন-গাঁথনিত মিচিং জনজাতিসকলৰ পিছতে কোঁচ ৰাজবংশীসকলে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। অসমৰ কোঁচ ৰাজবংশীসকল অৰ্থনৈতিক অনগ্ৰসৰতা আৰু শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত পিছপৰা সূত্ৰে জনজাতিৰ অনুসূচীত অন্তৰ্ভুক্ত হ'বলৈ বিচৰা পৰিপ্ৰেক্ষিতত ১৯৬৬ খ্ৰী:ৰ পৰা এক আন্দোলন গঢ়ি তুলিছে। ইয়াৰেই আগাহত অসমৰ সকলো জিলা আৰু মহকুমাত 'কোঁচ ৰাজবংশী ক্ষত্ৰিয় সন্মিলনী'ৰ জন্ম হয়। মাজুলীত ১৯৭৩ খ্ৰী:ত 'কোঁচ ৰাজবংশী ক্ষত্ৰিয় সন্মিলনী'ৰ জন্ম হয়। কোঁচ ৰাজবংশীসকলৰ তিনিদশক ধৰি

অবিৰতভাৱে চলা সংগ্ৰাম, অসম চৰকাৰৰ দৃঢ় পদক্ষেপত আৰু পি. ভি. নৰসিংহ ৰাও চৰকাৰৰ আন্তৰিকতাত ১৯৯৬ খ্ৰী:ত কোঁচ ৰাজবংশীসকলক অনুসূচীত জনজাতিৰ তালিকাত অন্তৰ্ভুক্ত কৰাৰ অধ্যাদেশ জাৰি কৰা হয়। এই ঐতিহাসিক অধ্যাদেশখনে ৰাষ্ট্ৰপতিৰ অনুমোদন পোৱাত অসমৰ কোঁচ ৰাজবংশীসকলৰ মাজত বিজয়-উৎসৱৰ লগত সংগতি ৰাখি 'মাজুলী জিলা কোঁচ ৰাজবংশী ক্ষত্ৰিয় সম্মিলনী'য়ে ১৯৯৬ খ্ৰী:ত নিজাববীয়াকৈ মাজুলীত কোঁচ ৰাজবংশীসকলৰ লোকপিয়ল কাৰ্যকৰী কৰি তোলে। এই লোকপিয়ল অনুসৰি মাজুলীৰ সৰ্বমুঠ কোঁচৰাজবংশীৰ সংখ্যা ৪১,৬৬৭ জন।

উল্লেখিত তথ্যই এটা কথা প্ৰমাণ কৰে যে, মাজুলীৰ মুঠ জনসংখ্যাৰ ১৭% জনসংখ্যাই কোঁচ ৰাজবংশী লোক। মাজুলীৰ এই কোঁচ ৰাজবংশীসকলেও অসমৰ সত্তৰ লক্ষ কোঁচ ৰাজবংশী অংশীদাৰ স্বৰূপে অসমীয়া জাতীয় জীৱনৰ মূল সম্পদ, অসমীয়া সংস্কৃতি তথা সত্ৰীয়া সংস্কৃতিৰ অবিচ্ছিন্ন ধাৰা বৰ্ত্তীণ কৰি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। ইয়াৰ ৯৯% লোকেই বৈষ্ণৱধৰ্মী লোক। বহুতো কোঁচ ৰাজবংশীলোকে সত্ৰানুষ্ঠানত বৈষ্ণৱ-জীৱন যাপন কৰি সত্ৰীয়া সংস্কৃতি অবিৰতভাৱে চৰ্চা কৰি মাজুলীক সত্ৰীয়া সংস্কৃতিৰ যাদুঘৰ আৰু মহানগৰী স্বৰূপে গঢ়ি তোলাত ইন্ধন যোগাই আহিছে।

মাজুলীৰ প্ৰায় ৭০% কোঁচ ৰাজবংশীৰ অৰ্থনৈতিক কাঠামো কৃষিভিত্তিক। ধান, মাটিমাহ, মগুমাহ, সৰিয়হ, কুঁহিয়াৰ, মটৰ মাহ, কলামাহ, আলু-কচু, হালধি, আদা; বিভিন্ন শাক-পাচলিয়ে মাজুলীৰ ভূখণ্ড এসময়ত সেউজীয়া কৰি গঢ়ি-তোলাত কোঁচ ৰাজবংশী কৃষকসকলৰ বৰঙণি অনন্য বুলি ক'ব পাৰি। মাজুলী বান-উপদ্ৰুত অঞ্চললৈ ৰূপান্তৰিত হোৱাত ইয়াৰ কৃষিজীৱী ৰাইজৰ অৰ্থনৈতিক কাঠামো চূৰ্ণ-বিচূৰ্ণ হৈ পৰিল। আগৰ শস্যে-মৎস্যে নদন-বদন মাজুলী কণ্ঠালৰৈ পৰ্যবসিত হ'ল। কৃষিজীৱীসকলৰ ভোগৰ পথাৰবোৰ বানপানীৰ প্ৰকোপত ধৰাশায়ী হ'ল। বিশেষকৈ, ইয়াৰ কৃষিজীৱী মিচিং, কোঁচ, কছাৰী, দেউৰী আদি সম্প্ৰদায়ৰ লোকসকলে যেহেঁ, মচুৰ আদি খাৰিফ শস্য উৎপাদনৰ যোগেদি জীৱন নিৰ্বাহৰ কঠোৰ সংগ্ৰামত অৱতীৰ্ণ হ'ব লগা হ'ল।

উজনি অসমৰ কোঁচ ৰাজবংশীসকল ইয়াৰ অন্যান্য জাতি-উপজাতিৰ লগত সংস্কৃতিগতভাৱে জীণ যোৱাত, সাজ-পোছাক, পূজা-পাৰ্বণ-উৎসৱ আদি পালনৰ ক্ষেত্ৰত নামনি অসমৰ কোঁচ ৰাজবংশী-সকলৰ লগত এই সকলৰ কিছু বৈশিষ্ট্য পৰিলক্ষিত হয়। সাজ-পোছাকৰ ক্ষেত্ৰত নামনি অসমৰ কোঁচ ৰাজবংশীসকলৰ দৰে উজনি অসমৰ বা মাজুলীৰ কোঁচ ৰাজবংশী মহিলাসকলৰ মাজত মেঠনি মাৰি পোছাক পিন্ধা দেখা নাযায়। অবিভক্ত গোৱালপাৰা জিলাৰ কোঁচ ৰাজবংশীসকলে 'বিষহৰি' পূজা পালন কৰে; কিন্তু মাজুলী তথা উজনি অসমৰ কোঁচ ৰাজবংশীসকলক নৱবৈষ্ণৱ ধৰ্মৰ আদৰ্শৰ স্পৰ্শই উক্ত পূজা সাৰশূন্য কৰি তোলাত সেই পূজা পালন নকৰে। উল্লেখ্য যে, কোঁচ ৰাজবংশী কৃষিজীৱী সমাজত নাৰীৰ সামাজিক স্থান পুৰুষতকৈ ওপৰত। ভূঁই ৰোৱা সময়ত কোঁচ সম্প্ৰদায়ৰ মহিলাসকলে কিছু নিয়ম পালন কৰা দেখা যায়। খেতিৰ পথাৰত সৰু কল পুলি, কচু, ইকৰা আদি পুতি তাত ধূপ-ধুনা দি সেৱা কৰে। পূব, পশ্চিম, উত্তৰ, দক্ষিণ, ঊৰ্ধ, অধঃ কেউদিশে সেৱা কৰি বাঁওহাতেৰে কল, কচু আৰু ইকৰাৰ কাষৰ পৰা এমুঠি কঠীয়া হাতত লৈ যিমান দূৰলৈকে যায় শাৰী শাৰীকৈ ৰই দিয়ে আৰু তাৰ পাছত সোঁহাতেৰে ভূঁই ৰোৱে। পূৰ্বপুৰুষৰ পৰা চলি অহা এই সংস্কাৰ তিৰোতাৰ দ্বাৰাই কৰা হয় যদিও বৰ্তমান বিজ্ঞানৰ জয়যাত্ৰাই এই নিয়ম স্তিমিত কৰি তুলিছে।

হস্ততাঁত শিল্পৰ লগত মাজুলীৰ ৰাজবংশী তিৰোতাসকল ওতঃপ্ৰোতভাৱে জড়িত। প্ৰতিগৰাকী তিৰোতাই সুনিপুণ শিপিনী। ৰং-বিৰঙৰ বিভিন্ন ফুল বাছি চালে চকুৰোৱা কাপোৰ বৈ উলিয়ায়। এৰীপলু, পাটপলু পুহি তাৰ পৰা সূতা কাটি আটকধুনীয়া এৰীচাদৰ, পাটৰ চেলেং বয়। সুখৰ বিষয় যে কোঁচৰাজবংশী তিৰোতাৰ এৰীচাদৰ, চেলেং চাদৰ, গামোচা আদিৰ নিৰ্মাণৰ শিল্প-নৈপুণ্য শৈলীয়ে বৰ্তমান আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো আদৰ লাভ কৰিছে আৰু বিদেশী পৰ্যটকৰো দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে।

এসময়ত নিজকে শিৱবংশী বুলি দাবী কৰা, দেৱ-দেৱীৰ পূজা-পাৰ্বণত বিশ্বাসী কোঁচ ৰাজবংশীসকলে (বিশেষকৈ মাজুলীৰ) শিৱ আৰু দেৱ-দেৱী পূজা ত্যাগ কৰি মহাপুৰুষ শংকৰদেৱৰ মানৱীয় মূল্যবোধ আৰু সাম্যভাৱেৰে পৰিপুষ্ট নৱবৈষ্ণৱ ধৰ্মৰ প্ৰতি মূৰ দোঁ-খুৱাই সেই ধৰ্ম গ্ৰহণ কৰিছে। মাজুলী কোঁচ ৰাজবংশীসকলৰ গাঁওবোৰৰ 'নামঘৰ'সমূহে আৰু নামঘৰসমূহৰ নিত্য-নৈমিত্তিক কাৰ্য-ক্ৰমণিকা আৰু অনুষ্ঠানসমূহে সেই কথা প্ৰমাণ কৰে। সত্ৰানুষ্ঠানসমূহক গইনা

লৈ গড় লৈ উঠা নামঘৰত মাজুলীৰ কোঁচ ৰাজবংশীসকলে পুৱা, দুপৰীয়া আৰু সন্ধ্যা প্ৰসংগ, নাম-কীৰ্তন, ভাওনা, নৃত্য-গীতৰ চৰ্চা; বাৰ্ষিক সবাহ, ভাওনা, গৰখীয়া সবাহ, গোপিনী সবাহ, গুৰু দুজনাৰ তিৰোভাৱ তিথি, তিনিটা বিহু উৎসৱত নাম-কীৰ্তন আদি নিয়মিতভাৱে পালন কৰে। শংকৰদেৱৰ নামঘৰকেন্দ্ৰিক নৱবৈষ্ণৱ ধৰ্মৰ অমৃতময় উচ্চ নৈতিক আদৰ্শই মাজুলীৰ কোঁচ ৰাজবংশীসকলক এনেভাৱে আকৃষ্ট কৰি তুলিলে যে এই ধৰ্মৰ আধ্যাত্মিকতাৰ সুমিষ্ট মধু আকণ্ঠ পান কৰি এওঁলোক পৰিতৃপ্ত। এতিয়া এওঁলোকৰ বাবে বিশৃংখল আৰু অৰাজকতাৰ জগতত প্ৰৱেশ কৰা পথ নৰকসদৃশ। সত্ৰানুষ্ঠানত শৰণ-ভজন লৈ গুৰুমুখীয়া হোৱাটো এওঁলোকৰ বাবে সময়ৰ বাধ্যতামূলক দায়িত্ব হৈ পৰিল। এসময়ৰ কোঁচ ৰাজবংশীসকলৰ পূজা-পাৰ্বণৰ দেৱতাৰ বেদী মাজুলীত নৱবৈষ্ণৱ ধৰ্মৰ টোৱে উটুৱাই নিলে; সেই বেদী কীৰ্তন-ঘোষা আৰু নাম-ঘোষাই অধিকাৰ কৰিলে।

সাম্প্ৰতিক বিশ্বায়নৰ যুগতো মাজুলীৰ কোঁচ ৰাজবংশীসকল শিক্ষাৰ ক্ষেত্ৰত পিছপৰি থকা দেখা যায়। চৰকাৰৰ সাক্ষৰতা অভিযানৰ টোৱে যোৰহাট জিলাৰ অন্তৰ্গত মাজুলীৰ সাক্ষৰতাৰ হাৰ ১০০% বুলি প্ৰচাৰ কৰিলেও, বাস্তৱিকতে কোঁচ ৰাজবংশীসকলৰ ক্ষেত্ৰত সেই শিক্ষা বিষয়ৰ পৰিসংখ্যাৰ লেখচিত্ৰ শুদ্ধ নহয়। প্ৰকৃততে মাজুলীৰ ৩৫% কোঁচ ৰাজবংশীৰ লোকহে শিক্ষিতৰ তালিকাত অন্তৰ্ভুক্ত কৰিব পাৰি। ইয়াৰে ৫% চৰকাৰী চাকৰি পাবলৈ সমৰ্থ হৈছে; ৩০% যুৱক-যুৱতীয়েই নিবনুৱা।

ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনত মাজুলীৰ ভালেকেইজন কোঁচ ৰাজবংশীলোকে ধৰ্মগুৰু শ্ৰীশ্ৰীপীতাম্বৰ দেৱ গোস্বামীৰ নেতৃত্বত স্বাধীনতা যুঁজত ওতঃপ্ৰোতভাৱে জড়িত হৈ জেল খটাৰ বাবে স্বাধীনতা যুঁজাৰু তালিকাত অন্তৰ্ভুক্ত হৈছে। ১৯৯৬ খ্ৰীঃৰ অসমৰ সাধাৰণ নিৰ্বাচনত প্ৰথমবাৰৰ বাবে নিৰ্বাচনী-যুঁজত অৱতীৰ্ণ হৈ কোঁচ সম্প্ৰদায়ৰ ৺কৰুণা দত্তই মাজুলী সমষ্টিৰ পৰা বিধায়ক নিৰ্বাচিত হয়। ইয়েই কোঁচ ৰাজবংশীসকলৰ ৰাজনৈতিক সচেতনতা দাঙি ধৰিছে।

ঐতিহ্যপূৰ্ণ মাজুলীৰ কোঁচ ৰাজবংশীসকলে ইয়াৰ চুতীয়া, কছাৰী, আহোম, দেউৰী, মিচিং, ব্ৰাহ্মণ, কেওঁট, কৈৱৰ্ত, মটক, কলিতা, কায়স্থ, নাথ, নেপালী, বঙালী আদি জাতি-সম্প্ৰদায়ৰ লগত সমন্বয়ৰ এনাজৰীয়েই নিকপকীয়া কৰা নাই; ইয়াৰ বৰ্ণাঢ্য সংস্কৃতি আৰু সত্ৰীয়া সংস্কৃতিক সমৃদ্ধীয়া জীৱনৰ সম্পদৰূপে গ্ৰহণ কৰি মাজুলীক কালজয়ী সংস্কৃতিৰ যাদুঘৰৰূপে সজাই তোলাত এক সৌষ্ঠৱপূৰ্ণ সহযোগিতাও আগবঢ়াই আহিছে।

## মাজুলীৰ নাথসকল — অতীত আৰু বৰ্তমান

অন্যান্য জনগোষ্ঠীৰ দৰে মাজুলীৰ নাথসকলো এটা উল্লেখযোগ্য জনগোষ্ঠী। মাজুলীৰ ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক আদি দিশত নাথসকলে বিশেষ ভূমিকা পালন কৰি আহিছে।

নাথসকল যোগী সম্প্ৰদায়ৰ লোক। এই যোগীসকল ভাৰতীয় যোগী সম্প্ৰদায়ৰ অংশবিশেষ। অসমত বাসকৰাসকল অসমীয়া যোগী। ইয়াৰে আকৌ ব্ৰহ্মপুত্ৰ উপত্যকাত বাস কৰাসকলৰ বৰাক উপত্যকাত বসবাস কৰাসকলতকৈ চলন-ফুৰণ, মাত-কথা, আচাৰ-নীতি কিছু বেলেগ। মাজুলীৰ নাথসকল ব্ৰহ্মপুত্ৰ উপত্যকাৰ নাথসকলৰ লগত একে ৰীতি-নীতি আৰু একে ভাষিক বৈশিষ্ট্যৰ। নাথসকলে নিজৰ নামৰ শেষত পুৰুষে 'নাথ' আৰু মহিলাসকলে 'দেৱী' লিখে। অৱশ্যে, বৰা, শইকীয়া, হাজৰিকা, দত্ত আদি উপাধি কিছুমানে লিখে।

নাথসকলৰ এটা তাৎপৰ্য আছে। 'নাথ' শব্দৰ অৰ্থ 'স্বামী' বা 'গিৰিহঁত'। এই নাথ উপাধি আদিবৈদিক যুগৰে বুলি ইতিহাসে ক'ব খোজে। ইয়াৰ অৰ্থও বৰ ব্যাপক বুলি পণ্ডিতসকলে ক'ব খোজে। নাথসকল এনে এক শ্ৰেণীৰ লোক যি শ্ৰেষ্ঠতা লাভ কৰি অলৌকিক কৰ্ম কৰাৰ বাবে তেওঁলোকক অতিমানৱ হিচাপে গণ্য কৰা হৈছিল।'

মাজুলীৰ নাথসকল এই নাথগোষ্ঠীৰে অংশ বিশেষ; কিন্তু এওঁলোক ক'ৰ পৰা কেতিয়া কেনেকৈ আহিল, কেনেকৈ মাজুলী পালেহি; সেই বিষয়ে বুৰঞ্জী নিমাত। সেয়ে এই সিদ্ধান্তত উপনীত হোৱা ভাল হ'ব যে, মাজুলী যিমান দিনৰ পুৰণি, নাথসকলো সিমান দিনৰে পুৰণি বাসিন্দা। অৰ্থাৎ নাথসকল ইয়াৰ খিলঞ্জীয়া বাসিন্দা।

নাথসকল যে মাজুলীৰ পুৰণা বাসিন্দা, মাজুলীৰে দুই-এঠাইৰ নামৰ পৰাও ঠাৱৰ কৰিব পাৰি। কমলাবাৰীৰ 'ওপৰ-কাটনী' আৰু 'নাম-কাটনী' নামৰ দুখন গাঁৱৰ প্ৰচীন বুৰঞ্জীয়ে হয়তো প্ৰমাণ কৰিব যে এইবোৰ ঠাইত এসময়ত নাথ মানুহেই বাস কৰিছিল। বিভিন্ন নৈসৰ্গিক কাৰণ বা বিৱৰ্তনৰ ফলত হয়তো এইবোৰ লুপ্ত হৈ গ'ল।

মাজুলীৰ মধ্যস্থলত প্ৰায় আশী বৰ্গকিল'মিটাৰ অঞ্চলত নাথসকলে বাস কৰে। উত্তৰে ৰাইডাঙনী গাঁও, দক্ষিণে বৰুৱাবাৰী, পশ্চিমে পুৰণিবাৰী আৰু পূবত যোগী গাঁও। ইয়াৰ ভিতৰতে নাথসকলৰ আৱাসভূমি। ইয়াৰ ভিতৰত অৱশ্যে অন্যান্য জনগোষ্ঠীয় গাঁওবোৰো আছে। এই গাঁওসমূহৰ মানুহবোৰৰ গৰু, ম'হ, খেতি-বাতিত আগ্ৰহ বেছি আছিল। গোহালিত এজাক গৰু, খুঁটিত এজাক ম'হ থকাটো সেই সময়ত ৰৰ মাতব্বৰী মানুহ বুলি পৰিগণিত হৈছিল। এই গৰু-ম'হবোৰ ৰখা-মেলা তথা তদাৰক কৰিবৰ বাবে ডেকা ল'ৰাৰ প্ৰয়োজন হৈছিল আৰু সেইবাবেই পঢ়া-শুনাৰ প্ৰতি সমাজৰ আগ্ৰহ নাছিল।

কমলাবাৰী, বেঙেনাআটি, গড়মূৰ, আউনীআটী, দক্ষিণপাট আদি সত্ৰসমূহৰ লগত মাজুলীৰ নাথসকলৰ ওতঃপ্ৰোত সম্বন্ধ। এই সত্ৰসমূহৰ অধিকাৰপ্ৰমুখ্যে ভক্ত-বৈষ্ণৱসকলে এইসকল লোকৰ সামাজিক, ধাৰ্মিক আৰু সাংস্কৃতিক দিশত প্ৰচুৰ সহায়-সহযোগ কৰি আহিছে। তৎ সত্ত্বেও গড়মূৰীয় সত্ৰাধিকাৰ প্ৰয়াত পীতাম্বৰদেৱ গোস্বামীৰ স্মৃতিয়ে এই জাতিক আলোড়িত কৰে। নাথসকলৰ দশাশৌচ পালন আৰু উপনয়ন ধাৰণৰ বেলিকা কেৱল পীতাম্বৰদেৱ গোস্বামীয়েহে সম্মতি প্ৰদান কৰিছিল।

ভাৰতৰ স্বাধীনতা সংগ্ৰামত মাজুলীৰ নাথসকলৰ অৱদানো কম নাছিল। প্ৰয়াত পীতাম্বৰদেৱ গোস্বামীৰ নেতৃত্বত গাঁৱৰ মানুহবোৰ অনুপ্ৰাণিত হৈছিল। ঠায়ে ঠায়ে কংগ্ৰেছ কাৰ্যালয় নিৰ্মাণ হৈছিল আৰু তাৰ যোগেদি স্বাধীনতাৰ বাণী প্ৰচাৰ কৰিছিল। বনগাঁও, ৰঙাচাহী, শকাজৰা প্ৰভৃতি ঠাইত এনে কাৰ্যালয় স্থাপন কৰা হৈছিল আৰু ইয়াৰ যোগেদি মহাত্মা গান্ধীৰ অহিংস বাণী জনতাৰ মাজত প্ৰচাৰ হৈছিল। ৰঙাচাহীত প্ৰয়াত দিনাৰাম নাথ বায়ন আৰু কমল চন্দ্ৰ নাথে ক্ৰমে সভাপতি আৰু সম্পাদক হিচাপে এই কাৰ্য পৰিচালনা কৰিছিল। '৪২ৰ গণ-বিপ্লৱত ছাত্ৰসকল আহি গাঁৱে-ভূঞে সোমাই প্ৰচাৰ কাৰ্য চলাইছিল আৰু সময় মতে আত্মগোপন কৰিছিল।

দেশে স্বাধীনতা পোৱাৰ পিছত ইয়াৰ ৰ'দকাঁচলিত সমস্ত জনগণে আত্মপ্ৰতিষ্ঠাৰ বাবে সময় পালে। মাজুলীৰ নাথসকলো লাহে লাহে প্ৰগতিশীল ভাবধাৰাৰে পুষ্ট হ'ল। নাথসকলৰ প্ৰায় প্ৰতিঘৰতে কমপক্ষেও প্ৰৱেশিকা পাছ ছাত্ৰই নিবনুৱা হিচাপে দিন কটাইছে। ইয়াৰ বাদেও স্নাতক, স্নাতকোত্তৰ ডিগ্ৰীধাৰীৰ সংখ্যাও নগণ্য নহয়। সেয়ে, অহানিৰ নাথসকল আৰু আজিৰ নাথসকলৰ মাজত স্বৰ্গ-মৰ্ত্যৰ পাৰ্থক্য বুলি ক'ব পাৰি।

এওঁলোকৰ আৰ্থ-সামাজিক দিশ সন্তোষজনক নহয়। প্ৰায়বিলাক শিক্ষিত যুৱক-যুৱতীয়ে আজি নিবনুৱা হিচাপে সময় অতিবাহিত কৰিছে। চৰকাৰী সঁহাৰিও এই দিশত উৎসাহজনক নহয়। সকলো মানুহ কৃষিজীৱী হ'লেও পৰ্যাপ্ত পৰিমাণে মাটি নাই। বহুতে লোকৰ ঘৰত কাম কৰি ভাত খাব লগা পৰিস্থিতি লাহে লাহে সুলভ হ'ব ধৰিছে।

নাথসকল হ'ল ধৰ্মীয় সম্প্ৰদায়ৰ লোক। সেই হিচাপে শান্তি-সম্প্ৰীতিৰে বসবাস কৰি থকাটো তেওঁলোকৰ স্বভাৱজাত বৈশিষ্ট্য। যোগ-ধৰ্মৰ মূল লক্ষ্যই হ'ল জনগোষ্ঠীয় লোকৰ লগত সমিল-মিলেৰে বাস কৰা। সমস্ত জগতখনেই যোগীসকলৰ ঘৰ, ইয়াৰ মানুহবিলাকেই একেটা পৰিয়ালৰ লোক। এই বিশ্ব ভাতৃত্ববোধটোৱেই আওপকীয়াকৈ মানৱধৰ্ম।

মাজুলীৰ নাথসকলেও সেই একে ভাব-অনুভূতিৰে জীয়াই থাকিব বিচাৰে। বিভিন্ন জনগোষ্ঠীৰ বাসস্থান মাজুলীত নাথসকলে প্ৰাচীনকালৰে পৰাই শান্তি-সম্প্ৰীতিৰে বাস কৰি আহিছে। মিচিং জনজাতি অধ্যুষিত এই ঠাইত মিচিংসকলেও নাথসকলৰ উৎসৱ-পাৰ্বণত সদায়েই সহযোগিতা আগবঢ়াই আহিছে।

পাট-শিল্পটো ভাৰত চৰকাৰৰ বয়ন-শিল্প বিভাগৰ এক উল্লেখযোগ্য শিল্প। ইয়াৰ বুৰঞ্জীৰ লগত সৰ্বভাৰতীয় নাথসকল জড়িত। মাজুলীৰ নাথসকলৰো এসময়ত ই এটা আপুৰুগীয়া কুটিৰশিল্প আছিল। পাট-পলু পুহি ইয়াৰ সূতাৰে কাপোৰ বৈ নাথ শিপিনীয়ে নিজেও পিন্ধে আৰু আনকো পিন্ধায়। বিবাহৰ বেলিকা দৰাক এটা পাটৰ কুৰ্তা আৰু কন্যাক এসাজ ঘৰত বোৱা পাট কাপোৰ দি পঠিওৱাটো প্ৰতিঘৰ মানুহৰ শিপিনীসকলৰ অনিবাৰ্য কৰ্তব্য বুলি পৰিগণিত হৈ আহিছে; কিন্তু এই শিল্পৰ বাবে 'কাটনী' আখ্যা পোৱাৰ পিছত ই নাথসকলৰ হাতৰ পৰা আনৰ হাতলৈ যোৱাটো সহজ হৈ পৰিছে।

আজিকালি অসবৰ্ণ বিবাহ প্ৰথাটো সকলো সমাজতে চলা দেখা যায়। প্ৰাচীনকালত এই বিবাহ প্ৰথাক 'অনুলোম', 'প্ৰতিলোম' আখ্যা দিয়া হৈছিল। এই বিবাহ প্ৰথাক আজিকালি কিছু কিছু জনগোষ্ঠীয় লোকে একেবাৰে কঠোৰ দৃষ্টি-ভংগী লৈ ল'ৰা-ছোৱালী উভয়কে সমাজ-

বহিৰ্ভূত পৰ্যন্ত কৰা দেখা যায়। ইয়াৰ ফলত সমাজত নানান বিশৃংখলাৰ সৃষ্টি হৈ শান্তি-সম্প্ৰীতি সমূলঞ্চে বিনষ্ট হোৱা দেখা যায়; কিন্তু নাথ সমাজত বেদ-বিধিৰ আলমত সম্ভৱস্থলত যিমান পাৰি সিমান বিবেচনা কৰি ল'ৰা-ছোৱালী উভয়কে সমাজত স্থান দিয়া হয়। এই ক্ষেত্ৰত জাতীয় পুৰোহিতৰ দ্বাৰাই যজ্ঞ সম্পাদন কৰা যায়।

নাথসকলৰ পুৰোহিত, মাজুলী জিলা যোগী সন্মিলনীৰ পৰামৰ্শ মতে চলিব লাগে। মাজুলী জিলা যোগী সন্মিলনীখনি প্ৰাদেশিক যোগী সন্মিলনীৰ এটা স্বীকৃত শাখা। এই জিলা সন্মিলনীয়ে সেয়ে প্ৰাদেশিকৰ লগত সম্বন্ধ ৰাখি কাৰ্য পৰিচালনা কৰিব লাগে। সেয়ে মাজুলী যোগী সন্মিলনীয়ে মাজুলীৰ নাথসকলৰ উন্নয়নৰ বিভিন্ন দিশত চকু ৰাখিব লাগে। লগতে আভ্যন্তৰীণ বাদ-বিসম্বাদ আদি নিৰাময় কৰি শান্তি সমৃদ্ধি বৃদ্ধি কৰাও এই সভাৰে কাম। ইয়াৰ ফলত প্ৰায় পোন্ধৰ হাজাৰতকৈ অধিক লোকে একেলগে বহি খোৱা-বোৱা কৰিব পাৰে আৰু ইয়াৰ দ্বাৰাই সামাজিক ঐক্য সুদৃঢ় হয়। সন্মিলনীৰ ভূমিকা এনেবোৰ ক্ষেত্ৰত চূড়ান্ত আৰু ইয়াক এক 'দৰবাৰ' বুলিও ক'ব পাৰি।

মাজুলীৰ নাথসকল অতি ধৰ্মভীৰু বুলি ক'লেও অত্যুক্তি কৰা নহয়। গাঁৱলীয়া মানুহৰ ধৰ্মৰ প্ৰতি গভীৰ আস্থা সাধাৰণতে দেখা যায়। গাঁৱৰ বাসিন্দা হোৱা বাবে মাজুলীৰ নাথসকলৰ ধৰ্মৰ প্ৰতি যথেষ্ট আগ্ৰহ-আস্থা দেখা যায়। মাজুলীৰ সত্ৰসমূহত অনুষ্ঠিত হোৱা বিভিন্ন ধৰ্মানুষ্ঠানত এওঁলোকে সহযোগ আৰু উপভোগ কৰে। ভাওনা-সবাহ, গায়ন-বায়ন, তিথি-মহোৎসৱ আদিত নাথসকলৰ অন্ততঃ কেইজনমান লোক হ'লেও উপস্থিত থকাটো নিয়মৰ দৰে।

মাজুলীৰ নাথসকলৰ মাজত থকা নামঘৰবোৰ এওঁলোকৰ বাবে একোখন বৈকুণ্ঠস্বৰূপ। সকলোবোৰ নামঘৰৰ মণিকূটত বিষ্ণুৰ প্ৰতীক হিচাপে বৈষ্ণৱ-আসন স্থাপন কৰা হয়। অন্য দেৱ-দেৱীৰ কোনো মূৰ্তি বা বিগ্ৰহ তাত থাকিব নোৱাৰে। এই সকলোবিলাক নামঘৰতে কেৱল 'এক কৃষ্ণদেৱ'ৰ পূজা-পাৰ্বনহে হয়। সেইমতে ইয়াৰ পৰিবেশ ইমান পৰিচ্ছন্ন আৰু সদাচাৰসম্পন্ন যে, এই নামঘৰৰ ওচৰত সহজেই পথচাৰীৰ মূৰ দোঁ-খাই যায়। এই নামঘৰবোৰ সংস্কৃতি সংৰক্ষণৰো কেন্দ্ৰ। ইয়াত নাচ-নটুৱা, গায়ন-বায়নৰ শিক্ষা দিয়াৰ উপৰি বাৰ্ষিক বা মাজে-সময়ে ভাওনা অনুষ্ঠিত হয়। কিছুবছৰৰ আগলৈকে দুই-এটা নামঘৰত শ্ৰীকৃষ্ণৰ ৰাসলীলা প্ৰদৰ্শন কৰা হৈছিল। বৰ্তমান ৰংগমঞ্চবোৰ হৈ উঠাত এই ৰাসলীলা ব্যৱসায়িক ভিত্তিত প্ৰদৰ্শন কৰা হয়।

নাথসকলৰ নিজা ঐতিহ্য আছে। তেওঁলোকে ৰুদ্ৰজ ব্ৰাহ্মণ বুলি নিজকে পৰিচয় দিয়ে। তেওঁলোকৰ "জনমে মৰণেসৈচ দশৰাত্ৰ" হয় বুলি শাস্ত্ৰীয়সম্মত প্ৰথা আছে। তেওঁলোকৰ নিজা পুৰোহিত আছে। তেওঁলোকৰ পুৰুষসকল শিৱগোত্ৰীয় আৰু তিৰোতাসকল কাশ্যপ গোত্ৰৰ। কথাটো দেখাত অমিল যেন লাগিলেও ইয়াৰ এটা তাৎপৰ্য আছে। কাশ্যপৰ ২৭ গৰাকী কন্যাৰ এগৰাকী, কৃষ্ণাক বিন্দুনাথলৈ বিবাহ দিছিল। বিন্দুনাথ অৱধূত শিৱৰ সন্তান। এই বিন্দুনাথৰ পৰাই নাথ বংশৰ উৎপত্তি।

নাথসকলৰ ধৰ্ম হ'ল যোগধৰ্ম। শিৱ হ'ল নাথসকলৰ ইষ্টদেৱতা; গোৰক্ষনাথ হ'ল গুৰু। মাজুলীৰ নাথসকল কিন্তু মহাপুৰুষ শংকৰদেৱৰ প্ৰচাৰিত নৱবৈষ্ণৱ ধৰ্ম পালন কৰা লোকহে। কেৱল মাজুলীতে নহয়, ব্ৰহ্মপুত্ৰ উপত্যকাৰ সকলো নাথেই বৈষ্ণৱমাৰ্গীয়। বৰ্তমান সুদূৰ গোৰক্ষনাথৰ পৰা প্ৰচাৰক আহি যোগমাৰ্গৰ বিষয়ে মাজে-সময়ে প্ৰচাৰকাৰ্য চলাই যায়হি; কিন্তু সুদীৰ্ঘ সাতশ বছৰধৰি চলি অহা এখন সমাজত নতুন সাধনমাৰ্গ এটা প্ৰচলিত কৰাটো সহজ নহয়। সেয়ে এতিয়া আমি বৈষ্ণৱমাৰ্গীয় দৰ্শনত গোৰক্ষনাথৰ যোগদৰ্শনৰ কিবা উপাদান পাওঁনেকি তাকে বিচাৰ কৰি চোৱাৰহে সময় সমাগত।

গীতাৰ একশৰণ, বুদ্ধৰ আত্মতত্ত্ব আৰু গোৰক্ষনাথৰ যোগদৰ্শন— এই ত্ৰিধাৰাই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বৈষ্ণৱ ধৰ্মত একত্ৰে মিলি ত্ৰিবেণী-সংগমৰ সৃষ্টি কৰিছে। বিশেষকৈ, যোগমাৰ্গৰ প্ৰভাৱ তেখেতৰ জীৱনত একৰুভাৱে পৰাৰ উপৰি তেখেতৰ লিখনিসমূহ যোগদৰ্শন তথা নাথ-সাহিত্যৰ প্ৰভাৱেৰে পৰিপুষ্ট। এই সম্বন্ধে বৈষ্ণৱ পণ্ডিত, লেখক-গৱেষক বাপচন্দ্ৰ মহন্ত ডাঙৰীয়াৰ উক্তিটি দাঙি ধৰা হ'ল—

"একাদশ শতিকা মানৰ পৰা গোৰক্ষনাথৰ শৈৱ যোগমাৰ্গ আৰু বৈষ্ণৱমাৰ্গ এই দুয়োটাই সমান্তৰালভাৱে তন্ত্ৰৰ নামত প্ৰচলিত বামমাৰ্গী ব্যৱস্থাৰ বিৰোধ কৰি আহিছিল। এই দুয়ো শ্ৰেণীৰ সাধনাৰ ভিতৰত যোগসাধনা অত্যন্ত ব্যক্তিকেন্দ্ৰিক আৰু কষ্টসাধ্য। বৈষ্ণৱ সাধনা সৰ্বাধিক সমাজমুখী। গতিকে শৈৱ যোগমাৰ্গ আৰু পৌৰাণিক যোগমাৰ্গৰ মাজত সমধৰ্মিতা আৰু ব্যৱস্থাগত বিপৰীতমুখিতা এই দুয়োটা স্বভাৱেই আছিল.... তান্ত্ৰিক শাক্ত ধৰ্মতো উচ্চস্তৰৰ জনদিয়েক সাধকৰ বাহিৰে

সাধাৰণ স্তৰৰ লোকৰ কাৰণে সকাম বা ভোগাকাংক্ষা প্ৰধান আছিল। গতিকে ইয়াত নিৰ্গুণ সাধনাৰ মূল্য বৰ কম আছিল। যোগমাৰ্গৰ লক্ষ্য নিৰ্গুণ-শিৱ আৰু ব্যৱস্থাগত ত্যাগপ্ৰধান নিষ্কাম; কিন্তু তৎকালীন সমাজৰ কাৰণে এই দুয়োটাৰে মধ্যস্থতা কৰিব পৰা ব্যৱস্থাযুক্ত এটা নতুন পন্থাৰ প্ৰয়োজন হৈছিল। শংকৰদেৱে এনে ব্যৱস্থাৰে পুষ্ট এটা পন্থা অৱলম্বন কৰি তাৰে পৰা সমাজক সংগঠিত কৰিব খুজিলে। শংকৰদেৱৰ সাধনমাৰ্গ আৰু সাহিত্যত তাৰ উদাহৰণ পোৱা যায়।"

অতি সংক্ষেপে ইয়াত ইয়াকে ঠাৱৰ কৰিব পাৰোঁ যে যোগদৰ্শনৰ ৰঙেৰে ৰঞ্জিত বৈষ্ণৱদৰ্শন আচলতে যোগ-দৰ্শনৰে এক সৰলীকৃত ৰূপ। গোৰক্ষনাথৰ যোগদৰ্শনক মহাপুৰুষ শংকৰদেৱে ভক্তিৰসেৰে ৰসময় কৰি সমগ্ৰ অসমতে সকলোৰে অন্তৰত প্ৰেম-অমৃতৰ নদী বোৱাই বিভিন্ন জনগোষ্ঠীক একেডাল ডোলেৰে বান্ধি থৈ গ'ল। মন্দিৰৰ পৰা ভগৱান শিৱক আৰ্দাৰ আনি নামঘৰত ভগৱান বিষ্ণু হিচাপে থাপি থৈ গ'ল। কাৰণ শিৱ আৰু বিষ্ণুৰ মাজত ভেদ নাই - "তোমাৰে আমাৰে একে কায়া।" মাজুলীৰ নাথসকলেও এনেদৰেই ভাবে।

---


**সহায়ক গ্ৰন্থ :**


১) 'ঐতিহাসিক পটভূমিত মহাপুৰুষ শংকৰদেৱ' — বাপচন্দ্ৰ মহন্ত।

২) 'বৰচৰিত'— ১।৩।২১০-২১৬, দীননাথ বেজবৰুৱা

৩) 'শ্ৰীশ্ৰীশংকৰদেৱ' ভূষণ দ্বিজ : ৬৬-৬৮।

৪) 'চৰ্যাপদ' — পৰীক্ষিত হাজৰিকা, গুৱাহাটী বিশ্ববিদ্যালয়।

৫) 'Nath Cult and Mahanad'; Page 42
*Edited by*— P K Bandopadhyay, 1992

## মাজুলীৰ প্ৰশাসনিক ব্যৱস্থাৰ ক্ৰমবিকাশ

১৮২৬ খ্ৰী:ত ইয়াণ্ডাবু সন্ধিৰ ফলশ্ৰুতিত অসম বৃটিছৰ অধীন হয়। বৃটিছে অসমত আহোমৰ দিনৰ সামন্তবাদী প্ৰশাসনৰ ঠাইত ঔপনিৱেশিক সাম্ৰাজ্যবাদী স্বাৰ্থৰ অনুকূলে এক নতুন ধৰণৰ প্ৰশাসন প্ৰৱৰ্তন কৰে। ১৭৬৯-৭০ খ্ৰী:ৰ প্ৰথম মোৱামৰীয়া বিদ্ৰোহৰ পৰা আহোম ৰাজত্বৰ পতনৰ বীজ অংকুৰিত হয়। ১৭৮০ খ্ৰী:ত গৌৰীনাথ সিংহ ৰাজপাটত বহা সময়ৰ পৰা ১৮২৬ খ্ৰী:লৈকে এই সময়ছোৱা অসমীয়া প্ৰজাৰ বাবে অতিশয় দুৰ্যোগৰ সময়। সেই সময়ত আহোম ৰাজ্যত মতিচ্ছন্ন আৰু স্বৈৰাচাৰী ৰজাৰ আদেশত ন্যায় বিচাৰৰ নামত মানুহক ধৰি আনি হাত-ভৰি কাটি আৰু চকু কাঢ়ি বৰ্বৰোচিত শাস্তি দিয়া হৈছিল। মোৱামৰীয়া বিদ্ৰোহ আৰু মান সৈন্যৰ আক্ৰমণে অসমখনকে উছন কৰিছিল। আক্ৰমণকাৰীৰ ভয়ত হাবিয়ে-জংঘলে অসমৰ অধিকসংখ্যক লোকে আশ্ৰয় গ্ৰহণ কৰিব লগীয়া হৈছিল। এনে অৱস্থাত অসমত বৃটিছ শাসন প্ৰৱৰ্তনক একাংশ অসমীয়ালোকে ঈশ্বৰৰ আশীৰ্বাদৰূপে গ্ৰহণ কৰিছিল। মণিৰাম দেৱানে তেওঁৰ 'অসম বুৰঞ্জী'ত মানৰ অকথ্য অত্যাচাৰৰ পৰা অসমবাসীক উদ্ধাৰ কৰা ধাৰ্মিক কাৰ্যৰ বাবে বৃটিছক ঈশ্বৰে অসমত এক কল্প (৪,৩২০,০০০,০০০ বছৰ) কাল শাসন কৰিবলৈ দিবলৈ আৰু অমৰাৱতীৰ অধীশ্বৰ ইন্দ্ৰৰ দৰে শক্তিৱন্ত আৰু প্ৰিয়ব্ৰত ৰজাৰ দৰে চিৰ গৌৰৱশালী কৰিবলৈ প্ৰাৰ্থনা কৰিছিল। অসমৰ প্ৰথম পাশ্চাত্য শিক্ষাপ্ৰাপ্ত লোক আনন্দৰাম ঢেকিয়াল ফুকনেও বৃটিছে অসম দখল কৰি অসমত শান্তি প্ৰতিষ্ঠা কৰাৰ বাবে সন্তোষ প্ৰকাশ কৰিছিল।

বৃটিছে অসম দখল কৰাৰ পাছত অসমক চিনিয়ৰ খণ্ড আৰু জুনিয়ৰ খণ্ড নামে দুটা খণ্ডত বিভক্ত কৰি অসমৰ শাসনকাৰ্য পৰিচালনা কৰে। চিনিয়ৰ খণ্ডৰ সদৰ ঠাই আছিল গুৱাহাটী আৰু জুনিয়ৰ খণ্ডৰ সদৰ ঠাই আছিল ৰংপুৰ। চিনিয়ৰ খণ্ডৰ অন্য নাম আছিল পশ্চিম অসম আৰু জুনিয়ৰ খণ্ডৰ নাম আছিল পূব অসম। পাছত চিনিয়ৰ খণ্ড নামনি অসম আৰু জুনিয়ৰ খণ্ড উজনি অসম নামে খ্যাত হয়। সেই সময়ত চিনিয়ৰ খণ্ডৰ শাসনকৰ্তা স্বৰূপে এজন চিনিয়ৰ কমিশ্যনাৰ আৰু জুনিয়ৰ খণ্ডৰ শাসনকৰ্তা স্বৰূপে জুনিয়ৰ কমিশ্যনাৰ আছিল। ১৯২৫ খ্ৰী:ত ডেভিদ স্কট আছিল প্ৰথম চিনিয়ৰ কমিশ্যনাৰ আৰু কৰ্ণেল ৰিচাৰ্ডছ আছিল প্ৰথম জুনিয়ৰ কমিশ্যনাৰ।

উজনি অসমৰ অন্তৰ্গত মাজুলী ভূখণ্ড ১৮২৬ খ্ৰী:ত জুনিয়ৰ কমিশ্যনাৰৰ শাসনাধীন হয়। সেই সময়ত লেফটেনেন্ট কৰ্ণেল কুপাৰ আছিল জুনিয়ৰ খণ্ডৰ জুনিয়ৰ কমিশ্যনাৰ। তেতিয়া আজিৰ দৰে জিলাসমূহ গঢ় লৈ উঠা নাছিল। এতিয়াৰ উজনি অসমৰ জিলাসমূহৰ ঠাইত জুনিয়ৰ খণ্ডই প্ৰশাসনিক গোট হিচাপে কাৰ্য নিৰ্বাহ কৰিছিল। ১৮৬১ খ্ৰী:ত শিৱসাগৰ (ৰংপুৰ) চহৰক সদৰ ঠাই হিচাপে লৈ শিৱসাগৰ (ৰংপুৰ) গঠন কৰা হয়। ১৮৬১ খ্ৰী:ত ডব্লিউ. অ'. এ. বেকেট শিৱসাগৰ জিলাৰ প্ৰথম উপায়ুক্ত হিচাপে নিযুক্ত হয়। তেওঁ ১৮৬৩ খ্ৰী:লৈকে এই পদত আছিল। তাহানিৰ অবিভক্ত শিৱসাগৰ জিলাৰ নতুন মহকুমা গঠন নোহোৱালৈকে শিৱসাগৰ নগৰৰ পৰা সমগ্ৰ জিলাখনৰ অঞ্চলসমূহৰ প্ৰশাসন কাৰ্য পৰিচালনা কৰা হৈছিল।

১৮৬৯ খ্ৰী:ৰ ১৫ ফেব্ৰুৱাৰী তাৰিখে ৰংপুৰ জিলাৰ মহকুমা হিচাপে যোৰহাট মহকুমা গঠন কৰা হয়। ১৮৭০ খ্ৰী:ত যোৰহাট মুন্সিফ আদালত স্থাপন কৰা হয়। ১৯১২ খ্ৰী:ত ৰংপুৰৰ পৰা যোৰহাটলৈ শিৱসাগৰ জিলাৰ সদৰ ঠাই স্থানান্তৰ কৰা হয়। ১৯৮৪ খ্ৰী:ত শিৱসাগৰ জিলাক বিভাজন কৰি শিৱসাগৰ আৰু যোৰহাট জিলা গঠন কৰা হয়। শিৱসাগৰ নগৰখন শিৱসাগৰ জিলাৰ আৰু যোৰহাট নগৰখন যোৰহাট জিলাৰ সদৰ ঠাই হয়।

জুনিয়ৰ খণ্ড আৰু শিৱসাগৰ জিলা গঠন হোৱা সময়ৰ পৰা মাজুলীৰ প্ৰশাসন কাৰ্য, ৰাজহ আৰু ভূমি সংক্ৰান্তীয় কাম-কাজসমূহ সদৰ ঠাই ৰংপুৰৰ পৰা পৰিচালনা কৰা হৈছিল। যোৰহাট মহকুমা স্থাপন হোৱাৰ পাছত এই কাম-কাজসমূহ মহকুমা সদৰ যোৰহাটৰ পৰা পৰিচালিত হৈছিল। ১৯৩৫ খ্ৰী:ত মাজুলীৰ প্ৰধান কেন্দ্ৰস্থল কমলাবাৰীত এটা তহচীলদাৰৰ কাৰ্যালয় স্থাপন হয়। কালক্ৰমত এই কাৰ্যালয়, সহকাৰী বন্দোবস্তি প্ৰাধিকাৰী, উপপ্ৰতি সমাহৰ্তা আৰু ৰাজহচক্ৰ বিষয়াৰ কাৰ্যালয়লৈ ৰূপান্তৰিত হয়। এই কাৰ্যালয় স্থাপন হোৱাত মাজুলীত ভূমি সম্পৰ্কীয় কাম-কাজ কৰাত সুচল হয়।

মাজুলীত প্ৰশাসনীয় কাম-কাজ চলোৱাৰ সুবিধাৰ্থে ১৯৭৩ খ্ৰী:ত মাজুলীত এজন অতিৰিক্ত সহকাৰী আয়ুক্তৰ অধীনত এক প্ৰশাসনিক গোট স্থাপন কৰা হয় আৰু কমলাবাৰীৰ মাজুলী খণ্ড উন্নয়ন

বিষয়াৰ কাৰ্যালয় চৌহদত তেওঁৰ কাৰ্যালয় পতা হয়।

কোহলি আয়োগৰ প্ৰতিবেদনৰ আধাৰত ১৯৭৯ খ্ৰী:ৰ ২৬ জানুৱাৰী তাৰিখে মাজুলী মহকুমা উদ্বোধন কৰা হয় আৰু কমলাবাৰীৰ মাজুলী খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত মহকুমাধিপতিৰ অস্থায়ী কাৰ্যালয় স্থাপন কৰা হয়। ১৯৮৩ খ্ৰী:ৰ ১৭ ছেপ্টেম্বৰ তাৰিখে গড়মূৰত তদানীন্তন অসমৰ মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াই মাজুলী মহকুমাৰ মহকুমাধিপতিৰ স্থায়ী কাৰ্যালয় ভৱন উদ্বোধন কৰে।

ৰাজ্যত প্ৰচলিত বিভিন্ন স্বায়ত্ত শাসন আইন অনুসৰি সমগ্ৰ ৰাজ্যখনৰ লগতে মাজুলীতো প্ৰাক্‌স্বাধীন আৰু স্বাধীনোত্তৰ কালত লোকেল ব'ৰ্ড আৰু গাঁও পঞ্চায়তৰ নিৰ্বাচনসমূহ অনুষ্ঠিত হৈ আহিছে আৰু ভোটদাতাসকলৰ ৰায় অনুসৰি লোকেল ব'ৰ্ড, গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়তসমূহ গঠন হৈ আহিছে। মাজুলী উন্নয়ন খণ্ড আৰু উজনি মাজুলী উন্নয়ন খণ্ডৰ অধীনত মাজুলীৰ গ্ৰামাঞ্চলৰ উন্নয়নমূলক কাম-কাজ কৰা হয়।☆

ভাৰতবৰ্ষৰ সংবিধান অনুযায়ী মাজুলী বিধান সভা সমষ্টিত দেশৰ অন্যান্য সমষ্টিৰ লগতে নিৰ্বাচন অনুষ্ঠিত হৈ আহিছে।☆☆ ১৯৫২ খ্ৰী:ত অনুষ্ঠিত দেশৰ প্ৰথম সাধাৰণ নিৰ্বাচনত মাজুলী সমষ্টিত দুজন বিধায়ক নিৰ্বাচিত হৈছিল। এই নিৰ্বাচনত মাজুলী বিধান সভা সমষ্টিৰ পৰা অসম বিধানসভালৈ সাধাৰণ আসনখনৰ বাবে ভাৰতীয় ৰাষ্ট্ৰীয় কংগ্ৰেছ দলৰ প্ৰাৰ্থী নীলমণি ফুকন নিৰ্বাচিত হৈছিল আৰু অনুসূচীত জাতিৰ সংৰক্ষিত আসনখনৰ বাবে ৰামনাথ দাস নিৰ্বাচিত হৈছিল। তেওঁ বিষ্ণুৰাম মেধি মন্ত্ৰীসভাত গড়কাপ্টানী মন্ত্ৰীৰ দায়িত্ব পালন কৰিছিল। ১৯৫৭ খ্ৰী:ৰ দ্বিতীয় সাধাৰণ নিৰ্বাচনত মাজুলী সমষ্টিৰ পৰা অসম বিধান সভালৈ ভাৰতীয় ৰাষ্ট্ৰীয় কংগ্ৰেছ দলৰ প্ৰাৰ্থী মহীধৰ পেগু নিৰ্বাচিত হৈছিল। উল্লেখ্য যে এই খ্ৰী:ৰ পৰাই মাজুলী বিধান সভা সমষ্টি জনজাতিৰ বাবে সংৰক্ষণ কৰা হয়। ১৯৬২-৬৭ খ্ৰী:ৰ কালছোৱাত ভাৰতীয় ৰাষ্ট্ৰীয় কংগ্ৰেছ দলৰ মালচন্দ্ৰ পেগু, ১৯৬৭-৭২ খ্ৰী:ৰ কালছোৱাত নিৰ্দলীয় প্ৰাৰ্থী মহীধৰ পেগু আৰু ১৯৭২-৭৮ খ্ৰী:ৰ কালছোৱাত ভাৰতীয় ৰাষ্ট্ৰীয় কংগ্ৰেছ দলৰ মালচন্দ্ৰ পেগু মাজুলীৰ বিধায়ক আছিল। ১৯৭৮ খ্ৰী:ত জনতা পাৰ্টিৰ প্ৰাৰ্থী চকভাল কাগয়ুং মাজুলী সমষ্টিৰ বিধায়ক হিচাপে অসম বিধানসভালৈ নিৰ্বাচিত হৈছিল। ১৯৮৩ খ্ৰী:ত অসমৰ পৰা অবৈধ বিদেশী নাগৰিক বহিষ্কাৰৰ বাবে চলি থকা ব্যাপক গণ-আন্দোলনৰ পৰিপ্ৰেক্ষিতত মাজুলী বিধানসভা সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হোৱা নাছিল। ১৯৮৫ খ্ৰী:ৰ ডিচেম্বৰ মাহত অনুষ্ঠিত হোৱা নিৰ্বাচনত মাজুলী সমষ্টিৰ পৰা অসম বিধানসভালৈ অসম গণ পৰিষদৰ প্ৰাৰ্থী পদ্মেশ্বৰ দলে নিৰ্বাচিত হৈছিল। তেওঁ প্ৰফুল্ল কুমাৰ মহন্ত নেতৃত্বাধীন প্ৰথম অসম গণপৰিষদ দলৰ মন্ত্ৰী সভাত উদ্যোগ বিভাগৰ ৰাজ্যমন্ত্ৰীৰ দায়িত্ব পালন কৰিছিল। ১৯৯৯ খ্ৰী:ৰ নিৰ্বাচনতো অসম গণ পৰিষদৰ এই প্ৰাৰ্থীজনেই দ্বিতীয়টো কাৰ্যকালৰ বাবে সমষ্টিটোৰ বিধায়ক হিচাপে নিৰ্বাচিত হৈছিল। ১৯৫৭ খ্ৰী:ৰ নিৰ্বাচনৰ পৰা অনুসূচীত জনজাতিৰ বাবে সংৰক্ষিত মাজুলী বিধানসভা সমষ্টিৰ পৰা মিচিং প্ৰাৰ্থী বিধায়ক হিচাপে ১৯৯১ খ্ৰী:ৰ নিৰ্বাচনলৈকে একেৰাহে নিৰ্বাচিত হৈ আহিছে। ভাৰতৰ ৰাষ্ট্ৰপতিয়ে এক অধ্যাদেশ যোগে সাময়িকভাৱে কোঁচ ৰাজবংশী সম্প্ৰদায়ক অনুসূচীত জনজাতি হিচাপে ঘোষণা কৰাত ১৯৯৬ খ্ৰী:ৰ নিৰ্বাচনত অসম গণ পৰিষদৰ প্ৰাৰ্থী হিচাপে এজন কোঁচ ৰাজবংশী সম্প্ৰদায়ৰ লোক ককণা দত্ত এই সংৰক্ষিত সমষ্টিৰ পৰা বিধায়ক নিৰ্বাচিত হ'বলৈ সুবিধা পায়। তেওঁৰ ১৯৯৯ চনত অকাল মৃত্যু হোৱাৰ বাবে ২০০০ খ্ৰী:ত অনুষ্ঠিত উপ-নিৰ্বাচনত অসম গণ পৰিষদৰ যোগেশ্বৰ দলে মাজুলী সমষ্টিৰ বিধায়ক নিৰ্বাচিত হয়। ২০০১ খ্ৰী:ৰ নিৰ্বাচনত এই সমষ্টিৰ পৰা ভাৰতীয় ৰাষ্ট্ৰীয় কংগ্ৰেছ(ই) দলৰ প্ৰাৰ্থী ৰাজীৱলোচন পেগু অসম বিধান সভাৰ সদস্য হিচাপে নিৰ্বাচিত হয়।

মাজুলী বিধান সভা সমষ্টি ১৯৫২ খ্ৰী:ৰ পৰা ১৯৭৭ খ্ৰী:লৈকে যোৰহাট লোকসভা সমষ্টিৰ অন্তৰ্ভুক্ত আছিল। ১৯৫২ খ্ৰী:ৰ পৰা ১৯৭৭ খ্ৰী:লৈ যথাক্ৰমে ভাৰতীয় ৰাষ্ট্ৰীয় কংগ্ৰেছ দলৰ দেবেশ্বৰ শৰ্মা (১৯৫২-৫৭), ভাৰতীয় ৰাষ্ট্ৰীয় কংগ্ৰেছ দলৰ মফিদা বেগম (১৯৫৭-৬২), প্ৰজা ছ'চিয়েলিষ্ট পাৰ্টিৰ ৰাজেন্দ্ৰ নাথ বৰুৱা (১৯৬২-৬৭), ভাৰতীয় ৰাষ্ট্ৰীয় কংগ্ৰেছ দলৰ ৰাজেন্দ্ৰ নাথ বৰুৱা (১৯৬৭-৭১) আৰু ভাৰতীয় ৰাষ্ট্ৰীয় কংগ্ৰেছ দলৰ তৰুণ গগৈ (১৯৭১-৭৭) এই লোকসভা

☆ *মাজুলীৰ বিভিন্ন কাৰ্যালয়সমূহৰ নাম দ্বিতীয় খণ্ডৰ 'মাজুলী মহকুমাৰ সংক্ষিপ্ত তথ্যপাতি' শিতানত উল্লেখ কৰা হৈছে।*

☆☆ *সবিশেষ এই লেখনিৰ শেষত সন্নিবিষ্ট সম্পাদকৰ টোকাত দিয়া হৈছে।*

সমষ্টিৰ সদস্য আছিল।

১৯৭৭ খ্ৰী:ৰ পৰা মাজুলী বিধানসভা সমষ্টি লখিমপুৰ লোকসভা সমষ্টিৰ অন্তৰ্ভুক্ত হয়। ১৯৭৭ খ্ৰী:ৰ পৰা এই সমষ্টিৰ লোকসভাৰ সদস্যসকল হ'ল যথাক্ৰমে ভাৰতীয় ৰাষ্ট্ৰীয় কংগ্ৰেছ দলৰ ললিত দলে (১৯৭৭-৭৯), অসম গণ পৰিষদ দলৰ গকুল শইকীয়া (১৯৮৬-৮৯), ভাৰতীয় ৰাষ্ট্ৰীয় কংগ্ৰেছ(ই) দলৰ বলীন কুলী (১৯৯১-৯৬), অসম গণ পৰিষদৰ ড° অৰুণ কুমাৰ শৰ্মা (১৯৯৬-৯৮), ভাৰতীয় ৰাষ্ট্ৰীয় কংগ্ৰেছ(ই) দলৰ ৰাণী নৰহ (১৯৯৮-৯৯) আৰু ১৯৯৯ত পুনৰ নিৰ্বাচিত হয়। উল্লেখযোগ্য যে বিদেশী নাগৰিক বহিষ্কাৰ আন্দোলনৰ বাবে ১৯৮০ আৰু ১৯৮৪ খ্ৰী:ত অসমত লোকসভাৰ নিৰ্বাচন অনুষ্ঠিত হোৱা নাছিল। সেইদৰে ১৯৮৯ খ্ৰী:ত সদৌ অসম ছাত্ৰ সন্থাৰ ভোটাৰ তালিকা সংশোধন সম্পৰ্কীয় দাবীৰ পৰিপ্ৰেক্ষিতত অসমত লোকসভাৰ নিৰ্বাচন হোৱা নাছিল।

এই কথা নক'লেও হ'ব যে আমাৰ দেশৰ গণতান্ত্ৰিক ব্যৱস্থাত দলীয় পদ্ধতি সংবিধানৰ এক অপৰিহাৰ্য আৰু অবিচ্ছেদ্য অংগ। দেশৰ অন্য অংশৰ লগতে মাজুলীতো দলীয় পদ্ধতি বিকশিত হৈছে। মাজুলীৰ ৰাজনৈতিক দৃশ্যপটত কালানুক্ৰমিকভাৱে ভাৰতীয় ৰাষ্ট্ৰীয় কংগ্ৰেছ দল, প্ৰজা ছ'চিয়েলিষ্ট পাৰ্টি, ভাৰতৰ কমিউনিষ্ট পাৰ্টি, জনতা পাৰ্টি, অসম গণ পৰিষদ, জনতা দল আৰু ভাৰতীয় জনতা পাৰ্টিৰ কাৰ্য-কলাপ দৃষ্টিগোচৰ হৈছে।

এইদৰে ক্ৰমবিকাশৰ পথেদি আগবাঢ়ি মাজুলীৰ প্ৰশাসনিক আৰু ৰাজনৈতিক ব্যৱস্থাই বৰ্তমান অৱস্থা পাইছে। মাজুলী মহকুমাত কেইবাটাও বিভাগত মূৰব্বী বিষয়া নাই। এই বিভাগবোৰ ভাৰপ্ৰাপ্ত বিষয়াই চলাই আছে। জনস্বাৰ্থৰ প্ৰতি চকু ৰাখি অনতিপলমে এই ব্যৱস্থাৰ পৰিৱৰ্তন কৰিব লাগিব। তদুপৰি, বৰ্তমান মাজুলীত কোনো দেৱানী আদালত নাই। মাজুলী মহকুমা ন্যায়িক দণ্ডাধীশৰ আদালতখন এখন ফৌজদাৰী আদালতহে। গতিকে, মহকুমাটোৰ জনসাধাৰণক ন্যায় ব্যৱস্থাৰ সুফল দিবৰ বাবে এখন দেৱানী আদালত স্থাপনৰ প্ৰয়োজনীয়তা মাজুলী মহকুমাত জৰুৰী হৈ পৰিছে। মহকুমাভিত্তিত কাৰ্যপালিকা আৰু ন্যায়পালিকাৰ আটাইবোৰ বিভাগ সম্পূৰ্ণ হ'লেহে মাজুলীত জন-প্ৰশাসন পূৰ্ণাংগ অৱস্থাপ্ৰাপ্ত হৈছে বুলি ক'ব পৰা হ'ব।

**উৎস :**

১। Anglo-Assamese Relations (1771–1826) Dr. S. K. Bhuyan, Lawyer's Book Stall, Guwahati, 2nd Edn., 1974

২। যোৰহাট-২০০, সম্পাদক, প্ৰভাতচন্দ্ৰ সভাপণ্ডিত, ১৯৯৭।

***সম্পাদকৰ টোকা :*** *১৯৫২ খ্ৰী:ত অনুষ্ঠিত দেশৰ প্ৰথম সাধাৰণ নিৰ্বাচনত মাজুলী সম্পৰ্কীয় তথ্যৰ বাবে জীৱিত কেইবাগৰাকী বয়োবৃদ্ধ লোকক লগ কৰা হৈছিল যদিও কেইবাটাও বিষয়ত সেইসকলৰ মতৰ অমিল দেখা গ'ল। অৱশ্যে প্ৰত্যেকগৰাকী ব্যক্তিয়ে মাজুলীৰ স্বাধীনোত্তৰ কালৰ প্ৰথম বিধায়কদ্বয়— ৺নীলমণি ফুকন আৰু ৺ বামনাথ দাস আছিল বুলি একমত প্ৰকাশ কৰিছে। আমি ব্যক্তিগতভাৱে পুৰণি কিছু নথি-পত্ৰ, মুক্তযোদ্ধা ৺সৰ্বেশ্বৰ বৰদলৈৰ 'মোৰ জীৱন-সংগ্ৰামৰ সোঁৱৰণ', প্ৰাক্তন সাংসদ-মন্ত্ৰী জননায়ক ৺দেৱেশ্বৰ শৰ্মাৰ 'হেৰাই যোৱা দিনবোৰ' আদিৰ পাতৰ পৰা সংগ্ৰহ কৰা সামান্য তথ্য আৰু মাজুলীৰ প্ৰাক্তন বিধায়ক মালচন্দ্ৰ পেগু, যোৰহাট নিৰ্বাচনী কাৰ্যালয়ত ১৯৪৮ খ্ৰী:ৰ পৰা ১৯৮৫ খ্ৰী: পৰ্যন্ত কৰ্মৰত উপেন্দ্ৰনাথ শৰ্মা, প্ৰাক্তন মন্ত্ৰী দুলাল চন্দ্ৰ বৰুৱা, অৱসৰপ্ৰাপ্ত ন্যায়াধীশ নগেন হাজৰিকা, মাজুলীৰ বিশিষ্ট ৰাজনৈতিক কৰ্মী বিষ্টুৰাম বৰা আদি ব্যক্তিৰ লগত আলোচনা কৰি জনা গ'ল যে প্ৰথম সাধাৰণ নিৰ্বাচনত কেৱল অসমৰে নহয়, ভাৰতৰো বহু ঠাইত 'Double Member' সমষ্টি আছিল। সেই হিচাপে ৺নীলমণি ফুকন আৰু ৺ৰামনাথ দাসে মাজুলীক যুটীয়াকৈ প্ৰতিনিধিত্ব কৰিছিল; কিন্তু মালচন্দ্ৰ পেগুৱে ১৯৫২ খ্ৰী:ত নিজেও এজন মাজুলীৰ বিধায়ক বুলি জনোৱাত দেখা গ'ল যে মাজুলী ভূখণ্ডক প্ৰকৃততে সেই সময়ত তিনিজন বিধায়কে প্ৰতিনিধিত্ব কৰিছিল। তেখেতৰ মতে সেই সময়ত মাজুলীৰ আঁহতগুৰি মৌজা গোলাঘাট পশ্চিম সমষ্টিৰ অন্তৰ্ভুক্ত আছিল। ১৯৫২ খ্ৰী:ৰ সাধাৰণ নিৰ্বাচন প্ৰসংগত ৺সৰ্বেশ্বৰ বৰদলৈয়ে উল্লিখিত গ্ৰন্থত কোৱা "শ্ৰীমাল পেগু সংৰক্ষিত আসনত কেইবাখনো মিৰি গাঁৱত মই সাহসেৰে তীব্ৰ বিৰোধিতাৰ সন্মুখীন হৈছিলো।"— বাক্যশাৰীয়ে প্ৰাক্তন বিধায়ক মালচন্দ্ৰ পেগু ১৯৫২ খ্ৰী:ৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাটো প্ৰমাণ কৰে। সেই অনুসৰি গোলাঘাট পশ্চিম, একেটা সমষ্টিৰ চাহ-জনজাতিৰ ৺চানু খেৰীয়া আৰু জনজাতিৰ মালচন্দ্ৰ পেগু বিধায়ক। উল্লেখ কৰি অহা*

*উপেন্দ্ৰনাথ শৰ্মাই ব্যক্তিগতভাৱে সংৰক্ষণ কৰি ৰখা তথ্যৰ পৰা অৱশ্যেই ৺নীলমণি ফুকন আৰু ৺ৰামনাথ দাস ১৯৫২ খ্ৰী:ত মাজুলীৰ প্ৰতিনিধি থকাটো প্ৰতিষ্ঠিত হৈছে। কিন্তু সেইকালত বহুতে ভবাৰ দৰে 'মাজুলী' সমষ্টি নহৈ 'যোৰহাট উত্তৰ' সমষ্টিহে আছিল। তেতিয়া এই সমষ্টি মাজুলীৰ শালমৰা, কমলাবাৰী আৰু যোৰহাটৰ চাৰিগাঁও, হেজাৰি আৰু সকচৰাই মৌজা লৈ গঠিত হৈছিল। ইয়াৰ সমষ্টি নম্বৰ আছিল ৮৬; বৰ্তমান ৯৯। তেতিয়া অসমৰ মুঠ সমষ্টি আজিৰ দৰে ১২৬ টা নাছিল। সি যি কি নহওক, উক্ত নিৰ্বাচনত যোৰহাট উত্তৰ সমষ্টিত মুঠ সোতৰজন প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছিল আৰু তাৰ ভিতৰত ৺নীলমণি ফুকন আৰু ৺ৰামনাথ দাসে ক্ৰমে সাধাৰণ আৰু অনুসূচিত জাতিৰ প্ৰতিনিধি হিচাপে নিৰ্বাচিত হৈছিল।*

*আনহাতে প্ৰাক্তন বিধায়ক মালচন্দ্ৰ পেগুৰ তথ্য মতে ৺কাৰ্ক দলেই প্ৰাক্-স্বাধীন কালত এক দশকৰো অধিক কাল মাজুলীক প্ৰতিনিধিত্ব কৰা বুলি জানিব পাৰি।*

## জাগৰণৰ যুগত মাজুলী

স্বৰ্গীয় বিজয়চন্দ্ৰ ভাগৱতীৰ মতে ১৯১৯ খ্ৰী:লৈকে অসমত কংগ্ৰেছৰ কোনো শাখা স্থাপন হোৱা নাছিল। 'অসম এছ'চিয়েশ্যনে'ই আছিল অসমৰ একমাত্ৰ ৰাজনৈতিক অনুষ্ঠান। আসাম এছ'চিয়েশ্যনে উগ্ৰবাদী কাৰ্যক মুঠেই সমৰ্থন কৰা নাছিল। সেই যুগৰ অসমৰ নেতাসকলে কোম্পানীৰ দিন নীৰৱে মানি লৈছিল। তথাপি স্বীকাৰ কৰিব লাগিব যে, আসাম এছ'চিয়েশ্যনেই সেইকালত অসমত ৰাজনৈতিক চেতনা সঞ্চাৰ কৰাত আৰু সামগ্ৰিকভাৱে গোটেই অসমৰ উন্নয়নৰ কথা ভবা একমাত্ৰ আৰু অদ্বিতীয় অনুষ্ঠান আছিল।

আসাম এছ'চিয়েশ্যনৰ তেজপুৰ অধিৱেশনত অসহযোগ সম্বন্ধে আলোচনা কৰা হৈছিল। আসাম এছ'চিয়েশ্যনৰ নৱাগতসকলে গান্ধীজীয়ে বিচৰা অসহযোগ আন্দোলনৰ প্ৰতি অনুমোদন আগবঢ়ায়। এছ'চিয়েশ্যনৰ পুৰণাচাম নেতা বিশেষকৈ, গংগা গোবিন্দ ফুকন আৰু ঘনশ্যাম বৰুৱাই আসাম এছ'চিয়েশ্যন ত্যাগ কৰি ওলাই যায়। এই অধিৱেশনতেই আসাম এছ'চিয়েশ্যনৰ ঠাইত কংগ্ৰেছক ঘাই ৰাজনৈতিক অনুষ্ঠান হিচাপে গ্ৰহণ কৰা হয়। প্ৰায় সমগ্ৰ এছ'চিয়েশ্যনৰ সদস্যই কংগ্ৰেছৰ সদস্য হৈ পৰে।

১৯২১ খ্ৰী:ৰ ৫ জুনৰ দিনা, গুৱাহাটীত অসম কংগ্ৰেছৰ শাখা গঠন কৰা হয় আৰু বেংগল প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ লগত ইয়াৰ পূৰ্বৰ সম্বন্ধ ছেদ হ'ল। স্বৰ্গীয় কুলধৰ চলিহাক অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতিৰ দায়িত্ব দিয়া হৈছিল। অসমত প্ৰদেশ কংগ্ৰেছ গঠন হোৱাৰ পাছৰে পৰা জিলা আৰু গাঁও পৰ্যায়ত ইয়াৰ শাখা গঠন কৰাৰ অভিযানো আৰম্ভ কৰি দিয়া হৈছিল।

অসমত হোৱা অভূতপূৰ্ব জন-জাগৰণত মাজুলীবাসীৰ সঁহাৰি নাছিল বুলি ক'লে ভুল হ'ব। সেই সময়ত গোটেই যোৰহাটতে কংগ্ৰেছৰ ১০/১২টা কেন্দ্ৰ স্থাপন কৰা হৈছিল। মাজুলীতো কংগ্ৰেছৰ কেন্দ্ৰ স্থাপন কৰি জনসাধাৰণক কংগ্ৰেছমুখী কৰিবলৈ স্বৰ্গীয় কৃষ্ণনাথ শৰ্মা প্ৰমুখ্যে নেতাসকলে প্ৰচেষ্টা চলাই গৈছিল। এইদৰে স্থাপন হোৱা কংগ্ৰেছৰ কেন্দ্ৰবিলাকে 'কংগ্ৰেছ পঞ্চায়ত' প্ৰতিষ্ঠা কৰাত আগভাগ লোৱাটো কৰ্তব্যৰ ভিতৰতে ধৰা হৈছিল। সমগ্ৰ যোৰহাটখনত ব্ৰহ্মপুত্ৰৰ দুয়োপাৰ ধৰি ১৯২১ খ্ৰী:ৰ ভিতৰত ২০০ৰ পৰা ২৫০খন পৰ্যন্ত 'কংগ্ৰেছ পঞ্চায়ত' গঠন কৰা হৈছিল। কাছাৰীলৈ আহিবলগা মোকৰ্দমাবোৰ এই পঞ্চায়তবিলাকতে বিচাৰ কৰি ৰায়দান দিয়া হৈছিল। প্ৰায়বিলাক বিচাৰ গাঁৱতে নিষ্পত্তি হোৱাত কাছাৰীঘৰ উদং হৈ গৈছিল।

মাজুলীত কংগ্ৰেছৰ প্ৰচাৰ কাৰ্য যোৰহাটৰ পৰাহে চলাব লগা হৈছিল। চৰকাৰে মাজুলীৰ বহুতো বৰমূৰীয়া মানুহক নানা প্ৰলোভনেৰে হাত কৰি লৈছিল। বেথাই গামজনক কংগ্ৰেছত যোগ দিবলৈ কোৱাত, তেওঁ কৈছিল— "মই ৯৭খন চাৰ্টিফিকেট পাইছোঁ আৰু ৩খন পালে মোক 'ৰায়চাহাব' উপাধি দিব বুলি বৰচাহাবে কৈছে। মই কংগ্ৰেছৰ লগ লাগিলে, মোৰ আৰু 'ৰায়চাহাব' পোৱা নহ'ব।" (কৃ: ডা:) বামুণপুখুৰীৰ দেবেন্দ্ৰনাথ ঠাকুৰ, বেদ বৰঠাকুৰ আৰু কৃষ্ণনাথ শৰ্মা প্ৰভৃতিয়ে কমলাবাৰী, টুনীমুখ প্ৰভৃতি ঠাইত সভা-সমিতি পাতি জনসাধাৰণক আন্দোলনমুখী কৰিবলৈ প্ৰচেষ্টা চলাই গৈছিল।

১৯১৮-১৯ খ্ৰী:ৰে পৰা মাজুলীত গড়মূৰীয়া পীতাম্বৰদেৱ গোস্বামীয়ে "পাৰ্চেজ এণ্ড ছেল ছ'চাইটি" স্থাপন কৰি সভাপতিৰ দায়িত্ব লৈ যোৰহাটত ধান কিনা আৰু মাজুলীত সৰিয়হ সংগ্ৰহৰ কাৰ্যপন্থা হাতত লৈছিল। জাতীয় জাগৰণত এই অনুষ্ঠানবিলাকো পৰোক্ষভাৱে সহায়ক হৈছিল।

১৯২১ খ্ৰী:ৰ অসহযোগ আন্দোলনত মাজুলীৰ পৰা অংশ গ্ৰহণ কৰা কোনো মুক্তিযুঁজাৰু দেখা নগৈছিল। গড়মূৰীয়া পীতাম্বৰদেৱ গোস্বামীদেৱেও তৎকালে স্বাধীনতা সংগ্ৰামত দেখ দেখকৈ যোগ দিয়া নাছিল। অৱশ্যে, গোস্বামীদেৱে কংগ্ৰেছ পঞ্চায়ত, সমবায় আন্দোলন আদিৰ মাধ্যমত গান্ধীজীৰ বাণী আৰু কংগ্ৰেছৰ উদ্দেশ্য আদিৰ বিষয়ে ৰাইজক অৱগত কৰিছিল। কেইবাশ বছৰ ধৰি ইংৰাজ চৰকাৰৰ শোষণ আৰু প্ৰতাৰণাত আত্মবিস্মৃত হৈ থকা মাজুলীবাসীয়ে কংগ্ৰেছৰ পৰা সমবায়, কানি-নিবাৰণ, অস্পৃশ্যতা বৰ্জন, স্বাৱলম্বন, খাদী উৎপাদন, বিদেশী বস্তু বৰ্জন আদি এশ-এটা নতুন ভাব আৰু দৃষ্টিভংগীৰ পৰিচয় লাভ কৰি, ইংৰাজৰ কুশাসন আৰু কুসংস্কাৰৰ বিৰুদ্ধে খড়্গহস্ত হৈ পৰিছিল।

১৯২১ খ্ৰী:ৰ পাছৰে পৰা শিক্ষাৰ দিশত ক্ৰমাগত আগবাঢ়িবলৈ সক্ষম হোৱা মাজুলীবাসীয়ে কংগ্ৰেছৰ নেতৃত্বত নতুন যুগৰ নতুন দিগন্তলৈ চকু মেলিলে। গড়মূৰীয়া পীতাম্বৰদেৱ গোস্বামীয়ে মহাত্মা গান্ধীৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ গাঁওবাসীক স্বাধীনতা সংগ্ৰামৰ আৱশ্যকতাৰ বিষয়ে অৱগত কৰিছিল। ৺কৃষ্ণনাথ শৰ্মাই ডায়েৰীত লিখিছে— ''আন্দোলন, ইংৰাজ বিতাৰণ, বিদেশী বস্তু বৰ্জন আদি কথাবোৰ মাজুলীৰ পাছপৰা গাঁওবোৰত সম্পূৰ্ণ অভিনৱ যেন অনুভূত হৈছিল।'' ১৯২৬ চনত গুৱাহাটী নগৰত বহা পাণ্ডু কংগ্ৰেছত যোগ দিবলৈ গৈ যুগ প্ৰৱৰ্তক গড়মূৰীয়া পীতাম্বৰদেৱ গোস্বামীয়ে এলান্ধুকলীয়া যুগৰ ধৰ্মান্ধতা আৰু মতান্ধতাৰ বিৰুদ্ধে এক সাহসী পদক্ষেপ লোৱা দেখা গৈছিল। এনেদৰে এখন সৰ্বভাৰতীয় সভাত যোগ দিবলৈ ওলোৱা পীতাম্বৰদেৱ গোস্বামী মাজুলীৰ প্ৰথম নেতা আৰু ধৰ্মাচাৰ্য। পীতাম্বৰদেৱ গোস্বামীৰ জীৱনী প্ৰণেতা ৺গংগাধৰ হাজৰিকাৰ মতে, ধৰ্মাচাৰ্যগৰাকীৰ, স্বদেশী আন্দোলনৰ প্ৰভাৱত ১৯২১ চনৰ পৰাই বিদেশী বস্তু বৰ্জনৰ প্ৰতি আকৰ্ষণ দেখা গৈছিল। নিজে বৰ্জন কৰাৰ লগে লগে সমগ্ৰ মাজুলী তথা অসমবাসীৰ মাজত বৰ্জনৰ বাণী প্ৰচাৰ কৰি ফুৰিছিল। গোস্বামীপ্ৰভুৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই অনেক ভকত-বৈষ্ণৱে পাট-মুগাৰ কাপোৰৰ পৰিৱৰ্তে খদ্দৰ পৰিধান কৰা দেখা গৈছিল। খদ্দৰৰ ধুতি আৰু চোলাৰ কাপোৰ গোস্বামীপ্ৰভুৱে প্ৰথমতে নগাঁৱৰ ৰহাৰ পৰা অনাই ব্যৱহাৰ কৰিছিল। আসনত পৰা ঠেঙা, শয্যাৰ বিচনা-চাদৰ, তুলি কাপোৰ, লেপৰ কাপোৰ, গামোচা, চেলেং আৰু প্ৰয়োজনীয় সকলো বস্তুৱেই খদ্দৰৰ হাতে কটা সূতাৰে তৈয়াৰী কৰা কাপোৰৰ পৰা নিজেই লৈছিল আৰু আন হাজাৰজনকো ল'বলৈ উপদেশ দিছিল।

পাণ্ডু কংগ্ৰেছত যোগ দিবলৈ গোস্বামীৰ লগত মাজুলীৰ অনেক ভকত-বৈষ্ণৱো গৈছিল। সেই সকলো কংগ্ৰেছৰ আদৰ্শৰে উদ্বুদ্ধ হৈ উঠিছিল। পাণ্ডুত বহা ভাৰতীয় জাতীয় কংগ্ৰেছৰ মহাসভাখনেই হাতেকটা সূতা আৰু খদ্দৰৰ পোছাক-পৰিচ্ছদেৰে পৰিপূৰ্ণ হৈ পৰিছিল। পাণ্ডু নগৰত বহা কংগ্ৰেছ মহাসভাৰ অধিৱেশনৰ সভাপতি আছিল শ্ৰীনিবাস আয়েংগাৰ। সেই মহাসভাৰ লগতে অম্বিকাগিৰি ৰায়চৌধুৰীৰ 'অসম সংৰক্ষণী সভা'ৰো অধিৱেশন বহিছিল। গড়মূৰীয়া পীতাম্বৰদেৱ গোস্বামীক সেই সভাত সভাপতিত্ব কৰিবলৈ অনুৰোধ কৰা হৈছিল। কংগ্ৰেছ মহাসভালৈ ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ পৰা নেতাসকল আহিছিল। মহাত্মা গান্ধী, সৰোজিনী নাইডু, ড° ৰাজেন্দ্ৰপ্ৰসাদ প্ৰভৃতি বিখ্যাত বিখ্যাত নেতাই পাণ্ডু নগৰত পতা বাহৰত আশ্ৰয় গ্ৰহণ কৰিছিল। স্বৰ্গীয় পীতাম্বৰদেৱ গোস্বামীদেৱৰ কাৰণে পাণ্ডুত বহা কংগ্ৰেছ মহাসভাখন আছিল নেতাসকলৰ সান্নিধ্যলৈ যাব পৰাৰ এটা সুযোগ। ১৯২১ চনত অসমৰ ধৰ্মজগতখনেই অহৈতুকী ৰক্ষণশীলতাৰ বিষবাষ্পৰ মাজত আৱদ্ধ হৈ আছিল। এনে অৱস্থাত মাজুলী এৰি গুৱাহাটীত বহা মহা সম্মিলনত যোগ দিয়াটো সেই যুগত বৰ কঠিন কাম আছিল। এনেয়ে চাৰিসত্ৰৰ এজন অধিকাৰ; নানা নিয়ম-প্ৰথা আৰু পৰম্পৰা মানি চলিব লাগে। চাৰিসত্ৰৰ গোসাঁইসকলৰ বাদেও, মতান্ধতাৰ দোষত অন্যান্য গোসাঁই-মহন্তসকলো সহজতে সত্ৰৰ পৰা বাহিৰ হ'ব নোৱাৰিছিল। গড়মূৰীয়া পীতাম্বৰদেৱে লগত ভালেমান শিষ্য-প্ৰশিষ্য লৈ সেই ৰক্ষণশীলতাৰ দুৰ্গ ভেদ কৰি পাণ্ডু কংগ্ৰেছত যোগ দিবলৈ গৈছিল। প্ৰভুৰ লগত যোৱা সহযাত্ৰীসকলো আছিল উদাৰ দৃষ্টিভংগীৰ লোক। পুৰণি যুক্তিহীন কাৰ্য-কলাপৰ প্ৰতি পীতাম্বৰদেৱ আছিল খড়্গহস্ত। তেখেতৰ বলিষ্ঠ নেতৃত্বত সমগ্ৰ মাজুলীবাসীয়েই নতুন যুগৰ নতুন দিগন্ত দেখিবলৈ পালে। সংস্কাৰৰ ঢলে মাজুলীৰ পাৰ বুৰাই পেলালে।

মহাত্মা গান্ধীৰ লগত যুগ প্ৰৱৰ্তক পীতাম্বৰদেৱৰ দেখা-সাক্ষাৎ হ'ল। মহামানৱ মহাত্মা গান্ধীয়ে পদব্ৰজে আহি গোস্বামী প্ৰভুক লগ ধৰি অসমৰ অনেক সমস্যাৰ ওপৰত দীঘলীয়া আলোচনা কৰে। গান্ধীজীৰ খোৱা সময় অতীত হৈ যোৱাত, মীৰা বেনে আলোচনা চলি থকা ঠাইলৈকে গান্ধীজীৰ আহাৰ বেল আৰু ছাগলীৰ গাখীৰ দি গৈছিল। জীৱনী-লেখক হাজৰিকাৰ মতে গান্ধীজীৰ লগত পীতাম্বৰদেৱ

গোস্বামীৰ আলোচনা ১ ঘণ্টা ২৫ মিনিট ধৰি চলিছিল।

পাণ্ডু নগৰত বহা অসম সংৰক্ষণী সভালৈ পীতাম্বৰদেৱ গোস্বামীক গায়ন-বায়নেৰে সমদল কৰি লৈ গৈছিল।

১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছৰ প্ৰাক্‌কালৰ মাজুলীত স্বাধীনতা আন্দোলনৰ কথা চিন্তা কৰা লোক প্ৰায় নাছিলেই। জননায়ক দেৱেশ্বৰ শৰ্মাই তেখেতৰ গ্ৰন্থ 'হেৰাই যোৱা দিনবোৰ'ত এটা কথা সুস্পষ্টভাৱে লিখিছে যে, ১৯২১ চনত তেখেতসকলে স্বাধীনতা সংগ্ৰামৰ প্ৰচাৰ অভিযানত লাগি থাকোতে মাজুলীৰ কৰতিপাৰ প্ৰমুখ্যে অনেক ঠাইত সভা-সমিতি পাতিব লগা হৈছিল। সেই সময়ত গড়মূৰত সোমাই দুৰ্বাতিমান থাকিছিল। গড়মূৰীয়া পীতাম্বৰদেৱ গোস্বামীৰ বাহিৰে দেশ-বিদেশৰ বাতৰি ৰখা আৰু গান্ধী-অসহযোগৰ তাৎপৰ্য বুজা মানুহ মাজুলীত দ্বিতীয়জন নাছিল। সেইকালতে তেখেতে অসমীয়া আৰু হিন্দী বাতৰি কাকত নিয়মীয়াকৈ পঢ়িছিল। গাঁৱৰ মানুহৰ মাজতো সংগ্ৰামী মনোভাৱ জগাই তুলিবলৈ বাতৰিৰ পৰা পোৱা খা-খবৰ সকলোকে অৱগত কৰাইছিল।

১৯২৬ চনৰ পাছৰে পৰা মাজুলীৰ গাঁৱে গাঁৱে গান্ধী আৰু অসহযোগৰ বা-বাতৰি বিয়পি পৰিছিল। ক্ৰমাগত মানুহৰ মন স্বাধীনতা আন্দোলনৰ প্ৰতি আকৰ্ষিত হৈছিল। এই সকলো পৰিৱৰ্তনৰ গুৰিতে আছিল পীতাম্বৰদেৱ গোস্বামীৰ প্ৰচেষ্টা। সামাজিক, ৰাজনৈতিক সকলো ক্ষেত্ৰতে তেখেতে চলাই যোৱা সুদূৰপ্ৰসাৰী সংস্কাৰবিলাক আজ্ঞাৰ যুগৰ পৰা পোহৰলৈ আগবঢ়া পথৰ আলোকবৰ্তিকা বুলি ক'ব পাৰি। অৱশ্যে ৺গংগাধৰ হাজৰিকাৰ ভাষাত লিখিবলৈ গ'লে— "১৯২১/২২ চনত জাতীয় আন্দোলনৰ নেতাসকলে অধিকাৰ প্ৰভুক প্ৰীতিৰ চকুৰে দৰ্শন কৰি, যুগাৱতাৰ ধৰ্মগুৰু বুলি আদৰি লৈছিল আৰু তেখেতসকলৰ উদাৰ মতৰ লগত আনকেইখন সত্ৰৰ ধৰ্মাচাৰ্যসকলৰ মত খাপ খাই নপৰিছিল। এটা কথা ঠিক যে, যিবিলাক সংস্কাৰ কৰ্মই পীতাম্বৰদেৱ গোস্বামীক সমালোচনাৰ পাত্ৰ কৰিছিল; সেই সংস্কাৰ কৰ্মৰ সুফল আজি অন্যান্য গোসাঁই-গুৰুসকলেও অকুণ্ঠচিত্তে গ্ৰহণ কৰিছে। আজি সকলোৱে দোলা-হাতী এৰি ৰেল-মটৰত উঠিছে। সাজ-পোছাকৰ পৰিৱৰ্তন ঘটাইছে। কুঁৱাৰ পানীকে সাগৰ বুলি নাভাবি ৰাজআলিলৈ ওলাই আহিছে। এই সকলোবিলাক পীতাম্বৰদেৱ গোস্বামীৰে অৱদান বুলি ক'ব লাগিব। মাজুলীবাসী ৰাইজক পীতাম্বৰদেৱ গোস্বামীয়ে নতুন যুগৰ নতুন দিগন্তৰ ফালে ক্ৰমাগত যে আগবঢ়াই লৈ গৈছিল, এইকথা আজি দিনৰ পোহৰৰ দৰে উজ্জ্বল হৈ উঠিছে।"

১৯৩২ চনত গান্ধীজীৰ আহ্বান ক্ৰমে আইন অমান্য আন্দোলন যেতিয়া চলি আছিল, সেই ভয়ানক অৱস্থাতো পীতাম্বৰদেৱ গোস্বামীয়ে গান্ধীজীৰ আইন অমান্য আন্দোলনৰ সাৰ্থক ৰূপায়ণৰ উদ্দেশ্য আগত ৰাখি দ্বিতীয়খন অসম ৰাষ্ট্ৰীয় সন্মিলনত সভাপতিত্ব কৰিছিল। ৰাষ্ট্ৰীয় সন্মিলনবোৰ সেই সময়ত স্বাধীনতা ৰণৰ অংগস্বৰূপ বুলি গণ্য হৈছিল। এই সময়ত 'গান্ধী-আৰ্‌উইন চুক্তি' ভংগ হোৱাত কংগ্ৰেছ বে-আইনী বুলি ঘোষিত হৈছিল আৰু কংগ্ৰেছ সভাপতি, নেতাসকলক ঠায়ে ঠায়ে গ্ৰেপ্তাৰ কৰাও হৈছিল। এনে এটা ভয়ানক অৱস্থা চলি থাকোতেও যোৰহাট বিষ্টুৰাম বৰুৱা হল প্ৰাংগণত গড়মূৰীয়া গোস্বামীয়ে নিৰ্বিঘ্নে সন্মিলনৰ কাম চলাই গৈছিল। তাৰপিছত তৃতীয়খন ৰাষ্ট্ৰীয় সন্মিলন কাকজানৰ ঢেঁকীয়াখোৱাত বহে। এইখন সন্মিলনো গড়মূৰীয়া পীতাম্বৰদেৱ গোস্বামীয়েই উদ্বোধন কৰিছিল। তেখেতৰ উদাত্ত স্বদেশপ্ৰেমৰ ভাষণ আছিল এই সন্মিলনৰ মূল আকৰ্ষণ।

১৯৪০ চনৰ জুলাই মাহৰ ২৭/২৮ তাৰিখে সদৌ ভাৰত কংগ্ৰেছ কমিটী পুণা চহৰত বহে। কমিটীয়ে আলোচনা মৰ্মে দুটা চৰ্তত যুদ্ধত সহযোগ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই চৰ্ত দুটা বুৰঞ্জীবিদ্ মজুমদাৰৰ মতে, পূৰ্ণস্বৰাজ প্ৰদান কৰা আৰু দ্বিতীয়তে, কেন্দ্ৰত সাময়িকভাৱে অস্থায়ী জাতীয় চৰকাৰ (Provisional National Government) গঠন কৰা। ভাইচৰয়ে আনহাতে কেৱল 'ডমিনিয়ন' শাসন প্ৰদানৰ কাৰণে সাজু থকাৰ কথা ঘোষণা কৰিলে। সদৌ ভাৰত কংগ্ৰেছ কমিটীয়ে গত্যন্তৰ নেদেখি সত্যগ্ৰহ কৰাৰ কথা দোহাৰিবলৈ ল'লে। গান্ধীজীয়ে ভাইচৰয়ৰ কঠোৰ মনোভাৱ বুজিব পাৰি 'ব্যক্তিগত সত্যাগ্ৰহ'ৰ প্ৰস্তাৱ আগবঢ়ায়। ১৯৪০ চনৰ ১৭ অক্টোবৰৰ দিনা গান্ধীজীয়ে ব্যক্তিগতভাৱে সত্যাগ্ৰহ কৰি যাবলৈ বিনোৱা ভাৱেক দায়িত্ব অৰ্পণ কৰিলে।

নানা কাৰণত অসমত এই সত্যাগ্ৰহ আৰম্ভ কৰা পলম হৈছিল। গান্ধীজী অসমত সত্যাগ্ৰহ কৰাৰ পক্ষপাতী নাছিল। অৱশ্যে, আবুল কালাম আজাদে বৰদলৈক অসমতো সত্যাগ্ৰহ অব্যাহত ৰাখিবলৈ পৰামৰ্শ দিয়ে। কালামৰ পৰামৰ্শ অনুযায়ী কেৱল বছা বছা লোকেহে এই ব্যক্তিগত সত্যাগ্ৰহত অংশ গ্ৰহণ কৰিছিল। সেইকাৰণে বৰদলৈয়ে গান্ধীজীৰ হতুৱাই সত্যাগ্ৰহীৰ তালিকা এখন অনুমোদন কৰাই আনিব লগা হয়। অসম প্ৰদেশ কংগ্ৰেছে ডিচেম্বৰ মাহৰ ৬ তাৰিখৰ পৰাহে

ব্যক্তিগত সত্যাগ্ৰহ আৰম্ভ কৰিবলৈ সক্ষম হয়। এই ব্যৱস্থা অনুযায়ী প্ৰথমতে চৰকাৰলৈ সময় আৰু স্থান ঠিক কৰি জাননী দিব লাগে। অসমত স্বৰ্গীয় গোপীনাথ বৰদলৈয়ে ব্যক্তিগত সত্যাগ্ৰহৰ শুভ-উদ্বোধন কৰে। অন্যান্য নেতাসকলে সত্যাগ্ৰহৰ সময় আৰু স্থান নিৰ্ণয় কৰি দি সত্যাগ্ৰহ কৰাৰ দৰেই যোৰহাটতো দেৱেশ্বৰ শৰ্মাই ডিচেম্বৰৰ ১৪ তাৰিখে জাননী দি বাহনাত সত্যাগ্ৰহৰ সূচনা কৰে। এই পৰ্যায়ৰ সত্যাগ্ৰহৰ নীতি মানি সত্যাগ্ৰহীজনে গান্ধীজীয়ে দিয়া দুফাঁকি মন্ত্ৰ তিনিবাৰ উচ্চাৰণ কৰিব লাগে। যদি ইতিমধ্যে তেওঁক পুলিচে গ্ৰেপ্তাৰ নকৰে, তেওঁ গাঁৱে গাঁৱে ভ্ৰমণ কৰি অসহযোগয় প্ৰচাৰ চলাই যাব। মন্ত্ৰ দুটা আছিল এনেকুৱা:

১) It is wrong to help the British war effort with men and money'' বৃটিছ চৰকাৰৰ যুদ্ধ প্ৰচেষ্টাত ধনে-জনে সহায় কৰাটো অন্যায় হ'ব।

২) To resist all wars. by non-violent resistance সকলো যুদ্ধকে অহিংসভাৱে প্ৰতিৰোধ কৰি বাধা দিব লাগিব।

যিহেতু গান্ধীজীয়ে অনুমোদন কৰি দিয়া সত্যাগ্ৰহীৰ তালিকাত মাজুলীৰ কোনো সত্যাগ্ৰহীৰ নাম নাছিল; গড়মূৰীয়া পীতাম্বৰদেৱ গোস্বামীয়ে নিজেই ব্যক্তিগত সত্যাগ্ৰহ কৰিবলৈ আৰু মাজুলীক নেতৃত্ব দিবলৈ আগবাঢ়ি আহিছিল। এই প্ৰসংগত স্বৰ্গীয় মহেন্দ্ৰ মোহন চৌধুৰীয়ে লিখিছিল— "গোস্বামীদেৱ ১৯৪০ চনত সত্যাগ্ৰহী লিষ্টভুক্ত হৈছিল; কিন্তু সত্যাগ্ৰহত নমা সত্ত্বেও চৰকাৰে গ্ৰেপ্তাৰ কৰাৰ পৰা বিৰত আছিল।" চৌধুৰীয়ে পুনৰ লিখিছে— "১৯৩০-৩২ চনৰ স্বাধীনতা আন্দোলনত যোগ দিবৰ কাৰণে অনুমতি বিচাৰি কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ, বিষ্ণুৰাম মেধি, দেৱেশ্বৰ শৰ্মা, অমিয়কুমাৰ দাস প্ৰমুখ্যে নেতৃবৃন্দৰ লগত পত্ৰালাপ চলাইছিল; কিন্তু চাৰিসত্ৰীয়া গোসাঁয়ে আন্দোলনত-যোগ দি কাৰাবৰণ কৰিলে সমাজত অসন্তোষে দেখা দিব পাৰে বুলি ভয় কৰি নেতৃবৃন্দই তেখেতক তাৰ পৰা বিৰত কৰিছিল।"

তাৰপাছত আহিল ১৯৪২ চনৰ দেশব্যাপী হোৱা আন্দোলন। বাস্তৱিকতে '৪২ চনৰ আন্দোলনক আন্দোলন বোলাতকৈ জনজাগৰণ বুলিলেহে খাপ খাব। ১৯৪১ চনৰ ২৩ মাৰ্চৰ পৰা আলোচনা কৰি ক্ৰিপচ্ সঁজাতী দলে কোনো সমাধানসূত্ৰ উলিয়াব নোৱাৰিলে। কংগ্ৰেছ আৰু গান্ধী কোনোৱে ক্ৰিপচ্‌ৰ লগত একমত হোৱা সম্ভৱ নহ'ল।

গান্ধীজীয়ে ধৰি ল'লে বৃটিছক ভাৰত-ত্যাগ কৰিবলৈ বাধ্য কৰাব নোৱাৰিলে ভাৰতত শান্তি সম্ভৱ নহয়। বৃটিছ ভাৰতৰ পৰা আঁতৰি গ'লেহে ভাৰতীয়সকলৰ সম্প্ৰীতি আৰু বন্ধুভাব থাকিব। ১৯৪১ চনৰ এপ্ৰিল মাহৰ ২৯ তাৰিখৰ পৰা মে' মাহৰ ২ তাৰিখলৈকে বহা এলাহাবাদ কংগ্ৰেছ কমিটীত গান্ধীজীৰ এটা খচৰা প্ৰস্তাৱ আলোচনা কৰি চোৱা হয়। সেই খচৰা প্ৰস্তাৱটো পুনৰ ১৯৪২ চনৰ আগষ্ট মাহৰ ৮ তাৰিখে বোম্বাই (বৰ্তমানৰ মুম্বাই) নগৰত বহা নিখিল ভাৰত কংগ্ৰেছ কমিটীত আলোচনা কৰা হয় আৰু প্ৰস্তাৱটো গৃহীত হয়। এই প্ৰস্তাৱটোকেই 'ভাৰত-ত্যাগ প্ৰস্তাৱ' বুলিও কোৱা হৈছিল।

এই ঐতিহাসিক ভাৰত-ত্যাগ প্ৰস্তাৱ গৃহীত হোৱাৰ পাছতেই সমগ্ৰ ভাৰতৰ নেতৃস্থানীয় লোকসকলক ইংৰাজে কেইঘণ্টামানৰ ভিতৰতে গ্ৰেপ্তাৰ কৰি কাৰাগাৰত ভৰ্তি কৰিলে। চৰকাৰৰ উদ্দেশ্য আছিল কলিতেই ভাৰত-ত্যাগ আন্দোলন মষিমূৰ কৰা। ৮ আগষ্টৰ দিনা ঘোষণা কৰা 'ভাৰত-ত্যাগ' প্ৰস্তাৱৰ লগতে গান্ধীজীয়ে এটা মন্ত্ৰও দিছিল। মন্ত্ৰটো আছিল— "কৰ্তব্য সাধন, কিম্বা শৰীৰ পতন" (Do or die)।

নেতাসকলৰ গ্ৰেপ্তাৰৰ বাতৰি বনজুইৰ দৰে সমগ্ৰ দেশ ছানি ধৰাৰ লগে লগে 'ভাৰত-ত্যাগ' আন্দোলনৰ দাবানল দপ্‌দপ্‌কৈ জ্বলি উঠিল। মাজুলীৰ গড়মূৰত দেশপ্ৰেমিক, ধৰ্মগুৰু পীতাম্বৰদেৱ গোস্বামী থিৰেৰে থাকিব নোৱাৰিলে। গোস্বামীয়ে গাঁও-নগৰ সকলো ঠাইতে উত্তেজনামূলক বক্তৃতা দিবলৈ আৰম্ভ কৰিলে। গত্যন্তৰ নেদেখি চৰকাৰে অন্তৰীণৰ আদেশ জাৰি কৰি সত্ৰ এৰি নাযাবলৈ পীতাম্বৰদেৱ গোস্বামীক আদেশ দিলে। ১৯৪৩ চনৰ লগে লগে গোস্বামীয়ে চৰকাৰৰ আদেশ অমান্য কৰিবলৈ বাধ্য হ'ল। কুকুৰাবাহীত মৃত্যুশয্যাত দিন গণনা কৰা খুৰাকক চাবলৈ গোস্বামীয়ে নাৱেৰে যাত্ৰা কৰি ওলাই গ'ল। এই যাত্ৰাৰ অলপ দিনৰ পাছতে, ১৯৪৩ চনৰ আগষ্ট মাহৰ ৫ তাৰিখে সমগ্ৰ মাজুলীবাসীৰ অন্তৰত আঘাত দি, গড়মূৰীয়া গোস্বামীক যোৰহাট জেললৈ অনা হ'ল। গোসাঁইৰ লগত গৈছিল দুই-তিনিজন আলধৰা। গড়মূৰ ইতিমধ্যে শূন্য হৈ গৈছিল; কাৰণ ডেকা সত্ৰাধিকাৰ কৃষ্ণচন্দ্ৰ গোস্বামীক '৪২ চনৰ ১৩ নৱেম্বৰৰ দিনাই ভাৰত ৰক্ষা আইনৰ ২৬ ধাৰা মতে গ্ৰেপ্তাৰ কৰি যোৰহাটৰ জেলত ৰখা হৈছিল। ডেকা সত্ৰাধিকাৰৰ লগতে ৪/৫জন ভকতকো চিকিউৰিটি বন্দী হিচাপে জেললৈ অনা হৈছিল। পীতাম্বৰদেৱ গোস্বামী গ্ৰেপ্তাৰ হোৱাৰ পাছতে মাজুলীৰ গড়মূৰ সত্ৰত পুলিচ প্ৰৱেশ কৰি খানাতালাচী চলালে আৰু অনেক মূল্যৱান সম্পদ তথা ধৰ্মশাস্ত্ৰৰ পাণ্ডুলিপি বাজেয়াপ্ত কৰি লৈ গ'ল। সেই মূল্যৱান পাণ্ডুলিপিখিনিৰ ভিতৰত বেদান্তৰ ওপৰত লিখা

পাণ্ডুলিপিখন ঘূৰাই পোৱা নগ'ল। প্ৰায় ২ বছৰ কাল জেলত কটোৱাৰ অন্তত, ১৯৪৫ চনৰ এপ্ৰিল মাহত গোস্বামীপ্ৰভুক জেলৰ পৰা খালাচ কৰি দিয়া হয়।

তাহানিতে স্বাধীনতা ৰণলৈ আহ্বান দি মুকুন্দলাল দাসে যাত্ৰাপাৰ্টিত এটি চিত্তাকৰ্ষক গীত গাই সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল। গীতটি আছিল—

"যদি তোৰ ডাকে কেউ আসেনা,

তবে একলা চলো, একলা চলো ৰে।।"— "যদি তোমাৰ আহ্বানত কোনো ৰাজপথলৈ ওলাই নাহে, তেনেহ'লে তুমি অকলে ওলাই আহা; অকলে ওলাই আহা।" পীতাম্বৰদেৱ গোস্বামীৰ উদাত্ত আহ্বান অৱশ্যে অথলে যোৱা নাছিল। গোটেই মাজুলী নহ'লেও, গড়মূৰ, কৰতিপাৰ, বনগাঁও, দক্ষিণপাট, কমলাবাৰী আদি ঠাইৰ পৰা গোস্বামীক অনুসৰণ কৰি কেইবাশ মানুহ ১৯৪২ চনৰ গণ-আন্দোলনত যোগ দিবলৈ ওলাই আহিছিল। আমি যদিও আগতে লিখিছোঁ, ১৯২১ চনত মাজুলীৰ পৰা অসহযোগ কৰি ওলাই অহা লোকৰ সংখ্যা নগণ্য; তথাপি বহুতো লোকে কংগ্ৰেছত যোগ দি স্বাধীনতা সংগ্ৰামৰ ৰণ-শিঙাত 'ফু' দিবলৈ কুণ্ঠাবোধ কৰা নাছিল। গড়মূৰৰ কনকচন্দ্ৰ দত্তই পীতাম্বৰদেৱ গোস্বামীৰ সহযোগী হৈ ২ বছৰ সশ্ৰম কাৰাদণ্ড ভোগ কৰে। এই গাঁৱৰে মাধৱচন্দ্ৰ বৰায়ো ১৯৩২ চনৰ পৰা কংগ্ৰেছত যোগ দি '৪২ চনৰ গণ-বিপ্লৱত প্ৰায় এবছৰ কাল (১৯৪৩-৪৪) কাৰাবাস খাটিব লগা হয়। এই ঠাইৰে নিৰ্ভীক যোদ্ধা, খগেন ভূঞাই ১৯৩২ চনৰ পৰা কংগ্ৰেছৰ আদৰ্শ ৰক্ষা কৰি ১৯৪১ চনত কাৰাবাস খাটিব লগা হৈছিল। আন এজন মুক্তিযোদ্ধা জীৱেশ্বৰ বৰাই শংকৰ বৰুৱাৰ নিৰ্দেশত আত্মগোপন কৰিছিল যদিও ১৯৪৩ চনত ইংৰাজৰ গোপন অনুসন্ধানৰ বলি হ'ব লগা হয়। গড়মূৰৰ ইন্দ্ৰেশ্বৰ বৰাই ১৯৪২ চনত মৃত্যু-বাহিনীত যোগ দি মাজুলী পাৰত এক আলোড়নৰ সৃষ্টি কৰি গ'ল। গড়মূৰ সত্ৰৰ লগত জড়িত হৈ থকা পিতা-পুত্ৰ, ভোলানাথ কাকতি আৰু চাৰু কাকতিয়ে গ্ৰেপ্তাৰ বৰণ কৰিব লগা হয়। এওঁলোকে পীতাম্বৰদেৱ গোস্বামীৰ নেতৃত্ব আখৰে আখৰে মানি চলিছিল। গড়মূৰ সত্ৰৰ কমল ভাগৱতীয়েও স্বাধীনতা ৰণৰ ৰণুৱাৰ তালিকাত নাম ভৰ্তি কৰে। '৪২ চনৰ আন্দোলনত ইংৰাজৰ বিৰুদ্ধে সংগঠনৰ কাম কৰোতে ভাৰতচন্দ্ৰ বৰায়ো ৬ মাহ জেলৰ ভাত খাব লগা হৈছিল। পীতাম্বৰদেৱ গোস্বামীৰ আহ্বানত মাজুলীত নাৰী-আন্দোলনো পাছ পৰি থকা নাছিল। গোস্বামীদেৱৰ আশীৰ্বাদপুষ্ট ভালে কেইগৰাকী মহিলায়ো ১৯৪২ চনৰ আন্দোলনত স্বেচ্ছাসেৱিকাৰ কাম কৰি কাললৈ আদৰ্শ ৰাখি গৈছে। এওঁলোকৰ ভিতৰত যমুনেশ্বৰী ভঁৰালীৰ নাম নল'লে অন্যায় কৰা হ'ব। গড়মূৰতে '৪২ চনৰ আন্দোলন আৱদ্ধ আছিল বুলি ক'লে শুদ্ধ নহ'ব। দক্ষিণপাট আৰু কমলাবাৰীতো স্বাধীনতাপ্ৰেমীসকলে সংগ্ৰামৰ ৰণশিঙা বজাই গৈছে। তেওঁলোকৰ সৰহভাগেই পীতাম্বৰদেৱ গোস্বামীৰ আশিসধন্য। ১৯৩৬ চনৰ পৰা কংগ্ৰেছত সংগঠনৰ কাম কৰি, ভৱকান্ত শৰ্মাইও ১৯৪২ চনত গ্ৰেপ্তাৰ বৰণ কৰিব লগা হয়। দক্ষিণপাটৰে দেউৰাম দত্তই পলাতক অৱস্থাত থাকি আত্মগোপন কৰিব লগা হৈছিল। এওঁলোকে জীয়াই থকাৰ আশা ত্যাগ কৰি গোপনে সংগঠনৰ কামত লাগি আছিল। বগাৰাম কাকতি, নাৰায়ণ ভঁৰালী আদি অনেকে '৪২ চনৰ আন্দোলনত জঁপিয়াই পৰি জেলৰ ভাত খাব লগা হৈছিল। নগেন বৰায়ো বিয়াল্লিছত পলাতক অৱস্থাত থাকি ইংৰাজৰ যুদ্ধ-প্ৰচেষ্টাত অনেক প্ৰকাৰে বাধা দি আছিল। মাজুলী পাৰৰ পৰা ১৯২১ আৰু '৩০ চনত ওলাই অহা স্বেচ্ছাসেৱকৰ সংখ্যা নিৰ্ণয় কৰাত বহুতো অসুবিধা আছে। ১৯৪২ চনত অৱশ্যে ধীৰেন দত্ত, পোৱাল হাজৰিকা, ৰাধা ভাগৱতী আদিয়ে অনেক প্ৰকাৰে পুলিচী নিৰ্যাতন ভুগিব লগা হৈছিল। দুই-এজন মাজুলীবাসীলোকে ১৯২১ চনৰ পৰা দেশসেৱা কৰি গৈছে। কেশৱৰাম বৰাই মাজুলী ত্যাগ কৰি শিক্ষাৰ কাৰণে আঁতৰত থাকিও স্বাধীনতা সংগ্ৰামৰ হকে আন্তৰিকতাৰে কাম কৰি গৈছিল। যোৰহাট নগৰতো নিজৰ ব্যৱসায়-বাণিজ্য অটুট ৰাখি চন্দ্ৰকমল বেজবৰুৱা, গংগাধৰ বৰকটকী আদিয়ে ধনে-জনে স্বেচ্ছাসেৱীসকলক আঁৰ কাপোৰৰ আঁৰৰ পৰা সহায় কৰি গৈছিল। চাদুৰাম হাজৰিকা, তৰুণচন্দ্ৰ পামেগাম, গংগাধৰ চমুৱা আৰু সুনন্দ ভূঞা আদিয়ে পীতাম্বৰদেৱ গোস্বামীক অনুসৰণ কৰি সংগ্ৰামী মনোভাৱৰ পৰিচয় দি গৈছে। এওঁলোকৰ দৰেই থগীৰাম ভূঞা, মাণিক হাজৰিকা, মাধৱ শইকীয়া, হীৰালাল ঠাকুৰ, কমল কটকী আদি ভালেমান কৰ্মীয়ে গাঁৱে-ভূঞে মহাত্মাৰ বাণী বিলাই, স্বাধীনতা ৰণৰ পৱিত্ৰ যজ্ঞত জীৱন আহুতি দি গৈছে। আওহতীয়া মাজুলীৰ মানুহ হৈয়ো ভোলানাথ শৰ্মা বৰদলৈয়ে নিজ কৰ্মক্ষেত্ৰ কৰতিপাৰ গাঁৱতে আৱদ্ধ নাথাকি তেজপুৰ, গহপুৰত আন্দোলনৰ গুৰি ধৰি পুলিচৰ গুলিত

আক্ৰান্ত হৈ নিজৰ মৃত্যু চমু চপাই আনিছিল। এই প্ৰসংগত সকলো স্বেচ্ছাসেৱকৰ নাম লোৱা সম্ভৱ নহয়। এনে বহুতো দেশকৰ্মী তথা স্বেচ্ছাসেৱক আছিল, যিসকলে গাঁৱে গাঁৱে গৈ কংগ্ৰেছৰ বাণী প্ৰচাৰ কৰি পুলিচৰ অত্যাচাৰত সম্পত্তি এৰি অনাই-বনাই ফুৰিব লগা হৈছিল।

মুঠতে বিয়াল্লিছৰ গণ-আন্দোলনত নদী-দ্বীপ মাজুলীৰ অৱদান নগণ্য বুলি ক'লে শুদ্ধ নহয়। পুৰুষসকলৰ অনুপস্থিতিত বা কাৰাগাৰত সোমাই থাকিব লগা অৱস্থাত ঘৰ-সংসাৰ, খেতি-বাতি, ল'ৰা-ছোৱালীৰ শিক্ষা-দীক্ষা আদি এশ-এটা কামৰ আউল ভঙাৰ দায়িত্বত তিৰোতাসকলৰ ত্যাগো পুৰুষৰ সমানেই স্মৰণীয় হৈ থাকিব।

## মাজুলীৰ মুক্তিযুঁজাৰুসকল

**শ্ৰীশ্ৰী ৺পীতাম্বৰদেৱ গোস্বামী :** পৃথিৱীৰ বৃহত্তম নদী-দ্বীপৰূপে খ্যাত মাজুলীত মহাত্মা গান্ধী দক্ষিণ আফ্ৰিকাৰ পৰা নিজ জন্মভূমিত ভৰি দিয়াৰ (১৯১৫) চাৰি বছৰ পূৰ্বৰে পৰা বিদেশী বস্ত্ৰ আৰু বিদেশী বস্ত্ৰ বৰ্জনৰ বতাহ বলাইছিল দ্ৰষ্টা পুৰুষ, গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী৺পীতাম্বৰদেৱ গোস্বামীয়ে। কালপূৰ্বজ্ঞ এইজনা প্ৰভুৱে ১৯১১ খ্ৰী:ৰে পৰা বিদেশী দ্ৰব্য বৰ্জনৰ অনুশীলন নিজে কৰি আনকো বিদেশী বৰ্জনৰ আহ্বান জনায়। ১৯১৭ খ্ৰী:ৰ পৰা তেখেতে বিদেশী বস্ত্ৰ আৰু বিদেশী দ্ৰব্য সম্পূৰ্ণ ত্যাগ কৰে। বিলাতী নিমখ ত্যাগ কৰি পঞ্জাবত উৎপাদিত সৈন্ধৱ আৰু কৰ্কচ নিমখহে ব্যৱহাৰ কৰিছিল। মহামানৱ মহাত্মা গান্ধীৰ লোণ-আইন অমান্য কৰাৰ ঐতিহাসিক দাণ্ডি-যাত্ৰাৰ ১৩ বছৰৰ পূৰ্বৰে পৰা গোস্বামীদেৱে বিদেশী নিমখ ত্যাগ কৰি স্বদেশী দ্ৰব্য প্ৰচলনৰ অভ্যাস, অনুশীলন আৰু প্ৰচাৰ কৰে। এই প্ৰচাৰৰ লগতে প্ৰভুৱে কানি, ভাং, মদ আদি ৰাগীয়াল বস্তু বৰ্জনৰ আহ্বানো জনায়। এইদৰে গোস্বামীদেৱে স্বতঃপ্ৰণোদিতভাৱে আত্মনিৰ্ভৰশীলতাৰ অনুশীলন আৰু প্ৰচাৰত ব্ৰতী হয়।

শ্ৰীশ্ৰী৺পীতাম্বৰদেৱ গোস্বামী এনে এজন ঋষিপুৰুষ আছিল যিজন ব্যক্তিত্বত হিমালয়সদৃশ, বিশালতাত সাগৰ শংকাশ, জ্ঞানত ব্যাস স্বৰূপ, উদাৰতাত বিকল্পবিহীন আৰু সংস্কাৰমুক্ত। প্ৰীতি আৰু শান্তি, সমন্বয় আৰু সহযোগিতাৰ এক নতুন সমাজ প্ৰতিষ্ঠা, এইজনা ক্ষণজন্মা গুৰুৰ জীৱন-বেদ আছিল। শাশ্বত মানৱপ্ৰেম আৰু মুক্তিৰ সপোন আছিল যিজনৰ জীৱন-দৰ্শন, সমাজৰ কুসংস্কাৰ আৰু যুক্তিহীন ৰক্ষণশীলতাৰ প্ৰাচীৰ উভালি ক্লেদ-ক্লিষ্ট যুগৰ আৱৰ্জনাক বৰ্জন কৰি সংস্কৃত মানৱৰ আদৰ্শ আৰু আত্মিক সম্পদৰ প্ৰতিষ্ঠা কৰা যিজনাৰ আছিল জীৱনৰ সপোন, প্ৰেম আৰু সত্যৰ সমন্বয় সাধনেই যিজনৰ আছিল অন্তৰ্নিহিত প্ৰাণ স্পন্দন, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰদৰ্শিত ধৰ্ম প্ৰচাৰৰ ধৰ্মাচাৰ্য আৰু মহাত্মা গান্ধীৰ প্ৰদৰ্শিত মাতৃভূমি মুক্তিৰ অহিংস কাণ্ডাৰীৰূপে অসমৰ সমাজ-জীৱনত যি অভূতপূৰ্ব বিপ্লৱৰ উত্তাল তৰংগৰ সৃষ্টি কৰিলে এইজনা গুৰুৱে, যাৰ তুলনা ভাৰতত কিয়, পৃথিৱীতে বিৰল।

ড° ৰাধাকৃষ্ণণে মহাভাৰতৰ অৰ্জুনক "struggling individuals" বুলি আখ্যা দিছে। বিশ্ব-বিশ্ৰুত এইজনা পণ্ডিতৰ অৰ্থত পীতাম্বৰদেৱো 'অৰ্জুন'— "struggling individuals"— 'জগতৰ বিচিত্ৰতা আৰু তত্ত্বগভীৰতাত জৰ্জৰিত সত্যানুসন্ধানকাৰী সংগ্ৰামী ব্যক্তিয়েই অৰ্জুন বুলি অৰ্থ কৰিলে যদি হয়, পীতাম্বৰ প্ৰভু আজীৱন যুযুৎসু অৰ্জুন। এই বিৰামবিহীন সংগ্ৰামী সত্ৰাধিকাৰ গৰাকীয়ে ভাৰতৰ পৰাধীনতাৰ গ্লানি আঁতৰোৱাৰ আন্দোলনত সৰ্বস্ব ত্যাগ কৰিবলৈ প্ৰস্তুত আছিল। এই মহাত্মাগৰাকীয়েই হৰিজন আন্দোলনৰো নেতৃত্ব লৈ (প্ৰথম সভাপতি) অচ্যুতসকলক—

*"সমস্ত প্ৰাণীক দেখিবাহা আত্মসম।*
*উপায় মধ্যত ইটো আতি মুখ্যতম॥"*

বাস্তৱত ৰূপায়ণ কৰি সম-মৰ্যাদাৰ সমাজ প্ৰতিষ্ঠাৰ পথ-প্ৰদৰ্শকৰ বাস্তৱ আদৰ্শ নিজৰ জীৱন-চৰ্যাৰ মাজেৰে সমাজত প্ৰতিষ্ঠা কৰিছিল। ১৯২১ খ্ৰী:ৰ পৰা ১৯২৩–২৪ খ্ৰী:লৈকে নিৰন্তৰ অসমৰ বিভিন্ন প্ৰান্তত ভ্ৰমণ কৰি অহিংস অসহযোগৰ বাণী, কানি বৰবিহ আৰু মাদকদ্ৰব্য বৰ্জনৰ প্ৰচাৰ, খাদী আৰু অসমৰ থলুৱা দ্ৰব্যৰ উৎপাদন আদি আন্দোলনৰ কাৰ্যসূচী ৰূপায়ণত আত্মনিয়োগ কৰে।

**১৯২৬ খ্ৰী:ৰ পাণ্ডু কংগ্ৰেছ :** অসম-গৌৰৱ ৰোহিণীকান্ত হাতীবৰুৱা আৰু হৰিজন-বন্ধু কৃষ্ণনাথ শৰ্মাৰ নিমন্ত্ৰণক্ৰমে পাণ্ডুৰ 'পাণ্ডৱ নগৰ'ত অনুষ্ঠিত কংগ্ৰেছ মহাসভাৰ মুকলি অধিবেশন প্ৰতিকূল বতৰতো মহাপয়োভৰেৰে হয়। পীতম্বৰদেৱ প্ৰভু এই অধিবেশনলৈ যায়। তেখেতক পৃথক ৰাহৰত সত্ৰীয়া আৰ্হিৰে ৰখা হয়। কৰ্মবীৰ

নবীনচন্দ্ৰ বৰদলৈ আৰু দেশভক্ত তৰুণৰাম ফুকনৰ নেতৃত্বত কৃষ্ণনাথ শৰ্মা আৰু পণ্ডিত কনক শৰ্মাৰ অহোপুৰুষাৰ্থত শুধ খদ্দৰৰ সভামণ্ডপত এই অধিবেশন সু-সম্পন্ন হয়। মহাত্মা গান্ধীয়ে সত্ৰাধিকাৰ গৰাকীক নিজ বাহৰলৈ আহিবলৈ নিদি নিজেহে প্ৰভুৰ বাহৰলৈ পদব্ৰজে গৈ ১ ঘণ্টা ২৫ মিনিট সময় আলাপ-আলোচনা কৰে। উভয় মহাপুৰুষৰ মহামিলন স্বৰূপে কংগ্ৰেছ মহাসভাৰ ইতিহাসত এই মিলন চিহ্নিত হয়।

১৯৩০–৩১ খ্ৰী:ৰ আইন-অমান্য আন্দোলনতো প্ৰাদেশিক ৰাষ্ট্ৰীয় সন্মিলনৰ অভ্যৰ্থনা সমিতিৰ সভাপতিৰ পদ গ্ৰহণ কৰি আন্দোলন ত্বৰান্বিত কৰে। উল্লেখযোগ্য যে অসমৰ শীৰ্ষ নেতাসকলে অসমৰ বাতাবৰণ আন্দোলনৰ অনুকূল নহয় বুলি মত প্ৰকাশ কৰাত আৰু এজন সত্ৰাধিকাৰ, গোলাঘাটৰ মধুমিশ্ৰ সত্ৰৰ সত্ৰাধিকাৰ দ্বাৰিকানাথ গোস্বামীৰ ৰণ-হুংকাৰত সেও মানিলে আৰু কানিংহাম চাৰ্কুলাৰে জ্বলা জুইত ঘিউ ঢালিলে। পীতাম্বৰদেৱৰ নেতৃত্বত আইন-অমান্য আন্দোলন অসমত অভূতপূৰ্ব সফলতাৰে ৰূপায়ণ হয়।

১৯৩২ খ্ৰী:ত অসম ছাত্ৰ সন্মিলনৰ গুৱাহাটী অধিবেশনৰ সভাপতিৰ আসনৰ পৰা তেখেতে উদাত্ত আহ্বান জনায়— "প্ৰত্যেক মানৱ সন্তানেই জন্মভূমিৰ ওচৰত ধৰুৱা হৈ ওপজে। যি মানৱে জন্মভূমিৰ ঋণ নুশুজে, সি মানৱ নামৰ অযোগ্য। গতিকে ছাত্ৰ-বন্ধুসকলে জননী জন্মভূমিৰ সেৱাৰ মাজেদি নিজ জীৱনৰ কৰ্তব্য যেন পৰিপূৰ্ণ কৰে।"

১৯৪০ খ্ৰী:ত পীতাম্বৰদেৱ গোস্বামী সত্যাগ্ৰহী তালিকাত অন্তৰ্ভুক্ত হৈ ১৯৪১ খ্ৰী:ত ব্যক্তিগত সত্যাগ্ৰহ কৰে; কিন্তু ৰাইজৰ প্ৰতিক্ৰিয়ালৈ সচকিত হৈ প্ৰভুক গ্ৰেপ্তাৰ কৰা নহ'ল। তেখেতক 'ব্লেক-লিষ্ট'ত অন্তৰ্ভুক্ত কৰা হ'ল। ৩ অক্টোবৰ তাৰিখৰ পৰা তেখেতক গড়মূৰ সত্ৰত 'অন্তৰীণ' কৰা হ'ল।

**শ্ৰীশ্ৰীপীতাম্বৰদেৱৰ গ্ৰেপ্তাৰ :** ১৯৪৩ খ্ৰী:ৰ ৫ আগষ্ট। গ্ৰেপ্তাৰী পৰোৱানা লৈ সত্ৰাধিকাৰজনাৰ চ'ৰাত চৰকাৰী বিষয়া উপস্থিত হ'ল। বিষয়া আৰু আৰক্ষী সকলোৱে চ'ৰাৰ বাহিৰত জোতা খুলি প্ৰৱেশ কৰিছে। থৰ্ থৰ্‌কৈ কঁপা হাতেৰে গ্ৰেপ্তাৰী পৰোৱানা গোস্বামীদেৱলৈ আগবঢ়াই দিছে। বিষয়াজনৰ অৱস্থাত অনুকম্পা জন্মি তেখেতে আশ্বাসবাণী শুনাই ক'লে, "তুমি ভয় কৰিছা কিয়? তুমি চৰকাৰৰ আদেশবাহীহে। দিয়া, কাগজখন মোৰ হাতলৈ দিয়া। তোমাৰ একো দোষ নাই নহয়.......". সত্ৰাধিকাৰগৰাকীয়ে কাগজখন পঢ়ি সমবেত বৈষ্ণৱবৃন্দক ক'লে, "তোমালোকে একো নাভাবিবা আৰু মনতো একো দুখ নকৰিবা। মোক জেললৈ যাবলৈ হুকুম জাৰি কৰিছে; গতিকে মই ওলালোঁ।"

সত্ৰত কান্দোনৰ ৰোল উঠিল। সেইদিনা কাৰো আখললৈ জ্বাল নগ'ল।

যোৰহাট জিলা কাৰাগাৰৰ প্ৰৱেশদ্বাৰৰ সন্মুখত শিৱসাগৰ জিলাৰ তদানীন্তন উপায়ুক্ত হামফ্ৰে চাহাব হাজিৰ। উপায়ুক্তই আগবাঢ়ি আহি গোস্বামীদেৱক সুধিলে—

"আপুনি এনে এজন সৰ্বজন পূজনীয় সাধুপুৰুষ হৈ এই চোৰ-ডকাইতবোৰৰ লগত থাকিবলৈ কিয় আহিছে?"

অধিকাৰ প্ৰভুৱে উপায়ুক্তক তপৰাই উত্তৰ দিলে, "পৰ-পদদলিত হৈ থকাতকৈ এনেবোৰ চোৰ-ডকাইতৰ লগত থকাও হাজাৰগুণে শ্ৰেয়। আপুনি এখন স্বাধীন দেশৰ নাগৰিক আৰু এখন জিলাৰ পদস্থ কৰ্মচাৰী হৈ এনে কথা সোধাত মই অত্যন্ত লজ্জিত হৈছোঁ।"

উপায়ুক্তই এনে নিৰ্ভীক উত্তৰত খঙেৰে ক'লে, "মই আপোনাক কঠোৰ দণ্ড দিম।" প্ৰভুৱে নিৰ্ভীকভাৱে প্ৰত্যুত্তৰ দিলে, "বেচ, দিয়ক, আপুনি গুলী কৰিবলৈ উদ্যত হ'লেও মই বুকুপাতি থিয় দিম।"

উপায়ুক্তই এনে সাহসিক উত্তৰত আশ্চৰ্য প্ৰকাশ কৰি 'অন্তৰীণ বন্দিত্ব'ৰ আদেশ দি আঁতৰি গ'ল।

দুবছৰ কাল বন্দিত্বৰ পাছত ১৯৪৫ খ্ৰী:ৰ এপ্ৰিল মাহত পীতাম্বৰদেৱ গোস্বামীয়ে কাৰাগাৰৰ পৰা মুক্তি পায়।

উল্লেখযোগ্য যে সত্ৰাধিকাৰগৰাকীৰ অনুপস্থিতিত গড়মূৰ সত্ৰৰ তেখেতৰ আৱাসগৃহ চৰকাৰে খানাতালাচ কৰি ৭টা বন্দুক, প্ৰভৃত সত্ৰীয়া সামগ্ৰী, কেইবাখনো শাস্ত্ৰৰ পাণ্ডুলিপি; বিশেষকৈ অসমীয়া ভাষাত লিখা বেদান্তৰ পাণ্ডুলিপি পৰ্যন্ত লৈ যোৱা হ'ল। সেই আপুৰুগীয়া অমূল্য সম্পদসমূহ ঘূৰাই দিয়া নহ'ল।

**কাৰাগাৰ জীৱন :** কাৰাগাৰৰ জীৱনৰ ওপৰত দুআষাৰ নিলিখিলে পীতাম্বৰদেৱৰ মুক্তিযুঁজাৰু জীৱনৰ বিৱৰণ অসম্পূৰ্ণ হৈ ৰ'ব। উল্লেখযোগ্য যে ডেকা সত্ৰাধিকাৰ শ্ৰীশ্ৰী৺কৃষ্ণচন্দ্ৰদেৱকো যোৰহাটৰ

কাৰাগাৰতে বন্দী কৰি ৰখা হৈছিল। দুয়োজনাৰ কাৰণে সত্ৰীয়া আৰ্হিত নহ'লেও সুকীয়াকৈ খেৰৰ জুপুৰী সাজি দিয়া হৈছিল। নিজে ৰান্ধি আহাৰ গ্ৰহণৰ সুবিধাও কৰি দিয়া হৈছিল। পূজাঘৰ সাজি দিয়া হৈছিল। পীতাম্বৰদেৱে সুন্দৰ ফুলনি আৰু শাক-পাচলিৰ বাৰী কৰিছিল। ফুলনিৰ তুলসী গছ এজোপাত এবাহ ডাঙৰ মৌৱে বাহ ল'লে। মৌবাহ তেখেতে প্ৰতিপালন কৰি পৰ্যবেক্ষণ কৰা দৈনন্দিন কৰ্তব্যত পৰিণত হয়।

মাঘবিহু। ডেকা সত্ৰাধিকাৰৰ সহযোগত পীতাম্বৰদেৱে ফেনি-পিঠা তৈয়াৰ কৰিলে। ফেনি-পিঠা জিভাত দিলে পমি যায়। ছশৰো অধিক মুক্তি সংগ্ৰামী বন্দীৰ প্ৰায় ঘৰৰ পৰা বিভিন্ন পিঠা-পনা, ভোগালীৰ জলপান কাৰাগাৰলৈ পঠোৱা হৈছিল। বিহুৰ দিনা দুপৰীয়া। সকলো ৰাজনৈতিক বন্দী একে ঠাইতে গোট খালে। বিহুৰ জলপান সকলোকে বিতৰণ কৰা হ'ল। প্ৰথমে পীতাম্বৰদেৱ গোস্বামীয়ে পিঠা এটি হাতত লৈ যেতিয়া ক'লে, "ৰাইজ, ল'বহে লাগে এতিয়া"— এই কথাষাৰ কৈ পিঠাটো প্ৰথমে মুখলৈ নিলে। সমবেত কোনো স্তম্ভিত নোহোৱাকৈ নাথাকিল। প্ৰত্যেকৰে চকুৱে-মুখে আচৰিত হোৱাৰ লক্ষণ। সকলোৱে ৰং-ৰহইচ কৰি সত্ৰাধিকাৰগৰাকীৰ উদ্যোগত অবিস্মৰণীয়ভাৱে তেখেতৰ মহত্ব, মহানুভৱতা আৰু অস্পৃশ্যতা বৰ্জনৰ জ্বলন্ত দৃষ্টান্তত অভিভূত হৈ ভোগালী বিহুৰ মহত্ব বন্দিত্বৰ বান্দোনতো উপভোগ কৰিলে।

**শ্ৰীশ্ৰী৺কৃষ্ণচন্দ্ৰদেৱ গোস্বামী :** গড়মূৰ সত্ৰৰ এইগৰাকী ডেকা সত্ৰাধিকাৰে ১৪ বছৰ বয়সতে সত্ৰলৈ আহি অধিকাৰ শ্ৰীশ্ৰী ৺পীতাম্বৰদেৱ গোস্বামীৰ সান্নিধ্য লাভ কৰে। ১৯৩৪ খ্ৰী:ত মহাত্মা গান্ধীৰ দ্বিতীয়বাৰ অসম ভ্ৰমণত টোকোলাইৰ বাহৰ সত্ৰত থাকি তাৰ পৰা নিতৌ মহাত্মাজীক ছাগলী গাখীৰ যোগান ধৰাৰ উপৰি জাতিৰ জনকজনাৰ লগত দেখা-সাক্ষাৎ কৰি আপ্লুত হয়।

বিয়াল্লিছৰ বিপ্লৱত পীতাম্বৰদেৱ গোস্বামীৰ প্ৰভাৱত মাজুলীত বহুতো যুৱক, মুনিহ-তিৰোতা বিপ্লৱত জপিয়াই পৰে। সেই উত্তাল তৰংগৰ উৰ্মিমালাৰ পৰা গড়মূৰ সত্ৰৰ ডেকা সত্ৰাধিকাৰজনাও প্ৰভাৱান্বিত নোহোৱাকৈ থাকিব নোৱাৰিলে। ১৯৪২ খ্ৰী:ৰ ৮–৯ আগষ্টৰ 'ভাৰত-ত্যাগ' প্ৰস্তাৱৰ সময়ত ডেকা সত্ৰাধিকাৰজনা ৰোগ-শয্যাত। আৰোগ্য হৈ অধিকাৰজনাৰ অনুমতিৰ কাৰণে অপেক্ষাৰত। তেনেতে ৩ অক্টোবৰৰ দিনা 'অন্তৰীণ'ৰ আদেশত পীতাম্বৰদেৱ সত্ৰলৈ অহাত ডেকা সত্ৰাধিকাৰগৰাকীয়ে বিপ্লৱত আত্মনিয়োগ কৰাৰ ইচ্ছাৰ কথা কৈ অনুমতি বিচাৰিলে। অধিকাৰগৰাকীয়েও সন্তোষিত চিত্তে সন্মতি প্ৰদান কৰিলে।

স্বেচ্ছাসেৱক দল এটা লৈ ডেকা অধিকাৰ সোৱনশিৰিৰ দুয়োকাষৰ মিচিং ৰাইজৰ মাজত প্ৰচাৰ অভিযানত প্ৰবৃত্ত হ'ল। চৰকাৰী চোৰাংচোৱাৰ প্ৰকোপত ১৯৪২ খ্ৰী:ৰ ১৩ অক্টোবৰৰ দিনা ভাৰত-ৰক্ষা আইনৰ অধীনত সত্ৰতে গ্ৰেপ্তাৰ কৰা হ'ল। গ্ৰেপ্তাৰৰ অনুভূতিৰ অভিব্যক্তিত তেখেতে 'দিন-লিপি'ত লিখিছে— "বাস্তৱিকতে আজিৰ এই দিনটো মোৰ পক্ষে অভিনৱ বুলি ধৰি লৈছোঁ। কিয়নো চাৰিসত্ৰীয়া গোসাঁইসকলৰ ভিতৰত ময়ে ৰাজনৈতিক বন্দী হিচাপে সৰ্বপ্ৰথম কাৰাবৰণ কৰিবলৈ পাইছোঁ।" পীতাম্বৰদেৱ গোস্বামীক সেৱা জনাওঁত তেখেতে কৰা উক্তিও প্ৰণিধানযোগ্য। তেখেৰ চমু মন্তব্য— "তোমাৰ ভাগ্য ভাল গতিকেহে মোতকৈ তুমি আগেয়ে কাৰাদণ্ড ভোগ কৰিবলৈ পালা।" কাৰাৰুদ্ধ অৱস্থাতে ডেকা সত্ৰাধিকাৰৰ পিতৃবিয়োগ হয়। ১৯৪৫ খ্ৰী:লৈ ২ বছৰ ৪ মাহ কাৰাবাস খাটি তেখেতে মুক্তি পাই পৰৱৰ্তী কালতো কংগ্ৰেছৰ জৰিয়তে সমাজসেৱাত আত্মনিয়োগ কৰে।

**স্বৰ্গীয় কেশৱৰাম বৰা :** বৃহত্তৰ মাজুলীৰ প্ৰথম স্নাতক স্বৰ্গীয় বৰা ডাঙৰীয়া মাজুলীৰ বহুমুখী প্ৰতিভাৰ অধিকাৰী আছিল। ১৯২১ খ্ৰী:ত জননায়ক দেবেশ্বৰ শৰ্মা যোৰহাট কাৰাগাৰত কাৰাৰুদ্ধ হোৱাৰ আগতে কেশৱৰাম বৰা ছয়মাহ কাৰাদণ্ডেৰে কাৰাৰুদ্ধ হয়। ১৯২১ খ্ৰী:ৰ কাৰাজীৱন অতি কঠোৰ আছিল। সেই বৰ্ণনাৰে বৰ্ণনা দীঘলীয়া নকৰি কেৱল ইয়াকে ক'ব পাৰি যে, তেলৰ ঘানি টনা, 'এলোপাত' গুন্দা আদি অনেক কাম কৰি ত্যাগবীৰ হেম বৰুৱা, অম্বিকাগিৰি ৰায়চৌধুৰী আদি মুক্তি যুঁজাৰুসকলে তেজ-বমি কৰিও সেই কষ্টসাধ্য শ্ৰমৰ পৰা ৰেহাই পোৱা নাছিল। মাজুলীৰ 'বাটকটীয়া নেতা'ৰূপে অভিহিত স্বাধীনতা সংগ্ৰামী কেশৱৰাম বৰাদেৱে কাৰাগাৰৰ অবিশ্বাস্য কঠোৰ শ্ৰম সহ্য কৰিব পৰা স্বাস্থ্যৰ অধিকাৰী আছিল।

অসমৰ পঞ্চমজন আৰু মাজুলীৰ প্ৰথমজন বিজ্ঞান স্নাতক কেশৱৰাম বৰাদেৱে চৰকাৰে উপযাচি দিয়া 'বিচাৰক'ৰ সন্মানজনক চাকৰি হেলাৰঙে প্ৰত্যাখ্যান কৰি স্বাধীনতা ৰণৰ অহিংস সেনানীৰ নেতৃত্ব গ্ৰহণ কৰিলে। নৱবিবাহিতা পত্নীৰ সমস্ত বিদেশী বস্ত্ৰ অগ্নিত দাহ কৰি 'বহ্ন্যুৎসৱ' পালন কৰে। এই 'বহ্ন্যুৎসৱ' বিলাতী বস্ত্ৰ বেচা

**দোকানখনৰ সন্মুখতে** কৰা হৈছিল। **বৰা** ডাঙৰীয়া আৰু গড়মূৰ সত্ৰৰ **সত্ৰাধিকাৰ শ্ৰীশ্ৰী৺পীতাম্বৰদেৱ** গোস্বামীৰ লগত সমগ্ৰ মাজুলীতে **অহিংস অসহযোগ** আন্দোলনৰ সংগঠনত আত্মনিয়োগ কৰে। **ব্ৰিটিছ চৰকাৰে তৎক্ষণাৎ** ৺বৰাদেৱক গ্ৰেপ্তাৰ কৰি ছয়মাহৰ কাৰাদণ্ডেৰে **দণ্ডিত কৰে।**

**কাৰামুক্তিৰ পাছত** ৺বৰাদেৱে আজীৱন মাজুলীত মাইনৰ স্কুল, **হাইস্কুল, কলেজ** প্ৰতিষ্ঠা কৰি নতুন পুৰুষৰ চকু গজোৱাৰ দিহা কৰিলে। **কাৰামুক্তিৰ পাছত** বৰাদেৱক 'প্ৰায়শ্চিত্ত' কৰোৱাৰ ব্যৱস্থা কৰাত বৰাদেৱ **প্ৰায়শ্চিত্ত** হ'বলৈ সন্মত নোহোৱাত সেই স্থান পৰিত্যাগ কৰি **কমলাবাৰীলৈ** উঠি আহে।

আজীৱন শিক্ষা বিস্তাৰত আত্মনিয়োগ কৰাৰ লগতে তেখেত এজন আদৰ্শ শিক্ষক হিচাপে শিক্ষাদানতো ব্ৰতী হৈছিল। শিক্ষাৰ লগত অংগাংগী **সম্বন্ধ** থকা খেল, অভিনয়, আবৃত্তি আদি সকলো কলাতে তেখেতৰ **ব্যুৎপত্তি আছিল।** তেখেত নিজে এজন নাট্যকাৰ, সুদক্ষ অভিনেতা আৰু সুনিপুণ নাট-পৰিচালক। **পৰাধীন** ভাৰতৰ প্ৰথম **মুক্তিযুঁজৰ** সংগ্ৰামী হৈ তেখেতে **মাজুলীৰ** মুক্তিৰ কাৰণে আজীৱন মুক্তিসংগ্ৰামী হৈ শয্যাশায়ী **অৱস্থাতো** ১৯৭১ খ্ৰী:ৰ ১২ অক্টোবৰত শেষ নিঃশ্বাস ত্যাগ কৰালৈকে সংগ্ৰামী জীৱন যাপন কৰিলে।

**স্বৰ্গীয় বেথাৰাম বৰা :** স্বৰ্গীয় বেথাৰাম বৰা ১৯২১ খ্ৰী:ৰ **পৰা স্বাধীনতা** সংগ্ৰামত ওতঃপ্ৰোতভাৱে জড়িত। মাজুলীক শিক্ষাৰ **আলোকেৰে** পোহৰ কৰাৰ মানসেৰে ৺কেশৱৰাম বৰাৰ আৰ্হিৰে **বিদ্যালয় প্ৰতিষ্ঠাৰ** কাৰণে কৰা প্ৰচেষ্টাৰ লগতে অসহযোগ আন্দোলনত **ছাত্ৰসকলক জড়িত** কৰি আন্দোলনে যাতে প্ৰতিঘৰকে প্ৰভাৱান্বিত কৰে **তাৰ কাৰণে অবিৰত** চেষ্টা কৰে। ১৯৩৭ খ্ৰী:ত পণ্ডিত **জৱাহৰলাল নেহৰু মাজুলীৰ** গড়মূৰ সত্ৰলৈ আহোঁতে ৺বৰাদেৱে অভিনন্দন-**পত্ৰখন মুগা কাপোৰত ছপা কৰি প্ৰদান কৰে।**

**স্বৰ্গীয় উমাৰাম শইকীয়া :** গড়মূৰ সত্ৰৰ বৈষ্ণৱ হোৱাৰ উপৰি **পীতাম্বৰদেৱ গোস্বামীৰ একান্ত অনুগামী।** ১৯২১ খ্ৰী:ৰ পৰা ১৯৪২ **খ্ৰী:লৈকে স্বাধীনতা সংগ্ৰামত একান্তভাৱে জড়িত। প্ৰথমবাৰ ৩ মাহ, দ্বিতীয়বাৰ ৪ মাহ; ১৯৪২ খ্ৰী:ত ১৬ মাহ, মুঠ ২৩ মাহ কাৰাৰুদ্ধ হৈ থাকে।**

**স্বৰ্গীয় নাৰায়ণ চন্দ্ৰ ভৰালী :** গড়মূৰ সত্ৰৰ বৈষ্ণৱ। খদী-গ্ৰামোদ্যোগৰ একনিষ্ঠ কৰ্মী। ঘাঁনিৰ মিঠাতেল উৎপাদন কৰি গঠনমূলক কামতো একান্তভাৱে ব্ৰতী। বিয়াল্লিছৰ বিপ্লৱত ২ বছৰ কাৰাবাস খাটে।

**স্বৰ্গীয় ভোলাৰাম কাকতি :** গড়মূৰৰ সত্ৰাধিকাৰ পীতাম্বৰদেৱ গোস্বামীৰ একান্ত অনুগামী। প্ৰভুৰ সাংস্কৃতিক বিপ্লৱৰ অংশীদাৰ। ভাৰত-ত্যাগ আন্দোলনত গ্ৰেপ্তাৰ হৈ কাৰাৰুদ্ধ হয়।

**কূটাঘাতমূলক কামত জড়িত সংগ্ৰামীসকল :** কূটাঘাতমূলক কামো মাজুলীত বিশেষকৈ, কমলাবাৰীত ডাকঘৰ জ্বলোৱা, সৈন্য বিভাগৰ খাদ্যবস্তুৰ সৰবৰাহ বন্ধ কৰা আদি অপৰাধত গড়মূৰ সত্ৰৰ প্ৰতিঘৰে পাইকাৰী জৰিমনা (২০০টকা পৰ্যন্ত) ভৰিবলগা হৈছিল। নগদ ধন দিব নোৱৰাসকলৰ ঘৰৰ পৰা বয়-বস্তু ক্ৰোক কৰি নিছিল। এই অত্যাচাৰৰ উপৰি গড়মূৰবাসীক ১৪ মাহ কাল নিমখ, তেল, চিকিৎসা আদিৰ পৰা বঞ্চিত কৰি ৰখা হৈছিল। কেনেবাকৈ কোনোবাই বাহিৰৰ পৰা নিমখ-তেল অকণমান দিলেও তেনে লোকক ছয়মাহ কাৰাবাস আৰু পাঁচশ টকাৰ জৰিমনা বিহা হৈছিল।

এই সময়তে আন্দোলনত আগভাগ লোৱা অপৰাধত ৺উমাৰাম শইকীয়াক ১৬ মাহ, শ্ৰীখগেন ভূঞাক ৬ মাহ, শ্ৰীবিদ্যা বৰুৱাক এবছৰ, ৺মাণিক হাজৰিকাক ৬ মাহ, ৺বগাৰাম কাকতিক ৬ মাহ, শ্ৰীজীৱেশ্বৰ বৰা, শ্ৰীমাধৱ বৰা আৰু ৺নাৰায়ণ ভৰালীক দুই বছৰকৈ কাৰাৰুদ্ধ কৰাৰ উপৰি গুৱাহাটীৰ ৺ৰজনী চক্ৰৱৰ্তী আৰু যোৰহাটৰ ৺সুৰেন্দ্ৰ নাথ ভট্টাচাৰ্যই দুই বছৰকৈ কাৰাবৰণ কৰিব লগা হয়।

**১৯২১ খ্ৰী:ৰ কৰ্মীসকল :** মালিৰাম খাটনিয়াৰ, মাধৱচন্দ্ৰ দত্ত, কনকনাথ বৰা, কেশৰাম ওজা, দণ্ডেশ্বৰ শৰ্মা, ৰতিৰাম ভেটিধৰা, ৰূপৰাম ভূঞা, তুলসীৰাম বৰা, ক'লাই শইকীয়া, বোপাৰাম বৰা, মালভোগ ওজা, ধনাই বৰা, গংগাৰাম বৰা, গুণকান্ত শৰ্মা, আতুৰাম ভূঞা।

**১৯২৬ খ্ৰী:ত কংগ্ৰেছ অধিৱেশনলৈ সহায় কৰিবলৈ যোৱাসকল :** সৰ্বশ্ৰী পূৰ্ণকান্ত ধনভৰালী, মহেশচন্দ্ৰ বৰা, হৰি শইকীয়া, মাধৱ দত্ত, বাপুৰাম বায়ন, বাসুদেৱ মহন্ত, জয়ৰাম বৰা, পদোৰাম বৰুৱা, লম্বোদৰ বৰুৱা, ভোলানাথ কাকতি, ভোলাৰাম কাকতি, শিৱৰাম শইকীয়া, কঠীৰাম শইকীয়া, কৃষ্ণ বৰুৱা, কনক বৰা, নাৰায়ণ গায়ন, মণিকা দত্ত, পোৱাল দত্ত, যদুৰাম বায়ন, কন্দীধৰ দত্ত, কৃষ্ণ দত্ত, বনমালী

শইকীয়া, কণ্ঠীৰাম দত্ত, জীৱেশ্বৰ দত্ত, কেহোঁ পাচনি, গোবিন্দ আলধৰা, মালি খাটনিয়াৰ, কনক বৰা, কেশৰাম ওজা, দণ্ডেশ্বৰ শৰ্মা, ৰতিৰাম ভেটিধৰা, তুলসী বৰা, ৰূপৰাম ভূঞা, ক'লাই শইকীয়া, বোপাৰাম বৰা, মালভোগ ওজা, ধনাই বৰা, গংগাৰাম বৰা, গুণকান্ত শৰ্মা আৰু আতুৰাম ভূঞা।

**শান্তিসেনাসকল :** সুৰেন কাকতি, নবীন বৰা, দেবেশ্বৰ ভূঞা, ডিম্বেশ্বৰ বৰুৱা, থোলোক হাজৰিকা, সৰ্বেশ্বৰ দত্ত, দ্ৰোণ ভাগৱতী, লক্ষীনাথ তামুলী, লক্ষীনাথ বৰুৱা, লক্ষীনাথ ভূঞা, লক্ষীনাথ বৰা, মাণিক কোঁচ, বাপুৰাম হাজৰিকা, ৰূপৰাম পাঠক, পদ্ম বৰা, নাগেশ্বৰ ৰাজখোৱা, সোমেশ্বৰ পাচনি, বিষ্ণুৰাম হাজৰিকা, অতুল হাজৰিকা, গোবিন্দ দত্ত, ভোলানাথ দত্ত, লীলাৰাম বৰা, পৰশুৰাম হাজৰিকা, গংগাধৰ বৰা, ভবেন বৰা, কেশৱ বৰা, নিত্য ভৰালী, বসন্ত ভূঞা, গণেশ শৰ্মা, সোমেশ্বৰ কাকতি, ইন্দ্ৰেশ্বৰ তামুলী, হৰিশ্চন্দ্ৰ বৰপূজাৰী, শান্তৰাম বৰুৱা, মুকলী শৰ্মা, কমল দত্ত, মাণিক ৰাজখোৱা; ম'হকিনা গাঁৱৰ নোমল শৰ্মা, কনক শৰ্মা, বাবুলা গায়ন, ৰূপৰাম ভূঞা আৰু বাথুৰাম শইকীয়া।

**মহিলা শান্তিসেনাৰ সংগঠন :** স্বাধীনতা সংগ্ৰামৰ অগ্ৰণী অধিনায়িকা শ্ৰীমতী বুদ্ধেশ্বৰী হাজৰিকা (দাস)ই নেতৃত্ব লৈ মহিলা শান্তিসেনা দল গঠন কৰি সমগ্ৰ মাজুলীত মহিলাৰ সংগঠন গঢ়ি তুলিছিল আৰু লখিমপুৰৰ অগ্ৰণী নেতৃ ✓লীলাৱতী বৰদলৈয়ে দিহা-বুদ্ধিৰে নেতৃত্ব দিছিল। সেইসকলৰ ভিতৰত তলত নাম দিয়াসকলে সংগঠনৰ কামত অগ্ৰণী ভূমিকা গ্ৰহণ কৰে— শ্ৰীসাৰদা শইকীয়া, কুশদা ভূঞা, পুণ্যদা দত্ত, ✓যমুনেশ্বৰী ভৰালী, ✓ফুলদা কাকতি, ধৰ্মেশ্বৰী কাকতি, নেত্ৰদা ভঞা, ✓দীপালী হাজৰিকা, ✓গোলাপী ভৰালী, ৰত্নেশ্বৰী কাকতি, মাহিন্দ্ৰী কাকতি, ক'লী নামলগোৱানী, সোমেশ্বৰী তামুলী, কুশ বৰুৱা, তৰুণী দেৱী, শুভ দত্ত, গুণদা দত্ত, অকন্তা শইকীয়া, পুণ্যেশ্বৰী পাচনি, পোনা দত্ত, শ্ৰীবেদৱতী ভূঞা, মাখৌ ভূঞা, অহমন দত্ত, সেউতী তামুলী, গোলাপী দত্ত, পমী বৰা, ডালিমী দত্ত, ফুলেশ্বৰী দেৱী, কণমাই কাকতি, লীলাৱতী বৰদলৈ, ৰূপকলি দত্ত, জোনাকী শইকীয়া, হেমদা দত্ত, নাডুকী শইকীয়া, কৌশল্যা বৰা, পুতলী ভূঞা, লুঠৰী দত্ত, লক্ষেশ্বৰী দত্ত, গোলাপী বৰুৱা, বৃন্দা বৰা, গোলাপী দত্ত, ফাগুনী বৰা, মাইকণ দত্ত, অৰ্চনা দত্ত আৰু আইধান বৰা।

**ছদ্মবেশী কৰ্মীসকল :** বাহ্যিকভাৱে কোনো গম-গতি নিদিয়াকৈ গোপনীযতা অৱলম্বন কৰি সতীৰ্থ বুলি বা অনুকূল ভাবাপন্ন লোকৰ মাজত আন্দোলন ত্বৰান্বিত কৰাৰ মানসেৰে এক শ্ৰেণী ছদ্মবেশী কৰ্মীৰ সৃষ্টি কৰা হৈছিল। সেইসকল আছিল— গংগাৰাম চমুৱা, ভূপেন বৰুৱা, বক্মি ঠাকুৰ, মণ্ড মুক্তিয়াৰ, বিদেশী দাস, বাপুৰাম শইকীয়া, বাসৱ কলিতা, হেমচন্দ্ৰ মহন্ত, আনন্দ ভূঞা, কমল কটকী, তীৰ্থৰ চন্দ্ৰ শইকীয়া, ঘনকান্ত খাওন্দ, ইন্দি নামলগোৱা, মণিৰাম কলিতা, তিলেশ্বৰ কলিতা, ফণীধৰ শইকীয়া, হীৰালাল ঠাকুৰ, নবীন বৰা, মহেশ্বৰ মুদৈ, ৰমাকান্ত মিশ্ৰ, গৰিয়া গাঁওবুঢ়া, বগাই মুক্তিয়াৰ, পূৰ্ণ শৰ্মা, নাৰায়ণ তামুলী, অৱলা গাঁওবুঢ়া, প্ৰতাপ গোস্বামী, পোৱাল দত্ত, ভীমকান্ত ভূঞা, বুধবৰ পামেগাম, তৰুণ পামেগাম, গণেশ পামেগাম আৰু মুমুকচন্দ্ৰ গাম।

"মাৰ গুলী, মাৰ গুলী আমি নডৰাওঁ" বাহিনীত থকাসকল আছিল সুৰেন কাকতি, নবীন বৰা, দেৱ ভূঞা, ডিম্ব বৰুৱা, মোলোকা হাজৰিকা, সৰ্বেশ্বৰ দত্ত, দ্ৰোণ ভাগৱতী, লক্ষী তামুলী, লক্ষীনাথ বৰুৱা, লক্ষী ভূঞা, লক্ষী নাথ বৰা, মাণিক কোঁচ, বাপুৰাম হাজৰিকা, ৰূপৰাম সাধক, পদ্ম বৰা, নাগেশ্বৰ ৰাজখোৱা, সোমেশ্বৰ পাচনি, বিষ্টু হাজৰিকা, গোবিন দত্ত, ভোলা দত্ত, লীলাৰাম বৰা, পৰশুৰাম হাজৰিকা, গংগাধৰ বৰা, ভাৰত বৰা, ভবেন বৰা, কেশৱ বৰা, নিত্যানন্দ ভৰালী, বসন্ত ভূঞা, মুকলী বৰঠাকুৰ, গণেশ শৰ্মা, সোমেশ্বৰ কাকতি, শান্তৰাম বৰুৱা, কমল চন্দ্ৰ দত্ত, মাণিক ৰাজখোৱা, নোমল শৰ্মা, কনক শৰ্মা, বাথু শইকীয়া, ৰূপৰাম ভূঞা, বাবুলা গায়ন, হৰিশ্চন্দ্ৰ পূজাৰী, ইন্দ্ৰেশ্বৰ তামুলী, ধৰ্মেশ্বৰ বৰা, পোৱাল হাজৰিকা, নগেন্দ্ৰনাথ হাজৰিকা।

**"জেল-লাঠী, গুলী-ফাঁচী আমাৰ মনত ধূলা-খেলা"** জ্ঞান কৰি আৰক্ষীৰ অত্যাচাৰলৈকো কেৰেপ নকৰি চৰকাৰী কাৰ্যালয়ত ত্ৰিৰংগ পতাকা উৰুৱাবলৈ যোৱাসকল হ'ল— ধীৰেন দত্ত, গজেন তামুলী, চাৰু কাকতি, ফণীন্দ্ৰ বৰুৱা, ইন্দ্ৰেশ্বৰ ভূঞা, নৰেন কাকতি, লক্ষীনাথ তামুলী, ডিম্বেশ্বৰ বৰুৱা। এখেতসকলক গ্ৰেপ্তাৰ কৰি বিভিন্নজনক বিভিন্ন ম্যাদৰ কাৰাদণ্ড দিয়া হৈছিল।

এখেতসকলৰ উপৰি দেউৰাম শইকীয়া, টুনিৰাম শইকীয়া, মাধৱ শইকীয়া, কোষ বৰুৱা, বিষ্টুৰাম বৰা, মুক্তা মুদৈ, ফণীধৰ মিস্ত্ৰী, মহেশ্বৰ মুদৈ, অনন্ত মিশ্ৰ, বাপুৰাম বৰা, কুমুদ বৰা, জীৱ কাকতি,

থগী বৰুৱা, ইন্দ্ৰেশ্বৰ শৰ্মা, মথুৰা দত্ত, কনক সেনাপতি, শ্ৰীনাথ বৰা, ললিত দত্ত, খগেশ্বৰ হাজৰিকা, খগ বৰুৱা, বলো নাথ, দধি বাৰিক আদিয়ে আন্দোলনৰ সাংগঠনিক দিশত অৰিহণা যোগোৱাৰ উপৰি প্ৰচাৰ আৰু পুঁজি সংগ্ৰহত আত্মনিয়োগ কৰিছিল।

**"আমি অহিংস ৰণলৈ যাওঁ"** : বিয়াল্লিছৰ বিপ্লৱৰ ধামখুমিয়াৰ মাজতো মাজুলীত মহাত্মা গান্ধীৰ আদৰ্শৰে ৰচনাত্মক কামতো আত্মনিয়োগ কৰে। এখেতসকলে আন্দোলনমুখী কাৰ্যসূচীত যোগদান নিদিয়াকৈয়ো আন্দোলন দীৰ্ঘদিনীয়া হোৱাত সমাজ সংগঠনৰ জৰিয়তে আন্দোলক সজীৱ কৰি ৰখাত প্ৰভূত অৰিহণা যোগায়। তেখেতসকল হ'ল— যোগেশ হাজৰিকা, ৺ৰেৱত বৰা, ৺মিনাৰাম শইকীয়া, ৺কৃষ্ণ কটকী, ৺হীৰা দত্ত, ৺ভোলাৰাম বৰা, ৺ধৰ্মেশ্বৰ বৰা, দণ্ডি বৰুৱা, অতুল গোস্বামী, প্ৰেম বৰা, গোবিন্দ কাকতি, তীৰ্থ মেধি, গোপাল হাজৰিকা, বিষ্টু বৰা।

**৺কনক চন্দ্ৰ দত্তই** "মাজুলীৰ মুক্তি সংগ্ৰামৰ বুৰঞ্জী" নামৰ এখনি পুস্তিকা ১৯৭৫ খ্ৰী:ত প্ৰকাশ কৰে। তেওঁ নিজে পীতাম্বৰদেৱ গোস্বামীৰ ঘনিষ্ঠত থকা হেতু ভাৰত-ত্যাগ আন্দোলনৰ সকলো কাৰ্যসূচীতে পীতাম্বৰদেৱৰ সোঁহাত আছিল। পীতাম্বৰদেৱৰ পৰামৰ্শত মাজুলীৰ বিভিন্ন প্ৰান্তলৈ গৈ বিপ্লৱ ঘনীভূত কৰাত প্ৰভূত অৰিহণা যোগাইছিল।

১৯৩৭ খ্ৰী:ত কংগ্ৰেছ সভাপতি পণ্ডিত জৱাহৰলাল নেহৰুৰ মাজুলী ভ্ৰমণৰ দিন ধৰি ৺দত্ত কংগ্ৰেছৰ সৰ্বক্ষণ কৰ্মী। ১৯৪০ খ্ৰী:ত কৰ্মপ্ৰাণ হৰিনাৰায়ণ বৰুৱাৰ অধীনত সেৱাদলৰ প্ৰশিক্ষণ লৈ নিজেও বিভিন্ন অঞ্চলত প্ৰশিক্ষণ দিয়ে। মাজুলীৰ সংগঠনত দত্তৰ সংগী আছিল খগেন ভূঞা। মাজুলীৰ কূটাঘাতমূলক কামৰ গুৰি ধৰিছিল ৺দত্তই। পীতাম্বৰদেৱ গোস্বামীৰ পৰামৰ্শক্ৰমে কমলাবাৰী আৰক্ষী থানাত অতৰ্কিতে পিকেটিং কৰাত দুয়োজনকে গ্ৰেপ্তাৰ কৰি যোৰহাট কাৰাগাৰত বন্দী কৰি ৰাখে। ৯মাহৰ পাছত মুক্তি পাই যদিও এপষেক পূৰ হোৱাৰ দিনাই পুনৰ গ্ৰেপ্তাৰ কৰি উপায়ুক্তৰ বিচাৰত ১৭ মাহ কাৰাদণ্ডৰ আদেশ হয়। কাৰাবাসৰ কালতে ৺দত্তৰ পৰিবাৰৰ পৰলোক ঘটে আৰু কাৰাগাৰৰ ভিতৰতে শ্ৰাদ্ধাদি কাম সম্পন্ন কৰে।

**৺ভোলানাথ শৰ্মা বৰদলৈ কৰতিপাৰৰ লোক।** মুক্তি সংগ্ৰামত ব্ৰতী হ'বৰ কাৰণে ডিগবৈ তেল কোম্পানীৰ চাকৰি পদত্যাগ কৰি উত্তৰপাৰত অঘৰী জীৱন-যাপনেৰে স্বাধীনতা সংগ্ৰামৰ সৰ্বক্ষণ সৈনিক হৈ ১৯৪২ চনত গহপুৰ থানাত গুলীবিদ্ধ হয়। চিকিৎসাহীনভাৱে ৪৯ বছৰ বয়সত ১৯৪৪ খ্ৰী:ত মৃত্যু বৰণ কৰে।

**স্বৰ্গীয় ৰাধানাথ হাজৰিকা আৰু স্বৰ্গীয় শ্ৰীধৰ বৰুৱা** উভয়ে শালমৰা মৌজাৰ লোক। স্বাধীনতা সংগ্ৰামৰ পাতনিৰ কালতে মাজুলীত আন্দোলনৰ সজাগতা সৃষ্টিৰ কাৰণে পীতাম্বৰ প্ৰভু আৰু কেশৱৰাম বৰাদেৱৰ সহযোগ, সান্নিধ্য আৰু সৌহাৰ্দ্যৰ পটভূমিত ১৯২১ খ্ৰী:ৰ অসহযোগ আন্দোলনৰ সৰ্বক্ষণ কৰ্মী আছিল। উচ্চ শিক্ষাৰে উভয়ে অধিবক্তা হৈ পৰৱৰ্তী জীৱনত ন্যায়াধীশ পদবীৰ পৰা অৱসৰ ল'লেও স্বাধীনতা সংগ্ৰামীৰ অনুভূতিৰে পৰৱৰ্তী জীৱন অতিবাহিত কৰে।

**উপসংহাৰ :** সামৰণিত বিশ্ববিশ্ৰুত দাৰ্শনিক পণ্ডিত ড° ৰাধাকৃষ্ণণৰ এষাৰ উদ্ধৃতিৰে ক'ব পাৰি— "একমাত্ৰ অৱস্থিতিয়েই মনুষ্যত্ব নুসূচায়; নিজৰ অৱস্থিতিৰ সম্পৰ্কে যি যিমান সজাগ, সিমান প্ৰভাৱ সেইজনে সমাজৰ ওপৰত বিস্তাৰ কৰে। সেইজনৰ জাগ্ৰত অৱস্থাই আনকো সজাগ হ'বলৈ প্ৰেৰণা যোগায়।" (Man not only is, but man knows that he is )

মাজুলীৰ প্ৰাতঃস্মৰণীয় পুৰুষ দুজনা গড়মূৰীয় সত্ৰাধিকাৰ শ্ৰীশ্ৰীমৎ ধৰ্মাচাৰ্য পীতাম্বৰদেৱ আৰু প্ৰথম স্নাতক (বিজ্ঞান), অননুকৰণীয় মহৎ শিক্ষক আৰু স্বাধীনতা সংগ্ৰামী স্বৰ্গীয় কেশৱৰাম বৰাদেৱৰ জীৱনৰ আলোকে তথা সমূহ স্বাধীনতা সংগ্ৰামীৰ জীৱনৰ জিজ্ঞাসাই উপৰিউক্ত মহৰ্ষিজনাৰ উক্তিৰ সাৰ্থকতা প্ৰমাণ আৰু প্ৰতীয়মান কৰিছে বুলি ভাবিব পাৰি।

**প্ৰসংগ পুথি :**


১। 'Nationalist Upsurge in Assam' Ed Arun Bhuyan.

২। 'The Comprehensive History of Assam' Ed. H. K. Barpuzari

৩। 'মহাপুৰুষ শ্ৰীশ্ৰীমৎ ধৰ্মাচাৰ্য পীতাম্বৰদেৱ'— শ্ৰীগংগাধৰ হাজৰিকা।

৪। 'স্বাধীনতা সংগ্ৰামত যোৰহাট' — সম্পাদনা : শ্ৰীদেৱেশ্বৰ বৰদলৈ, শ্ৰীতিলেশ্বৰ বৰদলৈ।

৫। 'স্মৃতিগ্ৰন্থ', মহাৰজত জয়ন্তী, মাজুলী আউনীআটী হেমচন্দ্ৰ হাইস্কুল, কমলাবাৰী।

৬। 'পীতাম্বৰ স্মৃতি অৰ্ঘ্য', ডিব্ৰুগড়, সম্পাদক : শ্ৰীযতীন্দ্ৰনাথ শৰ্মা।

৭। 'হেৰাই যোৱা দিনবোৰ'— দেবেশ্বৰ শৰ্মা।

## সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ মাজুলী

ভৌগোলিক আবেষ্টনীত সামাজিক পৰিধিৰ মাজত লোকবিশ্বাস, লোকপৰম্পৰা তথা চিন্তাৰ আধাৰত প্ৰতিফলিত মানৱ অভিজ্ঞতাৰ ক্ৰম সঞ্চিত জীৱন প্ৰণালীয়েই সংস্কৃতি। স্ৰোতস্বিনী নদীৰ দৰেই ইয়াৰ গতি। তাৰেই আধাৰত গঢ়ি উঠা প্ৰাচীনকালৰ পৰা অসমত বসবাস কৰি অহা বিভিন্ন জনগোষ্ঠীৰ মহামিলনৰ ফলশ্ৰুতিয়েই হ'ল যেহেং অসমীয়া সংস্কৃতি। অসমীয়া সংস্কৃতিৰ স্তূপীকৃত নিৰ্দিষ্ট স্থান নাই যদিও অসমীয়া সংস্কৃতিৰ আঁত ধৰিব পৰা, অসমীয়া সংস্কৃতিৰ দিক্ নিৰ্ণয় কৰিব পৰা, অসমীয়া সংস্কৃতিৰ মেৰুদণ্ড বুলি পৰিচয় দিব পৰা এখনি স্থান আছে। সেইখনেই হ'ল ব্ৰহ্মপুত্ৰৰ দুই বাহুৰ স্নেহ-নিবন্ধনেৰে আগুৰি ৰখা সত্ৰীয়া সংস্কৃতিৰ ঐতিহ্য বুকুত লৈ ধন্য হৈ থকা বিস্তীৰ্ণ চৰভূমি মহামিলনৰ পুণ্যক্ষেত্ৰ মাজুলী। প্ৰথমতেই আলোচনা কৰি চাব খোজা হৈছে মাজুলী নামকৰণৰ অন্তৰালত থকা তাৎপৰ্য আৰু জনশ্ৰুতিৰ কথা। বন্য পক্ষীৰে পৰিবেষ্টিত বিবিধ তৃণ-তৰুৰে সুশোভিত শস্যে-মৎস্যেৰে পৰিপূৰ্ণ লুইতৰ শুৱনী মাজুলী চাপৰিক মা-লক্ষ্মীৰ ভঁৰাল বুলি কোৱা হৈছিল; বোধকৰো সেই অৰ্থতেই এদিন এই বিস্তীৰ্ণ ভূমিয়ে মাজুলী নাম পোৱাটো আচৰ্যৰ কথা নহয়। আন প্ৰকাৰে লুইতৰ মাজৰ অনেক সৰু-বৰ চাপৰিক মাজালি বোলা হৈছিল বাবেই সেই শব্দৰ পৰাই মাজুলী নামকৰণ হোৱা বুলি প্ৰত্নতত্ত্ববিদসকলে মন্তব্য কৰিব খোজে। ইতিহাসৰ ক্ৰম বিচাৰি কিংবদন্তিৰ কাষ চাপিলে পোৱা যায় জিতাৰি বংশৰ ৰজা জোঙাল বলহুৰ আত্মজ আৰিমত্তৰ কথা। ৰাজ্য শাসন কালত পিতৃহত্যা পাপত লিপ্ত হৈ অনেক কুকাৰ্য কৰি আৰিমত্তই ৰাজ্যলৈ নমাই আনিছিল অমংগল-অশুভ-অশান্তিৰ কু-ইতিহাস। জীৱনৰ শেষ সন্ধিক্ষণত কৃত-কৰ্মৰ ভুল বুজিব পাৰি আত্ম-অনুশোচনাৰে দগ্ধ হৈ পিতৃ হত্যা পাপ মোচনৰ অৰ্থে পাপ মোচনকাৰী ব্ৰহ্মপুত্ৰৰ বুকুত সোণ-ৰূপ, মণি-মুকুতা অৰ্পণ কৰিছিল আৰিমত্ত ৰজাই। কিন্তু কি আচৰিত কথা পিতৃ হত্যাকাৰী আৰিমত্তৰ দান বৰলুইতে গ্ৰহণ নকৰিলে; সেই স্থান ত্যাগ কৰি দুবাহু মেলি বৰলুইত আঁতৰি আহিল, উজনিৰ খেৰকটা মুখতেই ব্ৰহ্মপুত্ৰই দুভাগেৰে এটাৰে লুইত আনটোৰে ব্ৰহ্মপুত্ৰ নামেৰে নামাংকিত হৈ বৰলুইতে গতিধাৰা সলনি কৰিলে। ব্ৰহ্মপুত্ৰৰ লগতে জান-জুৰি, খাল-ডোঙে জেহাদ ঘোষণা কৰিলে আৰিমত্তৰ বিৰুদ্ধে। আৰিমত্তই খন্দা পুখুৰী-ডোবাতো পানী নোহোৱা হ'ল। দুবাহুৰে আগুৰি ৰখা সেই বিস্তীৰ্ণ চৰভূমিয়েই পৰিত্যক্ত অভিশপ্ত মাজুলী।

সময় বাগৰিল, কালৰ চকৰি ঘূৰিল; মাজুলীৰ অভিশাপ আঁতৰিল। মাজুলী পুণ্যময় হোৱা, মাজুলী পৱিত্ৰ হোৱা আশীৰ্বাদ আছিল বহুদিনৰ আগতে। সেই আশীৰ্বাদ সময়ত প্ৰতিফলিত হ'ল। দ্বাপৰযুগৰ কথা— বিবাহপাশত আৱদ্ধ হৈ শ্ৰীকৃষ্ণই ৰুক্মিণীক কুণ্ডিলৰ পৰা দ্বাৰকালৈ ৰথত তুলি লৈ আহোঁতে শ্ৰম দূৰ কৰিবৰ কাৰণে কিছু সময় জল-বেষ্টনীৰ মাজত থকা গছ-গছনিৰে আবৃত মাজুলী চাপৰিত পৰে জিৰণি লৈছিল। ইতিমধ্যে জলৰাশিৰ মাজত থকা প্ৰকৃতিৰ মনোমোহা শোভাধাৰণ কৰা বিস্তৃত অঞ্চলৰ নাম দ্বাৰকা বুলি বিৱৰণ শুনা ৰুক্মিণীদেৱীয়ে ৰূপগত পাৰ্থক্য নথকা দেখি সেই মাজুলীকেই দ্বাৰকা বুলি অভিহিত কৰিলে কৃষ্ণৰ আগত। ৰুক্মিণীয়ে দ্বাৰকাত অৱতৰণ কৰিলেই বুলি ধৰি ল'লে; কিন্তু প্ৰকৃত দ্বাৰকালৈ তেতিয়াও বহুদূৰ বাকী আছিল। সেই স্থান যে দ্বাৰকা নহয়, সেই কথা শ্ৰীকৃষ্ণই ৰুক্মিণীক বুজাই দিলে। তথাপি সজ্জনৰ বাক্য অখণ্ডনীয়। ৰুক্মিণীৰ মুখত ওলোৱাৰ কাৰণে শ্ৰীকৃষ্ণয়ো সেই স্থানকেই আন এখন দ্বাৰকা, পৱিত্ৰধাম হ'ব বুলি ৰুক্মিণীক কথা দিলে। সঁচা কথা ভগৱানৰ অমূল্যবাণী সঁচাৰূপত প্ৰতিফলিত হ'ল। ধৰ্মতত্ত্ব আলোচনাৰে এদিন শংকৰ-মাধৱৰ মিলন ঘটিল মাজুলীৰ ধুঁৱাহাট বেলগুৰিত। শংকৰদেৱৰ কালজয়ী প্ৰচেষ্টাৰ ব্যাপক প্ৰতিফলন ঘটিল মাজুলী ভূমিত। মানৱক পুণ্যতাৰ অমোঘশক্তি দান কৰিব পৰা সত্ৰসভাৰ সৃষ্টি হ'ল এই মাজুলীত। চৰিত্ৰকাৰে বৰ্ণোৱা সত্ৰৰ প্ৰাচীন স্বৰূপ আছিল এনে ধৰণৰ—

*বহু সন্ত সাধু ভকত গোসাঁই সহিত।*
*ধৰ্মৰ প্ৰসংগ কৰি থাকয় তহিত॥*
*বিষয়ী হোৱবা যদি উদাসীন হয়।*
*জীৱক শৰণ দিয়ে তাকে সত্ৰ কয়॥*

য'ত সাধু-সন্ত, ভকত, গোসাঁই একত্ৰে মিলিত হৈ নাম-প্ৰসংগকে ধৰি ধৰ্মীয় কৰ্মসমূহ সম্পাদন কৰি জীৱন নিৰ্বাহ কৰে; সাধাৰণ অৰ্থত সেই আধ্যাত্মিক ভাৱাপন্ন অনুষ্ঠানটিয়েই সত্ৰ। মানৱ জীৱনৰ ব্যক্তিগত

তথা সামাজিক স্তৰত তিনিটা দিশেৰে শৃংখলা আৰু প্ৰণালীবদ্ধতা আহে। নৈতিক, আধ্যাত্মিক আৰু সামাজিক শিক্ষাৰ যোগেদি। এই তিনিওটাৰে শিক্ষাৰ পথ ৰচনা কৰি ঐহিক আৰু পাৰলৌকিক জীৱন নিৰ্বাহৰ আশ্ৰয়-ভেঁটি নিৰ্মাণ কৰা সত্ৰৰ মূল কৰ্তব্য। একাৰ্থত তাকেই কোৱা হৈছে শৰণ। যি অৰ্থত উদাসীন বা বিষয়ীজনে মানৱ জীৱন সফল কৰাৰ বাবে এনে শৰণৰ প্ৰতি আকুলিত হয়। সত্ৰস্থসকলেও নিজকে তেনে চিন্তাৰে পুৰঠ কৰাৰ যত্ন কৰি তদনুৰূপ পথ প্ৰদৰ্শনত আগভাগ গ্ৰহণ কৰে। সত্ৰৰ মূল স্বৰূপ এনেদৰে নিৰ্ণিত হ'লেও, সাহিত্য, সংগীত, নৃত্য-কলাৰ ব্যাপক পৰিসৰেৰে ৰক্ষণ আৰু বিতৰণৰ স্থান স্বৰূপে সত্ৰৰ ইতিহাস আগবাঢ়িল। মহাপুৰুষসকলৰ প্ৰচেষ্টাত গঢ়ি উঠা অসমৰ ৬৬৫খন সত্ৰৰ ভিতৰত আউনীআটী, দক্ষিণপাট, গড়মূৰ, বেঙেনাআটী, কমলাবাৰী, ভোগপুৰ, এলেঙি, চামগুৰি, বিহিমপুৰ, পুনিয়া, কৰতিপাৰ, বেলসিধিয়া, আধাৰ, ঔৱা আদিকে ধৰি ৬৫খন সত্ৰ প্ৰতিষ্ঠা হ'ল কেৱল মাজুলীত। চৈধ্য-প্ৰসংগৰ মাজেৰে ভগৱানৰ গুণ-নাম উচ্চাৰিত হ'ল সত্ৰসমূহৰ নামঘৰত। প্ৰসংগীয়া নামৰ বাহিৰেও বিশেষ তিথি, উৎসৱ-পৰ্ব উপলক্ষে সত্ৰভেদে বিশেষ নামৰ প্ৰচলন আছে। তাৰ ভিতৰত সৱহুৱা নাম, থিয়নাম, হিয়ানাম, দিহানাম, বৈৰাগীনাম বিশেষভাৱে উল্লেখযোগ্য। ধূপ-দীপ-নৈবেদ্য আদি উপাচাৰ ভগৱন্তৰ চৰণত উৎসৰ্গা কৰি শ্ৰীকৃষ্ণৰ গুণলীলা সাত্বিক পৰিবেশত সাত্বিক ভাবাবেগেৰে পৰিৱেশন কৰা আউনীআটীৰ বৈৰাগীনাম সাংসাৰিক নিস্পৃহতাৰ চৰম পৰিচায়ক। বৈৰাগীনাম অসমীয়া ভকতীয়া সমাজৰ দেহবিচাৰ, টোকাৰী গীতৰ প্ৰাচীন আৰ্হি।

নৱৰসৰ সমাৱেশত ভিন্ ভিন্ ভাব প্ৰকাশ কৰা নটুৱা, চালি, ঝুমুৰা, নাদুভংগী, ওজাপালি সত্ৰসমূহৰ বৈশিষ্ট্যপূৰ্ণ নৃত্য। লগতে বিভিন্ন প্ৰসংগত ব্যৱহৃত বৰগীত ভটিমা, টোটয়, চপয় আদি আধ্যাত্মিক আৰু গভীৰ ভাৱেৰে পুষ্ট গীতসমূহে সত্ৰীয়া সংগীতৰ বিশেষ অৰ্থপূৰ্ণ দিশ তথা সৌষ্ঠৱ ৰক্ষা কৰি আহিছে। সত্ৰসমূহত সাহিত্য, সংগীত, নৃত্য-কলাৰ দৈনন্দিন চৰ্চা আৰু অনুশীলন থাকে। ইয়াৰ উপৰি সত্ৰবিলাকত বাৰ্ষিক উৎসৱ উদ্‌যাপিত হয়। তিনি বিহু, ৰাস, পালনাম, জন্মাষ্টমী, তিনি বৰ একাদশী, ফাকুৱা, মহাপুৰুষৰ তিথি উল্লেখযোগ্য উৎসৱ। বাইজৰ বৃহৎ পয়োভৰৰ মাজত উদ্‌যাপিত হোৱা আউনীআটীৰ পালনাম আজিও তাৎপৰ্যপূৰ্ণভাৱে প্ৰচলিত হৈ আছে। অসমীয়া বৈষ্ণৱ জীৱন-প্ৰণালীত নাম-উপাসনা এক যুগধৰ্মী সংস্থাপিত ৰূপ। নাম এক; কিন্তু উপাসনাৰ মাধ্যম স্বৰূপে নাম বিচিত্ৰধৰ্মী। নামৰ বিভিন্ন ৰূপৰ ভিতৰত পালনামৰ স্থানেই সবাতোকৈ উৰ্ধত। উৎসৱবিলাকৰ ভিতৰত আন এটি উল্লেযোগ্য উৎসৱ জন্মাষ্টমী। শ্ৰীকৃষ্ণৰ জন্মাষ্টমীৰ কথা সুঁৱৰি ব্ৰত-উপবাসৰ মাজেৰে নাম-কীৰ্তন আৰু অভিনয়ৰ মাধ্যমত জন্মাষ্টমী পালন কৰে মাজুলীৰ বিভিন্ন সত্ৰত আৰু প্ৰতি গাঁৱৰ নামঘৰত। সেইদৰে মনত পেলাই দিয়ে প্ৰকৃতিয়ে সৌৰভ বিলোৱা শৰতৰ পূৰ্ণিমা ৰাত্ৰিত শ্ৰীকৃষ্ণৰ ৰাসক্ৰীড়াৰ কথা। সত্ৰসমূহৰ লগতে মাজুলীৰ ইতিহাসপ্ৰসিদ্ধ বিভিন্ন অঞ্চলত অতি উলহ-মালহেৰে ৰাস পূৰ্ণিমা উদ্‌যাপিত হয়। ৰাসলীলাৰ অভিনয় ঠায়ে ঠায়ে তিনিদিন পৰ্যন্ত পৰিৱেশন হয়। মাজুলীত ৰাস অনুষ্ঠানৰ বাট মুকলি কৰে দক্ষিণপাট সত্ৰই। মঞ্চমুখী ব্যৱস্থাৰে যুগোপযোগী কৰি তোলে গড়মূৰীয়া সত্ৰাধিকাৰ প্ৰয়াত পীতাম্বৰদেৱ গোস্বামীয়ে। ৰঙৰ প্ৰাচুৰ্যতাৰে ভৰা ভক্ত-ভগৱানৰ মিলনৰ আন এটি উৎসৱ– ফাকুৱা। ফাগুনৰ পছোৱাচাতিয়ে মাদকতা ঢালি দি বিভিন্ন প্ৰান্তত আনন্দৰ জোঁৱাৰ তোলাৰ সময়তে পূৰ্ণিমা তিথিত ফাকুৱা উদ্‌যাপিত হয় মহাপয়োভৰেৰে বিভিন্ন সত্ৰত।

মহাপুৰুষৰ তিথি আৰু ভিন্ ভিন্ উদ্দেশ্যে অংকীয়া ভাওনা পৰিৱেশন কৰা সত্ৰসমূহৰ পৰম্পৰাগত ৰীতি। নিৰক্ষৰ জনতাক সাক্ষৰ কৰা, অভিনয়ৰ মাধ্যমত কাহিনী ৰূপায়ণৰ যোগেদি জনতাক ভগৱৎ ভক্তিত নিমজ্জিত কৰা, ভাওনাৰ কলা-কৌশলৰ যোগেদি ৰং, সাজ-পোছাক, বাদ্য আদি শিল্প-কলা ৰক্ষা কৰা অংকীয়া ভাওনাৰ মুখ্য উদ্দেশ্য। অংকীয়া ভাওনাৰ সংলাপৰ সৰলতা, গীতৰ সাৱলীলতা ভাৰতৰ আন ঠাইত পোৱা টান। যাৰ বৈশিষ্ট্যতাৰ কাৰণে কমলাবাৰী সত্ৰৰ শিল্পীসকলে ভাৰতৰ বিভিন্ন প্ৰান্তত তথা সুদূৰ ইন্দোনেছিয়াতো ইয়াৰ প্ৰভাৱ পেলাবলৈ সক্ষম হয়।

মাজুলী সাংস্কৃতিক সংৰক্ষণ, সংবৰ্ধন আৰু সমন্বয়ৰ জীয়া উদাহৰণ। ব্ৰাহ্মণ, কলিতা, কোঁচ, কেওঁট, চুতীয়া, আহোম, মটক, মিচিং, দেউৰী, কৈৱৰ্ত, বণিয়া, কুমাৰ-কমাৰৰ মিলনভূমি মাজুলী। সত্ৰীয়া সংস্কৃতিৰ লগতে ভিন্ ভিন্ কৃষ্টিৰ আখৰা চলে মাজুলীৰ বিভিন্ন প্ৰান্তত। জনজাতিৰ সংজ্ঞাৰে নিজকে চিনাকি দিয়া মিচিং-দেউৰীসকল লৌহিত্যৰ তীৰভূমি মাজুলীৰ আদিম বাসী। আনুমানিক ত্ৰয়োদশ শতিকাত মিচিং-দেউৰীসকলে অসমৰ উত্তৰ-পূব সীমান্তইদি প্ৰৱেশ

কৰি মাজুলীক বসবাসৰ ঠাই হিচাপে বাছনি কৰি লৈছিল। চিকাৰ আৰু কৃষিয়েই জীয়াই থকাৰ মূল সম্বল হোৱা হেতু উভয় ক্ষেত্ৰতেই মাজুলী উপযোগী হোৱাৰ কাৰণে মিচিং-দেউৰীসকলে বহল ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ চৰ অঞ্চলক বুকুৰ কুটুম কৰি ল'লে। লগে লগে কৃষ্টিৰ মাজেৰে নিজকে প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত অগ্ৰসৰ হ'ল। পৰিচিত হ'ল নৰাছিঙা বিহু, কেবাং, প'ৰাগ, আলি-আই-লৃগাং; মিচিংসকলৰ বৈশিষ্ট্যপূৰ্ণ লোক-উৎসৱ ৰূপে। উজনি মাজুলীৰ পৰা নামনি মাজুলীৰ শেষ স্তৰলৈকে লুইতৰ পাৰে পাৰে ধ্বনিত হোৱা মিচিং ঐনিতম অসমীয়া সংস্কৃতিৰ অমূল্য সম্পদ। বৰগঞা, ফুটুকী, ৰাজ্জনিচুক, চিতাদাৰচুক, চুমৈমাৰী, কানিয়াজান, ঢেপাক, সোণাপুৰ, জেংৰাই আদি মিচিং অঞ্চলত বিবিধ মিচিং ঐনিতমে বিবিধ সময়ত অপূৰ্ব সুৰৰ লহৰী তোলে। এনে মধুৰ সুৰ সংযোজনাত বসন্তৰ স্পৰ্শ পোৱা বাৰিষাৰ আগমনিত লুইতৰ সক-বৰ তৰংগবিলাকেও হিয়াত যেন খলকনি লগায়। মিচিংসকলৰ লগতে মাজুলীত আদিমভাৱে মনৰ আনন্দ প্ৰকাশ কৰা দেউৰীসকলেও নিজৰ কৃষ্টিৰ মাজেৰে স্বকীয়তা প্ৰকাশ কৰি আহিছে। বসন্তৰ আগমনত স্বতঃস্ফূৰ্তভাৱে মনৰ আনন্দ প্ৰকাশ কৰা মাজুলীৰ মাজৰদেউৰী, চিৰাম দেউৰী গাঁৱৰ দেউৰীসকলৰ বিচু তাৰেই এটি উৎকৃষ্ট নিদৰ্শন। ইয়াৰ পিছতেই আহিল কছাৰীসকলৰ কথা। আউনীআটী সত্ৰৰ দ্বিতীয় সত্ৰাধিকাৰ কেশৱদেৱ গোস্বামীয়ে শদিয়াৰ হাবিত সোণেৰে পৰীক্ষা কৰা কছাৰীসকলক সোণোৱাল কছাৰী আখ্যা দিয়াৰ কিছুদিনৰ পাছতেই মাজুলীৰ উজনি অংশত ৰূপহী বিলৰ কাষত সোণোৱাল কছাৰী সম্প্ৰদায়ৰ এটি ফৈদে বাস কৰিবলৈ লয়। অসমীয়া সংস্কৃতিৰ বৰপেৰাত বাছকবনীয়া মুকুতাবিলাকৰ ভিতৰত সোণোৱালসকলে বসন্তৰ আগমনত বৰষুণৰ আহ্বান জনাই বাইথ' পূজা পাতি পৰিৱেশন কৰা হাইদাং গীত অন্যতম।

খোলৰ সমজাতীয় বাদ্য মৃদংগ। এক পৃথকত্ব অপূৰ্ব ধ্বনি সৃষ্টি কৰা মৃদংগৰ বোলেৰে পৰিবেশিত হোৱা মৃদংগীয়া নৃত্য এক আকৰ্ষণীয় নৃত্যানুষ্ঠান। আহোম ৰজাৰ শাসন কালতে মাজুলীত বাস কৰা শেনচোৱা গাঁৱৰ লোকসকলে এই মৃদংগীয়া নৃত্য মাংগলিক অনুষ্ঠান উপলক্ষে পৰিৱেশন কৰে।

মৰতৰ ৰম্য-কাননত বিৰিখৰ ডালে ডালে পৰি কুলি-কেতেকীয়ে বসন্তৰ বাৰ্তা জনাই পঞ্চম সুৰেৰে। বসন্তৰ আগমনত লুইতৰ চাপৰিত্যে পলাশ, মদাৰ, নাহৰ, তগৰে নতুনৰ শ্ৰীমেলা পাতে। বন-বিহংগমৰ মধুৰ ধ্বনি, প্ৰকৃতিৰ বিচিত্ৰ শোভাবাজিয়ে লুইতপৰীয়া চহা জীৱনৰ প্ৰাণত ৰঙৰ কঁপনি তোলে; আৰম্ভ হয় সংকল্প লোৱাৰ প্ৰতিশ্ৰুতি। নতুন বছৰৰ মংগল কামনাৰে নামঘৰত ধূপ-দীপ-নৈবেদ্য আগবঢ়াই নাম-কীৰ্তনেৰে সকলোৱে প্ৰাৰ্থনা কৰে ভগৱন্তৰ চৰণত। গুৰু, দেউ, নাম, ভকত একত্ৰিত হৈ থকা সত্ৰ-সভালৈ যায় শুভ আগন্তুকৰ শুভ কামনাত ৰাইজে সেৱা জনাবলৈ। সভ্যতাৰ ৰ'দকাঁচলি পৰাৰ দিনৰ পৰাই গছৰ তলত, লুইতৰ বালিত মাজুলীৰ ডেকা-গাভৰুৱে উন্মুক্ত জীৱনৰ ভাৱাবেগ প্ৰকাশ কৰা বিহু নৃত্য-গীতৰ ক্ৰম আজিও ৰক্ষা হৈ আছে। বিহুৰ বতৰৰ বাহিৰেও বিভিন্ন লোক-উৎসৱত ঢুলীয়াই ওজা-হাত কৰা বিদ্যা মাজুলীত এতিয়াও বিদ্যমান। গোপিনীসবাহৰ নাম, জন্মাষ্টমীৰ নাম আদি আনুষ্ঠানিক নাম নিৰ্দিষ্ট সময়ত গাই তাৰ অবিকৃত ধাৰা মাজুলীৰ আয়তীসকলেও ৰক্ষা কৰি আহিছে। ইয়াৰ উপৰি চামগুৰি সত্ৰৰ মুখা নিৰ্মাণ কাৰ্য, আউনীআটী, বেঙেনাআটি, কমলাবাৰী আদি সত্ৰসমূহত তৈয়াৰ কৰা হেঙুল-হাইতাল বোলোৱা বেতৰ বিচনী, গছা, খুন্দনা, শৰাই, সিংহাসনৰ শিল্পকৰ্ম আৰু শালমৰা গাঁৱৰ মৃন্ময় কাৰ্যই চমৎকাৰিতা প্ৰকাশ কৰাৰ লগতে স্থাপত্য-ভাস্কৰ্য আদি সুকুমাৰ কলাৰ স্পষ্ট চানেকি দাঙি দৰে।

## মাজুলীৰ সাংস্কৃতিক ঐতিহ্য

'সংস্কৃতি' — এই শব্দটো আজি সকলোৰে পৰিচিত। পশ্চিমীয়া 'কালচাৰ' অৰ্থত সংস্কৃতি শব্দৰ ব্যৱহাৰ তেনেই নতুন। অসমীয়া ভাষালৈ সংস্কৃতি শব্দটো বঙালী ভাষাৰ দুৱাৰদলি গৰকিহে ন-বোৱাৰী হৈ আহিছে। সংস্কৃতি শব্দই ব্যাপক জনপ্ৰিয়তা লাভ কৰাৰ আগতে কৃষ্টি শব্দৰহে ব্যৱহাৰ হৈছিল। ধাতুগতভাৱে কৃষ্টি শব্দ 'কালচাৰ' শব্দৰ সমপৰ্যায়ৰ।

কৃষিজীৱী মানুহে উৎপাদিকা শক্তিসম্পন্না পৃথিৱী কৰ্ষণ কৰি বাৰেবৰণীয়া শস্য উৎপাদন কৰে। এই শস্যই দান কৰে মানুহৰ জীৱনী শক্তি। মানুহ জীয়াই থাকে একোটা সৃষ্টিশীল মন লৈ; লগে লগে আৰম্ভ হয় মনৰ কৰ্ষণ। সৃষ্টি হয় নতুন নতুন উপাদান। এয়ে কৃষ্টিৰ কঠীয়াতলী।

**সংস্কৃতি শব্দ নিষ্পন্ন হৈছে সম+কৃতি হৈ।** যি শিল্প-কৰ্মত সম্যক **সৃজনশীলতা আছে,** **সৌন্দৰ্য** আছে, মানৱতা আছে; সিয়েই সংস্কৃতি। **সংগীত বা সাংগীতিক** উপকৰণসমূহ সংস্কৃতিৰ এটি উপাদান মাত্ৰ। **সংস্কৃতিয়ে যথাৰ্থতে** এটা জাতিৰ সমগ্ৰ সৃষ্টি প্ৰতিভাক প্ৰতিনিধিত্ব কৰে।

**নিজৰ ভৰিত থিয় দিবৰ কাৰণে** যিখিনি বস্তু আমাক লাগে, **সকলোৱেই কৃষ্টিৰ** অন্তৰ্গত আৰু তাকেই সংস্কাৰ কৰি ল'লে সংস্কৃতি **হয়।** এই ক্ষেত্ৰত সংস্কৃতি এখন বগা 'ব্লটিং' কাগজৰ দৰে। এই ব্লটিং **কাগজখনৰ** কোনো ৰং নাথাকে; কিন্তু তাৰ শুহিব পৰা শক্তি আছে। **সেই ব্লটিং** কাগজখন আমি বিভিন্ন ৰঙেৰে ৰঞ্জিত কৰিব পাৰোঁ। আমি টুকি টুকি ৰঙা, সেউজীয়া, ক'লা চিয়াহী দিলে তাত বিভিন্ন ৰং হয় **আৰু তাৰ পিছত বিভিন্ন ৰঙৰ কাগজ হৈ যায়; ব্লটিং হৈ নাথাকে।** ঠিক **মানুহৰ জীৱনটোও তেনেকুৱা।** **পাৰিবাৰিক** জীৱনত আমাৰ পৰিৱেশ **লৈ যিবোৰ সম্পৰ্ক হয়, সেই সম্পৰ্ক লৈ** আমি সংস্কৃতিৱান হওঁ। আমি **'ব্লটিং পেপাৰ'ৰ** দৰে টুকি টুকি জীৱনৰ যিখিনি প্ৰয়োজনীয় বস্তু, সেইখিনি **আহৰণ কৰি পূৰ্ণতা** লাভ কৰোঁ। সেই পূৰ্ণতাই হ'ল সংস্কৃতি।

**কলাগুৰু বিষ্ণু ৰাভাৰ সংস্কৃতিৰ** বিষয়ে অৱধাৰণা হ'ল— বাস্তৱ **প্ৰয়োজনত যাৰ জনম, মানুহৰ জীৱন** সংগ্ৰামত যি শকতি, জীৱন যাত্ৰাৰ **বাস্তৱ** উদ্দেশ্য সিদ্ধিত যি মুকুতি, সেয়েহে আচল কৃষ্টি; প্ৰকৃত সংস্কৃতি **বা 'Real Culture' ! সংস্কৃতি** এটা জাতিৰ জাতীয় জীৱনৰ বোৱতী **সুঁতি।** **নৈৰ গতিয়েই সংস্কৃতিৰ** গতি। মাজুলীৰ সংস্কৃতি অসমীয়া সংস্কৃতিৰ **এটি ভৰা** সুঁতি। এই **সংস্কৃতিৰ স্বৰূপত** বৈষ্ণৱ-সংস্কৃতিৰ নিটোল ধাৰা **সংপৃক্ত** হৈ আছে। নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক, অসমীয়া সাহিত্য-**সংস্কৃতিৰ গুৰু, মহাপুৰুষ** শংকৰদেৱ আৰু মাধৱদেৱৰ এই মাজুলীৰে **ধুৱাহাট-বেলগুৰিত** মহামিলন ঘটিছিল। ভক্ত-সমাজে যাক মণি-কাঞ্চন **সংযোগ বুলি আখ্যা** দিয়ে। এই মিলনে মাজুলীক দান কৰিলে পুত-**পবিত্ৰ কলেৱৰ।** যি কাৰণে আধ্যাত্মিক উৎকৰ্ষ সাধনৰ বাবে ইয়াতেই **গোট খালেহে সন্ত-মহন্তসকল।** **পৰৱৰ্তী কালৰ মহাপুৰুষ দুজনাৰ শিষ্য-প্ৰশিষ্য আৰু আজ্ঞাবহসকলে** আউনীআটী, বেঙেনাআটী, দক্ষিণপাট, **কমলাবাৰী,** গড়মূৰ, ভোগপুৰ, চামগুৰি আদি সংহতিৰ ভিত্তিত **সত্ৰসমূহ প্ৰতিষ্ঠা কৰি মাজুলীক কৰিলে 'এটকা মহন্তৰ স্থান'; সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ। শংকৰী-সংস্কৃতিৰ** প্ৰথম বিকাশ হৈছিল সত্ৰনুষ্ঠানসমূহতে। **ধৰ্মৰ চৰ্চা আৰু প্ৰচাৰৰ বাবেই সত্ৰসমূহ প্ৰতিষ্ঠা হৈছিল।** লোক-সংগ্ৰহ, লোক-ৰঞ্জন আৰু লোক-কৃষ্টিৰ বাবেই সুকুমাৰ কলা-কৃষ্টিৰো প্ৰচলন আৰু চৰ্চা চলিছিল এই সত্ৰসমূহতে, ধৰ্ম প্ৰচাৰৰ অহিলা স্বৰূপে। সেয়েহে মাজুলীৰ সত্ৰসমূহত থূপ খাই আছে বিভিন্ন গীত-ৰাগ, তাল-সুৰ, নাট আৰু নাট্য; যিবিলাকে অসমীয়া সংস্কৃতিৰ গৌৰৱৰ ধ্বজা উকৰাই আছে।

সত্ৰসমূহেই বৈষ্ণৱ-সাহিত্যৰ বিকিৰণৰ কেন্দ্ৰ আছিল আৰু সত্ৰসমূহেই জনসাধাৰণক নৈতিক আৰু আধ্যাত্মিক শিক্ষাদান কৰি উন্নত জীৱন যাপনৰ পথ নিৰ্দেশ কৰিছিল। পৰিস্কাৰ-পৰিচ্ছন্নতা, সদাচাৰ, সু-প্ৰবৃত্তিৰ কৰ্ষণ, কু-প্ৰবৃত্তিৰ দমন, পৰিমাৰ্জিত ব্যৱহাৰ, ভগৱদ্ভক্তিৰ প্ৰণালী, ঈশ্বৰতত্ত্ব আৰু দেহতত্ত্ব, জীৱ-তৰণৰ উপায়; এই আটাইবোৰ কথা সত্ৰৰ যোগেদি জনসাধাৰণে লাভ কৰিছে।

অসমৰ চাৰুকলা শিল্পলৈ সত্ৰসমূহে বহুমূলীয়া পৰম্পৰা দি গৈছে। সত্ৰৰ কেৱলীয়া ভকতে আজিৰ সময়ত নানা ধৰণৰ শিল্পকৰ্মত আত্মনিয়োগ কৰি নিজৰ চাউল কঠা মুকলি কৰাৰ উপৰিও সেইবোৰৰ যোগেদি নামঘৰ, মণিকূট আৰু হাটীৰ সৌন্দৰ্য বৰ্দ্ধন কৰিছে। সিংহাসন, কাঠৰ বিবিধ দেৱ-দেৱীৰ মূৰ্তি, শৰাই; ভাওনাৰ পোছাক, মুখা, অস্ত্ৰ, বাঁহ-বেতৰ নানা প্ৰয়োজনীয় সামগ্ৰী আৰু অলংকৰণীয় বস্তু সত্ৰসমূহত নিৰ্মিত হৈ আহিছে।

মাজুলীৰ সাংস্কৃতিক প্ৰৱাহত মিচিং, দেউৰী, সোণোৱাল কছাৰী, কৈৱৰ্ত আদি জাতি-জনজাতিসকলৰ কৃষ্টিসমূহেও প্ৰভূত বৰঙণি যোগাই আহিছে। এনে এক প্ৰেক্ষাপটত মাজুলীৰ সামগ্ৰিক সাংস্কৃতিক ঐতিহ্য আৰু কাৰ্যক্ৰমণিকাৰ বিষয়ে আলোচনা কৰি চাব লাগিব।

## মাজুলীৰ সাংস্কৃতিক বৈশিষ্ট্য আৰু পৰিক্ৰমা

বিশ্বৰ সৰ্ববৃহৎ নদী-দ্বীপ ৰূপে খ্যাত মাজুলী এসময়ত শিৱসাগৰ জিলাৰ পৰা নগাঁও, শোণিতপুৰ জিলা পৰ্যন্ত বিশাল ভূমিখণ্ড বিস্তৃত হৈ আছিল। নতুন জিলা গঠন আৰু ৩৩টা চাপৰিত পৰিণত হোৱা মাজুলীৰ সাংস্কৃতিক ইতিহাসৰ একোটা খণ্ড অন্যান্য জিলাৰ ইতিহাসৰ পটত খোদিত হ'ল। ৰাজনৈতিকভাৱে দিয়া সীমাৰে সাংস্কৃতিক পৰিক্ৰমা নিৰ্দ্ধাৰণ কৰাটো বস্তুতঃ অসম্ভৱ।

মাজুলীৰ জনজীৱন বৈচিত্ৰ্যপূৰ্ণ; মাজুলীৰ দ্বীপ সৃষ্টি হোৱাৰ

আগতে ইয়াত বসবাস কৰা লোকৰ সংখ্যা নগণ্য বুলিব নোৱাৰি। বিভিন্ন সময়, বিভিন্ন কাৰণত মাজুলীলৈ বিভিন্ন জনগোষ্ঠীৰ প্ৰব্ৰজন হৈছিল। তথাপি মাজুলীৰ উপৰিভাগৰ বিশাল অঞ্চল হাবি-বননিৰে গেজেপনি আছিল। কেইবাগৰাকীও স্বৰ্গদেৱে এনে হাবিত চিকাৰ কৰিবলৈ অহাৰ কথা বুৰঞ্জীয়ে কয়। সেয়েহে নদী-মাতৃকা অঞ্চলত মৎস্যজীৱী, বনাঞ্চলত চিকাৰীলোক আৰু উৰ্বৰা ভূমিত কৃষিজীৱী লোকে বসবাস কৰিছিল; কাৰণ প্ৰকৃতিৰ ৰম্যভূমি মাজুলীত সেউজীয়া সৌন্দৰ্য, সাৰুৱা উৰ্বৰ ভূমিৰ কথা, নদীকাষৰীয়া অঞ্চলৰ বিৱৰণ বুৰঞ্জীত পোৱা যায়। মাজুলীৰ ঐশ্বৰ্যময় ৰূপৰ কথা, শান্তিময় পৰিৱেশৰ কথা, বাৰে-ৰহনীয়া সংস্কৃতিৰ বৈনন্দীয়া ৰূপ মাজুলীত কিংবদন্তিৰ মাধ্যমেৰে বৈচিত্ৰ্যময় কৰি এক জন-বিশ্বাসে [illegible] আছে। এনে এটা ধৰ্মীয় কিংবদন্তিত কোৱা হৈছে — ৰুক্মিণীক হৰণ কৰি কৃষ্ণই মাজুলীৰ সৌন্দৰ্যত মোহিত হৈ ক্ষন্তেক জিৰাইছিল আৰু মাজুলী দ্বিতীয় দ্বাৰকা হ'ব বুলি মন্তব্য কৰিছিল। কমলাবাৰীৰ ভকতসকলে আজিও গায়—

> *"কৃষ্ণই ৰুক্মিণীক হৰি নিলা,*
> *মাথাৰ কমল ফুল ভূমিত পৰিলা*
> *সেহি কাৰণে কমলাবাৰী নাম ভৈলা॥"*

সেইদৰে শংকৰে (শিৱই) পিয়াহত আতুৰ হৈ 'শুকানসুঁতি' নামৰ সুঁতিটোত ত্ৰিশূলেৰে পানী উলিয়াই খাইছিল বাবে এতিয়াও অবিৰাম গতিত সেই সুঁতি প্ৰৱাহিত হৈ আছে। অৱশ্যে এই কাহিনীৰ ঐতিহাসিক ভিত্তি নাই যদিও ধৰ্মৰ খুঁটিটোৰ সবল স্থিতিকে প্ৰতিপন্ন কৰে।

মাজুলীত অতীজৰে পৰা ব্ৰাহ্মণ, কলিতা, কোঁচ, কেওঁট, মৰাণ, মটক, আহোম, কছাৰী, মিচিং, দেউৰী, কৈৱৰ্ত, বণিয়া, কুমাৰ, কমাৰ, নাথ, যোগী আদি সম্প্ৰদায়ৰ বসতিস্থল। নৈপৰীয়া মাজুলীত নৈৰ ওপৰত নিৰ্ভৰশীল লোকৰ বসতিস্থল আছিল। কুমাৰমাটি পোৱা শালমৰা অঞ্চলত মৃৎ-শিল্পৰে জীৱিকা উলিওৱা কুমাৰ সম্প্ৰদায়ৰ লোকে বাস কৰিছিল। এই কুমাৰ মাটিৰ নিদৰ্শন দিখৌমুখ, দিচাং আৰু জাঁজীমুখতো পোৱা যায়। সোৱণশিৰী নৈত সোণ বিচাৰি 'ধোৱাচলা' গড়ত ধুই-চালি সোণ কমাবলৈ অহা সোণোৱাল কছাৰীসকল এটা সময়ত মাজুলীৰ বাসিন্দা হৈ পৰিল। চুতীয়া বংশৰ ৰজাই স্থাপন কৰা ৰতনপুৰ বা ৰত্নপুৰ কেইবাখনো সৰু সৰু ৰাজ্যৰে গঠিত ৰাজ্যখনৰ গুৰুত্বপূৰ্ণ ৰাজধানী আছিল। পিছত উত্তৰপাৰলৈ নগৰখন স্থানান্তৰিত কৰিলেও সেই বংশৰ লোক মাজুলীৰ পৰা নিপাত হোৱা নাছিল। আহোম ৰজাৰ শাসনকালত মাজুলীত বহু ধৰণৰ বৃত্তিধাৰী লোক সংস্থাপিত কৰিছিল। তদুপৰি ৰাজ-ৰোষৰ ভয়ত আশ্ৰয়লোৱা, নিৰ্বাসন দিয়া আৰু সন্তৰ সংগ বিচৰা লোক মাজুলীলৈ প্ৰব্ৰজন ঘটিছিল। মিৰজুমলাৰ অসম দখলৰ সময়ত আহোম ৰাজ-বিষয়াৰ এটা দলে মাজুলীত আত্মগোপন কৰাৰ কথা জনা যায়। মোৱামৰীয়া বিদ্ৰোহৰ সময়ত ৰাণী, লুকি আৰু বেলতলাৰ ৰজাসকলৰ এটা শকত ফৌজৰ সহায়ত আহোমে গড়মূৰত যুঁজ দিয়াৰ কথা জনা যায়। মোৱামাৰী বিলখনক লৈ এনে কেইবাটাও জন-বিশ্বাস মাজুলীত স্থিতিশীল। সেইদৰে মোগল নৌবাহিনীৰ অধিনায়ক ইবন হুছেইনে মাজুলীৰ ওচৰত এটা শকত নৌবাহিনী ৰখাৰ কথাও জনা যায়।

মাজুলীত আত্মগোপন কৰি সুফল নোপোৱা গদাপাণিৰ বৈষ্ণৱ নিৰ্যাতনত মাজুলীৰ সত্ৰসমূহে জ্বলা-কলা খাইছিল। আউনীআটী কুশদেউ পলাই গৈ কছাৰীসকলৰ আশ্ৰয় লাভ কৰে। পিছলৈ এওঁলোকক শৰণীয়া কৰে আৰু কছাৰীসকলৰ এটা ঠাল উজনি মাজুলীৰ ৰূপহীবিলৰ পাৰত বসবাস কৰাৰ কথা জনা যায়। নববৈষ্ণৱ ধৰ্মৰ প্ৰভাৱত মাজুলীত সৰু-বৰ ৬৫খন সত্ৰ প্ৰতিষ্ঠা হয়। চৰিত পুথিবোৰত সংখ্যাৰ মতানৈক্য দেখা যায় যদিও চাৰি সংহতিৰ আদৰ্শনিহিত থকাটো নিশ্চিত কৰে। এই সময়ছোৱাত মাজুলীলৈ ধৰ্ম প্ৰচাৰৰ বাবে, ভক্তি সাধনৰ বাবে বহু শিষ্টলোকৰ সমাৱেশ ঘটে। আহোম বুৰঞ্জীত মাজুলীলৈ আহিবলৈ আগ্ৰহ কৰা লোকৰ সম্ভেদ পোৱা যায়। সত্ৰাধিকাৰ, বৈষ্ণৱসকল ধৰ্মস্থানলৈ আহিছিল অসমৰ বিভিন্ন স্থানৰ পৰা। তদুপৰি ৰজাঘৰৰ অনুগ্ৰহ লাভ কৰা সত্ৰসমূহৰ বাবে স্বৰ্গদেউসকল; বৃত্তিয়াল লোক, যেনে— সোণাৰি, কমাৰ, কুমাৰ, মৰিয়া, বাঢ়ৈ, ধোবা, নাপিত আদি লোকক মাটি-বৃত্তি দি স্থাপন কৰিছিল। কিছু সত্ৰই নিজাববীয়াকৈ এনে লোকৰ ব্যৱস্থা কৰিছিল। মানৰ আক্ৰমণৰ সময়ত নানান অত্যাচাৰ সহ্য কৰিও ধৰ্মৰ খুঁটিটো ৰক্ষা কৰিছিল। সত্ৰসমূহে অত্যাচাৰী মানসকলক টকা-পইচা দিও সত্ৰ ৰক্ষা কৰাৰ কথা জনা যায়। মানক মান্তি কৰোৱাৰ পিছত মাজুলীত অত্যাচাৰ কমিছিল আৰু আত্মগোপন কৰাৰ মানসেৰে অসমৰ বিভিন্ন ঠাইৰ পৰা মাজুলীত আশ্ৰয় ল'বলৈও বহুলোক আহিছিল। স্মৰণযোগ্য যে মাজুলীৰ সাংস্কৃতিক উত্তৰণত তামোল নোখোৱা সম্প্ৰদায় বা বোধগুৰু বা তেওঁৰ শিষ্যসকলে এটা

ঐতিহ্যময় ইতিহাসক সাৱটি ধৰি মাজুলীৰ সংস্কৃতি অধিক বৈচিত্ৰময় কৰি তুলিছে, যিটো এতিয়াও বিদ্যমান।

ইংৰাজৰ শাসনকালত মাজুলীলৈ বংগভাষী আৰু মুছলমানধৰ্মী লোকৰ প্ৰব্ৰজন ঘটে। জাহাজত কাম কৰা তেনেধৰণৰ প্ৰাক্তন কৰ্মচাৰীৰে কমলাবাৰী ঘাটৰ কাষত এখন গাঁও সম্পূৰ্ণ হৈছিলগৈ। দেশে স্বাধীনতা লাভ কৰাৰ পিছত ব্যৱসায়-বাণিজ্যৰ সংক্ৰান্তত ৰাজস্থান, বিহাৰ, উত্তৰপ্ৰদেশ আৰু নেপাল; পূৰ্ব-পাকিস্তানৰ পৰাও কিছুলোক মাজুলীলৈ আহে। প্ৰাক্তন চাহকৰ্মীৰে গঠিত এখন গাঁও কমলাবাৰীৰ সমীপত আছে। উজনি মাজুলীৰ নটবৰী চাপৰিত ফুলেশ্বৰী কুঁৱৰীৰ বাসস্থান আছিল বুলি জনা যায়। নট সম্প্ৰদায়ৰ লোকৰ মাজুলীৰ জন-সমুদ্ৰত স্থিতি বিৰাজমান। পিছৰ যুগত বৰনৈত নাৱেৰে জীৱিকা উলিওৱা মাজি সম্প্ৰদায়ৰ লোক মাজুলীলৈ আহে। এনে জনগাঁথনিয়ে মাজুলীৰ সাংস্কৃতিক ইতিহাস বৈচিত্ৰ্যময় কৰি তুলিছে।

ইতিহাসে ঢুকি পোৱা কালৰে পৰা মাজুলীৰ লোকসকল হিন্দুধৰ্মী আছিল বুলি জনা যায়। মাজুলীৰ লগত হাবুং নামৰ ব্ৰাহ্মণ্য সংস্কৃতিৰ ঠাইখনৰ সংস্পৰ্শ আছিল। হিন্দুধৰ্মী চুতীয়া ৰজাসকলে বহুকাল মাজুলীক ৰাজ্যৰ ভিতৰুৱা কৰি ৰাখিছিল। হিন্দু ৰজাসকলৰ শাসন আৰু নৱবৈষ্ণৱ ধৰ্মৰ প্ৰৱাহত মাজুলীৰ সত্ৰসমূহে চাৰি-সংহতিৰ খুঁটি মাৰি মাজুলীক ধৰ্মক্ষেত্ৰলৈ ৰূপান্তৰিত কৰে। স্বৰ্গদেউ লক্ষ্মীসিংহই শাক্ত-পণ্ডিত ৰমানন্দক ধৰ্মগুৰু মানি মাজুলীৰ পহুমৰা বিলৰ পাৰত মাটি-বৃত্তি দি সত্ৰ পাতি দিছিল। এইজনা গুৰুৱে গৌৰীনাথ সিংহৰো পৃষ্ঠপোষকতা লাভ কৰিছিল। মাজুলীৰ ফুলনি থানত এগৰাকী দশভূজা দুৰ্গাদেৱীৰ মূৰ্তিত হেনো বনৰীয়া হাতীয়ে ফল-মূল দি সেৱা কৰা দেখি মিচিং লোকসকলে ঠাইখন পৱিত্ৰভাৱে সংৰক্ষণ কৰি পূজা দিবলৈ লয়। ভূমিকম্পৰ ফলত মূৰ্তিখন তললৈ যায় বুলি কথিত আছে। ফুলনি থানৰ পশ্চিমে থকা সোণাৰিআটীত সোণাৰি বহুৱাই বৈষ্ণৱ সত্ৰবোৰত মূৰ্তি দি জোৰ কৰি ফুলেশ্বৰী কুঁৱৰীয়ে শক্তিপূজা কৰিবলৈ বাধ্য কৰাইছিল। শাক্তপন্থী সত্ৰও মাজুলীত আছিল। গোপনভাৱে হ'লেও ইয়াৰ উৎস মাজুলীত নথকা নহয়। শাক্ত-পণ্ডিত মাধৱদেৱৰ লগত শংকৰদেৱৰ মিলন ঘটিছিল মাজুলীৰ ধুঁৱাহাট বেলগুৰি সত্ৰত। বলিৰ পঠা বিচাৰি অহা মাধৱদেৱৰ ভনীজোঁৱাইক আকস্মিকভাৱে লগ নোপোৱা হ'লে শংকৰ-মাধৱৰ মিলন সম্ভৱ নহ'লহেঁতেন। গতিকে দেৱীপূজাৰ এটা প্ৰভাৱ অতীতৰ পৰা মাজুলীত প্ৰৱাহিত হৈ আছিল বুলি ঠাৱৰ কৰিব পাৰি। অতীতত এই পূজা কিদৰে উদ্‌যাপিত হৈছিল জনা নাযায়; কিন্তু বৰ্তমান কালত দেৱীপূজাৰ উৎসৱমুখৰ পৰিৱেশ মাজুলীত নাই।

মিচিংসকল আদি জনগোষ্ঠীৰ এটা ঠাল। এওঁলোক কেতিয়াৰ পৰা মাজুলীত বাস কৰিবলৈ ল'লে জনা নাযায়। আহোম বুৰঞ্জীমতে গড়গাঁৱৰ পৰা ১১ দিন যাত্ৰাৰ পিছতহে মিচিংসকলক পোৱা গৈছিল। কিংবদন্তিমতে মিচিংসকলে ভৈয়ামলৈ নাৱত আহোতে নাৱৰ টিং নভগা পৰ্যন্ত গৈ থাকিবলৈ সংকল্প লৈছিল। অৱশেষত ভৰলী নৈৰ মুখত টিং ভাগে আৰু তাৰ পৰা উজাই গৈ ব্ৰহ্মপুত্ৰৰ উপত্যকাত বাস কৰিবলৈ লয়। এই জনগোষ্ঠীয়ে যে সঘনাই স্থান পৰিৱৰ্তন কৰিছিল সেই কথা চাংঘৰবোৰেই প্ৰমাণ কৰে। মিচিংসকল জড়বাদী। প্ৰাকৃতিক পৰিৱৰ্তন, দুৰ্ঘটনা, অপায়-অমংগল, বেমাৰ-আজাৰ আৰু কৃষিৰ অনিষ্টকাৰী পোক-পৰুৱাক এওঁলোকে অপদেৱতা জ্ঞান কৰিছিল। মাজুলীৰ মিচিং জনগোষ্ঠীৰ মাজত সেই প্ৰথা এতিয়াও বিদ্যমান। এওঁলোকে অপদেৱতাসমূহক নিষ্ঠুৰ জ্ঞান কৰে বাবে পূজা-পাতল দিওঁতেও নিষ্ঠুৰতা প্ৰকাশ কৰে। জোঙা বাঁহেৰে গাহৰিৰ বুকু ফালি পূজা দিয়া, কুকুৰা শালি ওপৰলৈ গুজি পূজা কৰা দেখা যায়। এওঁলোকে পোনপটীয়াভাৱে বৌদ্ধ সহজীয়া পন্থাৰ গুপ্তধৰ্মত দীক্ষা লয়, যাক মিচিং সমাজত ভকতীয়া পন্থা বুলি কয়। কালক্ৰমত সত্ৰৰ সাংস্কৃতিক প্ৰৱাহে মিচিংসকলক বৈষ্ণৱ ধৰ্মৰ ওচৰ চপাই আনিলে। প্ৰয়াত বিপ্লৱী ধৰ্মগুৰু পীতাম্বৰদেৱ গোস্বামীৰ প্ৰচেষ্টাত মাজুলীৰ বহু মিচিংলোক বৈষ্ণৱধৰ্মত দীক্ষিত হয়। মাজুলীত শেহতীয়াকৈ খ্ৰীষ্টধৰ্মৰ এটি প্ৰৱাহ বয়। কিছু সংখ্যক জনজাতীয় লোকে সত্ৰীয়া ৰক্ষণশীল নীতিত বিতৰাগ হৈ ধৰ্মান্তৰকৰণৰ অভিসন্ধিত ভৰি দিলে। সত্ৰসমূহে এই ক'থা উপলব্ধি কৰিলেও যথাসময়ত আগভাগ লোৱা নাছিল। (এৰৈশ শতিকাৰ দুৱাৰডলিত আউনীআটীয় সত্ৰাধিকাৰ পীতাম্বৰদেৱ গোস্বামীয়ে পুনৰ মিচিংলোকক বুকুত সাৱটি লৈ বিভিন্ন কাৰ্যসূচী হাতত লোৱাত সাধু-সমাজে সন্তোষ প্ৰকাশ কৰিছে আৰু সহযোগিতা আগবঢ়াইছে।) পৰম্পৰা আৰু জন-বিশ্বাসত অটল মিচিং সমাজৰ সামাজিক বান্ধোন আৰু ধৰ্মীয় আচাৰ-নীতিত বহুতো সাংস্কৃতিক উৎস নিখুঁত ৰূপত খোদিত হৈছে। মুৰংঘৰৰ আৰ্হিৰ লগত নামঘৰৰ কিছু সাদৃশ্য সেয়েহে পৰিলক্ষিত হয়। ভূত-প্ৰেত আৰু ডাইনীক বিশ্বাস কৰা মিচিং সমাজত

কেতিয়াবা অবাঞ্ছিত পৰিস্থিতিৰ সৃষ্টি নোহোৱা নহয়। তথাপি মুৰংঘৰৰ সাংস্কৃতিক ক্ৰমণিকাই মাজুলীৰ সাংস্কৃতিক পথাৰত চকুত লগাকৈ ভৱিষ্যতৰ ফচল ৰোপণ কৰিছে।

দেউৰীসকল অসমৰ খিলঞ্জীয়া জনগোষ্ঠী। দিবঙীয়া, টেঙাপনীয়া, বৰগঞা আৰু পাটৰগঞা; এই চাৰি ফৈদত বিভক্ত দেউৰীসকল কেতিয়াৰ পৰা মাজুলীত বসবাস কৰিবলৈ ল'লে এতিয়ালৈকে নিৰ্ভৰযোগ্য তথ্য আৱিস্কৃত হোৱা নাই। উজনি মাজুলীৰ এটা বৃহৎ অঞ্চলজুৰি থকা দেউৰীসকলে নিজকে দিবঙীয়া ফৈদৰ বুলিহে ক'ব বিচাৰে। এওঁলোকৰ মাজতো আকৌ বদেৰি, পাতিৰ, আয়-ৰ, পাপৰিয়া, লাকাবু, চিতিকা, কুমতা, কলিয়, কছৰিয়, মিছা বজাই, তেলিয়া বজাই আদি জনগোষ্ঠী আছে।

বলি-বিধান দি কঠিনভাৱে শাক্তধৰ্ম পালন কৰা দেউৰীসকলে কুণ্ডিমামা (শিৱ-পাৰ্বতী)ক উপাসনা কৰে। বলিয়াবাবা, কেঁচাইখাতী গোসাঁনী, বুঢ়া-বুঢ়ী এওঁলোকৰ দেৱ-দেৱী। 'কুণ্ডিমামা' পূজাৰ বাবে একোখন গোসাঁনী থান বা শাল থাকে। তাত বেলেগে বেলেগে পূজা দিয়া হয়। ধৰ্মীয় কাম চলোৱাসকল হ'ল— বৰপূজাৰী, সৰুপূজাৰী, বৰ ভৰালী, সৰু ভৰালী, মেলোবৰা, ৰান্ধনী আৰু তেলিয়া। বলি দিওঁতে বৰপূজাৰীয়ে বলি কাটে, সৰু ভৰালীয়ে ভৰিত ধৰে, বৰ ভৰালীয়ে মূৰত ধৰে, অন্যান্যসকলে বিভিন্ন কামত সহায় কৰে। পৰম্পৰাগত নিজ ধৰ্মীয় ঐতিহ্য ৰক্ষা কৰিও মাজুলীৰ অন্যান্য জনগোষ্ঠীৰ লগত সম্প্ৰীতি ৰক্ষা কৰি আহিছে। ধৰ্মীয়, কৃষিকৰ্ম, অপায়-অমংগল, বেমাৰ-আজাৰ আদিত প্ৰচলিত জন-বিশ্বাসত অনেক কথা-কাহিনী খোপনি লৈ আছে। যিবিলাকে জনগোষ্ঠীৰ সাংস্কৃতি পৰিক্ৰমাক গতিশীল কৰি ৰাখিছে।

মাজুলীত শিৱপূজাৰ নিদৰ্শন পুৰণি নহয়। ভঙুৱা সকাম, ভাং এচিলিম আগকৰা, শিৱৰাত্ৰী উদ্‌যাপন আদি ধৰ্মীয় কাৰ্যসূচী আছে যদিও শৈৱধৰ্মী লোকৰ প্ৰভাৱ মাজুলীত বিশেষ নাছিল; কিন্তু বৰ্তমান বহুঠাইত ইয়াৰ প্ৰভাৱ বাঢ়িছে। চুকে-কোণে গঢ়ি উঠা অসংখ্য শিৱমন্দিৰবোৰৰ পুৰণি ঐতিহ্য নাই। তথাপি সত্ৰ-সমাজক বাদ দি শৈৱধৰ্মৰ এটি সোঁত স্তিমিতভাৱে প্ৰৱাহিত হয়। 'খোবাখুবুনী' গোৱা কৰ্মত কৃষক শিৱৰ এটি আপোনভোলা চিত্ৰ প্ৰকাশ পাইছে।

ইংৰাজ আমোলতহে কিছু ইছলামধৰ্মী লোক মাজুলীলৈ আহে; কিন্তু সত্ৰীয়া-সংস্কৃতিৰ প্ৰভূত প্ৰভাৱত এই ধৰ্মাৱলম্বী লোক সীমিত। তথাপি ইছলামীয় ৰীতি-নীতিৰে প্ৰতিটো ধৰ্মীয় অনুষ্ঠান উদ্‌যাপিত হৈ আছে যদিও বৰ্তমানলৈকে এওঁলোকে এটাও মছজিদ নিৰ্মাণ নকৰাটো তাৎপৰ্যপূৰ্ণ বিষয়। মাজুলীৰ উৎসৱ-পাৰ্বণত এওঁলোকে কৰা সহযোগ মাজুলীৰ সাংস্কৃতিক পৰিক্ৰমাৰ এক যোগাত্মক দিশ। বৰ্তমান যুগত বিয়া-বাৰুৰ ক্ষেত্ৰত দুই-এক সংমিশ্ৰণো ঘটিছে। সত্তৰ দশকত জেংৰাই অঞ্চলত মিছনেৰীসকলে এখন ইংৰাজী মাধ্যমৰ বিদ্যালয় প্ৰতিষ্ঠা কৰাৰ লগতে নানান সামাজিক কৰ্মত আত্মনিয়োগ কৰাৰ ফলত সহজ-সৰল লোক খ্ৰীষ্টধৰ্মৰ দ্বাৰা প্ৰভাৱিত হয়। ব্যৱসায় সংক্ৰান্তত অহা জৈনধৰ্মী লোকসকলে নিজৰ ধৰ্মীয় বৈশিষ্ট্য ৰক্ষা কৰিও মাজুলীৰ সাংস্কৃতিক পৰম্পৰাত সহযোগ কৰে।

চাৰিওটা সংহতিৰে ধৰ্মৰ লাইখুটা মাজুলীত ৰোপণ কৰা সত্ৰসমূহৰ সংখ্যা ৬৫খন বুলি ঠাৱৰ কৰিলেও মতানৈক্য নথকা নহয়। ইয়াৰে ৰজাঘৰীয়া অনুগ্ৰহ লাভ কৰা সত্ৰসমূহে কিছু এৰা-ধৰা কৰাৰ ফলত নীতি-নিয়মত কিছু পৰিৱৰ্তন ঘটে। এটা সময়ত সত্ৰসমূহত অস্পৃশ্যতা, সামন্তবাদী প্ৰথাৰ প্ৰভাৱো পৰিছিল। সেইদৰে বংগীয় সাংস্কৃতিক উপকৰণো প্ৰৱেশ কৰে। প্ৰাকৃতিক দুৰ্যোগ, ৰাজনৈতিক উত্থান-পতন তথা মানৰ আক্ৰমণৰ সময়ত বিধ্বস্ত হোৱা মাজুলীৰ সত্ৰসমূহে অস্তিত্ব ৰক্ষাৰ সংকটত ভুগিছিল; কিছু স্থানান্তৰিত হৈছিল, শাখা-উপশাখাত বিভক্ত হৈছিল। বৰ্তমানলৈকে মাজুলীৰ ধৰ্ম-সংস্কৃতিত এই সত্ৰসমূহে এক শক্তিশালী দুৰ্গ নিৰ্মাণ কৰি আহিছে— সেই দুৰ্গ ভেদ কৰি অপ-সংস্কৃতিয়ে বীজ ৰোপণ কৰিব পৰা নাই। সত্ৰীয়া-সংস্কৃতিৰ মণিকূট, এটকা মহন্তৰ স্থান বোলা কথাষাৰ এবেশ শতিকাৰ প্ৰাৰম্ভণিলৈকে সাৰ্থকতা লাভ কৰি আছে। পূৰ্বৰ ৬৫খন সত্ৰৰ ভিতৰত সীমিত সংখ্যক সত্ৰহে কাৰ্যক্ষম হৈ আছে।

মাজুলীৰ জনসাধাৰণ কৃষিৰ ওপৰত নিৰ্ভৰশীল। কৃষিজীৱীলোকৰ লগতে মহাপুৰুষীয়া সত্ৰসমূহে খেতি-বাতি কৰি আত্মনিৰ্ভৰশীল হোৱাটো অসমৰ সাংস্কৃতিক ইতিহাসত এক বিৰল দৃষ্টান্ত। মাজুলীৰ উৰ্বৰা কৃষিভূমি, নদীমাতৃকা বিস্তৃত অঞ্চলত বছৰটো কেইবাটাও খেতি কৰি প্ৰচুৰ উৎপাদন লাভ কৰে; যদিও বানপানী আৰু গৰাখহনীয়াই কৃষকসকলৰ অৱস্থা শোচনীয় কৰি তুলিছে।

নদীৰে বেষ্টিত মাজুলীত একোখন নাও প্ৰতিটো পৰিয়ালৰ

গুৰুত্বপূৰ্ণ সম্পত্তি। এই আপাহতে মাজুলীত নাও-নিৰ্মাণ শিক্ষাই গুৰুত্ব লাভ কৰিছে আৰু বহুলোকৰ জীৱিকাৰ অৱলম্বন স্বৰূপ হৈ পৰিছে। মাজুলীত পৰ্যাপ্ত পৰিমাণৰ আজাৰ গছ পোৱা গৈছিল। তদুপৰি দিহিঙৰ পাৰৰ পৰা আজাৰ গছ আনিও নাও নিৰ্মাণ কৰিছিল। 'নাওশলিয়া গাঁও' নামৰ লগত নাও-নিৰ্মাণ শিল্পৰ এক ইতিহাস জড়িত হৈ আছে। শালমৰা অঞ্চলৰ লোকৰ নাও-নিৰ্মাণ শিল্পই জীৱন-নিৰ্বাহৰ প্ৰধান উপায়। এই ক্ষেত্ৰত সত্ৰসমূহে আগভাগ লোৱাও দেখা যায়। কৈৱৰ্তলোকৰ বাবে নাও প্ৰধান আহিলা। মৎস্যজীৱী, বেপাৰীলোকৰ লগতে যাতায়াত ব্যৱস্থাৰ বাবে বৰ্তমান যুগতো মাজুলীত নাও নহ'লে অচল। চৰকাৰৰ আঁচনিয়ে ঢুকি নোপোৱা অঞ্চলসমূহৰ পাৰাপাৰৰ সংগী এটুকুৰা তুলুঙা নাও। মাজুলীৰ বিভিন্ন ঘাটসমূহত যাত্ৰী পাৰ কৰি এতিয়াও বহুপৰিয়ালে জীৱন-নিৰ্বাহ কৰি আছে। নাও আৰু ঘাটৈক ধৰ্মীয় দৃষ্টিৰে আধ্যাত্মিকতাক খোদিত কৰে মাজুলীবাসীয়ে। নাৱৰ গৰ্ভই মাতৃগৰ্ভই সমান বুলিও এক জনবিশ্বাস আছে। খেল-নাও, চৈ-দিয়া নাও, পালতৰা নাও, নৌকাবিহাৰ, নাওখেল, নাওখেলৰ গীত আদি মাজুলীৰ সাংস্কৃতিক ইতিহাসৰ এক অপৰিহাৰ্য অংগ। পালনামৰ দৰে নামোৎসৱত বৈষ্ণৱসকলে একোখন নাও মাজত ৰাখি নাম-প্ৰসংগ কৰাটো আধ্যাত্মিক দিশৰ এক কলাত্মক ৰূপ বুলিব পাৰি। নাৱক লৈ বহুধৰণৰ কাহিনীয়ে মাজুলীৰ ধৰ্মীয় দিশত অৱলোকন কৰিছে। ব্ৰহ্মপুত্ৰই কোনোবা সত্ৰত সোণৰ নাও দিয়া, সোণৰ নাৱেৰে সত্ৰলৈ বিগ্ৰহ অহা, ব্ৰহ্মপুত্ৰই দিয়া সোণৰ নাও ঘূৰাই নিদিয়াত খহনীয়াই উগ্ৰমূৰ্তি ধাৰণ কৰা আদি কাহিনীবোৰ কল্পিত হ'লেও নাৱৰ ওপৰত আত্মনিৰ্ভৰশীল মাজুলীৰ সাংস্কৃতিক জীৱনত নাৱৰ গুৰুত্ব অপৰিসীম। কিছুদিনৰ আগতে মেৰাগড় অঞ্চলৰ পৰা উদ্ধাৰ হোৱা গোটা কাঠৰ নাওখনে মাজুলীৰ নৌকা-শিল্পৰ পুৰাণে নিদৰ্শন দাঙি ধৰিছে।

মাজুলীৰ নদীকাষৰীয়া অঞ্চলৰ আন এক গুৰুত্বপূৰ্ণ জীৱিকা হ'ল মৃৎ-শিল্প। মাটি সংগ্ৰহৰ পৰা বিভিন্ন ঠাইত বিক্ৰী কৰি ঘৰলৈ উভতি অহালৈকে পৰিয়ালৰ প্ৰতিজন লোকে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। মাজুলীৰ শালমৰা অঞ্চলৰ মৃৎ-শিল্প কুমাৰ সম্প্ৰদায়ৰ লোকসকলৰ জীৱিকাৰ প্ৰধান সম্বল। নিত্যব্যৱহাৰ্য সামগ্ৰীৰ বাহিৰেও নানা ধৰণৰ পুতলা, খেলাৰ সামগ্ৰী, মূৰ্তি আদি নিৰ্মাণত সিদ্ধহস্ত এই লোকসকলে ব্ৰহ্মপুত্ৰৰ খহনীয়াই কুমাৰ মাটিৰ অভাৱ সৃষ্টি কৰাত মাজুলীৰ দক্ষিণপাৰৰ পৰা কুমাৰ মাটি বোজাই কৰি আনি ও মৃৎ-শিল্প জীয়াই ৰখাটো তাৎপৰ্যপূৰ্ণ। বিভিন্ন পদ্ধতিৰে নিৰ্মাণ কৰা সামগ্ৰীবোৰ অসমৰ বিভিন্ন স্থানলৈ নাৱেৰে লৈ যায় আৰু বিক্ৰী কৰি বছৰটোৰ বাবে লাগতীয়াল বয়-বস্তু লৈ আহে। এই সমগ্ৰ পৰিক্ৰমাটো যথেষ্ট কষ্টকৰ আৰু পুৰণি পদ্ধতিৰে সাৰটি ধৰি থকাৰ বাবে প্ৰতিযোগিতামূলক বজাৰত এতিয়াও ফেৰ মাৰিব পৰা হোৱা নাই। কেতিয়াৰ পৰা মাজুলীত এই শিল্পীসকলে শিল্পকাৰ্য আৰম্ভ কৰিছিল তাৰ সঠিক বুৰঞ্জী নাই যদিও ৰজাঘৰ-প্ৰজাঘৰে এই শিল্পীসকলে নিৰ্মাণ কৰা সামগ্ৰীৰে গুৰুত্ব লাভ কৰিছিল, সেই কথা বুৰঞ্জীয়ে কয়। এই শিল্পকাৰ্যতো ধৰ্মীয় বিশ্বাস আৰু জনবিশ্বাস কিছুমান বৰ্তি আছে।

নদী-বেষ্টিত মাজুলীৰ বুকুত অসংখ্য বিল-খাল, ডোবা আদি আছে। নৈৰ গতি সলনি হ'লে চেৰাসুঁতিৰ সৃষ্টি হয়। এই জলাশয়বোৰত পৰ্যাপ্ত পৰিমাণৰ মাছ পোৱা গৈছিল। মাছ মাৰি জীৱিকা উলিওৱা লোকৰ স্থিতি মাজুলীত শক্তিশালী। মাছ ধৰিবলৈ নিৰ্মাণ কৰা বাঁহ-বেতৰ সামগ্ৰী, জাল, গুৰা আৰু নাও আদিয়ে মৎস্য জীৱীসকলৰ শিল্প-নৈপুণতাৰ পৰিচয় দিয়ে। মাছধৰা পদ্ধতি, মাছক লৈ সৃষ্ট উপ-কাহিনী, মাছৰ উজান, সমূহীয়া মাছধৰা কাৰ্য; মাঘৰ দোমাহীত মাছমাৰি সমূহীয়াকৈ ভোজ-ভাত খোৱা কাৰ্য, মাছ সংৰক্ষণ, 'নামছিং' আদি সুস্বাদু খাদ্য নিৰ্মাণ প্ৰক্ৰিয়াত সমন্বয়ৰ ইতিবাচক দিশটো অসমীয়া সংস্কৃতিৰ এৰাব নোৱৰা বিষয়। বৰনৈত সাঁতুৰি-নাদুৰী ডাঙৰ-দীঘল হোৱা এই সম্প্ৰদায়ৰ লোকে সাহসেৰে বানৰ লগত সহাৱস্থান কৰি আহিছে। মাছমৰা, গা-ধোৱা কাৰ্যৰ দ্বাৰা গোপনে চাৰিত্ৰিক দিশ অৱলোকন কৰি, বোৱাৰী নিৰ্বাচন কৰি বিয়া-বাৰু কৰা পদ্ধতি নগৰীয়া সভ্যতাই মচি পেলালেও মাজুলীত এতিয়াও বিলুপ্ত হৈ যোৱা নাই। আধুনিক স্নানাগাৰৰ পৰিৱৰ্তে মাজুলীৰ গাঁৱৰ এচাম জীয়ৰী-বোৱাৰীয়ে মুকলিকৈ সাঁতুৰি-নাদুৰীহে গা-ধোৱে। বিহুৰ উৰুকাৰ দিনা সমূহীয়াকৈ ঘাটত কাপোৰ ধোৱা দৃশ্য মাজুলীৰ পৰা মচ খোৱা নাই; মচ খোৱা নাই জাকৰুৱা গাভৰু-বোৱাৰীয়ে জাকৈ, পল-জুলুকি লৈ মাছমৰা দৃশ্য। মাছক দেৱতাজ্ঞান কৰা লোকসকলে মাছ মাৰিবলৈ যাওঁতেও তন্ত্ৰ-মন্ত্ৰ আৰু ভক্তি-অৰ্ঘ্য আগবঢ়ায়। মাছক লৈ হোৱা উপ-কাহিনীবোৰত অপ-দেৱতা, দ'ত, বুঢ়াডাঙৰীয়া আদিৰ অলৌকিক কাহিনীৰে ভৰপূৰ। বিলত প্ৰথম মাছ মৰাৰ আগতে সকাম-নিকাম পতাৰ পৰম্পৰা মাজুলীত

এতিয়াও আছে। মাজুলীত উৎপাদন হোৱা মাছ উত্তৰ-দক্ষিণ পাৰলৈ সৰবৰাহ অতীতৰ পৰা চলি আহিছে। এটা সময়লৈকে কাষ্কত হোৱা লৈ শুকান মাছ নিবলৈ নগা, ভূটীয়া, ডফলা আদি লোকসকল খোজকাঢ়ি মাজুলীলৈ আহিছিল। সেইসকলে হিং, আদা, মণি, ঔষধী বস্তু জিম্ কাপোৰেৰে বিনিময় কৰিছিল।

মাজুলীৰ জলাশয়বোৰ বিক্ৰী কৰি যেতিয়াৰ পৰা চৰকাৰে ৰাজহ সংগ্ৰহৰ ব্যৱস্থা কৰিলে তেতিয়াৰ পৰা মাজুলীৰ মৎস্যজীৱী লোকৰ জীৱনত সংঘাত সৃষ্টি হ'ল। বাহিৰৰ পৰা অহা এচামলোকে মাছধৰা কাৰ্যত আধুনিক পদ্ধতি প্ৰয়োগ কৰিলে। সেই পদ্ধতিয়ে মাছৰ পোনাখিনিক সমুলঞ্চে ধৰি পোলোৱাত আৰু মাছৰ উৎপাদন স্তিমিত হৈ পৰিল। এচাম মধ্যভোগীয়ে মাজুলীৰ মাছ বাহিৰৰ বজাৰত অধিক দামত বিক্ৰী কৰি এক আধুনিক বজাৰৰ প্ৰতিযোগিতা বৃদ্ধি কৰিলে। ফলত দিনে বৃহৎ পৰিমাণৰ মাছ মাজুলীৰ বাহিৰলৈ চালান দিয়া হয় আৰু মাজুলীৰ মানুহে পুঠি-খলিহনাতে সন্তুষ্ট থাকিব লগা হয়। ইফালে প্লাষ্টিক আদিৰে গঁথা জালেৰে বাংলাদেশ, বিহাৰ, উৰিষ্যা আদিৰ পৰা অহা মাছমৰীয়াই মাজুলীৰ মাছৰ খনি উৎখাৎ কৰাত মৎস্যজীৱীসকলৰ অবস্থা শোচনীয় হৈ পৰিল। পুৰণি পদ্ধতিকে খামোচ মাৰি ধৰাসকলে মাছ ধৰি জীয়াই থকাটো কঠিন হৈ পৰিল। অৱশেষত এচাম লোকৰ হাতলৈ ব্যৱসায়টো গুচি যোৱাত মাজুলীৰ বজাৰত মাজুলীৰ মাছ পোৱাটো দুৰূহ হৈ পৰিল। খৰাহিত মাছৰ পোহাৰ দিয়া পোহাৰী আজি মাজুলীত বিচাৰি পোৱা নাযায়। এতিয়া দেখা গৈছে মাজুলীৰ নিচিনা ঠাইতো অন্ধ্ৰপ্ৰদেশৰ মাছেহে চাহিদা পূৰাবলগীয়া হৈছে।

মাজুলীৰ আঢ্যৱন্ত লোকসকলৰ চোতালত বন্ধা হাতী, এখুঁটি গৰু-ম'হ এটা সময়ত অপৰিহাৰ্য আছিল। বেচৰকাৰী হিচাপ মতে মাজুলীৰ লুইত আৰু ব্ৰহ্মপুত্ৰৰ বুকুত ৩৩টা সৰু-বৰ চাপৰি আছে। অতি পুৰণি কালৰ পৰা মাজুলীৰ বহুতো লোকে গৰু-ম'হ পুহি জীৱিকা উলিয়াইছিল। মাজুলীৰ সত্ৰসমূহৰ বহুতেই গৰু-ম'হ পালন কৰি প্ৰয়োজনীয় গাখীৰকণ যোগাৰ কৰে। মাজুলীৰ আঠা-দৈৰ অসমত এটা সুনাম আছিল। এতিয়াও মাজুলীৰ কোনো কোনো অঞ্চলত হাতীৰ গৰাকী আছে যদিও সীমিত। মাংগলিক কাৰ্যত, বিশেষকৈ বিয়া-বাৰুৰ ক্ষেত্ৰত হাতী আৰু গৰু-ম'হৰ গাড়ী আদিয়ে বৰযাত্ৰী অনা-নিয়া কৰিছিল। আশী দশকৰ আৰম্ভণিলৈকে এই প্ৰথা প্ৰচলিত আছিল যদিও বৰ্তমান এই প্ৰথা বিলুপ্ত হৈছে। বিলুপ্ত হৈছে পুৰণিকলীয়া সাংস্কৃতিক পৰিক্ৰমাবো।

নদীৰ গৰাখহনীয়া আৰু বাহিৰৰ লোকৰ প্ৰব্ৰজন ঘটাত, চৰ-চাপৰিবোৰত মানুহে পুনৰ সংস্থাপন লোৱাত, গৰু-ম'হৰ বাবে ঘাঁহৰ অভাৱ দেখা যায়। তদুপৰি এই ব্যৱসায়ত নেপালী, বিহাৰী, গোৱাল্লা লোক আদি সোমাই পৰাত বহুতে এই জীৱিকা গৌণ কৰি পেলালে। ফলত ব্যৱসায়ে প্ৰাধান্য লাভ কৰাত মাজুলীৰ গাখীৰ বাহিৰলৈ নি অধিক দামত বিক্ৰী কৰাৰ মানসিকতা গঢ় লৈ উঠিল। এতিয়া প্ৰতিদিনে মাজুলীৰ পৰা যথেষ্ট পৰিমাণৰ গাখীৰ বাহিৰলৈ ওলাই যায় আৰু মাজুলীৰ মানুহে দোকানৰ পাউদাৰ গাখীৰৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হ'ল। গাখীৰ ধৰ্মীয় সমাজৰ বাবে অত্যন্ত প্ৰয়োজনীয় দ্ৰব্য। তদুপৰি গাখীৰৰ পৰা বিভিন্ন ধৰণৰ খাদ্যদ্ৰব্য প্ৰস্তুতকৰণ এক কলাত্মক বিষয়। যিটো মাজুলীত বৰ্তমান মৰাসুঁতিত পৰিণত হ'ল।

ড' জন পীটাৰ ৱেডে উল্লেখ কৰিছে— 'এসময়ত মাজুলীৰ এক চতুৰ্থাংশ অঞ্চল অনাবিষ্কৃত হৈ আছিল। এইবোৰ বিল, সুঁতি, ডোবা, পিটনি, খেৰণি-বেতনিৰে ভৰা আছিল। ইয়াত বসবাস কৰিবলৈ লোৱা লোকসকলে 'ডফলা' লগাই হাবি মুকলি কৰিছিল। মাজুলীত মাটি হস্তান্তৰ কৰিবলৈ হ'লে ন্যূনতম মূল্য হিচাপে 'ডফলা-খৰচ' লোৱাৰ প্ৰথা এতিয়াও আছে। স্থানীয়ভাৱে পোৱা কাঠ-বাঁহ-বেতেৰে বাসগৃহ নিৰ্মাণ কৰাৰ উপৰিও বাঁহ-বেতৰ এটি কুটীৰশিল্প পুৰণিকালৰ পৰাই প্ৰচলন আছে। খেতিৰ সঁজুলি, মাছ মৰাৰ সঁজুলি, তাঁতশালৰ সঁজুলি আদি বিভিন্ন সঁজুলি নিৰ্মাণত মাজুলীৰ লোকসকল এতিয়াও পাৰ্গত। আউনীআটী আৰু কমলাবাৰী সত্ৰৰ বেতৰ বিচনী; চামগুৰি সত্ৰৰ বাঁহ-কাঠেৰে নিৰ্মিত শিল্পৰ নিদৰ্শনে ঐতিহ্যক জীয়াই ৰাখিছে। হেঙুল-হাইতাল বোলোৱা কাঠৰ কুণ্ডতকটা শিল্পকৰ্মৰে মাজুলীৰ বহুলোকে জীৱিকা উলিয়াইছিল।

মাজুলীত সোণাৰি, কমাৰ-কুমাৰ, মৰিয়া, ধোবা, নাপিত, শেনচোৱা আদিৰ বৃত্তিধাৰী লোকক আহোম ৰজাই মাটি-বৃত্তি দি স্থাপন কৰাৰ কথা জনা যায়। লাহে লাহে এই বৃত্তিবোৰ প্ৰব্ৰজনকাৰীৰ হাতলৈ হস্তান্তৰ হোৱাত পুৰণি প্ৰথাৰ প্ৰতি মানুহে অনীহা প্ৰকাশ কৰিলে। এই ঐতিহ্যৰ কথা সোঁৱৰাই দিয়ে কিছুমান গাঁৱৰ নামে, যেনে— কমাৰ গাঁও, পটিয়া গাঁও, কুমাৰ গাঁও, নাওশলিয়া গাঁও, গোৱাল গাঁও,

শেনচোৱা গাঁও, সোণাৰিআটী, ম'হকিনা গাঁও ইত্যাদি।

মাজুলীৰ লোকৰ ভাষা মূল অসমীয়া হ'লেও জনজাতীয় ভাষাৰ এটা বৃহৎ সুঁতি প্ৰৱাহিত হৈ আছে। তদুপৰি হিন্দী আৰু বঙালীভাষী লোকৰ প্ৰব্ৰজনত এই দুটা ভাষায়ো প্ৰাধান্য লাভ কৰিছে। মাজুলীৰ সত্ৰীয়া ভাষাবোৰ ভকতীয়া বুলি কোৱা হয়। ব্ৰজবুলি (ব্ৰজাৱলী) আৰু সংস্কৃতগন্ধী ভাষাবোৰে পুৰণি কথিত ভাষাৰ নিদৰ্শন জীয়াই ৰাখিছে। এই আটাইকেইটা ভাষাৰ সংমিশ্ৰণত মাজুলীৰ জনসাধাৰণৰ কথিত ভাষাত অন্য এক সোৱাদ বিচাৰি পোৱা যায়। মাজুলীৰ লোকসকলৰ উচ্চাৰণ-পদ্ধতি সত্ৰৰফালে ঢালখোৱা আৰু 'ৰ'ৰ উচ্চাৰণ সীমিত হোৱাত জনজাতীয় কথিত ভাষাৰ ফালেহে বেছি ঢালখোৱা। আনহাতে জনজাতিসকলৰ কথিত ভাষাৰ সুৰ-প্ৰকৃতি ছন্দোময় গতিৰ ধাৰক বুলি অনুধাৱন কৰিব পৰা যায়। অৱশ্যে ধ্বনি-বিজ্ঞানৰ দৃষ্টিৰে চালে মাজুলীত বহু নান্দনিক উৎসৰ সন্ধান পোৱা যাব।

মাজুলীৰ সাহিত্য ক্ষেত্ৰখন বহল। সত্ৰীয়া-সংস্কৃতিয়ে যেনেকৈ সত্ৰীয়া-সাহিত্যত অৰিহণা যোগাইছে, লোক-সাহিত্যই মাজুলীৰ বৈচিত্ৰ্যময় জনগোষ্ঠীক তেনেকৈ সময়-দাপোণত উজ্জ্বল কৰি তুলিছে। জনজাতীয় লোকসকলৰ গীত-মাতত অনুপম কাব্যিক আৰু সাংগীতিক ছন্দেৰে কল্পনাৰাজ্যত আলংকাৰিক অভিযোজনাই প্ৰাঞ্জল ভাৱাবেগক নান্দনিক প্ৰাচুৰ্যতা দান কৰিছে। ৺তৰুণ চন্দ্ৰ পামেগাম, ৺মহিধৰ পেগু, ইন্দ্ৰেশ্বৰ পেগু, চেঙাৰাম মৰাং, হেমচন্দ্ৰ দলে আদি প্ৰগতিশীল লেখকসকলে অসমীয়া ভাষা-সাহিত্যত ইয়াৰ প্ৰতিফলন ঘটাইছে। মিচিংসমাজত প্ৰচলিত লোক-কথা, কিংবদন্তি আৰু কল্পিত কাহিনীৰে ৺তৰুণ চন্দ্ৰ পামেগামে 'গল্প-লেচেৰী' আৰু উপন্যাস, নাটক আদিত ইয়াৰ প্ৰতিফলন ঘটাইছে। দেউৰী সমাজতো লোক-সাহিত্যৰ নিদৰ্শন বৈচিত্ৰ্যময়। গীতিকবি বিদ্যাধৰ দেউৰীয়ে 'দেউৰী বাছেৱা' প্ৰকাশ কৰি ঐতিহ্যৰ এক পদক্ষেপ প্ৰদান কৰিছে। সমন্বয়ৰ আদৰ্শ মাজুলীৰ জনগোষ্ঠীয় লোক-সাহিত্যবোৰ পোহৰলৈ আহিলে অসমীয়া সাহিত্যক আৰু সমৃদ্ধিশালী কৰি তুলিব।

মণি-কাঞ্চন সংযোগ শংকৰ-মাধৱৰ মিলনক্ষেত্ৰ মাজুলীৰ কলকটা নৈৰ পাৰত ধুঁৱাহাট বেলগুৰি সত্ৰত গুৰুজনাই ওঠৰ বছৰকাল কটাইছিল। এই সময়ছোৱাত ৰচনা কৰা 'পাষণ্ডমৰ্দ্দন' কাব্য মাজুলীৰ সত্ৰীয়া-সাহিত্যৰ প্ৰথম পদক্ষেপ বুলি ক'ব পৰা যায়। পৰৱৰ্তী কালত মাজুলীত প্ৰতিষ্ঠা হোৱা সত্ৰসমূহে সত্ৰীয়া-সাহিত্যৰ ক্ষেত্ৰখন সমৃদ্ধ কৰি তোলে। গুৰুচৰিত, সংস্কৃত শ্লোক, হিতোপদেশ, গীত, পদ, নাট আৰু ধৰ্মীয় বাণী ৰচনা কৰাটো সত্ৰৰ প্ৰতিজন সত্ৰাধিকাৰ তথা সত্ৰীয়াই পৱিত্ৰ কৰ্ম বুলি গ্ৰহণ কৰি আহিছে।

আউনীআটী সত্ৰৰ ৺দত্তদেৱ গোস্বামীৰ 'ধৰ্মপ্ৰকাশ যন্ত্ৰ'ৰ পৰা ওলোৱা 'আসাম বিলাসিনী'ৰ লগতে অন্যান্য ৰচনাৰাজিয়ে অসমীয়া ভাষা-সাহিত্যলৈ উল্লেখযোগ্য অৱদান আগবঢ়াই আহিছে। এই সত্ৰত সংৰক্ষিত ১৪৭খন সাঁচিপতীয়া পুথিয়ে সত্ৰৰ ঐতিহ্যক ৰক্ষা কৰি আহিছে। হস্তিবিদ্যাৰ্ণৱ, শ্ৰীহস্ত মুক্তাৱলী, নীতিলাতাংকুৰ আদি দুষ্প্ৰাপ্য গ্ৰন্থও এই সত্ৰতে সংৰক্ষিত হৈছিল। বৰ্তমানলৈকে এই সত্ৰই কেইবাখনো মূল্যৱান গ্ৰন্থ প্ৰকাশ কৰি সাহিত্যৰ দিশটো উজ্জ্বল কৰি তুলিছে। ৺বেণুধৰ শৰ্মা আৰু ৺তীৰ্থনাথ শৰ্মাই মাজুলীৰ কেইবাখনো বুৰঞ্জী প্ৰণয়ন কৰি সত্ৰীয়া-সংস্কৃতিক ৰক্ষণাবেক্ষণ দিছে।

মাজুলীৰ সত্ৰসমূহত একোটাকৈ সংস্কৃত টোল আছিল আৰু সংস্কৃত ভাষাত সাহিত্য চৰ্চা হৈছিল। আউনীআটী সত্ৰৰ ৺দত্তদেৱ গোস্বামী, ৺কমলদেৱ গোস্বামী, ৺হেমচন্দ্ৰদেৱ গোস্বামী, ৺বিষ্ণুদেৱ গোস্বামী আৰু ৺শ্ৰীধৰ ওজাৰ লগতে বৰ্তমান সত্ৰাধিকাৰ শ্ৰীশ্ৰীপীতাম্বৰদেৱ গোস্বামীয়ে সাহিত্যৰ ভঁৰাল চহকী কৰি আহিছে। দক্ষিণপাট সত্ৰৰ প্ৰতিষ্ঠাতা বনমালীদেৱ এজন সংস্কৃত পণ্ডিত আছিল। তেৰাৰ উপৰি ৺বিষ্ণুদেৱ গোস্বামী, ৺বাসুদেৱ গোস্বামী, ৺শুভদেৱ গোস্বামী, ৺নৰদেৱ গোস্বামী, ৺হৰিদেৱ গোস্বামী, ৺ৰমানন্দদেৱ গোস্বামী আৰু কেইবাগৰাকীও বৈষ্ণৱে সত্ৰীয়া-সাহিত্য ৰচনা কৰি গৈছে। গড়মূৰ সত্ৰৰ পীতাম্বৰদেৱ গোস্বামী প্ৰমুখ্যে কেইবাগৰাকীও সত্ৰাধিকাৰ সাহিত্য বিষয়ত সিদ্ধহস্ত আছিল। বেঙেনাআটী সত্ৰৰ সত্ৰাধিকাৰ ৺ৰমাকান্ত দেৱ গোস্বামী, ৺লক্ষীকান্ত গোস্বামী আদিৰ লগতে বৰ্তমানৰ শ্ৰীভৱানন্দ গোস্বামী, শ্ৰীহৰিকান্ত গোস্বামী সৃষ্টিশীল সাহিত্যসেৱী। কমলাবাৰী সত্ৰৰ ৺কৃষ্ণকান্ত গোস্বামী, ৺ধৰ্মকান্ত গোস্বামী আদিৰ লগত বৰ্তমানৰ সত্ৰাধিকাৰ শ্ৰীনাৰায়ণ চন্দ্ৰ গোস্বামীয়ে সত্ৰীয়া-সাহিত্যৰ গৱেষণামূলক গ্ৰন্থৰে অসমীয়া সাহিত্যক মহীয়ান কৰি তুলিছে। সেইদৰে ৩৪খন সত্ৰীয়া-সাহিত্যৰ গ্ৰন্থ প্ৰকাশ কৰি অভিলেখ স্থাপন কৰা ৺ধৰ্মেশ্বৰ নামলগোৱাৰ লগতে ৺দেবেন্দ্ৰনাথ বুঢ়াভকত, ৺চন্দ্ৰধৰ শৰ্মা আদি বৈষ্ণৱৰ অৱদান কম বুলিব নোৱাৰি। চামগুৰি

সত্ৰৰ ৺ৰুদ্ৰকান্ত গোস্বামী, শ্ৰীকোষকান্ত গোস্বামী; ভোগপুৰ সত্ৰৰ শ্ৰীদত্তদেৱ গোস্বামী আদিৰ কলমৰ পৰাও বহুতো মূল্যবান সত্ৰীয়া-সাহিত্যৰ সম্পদ মাজুলীৰ ভাষা-সাহিত্যৰ ভঁৰালত সংৰক্ষিত হৈ আছে।

১৮৭১ খ্ৰী:ত আউনীআটী সত্ৰৰ পৰা প্ৰকাশ পোৱা 'আসাম বিলাসিনী'য়ে কেৱল মাজুলীৰে নহয়, আধুনিক অসমীয়া সাহিত্যৰ ক্ষেত্ৰখনত নতুন দিশৰ উন্মোচন কৰে। দক্ষিণপাট সত্ৰৰ পৰা প্ৰকাশ পোৱা 'অসম প্ৰদীপিকা'ই অসমত এক আলোড়নৰ সৃষ্টি কৰিছিল। আৱাহন যুগৰ পৰা হাতত কলম তুলি লোৱা অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি ৺তৰুণ চন্দ্ৰ পামেগামে তৰুণসকললৈ কলম তুলি লোৱাৰ সাহস যোগায়। 'গতি পাচনি' ছদ্মনামেৰে জোনাকী কাকতত লিখা মাজুলীৰ ৺মীনধৰ হাজৰিকাই এই কাকতখনৰ অস্থায়ী সম্পাদকৰ দায়িত্ব পালন কৰিছিল। 'অসমীয়া' কাকতত কিছুদিন সম্পাদকৰ দায়িত্বত থকা 'মেমেৰামেধি' নামেৰে জনপ্ৰিয় হোৱা ৰাধানাথ হাজৰিকা মাজুলীৰে সন্তান। 'বাঁহী' আলোচনী আদিত জড়িত আন এগৰাকী মাজুলীৰ সাহিত্যিক হ'ল ৺বিনন্দ হাজৰিকা। আৱাহন যুগৰ আন এগৰাকী লেখক ৺বিপিন বৰা এগৰাকী সফল নাট্যকাৰো। সাহিত্য সৃষ্টিৰে অসমত জনপ্ৰিয় হোৱা বেণীমাধৱ, ডাঃ ধ্ৰুৱজ্যোতি বৰা, ড° খগেশ্বৰ বেজ, ড° ডম্বৰুধৰ নাথ, ড° কুমুদ বৰা, ড° দুৰ্গেশ্বৰ দলে, থানেশ্বৰ হাজৰিকা, ৰঞ্জন ৰেগন আদি লেখকসকলৰ ঘাই শিপাডাল মাজুলীৰে। মাজুলীৰ অন্যান্য সাহিত্যপ্ৰেমীসকল হ'ল— দ্ৰোণ ভাগৱতী, দেৱ ভূঞা, ৺কনক দত্ত, দিলীপ কুমাৰ ফুকন, সৰ্বেশ্বৰ দত্ত, মাণিক নেওগ, ৺অভয় দাস, তৰুণ বৰা, নীলমণি ভূঞা, বেণু বৰা, ৰামসাগৰ নাথ, পুনাৰাম নাথ, গুণমণি নাথ, সোণাৰাম কাকতি, প্ৰফুল্ল বৰা, মাণিক বৰা, মৃদুলা কাকতি হাজৰিকা, মাধৱী দাস, ৰেণুমালা দত্ত, ক্ষীৰদা দত্ত বৰুৱা, ৰেখা বৰা, থানেশ্বৰ গোস্বামী, কিশোৰী মোহন পাল, গোপাল বেজবৰুৱা, উপেন বৰা, কৰুণা বৰা, বোধেশ্বৰ শইকীয়া, সত্যপ্ৰসাদ বৰা, অবনী বৰা, ৰঞ্জিত ভূঞা, ৰামেশ্বৰ শইকীয়া, খগেন শইকীয়া, মৃগেন দত্ত, কাজল দত্ত, যুগল হাজৰিকা, আনন্দ হাজৰিকা, নৰেন ঠাকুৰীয়া, অনিল বৰা, প্ৰফুল্ল খাটনিয়াৰ, সঞ্জীৱ দত্ত, গোপাল বৰা, অশোক দাস, দেৱজিৎ শইকীয়া, ৰবীন ভূঞা, যোগেন শইকীয়া, তিলক শৰ্মা, মানচুৰা বেগম, ডাঃ নিৰঞ্জন দাস, বীৰেন বৰুৱা, ৰাতুল বৰা, দিগন্ত শইকীয়া, বসন্ত শইকীয়া, গোবিন্দগিৰি কলিতা আৰু চিত্তৰঞ্জন বৰুৱাৰ নাম উল্লেখযোগ্য।

বাৰ্তালোচনী, স্মৃতিগ্ৰন্থ, স্মৰণিকা, মুখপত্ৰ আদি প্ৰকাশৰ জৰিয়তে সাহিত্য চৰ্চাৰ পৰিৱেশ মাজুলীত গঢ় লৈ উঠিছে। অসমৰ সংবাদ-সাহিত্যলৈ ১৪খন কাকতৰ সংবাদসেৱীসকলে সেৱা আগবঢ়াইছে।* অন্যান্যৰ কেন্দ্ৰৰ যোগে কথিকা, সংগীতালেখ্য, নাট, ব্যংগ-ৰচনা, কবিতা, গল্প আদিৰে সাহিত্য সেৱা কৰাসকলৰ ভিতৰত বেণীমাধৱ, দিলীপ ফুকন, কুমুদ বৰা, প্ৰীতি বৰা, দুৰ্গেশ্বৰ দলে, ডম্বৰুধৰ নাথ, প্ৰশান্ত বৰা, ক্ষীৰদা দত্তবৰুৱা, মাধৱী দাস, মৃদুলা কাকতি হাজৰিকা, ৰঞ্জিৎ ভূঞা, ৰাতুল কুমাৰ বৰা, দিগন্ত শইকীয়া, যদুমণি ভূঞা, মালতী শইকীয়া, বুলুমণি বৰা, জুৰি বৰা, দেৱজিৎ শইকীয়া, যোগেন শইকীয়া ৰমেশ শইকীয়া, মাধৱ গোস্বামী, যোগেন শইকীয়া, মানচুৰা বেগম, বীণা বৰুৱা আদিয়ে প্ৰধান।

মাজুলীৰ ঐতিহাসিক স্থান, গড়, ৰজাঘৰীয়া সা-সম্পত্তি, পুখুৰী আৰু সত্ৰীয় ভাস্কৰ্য-স্থাপত্য শিল্পৰ লগতে হস্তশিল্প, পোছাক-পৰিচ্ছদ আদিয়ে মাজুলীৰ সাংস্কৃতিক ধাৰাবাহিকতা ৰক্ষা কৰি আহিছে। ঐতিহাসিক ১৯টা গড়, ৰজাদিনীয়া পুখুৰী আৰু থানবিলাক বেদখলকাৰীৰ কবলত ব্যক্তিগত সম্পত্তিলৈ ৰূপান্তৰিত হোৱাত অসমৰ তথা মাজুলীৰ সাংস্কৃতিক ইতিহাসৰ এটা অংশ অন্ধকাৰলৈ দ্ৰৱীভূত হোৱাটো অতি পৰিতাপৰ বিষয়। পুৰণি ৰত্নপুৰ নগৰৰ বহুতো ঐতিহাসিক সমল উদ্ধাৰ হোৱাৰ উপৰি ৰূপহীবিলত নগৰখনৰ একাংশ পোত গৈ আছে বুলি মাজুলীৰ লোকে বিশ্বাস কৰে। কাৰণ এই বিলৰ আশে-পাশে মূৰ্তি, দেৱাল, ভাস্কৰ্য, শৈলস্তম্ভ আদি আৱিষ্কৃত হৈছে।

মাজুলীৰ গৌৰৱময় ঐতিহ্যৰ পৰম্পৰা ৰক্ষা কৰি সত্ৰসমূহে হস্তশিল্পৰ বিকাশত প্ৰভূত বৰঙণি যোগাইছে। বিভিন্ন মূৰ্তি নিৰ্মাণ, চাৰুকলাৰ নিদৰ্শন, সাঁচিপতীয়া পুথিত অলংকৰণ, গুৰু আসন, ঠগা, জপা, গছা, শৰাই আদি সামগ্ৰী নিৰ্মাণত সত্ৰৰ বাহিৰেও অন্যলোকে সফলতা লাভ কৰিছে। নাট-ভাওনা প্ৰদৰ্শনত প্ৰয়োজনীয় মুখা নিৰ্মাণ স্বয়ংভাৱে স্থানীয় লোকেই কোনো প্ৰশিক্ষণ নোহোৱাকৈ কৰে। আউনীআটী সত্ৰৰ বেতৰ বিচনী, নৌকা শিল্প, কুণ্ড/শাল আদিত কৰা হেঙুল-হাইতালৰ কৰ্ম; চামগুৰি আদি সত্ৰৰ বিখ্যাত মুখাশিল্পৰ লগত হস্তশিল্পৰ নিদৰ্শনে ৰাষ্ট্ৰীয় পৰ্যায়ত মাজুলীৰ সাংস্কৃতিক ঐতিহ্যৰ গৌৰৱ অক্ষুণ্ণ ৰাখিছে। মাজুলীৰ শিপিনীসকলৰ হাতেৰে বোৱা, বুটা বছা

চাদৰ-মেখেলা, চেলেং, গামোচা, ৰিবিগাছেং, মিবুগালোক, মিৰিজিম্ বৰ্তমানেও অসমৰ লোকসকলৰ বাবে লোভনীয় সম্পদ। আনহাতে বিবাহযোগ্য গাভৰুৱে এপেৰা কাপোৰ বৈ সাঁচি ৰখা, বিয়াৰ পিছত সম্মানীয়জনক হাতেৰে বোৱা একোখন কাপোৰ উপহাৰ দিয়া; সমাজ-জীৱনত এৰাব নোৱৰা সাংস্কৃতিক প্ৰথা। এসময়ত এৰী, মুগা, পাটপলু পুহি কাপোৰ বোৱাৰ বাবে এটা সম্প্ৰদায় সৃষ্টি হৈছিল।

মাজুলীত বাৰটা মাহত তেৰটা উৎসৱ হয় বুলি এটা জন-প্ৰৱাদ আছে। বাপতিসাহোন বিহুৰ বাহিৰেও মিচিংলোকে আলি-আই-লৃগাং, নৰাছিগা বিহু, কেবাং, প'ৰাগ আদি লোক-উৎসৱ বিভিন্ন সাংস্কৃতিক পৰম্পৰাৰে উদ্‌যাপিত কৰি আহিছে। দেউৰীসকলৰ কুণ্ডিমামা পুচা, ড-মিছি, মেঠৈৱা, শাওনীয়া পূজা, মিম-হাৰেবা-মিৰোচি আদিত প্ৰচলিত নৃত্য-গীতেৰে উৎসৱ মুখৰিত হয়। সোণোৱাল কছাৰীসকলৰ বাথৌপূজা, লোক-উৎসৱত গোৱা 'হাইডাং গীত' সুন্দৰতাৰে ভৰা। মাজুলীৰ প্ৰতিটো নামঘৰত বাৰ্ষিক নাম, ভাওনা উদ্‌যাপিত হয়। আনহাতে ভাদমহীয়া নাম-কীৰ্তন কৰা, জন্মাষ্টমী, গুৰুতিথি; মাঘ মহীয়া নাম-কীৰ্তন কৰাটো মাজুলীৰ প্ৰতিখন গাঁৱৰ লোকে পৱিত্ৰ কৰ্ম বুলি জ্ঞান কৰে। মহিলাসকলে গোসাঁনী নাম, আইনাম, বিয়ানাম, নিচুকনি গীত আদিৰে উৎসৱ মুখৰিত কৰাৰ উপৰি পুৰুষৰ দৰে মহিলায়ো বেলেগে নাম-কীৰ্তন কৰাৰ পৰম্পৰা মাজুলীত আছে। জন্মাষ্টমীৰ পিছত মহিলাসকলে উদযাপন কৰা পাঁচতি অনুষ্ঠান আৰু সুৱাগুৰি তোলা কাৰ্য বৰ আমোদজনক। অনুষ্ঠানটি মাজুলীত বৰ্তমানেও বৰ্তি আছে।

অনুসূচীত জাতিৰ মাজত অনুষ্ঠিত হোৱা 'তোলনীবিয়া' আৰু ব্ৰাহ্মণসকলৰ 'পোহন বিয়া', 'লগুণ দিয়নী' (কায়স্থ গোসাঁই-মহন্তসকলেও পালন কৰে) আন এক সৌন্দৰ্যময় লোক-উৎসৱ।

মাজুলীৰ সত্ৰসমূহে চৈধ্য-প্ৰসংগৰে দৈনন্দিন আধ্যাত্মিক কাৰ্যসূচী পালন কৰাৰ উপৰি ভাদমহীয়া গুৰুসকলৰ তিথি, সত্ৰাধিকাৰসকলৰ তিৰোভাব তিথি, জন্মোৎসৱ, পালনাম, ৰাসোৎসৱ, ফাকুৎসৱ, হৰি-কীৰ্তন আৰু সত্ৰাধিকাৰসকলৰ অভিষেক বা নিৰ্মালি দিয়া উৎসৱেই প্ৰধান। প্ৰতিটো অনুষ্ঠানতে নাম-কীৰ্তন— নাম, খোল, প্ৰসংগ, নৃত্য-গীত আৰু নাট-ভাওনা প্ৰদৰ্শন বাধ্যতামূলক। চাউল ভোজনী, চৰিতপাঠ অনুষ্ঠান দুটাৰ প্ৰাসংগিকতা যুগোপযোগী। এইবিলাক উৎসৱৰ বাহিৰেও সত্ৰৰ বুঢ়াভকত, বৰপূজাৰী, ভৰালী, মোক্তাৰ, বাগীশ, দেউৰী, বৰগায়ন, বৰবায়ন, ওজা, পাঠক, পাচনি, আলধৰা, বৰা আদি বিষয়ববীয়াসকলে সাধ্যানুসাৰে হৰি-কীৰ্তন, চাউল-ভোজনী, অন্নদান, বিষয়বাবৰ নিৰ্মালি গ্ৰহণ আদি উৎসৱবোৰ পালন কৰে। ব'হাগ বিহুৰ বোকাখেল, বাৰিষা কালত নাওখেল সত্ৰৰ আন দুটা বৈচিত্ৰ্যময় উৎসৱ।

সত্ৰক 'সংস্কৃতি-বিদ্যালয়' বুলি কোৱা কথাষাৰৰ সাৰ্থকতা আছে। কাৰণ শিশু অৱস্থাৰ পৰা মাটি-আখৰাৰ জৰিয়তে ব্যাকৰণিক কাৰ্যসূচীৰে নৃত্যৰ প্ৰশিক্ষণ, এডিঙি পানীত পৰি গায়ন প্ৰশিক্ষণ, আঙুলি বুলনেৰে বায়ন প্ৰশিক্ষণ আদিৰ লগতে শিশু অৱস্থাৰ পৰাই আধ্যাত্মিক বিষয়ৰ অনুকৰণেৰে একোজন সাংস্কৃতিক মানুহ গঢ়ি তোলাৰ সকলো কৌশল ইয়াত প্ৰয়োগ কৰা হয়; যাৰ বাবে শাৰীৰিক, আধ্যাত্মিক আৰু মানসিক বিকাশত পৰিপুষ্টি সাধন কৰা হয়। এই সাংস্কৃতিক উৎসবিলাকত লৌকিক উপাদান নিহিত হৈ আছে।

নামঘৰৰ মজিয়াত অভিনীত হোৱা নাটবোৰ লোকনাট্যৰ পৰা শিষ্ট-সংস্কৃতিলৈ পৰিৱৰ্তন হোৱা মুকলি নাট্যমঞ্চ বুলিব পাৰি। ভাওনাৰ লগত জড়িত ৰং, মুখা, পোছাক, অস্ত্ৰ-শস্ত্ৰ আদিৰ শিল্পচৰ্চা মাজুলীত এতিয়াও অব্যাহত আছে। অংকীয়া ভাওনাৰ উপৰি মাতৃভাষাৰ ভাওনা, ধুৰা ভাওনা, ফৌজীয়া ভাওনা, বঙলুৱা ভাওনা আদিৰ প্ৰচলন সত্ৰৰ পৰা সত্ৰৰ শিষ্যবৰ্গলৈ প্ৰৱাহিত হয়। পৰৱৰ্তী কালত যাত্ৰা, ভাওনা, পালা আদিৰ চৰ্চাও নথকা নহয়। মাজুলীৰ ওজাপালী অনুষ্ঠানবোৰ নামনি অসমৰ দৰে নহৈ ই ধৰ্মীয় গণ্ডীৰ ভিতৰত পৰে।

ভাওনাৰ লগত জড়িতলোকৰ ভিতৰত কেইবাগৰাকীও নাট্যকাৰে মাজুলীত জনপ্ৰিয়তা লাভ কৰিছে। বৰ্তমান কালত জনজাতীয় লোক-সমাজলৈ ভাওনা উদ্‌যাপন কৰাৰ মানসিকতা গঢ় লৈ উঠা কাৰ্যই মাজুলীৰ সাংস্কৃতিক সমন্বয়ৰ ঐতিহ্যৰ কথাকেই সূচাইছে। কমলাবাৰী সত্ৰৰ পৰা 'ৰামবিজয়' নাট ইংলেণ্ডেছিয়াত প্ৰদৰ্শন হোৱাৰ পাছত মাজুলীৰ ভাওনা-সংস্কৃতিত নৱজাগৰণ আহে। সত্ৰসমূহে প্ৰতিবছৰে ভাৰতৰ বিভিন্ন স্থানত ভাওনা প্ৰদৰ্শন কৰি উচ্চ প্ৰশংসিত হৈছে।

১৯২২ খ্ৰী:তে পীতাম্বৰদেৱ গোস্বামীয়ে আধুনিক মঞ্চ আৰু নাট্যাভিনয়ৰ পাতনি মেলে 'তৰুণ ৰংগমঞ্চ' নিৰ্মাণ কৰি— 'লব-কুশ' আৰু 'ভাগ্যপৰীক্ষা' নাটকেৰে। পিছত এই নাট্যমঞ্চ 'বংশীগোপাল নাট্যমঞ্চ'লৈ ৰূপান্তৰিত হয়। এইজনা গুৰুৱে এই মঞ্চতে ১৯৫০ খ্ৰী:ত

'ৰাসলীলা' অভিনয়ৰ বাবে সহ-অভিনয়ৰ পাতনি মেলে আৰু সেই আদৰ্শ অনুকৰণ কৰি মাজুলীৰ উচ্চশিক্ষাৰ বন্তি জ্বলাওঁতা ✓কেশৱৰাম বৰাই, কমলাবাৰীত প্ৰতিষ্ঠা হোৱা 'মাজুলী মিলন সংঘ'ৰ জৰিয়তে সেই ধাৰা অব্যাহত ৰাখে। পিছৰ যুগত মাজুলীত প্ৰতিষ্ঠা হোৱা ৰংগমঞ্চবোৰে নাট্যাভিনয়ৰ পৰম্পৰা অব্যাহত ৰাখিছে। বৰ্তমান মাজুলীৰ সত্ৰসমূহে নিজাকৈ একোখন মঞ্চ নিৰ্মাণ কৰি আধুনিক নাট্যচৰ্চা আৰু সত্ৰীয়া কৃষ্টিক মঞ্চায়নযোগ্য কৰাৰ প্ৰয়াস কৰিছে।

দক্ষিণপাট সত্ৰৰ ত্ৰয়োদশগৰাকী সত্ৰাধিকাৰ ✓বাসুদেৱ গোস্বামীয়ে কৃষ্ণপূজাৰ উদ্দেশ্যে 'কৃষ্ণলীলা' নাটকখনি ১৮৪০ খ্ৰী:ত ৰচনা কৰে। 'কৃষ্ণলীলা' নাটকেৰে দক্ষিণপাট সত্ৰত প্ৰথমে অসমৰ 'ৰাসলীলা' শুভাৰম্ভ হয়। পিছলৈ মঞ্চত 'কেলিগোপাল', ✓অতুল হাজৰিকাৰ'নন্দদুলাল' আদি নাটৰ আৰ্হিত অভিনয় হৈছিল। কিন্তু এই প্ৰতিখন নাটক মঞ্চৰ উপযোগী নোহোৱাত নিজাববীয়াকৈ নাটক লিখি অভিনয় কৰিবলৈ আৰম্ভ কৰিলে। কাৰণ মাজুলীৰ এই ৰংগমঞ্চবোৰৰ মূল উৎস 'ৰাসলীলা' অভিনয় হৈ পৰিল। ধৰ্মীয় দিশৰ পৰা ব্যৱসায়িক দিশলৈ উত্তৰণ ঘটা ৰাসলীলাৰ পুৰণি ঐতিহ্যও কিছুমান নোহোৱা নহয়। পীতাম্বৰদেৱ গোস্বামীৰ অনুপ্ৰেৰণাৰে ✓তৰুণচন্দ্ৰ পামেগামে আৰম্ভ কৰা ৰাসলীলাই মাজুলীৰ মিচিংসমাজত প্ৰভাৱ বিস্তাৰ কৰে। মাজুলীৰ বিভিন্ন ঠাইৰ মিচিং সমাজে মঞ্চত 'ৰাসলীলা' বছৰি অভিনয় কৰি আহিছে। সত্ৰৰ সত্ৰাধিকাৰসকলৰ বাহিৰেও মাজুলীৰ কেইবাগৰাকীও নাট্যকাৰে মৌলিক চিন্তা-চৰ্চাৰে আধুনিক মঞ্চৰ উপযোগীকৈ নাট ৰচনা কৰি আহিছে। সেইসকলৰ ভিতৰত ✓তৰুণচন্দ্ৰ পামেগাম, ✓বিপিন বৰা আদিৰ নাম উল্লেখনীয়।

আধুনিক নাটকৰ পৰীক্ষা-নিৰীক্ষা, একাংক নাট প্ৰতিযোগিতাৰ পৰা বাটৰ নাটলৈকে মাজুলীৰ কেইবাগৰাকী নাট্যকাৰে সফলতা লাভ কৰিছে। সেইসকলৰ ভিতৰত ✓বিষ্ণু প্ৰসাদ বৰা, ✓অভয় দাস, নীলমণি ভূঞা, দেৱেন শৰ্মা, সুৰেন দাস, তৰুণ বৰুৱা, দ্ৰোণ ভাগৱতী, লোহিত শইকীয়া, উপেন বৰা, ৰঞ্জিত ভূঞা, অনিল বৰা, ৰবীন ভূঞা, মৃগেন দত্ত, বীৰেন নাথ, সত্যপ্ৰসাদ বৰা, অৱনী বৰা আদিৰ নাট বিভিন্ন মঞ্চত অভিনীত হৈছে। চাৰিখন মৌলিক নাটকেৰে ১৯৮০ খ্ৰী:ত ৰঞ্জিৎ ভূঞাই আৰম্ভ কৰা 'মাজুলী মিনি থিয়েটাৰ'ৰ পিছত সূৰুয নাট্য পৰিষদ, বনগাঁও, ৰতনপুৰ আৰু শেহতীয়াকৈ কমলাবাৰীত নৱপ্ৰতিষ্ঠিত 'নাটঘৰে' ধাৰাবাহিকভাৱে নাট মঞ্চস্থ কৰাৰ পৰিকল্পনা হাতত লৈছে। মাজুলীৰ বিভিন্ন স্থানত থকা ৰংগমঞ্চবোৰত বছৰটোত বিভিন্ন ক্লাব, সংগঠনে একোখন হ'লেও নাট প্ৰদৰ্শন কৰে। একাংক নাট প্ৰতিযোগিতাৰ পাতনি মেলে কমলাবাৰীৰ 'সংগীতা' নামৰ অনুষ্ঠানটোৱে। ইয়াৰ পাছত মাজুলীৰ বিভিন্ন ঠাইত একাংক নাট প্ৰতিযোগিতা বছৰি হৈ থাকে। ✓তৰুণচন্দ্ৰ পামেগামৰ অনাতাঁৰ নাট 'সেতু'ৱে সৰ্বভাৰতীয় পুৰস্কাৰ লাভ কৰাৰ পিছত অনুগামীসকলে এই চৰ্চাৰে সফলতা লাভ কৰিছে। বাটৰ নাটৰ ক্ষেত্ৰত এভাৰ্ড-এন-ই আৰু কমলাবাৰীৰ 'সেউজবন্ধু' বাটকটীয়া। মাজুলীৰ বিদ্যালয়, মহাবিদ্যালয়-সমূহৰ বাৰ্ষিক নাট প্ৰতিযোগিতাই নাট্য-চৰ্চাৰ বীজ শিশু অৱস্থাৰ পৰাই অংকুৰিত কৰিছে। কেইবাটাও নাট্যগোষ্ঠীয়ে বিভিন্ন প্ৰতিযোগিতাত পুৰস্কৃতো হৈছে।

এই নাট্যমঞ্চবোৰৰ পৰা ওলোৱা ইলা কাকতি, ✓ভোলা কাকতি, ✓পদ্ম ভূঞা, ✓বিষ্ণু বৰা, ✓হৰেন হাজৰিকা, চাৰু কাকতি, বীণা শইকীয়া, ৰাজেন বৰা, অচ্যুত ভাগৱতীয়ে অসমৰ বোলছবি জগতত পৰিচিত হ'ব পাৰিছে; উদীয়মান যুৱক মণিমাধৱ দত্তই বোলছবি প্ৰযোজনা কৰাৰ সাহস পাইছে। অভিনেত্ৰী জয়া শইকীয়া, কৌতুক অভিনেতা অতুল পাচনিৰ পৰিয়াল এসময়ত মাজুলীৰ বাসিন্দা আছিল। অসমৰ ভ্ৰাম্যমাণ নাট্যদলত মাজুলীৰ পৰা অভিনয় কৰি দক্ষতাৰ পৰিচয় দিয়াসকল হ'ল— বেণীমাধৱ, ৰঞ্জিত ভূঞা, হেমকান্ত দত্ত, সপোন কাকতি, মামণি বৰুৱা, ভূপেন বৰা, জীৱন হাজৰিকা, শশী বৰুৱা, অৰুণ শৰ্মা, সংগীতা দত্ত, দীপ্তি দেৱী, ধ্ৰুৱজ্যোতি কাকতি, ৰাতুল বৰা আদি। গীতি-নৃত্য নাটিকাৰে শ্ৰেষ্ঠ আসন দখল কৰা যোগেন তামুলী মাজুলী গড়মূৰৰ বাসিন্দা। অসম চৰকাৰৰ গীট-নাট বিভাগৰ শিল্পী অশোক শইকীয়া, জীৱনজিৎ দত্ত, তৰুণ ভাগৱতী অসমৰ চিনাকি নাম। অনাতাঁৰ নাট্যশিল্পী সুদৰ্শন ঠাকুৰ আৰু চন্দন দলেই ভাৰতৰ বিভিন্ন স্থানত নাট্য-প্ৰশিক্ষণ আৰু নাট্য প্ৰদৰ্শন কৰি সুখ্যাতি অৰ্জন কৰাৰ সুবিধা পাই প্ৰয়াত সঞ্জয় ঘোষৰ অনুপ্ৰেৰণাত।

১৯৮৫ খ্ৰী:ত মাজুলী সাংস্কৃতিক কেন্দ্ৰ প্ৰতিষ্ঠা হোৱাত মাজুলীৰ সাংস্কৃতিক জগতখনত পৰিশীলন চৰ্চা আৰম্ভ হয়। এই অনুষ্ঠানৰ বিষয়া তৰুণ বৰুৱা নিজেও এজন সাংস্কৃতিক কৰ্মী হোৱাত, নৃত্য-গীত-বাদ্য, ভাওনা আৰু পৰম্পৰাগত মাজুলীৰ সংস্কৃতিক দীপ্তমান কৰি ভাৰতৰ

বিভিন্ন ঠাইত মাজুলীৰ গৌৰৱ অক্ষুন্ন ৰাখে। ইয়াৰে ১৯৮৬ খ্ৰী:ত ভাৰতত প্ৰথম উদ্‌যাপন হোৱা 'অপনা' উৎসৱত ২০জনীয়া দলটোৱে শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰে। সেইদৰে লোকনৃত্য সমাৰোহত হেমচন্দ্ৰ কুটুমৰ নেতৃত্বত যোৱা মিচিং নৃত্যই সৰ্বভাৰতীয় পুৰস্কাৰ লাভ কৰে। এই কেন্দ্ৰৰ জৰিয়তে বিভিন্ন কৃষ্টিৰ ওজা-শিল্পীসকলৰ দ্বাৰা প্ৰশিক্ষণ দি এচাম সুদক্ষ শিল্পীৰ সৃষ্টি কৰিছে, যিবিলাকে অসমৰ সাংস্কৃতিক জগতত অৰিহণা যোগাইছে। এই কেন্দ্ৰৰ পৰা অনাতাঁৰ, দূৰদৰ্শন কেন্দ্ৰত কেইবাখনো অংকীয়া নাট, সংগীতালেখ্য, সত্ৰীয়া নৃত্য, বিহুনৃত্য, মিচিং, দেউৰী নৃত্য পৰিৱেশন কৰি আহিছে। এই কেন্দ্ৰৰ জৰিয়তে উত্তৰ-পূব মাণ্ডলিক সাংস্কৃতিক কেন্দ্ৰৰ দ্বাৰা সাংস্কৃতিক চৰ্চা সমাৱেশ, অসমৰ শিল্পী সমাৰোহ আৰু শংকৰদেৱ কলাক্ষেত্ৰত এচাম শিল্পীয়ে প্ৰশিক্ষণ লাভ কৰিছে। তদুপৰি ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ অধীনত দুখনকৈ তথ্যচিত্ৰ নিৰ্মাণ কৰিছে।

মাজুলীৰ বিভিন্ন স্থানত হোৱা প্ৰতিযোগিতা আৰু সংগীত বিদ্যালয়সমূহৰ নিয়মীয়া সংগীত চৰ্চাই সংগীত জগতত অৰিহণা যোগাইছে। সত্ৰীয়া আৰু ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ অধ্যয়নেৰে পুষ্ট মাজুলীত বৰ্তমান কাৰ্যক্ষম হৈ থকা সংগীত শিক্ষাৰ কেন্দ্ৰসমূহ হ'ল, ১। মাজুলী কেন্দ্ৰীয় সংগীত মহাবিদ্যালয়, ২। আউনীআটী সত্ৰীয়া সংগীত মহাবিদ্যালয়, ৩। ৰাৱণাপাৰ জ্যোতি-ৰাভা সংগীত বিদ্যালয়, ৪। কমাৰগাঁও সত্ৰীয়া সংগীত মহাবিদ্যালয়, ৫। ৰতনপুৰ সন্মিলিত সংগীত বিদ্যালয়, ৬। ৰঙাচাহী সংগীত বিদ্যালয়, ৭। শংকৰদেৱ সাংস্কৃতিক কেন্দ্ৰ আৰু ৮। জ্যোতি সংগীত বিদ্যালয়। মাজুলীভিত্তিত সংগীত প্ৰতিযোগিতা অনুষ্ঠিত কৰা অনুষ্ঠান কমলাবাৰীৰ 'সংগীতা' আৰু মাজুলী ছাত্ৰ সন্থা। বৰ্তমান বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে এই প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ উপৰি বিদ্যালয়সমূহৰ বাৰ্ষিক প্ৰতিযোগিতাই বহুতো সংগীত-শিল্পীৰ সৃষ্টি কৰিছে। অনাতাঁৰ-দূৰদৰ্শনত মাজুলীৰ যথেষ্ট সংখ্যক শিল্পীয়ে সত্ৰীয়া গীত-মাত, ওজাপালী, বৰগীত, নাম-প্ৰসংগ, লোকগীত, মিচিং গীত, দেউৰী গীত, বিহু গীত, ভক্তিমূলক গীত আদিৰে অৰিহণা যোগাই আহিছে। অনাতাঁৰ-দূৰদৰ্শনৰ স্বীকৃতি লাভ কৰা শিল্পীসমূহৰ তালিকা এনে ধৰণৰ— ৺অকণ গায়ন, ৺সুনন্দ গায়ন, ৺তৰুণচন্দ্ৰ পামেগাম, শ্ৰীমণিৰাম পাঠক, ধনীৰাম খাউণ্ড, মহেন্দ্ৰ ভূঞা, ডম্বৰু বায়ন, উপেন বায়ন, ৰঞ্জিৎ ভূঞা, অনিমা শইকীয়া, প্ৰভাত বৰা গায়ন, খগেন মুক্তিয়াৰ, মৃদুলা দেৱী, অৱন্তী পামেগাম, ৰাজকুমাৰ পায়েং, ভূপেন দেউৰী, বিদ্যাধৰ দেউৰী, কদম দাস, বিষ্ণু দাস, গোপাল দাস, বাবুল পেগু, অমিয় চিৰাং, অনুৰূপা ভড়ালী, মালতী শইকীয়া, বন্তি শইকীয়া, ৰূপৰেখা খাউণ্ড, বুলবুল বৰুৱা, নবীন বৰা, প্ৰফুল্ল বৰুৱা, মাধৱ কলিতা, পদ্মী বৰুৱা, উৎপলা বৰা, দীপক বৰুৱা, গোবিন্দ কলিতা, গোলাপ বৰুৱা, দীন ভড়ালী, পাপৰি বৰা, চিত্ৰলেখা হাজৰিকা, গোলাপ নাথ, পুলিন শইকীয়া, দেৱজিৎ ভূঞা, ইন্দ্ৰেশ্বৰ নাথ, জিতু বৰুৱা, হলিৰাম ওজা, কণমণি শইকীয়া, জ্যোতি শইকীয়া আদি উল্লেখযোগ্য।

শাস্ত্ৰীয় সংগীত-বিশাৰদ ডিগ্ৰী লাভ কৰা প্ৰথমগৰাকী শিল্পী হ'ল— উৎপলা বৰা। তদুপৰি অসমৰ ভিতৰত সত্ৰীয়া সংগীতত শ্ৰেষ্ঠ স্থান লাভ কৰি মাজুলীলৈ গৌৰৱ কঢ়িয়াই আনিছে, সংগীত-বিশাৰদ মালতী শইকীয়া আৰু নৃত্য-বিশাৰদ কাকলি বৰুৱাই। শাস্ত্ৰীয় নৃত্যত বিশাৰদ লাভ কৰি গৌৰৱ কঢ়িয়াই অনা প্ৰথমজন শিল্পী জয়ন্ত ভাগৱতী। কলা বিষয়ত শান্তি নিকেতনত বিশাৰদ লাভ কৰি মাজুলীৰ গৌৰৱ বৃদ্ধি কৰা প্ৰথমজন শিল্পী নতুন চামগুৰি সত্ৰৰ কৃষ্ণ গোস্বামী। সত্ৰীয়া-সংস্কৃতিৰ বাবে ৰাষ্ট্ৰীয় স্বীকৃতি লাভ কৰা সত্ৰীয়া শিল্পীসকল হ'ল— ৺বাপুৰাম বায়ন আতৈ, ৺মণিৰাম দত্ত মুক্তিয়াৰ, ৺ৰঘেশ্বৰ শইকীয়া বৰবায়ন, ৺পৰমানন্দ বৰবায়ন। সেইদৰে শিল্পী-পেন্সন লাভ কৰা শিল্পীসকল হ'ল— ৺বলোৰাম গায়ন, গোপীৰাম বায়ন, গুণকান্ত বায়ন, হৰি শইকীয়া বায়ন, ৺অকণ গায়ন, ৺পৰমানন্দ গায়ন, কমল চন্দ্ৰ গায়ন, ৺ৰুদ্ৰকান্ত গোস্বামী, কোষকান্ত গোস্বামী, বংশী দত্ত, ভোলা কাকতি, ইন্দ্ৰেশ্বৰ পেগু, দীন ভড়ালী, চাৰু কাকতি, স্বপ্না পায়েং আদি। আনহাতে বৰগীত, সত্ৰীয়া নৃত্য, বিহুনৃত্য, অভিনয় আদি বিষয়ত ভাৰত চৰকাৰৰ মানৱ সম্পদ বিকাশ মন্ত্ৰালয়ৰ সাংস্কৃতিক গবেষণা আৰু প্ৰশিক্ষণ বিভাগৰ পৰা ১৪ বছৰৰ পৰা ২০ বছৰ বয়সলৈকে 'সাংস্কৃতিক জলপানি' লাভ কৰা শিল্পীসকল হ'ল— ভবানন্দ হাজৰিকা, তুলসী বৰা, মৃদুপৱন গোস্বামী, পদ্মী বৰুৱা, পূৰবী বৰা, ৰূপৰেখা খাউণ্ড, বলো শইকীয়া, নিৰঞ্জন শইকীয়া, দীপ্তি বৰা, মালতী শইকীয়া, অঞ্জুমণি টাকো, উৎপলা শইকীয়া, পিংকুমণি বৰা, অনুশ্ৰী পায়েং, প্ৰমোদ বৰা,

কণমনি গাম, নুপূৰ বৰা, নীলকমল মহন্ত, সংগীতা কলিতা, লীনামণি গাম, ৰূপালী বৰা, ধ্ৰুৱজ্যোতি বৰা, মুন্মী বৰুৱা, লক্ষ্যজিৎ শইকীয়া, বঙ্কিম শৰ্মা, মানসজ্যোতি হাজৰিকা, মাধৱ বৰা, দেৱজিৎ হাজৰিকা, অমৰজ্যোতি বৰা, শান্তনা শইকীয়া আদিৰ নাম সংগ্ৰহ কৰিব পৰা গৈছে।

মাজুলীত ঢোল-সংস্কৃতিৰো এটা বোৱতী সুঁতিৰ অৱস্থিতি সততে লক্ষ্য কৰা যায়। উৎসৱে-পাৰ্বণে, বিয়া-সবাহে ঢুলীয়া ওজাৰ ঢোল-বাদন অপৰিহাৰ্য। আধুনিক বাদ্য-যন্ত্ৰ অথবা তেনেধৰণৰ সংস্কৃতিৰ জনপ্ৰিয়তায়ো ইয়াৰ ঢুলীয়া-সংস্কৃতিক বিকৃত কৰিব পৰা নাই। পুৰণি চামৰ ভিতৰত ৺পকা ওজা, পি. পি. ওজা আৰু নতুন চামৰ ভিতৰত হলি ওজা, বগাই ওজাৰ নাম উল্লেখযোগ্য। এটা সময়ত মাজুলীৰ চুকে-কোণে ঢোল-বিদ্যা প্ৰশিক্ষণ চলিছিল। উজনি আৰু নামনি মাজুলীত এই বিদ্যাৰ গুৰি ধৰিছিল ক্ৰমে পকা ওজা আৰু পি. পি ওজাই। 'ঢোল বায় ক'ত, ৰতনপুৰত, খোলবায় ক'ত, ৰতনপুৰত' প্ৰবাদ বাক্যশাৰীয়ে মাজুলীৰ ঢোল-সংস্কৃতিৰ ঐতিহ্যক জীপাল কৰিছে। চিনাতলীয়া বিহু নাচনী ফুলমতী আহোম বৰকুঁৱৰী হোৱাটো লেখত ল'বলগীয়া কথা; কিন্তু এতিয়ালৈকে কোনো ঢুলীয়া ওজাই শিল্পী-পেন্সন লাভ নকৰাটো পৰিতাপৰ বিষয়। অনাতাঁৰ শিল্পীৰূপে স্বীকৃত হলি ওজা আৰু বগাই ওজাৰ নেতৃত্বত মাজুলীত নতুন এচাম ঢুলীয়াৰ সৃষ্টি হৈছে। ইয়াৰে কেইবাজনেও ৰাষ্ট্ৰীয় জলপানি লাভ কৰিবলৈ সক্ষম হৈছে।

সত্ৰ, সমাজ আৰু সামাজিক বাতাবৰণে মাজুলীৰ জনমানসক যি সৰলতা দান কৰিছে, বিভিন্ন জনগোষ্ঠীৰ সমন্বয়ত যি সম্প্ৰীতিৰ সাঁকো ৰচনা হৈছে; তাত বাস্তৱৰ আঘাত নপৰা নহয়। বিশেষকৈ ব্ৰহ্মপুত্ৰৰ কৰালগ্ৰাসত পৰি মাজুলীৰ জনসাধাৰণে পেটৰ ভাতমুঠিৰ বাবে হাহাকাৰ কৰিব লগা হয়। অনিশ্চয়তাত ভোগা মাজুলীৰ জনসাধাৰণে জীৱনৰ জটিল ক্ষণত ঐতিহ্যৰ প্ৰতি, পৰম্পৰাৰ প্ৰতি কেতিয়াবা আওকাণ কৰিব লগা হৈছে। তথাপি প্ৰবল বানপানীকো আওকাণ কৰি নাৱৰ ওপৰতে গুৰুজনাৰ তিথি পালন কৰাৰ উদাহৰণ বোধহয় বিশ্বত বিৰল। অসমৰ সামাজিক, নৈতিক আৰু আধ্যাত্মিক চৰিত্ৰ গঠনত মুখ্য ভূমিকা গ্ৰহণ কৰা মাজুলীৰ সাংস্কৃতিক সম্পদৰাজিৰ প্ৰকৃত মূল্যায়ণ ঘটিলে স্বৰ্ণময়ী অতীতে বৰ্তমানৰ অস্থিৰ মানসিকতাক স্থিতপ্ৰজ্ঞ কৰাত অৰিহণা যোগাব।

## সহায়ক গ্ৰন্থপঞ্জী :

১। আউনীআটী সত্ৰৰ বুৰঞ্জী, ২। দক্ষিণপাট সত্ৰৰ বুৰঞ্জী, ৩। কমলাবাৰী সত্ৰৰ বুৰঞ্জী, ৪। উত্তৰ কমলাবাৰী সত্ৰৰ বুৰঞ্জী, ৫। গড়মূৰ সত্ৰৰ বুৰঞ্জী, ৬। ভোগপুৰ সত্ৰৰ বুৰঞ্জী, ৭। ছাৰ এডোৱাৰ্ড গেইটৰ অসম বুৰঞ্জী, ৮। তুংখুঙীয়া বুৰঞ্জী, ৯। কমলাবাৰী সত্ৰ, সত্ৰীয়া-নৃত্য প্ৰসংগ ১০। সত্ৰীয়া-সংস্কৃতিৰ স্বৰ্ণৰেখা, ১১। সত্ৰীয়া-সংস্কৃতিৰ ৰূপৰেখা, ১২। পৱিত্ৰ অসম, ১৩। পুৰণি সমাজ আৰু সংস্কৃতি, ১৪। টাই-সংস্কৃতিৰ ৰূপৰেখা, ১৫। কথা গুৰুচৰিত, ১৬। গুৰুচৰিত কথা, ১৭। গুৰুচৰিত (সাঁচিপতীয়া ৬খন), ১৮। মিচিং-সংস্কৃতিৰ আলেখ্য, ১৯। দেওঘৰ, ২০। সূৰ্যকান্ত হাজৰিকা :: জীৱন আৰু কৃতি, ২১। অসমীয়া লোক-সংস্কৃতি, ২২। বন্যা-বিপন্না মাজুলী, ২৩। নাট্যচিন্তা।

### আলোচনী / স্মৃতিগ্ৰন্থ

১। সংস্কৃতি পল্লৱ, ২। মাজুলী দীপিকা, ৩। হেমচন্দ্ৰ হাইস্কুল হীৰক জয়ন্তী স্মৃতিগ্ৰন্থ, ৪। সাহিত্য চিন্তা, ৫। গৰীয়সী, ৬। ৰূপালী, ৭। সত্ৰ-প্ৰৱাহ, ৮। সন্মিলিত সাংস্কৃতিক সন্থাৰ স্মৃতিগ্ৰন্থ, ৯। ভকতি, ১০। জ্ঞান প্ৰৱাহ, ১১। কামধেনু, ১২। মাজুলী ঐতিহ্য সংৰক্ষণ স্মৃতিগ্ৰন্থ, ১৩। কৰাঘাত, ১৪। কমলাবাৰী প্ৰাথমিক বিদ্যালয় স্মৃতিগ্ৰন্থ, ১৫। অসমা, ১৬। চামগুৰি মহিলা সমিতিৰ স্মৃতিগ্ৰন্থ, ১৭। সত্ৰীয়া-সংস্কৃতি সমাৰোহ স্মৃতিগ্ৰন্থ, ১৮। জগতগুৰু শ্ৰীমন্ত শংকৰদেৱ সংঘ স্মৃতিগ্ৰন্থ, ১৯। জাগৰণ, ২০। অসম সাহিত্য সভা পত্ৰিকা।

# পুণ্যক্ষেত্ৰ মাজুলীৰ সত্ৰীয়া-সাহিত্যৰ আভাস

'এটকা মহন্তৰ স্থান' বুলি জনাজাত মহাবাহু ব্ৰহ্মপুত্ৰ আৰু পুণ্যসলীলা লুইত (লৌহিত্য)ৰ মাজত অৱস্থিত ভাৰতৰ তথা বিশ্বৰ সৰ্ববৃহৎ নদী-দ্বীপ মাজুলীত অসমৰ ৰজা জয়ধ্বজ সিংহ স্বৰ্গদেউৰ দিনৰে পৰা মাজুলীত ব্ৰহ্ম-সংহতি, পুৰুষ-সংহতি, কাল-সংহতি আৰু নিকা-সংহতি— এই চাৰিও সংহতিৰ বহুসংখ্যক বৈষ্ণৱ সত্ৰ স্থাপিত হয় আৰু এই সত্ৰসমূহে ধৰ্ম, সাহিত্য, সংস্কৃতি, চাৰুকলা আদিৰ নিৰৱচ্ছিন্ন সেৱা আগবঢ়াই আহিছে। ইয়াত কেৱল সত্ৰসমূহৰ সাহিত্য-চৰ্চা অৰ্থাৎ বৈষ্ণৱধৰ্মৰ অনুকূলে বৈষ্ণৱ-সাহিত্য চৰ্চাৰ বিষয়েহে এটি আভাস দিবলৈ প্ৰয়াস কৰা হৈছে। মাজুলীৰ প্ৰায়বোৰ সত্ৰতে কম-

বেছি পৰিমাণে সাহিত্য সৃষ্টি হোৱা দেখা যায়। ইয়াত আমি উল্লেখযোগ্য সাহিত্যসমূহৰ চৰ্চাৰ বিষয়েহে এটি আলোকপাত কৰিবলৈ লৈছোঁ।

**শ্ৰীশ্ৰীআউনীআটী সত্ৰৰ ধৰ্ম-সাহিত্য চৰ্চা :**

ধৰ্ম-সাহিত্য চৰ্চাত ব্ৰহ্ম-সংহতিৰ এইখন সত্ৰৰ বৈশিষ্ট্য আছে। প্ৰথমজনা সত্ৰাধিকাৰ শ্ৰীশ্ৰীনিৰঞ্জনদেৱ এগৰাকী পণ্ডিত, সুবক্তা আৰু গ্ৰন্থকাৰ আছিল। এইজনা সত্ৰাধিকাৰে অন্যান্য গীত-পদ ৰচনাৰ উপৰিও 'মায়ামোহ' নাটক ৰচনা কৰিছিল।

পৰৱৰ্তী এজনা সত্ৰাধিকাৰ শ্ৰীশ্ৰীদেৱদত্তদেৱ গোস্বামীয়ে সত্ৰৰ কীৰ্তি উৰ্দ্ধলৈ তুলি বিভিন্ন দিশত অভিনৱত্ব আনিছিল। শিৱসাগৰৰ মিছনেৰী প্ৰেছৰ পৰা প্ৰকাশিত প্ৰথম অসমীয়া সংবাদ পত্ৰ তথা আলোচনী (মাহেকীয়া) 'অৰুনোদই' খ্ৰীষ্টান ধৰ্মৰ মুখপত্ৰ স্বৰূপ হৈ পৰাত আৰু সনাতন (হিন্দু) ধৰ্ম সম্পৰ্কীয় অনেক গ্লানিজনক কথা 'অৰুনোদই'ত প্ৰকাশ হোৱাত এইজনা সত্ৰাধিকাৰে কলিকতাৰ পৰা এটি ছপাযন্ত্ৰ অনাই 'ধৰ্ম-প্ৰকাশ যন্ত্ৰ' নাম দি আউনীআটী সত্ৰতে স্থাপন কৰি সত্ৰৰ পৰাই 'আসাম বিলাসিনী' নাম দি এখনি মাহেকীয়া আলোচনী ১৮৭১ খ্ৰী:ৰ পৰা ১৮৮৩ খ্ৰী:লৈ বাৰ বছৰ কাল নিয়মীয়াকৈ প্ৰকাশ কৰিছিল। 'আসাম বিলাসিনী'য়ে অন্যান্য লেখাৰ উপৰি সনাতন ধৰ্মৰ গ্লানি দূৰ কৰি শুদ্ধধৰ্ম প্ৰচাৰৰ প্ৰয়াস কৰিছিল। ১৮৭৬ খ্ৰী:ত উক্ত 'ধৰ্ম-প্ৰকাশ যন্ত্ৰ'ৰ পৰাই 'আসাম দীপিকা' নামে আন এখন আলোচনীও প্ৰকাশ হৈছিল। এই অভিনৱ কাৰ্যই নিশ্চয় মাজুলীক আৰু আউনীআটী সত্ৰক গৌৰৱান্বিত কৰিছিল। এয়া আছিল অসমীয়া সংবাদ জগতৰ এক সোণালী আখৰেৰে লিখিবলগা অধ্যায়। এইখিনি কৃতিত্বৰ উপৰি এইজনা মহামান্য সত্ৰধিকাৰে তলত উল্লেখ কৰা ধৰ্মীয় নাটক ৰচনা কৰি ৰাইজক ঈশ্বৰমুখী, মানৱতাবাদী কৰি তুলিছিল— ১। কালিয় দমন, ২। জানকী হৰণ, ৩। পাণ্ডৱৰ বনবাস, ৪। অক্ৰুৰ গমন, ৫। উদ্যোগ পৰ্ব, ৬। ৰাসলীলা, ৭। ঘোষযাত্ৰা, ৮। কংস বধ, ৯। দ্ৰৌপদীৰ বস্ত্ৰ হৰণ, ১০। ভৰতাগমন, ১১। ভীষ্ম পৰ্ব, ১২। ইন্দ্ৰজিত বধ, ১৩। সীতাৰ বনবাস।

এই তেৰখন পূৰ্ণাংগ নাট ৰচনা কৰাৰ উপৰি সৰ্বসাধাৰণ ৰাইজৰ মাজত 'দত্তদেউ ঈশ্বৰ পুৰুষ' নামে জনাজাত এইজনা প্ৰভুৱে অনেক গীত-পদ ৰচনা কৰি নিজৰ উচ্চ ব্যক্তিত্ব, পাণ্ডিত্য আৰু কৰ্ম-বিচক্ষণতাৰ যোগেদি লক্ষ লক্ষজনৰ মন জয় কৰিব পাৰিছিল। তেখেতৰ বিৰচিত পদ-পুথি কেইখন হ'ল:— ১) ৰাসলীলা, ২) বৃত্ৰাসুৰ বধ, ৩) ৰুদ্ৰগীত বৰ্ণন, ৪) দক্ষযজ্ঞ, ৫) বেদস্তুতি, ৬) ধ্ৰুৱ চৰিত্ৰ আৰু ৭) গোবিন্দ গুণমালা।

পৰৱৰ্তী এজনা সত্ৰাধিকাৰ শ্ৰীশ্ৰীকমল চন্দ্ৰ দেৱ গোস্বামীয়ে ৰচনা কৰা আধ্যাত্মিক আৰু শিক্ষামূলক নাটকেইখনি হ'ল— ১। যুগল বিমল, ২। কীচক বধ, ৩। গুৰু দক্ষিণা, ৪। প্ৰহ্লাদ চৰিত্ৰ, ৫। বিৰাট পৰ্ব। তেৰাৰ পৰৱৰ্তী সত্ৰাধিকাৰ শ্ৰীশ্ৰীলীলাকান্ত দেৱ গোস্বামীয়ে ৰচনা কৰা নাটককেইখনি হ'ল— ১। ত্ৰিপুৰাসুৰ বধ আৰু ২। কুৰুসন্ধ্যা।

পৰৱৰ্তী সত্ৰাধিকাৰ শ্ৰীশ্ৰীহেমচন্দ্ৰ দেৱ গোস্বামী আছিল সুদীৰ্ঘজীৱী আৰু বহু বছৰধৰি সত্ৰাধিকাৰৰ পদত আছিল। এইজনা মহাপ্ৰাণ সত্ৰাধিকাৰে সত্ৰীয়া সাহিত্য-সংস্কৃতিৰ উৎকৰ্ষ সাধনৰ বাবে উল্লেখযোগ্য অৱদান আগবঢ়াইছিল। এইজনা সত্ৰাধিকাৰে গৰ্গ-সংহিতাৰ আধাৰত 'শ্ৰীকৃষ্ণ-কীৰ্তন' পদ-পুথি ৰচনা কৰাৰ উপৰিও মুঠ ২১খন নাটক আৰু অন্যান্য গীত-পদ ৰচনা কৰিছিল। তেৰাৰ ৰচিত নাটসমূহ হ'ল— ১। দণ্ডীপৰ্ব বা উৰ্বশী উদ্ধাৰ, ২। অভিমন্যু বধ, ৩। কুবলাশ্ব উপাখ্যান, ৪। সুভদ্ৰা হৰণ, ৫। বীৰ পতন, ৬। দৈতেন্দ্ৰ তাৰক, ৭। লক্ষ্যভেদ, ৮। পাণ্ডৱৰ অজ্ঞাতবাস, ৯। পাৰ্থ পৰাজয়, ১০। কৰ্ণাৰ্জুন, ১১। শ্ৰীকৃষ্ণৰ বাল্যলীলা, ১২। ৰাজসূয় যজ্ঞ, ১৩। গয়াসুৰৰ গতি লাভ, ১৪। দক্ষযজ্ঞ, ১৫। নৌকা-বিলাস, ১৬। ৰজা হৰিশ্চন্দ্ৰ, ১৭। ত্ৰিপুৰাসুৰ বধ, ১৮। উষা-কুমৰ পৰিচয়, ১৯। ৰাসলীলা, ২০। ত্ৰিশংকুৰ স্বৰ্গলাভ, ২১। কলংক ভজন।

বৰ্তমানজনা সত্ৰাধিকাৰৰ আগৰজনা পণ্ডিত সত্ৰাধিকাৰ শ্ৰীশ্ৰীবিষ্ণুচন্দ্ৰ দেৱ গোস্বামীয়ে অনেক ধৰ্মমূলক সভাত প্ৰদান কৰা পাণ্ডিত্যপূৰ্ণ ভাষণসমূহৰ দুটা খণ্ড গ্ৰন্থ স্বৰূপে ইতিপূৰ্বে প্ৰকাশ পাইছে। বৈষ্ণৱধৰ্ম আৰু সত্ৰীয়া-সংস্কৃতিৰ ওপৰত ভিত্তি কৰি ৰচনা কৰা এই দুখনি তত্ত্বমূলক ধৰ্মগ্ৰন্থ। এইজনা সত্ৰাধিকাৰে ৰচনা কৰা ২৭খনি নাটকৰ তালিকা তলত দিয়া হ'ল:—

১। সংকল্প পালন, ২। বীৰ ব্ৰজাংগ নন্দন, ৩। পৰিণতি, ৪। সুৰথ-উদ্ধাৰ, ৫। দ্বীজবীৰ দ্ৰোণাচাৰ্য, ৬। ত্ৰিপুৰ দহন, ৭। দুৰ্গম দমন, ৮। তুলসী উদ্ধাৰ, ৯। মহিষ মুক্তি, ১০। শক্তিশেল, ১১। অভিমানৰ পৰিণতি, ১২। বিৰোচনৰ বিষ্ণুপ্ৰিয়া, ১৩। প্ৰিয়ব্ৰতৰ ধৰ্ম পৰীক্ষা, ১৪। ভাতৃভেদৰ পৰিণাম, ১৫। অস্তাচলে সিন্ধুৰাজ, ১৬। সমুদ্ৰ মন্থন, ১৭।

দূতকৃষ্ণ, ১৮। মৰুত্ত যজ্ঞ, ১৯। সম্রাট যুধিষ্ঠিৰ, ২০। অস্তাচলে কুৰুপতি, ২১। দৈতেন্দ্ৰ জলন্ধৰ, ২২। বলিছলন, ২৩। পাপৰ পৰিণতি, ২৪। দৰ্পহাৰী হৰি, ২৫। মগধ বিজয়, ২৬। তৰণী তৰণ, ২৭। শ্ৰীবৎস-চিন্তা। এইগিনিৰ উপৰি তেখেতে অনেক গীত-পদ ৰচনা কৰিছিল। আউনীআটী সত্ৰৰ বৰ্তমানৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰীপীতাম্বৰ গোস্বামীৰ পাণ্ডিত্যৰ ক্ষেত্ৰ অকল ধৰ্ম-চৰ্চা আৰু সত্ৰীয়া-সংস্কৃতিত কৃতিত্ব লাভ কৰাৰ উপৰি আধুনিক শিক্ষাতো পাণ্ডিত্য লাভ কৰি সত্ৰৰ লগতে মাজুলীৰো গৌৰৱ বৃদ্ধি কৰিছে। এইগৰাকী সত্ৰাধিকাৰ এতিয়া অসম-বিখ্যাত পণ্ডিত আৰু ভাৰতৰ বিভিন্ন ঠাইত বক্তৃতা প্ৰদানেৰে অসমৰ সন্ত-মহন্তসকলৰ তথা সত্ৰসমূহৰ গৌৰৱ বৃদ্ধি কৰিছে। তেখেতে নিজাকৈ অধ্যয়ন কৰিয়েই অসমীয়া সাহিত্যত এম. এ. ডিগ্ৰী লৈও ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত সত্ৰীয়া-সংস্কৃতিৰ ওপৰত গৱেষণা কৰি ডক্টৰেট উপাধি লাভ কৰিছে আৰু সংস্কৃত ভাষাতো অসম সংস্কৃত ব'ৰ্ডৰ অধীনত পৰীক্ষা দি 'ব্যাকৰণ-শাস্ত্ৰী' উপাধিৰে বিভূষিত হৈছে। এইজনা প্ৰভুৱে ভালেমান মূল্যবান ধৰ্মতত্ত্ব, সমাজতত্ত্ব, শিক্ষা-সংস্কৃতিমূলক প্ৰবন্ধ আৰু গ্ৰন্থ লিখাৰ উপৰি পাঁচখন নাটক ৰচনা কৰিছে। নাটককেইখন হ'ল, ১। অতনুৰ জীৱন মুক্তি, ২। ৰজা ৰুক্মাংগদৰ ধৰ্ম পৰীক্ষা, ৩। অজামিল (পৱিত্ৰ-পাপী) ৪। দিতীৰ দৰ্পচূৰ্ণ, ৫। বিশ্বামিত্ৰৰ ব্ৰহ্মত্ব লাভ।

বৰ্তমান ডেকা সত্ৰাধিকাৰ শ্ৰীশ্ৰীদেৱানন্দ দেৱ গোস্বামীয়ে অসম সংস্কৃত ব'ৰ্ডৰ অধীনত উপাধি লোৱাৰ উপৰি 'গুৰু-দক্ষিণা' নাটক ৰচনা কৰিছে। আউনীআটী সত্ৰৰ বৈষ্ণৱবৃন্দৰ ভিতৰতো কেবাজনেও বিভিন্ন চৰিত-পদপুথি ৰচনা কৰি সত্ৰৰ পুথিভঁৰাল তথা অসমীয়া চৰিত পুথিৰ ভঁৰাল চহকী কৰি গৈছে। সত্ৰৰ প্ৰায় প্ৰতিজন সত্ৰাধিকাৰৰ বিষয়ে আৰু সামগ্ৰিকভাৱেও চৰিত পুথি ৰচিত হৈছে।

আউনীআটী সত্ৰৰ প্ৰপন্ন বৈষ্ণৱসকলে ৰচনা কৰা নাটকসমূহ হ'ল— শ্ৰীধৰ ওজাৰ 'কৰ্ণপৰ্ব', দ্বাৰিকানাথ বৰ নামলগোৱাৰ 'বভ্ৰুবাহন বধ', 'তৰণীসেন বধ'; পূৰ্ণানন্দ ভূঞা কমলধোৱাৰ 'জয়দ্ৰথ বধ'; সোণাৰাম বৰা মেনেজাৰৰ 'প্ৰবীৰ পতন'; গোপাল শৰ্মা শ্ৰৱণীৰ— ১। বজ্ৰসৃষ্টি, ২। তাম্ৰধ্বজৰ ধৰ্ম পৰীক্ষা, ৩। শ্বেতাৰ্জুনৰ স্বৰ্গলাভ, ৪। অন্ধকাসুৰ বধ,৫। সম্বৰাসুৰ বধ; ভদ্ৰেশ্বৰ শৰ্মাৰ 'অনন্ত মহিমা'; সাগৰ মজিন্দাৰৰ 'সিন্ধুৰা পৰ্ব', 'অঘোৰ দৈত্য বধ'; মদন কমলধোৱাৰ 'ৰাজসূয় যজ্ঞ'।

আউনীআটী সত্ৰত ৰচিত এই ৮১খন নাটকৰ এটি বৃহৎ সংকলন ছপা কৰিব পৰা হ'লে এয়া অসমীয়া সত্ৰীয়া-সংস্কৃতিৰ এক বৃহৎ নাট্য-সৌধ হ'লহেঁতেন। ইতিমধ্যে অৱশ্যে কেবাখনিও নাটকে ছপাৰূপ পাইছে। আৰ ভিতৰত দুগৰাকী পণ্ডিত সত্ৰাধিকাৰ শ্ৰীশ্ৰীহেমচন্দ্ৰ দেৱ গোস্বামীৰ উৰ্বশী উদ্ধাৰ আৰু শ্ৰীশ্ৰীবিষ্ণু চন্দ্ৰ দেৱ গোস্বামীৰ 'অস্তাচলে সিন্ধুৰাজ' অলপতে বৰ্তমান সত্ৰাধিকাৰজনাই প্ৰকাশ কৰি উলিয়াইছে। আউনীআটী সত্ৰত ৰচিত ওপৰত উল্লেখ কৰি অহা নাটকৰ অভিনয় কেৱল সত্ৰৰ চৌহদতে আবদ্ধ থকা নাই। হাতে লিখা অৱস্থাতে এইবিলাকৰ অভিনয় অসমৰ বিভিন্ন নামঘৰ, ধৰ্মোৎসৱ আদিত অভিনয় হোৱা দেখা যায়। নাটকসমূহৰ কাহিনীৰ উৎস হ'ল— ১। ৰামায়ণ, ২। মহাভাৰত, ৩। শ্ৰীমদ্ভাগৱত, ৪। অন্যান্য পুৰাণসমূহ। নৃত্য, গীত, বাদ্য, অভিনয়, ৰূপসজ্জা, দৃশ্যসজ্জা, বিভিন্ন ৰং, মুখা, সাজ-পাৰ আদি নিৰ্মাণ এই নাটকসমূহৰ অভিনয়ৰ লগত জড়িত আছে। আউনীআটী সত্ৰই এইবিলাক দিশতো কৃতিত্বৰ পৰিচয় দি আহিছে।

**শ্ৰীশ্ৰীকমলাবাৰী সত্ৰৰ ধৰ্ম-সাহিত্য চৰ্চা :**

মাজুলীৰ শ্ৰীশ্ৰীকমলাবাৰী সত্ৰ বৈষ্ণৱ ধৰ্ম-সাহিত্য-সংস্কৃতি তথা সত্ৰীয়া-সংস্কৃতি চৰ্চাৰ বাবে অসম তথা ভাৰত বিখ্যাত। এইখনি সত্ৰৰ সংস্কৃতি সাধনাই অসমৰ সংস্কৃতি জগতৰ গৌৰৱ বঢ়াইছে। এইখনি সত্ৰৰ তিনিগৰাকী সংস্কৃতি সাধক— ১। মণিৰাম দত্ত বায়ন মোক্তাৰ আতৈ, ২। বাপুৰাম বায়ন আতৈ, ৩। ৰসেশ্বৰ শইকীয়া বায়ন মোক্তাৰ। কমলাবাৰী সত্ৰৰ এই তিনিগৰাকী মহান সত্ৰীয়া সংস্কৃতি শিল্পীয়ে ক্ৰমান্বয়ে ১৯৬৩, ১৯৭৯ আৰু ১৯৮১ খ্ৰী:ত ভাৰতৰ ৰাষ্ট্ৰীয় সংগীত-নাটক একাডেমীৰ পৰা ৰাষ্ট্ৰীয় বঁটা গ্ৰহণ কৰি শ্ৰীশ্ৰীকমলাবাৰী সত্ৰ, সত্ৰীয়া-সংস্কৃতিৰ ৰহঘৰা মাজুলী তথা অসমলৈ গৌৰৱ কঢ়িয়াই আনে। ১৯৭৫ খ্ৰী:ত শ্ৰীশ্ৰীকমলাবাৰী সত্ৰই পৰিৱেশন কৰা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিৰচিত চিৰপ্ৰশংসিত, বিশ্বজনীন অংকীয়া নাট 'ৰাম-বিজয়'ৰ সুন্দৰ প্ৰদৰ্শন ইণ্ডোনেচিয়াৰ ৰাজধানী জাকাৰ্টাত কৰা হয়। এইদৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, ৰামায়ণ মহাকাব্য আৰু শ্ৰীশ্ৰীকমলাবাৰী সত্ৰৰ নৃত্য-গীত-বাদ্য-অভিনয় বিশাৰদ বৈষ্ণৱ শিল্পীসকলৰ লগতে নতুন কমলাবাৰী সত্ৰৰ পণ্ডিত আৰু উদ্যোগী সত্ৰাধিকাৰ শ্ৰীশ্ৰীনাৰায়ণ চন্দ্ৰ গোস্বামীদেৱৰ খ্যাতি বৈ বৈ যায়। তেতিয়াৰ ভাৰতৰ ৰাষ্ট্ৰপতি ফকৰুদ্দিন

আলি আহমদ আৰু অসমৰ উদ্যোগী দেশকৰ্মী-মুক্তিযোদ্ধা ৺যোগেন শইকীয়াৰ সহায়ো আছিল পাহৰিব নোৱৰা।

শ্ৰীশ্ৰীকমলাবাৰী সত্ৰৰ প্ৰতিষ্ঠাতা ধৰ্মাচাৰ্য, অসমৰ বৈষ্ণৱধৰ্মৰ চাৰি-সংহতিৰ অন্যতম, নিকা-সংহতিৰ অন্যতম প্ৰৱৰ্তক সৰ্বস্বত্যাগী বৈষ্ণৱ বদলাআতা আছিল মহাপুৰুষ মাধৱদেৱৰ অতি প্ৰিয় শিষ্যসকলৰ অন্যতম। পদ্ম, গোবিন্দ আদি গুণ-বিদ্যা আদি দহোটা নামেৰে প্ৰসিদ্ধ বদলাআতাৰ উত্তৰাধিকাৰী আৰু প্ৰপন্ন শিষ্য-বৈষ্ণৱসকলে যোৱা তিনি দশকতকৈও অধিককাল এই সত্ৰত নিকা-পদ্ধতিৰ ধৰ্ম-সংস্কৃতি-সাহিত্য চৰ্চা কৰি আহিছে। এইখনি সত্ৰত প্ৰথমজনা ধৰ্মাচাৰ্য বদলা আতাৰ পদ চৰিত পুথিকে ধৰি অনেক পদ-চৰিত পুথি ৰচিত হৈছে। তন্মত তাৰে খনচেৰেক ছপা পুথি স্বৰূপে প্ৰকাশলৈ আহিছে। প্ৰতিজনা সত্ৰাধিকাৰেই শাস্ত্ৰজ্ঞানী, ব্যক্তিত্বশীল আৰু সাহিত্য-সংস্কৃতিৰ সাধক। বৰ্তমানৰ পণ্ডিত সত্ৰাধিকাৰ শ্ৰীশ্ৰীনাৰায়ণ চন্দ্ৰ গোস্বামীদেৱে প্ৰায় বাৰশ পৃষ্ঠাজোৰা সুবৃহৎ 'সত্ৰীয়া-সংস্কৃতিৰ স্বৰ্ণৰেখা' গ্ৰন্থ ৰচনা কৰি অসমৰ বৈষ্ণৱ সাহিত্য-সংস্কৃতিৰ তত্ত্বমূলক আলোচনা দাঙি ধৰাৰ লগতে শ্ৰীশ্ৰীকমলাবাৰী সত্ৰৰো তথ্যপূৰ্ণ ইতিহাস সংযোগ কৰিছে। এইজনা সত্ৰাধিকাৰে অন্যান্য ভালেমান বৈষ্ণৱ গ্ৰন্থ ৰচনা কৰাৰ উপৰি 'ব্ৰজাৱলী ভাষাৰ ব্যাকৰণ আৰু অভিধান' আদি প্ৰণয়ন কৰি সত্ৰৰ উজ্জ্বল কীৰ্তি ৰক্ষা কৰি আছে আৰু যথাসাধ্য বৃদ্ধি কৰিছে। এই সত্ৰৰ বৈষ্ণৱসকলৰ ভিতৰত নিত্যানন্দ আতৈ, দেৱেন্দ্ৰনাথ বুঢ়াভকত, ধৰ্মেশ্বৰ হাজৰিকা নামলগোৱা আদিয়ে বদলা আতাৰ পৰা ধৰি ক্ৰমাগত ধৰ্মাচাৰ্যসকলৰ পদ-চৰিত পুথি আৰু গদ্য-চৰিত পুথি লিখি থৈ গৈছে।

শ্ৰীশ্ৰীকমলাবাৰী সত্ৰৰ একালৰ লক্ষ্মীযুক্ত সত্ৰাধিকাৰ শ্ৰীশ্ৰীলক্ষ্মীকান্তদেৱৰ দিনত সত্ৰৰ এগৰাকী গুণী-জ্ঞানী প্ৰপন্ন শিষ্য উচ্চ পদস্থ ৰাজ-বিষয়া, সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ স্বনামধন্য পিতৃ, ডাঙৰীয়া দীননাথ বেজবৰুৱাই ১৮৭৩-১৮৮৩ খ্ৰী:ৰ ভিতৰত 'বৰ চৰিত পুথি' এখনি সুবৃহৎ পদ-চৰিত পুথি ৰচনা কৰে। পুথি ৰচনাৰ কালছোৱাত বেজবৰুৱা ডাঙৰীয়া মাজুলীৰ কমলাবাৰী সত্ৰতেই থাকি লৈছিল আৰু তাৰ আগতে দুভাগ হোৱা পুৰণি কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ লক্ষ্মীকান্তদেৱ, উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ মহীকান্তদেৱৰ উপৰি সত্ৰৰ বৈষ্ণৱবৃন্দৰ আশীৰ্বাদ শিৰত লৈছিল। 'বৰচৰিত পুথি' মহাপুৰুষ দুজনা— শ্ৰীশংকৰদেৱ-মাধৱদেৱ আৰু আতাসকল— নাৰায়ণ ঠাকুৰ আতা, ভৱানীপুৰীয়া গোপাল আতা, মথুৰা দাস বুঢ়াআতা, দক্ষিকুলীয়া বৰবিষ্ণু আতা, ভাটৌকুচীয়া কেশৱচৰণ আতা, কমলাবাৰী সত্ৰৰ প্ৰতিষ্ঠাতা বদলাৰ পদ্ম আতা আদিৰ চৰিত্ৰ সন্নিবিষ্ট হোৱাৰ উপৰিও আন চৰিতপুথিত নথকা অনেক আপুৰুগীয়া তথ্য সন্নিবিষ্ট হৈছে। এনেহেন আপুৰুগীয়া পদ-চৰিতপুথিখনি বেজবৰুৱা বংশৰ সিংহপুৰুষ ডাঃ নীলকমল বেজবৰুৱাই বৰ্তমান তিতাবৰ মহিমাবাৰীত অৱস্থিত শ্ৰীশ্ৰীপুৰণি কমলাবাৰী সত্ৰৰ প্ৰজ্ঞাশীল সত্ৰাধিকাৰ শ্ৰীশ্ৰীভৱকান্ত দেৱ গোস্বামীৰ পৰা প্ৰকাশৰ অনুমতি লাভ কৰি ১৯৮৮ খ্ৰী:ত লক্ষাধিক টকা ব্যয় কৰি প্ৰকাশলৈ আনে। ধৰ্মেশ্বৰ হাজৰিকা নামলগোৱা (সত্ৰৰ এগৰাকী প্ৰপন্ন ভক্ত) এই বিষয়ত বিশেষ উৎসাহী লোক আছিল। এই সম্পৰ্কত সদাশয় শিক্ষা-সাহিত্যসেৱী, প্ৰকাশক ডাঃ নীলকমল বেজবৰুৱাই গ্ৰন্থ প্ৰকাশকৰ একেষাৰত লিখিছে:

"বৰচৰিত পুথিখনি মূল পদপুথিৰ লগত মিলাই লিপিকাৰৰ প্ৰমাদ যথাসাধ্য দূৰ কৰি ছপাৰ উপযোগী কৰি দিয়াত জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ জ্যেষ্ঠ অধ্যাপক সাহিত্যসেৱী শ্ৰীডিম্বেশ্বৰ দয়াল শৰ্মাদেৱে আমাক বিশেষভাৱে সহায় কৰিছে। শ্ৰীশৰ্মাদেৱে গ্ৰন্থখনিৰ এটি আহল-বহল ভূমিকা লিখি গ্ৰন্থখনি পাঠকৰ আগত বিশেষভাৱে পৰিচিত কৰি দিছে। দীননাথ বেজবৰুৱাৰ জীৱনীটোও শ্ৰীশৰ্মাদেৱেই যুগুত কৰি দিছে। এনে পুৰণি পুথিৰ সম্পাদনা কাৰ্য অতি কষ্টসাধ্য। শৰ্মাদেৱে বিভিন্ন চৰিতপুথিৰ লগত পুথিখনিৰ এটি তুলনামূলক বিচাৰ কৰি পুথিখনিৰ বিশেষত্বখিনি ভূমিকাত দাঙি ধৰাত নিশ্চয় পুথিখনি অধ্যয়ন কৰোঁতে আগ্ৰহী পাঠকসকলে সুবিধা পাব। অধ্যাপক শৰ্মাদেৱলৈ আমি আন্তৰিক ধন্যবাদ জনালোঁ।"

শ্ৰীশ্ৰীকমলাবাৰীৰ সত্ৰাধিকাৰসকলে ৰচনা কৰা আন কেইখনমান উল্লেখযোগ্য গ্ৰন্থ হ'ল— কৃষ্ণকান্তদেৱ অধিকাৰৰ ৰাজসূয়, ৰুক্মিণী হৰণ আৰু দূতী সংবাদ এই তিনিখনি যৌজীয়া নাট ৰচনা কৰাৰ উপৰি তেখেতে সংস্কৃত ভাষাত এটি ৪৮ শাৰীৰ টৌটয় আৰু ২০ শাৰীৰ এটি দশাৱতাৰ স্তোত্ৰ ৰচনা কৰে। এইজনা সত্ৰাধিকাৰ সংস্কৃতত পণ্ডিত আছিল। একালৰ প্ৰতিভাশালী ডেকা সত্ৰাধিকাৰ ধৰ্মকান্তদেৱে দধিমথন আৰু কংসবধ নামে দুখনি যৌজীয়া নাট ৰচনা কৰে। এইজনাৰ অকাল বিয়োগ আছিল সত্ৰৰ বাবে এক অপূৰণীয় ক্ষতি। লক্ষ্মীকান্তদেৱ সত্ৰাধিকাৰে ব্ৰজাৱলী ভাষাত ৰচনা কৰা তিনিখনি নাটক আছিল—

অঘাসুৰ বধ, ভোজন ব্যৱহাৰ আৰু ব্ৰহ্মামোহন; তিনিওখনিয়েই ফৌজীয়া নাট। শ্ৰীশ্ৰী নতুন কমলাবাৰী সত্ৰৰ প্ৰতিষ্ঠাতা সত্ৰাধিকাৰ ধনকান্ত গোস্বামীদেৱে কীচক বধ, মান্ধাতাৰ দান পৰীক্ষা আদি ভালেমান নাট ৰচনা কৰিছিল বুলি জনা যায়।

**শ্ৰীশ্ৰীগড়মূৰ সত্ৰৰ ধৰ্ম-সাহিত্য চৰ্চা :**

মাজুলীৰ তথা অসমৰ ভিতৰে-বাহিৰে বিখ্যাত শ্ৰীশ্ৰীগড়মূৰ সত্ৰ বিভিন্ন দিশৰ পৰা বৈশিষ্ট্যপূৰ্ণ। ৩৫০ বছৰৰ আগতে সুবিখ্যাত ধৰ্মাচাৰ্য বংশীগোপালদেৱৰ ভতিজা জয়হৰিদেৱে প্ৰতিষ্ঠা কৰা এইখনি সত্ৰৰ স্বদেশ-হিতৈষী আৰু মানবতাবাদী কাৰ্য-কলাপৰ কথা অসমৰ ভিতৰে-বাহিৰে সুবিদিত। শ্ৰীশ্ৰীগড়মূৰ সত্ৰ ত্যাগ আৰু কৰ্ম-বিচক্ষণতা, সংস্কৃতি-প্ৰৱণতা আৰু সমাজ-সংস্কাৰমূলক কাৰ্যৰ বাবে বিখ্যাত। এইখনি সত্ৰৰ শ্ৰীশ্ৰীকৃষ্ণৰ সম্পূৰ্ণ ৰাসলীলা আৰু অন্যান্য নাটকৰ অভিনয় অসম-বিখ্যাত। ভাৰতৰ স্বাধীনতা সংগ্ৰামত এইখনি সত্ৰৰ বিপ্লৱী ধৰ্মাধিকাৰ শ্ৰীশ্ৰীপীতাম্বৰদেৱ গোস্বামীয়ে কথাই-কামে যোগদান কৰি নিজে কাৰাবৰণ কৰাৰ উপৰি তেতিয়াৰ ডেকা সত্ৰাধিকাৰ (পাছত অধিকাৰ) শ্ৰীশ্ৰীকৃষ্ণচন্দ্ৰ দেৱ গোস্বামী আৰু অন্যান্য শিষ্যবৰ্গয়ো কাৰাবৰণ কৰিছিল। সত্ৰত বহুতো ধৰ্মীয় গীত আৰু দেশপ্ৰেমমূলক গীতৰ প্ৰচলন আছে যদিও সেইবিলাকৰ সংকলন হোৱা নাই। শ্ৰীশ্ৰীপীতাম্বৰদেৱ গোস্বামীয়ে শ্ৰীশ্ৰীকৃষ্ণৰ সম্পূৰ্ণ ৰাসলীলা নাট ৰচনা কৰাৰ উপৰি বহুসংখ্যক ধৰ্ম-সংস্কাৰমূলক প্ৰবন্ধ প্ৰকাশ কৰি আৰু বিভিন্ন জাতি-সম্প্ৰদায় আৰু জনগোষ্ঠীৰ মাজত প্ৰাণৱন্ত ভাষণ পাঠ কৰি অসমৰ ভিতৰতে নৱজাগৰণৰ সৃষ্টি কৰিছিল। সেইবিলাকৰো পূৰ্ণাংগ সংকলন নহ'ল। বিপ্লৱী সত্ৰাধিকাৰজনাই 'সনাতন ধৰ্মৰ মুখপত্ৰ' নামে এখনি তত্ত্ব আৰু সংস্কাৰমূলক আলোচনী নিজে লিখি আৰু সংকলন সম্পাদনা কৰি শিষ্য-প্ৰশিষ্যসকলৰ মাজত প্ৰচাৰ কৰিছিল। সত্ৰাধিকাৰ পীতাম্বৰদেৱ গোস্বামী ভাৰতৰ স্বাধীনতা যুঁজত অৱতীৰ্ণ হৈ কাৰাগাৰত থাকোঁতে ভাগৱতৰ ভাঙনি কৰিছিল যদিও সংৰক্ষণৰ অভাৱত নষ্ট হ'ল। 'অসমদেশৰ এজন ধাৰখোৱা গোসাঁই ছদ্মনামেৰে তেখেতে সমাজ-ধৰ্ম বিষয়ক এলানি প্ৰবন্ধ লিখিছিল। ১) ধৰ্ম শিখা সমাজ ৰক্ষা, ২) শৰণ-ভজন, ৩) অসমীয়া লখিমী ভঁৰাল, ৪) ধৰ্ম-বাণী আদি। ইয়াৰ উপৰি গড়মূৰ সকসত্ৰৰ দ্ৰোণকান্ত ভাগৱতীয়ে শ্ৰীকৃষ্ণৰ ৰাসলীলা, শ্ৰীকৃষ্ণৰ গুৰু-দক্ষিণা, শাম্বদৈত্য বধ আদি নাটক ৰচনা কৰি সাহিত্যৰ ভঁৰাল সমৃদ্ধ কৰিছে।

সত্ৰৰ পৰা শিষ্যসকলৰ মাজত উদাসীন প্ৰথা উঠাই দিয়াত আৰু প্ৰভুজনাই প্ৰায়ে সত্ৰৰ বাহিৰত থাকি সংস্কাৰ আৰু গঠনমূলক কামত জড়িত থকাত গড়মূৰ সত্ৰৰ সত্ৰীয়া-সাহিত্যৰ উপযুক্ত ৰক্ষণাবেক্ষণ নহ'ল। সেয়েহে এই সত্ৰত ৰচিত ধৰ্মীয় সাহিত্যৰাজিৰ সম্পূৰ্ণ বিৱৰণ দিয়া সম্ভৱ নহয়।

**শ্ৰীশ্ৰীদক্ষিণপাট সত্ৰৰ ধৰ্ম-সাহিত্য চৰ্চা :**

জয়ধ্বজ সিংহ স্বৰ্গদেৱৰ ৰাজত্বকালত মাজুলীৰ দক্ষিণপাটত সাধক ধৰ্মাচাৰ্য শ্ৰীশ্ৰীবনমালীদেৱৰ দ্বাৰা স্থাপিত শ্ৰীশ্ৰীদক্ষিণপাট সত্ৰৰ অসমৰ ধৰ্ম, সাহিত্য আৰু সংস্কৃতি জগতত বিশিষ্ট স্থান আছে। উদাসীন পন্থাৰে যোৱা তিনিশ পঞ্চাশ বছৰতকৈও অধিক কাল নীতি-শৃংখলাৰ মাজত চলি থকা এইখনি সত্ৰই অসমৰ ধৰ্ম, সাহিত্য, সংস্কৃতি আৰু শিক্ষা জগতলৈ বহুতো উল্লেখযোগ্য বৰঙণি আগবঢ়াইছে। সংস্কৃত পণ্ডিত শ্ৰীশ্ৰীবনমালীদেৱে সন্তৰ গুণ বৰ্ণনা কৰি সংস্কৃত ভাষাত অনুপ্ৰাসযুক্ত বাক্যাৱলীৰ এখন সৰ্ববৃহৎ গ্ৰন্থ (অধুনা দুষ্প্ৰাপ্য) ৰচনা কৰিছিল। তেখেতে 'ঘোষা ৰত্ন' নাম দি সংস্কৃতৰ পৰা ধৰ্মতত্ত্ব কিছুমান অসমীয়ালৈ ভাঙনি কৰিছিল। ইয়াৰ উপৰি তেখেতে শ্ৰীকৃষ্ণৰ জন্ম যাত্ৰা, ৰাস প্ৰশংসা আৰু অঘাসুৰ বধ নাট ৰচনা কৰিছিল।

দক্ষিণপাট সত্ৰৰ অষ্টম অধিকাৰ বিষ্ণুদেৱ গোস্বামী অন্ত্ৰিক ক্ৰিয়াপদ্ধতিত সিদ্ধহস্ত আছিল। এইজনা অধিকাৰে তন্ত্ৰ বিষয়ৰ গ্ৰন্থ 'ক্ৰিয়াযোগসাৰ পুৰাণ' প্ৰণয়ন কৰে।

দশম সত্ৰাধিকাৰ বাসুদেৱ গোস্বামীৰ দিনত খুব কম দিনৰ বাবে ডেকা সত্ৰাধিকাৰ হৈ থকা শ্ৰীশুকদেৱ গোস্বামী এগৰাকী সুকবি আৰু সাহিত্যানুৰাগী পুৰুষ আছিল। তেওঁ 'শেষ দশম', 'ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণৰ মায়াখণ্ড' আৰু ভালেমান ঘোষাপদ ৰচনা কৰিছিল।

বাসুদেৱ গোস্বামীয়ে 'অৰিষ্টাসুৰ বধ' নাট আৰু 'ৰাস কীৰ্তন' নাম দি কিছুমান ৰাসৰ গীত ৰচনা কৰে। তেওঁৰ পিতৃদেৱ শ্ৰীদেৱ গোস্বামীয়ে 'কংস বধ' নাট ৰচনা কৰিছিল। এই দুখন নাট আৰু গীত-বাদ্যৰ সমন্বয়ত বাসুদেৱ গোস্বামীৰ দিনৰ পৰাই দক্ষিণপাট সত্ৰত ৰাসলীলা অভিনীত হৈ আহিছে। এয়ে মাজুলীৰ প্ৰাচীনতম ৰাসোৎসৱ। সত্ৰাধিকাৰজনে সংস্কৃতৰ পৰা অনুবাদ কৰি 'অৰ্জুন গীতা' নামৰ এখনি পদপয়াৰৰ পুথিও ৰচনা কৰিছিল।

একাদশ সত্ৰাধিকাৰ শুভদেৱে 'প্ৰভাস যজ্ঞ' নাট ৰচনা কৰে।

দ্বাদশ সত্ৰাধিকাৰ নৰদেৱ গোস্বামীয়ে দামোদৰীয়া ধৰ্ম মতৰ মুখপত্ৰ 'প্ৰদীপিকা' নামৰ আলোচনী প্ৰকাশ কৰিছিল। উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈয়ে এই কাকতখন সম্পাদনা কৰিছিল। নৰদেৱ গোস্বামীয়ে 'দুতী সম্বাদ' নাট ৰচনা কৰিছিল।

চতুৰ্দশ সত্ৰাধিকাৰ হৰিদেৱ গোস্বামীয়ে 'বামণ ভিক্ষা' নাট ৰচনা কৰিছিল।

বৰ্তমান সত্ৰাধিকাৰ শ্ৰীৰমানন্দ গোস্বামীদেৱে শ্ৰীমদ্ভাগৱত আৰু গীতা— এই দুখনি গ্ৰন্থ সৰল অসমীয়া গদ্যলৈ ৰূপান্তৰ কৰিছে। তেওঁৰ ৰচিত নাটক দুখন হৈছে : ১) ভগীৰথৰ গংগা আনয়ন আৰু ২) শঙ্খচূড় বধ। ৰাসোৎসৱৰ ভাষণাৱলী তেওঁৰ উল্লেখযোগ্য অৱদান।

সত্ৰীয়া বৈষ্ণৱ নিত্যানন্দ বৰপূজাৰীয়ে 'কৰ্ণপৰ্ব' আৰু 'ৰাম পৰাজয়' নাট ৰচনা কৰে। সত্ৰীয়া বৈষ্ণৱ টংকেশ্বৰ বৰভাগৱতীৰ নাটসমূহ হৈছে : 'বীৰবাহু বধ' আৰু 'দ্ৰৌপদীৰ বস্ত্ৰ হৰণ'। ধীৰেশ্বৰ দেৱশৰ্মাই 'ভীষ্মৰ শৰশয্যা' আৰু পৰশুৰামৰ মাতৃহত্যা' নাট ৰচনা কৰে।

গৃহস্থীসত্ৰৰ প্ৰয়াত অধিকাৰ লোকনাথ গোস্বামীয়ে 'দণ্ডীপৰ্ব' নাট ৰচনা কৰে।

শ্ৰীকেশৱ চন্দ্ৰ শৰ্মাফুকনৰ 'ভাৰত ভ্ৰমণ আৰু তীৰ্থ দৰ্শন' এখন অমূল্য ভ্ৰমণ সাহিত্য। বেণুধৰ শৰ্মা বিৰচিত 'দক্ষিণপাট সত্ৰ' এখন তথ্যসমৃদ্ধ ইতিহাস।

**বেঙেনাআটী সত্ৰৰ অৱদান :**

অসমীয়া নাট্য-সাহিত্যলৈ বেঙেনাআটী সত্ৰৰ অৱদানো লেখত ল'বলগীয়া। এই গৃহস্থী সত্ৰৰ উদাসীন সত্ৰাধিকাৰ ৰমাকান্তদেৱে এইকেইখন নাট ৰচনা কৰে— ১) দক্ষ যজ্ঞ, ২) প্ৰভাস যজ্ঞ, ৩) নৌকাখণ্ড, ৪) পাৰ্থ পৰাজয়, ৫) বলিছলন, ৬) শ্ৰীকৃষ্ণৰ কালীৰূপ ধাৰণ, ৭) ৰাসখণ্ড ৮) সুৰথ, ৯) বিজয় বসন্ত, ১০) ধ্ৰুৱ চৰিত্ৰ, ১১) কৰ্ণপৰ্ব।

পূৰ্ণানন্দদেৱে ৰচনা কৰা নাটসমূহ হৈছে : ১) দ্ৰোণপৰ্ব অভিমন্যু বধ, ২) বিৰাট পৰ্ব, ৩) যুধিষ্ঠিৰৰ ৰাজসূয় যজ্ঞ, ৪) প্ৰবীৰ পতন, ৫) পৰশুৰামৰ মাতৃহত্যা, কাৰ্তবীৰ্যাৰ্জুনৰ সংহাৰ, ৬) ৰামৰ অশ্বমেধ যজ্ঞ, ৭) কৃষ্ণৰ জন্মলীলা, ৮) নৰকাসুৰ বধ, ৯) দধিমথন, ১০) ব্ৰহ্মমোহন, ১১) কলংক ভঞ্জন, ১২) ভীষ্মৰ শৰশয্যা, ১৩) হৰিশ্চন্দ্ৰ উপাখ্যান, ১৪) সীতাহৰণ।

প্ৰয়াত সত্ৰাধিকাৰ লক্ষ্মীকান্তদেৱে ৰচনা কৰা নাটসমূহ হৈছে— ১) অনুধ্বজৰ হৰিসাধন, ২) বৃত্ৰাসুৰৰ উৎপত্তি আৰু ৩) স্যমন্ত হৰণ।

ভোগপুৰ সত্ৰৰ ভোলাৰাম ভূঞাই প্ৰণয়ন কৰা 'শ্ৰীশ্ৰীভোগপুৰ সত্ৰৰ চমু ইতিবৃত্ত' প্ৰকাশিত হৈছে। মায়ামৰা বৈষ্ণৱ সম্প্ৰদায়ৰ লোকসকলৰ মাজত শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ আৰু তেৰাৰ বংশধৰসকলৰ ৰচিত গীত-পদ-ঘোষা আদিৰ আৰু মৃদঙীয়া বায়নৰ বিশেষ প্ৰচলন আছে।

**শ্ৰীশ্ৰীশংকৰদেৱ-মাধৱদেৱ আৰু বৰ্তমানৰ মাজুলী :**

তেতিয়াও বৰ্তমানৰ মাজুলীৰ সৃষ্টি হোৱা নাছিল যদিও মহাপুৰুষ শ্ৰীশংকৰদেৱে ৭৩ বছৰ বয়সৰ পৰা ৮৭ বছৰ বয়সলৈকে প্ৰায় ১৪ বছৰ কাল বেলগুৰি ধুঁৱাহাটত বাস কৰিছিল বুলি কথা গুৰুচৰিত আদি চৰিতপুথিত উল্লেখ আছে। এই বেলগুৰি (ধুঁৱাহাট) বৰ্তমান মাজুলীৰ অন্তৰ্গত স্থান আছিল। এইছোৱা কালত মহাপুৰুষজনাই কাব্য, নাটক, বিখ্যাত কীৰ্তন পুথিৰ বিভিন্ন খণ্ড আৰু বৰগীত ৰচনা কৰিছিল। এইছোৱা কাল গুৰুজনাৰ সৰ্বশ্ৰেষ্ঠ কীৰ্তি বিকাশৰ কাল। ইয়াতেই দ্বিতীয়জনা মহাপুৰুষ মাধৱদেৱৰ লগতো মিলন হৈ মণি-কাঞ্চন যোগ ঘটিছিল। এই সময়ছোৱা আছিল আনুমানিক ১৫২২ খ্ৰী:ৰ পৰা ১৫৩৬ খ্ৰী: মানৰ ভিতৰত। এই বিষয়ে 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত'ৰ লেখ ড° সত্যেন্দ্ৰনাথ শৰ্মাই লিখিছে—

"খ্ৰীষ্টীয় ষোড়শ শতাব্দীৰ দ্বিতীয়-তৃতীয় দশকমানত কছাৰীৰ উপদ্ৰৱত ব্ৰহ্মপুত্ৰ পাৰ হৈ ভূঞাসকলৰ সৈতে শংকৰদেৱে আহোম ৰাজ্যৰ উত্তৰপাৰে গাংমৌ আৰু পাছত ধুঁৱাহাট বেলগুৰিত বসতি কৰিবলৈ লয়। ইয়াতে মাধৱদেৱৰ লগত তেখেতৰ মিলন হয়। এই মিলনে অসমৰ ধৰ্ম আৰু সাহিত্যৰ ক্ষেত্ৰত যুগান্তকাৰী অভ্যুত্থানৰ সূচনা কৰে। ই যেনিবা মণি-কাঞ্চনৰ সংযোগ; কাৰণ ইয়াত এহাতে আছে নৰনাৰায়ণৰ সখ্যভাব আৰু আনহাতে আছে কৃষ্ণৰ প্ৰতি উদ্ধৱৰ দাস্যভাৱ। আমি যেনেকৈ শংকৰদেৱক বাদ দি মাধৱদেৱৰ ব্যক্তিত্বৰ কথা ভাবিব নোৱাৰোঁ, তেনেকৈ মাধৱবিহীন শংকৰদেৱৰো পূৰ্ণাংগ চিত্ৰ পাব নোৱাৰোঁ।"

শংকৰ-মাধৱৰ মণি-কাঞ্চন যোগ ঘটা আৰু ধৰ্ম-সাহিত্য-সংস্কৃতিৰ উৎকৰ্ষ সাধনৰ পবিত্ৰ ভূমি বেলগুৰি-ধুঁৱাহাট বৰ্তমান

মাজুলীৰে স্থান আছিল। এই বিষয়ত অৱশ্যে ভিন্নজনৰ ভিন্নমত থাকিব পাৰে। আমাৰ মতে ষোড়শ শতিকাৰ দ্বিতীয়-তৃতীয় দশক অৰ্থাৎ এতিয়াৰ পৰা ৪৭৯ বছৰৰ আগতেই মহাপুৰুষ দুজনাৰ অমৃতময় লিখনিৰ যোগেদিয়েই মাজুলীৰ ধৰ্ম-সাহিত্য আৰু বৈষ্ণৱ-সংস্কৃতিৰ চৰ্চা, অনুশীলন আৰম্ভ হৈছিল।

**শ্ৰীশ্ৰীআঁহতগুৰি সত্ৰৰ ৰমানন্দ দ্বিজ :**

অসমৰ বৈষ্ণৱ ধৰ্মৰ ভিতৰত মহাপুৰুষ মাধৱদেৱৰ অন্যতম প্ৰপন্ন শিষ্য ভৱানীপুৰীয়া গোপাল আতাৰ দ্বাৰা প্ৰৱৰ্তিত বৈষ্ণৱধৰ্মৰ কাল-সংহতিৰ বাৰ আতাৰ অন্যতম ব্ৰাহ্মণ ধৰ্মাচাৰ্য শ্ৰীৰাম আতাৰ দ্বাৰা প্ৰতিষ্ঠিত মাজুলী আঁহতগুৰি সত্ৰৰে প্ৰতিভাশালী ধৰ্মাচাৰ্য ৰমানন্দ দ্বিজে 'গুৰুচৰিত' পদপুথি ৰচনা কৰে। এই পুথিত শংকৰদেৱ-মাধৱদেৱ মহাপুৰুষ দুজনাৰ চৰিত্ৰৰ উপৰি আতাসকলৰ চৰিত্ৰও সন্নিবিষ্ট হৈছে। ৰমানন্দই আহোম যুগৰ এজন প্ৰতাপী ৰাজ-বিষয়া আতন বুঢ়াগোহাঁইৰ পৰা চৰিতপুথি ৰচনাত উদ্গনি পাইছিল। ভৱানীপুৰীয়া গোপাল আতাৰো এখনি পদ-চৰিতপুথি ৰমানন্দই ৰচনা কৰিছিল। পিতৃ শ্ৰীৰাম আতা আৰু পুত্ৰ ৰমানন্দ উভয়ে বৰগীতৰ আৰ্হিত ভালেখিনি গীতো ৰচনা কৰিছিল। ৰমানন্দ দ্বিজ সপ্তদশ শতিকাৰ শেষাৰ্ধৰ অৰ্থাৎ এতিয়াৰ পৰা প্ৰায় ৩৫০ বছৰৰ আগৰ কবি বুলি ড° সত্যেন্দ্ৰনাথ শৰ্মাই 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত'ত উল্লেখ কৰিছে।

প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে এই আঁহতগুৰি নামে ঠাইতে পিতৃ-মাতৃয়ে (দীননাথ বেজবৰুৱা আৰু থানেশ্বৰী দেৱী) নৌকা যাত্ৰাৰে বৰপেটালৈ গৈ থাকোঁতে মহাবাহু ব্ৰহ্মপুত্ৰৰ বালিত সাহিত্যৰথী ৰসৰাজ বেজবৰুৱাৰ ১৮৬৪ খ্ৰী:ৰ কাতি মাহৰ লক্ষ্মীপূৰ্ণিমাৰ ৰাতি জন্ম হৈছিল বুলি বেজবৰুৱাই নিজৰ জীৱন সোঁৱৰণত উল্লেখ কৰিছে।

পুণ্যভূমি মাজুলীৰ ধৰ্ম, সাহিত্য, সংস্কৃতিয়ে যোৱা চাৰি শতাধিক বছৰে অসমক গৌৰৱান্বিত কৰি আহিছে আৰু চিৰকাললৈ কৰি থাকিব বুলি ক'ব পৰা যায়।

---

**সহায় লোৱা গ্ৰন্থ :**

১। 'আউনীআটি সত্ৰৰ বুৰঞ্জী' — তীৰ্থনাথ শৰ্মা।

২। 'সত্ৰীয়া সংস্কৃতিৰ স্বৰ্ণৰেখা' — শ্ৰীনাৰায়ণ চন্দ্ৰ গোস্বামী, সত্ৰাধিকাৰ, কমলাবাৰী সত্ৰ।

## মাজুলীৰ নৃত্য-সম্ভাৰ

মহাবাহু ব্ৰহ্মপুত্ৰৰ বুকুত অৱস্থিত সুজলা-সুফলা মাজুলীৰ ভৌগোলিক বৈশিষ্ট্যৰ বাহিৰেও অন্য এক বৈশিষ্ট্য আছে। সি হ'ল--- মাজুলী অসমীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ স্বৰূপ। সংস্কৃতিৰ পৰিভাষাই যদিও এটা জাতি বা এটা জনগোষ্ঠীৰ সমগ্ৰ শৈল্পিক চেতনাৰ প্ৰতিনিধিত্ব কৰে, তাৰ ভিতৰত সাহিত্য, সংগীত, নৃত্য আৰু চিত্ৰকলা প্ৰধান। সংস্কৃতিৰ এই চতুৰংগ উপাদানৰ ভিতৰত নৃত্য প্ৰাচীনতম আৰু বৈচিত্ৰ্যময়। ইয়াৰ মাজেদি এটা জাতিৰ অথবা এটা জনগোষ্ঠীৰ জীৱন-ধাৰণ প্ৰণালী আৰু নান্দনিক চেতনাৰ প্ৰতিফলন ঘটে। জীৱন-ধাৰণ প্ৰণালীৰ ভিন্নতা আৰু শৈল্পিক চেতনাৰ মানদণ্ড অনুযায়ী সেয়েহে নৃত্য দুইপ্ৰকাৰ বুলি বিবেচিত হৈছে— লোকনৃত্য আৰু শাস্ত্ৰীয় বা ধ্ৰুপদী নৃত্য। জন-জীৱনৰ আৰ্থ-সামাজিক দিশৰ প্ৰতিফলন ঘটা অনাড়ম্বৰী সহজ-সৰল নৃত্যৰ নাম লোকনৃত্য আৰু সূক্ষ্ম কলামণ্ডিত বুদ্ধিদীপ্ত মনৰ পৰিচয় ঘটা আড়ম্বৰী নৃত্যধাৰাৰ নাম শাস্ত্ৰীয় নৃত্য। এখন সমাজত দুয়োবিধ নৃত্যই সহ অৱস্থান কৰি থাকে। লোকনৃত্য জন-জীৱনৰ প্ৰতিনিধিত্ব কৰে আৰু শাস্ত্ৰীয় নৃত্যই বুদ্ধিদীপ্ত মনৰ এটা চামৰ শৈল্পিক চেতনাৰ প্ৰতিফলনেৰে ইয়াক আঞ্চলিকতাৰ সীমাৰেখা অতিক্ৰম কৰাই সাৰ্বজনীনতাৰ বিশাল পৰিধিলৈ আগবঢ়াই লৈ যায়। সমাজত দুয়োবিধ নৃত্যৰে আদৰ থাকিলেও প্ৰথম বিধতকৈ অৱশ্যে দ্বিতীয়বিধ অধিক কলাত্মক আৰু ই সমাজখনৰ অথবা জাতিটোৰ সূক্ষ্ম কলাত্মক চিন্তাৰ প্ৰতিফলন ঘটায়। মাজুলীত লোক আৰু শাস্ত্ৰীয়— এই দুয়োবিধ নৃত্যৰে সমাবেশ ঘটিছে। অৱশ্যে এই ভূখণ্ড প্ৰথম বিধতকৈ দ্বিতীয়বিধ নৃত্যৰ বাবেহে প্ৰখ্যাত; যিটোৱে মাজুলীক এক বিশেষ মহত্ব প্ৰদান কৰিছে। বৰ্তমান সৰ্বভাৰতীয় প্ৰেক্ষাপটত ভাৰতৰ এক অন্যতম বিশিষ্ট নৃত্যধাৰালৈ বুলি নিজৰ স্থান নিশ্চিত কৰিবলৈ সমৰ্থ হোৱা সত্ৰীয়া নৃত্যৰ প্ৰাণকেন্দ্ৰ এই মাজুলী। আহোম স্বৰ্গদেউসকলৰ দিনৰে পৰাই মাজুলী বৈষ্ণৱ ধৰ্ম আৰু কলা-কৃষ্টিৰ এক কেন্দ্ৰস্থল বুলি বিবেচিত হৈ আহিছে। যুগান্তকাৰী বৈষ্ণৱ আন্দোলনৰ জন্মদাতা মহাপুৰুষ শংকৰদেৱ আৰু যোগ্য শিষ্য মাধৱদেৱৰ মণি-কাঞ্চন সংযোগ স্থল এই মাজুলীয়েই। ব্ৰহ্মপুত্ৰৰ বুকুত এই সামান্য ভূখণ্ডয়েই বৈষ্ণৱ ধৰ্ম আৰু কলা-সংস্কৃতিৰ ধাৰক-বাহক স্বৰূপ সত্ৰানুষ্ঠানসমূহৰ প্ৰায়

৫০খনৰ অধিক সত্ৰৰ অৱস্থিতি আছিল। ৰজাঘৰীয়া পৃষ্ঠপোষকতা লাভ কৰা প্ৰায়কেইখন সত্ৰ এই মাজুলীতেই প্ৰতিষ্ঠিত। মাজুলীৰ এই সত্ৰসমূহত থকা শ শ ভক্তই আত্মোৎসৰ্গেৰে আৰু জীৱনজোৰা সাধনাৰে বিগত পাঁচশ বছৰে মাজুলীত যি অবিচ্ছিন্ন নৃত্য পৰম্পৰাৰ সৃষ্টি কৰি আহিছে, তেনে পাঁচশ বছৰীয়া অবিচ্ছিন্ন পৰম্পৰা ভাৰতৰ অন্যকেইটি নৃত্যধাৰাত যে আছে, সি সন্দেহৰ বিষয়। ইয়াৰ বাহিৰেও ইতিমধ্যে লুপ্ত হোৱা প্ৰাচীন অসমৰ দেৱদাসী নৃত্য আৰু ক্ৰমান্বয়ে লুপ্ত হ'বলৈ ধৰা ওজাপালি নৃত্যই এই ভূখণ্ডত এক অভিনৱ ৰূপত আত্মপ্ৰকাশ কৰি আছে। দেৱদাসী আৰু ওজাপালি নৃত্যৰ এই অভিনৱ ৰূপৰ প্ৰচলন মাজুলীৰ বাহিৰে অন্য স্থানত পাবলৈ নাই। বৰপেটা সত্ৰত এক প্ৰাক্-শংকৰী যুগৰ পৰা চলি অহা ব্যাহগোৱা ওজাপালিয়ে ব্যাসকীৰ্তন নামেৰে কিছু অভিনৱ ৰূপত আত্মপ্ৰকাশ কৰিলেও মাজুলীত প্ৰচলিত বিয়হীয়া ওজাপালি তাতকৈ কিছু পৃথক।

শাস্ত্ৰীয় নৃত্যৰ ক্ষেত্ৰত মাজুলীয়ে এই বিশিষ্ট ভূমিকা পালন কৰিলেও লোকনৃত্যৰ ক্ষেত্ৰত যে মাজুলী পিছপৰা এনে নহয়। মাজুলী চুতীয়া, কোঁচ, কছাৰী, মিচিং, দেউৰী, আহোম, ব্ৰাহ্মণ, কলিতা, কৈৱৰ্ত, নাথ, কায়স্থ আদি বিভিন্ন বৰ্ণ বা গোষ্ঠীৰ লোকৰ নিবাস স্থান। ইয়াৰ বহুকেইটি বৰ্ণ বা গোষ্ঠীৰ সংস্কৃতি অসমৰ লোক-সংস্কৃতিৰ মূল সুঁতিটোৰ লগত মিলি গ'লেও কেইবাটাও জনজাতীয় গোষ্ঠীয়ে কিছু কিছু ক্ষেত্ৰত নিজৰ বৈশিষ্ট্য অটুট ৰাখি আহিছে। ফলত মাজুলীত এক বৰ্ণাঢ্য লোক-সংস্কৃতিয়ে গা-কৰি উঠিছে; যাৰ আধাৰত বিভিন্ন ধৰণৰ লোকনৃত্যই গঢ় লৈ উঠিবলৈ অৱকাশ পাইছে।

**(ক) মাজুলীৰ লোকনৃত্য-সম্ভাৰ :**

কৃষি উপযোগী বন্যাবিধৌত মাজুলীৰ লোকসকলৰ প্ৰধান উপজীৱ্য কৃষি। গতিকে কৃষিভিত্তিক জীৱনক লৈ গঢ় লৈ উঠা নৃত্য-গীতেৰে মাজুলী সমৃদ্ধ। মাজুলীত বসবাস কৰা জনজাতীয় লোকসকলে তেওঁলোকৰ গুটি সিঁচা, শস্য চপোৱা আদি বিভিন্ন কৃষি-কাৰ্যত নৃত্য-গীতক এক অবিচ্ছেদ্য অংগৰূপে গণ্য কৰি আহিছে। ইয়াৰ বাহিৰেও জনজাতীয় লোকসকলে তেওঁলোকৰ ধৰ্ম সাধনাৰ অংগ স্বৰূপে কিছুমান লোকনৃত্যৰ গঢ় দি তুলিছে। গতিকে কৃষি আৰু ধৰ্ম-সাধনা উভয়ৰে ভিত্তিত মাজুলীত যথেষ্ট সংখ্যক লোকনৃত্যৰ প্ৰচলন হৈ আছে। অৱশ্যে এই লোকনৃত্যসমূহৰ কিছুমান অসমৰ উমৈহতীয়া নৃত্যসম্ভাৰ আৰু কিছুমান জনজাতীয় লোকসকলৰ নিজা।

**উমৈহতীয়া লোকনৃত্য—বিহু :**

কৃষিজীৱী অসমীয়াৰ জাতীয় উৎসৱ বিহুক কেন্দ্ৰ কৰি গঢ় লৈ উঠা বিহুনাচ সমগ্ৰ অসমৰ লগতে মাজুলীৰো প্ৰধান লোকনৃত্য। অৱশ্যে উজনি অসমৰ অন্য ঠাইত বিহু নাচৰ যি পয়োভৰ পৰিলক্ষিত হয়, সত্ৰীয়া সংগীতৰ প্ৰাদুৰ্ভাবৰ কাৰণেই হয়তো মাজুলীত বিহু নাচৰ তেনে পয়োভৰ দেখিবলৈ পোৱা নাযায়। তথাপিতো বিহুনাচ মাজুলীৰ সংস্কৃতি প্ৰৱাহৰ অন্যতম প্ৰধান সুঁতি। সমগ্ৰ অসমজুৰি ইতিমধ্যে বিহু নাচৰ যি মান্য ৰূপ গঢ় লৈ উঠিছে সেই মান্যৰূপৰ বিহু নাচেই মাজুলীৰো লোকনৃত্য। অৱশ্যে এই মান্য ৰূপৰ বিহু নাচৰ মাজুলীৰ জনজাতীয় লোকসকলতকৈ অজনজাতীয় লোকসকলৰ মাজতহে সংঘালনিভাৱে প্ৰচলন হৈ আছে। মাজুলীৰ জনজাতীয় লোকসকলে তেওঁলোকৰ নিজৰ ভাষা আৰু সংস্কৃতিৰ কিছু বৈশিষ্ট্য ৰক্ষা কৰি অহাৰ কাৰণে এই বিহুনাচে কেইবাটিও স্বকীয় ৰূপত আত্মপ্ৰকাশ কৰিছে। দৰাচলতে এই ভিন্ন ৰূপবোৰৰ মাজত কোনো মৌলিক পাৰ্থক্য নাই; কিন্তু নাচৰ গীতৰ ভাষা, ঢোলৰ ছেও আৰু চাপৰ, গোষ্ঠীগত সাজ-পাৰ, দেহভংগীৰ কিছু বিশেষ লক্ষণ আদিয়ে এটা ভিন্ন ৰূপৰ ভাব মনলৈ আনি নিদিয়াকৈ নাথাকে। গতিকে মাজুলীত তলত দিয়া ধৰণে বিহুনাচৰ প্ৰচলনৰ অৱলোকন কৰিব পৰা যায়।

ক) অজনজাতীয় মান্য ৰূপৰ বিহুনাচ।
খ) মিচিং বিহুনাচ।
গ) দেউৰী বিহুনাচ।
ঘ) সোণোৱাল কছাৰী বিহুনাচ।

**অজনজাতীয় মান্য ৰূপৰ বিহুনাচ :** আধুনিক অসমীয়া সংস্কৃতি প্ৰধানভাৱে আৰ্য সংস্কৃতিৰ লগত জনজাতীয় সংস্কৃতিৰ সমন্বয় ঘটি গঢ় লৈ উঠা এক অভিনৱ সংস্কৃতি। গতিকে অসমৰ প্ৰধান লোকনৃত্য বিহুনাচৰ আৰ্য উপাদানৰ লগত জনজাতীয় উপাদানৰ সংমিশ্ৰণ (fusion)ত গঢ় লৈ উঠা নাচ। এই অভিনৱ ৰূপত জনজাতীয় নাচৰ উপাদান নিহিত হৈ থাকিলেও সেইবোৰ একীভূত হৈ জনজাতীয় লোকসকলৰ প্ৰচলিত বিহু নাচতকৈ কিছু পৃথক যেন হৈ পৰিছে। এই বিচিত্ৰ নৱ ৰূপটোৱেই বৰ্তমান বিহুৰ মান্য (standard) ৰূপ। বহুল

অৰ্থাত ই সমগ্ৰ অসমীয়া জাতিৰেই নৃত্যসম্ভাৰ আৰু মাজুলীত বসবাস কৰি থকা জনজাতীয় লোকসকলো এই বিহুনাচৰ অংশীদাৰ। অৱশ্যে তেওঁলোকে কিছু স্বকীয় বৈশিষ্ট্যৰে বিহু নৃত্য-গীতৰ প্ৰচলন ঘটাই থকাত বিহুৰ মান্য ৰূপটো বৰ্তমান কেৱল অজনজাতীয় লোকসকলৰহে নৃত্যসম্ভাৰ যেন হৈ পৰিছে। তথাপিতো বিহু নৃত্য-গীতৰ এই মান্য ৰূপটোৱে জনজাতি আৰু অজনজাতি নিৰ্বিশেষে সকলোকে সামৰি লৈছে। কাৰণ অসমৰ মনোৰম প্ৰকৃতি, কৃষি-জীৱনৰ সিৰা-উপসিৰা স্বৰূপ চিৰিলুইত আৰু ইয়াৰ উপনদীসমূহ, কৃষকৰ আশা-আকাংক্ষাৰ থল অসমৰ মুকলি পথাৰ, এই মুকলি পথাৰৰ উৰ্বৰতা আৰু স্বচ্ছন্দতাই ডেকা-গাভৰুৰ মনলৈ আনি দিয়া প্ৰেমৰ উন্মেষ, কৃষক-জীৱনৰ ভৱিষ্যতৰ সুখ-সম্ভোগৰ পৰিকল্পনা আদি এই নৃত্য-গীতৰ প্ৰতিপাদ্য। পূৰ্বাঞ্চলৰ জনজাতিসকলৰ নৃত্য ৰচনাৰ প্ৰধান উপাদান উলাহ, হালি, জাঁপ, বাঁওপকীয়া (Anti-clockwise) পাক আৰু হস্ত, বক্ষ, নিতম্ব আদিৰ মুক্ত সঞ্চালন এই নৃত্যৰ প্ৰধান বৈশিষ্ট্য। সেইদৰে জনজাতীয়সকলৰ গীতৰ ক্ষেত্ৰত থকা মুকলি-মূৰীয়া সুৰ, উকি, সুহুৰি আদি এই বিহুনাচত প্ৰয়োগ হোৱা গীতৰো অন্যতম প্ৰধান উপাদান। বাদ্যযন্ত্ৰৰ ক্ষেত্ৰতো বিহুনাচত প্ৰয়োগ হোৱা ঢোল, পেঁপা, গগনা পূৰ্বাঞ্চলৰ প্ৰায়বোৰ জনজাতীয় লোকৰে নৃত্যৰ বাদ্য সামগ্ৰী।

**মিচিং বিহুনাচ :** মাজুলীত বৰ্তমান যথেষ্ট পৰিমাণে মিচিং জনজাতিসকলে বাস কৰে (মুঠ জনসংখ্যাৰ শতকৰা প্ৰায় ৪৭ ভাগ)। গতিকে মাজুলীত মিচিং বিহুৰ প্ৰচলন ব্যাপক। এই ব্যাপকতাৰ বাহিৰেও মিচিং বিহু নান্দনিক আৰু কলাত্মকভাৱে যথেষ্ট উন্নত। মান্য বিহুনাচৰ লগত মিচিং বিহুনাচৰ প্ৰধান পাৰ্থক্য আহি পৰিছে এই নাচৰ গীতৰ ভাষাৰ ক্ষেত্ৰত। মান্য বিহুনাচৰ গীতৰ ভাষা অসমীয়া; কিন্তু মিচিং বিহুনাচৰ গীতৰ ভাষা তেওঁলোকৰ নিজৰ মৌখিক ভাষা বা দোৱান। অৱশ্যে মুকলিমূৰীয়া আৰু ওপৰ-সুৰীয়া সুৰ উভয় গীততে বিদ্যমান। সাজ-পোছাকৰ ক্ষেত্ৰতো মিচিং বিহুৰ স্বকীয়তা আছে। মিচিং বিহুৰ নাচনীয়ে তেওঁলোকৰ নিজা ৰং আৰু ফুলৰ চানেকিৰে জাক-জমকীয়াকৈ তৈয়াৰ কৰা কাপোৰ (ৰিবিগাচৌ) পিন্ধিহে নাচ প্ৰদৰ্শন কৰে। নদীৰ চলনৰ আৰ্হিত হস্তৰ সাৱলীল আৰু মুক্ত সঞ্চালন, শৰীৰৰ ওপৰ অংশৰ লগত নিতম্বৰ বিপৰীতমুখী চলন, বাঁওহতীয়া ঘূৰণ, উলাহ, হালি, জাঁপ, খুপিবুলন (খুপি খুপি যোৱা আৰ্হিৰ) আদি এই নৃত্যৰ উল্লেখনীয় লক্ষণ। অৱশ্যে এই লক্ষণবোৰ মান্য বিহুনাচতো বিদ্যমান। মান্য বিহুনাচত উদ্দামতা যি পৰিমাণে পৰিলক্ষিত হয়, মিচিং বিহুনাচত তেনে উদ্দামতা সীমিত; বৰং এই নাচৰ দেহ-ভংগীত বহু সময়ত লাস্য ভাবৰহে প্ৰতিফলন ঘটে। সেয়েহে মান্য বিহুনাচত উলম্বভাৱে (দেহটো পোনাই) নচাৰ বিপৰীতে মিচিং বিহুনাচত নাচনীয়ে দেহটো কিছু হাওলাই নচাৰ প্ৰৱণতাহে অধিক। মিচিং বিহুনাচত হস্তৰ মুক্ত বিক্ষেপণ থাকিলেও ইয়াক মূৰৰ বৰ বেছি ওপৰলৈ তোলা নহয়; সাধাৰণতে ই বাহু আৰু মূৰৰ সামান্য উচ্চতাতে আবদ্ধ থাকে। মান্য বিহুনাচত হাতৰ আঙুলিবোৰ লগ-লগাই তলুৱাখন মণিবন্ধত ভাঙি ভাঙি নচাৰ প্ৰবৃত্তিৰ বিপৰীতে মিচিং বিহুনাচত হাতৰ আঙুলিবোৰ পকাই পকাই (সত্ৰীয়া নাচৰ পল্লৱ হস্তৰ আৰ্হিত) নচাৰ প্ৰৱণতাহে বেছি। পদ-চালনৰ ক্ষেত্ৰতো মিচিং বিহুৰ এটা নিজা বৈশিষ্ট্য আছে। এই বিহুত নাচনীয়ে উলাহেৰে ভৰি পেলাই চুটি চুটি খোজ দি নচাৰহে নিয়ম। মান্য বিহুৰ নাচনীয়ে ভৰি কেতিয়াবা কিছু ওপৰলৈ তোলাত বৰ বেছি বাধা নাই; কিন্তু মিচিং বিহুৰ নাচনীয়ে কোনো পৰিৱেশতে ভৰি ওপৰলৈ দাঙিব নোৱাৰে। গিৰিপনি মাৰিলেও তাক মৃদুভাৱে মৰাৰহে নিয়ম। দেহ-সঞ্চালনৰ ক্ষেত্ৰতো মান্য বিহুৰ তুলনাত এই বিহুনাচত যৌৱনোদ্দীপক অংগী-ভংগীৰ সঞ্চালন কিছু কম। ইয়াৰ বিপৰীতে এই নাচত কঠীয়াতোলা, ভুঁইৰোৱা, ধান কটা, কাপোৰ বোৱা আদি কৃষি-জীৱনৰ বিভিন্ন অৱস্থাৰ ৰূপায়ণ কৰা হয়। মিচিং বিহুনাচৰ কাৰণে মিচিংসকলে নিজা চেও আৰু চাপৰ ৰচনা কৰি লৈছে।

**দেউৰী বিহুনাচ :** মাজুলীত দেউৰীলোকৰ সংখ্যা বৰ বেছি নহয়। তথাপি তেওঁলোকে বিহু আৰু বিহুনাচৰ ক্ষেত্ৰত কিছু স্বকীয়তা ৰক্ষা কৰি আহিছে। নৃত্যৰ প্ৰচলন থকা দেউৰীসকলৰ 'বহাগীয়া বিছু' অসমৰ প্ৰচলিত বিহুৰ একেসময়তে অনুষ্ঠিত নহ'বও পাৰে। সংক্ৰান্তিৰ দিনা বুধবাৰ নহ'লে তেওঁলোকে বিহু নাপাতে। বিহু প্ৰধানতঃ কৃষি উৎসৱ হ'লেও দেউৰীসকলে ইয়াৰ লগত কিছু ধৰ্ম-বিশ্বাস জড়িত কৰি ৰাখিছে; ফলত মান্য বিহুৰ তুলনাত দেউৰী বিহুত নৃত্য-গীতৰ মাজেদি যৌন-জীৱনৰ উদ্দাম, কামনা-বাসনাৰ প্ৰতিফলন বৰ বেছিকৈ নঘটে। অৱশ্যে মান্য বিহুনাচৰ গীতৰ দৰে মুকলিমূৰীয়া সুৰ, তান আদি এই বিহুনাচৰ প্ৰধান বৈশিষ্ট্য। আহাৰ্য (পোছাক-পৰিচ্ছদ)ৰ ক্ষেত্ৰতো দেউৰী নাচনীয়ে কিছু স্বকীয়তা ৰক্ষা কৰি আহিছে। তেওঁলোকে ৰিহা-মেখেলা

আদি পৰিধান কৰিলেও ইয়াক বুকুত মেঠনি মাৰি পিন্ধাৰহে নিয়ম। মূৰত গামোছাৰ গোপা বন্ধাত এওঁলোকে যথেষ্ট গুৰুত্ব দিয়ে। হস্ত-বিক্ষেপণ আৰু দেহ-ভংগীৰ ক্ষেত্ৰতো তেওঁলোকৰ কিছুমান বৈশিষ্ট্য আছে। মিচিং বিহুত হাউলি নচাৰ বিপৰীতে দেউৰী বিহুৰ নাচনীৰ উলম্বভাৱে নচাৰ প্ৰৱণতা অধিক। দেউৰী বিহুৰ নাচনীয়ে হাতখন মূৰৰ ওপৰলৈ তোলাত বাধা নাই। তেওঁলোকৰ মাজত ম'হৰ শিঙৰ আহিঁত অৰ্ধবৃত্তাকাৰে হস্ত-বিক্ষেপণ কৰাৰ ৰীতি প্ৰবল। দেহৰ ওপৰ অংশৰ লগত নিতম্বৰ বিপৰীতমুখী চলন অন্য বিহুনাচত যি পৰিমাণে দেখা যায়, দেউৰী বিহুনাচত তেনে চলন সীমিত। নৃত্য-গীতৰ ছন্দ ধাতুৰ নিৰ্মিত তালেৰে ৰখাৰ পৰিৱৰ্তে দেউৰীসকলে বাঁহত আঘাত কৰি তাল ৰখাৰ ওপৰতহে গুৰুত্ব আৰোপ কৰে। অন্য বিহুনাচৰ দৰে হালি, উলাহ, জাঁপ আদি এওঁলোকৰো বিহুনাচৰ বৈশিষ্ট্য।

**সোণোৱাল কছাৰীৰ বিহুনাচ :** কছাৰীসকলৰ বিভিন্ন ভাগৰ ভিতৰত মাজুলীত কেৱল সোণোৱাল কছাৰীসকলেহে বাস কৰি আছে। সংখ্যাৰ ফালৰ পৰাও এওঁলোকৰ সংখ্যা বৰ বুজন পৰিমাণৰ নহয়। ইয়াৰ বাহিৰেও তেওঁলোকে পূৰ্বৰ ধৰ্ম আৰু ভাষা ত্যাগ কৰি হিন্দু ধৰ্ম আৰু অসমীয়া ভাষা গ্ৰহণ কৰা কাৰণে তেওঁলোকৰ বিহুৰ নৃত্য-গীত মান্য বিহুৰ বেছি ওচৰ চপা। তথাপি তাৰ মাজেদিও তেওঁলোকে কিছু স্বকীয় বৈশিষ্ট্য ৰক্ষা কৰি আহিছে।

নৃত্য-গীতৰ পয়োভৰ থকা ব'হাগ বিহুক সোণোৱাল কছাৰীসকলে সাধাৰণতে চ'তৰ বিহুহে বোলে। অতীজতে চ'তৰ মাজভাগৰ পৰা বাইথ' পূজাৰে এই বিহুৰ পাতনি মেলাৰ কাৰণে এনে নামৰ প্ৰচলন হয়। অৱশ্যে সাধাৰণতে মাজুলীৰ সোণোৱাল কছাৰীসকল সপ্তদশ শতিকাৰ পৰা আউনীআটী সত্ৰৰ বৈষ্ণৱ পৰম্পৰাৰ অনুগামী (হিন্দুৱীয়া) হোৱাৰ কাৰণে বৰ্তমান তেওঁলোকৰ মাজত এই পূজাৰ সম্পাদনি প্ৰয়োগ পাবলৈ নাই।

সোণোৱাল কছাৰীসকলৰ বিহু হুঁচৰিপ্ৰধানহে। আকৌ এই হুঁচৰি সাধাৰণতে প্ৰচলিত হুঁচৰিতকৈ পৃথক। ই বাৰেমন্ত্ৰ, পোহাৰী গীত, থিয়-গীত আৰু বৰগীত নামৰ এক বিশেষ শ্ৰেণীৰ গীতৰ সমাহাৰ। ইয়াৰ মাজেদি যৌন-জীৱনৰ উদ্দামতা প্ৰকাশ পোৱাতকৈ কৃষি-জীৱনৰ ৰীতি-নীতি, ধৰ্মতত্ত্ব আৰু সোণোৱাল কছাৰীসকলৰ অতীত জীৱনৰ হা-হুমুনিয়াহহে প্ৰতিফলিত হয়। গতিকে সোণোৱাল কছাৰীসকলৰ বিহুনাচ হুঁচৰি গীতৰ ওপৰত প্ৰতিষ্ঠিত এক হুঁচৰি নাচহে। এইসকলৰ বিহুত অধিক অংগ সঞ্চালনযুক্ত নাচৰ প্ৰয়োগ কম; পদ-চালনাৰ প্ৰাধান্যহে বেছি। ইয়াত নাচনীৰ স্থান নাই। এই নাচত ঢোলৰ ছেৱতকৈ বাঁহৰ টকা কোবোৱাৰ ওপৰতহে গুৰুত্ব অধিক। অৱশ্যে অতীজতে সোণোৱাল কছাৰীসকলৰ মাজত যৌৱনৰ উদ্দাম বাসনাৰে নাচনীৰ সহযোগত নচা ৰাতিবিহু নামৰ এটা নৃত্য-গীতৰ অনুষ্ঠান নথকা নহয়; কিন্তু বৰ্তমান সি বিলুপ্তিৰ পথত।

**অন্যান্য লোকনৃত্য :** বিহুৰ বাহিৰেও মাজুলীত অন্য কেইবাটিও লোকনৃত্যৰ প্ৰচলন আছে। অৱশ্যে এই ভূখণ্ড সত্ৰীয়া নৃত্য-গীতৰ প্ৰাণকেন্দ্ৰ স্বৰূপ হোৱাৰ কাৰণে ইয়াৰ অজনজাতীয় লোকসকলৰ মাজত বিহুভিন্ন অন্য কোনো বিশেষ নৃত্যই গা-কৰি উঠাৰ অৱকাশ পোৱা নাই; বৰং সত্ৰীয়া সংস্কৃতিয়ে বহুতো লোক-উপাদান বুকুত সুমুৱাই নিজৰ নৃত্য-গীতৰ ৰূপত আত্মপ্ৰকাশ কৰাৰ অৱকাশহে দিছে। কেৱল জনজাতীয় লোকসকলেহে স্বকীয় বৈশিষ্ট্য ৰক্ষা কৰি অহাৰ কাৰণে সেইসকলৰ মাজত বিহুভিন্ন কিছুমান লোকনৃত্যৰ প্ৰচলন হৈ আছে।

**মিচিংসকলৰ নৃত্য :** জনজাতীয় লোকসকলৰ ভিতৰত মিচিংসকল সংখ্যাগৰিষ্ঠ হোৱাৰ উপৰি তেওঁলোক নৃত্য-গীতত চহকী। গতিকে বাকীকেইটা জনজাতিৰ তুলনাত তেওঁলোকৰ নৃত্য-গীতে অধিক ব্যাপকতা আৰু কলাত্মকতাৰে মাজুলীৰ লোকনৃত্যৰ ক্ষেত্ৰত এক বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। মিচিংসকলৰ প্ৰধান লোকনৃত্য হ'ল— গুমৰাগ আৰু পগ্‌নাম-চ'নাম। এই দুই নৃত্য তেওঁলোকৰ প্ৰধান উৎসৱ আলি-আই-লৃগাং আৰু প'ৰাগৰ লগত সম্পৃক্ত। আলি-আই-লৃগাং হ'ল ফাগুন মাহৰ প্ৰথম বুধবাৰত শস্যৰ গুটি সিঁচাক কেন্দ্ৰ কৰি গঢ় লৈ উঠা উৎসৱ। প'ৰাগ হ'ল খেতি চপোৱাৰ পিছত আঘোণ বা ফাগুন মাহত উৰ্বৰতাৰ প্ৰতীক স্ত্ৰীক প্ৰাধান্য দি মৰংঘৰত ভোজ-ভাত, নৃত্য-গীতেৰে অনুষ্ঠিত কৰা উৎসৱ। এই উৎসৱসমূহত ঢোলৰ গুমৰাগ নামৰ নাচৰ ছেৱে ছেৱে বিশেষ ছন্দ আৰু ভংগীমাৰে তেওঁলোকে যি নৃত্য কৰে তাৰ নামেই 'গুমৰাগ'। মাজুলী বা ভৈয়ামৰ মিচিংসকলৰ মাজলৈ এই নৃত্যটি আহিছে পৰ্বতীয়া মিচিংসকলৰ পনু নামৰ নৃত্যৰ পৰা। আদিতে এই নৃত্যৰ লগত ঢোল-তাল আদিৰ ব্যৱহাৰ নাছিল। মিচিংসকলে ভৈয়ামৰ জনপ্ৰিয় ঢোল-তাল আদিক ইয়াৰ লগত সংযোগ কৰি নৃত্যটিক নতুন ৰূপত সজাই লয়। গুমৰাগ নাচৰ ছেও আৰু ভংগীমা

অসমীয়া গাভৰুৰ বিহু নাচতকৈ পৃথক।

মিচিংসকলৰ আলি-আই-লৃগাং আৰু প'ৰাগ উৎসৱত গোৱা গীতৰ নাম ঐনিতম্। এই ঐনিতম্ ভৈয়ামৰ জনপ্ৰিয় বিহুগীত বা বনঘোষাৰ আৰ্হিত মিচিং ভাষা অথবা মিচিং আৰু অসমীয়া ভাষাৰ সংমিশ্ৰণত গঢ় দি তোলা এক জনপ্ৰিয় গীত। বিহুগীতৰ দৰে অসমৰ প্ৰকৃতি, ডেকা-গাভৰুহঁতৰ যৌন-জীৱনৰ ভাৱানুবেগ, আশা-আকাংক্ষা ইয়াৰ মূলাধাৰ। আলি-আই-লৃগাং বা প'ৰাগত ঢোলৰ ছেৱে ছেৱে নচা গুম্ৰাগ নৃত্যৰ উপৰি ঐনিতমৰ সুৰত কিছু জঁপিয়াই নচা একপ্ৰকাৰ নৃত্য আছে! এই নৃত্যৰ নামেই 'পগ্নাম-চ'নাম'। গুম্ৰাগত হাত তললৈ নমাই নচাৰ প্ৰৱণতাৰ বিপৰীতে পগ্নাম-চ'নামত হাত ওপৰলৈ দাঙি নচাৰ প্ৰৱণতা অধিক। এই দুয়োটি নাচেই অসমৰ লোকনৃত্যলৈ বিচিত্ৰতা কঢ়িয়াই অনাৰ উপৰি এক সমন্বয়ৰ সংস্কৃতিৰ স্বাক্ষৰ বহন কৰি আহিছে।

অসমৰ প্ৰায়বোৰ জনজাতীয় লোকৰ মাজতে বিভিন্ন ৰূপত দেওধনি নচুওৱাৰ ৰীতি আছে। দেওধনি মানে দেওলগা তিৰোতা (ধনিৰ অৰ্থ স্ত্ৰী)। ঢোলৰ ছেৱত অথবা মন্ত্ৰ গাই দেওধনি নচুৱাই তেওঁৰ গাত জঁক তুলি মংগল চোৱাটো জনজাতীয় লোকসকলৰ বিশেষ প্ৰথা। বৰ সম্প্ৰসাৰিতভাৱে প্ৰয়োগ নাথাকিলেও মিচিংসকলৰ মাজতো তেনে দেওধনি নচুওৱাৰ ৰীতি আছে। সমাজত বিপদ-আপদ হ'লে 'মিগু'ৱে মন্ত্ৰ গাই দেওধনি নচুৱায়।

**দেউৰীসকলৰ নৃত্য :** মাজুলীত দেউৰীসকলৰো বিহুৰ অতিৰিক্ত কেইবাটিও লোকনৃত্য আছে; কিন্তু এই নদী-দ্বীপটোত দেউৰীসকলৰ সংখ্যা বুজন পৰিমাণৰ নোহোৱাৰ বাবে সেইবোৰে মিচিংসকলৰ নাচৰ দৰে প্ৰসাৰতা লাভ কৰিব পৰা নাই।

দেউৰীসকলৰ 'হুৰাই ৰাঙলী' বুলি কৃষি-জীৱনৰ লগত সম্পৰ্ক থকা এটি নাচ আছে; ই বিহুনাচৰ সমগোষ্ঠীয়। ইয়াত বিহুৱা-বিহুৱতীহঁতে প্ৰাণ ঢালি নাচি-বাগি কৃষি উৰ্বৰতাৰ কামনা কৰে। ইয়াৰ বাহিৰেও দেউৰীসকলৰ শিলিবা, অবৰৰ, ওঁচেজুৱা চাজিযুৱা নামৰ কেইবাটিও কৃষি-ভিত্তিক আৰু প্ৰেম-বিনিময়ক নৃত্য-গীত আছে। অৱশ্যে এই প্ৰায়বোৰ নাচেই প্ৰধানভাৱে ভিন্ন প্ৰকাৰৰ পদ-চালন ৰীতিৰ ওপৰত আধাৰিত। অবৰৰ নাচত এক বিশেষ পদ-চালন ৰীতিৰে হাতত ধৰা-ধৰি কৰি বাঁওহাতৰ পৰা সোঁহাতলৈ চক্ৰাকাৰে ঘূৰে। চাজিযুৱা নাচৰ যোগেদি ডেকা-গাভৰুহঁতে পৰস্পৰৰ মাজত প্ৰেম নিবেদন কৰে। দেওধনি নাচৰ আৰ্হিৰ দেউৰীসকলৰো মিকিজামা নামৰ এটা নাচ আছে। এই নাচত অৱশ্যে ধৰ্মীয় গম্ভীৰতাতকৈ আনন্দোচ্ছাসৰ প্ৰাবল্য অধিক। ভূতক সন্তুষ্ট কৰিবৰ কাৰণে ভৰতে নাট্যশাস্ত্ৰত দীঘল আৰু চুটি চাৰীৰে (খোজ) পৰিভ্ৰমণ কৰাৰ নিৰ্দেশ কৰিছে। ভৰতৰ নিৰ্দেশৰ অনুকৰণত নহ'লেও দেউৰীসকলে ভূত-প্ৰেতৰ পৰা ৰক্ষা পাবৰ কাৰণে গৃহ-প্ৰৱেশৰ সময়ত বিশেষ পদচালনযুক্ত যাঁদেগাৱা নামৰ এবিধ নৃত্য কৰে।

**সোণোৱাল কছাৰীসকলৰ নৃত্য :** সোণোৱাল কছাৰীসকলে অসমৰ জাতীয় সংস্কৃতিৰ মূল সুঁতিৰ লগত নিজকে বিলাই দিয়াৰ বাবে তেওঁলোকৰ পূৰ্বৰ নৃত্য-গীতসমূহৰ অৱক্ষয় ঘটি কেৱল হাইডাং নাচ, হুগ্ৰা নাচ আৰু বহুৱা নাচ নামৰ তিনিটামান নাচহে ৰৈছিলগৈ। মাজুলীত সোণোৱাল কছাৰীৰ সংখ্যা সামান্য হোৱাৰ বাবে আৰু অতে তেওঁলোক আউনীআটী সত্ৰৰ অনুগামী হৈ সত্ৰীয়া-সংস্কৃতিৰ প্ৰভাৱলৈ অহাৰ কাৰণে তেওঁলোকৰ মাজত কেৱল হাইডাং নাচহে কিছু পৰিমাণে বৰ্তি আছেগৈ। হাইডাং নাচ, হাইডাং গীতৰ আধাৰত কৰা নৃত্য। এই হাইডাং গীত কৃষি-উৎসৱৰ লগত জড়িত সৃষ্টিৰ পাতনি সম্বলিত এক স্তুতি-গীত। হাইডাং নাচে সৃষ্টি আৰু প্ৰজনন ভাবৰ প্ৰতীক বহন কৰে। বাঁহী, বাঁহৰ টকা আৰু খুতিতালৰ সহযোগত এই নৃত্য কৰা হয়। ঘূৰি জামা আৰু টঙালি এই নৃত্যৰ আহাৰ্য।

**(খ) মাজুলীৰ শাস্ত্ৰীয় নৃত্য-সম্ভাৰ :**

আগতেই উল্লেখ কৰি অহা হৈছে যে মাজুলী সত্ৰীয়া নৃত্যৰ প্ৰাণকেন্দ্ৰ। সত্ৰীয়া নৃত্য হ'ল ভক্তিধৰ্ম প্ৰচাৰৰ কাৰণে মহাপুৰুষ শংকৰদেৱে সৃষ্টি কৰা, তেখেতৰ প্ৰিয়শিষ্য মাধৱদেৱকে প্ৰমুখ্য কৰি গুৰুসকল আৰু আতাসকলে পৰিবৰ্দ্ধন কৰা আৰু শংকৰী সংস্কৃতিৰ ধাৰক-বাহক কৰি তোলা সত্ৰানুষ্ঠানসমূহে অধিক সংবৰ্দ্ধন ঘটাই জনপ্ৰিয় কৰি তোলা এক শাস্ত্ৰীয় নৃত্যধাৰা। এই নৃত্যধাৰা কুৰিৰো অধিক নৃত্যৰ এক সামগ্ৰিক ৰূপ। ভক্তিধৰ্ম প্ৰচাৰৰ কাৰণে নিয়োজিত হ'লেও সত্ৰীয়া নৃত্য শাস্ত্ৰীয় উপাদান-বৰ্জিত নহয়। শাস্ত্ৰীয় নৃত্যত থাকিবলগীয়া প্ৰায় সকলোবোৰ উপাদান, যেনে— শতাধিক বৰ্ষৰ অবিচ্ছিন্ন পৰম্পৰা, এক নিৰ্দিষ্ট পথৰ অনুধাৱন, স্বকীয় বৈশিষ্ট্যসম্পন্ন আংগিক-বাচিক-আহাৰ্য অভিনয়, চহকী সাহিত্য, ৰাগ-তালসম্বলিত সংগীত আৰু প্ৰধানভাৱে উচ্চ নান্দনিক প্ৰমূল্য; এই নৃত্যধাৰাত ৰক্ষিত হৈ

আছে। গুৰুজনাই এই নৃত্যধাৰাটিৰ মাধ্যমেদি সমাজৰ সকলো শ্ৰেণীৰ লোকৰ (প্ৰধানকৈ পিছপৰা শ্ৰেণীৰ) মনোৰঞ্জনৰ ব্যৱস্থা কৰাৰ বাবে সৃষ্টি কৰে। ইয়াত অৱশ্যে কিছু লোক-উপাদান নোসোমোৱাকৈ থকা নাই; কিন্তু সেইবোৰক শাস্ত্ৰীয়তাৰ কৱচ পিন্ধাই এক অভিনৱ ৰূপত আত্মপ্ৰকাশ কৰোৱা হৈছে। ভাওনাত লোক-ৰুচিৰ ভিত্তিতেই যুদ্ধৰ নাচৰ শিল্পীজনৰ হাতত বাঁহৰ কটপ-ধনু এখন তুলি দিয়া হয় যদিও তেওঁক আলীঢ় স্থানত (দুই ভৰি ৫ বেগেত ব্যৱধানত মেলাই) থিয় কৰোৱাৰ বাবে শিল্পীজনে শাস্ত্ৰীয়ৰূপৰ আধাৰত নৃত্য কৰাটোহে বুজায়। কাৰণ আলীঢ় স্থানত থিয় হৈ এখন হাত আগবঢ়াই মেলিলেই যুদ্ধৰ কাৰণে মাৰণাস্ত্ৰ সংযোগ কৰাৰ কথা বুজায় বুলি নাট্যশাস্ত্ৰই উল্লেখ কৰি গৈছে।

মাজুলীত এই সত্ৰীয়া নৃত্যৰ এক সুস্থ আৰু সবল পৰম্পৰা ৰক্ষিত হৈ আছে। মাজুলীস্থ প্ৰায়বোৰ সত্ৰই বিগত প্ৰায় পাঁচশ বছৰে নিত্য আৰু নৈমিত্তিক প্ৰসংগত এই নৃত্যসমূহৰ প্ৰচলন ঘটাই মাজুলীক সত্ৰীয়া নৃত্যধাৰাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ কৰি গঢ় দি তুলিছে। মহাপুৰুষ শংকৰদেৱ, মাধৱদেৱ, দামোদৰদেৱ আদি গুৰুসকলে সৃষ্টি কৰা নৃত্যসমূহৰ পূৰ্ণ আৰু সম্পূৰ্ণলনি প্ৰয়োগ অসমৰ অন্য ঠাইত পোৱাটো হয়তো কঠিন হ'ব; কিন্তু মাজুলীত সেই সকলোবোৰ নাচৰ গভীৰ অনুশীলন বৰ্তমানেও চলি আছে। শংকৰদেৱৰ ভাওনাভিত্তিক নাচসমূহৰ প্ৰচলন অসমৰ সকলো ঠাইতে পোৱা যাব পাৰে; কিন্তু মাধৱদেৱে ভাওনাৰ বাহিৰে স্বতন্ত্ৰীয়াকৈ নাচিবৰ কাৰণে সৃষ্টি কৰা কলাত্মক নাচসমূহৰ প্ৰত্যক্ষ বাহক কেৱল মাজুলীতহে আছে। কাৰণ মাধৱদেৱে তেখেতৰ ভাওনা-ভিন্ন স্বতন্ত্ৰীয়া নাচবোৰ কামৰূপত সৃষ্টি কৰিছিল যদিও বৰ্তমান কামৰূপত সেই নাচৰ প্ৰচলন পাবলৈ নাই। মাধৱদেৱে বৰপেটাত ৰঙীয়াল গৃহ সাজি এই নৃত্যসমূহৰ প্ৰদৰ্শনেৰে এক আলোড়নৰ সৃষ্টি কৰি থকা অৱস্থাতে (তেৰাৰ কিছুমান ধৰ্মীয় প্ৰতিদ্বন্দ্বীৰ টুটকীয়া কথাত পতিয়ন গৈ) কোঁচ ৰজাই মাধৱদেৱক যুৱতী ছোৱালী নচুওৱাৰ এক মিছা অপবাদত সুৰানন্দ কটোৱালৰ হতুৱাই বন্দী কৰাই লাজ-লঘু কৰে। ইয়াতে বৰপেটাকে প্ৰমুখ্য কৰি কামৰূপৰ শিল্পীসকলে ভয় খাই মাধৱদেৱৰ সৃষ্ট নাচসমূহৰ চৰ্চা এৰি দিয়ে আৰু এটা সময়ত ই লুপ্তপ্ৰায় অৱস্থা পায়গৈ। মাধৱদেৱে শেষ অৱস্থাত উজনিলৈ ধৰ্মপ্ৰচাৰ কৰিবলৈ পঠোৱা কমলাবাৰী সত্ৰৰ প্ৰতিষ্ঠাপক পদ্ম বা বদুলা আতাই বহু প্ৰৱন্ধেৰে সেই লুপ্ত হ'ব গোজা নৃত্যসমূহ উদ্ধাৰ কৰি নিজ সত্ৰত তাৰ প্ৰচলনৰ ব্যৱস্থা কৰে। মাজুলীৰ এই কমলাবাৰী সত্ৰই এক গভীৰ অনুশীলনেৰে মাধৱদেৱৰ এই নাচসমূহ সংৰক্ষণ কৰি ৰখাৰ উপৰি ইয়াৰ লগত নতুন প্ৰকৰণৰ সংযোগেৰে ইয়াক বৈচিত্ৰ্যময় কৰি জনপ্ৰিয় কৰি তোলে। উচ্চ নান্দনিক মূল্যেৰে সমুজ্জ্বল মাধৱদেৱৰ এই নাচসমূহ কমলাবাৰী সত্ৰত ৰক্ষিত হৈ থকাৰ কাৰণেই সাম্প্ৰতিক কালৰ সত্ৰীয়া নৃত্যৰ মান্য ৰূপটোৰ সৰহসংখ্যক নাচ এই কমলাবাৰী সত্ৰৰ আৰ্হিৰে। দামোদৰদেৱেও কামৰূপৰ পাটবাউসীত থকাৰ সময়ত কিছু নৃত্য-গীতৰ সৃষ্টি কৰিছিল। কামৰূপত নৃত্যৰ চৰ্চা কমি যোৱাৰ কাৰণে দামোদৰদেৱৰ অন্যতম প্ৰধান শিষ্য বনমালীদেৱে স্থাপন কৰা মাজুলীৰ দক্ষিণপাট সত্ৰই উক্ত নৃত্যসমূহৰ গভীৰ অনুশীলনৰ ব্যৱস্থা অটুট ৰাখে।

অসমৰ সত্ৰসমূহে সত্ৰীয়া নৃত্যক বৈচিত্ৰ্যময় কৰি পৰিৱৰ্তিত পৰিস্থিতিত খাপ খাব পৰাকৈ সজাই তোলাৰ অৰ্থে গুৰুজনাৰ সৃষ্টিৰ আৰ্হিত নতুন উপাদান বা প্ৰকৰণৰ সৃষ্টি কৰাৰ যি প্ৰচেষ্টা চলাইছিল, সেই ক্ষেত্ৰত মাজুলীৰ সত্ৰসমূহ অগ্ৰণী আছিল। মাজুলীৰ কেইখনমান সত্ৰৰ হাতত সত্ৰীয়া নৃত্যৰ সংখ্যা পূৰ্বতকৈ যথেষ্ট বৃদ্ধি পাইছিল আৰু নৃত্য ধাৰাটিয়ে ক্ৰমাগতভাৱে অধিক জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সমৰ্থ হৈছিল। উদাহৰণ স্বৰূপে মাধৱদেৱে বৰপেটা সত্ৰৰ ৰঙীয়াল গৃহত নচুওৱা 'ৰাধানাচ' নামৰ স্ত্ৰী নাচটি পৰৱৰ্তী কালত মাজুলীৰ কমলাবাৰী সত্ৰৰ হাতত চালিনাচ নামে আখ্যায়িত হৈ ১২ প্ৰকাৰে (বিভিন্ন ৰামদানিৰ মাধ্যমেদি) প্ৰদৰ্শিত হ'বলৈ ধৰে। বৰ্তমান চালি নাচত প্ৰচলন হৈ থকা গীতবোৰৰ সুৰ আৰু বাজনাৰ বোললৈ লক্ষ্য কৰিলেই সেইবোৰ যে মাধৱদেৱৰ মূল সৃষ্টি নহয়; বৰং মাধৱদেৱৰ শৈলীৰ আধাৰত কমলাবাৰী সত্ৰই অবাচীনভাৱে তৈয়াৰ কৰাহে, সেইকথা সহজে অনুমান কৰিব পৰা যাব। অৱশ্যে মাজুলীৰ কেইখনমান সত্ৰই সস্তীয়া জনপ্ৰিয়তাৰ প্ৰতি লক্ষ্য ৰাখি অথবা অত্যুৎসাহী হৈ এনে কিছুমান প্ৰকৰণৰ সৃষ্টি কৰিছিল যে এটা সময়ত সেই প্ৰকৰণসমূহে মূল ধাৰাটোকে আচ্ছন্ন কৰি পেলোৱাৰ উপক্ৰম কৰিছিল। উল্লেখযোগ্য যে মাজুলীৰ কেইখনমান সত্ৰই অংকীয়া ভাওনাৰ আৰ্হিত বঙলুৱা (অসমভিন্ন) উপাদানেৰে ধুৰা, ফৌজীয়া, জুৰি আদি বিভিন্ন প্ৰকাৰৰ ভাওনাৰ সৃষ্টি কৰে। দুই-এখন সত্ৰই আনকি সম্পূৰ্ণ বঙালী গীতৰ

আৰ্হিত চোকোৰা গান গাই চোকোৰা নাচ নচুওৱাৰ পৰ্যায়লৈকো আগবাঢ়ি যায়। এই নতুন সৃষ্টিয়ে এটা সময়ত ইমান জনপ্ৰিয়তা অৰ্জন কৰিছিল যে ই মাজুলীৰ পৰিসীমা অতিক্ৰম কৰি উজনি অসমৰ বহু ঠাইত তীব্ৰভাৱে প্ৰচলিত হৈ অংকীয়া ভাওনাৰ প্ৰতি সৰ্বসাধাৰণ লোকক অনাগ্ৰহী কৰি তুলিছিল। সৌভাগ্যৰ কথা যে জনসাধাৰণৰ মাজত জাতীয়-চেতনা বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত বৰ্তমান ৰাইজে সেই শ্ৰেণীৰ ভাওনা পাতিবলৈ এৰি দিছে। অৱশ্যে ধুৰা ভাওনাৰ গীতৰ সুৰে উজনি অসমৰ মাতৃভাষাৰ ভাওনাৰ ওপৰত ইয়াৰ প্ৰভাৱ এতিয়াও অক্ষুন্ন ৰাখিছে।

বৰ্তমান অসমৰ চুকে-কোণে ৰাসলীলাৰ যি প্ৰচলন হৈছে, তাৰ জন্মদাতা মূলতঃ মাজুলীৰ দক্ষিণপাট সত্ৰ। ভাগৱতৰ ৰাস পঞ্চাধ্যায়ীৰ ওপৰত শংকৰদেৱে কেলিগোপাল আৰু মাধৱদেৱে ৰাস-ঝুমুৰা নাটক ৰচনা কৰিছিল যদিও সি প্ৰকৃত অৰ্থত ভাওনাহে আছিল। ১৮৪০ খ্ৰী:ৰ (১৭৬২ শক) কাতি মাহৰ শুক্লাষ্টমী তিথিত এই সত্ৰই বংগদেশীয় আৰ্হিৰে শ্ৰীকৃষ্ণৰ ৰাসলীলাৰ প্ৰচলন কৰে। প্ৰথম অৱস্থাত এই নাটৰ ভাষা বঙালী আছিল যদিও পৰৱৰ্তী কালত তাক অসমীয়ালৈ ৰূপান্তৰ কৰা হয়। এই দক্ষিণপাট সত্ৰৰ আৰ্হিতে পাছত মাজুলীৰ গড়মূৰ সত্ৰয়ো ৰাসলীলাৰ প্ৰচলন কৰিবলৈ লয়। দক্ষিণপাট সত্ৰৰ ৰাস নৃত্যত অংশ গ্ৰহণ কৰা চামগুৰি সত্ৰৰ এজন শিল্পীয়ে নিজ সত্ৰতো ৰাসলীলাৰ প্ৰচলন কৰিবলৈ মানস কৰি শংকৰদেৱৰ ভাওনাৰ আৰ্হিত এক নতুন ৰাসৰ নাট লিখি শংকৰী নৃত্য-গীতৰ আৰ্হিৰে ৰাসলীলা প্ৰদৰ্শন কৰিবলৈ লয়। ইয়াৰ পিছত ক্ৰমান্বয়ে বগীআই, কমলাবাৰীকে প্ৰমুখ্য কৰি মাজুলীৰ বহুতো সত্ৰই নিজ নিজ প্ৰচেষ্টাৰে ৰাসলীলাৰ প্ৰচলন ঘটায়। ৰাসলীলাৰ জনপ্ৰিয়তাৰ বাবেই বৰ্তমান মাজুলীৰ চুকে-কোণে আনকি, চহৰতো ৰাসলীলাৰ ব্যাপক প্ৰচলন ঘটি মাজুলীক ৰাস নৃত্যৰ কাৰণে প্ৰখ্যাত কৰি তুলিছে।

মাজুলীৰ নৃত্য-সম্ভাৰৰ অন্য এটি উল্লেখযোগ্য দিশ হ'ল ক্ৰমাগতভাৱে প্ৰচলন হ্ৰাস পাবলৈ ধৰা আৰু লুপ্ত হৈ পৰা অসমৰ দুই শাস্ত্ৰীয় নৃত্যধাৰা— ওজাপালি আৰু দেৱদাসী নৃত্যক এক অভিনৱ ৰূপত সজাই-পৰাই ইয়াৰ ভিতৰুৱা কৰি লোৱা। প্ৰাক্-শংকৰী যুগৰ পৰা অসমত প্ৰচলন হৈ থকা ব্যাহগোৱা ওজাপালিৰ আধাৰত মাজুলীৰ কেইখনমান সত্ৰই বিয়হীয়া ওজাপালি নামৰ এক নৃত্যৰ সৃষ্টি কৰি তাৰ প্ৰচলনৰ ব্যৱস্থা কৰিবলৈ ধৰে। কলাত্মক দিশৰ পৰা এই ওজাপালি নৃত্য যথেষ্ট উন্নত; কিন্তু এই নৃত্যত অৱনদ্ধ বাদ্য (গোল, মৃদং আদি)ৰ প্ৰচলন নথকাৰ বাবে অথবা ওজাজন নৃত্য-গীত উভয় দিশতে সমানে পাকৈত হোৱাৰ প্ৰয়োজনৰ বাবেই হয়তো এই নৃত্যই ৰাসলীলাৰ দৰে বহুলভাৱে প্ৰচলিত ৰূপ পোৱা নাই।

ভাৰতৰ অন্য প্ৰান্তৰ দৰে বহু প্ৰাচীনকালৰ পৰাই অসমৰ মন্দিৰবিলাকত দেৱদাসী নাচৰ প্ৰচলন হৈ আছিল। অৱশ্যে বৈষ্ণৱ মন্দিৰৰ ক্ষেত্ৰত এই নৃত্যৰ প্ৰচলন কেৱল হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰতহে পোৱা গৈছিল। মাধৱদেৱ, দামোদৰদেৱ আদি বৈষ্ণৱ গুৰুসকলে কামৰূপত নৃত্য প্ৰচলন কৰোঁতে এই নৃত্যৰ বহুতো উপাদান নিঃসন্দেহে গ্ৰহণ কৰিছিল। পৰৱৰ্তী কালত এফালে কমলাবাৰী সত্ৰই মাধৱদেৱৰ নৃত্য-শৈলীৰ লগত দেৱদাসী নৃত্যৰ অনুপান মিহলাই চালি নাচ সৃষ্টি কৰিছিল আৰু আনফালে দক্ষিণপাট সত্ৰই দামোদৰদেৱৰ শৈলীৰ লগত দেৱদাসী নৃত্যৰ অনুপান মিহলাই নটুৱা নাচ নামৰ এবিধ নাচৰ সৃষ্টি কৰিছিল। দেৱদাসী নাচৰ লগত চালি আৰু নটুৱা নাচৰ গান-বাজনা, ঘাত আদিৰ যি মিল, আকৌ চালি আৰু নটুৱাৰ মাজত এই দিশৰ যি মিল, তালৈ লক্ষ্য কৰিলেই এই কথাৰ উমান পোৱা যাব। অৱশ্যে চালি নাচক লাস্যধৰ্মী কৰি আৰু নটুৱা নাচক তাণ্ডৱধৰ্মী কৰি সৃষ্টি কৰা হৈছে। উভয়ৰে গীতৰ পাঠ আৰু সুৰৰ মাজতো ভিন্নতা আছে। বৰ্তমান এই আৰ্হিৰ নটুৱা নাচ দক্ষিণপাট সত্ৰৰ বাহিৰেও আউনীআটী, গড়মূৰ, বেঙেনাআটী আদি সত্ৰত প্ৰচলিত হৈ আছে। ইয়াৰ বাহিৰেও চামগুৰি, আদি মাজুলীৰ কেইখনমান সত্ৰই উক্ত আৰ্হিৰ নাচৰ লগত শংকৰদেৱৰ নৃত্যৰ উপাদান সংযোগ কৰি কিছু পৃথক ধৰণৰ এক নটুৱা নাচৰ প্ৰচলন ঘটাই আছে। এই নাচৰ আহাৰ্য দক্ষিণপাট আদি সত্ৰৰ নটুৱা নাচৰ আহাৰ্যতকৈ পৃথক।

সত্ৰীয়া নৃত্যৰ জনপ্ৰিয়তা ক্ৰমাগতভাৱে বৃদ্ধি পাই অহাৰ বাবে ই ৰজাঘৰ-প্ৰজাঘৰ সকলোতে ধৰ্ম সাধনৰ পৰিৱৰ্তে মনোৰঞ্জনৰ আহিলা স্বৰূপেহে ব্যৱহৃত হ'বলৈ ধৰে। আনকি ৰাজেশ্বৰ সিংহ প্ৰমুখ্যে কেইজনমান আহোম ৰজাই এই নৃত্যধাৰাক অন্য দেশৰ ৰজাৰ মনোৰঞ্জনৰ কাৰণেও প্ৰদৰ্শনৰ ব্যৱস্থা কৰিছিল। গতিকে অসমৰ অন্য সত্ৰৰ দৰে মাজুলীৰো কেইখনমান সত্ৰই ৰজাঘৰত প্ৰদৰ্শন কৰিব পৰাকৈ কেৱল কলাত্মক দিশৰ প্ৰতি লক্ষ্য ৰাখি কিছুমান নৃত্য-গীতৰ সৃষ্টি কৰি লয়। কমলাবাৰী সত্ৰত ৰজাঘৰীয়া চালি নাচ, আউনীআটী সত্ৰত ৰজাঘৰীয়া গীত আৰু অপ্সৰা নাচ, দক্ষিণপাট সত্ৰৰ ৰজাঘৰীয়া নাচ

ইন্দ্ৰাভিষেক (অজৰা) আৰু বাসন্তী নাচ আদি এই শ্ৰেণীৰ নৃত্য-গীত। অৱশ্যে সত্ৰৰ নৈমিত্তিক প্ৰসংগতো এই নৃত্যসমূহৰ বিশেষ প্ৰয়োগ আছে।

জয়দেৱৰ গীত-গোবিন্দৰ আধাৰত ভাৰতৰ কেইবাটিও নৃত্যধাৰাই দশাৱতাৰ নৃত্যৰ সৃষ্টি কৰি লৈছিল। শংকৰদেৱ অথবা মাধৱদেৱে পোনপটীয়াকৈ দশাৱতাৰ নৃত্যৰ সৃষ্টি কৰা নাছিল; কেৱল ঘোষা-ধেমালিত দশাৱতাৰ হস্ত-প্ৰদৰ্শনৰহে নিয়ম ৰাখিছিল। জনসাধাৰণৰ আগ্ৰহৰ প্ৰতি লক্ষ্য ৰাখি আউনীআটী সত্ৰই জয়দেৱৰ স্তোত্ৰৰ আধাৰত এক দশাৱতাৰ নৃত্যৰ সৃষ্টি কৰে। সাম্প্ৰতিক কালত শংকৰদেৱৰ কীৰ্তনৰ আৰ্হিত মাজুলীৰ কেইখনমান সত্ৰই আৰু সত্ৰভিন্ন কোনো লোকে সৃষ্টি কৰা দশাৱতাৰ নৃত্য নামৰ অন্য এটা নৃত্যৰ প্ৰচুৰ প্ৰচলন দেখিবলৈ পোৱা যায়। এই নৃত্যৰ গীতৰ সুৰ কিছু লোকগীতৰ ওচৰ চপা হোৱাৰ কাৰণে সৰ্বসাধাৰণ লোকৰ মাজত ইয়াৰ জনপ্ৰিয়তা বেছি।

অসমৰ সত্ৰসমূহৰ মাজত সংহতিভেদ হোৱাৰ পৰিপ্ৰেক্ষিতত প্ৰতি সংহতিয়ে নৃত্যৰ কাৰণে নিজাববীয়াকৈ কিছুমান আলংকৰিক বোলৰ বাজনা তৈয়াৰ কৰি লয়। এই বাজনাবোৰৰ নাম— ভংগী-বাজনা আৰু ইয়াৰ আধাৰত তৈয়াৰ কৰা নৃত্যবোৰৰ নাম ভংগী-নাচ। গোট নাচৰ অতিৰিক্তভাৱেই ভংগী-নাচবোৰৰ প্ৰয়োগ হয়। এখন নিৰ্দিষ্ট সত্ৰ বা এটা নিৰ্দিষ্ট সংহতিত এনে বহুসংখ্যক ভংগী-নাচৰ প্ৰচলন আছে। উদাহৰণ স্বৰূপে বৰীআই সত্ৰত মূল তালৰ আধাৰত ৰচনা কৰা একতালখনেৰেই কুৰিৰো অধিক ভংগী-বাজনা আৰু ভংগী-নাচ আছে। এনেদৰে মাজুলীৰ সত্ৰত এনে বহুতো ভংগী-নাচৰ প্ৰচলন দেখিবলৈ পোৱা যায়। এই ভংগী-নাচবোৰে নৃত্যধাৰাটিক এক বৈচিত্ৰ্যময় ৰূপ প্ৰদান কৰিছে।

মহাৰাজ ৰুদ্ৰসিংহই ভাৰতৰ অন্য চহকী নৃত্য-গীতৰ ধাৰাৰ লগত অসমৰ নৃত্য-গীতৰ সমন্বয় ঘটাই ইয়াক অধিক সমৃদ্ধিশালী কৰি তোলাৰ প্ৰয়াস কৰিছিল। এই উদ্দেশ্যে তেখেতে তেনে চহকী নৃত্য-গীতৰ ধাৰাৰ শিল্পী আমন্ত্ৰণ কৰি আনি অসমৰ শিল্পীক শিক্ষা দিয়াৰ ব্যৱস্থা কৰিছিল। এই মৰ্মে অসমলৈ কিছু বঙলুৱা (অসমভিন্ন) গীতকে প্ৰমুখ্য কৰি ঢোলক, পখোৱাজ, তবলা আদি বাদ্যৰ আমদানি হৈছিল। মাজুলীৰ ৰজাঘৰীয়া অথবা ৰজাঘৰৰ লগত সম্পৰ্ক থকা সত্ৰকেইখনে এই আমদানিকৃত অৰ্বাচীন সমলবোৰ গ্ৰহণ কৰি নিজৰ নৃত্য-গীতৰ ভিতৰুৱা কৰি লয়। এই সংযোজনে সত্ৰীয়া নৃত্যলৈ কিছু বিচিত্ৰতা আনিলেও ই কিন্তু সত্ৰীয়া নৃত্যৰ মূল সংজ্ঞাটোকে বিকৃত কৰি পেলাইছে বুলি ভবাৰ অৱকাশ নথকা নহয়।

সি যি কি নহওক, তলত বৰ্তমান মাজুলীৰ সত্ৰই সত্ৰই আৰু গাঁৱে গাঁৱে প্ৰচলন হৈ থকা নৃত্যসমূহৰ নাম আৰু সিবোৰৰ প্ৰয়োগ-প্ৰচলনৰ স্থান আৰু প্ৰকাৰভেদৰ কথা উল্লেখ কৰা হ'ল—

মাজুলীত প্ৰচলিত নৃত্যসমূহক যদিও লোকনৃত্য আৰু শাস্ত্ৰীয় নৃত্য— এই দুইভাগে বিভক্ত কৰি দেখুওৱা হৈছে তথাপি এটা আনটোৰ পৰা পৃথক নহয়; বৰং এটা আনটোৰ পৰিপূৰকহে। কাৰণ শাস্ত্ৰীয় নৃত্যসমূহ মূলতঃ লোকনৃত্যৰ পৰাই উদ্ভূত; কেৱল ইয়াত লোক-উপাদানসমূহে পৰিশীলিত আৰু পৰিমাৰ্জিত ৰূপত কোনো এক নিৰ্দিষ্ট পথ (শাস্ত্ৰগত) অনুধাৱন কৰাৰ বাবেই তাৰ নাম শাস্ত্ৰীয়। গতিকে সকলো শাস্ত্ৰীয় নৃত্যতে থলুৱা বা লোক-উপাদান ৰক্ষিত হ'বই। সেয়ে নোহোৱাহ'লে ভাৰতৰ সকলো নৃত্যধাৰা এক হৈ পৰিলহেঁতেন। আকৌ কেতিয়াবা লোকনৃত্যসমূহেও জ্ঞাত বা অজ্ঞাতে শাস্ত্ৰীয় নৃত্যৰ পৰা সমল গ্ৰহণ কৰিব পাৰে। কাৰণ লোকনৃত্যসমূহ লোক-প্ৰজ্ঞাৰ পৰা উদ্ভূত। লোক-প্ৰজ্ঞাই শাস্ত্ৰীয়-অশাস্ত্ৰীয়ৰ বিচাৰ নকৰে বা কৰিব নোৱাৰে। উদাহৰণ স্বৰূপে সত্ৰীয়া নৃত্যত বাঁওফালে প্ৰৱেশ কৰাৰ যি ৰীতি, সি শাস্ত্ৰসম্মত যদিও সেই ৰীতি অসমত প্ৰায় সকলো লোকনৃত্যতে ৰক্ষিত হৈ আছে। সেইদৰে সত্ৰীয়া নৃত্যত সঘনাই প্ৰয়োগ হোৱা পল্লৱহস্ত (সোঁহাতৰ আঙুলি মেলি কিলাকুটিত ভাঙি বাঁও হাতখনো সেইদৰে কৰি সোঁহাতৰ কিলাকুটিৰ তলত ধৰা), কৰ্কট হস্ত (দুই হাতৰ আঙুলি মেলি এখনৰ মাজেদি আনখনৰ আঙুলি সৰকাই দিয়া), হাঁয়ৰে হস্ত (আঙুলিমেলা বাঁও হাতৰ মণিবন্ধৰ ওপৰত আঙুলিমেলা সোঁহাতৰ পিঠিয়া-পিঠিকৈ ধৰা) আদি প্ৰায়বোৰ বিহু নাচতে বিদ্যমান। সত্ৰীয়া নৃত্যত প্ৰয়োগ হোৱা হাঁয়ৰে হস্তখনৰ কথা হস্তমুক্তাৱলী শাস্ত্ৰই (মৰাল নামেৰে) উল্লেখ কৰি ইয়াৰ শাস্ত্ৰীয়তাৰ প্ৰমাণ কৰিছে যদিও, মিচিং বিহুনৃত্যত এই হস্তখনৰ সঘন প্ৰয়োগ আছে। সত্ৰীয়া নৃত্যত প্ৰয়োগ হোৱা উলাহ, হালি, খৰ আদি লোকনৃত্যৰ সমল। সত্ৰীয়া নৃত্যৰ বহুতো বাজনাৰ ধৰণ, কেৱল উচ্চাৰণৰ পাৰ্থক্যৰ বাহিৰে ঢোলৰ বাজনাৰ লগত একে। গতিকে মাজুলীৰ নৃত্য-সম্ভাৰ হ'ল লোকনৃত্য আৰু শাস্ত্ৰআধাৰিত সত্ৰীয়া নৃত্যৰ সংমিশ্ৰণত গঢ় লৈ উঠা এক বিচিত্ৰ নৃত্য-সম্ভাৰ।

| ক্ৰমিক নং | নাচৰ নাম | প্ৰয়োগ | প্ৰচলনৰ স্থান | প্ৰকাৰ |
|---|---|---|---|---|
| ১ | গায়ন-বায়নৰ ধেমালিৰ নাচ | ভাওনা/নিত্য আৰু নৈমিত্তিক প্ৰসংগ | প্ৰায় সকলো সত্ৰতে আৰু ভাওনাৰ প্ৰচলন থকা সকলো স্থানত | |
| ২ | সূত্ৰধাৰী নাচ | ভাওনা | ঐ | |
| ৩ | গোসাঁই বা কৃষ্ণ প্ৰৱেশৰ নাচ | ঐ | ঐ | |
| ৪ | গোপী বা মাইকী প্ৰৱেশৰ নাচ | ঐ | ঐ | |
| ৫ | ভাৱৰীয়া প্ৰৱেশৰ নাচ | ঐ | ঐ | চৰিত্ৰভেদে ভিন্ ভিন্ |
| ৬ | শ্লোক-গীত-ভটিমাৰ নাচ | ঐ | ঐ | |
| ৭ | যুদ্ধৰ নাচ | ঐ | ঐ | |
| ৮ | বেহাৰ নাচ | ঐ | কমলাবাৰী থূলৰ সত্ৰসমূহ | |
| ৯ | গোপ-বালকৰ নাচ | ঐ | পুৰুষ সংহতি থূলৰ সত্ৰসমূহ | |
| ১০ | ভংগী নাচ | ঐ | প্ৰায়বোৰ সত্ৰতে | সত্ৰভেদে ভিন্ ভিন্ |
| ১১ | ননীচুৰি নাচ | ভাওনা | কমলাবাৰী থূলৰ সত্ৰসমূহ | |
| ১২ | কৃষ্ণৰ কালী-শিৰৰ নাচ | ঐ | ঐ | |
| ১৩ | কৃষ্ণৰ ৰংগশালা প্ৰৱেশৰ নাচ | ঐ | ঐ | |
| ১৪ | ৰাসৰ নাচ | ৰাসলীলা | দক্ষিণপাট, গড়মূৰ, চামগুৰি কমলাবাৰী, বগীআই, বিহিমপুৰ আদি। | |
| ১৫ | গোপী নাচ | ঐ | ঐ | |
| ১৬ | চালি নাচ | স্বতন্ত্ৰীয়া গোট নাচ/ নৈমিত্তিক প্ৰসংগ | কমলাবাৰী থূলৰ সত্ৰসমূহ | ৮-শুদ্ধচালি<br>৪ ৰজাঘৰীয়া |
| ১৭ | ঝুমুৰা নাচ | ঐ | ঐ | ৪ ৰামদানি যুদ্ধ |
| ১৮ | নাদুভংগী নাচ | ঐ | ঐ | |
| ১৯ | বৰ প্ৰৱেশৰ নাচ | ঐ | ঐ | |
| ২০ | নটুৱা | ঐ | দক্ষিণপাট, আউনীআটী, গড়মূৰ, বেঙেনাআটী, চামগুৰি, বগীআই আদি। | দামোদৰীয়া<br>মহাপুৰুষীয়া |
| ২১ | ওজাপালি | ঐ | দক্ষিণপাট, আউনীআটী, গড়মূৰ, বেঙেনাআটী, বগীআই, কমলাবাৰী থূলৰ সত্ৰসমূহ | |
| ২২ | অপ্সৰা বা ইন্দ্ৰাভিষেক | ঐ | আউনীআটী, দক্ষিণপাট, বেঙেনাআটী | |
| ২৩ | বাসন্তী | ঐ | দক্ষিণপাট | |
| ২৪ | দশাৱতাৰ | ঐ | আউনীআটী | |
| ২৫ | ৰজাঘৰীয়া নাচ | স্বতন্ত্ৰীয়া | দক্ষিণপাট | |

## মাজুলীত ৰাগ-সংগীতৰ চৰ্চা

**পটভূমি :** ১১ শতিকাৰ আৰম্ভণিৰ পৰা ১২ শতিকাৰ শেষ পৰ্যন্ত এই সময়ছোৱাৰ ভিতৰত চুলতান মামুদৰ উপৰ্যুপৰি ভাৰত আক্ৰমণ, মহম্মদ ঘোৰীৰ দ্বাৰা সিন্ধুপ্ৰদেশ, দিল্লী, কনৌজ আদি দখলৰ দৰে ঘটনাই সৃষ্টি কৰা অস্থিৰ ৰাজনৈতিক পৰিস্থিতিৰ পৰিণতি স্বৰূপে উত্তৰ-পশ্চিম ভাৰতৰ পৰা তুলনামূলকভাৱে শান্তিপূৰ্ণ দক্ষিণ আৰু পূবৰ ৰাজ্যসমূহলৈ ঘটা ব্যাপক জন-প্ৰব্ৰজনে আৰ্যমূলীয় ভাৰতীয় সংগীত তথা সংস্কৃতিক ভাৰতবৰ্ষৰ বিশাল ক্ষেত্ৰখনত বিয়পাই দিয়াত প্ৰকাৰান্তৰে অৰিহণা যোগাইছিল। স্মৰণযোগ্য যে সেই সময়ছোৱাৰ ভিতৰতে শংকৰদেৱৰ পূৰ্বপুৰুষসকল কনৌজৰ পৰা আহি অসম পাইছিলহি।

শংকৰদেৱৰ উপৰিপুৰুষসকলৰ মাজত সংগীতৰ ভাল চৰ্চা আছিল বুলি জনা যায়। ৰুক্মিণীহৰণ কাব্যত আত্ম-পৰিচয় দিওঁতে শংকৰদেৱে পিতৃ কুসুম্বৰ বিষয়ে "বংশতে প্ৰখ্যাত গন্ধৰ্ব্ব সাক্ষাত জগতে বখানে যাক" বুলি উল্লেখ কৰিছে। এই কথাৰ পৰা অনুমান কৰিব পাৰি যে সংগীতৰ এক অভিজাত পৰম্পৰা শংকৰদেৱে উত্তৰাধিকাৰী সূত্ৰেই লাভ কৰিছিল। সেই পৰম্পৰালব্ধ সংগীতৰ জ্ঞান অধিক সমৃদ্ধ হৈছিল মহেন্দ্ৰ কন্দলীৰ দৰে গুৰুৰ টোলত ৪ বেদ, ১৪ শাস্ত্ৰ (নাট্যশাস্ত্ৰ সমন্বিতে), ১৮ পুৰাণৰ তাত্ত্বিক শিক্ষা আৰু সুদীৰ্ঘ ১২ বছৰজোৰা তীৰ্থ ভ্ৰমণৰ যোগেদি আহৃত ব্যৱহাৰিক অভিজ্ঞতাৰে। ইফালে চৰ্যাগীতৰ সময়ৰে পৰা, অৰ্থাৎ ৮ম শতিকা মানৰ পৰা, শংকৰদেৱৰ সময়লৈকে অসমত ৰাগ-সংগীতৰ চৰ্চা ছেগা-চোৰোকাকৈ হ'লেও অব্যাহত আছিল বুলি ভবাৰ যথেষ্ট থল আছে। শংকৰদেৱৰ প্ৰায় সমসাময়িক কবি-সংগীতজ্ঞ, দুৰ্গাবৰ, পীতাম্বৰ আদিয়ে কামৰূপ অঞ্চলত থাকিয়েই সংগীতৰ শিক্ষা আহৰণৰ সুযোগ পাইছিল। দুৰ্গাবৰ কায়স্থই তেওঁৰ পূৰ্বজ জনৈক বহুবল শিকদাৰক গন্ধৰ্ব্বৰ অৱতাৰ বুলি উল্লেখ কৰাটো প্ৰণিধানযোগ্য। শংকৰ-মাধৱৰ বৰগীত, দুৰ্গাবৰৰ গীতি-ৰামায়ণ, পীতাম্বৰৰ উষা-পৰিণয় আদিত চৰ্যাগীত আৰু গীত-গোবিন্দত ১২ শতিকাৰ আগভাগত ৰচিত জয়দেৱৰ অষ্টপদীসমূহত ব্যৱহৃত ভালেকেইটা ৰাগৰ পুনৰুল্লেখেও চৰ্যাৰ সময়ৰে পৰা ৰাগ-সংগীত চৰ্চাৰ ধাৰাবাহিকতাৰ ইংগিতকে দিয়ে।

দুৰ্গাবৰৰ ৰচনাত ব্যৱহৃত ৰাগসমূহ হ'ল — অহিৰ, আকাশ-মণ্ডলী, বৰাড়ী, ভাটিয়ালী, বেলোৱাৰ, চলনী, দেৱজিনি, দেৱমোহন, ধানশ্ৰী, গুঞ্জৰী, মালসী, মঞ্জৰী, মাৰোৱাৰ, মেঘমণ্ডল, পটমঞ্জৰী, ৰামগিৰী, শ্ৰী-গন্ধকালী, শ্ৰী-গান্ধাৰ, সুহাই, বসন্ত ইত্যাদি। পীতাম্বৰৰ উষা-পৰিণয়ত ব্যৱহৃত ৰাগসমূহ এনে ধৰণৰ : অহিৰ, গুঞ্জৰী, গোণ্ডগিৰি, ধনশ্ৰী, নাগ, নাট, পটমঞ্জৰী, পাহাড়ী, বৰাড়ী, বসন্ত, ভাটিয়ালী, ভৈৰৱী, মল্লাৰ, সুহাই। শংকৰ-মাধৱ বিৰচিত বৰগীত আৰু অংকৰ গীতসমূহত সৰ্বমুঠ ৩৬টা ৰাগ পোৱা যায় — অহিৰ, আশোৱাৰী, বসন্ত, বৰাডী, বেলোৱাৰ, ধনশ্ৰী, গৌড়ী, ভাটিয়ালী, তুৰ, নাট, ভূপালী, সাৰংগ, মল্লাৰ, শ্ৰী, শ্ৰী-গৌড়ী, শ্ৰী-গান্ধাৰ, শ্ৰী-পযাৰ, গান্ধাৰ, তুৰ-বসন্ত, তুৰ-ভাটিয়ালী, নাট-মল্লাৰ, মাহুৰ, মাহুৰ-ধনশ্ৰী, সুহাই, সিন্ধুৰা, কৌ, শ্যাম, কল্যাণ, ললিত, কামোদ, কৌ-কল্যাণ-সিন্ধুৰা, পূৰ্বী, কেদাৰ, কাৰুণ্য-কেদাৰ, শ্যামগেড়া আৰু কানাড়া। শংকৰোত্তৰ যুগৰ গীতিকাৰ, নাট্যকাৰসকলৰ ৰচনাত চৰ্যাগীতৰ পৰা বৰগীতলৈকে ব্যৱহৃত ৰাগসমূহৰ ভালেকেইটাৰ পুনৰুল্লেখ পোৱাৰ উপৰি গোটাদিয়েক নতুন ৰাগৰো উল্লেখ পোৱা যায়। যেনে — মংগল-বৰাড়ী, পূৰ্বী-কল্যাণ, চোৰঠ, কাৰুণ-পটমঞ্জৰী, কাফিৰ, চালেঙি, ধনশ্ৰী-ভাটিয়ালী, ধাঙ্কী, এমৎ-কল্যাণ, ৰামকেলি, ভাটিয়ালী-চালেঙি, মালচি, ৰাইচা, পাহাৰীয়া, পাহাৰীয়া-গান্ধাৰ, নৱনীত-বৰাডী, শোভাসুন্দৰ-মল্লাৰ, নট-নাৰায়ণ, কৌ-সিন্ধুৰা, বালাধাঙ্কী, বং-ভাটিয়ালী, বিভাস ইত্যাদি । ইবিলাকৰ উপৰি বৰপেটা, কমলাবাৰী প্ৰমুখ্যে কোনো কোনো সত্ৰত আজিও প্ৰচলিত ব্যাহগোৱা ওজাপালি, মংগলদৈ অঞ্চলৰ মাৰৈগোৱা বা সুকনান্নী ওজাপালি, হাজো অঞ্চলৰ দুৰ্গাবৰী গীতৰ ওজাপালি আদিৰ দৰে ৰাগভিত্তিক অৰ্দ্ধশাস্ত্ৰীয় গায়ন-শৈলীয়েও অসমত পৰম্পৰাগতভাৱে চলি অহা ৰাগ-সংগীতৰ চৰ্চাৰে সাক্ষ বহন কৰে।

শংকৰ-মাধৱৰ অনুগামী অসমৰ সত্ৰসমূহত সাধাৰণভাৱে বৰগীত আৰু অংকৰ গীতত ব্যৱহৃত ৰাগসমূহৰহে চৰ্চা দেখিবলৈ পোৱা যায়। অৱশ্যে মহাভাৰত, ৰামায়ণ, পুৰাণ আদিৰ কাহিনীৰ আধাৰত শংকৰোত্তৰ নাট্যকাৰসকলৰ দ্বাৰা 'মাতৃভাষা' অথবা ব্ৰজাৱলী ভাষাত ৰচিত নাটসমূহৰ ভাওনা অথবা ওজাপালি অনুষ্ঠানৰ প্ৰচলন থকা খনচেৰেক সত্ৰত শংকৰ-মাধৱৰ ৰচনাত উল্লেখ নথকা; এমৎ-কল্যাণ, চালেঙি, চোৰঠ, দেশাগ (দেশাখ ?), পাহাৰী, গুঞ্জৰী, পৰজ, ৰামগিৰি (ৰামক্ৰী? / ৰামকিৰি ?), ব্যাহগেড়া, মালগেড়া জাতীয় ৰাগ কিছুমানৰো চৰ্চা অব্যাহত আছে।

**মাজুলীৰ সত্ৰসমূহত ৰাগ-সংগীতৰ চৰ্চা :**

অসমত ৰাগ-সংগীত চৰ্চাৰ এই সামগ্ৰিক পটভূমিত এতিয়া নিৰ্দিষ্টভাৱে মাজুলীৰ সত্ৰসমূহৰ ভূমিকা বিচাৰ কৰি চোৱা যাওক। প্ৰথমেই মনত ৰাখিবলগীয়া কথাটো হ'ল যে মাজুলীৰ সত্ৰসমূহক একেটা থূপতে সামৰিব নোৱাৰি। নতুন কমলাবাৰী, উত্তৰ কমলাবাৰী, ভোগপুৰ, বিহিমপুৰ, নৰসিংহ এলেঙি, দিখৌমুখ এলেঙি, নতুন চামগুৰি, পুৰণা চামগুৰি, বাঁহজেঙনি আদি শংকৰ-মাধৱৰ অনুগামী সত্ৰসমূহক এটা থূপত সামৰিব পাৰি। তাৰ বিপৰীতে তাহানিতে ৰাজ-পৃষ্ঠপোষকতাত সমৃদ্ধিশালী হোৱা দামোদৰদেৱৰ অনুগামী 'চাৰিসত্ৰ'ৰ অন্তৰ্ভুক্ত আউনীআটী, দক্ষিণপাট আৰু গড়মূৰ সত্ৰক আন এটা থূপত বিচাৰ কৰিব লাগিব। কোৱা বাহুল্য যে দামোদৰপন্থী 'চাৰিসত্ৰ'ই অতীজৰে পৰা ধৰ্মীয়, সাংস্কৃতিক সকলো দিশতে শংকৰ-মাধৱ প্ৰৱৰ্তিত ধাৰাটোৰ পৰা আঁতৰি থকা বুলি ক'ব পাৰি। আউনীআটী, গড়মূৰ, কুৰুৱাবাহীয়ে এইক্ষেত্ৰত আজিকালি বাহিৰত কিছু নমনীয়তা দেখুওৱা পৰিলক্ষিত হৈছে। দক্ষিণপাট সত্ৰই অৱশ্যে আজিও শংকৰ-মাধৱৰে তেখেতসকলৰ প্ৰত্যক্ষ সম্পৰ্ক মুকলিকৈয়ে অস্বীকাৰ কৰে। এই সত্ৰসমূহত শংকৰ-মাধৱ বিৰচিত কীৰ্তন, দশম, ঘোষা, ৰত্নাৱলী, বৰগীত, বাৰ অংশ আদিৰ পৰিৱৰ্তে তেওঁলোকৰ নিজৰ সত্ৰাধিকাৰসকলে ৰচনা কৰা গীত, পদ, নাট আদিহে চৰ্চিত হয়। তদুপৰি এই সত্ৰকেইখনত বিশেষকৈ, আউনীআটী আৰু দক্ষিণপাটত 'হাজোৱলীয়া গীত' নামেৰে এনে কিছুমান গীতৰ প্ৰচলন আছে যিবিলাকৰ ভাষা বঙলুৱা আৰু ভনিতাত পোৱা যায় কোনোবা দাস নাইবা ঘোষৰ নাম।

আহোম স্বৰ্গদেউ ৰুদ্ৰসিংহই দিল্লী, কলিকতা (বৰ্তমানৰ ক'লকাতা) আদিৰ পৰা নৃত্য, গীত, অভিনয় আদিত পাৰদৰ্শী কিছু কলা-কুশলীক অসমলৈ আনিছিল বুলি বুৰঞ্জীত পোৱা যায়। মৌখিক উৎসৰ পৰা আনকি এনেদৰেও শুনা যায় যে ৰজাই হাজোৰ ওচৰত প্ৰশিক্ষণ কেন্দ্ৰ পাতি প্ৰধানকৈ পূৰ্বোক্ত 'চাৰিসত্ৰ'ৰ গায়ন-বায়নসকলক সেই আমদানিকৃত কলা-কুশলীসকলৰ দ্বাৰা প্ৰশিক্ষণ দিয়াই আনি নিজৰ মনোৰঞ্জনৰ ব্যৱস্থা কৰিছিল। এই সত্ৰসমূহত আজিও প্ৰচলিত 'হাজোৱলীয়া গীত', 'হাজোৱলীয়া বাজনা' আদিয়ে নিঃসন্দেহে সেই ইতিহাসৰ সাক্ষ্য বহন কৰে।

দামোদৰীয়া 'চাৰিসত্ৰ'ৰ দৰেই ৰাজ-অনুগ্ৰহ লাভৰ উদ্দেশ্যে আগত ৰাখি খনচেৰেক 'শংকৰী' সত্ৰয়ো এই আমদানিকৃত বঙলুৱা কৃষ্টিসম্ভাৰ আয়ত্ত কৰি ৰজাঘৰত প্ৰদৰ্শন কৰিছিল। বেঙেনাআটী সত্ৰৰ নিত্য-নৈমিত্তিক প্ৰসংগক্ৰমত শংকৰ-মাধৱকৃত গীত, পদ, ঘোষা, কীৰ্তন আদিৰ লগতে হাজোৱলীয়া গীত, বাজনা আদিৰ অন্তৰ্ভুক্তিয়ে নিশ্চয় তেনে ইংগিতকে দিয়ে। একেদৰেই তাহানিৰ অবিভক্ত কমলাবাৰী সত্ৰয়ো ৰজাঘৰত বঙলুৱা নাটৰ ভাওনা, নৃত্য, গীত আদিৰ প্ৰদৰ্শন কৰি প্ৰশংসিত হৈছিল। কমলাবাৰী পৰিয়ালৰ কেউখন সত্ৰতে আজিও প্ৰচলিত ৰজাঘৰীয়া গীত, ৰজাঘৰীয়া বাজনা, ৰজাঘৰীয়া চালি-নৃত্য, বন্ধাৰাগ আদিয়েও নিশ্চয় সেই ইতিহাসৰে সাক্ষ্য বহন কৰে। চামগুৰি সত্ৰতো গোটাদিয়েক হাজোৱলীয়া গীত, খনচেৰেক হাজোৱলীয়া বাজনা পোৱা যায়। অৱশ্যে সমীপৱৰ্তী দক্ষিণপাট সত্ৰৰে এসময়ত হোৱা ঘনিষ্ঠতাৰ পৰিণতি স্বৰূপ এই বঙলুৱা গীত, বাজনাসমূহ এই সত্ৰৰ নিত্য-নৈমিত্তিক প্ৰসংগক্ৰমৰ অন্তৰ্ভুক্ত নহয়। মাজুলীৰ বাকীকেইখন সত্ৰত মূলতঃ শংকৰ-মাধৱকৃত গীত,পদ, ৰাগ, তালখিনিয়েই চৰ্চিত হৈ আহিছে।

ভোগপুৰ, উত্তৰ কমলাবাৰী, নতুন কমলাবাৰী আদি কমলাবাৰী পৰিয়ালৰ কেউখন সত্ৰতে শংকৰ-মাধৱৰ বৰগীত আৰু অংকৰ গীতসমূহত ব্যৱহৃত ৰাগবোৰক মেলা ৰাগ বা অংকীয়া ৰাগ বোলে। তাৰ বিপৰীতে মূলতঃ ওজাপালি, পাঠ, বিভিন্ন নৃত্য আৰু শংকৰোত্তৰ যুগৰ নাট্যকাৰসকলৰ দ্বাৰা ৰচিত নাটৰ ভাওনা আদিত ব্যৱহৃত অশংকৰী ৰাগসমূহক বন্ধা ৰাগ নামেৰে জনা যায়। ইতিপূৰ্বে উল্লেখ কৰি অহা এমৎ-কল্যাণ, পৰজ, দেশাগ, পাহাড়ী, গুঞ্জৰী, ৰামগিৰি আদি ৰাগবোৰ কমলাবৰীয়া পৰম্পৰাৰ বন্ধা ৰাগৰ তালিকাভুক্ত। তদুপৰি শংকৰ-মাধৱৰ ৰচনাত উল্লেখ থকা প্ৰায়বোৰ ৰাগৰে উল্লিখিত সত্ৰসমূহত একো একোটা 'বন্ধা' ৰূপ আছে যিটো সেই ৰাগবোৰৰ 'মেলা' বা 'অংকীয়া' ৰূপেৰে নিমিলে। আমোদজনক কথাটো হ'ল যে বিভিন্ন উপলক্ষত বিশেষকৈ, ওজাপালি আৰু বিভিন্ন নৃত্যৰ অনুসংগী হিচাপে পৰিৱেশন কৰোঁতে শংকৰ-মাধৱৰ গোটাদিয়েক বৰগীতকো সিবিলাকৰ মূল ৰাগত নাগাই বন্ধা ৰাগ একোটাত পেলাই গোৱাৰ প্ৰথা প্ৰচলিত আছে এই সত্ৰকেইখনত। সেইদৰে গোৱাৰ প্ৰক্ৰিয়াটোক 'ফুৰা-সঞ্চৰ'ত গোৱা বুলি জনা যায়। বৰগীত একোটাৰ মূল ৰাগটোক গীতটোৰ 'বহা-সঞ্চৰ' বোলে। উদাহৰণ স্বৰূপে নটুৱা নৃত্যৰ লগত পৰিৱেশন কৰোঁতে শ্ৰীৰাগৰ "উদ্ধৱ চলহু গোকুল লাই" গীতটো বন্ধা ৰাগ, এমৎ-কল্যাণত গায়। একেটা গীতকে আকৌ সত্ৰৰ নিত্য প্ৰসংগত গাওঁতে তাৰ 'বহা-সঞ্চৰ', শ্ৰীৰাগতে গায়। পিছে বন্ধা ৰাগটোৰ

তুলনামূলকভাৱে পাতল আৱেদন তথা নৃত্যৰ অনুসংগী হিচাপে সঘন বাজহুৱা পৰিৱেশনৰ ফলত আজি প্ৰচাৰ মাধ্যমসমূহৰ উপৰি সকলো বাজহুৱা অনুষ্ঠানতে এমৎ-কল্যাণে শ্ৰীৰাগটোক বিলুপ্ত কৰিব খোজাৰ দৰে পৰিস্থিতিৰ সৃষ্টি কৰাটোহে পৰিতাপৰ বিষয় হৈ পৰিছে।

ৰাগ বিশেষৰ পৰিৱেশনৰ ক্ষেত্ৰত থকা কিছুমান পৰম্পৰাগত বাধা-নিষেধেও কেতিয়াবা 'ফুৰা-সঞ্চৰ' ব্যৱস্থাক প্ৰোৎসাহিত কৰা দেখা যায়। উদাহৰণ স্বৰূপে নতুন কমলাবাৰী সত্ৰত সিন্ধুৰা, ভূপালী আৰু সাৰংগ এই তিনিটা ৰাগক 'জঁপাৰ কাপোৰ'ৰ দৰে সত্ৰৰ ভিতৰতে সামৰি ৰখাৰ নিয়ম; সত্ৰৰ বাহিৰত বা বাহিৰা মানুহৰ আগত পৰিৱেশনত বাধা আছে। পিছে কিবা কাৰণত বিশেষকৈ, গুৰু দুজনাৰ অংকীয়া নাটৰ ভাওনা পাতোতে, সত্ৰৰ বাহিৰত এইকেইটা ৰাগৰ গীত গাবলগা হ'লে তেখেতসকলে হেনো বসন্ত বা ভাটিয়ালী বা অন্য কিবা ৰাগতে গায়। উপলক্ষ বিশেষে বৰপেটা সত্ৰতো কোনো কোনো বৰগীত মূল ৰাগত নাগাই অন্য ৰাগত গোৱাৰ অথবা মূল ৰাগত আৰম্ভ কৰি পদাংশত অন্য ৰাগলৈ যোৱাৰ প্ৰথা প্ৰচলিত আছে। কোৱা বাহুল্য যে এনে ব্যৱস্থাই বৰগীতৰ ৰাগ সম্পৰ্কে অনেক সময়ত সাধাৰণ শ্ৰোতাক বিভ্ৰান্তিত পেলায়।

কমলাবৰীয়া পৰম্পৰাত বন্ধা ৰাগ আৰু মেলা ৰাগৰ পাৰ্থক্য সূচাবলৈ গায়নসকলে মেলা ৰাগ এটা দিওঁতে হৰি, গোবিন্দ, ৰাম, কৃষ্ণ আদি ভগৱানৰ নামবাচক শব্দৰ প্ৰয়োগ কৰাৰ বিপৰীতে বন্ধা ৰাগৰ বেলিকা তা নে না, হেৰেৰি, হাউৰি, নাথেনু জাতীয় অৰ্থহীন ধ্বনিৰ প্ৰয়োগ কৰে। আগেয়ে উল্লেখ কৰি অহা হৈছে যে কমলাবাৰী পৰিয়ালৰ সত্ৰকেইখনত শংকৰ-মাধৱৰ ৰচনাত উল্লেখ থকা ৰাগসমূহৰো প্ৰায়ভাগৰে একো একোটা 'বন্ধা' ৰূপ প্ৰচলিত আছে; যিবিলাকৰ সাংগীতিক ৰূপ সেই ৰাগবোৰৰ মূল (মেলা বা অংকীয়া) ৰূপেৰে নিমিলে। এইখিনিতে উল্লেখযোগ্য যে দক্ষিণপাট সত্ৰত প্ৰচলিত অশংকৰী গীত-পদবিলাকতো অন্যান্য ৰাগৰ লগতে শংকৰ-মাধৱৰ ৰচনাত উল্লেখ থকা অহিৰ, আশোৱাৰী, বসন্ত, বেলোৱাৰ আদি ৰাগৰো প্ৰয়োগ দেখা যায়। পিছে নামৰ সাদৃশ্য থাকিলেও সেই ৰাগবোৰৰ সাংগীতিক ৰূপ বৰগীতৰ ৰাগসমূহৰ ৰূপৰ লগত নিমিলে। এই সত্ৰতো ৰাগ দিওঁতে তা নে না, হেৰেৰি, নাথেনু জাতীয় অৰ্থহীন ধ্বনিৰহে ব্যৱহাৰ কৰে। দক্ষিণপাট সত্ৰৰ এই ৰাগবোৰৰ সৈতে কমলাবৰীয়া পৰম্পৰাৰ বন্ধা ৰাগবোৰৰ সাংগীতিক তথা ঐতিহাসিক সাদৃশ্য বা সম্পৰ্ক আছেনেকি সি এক অনুসন্ধানমূলক গৱেষণাৰ বিষয় হ'ব পাৰে।

কমলাবাৰী পৰিয়ালৰ সত্ৰকেইখনত, বৰপেটা সত্ৰৰ দৰেই ওজাপালি, পাঠ আৰু শংকৰোত্তৰ যুগৰ 'মাতৃভাষা'ৰ নাটসমূহৰ গীতত ব্যৱহৃত নামে-কামে অশংকৰী কেইটামান ৰাগৰ উল্লেখ ইতিপূৰ্বে কৰি অহা হৈছে। একেদৰেই দক্ষিণপাট সত্ৰৰ হাজোৱলীয়া গীতসমূহতো গোণ্ডগিৰি, শ্ৰীগন্ধকালী, ভৈৰৱী, মালসী, পট-মঞ্জৰী, গুঞ্জৰী, পৰজ, দেশাগ আদি সমপ্ৰকৃতিৰ ৰাগ কিছুমানৰ প্ৰয়োগ হয়। সংশ্লিষ্ট সত্ৰকেইখনৰ গায়ন-বায়নসকলৰ মতে এই ৰাগবিলাকে প্ৰাক্-শংকৰী যুগৰে পৰা অসমত চলি অহা ৰাগ-সংগীত চৰ্চাৰ ঐতিহ্য বহন কৰে। ভৈৰৱী, গুঞ্জৰী, দেশাগ (দেশাখ ?), মালসী. পট-মঞ্জৰী, ৰামগিৰি (ৰামক্ৰী ?), গোণ্ডগিৰি (গোণ্ডকিৰি ?), শ্ৰীগন্ধাকালী, চালেণ্ডী (চালনী ?), পাহাৰী আদি ভালেকেইটা এনে ৰাগৰ উল্লেখ চৰ্যাগীত, গীত-গোবিন্দৰ উপৰি দুৰ্গাবৰ, পীতাম্বৰ আদিৰ ৰচনাতো পোৱাটোৱে তেনে ধাৰণাক সমৰ্থন কৰা যেন লাগে। ইফালে আকৌ হাজোৱলীয়া গীতবোৰৰ ৰচনা-ৰীতি, ভাষা আৰু ভনিতাত উল্লেখিত ৰচকৰ নাম আদিৰ পৰা এইবোৰ শংকৰোত্তৰ যুগৰে সৃষ্টি বা আমদানি যেন অনুমান হয়। সেয়ে আলোচিত ৰাগবোৰে প্ৰকৃততে প্ৰাক্-শংকৰী অসমৰ সংগীত চৰ্চাৰ সাক্ষ্য বহন কৰে নে শংকৰোত্তৰ যুগত বিশেষকৈ, ৰুদ্ৰসিংহ ৰজাৰ পৃষ্ঠপোষকতাত দিল্লী, বংগ আদি অঞ্চলৰ সংগীত-শৈলীৰে হোৱা সংস্পৰ্শ তথা আদান-প্ৰদানৰ সাক্ষ্য বহন কৰে সিও এক গৱেষণাৰ বিষয়। উল্লেখযোগ্য যে আলোচিত ৰাগবোৰৰ উল্লেখ বংগদেশৰ গৌড়ীয় বৈষ্ণৱ পদাৱলী কীৰ্তনৰ গীত-পদবোৰতো পোৱা যায়। সি যি কি নহওক, সাংগীতিক বিচাৰত উল্লিখিত ৰাগ আৰু গীতবোৰৰ এক বিশেষ গুৰুত্ব আছে। বৰগীত বা শংকৰী সংগীতৰ নিৰ্দিষ্ট ক্ষেত্ৰখনত ইবিলাকে কেতিয়াবা বিভ্ৰান্তি বা বেমেজালিৰ সৃষ্টি কৰিলেও, নিজস্ব ক্ষেত্ৰখনত সিবিলাকৰ সাংগীতিক গুৰুত্ব কোনেও অস্বীকাৰ কৰিব নোৱাৰে। এই অশংকৰী ৰাগ, গীতবোৰৰ সংৰক্ষণ তথা বিজ্ঞানসন্মত বিশ্লেষণৰ জৰিয়তেই চৰ্যা, অষ্টপদী অথবা দুৰ্গাবৰ আৰু পীতাম্বৰৰ ৰচনাৱলীত ব্যৱহৃত ভালেসংখ্যক ৰাগৰ অধুনালুপ্ত চানেকি উদ্ধাৰৰ সম্ভাৱনা দেখা যায়। এনে সম্ভাৱনাৰ বাস্তৱায়নে কেৱল অসমৰে কিয় সামগ্ৰিকভাৱে ভাৰতীয় সংগীত জগতখনকে সমৃদ্ধ কৰিব।

# মাজুলীৰ ৰাস আৰু পালনাম উৎসৱ

পৃথিৱীৰ সৰু-বৰ সকলো জনগোষ্ঠীৰেই একোটা সাংস্কৃতিক পৰিচয় আছে। সাজ-পাৰ, ভাষা, ধৰ্ম, গীত-বাদ্য, সাহিত্য, লোকাচাৰ, লোক-ৰীতি, লোক-উৎসৱ আৰু জীৱন নিৰ্বাহৰ পদ্ধতিয়ে একোটা জনগোষ্ঠীৰ নিজস্ব সাংস্কৃতিক পৰিচয় দাঙি ধৰাৰ ক্ষেত্ৰত যেনেকৈ সহায় কৰে, ঠিক তেনেকৈয়ে সেই জনগোষ্ঠীৰ সংস্কৃতিক যুগমীয়া কৰি নোতোলাকৈও নাথাকে। কেৱল সাংস্কৃতিক পৰিচয়ৰ জৰিয়তেই যুগ যুগ ধৰি প্ৰতিষ্ঠা লভিবলৈ সমৰ্থবান হোৱা জাতিৰ উদাহৰণো বিশ্ব ইতিহাসে দাঙি ধৰে।

কোৱা বাহুল্য যে, কোনো ভৌগোলিক অঞ্চলৰ আঞ্চলিক সংস্কৃতিৰ পৰিচয় দাঙি ধৰাৰ ক্ষেত্ৰত সেই অঞ্চলত বসবাস কৰা লোকসকলৰ লোক-উৎসৱবিলাকৰ তাত্বিক গুৰুত্ব আৰু প্ৰাসংগিকতা সদায়ে এখোপ উৰ্দ্ধত। কিয়নো লোক-উৎসৱ হৈছে লোক-সংস্কৃতিৰ শ্বাশ্বত দাপোণ স্বৰূপ। সেইবাবে সকলো জনগোষ্ঠীৰেই আৰ্থ-সামাজিক জীৱনৰ আধাৰত বৰ্ণাঢ্য সংস্কৃতিৰে পৰিপূৰ্ণ লোক-উৎসৱবিলাকে পৰিপূৰ্ণতা লাভ কৰিবলৈ সক্ষম হৈছে।

সমাজ আৰু জনগোষ্ঠীভেদে পৃথিৱীৰ ভিন্ ভিন্ লোক-সমাজত ভিন্ ভিন্ ঋতু আৰু নানান বিশিষ্ট উপলক্ষ্যত এনেধৰণৰ উৎসৱ-পাৰ্বণবিলাকৰ উৎপত্তি হৈছে। এই উৎসৱবিলাকক বিভিন্ন নামেৰে জনা গ'লেও আৰু উদ্যাপন আদিৰ ক্ষেত্ৰত কিছু তাৰতম্য থাকিলেও সকলো প্ৰকাৰৰ লোক-সমাজতে উদ্দেশ্যভিত্তিক অভিন্ন সুৰৰ আঁত এড়াল বিচাৰি পোৱা যায়।

লোক-উৎসৱবিলাকক প্ৰধানতঃ ধৰ্মীয় আৰু লোক-মনোৰঞ্জক— এই দুটা ভাগত বিভক্ত কৰিব পৰা যায়। আমি ইয়াত আলোচনা কৰিবলৈ লোৱা মাজুলীৰ 'ৰাস' আৰু 'পালনাম' উভয়েই মূলতঃ ধৰ্মীয় উৎসৱ। অৱশ্যে ৰাস আৰু পালনাম কেৱল মাজুলীতেই নহয়, অসম তথা ভাৰতৰ অন্যান্য ঠাইতো উদ্যাপন কৰা দেখা যায়; কিন্তু মাজুলীৰ পটভূমিত বিশেষভাৱে আলোচনা কৰিবলগা কিছুমান আনুষংগিক দিশ নথকা নহয়।

আজিকালি গাঁৱে-ভূঞে, নগৰে-চহৰে অনেক ধৰণৰ উৎসৱ-পাৰ্বণ উদ্যাপিত হয়। তাৰ ভিতৰতো বসন্ত কালৰ বিহু উৎসৱৰ দৰেই শাৰদীয় বতৰৰ এক উল্লেখযোগ্য উৎসৱ হৈছে দুৰ্গাপূজা। দুৰ্গাপূজা মূলতঃ ধৰ্মীয় উৎসৱ; কিন্তু ধৰ্মীয় উৎসৱ হ'লেও পৃথিৱীৰ সৰ্ববৃহৎ নদী-দ্বীপ 'এটকা মহন্তৰ স্থান', সত্ৰীয়া সংস্কৃতিৰ ঐতিহ্য-বিধৌত কেন্দ্ৰস্থল মাজুলীত অদ্যপৰিমিতো দুৰ্গাপূজা উদ্যাপন কৰা হোৱা নাই। অন্যান্য ঠাইত শাৰদীয় উৎসৱ বুলিলে সাধাৰণতে দুৰ্গাপূজাৰ কথাকে প্ৰথমেই মনলৈ আহে; কিন্তু বিভিন্ন থান-সত্ৰৰে পৰিবেষ্টিত মাজুলীত শাৰদীয় উৎসৱ বুলিলে ৰাসোৎসৱৰ কথাহে মনলৈ আহে। সেইদৰে, সমসাময়িকভাৱে উদ্যাপিত সুপ্ৰসিদ্ধ আউনীআটী আৰু গড়মূৰ সত্ৰৰ 'পালনাম' এই সময়ছোৱাৰ এক উল্লেখযোগ্য ধৰ্মীয় উৎসৱ।

**ৰাসোৎসৱ :** মাজুলী বৈষ্ণৱ সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ। বৈষ্ণৱ সংস্কৃতিত ভগৱান শ্ৰীকৃষ্ণক পূৰ্ণঅৱতাৰী, পৰমব্ৰহ্ম, সত্য-সনাতন, অনন্তকৌটি ব্ৰহ্মাণ্ডৰ অধিকাৰীৰূপে অভিহিত কৰা হৈছে। ৰাসোৎসৱ এনে এটি বৈষ্ণৱ উৎসৱ য'ত পূৰ্ণকাম, ভক্তবৎসল, আত্মাৰাম শ্ৰীকৃষ্ণৰ জীৱন-লীলাক উপজীৱ্য কৰি তোলা হৈছে। কৃষ্ণ-কথা পৰম ৰসদায়ক, অমৃতময়। এই ৰসদায়ক, অমৃতময় কৃষ্ণ-কথাবস্তুৰে সমৃদ্ধ ৰাসলীলাৰ তাত্বিক দিশ এয়ে যে ৰাসলীলাৰ মাধ্যমেৰে জীৱাত্মাক পৰমাত্মালৈ, জাগতিক সুখানুভূতিক আধ্যাত্মিকতালৈ, কাম প্ৰবৃত্তিক সম্পূৰ্ণৰূপে কলাৰ শাৰীলৈ উন্নীত কৰি দেখুৱাবলৈ প্ৰয়াস কৰা হৈছে।

অসমৰ বিভিন্ন প্ৰান্তত ৰাসোৎসৱ উদ্যাপিত হ'লেও মাজুলীত এই উৎসৱ প্ৰতিবছৰেই ৰাস-পূৰ্ণিমাত অতি উলহ-মালহ আৰু মহা সমাৰোহেৰে উদ্যাপন কৰা হয়। ৰাস-পূজা আৰু অভিনয় বা ভাওনা-– এই দুয়োটাই ৰাসোৎসৱৰ লগত জড়িত হৈ আছে। দক্ষিণপাট আৰু গড়মূৰ সত্ৰৰ ৰাসোৎসৱৰ ইতিহাস সাংস্কৃতিক জগতত সদায়ে সমুজ্জ্বল হৈ আছে। সুপ্ৰসিদ্ধ সত্ৰসমূহৰ উপৰি বিভিন্ন অঞ্চলত গঢ় লৈ উঠা স্থায়ী আৰু অস্থায়ী মঞ্চ আৰু গাঁৱে-ভূঞেও ৰাসলীলাৰ অভিনয় প্ৰদৰ্শিত হৈ আহিছে।

দক্ষিণপাট সত্ৰৰ শ্ৰীশ্ৰী৺বাসুদেৱ গোস্বামীয়ে (১৮২৮-১৮৭০ খ্ৰী:) সপোনত ভগৱন্তৰ আজ্ঞা পাই গীত আৰু নৃত্য সম্বলিত ৰাসলীলাৰ নাটক এখন ৰচনা কৰে বুলি প্ৰবাদ প্ৰচলিত হৈ আহিছে। পাছত ভক্তিৰসপূৰ্ণ সেই নাটকৰে (১৮৪০ খ্ৰী:) অভিনয় কৰি দক্ষিণপাট সত্ৰই ৰাসোৎসৱক সৰ্বত্ৰে জনাজাত কৰি তোলে।

দক্ষিণপাট সত্ৰত ৰাসলীলাৰ অভিনয়ৰ কাৰণে নামঘৰৰ

ভিতৰত আটকধুনীয়াকৈ এটি 'ৰাস-মণ্ডপ' সজাই-পৰাই তোলা হয়। মণ্ডপৰ চাৰিওকালে থাকে চাৰিখন দুৱাৰ। প্ৰত্যেকখন দুৱাৰত দুজনকৈ দ্বাৰপাল, একোটিকৈ গৰুড় মূৰ্ত্তি স্থাপন কৰে। ৰাসৰ আগদিনা সান্ধ্য-আৰতিৰ পাছত যথোচিতভাৱে শ্ৰীশ্ৰীবৃন্দাবনচন্দ্ৰৰ বিগ্ৰহ, গোপীসকলৰ মূৰ্ত্তি আৰু ভগৱন্তৰ অলৌকিক লীলাৰ প্ৰতিমূৰ্ত্তি কিছুমান বিভিন্ন স্থানত স্থাপন কৰি পূজা কৰা হয়। ৰাসৰ দিনা ৰাতিপুৱা ব্ৰাহ্মমুহূৰ্তৰ পৰা ৰাস-পূজা আৰম্ভ হয় আৰু দিনৰ দিনটো নিত্য-প্ৰসংগৰ উপৰি গায়ন-বায়ন, নাম-কীৰ্তন, নটুৱা নাচ আদি চলি থাকে। ৰাতিলৈ নিত্য-প্ৰসংগ শেষ হোৱাৰ পিছত ৰাসলীলাৰ অভিনয় কৰা হয়।

এইদৰে প্ৰতি বছৰেই ৰাস-পূৰ্ণিমাৰ দিনা দক্ষিণপাট সত্ৰত মহাপয়োভৰে ৰাসোৎসৱ উদ্‌যাপন কৰা হয়। ভক্তি-ৰসেৰে সমৃদ্ধ অভিনয়ৰ উপৰি নৃত্য, গীত আৰু বাদ্যৰ পৰিবেশনে দৰ্শক-শ্ৰোতাক বিশেষভাৱে আকৰ্ষণ কৰে।

গড়মূৰ সত্ৰৰ ৰাসোৎসৱৰ গুৰি ধৰিছিল বিপ্লৱী ধৰ্মগুৰু, সমাজ-সংস্কাৰক, সু-সাহিত্যিক, স্বাধীনতা আন্দোলনৰ অগ্ৰণী মুক্তিযোদ্ধা, আধুনিক বিপ্লৱী চিন্তানায়ক শ্ৰীশ্ৰী-পীতাম্বৰদেৱ গোস্বামীয়ে। তেওঁৰ ঐকান্তিক প্ৰচেষ্টা, সৎচিন্তা আৰু পৃষ্ঠপোষকতাত গড়মূৰ সত্ৰৰ ৰাসোৎসৱে জনপ্ৰিয়তাৰ শীৰ্ষস্থান লাভ কৰিবলৈ সক্ষম হয়। এইজনা ধৰ্মগুৰুৱে নিজে ৰংগমঞ্চ নিৰ্মাণ কৰি, মঞ্চৰ উপযোগীকৈ ৰাসলীলাৰ নাটক প্ৰস্তুত কৰি আৰু পূৰ্ণাংগ কলা-কৌশল প্ৰয়োগ কৰি ৰাসলীলাৰ অভিনয়ক গতিশীল ৰূপ দান কৰি থৈ গৈছে। ১৯৫০ খ্ৰী:ৰ পৰা সহ-অভিনয়েৰে 'ৰাসলীলা' নাটক মঞ্চস্থ কৰি সম্পূৰ্ণ আধুনিক ৰূপত প্ৰতিষ্ঠা কৰে।

উল্লেখিত সত্ৰ দুখনৰ উপৰি কমলাবাৰী, আউনীআটী, উত্তৰ কমলাবাৰী, বেঙেনাআটী, ভোগপুৰ, চামগুৰি, বিহিমপুৰ, প্ৰভৃতি ঐতিহ্যমণ্ডিত সত্ৰসমূহে ৰাসোৎসৱৰ জৰিয়তে এহাতে ঐতিহ্য ৰক্ষা আৰু আনহাতে জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছে। ইয়াৰ বাদেও মাজুলীৰ বিভিন্ন অঞ্চলত গঢ় লৈ উঠিছে বিভিন্ন সাংস্কৃতিক অনুষ্ঠান-প্ৰতিষ্ঠান। এই সাংস্কৃতিক অনুষ্ঠানসমূহৰ উদ্যোগতো প্ৰতিবছৰেই তিনি-চাৰিদিন পৰ্যন্ত অত্যাধুনিক কলা-কৌশলেৰে ৰাসোৎসৱ উদ্‌যাপন কৰা হয়। নামজ্বলা সত্ৰ আৰু বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ উদ্যোগত শিল্পী-অভিনেতা, কলা-কুশলীয়ে কেৱল মাজুলীতেই নহয়, মাজুলীৰ উপৰি অসম তথা ভাৰতৰ বিভিন্ন স্থানত আৰু বাহিৰতো ৰাসলীলাৰ অভিনয় প্ৰদৰ্শন কৰি ভূয়সী প্ৰশংসা লাভ কৰিবলৈ সক্ষম হোৱাটো ৰাসোৎসৱৰ ইতিহাসত মাজুলীৰ একো একোটা উজ্জ্বল অধ্যায়ৰূপে চিহ্নিত হৈ ৰৈছে।

উদাসীন পন্থাৰ পৰম্পৰাৰে প্ৰচলিত সত্ৰসমূহত আৰু সত্ৰীয়া পাৰিপাৰ্শ্বিকতাৰ মাজত প্ৰদৰ্শিত ৰাসলীলাত পুৰুষ অভিনেতাসকলেই পুৰুষ আৰু নাৰীৰ উভয় চৰিত্ৰতে অদ্যপৰিমিতো অভিনয় কৰি আহিছে। ইয়াৰ বাহিৰে গৃহস্থী সত্ৰ, গাঁও-ভূঁই আৰু সাংস্কৃতিক অনুষ্ঠানসমূহৰ উদ্যোগত মঞ্চত প্ৰদৰ্শিত ৰাসলীলাত সহ-অভিনয়ৰ ব্যৱস্থা আছে। আধুনিক কলা-কৌশলেৰে নিৰ্মিত বংশীগোপাল নাট্যমন্দিৰ (গড়মূৰ), শ্ৰীমন্ত শংকৰদেৱ কৃষ্টি সংঘ (গড়মূৰ), মাজুলী মিলন সংঘ (কমলাবাৰী), মিলন কৃষ্টি মন্দিৰ (টেটীয়া) প্ৰভৃতি বিভিন্ন অঞ্চলত গঢ় লৈ উঠা ৰংগমঞ্চসমূহত☆ পৰিপূৰ্ণভাৱে প্ৰদৰ্শিত ৰাসলীলাৰ অভিনয় অতি আড়ম্বৰপূৰ্ণ আৰু উচ্চভাৱে প্ৰশংসিত।

উৎসৱৰ এটি প্ৰধান উদ্দেশ্য হৈছে মানুহৰ মনত আনন্দ দান কৰা। সেইবাবে য'তেই উৎসৱ আছে, ত'তেই আনন্দও আছে। এইটো বহলাই কোৱাৰ প্ৰয়োজন নাই যে, ৰাসোৎসৱ মূলতঃ ধৰ্মীয় ভাৱাশ্ৰয়ী উৎসৱ হ'লেও মাজুলীবাসী ৰাইজৰ মনলৈ এই উৎসৱে ধৰ্ম-বিশ্বাসৰ লগতে কঢ়িয়াই আনে এক অনাবিল আনন্দ । মাজুলীত প্ৰতিবছৰেই বানপানী হয়। বাৰিষাৰ বাঢ়নি পানীয়ে তাণ্ডৱৰ সৃষ্টি কৰিলেও বানপানী শুকাই যোৱাৰ পাছত ৰাসোৎসৱেই যেন তেওঁলোকৰ মনৰ পৰা সকলো দুখ-যন্ত্ৰণা দূৰ কৰি আকৌ নতুন উদ্যমেৰে কাম কৰিবলৈ অনুপ্ৰেৰণা যোগায়। তদুপৰি বিভিন্ন অঞ্চলত তিনি-চাৰিদিন পৰ্যন্ত মহাসমাৰোহেৰে উদ্‌যাপিত ৰাসোৎসৱে জাতি-বৰ্ণ-সম্প্ৰদায় নিৰ্বিশেষে সকলোকে ঐক্য-সম্প্ৰীতিৰ এনাজৰীৰে বান্ধি একত্ৰিত কৰাৰ ক্ষেত্ৰতো ৰাসোৎসৱে এক শক্তিশালী মাধ্যমৰূপে প্ৰভাৱ পেলাবলৈ সক্ষম হোৱাটো এই প্ৰসংগত এটা মন কৰিবলগীয়া দিশ।

**পালনাম :** বৈষ্ণৱ ধৰ্মাৱলম্বীসকলৰ আন এক উচ্চখাপৰ সাত্ত্বিক আৰু আধ্যাত্মিক অনুষ্ঠান হৈছে— 'পালনাম'। পালনাম শব্দৰ অৰ্থ, পালে পালে অবিৰতভাৱে গোৱা নাম-কীৰ্তন। অসমৰ নৱবৈষ্ণৱ ধৰ্মৰ গুৰি ধৰোঁতা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে ধুৱাহাটত পালনাম পাতি ইয়াৰ শুভাৰম্ভ কৰিছিল। তেওঁৰ প্ৰিয় শিষ্য মাধৱদেৱে যাতে নিৰ্বিঘ্নে তেওঁৰ ওচৰলৈ উভতি আহিব পাৰে সেই উদ্দেশ্য আগত ৰাখিয়েই

এই পালনামৰ আয়োজন কৰিছিল। তাৰ পাছৰ পৰা বৈষ্ণৱ ধৰ্মাৱলম্বীসকলৰ মাজত সাত্ত্বিকভাৱে আয়োজন কৰা পালনামৰ বহুল প্ৰচলন হ'বলৈ ধৰে।

সত্ৰ আৰু নামঘৰত সামূহিকভাৱে আয়োজন কৰাৰ উপৰি মানুহে বিশেষ কিছুমান উপলক্ষ্যত ব্যক্তিগত কুশল-মংগলৰ অৰ্থেও পালনামৰ আয়োজন কৰা দেখা যায়। স্থান অনুসৰি কিছু কিছু নীতি-নিয়মৰ ক্ষেত্ৰত ভিন্নতা থাকিলেও পালনামত সাধাৰণতে চাৰিখন শৰাই সজোৱা হয়। উজনি অসমত ঘোষাপাঠ আৰু মধ্য অসমত কীৰ্তনপাঠ কৰা হয় আৰু ইয়াৰ মাজে মাজে নাম ডাকে।

মাজুলীৰ আউনীআটী আৰু গড়মূৰ সত্ৰত প্ৰতিবছৰেই মহাসমাৰোহেৰে পালনাম উৎসৱ উদ্‌যাপিত হয়। গাঁৱে-ভূঞে ব্যক্তিগত আৰু সামূহিকভাৱে মাজে-সময়ে আয়োজন কৰা পালনাম অনুষ্ঠানতকৈ এই দুখন সত্ৰৰ পালনাম উৎসৱৰ স্বকীয় বৈশিষ্ট্য আৰু জনপ্ৰিয়তা সৰ্বাধিক।

গড়মূৰ সত্ৰত কাতি মাহৰ সংক্ৰান্তিৰ দিনা প্ৰতি বছৰেই এদিনীয়াকৈ পালনাম অনুষ্ঠিত হয়। সেইদিনা দিনৰ ভাগৰ পৰা আয়োজন কৰা পালনামৰ পিছদিনা পুৱা সামৰণি পৰে। গড়মূৰ সত্ৰৰ পালনামত সম্পূৰ্ণ ঘোষাপাঠ কৰা হয় আৰু ইয়াৰ মাজে মাজে ছেদ অনুসৰি নামতিয়ে নাম ডাকে। শেষত নাম-কীৰ্তন কৰি পালনামৰ সামৰণি মাৰে।

আউনীআটী সত্ৰৰ বাৰ্ষিক পালনাম উৎসৱ সৰ্বজনবিদিত। প্ৰত্যেক বছৰ কাতি মাহৰ ২৫ তাৰিখৰ পৰা ২৯ তাৰিখ পৰ্যন্ত পাঁচদিন ধৰি এই পালনাম অনুষ্ঠিত হয়। সত্ৰত চাৰিওফালে আগুৰি আছে ভকত-বৈষ্ণৱসকলৰ চাৰিহাটী। এই চাৰিহাটীৰ বৈষ্ণৱসকলে নিজৰ নিজৰ পাল অনুসৰি নাম ঘোষে। পালনাম চলি থকা কেইদিনত সত্ৰৰ নিয়মীয়া নিত্য-প্ৰসংগসমূহৰো সাল-সলনি ঘটোৱা নহয়। সত্ৰীয়া প্ৰসংগই নাম-কীৰ্তনৰ অবিৰাম চৰ্চাৰে ইংগিত দিয়ে। নিত্য-প্ৰসংগৰ ভিতৰত প্ৰভাতী, বৰনাম, ভাগৱত পাঠ, পদ-পাঠ, নাম-প্ৰসংগ, ভাগৱত ব্যাখ্যা ইত্যাদি অন্তৰ্ভুক্ত হৈ আছে।

পালনামৰ প্ৰাৰম্ভতে দৈনিক প্ৰসংগৰ অন্যতম 'বৰ-নাম'ৰ পাছত সত্ৰাধিকাৰৰ পৰা পালনামত অংশ লোৱা পাঁচজন বৈষ্ণৱে পালনাম গাবৰ কাৰণে অনুমতি আৰু বৰণ লোৱাৰ নিয়ম আছে। সত্ৰাধিকাৰৰ পৰা এইদৰে অনুমতি আৰু বৰণ লৈ নামঘৰৰ মণিকূটক বৈকুণ্ঠৰ ৰূপত কল্পনা কৰি বৈকুণ্ঠৰ পৰা নমাই আনে। আউনীআটী সত্ৰৰ পালনামত নামঘৰৰ মাজত পূৱা-পশ্চিমাকৈ এখন নৌকা স্থাপন কৰে। এইখন হ'ল হৰিনামৰূপী নৌকা আৰু ভাগৱত শাস্ত্ৰ হ'ল স্বয়ং কৃষ্ণস্বৰূপ। হৰিনামৰূপী নৌকা আৰু কৃষ্ণৰূপী ভাগৱত শাস্ত্ৰ স্থাপন কৰাৰ পাছত দুয়োফালে ভকত-বৈষ্ণৱসকল বহি নাম ধৰে। এই নাম ভাগে ভাগে পাল অনুসৰি ডাকে।

পালনামৰ শেষৰ দিনা সমাপ্তিৰ মুহূৰ্তত সত্ৰাধিকাৰ, ডেকা সত্ৰাধিকাৰ প্ৰমুখ্যে সত্ৰৰ মুখীয়াল্সকলে যথাৰীতি অনুসৰি মণিকূটত প্ৰৱেশ কৰি মহাপ্ৰভুক সেৱা জনায় আৰু পিছত ভাগৱত শাস্ত্ৰ শিৰত লৈ নামঘৰত চাৰিবাৰ নাম-প্ৰদক্ষিণ কৰে। শেষত সত্ৰাধিকাৰ আৰু ডেকা সত্ৰাধিকাৰে সাষ্টাংগে নামলৈ সেৱা জনায় আৰু আশীৰ্বাদ লয়। সকলোবিলাক দিশ সামৰি দিয়া এই আশীৰ্বাদ আউনীআটী সত্ৰৰ পালনামৰ এটি বিশেষ দিশ। আশীৰ্বাদৰ লগে লগে দবা-শংখই আধ্যাত্মিক পৰিৱেশ অধিক গম্ভীৰ আৰু আকৰ্ষণীয় কৰি তোলে। এইদৰে পাঁচ দিনীয়াকৈ অনুষ্ঠিত হোৱা আউনীআটী সত্ৰৰ জনপ্ৰিয় পালনাম উৎসৱৰ সামৰণি পৰে।

মাজুলীৰ সত্ৰীয়া পৰিমণ্ডলৰ ভিতৰত কেৱল গড়মূৰ আৰু আউনীআটী সত্ৰতেই নিয়মিতভাৱে পালনাম অনুষ্ঠিত হয়। তাৰ ভিতৰতো আউনীআটী সত্ৰৰ পালনাম এক জনবহুল আৰু উল্লেখযোগ্য উৎসৱ। এই উৎসৱৰ উপলক্ষ্যত হাজাৰ হাজাৰ ধৰ্মপ্ৰাণলোকৰ সমাৱেশ ঘটে। মনৰ অভিলাষ অনুসৰি মহাপ্ৰভুৰ আশীষ ল'বলৈ ঘিউ-বন্তি, ধূপ-ধূনা, লোণ আদি ভক্তিভাৱে আগবঢ়াই পালনামত সেৱা জনোৱাৰ উদ্দেশ্যে দূৰ-দূৰণিৰ বহু লোকৰো আগমন ঘটে। লোকে-লোকাৰণ্যত পৰিণত হয়। সত্ৰৰ উপৰিও ইয়াৰ আশে-পাশে, ৰাস্তাই-পদূলিয়ে হোৱা এইকেইদিনৰ বিপুল জনসমাগমত বিৰ দি বাট নোপোৱা অৱস্থা হয়।

পালনাম উৎসৱ উপলক্ষ্যত বিবিধ সা-সামগ্ৰীৰ পোহাৰে মেলাসদৃশ ৰূপ ধাৰণ কৰি ব্যস্ততাপূৰ্ণ পৰিৱেশ এটিৰ সৃষ্টি কৰাটোও মন কৰিবলগীয়া। পালনাম যথাৰ্থতে ধৰ্মীয় অনুষ্ঠান হ'লেও ইয়াৰ যোগেদি ধৰ্ম-চৰ্চাৰ পৰিৱেশ সৃষ্টিৰ লগতে সম্প্ৰীতি সাধন, সত্ৰানুষ্ঠান আৰু বাইজৰ মাজত সম্পৰ্ক সুদৃঢ় কৰা আদি দিশবিলাকৰ ওপৰতো ইতিবাচক প্ৰভাৱ নেপেলোৱাকৈ নাথাকে। পালনামৰ মাজেদি

পৰিলক্ষিত হোৱা এই সামাজিক দিশটোৰ গুৰুত্বও সাম্প্ৰতিক সময়ৰ বহুবোৰ নেতিবাচক দিশলৈ লক্ষ্য কৰি অতিশয় প্ৰয়োজনীয় বুলি ভাবিবৰ থল আছে।

ৰাসোৎসৱৰ আলোচনা প্ৰসংগত এইটো উল্লেখ কৰি অহা হৈছে যে এই উৎসৱ কেৱল মাজুলীতেই নহয়, আন ঠাইতো উদ্‌যাপিত হয়। সেই কথা পালনামৰ ক্ষেত্ৰতো প্ৰণিধানযোগ্য; কিন্তু মাজুলীত এই উৎসৱৰ স্বকীয় বিশেষত্ব আছে আৰু এই বিশেষত্বই হৈছে জনপ্ৰিয়তা আৰু জনবাহুল্যৰ মূল কাৰণ। উল্লেখযোগ্য যে ৰাস আৰু পালনাম উৎসৱ উপলক্ষে প্ৰতি বছৰেই মাজুলীত হোৱা বিপুল জন-সমাগম সাধাৰণতে আন ঠাইত হোৱা এনে উৎসৱত দেখিবলৈ পোৱা নাযায়। কেৱল মাজুলীৰে নহয়, ইয়াৰ বাহিৰৰ পৰাও অনেকলোকে জাতি-বৰ্ণ-সম্প্ৰদায় নিৰ্বিশেষে বিভিন্ন উদ্দেশ্য লৈ এই দুটি উৎসৱত অংশ গ্ৰহণ কৰে। গতিকে আধ্যাত্মিকতাৰ লগতে সামাজিক সম্প্ৰীতি সাধনৰ দিশতো ৰাস আৰু পালনামৰ বিশেষত্ব অন্তৰ্নিহিত হৈ আছে।

## মাজুলীৰ মুখা-শিল্পৰ পৰম্পৰা আৰু চৰ্চা

মুখা (Musk) মানুহৰ আদিম কৃতি। সেয়ে ইয়াক কলাৰো আদিম প্ৰকাশ বুলিব পাৰি। কাৰোবাৰ ৰূপ ধাৰণ বা কোনো অতি মানৱীয় সত্বাক প্ৰকাশ কৰিবলৈ মানুহৰ সাধাৰণ মুখমণ্ডল যিখিনিতেই অপাৰগ, সেইখিনিতেই মুখাই এটি প্ৰতীক হৈ মানুহে প্ৰকাশ কৰিব খোজা ভাব দান কৰিলে আৰু ই কালক্ৰমত কলা ৰূপে স্বীকৃত হ'ল।

আমাৰ অসমতো মুখাৰ প্ৰচলন আদিম কালৰে পৰাই আছিল। খেতি পথাৰত বা লাও এজোপাৰ কাষত চূণ সানি থোৱা টেকেলিটোত বা পথাৰৰ মাজৰ ধানখেৰৰ জুমুঠিৰে কিবা এটা ভয়ংকৰ ৰূপৰ প্ৰকাশ কৰাৰ চেষ্টাতে মুখাৰ সত্বাটো সততে লুকাই ফুৰিছিল বা ছেগা-চোৰোকাকৈ অ'ত-ত'ত ভুমুকিও মাৰিছিল। অসমৰ সংস্কৃতিৰ মহাগুৰু শ্ৰীমন্ত শংকৰদেৱৰ ভক্তি-আন্দোলনে অসমীয়াক যিদৰে গীত, নাট, বাদ্য, ভাওনা আদি দি মহান জাতি হিচাপে গঢ় দিলে; সেইদৰে মুখাকো এক সুকীয়া মৰ্যাদা দান কৰি, গাম্ভীৰ্য সানি, তাক এটি বিশিষ্ট কলালৈ ৰূপান্তৰ কৰিলে। শংকৰদেৱৰ ভক্তি-ধৰ্ম প্ৰচাৰৰ বাবে অভিনৱ সৃষ্টি ভাওনাতে মুখাই এক সংহত ৰূপ পালে আৰু সি এসময়ত সমগ্ৰ অসমজুৰি সাংস্কৃতিক আন্দোলনৰ গুৰি ধৰা সত্ৰসমূহত আজিকোপতি কোনোমতে সেই পৰম্পৰা তথা ঐতিহ্যৰ স্বাক্ষৰ বহন কৰি আছে। মাজুলীত থকা বৰ্তমান প্ৰায় ডেৰকুৰি সত্ৰৰ ভিতৰত প্ৰধানকৈ নতুন চামগুৰি, পুৰণি চামগুৰি, এলেঙি নৰসিংহ আৰু বিহিমপুৰ সত্ৰত মুখাৰ পৰম্পৰাগত চৰ্চা অব্যাহত আছে।

অসমৰ সত্ৰসমূহৰ ঐতিহ্য সম্বন্ধে চিন্তা-চৰ্চা বা তাৰ লেখ ৰখাসকলক এই কথা নক'লেও হ'ব যে, এটা সময়ত সত্ৰই অসমৰ একো একোটি সাংস্কৃতিক কেন্দ্ৰবিন্দু আছিল। সত্ৰতে সংস্কৃতিৰ চৰ্চা হৈছিল। খোল-তাল, গীত-মাত, ভাওনা-সবাহেৰে এইবোৰ ৰজনজনাই আছিল। একো একোখন ভাওনাৰ প্ৰস্তুতিত অভিনেতা, গায়ন-বায়নৰ আখৰা, গীতৰ চৰ্চা ইত্যাদিৰ লগতে লাগি থকা অন্যান্য আনুষংগিক কামবোৰৰো সমানেই চৰ্চা চলিছিল। অভিনেতাই ধাৰণ কৰিবলগীয়া 'মুখা' তাৰ ভিতৰত অন্যতম।

মুখা বুলিলে সাধাৰণতে আমি বাঁহৰ কাঠিৰে সজা মুখাকেই বুজোঁ। অসমৰ কিছুমান সত্ৰত বাঁহৰ কাঠিৰে সজা অতি পুৰণি মুখাৰ নিদৰ্শন আজিও আছে। হয়তো বাঁহ অতি সহজেই পোৱা যায় আৰু ইয়াৰ ব্যৱহাৰ সহজ বাবেই অসমত বাঁহৰ কাঠিৰ মুখাৰ প্ৰাধান্য বেছি। ইয়াৰ বাহিৰেও কাঠৰ মুখাৰো যে অসমত প্ৰচলন আছিল এই বিষয়েও সম্প্ৰতি জনা গৈছে। প্ৰাচীন কালত গাঁৱে-ভূঞে থকা থলুৱা খনিৰকসকলৰ সৃষ্টিত জাতি লাওৰ খোলা, কলহ, টেকেলি, তামোলৰ ঢকুৱা আদিতো মুখা সজাৰ আৰ্হি দেখা যায়।

একোখন ভাওনাত বিভিন্ন চৰিত্ৰক কেন্দ্ৰ কৰি সজা মুখা আৰু তাত ভাব প্ৰকাশ কৰিবলৈ কৰা যত্নতে খনিকৰসকলৰ মাজতো কাৰিকৰী কুশলতা ৰক্ষাৰ প্ৰচেষ্টাৰে ই এটা শৈলীলৈ ৰূপান্তৰিত হ'ল। কালক্ৰমত ইয়েই পৰম্পৰাও হ'ল। আমাৰ বাবে সুখৰ বিষয়, এই পৰম্পৰা ৰক্ষা কৰি অহা কেইখনমান বিশেষ সত্ৰক কেন্দ্ৰ কৰি বৰ্তমানে তাৰ কাষৰীয়া কলা-অনুৰাগী কিছুলোকেও মুখাৰ এই পৰম্পৰা ৰক্ষা কৰাত আগ্ৰহী হৈছে।

ভাৰতৰ অন্যান্য ৰাজ্যৰ মুখাতকৈ অসমৰ মুখাৰ এটা নিজস্ব বৈশিষ্ট্য আছে। আমাৰ ইয়াত সচৰাচৰ স্থানীয়ভাৱে পোৱা একেবাৰে সাধাৰণ সামগ্ৰীকে মাধ্যম কৰি মুখা সজাৰ কাম কৰা হয়। এই সামগ্ৰীসমূহ হ'ল— বাঁহ, বেত, গোবৰ-মাটি আৰু কাপোৰ। অৱশ্যে পিছলৈ নতুন

নতুন মাধ্যমো মুখাত ব্যৱহাৰ কৰা দেখা যায়। অসমত বাঁহৰ কাঠিৰে মুখা সজা সূত্ৰটো (Formula) অতি প্ৰচীন। এই সূত্ৰটোক 'লখিমী সূত্ৰ' বুলি কোৱা হয়; কিয়নো এই সূত্ৰৰ (মোৰৰ) সহায়তেই অসমৰ কৃষক ৰাইজে শস্যৰ কঠীয়া ৰখাৰ বাবে টোম সাজি আহিছে।

এতিয়া মুখা সজা পদ্ধতিৰ বিষয়ে উল্লেখ কৰা হওক। প্ৰথম পৰ্যায় হ'ল, আধা পৈণত দীঘল পাব থকা ৩/৪ পাব মানৰ জোখৰ জাতি বাঁহৰ টুকুৰা ৪/৫ দিনমান পানীত গোৰাই তাৰ পাছত কাঠি তুলিব লাগে। বাঁহ টুকুৰা পানীত গোৰাই ৰখাৰ অৰ্থ হ'ল, বাঁহৰ কাঠিবোৰত পোক বা ঘূণে নধৰে। মুখা সজাৰ প্ৰাৰম্ভিক কাম অৰ্থাৎ মোৰ দিয়া 'লখিমী সূত্ৰ'ৰে আৰম্ভ কৰা হয়। মানুহৰে হওক বা জন্তুৰে হওক, মুখাৰ আকাৰ সম্পূৰ্ণ হ'লে তাক পোনকৈ ধৰি ৰাখিবৰ বাবে কিছুমান বাঁহৰ শলি আৰু কামি কৰি কেতবোৰ নিৰ্দিষ্ট স্থানত বেতৰ সূতাৰে বন্ধা হয়। কুমাৰমাটি গুলি বোকা কৰি কাপোৰত সানি কাপোৰখন বাঁহৰ খাংটোৰ ওপৰত লগাই সম্পূৰ্ণকৈ কাঠিবোৰ ঢাকি দি ৰ'দত শুকাবৰ কাৰণে দিয়া হয়।

দ্বিতীয় পৰ্যায়ত, পোৱালি গৰুৰ গোবৰ আৰু আলতীয়া মাটি একেলগ কৰি খামুচিয়াকৈ হাতেৰে মাৰিব লাগে। সুবিধা অনুসৰি বাঁহৰ কৰণি বা হাতেৰে, কাপোৰ মেৰিওৱা মুখাৰ ওপৰত মাটি লগাই 'চেহেৰা' দিয়া হয়। 'চেহেৰা' দিয়া হ'লে পুনৰ কুমাৰমাটি বোকা লগোৱা কাপোৰেৰে মাটিৰ ওপৰত ঢাকি দি মুখা শুকাবৰ কাৰণে ৰ'দত দিব লাগে। সম্পূৰ্ণকৈ শুকুওৱাৰ আগতেই বাঁহৰ কৰণিৰে মিহি কৰি দি পুনৰ শুকাবৰ বাবে ৰ'দত দিলেই মুখাৰ দ্বিতীয় পৰ্যায়ৰ কাম শেষ হয়।

তৃতীয়তে, মুখাত ৰং-বৰণ সনা কাম আৰম্ভ হয়। ইয়াৰ বাবে আৱশ্যক হয় খনিজ পদাৰ্থ, পাথৰজাতীয় হেঙুল-হাইতাল, নীল আৰু ধল বা বগামাটি ইত্যাদি। আগতে ক'লা ৰঙৰ কাৰণে শুকান জাতিলাওৰ খোলা বা বাকলি পুৰি তাৰ ছাই ব্যৱহাৰ কৰা হৈছিল। পিছলৈ তাৰ ঠাইত কেৰাচিন তেলৰ চাকিৰ ধোঁৱা, এঙাৰ সংগ্ৰহ কৰি সেই কাম সমাধা কৰা হৈছে। ৰং আঠা হৈ লাগি ধৰিবৰ বাবে গোটাগম বা বেলৰ গুটিৰ পৰা আঠা উলিয়াই ৰঙৰ লগত মিশ্ৰণ কৰা হয়। হেঙুলৰ পৰা ৰঙা, হাইতালৰ পৰা হালধীয়া, নীলৰ পৰা নীলা আৰু ধলমাটিৰ পৰা বগা ৰং উলিওৱা প্ৰক্ৰিয়াটোত দীৰ্ঘ সময়ৰ আৱশ্যক হয়। উক্ত হেঙুল-হাইতাল আদি ৰংবোৰ শিলৰ মিহি পটাত পিহি বা ঘঁহি ৰং ওলোৱালৈকে কমেও এসপ্তাহ মান সময় লাগে। শুনামতে আগৰ দিনত এই প্ৰক্ৰিয়াৰে ৰং তৈয়াৰ কৰোঁতে প্ৰায় এক-ডেৰমাহ পৰ্যন্ত সময়ো লাগিছিল। যিমানেই ৰংখিনি পটাত ঘঁহা যায়, সিমানেই ৰঙৰ পৰিমাণ বাঢ়ে আৰু উজ্বলতাও বৃদ্ধি পায়।

সত্ৰত আজিৰ খনিকৰসকলে তাহানিৰ হেঙুল-হাইতালৰ ব্যৱহাৰ খুব কমেইহে কৰে। বজাৰত তেনে খনিজ ৰঙৰ দুষ্প্ৰাপ্যতা, ৰঙৰ চৰা দাম আৰু প্ৰক্ৰিয়াৰ দীৰ্ঘ সময়ৰ আৱশ্যকতাৰ হেতু বৰ্তমান বজাৰৰ সহজ মূল্যতে পোৱা ৰঙহে বেছি ব্যৱহাৰ কৰা দেখা যায়। অৱশ্যে সকলো ঠাইতে তাহানিৰ হেঙুল-হাইতালৰ প্ৰক্ৰিয়া আৰু ব্যৱহাৰ যে একেবাৰে এৰি দিয়া হৈছে এনে নহয়। কোনো কোনো ঠাইত এই ধৰণৰ ব্যৱহাৰ এতিয়াও অব্যাহত আছে। আমাৰ খনিকৰসকলে ৰং ৰাখিবৰ কাৰণে পাত্ৰ ব্যৱহাৰ কৰি আহিছে। বাঁহৰ চুঙা, পাৰ চৰাইৰ পাখি আৰু ছাগলীৰ নোমেৰে নিজ হাতে তৈয়াৰ কৰা ৰেখনি বা ব্ৰাছ্ তাহানিৰ খনিকৰসকলৰ প্ৰধান আহিলা আছিল। বহল ব্ৰাছৰ কাৰণে এতিয়াও প্ৰায় সকলো ঠাইতে মৰাপাট ব্যৱহাৰ হয়।

সাধাৰণতে সত্ৰসমূহত তিনিধৰণৰ মুখা সজা দেখা যায়, যেনে— ছোঁ-মুখা, লোটোকাই-মুখা আৰু মুখ-মুখা। ছোঁ-মুখা সৰ্বসাধাৰণকৈ বহুগুণে ডাঙৰ। এই মুখাৰ মূৰ অংশ আৰু শৰীৰভাগ সুকীয়া সুকীয়াকৈ সজা হয়। ভাওনাত অভিনয় বা ভাও দিয়াৰ সময়ত মূৰ অংশ শৰীৰৰ লগত বান্ধি মুখাৰ ভিতৰত মানুহ সোমাই যায় আৰু ব্যৱস্থা অনুসৰি কান্দত পিন্ধি লৈ ভাও আৰু যুদ্ধাদি কৰে। মুখা পিন্ধা মানুহজনৰ ভৰি আদি যাতে দৰ্শকে দেখা নাপায় তাৰ কাৰণে মুখাৰ কঁকালত কাপোৰৰ ঘূৰি পিন্ধায় দিয়া হয়। ভাও দিয়াৰ সময়ত মুখা প্ৰায় ৮/১০ ফুট পৰ্যন্ত ওখ হয়। মুখা পিন্ধা ভাৱৰীয়াজনে বাহিৰৰ দৰ্শকক দেখা পোৱাৰ কাৰণে (মুখাৰ গাৰ সুবিধাজনক অংশত ফুটা কৰি) ব্যৱস্থা ৰখা হয়। ভাওনাৰ ভাৱৰীয়াৰ চৰিত্ৰৰ প্ৰতি লক্ষ্য ৰাখিহে এই ছোঁ-মুখা সজা হয়। যেনে— ৰাৱণ, বানৰজা, কুম্ভকৰ্ণ, ময়দানৱ, নৰকাসুৰ আৰু নৰসিংহ ইত্যাদি।

লোটোকাই-মুখা, ছোঁ-মুখাতকৈ সৰু। এই মুখাৰ ধৰণ-কৰণ প্ৰায় ছোঁ-মুখাৰ দৰেই; মাত্ৰ সামান্য তাৰতম্য দেখা যায়। এই মুখাৰো মূৰ আৰু শৰীৰ অংশ পৃথক পৃথককৈ সজা হয়। হাত, মূৰ অংগসমূহ

লৰচৰ কৰিব পৰা সুবিধা ৰখা হয়। ছোঁ-মুখাৰ দৰেই মুখাৰ ভিতৰলৈ মানুহ সোমাই মুখাৰ হাত মানুহজনৰ নিজৰ হাতত পিন্ধি হাত লৰচৰ কৰে। ছোঁ-মুখাৰ দৰে এই মুখাৰ মূৰটো গাৰ অংশৰ লগত বান্ধি নিদি মানুহজনৰ নিজৰ মূৰত পিন্ধা হয়। মুখাৰ কংকালত ঘূৰি পিন্ধাই দিয়ে। পুতনা ৰাক্ষসী, তাৰকা ৰাক্ষসী, শংখচূড়, যক্ষ আদি এনে চৰিত্ৰৰ ভাৱৰীয়াসকলে লোটোকাই-মুখা ব্যৱহাৰ কৰে।

মুখ-মুখা হৈছে অকল মুখখনহে। অভিনয়ৰ সময়ত মুখাখন মানুহৰ মুখত পিন্ধি শৰীৰত বিভিন্ন ৰঙৰ কাপোৰ বা চোলা পিন্ধি ভাও দিয়ে। কংসৰ পাঞ্চনী মাৰিচ, সুবাহু, চক্ৰবাত, উপনন্দ আদিৰ ভাওৰ কাৰণে এনে মুখ-মুখা ব্যৱহাৰ কৰা হয়। পশু-পক্ষী, জীৱ-জন্তু আদিৰ মুখাও সজা হয়। যেনে— অঘাসুৰ, বকাসুৰ, ধেনুকাসুৰ, বৎসাসুৰ, অনন্ত, কালীনাগ ইত্যাদি।

মুখা-শিল্পৰ বাবে ইতিপূৰ্বে উল্লেখিত সত্ৰকেইখনৰ ভিতৰত নতুন চামগুৰি আৰু পুৰণি চামগুৰি সত্ৰৰ পৰম্পৰা অতি উল্লেখযোগ্য। এই সত্ৰৰ মুখা-শিল্প চৰ্চাৰ পৰম্পৰা তিনিশ বছৰৰো অধিক পুৰণি।

শ্ৰীমন্ত শংকৰদেৱৰ নাতি শ্ৰীশ্ৰীচক্ৰপাণি আতাই ১৫৮৫ শকত মাজুলীৰ এজোপা বৃহৎ চামগছৰ তলত প্ৰতিষ্ঠা কৰা সত্ৰখনেই শ্ৰীশ্ৰীচামগুৰি সত্ৰ। সত্ৰীয়া-সংস্কৃতি আৰু কলাৰ পৰম্পৰাই হৈছে এই সত্ৰৰ প্ৰধান বৈশিষ্ট্য। সত্ৰ প্ৰতিষ্ঠাকালৰ পৰাই বংশানুক্ৰমে সত্ৰীয়া গীত-নৃত্যৰ লগতে সমানে মুখা-শিল্প আৰু মূৰ্তি সজা কাম চলি আহিছে বুলি জনা যায়। শুনামতে সত্ৰৰে পূৰ্বপুৰুষসকলৰ ভিতৰত ৺টংকেশ্বৰদেৱ, ৺মোক্ষেশ্বৰদেৱ, ৺ৰোমেশ্বৰদেৱ, ৺চৈতন্যদেৱ আৰু ৺শৈশৱ চন্দ্ৰদেৱ গোস্বামী আতাসকলে এই শিল্পকৰ্মৰ এটি বলিষ্ঠ পৰম্পৰা ৰাখি গৈছে। বৰ্তমানো সত্ৰখনতে তেখেত-সকলৰ নিজ হস্তৰ শিল্পকৰ্মৰ চানেকি সুৰক্ষিত হৈ আছে।

কালক্ৰমে বংশ বৃদ্ধিৰ হেতু এই সত্ৰখনি দুটা ভাগত বিভক্ত হৈ পুৰণি আৰু নতুন চামগুৰি সত্ৰ হিচাপে স্থাপিত হয়। নতুন চামগুৰি সত্ৰৰ প্ৰয়াত সত্ৰাধিকাৰ তথা অসমৰ সত্ৰীয়া-সংস্কৃতি আৰু আলোচিত মুখা-শিল্পৰ এগৰাকী নিপুণ শিল্পী শ্ৰীৰুদ্ৰকান্তদেৱ গোস্বামীয়ে একনিষ্ঠভাৱে এই কলাৰ সাধনা কৰি গৈছে। অসমৰ প্ৰসিদ্ধ কলা-সমালোচক তথা কবি নীলমণি ফুকনদেৱে এক প্ৰসংগত (প্ৰান্তিক, ২য় বছৰ, ১৭শ সংখ্যা) এই শিল্পীগৰাকীৰ বিষয়ে উল্লেখ কৰিছিল— "চামগুৰি সত্ৰৰ পৰম্পৰাগত মুখা-শিল্পই শ্ৰীযুত গোস্বামীৰ হাতত ৰূপ আৰু ভাব অভিব্যঞ্জনাৰে সমৃদ্ধ হৈ অনিন্দ্যসুন্দৰ শিল্পকৰ্মৰ মহিমা লাভ কৰে।" ইতিমধ্যে তেখেতৰ শিল্পকৃতিয়ে অসমৰ বাহিৰেও ভাৰতৰ বিভিন্ন ঠাইত সমাদৰ লাভ কৰিছে। নিজৰ কুশলতা লোককো বিলাই আনন্দ লাভ কৰা এইগৰাকী শিল্পীক ১৯৮৮ খ্ৰী:ত অসম চৰকাৰেও শিল্পী-পেঞ্চন যাঁচি সন্মান প্ৰদান কৰিছিল।

নতুন চামগুৰি সত্ৰৰ সত্ৰাধিকাৰ ৺কমল চন্দ্ৰদেৱ, ডেকা সত্ৰাধিকাৰ ৺ভীমকান্তদেৱ আৰু ৺বংশীধৰদেৱ গোস্বামী আদিয়েও মুখাৰ কাম কৰি সুখ্যাতি অৰ্জন কৰিছিল। পৰম্পৰাগতভাৱে চলি অহা সত্ৰৰ তিনিশ সাতাইশ বছৰীয়া এই শিল্পবৃক্ষৰ ঘাই শিপাৰ পৰা নতুন নতুন পুলি-পোখাই এই পৰম্পৰাক বৰ্তমানেও শক্তিশালী কৰি ৰাখিছে। এই সত্ৰৰে প্ৰয়াত সত্ৰাধিকাৰ উমাকান্ত গোস্বামীৰ বাৰণৰ মুখা ৰাজ্যিক সংগ্ৰহালয়ত সংৰক্ষিত কৰা হৈছে। প্ৰয়াত ৰুদ্ৰকান্তদেৱ গোস্বামীৰ তিনিজন পুত্ৰ যথাক্ৰমে— ধৰ্মকান্তদেৱ গোস্বামী, হেমচন্দ্ৰদেৱ গোস্বামী আৰু কৃষ্ণ গোস্বামীয়ে পিতৃৰ বলিষ্ঠ মুখা তথা সত্ৰীয়া-সংস্কৃতিৰ পৰম্পৰা জীয়াই ৰখাৰ কাৰণে যথাসাধ্য চেষ্টা অব্যাহত ৰাখিছে। ইয়াৰ উপৰিও নতুন চামগুৰি সত্ৰৰ বৰ্তমান সত্ৰাধিকাৰ শ্ৰীকোষকান্ত গোস্বামী, পুৰণি চামগুৰি সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীউমাকান্ত গোস্বামী, ডেকা সত্ৰাদিখাৰ শ্ৰীফণীধৰ গোস্বামী আৰু শ্ৰীজয়চন্দ্ৰ গোস্বামী প্ৰমুখ্যে উদীয়মান ডেকা-সকলৰ হাততো মুখাৰ মুখ দেখা পোৱা যায়।

এনে এটি পুৰণি মুখা-পৰম্পৰা সময়ৰ সোঁতত সত্ৰৰ পৰা যাতে হেৰাই যাব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰয়াত সত্ৰাধিকাৰ তথা সত্ৰীয়া-সংস্কৃতিৰ একনিষ্ঠ শিল্পী ৺ৰুদ্ৰকান্তদেৱ গোস্বামী আতাৰ পুত্ৰ শ্ৰীহেমচন্দ্ৰ গোস্বামীদেৱে ১৯৮০ খ্ৰী:ত মাজুলীৰ চামগুৰি সত্ৰত 'সুকুমাৰ কলাপীঠ' নামেৰে এটি মুখা প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰি, উক্ত শিক্ষানুষ্ঠানত কিছুমান উদীয়মান কলাপ্ৰেমী লোকক মুখা-প্ৰশিক্ষণ দি অহা দেখা গৈছে। এয়া সমগ্ৰ জাতিটোৰ বাবে এক মংগলজনক কথা। সকলোৰে পৰা উৎসাহ-উদ্দীপনা পালে এই অনুষ্ঠান তথা শিল্পৰ মাধ্যমেৰেই দেশত ন ন শিল্পীৰ উদয় যে হ'ব সি নিশ্চিত।

উল্লেখিত দুই সত্ৰৰ উপৰিও উজনি মাজুলীৰ এলেঙি নৰসিংহ

আৰু নতুন চামগুৰি সত্ৰৰ ওচৰতে অৱস্থিত বিহিমপুৰ সত্ৰতো মুখা-শিল্প চৰ্চাৰ পৰম্পৰা ৰক্ষা কৰি আহিছে। মূলতঃ ভাওনা আৰু স্থানীয়ভাৱে উদ্‌যাপিত ৰাসোৎসৱৰ বাবে চাহিদা অনুসৰি এতিয়াও নতুন মুখা নিৰ্মাণ কৰি থকাটো সুখৰ বিষয়। নৰসিংহ সত্ৰত প্ৰয়াত সত্ৰাধিকাৰ শ্ৰীলীলাকান্ত মহন্ত আৰু শ্ৰীপ্ৰিয়কান্ত মহন্তই উচ্চমানৰ মুখা নিৰ্মাণ কৰিছিল। এই দুই শিল্পীৰ পদাংক অনুসৰণ কৰি বৰ্তমান ললিত মহন্ত আৰু গোলাপ মহন্তই (দুয়ো ৺লীলাকান্ত মহন্তৰ পুত্ৰ) মুখা-শিল্পক উজনি মাজুলীত অৱলুপ্তিৰ পৰা বচাই ৰাখিছে। একেদৰেই বিহিমপুৰ সত্ৰৰ কৃষ্ণ মহন্ত, দেৱেন মহন্ত, নতুন কমলাবাৰী সত্ৰৰ একাংশ ভকত-বৈষ্ণৱ প্ৰভৃতি শিল্পীয়ে মুখা-শিল্পৰ চৰ্চা অব্যাহত ৰাখিছে।

প্ৰসংগক্ৰমে উল্লেখ কৰি থোৱা উচিত হ'ব যে, কেইবছৰমানৰ আগতে অসমৰ শ্ৰদ্ধেয় চিত্ৰশিল্পী নীলপৱন বৰুৱাই অতি নিষ্ঠাৰে গুৱাহাটীত এখন মুখাৰ কৰ্মশালা অনুষ্ঠিত কৰিছিল। সেই কৰ্মশালাত হেমচন্দ্ৰ গোস্বামী, ফণীধৰ মহন্ত আৰু জয়চন্দ্ৰ মহন্তই ভালেখিনি মুখা সাজি উলিয়াইছিল। মুখা-শিল্পৰ চৰ্চা তথা প্ৰসাৰৰ বাবে লোৱা এনে প্ৰচেষ্টা সঁচাই প্ৰশংসনীয়। অসমৰ এই বিশিষ্ট লোকশিল্পবিধ জীয়াই ৰাখিবৰ বাবে এনে ধৰণৰ প্ৰচেষ্টাৰ প্ৰয়োজন কোনেও নুই কৰিব নোৱাৰে।

## মাজুলীৰ মৃৎ-শিল্প

অসমত নৱপ্ৰস্তৰ যুগত মানুহে মৃৎ-পাত্ৰ নিৰ্মাণৰ কৌশল আয়ত্ত কৰিছিল বুলি গবেষকসকলে মত প্ৰকাশ কৰিছে। ভাৰতৰ উত্তৰ গুজৰাট, কৰ্ণাটক, অন্ধ্ৰপ্ৰদেশ, উৰিষ্যা, কাশ্মীৰ আদিত সেই সময়ৰ মাটিৰ পাত্ৰ আৱিষ্কাৰ হোৱাটোও লক্ষণীয় দিশ। খ্ৰী: পূ: ৩০০০ বছৰৰ আগতে ইজিপ্তত চাকৰ দ্বাৰা মৃৎ-পাত্ৰ তৈয়াৰ পৰা পূৰ্বে মৃৎ-পাত্ৰসমূহ প্ৰথমে লাডু দৰে কৰি লৈ আৰু মাৰিৰে পিটি পিটিহে কৰা হৈছিল। অসমৰ দুই-এক স্থানত, বিশেষকৈ মাজুলীৰ শালমৰা কুমাৰগাঁৱত এতিয়াও হাতেৰে মৃৎ-পাত্ৰ বনোৱা পদ্ধতি পৰম্পৰাগতভাৱে চলি আছে। অসমৰ 'হীৰা' আৰু 'কুমাৰ'সকলে মৃৎ-শিল্পৰ বৃত্তিটো আজিও অব্যাহত ৰখা দেখা যায়।

ছাৰ এডৱাৰ্ড গেইটৰ ১৮৯১ খ্ৰী:ৰ এক প্ৰতিবেদন অনুসৰি ব্ৰহ্মপুত্ৰ উপত্যকাৰ উজনিফালে যিসকল মৃৎ-শিল্পী আছে তেওঁলোক কলিতা আৰু কোঁচ সম্প্ৰদায়ৰ।

মাজুলীৰ শালমৰাৰ কুমাৰসকলক কলিতা আৰু কোঁচ সম্প্ৰদায়ৰ বুলি ঠাৱৰ কৰা হৈছে। লগতে ১৮৩৮ খ্ৰী:ত মণ্টগমাৰি মাটিনে 'ইষ্টইণ্ডিয়া' গ্ৰন্থত অসমৰ কুমাৰসকলে চাক ব্যৱহাৰ কৰিব নাজানে বুলি উল্লেখ কৰিছে। এইটো প্ৰমাণিত যে শালমৰাৰ মৃৎ-শিল্পীসকলে বৰ্তমানো চাকৰ ব্যৱহাৰ নকৰে। শালমৰাকে ধৰি অসমৰ বাহিৰে নগা, গাৰো, আপাতানি, ডফলা, নক্টেসকলৰ মাজতো তিৰোতা-সকলে হাতেৰে মাটিৰ পাত্ৰ বনোৱাৰ পৰম্পৰা আছে। মাজুলীৰ শালমৰাৰ উপৰিও অসমৰ ধৰমতুল, গৌৰীপুৰ (আছাৰ-কান্দি), কপহী, টীয়ক, গোলাঘাট, ৰাণী, মদাৰখাট, তিনিচুকীয়া আদি মৃৎ-শিল্পৰ বাবে জনাজাত।

শালমৰা অঞ্চলৰ কুমাৰগাঁও, বগবীজান, বাঘবুচুক, চিনাতলি আদি নামেৰে প্ৰায় ৮০০টা পৰিয়ালেৰে গঠিত। ইয়াৰে ৬০% মহিলা আৰু ৪০% শতাংশ পুৰুষ। এই ৮০০টা পৰিয়ালৰ ৬৮০টা পৰিয়ালেই মৃৎ-শিল্পৰ ওপৰত নিৰ্ভৰশীল। পৰিয়ালৰ মহিলাসকল মূলতঃ মৃৎ-শিল্পৰ সৃষ্টিকাৰ্যত জড়িত। মাতৃপ্ৰধান মৃৎ-শিল্পটিৰ সতে পুৰুষ অন্যদিশত জড়িত হৈ থাকে। ৪০% পুৰুষৰ প্ৰায় প্ৰত্যেকেই শালমৰা নাও-শিল্পৰ সৈতে জড়িত। তেওঁলোকে ব'হাগৰ পৰা ভাদ মাহলৈকে আজাৰ কাঠ, তেলি উঁই কাঠ (পাইন কাঠ)ৰ দ্বাৰা নাওবোৰ তৈয়াৰ কৰে। নাৱৰ ওপৰভাগত শুকান সৰল কাঠ আৰু তলৰ অংশত পাইন আৰু উৰিয়াম কাঠ ব্যৱহাৰ কৰে। নাওখনৰ আগমস্থলিত জ্যামিতিক আকাৰৰ নক্সা কাটি তাত ৰং বোলায়। এই জ্যামিতিক নক্সাবোৰ পুথি-চিত্ৰত থকা পানীৰ বাবে ব্যৱহাৰ কৰা নক্সাৰ সৈতে কিছু সাদৃশ্য আছে। এই নাওবিলাক বাণিজ্যিক ব্যৱহাৰ আৰু বিক্ৰীৰ বাবেও তৈয়াৰ কৰে।

জাৰৰ দিনত পানী শুকালে নদীৰ পৰা বা নিৰ্দিষ্ট কুমাৰ মাটি থকা ঠাইত ৩০/৪০ ফুট তললৈ দ-গাঁত খান্দি বাঁহৰ খলপা লগাই দুই বা তিনিজন মানুহে (লডা-লডাকৈ) মাটিবোৰ ওপৰলৈ ইজনৰ পৰা সিজনে কঢ়িয়াই আনে। তলৰ গাঁতবিলাক অন্ধকাৰ হোৱাৰ বাবে লেম্প-চাকি জ্বলোৱা হয় ইয়াত মহিলাতকৈ পুৰুষে যথেষ্ট শ্ৰমদান কৰে। দোপ

দি মাটি সংগ্ৰহ কৰা, মাটি মিলোৱা (বালি-পানী-মাটিৰ সংমিশ্ৰণ, মাটিৰ ৰং প্ৰায় বগা বৰণৰ), ভোটা আৰু ভাটি বনোৱা আৰু সাজু হৈ উঠা বিভিন্ন পাত্ৰ বাণিজ্যলৈ নিয়া কামখিনি কৰে। নাৱেৰে তেওঁলোক বাণিজ্যলৈ যায়। টেকেলি, কলহ আদি বিক্ৰী কৰাৰ লগতে অন্য বয়-বস্তুৰে সলোৱা কাৰ্য আজিও বিদ্যমান। লগতে সৰু নাও বিক্ৰীও কৰে। "অৰ্থনৈতিক স্বচ্ছলতা, ৰাজনৈতিক নিৰাপত্তা আৰু জনচেতনা; একে সময়তে দেখা দিলেহে মানুহৰ মনত সংস্কৃতিবোধ জাগ্ৰত হয়" — নিৰ্মল কুমাৰ ঘোষ/ভাৰতশিল্প। এইষাৰ কথাৰ আঁত ধৰি উল্লিখিত শিল্পীসকলৰ কৰ্মই অন্যান্য দিশৰ লগতে কলা-শিল্পৰ ৰূপ পৰিগ্ৰহ কৰা বুলি ক'লে অত্যুক্তি কৰা নহ'ব।

অসম হ'ল প্ৰচণ্ড বৰষুণ, ধুমুহা আৰু বানপানীৰ দেশ। শালমৰা কুমাৰগাঁওখনো এইবোৰ প্ৰাকৃতিক দুৰ্যোগৰ পৰা মুক্ত নহয়। এনেকুৱা পৰিবেশৰ বাবেই শালমৰাত মৃৎ-শিল্প সঁচা অৰ্থত মূৰ দাঙি উঠিব পৰা নাই। কাৰণ তেওঁলোকে পৰিবেশৰ লগত সংগতি ৰাখিয়েই মৃৎ-শিল্প নিৰ্মাণৰ পৰিকল্পনা কৰে; ইয়াৰ ব্যতিক্ৰম নহয়।

শালমৰা কুমাৰগাঁওখন উত্তৰা-দক্ষিণাকৈ প্ৰবাহিত ব্ৰহ্মপুত্ৰৰ মূলসুঁতিৰ একেবাৰে পাৰত। এই অঞ্চলৰ মৃৎ-শিল্পৰ বাণিজ্যৰ পৰিসৰ দক্ষিণে ধনশিৰি নৈৰ কাষৰীয়া অঞ্চল। উত্তৰে বিশ্বনাথ চাৰিআলি-তেজপুৰ তথা সোৱণশিৰিৰ কাষৰীয়া ঠাইসমূহ আৰু অৰুণাচল আদিয়েই পোৰামাটিৰ শিল্পৰ বজাৰখনৰ অন্যতম কেন্দ্ৰ। পুৰুষসকল যেতিয়া বাণিজ্যলৈ বুলি যায়, মহিলা আৰু জীয়ৰী-বোৱাৰী, কণ-কণ ল'ৰা-ছোৱালীহঁত ঘৰতেই থাকে। তেওঁলোকে সদায়ে উৎকণ্ঠা, ভয়, আনন্দ মিশ্ৰিত সময় অতিবাহিত কৰে। তেওঁলোকৰ জীৱনৰ সকলো অংগ মাটিৰে অলংকৃত। অংগে অংগে যৌৱনৰ প্ৰবাহ, মাটিৰে সজা পুতলাৰ পয়োভৰ। কলহ-টেকেলিৰে ভৰা শালমৰাৰ জীৱনগাঁথা অজান দেশৰ দৰে লাগে। ৬০ বছৰীয়া আইতা হাজৰিকা, ১৪ বছৰীয়া দীপ শইকীয়া, ৩৫ বছৰীয়া দুৰ্দ্ধ ভূঞাৰ কথা-কাণ্ড সাধুকথাৰ দৰে লাগে; এয়া জীৱন্ত সত্য।

মহিলাসকলে পৰম্পৰাগতভাৱে মাকৰ পৰা কন্যা সন্তানলৈকে আৰু ঘৰৰ বোৱাৰীসকলে এই মৃৎ-পাত্ৰ বনোৱা কামত আত্মনিয়োগ কৰে। মৃৎ-শিল্প ৰচনা বিশেষ ধৰণৰ কৰ্ম-ৰচনা নহয়, ই এক সামগ্ৰিক উন্মোচন আৰু সৰ্বাধিক উপলব্ধিৰ উচ্চাৰণ। যদিওবা আমি ধৰি ল'ব পাৰোঁ যে, ভিন্ ভিন্ ব্যক্তিৰ শিল্পীৰ অভিৰুচি তথা ব্যক্তিগত ৰূপৰ প্ৰতিফলন ঘটিলে অন্য এজন মৃৎ-শিল্পীয়ে তাত বাধাৰ সৃষ্টি নকৰে; কিন্তু তাক সামগ্ৰিকভাৱে তাৰ যৌথ শিল্পচৰ্চা আৰু গোষ্ঠীভুক্ত শিল্প নিৰ্মাণৰ পদ্ধতিটোৰহে বিচাৰ কৰা হয়। শালমৰাৰ মৃৎ-শিল্প নিৰ্মাণৰ ক্ষেত্ৰত এই মুখ্য কাৰকবোৰ লক্ষ্য কৰা যায়। শালমৰাৰ মৃৎ-শিল্পীসকল হ'ল প্ৰকৃতিৰ শিল্পী। প্ৰকৃতিক লৈয়ে যাৰ জীৱন অভ্যস্ত; সেই জীৱনকে তেওঁলোকে মাটিত ৰূপ দিব বিচাৰে। মৃৎ-শিল্পীসকলে তেওঁলোকৰ ইচ্ছানুযায়ী মৃৎ-শিল্পত ব্ৰতী হৈ আছে এই মুহূৰ্তলৈকে। সেই বাবে হয়তো আমি তেওঁলোকৰ পূৰ্বপুৰুষৰ জীৱনবোধক ধৰি সত্যনিষ্ঠভাৱে কৰা জীৱনধাৰাৰ বিষয়ে জানিব পাৰিছোঁ।

শালমৰাৰ মৃৎ-শিল্পীসকলৰ আমি নিকটতম অৱস্থাৰ পৰা বিশদভাৱে জানিব পাৰোঁ, তেওঁলোকৰ গাঁওবিলাকত কাম কৰাৰ পৰিৱেশ, তেওঁলোকৰ সামাজিক অৱস্থা, তেওঁলোকৰ একান্ত ব্যক্তিগত জীৱন। সঁচা অৰ্থত ক'বলৈ গ'লে তেওঁলোকৰ পূৰ্ণ-শিল্পীৰ জীৱনধাৰাটোৰ ওপৰত গৱেষণা নকৰাকৈ বিভিন্ন মত প্ৰকাশ কৰাটো নিতান্তই অবাঞ্ছিত। কাৰণ তেওঁলোকৰ নিজাকৈ লিখা কোনো বুৰঞ্জী পাবলৈ নাই বা তেওঁলোকে নিজৰ ওপৰত লিখিবলৈ প্ৰয়োজন বোধ নকৰে। যিদৰে এজন শিল্পীয়ে নিজৰ ওপৰত লিখিবলৈ দ্বিধাবোধ কৰে। তাৰ পৰিৱৰ্তে তেওঁলোকৰ অন্তহীন ত্যাগ, দুখ-বেদনা, আনন্দ; প্ৰকৃতিৰ ছন্দ, কৰ্ম, ৰূপ, কামনা-বাসনা; মানৱীয়, ধৰ্মীয় সম্পৰ্ক, পৰিৱেশ, উপলব্ধি, ক্ষমতা আদিক কাৰ্যৰ মাজেৰে দি থৈ যায়।

শিল্পকৰ্মৰ মাজত দৈনন্দিন আৰু ধৰ্মীয় পৰ্যায়ৰ ২৬বিধৰো অধিক মৃৎ-শিল্প তিৰোতাসকলে হাতেৰে তৈয়াৰ কৰে। সেইসমূহ হ'ল এনেধৰণৰ— ১। মলা, ২। নদিয়া, ৩। চৰু, ৪। পাটি কলহ, ৫। বেচা কলহ, ৮। ডাঙৰ টেকেলি, ৯। সৰু টেকেলি, ১০। দৈ-টেকেলি, ১১। দুনৰী, ১২। উধান, ১৩। বৰ কলহ, ১৪। চাকি, ১৫। ভুক্কা, ১৬। মঠিয়া, ১৭। ভাবুকি, ১৮। ধূপদানি, ১৯। ধূনাদানি, ২০। বাল্টি, ২১। শৰাই, ২২। মলা-চৰু, ২৩। গামলা, ২৪। গিলাচ, ২৫। ফুলৰ টাব, ২৬। ফুলদানি আদি।

পুৰুষসকলে নদীৰ কাষৰ গাঁতৰ পৰা কুমাৰমাটি সংগ্ৰহ কৰি তিৰোতাসকলৰ হাতত গতাই দি আজৰি হয়। তিৰোতাসকলে বালি-পানী দি খচি-কাটি খোলনিত থয়। ইয়াৰ পাছত বিভিন্ন জোখত কাটি ভাগ কৰি সেই অনুপাতে পাত্ৰসমূহ গঢ় দিয়ে। গঢ় দিবৰ বাবে তেওঁলোকে ব্যৱহাৰ কৰা সঁজুলিসমূহ এনেধৰণৰ— ১। পাত (কাঠৰ), ২। আফৰি, ৩। চোঁচনি, ৪। গঢ়া কাপোৰ, ৫। বলিয়া, ৬। এঠালি, ৭। পিতন, ৮। মাজনী।

ওপৰোক্ত সঁজুলিৰে পাত্ৰসমূহ বনোৱাৰ পাছত ৰং দিয়া কাৰ্যক ৰাঙণি বুলি কোৱা হয়। বিশেষ এবিধ ৰঙামাটিৰে ৰং প্ৰস্তুত কৰে। তিৰোতাসকলে এই মৃৎ-পাত্ৰ আৰু পুতলাৰ কামখিনি কৰাৰ পাছত পুৰুষসকলে 'পেঘালী'টো খান্দে। প্ৰৱাদ আছে যে, তিৰোতাই পেঘালী বনাব পাৰে, জুই দিব নোৱাৰে। 'পেঘালী'টোক ক্ৰম অনুসৰি ওপৰৰ ওপৰমোটা, তলমোটা, শাকিনী, কোড়হোনা, লোহাৰ কুল, মুখবন্ধা আদি নামেৰে ভাগ কৰা হৈছে। লগতে বাঁহ আৰু কলপাত বৰমোটাৰ তলত দিব লাগে।

মৃৎ-পাত্ৰসমূহ সম্পূৰ্ণ সজোৱাৰ পাছত পেঘালীত উঠোৱা হয়। মৃৎ-পাত্ৰসমূহৰ মুখবোৰ তললৈ দি সজোৱা হয়। পেঘালীটো গোল বাবে পাত্ৰসমূহ ওপৰমোটাৰ চাৰিওফালে সজাই লৈ সৰু কাঠ-বাঁহৰ টুকুৰা তাৰ মাজে মাজে দি যায় আৰু সম্পূৰ্ণ হ'লে তাৰ কাষে কাষে কিছু পৰিমাণে পুৰণা টেকেলি-কলহৰ টুকুৰা দি ওপৰত খেৰ দি গোবৰ আৰু খেৰৰ মিশ্ৰণ বনাই পেঘালীটোৰ ওপৰখন লেপি দিয়া হয়। ২/৩ বাৰ লিপাৰ পাছত ইয়াৰ মাজে মাজে কিছুমান সৰু ছিদ্ৰ কৰা হয়। একেৰাহে ৮ঘন্টা পেঘালীটো জ্বলোৱাৰ পিছত পুনৰ ৪ ঘন্টাৰ বাবে জুই দিয়া হয়। সম্পূৰ্ণ ১২ ঘন্টাৰ পাছত, ঠাণ্ডা হ'লে পাত্ৰসমূহ উলিয়াই আনি বিক্ৰীৰ বাবে সাজু কৰা হয়।

শালমৰাৰ মৃৎ-পাত্ৰসমূহৰ আকাৰ সৰু আৰু সৰল। ৰং শেঁতা, ৰঙচুৱা। মহিলাই ডিঙিত ব্যৱহাৰ কৰা অলংকাৰৰ চিত্ৰ ইয়াৰ কলহ-টেকেলিবোৰতো দেখা যায়। মহেঞ্জোদাৰো, হৰপ্পাত আৱিষ্কৃত মৃৎ-পাত্ৰৰ লগত অসমৰ কোনো কোনো মৃৎ-পাত্ৰৰ সাদৃশ্য দেখা যায়।

শালমৰাৰ পোৰামাটিৰ পুতলাসমূহৰ ভিতৰত নাৰী, শিশু আৰু মাতৃ; ওমলা পুতলা, হাতী আৰু মাউত; হাতী, ম'হ, বনৰৌ, হৰিণা, সাপ, চৰাই আদিয়ে প্ৰধান।

'টেকনিকেলি' মহিমামণ্ডিত কৰাৰ বাবে নাৰীমূৰ্তি-বিলাকত চকু গোল তথা সুতীক্ষ্ণ, স্তন খুব উন্নত, নিতম্ব বহল আদি বাহ্যিক ৰূপটোক প্ৰকটভাৱে প্ৰত্যক্ষ কৰা হয়। মুখমণ্ডল গোল, কাপোৰত অৱাচিহ্ন; ওঁঠ টিপি নিৰ্মাণ কৰা হয়। তলৰ অংশবোৰ স্থবিৰ গোটাসজিয়া আৰু সমান; যাৰ বাবে ওপৰৰ অংশই সহজে মন আকৰ্ষণ কৰে। ওপৰৰ অংশৰ জীৱন্ত প্ৰকাশভংগীৰ মাধ্যমেৰে নাৰীমূৰ্তিবিলাকৰ সম্পূৰ্ণ প্ৰাণৱন্ত ভাৱটোক ফুটাই তোলাৰ চেষ্টা কৰে। নাৰীমূৰ্তিসমূহ কিছু পৰিমাণে জটিলতাপূৰ্ণ; স্তনযুগল বেছ উন্নত।

তেওঁলোকৰ যিবোৰ জীব-জন্তু আৰু চৰাই মূৰ্তি পোৱা গৈছে তাৰ ভিতৰত ম'হৰ মূৰ্তিটোৰে ম'হৰ বিশিষ্ট চৰিত্ৰ তুলি ধৰা হৈছে। শিং আৰু কাণৰ পৰিভাষা ইংগিতপূৰ্ণ; বিশেষকৈ যৌনাংগ। শৰীৰৰ ওপৰত কৰা প্ৰলেপৰ ধৰণটোৱে পোৰামাটিৰ কাৰিকৰী কৌশলটোক প্ৰকটভাৱে দেখুৱাইছে। মূৰটোৰ গতিময়তা আছে। এইসমূহ সৃষ্টিত প্ৰাকৃতিক ঠাঁচৰ প্ৰভাৱ লক্ষ্যণীয়। মহিলাসকলে হাতেৰে গঢ়া মূৰ্তিসমূহক কিছুমান hollow processত কৰে। মাতৃকা মূৰ্তিবিলাকো নিম্নাংশ hollow processত কৰা।

লগতে নৰ-নাৰীৰ মূৰ্তিবোৰ বিমূৰ্ত্তধৰ্মী। অসমৰ পোৰামাটিৰ পুতলাসমূহৰ এটা ঐতিহ্যপূৰ্ণ ৰূপ বৰ্তমানো প্ৰৱাহমান আৰু ইয়াৰ স্বকীয় বৈশিষ্ট্য আছে বাবেই ই অসমীয়া পোৰামাটিৰ শিল্প বুলি স্বীকৃতিপ্ৰাপ্ত।

**সহায়ক গ্ৰন্থসমূহ—**

১। 'Sculpture' Vol. II, Geography (Taschew)
২। 'Indian Terracotta' by C Sivaramamurthi (Article).
৩। 'লোক কলা-কৃষ্টি', নীলমণি ফুকন।
৪। 'অসমৰ লোক-সংস্কৃতি', বিৰিঞ্চি কুমাৰ বৰুৱা।
৫। 'Marg', Vol XXIII, 1969.
৬। 'Assamese Folk Toys', Dr. Birendra Nath Dutta
৭। 'বাংলাৰ পোড়ামাটি শিল্পে লোকদত্ত সমাজ জীৱন' নীৰু শামসুন্নাহাৰ, ঢাকা। — সুভন শোম দ্বাৰা প্ৰাপ্তি, লেখিকা ৬ মে'/২০০১।

## মাজুলীৰ ঐতিহ্যৰ অন্য এক সংযোজন : তামোল নোখোৱা আতৈৰ সাহিত্য আৰু দৰ্শন

মহাপুৰুষ শংকৰ-মাধৱৰ উত্তৰসাধক আন দুগৰাকী প্ৰবাদ পুৰুষে খ্ৰীষ্টীয় ওঠৰ শতিকাৰ শেষাৰ্ধ আৰু ঊনৈশ শতিকাৰ আদিভাগমানত, মাজুলীৰ সোণালী শংকৰী সমাজ-সংস্কৃতিৰ ঐতিহ্যৰ লগতে শংকৰোত্তৰ অসমীয়া সাহিত্যৰ এক গৌৰৱোজ্বল নিদৰ্শন সংযোগ কৰি থৈ গৈছে। এই দুজনা প্ৰতিভাধৰ ব্যক্তিয়ে সেই সময়ৰ চৰম প্ৰতিকূল পৰিস্থিতি আওকাণ কৰি তিনিবছৰ কাল দুয়ো একেলগে মাজুলী কঢ়াল গাঁৱত থাকি সাঁচিপাতৰ কুৰিখন ধৰ্মমূলক গ্ৰন্থ ৰচনা কৰিছিল। এই গ্ৰন্থৰাজিৰ ছন্দোবদ্ধ পদ, দুলড়ি, ছবি প্ৰভৃতি কাব্যিক আংগিকত সুমধুৰ ৰূপ-ৰসৰ প্ৰতিফলন ঘটিছে। ইয়াৰ পাঁচখন নাটকত সেই সময়ৰ গদ্য সাহিত্যৰ কিছু আভাস পোৱা যায়। প্ৰাচীন ব্ৰাহ্ম লিপিৰ ঠাঁচত, অসমীয়া ভাষা-বৰ্ণৰ চালুকীয়া ৰূপত পুথিসমূহ লিখা হৈছিল। মূলতঃ একশৰণ নামধৰ্ম বা ভাগৱতী ধৰ্মৰ এক প্ৰগতিশীল আধ্যাত্মিক ভাবধাৰাত প্ৰতিষ্ঠিত এই গ্ৰন্থসমূহে 'বোধগুৰু নামধৰ্ম'ৰ প্ৰতিপাদ্য বিষয় আৰু ইয়াৰ ওপৰত সহজ-সৰল অথচ তাৎপৰ্যপূৰ্ণ দৰ্শন দাঙি ধৰিছে। এই পুথিসমূহত সেইসময়ৰ অসমীয়া ভাষা-সাহিত্যৰ এটি সুস্পষ্ট আভাস পোৱা যায়। সমসাময়িক সমাজ আৰু ঐতিহ্যৰ সমল ইয়াত অন্তৰ্নিহিত আছে।

বোধগুৰুজনাই সেই সময়তে মাজুলী কঢ়ালগাঁৱত স্থাপিত কৰি থৈ যোৱা বোধগুৰু কীৰ্তন মন্দিৰ তাহানিৰ দৰেই এতিয়ালৈকে অবিৰত বন্তিশিখা প্ৰজ্বলিত হৈ অসমৰ বিভিন্ন প্ৰান্তৰ নামধৰ্ম অনুগামী আৰু অনুসন্ধিৎসু পৰ্যটকসকলক আকৰ্ষণ কৰি আহিছে।

বোধগুৰুৰ সোঁহাতস্বৰূপ তামোল নোখোৱা আতৈ তথা লেৰেলা ভূঞাৰ জন্ম হৈছিল মাজুলী কঢ়াল গাঁৱত। তেখেতৰ জন্ম তাৰিখৰ উল্লেখ বংশাৱলীত নাই। ওঠৰ শতিকাৰ পঞ্চাশৰ দশকত তেখেতে জন্মগ্ৰহণ কৰা বুলি অনুমান কৰিব পাৰি। লেৰেলা ভূঞা বাল্যকালতে ঘাটমাউৰা হয়। সি যি কি নহওক, সেই সময়ত ৰজাঘৰীয়া পৃষ্ঠপোষকতাত ব্ৰাহ্মণ্য ধৰ্মৰ পুনৰুত্থান ঘটিছিল। শংকৰী ধৰ্ম-সংস্কৃতিৰ প্ৰসাৰতা স্তিমিত হৈ পৰিছিল। এনে আপাহতে, উজনি অসমত, গুৰুপ্ৰধান বৈষ্ণৱ ধৰ্মবাদৰ মায়ামৰীয়া গুৰুসকলৰ নেতৃত্বত উচ্চ বৰ্ণ হিন্দুসকলৰ অৱহেলিত সমাজৰ নিম্ন শ্ৰেণী জাতি, জনজাতিৰ মাজত ধৰ্মীয় বিদ্ৰোহাগ্নি প্ৰজ্বলিত হৈ পৰিছিল। এই বিদ্ৰোহৰ প্ৰভাৱ মাজুলীত প্ৰবলভাৱে পৰিছিল। হত্যা, লুটপাত, সংঘৰ্ষ-খেয়ালত অস্থিৰ আৰু বিধ্বস্ত মাজুলীৰ বহু পৰিয়ালে দিহিঙে-দিপাঙে আশ্ৰয় লৈছিলগৈ।

এনে এটি দুৰ্যোগ মুহূৰ্ততে (১৭৮০-১৭৯০ খ্ৰী:) কেওঁ-কিছু নাইকিয়া লেৰেলা ভটিয়াই গৈ গোগামুখৰ (বৰ্তমান তেজপুৰৰ পৰা কিছু ভটিয়নিত) এটি ব্ৰাহ্মণ পৰিয়ালত হাল-কোৰ বাই পেট প্ৰৱৰ্তাইছিল। গোগামুখতে সেইসময়ৰ বোধগুৰু নামধৰ্ম প্ৰৱৰ্তক ৰামাই কোচৰ লগত দেখা-সাক্ষাৎ হয়। দুয়োজনৰ কথোপকথন 'তামোল নোখোৱা আতৈ চৰিত পুথিত' উল্লেখ কৰিছে :

"শুনা প্ৰভুদেৱ মই কৈলো অভিপ্ৰায়।
মাজুলী গ্ৰাম্যত জন্ম কঁহাৰ গাঁঞে ঠাই ।।
পূৰ্বে লেৰেলা নাম আছিল আমাৰ ।
তযু পাৱে মই দাস কৰো নমস্কাৰ।।"

বোধগুৰুজনাই লেৰেলাক সেইসময়ৰে পৰা তামোল নোখোৱা আতৈ নাম দি নিজৰ প্ৰধান সংগী আতৈ কৰি আদৰি লৈছিল।

"ইটো নাম নোহে ভাল কহিলোহো সাৰ।
তামোল নোখোৱা নাম দিলোহো তোমাৰ।।

তামোল নোখোৱা আতৈৰ সাহচৰ্যত ৰামাই কোছে সেইসময়ত গোগামুখত কুৰিখন বোধগ্ৰন্থ ৰচনা কৰিছিল। এতিয়ালৈকে উদ্ধাৰ হোৱা বোধগ্ৰন্থৰ চল্লিশখন পুথিৰ অৱশিষ্ট কুৰিখন পৰৱৰ্তী মাজুলী কঢ়ালগাঁৱত বোধগুৰুজনাৰ লগতে তেৰাৰ অনুগামী সংগী ভকতৰ দ্বাৰা ৰচিত হৈছিল। তামোল নোখোৱা আতৈ নিৰক্ষৰ আছিল, অথচ তেখেতৰ স্মৃতিশক্তি বৰ প্ৰখৰ আছিল। তেখেতৰ শ্ৰুতলিপিৰে ৰামহৰি আৰু হলিৰাম আতৈয়ে কেইবাখনিও গ্ৰন্থ ৰচনা কৰিছিল। বোধগ্ৰন্থৰ উল্লেখযোগ্য 'বোধকীৰ্তন, নাম-ঘোষা, গুণমালা, ধৰ্মখল, ধৰ্মসম্প্ৰদান, বড়গীত, মুক্তাৱলী, ভতিমা, ছপয়, টৌট্য, ৰসমালা, শ্ৰীশ্ৰীশংকৰদেৱৰ জন্মযাত্ৰা নাটক, সুৰাপাত্ৰ দ্বিজ, সুৰাপাত্ৰ তাৰক, কুঞ্জুৰ বধ, বাল্যক্ৰীড়া প্ৰভৃতি কাব্য আৰু নাটকৰ উপৰি শ্ৰীশংকৰদেৱৰ জীৱনী আৰু লীলা মাহাত্ম্য দহোটি খণ্ডত লিখি দ্বাদশ স্কন্ধ ভাগৱতত

সংযোজনাৰ বাবে তেৰ নম্বৰৰ আন এটি স্কন্ধ ৰচনা কৰি গৈছে। গূঢ়ার্থ বৈষ্ণৱী পুথি 'ভক্তি ৰত্নাকৰ' গুৰু নির্ণয় আৰু মাধৱদেৱপুৰুষৰ 'নামঘোষাৰ' আধাৰত, বোধগ্ৰন্থসমূহত শ্ৰীমন্ত শংকৰদেৱৰ জীৱনাদর্শৰ মহানতা সাৱলীল কাব্যানুভূতিৰে প্ৰতিভাত হৈছে। জগতগুৰু প্ৰতিপাদ্য বিষয়ত শংকৰৰ নাম-কীর্তন ভকতৰ হৰিনাম আৰু মাধৱৰ গুৰুভকতি তাৰণৰ উপায় হিচাবে চিহ্নিত কৰিছে।

বোধগ্ৰন্থসমূহৰ দুই এটি উদ্ধৃতিৰে ইয়াৰ মূল প্ৰতিপাদ্য বিষয়ত কিছু ধাৰণা ল'ব পাৰি —

*"শংকৰক হৃদয়ে ধৰি, মহাপুৰুষৰ ৰূপ*
*মাধৱৰ দেহা সাৱধান।*
*প্ৰত্যেক অংগক যেন চিন্তে সাধু স্থিৰ বুদ্ধি*
*বসন-ভূষণ বিদ্যমান ॥*

০০০

*হৃদয়ৰ ৰঞ্জনজন নিৰাকাৰ নিজ।*
*অৱতৰি গুণ যশে ভকতিৰ বীজ ॥*

*— বোধ কীর্তন।*

০০০

*গুৰুৰো গৌৰৱ নামে তাৰিব সংসাৰ।*
*গুৰুবোধ বিনে গতি নাই নাই আৰ ॥*

০০০

*একান্ত ভকতৰ সঙ্গ নকৰিবা আশাভঙ্গ*
*বোধগুৰু দেৱ নাৰায়ণ।*
*কায় বাক্য মনে মজি তোমাৰ চৰণে ভজি*
*সত্যে সত্যে পশিলো শৰণ ॥*

*— বোধঘোষা*

০০০

*জীৱৰ কুশল ভাগে ভক্তি দিলা দান।*
*ৰসত চতুৰগণে ৰস কৰে পান ॥*

*— ৰসমালা।*

*গুৰু শিক্ষাবোধে বেদ আচাৰ-বিচাৰ।*
*বৌদ্ধমত পাষণ্ডৰ পাপে একাকাৰ ॥*

*— ধর্ম সম্প্রদান*

*জয়তু কৰিয়া শ্ৰী দুগুণে বহুল।*
*শ্ৰীনধৰিলে বৃক্ষ ওলগত ফল॥*

*— ধর্মগল।*

বোধগুৰুজনাই আগম অর্থত পৃথিৱীত জন্মগ্ৰহণ কৰা আৰু নিগম অর্থত জীৱনৰ মধ্যভাগৰ পৰা ইহসংসাৰ এৰি স্বগৃহলৈ প্ৰত্যাৱৰ্তনৰ বাবে সাজু হোৱা বুজাইছে। স্বচ্ছন্দে গতি কৰিবৰ বাবে সুস্বাস্থ্য ৰক্ষণাবেক্ষণ, মায়া-মোহ ত্যাগৰ অভ্যাস, অনাবিল আনন্দ গ্ৰহণৰ বাবে শ্ৰীশংকৰদেৱৰ জীৱনাদর্শৰ জ্ঞান আহৰণ আৰু নাম-কীর্তন একমাত্ৰ তৰণৰ পথ বুলি বোধগ্ৰন্থসমূহত উনুকিয়াই দিছে।

বোধগ্ৰন্থসমূহৰ বিৱৰণিৰ বিভিন্ন অংশৰ পৰা অনুমান কৰিব পাৰি যে ১৮ শ শতিকাৰ আদি ভাগৰ পৰা একশৰণ নামধর্ম বহুধা বিভক্ত হয়। মাধৱদেৱ পুৰুষৰ মতাদর্শৰে ক্ৰমান্বয়ে গোপালদেৱ, কাজলদেৱ, শেষান্তত অনিৰুদ্ধ ভূঞাৰ পৃষ্ঠপোষকতাত কালসংহতি শীর্ষক এটি পন্থাই গুৰুসর্বস্ব এটি মতবাদ দাঙি ধৰে। সমাজৰ অৱহেলিত পিছপৰা শ্ৰেণীটোৰ মাজত এই মতবাদে আধিপত্য বিস্তাৰ কৰিছিল আৰু মায়ামৰীয়া হিচাপে জনাজাত হৈছিল। কালক্ৰমত এইসকলে ব্ৰাহ্মণ্যধর্ম আৰু ৰজাঘৰৰ বিৰুদ্ধে ধর্মযুদ্ধৰ বিদ্ৰোহাগ্নি জ্বলাই তুলিছিল। ৰাজপাটো কাঢ়ি লৈছিল। বৰদোৱা সত্ৰৰ সপ্তমগৰাকী অধিকাৰ ৰামদেউ আতাৰ জীৱনকালৰ শেষৰ ফালে ভকত চৰণ আৰু কাজল আতাই এই মতবাদ সংস্কাৰ ৰূপত উত্তৰণ ঘটাবলৈ প্ৰচেষ্টা চলাইছিল। ওঠৰ শতিকাৰ শেষৰ ফালে ভকত চৰণৰ কনিষ্ঠ পুত্ৰ ৰামাই কোচে, শাস্ত্ৰসম্মত যুক্তি যুক্তভাৱে 'বোধগুৰু নামধর্ম' শীর্ষক ধর্মীয় মতবাদটি প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। সহজ-সৰল পদ্ধতিৰে জনসাধাৰণৰ ভক্তিমার্গৰ এক অসাধাৰণ নৱবৈষ্ণৱবাদী ধাৰা প্ৰবৰ্তন বোধগুৰুজনাৰ উল্লেখযোগ্য সাফল্য বুলি ক'ব পাৰি।

ৰামাই কোচৰ জন্ম হৈছিল ১৭৩৭ খ্ৰী:ৰ মাঘী পূর্ণিমাত। তেখেতৰ জন্মস্থান শলগুৰি উজনি অসমৰ দিহিং নদীৰ পাৰত আছিল।

তেখেতৰ সাতবছৰ বয়সতে পিতৃ ভকত চৰণবিহীন হয়। চৈধ্য বছৰ বয়সত ৰামাই কোচে অভয়াপুৰৰ পিতৃবন্ধু কাজল আতাৰ ওচৰত শিক্ষা-দীক্ষা গ্ৰহণ কৰিছিল। প্ৰবাদ আছে যে ৰামাইয়ে তিনিমাহতে সৰ্বশাস্ত্ৰত পাৰ্গত হৈ পৰিছিল। সেই আপাহতে কাজল আতাই তেওঁক 'বোধ' নামেৰে অভিহিত কৰিছিল। গুৰুগৃহতে থাকি ৰামায়ে গুৰুৰ শাস্ত্ৰচৰ্চাত মনোনিবেশ কৰিছিল। দুবছৰ কাল গুৰু-গৃহতে থাকি ৰামায়ে অগাধ পাণ্ডিত্য লৈ স্বগৃহলৈ প্ৰত্যাবৰ্তন কৰে। ৩০ বছৰ বয়সত বিবাহ কৰায়। সেই সময়তে তেখেতে শদিয়া, কুণ্ডিল, বিদৰ্ভ প্ৰভৃতি স্থানসমূহ ভ্ৰমণ কৰে। সেই সময়ত উজনি অসমত মায়ামৰীয়া বিদ্ৰোহৰ ফলত ৰজাঘৰ, প্ৰজাঘৰ সকলোতে অস্থিৰতা আৰু ত্ৰাসৰ সৃষ্টি হৈছিল। এনে পটভূমিতে ৰামায়ে সপত্নীক ভটিয়াই আহি চতুৰ্ভুজ আতাৰ মাতৃৰ স্থান আইভেঁটি পাইছিলগৈ।

তাৰপৰাই তেখেতে বৰদোৱা, বৰপেটা, নৰোৱা চতুদ্বাৰ প্ৰভৃতি স্থান ভ্ৰমণ কৰি গোগামুখত আশ্ৰয় লৈছিল। গোগামুখতে তেখেতে ধৰ্মপুথি লিখিবলৈ আৰম্ভ কৰে আৰু তামোল নোখোৱা আতৈক লগ পায়। ইয়াত দুয়োগৰাকী প্ৰবাদ পুৰুষৰ সমন্বিত প্ৰচেষ্টাত নামধৰ্ম প্ৰচাৰৰ প্ৰস্তাৱনা প্ৰস্তুত কৰে। এই উদ্দেশ্যে দুয়ো ভটিয়াই আহি মাজুলী কণ্যাল গাঁৱত তিনিবছৰ কাল থাকি নাম-ধৰ্মৰ ভেঁটি স্থাপন কৰে। বংশাৱলীৰ উদ্ধৃতি অনুসৰি মাজুলীত পঞ্চাছটি পৰিয়াল নামধৰ্মত দীক্ষিত হৈ গুৰুজনাৰ শিষ্যত্ব গ্ৰহণ কৰিছিল। বোধ কীৰ্তনত উল্লেখিত হৈছে, "লভিবা জ্ঞানক যেবে, তৰিবা সংসাৰ তেবে, শঙ্কৰত নিষ্ট হৌক মন।" এই ধৰণৰ জ্ঞানোপলব্ধিৰ দ্বাৰা আত্মা-বুদ্ধি-বিবেকৰ মাজেৰে এই ধৰ্ম ধাৰণৰ পথ দি থৈ যোৱা কাৰণে, ৰামাই কোচৰ প্ৰবৰ্তিত ধৰ্মক জনসাধাৰণে 'বোধগুৰুনাম ধৰ্ম' বুলিছিল আৰু প্ৰবৰ্তক ৰামাই কোচ, বোধৰূপে পৰিচিত হৈছিল। ইয়াৰ পিছত বোধগুৰুজনাই মাজুলীৰ পৰা ভটিয়াই গৈ গোগামুখত ধৰ্ম প্ৰচাৰ কৰিছিল। গোগামুখতে তেখেতে ৮৯ বছৰ বয়সত ১৮২৬ খৃ:ৰ মাঘী পূৰ্ণিমা তিথিত বৈকুণ্ঠগামী হয়।

**প্ৰসংগপুথি :** ১) বোধ কীৰ্তন, (২) বোধ ঘোষা, (৩) ধৰ্মখল, ধৰ্ম সম্প্ৰদান, ৰসমালা, (৪) বোধ চৰিত, তামোল নোখোৱা আতৈ চৰিতপুথি, (৫) বিষ্ণু বংশাৱলী, (৬) সাতসৰি অসম বুৰঞ্জী।

## মাজুলীৰ জাতি-জনজাতিসকলৰ বৰেণ্য ব্যক্তি

মাজুলী অসমৰ ভিতৰতে এক সমন্বয়ৰ মধুমিলন ভূমি। ইয়াত সত্ৰসমূহৰ কলা-সংস্কৃতিৰ উপৰি সংবৰ্দ্ধন হৈ আছে বিভিন্ন জনগোষ্ঠী-– মিচিং, দেউৰী, সোণোৱাল কছাৰী, বণিয়া, কুমাৰ আদিৰ সমন্বয়ৰ সংস্কৃতি। সেয়ে অসমৰ অসমীয়া বাৰে-ৰহনীয়া জাতীয় সংস্কৃতিৰ ৰূপ-ৰং মাজুলীতে ভালকৈ পোৱা যায়। এই মাজুলীৰ পৰা অসমক প্ৰতিনিধিত্ব কৰি কৃষ্টি-সংস্কৃতিৰ ধ্বজা বিদেশত উৰুৱাই অসম-মাতৃৰ মুখ উজ্জ্বল কৰিবলৈ সক্ষম হৈছে বহু শিল্পী তথা কলা-সাধকে। জনজাতিসকলৰ ভিতৰত প্ৰধানতঃ মিচিং জনগোষ্ঠীৰ শিল্পীসকলে প্ৰয়াত শিক্ষাবিদ, শিল্পী, সাহিত্যিক, নাট্যকাৰ তৰুণচন্দ্ৰ পামেগাম; শিক্ষাবিদ, সাহিত্যিক, শিল্পী, জেংৰাইমুখ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ইন্দ্ৰেশ্বৰ পেগু— এই দুজনৰ নেতৃত্ব আৰু পৰিচালনাত মাজুলীৰ পৰা মিচিং নৃত্য, গীত আদি অনাতাঁৰ যোগে প্ৰথমবাৰৰ বাবে প্ৰচাৰ কৰি অসমৰ মিচিং জনগোষ্ঠীৰ কলা-সংস্কৃতি প্ৰতিষ্ঠা আৰু প্ৰসাৰ, সংৰক্ষণ আদিৰ ক্ষেত্ৰত অৰিহণা যোগাই আহিছে। উদাহৰণ স্বৰূপে ইয়াৰ যোগে মাজুলীৰ পৰা অসমত তথা অসমৰ বাহিৰত মিচিং কৃষ্টি প্ৰচাৰ কৰি শিল্পী হিচাপে স্বীকৃতি পাবলৈ সক্ষম হৈছে গণেশ পেগু, অৱন্তী কুমাৰী পামেগাম (চেতিয়া), ৰুবী পামেগাম, ৰূপালী পামেগাম, লোকনাথ কুটুম, হেমচন্দ্ৰ কুটুম, নিৰু দলে, লীলাকান্ত দলে, প্ৰদীপ গাম, একলব্য গাম, ফুলেশ্বৰী পেগু, বাবুল পেগু আৰু লগতে বহুতো মিচিং জনগোষ্ঠীয় শিল্পীয়ে। তেওঁলোকে মিচিং জনগোষ্ঠীৰ জাতীয় কলা-সংস্কৃতিক নৰাছিগা বিহু, আলি-আইং-লৃগাং, প'ৰাগ, নিতম, কাবান আদি মাজুলী আৰু বাহিৰতো জীয়াই ৰখাত অৰিহণা যোগাই আহিছে। দেউৰী জনগোষ্ঠীসকলেও তেওঁলোকৰ জাতীয় সংস্কৃতি— মাজৰ দেউৰী, চিৰাম দেউৰী আৰু বালি দেউৰীৰ কলা-কুশলীসকলে জীয়াই ৰাখিছে। এইসকলৰ ভিতৰত ভূপেন দেউৰী, খগেন দেউৰী, বিদ্যাধৰ দেউৰী, সুশীল দেউৰী, পুষ্পা দেউৰী, কিৰণ বৰদেউৰী আৰু বহুতো শিল্পী কলা-কুশলীয়ে প্ৰধানতঃ বিচু বা বিহুৰ যোগেদি দেউৰী জনগোষ্ঠীয় কৃষ্টি-সংস্কৃতি জীয়াই ৰখাত অৰিহণা আগবঢ়াই আহিছে। তদনুৰূপ সোণোৱা কছাৰীসকলৰ কলা-সংস্কৃতি মাজুলীত কম পৰিমাণৰ হ'লেও নথকা নহয়। তেওঁবিলাকে উজনিৰ এটা অঞ্চলত বসবাস কৰি সমাজ

পাতি বাথৌ পূজা আৰু কিছুমান জাতীয় গীত-মাতৰ ভিতৰত বিশেষকৈ, হাইডাং গীত প্ৰচলন কৰি আহিছে। আনফালে মাজুলীত বসবাস কৰা শেনচোৱাসকলে শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ কলা-সংস্কৃতি চৰ্চা আৰু প্ৰসাৰ-প্ৰচাৰ কৰি আহিছে। আন আন লোক-সংস্কৃতিৰ উপৰিও ধৰ্মীয় পৰম্পৰাৰ বহুতো আপুৰুগীয়া কৃষ্টি জীয়াই ৰাখিছে। কদম দাসৰ নেতৃত্ব আৰু পৰিচালনাত ইয়াৰ শিল্পীসকলে মৃদংগ আৰু ভোৰতালৰ সহযোগত মহাপুৰুষীয়া ওজাপালিৰ আৰ্হিত এই বিশেষ কৃষ্টি পৰিৱেশন কৰে। মৃদংগৰ তাল, বোল আৰু নৃত্য; লগতে ভোৰতালৰ ঝংকাৰত মুখৰিত হোৱা এই কৃষ্টি অনিৰুদ্ধদেৱৰ সংস্কৃতিৰ আধাৰ হিচাপে জীয়াই আছে।

## কীৰ্তিমান পুৰুষ দত্তদেৱ গোস্বামী আৰু 'আসাম বিলাসিনী'

আউনীআটীয় সত্ৰাধিকাৰ দত্তদেৱ গোস্বামী এজন অসাধাৰণ ব্যক্তিত্বসম্পন্ন পুৰুষ আছিল। আউনীআটীয় সত্ৰাধিকাৰ কুশৰামদেৱ (১৭৪৩ শক) অধিকাৰ হৈ থকা কালতে দত্তদেৱ গোস্বামী আউনীআটী সত্ৰলৈ আহিছিল। তেওঁ উত্তৰ লখিমপুৰৰ বৰ মাহৰা সত্ৰৰ বাসুদেৱ গোস্বামী আৰু কালিন্দী দেৱীৰ পুত্ৰ আছিল। আউনীআটী সত্ৰৰ অধিকাৰে এজন দত্তক গ্ৰহণযোগ্য শিশুৰ সন্ধানত জয়হৰি শৰ্মা মলীয়া বৰাক বাসুদেৱ অধিকাৰৰ ওচৰলৈ পঠালে। তাত তেওঁ বাসুদেৱ গোসাঁইৰ কনিষ্ঠ পুত্ৰ দেৱদত্তক দেখি আকৰ্ষিত হ'ল। বাসুদেৱ গোসাঁয়ে বিনাদ্বিধাই নিজে পুত্ৰক আউনীআটী সত্ৰলৈ পঠাবলৈ ইচ্ছা কৰিলে। পিতৃয়ে নিজে আহি সত্ৰাধিকাৰক দেখা কৰি পুত্ৰক ভেটীলে। এয়া হ'ল ১৭৪৩ শকৰ মাঘ মাহৰ কথা। ইয়াৰ পিছত বাসুদেৱ গোসাঁইৰ আন এটি পুত্ৰ জন্মিল, নাম ধৰ্মেশ্বৰ। তেওঁ বালকটিক কুশদেৱ গোসাঁইৰ হাতত গতালে। সেই সময়ত অসমত মানৰ আক্ৰমণ আৰু প্ৰায় সেই সময়তে ইংৰাজৰ এই দেশলৈ আগমন। মানৰ আক্ৰমণত অন্যান্য লোকৰ নিচিনাকৈ আউনীআটী সত্ৰৰো থান-থিত নোহোৱা হৈছিল। ৰাজ্যৰ উপান্ত কালত কুশদেৱ গোসাঁই গৈ গুৱাহাটীৰ আমনি সত্ৰত আছিল। তাতে তেওঁৰ অসুখ হ'ল। এনেতে অধিকাৰৰ অসুখৰ বাতৰি পাই দত্তদেৱ গোসাঁই ভটিয়াই গৈ গুৱাহাটী পালেগৈ। অধিকাৰ গোসাঁয়ে গজেন্দ্ৰ স্তুৱ সমাপ্ত কৰি প্ৰথমতে দেৱদত্তক ডেকা অধিকাৰ আৰু দ্বিতীয়তে ধৰ্মেশ্বৰ ডেকা গোসাঁইক ডেকা অধিকাৰৰ মালা দিয়ে। কুশৰামদেৱৰ চৰিতত আছে—

*"স্বস্তি শ্ৰীবৰচাহাবৰ, শুনিয়ো এবে আদেশ।*
*শ্ৰীডেকাজনাদেৱ অধিকাৰী, বুলিবে কৰি বিশেষ॥*
*তানে ভাতৃ শ্ৰীধৰ্মেশ্বৰদেৱ ডেকা অধিকাৰ ভৈলা।*
*এহি বাক্য বুলি, ৰমাকান্ত ডেকা বৰুৱায়ে মৌন ভৈলা॥"*

দত্তদেৱ চৰিতত আছে—

*"প্ৰচণ্ড মাৰ্ত্তণ্ড কুশদেৱ অস্ত গৈল।*
*শান্ত ৰশ্মি দত্তদেৱ সমুদিত হৈল॥"*

দত্তদেৱ গোস্বামী সেই ঠাইতে ১৭৬০ শকত অধিকাৰ পদত অধিষ্ঠিত হ'ল। সাত মাহৰ অন্তত তেওঁ মাজুলীৰ সত্ৰলৈ আহিল। তেওঁ আউনীআটী সত্ৰৰ বহুত দিনৰ পৰা 'জোঁট লাগি থকা আউলবোৰ ভাঙিলে'। পূৰ্বৰ পৰা চলি অহা ৰীতিমতে, অধিকাৰে গীত-মাত, কীৰ্তন এইবিলাক ৰচনা কৰি ভকতসকলক শিক্ষা দিলে। ভাওনা পাতি ভাৱৰীয়াসকলক নিজেই শিক্ষা দি নিপুণ কৰি তুলিলে। দিনে দিনে ন-ন নতুন সুৰত গীত ৰচনা কৰিলে আৰু নাটও কেইবাখনো লিখিলে। এই সময়তে তেওঁ কিছুমান সংস্কৃত শ্লোক আৰু স্তোত্ৰ ৰচনা কৰিছিল। পণ্ডিতসকলেও সেইবোৰক সু-কবিতা বুলি প্ৰশংসা কৰিছিল। কেৱল প্ৰাচীন বিদ্যাৰ অনুশীলন আৰু প্ৰয়োগতে তেওঁ ক্ষান্ত আছিল এনে নহয়, আধুনিক বিষয়ৰো জ্ঞান আহৰণ কৰিছিল। বংগীয় সংবাদ পত্ৰবোৰ অনাই নিয়মিতৰূপে পঢ়িছিল আৰু মাজে মাজে প্ৰবন্ধাদি লিখিও প্ৰকাশ কৰিছিল। এইভাৱে প্ৰভু দত্তদেৱে আৰম্ভণি কালছোৱাতে সত্ৰলৈ এটা সাংস্কৃতিক জাগৰণ আনিবলৈ যত্ন কৰিছিল (শ্ৰীশ্ৰীআউনীআটী সত্ৰৰ বুৰঞ্জী, তীৰ্থনাথ শৰ্মা)।

ইয়াৰ পিছত তেওঁ ডেকা সত্ৰাধিকাৰৰ সৈতে শিৱসাগৰলৈ গ'ল। পৰৱৰ্তী বছৰৰ ব'হাগী পূৰ্ণিমাত সেই ঠাইতে কুশৰামদেৱৰ তিথি পাতিছিল আৰু ৰাতিলৈ কালীয় দমন ভাওনা পাতিছিল; কিন্তু দত্তদেৱ গোস্বামীয়ে নানা কাৰণত চাৰিসত্ৰীয়াৰ পৰা নিৰ্মালি অভিষেক লোৱা হোৱা নাছিল। শেষত ১৭৮১ শকত তেওঁৰ অভিষেকৰ আয়োজন কৰিলে। সেই উপলক্ষে দত্তদেৱ গোস্বামী বিৰচিত কংসবধ নাটৰ

অভিনয় কৰা হৈছিল। ১৭৮৪ শকত অসমৰ দুৰলীয়া লাট বিডন চাহাবে মাজুলীলৈ গৈছিল। ১৭৮৭ শকত এদিন সত্ৰত জুই লাগি সত্ৰৰ নামঘৰ, মণিকূট, ভঁৰাল আদি সকলো পুৰিলে। এনে দুৰ্যোগ আগতেও হৈছিল। তেওঁ আউনীআটীয় সত্ৰাধিকাৰ হৈ থকা কালত দক্ষিণপাটৰ নৰদেৱ গোস্বামী, গড়মূৰৰ ৰঘুচন্দ্ৰদেৱ গোস্বামী, কুৰুৱাবাহীৰ শ্ৰীকান্তদেৱ গোস্বামী আৰু ডিফলু সত্ৰৰ কুন্দনাথ চন্দ্ৰদেৱ গোস্বামী— মুঠ চাৰিখন সত্ৰৰ ছয়জন অধিকাৰে নিৰ্মালি দিছিল।

১৭৯৩ শকটো আউনীআটী সত্ৰৰ পক্ষে এটা উল্লেখযোগ্য বছৰ। এই শকতে দত্তদেৱ গোস্বামীয়ে কলিকতাৰ পৰা এটা ছপাযন্ত্ৰ অনাই সত্ৰৰ পূবফালে বহুৱালে। ছপাশালৰ নাম হ'ল 'ধৰ্মপ্ৰকাশ যন্ত্ৰ'। এই ছপাশালটো নতুনকৈ সোমোৱা সভ্যতাৰ এটা মহৎ দান। তাৰ সুযোগ লৈ সাপ্তাহিক সংবাদ উলিওৱা আৰু আমাৰ দেশৰ পুৰণি ধৰ্মগ্ৰন্থ ছপাই অসমীয়াৰ মাজত স্ব-ধৰ্ম প্ৰচাৰ কৰাৰ কাৰ্য- কল্পনা গ্ৰহণ কৰাটো ইংৰাজী শিক্ষাৰ লগত সম্পৰ্ক নথকা প্ৰাচীন সংস্কৃতিৰ বাহক পুৰুষ এজনৰ পক্ষে কালাগ্ৰপ্ৰসাৰিণী চিন্তা বুলি ক'ব লাগিব। বিদেশীয়ে প্ৰকাশ কৰা অৰুনোদই (১৮৪৬ খ্ৰী:)ৰ পিছতে অসমীয়া লোকে উলিওৱা প্ৰথম সংবাদ পত্ৰ হ'ল প্ৰভু দত্তদেৱৰ মহান কীৰ্তি 'আসাম বিলাসিনী'। বিলাসিনী একেবাৰে বাৰ বছৰ চলি বন্ধ হৈছিল, সত্ৰ গহনীয়াৰ দুৰ্যোগত (আউনীআটী সত্ৰৰ বুৰঞ্জী, তীৰ্থনাথ শৰ্মা)।

অৰুনোদইৰ উদ্দেশ্য আছিল দেশ-বিদেশৰ জ্ঞান প্ৰচাৰৰ লগতে বাইবেল তথা খ্ৰীষ্টান ধৰ্মৰ কথা প্ৰচাৰ কৰা; কিন্তু আসাম বিলাসিনীৰ উদ্দেশ্য আছিল জনসাধাৰণৰ মাজত হিন্দুধৰ্ম প্ৰচাৰ কৰা। আসাম বিলাসিনীৰ প্ৰথম পিঠিৰ নক্সা ১৮৭৬ শকৰ মাৰ্চ মাহৰ (৫ম বছৰ) সংখ্যাৰ পৰা উদ্ধৃত কৰা হ'ল—




১) ওপৰৰ পুৰণি মোহৰৰ অন্তৰ ভাগৰ শ্লোকটো হ'ল—

*সম্বাদ সন্দোহ জুসাং জনানা।*
*নাখ্যয়িকায়াশ্চ কৃত স্পৃহানাং*
*তোসায় সদ্বত্তরতাশ্চ পুংসাং ভূয়াৎ*
*সদানাম বিলাসিনীয়াং॥*

২) মোহৰটোৰ বহিৰ্ভাগৰ শ্লোকটো হ'ল—

*যা শ্ৰীমজ্জগদীশ সদগুণ গুণালঙ্কাৰ সম্ভূষিণী*
*বাৰ্তাব্ৰাতবিকাশিনী জনমনঃ শৰৎ সুধাবৰ্ষিণী।*
*নানাখ্যান সুভাষিণী গুণৱতী শ্ৰেয়াং শুভাগ্ৰেষিণী*
*সৈষ্যা নাম বিলাসিনী বিনমতি শ্ৰীদত্ত হৃতোসিনী॥*

শ্লোকৰ অৰ্থ হ'ল— ১। "জগদীশ্বৰ কৃপাৰ অনুসাৰে যি সদগুণৰ অলংকাৰযুক্ত বাৰ্তা বহন আসাম বিলাসিনী কাকতখনে জনগণৰ মনত শৰত কালৰ চন্দ্ৰ কিৰণৰ সদৃশ আনন্দ বিধান কৰক" (অধ্যাপক শ্ৰীতৰুণ চন্দ্ৰ শৰ্মাকৃত অনুবাদ, লেখক)।

২। "দেশৰ বা-বাতৰি প্ৰকাশ কৰা আখ্যানমূলক প্ৰবন্ধাদিৰে জনসাধাৰণৰ আনন্দ বৰ্দ্ধন কৰা এই আসাম বিলাসিনী কাকতখনিয়ে গুণী-জ্ঞানীসকলৰ মন সন্তোষিত কৰিবৰ নিমিত্তে শ্ৰীদত্তদেৱ গোস্বামীয়ে স্বহস্তে প্ৰচাৰ কৰে।"

ইয়াৰ পৰাই স্পষ্ট হয় যে শ্ৰীদত্তদেৱ গোস্বামী আউনীআটীয় সত্ৰাধিকাৰে (১৭৬০-১৮২৬ শকৰ ব'হাগ-জেঠ মাহ) 'আসাম বিলাসিনী' পত্ৰিকা সম্পাদনা আৰু প্ৰচাৰ কৰে। এই কাৰ্যত তেওঁৰ সহায়ক আছিল কাণ্ডাৰ বৰুৱাৰ বংশজাত 'মহান সাংস্কৃতিক কলাকাৰ' শ্ৰীধৰচন্দ্ৰ বৰুৱা ওজা।

'আসাম বিলাসিনী' পত্ৰিকা আঠ পিঠিৰ আছিল; ইয়াৰ প্ৰতি পিঠিৰ স্তম্ভ তিনিটা। কাগজৰ আকাৰ—১১" × ৮"। শেহৰ পিঠিৰ তলৰ ফালৰ কথাখিনি হ'ল— "এই 'আসাম বিলাসিনী' পত্ৰিকা আসাম যোড়হাটৰ অন্তৰ্গত মাজালীৰ আউনীআটী সত্ৰত ধৰ্মপ্ৰকাশ যন্ত্ৰে প্ৰতি মাসে মুদ্ৰিত হয়, বাৰ্ষিক অগ্ৰিম মূল্য ১৷৷০ টকা।" কাগজখনত অসমীয়া 'ৰ' নাই, সৰ্বত্ৰ বঙলা 'র'হে।

মাজুলী নামৰ পৰিবৰ্তে 'মাজালি' ব্যৱহাৰ কৰিছে। এই প্ৰসংগত দুটামান কথা আলোচনা কৰিব লাগে—

১) হৰকান্ত সদৰামীনৰ আত্মজীৱনীত মাজুলীৰ পৰিবৰ্তে

'মাজোলী' পোৱা যায়। যেনে— "আকৌ এই সত্ৰৰ আষাৰ মাহৰ ৩২ তাৰিখে ব্ৰহ্মপুত্ৰৰ পানী বাঢ়ি উজনিত মাজোলীখণ্ড দেশ ডুবাই সত্ৰসভা তল কৰি অনেক গৰু-মানুহ মাৰে ও দক্ষিণপাট সত্ৰৰ নামঘৰ তল যায়; ও কমলাবাৰী তল যায়, অন্য কি মহাপ্ৰভুক কলৰ ভেল কৰি যাবই দি তাতেই ঢোৱাইছিল" (পৃ: ৪৯)।

২) গুণাভিৰাম বৰুৱাৰ আসাম বুৰঞ্জীত আছে— "সমুদায় মহন্তসকল মাজালীত পাতিবলৈ আজ্ঞা দিয়া হ'ল। .... তেতিয়াৰ পৰাহে এনে বিবেচনা হ'ল যে মহন্তসকলৰ গুড়ি ঠাই মাজালী আৰু যাৰ মাজালীত ঠাই নাই, সিসকলক ন মহন্ত বুলি জনা যায়;" (পৃ: ৯২, ১৮৭২ খ্ৰী:)।

৩) অসমীয়া হেমকোষত আছে (ক) "মাজালী, বি. মাজৰ; যেনে, মাজালী ভাগ; কেউফালে পানীৰে আবৃত্ত হৈ থকা, যে মাজালীৰ চাপৰি....। (খ) মাজুলী, স. শ. মাজালী চাপৰি, কেউফালে পানীৰে আবৃত্ত ঠাই, উপ-দ্বীপ....।"

৪) 'অৰুনোদই'ত মাজুলী শব্দৰ ব্যৱহাৰ হৈছে, যেনে— "মাজালি চাপৰিৰ কমলাবাৰী মৌজাৰ বুদু নামেৰে, কেওঁট কুলিয়া মানুহ এজন, জুলাই মাহৰ ১৩ তাৰিখে, পানী বহা সময়ত, ৰাতিপুৱা ঘৰৰ পৰা নাৱেৰে অলপ ওচৰ ঠাইলৈ জাওঁতে এটা বনৰীয়া মঁহ ওলাই, তাক খুচি মাৰিলে" (প্ৰথমছোৱা, নম্বৰ ৮)।

ওপৰৰ পৰা প্ৰতীয়মান হয় যে আসাম বিলাসিনীত পুৰণি মাজালী নামটোহে ব্যৱহৃত হৈছিল। এই বিষয়ে গবেষণাৰ প্ৰয়োজন।

আসাম বিলাসিনীৰ এটি সংখ্যা (পঞ্চম বৎসৰ ১২ শ সংখ্যা) পোৱা গৈছে, সেই কাকতৰ চানেকি তলত উল্লেখ কৰা হ'ল। এই পিঠিৰ (৮৯ পৃ:) প্ৰথম আৰু দ্বিতীয় স্তম্ভত বিজ্ঞাপন পোৱা যায়। দুটি বিজ্ঞাপন—

১। "সাধাৰণৰ জ্ঞাতাৰ্থে এই বিজ্ঞাপন দিয়া গ'ল; যে চন্দ্ৰোদয় পত্ৰিকাৰ ১ম ও ২য় সংখ্যা কাকত পঠিওৱাত যি অতিৰিক্ত মাচুল গ্ৰাহকসকলে ভৰিছে, সেই বাবে চন্দ্ৰোদয়ৰ মূল্যৰ পৰা ভৰণি বাবে কাটি ৰাখিব। শ্ৰীক্ষীৰেশ্বৰ বড়ুয়া। সম্পাদক।" (১৮৭৬ খ্ৰী:ত নগাঁৱৰ দিহিঙীয়া গোসাঁয়ে 'চন্দ্ৰোদয়' নামৰ এই ধৰ্মমূলক মাহেকীয়া কাকত উলিয়ায়। এই কাকত অলপ দিনহে চলে।— প্ৰবন্ধকাৰ।)

২। "আমাৰ নিজা চধানা দঁতাল হাতী এটা ১৭৯৭ শকৰ ২০ চেঐ ৰাত্ৰি পুৰণা ৰংঘৰৰ সমুখৰ হাবিৰ পৰা বেতৰ ভাণ্ডা মেলি চুৰ কৰি নিছে। সেই হাতীৰ নিসান ওখন ৫ হাতৰ উৰ্দ্ধ, দাঁত প্ৰায় এহাতমান হ'ব, দাঁতত পোকে বিন্ধাৰ চিন আছে, দুই কাণ ওলমি থকা, শিকোৱাৰ সময়ত ২ কি ৩ আঙ্গুল কাণৰ লতি চিগাৰ চিন আছে। বাঁওকাণৰ ওপৰত বিন্ধা দিয়াত চিগাৰ চিন আছে। দাঁত বাঁও জুয়া, ধামখুম বড নহয, ১৮ নখ, মুখৰ পালে বৰ্ষা কালত বড়কৈ ফুটুকা পড়ে, শীত কালত কম থাকে। কড়িয়া ধেঙ্গিয়া চলে, দেখিবলৈ মাধ্যম, নৰম নহয় - দেখিবলৈ উত্তম। শ্ৰীকৃষ্ণৰাম ভূয়াঁ। জিলা শিৱসাগৰ। যোগী কাকতি গাওঁ।"

শেহৰ পিঠিত (পৃ: ৯৬) মূল্য প্ৰাপ্তিৰ তালিকা:

১। শ্ৰীযুত কাশীনাথ নাজীৰ, তেজপুৰ ১৷৷০

২। " গোৱালচন্দ্ৰ বৰদলৈ ৰাইটৰ, তেজপুৰ ১৷৷·

৩। " বেৰেঙ্গা জমাদাৰ, তেজপুৰ ১৷৷·

৪। " জয়দেৱ শৰ্মা পণ্ডিত, তেজপুৰ ১৷৷·

৫। " পৰীক্ষিত ৰায় বড়ুয়া, চাগোড়ি ২·

অসমৰ প্ৰথমজন চীফ কমিশ্যনাৰে আউনীআটী সত্ৰ ভ্ৰমণ কৰিবলৈ যোৱা বিৱৰণ এই সংখ্যা আলোচনীত প্ৰকাশ হৈছে। লেখক আছিল সেখ ফেৰাউদ্দিন—

"চৈত্ৰ মাসৰ ৭ তাৰিখে শ্ৰীল শ্ৰীযুত চীফ কমিশ্যনাৰ বাহাদুৰ আউনীআটী সত্ৰ দৰ্শনাৰ্থে আহিছিল। উক্ত মহোদয় শিৱসাগৰ জিলাৰ পৰা শিকাৰীঘাটলৈ গৈ পুনৰ্ব্বাৰ উজাই আহি কমলাবাড়ী ঘাটত থাকি যোৰহাট দৰ্শন কৰে। শ্ৰীশ্ৰীযুতৰ আউনীআটী সত্ৰ দৰ্শন কৰাৰ অভিলাষ প্ৰকাশ কৰাত যোৰহাটৰ শ্ৰীযুত এচিষ্টান্ট কমিশ্যনৰ সাহাবে ৫ তাৰিখে সত্ৰাধিকাৰ গোস্বামীলৈ এক চিঠি পঠোয়াত গোস্বামী প্ৰভু হঠাতে অভাবনীয় বাৰ্ত্তাটি শুনি হৰ্ষ বিমৰ্ষানবত মগ্ন হল। হৰ্ষৰ কাৰণ যে আসাম গবৰ্ণৰ সত্ৰ দেখিবলৈ আহিব। এবং বিমৰ্ষৰ নিমিত্ত এই যে অত্যল্প সময় দুদিনৰ ভিতৰত কি ৰূপে বা যথা নিয়াম অভ্যৰ্থনাদিৰ আয়োজন কৰা হ'ব। কিন্তু কৰ্ত্তব্য কৰ্ম্ম অৱশ্য সম্পাদন কৰিবই লাগে এই নিশ্চয় কৰি পথ আদি পৰিষ্কাৰ আৰু অন্যান্য যি যি কৰিব লগা কাৰ্য্য, সেইসকল কৰিবলৈ আজ্ঞা কৰিলে। লোক সকলেও অতিশয় উৎসাহ আৰু আনন্দ চিত্তেৰে কৰিবলৈ উদ্যোগী হল। আলিমুড়াৰ পৰা চৰাৰ নিকট পৰ্য্যন্ত সমুদায় আলি পৰিষ্কাৰ কৰি দুই পাৰ্শ্বে কদলী ৰোপণ কৰি তাতে কপাহী সূতাৰে আম্ৰ-পত্ৰ আৰু ফুলেৰে শোভিত কৰা হয়। বাহিৰ কৰা

পাটৰ পৰা মাঝে ২ চিত্রিত পতাকাৰে শোভিত কৰিছিল। বাহিৰ ভিতৰ দুইটা বাটঘৰৰ খুটাৰ নিকট পল্লৱ ঘট স্থাপন আৰু প্রদীপ লগাইছিল। ভিতৰ কৰা পাটাৰ পৰা কিছুমান দূৰলৈকে দুই পাৰ্শ্বে দুখনি হেদালি পাতি তাৰ ওপৰত মাহ চাউল আদি উপহাৰৰ দ্বাৰ্ সজাই থৈছিল। ভিতৰৰ বাট ঘৰটীৰ ভিতৰে কাপড় দিছিল, মাটিতো সত্রঞ্জি পাৰিছিল। নামঘৰৰ টুপৰ সন্মুখতে শুদ্ধ কাপড়ৰে সৰু ঘৰ এটি প্রস্তুত কৰি পত্র পুষ্প আৰু চন্দ্রাতপৰ সজাইছিল। শ্রীলশ্রীযুক্ত যিটী ঘৰত উপবেশন কৰিব, সেই ঘৰৰ চালৰ ওপৰত কাপড়াৰ আচ্ছাদন কৰি ভিতৰ ফালেও খুটা বিলাকতো কাপড় মেৰাই শোভিত কৰিছিল। যি খোটালিত বহিব তাৰ চাৰিওপাৰ্শ্বে কাগজৰ ফুল আৰু আন২ দ্রব্যাৰে ভূষিত কৰিছিল এবং উত্তম দৃশ্য ছবি কেইখনি মানকো আড়ি থৈছিল। ওপৰত চন্দ্রাতপ এখান আড়ি তাত ৰেশমী ঝালৰ আৰু চামাৰৰে ভূষিত কৰিছিল, তলত দলিছা কেইখনি মান পাড়ি তাৰ ওপৰত মেচ মাছিয়া পতা হৈছিল। মেজৰ ওপৰত এখান সুন্দৰ লোমজ কাপড় পাড়ি বেলোৱাৰি ফুলদানীত নানা বিধৰ ফুল আৰু আতৰ দান এটীও আতৰ আৰু ফুলৰ কৃত্রিম গছ প্রভৃতি থৈছিল।"

এই দীঘল টোকাটোৰ (পৃ: ৯১-৯৩) সামৰণিত কোৱা হৈছে, "গোস্বামী প্রভু শ্রীশ্রীযুতৰ সদয় যেন ভাব দর্শন কৰি পৰম পুলকিত অন্তঃকৰণেৰে ধন্যবাদ দি শ্রীশ্রীযুত যেন নিৰুদ্বেগে এবং স্বস্থ শৰীৰে থাকি নিৰীহ প্রজাবর্গক সুখে ৰাখে। পৰমেশ্বৰৰ চৰণত প্রার্থনা কৰিছে। বিশেষ শ্রীশ্রীযুত এই সময়ত যি ৰূপে সন্তুষ্ট হৈ গৈছে, এই ভাবেই যেন মহাত্মাৰ হৃদয়ত চিৰকাল জাগৰুক থাকে। উক্ত মহোদয়ৰ নিকট কৰপুটে এই প্রার্থনা কৰিলোঁ।"

ফেৰাউদ্দিনৰ টোকাতো সেই সময়ৰ আউনীআটী সত্রৰ ধর্মীয় আৰু সামাজিক অৱস্থা, অসমৰ চীফ কমিশ্যনাৰৰ অভ্যর্থনাৰ আয়োজন প্রভৃতি কথা প্রাঞ্জলভাৱে বর্ণোৱা হৈছে। অৰুনোদই কাকতৰ জনপ্রিয়তাৰ কালত এনে প্রাঞ্জল গদ্য ৰচনা আশা কৰা টান।

আলোচ্য সংখ্যা আসাম বিলাসিনীৰ বিজ্ঞাপনৰ পিছতে যুৱৰাজৰ ভ্রমণ (গোৱালিয়ৰ) প্রবন্ধটো ছপা হৈছে। প্রবন্ধটোৰ উদ্ধৃতি তলত দিয়া হ'ল—

"৩১ জানুৱাৰি যুৱৰাজ প্রাতঃকালে আগ্রাৰ পৰা চাৰিটীয়া ঘোড়াৰ গাড়ি আৰোহন পূর্বক গোৱালিয়ৰলৈ গমন কৰে। আহোতে পথত ঢোলপুৰৰ ৰাজাই যুৱৰাজক সমাদৰেৰে গ্রহণ কৰি উত্তম ভোজ দিলে। তাৰ পৰা আহি গোয়ালিয়ৰৰ সমীপ পোৱাত সিন্ধিয়াৰ মহাৰাজা, কিছুমান দূৰ আগবাঢ়ি গৈ যুৱৰাজক অতি সাদৰে আনি প্রাচীন নগৰ পাই তাতে অতি উত্তম ৰূপে সজোৱা হাতী এটীত যুৱৰাজে সহিতে আৰোহন কৰে। পাছতে ৩২টা হাতীত যুৱৰাজৰ সঙ্গৰ লোক সকল উঠি আহিছিল। সিন্ধিয়াৰ সেনা সকলো সেই লগে লগেই আহে। সেই সময়ত অসংখ্য লোক গোট খাইছিল। সেই বাটে আহি .... ।

১ ফেব্রুৱাৰীৰ প্রাতঃ কালে সিন্ধিয়াৰ মহাৰাজা সৈন্য বিলাকৰ ৰণৰ আৰ্হি দর্শন কৰে। সেই ঠাইত ১০ হাজাৰ সৈন্য উপস্থিত আছিল, কিন্তু ভুৰুকচোৱাৰ আৰু তোপ চলোৱা সিপাহি বিলাকৰ কৰ্মত নিপুণতা দেখি সকলোৱে চমৎকাৰ মানিছিল। সেই সেনাসকল ইংৰাজৰ সৈন্যৰ সেই সেনাসকল ইংৰাজৰ সৈন্যৰ তুলনাত শিক্ষিত আৰু নিপুণ। সেই সময়ত সিন্ধিয়াৰ মহাৰাজাই নিজে সৈন্য চাইছিল। যুৱৰাজে ৰণকৌশল দেখি অতি চমৎকাৰ হল আৰু সন্তোষ পালে, অপৰাহ্নে গোৱালিয়ৰ কোঁঠ দর্শন কৰে। ৰাত্রি সেই গৃহ উত্তমৰূপে আলোকিত আৰু তাৰ পাছত খাবৰ বাজী হৈছিল। নতুনকৈ সজা ঘৰটীতে এটা ভোজ হৈছিল, আহাৰৰ শেষত সিন্ধিয়াৰ মহাৰাজা সেই ঠাইত উপস্থিত হলত, যুৱৰাজে সমাদৰে তেওঁক দক্ষিণ ফালে বহুৱালে। মহাৰাজাই ইংৰাজী নজনা হেতুকে জেনদল ডেলি সাহাবে দুভাষিয়া হৈ কথা-বাৰ্ত্তা বুজাই দিছিল।"

ইয়াৰ পাছতহে দেশীয় বাতৰি। নাম 'সম্বাদাৱলী' (পৃ: ১৭)।

এই আলোচনীত সম্পাদকলৈ চিঠিৰ পৰিৱৰ্তে ঘোঁৰাৰ ব্লকৰ ভিতৰত প্রেৰিত পত্র লিখা আছে। পঞ্চম বছৰ দ্বাদশ সংখ্যাত তিনিখন বিভিন্ন চিঠি প্রকাশ পাইছে।

আসাম বিলাসিনী অসমীয়া কবিতাৰ কঠীয়াতলী বুলিলেও অত্যুক্তি কৰা নহ'ব। এই পত্রিকাত ভোলানাথ দাসৰ (১৮৫৮-১৯২৯) সীতাহৰণ কাব্যৰ প্রথম সৰ্গ ছোৱাছোৱাকৈ প্রকাশিত হৈছিল; পিছত ১৯০২ খ্রী:ত ছপাই উলিওৱা হৈছিল।

এই পত্রিকাই অসমীয়া ভাষাত অমিল ছন্দৰ ৰচনা কিম্ভুত-কিমাকাৰ যেন ভাবি আৰু গ্রন্থকাৰৰ 'ইটো' 'সিটো' ব্যৱহাৰ অশুদ্ধ বুলি ইতিকিং কৰিছিল। এই কাৰণে ভোলানাথ দাসে উক্ত কাকতত 'চিন্তা-তৰঙ্গিনী' নামৰ কবিতাটো লিখে। অৱশ্যে, এই যুঁজত আসাম বিলাসিনী হাৰিল; কিন্তু সেই সমালোচনাৰ তীক্ষ্ণ বাণে দাসৰ অন্তৰ

ভালকৈয়ে বিদীৰ্ণ কৰিছিল। মুঠৰ ওপৰত আসাম বিলাসিনীতে সমালোচনাৰ ধাৰা আৰম্ভ হয়। এই পত্ৰিকা ১৮৮৩ খ্ৰী:ত সত্ৰ স্থানান্তৰিত হোৱাত, বন্ধ হয়।

দত্তদেৱ গোস্বামীৰ অনুগ্ৰহতে শ্ৰীধৰ বৰুৱা ওজাৰ সম্পাদনাত 'আসাম-তাৰা' নামৰ মাহেকীয়া কাকত দুবছৰ (১৮৮৮-৯০) কাল ওলায়। ইয়াত ধৰ্মমূলক, বুৰঞ্জীমূলক, সাহিত্য আদি বিধি প্ৰবন্ধ ওলায়। ইয়াৰ পূৰ্বে ১৮৭৬ খ্ৰী:ত ধৰ্মপ্ৰকাশ যন্ত্ৰৰ পৰা 'আসাম দীপক' নামৰ এখন মাসিক আলোচনী ওলায়। ই এবছৰ চলি বন্ধ হৈ যায়। মাজুলীত প্ৰতিষ্ঠিত এখন সত্ৰৰ পৰা তিনিখনকৈ আলোচনী প্ৰকাশ হোৱাটো মন কৰিবলগীয়া কথা।

দত্তদেৱ গোস্বামী পদ-পুথি প্ৰণেতা, নাট্যকাৰ, গীতিকাৰ, সংগীতজ্ঞ আৰু নিপুণ সংগঠক আৰু পণ্ডিত লোক আছিল। তেওঁ সংস্কৃতত গীত আৰু শ্ৰীকৃষ্ণলীলামৃতম্ নাম সুমধুৰ লঘু-কাব্য ৰচনা কৰে। তেওঁ বৃত্ৰাসুৰ বধ, ৰুদ্ৰগীত বৰ্ণন, দক্ষযজ্ঞ, বেদস্তুতি, ধ্ৰুৱচৰিত্ৰ, গোবিন্দ গুণমালা আদি পুথি প্ৰকাশ কৰে। তেওঁ ৰচনা কৰা নাটসমূহ হৈছে— কালিদমন, কংসবধ, জানকী হৰণ, দ্ৰৌপদীৰ বস্ত্ৰ হৰণ, পাণ্ডৱৰ বনগমন, ভৰতাগমন, অক্ৰুৰাগমন, ভীষ্মপৰ্ব, উদ্যোগ পৰ্ব, ইন্দ্ৰজিত বধ, ৰাসলীলা প্ৰভৃতি। তেওঁ অধ্যয়নশীল আছিল। বঙলা কাকতত প্ৰবন্ধ লিখিছিল। তেওঁ পুৰাণৰ কাহিনী অবিকৃত ৰাখিও উদ্ভাৱনাৰে নাটসমূহ সবল কৰি ৰচনা কৰে।

আউনীআটী সত্ৰৰ আন এটা পুৰণি কীৰ্তি হৈছে, পুৰণি পুথি প্ৰকাশ। এই সত্ৰৰ পৰা ১৮৫৬ খ্ৰী:ত গুণাভিৰাম বৰুৱা সম্পাদিত আৰু সত্ৰৰ পৰা প্ৰকাশিত মাধৱদেৱৰ নাম-ঘোষা পথিকৃত বুলিব পাৰি। পিছত বড়গীত, কীৰ্তন আদি পুথি প্ৰকাশিত হয়। এই ক্ষেত্ৰত আউনীআটী সত্ৰ আগশাৰীত পৰে।

মুঠৰ ওপৰত দত্তদেৱ গোস্বামী অনন্যসাধাৰণ পুৰুষ আছিল। ভাওনাৰ আখৰাত উপস্থিত থাকি তেওঁ ভাৱৰীয়াক তালিম দিছিল। তেওঁ সংগীতজ্ঞ আছিল। শাস্ত্ৰীয় সংগীতৰ প্ৰতিও তেৰাৰ শ্ৰদ্ধা বৃদ্ধি হৈছিল। বেহেলা আৰু তবলা সংগত তেৰাই ভাল পাইছিল। আউনীআটীৰ পৰৱতী অধিকাৰ বিষ্ণুচন্দ্ৰ দেৱ গোস্বামীয়ে শ্ৰীশ্ৰীদত্তদেৱ গোস্বামীৰ বিষয়ে মন্তব্য কৰিছে— "তেৰাৰ দিন আউনীআটী সত্ৰৰ এক গৌৰৱময় যুগ" (ধ্ৰুৱচৰিত্ৰৰ পাতনি)। পণ্ডিত তীৰ্থনাথ শৰ্মাৰ ভাষাৰে ক'ব পাৰি- -- "দত্তদেৱ গোসাঁইঈশ্বৰ উনবিংশ শতিকাৰ এজন সৰ্বতোভদ্ৰ প্ৰতিভোজ্জ্বল পুৰুষ।"

## অসমৰ সংবাদপত্ৰৰ অবিস্মৰণীয় অগ্ৰদূত 'আসাম বিলাসিনী'

অসমত সংবাদপত্ৰৰ শুভ সূচনা হয় উনবিংশ শতিকাত। সেইটো শতিকাতে অসমৰ ৰাজনৈতিক আৰু সাংস্কৃতিক নৱজাগৰণৰো সূচনা হয়। আধুনিক অসমীয়া সাহিত্যৰ প্ৰথম স্তৰৰ গোড়া পত্তনৰ বাবেও এই শতিকাই এক পটভূমি প্ৰদান আৰু প্ৰস্তুত কৰি থৈ গ'ল; যাৰ আলম লৈয়ে পৰৱৰ্তী কালত অসমীয়া ভাষা-সাহিত্যই অধিক সমৃদ্ধ আৰু সমুজ্জ্বল ৰূপত আত্মপ্ৰকাশ কৰাৰ প্ৰয়াস কৰিলে। এই সমগ্ৰ প্ৰক্ৰিয়াটো ঠন ধৰি উঠাত অসমৰ সংবাদপত্ৰই এক গভীৰ আৰু ব্যাপক ভূমিকা গ্ৰহণ কৰিছিল।

'অৰুনোদই'ৰ যোগেদিয়েই অৰুণ উদয় হোৱা অসমৰ সংবাদপত্ৰই অঞ্চলটোত ভুমুকি মাৰে ১৮৪৬ খ্ৰী:ত। অসমত ছপাশাল আৰু সংবাদপত্ৰৰ প্ৰতিষ্ঠা আৰু প্ৰচলনৰ বাটকটীয়া আমেৰিকান বেপ্টিষ্ট মিছনেৰীসকলেই 'অৰুনোদই' তথা অসমৰ সাংবাদিকতাৰো প্ৰধান দিক্‌দৰ্শক।

অসমৰ প্ৰথমখন সংবাদপত্ৰৰূপে 'অৰুনোদই'কে স্বীকৃতি দিয়া হয় যদিও 'অৰুনোদই' প্ৰকাশৰ বহু পূৰ্বেই অসমত বাতৰি প্ৰচলন থকাৰ প্ৰমাণ পোৱা গৈছে। পঞ্চদশ শতিকামানতে অসমত এক বিশিষ্ট সংবাদসেৱা থকাৰ কথা জানিব পৰা যায়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে 'বাতৰি সোধা' প্ৰথাৰে গোনতে অসমত বাতৰিৰ সংগ্ৰহ আৰু প্ৰচাৰ কৰিছিল। এই প্ৰথাত আৱশ্যকীয় অংশ লিখিতভাৱে বিতৰণ কৰাৰো ব্যৱস্থা আছিল। এই 'বাতৰি সোধা' পদ্ধতিৰে দিনৰ বাতৰি দিনে লিপিবদ্ধ কৰি সেইবোৰ সাধাৰণ প্ৰজাৰ জ্ঞাতাৰ্থে প্ৰচাৰ কৰা হৈছিল। যাতায়াতৰ অসুবিধা, মুষ্টিমেয় শিক্ষিত লোক, বহু পৰিশ্ৰম আৰু সময় খৰচ কৰিবলগীয়া হোৱা বাবে এই প্ৰথাই জনপ্ৰিয়তাৰ উচ্চ শিখৰত হয়তো আৰোহণ কৰিব পৰা নাছিল; কিন্তু ই বাতৰি সম্পৰ্কে মানুহক সম্যক জ্ঞানকণ যোগাব পাৰিছিল বুলি ক'ব পাৰি।

ইংৰাজী Missionary শব্দটোৰ অৰ্থই হৈছে, 'ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে যোৱা কোনো ব্যক্তি বা ব্যক্তিৰ দল' (Person sent to preach his religion, especially among people who are ignorant of it.)[১] গতিকে ধৰ্মীয় প্ৰসংগটো এৰাই মিছনেৰীসকলৰ কাৰ্য-কলাপৰ মূল্যায়ণ অসম্ভৱপ্ৰায়। আমেৰিকান মিছনেৰীসকলৰ অসম আগমনৰ অন্তৰালতো যে এক ধৰ্মীয় উদ্দেশ্য নিহিত হৈ আছিল সি সহজে অনুমেয়। মিছনেৰীৰ মুখপত্ৰ হোৱা বাবে স্বাভাৱিকতেই ধৰ্মীয় ভেদ ভাবৰ পৰা মুক্ত থকাটো 'অৰুনোদই'ৰ পক্ষে অসম্ভৱ আছিল। নিধি ফাৰৱেলে হিন্দুৰ আচাৰ-অনুষ্ঠানক সমালোচনা আৰু খ্ৰীষ্টধৰ্মৰ মহত্বৰ গুণানুকীৰ্তন কৰি ৰচা কেইবাটাও কবিতাত ইয়াৰ সাক্ষ্য আছে।

'অৰুনোদই'এ প্ৰথম সংখ্যাতে নিজ পৰিচিতি, পৰিসৰ আৰু উদ্দেশ্য ঘোষণা কৰিছিল এনেদৰে— THE ORUNODOI, A monthly paper, devoted to Religion, Science and General Intelligence। "এই 'Religion' নিশ্চয় সৰ্বধৰ্মৰ সংশ্লেষণোদ্ভূত কোনো নতুন ধৰ্ম নহয়; ই খ্ৰীষ্টধৰ্মহে।"[২] খ্ৰীষ্টধৰ্মৰ সহজবোধ্য প্ৰচাৰ বা তেনে প্ৰচাৰৰ বাট মুকলি কৰাই আছিল 'অৰুনোদই'ৰ প্ৰথম আৰু প্ৰধান উদ্দেশ্য। এই উদ্দেশ্য ফলৱতী কৰাত 'অৰুনোদই' কিছুপৰিমাণে সফলো হৈছিল। কেইবাগৰাকীও অসমীয়া লেখকে খ্ৰীষ্টধৰ্মত শৰণ লৈ 'অৰুনোদই'ৰ সৈতে জড়িত হৈ পৰিছিল। পঢ়ুৱৈ অসমীয়া ৰাইজৰো একাংশই যীশুৰ প্ৰেমৰ বাণীত মোহিত হৈ খ্ৰীষ্টধৰ্মৰ প্ৰতি প্ৰবল আগ্ৰহ প্ৰদৰ্শন কৰিছিল আৰু অনেকে খ্ৰীষ্টধৰ্মত শৰণো লৈছিল।

স্বাভাৱিকতে এই ঘটনা ব্ৰহ্মপুত্ৰ উপত্যকাৰ বৰ্ণ হিন্দু, বিশেষকৈ এক-শৰণীয়া সত্ৰীয়া অসমীয়া ৰাইজৰ মাজত উৎসাহজনক নাছিল। এইসকলৰ বহুতে 'অৰুনোদই'ৰ প্ৰচাৰমুখী উদ্দেশ্যক সন্দেহ কৰিবলৈ লৈছিল আৰু এই সন্দেহেই অসমত হিন্দুসকল সংখ্যালঘু হোৱাৰ শংকাৰো জন্ম দিছিল।

কিন্তু 'অৰুনোদই'ৰ লগত ফেৰ মাৰিব পৰাকৈ আন এখন সংবাদপত্ৰ প্ৰকাশ কৰিবৰ বাবে প্ৰয়োজনীয় পৰিকাঠামো (infrastructure) তৎকালীন অসমত নাছিল। নানান ঐতিহাসিক আৰু সামাজিক কাৰণত ইংৰাজ-অধিকৃত অসমত সংবাদপত্ৰ প্ৰকাশৰ বাবে প্ৰয়োজনীয় পৰিকাঠামো গঠন হওঁতে যথেষ্ট সময় লাগিছিল।

যি কি নহওক, ১৮৭১ খ্ৰী:ত, অৰ্থাৎ 'অৰুনোদই' প্ৰকাশৰ সম্পূৰ্ণ একুৰি পাঁচ বছৰৰ পাছত আৰু 'অৰুনোদই'ৰ জীৱদ্দশাতে মাজুলীৰ আউনীআটী সত্ৰৰ উদ্যোগী সত্ৰাধিকাৰ শ্ৰীশ্ৰীদত্তদেৱ গোস্বামীয়ে আউনীআটী সত্ৰত অসমৰ দ্বিতীয়টো ছপাশাল স্থাপন কৰে। ইয়াৰ আগলৈকে শিৱসাগৰৰ মিছন প্ৰেছৰ বাহিৰে আন ছপাশাল অসমত নাছিল। দত্তদেৱ গোস্বামীয়ে কলিকতাৰ পৰা আনি সত্ৰত স্থাপন কৰা ছপাশালটোৰ নাম দিলে 'ধৰ্মপ্ৰকাশ যন্ত্ৰ'। 'ধৰ্ম প্ৰকাশ' নামটোৰ পৰাই এই ছপাশাল যে 'ধৰ্ম'ৰ প্ৰকাশ-প্ৰচাৰ কৰিবৰ বাবেই স্থাপন কৰা হৈছিল তাক স্পষ্টকৈ বুজিব পাৰি। নক'লেও হ'ব যে এই ধৰ্ম আছিল হিন্দু ধৰ্ম। উল্লেখ্য, ধৰ্মপ্ৰকাশ যন্ত্ৰ আছিল স্বদেশীলোকৰ দ্বাৰা স্থাপিত অসমৰ প্ৰথমটো ছপাশাল। অৱশ্যে গুণাভিৰাম বৰুৱা ৰচিত 'আনন্দৰাম ঢেকিয়াল ফুকনৰ চৰিত্ৰ' গ্ৰন্থত উল্লেখ আছে যে শ্ৰীশ্ৰীদত্তদেৱ গোস্বামীৰ ধৰ্মপ্ৰকাশ যন্ত্ৰ স্থাপনৰ প্ৰায় কুৰি বছৰৰ আগতে, ১৮৫২ খ্ৰী:ত আনন্দৰাম ঢেকিয়াল ফুকনে 'কলিকতা নিউ প্ৰেছ' নাম দি এটা ছপাশাল কলিকতাত স্থাপন কৰিছিল।[৩] এই তথ্যৰ ভেঁটিত ক'ব পাৰি যে, আনন্দৰাম ঢেকিয়াল ফুকন আছিল ছপাশাল প্ৰতিষ্ঠাৰ প্ৰথমজন অসমীয়া আৰু শ্ৰীশ্ৰীদত্তদেৱ গোস্বামী আছিল অসমত ছপাশালৰ প্ৰথমজন স্বদেশী প্ৰতিষ্ঠাতা। প্ৰসংগতে উল্লেখযোগ্য যে, ঢেকিয়াল ফুকনে ১৮৫০-৫২ খ্ৰী:মানত কলিকতাৰ পৰাই আইন-বিষয়ক আলোচনী এখন সম্পাদনা আৰু প্ৰকাশ কৰিছিল।

**আসাম বিলাসিনী প্ৰকাশৰ নেপথ্যত :** আমি ইতিমধ্যেই উল্লেখ কৰি আহিছোঁ যে, 'অৰুনোদই'ৰ ধৰ্ম প্ৰচাৰমুখী ভূমিকাত একাংশ অসমীয়া, বিশেষকৈ একশৰণীয়া সত্ৰীয়াসকল শংকিত হৈ উঠিছিল। জনৈক গবেষকৰ ভাষাত, "বৃটিছ প্ৰশাসনে মিছনেৰীসকলৰ 'ত্যাগী' প্ৰচেষ্টাৰে 'অৰুনোদই'ৰ যোগেদি খ্ৰীষ্ট ধৰ্ম প্ৰচাৰৰ অৰ্থে ব্ৰহ্মপুত্ৰত যি খলকনিৰ সৃষ্টি কৰিছিল, তাৰ উৎপাতত সনাতন ধৰ্মৰ ৰখীয়া স্বৰূপ সত্ৰানুষ্ঠানসমূহৰ শান্তি আৰু টোপনি ভাঙি গৈছিল।"

মিছনেৰীসকলে 'অৰুনোদই'ৰ পাতত বৈষ্ণৱধৰ্মক প্ৰকাশ্যে ক'তো আক্ৰমণ কৰা নাছিল যদিও বৈষ্ণৱধৰ্মৰ ধাৰক-বাহকসকলক 'অৰুনোদই'এ সম্পূৰ্ণ ৰেহাই দিছিল বুলিব নোৱাৰি। এই প্ৰসংগতে 'অৰুনোদই'ৰ দুটা লেখনীলৈ আঙুলিয়াব পাৰি। 'অৰুনোদই'ৰ ১৮৪৮ খ্ৰী:ৰ মে' মাহত প্ৰকাশিত 'সত্য ধৰমৰ চাৰি প্ৰমান' শীৰ্ষক এক ৰচনাত উল্লেখ আছে এনেদৰে—

"এই স্বৰূপ ধৰমে মানুহৰ কুমন গুচাই সত্য মন কৰাই। দেসবিলাকৰ আন ধৰমে কুমন গুচাই সত্য মন দিএ, এনে প্ৰমান দিব পাৰা নে ? কিন্তু আমি দেখিচোঁ, গোসাঁইত সৰণ ললে জেনে মন, গোসাঁইত সৰণ লই সিবিলাকে দুখত হওক বা সুখত হওক, সদাই আনন্দিত আমি দেখিচোঁ, কিন্তু আন ধৰমত একো আনন্দ নাই।"[৫]

'অৰুনোদই'ৰ ১৮৫২ খ্ৰী:ৰ ফেব্ৰুৱাৰী মাহত প্ৰকাশিত 'তিনিজন ভাইৰ মিস্যনেৰী যাত্ৰা' শীৰ্ষক ৰচনাত উল্লেখ আছে এনেদৰে—

"মিৰি জাতি লোকলৈ আমি সদাই সুঁঅৰি থাকোঁ। সিহঁতৰ আগৰ কোনো ধৰম বা সাস্ত্ৰ নাই, এতিয়াহে অচমিয়া গোঁসাইবিলাকে সিহঁতক ভকত কৰাই মিছা আস্ৰই দেখাইচে।... আমাৰ কথা সুনিবলৈ অনেক সত্ৰৰ পৰা গোসাঁই মহাজনবিলাকে আহি আমি কোঁআ কথাৰে সৈতে বাদ বিচাৰ কৰিলে। কিন্তু সিবিলাকৰ সাস্ত্ৰৰ ভিতৰত জাত কুলৰ প্ৰাচিতত বাজে অন্তৰ পাপৰ কোনো প্ৰাচিত নোলাই; তাকে প্ৰমান কৰি বুজালত সিবিলাকেও সেই কথা হই বুলি সৈ কাৰ্হিলে।"[৬]

ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যইও 'অৰুনোদই'এ হিন্দু তীৰ্থসমূহক তীক্ষ্ণ সমালোচনা কৰিছিল বুলি উল্লেখ কৰিছে।[৭]

এনে এক অস্তিত্ব-আক্ৰান্ত পৰিৱেশ-পৰিস্থিতিত আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ দত্তদেৱ গোস্বামী কিছু শংকিত হৈ পৰিছিল বুলি ধাৰণা কৰিব পাৰি। সৰ্বসাধাৰণ ৰাইজৰ খ্ৰীষ্টধৰ্মৰ প্ৰতি ক্ৰমাগতভাৱে বাঢ়ি অহা আকৰ্ষণ আৰু এওঁলোকৰ বহুতেই খ্ৰীষ্টধৰ্মত দীক্ষিত হোৱাৰ সম্ভাৱনা আৰু দৃষ্টান্তই গোস্বামী প্ৰভুৰ শংকা দুগুণে বঢ়াইছিল। সেয়ে হয়তো তেওঁ ছপাশাল আৰু সংবাদপত্ৰকে মিছনেৰীৰ খ্ৰীষ্টধৰ্ম প্ৰচাৰৰ বিৰুদ্ধে হিন্দুধৰ্ম প্ৰচাৰ-প্ৰসাৰৰ মাধ্যম হিচাপে গ্ৰহণ কৰাৰ সংকল্প গ্ৰহণ কৰিলে। সেই চিন্তাৰ ফলশ্ৰুতিতে 'অৰুনোদই'এ চিকুণাই যোৱা অসমীয়া ভাষা-সাহিত্য-সংবাদপত্ৰৰ পথাৰখনত দত্তদেৱ গোস্বামীৰ পৃষ্ঠপোষকতাত গজালি মেলিলে অসমৰ দ্বিতীয়খন সংবাদপত্ৰ 'আসাম বিলাসিনী'য়ে।

ঊনবিংশ শতিকাৰ অনগ্ৰসৰ পৰিৱেশত মাজুলীৰ দৰে ঠাইৰ পৰা পাশ্চাত্য শিক্ষাৰ পোহৰ নোপোৱা এগৰাকী নৈষ্ঠিক সত্ৰাধিকাৰৰ পক্ষে ছপাশাল স্থাপন কৰি সংবাদপত্ৰ প্ৰকাশ কৰাৰ কথাটো অসমৰ সংবাদপত্ৰৰ ইতিহাসত এক যুগান্তকাৰী প্ৰযত্ন, এক অঘোষিত বিপ্লৱ। এই বিষয়ে পণ্ডিত তীৰ্থনাথ শৰ্মাই লিখিছে, "খ্ৰীষ্টীয় পাদুৰীবিলাকে ছপাশাল পাতি অৰুণোদয় কাকত আৰু বিভিন্ন খ্ৰীষ্ট ধৰ্মপুস্তক প্ৰকাশ কৰি ধৰ্ম প্ৰচাৰ কৰাৰ কৌশল প্ৰভুৱে স্বচক্ষে দেখা পাইছিল। ছপাশাল নতুনকৈ সোমোৱা সভ্যতাৰ এটি মহৎ দান। তাৰ সুযোগ লৈ অসমীয়া ভাষাত সাপ্তাহিক সংবাদ উলিওৱা আৰু আমাৰ দেশত পুৰণি ধৰ্মগ্ৰন্থ ছপাই অসমীয়াৰ মাজত স্বধৰ্ম প্ৰকাশ কৰাৰ কাৰ্য-কল্পনা গ্ৰহণ কৰাটো ইংৰাজী শিক্ষাৰ লগত সম্পৰ্ক নথকা প্ৰাচীন সংস্কৃতিৰ বাহক পুৰুষ এজনৰ পক্ষে কালাগ্ৰপ্ৰসাৰিণী চিন্তা বুলি ক'ব লাগিব। বিদেশীয়ে প্ৰকাশ কৰা অৰুনোদইৰ পাছতে আসমীয়া (অসমীয়া) লোকে উলিওৱা প্ৰথম সংবাদপত্ৰ হ'ল প্ৰভু দত্তদেৱৰ মোহনীয় কীৰ্তি আসাম বিলাসিনী।"[৮]

এই প্ৰসংগতে বুৰঞ্জীবিদ বেণুধৰ শৰ্মাৰো দুআষাৰ-মান কথা যোগ দিব পাৰি। 'অসমীয়া বাতৰি কাকতৰ ইতিহাস' শীৰ্ষক এক ৰচনাত তেওঁ 'আসাম বিলাসিনী'ৰ বিষয়ে লিখিছিল— "শিৱসাগৰৰ মাজুলী (মাজুলীৰ) নিচিনা আওহতীয়া ঠাইত সংৰক্ষণশীল চাৰিসত্ৰীয়া সত্ৰাধিকাৰ গোস্বামীগৰাকীয়ে মৰসাহ দি ধৰ্মপ্ৰকাশ নামে ছপাশাল পাতি সংবাদপত্ৰ এখন প্ৰকাশ কৰিবলৈ লোৱাটো সঁচাকৈয়ে কল্পনাৰো অতীত নুবুলি নোৱাৰি। সেই দিনত, বাতৰি কাকতৰ ব্যৱসায়, ধনৰ ভঁৰাল বন্ধা নাছিল— ধাৰ-বান্ধ লগাই খৰচৰ খাল খনাহে হৈছিল। এনে স্থলত গোস্বামী প্ৰভুৱে ১২ বছৰকে কাকত চলাই বাতৰি কাকতৰ বুৰঞ্জীত খুঁটি এটি যে পুতি থৈ গ'ল সেই বাবে অসমীয়া মানুহে প্ৰভুক কেতিয়াও পাহৰিব নোৱাৰে।"[৯]

প্ৰথম অসমীয়া পৰিচালিত এইখন আলোচনী আছিল অসমত মিছনেৰীৰ খ্ৰীষ্টধৰ্মৰ প্ৰচাৰ-প্ৰসাৰৰ বিৰুদ্ধে হিন্দু, বিশেষকৈ বৈষ্ণৱী প্ৰতিক্ৰিয়াৰ প্ৰথম মুদ্ৰিত অভিব্যক্তি। ইয়াৰ উদ্ভৱৰ নেপথ্যত অৱশ্যে সক্ৰিয় আছিল একাংশ অসমীয়াৰ মাজত ক্ৰমে অনুভূত হোৱা এক আভ্যন্তৰীণ প্ৰয়োজনৰ প্ৰেৰণা। সেই প্ৰয়োজন ধৰ্মৰ আক্ৰান্ত অস্তিত্ব ৰক্ষাৰ প্ৰয়োজন। দৰাচলতে খ্ৰীষ্টধৰ্মৰ প্ৰতি 'অৰুনোদই'ৰ প্ৰচাৰ-প্ৰসাৰৰ প্ৰতিক্ৰিয়া স্বৰূপেই 'আসাম বিলাসিনী'য়ে জন্মলাভ কৰিছিল। যতীন্দ্ৰনাথ গোস্বামীয়েও লিখিছে, "অৰুনোদই কাকতৰ জৰিয়তে খ্ৰীষ্টান ধৰ্মৰ বাণী প্ৰচাৰ হোৱাত তাৰ প্ৰতিক্ৰিয়া স্বৰূপে আউনীআটী সত্ৰৰ পৰা ওলোৱা আসাম বিলাসিনী (১৮৭১-৮৩ খ্ৰী:) কাকতে সনাতন হিন্দুধৰ্মৰ তত্ত্বকথা আলোচনা কৰে।"[১০] জনৈক গৱেষকৰ

ভাষাত 'আসাম বিলাসিনী' আছিল— "a silent counter challenge against the propagation of Christianity by the Missionaries through their organ the Orunodoi "[১১]

**'অৰুনোদই'ৰ প্ৰতিদ্বন্দ্বী 'আসাম বিলাসিনী' :**

মূলতঃ বৈষ্ণৱধৰ্মৰ ওপৰত প্ৰতিষ্ঠিত 'আসাম বিলাসিনী'য়ে 'অৰুনোদই'ৰ প্ৰতিদ্বন্দ্বীৰূপেই আত্মপ্ৰকাশ, প্ৰতিষ্ঠা আৰু বিস্তাৰ লাভ কৰিছিল। বিলাসিনীৰ সম্পাদক শ্ৰীশ্ৰীদত্তদেৱ গোস্বামী আছিল যদিও আউনীআটী সত্ৰৰে এজন বহুগুণী বৈষ্ণৱ আৰু 'আসাম বিলাসিনী'ৰ প্ৰকাশক শ্ৰীধৰ ওজাইহে আলোচনীখনৰ প্ৰায় সকলো কাম কৰিছিল। বিলাসিনীৰ বহুতো প্ৰবন্ধ আৰু সম্পাদকীয়ও শ্ৰীধৰ ওজায়ে লিখিছিল। ডিমাই আকাৰৰ দুখিলা পাতৰ 'আসাম বিলাসিনী'ৰ ছপা যথাযথ আছিল যদিও বৰ্ণাশুদ্ধিৰ পিনে বৰকৈ মন দিয়া নহৈছিল। তেতিয়া অৱশ্যে সকলোৱে গ্ৰহণ কৰিব পৰা অসমীয়া অভিধানো নাছিল। 'আসাম বিলাসিনী'ৰ ভাষা, বাক্য-গাঁথনি আদিও যথেষ্ট ওখ খাপৰ আছিল। তদুপৰি এটা কথা স্বীকাৰ কৰিবই লাগিব যে, 'প্ৰথম সাময়িক পত্ৰৰ দায়িত্ব আৰু কৰণীয় বহুত। নতুন আৰম্ভ হোৱা পৰিৱৰ্তিত যুগ এটাৰ ভাব, অভাৱ, অভিযোগ মূৰ্ত হোৱাকৈ ভাষাক পোনাই-পজৰাই ল'বলগা হৈছিল। আৰম্ভ যুগৰ এই দায়িত্ব আসাম বিলাসিনীয়ে... প্ৰশংসাৰ্হৰূপে সম্পাদন কৰিছিল।"[১২]

'আসাম বিলাসিনী'ৰ শীৰ্ষনামাটো (masthead) আছিল চকুতলগা। শীৰ্ষনামাটোৰ ভিতৰতে দুটি সংস্কৃত শ্লোক আঁৰি দিয়া হৈছিল। অসমীয়া লিপিৰে লিখা এই সংস্কৃত শ্লোক দুটিৰে আলোচনীখনে নিজ পৰিচিতি আৰু নীতি ঘোষণা কৰিছিল। আসাম বিলাসিনীৰ প্ৰথম পিঠিৰ নক্সা১৮৭৬ খ্ৰী:ৰ মাৰ্চ মাহৰ (৫ম বছৰ) সংখ্যাৰ পৰা উদ্ধৃত। শ্লোক দুটাৰ প্ৰথমটো আছিল এনে ধৰণৰ—

*যা শ্ৰীমজ্জগদীশ সদগুণ গণালংকাৰ*
*সত্ভূষিণী বাৰ্তাব্ৰাত বিকাশিনী জনমনঃ*
*শৰৎ সুধাবৰ্ষিণী*
*নানাখ্যান সুভাষিণী গুণৱতী শ্ৰেয়াং*
*শুভান্বেষিণী সৈষা সামবিলাসিনী*
*বিনসতি শ্ৰীদত্তহ্য তোষিণী॥*

আনটো শ্লোক আছিল—

*সম্বাদ সন্দেহভূষাং জনানা*
*আখ্যায়িকাঞ্চ কৃত স্পৃহানাং*
*তোষায় সদ্ভৱতাঞ্চ পুংসাং*
*ভূয়াং সদানাম বিলাশিনীয়ং॥*




(জগদীশ্বৰ কৃপাৰ অনুসাৰে যি সদগুণৰ অলংকাৰযুক্ত বাৰ্তা বহন আসাম বিলাসিনী কাকতখনে জনগণৰ মনত শৰৎকালৰ চন্দ্ৰ কিৰণৰ সদৃশ আনন্দ বিধান কৰক।

দেশৰ বা-বাতৰি প্ৰকাশ কৰা আখ্যানমূলক প্ৰবন্ধাদিৰে জনসাধাৰণৰ আনন্দ বৰ্দ্ধন কৰা এই আসাম বিলাসিনী কাকতখনিয়ে জ্ঞানী-গুণীসকলক মনত সন্তোষিত কাৰণে শ্ৰীদত্তদেৱ গোস্বামীয়ে নিজ হস্তে প্ৰচাৰ কৰে।)[১৩]

'আসাম বিলাসিনী'ৰ শেষ পৃষ্ঠাত লিখা আছিল এনেদৰে— "এই 'আসাম বিলাসিনী' পত্ৰিকা আসাম যোড়হাটৰ অন্তৰ্গত মোং মাজালীৰ আউনীআটী সত্ৰত ধৰ্মপ্ৰকাশ যন্ত্ৰে প্ৰতি মাসে মুদ্ৰিত হয়। বাৰ্ষিক অগ্ৰিম মূল্য ১॥ (ডেৰ) টাকা।"

ধৰ্মীয় বিষয়ৰ ওপৰতে বিলাসিনী আবদ্ধ আছিল যদিও মাজে-সময়ে ইয়াত জ্ঞান-বিজ্ঞানৰ বতৰাও প্ৰকাশ হৈছিল। 'সম্বাদাবলী' শিৰোনামাৰে বিলাসিনীৰ পাতত বিবিধ বিষয়ৰ বা-বাতৰিয়ে নিয়মিত ভুমুকি মাৰিছিল। 'সম্বাদাবলী' শিৰোনামাৰ অধীনতে সাধাৰণতে বাতৰি সামূহিকভাৱে প্ৰকাশ হৈছিল। আন সুকীয়া শিৰোনামা নাছিল। বিলাসিনীত প্ৰকাশিত তেনে দুটিমান বাতৰিৰ নমুনা আছিল এনে ধৰণৰ—

"এই মাজালিৰ অন্তৰ্গত কৰত্তিগ্ৰাম নিবাসী বুদুৰাম নামেৰে ডোম এটাই ২৪ চৈত্ৰ প্ৰাতঃকালে আহধান বৰৰ নিমিত্তে, আগত গৰুহাল এবং মুড়ত ধানৰ খৰাহিটো লৈ ইকড়ানি হাবি এখন পাওঁতেই অকস্মাৎ বাঘ এটা ওলাই মানুটো (মানুহটো) কামোৰ মাৰি ধৰি লৈ লড় মাৰিলে। তাৰ পাছত আন এটা মানুহে গৈ সিটো মানুহৰ গামোছাখন আৰু তেজ পড়ি থকা দেখি গাঁৱত বাৰ্ত্তা ক'লেহি, গাঁৱৰ অনেক মানুহ গোট খাই যাঠি টাঙোন আদি লৈ গৈ, বাঘে নিয়া যেন চিন দেখি সেই চিনে চিনে গৈ মানুহকে বাঘকে দেখা পালেগৈ। মানুহটৰ (মানুহটোৰ) তেজ খাই মুড়টো ভাঙি পেলাইছিল, পাছে বাঘটো খেদাই মানুহটো লৈ আহিল। কি দুঃখৰ কথা।"

বিলাসিনীত প্ৰকাশিত আন এটা বাতৰি আছিল এনে ধৰণৰ—

"অতি অসন্তোষেৰে প্ৰকাশ কৰা গৈছে, শিৱসাগৰ জিলাৰ অধীন সমুদায় মৌজাতে মহামাৰী উপস্থিত হৈ নাজিৰাৰে পৰা গোলাঘাট মহকুমালৈকে ভয়ংকৰ মূৰ্ত্তি ধৰি অনেক লোকক যমলোকলৈ বিদায় দিছে, আন কি কোনোঘৰ একেবাৰেই উৎসন্ন হৈছে। নিৰীহ প্ৰাণীগণৰ ওপৰত পৰমেশ্বৰৰ কি কোপ দৃষ্টি পড়িল, প্ৰাণীসমূহেই বা জগৎ কৰ্তাৰ নিকটত কি অপৰাধ কৰিছে তাক জানিব পৰা নাই। কতবৎসৰাবধি এই অভাগী আসামত কত প্ৰকাৰ উৎপাত আৰু অনিষ্ট হব লাগিছে তাৰ ইয়াত্তা নাই। বৎসৰ বৎসৰ গৰু মহ মৰা মানুহ মৰাৰ সীমা নোহোৱা হল। তদপুৰি শস্যৰ হাণিও বিশেষৰূপে হৈছে। এই বিষয়ত প্ৰধান কাৰণ এইটীয়েই হব পাই যে কুম্ভত শনি আৰু শনি ৰাহুৰ যোগ হলে দেশোপদ্ৰব হব লাগে। আৰু ভুবঃকম্পৰো এনেবোৰ ফলেই ঘটিছে বুলি জনা গৈছে। কি সৃষ্টি নাশক কাৰ্য্য।"

ওপৰোক্ত দুয়োটা বাতৰি 'আসাম বিলাসিনী'ৰ পঞ্চম বছৰ দ্বাদশ সংখ্যাত (মাৰ্চ, ১৮৭৬) প্ৰকাশ হৈছিল।

আলোচনীখনত মাজে-সময়ে বিজ্ঞাপনো প্ৰকাশ হৈছিল। বিলাসিনীৰ পঞ্চম বছৰ দ্বাদশ সংখ্যাত (মাৰ্চ ১৮৭৬) প্ৰকাশিত এটি বিজ্ঞাপন আছিল এনে ধৰণৰ—

"আমাৰ নিজা চখনা দঁতাল হাতী এটা ১৭৯৭ শকৰ ২৩ চৈত্ৰ ৰাত্ৰি পুৰণা ৰংপুৰৰ ৰংঘৰৰ সমুখৰ হাবিৰ পৰা বেতৰ বান্ধা মেলি চুৰ কৰি নিছে। সেই হাতীৰ বিসান ওখই ৫ হাতৰ উৰ্দ্ধ, দাঁত প্ৰায় এহাতমান হব, দাঁতত পোকে বিন্ধাৰ চিন্ আছেঃ দুই কাণ ওলমি থকা, শিকোৱাৰ সময়ত ২ কি ৩ আঙুল কাণৰ লতি চিগাৰ চিন আছে। বাওঁকাণৰ ওপৰত বিন্ধা দিয়াত চিগাৰ চিন আছে। দাঁত বাঁও জয়া, ধাম খুম বড় নহয়; ... শ্ৰীকৃষ্ণৰাম ভূঁয়া। জিলা শিৱসাগৰ। মৌজা কাকতি গাঁও।"

সেই সময়ত অসমৰ প্ৰথম মুখ্য আয়ুক্ত (চীফ কমিশ্যনাৰ) আউনীআটী সত্ৰ দৰ্শন কৰিবলৈ গৈছিল। কমিশ্যনাৰ সত্ৰলৈ যোৱা বিৱৰণটি 'আসাম বিলাসিনী'ত প্ৰকাশ হৈছিল। বিৱৰণটিৰ শিৰোনামা আছিল, 'আসামৰ মহামহিম চীফ কমিশ্যনৰ'।

'আসাম বিলাসিনী'ৰ পঞ্চম বছৰ দ্বাদশ সংখ্যাত (মাৰ্চ, ১৮৭৬) প্ৰকাশিত এই বিৱৰণটিৰ কিছু অংশ আছিল এনে ধৰণৰ—

"এই চৈত্ৰ মাসৰ ৭ তাৰিখে শ্ৰীল শ্ৰীযুক্ত চীফ কমিশ্যনৰ বাহাদুৰ আউনীআটী সত্ৰ দৰ্শনাৰ্থে আহিছিল। উক্ত মহোদয় শিবসাগৰ জিলাৰ পৰা শিকাৰী ঘাটলৈ গৈ পুনৰ্ব্বাৰ উজাই আহি কমলাবাৰী ঘাটত থাকি যোৰহাট দৰ্শন কৰে।...

শ্ৰীশ্ৰীযুক্ত, ওপৰত কোৱাৰ দিনা ১২ বজাৰ সময়ত কমলাবাৰী ঘাটৰ পৰা সোনামুখী জাহাজ মেলি আহি আউনীআটী ঘাটত লংগৰ কৰিলেহি। তাৰ পূৰ্ব্বেই গোস্বামী সেই ঘাটতে ঘৰ এটা সজাই থৈছিল। সেইদিনা পুআতে ভাল ভাল ভকত কেই জন মান পঠাই দিছিল। কিন্তু শ্ৰীশ্ৰীযুত বিশ্ৰাম কৰিছিল সেই নিমিত্তে তেওঁবিলাকে দেখা পাব নোৱাৰিলে। গোস্বামীয়ে শ্ৰীশ্ৰীযুতৰ আগমন বাৰ্ত্তা শুনি ..... আৰোহণ কৰি ঘাটলৈকে গৈ কিঞ্চিত ক্ষণ পৰে শ্ৰীশ্ৰীযুতৰ আহ্বান অনুসাৰে ৩ বজাত জাহাজতে দেখা হলগৈ। শ্ৰীশ্ৰীযুতে মিষ্টভাষে শিষ্টাচাৰ কৰাৰ পৰে গোস্বামী পভুৰ সন্তোষৰ অৰ্থে ইংৰাজী বাজা কেইটামান দেখালে। পাছে গোস্বামীক বিদায় দি অল্পক্ষণৰ পাছতে ৪ বজাৰ সময়ত শ্ৰীশ্ৰীযুত উত্তম অশ্বাৰোহনে সত্ৰলৈ আহিছিল। সেই সজতে চেক্ৰেটৰী সাহেব এবং যোৰহাটৰ এসীষ্টান্ট কমিশ্যনৰ উভয়ে ঘোড়াত উঠি আহিছিল। যোৰহাটৰ শ্ৰীবিষ্ণু প্ৰসাদ দত্ত বড়ুৱা সব ইন্সপেক্টৰ, শ্ৰীজগন্নাথ বড়ুৱা মৌজাদাৰ এবং শ্ৰীত্ৰিলোচন একটিং মৌজাদাৰ এওঁবিলাকো আহিছিল। আন দৰ্শক লোক প্ৰয় নুনোধিক দুহেজাৰ মান হব। আৰু কেইদিন মানৰ আগে শুনা হোৱা হলে আৰু অনেক লোক গোট খালেহেতেন, সংশয় নাই। শ্ৰীশ্ৰীযুতক আগ বঢ়াই অনাৰ নিমিত্তে গায়ন, বায়ন, ওঝা,

টুলীয়াবিলাক ঘাটলৈকে গৈছিল। পাছে ভিতৰ কৰাপাটত উপস্থিত হৈ অশ্বৰ পৰা অৱতৰণ কৰা মাত্ৰ সত্ৰাধিকাৰ গোস্বামীয়ে পৰিপূৰ্ণ ৰূপৰ থাল এখনি দি আগবঢ়াই আনিলে। তাৰে পৰা বহা ঠাইলৈকে আলিৰ ওপৰত কাপড় পাৰি দিছিল, গোস্বামীও লগে লগে আহিছিল, আহোতে কোনো কোনো কথা সুধিছিল, গোস্বামীয়ে তাৰ উত্তৰ দি দি আহিছিল। পাছে উপবেশনৰ স্থান পাই গোস্বামীৰ আসন দূৰত থকা দেখি আপোনাৰ সমীপত বহিবলৈ অনুমতি দিয়াত শ্ৰীশ্ৰীযুতৰ বাম পাৰ্শ্বে বহিল। দক্ষিণ পাৰ্শ্বে চেক্ৰেটৰী সাহেব, তেওঁৰ দক্ষিণে এসিষ্টান্ট কমিশ্যনৰ সাহেব বহিল। কিছুমান কাল আলাপ কৰি চিত্ৰপটসকল দৰ্শন কৰিলে। তাৰ পৰে ছপা যন্ত্ৰ দৰ্শনেচ্ছা প্ৰকাশ কৰি গোস্বামী সহিতে সেই ঘৰলৈ গমন কৰি তাতো ছপাখানা সম্বন্ধে অল্প স্বল্প কথালাপ কৰি পুনৰায় চৰাঘৰতে বহিলহি। নৃত্য দেখিবৰ ইচ্ছা আছিল কিন্তু বেলা অল্প মাত্ৰ অবশিষ্ট থকাৰ নিমিত্তে সফল নহল, তেতিয়াও বাতি লগোৱা হৈছিল। সমুদায় ঘৰ কাপড়েৰে ঢকা হোৱাত এবং দুৱাৰ মুখত অনেক লোক থকাত কিঞ্চিত অন্ধকাৰ যেন হৈছিল। শ্ৰীশ্ৰীযুতে নামঘৰটী দৰ্শন কৰিবৰ বাঞ্চা প্ৰকাশ কৰাত গোস্বামীৰ অনুমতি লৈ টুপৰ ফালৰ পৰা সোমাই ঘৰটী চালে, বিশেষকৈ বৃহৎ গড়ুৰ মূৰ্ত্তি এখনি যে স্থাপন কৰা আছে তাক ভালকৈ দৰ্শন কৰিলে। পাছে তাৰ পৰা আহি টুপৰ দুৱাৰ মুখতে গোস্বামীক সেলাম দি মই বৰ সন্তোষ হলো বুলি কৈ বিদায় হল। শ্ৰীশ্ৰীযুতে আউনীআটী সত্ৰ দৰ্শন কৰি মহা আহ্লাদিত হৈছে তাক আমি সাহ কৰি কব পাৰো, কাৰণ মহাত্মাৰ হাস্যবদন সন্দৰ্শনেই তাৰ প্ৰধান চিহ্ন অনুমান হয়। সেই ৰাত্ৰি সেই ঘাটতে থাকি পৰ দিবস প্ৰাতঃকালেই জাহাজ মেলি উজাই গল।

গোস্বামী প্ৰভু শ্ৰীশ্ৰীযুতৰ সদয় ভাব দৰ্শন কৰি পৰম পুলকিত অন্তঃকৰণেৰে ধন্যবাদ দি শ্ৰীশ্ৰীযুত যেন নিৰুদ্বেগে এবং স্বাস্থ্য শৰীৰে থাকি নিৰীহ প্ৰজাবৰ্গক সুখে ৰাখে, পৰমেশ্বৰৰ চৰণত প্ৰাৰ্থনা কৰিছে। বিশেষ শ্ৰীশ্ৰীযুত এই সময়ত যি ৰূপে সন্তুষ্ট হৈ গৈছে এই ভাবেই যেন মহাত্মাৰ হৃদয়ত চিৰকাল জাগৰুক থাকে, উক্ত মহোদয়ৰ নিকট কৰপুটে এই প্ৰাৰ্থনা কৰিলো।

ইতি
একান্ত বাধ্য
শ্ৰীসেখ ফেৰাউদ্দিন।"

বাতৰি, প্ৰবন্ধ আদিৰ উপৰি 'আসাম বিলাসিনী'ত মাজে মাজে কবিতাও প্ৰকাশ হৈছিল। আলোচনীখনৰ পঞ্চম বছৰ দ্বাদশ সংখ্যাত (মাৰ্চ, ১৮৭৬) প্ৰকাশিত 'আসাম দেশ' শীৰ্ষক এটি কবিতাৰ কিছু অংশ আছিল এনে—

এওঁনে ? আসাম যাহাৰ সমান,
ৰূপে, গুণে কোন নাছিলে সংসাৰে,
যাৰ ক্ষেতি সদা কৰে স্বৰ্ণ দান,
যাৰ গুণে সুখে মানব বিচৰে।।

(১)

যাৰ ধনে ধনী ভিন্ন জাতি গণ,
অন্নাভাবে কান্দে তেওঁৰ সন্তান,
দ্বাৰে দ্বাৰে ফুৰে জীৱিকা কাৰণ,
ভাবি চালে বুকু হয় নিদাৰণ।।

(২)

বহুদিনলৈকে থাকিয়া অধীন,
বল বীৰ্য্য হীন হইছে আসাম,
দুঃখত এতিয়া নীয়াইছে দিন,
মনে শোকানল জ্বলে অবিৰাম।।

(৩)

সকলো গইছে একো নাই আৰ,
হইছে আন্ধাৰ আসাম আনন,
আসাম মাতৃৰ যাতনা অপাৰ
কেতিয়া ই দুঃখ হব বিনাশৰ।।

— এই কবিতাটি লিখিছিল পদ্মহাস গোস্বামীয়ে।

'আসাম বিলাসিনী'ত প্ৰকাশিত ৰচনা, বিজ্ঞাপনসমূহত অসমীয়া লিপিৰ 'ৰ'ৰ পৰিৱৰ্তে বাংলা 'র'হে ব্যৱহাৰ কৰা হৈছিল। একেদৰে বিভিন্ন শব্দৰ প্ৰয়োগতো আলোচনীখনে বাংলা শব্দহে অধিক ব্যৱহাৰ কৰা চকুত পৰে, যেনে— বৰুৱাৰ ঠাইত 'বড়ুৱা', টকাৰ ঠাইত 'টাকা', অসমৰ ঠাইত 'আসাম', মাহৰ ঠাইত 'মাস', যোৰহাটৰ ঠাইত 'যোড়হাট' ইত্যাদি।

'আসাম বিলাসিনী'ৰ পাততে ভোলানাথ দাস, লম্বোদৰ বৰা আদিয়ে নিজ সাহিত্যিক জীৱনৰ পাতনি মেলিছিল। ভোলানাথ দাসে

অমিত্ৰাক্ষৰ ছন্দত ৰচনা কৰা 'সীতাহৰণ কাব্য' 'আসাম বিলাসিনী'ত প্ৰকাশ হৈছিল। তেওঁৰ এই ৰচনাৰ শব্দচয়ন লৈ বিলাসিনীত বিৰূপ সমালোচনা হৈছিল যদিও ইয়াৰ যোগদিয়েই অসমৰ সংবাদপত্ৰত সাহিত্য-সমালোচনাৰ সূচনা হয়। ড° সত্যেন্দ্ৰনাথ শৰ্মাই লিখিছে, "আসাম বিলাসিনী' (১৮৭১-১৮৮৩) কাকতেই সাহিত্য সমালোচনা আৰম্ভ কৰে বুলি ক'ব পাৰি। 'বিলাসিনী'ৰ সমালোচনাত ৰক্ষণশীলতাৰ পৰিচয় পোৱা যায়।"[১৪]

অসমৰ আন এজন বিশিষ্ট সাহিত্যিক লম্বোদৰ বৰায়ো স্কুলীয়া কালতে বিলাসিনীত উচ্চমানৰ ৰচনা প্ৰকাশ কৰিছিল। ছাত্ৰাৱস্থাৰ এই ৰচনাবোৰেৰেই লম্বোদৰে নিজ প্ৰতিভাৰ এক বিৰাট সম্ভাৱনাৰ ইংগিত দিছিল; কিন্তু বিলাসিনীৰ কপিবোৰ দুষ্প্ৰাপ্য হোৱাত সেইবোৰৰ অধিক আলোচনা কৰিব পৰা নহ'ল। আমি এতিয়ালৈকে 'আসাম বিলাসিনী'ৰ এটি মাত্ৰ সংখ্যাৰ ফটোকপিহে পঢ়াৰ সুবিধা পাইছোঁ। জানিব পৰা মতে 'আসাম বিলাসিনী'ৰ সেইটো সংখ্যাহে মাত্ৰ সংৰক্ষিত হৈ আছে; সিও আছে লণ্ডনৰ 'ব্ৰিটিছ মিউজিয়াম'ত। অসমত 'আসাম বিলাসিনী'ৰ মূল কপি এটাও হেনো পাবলৈ নাই।

'আসাম বিলাসিনী'য়ে "... ভাৰতৰ ৰজা-মহাৰজাসকলৰ বা-বাতৰি প্ৰকাশ কৰি সমকালীন সম্ভ্ৰান্তকুলীয়া পদ-মৰ্যাদাৰ প্ৰতি শ্ৰদ্ধা জনাইছিল। সেই বুলি স্থানীয় অভাৱ-অভিযোগবিলাকো চৰকাৰৰ দৃষ্টিলৈ অনা হৈছিল। অসমৰ প্ৰথমজনা চীফ কমিশ্যনাৰে আউনীআটী সত্ৰ দৰ্শন কৰিবলৈ গৈছিল। তেওঁ যোৱা বিৱৰণটো মহম্মদ আলী নামে এজন উচ্চখাপৰ বিষয়াই বৰ শুৱলাকৈ লিখি সেই কাকতত প্ৰকাশ কৰিছিল। অধিকাৰ গোস্বামীৰ নামৰ আগত যিবিলাক বিশেষণ দিছিল, ভাল ভাল শৰণীয়া ভকতেও তেনেকুৱাকৈ লিখিব নোৱাৰিছিল বা নাজানিছিল। সেই চিঠিত 'পৰম পূজনীয়', 'প্ৰভু ঈশ্বৰ' আদি শব্দৰ ব্যৱহাৰ মন কৰিবলগীয়া।"[১৫]

বিলাসিনীয়ে ঘাইকৈ সংৰক্ষণমূলক ভাবধাৰা আৰু উদ্দেশ্যক উৎসাহিত কৰিছিল। মিছনেৰীৰ খ্ৰীষ্টধৰ্ম প্ৰচাৰ-প্ৰক্ৰিয়াৰ স্বাভাৱিক স্বাভাৱিক প্ৰতিক্ৰিয়া হিচাপেই বিলাসিনীয়ে আত্মপ্ৰকাশ কৰিছিল আৰু যাৰ ফলত তৎকালীন অসমত গা-কৰি উঠা সংস্কাৰমূলক ভাবধাৰাৰ পৰা ই নিলগত আছিল। আধুনিক অৰ্থত সংস্কাৰবিমুখ হোৱা বাবেই সম্ভৱতঃ তৎকালীন নব্যশিক্ষিত অসমীয়াক 'আসাম বিলাসিনী'য়ে আকৃষ্ট বা প্ৰভাৱিত কৰিব পৰা নাছিল। লক্ষ্মীনাথ বেজবৰুৱাৰ দৰে সাহিত্যিকে ও অসমৰ জাতীয় জীৱনত বিলাসিনীৰ ভূমিকা সন্তোষজনক নাছিল বুলি উল্লেখ কৰি গৈছে। বেজবৰুৱাই তেওঁৰ 'জীৱন-সোঁৱৰণ'ত লিখিছে— "আউনীআটী সত্ৰৰ পৰম-বৈষ্ণৱ দত্তদেৱ পুৰুষৰ 'আসাম বিলাসিনী' এটি সুকীৰ্তি। কিন্তু 'আসাম বিলাসিনী'ৰ বাক্য-বিন্যাস প্ৰণালী, বিষয় নিৰ্বাচন আদি কাৰ্যই উঠি অহা শিক্ষিত ডেকা তৰপৰ মন হৰণ কৰিব পাৰিছিল বুলি ক'ব নোৱাৰো। তাত অনেক সময়ত ব্যক্তিগত আক্ৰমণে ঠাই পোৱাত প্ৰাচীনসকলৰ মনতো যে সি যথোচিত সমাদৰৰ ঠাই অধিকাৰ কৰিব পাৰিছিল এনে নহয়।"[১৬]

বিলাসিনী সম্পৰ্কত বেজবৰুৱাৰ এনে উক্তি গ্ৰহণ কৰিলেও আলোচনীখনৰ সম্পৰ্কত আমাৰ নিজা দুআষাৰমান ক'বলগীয়া আছে। অসমীয়া ভাষা-সাহিত্যৰ উত্তৰণ আৰু বিকাশত বিলাসিনীয়ে কৰা আন সকলোবোৰ কাম একাষৰীয়াকৈ থ'লেও অন্ততঃ এটা কামৰ বাবেই 'আসাম বিলাসিনী' যুগান্তকাৰী; সেই কামটো হ'ল, এইখন আলোচনীয়েই ১৮৮৩ খ্ৰী:লৈকে সুদীৰ্ঘ ১২ বছৰ কাল প্ৰকাশ হৈ থাকি সংবাদপত্ৰ আৰু ছপাশাল শিল্পৰ লগত অসমীয়াক জড়িত হ'বলৈ সাহস আৰু প্ৰেৰণা যোগালে। তদুপৰি পাশ্চাত্যৰ আধুনিক শিক্ষাৰ চাৰিবেৰৰ বাহিৰত থাকি আধুনিক শিক্ষা-সভ্যতাৰ মহত্তম অনুষ্ঠান এটা প্ৰতিষ্ঠা কৰি আলোচনীখনে তৎকালীন সমাজত এক প্ৰচণ্ড দুঃসাহসিকতা আৰু প্ৰগতিশীলতাৰ পৰিচয় দিলে আৰু আমাৰ বোধেৰে ইয়েই 'আসাম বিলাসিনী'ৰ বিচক্ষণ কৃতিত্ব। অসমৰ সংবাদ-সাহিত্যৰ জগতলৈ বিলাসিনীয়ে যি আধ্যাত্মিকতাৰ ঢল বোৱাই আনিলে তাৰ দুপাৰৰ পলসত 'আসাম বিলাসিনী'ৰ পৰা প্ৰেৰণা লভিয়েই আউনীআটী সত্ৰৰ পৰাই ক্ৰমে ১৮৭৬ আৰু ১৮৮৮ খ্ৰী:ত 'আসাম দীপক' আৰু 'আসাম তৰা' নামৰ দুখন ধৰ্মালোচনীয়ে আত্মপ্ৰকাশ কৰে। একে প্ৰেৰণাতে নগাঁৱৰ দিহিং সত্ৰৰ পৰাও ১৮৭৬ খ্ৰী:ত 'চন্দ্ৰোদয়' নামৰ আন এখন মাহেকীয়া ধৰ্মালোচনী প্ৰকাশ হোৱাটো এই প্ৰসংগতে তাৎপৰ্যপূৰ্ণ কথা।

সুদীৰ্ঘ ১২ বছৰ কাল প্ৰকাশ হোৱাৰ পাছত সত্ৰত আৰম্ভ হোৱা ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াৰ বাবে সত্ৰ স্থানান্তৰ কৰিব লগা হোৱাত ১৮৮৩ খ্ৰী:ত 'আসাম বিলাসিনী'ৰ প্ৰকাশ বন্ধ হয়। তদুপৰি সেই সময়ত আবিৰ্ভাৱ হোৱা জাতীয়তাবাদী ভাবধাৰাৰ বাৰ্তালোচনীয়ে ধৰ্মালোচনীৰ চাহিদা কমাই আনিছিল আৰু আমাৰ বোধেৰে 'আসাম বিলাসিনী'ৰ প্ৰলয়ত এই কাৰকেও অৰিহণা যোগাইছিল। কোনো কোনোৰ মতে

আউনীআটী সত্ৰৰ 'আসাম বিলাসিনী'য়ে ধৰ্ম বিষয়ৰ প্ৰবন্ধাদিৰ উপৰি ৰাজনীতি চৰ্চা কৰা বুলি তেতিয়াৰ শিৱসাগৰৰ জিলাধিপতি এ. চি. কেম্পবেলে ভাবুকি দি কাকতখনৰ প্ৰকাশ বন্ধ কৰোৱাইছিল।

এইখিনিতে এটা কথা উল্লেখযোগ্য যে, 'আসাম বিলাসিনী'ৰ কপিবোৰ দুষ্প্ৰাপ্য হোৱা বাবে সেইখিনি নিয়াৰিকৈ অধ্যয়ন কৰাৰ সুবিধা আমি পোৱা নাই। এই ৰচনাত সন্নিবিষ্ট আমাৰ মতামতখিনি ইতিমধ্যে সংবাদপত্ৰখনৰ বিষয়ে বিভিন্নজনে আগবঢ়াই থৈ যোৱা তথ্যৰ আধাৰত প্ৰতিষ্ঠিত আৰু কিছু পৰিমাণে অনুমাননিৰ্ভৰ। যুক্তিসংগত নতুন তথ্যৰ পোহৰত আমাৰ এই মতামত ভৱিষ্যতে সলনি কৰাৰো প্ৰয়োজন হ'ব পাৰে। ৰচনাটি সম্পৰ্কত বিজ্ঞজনৰ চিন্তাশীল মতামত আৰু বক্তব্য এই বিষয়ত আমাৰ অধিক অধ্যয়নৰ বাবে পৰম সাহস আৰু প্ৰেৰণাৰ সম্পদ।

---

**পাদটীকা :**

১। A. S. Hornby, 'Oxford Advanced Learner's Dictionary of Current English', 1989, pp 541

২। প্ৰসেনজিৎ চৌধুৰী, 'ঊনবিংশ শতিকাৰ অসমত এডুমুকি' (অৰুনোদই প্ৰসংগ), গুৱাহাটী, ১৯৮৪, পৃ: ৪৮।

৩। গুণাভিৰাম বৰুৱা, 'আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত্ৰ', গুৱাহাটী, ১৯৭১ (পুনৰ্মুদ্ৰণ), পৃ: ১০৭।

৪। লক্ষ্মীনাথ তামুলী, 'ভাৰতৰ স্বাধীনতা সংগ্ৰামত অসমৰ অৱদান', যোৰহাট, ১৯৮৮, পৃ: ২২৮।

৫। ড° মহেশ্বৰ নেওগ (সংকলিত আৰু পুনঃ সম্পাদিত), 'অৰুনোদই', গুৱাহাটী, ১৯৮৩, পৃ: ২৩২। এইটো ৰচনাত উল্লিখিত 'স্বৰূপ ধৰম' আন একো নহয়, খ্ৰীষ্ট ধৰ্মহে। ৰচনাটিৰ শেষত লেখকৰ নাম হিচাপে উল্লেখ আছে, 'অসমিয়াৰ এজন, জ.ত.'। এই 'জ.ত.'ৰ সম্পূৰ্ণ নাম সম্ভৱতঃ জেমচ সিৱৰাম ত্ৰিপ বুলি সংকলনটিৰ ভূমিকাত (পৃ: ১৫২ দ্ৰষ্টব্য) উল্লেখ আছে।

৬। ড° মহেশ্বৰ নেওগ (সংকলিত আৰু পুনঃমুদ্ৰিত) পূৰ্বোক্ত সংকলন, পৃ: ১৭২। ৰচনাটিৰ শেষত লেখকৰ নামৰ ঠাইত উল্লেখ আছে 'ন.ল.ফ.'। নাথান ব্ৰাউন আৰু মাইলচ ব্ৰনচনৰ পিছতে এজন লেখৰ অসমীয়া খ্ৰীষ্টীয়ানৰ স্থান পোৱা নিধি লিবাই ফাৰোৱালে 'ন.ল.ফ.'ৰ নামত 'অৰুনোদই'ত সম্ভৱতঃ সৰ্বাধিক ৰচনা লিখিছিল।

৭। ড' বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, 'ডেৰশ বছৰৰ অসমীয়া সংস্কৃতিত এডুমুকি', গুৱাহাটী, ১৯৮৫, পৃ: ৪৫।

৮। তীৰ্থনাথ শৰ্মা, 'আউনীআটী সত্ৰৰ বুৰঞ্জী', আউনীআটী, ১৯৭৫, পৃ: ২৫১। পণ্ডিত শৰ্মাদেৱে 'আসাম বিলাসিনী'ক সাপ্তাহিক বুলিছে যদিও 'বিলাসিনী' সাপ্তাহিক নাছিল, আছিল মাহেকীয়াহে।

৯। অজিত কুমাৰ শৰ্মা (সম্পা.), 'বেণুধৰ শৰ্মা ৰচনাৱলী', দ্বিতীয় খণ্ড (বুৰঞ্জীৰ সঁফুৰা), গুৱাহাটী, ১৯৮৭, পৃ: ৪৪৪।

১০। যতীন্দ্ৰনাথ গোস্বামী, 'অৰুনোদই-যুগত শিৱসাগৰ জিলাৰ সাংস্কৃতিক অৱস্থা', 'প্ৰকাশ' (অৰুনোদই সংখ্যা), ১৯৮৩, পৃ: ৩০।

১১। N Saikia, 'Background of Modern Assamese literature', New Delhi, 1988, pp 235

১২। তীৰ্থনাথ শৰ্মা, পূৰ্বোক্ত গ্ৰন্থ, পৃ: ৪৫১।

১৩। উল্লিখিত শ্লোক দুটিৰ ব্যাখ্যা ১৯৮৯ খ্ৰী:ৰ ৫ মে'ত 'দৈনিক জনমভূমি'ত প্ৰকাশিত 'অসমত অসমীয়া লোকৰ দ্বাৰা প্ৰতিষ্ঠিত প্ৰথম ছপাশাল আৰু বাতৰি কাকত' শীৰ্ষক এক ৰচনাত সন্নিবিষ্ট কৰা হৈছিল। ৰচনাটি লিখিছিল মাজুলীৰ মাণিক বৰাই আৰু শ্লোক দুটিৰ ব্যাখ্যা আছিল ব্যাকৰণশাস্ত্ৰী অধ্যাপক তৰুণ চন্দ্ৰ শৰ্মাৰ। উক্ত ব্যাখ্যা প্ৰফুল্ল চন্দ্ৰ বৰুৱাৰ 'অসমৰ বাতৰি কাকত : এটি ৰূপৰেখা' শীৰ্ষক গ্ৰন্থত সন্নিবিষ্ট কৰা হৈছে। (দ্ৰষ্টব্য : উল্লিখিত গ্ৰন্থ, পৃ: ৪৯)। আমাৰ ৰচনাত সংযোজিত ব্যাখ্যা উক্ত গ্ৰন্থৰ পৰাই আহৰণ কৰা হৈছে।

১৪। ড° সত্যেন্দ্ৰনাথ শৰ্মা, 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত', পৃ: ৪১৮। ইয়াৰ আগতে অৱশ্যে 'অৰুনোদই'ত আনন্দৰাম ঢেকিয়াল ফুকনৰ 'অসমিয়া ল'ৰাৰ মিত্ৰ' গ্ৰন্থখনিৰ আলোচনা এটি প্ৰকাশ হৈছিল। (দ্ৰ. পূৰ্বোক্ত সংকলন, পৃ: ৩৭৭)। কিন্তু সেই আলোচনাত ঘাইকৈ কিতাপখনৰ পৰিচয়হে সন্নিবিষ্ট হৈছিল আৰু সেয়ে সেই আলোচনাক প্ৰকৃতাৰ্থত সাহিত্য-সমালোচনা বোলাত অসুবিধা আছে।

১৫। অজিত কুমাৰ শৰ্মা (সম্পা.), পূৰ্বোক্ত গ্ৰন্থ, পৃ: ৪৪৫। চীফ কমিশ্যনাৰ আউনীআটী সত্ৰ দৰ্শনৰ বাবে যোৱা বিৱৰণটোৰ ৰচক মহম্মদ আলী বুলি বেণুধৰ শৰ্মাদেৱে উল্লেখ কৰিছে যদিও সেই ৰচনা সেখ ফেৰাউদ্দিন নামৰ এজনেহে লিখিছিল। বিৱৰণটিৰ কিছু অংশ আমাৰ ৰচনাৰ স্থানান্তৰত সংযোগ কৰা হৈছে।

১৬। লক্ষ্মীনাথ বেজবৰুৱা, 'মোৰ জীৱন-সোঁৱৰণ', গুৱাহাটী, ১৯৯২ (সুলভ মুদ্ৰণ), প্ৰথম ভাগ, পৃ: ৬৫।

## মাজুলী আৰু আসাম বিলাসিনী

'মাজুলী' নামটোৰ বৰ্ণবিন্যাস 'আসাম বিলাসিনী'ৰ পাতত 'মাজালী' বুলিহে পোৱা যায়।[১] মাজুলীৰ ভৌগোলিক, ঐতিহাসিক, সাংস্কৃতিক আৰু শৈক্ষিক দিশবোৰৰ তথ্য-পাতি অৱগত হ'বৰ বাবে কোনো প্ৰামাণিক গ্ৰন্থ নথকাত সমসাময়িক সংবাদপত্ৰ বা ডিষ্ট্ৰিক্ট গেজেটিয়াৰৰ দৰে কৰ্তৃত্বশীল নথি-পত্ৰৰ পৰা উদ্ধাৰ কৰাৰ বাহিৰে আন উৎসৰ একান্ত অভাৱ বুলিয়েই ক'ব পাৰি। তথাপি উনবিংশ শতিকাত শিৱসাগৰৰ পৰা প্ৰকাশ পোৱা 'অৰুনোদই সম্বাদপত্ৰ'ৰ (১৮৪৬-১৮৮০ খ্ৰী:) পৰা কিছু তথ্য আহৰণ কৰিব পাৰি। 'অৰুনোদই' প্ৰকাশ হোৱাৰ ২৫ বছৰৰ মূৰত মাজুলীৰ আউনীআটী সত্ৰৰ পৰা 'আসাম বিলাসিনী' কাকতখন মাহেকীয়া ৰূপত প্ৰকাশ হ'ল। অসমৰ পৰা প্ৰকাশ হোৱা অসমীয়া ভাষাৰ এইখন দ্বিতীয় বাতৰি কাকত। সম্পাদনা কৰিছিল কাণ্ডাৰ বৰুৱা পৰিয়ালৰ শ্ৰীধৰ বৰুৱাই।[২] এওঁক শ্ৰীধৰ ওজা বুলিও জনা যায়। মাজুলীৰ পৰা প্ৰকাশিত আন দুখন পত্ৰিকা হ'ল— 'আসাম দীপক' (১৮৭৬) আৰু 'আসাম তাৰা' (১৮৮৮)। 'আসাম দীপক' মাহেকীয়া আলোচনীখনৰ সম্পাদক সত্ৰাধিকাৰ দত্তদেৱ গোস্বামী বুলি জনা গৈছে।[৩] 'আসাম তাৰা' আলোচনীখনো পৰ্যাবৃত্তি মাহেকীয়া আৰু সম্পাদনা কৰিছিল শ্ৰীধৰ ওজাই। অসমৰ সাংবাদিকতাৰ ক্ষেত্ৰত মাজুলীৰ স্থান দ্বিতীয় যদিও অদ্বিতীয় বুলিলেও অত্যুক্তি কৰা নহয়।

ওপৰত উল্লেখ কৰি অহা 'আসাম বিলাসিনী' কাকতখনৰ শিৰোনামাক আবৃত্ত কৰি দুটা সংস্কৃত শ্লোক লিপিবদ্ধ কৰা হৈছে।

শ্লোক দুটাৰ দ্বিতীয়টো[৪] মন কৰিবলগীয়া।

"যা শ্ৰীমজ্জগদীশ সদগুণ গুণালংকাৰ সম্ভূষিণী
বাৰ্ত্তাব্ৰাত বিকাশিনী জনমনঃ শৰৎ সুধা বৰ্ষিণী।
নানাখ্যান সুভাষিণী গুণৱতী শ্ৰেয়াং শুভান্বেষিণী
সৈষ্যা সাম বিলাসিনী বিনমতি শ্ৰীদত্ত হৃতোসিনী।।"

**(অসমীয়া ভাঙনি : 'দেশৰ বা-বাতৰি প্ৰকাশ কৰা আখ্যানমূলক প্ৰবন্ধাদিৰে জনসাধাৰণৰ আনন্দ বৰ্ধন কৰা এই আসাম বিলাসিনী কাকতখনিয়ে গুণী-জ্ঞানীসকলৰ মন সন্তোষিত কৰিবৰ নিমিত্তে** শ্ৰীদত্তদেৱ গোস্বামীয়ে স্বহস্তে প্ৰচাৰ কৰে'।)

দ্বিতীয় শ্লোকত উল্লেখ কৰা 'শ্ৰীদত্তদেৱ গোস্বামীয়ে স্বহস্তে প্ৰচাৰ কৰে' উক্তিৰ পৰা এওঁকেই বিলাসিনী কাকতৰ সম্পাদক বুলি অভিহিত কৰা তথ্যটো বিতৰ্কমূলক।☆ প্ৰচাৰ কৰা আৰু সম্পাদনা কৰা দুয়োটা সম্পূৰ্ণ বেলেগ অৰ্থব্যঞ্জক। গতিকে 'আসাম বিলাসিনী'ৰ সম্পাদক শ্ৰীধৰ ওজাই বুলি সাহিত্যৰ বুৰঞ্জীৰ আধাৰত উল্লেখ কৰা হৈছে।[৫]

'আসাম বিলাসিনী' প্ৰকাশৰ সকলো ব্যয় সত্ৰাধিকাৰ দত্তদেৱ গোস্বামীয়েই বহন কৰিছিল। তেওঁতে মাধৱ চন্দ্ৰ বৰদলৈ আৰু মাণিক চন্দ্ৰ বৰুৱাৰ যোগেদি কলিকতাৰ পৰা মুদ্ৰণ যন্ত্ৰ অনাই ছপাশালৰ নাম দিলে 'ধৰ্মপ্ৰকাশ'।[৬] এই ছপাশাল ১৮৭৬ খ্ৰী:ত অসমৰ চীফ কমিশ্যনাৰে[৭] পৰিদৰ্শন কৰাৰ কথা 'আসাম বিলাসিনী'ত ফেৰাউদ্দিনৰ টোকাত পোৱা যায়।

'আসাম বিলাসিনী'ত ধৰ্ম বিষয়ৰ প্ৰবন্ধাদিৰ উপৰি আন বিষয়ৰ লেখাও প্ৰকাশ হৈছিল। ভোলানাথ দাসৰ 'সীতাহৰণ কাব্য' এই কাকতত্তে খণ্ড খণ্ডকৈ প্ৰকাশ হৈছিল।[৮] সেই কাকতৰ দুজন প্ৰতিষ্ঠিত লেখক শ্বেখ ফেৰাউদ্দিন আৰু পদ্মহাস গোস্বামীয়ে প্ৰবন্ধ-কবিতা লিখি কাকতখন সমৃদ্ধ কৰিছিল। ফেৰাউদ্দিনৰ টোকাত সেইকালৰ মাজুলীৰ সমাজ আৰু ধৰ্মীয় ব্যৱস্থা আদিৰ উপৰিও কেনেকৈ সম্মানজনকভাৱে সত্ৰৰ পৰম্পৰা অনুসৰি এজন উচ্চপদস্থ বিষয়াক আদৰণি জনাইছিল তাৰ বিশদ বিৱৰণ পোৱা যায়।[৯]

'অৰুনোদই সম্বাদপত্ৰ'ৰ প্ৰতিদ্বন্দ্বী হিচাপে 'আসাম বিলাসিনী' কাকত প্ৰকাশ হৈছিল বুলি এচাম লেখকে মত প্ৰকাশ কৰিছে।[১০] 'অৰুনোদই' পত্ৰিকাৰ এটা ধৰ্মনিৰপেক্ষ দৃষ্টিভংগী আছিল[১১] যদিও মাজে-সময়ে তাৰ স্খলন ঘটিছিল।[১২] কিন্তু তাৰ বাবে 'আসাম বিলাসিনী'ৰ প্ৰতিবাদী ভাষা জানিবলৈ 'আসাম বিলাসিনী'ৰ পুৰণি কপিবোৰ বৰ্তমান দুষ্প্ৰাপ্য। 'আসাম বিলাসিনী'ত প্ৰকাশ হোৱা পদ্মহাস

---

☆ *দত্তদেৱ গোস্বামীয়ে 'আসাম বিলাসিনী'ৰ সম্পাদনা কৰা বুলি সাহিত্যাচাৰ্য যতীন্দ্ৰনাথ গোস্বামীয়ে মত প্ৰকাশ কৰিছে যদিও এই বচনাটিত শ্ৰীধৰ ওজা বুলিহে উল্লেখ কৰিছে। আমি দুয়োটা মত দাঙি ধৰিলোঁ।— সম্পাদক।*

গোস্বামীৰ বিষয়নিষ্ঠ পদ্যবোৰৰ পৰা সমসাময়িক 'আসাম মিহিৰ', 'আসাম দৰ্পণ' আদি আলোচনী প্ৰকাশ হোৱাৰ নাম মাত্ৰ উল্লেখ আছে। ১৮৭২ খ্ৰী:ত গুৱাহাটীৰ পৰা প্ৰকাশ হোৱা 'আসাম মিহিৰ' অসমৰ প্ৰথম সাদিনীয়া বাতৰি কাকত। ইংৰাজী আৰু বাংলা ভাষাত প্ৰকাশ পোৱা 'আসাম মিহিৰ'ৰ সম্পাদক আছিল চিদানন্দ দাস। তেওঁ অনা-অসমীয়া ভাষাত বাতৰি কাকত প্ৰকাশ কৰোঁতা প্ৰথমজন অসমীয়া। তাৰ পিছত মাহেকীয়া 'আসাম দৰ্পণ'খন ১৮৭৪ খ্ৰী:ত কলিকতাৰ পৰা প্ৰকাশ হৈছিল। সম্পাদক আছিল লক্ষ্মীকান্ত বৰকাকতি। নগাঁৱৰ দিহিং সত্ৰৰ পৰা ওলোৱা ধৰ্মমূলক আলোচনী 'চন্দ্ৰোদয়' (১৮৭৬) কাকতখনো 'আসাম বিলাসিনী'ৰ এটা বিজ্ঞাপনত নামমাত্ৰ উল্লেখ হৈছে। 'চন্দ্ৰোদয়'ৰ সম্পাদক আছিল ক্ষীৰেশ্বৰ বৰুৱা।

চৰকাৰী প্ৰশাসনৰ ক্ষেত্ৰত 'মাজুলী' অঞ্চলটো তেতিয়া শিৱসাগৰ জিলাৰ (অবিভক্ত) গোলাঘাট মহকুমাৰ প্ৰশাসনীয় গোটৰ অন্তৰ্ভুক্ত আছিল। 'বিলাসিনী' কাকতৰ 'সম্বাদাৱলী' শিতানত ইয়াৰ উল্লেখ পোৱা যায়।[১৩]

'আসাম বিলাসিনী'ৰ আখৰ-জোঁটনি আৰু ভাষাৰ গাঁথনি লক্ষ্য কৰিবলগীয়া। 'অৰুনোদই' যুগৰ উচ্চাৰণভিত্তিক শব্দবিন্যাস 'আসাম বিলাসিনী'য়ে গ্ৰহণ কৰা নাছিল যদিও ড° মাইলছ্ ব্ৰন্সনৰ অসমীয়া-ইংৰাজী অভিধানখন ১৮৬৭ খ্ৰী:তে প্ৰকাশ হৈছিল। আনহাতে হেমচন্দ্ৰ বৰুৱাৰ 'হেমকোষ'ৰ সংকলন কাৰ্যও চলি আছিল। 'হেমকোষ' হেমচন্দ্ৰ বৰুৱাৰ মৃত্যুৰ পাছত ১৯০০ খ্ৰী:তহে প্ৰকাশ হৈছিল। সত্ৰাধিকাৰ দত্তদেৱ গোস্বামীয়ে 'আসাম বিলাসিনী'ত ব্যৱহাৰ কৰা ভাষাৰ গাঁথনি মিছনেৰী উচ্চাৰণভিত্তিকো নহয় অথবা 'হেমকোষ'ৰ আৰ্হিৰো নহয়। হেমচন্দ্ৰ বৰুৱা মিছনেৰী আখৰ-জোঁটনি আৰু গদ্যশৈলীৰ পক্ষপাতী নাছিল। আনকথাত 'আসাম বিলাসিনী'ৰ ভাষা সেই কালৰ মাজুলীৰ জনসাধাৰণৰ মুখৰ পৰিমাৰ্জিত ভাষা বুলি অভিহিত কৰিব পাৰি। অৱশ্যে এই বিষয়ে বিস্তৃত অনুসন্ধান আৰু গৱেষণাৰ অৱকাশ আছে।

'আসাম বিলাসিনী'ৰ প্ৰকাশ বন্ধ হোৱাৰ বিষয়ে অসমৰ প্ৰথিতযশা দুজন সাহিত্যিকে কেইষাৰমান কাৰণ দৰ্শাইছে। কবি ডিম্বেশ্বৰ নেওগে লিখিছে[১৪] —"এই কাকত পৰম বৈষ্ণৱ সুপণ্ডিত দত্তদেৱ গোস্বামীৰ এটি সুকীৰ্তি। তথাপি ইয়াৰ বাক্য-বিন্যাস আৰু প্ৰবন্ধ বাছনি আদিয়ে সৰ্বসাধাৰণৰ, ঘাইকৈ ডেকা তৰপৰ মনত সন্তোষ দিব পৰা নাছিল।...... গতিকে এই কাকতে স্বভাৱতে পৰৱৰ্তী 'আসাম নিউজ' আদি কাকতলৈ ঠাই এৰি দিব লগা হৈছিল।" সাহিত্যৰথী বেজবৰুৱাইও লিখিছিল[১৫] — অকল ভাল লেখা হ'লেই যে কাকত টিকিবৰ যোগ্য হয় এনে নহয়; নতুবা 'আসাম নিউজ' নমৰিলহেঁতেন। অকল ধনৰ গুৰি শকত হ'লেই হোৱাহেঁতেন 'আসাম বিলাসিনী'য়ে এতিয়াও অসমত বিলাস কৰি থাকিলহেঁতেন। ওপৰত কৈ অহা দুটা লাগতিয়াল বস্তু কাকতৰ থাকিলেই নহয়, তাৰ লগতে আৰু এটা ঘাই বস্তুৰ আৱশ্যক। সেইটো ব্যৱসায়িক বুদ্ধি। বাতৰি কাকত চলোৱাতো ব্যৱসায়-বুদ্ধিৰ সহায় লাগে।"

১৮৮৩ খ্ৰী:ত 'আসাম বিলাসিনী'ৰ প্ৰকাশ বন্ধ হয়।

---

**পাদটীকা :**

১। 'আসাম বিলাসিনী', ১৮৭৬ মাৰ্চ, ৫ম বছৰ, সংখ্যা ১২
টোকা : আসাম বিলাসিনীৰ কিছু সংখ্যক কপি বৃটিছ মিউজিয়ামত সংৰক্ষিত হৈ আছে বুলি জনা গৈছে। আমাৰ আলোচ্য সংখ্যাটি সাহিত্যাচাৰ্য যতীন্দ্ৰনাথ গোস্বামীদেৱে বৃটিছ মিউজিয়ামৰ পৰা সংগ্ৰহ কৰা।

২। "Sridhar Ojha, a disciple of the Satra (Auniati) and a learned Pandit edited it." (Page 473 of "The origin and Growth of the Assamese language and its literature" — by D Chaliha (1949 Edition).

৩। চন্দ্ৰপ্ৰসাদ শইকীয়া সম্পাদিত 'অসমৰ বাতৰি কাকত-আলোচনীৰ ডেৰশ বছৰীয়া ইতিহাস', পৃ. ১৪০।

৪। 'অসমৰ বাতৰি কাকত-আলোচনীৰ ডেৰশ বছৰীয়া ইতিহাস', পৃ. ১৩৩।

৫। পাদটীকাৰ ২নং ত উল্লিখিত গ্ৰন্থ।

৬। 'অসমৰ সম্বাদ-পত্ৰৰ সমীক্ষাত্মক অধ্যয়ন' (প্ৰসন্ন কুমাৰ ফুকন) পৃ. ৬।

৭। সেই সময়ত অসমৰ চীফ কমিছনাৰ আছিল—Colonel R. H. Keatinge (1874–1878) Appendix 'E' to 'The History of Assam' by E. A. Gait (2nd Edition— 1926).

৮। 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত' (ড° সত্যেন্দ্ৰ নাথ শৰ্মা) পৃ. ২৭২:: ৬ষ্ঠ সংস্কৰণ, ১৯৯৪ খ্ৰী:।

৯। 'আসাম বিলাসিনী', ১৮৭৬ মাৰ্চ।

১০। 'অসমৰ বাতৰি কাকত-আলোচনীৰ ডেৰশ বছৰীয়া ইতিহাস' পৃ. ১৪৪।

১১। খ্ৰীষ্টান ধৰ্ম প্ৰচাৰৰ বাবেহে প্ৰকাশিত 'অৰুনোদই' পত্ৰিকাত (ছেপ্টেম্বৰ, ১৮৫২), পৃ. ৮১৯-৮২২ 'হিন্দু ধৰমৰ বিৱৰণ' দ্ৰষ্টব্য।


১২। "মিচা দেব দেবি, আৰু মিচা তিৰ্থ ফল,
আশ্ৰই কৰিলে তাত হব অমঙ্গল;
এনে মিচা ভক্তিত নাহিকে পৰিত্ৰাণ,
কিন্তু তাত হব সেসে বৰ অপমান।"—নিধি লেভী ফাৰৱেল
'অৰুনোদই', ১৮৫২ খ্ৰী:, পৃ. ৮২৫।

— "হিন্দু সাস্ত্ৰৰ বিধান জত,
সত্য মিচাৰ নুবুজি তত্ব,
মিচাতে ভ্ৰমিলোঁ কৰি তিৰ্থ বেৱহাৰ।" — 'অৰুনোদই', জানুৱাৰী, ১৮৫৩ খ্ৰী:, পৃ. ৮৮৯।

১৩। 'অসাম বিলাসিনী', ১৮৭৬ মাৰ্চ।

১৪। 'আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জী'— ডিম্বেশ্বৰ নেওগ, ১ম সংস্কৰণ, ১৯৩৭ খ্ৰী:, পৃ. ১৬৪।

১৫। 'বাঁহী' (সম্পাদকীয়), ১ম বছৰ, ২য় সংখ্যা, ১৯০৯ খ্ৰী:।



## মাজুলীৰ সামাজিক পৰিৱৰ্তনৰ গুৰিকথা

ইংৰাজে অসমখন অধিকাৰ কৰি লোৱাৰ পিছতো মাজুলীৰ সামাজিক জীৱন আৰু ধৰ্মীয় জীৱনৰ বিশেষ পৰিৱৰ্তন হোৱা নাছিল। সেই সময়ছোৱাত ইয়াৰ জনসংখ্যা যেনেকৈ দ্ৰুত গতিত বৃদ্ধি পোৱা নাছিল, দেশৰ অন্যান্য ঠাইৰ লগত ই ৰাখিব পৰা যোগাযোগৰ ব্যৱস্থাও আগৰ দৰেই আছিল। ক'বলৈ গ'লে মাজুলী তেতিয়াও সমসাময়িক অন্যান্য ঠাইৰ সমাজৰ পৰা বিচ্ছিন্ন আছিল। তাৰ ফলত মাজুলীৰ মানুহৰ মানসিক সীমাবদ্ধতাও আহি পৰিছিল। উল্লেখনীয় যে, মাজুলীত এনে লোকো পোৱা যায় যি মাজুলীৰ বুকুতে জন্ম লাভ কৰিছে, মাজুলীৰ বুকুতে ডাঙৰ-দীঘল হৈছে আৰু মাজুলীতেই এই সংসাৰ ত্যাগ কৰিছে। ইয়াত এনে লোকো আছে যি ব্ৰহ্মপুত্ৰৰ বুকুতে জন্মলাভ কৰি জীৱনত কেতিয়াও ব্ৰহ্মপুত্ৰ দেখা পোৱা নাই। এইবিলাক কাৰণতে মাজুলীৰ বাহিৰৰ কোনো কোনো ঠাইত ইয়াৰ লোকসকলক 'মাজুলীয়াল' বা মধ্যযুগীয় লোক বুলি হেয় জ্ঞান কৰিছিল।[১]

সমসাময়িক প্ৰগতিশীল সমাজৰ লগত মাজুলীৰ সম্পৰ্ক বাধ্যবাধক ৰূপত সীমিত হোৱা বাবে স্বাধীনোত্তৰ কাল পৰ্যন্তও মাজুলীৰ সমাজখনৰ দৃষ্টি আৰু সামাজিক সম্পৰ্ক বহু পৰিমাণে মধ্যযুগীয় আৰু সীমাবদ্ধ হৈ ৰৈছিল। জাত-ধৰ্ম ভিত্তিক সামাজিক ব্যৱধানত বিশ্বাসী গোড়া উচ্চ হিন্দুসকলৰ ঠাই হোৱা বাবে বৰ্ণ-বৈষম্যই মাজুলীৰ সামাজখনক প্ৰচীন ৰীতি-নীতিৰ মাজতে থাকিবলগা কৰিছিল। কুৰি শতিকাৰ প্ৰথমভাগ পৰ্যন্ত পাঠশালা বা মাইনৰ স্কুলবিলাকৰ যিকোনো ধৰ্মীয় আচাৰ-অনুষ্ঠানত ছাত্ৰসকলক (ছাত্ৰী নাছিলেই) জাতি-বৰ্ণ নিৰ্বিশেষে নিজৰ আসন বা প্ৰসাদ ল'বলৈ দিয়া হৈছিল বুলি জনা যায়।[২] সেইদৰে নামঘৰবোৰত প্ৰৱেশ কৰা বা থিয়েটাৰ-ভাওনা আদিত অংশ গ্ৰহণ কৰিবলগা হওঁতেও বৰ্ণ-বৈষম্য মানি চলা হৈছিল।[৩] স্বাভাৱিকতে সাম্যবাদৰ ভিত্তিত প্ৰতিষ্ঠিত মহাপুৰুষীয়া বৈষ্ণৱধৰ্মৰ প্ৰাণকেন্দ্ৰ হৈয়ো মাজুলীত ধৰ্মীয় উদাৰতাৰ কিছু সীমাবদ্ধতা আছিল। শিক্ষা-দীক্ষাৰ ক্ষেত্ৰতো মাজুলীৰ দুৰ্বল যোগাযোগ ব্যৱস্থাই অতীজৰে পৰা ইয়াৰ সমাজৰ শৈক্ষিক প্ৰগতিলৈ প্ৰতিবন্ধকতা আনিছিল। এসময়ত সৰু হাত-নাৱত উঠি ব্ৰহ্মপুত্ৰ পাৰ হৈ মাজুলীৰ ল'ৰাই যেতিয়া যোৰহাটত স্কুলীয়া বা কলেজীয়া শিক্ষা ল'ব লগা হৈছিল, তেতিয়া মাজুলীৰ অতি কম অভিভাৱকেহে তেনে দুৰ্জয় সাহ কৰি ল'ৰাক যোৰহাটলৈ পঠিয়াইছিল। সেইবাবেই প্ৰাক্-স্বাধীনতাৰ কালছোৱাত মাজুলীৰ উচ্চশিক্ষা লাভ কৰিব পৰা লোকৰ সংখ্যা আঙুলিৰ মূৰত লিখিবলৈয়ো নাছিল। মাজুলীৰ প্ৰথমখন উচ্চ ইংৰাজী বিদ্যালয় 'মাজুলী আউনীআটী হেমচন্দ্ৰ হাইস্কুল' প্ৰতিষ্ঠা হয় ১৯২৪ খ্ৰী:ত আৰু এই হাইস্কুলৰে প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক মাজুলীৰ প্ৰথমগৰাকী স্নাতক ৺কেশৱৰাম বৰাই বি. এচ. চি. পৰীক্ষাত উত্তীৰ্ণ হয় ১৯২০ খ্ৰী:ত।[৪] স্বাধীনোত্তৰ কালছোৱাত মাজুলীত শিক্ষানুষ্ঠান আৰু তাৰ লগে লগে ইয়াৰ শিক্ষিত লোকৰ সংখ্যাও বৃদ্ধি পায়। স্বাভাৱিকতে শিক্ষাৰ প্ৰসাৰণে মাজুলীৰ প্ৰাচীনকলীয়া অন্ধবিশ্বাস আৰু বৰ্ণ-বৈষম্যমূলক সামাজিক ব্যৱহাৰ-প্ৰণালী তথা মানুহৰ দৰ্শনলৈয়ো পৰিৱৰ্তন আৰু মুক্তিকামিতা (Liberalism)ৰ ঢল আনিলে।

স্বাধীনোত্তৰ কালত মাজুলীৰ সমাজলৈ নৱোন্মেষৰ যুগ এটা অনাত গড়মূৰ সত্ৰৰ প্ৰয়াত সত্ৰাধিকাৰ পীতাম্বৰদেৱ গোস্বামীৰ অমূল্য বৰঙণি আছে। মাজুলীৰ সামাজিক দৰ্শনলৈ পৰিৱৰ্তন আৰু সংশোধনৰ এটা নতুন যুগৰ ঢল নমাই অনাত অৱশ্যে মাজুলীৰ গোড়া সমাজখনৰ পৰা পীতাম্বৰ গোস্বামীয়ে প্ৰচুৰ বাধাৰ সন্মুখীন হ'বলগা হৈছিল;[৫] কিন্তু পীতাম্বৰদেৱ গোস্বামীৰ বিশেষত্ব আছিল এই যে, কোনো বাধাই তেওঁক তেওঁৰ জীৱনৰ মহৎ উদ্দেশ্য সাধনৰ পথত প্ৰাচীৰ স্বৰূপে থিয় দিব পৰা নাছিল। এইগৰাকী দূৰদৃষ্টি সম্পন্ন আৰু উদাৰ সত্ৰাধিকাৰৰ একান্ত ইচ্ছাতেই মাজুলীত বৰ্ণ-বৈষম্যৰ দেৱালখন লাহে লাহে ক্ষয়প্ৰাপ্ত হয় আৰু সত্ৰৰ নামঘৰত সকলো জাতিৰ লোকৰ প্ৰৱেশ স্বীকৃত হয়। কেৱল

---

১। 'শ্ৰীশ্ৰীমৎ ধৰ্মাচাৰ্য পীতাম্বৰদেৱ' গ্ৰন্থৰ (১ম খণ্ডৰ) ১ম পৃষ্ঠা দ্ৰষ্টব্য।

২। উদাহৰণ স্বৰূপে, 'তৰুণ চন্দ্ৰ পামেগাম ৰচনাৱলী' (১ম খণ্ড, অসম সাহিত্য সভা, ১৯৮৯) গ্ৰন্থৰ 'পীতাম্বৰ প্ৰভুৰ সান্নিধ্যৰ সোঁৱৰণ' নামৰ প্ৰবন্ধ দ্ৰষ্টব্য (বিশেষকৈ, ২৭২-২৭৩ পৃষ্ঠা।) বৰ্তমান লেখকৰ ঘৰত এই শতিকাৰ প্ৰথমভাগত ছাত্ৰ আৰু শিক্ষকতা কৰা লোক থকা বাবে এই কাহিনী (!)বোৰ তেওঁ নিজেও শুনিবলৈ পাইছিল।

৩। তৰুণ চন্দ্ৰ পামেগামৰ ওপৰোক্ত প্ৰবন্ধ দ্ৰষ্টব্য।

৪। মাজুলীত শিক্ষাৰ পাতনি আৰু বিকাশ সম্পৰ্কে মাজুলী আউনীআটী হেমচন্দ্ৰ গোস্বামী হাইস্কুলৰ মহাৰজত জয়ন্তী উপলক্ষে প্ৰকাশ কৰা 'স্মৃতিগ্ৰন্থ' (সম্পা. যোগেশ্বৰ শইকীয়া, ১৯৯৮) দ্ৰষ্টব্য।

৫। 'শ্ৰীশ্ৰীমৎ ধৰ্মাচাৰ্য পীতাম্বৰদেৱ' গ্ৰন্থৰ ৩৮-১০৯ পৃষ্ঠা দ্ৰষ্টব্য।

সেয়ে নহয়, জনজাতীয় আৰু তদ্‌সম জাতিসমূহৰ মাজত বৈষ্ণৱধৰ্ম প্ৰচাৰ কৰি তেৱেঁই সামাজিক সংহতিৰ পথো পৰিষ্কাৰ কৰে। উল্লেখনীয় যে, জ্যোতিপ্ৰসাদৰ পিছত, বিশেষকৈ সত্ৰৰ চৌহদত সহ অভিনযৰ পাতনিও পীতাম্বৰদেৱ গোস্বামীৰ হাততেই আৰম্ভ হয়।[৬] অসমৰ প্ৰথম পৰ্যায়ৰ চলচ্চিত্ৰ অভিনেত্ৰী ইলা কাকতি প্ৰকৃতপক্ষে পীতাম্বৰদেৱ গোস্বামীযে সৃষ্টি কৰা ঐতিহ্যৰে সৃষ্টি বুলি ক'ব পাৰি।[৭]

পীতাম্বৰদেৱ গোস্বামীৰ নেতৃত্বতে মাজুলীবাসীয়ে দেশৰ অন্যান্য ঠাইৰ লগতে স্বাধীনতা সংগ্ৰামত অংশ গ্ৰহণ কৰিছিল। বিশেষকৈ, বিয়াল্লিছৰ গণ-আন্দোলন আৰু তাৰ পৰৱৰ্তী সংগ্ৰামী কাৰ্যসূচীসমূহত মাজুলীৰ অংশ গ্ৰহণ মন কৰিবলগা। সমসাময়িক ৰাজনৈতিক পৰিস্থিতিৰ উমান নোপোৱা মাজুলীৰ কৃষক শ্ৰেণীৰ মনত স্বাধীনতাৰ সপোন জগোৱা প্ৰধান পুৰুষ আছিল এইগৰাকী সত্ৰাধিকাৰ। মহাত্মা গান্ধী, জৱাহৰলাল নেহৰু আদি দেশনেতাসকলৰ লগত ব্যক্তিগত সম্পৰ্ক থকা আৰু আৱশ্যক বুলি ভবা গুৰুত্বপূৰ্ণ বিষয় একোটা পত্ৰযোগে হ'লেও তেওঁলোকক সোঁৱৰাই দিব পৰা পীতাম্বৰদেৱ গোস্বামীৰ অনুপ্ৰেৰণাতে মাজুলীত পূৰ্ণগতিত স্বাধীনতা সংগ্ৰাম চলিছিল। আনহাতে, গোড়া ব্ৰাহ্মণ্য ৰীতি-নীতি এৰি বিভিন্ন সমাজ-সংস্কাৰমূলক উদাৰপন্থী কাম হাতত লোৱাত, বিশেষকৈ পীতাম্বৰদেৱৰ দৰে এজন সত্ৰাধিকাৰে এই বিষয়ত আগভাগ লোৱাত তেওঁ সমসাময়িক সত্ৰাধিকাৰসকলৰ পৰা সমালোচনাৰ সন্মুখীন হ'বলগা হৈছিল;[৮] কিন্তু মাজুলীৰ অন্ধকাৰে আবৰা সমাজখনক দিক্ দৰ্শাই নিয়াৰ পথত পীতাম্বৰদেৱ গোস্বামী আছিল অলৰ-অচৰ। পীতাম্বৰদেৱ গোস্বামীৰ আদৰ্শই মাজুলীৰ গোড়া সমাজখনলৈ উদাৰতাৰ প্ৰথম প্ৰস্ৰৱণ ঘটাইছিল।

পীতাম্বৰদেৱ গোস্বামী সমসাময়িক মাজুলীৰ আৰ্থ-সামাজিক অৱস্থাৰেই আদৰ্শ সৃষ্টি আছিল। ধৰ্মৰ নামত যুগ যুগ ধৰি চলি থকা অৰ্থনৈতিক শোষণ আৰু বৰ্ণভিত্তিক সমাজৰ শ্ৰেণীবিভাজন, সামাজিক আৰু অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণীক হেয় প্ৰতিপন্ন কৰাৰ মানসিকতা আৰু ক্ৰমান্বয়ে গঢ়ি উঠা চহৰমুখী অৰ্থনীতি এটাৰ নব্য শোষণ যন্ত্ৰৰ বিৰুদ্ধে থিয় দিবলৈ সচেতন পীতাম্বৰদেৱ গোস্বামী আগবাঢ়ি আহিছিল। মাজুলীৰ সমসাময়িক পটভূমিত আৰ্থ-সামাজিক শোষণ-নিষ্পেষণৰ ভেটি আছিল ইয়াৰ সত্ৰীয়া ছত্ৰ-ছাঁয়াত সজীৱ হৈ থকা মানুহৰ ধৰ্মগোড়া মনোভাৱ। স্বাভাৱিকতে এখন প্ৰথমশ্ৰেণীৰ ৰজাঘৰীয়া সত্ৰৰ সত্ৰাধিকাৰ আৰু উচ্চতম বৰ্ণহিন্দু শ্ৰেণীৰ সদস্য হিচাপে পীতাম্বৰদেৱ গোস্বামীৰ এনেবোৰ সমস্যা অনুধাৱন কৰিবলৈ যি সুবিধা আছিল, তেনেদৰে সেই সমস্যাবোৰৰ বিৰুদ্ধে যুঁজিবলৈয়ো তেওঁৰ হাতত আছিল সামৰ্থ আৰু কৰ্তৃত্ব। সমাজৰ গভীৰ সংকট আহিব পৰা সমস্যাবোৰৰ বিষয়ে কৰা অনুধাৱন আৰু সমসাময়িক ভাৰতীয় সংস্কাৰবাদীসকলৰ লগত ৰখা তেওঁৰ সম্পৰ্কয়ো ধৰ্মান্ধ আৰু নিষ্পেষিত মাজুলীবাসীৰ আৰ্থ-সামাজিক উত্তৰণত কাম কৰিবলৈ পীতাম্বৰদেৱ গোস্বামীক প্ৰেৰণা দিছিল বুলি ভাবিব পাৰি।

স্বাধীনোত্তৰ কালত বিশেষকৈ, সত্তৰৰ দশকৰ পৰৱৰ্তী কালছোৱাত দেশৰ অন্যান্য ঠাইৰ লগতে মাজুলীলৈয়ো সম্প্ৰসাৰিত ৰূপত পৰিৱৰ্তন আহিছে। অৰ্থনৈতিক পৰিৱৰ্তন, বস্তুবাদী ধ্যান-ধাৰণা আৰু চহৰমুখী সমাজৰ বিকাশেই ইয়াৰ মূল কাৰণ বুলি ক'ব পাৰি। ১৯৭৯ খ্ৰী:ত মাজুলীখনক যোৰহাট জিলাৰ এটা মহকুমা হিচাপে ঘোষণা কৰি ইয়াত প্ৰায় সকলো শ্ৰেণীৰ প্ৰশাসনীয় কাৰ্যালয়সমূহ প্ৰতিষ্ঠা কৰাৰ লগে লগে মাজুলীৰ সমাজ আৰু অৰ্থনীতিলৈ নতুন পৰিৱৰ্তনৰ ঢল আহে। ইয়াৰ ফলত গঢ় লৈ উঠা চহৰ-কেন্দ্ৰিক বজাৰ-অৰ্থনীতি এটাই মাজুলীৰ সামগ্ৰিক জীৱনৰ এটা পূৰ্ণ পৰিৱৰ্তনৰ পথো মুকলি কৰে। পণ্য দ্ৰব্যৰ বজাৰ, জনসংখ্যা বৃদ্ধি, চহৰমুখী হোৱা গাঁও, ভূমি সমস্যা আদি এই পৰিৱৰ্তনবোৰৰ মূলতে আছে। মাজুলীত এতিয়া কৃষি উপযোগী ঠাইবোৰত দোকান-পোহাৰ, ঘৰ-বাৰী আৰু চৰকাৰী কাৰ্যালয় নিৰ্মাণ হৈছে আৰু কেউফালে বান্ধি উলিওৱা মথাউৰিবিলাকৰ ফলত শস্যৰ পথাৰবোৰ হৈ পৰিছে অনুৰ্বৰ। আনহাতে, সত্ৰীয়া বেষ্টনীৰ মাজত চহৰীয়া আধুনিক সমাজ এখনৰ বীজ সংক্ৰমণ হোৱাত সমাজৰ গাঁথনি আৰু চিন্তাই নতুন ৰূপ লৈছে; মদ, জুৱা আদি মাদকদ্ৰব্য আৰু

৬। তৰুণ চন্দ্ৰ পামেগাম ৰচনাৱলীৰ 'পীতাম্বৰ প্ৰভুৰ সান্নিধ্য সোঁৱৰণ' প্ৰৱন্ধৰ ২৭২-২৭৬ পৃষ্ঠা দ্ৰষ্টব্য।

৭। অভিনয় কৰিবলৈ দি সত্ৰৰ ছোৱালীবোৰক পীতাম্বৰদেৱ গোস্বামীয়ে কৈছিল এইদৰে— "ভালকৈ অভিনয় কৰহঁক। ভাল দেখিলে ফিল্ম কোম্পানীয়ে অভিনয়ৰ বাবে লৈ যাব।" উদ্ধৃতি— ওপৰোক্ত গ্ৰন্থৰ ২৭৬ পৃষ্ঠা।

৮। 'শ্ৰীশ্ৰীমৎ ধৰ্মাচাৰ্য পীতাম্বৰদেৱ' গ্ৰন্থৰ ২য়খণ্ড দ্ৰষ্টব্য।

অসামাজিক কামৰ প্ৰতি মানুহৰ আসক্তি বৃদ্ধি পাইছে। লগে লগে মানুহৰ ধৰ্ম বা আধ্যাত্মিক দিশটোৰ প্ৰতি থকা শ্ৰদ্ধা কমিছে।☆ অৱশ্যে এই সকলোবোৰ কেৱল মাজুলীৰে একান্ত পৰিৱৰ্তন নহয়, বহুতো পৰিৱৰ্তন আধুনিক ভাৰতীয় সমাজৰ সাধাৰণ পৰিৱৰ্তনসমূহৰে একোটা ধাৰা মাথোঁ।

আধুনিকতাৰ আলোছাঁয়াত পৰিৱৰ্তনৰ নতুন ধাৰাই যি দিশেই গতি নকৰক কিয়, অসমৰ কলা-সংস্কৃতিৰ জগতলৈ মাজুলীৰ কিছুমান নিজা আৰু স্থায়ী বৰঙণি আছে। শংকৰী যুগৰ সংগীত, কলা, বাদ্য, নৃত্য, গীতৰ উপৰি সমগ্ৰ মধ্যযুগত হোৱা অসমীয়া সাহিত্যৰ বিকাশ আৰু সৃষ্টিলৈ মাজুলীৰ সত্ৰসমূহৰ, বিশেষকৈ আউনীআটী আৰু কমলাবাৰী সত্ৰৰ অমূল্য অৱদান আছে। সত্ৰসমূহত সংৰক্ষিত কাব্য, নাটক, সংগীত, জীৱনী আৰু চিত্ৰ-কলাৰে পৰিপূৰ্ণ এই সাহিত্য ভাণ্ডাৰে আজিও অসমীয়া সাহিত্য আৰু চিত্ৰ-কলাৰ ইতিহাসত বিশিষ্ট স্থান অধিকাৰ কৰি আছে। আধুনিক অসমীয়া সাহিত্যৰ ভাণ্ডাৰলৈয়ো মাজুলীৰ বৰঙণি সুনিৰ্দিষ্ট। ঊনবিংশ শতিকাৰ আগছোৱাত যেতিয়া খ্ৰীষ্টান মিচনেৰীসকলে 'অৰুনোদই'ৰে আধুনিক অসমীয়া ভাষা, সাহিত্য আৰু বাৰ্তালোচনীৰ পাতনি মেলিছিল; সেই অৰুনোদইৰ চলফাটত প্ৰথম জাগৰিত হৈ উঠিছিল মাজুলীৰ আউনীআটী সত্ৰ আৰু তাৰেই ফলত অসমীয়া মানুহৰ হাতত অসমীয়া ভাষাত প্ৰথম সৃষ্টি হৈছিল— 'আসাম বিলাসিনী' নামৰ আলোচনী। ই মাজুলীৰ মানুহৰ কাৰণে নিতান্তই গৌৰৱৰ বিষয়। কাৰণ ছপাশালৰ প্ৰাৰম্ভিক ব্যৱহাৰ আৰু যোগাযোগ ব্যৱস্থাৰ প্ৰাচীনতম অৱস্থাত থকা মাজুলীৰ এগৰাকী সত্ৰাধিকাৰৰ (৺শ্ৰীশ্ৰীদত্তদেৱ গোস্বামী) বাবে এই কাম আছিল এক অসাধ্য সাধনৰ প্ৰচেষ্টা মাথোঁ। সেইদৰে পীতাম্বৰদেৱ গোস্বামীয়ে এই শতিকাৰ পঞ্চাশৰ দশকত সম্পাদনা কৰি উলিয়াইছিল তেওঁৰ 'সনাতন ধৰ্মৰ মুখপত্ৰ' (১ম বছৰ, প্ৰথম সংখ্যা, ১৯৫৯ খ্ৰী:, ছেপ্টেম্বৰ মাহ)। সাহিত্য সাধনাৰ এনেবোৰ প্ৰাৰম্ভিক প্ৰচেষ্টাৰ ফলত সৃষ্টি হোৱা কলা-সাহিত্যৰ পাৰিপাৰ্শ্বিকতা এটা এতিয়াও মাজুলীত প্ৰবাহমান হৈ আছে। উল্লেখনীয় যে, আধুনিক অসমীয়া সাহিত্যৰ প্ৰতিষ্ঠিত লেখক মাজুলীৰ ৺তৰুণ চন্দ্ৰ পামেগাম একাধাৰে এগৰাকী লেখক, নাট্যকাৰ, অভিনেতা, কলা-শিল্পী আছিল আৰু অসম সাহিত্য সভাৰ উপ-সভাপতিৰ পদ লাভ কৰিছিল।

সাহিত্য, সংগীত, কলা আৰু ধৰ্মীয় উৎকৰ্ষ সাধনৰ উপৰি আমাৰ বোধেৰে মাজুলীৰ আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু স্থায়ী অৱদান বা বৈশিষ্ট্য হ'ল— ইয়াৰ বৈষ্ণৱী পৰম্পৰাত ডাঙৰ-দীঘল হোৱা জনসাধাৰণৰ নৈতিকতা আৰু তেওঁলোকৰ সাত্বিক মনোভাৱ। এইটো ঠিক যে, সময়ৰ লগে লগে মানুহৰ মন আৰু প্ৰকৃতিৰো পৰিৱৰ্তন হৈছে আৰু পৰিৱৰ্তন বা সংস্কৃত হৈছে তেওঁলোকৰ ব্যৱহাৰ প্ৰণালীৰ; কিন্তু অসমৰ যিকোনো এখন ঠাইত মাজুলীৰ মানুহে যি সম্ভ্ৰম ব্যৱহাৰ পায় বা যিকোনো এজন অভ্যাগতে এটা আদৰ্শস্থানীয় মাজুলী পৰিয়ালৰ পৰা যেনে সম্ভাষণ লাভ কৰে, তাৰ মাজতেই মাজুলীৰ মানুহৰ নৈতিক জগতখনলৈ থকা অৱদান আৰু তেওঁলোকৰ নিৰ্ভেজাল চাৰিত্ৰিক বৈশিষ্ট্য নিহিত হৈ আছে।

## সমাজ-সংস্কাৰত পীতাম্বৰদেৱ গোস্বামীৰ ভূমিকা

সুপ্ৰসিদ্ধ গড়মূৰ সত্ৰৰ প্ৰয়াত সত্ৰাধিকাৰ, বিপ্লৱী ধৰ্ম গুৰু, ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ অগ্ৰণী মুক্তিযোদ্ধা, নিৰ্ভীক সমাজ সংস্কাৰক, ত্যাগদীপ্ত সমাজ-সচেতক, বিদগ্ধ পণ্ডিত, পৰ্বত-ভৈয়ামৰ সম্প্ৰীতিৰ সাঁকো নিৰ্মাতা শ্ৰীশ্ৰীপীতাম্বৰদেৱ গোস্বামী আৰু শংকৰোত্তৰ কালৰ অসমৰ এগৰাকী সৰ্বগুণাকৰ আদৰ্শ-পুৰুষ। স্বৰূপাৰ্থত, পীতাম্বৰদেৱ গোস্বামী অকলেই আছিল এটি বিশাল কৰ্মক্ষেত্ৰৰ বলিষ্ঠ সংগঠনস্বৰূপ। জাত-পাত, উচ্চ-নীচ, ভেদাভেদ, স্পৃশ্য-অস্পৃশ্য, অন্ধবিশ্বাস আৰু কু-সংস্কাৰেৰে আচ্ছন্ন ভাৰতীয় পৰম্পৰাৰ সমকালীন সমাজ-ব্যৱস্থাৰ ৰক্ষণশীল আদৰ্শ আৰু নীতি-নিয়মৰ কঠোৰ বান্ধোনৰ চাৰিসীমাৰ মাজৰ পৰা নিৰ্ভীকভাৱে ওলাই আহি সংস্কাৰ সাধনেৰে জনসাধাৰণৰ মাজত সমন্বয়ৰ সেতু গঢ়ি সমাজৰ কল্যাণৰ অৰ্থে এই গৰাকী ক্ষণজন্মা পৰমপুৰুষে যিখিনি কৰি থৈ গ'ল, সেয়া চিৰভাস্বত হৈ সৰ্বকালৰ বাবেই বিৰল দৃষ্টান্ত আৰু আদৰ্শ হৈ সমাজত জিলিকি আছে।

আৰ্য্য, অনাৰ্য্য, মংগোলীয়, দ্ৰাবিড়ী, অষ্ট্ৰিক আদি বিভিন্ন মানৱ-গোষ্ঠীৰ উপাদানেৰে বিশাল ভাৰতীয় সমাজ আৰু সংস্কৃতি গঢ়

☆ বৰ্তমান লেখকৰ প্ৰবন্ধ 'মাজুলীৰ মানৱীয় ঐতিহ্য : এটি ঐতিহাসিক দৃষ্টি", জ্ঞান প্ৰবাহ, (মাজুলী জিলা মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থাৰ মুখপত্ৰ, প্ৰথম সংখ্যা, মাজুলী ১৯৯৮), ১৩-১৮ পৃষ্ঠা দ্ৰষ্টব্য।

লৈ উঠিলেও হিন্দু ধৰ্মৰ ৰক্ষণশীল পৰম্পৰাই জাতিভেদ প্ৰথাক দেশখনৰ সকলো প্ৰান্ততে সৰ্বত্ৰ সিঁচৰতি কৰি জাত্যাভিমানৰ বৈশিষ্ট্য প্ৰকাশ কৰি আহিছে। উল্লেখযোগ্য যে জাত্যাভিমানৰ পৰম্পৰাগত ধাৰণাৰ পৰিপ্ৰেক্ষিতত ভাৰতীয় সমাজখন বিভিন্ন খণ্ড-উপখণ্ডত বিভক্ত হৈ আহিছে। বিশিষ্ট সমাজ দাৰ্শনিক জে, এইচ্, হাট্টনৰ মতে, ভাৰতত তিনি হাজাৰ জাতি-উপজাতি আছে। এই জাতি-উপজাতিসমূহৰ মাজত আছে উচ্চ-নীচ, স্পৃশ্য-অস্পৃশ্যৰ ধাৰণা আৰু প্ৰত্যেক জাতি-উপজাতিৰ মাজত আছে জাতিগত প্ৰস্থিতি (Status) আৰু সংস্তৰণ। জাতি ব্যৱস্থাৰ প্ৰসংগতে এম.এন. শ্ৰীনিবাসে 'সংস্কৃতকৰণ' (Sanskritisation) নামৰ প্ৰক্ৰিয়া এটাও উপস্থাপন কৰিছে। তথাকথিত উচ্চ জাতিৰ ধ্যান-ধাৰণা, চাল-চলন, ৰীতি-নীতি ইত্যাদিৰ পৰিমণ্ডলত সোমাই পৰিবলৈ অনুন্নত, পিছপৰা জাতিৰ লোকসকলে চলোৱা সামগ্ৰিক প্ৰক্ৰিয়াক শ্ৰীনিবাসে 'সংস্কৃতকৰণ'ৰ আখ্যা দিছে। কিন্তু ভাৰতবৰ্ষত এই প্ৰক্ৰিয়াৰ বাস্তৱিক সৰলীকৰণ কোনো যুগতে হোৱা দেখা নাযায়। ৰক্ষণশীল বৰ্ণ-হিন্দুৰ জাত্যাভিমান, পৰম্পৰাগত আচাৰ-নীতি, দৃষ্টিভংগীৰ পৰিপ্ৰেক্ষিতত জাতি-প্ৰথা আৰু জাতি-বৈষম্য অদ্যপৰিমিতো বৰ্তি আছে। উত্তৰ-পূব ভাৰতো ইয়াৰ ব্যতিক্ৰম নহয়। বহু জাতি-গোষ্ঠীত বিভক্ত উত্তৰ-পূব ভাৰতক হিন্দুকৰণ প্ৰক্ৰিয়াৰে হিন্দু সমাজৰ মাজত সংযোগ কৰি সমন্বয় সাধন কৰিবলৈ আৰু সাংস্কৃতিক দিশৰ প্ৰসাৰতা বৃদ্ধি কৰিবলৈ মহাপুৰুষ শংকৰদেৱৰ সময়ৰ পৰা প্ৰয়াস কৰা হৈছিল যদিও শংকৰোত্তৰ কালত এই প্ৰয়াস নৈৰ এৰা সুঁতিৰ নিচিনাকৈয়ে গতিহীন হৈ পৰিবলৈ ধৰে। ফলস্বৰূপে, সমাজত জাত-পাত, স্পৃশ্য-অস্পৃশ্য, উচ্চ-নীচ, ভেদাভেদৰ অৱসান নঘটিল। তৃণমূল পৰ্যায়ৰ পৰা সমাজত দেখা দিয়া এই স্থবিৰতাক কৰ্ম-সংস্কৃতিৰ আধাৰত গতিশীল কৰি তুলিবলৈ পৰৱৰ্তী সময়ত যিগৰাকী ব্যক্তিয়ে আশাশুধীয়া প্ৰচেষ্টা অব্যাহত ৰাখিছিল, সেইগৰাকীয়েই হ'ল ৺পীতাম্বৰদেৱ গোস্বামী।

সাম্প্ৰতিক কালত প্ৰকট ৰূপত পৰিলক্ষিত হোৱা জাতিগত বিদ্বেষ, সাম্প্ৰদায়িক সংঘৰ্ষ, ক্ষুদ্ৰ আঞ্চলিকতাবাদী আদৰ্শ, ধৰ্মীয় গোড়ামী আদি সমস্যাসমূহক পীতাম্বৰদেৱ গোস্বামীয়ে তেতিয়াই প্ৰত্যক্ষ কৰিছিল আৰু ইবিলাকৰ সংস্কাৰ সাধনৰ বাবে বলিষ্ঠ পদক্ষেপ আগবঢ়াইছিল। জন্মই কোনো জাতিক সৃষ্টি কৰিব নোৱাৰে, জাতিৰ সৃষ্টি হ'ব পাৰে মানুহৰ কৰ্ম-বৈষম্যৰ ওপৰত ভিত্তি কৰিহে। সেয়ে, হিন্দু সমাজত জন্মগত ৰূপত প্ৰচলিত হৈ অহা জাতিগত বিভাজন ৰহিত কৰি সমগ্ৰ হিন্দু সমাজৰ সৰ্বাংগীন কল্যাণৰ অৰ্থে এই ব্যৱস্থাক কৰ্মগত নিয়মলৈ ৰূপান্তৰ ঘটাবৰ কাৰণে তেওঁ জনসাধাৰণক আহ্বান জনাইছিল আৰু সবল জনমত গঢ়ি তুলিবলৈ কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছিল। তেওঁ কৈছিল : "আমি জন্মতে একেই মানুহ, জন্মৰ পিছত আমাক উচ্চ-নীচ বুলি কোনোবাই ভাগ ভাগ কৰি পেলাইছে। আমাৰ মাজত এই প্ৰভেদ থাকিব নোৱাৰে আৰু থকা উচিতো নহয়।" তেওঁ আৰু কৈছিল : "উচ্চ-নীচ, স্পৃশ্য-অস্পৃশ্য আৰু জাত্যাভিমান আদি কথা যুক্তিৰে নিটিকে, ই অজ্ঞানতা, শাস্ত্ৰ-জ্ঞানহীনতা আৰু জোৰ-জবৰ্দস্তীৰ কথাহে।"

সমাজত উচ্চ জাতিৰ লোকসকলে অনুন্নত জাতিৰ আখ্যাৰে 'অস্পৃশ্য' ৰূপত সজোৱা জাতি-সম্প্ৰদায়ক সামৰি লৈ এখন বহল মানৱ-সমাজ প্ৰতিষ্ঠা কৰিবলৈ অস্পৃশ্যতা বৰ্জনৰ ধ্বনি তুলিছিল পীতাম্বৰদেৱ গোস্বামীয়ে। পূৰ্বতে অনুন্নত আৰু পিছপৰা সম্প্ৰদায়ৰূপে পৰিগণিত কৰি এক শ্ৰেণী মানুহক ধৰ্ম-মন্দিৰত প্ৰৱেশ কৰিবলৈ দিয়া হোৱা নাছিল। ১৯২০ খ্ৰী:ত তেওঁ সূত আৰু অন্যান্য পিছপৰা সম্প্ৰদায়ৰ বাবে ধৰ্ম-মন্দিৰৰ দুৱাৰ মুকলি কৰি সমাধিকাৰ প্ৰদান কৰিছিল। সেইদৰেই, ১৯২৮ খ্ৰী:ত কৈৱৰ্ত্ত, মিচিং প্ৰভৃতি লোকসকলৰ বাবেও প্ৰৱেশাধিকাৰ সাব্যস্ত কৰিছিল। এই সন্দৰ্ভত তেওঁ কৈছিল : "... এইবোৰ কথা দেখি-শুনিয়েই মই বহুত ভাবি-চিন্তি ১৯২৮ খ্ৰী:ত কৈৱৰ্ত্ত, মিৰি আদি অনুন্নত জাতিবিলাকক গড়মূৰ সত্ৰৰ নামঘৰত সোমাবলৈ দি তেওঁলোকক প্ৰৱেশৰ অধিকাৰ দিছোঁ।" ১৯২১ খ্ৰী:ত "গোপালদেৱ আশ্ৰম" প্ৰতিষ্ঠা কৰি ইয়াত বৰ্ণ-হিন্দু আৰু অনুন্নত হিন্দুৰ মাজত কোনো ভেদাভেদ নাৰাখি সকলো জাতিৰ ছাত্ৰক ভৰ্তি হ'বলৈ সুবিধা দিছিল। ইয়াৰ উপৰিও এইজনা মহান পুৰুষে সত্ৰৰ চাৰিসীমাত আবদ্ধ হৈ নাথাকি গাঁৱে-ভূঞে, নগৰে-চহৰে, পৰ্বতে-পাহাৰে পৰিভ্ৰমণ কৰি সৰ্বসাধাৰণ মানুহৰ দুখ-দৈন্যতা, হা-হুমুনিয়াহৰ বুজ লৈছিল আৰু সংস্কাৰৰ যোগেদি উন্নতি সাধন কৰিবলৈ যৎপৰোনাস্তি চেষ্টা চলাইছিল।

সাম্প্ৰতিক কালৰ সমাজৰ পটভূমিত আমি জনজাতীয় সমাজৰ লোকসকলৰ ক্ষোভ আৰু হতাশাৰ যি প্ৰতিচ্ছবি প্ৰত্যক্ষ কৰিছোহঁক, পীতাম্বৰদেৱ গোস্বামীয়ে সেই কথা বহু বছৰৰ আগতেই প্ৰত্যক্ষ

কৰিছিল। উত্তৰ-পূব ভাৰতত বিভিন্ন জনজাতিৰ লোকসকল সিঁচৰতি হৈ আছে। এই বৃহৎ অঞ্চলটোৰ সামগ্ৰিক উন্নতিসাধন হ'বলৈ হ'লে এই জনগোষ্ঠীসমূহৰ যে শৈক্ষিক, আৰ্থ-সামাজিক তথা সাংস্কৃতিক বিকাশ সাধন হ'ব লাগিব আৰু তেওঁলোকক জাতীয় ঘাই সুঁতিৰ লগত মিলি যোৱাৰ সুবিধা প্ৰদান কৰিব লাগিব - তাত সন্দেহ নাই। পীতাম্বৰদেৱ গোস্বামীয়ে এই কথা মৰ্মে মৰ্মে উপলব্ধি কৰি শদিয়াৰ পৰা ধুবুৰীলৈকে বিভিন্ন ঠাইৰ আপাতানি, বড়ো, চুতীয়া, মিচিং, তিৱা, কছাৰী, কাৰ্বি প্ৰভৃতি লোকসকলৰ মাজত সোমাই পৰি তেওঁলোকৰ সৰ্বাংগীন উন্নয়নৰ বাবে প্ৰচেষ্টা চলাইছিল। তেওঁৰ দৃষ্টিত বৃহৎ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত এই বিভিন্ন জনগোষ্ঠীসমূহো সমানেই অংশীদাৰ আৰু তেওঁলোকক ঘাই সুঁতিৰ লগত মিলি যোৱাৰ ব্যৱস্থা কৰিব লাগিব আশাশুধীয়া প্ৰচেষ্টাৰে, ভ্ৰাতৃত্ববোধেৰে আৰু সংস্কাৰ সাধনৰ মাধ্যমেৰে। সেয়ে, তেওঁ কাৰ্বি, মিচিং, তিৱা, কছাৰীসকলৰ গাঁৱে গাঁৱে, অঞ্চলে অঞ্চলে ঘূৰি শিক্ষানুষ্ঠান স্থাপন কৰিছিল, ধৰ্ম প্ৰচাৰ কৰিছিল, শৰণ-ভজন দিছিল আৰু সকলোৰে মাজত সচেতনতা বৃদ্ধিৰ বাবে সভা-সমিতি পাতিছিল। বিভিন্ন জনগোষ্ঠীৰ অসংখ্য লোকক শৰণ-ভজন দি আৰু ধৰ্মীয় দীক্ষাৰে দীক্ষিত কৰিছিল। নগাঁও জিলাৰ তিৱাসকলৰ মাজত ভাগৱতী নাম-ধৰ্ম প্ৰচাৰ কৰি তেওঁলোকৰ মাজৰ পৰা সামাজিক, আৰ্থিক, শৈক্ষিক, ৰাজনৈতিক তথা সাংস্কৃতিক দিশৰ কুসংস্কাৰসমূহ দূৰীকৰণৰ বাবে কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰিছিল। ১৯৪৬ খ্ৰী:ত মিকিৰ পাহাৰ অঞ্চললৈ যাত্ৰা কৰি মিকিৰ (কাৰ্বি) সকলৰ মাজত দুবছৰ কাল অতিবাহিত কৰি তেওঁলোকৰ সৰ্বতোপ্ৰকাৰ উন্নয়নৰ বাবে গুৰুত্ব আৰোপ কৰিছিল। মিকিৰ পাহাৰ অঞ্চলত শিক্ষাৰ সম্প্ৰসাৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰি ভিন্ ভিন্ ঠাইত কুৰিখন বিদ্যালয় প্ৰতিষ্ঠা কৰি দিছিল। হৰিজনসকলৰ কল্যাণৰ অৰ্থে ১৯৩৪ খ্ৰী:ত গান্ধীজীৰ উপস্থিতিত যোৰহাটত "অসম হৰিজন সেৱক সংঘ" প্ৰতিষ্ঠা কৰে আৰু পীতাম্বৰদেৱ গোস্বামীয়ে নিজে ইয়াৰ প্ৰতিষ্ঠাপক সভাপতিৰূপে গধুৰ দায়িত্ব বহন কৰে। তদুপৰি, চাহ-বনুৱা সম্প্ৰদায়ৰ মাজতো ধৰ্মীয় সংস্কাৰৰ জৰিয়তে তেওঁলোকৰ মাজৰ পৰা অন্ধতা দূৰীকৰণৰ প্ৰচেষ্টা অব্যাহত ৰাখিছিল।

ধৰ্মৰ ক্ষেত্ৰত যি গোড়ামী আৰু অন্ধতাৰ স্বৰূপ প্ৰকাশিত হৈ আহিছে, সেয়া যথাবিহিতভাৱে সংস্কাৰ সাধন কৰি ধৰ্মক মানৱ কল্যাণৰ অৰ্থে গ্ৰহণ কৰিবলৈ পীতাম্বৰদেৱ গোস্বামীয়ে উদাৰনৈতিক আদৰ্শ দাঙি ধৰিছিল। ইয়াকে কৰিবলৈ যাওঁতে তেওঁ সেই সময়ৰ কোনো কোনো ধৰ্মাধিকাৰৰ পৰা বিৰূপ মন্তব্যও শুনিবলগীয়া হৈছিল। কিন্তু তেনে বিৰূপ মন্তব্যৰ প্ৰতি তেওঁ গুৰুত্ব দিয়া নাছিল, বৰং সেইসকলকো অহমিকা ভাব পৰিহাৰ কৰি সমাজৰ উপকাৰৰ হকে আগবাঢ়ি আহিবলৈ আহ্বান জনাইছিল।

শংকৰী-সংস্কৃতিৰ ধ্বজাবাহক সত্ৰানুষ্ঠানসমূহ পূৰ্বৰ আদৰ্শ আৰু উদ্দেশ্যৰ পৰা ক্ৰমাৎ ফালৰি কাটি আহিবলৈ ধৰা লক্ষ্য কৰি পীতাম্বৰদেৱ গোস্বামীয়ে খেদ কৰিছিল আৰু সত্ৰানুষ্ঠানসমূহক সংস্কাৰ সাধনৰ দ্বাৰা পুনৰ্গঠনৰ চিন্তা কৰিছিল। তাৰ বাবে প্ৰথমেই তেওঁ নিজ সত্ৰত সত্ৰীয়া নিয়ম কিছুমানৰ সংস্কাৰ সাধনৰ ওপৰত গুৰুত্ব আৰোপ কৰে। সত্ৰৰ ভকত-বৈষ্ণৱসকলৰ মাজত প্ৰচলিত উদাসীন প্ৰথাৰ বিলুপ্তি ঘটাই বিয়া-বাৰু কৰিবলৈ অনুমতি দিয়ে। ইয়াৰ লগে লগে সত্ৰত পূৰ্বৰ পৰাই প্ৰচলিত হৈ অহা কিছুমান নীতি-নিয়মৰো সময়সাপেক্ষ পৰিবৰ্তন ঘটায়। এই পৰিবৰ্ত্তিত নিয়মসমূহৰ ভিতৰত যেতিয়াই তেতিয়াই সত্ৰাধিকাৰসকলক লগ পাব পৰাৰ ব্যৱস্থা কৰা, সৰ্বসাধাৰণ লোকসকলকো বহিবলৈ আসন দিয়া, নিজে সাতজপীয়া ধৰ্ম-গাদী এৰি পেলোৱা, খাটোলাত উঠা নিয়ম ৰহিত কৰা, পূৰ্বাপৰ নিয়ম অনুসৰি শিষ্যবৰ্গই দিবলগা কৰ-বৰঙণিৰ ধৰা-বন্ধা নিয়ম উঠাই দিয়া ইত্যাদি উল্লেখযোগ্য।

সাম্প্ৰতিক কালৰ এটা প্ৰধান সমস্যা হৈছে মাদক দ্ৰব্যৰ ব্যাপক প্ৰচলন। পীতাম্বৰদেৱ গোস্বামীয়ে মাদক দ্ৰব্য নিবাৰণৰ অৰ্থে জনমত গঢ়ি তুলিবলৈ প্ৰচেষ্টা চলাইছিল আৰু এই ক্ষেত্ৰত যথেষ্ট সফলো হৈছিল। 'কানীয়া সেৱা' নামৰ ধৰ্মীয় পৰম্পৰা আৰু জনবিশ্বাসে সেই সময়ত উজনি অসমত কানি বৰ-বিহুৰ প্ৰচলনত বিশেষভাৱে সহায় কৰিছিল। তদুপৰি, মাদকদ্ৰব্যৰ প্ৰচলন যে সনাতন হিন্দু ধৰ্মৰ সম্পূৰ্ণ বিৰোধী কাৰ্য সেয়াও তেওঁ ফঁহিয়াই দেখুৱাইছিল। অসমীয়া সমাজৰ বৰবিহৰূপে প্ৰচলন হ'বলৈ ধৰা কানি আৰু মদ নিবাৰণৰ অৰ্থে কাৰ্যব্যৱস্থা গ্ৰহণ কৰিবলৈ তেওঁ ১৯০৮ খ্ৰী:ত মি: বোথাম চাহাব আৰু ১৯০৯ খ্ৰী:ত অসম উপত্যকাৰ কমিছনাৰ গৰ্ডন চাহাবক সাক্ষাৎ কৰি অনুৰোধ জনায় আৰু নিজা উদ্যোগতে মাজুলীৰ উপৰি উত্তৰ লক্ষীমপুৰ, শিৱসাগৰ প্ৰভৃতি বিভিন্ন ঠাইত সভা-সমিতি আহ্বান কৰি জনসাধাৰণৰ

মাজত সচেতনতা আনিবলৈ কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰে।

অসমৰ বিভিন্ন ঠাইত 'গো-শালা' স্থাপন, কো-অপাৰেটিভ ছ'চাইটি গঠন, 'মাজুলী কো-অপাৰেটিভ বেঙ্কিং এণ্ড পাৰ্চেজ চে'ল ছ'চাইটি' গঠনৰ জৰিয়তে গঞা ৰাইজৰ আৰ্থিক উন্নয়নৰ বাবে পীতাম্বৰদেৱ গোস্বামীয়ে বলিষ্ঠ পদক্ষেপ আগবঢ়াইছিল। সমবায় পদ্ধতিৰে কৃষি কৰি সৰ্বসাধাৰণ কৃষকসকল কেনেকৈ লাভবান হ'ব পাৰে, সেই বিষয়ে তেওঁ কৃষক ৰাইজক বুজাইছিল। ১৯১৭ খ্ৰী:ত পীতাম্বৰদেৱ গোস্বামীয়ে অশেষ চেষ্টা কৰি "মাজুলী কো-অপাৰেটিভ বেংকিং এণ্ড পাৰ্চেজ চে'ল ছ'চাইটি লিমিটেড"নামৰ সমবায় অনুষ্ঠান এটি গঢ়ি তোলে। গড়মূৰ সত্ৰতে এই ছ'চাইটিৰ প্ৰধান কেন্দ্ৰ স্থাপন কৰি মাজুলীৰ বিভিন্ন ঠাইত ইয়াৰ কেবাটাও শাখা প্ৰতিষ্ঠা কৰি কম সুদত টকা ধাৰে লোৱা, সুলভ মূল্যত প্ৰয়োজনীয় সামগ্ৰী ক্ৰয় কৰা, উৎপাদিত ৰাহি শস্য ছ'চাইটিক বিক্ৰী কৰি উচিত মূল্য আদায় কৰা আদি কামবিলাক ইয়াৰ যোগেদি সম্পাদন কৰাৰ দিহা কৰা হৈছিল। বাস্তৱিকতে, গ্ৰাম্য উন্নয়নৰ ক্ষেত্ৰত পীতাম্বৰদেৱ গোস্বামীৰ এয়া আছিল মহৎ প্ৰচেষ্টা। ভাৰতৰ গাঁৱে-ভূঞে সম্প্ৰতি সমবায় কৃষি-পাম, সমবায় বেচা-কিনা সংগঠন আদিৰ ওপৰত জাতীয় চৰকাৰে যিবিলাক আঁচনিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে, পীতাম্বৰদেৱ গোস্বামীয়ে বহু বছৰৰ আগতেই সেইদিশত গুৰুত্ব আৰোপ কৰি জনসচেতনতা জাগৰণৰ প্ৰশস্ত পথ ৰচনা কৰিছিল।

ভাৰতৰ হিন্দু সমাজৰ পৰম্পৰাগত নিয়ম অনুসৰি বিধবা নাৰীয়ে পুনৰ বিবাহ কৰাটো নিষিদ্ধ। ধৰ্মীয় সংস্কাৰৰূপে (Religious secrament) পৰিগণিত হৈ অহা হিন্দু বিবাহৰ মাধ্যমেৰে এক বদ্ধমূল ধাৰণা যুগে যুগে প্ৰৱাহিত হৈ আহিছে যে স্বামী-স্ত্ৰীৰ বৈবাহিক সম্পৰ্ক ভগৱানেই নিৰূপণ কৰি দিছে আৰু ইহকাল-পৰকাল এই সম্পৰ্ক নিৰূপিত হৈ থাকে। সেয়ে, বিধবা নাৰীয়ে ধৰ্ম-পত্নী, সপত্নী, পতিব্ৰতাৰ আদৰ্শ প্ৰকাশ কৰি জীৱন অতিবাহিত কৰাটোৱেই হিন্দু সমাজৰ বাবে আদৰ্শনীয় জীৱনৰ বুনিয়াদ বুলি গণ্য কৰা হৈছিল। গতিকে, হিন্দু সমাজৰ ধৰ্মীয় পৰম্পৰা অনুসৰি স্বামীৰ মৃত্যুৰ পিছত পত্নীয়ে বৈধব্য জীৱন-যাপন কৰিব লাগে। বিধবাসকলৰ এই কাৰুণ্য জীৱন-পৰিক্ৰমালৈ লক্ষ্য কৰি বিধবা-বিবাহৰ সপক্ষে সমগ্ৰ ভাৰতবৰ্ষ জুৰি আগশাৰীৰ স্বেচ্ছাসেৱী সংগঠন কেইটামানে মাত মাতি আহিছিল। আনহাতে ৰক্ষণশীল লোকসকলে ইয়াত সততে বাধা আৰোপ কৰি সমস্যাটোক জটিল কৰি তুলিবলৈ উঠি-পৰি লাগিছিল। অসমতো বিধবা-বিবাহৰ সপক্ষে আৰু বিপক্ষে নানান মত প্ৰচলিত হৈছিল। পীতাম্বৰদেৱ গোস্বামীয়ে বিধবা-বিবাহ প্ৰচলনৰ সপক্ষে মত ব্যক্ত কৰিছিল আৰু নানান শাস্ত্ৰীয় মত দাঙি ধৰাৰ লগতে মানৱতাৰ ফালৰ পৰা যে বিধবা বিবাহ প্ৰচলনৰ সামাজিক প্ৰয়োজনীয়তা আছে, সেই সম্পৰ্কে; জনসাধাৰণক বুজনি দিয়াৰ উপৰিও কাকতে-পত্ৰই ও তত্ত্ব-গধুৰ প্ৰবন্ধ-পাতি লেখি জনমত-গঠন কৰিবলৈ প্ৰচেষ্টা চলাইছিল। তদুপৰি, জাতিগত ভিত্তিত অনুষ্ঠিত হৈ অহা বিবাহ-পদ্ধতিৰ পৰিবৰ্তে অসবৰ্ণ বিবাহ প্ৰচলনৰ ক্ষেত্ৰতো তেওঁৰ ভূমিকা আছিল বলিষ্ঠ। বৰপেটাৰ এজন বৰ্ণহিন্দুৰ যুৱক আৰু এগৰাকী কাৰ্বি যুৱতীৰ মাজত বৈদিক প্ৰথাৰে বিবাহ অনুষ্ঠিত কৰি পৰ্বত-ভৈয়ামৰ সম্প্ৰীতি সাধন তথা জাত্যাভিমান আঁতৰোৱাৰ উৎকৃষ্ট উদাহৰণ দেখুৱাই থৈ গ'ল। পীতাম্বৰ দেৱগোস্বামীৰ প্ৰতিটো দূৰদৰ্শী চিন্তা আৰু দৃষ্টিভংগীৰ বাস্তৱ ভিত্তি থকাটো মনকৰিবলগীয়া দিশ। অতি সাম্প্ৰতিক সময়ত সমাজত যিবোৰ কাৰ্য্য সংঘটিত হৈছে আৰু যিবোৰ কাৰ্যক সমাজে যুক্তিসংগতভাৱে গ্ৰহণ কৰিবলৈ লৈছে, পীতাম্বৰদেৱ গোস্বামীয়ে সেই দিশবিলাক তেতিয়াই প্ৰত্যক্ষ কৰি জনসাধাৰণক গ্ৰহণ কৰিবলৈ বাট মুকলি কৰি দিছিল।

মহাপুৰুষ শংকৰদেৱ বিৰচিত ব্ৰজাৱলী ভাষাৰ অংকীয়া নাটসমূহৰ উপৰিও অসমত বঙলা ভাষাৰ প্ৰচলনৰ পৰিণতিস্বৰূপে সত্ৰসমূহত বঙলা ভাষাৰ নাটৰ অভিনয় হ'বলৈ ধৰে। এই কথাত পীতাম্বৰদেৱ গোস্বামীয়ে দুখ প্ৰকাশ কৰিছিল আৰু নিজে অসমীয়া ভাষাত নাট ৰচনা কৰি গড়মূৰ সত্ৰত ইয়াৰ অভিনয় কৰি এক নতুন ধাৰা প্ৰৱৰ্তন কৰে। গড়মূৰ সত্ৰত হোৱা অসমীয়া নাটৰ অভিনয়ে অন্যান্য সত্ৰসমূহকো প্ৰভাৱান্বিত কৰে, অসমীয়া নাট-অভিনয়ৰ বাট মুকলি হয়। নাট-ভাওনাৰ উপৰিও থিয়েটাৰ পাতি, ৰংগমঞ্চ নিৰ্মাণ কৰি অভিনয়ৰ ক্ষেত্ৰত যুগসাপেক্ষ পৰিবৰ্তন সাধন কৰে। তদুপৰি, নিজে 'ৰাস-লীলা' নাট লিখি বিভিন্ন কলা-কৌশল খটুৱাই 'ৰাস-লীলা' অভিনয় কৰি অন্য এক অভূতপূৰ্ব দিশ উন্মোচন কৰে। উল্লেখযোগ্য যে ১৯৫০ খ্ৰী:ৰ পৰা এই ৰাসলীলাত সহ-অভিনয়ৰো শুভাৰম্ভ কৰা হয়। বিভিন্ন জাতি-সম্প্ৰদায়ৰ সমন্বয়ৰ আদৰ্শৰে গড়মূৰ সত্ৰত আজিও

ৰাসলীলা পূৰ্ণপয়োভৱেৰে প্ৰদৰ্শিত হৈ আহিছে।

১৯৩১ খ্ৰী:ত ৰঙানদীৰ মথাউৰি নিৰ্মাণ কৰিবলৈ বানবিধ্বস্ত ৰাইজক আহ্বান জনায় আৰু নিজে কোৰেৰে মাটি কাটি মথাউৰিত পেলাই পীতাম্বৰ দেৱগোস্বামীয়ে শ্ৰমৰ মৰ্যাদা উপলব্ধিৰে স্বনিয়ন্ত্ৰণৰ বিৰল দৃষ্টান্ত ৰাখি থৈ যায়। ১৯৩৩ খ্ৰী:ত শিৱসাগৰৰ কোঁৱৰপুৰতো তেওঁৰ নেতৃত্বত আন এটা মথাউৰি নিৰ্মাণ কাৰ্য সম্পন্ন হয়। এইদৰে, নিজে নেতৃত্ব লৈ আলি-পদূলি বন্ধাই শ্ৰমৰ গুৰুত্ব আৰু মহত্ব তথা মৰ্যাদাৰ মহান আদৰ্শ ৰাখি থৈ যায়।

জীৱন আৰু কৰ্মই আছিল যিজনাৰ প্ৰকৃত পৰিচয়, সেইজনা ঋষিতুল্য ধৰ্ম-গুৰু পীতাম্বৰদেৱ গোস্বামীৰ সমাজ-সংস্কাৰৰ দিশত ভূমিকা বিচাৰ কৰিলে আজিও বিস্ময় মানিব লগা হয়। সত্ৰীয়া পৰম্পৰামতে এজন সত্ৰাধিকাৰ হৈও ধৰ্মৰ পৰা ৰাজনীতিলৈ, শিক্ষাৰ পৰা সমাজ-সংস্কাৰলৈ, সাহিত্যৰ পৰা অভিনয়লৈকে বুলি বহুধা বিভক্ত গুণ আৰু কৰ্মৰ স্ফুৰিয়তে মানৱ সেৱাত ব্ৰতী হৈ সমকালীন ৰক্ষণশীল সমাজ ব্যৱস্থাক সংহত জীৱনী শক্তিৰে গতিশীল কৰি তুলিবলৈ এইজনা মহামানৱে যি যুগান্তকাৰী বিপ্লৱৰ সূচনা কৰিলে, সেয়া স্বদেশ আৰু স্বজাতিৰ কাৰণে সৰ্বকালৰ বাবেই মহান আদৰ্শৰ চানেকি হৈ ৰ'ল।

## জনজাতিসকলৰ ওপৰত বৈষ্ণৱ ধৰ্ম-সংস্কৃতিৰ প্ৰভাৱ

শ্ৰীমন্ত শংকৰদেৱে সমাজক আধ্যাত্মিক আৰু বৌদ্ধিকভাৱে আগবঢ়াই নিয়াৰ উদ্দেশ্যে ভালেমান উপায় আৰু কৌশল উদ্ভাৱন কৰিছিল। তাৰ ভিতৰত অসমৰ বিভিন্ন ঠাইত প্ৰতিষ্ঠা হোৱা নামঘৰ আৰু সত্ৰানুষ্ঠানসমূহ। এই অনুষ্ঠানসমূহৰ যোগেদি তেওঁৰ প্ৰৱৰ্তিত বৈষ্ণৱ ধৰ্ম বা সংস্কৃতিয়ে বাৰিষাৰ বেগৱতী নদীৰ দৰে অসমৰ সকলো জাতি-গোষ্ঠীৰ মাজত বিয়পি পৰিছিল। এনে কৰিবলৈ গাওঁতে তেওঁৰ দৃষ্টিভংগী আছিল:

*কিৰাত কছাৰী খাছি গাৰো মিৰি*
*যৱন কংক গোৱাল।*
*অসম মুলুক বৰুক তুৰুক*
*কুবাচ মেছ চণ্ডাল॥ (ভাগৱত)*

আৰো— *ব্ৰাহ্মণৰ চণ্ডালৰ,*
*নিবিচাৰি কুল,*
*দাতাত চোৰত যেন,*
*দৃষ্টি এক তুল॥* —(কীৰ্তন)

মহাপুৰুষজনাই কেৱল শাস্ত্ৰসমূহত লিপিবদ্ধ এই বাণী দিয়েই ক্ষান্ত নাছিল, অসমৰ বিভিন্ন জন-গোষ্ঠীৰ পৰা উপযুক্ত ধৰ্মাচাৰ্য সংগ্ৰহ কৰি বৈষ্ণৱ-সংস্কৃতি প্ৰচাৰৰ দায়িত্ব অৰ্পণ কৰিছিল। যাৰ ফলশ্ৰুতিতে পৰৱৰ্তী কালত তেওঁৰে পদানুসৰণ কৰোঁতাসকলৰ দ্বাৰা অসমত ছশৰো অধিক সত্ৰানুষ্ঠান আৰু গাঁৱে গাঁৱে নামঘৰ স্থাপন হোৱাৰ উপৰি উল্লেখযোগ্যভাৱে ধৰ্মাচাৰ্যও নিৰ্বাচিত হয়। গাৰোৰ : গোবিন্দ, মিৰিৰ: পৰমানন্দ, মুছলমানৰ : চান্দসাঁই, নগাৰ : নৰোত্তম আদিয়েই তাৰ জ্বলন্ত স্বাক্ষৰ বহন কৰে।

সেইদৰেই তেওঁৰ প্ৰৱৰ্তিত একশৰণ নাম-ধৰ্মলৈ আদৰি আনিছিল ভাৰতৰ চুকে-কোণে সিঁচৰতি হৈ থকা বিভিন্ন জন-গোষ্ঠীৰ ৰীতি-নীতি, সাজ-পোছাক, নৃত্য-গীত, ভাষা-সাহিত্য ইত্যাদি। উদাহৰণ স্বৰূপে 'নামঘৰ', 'মণিকূট' তাৰ ব্যৱহাৰোপযোগী বাদ্যযন্ত্ৰ-– তাল, খোল, ডবা, নেগেৰা, কাঁহ, সূত্ৰধাৰৰ সাজ-পোছাক ইত্যাদি। এইবিলাকত সেউজী ধৰাৰ লগত একাকাৰ হৈ থকা বাবে ৰহণীয়া জনজাতিসকলৰ উপাদানেই বিদ্যমান। সেয়েহে তেওঁৰ প্ৰতিষ্ঠিত সত্ৰানুষ্ঠানৰ সকলো কৃষ্টি-সংস্কৃতিতেই জনগোষ্ঠীয় প্ৰভাৱ লক্ষ্য কৰা যায়। পৰৱৰ্তী কালৰ ঠাকুৰ আতাসকলৰ সময়তো অসমৰ জনজাতিসকলৰ মাজত সত্ৰীয়া-সংস্কৃতিৰ প্ৰচাৰ-প্ৰসাৰতাত নিজকে উছৰ্গা কৰা দেখা যায়।

মহাপুৰুষ শংকৰদেৱৰ পৰিনাতি 'ৰামদেৱ' আতায়ে 'চেতুৰা' নামৰ কাৰ্বি গোষ্ঠীৰ লোকক শৰণ দি সত্ৰৰ 'বৰমেধি'ৰ বিষয়-বাব দিয়াৰ কথা তেওঁৰ জীৱন-চৰিতত উল্লেখ আছে।

আমাৰ এই লেখাটিত মাজুলীৰ বিভিন্ন জনজাতিৰ ওপৰত সত্ৰীয়া সংস্কৃতি বা শংকৰী-সংস্কৃতিৰ প্ৰভাৱ কেনেদৰে পৰিছে সেই বিষয়ে কিছু কথা আলোচনা কৰি চোৱা যাওক।

মাজুলীৰ বৰ্তমানৰ জনসংখ্যাৰ ৪০ ভাগেই জনজাতি লোক। ইয়াৰ ভিতৰত দুখন দেউৰী সম্প্ৰদায়ৰ (মাজৰ দেউৰী আৰু চিৰাম দেউৰী),এখন সোণোৱাল কছাৰী সম্প্ৰদায়ৰ (সোণোৱাল কছাৰী)

আৰু বাকী সকলোবিলাক মিচিং সম্প্ৰদায়ৰ গাঁও।

এই তিনিওটা জনগোষ্ঠী কেতিয়া কেনেকৈ আহি মাজুলীত বসবাস কৰিলেহি তাৰ কোনো সঠিক ইতিহাস নাই যদিও মহাপুৰুষ শংকৰদেৱৰ সাহিত্যত মিচিং-কছাৰী সম্প্ৰদায়ৰ কথা একাধিকবাৰ উল্লেখ থকালৈ চাই তেৰাসকলৰ ধৰ্মপ্ৰচাৰৰ সময়ৰ পৰাই এই দুই জনগোষ্ঠীয়ে ব্ৰহ্মপুত্ৰ উপত্যকাত বসতি বিস্তাৰ কৰাৰ কথা ভাবিবৰ থল আছে।

মিচিংসকলে ভৈয়ামৰ লোকসকলৰ জীৱন-নিৰ্বাহ প্ৰণালীৰ লগত চিনাকি হোৱাৰ উপৰি ভৈয়ামৰ লোকসকলৰ ধৰ্মীয় আচাৰ-অনুষ্ঠান, সত্ৰানুষ্ঠানত অনুষ্ঠিত হোৱা ভাওনা-সবাহ, নাম-প্ৰসংগৰ লগত ক্ৰমে ওচৰ চপাৰ লগে লগে পাহাৰৰ ৰীতি-নীতি, আচাৰ-অনুষ্ঠান, পৰম্পৰাগত বিশ্বাস, পালনীয় উৎসৱ-অনুষ্ঠানৰ ঠাইত তেওঁলোকৰ বহুতেই সকামবিলাকত সত্ৰীয়া আচাৰ-অনুষ্ঠানৰ ব্যৱহাৰ কৰিবলৈ লয়। মিচিংসকল যিহেতুকে পাহাৰী গাচি, পাদাম, মিয়ং, গালং আদিৰ একোটা ঠালহে। গতিকে তেওঁলোক জড়বাদী; কিন্তু ভৈয়ামৰ সত্ৰীয়া-সংস্কৃতিৰ প্ৰভাৱে তেওঁলোকৰ জড়বাদী বিশ্বাসৰ মাজতে এক-ঈশ্বৰ বিশ্বাসে ক'ব নোৱৰাকৈয়ে আত্মপ্ৰকাশ কৰে। তেওঁলোকৰ অনুষ্ঠানৰ মাজত আশীৰ্বাদ দিয়া প্ৰথা, ঘোষা-কীৰ্তনৰ ফাঁকিৰে কাৰ্য সমাধা কৰা ইত্যাদিবিলাকেই প্ৰমাণ কৰে। তদুপৰি কিবা অপায়-অমংগল ঘটিলে ওচৰৰ সত্ৰলৈ, নামঘৰলৈ অৰিহণা আগবঢোৱা ইত্যাদিৰ উপৰি মাজুলীৰ ইমূৰৰ পৰা সিমূৰলৈ বাস কৰা মিচিংসকলে তেওঁলোকৰ সকাম-নিকাম সমাধা কৰিবলৈ গাঁৱে-গাঁৱে প্ৰতিষ্ঠা কৰি লোৱা নামঘৰসমূহেও মিচিংসকলৰ ওপৰত সত্ৰানুষ্ঠান তথা বৈষ্ণৱৰ প্ৰভাৱকে সূচায়। জেংৰাইমুখ অঞ্চলত স্থাপন কৰা প্ৰখ্যাত নামঘৰ, ৰত্নপুৰ মিৰি গাঁৱত থকা তিনিটি নামঘৰ, ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে থকা মথাউৰিৰ কাষে কাষে চকুত পৰা নামঘৰসমূহে শংকৰী-সংস্কৃতিৰ প্ৰভাৱকে প্ৰমাণ কৰে।

যিহেতু জড়বাদী মিচিংসকলৰ বিশ্বাস, ভক্তিধৰ্ম আৰু এক-ঈশ্বৰ বিশ্বাসৰ পৰিপন্থী; তথাপি বহুদিনীয়া সান্নিধ্য, সামাজিক যোগাযোগ আৰু আদান-প্ৰদানৰ ফলত ভাবৰ আৰু সংস্কৃতিৰ বিনিময় ঘটিছিল। সত্ৰসমূহৰ পালনীয় উৎসৱ-পাৰ্বণবিলাক মিচিংলোকসকলৰ কাৰণেও এক বিশেষ আকৰ্ষণৰ বিষয় হৈ পৰিল। তদুপৰি মিচিং লোকসকলৰ বহুতেই মহাপুৰুষীয়া ধৰ্মত শৰণ লোৱা নিয়ম কঠোৰভাৱে মানি লোৱাৰ ফলত মিচিংসকল চেঁচো-চলিহা, বুধবাৰী-কাৰ্টনী, নমাটি, গড়মূৰ, বাসুদেৱ নৰোৱা, চামগুৰি, আউনীআটী, দক্ষিণপাট, কমলাবাৰী, বেঙেনাআটী, নৰসিংহ আদি সত্ৰলৈ গৈ শৰণীয়া হ'বলৈ লয়। তেওঁলোকে আজি নিজকে সত্ৰীয়া ভকত হিচাপে পৰিচয় দি গৌৰৱবোধ কৰে।

ওপৰত উল্লেখ কৰা গাঁওসমূহত স্থাপন হোৱা নামঘৰত মিচিংসকলৰ স্বকীয় বৈশিষ্ট্য ৰক্ষা কৰিও সত্ৰৰ দৈনন্দিন নাম-প্ৰসংগ, ভাওনা আদিও বিশেষ গুৰুত্ব আৰু মৰ্যাদাসহকাৰে পালন কৰি অহা দেখা যায়।

মাজুলীৰ বিশিষ্ট শিক্ষাবিদ তথা সমাজকৰ্মী ইন্দ্ৰেশ্বৰ পেগুৰ ভাষাৰে ক'বলৈ গ'লে — "বিশেষতঃ ভাওনা বা অংকীয়া নাট্যানুষ্ঠানৰ যোগেদি পৌৰাণিক ভাবধাৰাবোৰ, কাহিনীবোৰ, দেৱ-দেৱীৰ নাম মিচিং সমাজত জনপ্ৰিয় হৈ পৰে। ৰাম, লক্ষ্মণ, সীতা, মহাভাৰতৰ কাহিনী; তাত উল্লেখিত বীৰপুৰুষ, সতী নাৰী, যেনে— দ্ৰৌপদী, সাবিত্ৰী, দময়ন্তী আদি মহান চৰিত্ৰসমূহ সত্ৰীয়া কলা-কৃষ্টিৰ যোগেদি মিচিং সমাজত জনপ্ৰিয় হৈ পৰে। .... "সকাম-নিকাম, পূজা পাতল ৰাজহুৱা কাৰ্যবোৰত 'জয়ধ্বনি'ৰে আশীৰ্বাদ দিয়া প্ৰথা সত্ৰসমূহৰ প্ৰভাৱৰ ফল।..... সেইদৰেই বিহুত ডাঙৰক সেৱা কৰা, সেৱাত আশীৰ্বাদ দিয়া প্ৰথাও একমাত্ৰ সত্ৰীয়া-সংস্কৃতিৰেই ফল।"

অসমৰ বৃহত্তম অন্য এক সাংস্কৃতিক অনুষ্ঠান শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ছত্ৰছাঁয়াৰ তলতো ভালেমান মিচিংলোকে শৰণ ভজন গ্ৰহণ কৰি মহাপুৰুষীয়া আৰ্হিৰে আচাৰ-অনুষ্ঠান পালন কৰিও ভালেমান মিচিংলোকক ইয়াৰ মাজলৈ আকৰ্ষিত হৈছে। উদাহৰণ স্বৰূপে ফুলনি আৰু চেৰপাইত সেইসকলৰ দ্বাৰা স্থাপন কৰা নামঘৰ আৰু নামঘৰবোৰত সময়ে সময়ে পালন কৰি অহা অনুষ্ঠানসমূহক মিচিংসকলে কিমান আন্তৰিকতাৰে গ্ৰহণ কৰিছে তাৰেই প্ৰত্যক্ষ প্ৰমাণ।

সেয়েহে সাম্প্ৰতিক মিচিং ধৰ্ম আৰু সংস্কৃতিৰ প্ৰাচীন জড়বাদী ৰূপ সংশোধিত হৈ সত্ৰীয়া চিন্তাধাৰাৰ লগত সংযোজন ঘটি বৰ্তমান ৰূপত গঢ় লৈ উঠাৰ বাবেই সত্ৰীয়া-সংস্কৃতিৰ প্ৰতি থকা প্ৰগাঢ় ভক্তি আৰু একান্তিক সুদৃঢ় ভেঁটিক আজিকোপতি কোনো অসমৰ মাটি-পানীৰ সম্পৰ্কহীন ধৰ্মই নিৰ্দিষ্ট গোজৰ পৰা লৰাব পৰা নাই।

সেইদৰেই দেউৰীসকলো মাজুলীৰ জনজাতিসকলৰ অন্য এক অন্যতম জনগোষ্ঠী। দেউৰীসকলৰ আদি বাসস্থান শদিয়া বা 'কুণ্ডিল'। এওঁলোকে নিজকে শদিয়াৰ ৰজা ভীষ্মকৰ অৰ্থাৎ চুতীয়াসকলৰ বংশধৰ

বুলি পৰিচয় দিয়ে। এওঁলোক শাক্তধৰ্মী আৰু তেওঁলোকৰ উপাস্য দেৱতা 'কুণ্ডিমামা'।

শদিয়াৰ পৰা ভৈয়ামলৈ আহোঁতে এওঁলোক চাৰিটা ঠালত বিভক্ত হয়। এইকেইটা হ'ল— ১। বৰগঞা, ২। দিবঙীয়া, ৩। বতৰগঞা, ৪। টেঙাপনীয়া। ইয়াৰে মাজুলীত কেৱল দিবঙীয়া ফৈদৰ লোকসকলহে দুখন গাঁৱত বিভক্ত হৈ বাস কৰিছে। এই দুখন গাঁও হ'ল— জেংৰাই নতুন বজাৰৰ মাজত অৱস্থিত 'মাজদেউৰী গাঁও' আৰু মুদৈবিল ভকতিদুৱাৰ গাঁৱৰ মাজত অৱস্থিত 'চিৰিৰাম বা চিৰাম দেউৰী গাঁও'।

ওপৰত কৈ অহা হৈছে যে দেউৰীসকল প্ৰধানতঃ শাক্ত ধৰ্মাৱলম্বী। তেওঁলোকে গোসাঁনী থানতে তেওঁলোকৰ ধৰ্মীয় সকলো কাম-কাজ সমাধা কৰে যদিও অসমৰ ভৈয়ামলৈ আহি নিজৰ বৈশিষ্ট্য কিছু পৰিহাৰ কৰি সত্ৰীয়া-সংস্কৃতিৰ প্ৰভাৱেৰে প্ৰভাৱিত নোহোৱাকৈ থকা নাই। পাহাৰ এৰি ভৈয়ামলৈ আহি যিদৰে মিচিংসকলে ভৈয়ামৰ লোকসকলৰ আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, চলন-ফুৰণ, ধৰ্মবিশ্বাস আদিৰ লগত ক'ব নোৱৰাকৈয়ে একাত্মতাবোধ কৰিলে, সেইদৰেই দেউৰীসকলেও ভৈয়ামৰ সমাজৰ লগত বহুদিনীয়া যোগাযোগ, মিলা-প্ৰীতি, সহাৱস্থানেও তেওঁলোকক এইসকলৰ ওচৰ চপাই নিয়াৰ কথা অনুভৱ নকৰা হ'ল। কালক্ৰমত ভৈয়ামৰ লোকসকলৰ সত্ৰীয়া-সংস্কৃতিৰ প্ৰতি থকা প্ৰগাঢ় ভক্তি, সত্ৰানুষ্ঠানৰ বিভিন্ন উৎসৱ-পাৰ্বণ, ভাওনা-সবাহ ইত্যাদিৰ লগত দেউৰীসকলো একাত্ম হৈ পৰিল। যাৰ ফলত তেওঁলোকৰ বহুতেই দেউৰীৰ পৰম্পৰা এৰি দি সম্পূৰ্ণ সত্ৰীয়া আৰ্হিৰে শৰণ-ভজন, মালা-মন্ত্ৰ, সত্ৰীয়া ধৰ্মীয় আচাৰ গ্ৰহণ কৰি ভকতীয়া পন্থাৰ জীৱন যাপন কৰিবলৈ ল'লে। সেয়েহে এনে লোক মাজুলীৰ গাঁওকেইখনত বিদ্যমান।

সেইদৰেই মাঘবিহুৰ দিনা মাজুলীৰ গাতে থকা ঢকুৱাখনাৰ বাসুদেৱথান নৰোৱা সত্ৰলৈ শ শ দেউৰী সম্প্ৰদায়ৰ লোক গৈ ভক্তি নিবেদন কৰাটোৱে মহাপুৰুষীয়া সত্ৰ-সংস্কৃতিয়ে ক'ব নোৱৰাকৈয়ে সেইসকলক কেনেদৰে আকোঁৱালি লৈছে তাৰে এক জ্বলন্ত স্বাক্ষৰ বহন কৰে।

চিৰাম দেউৰী গাঁওখন পূৰ্বৰ পৰাই সত্ৰীয়া-সংস্কৃতিৰ লগত ঘনিষ্ঠ। ওচৰতে থকা এলেঙি নৰসিংহ সত্ৰ, টকৌবাৰী সত্ৰ, বাঁহজেঙনি সত্ৰৰ সময়ে সময়ে পালনীয় উৎসৱ-পাৰ্বণ, ভাওনা-সবাহে এই গাঁওখনক অতি আপোন কৰি লোৱাৰ উপৰি সত্ৰসমূহত পালন কৰা উৎসৱত যেন এওঁলোক এক অভিন্ন অংশ বিশেষহে! তদুপৰি সেই গাঁৱৰে উদীয়মান যুৱক বৰ্তমান বঙাইগাঁৱৰ তেল শোধনাগাৰৰ কৰ্মচাৰী ধৰ্মকান্ত দেউৰীৰ পৰা পোৱা তথ্য অনুসৰি ঢকুৱাখনাস্থিত শ্ৰীশ্ৰীবাসুদেৱথান নৰোৱা সত্ৰৰ প্ৰয়াত সত্ৰাধিকাৰ শ্ৰীশ্ৰী৺মুক্তিনাথদেৱ গোস্বামীৰ লগত চিৰাম দেউৰী গাঁওবাসীৰ এনে মধুৰ আন্তৰিক সম্বন্ধ আছিল যে, তেখেত নাৱেৰে যেতিয়া 'চহৰ'লৈ আহে, গাঁৱৰ ৰাইজে শুকানসুঁতিৰ বালিত তেখেতৰ কাৰণে বহা সাজে আৰু সেই বহাতে তেখেতে ভকতসহ ১০--১২ দিন অতি আনন্দেৰে কটায়। এইকেইদিনত যাৰ যেনে অভিলাষ আছে, অভিলাষ পূৰ্ণ হোৱাৰ কামনাৰে একোটাকৈ ৰোজ বা সিধা আগবঢ়াই নিজৰ ভক্তি নিৱেদন কৰে। সত্ৰাধিকা-গৰাকীয়েও সকলোৰে প্ৰতি মৰম-কৃতজ্ঞতাৰ চিন স্বৰূপে সকলোকে আনন্দ দিয়াৰ উদ্দেশ্যে ৰাইজে আগবঢ়োৱা সিধাৰে একোটা ভোজ পৰিৱেশন কৰে। সত্ৰাধিকাৰগৰাকীয়ে গাঁৱৰ পৰা বিদায় লোৱাৰ আগদিনা ৰাতি এটি ভাওনা অনুষ্ঠিত কৰি সকলোকে আধ্যাত্মিক, সাংস্কৃতিক জগতখনলৈ একোবাৰ মনত পেলাবলৈ আহ্বান জনাইছিল।

এই ছবিখনে শাক্তপ্ৰধান দেউৰী গাঁওখনত বৈষ্ণৱৰ সেৱক, তাতে সত্ৰীয়া-সংস্কৃতিৰ সাধকজনাৰ প্ৰতি দেখুওৱা শ্ৰদ্ধা-ভক্তিয়ে দেউৰী সম্প্ৰদায়ৰ লোকসকলৰ সত্ৰীয়া-সংস্কৃতিৰ প্ৰতি থকা প্ৰগাঢ় ভক্তি আৰু শ্ৰদ্ধাৰ কথাকে সোঁৱৰাই দিয়ে।

সেইদৰে বালিদেউৰী গাঁৱত (এইখন গাঁও মাজুলীৰ গাতে লাগি থকা খেৰকটীয়া নৈৰ পাৰত) প্ৰতিবছৰ লক্ষ্মীপূজাৰ দিনা আয়োজন কৰা ভাওনা অনুষ্ঠানেও সত্ৰীয়া-সংস্কৃতিৰ প্ৰতি থকা দেউৰী সম্প্ৰদায়ৰ আকৰ্ষণ আৰু সত্ৰীয়া-সংস্কৃতিয়ে দেউৰী জনগোষ্ঠীক কেনেদৰে এৰাব নোৱৰা এনাজৰীৰে বান্ধি ৰাখিছে তাৰ উমান দিয়ে।

উজনি মাজুলীৰ হালধিবাৰী আৰু চিকাৰী গাঁৱৰ মাজত একমাত্ৰ কছাৰী সম্প্ৰদায়ৰ 'সোণোৱাল কছাৰী গাঁও'খন অৱস্থিত। একমাত্ৰ সোণোৱাল কছাৰী সম্প্ৰদায়ৰ গাঁও হিচাপে এই গাঁওখনৰ কিছু গুৰুত্ব আছে। ব্ৰহ্মপুত্ৰৰ পূব দিশত মাজুলীৰ জন্মকালৰ পৰাই সংগ্ৰাম কৰি অহা এই গাঁওখনৰ পূৰ্বপুৰুষসকল শদিয়াৰ পৰা অহা। কোনো কোনো পৰিয়াল ঢকুৱাখনা মহকুমাৰ পুৰণা বাঘচুক কছাৰী গাঁৱৰ পৰা অহা। বুৰঞ্জীয়ে কয় এওঁলোক শদিয়াৰ পৰা ব্ৰহ্মপুত্ৰ আৰু সোৱনশিৰি নদীত

একমাত্ৰ সোণ-কমোৱাৰ উদ্দেশ্যেৰে আহিছিল আৰু কালক্ৰমত সেই সেই অঞ্চলত ভৈয়ামৰ জনসাধাৰণৰ লগত তেওঁলোকৰ সাংস্কৃতিক বিনিময় ঘটিছিল।

সোণোৱাল কছাৰী লোকসকল শান্ত প্ৰকৃতিৰ। এওঁলোকে অন্য ব্যৱসায়তকৈ নিজৰ ওপৰত নিজে নিৰ্ভৰশীল হৈ খেতি-বাতি কৰিহে ভাল পোৱা লোক। কথা-বতৰাত সহজ-সৰল আৰু অজনজাতিসকলৰ মাজত বিশেষ পাৰ্থক্য নাই বুলিলেও হয়। পোনপটীয়া, অকৃত্ৰিম ব্যৱহাৰেই এই সম্প্ৰদায়ৰ অন্য এক পৰিচয়। প্ৰায় ১৫০ ঘৰ জনবসতিৰে পূৰ্বৰ বজ্ৰপাল বা বজ্ৰধ্বজ ৰজাৰ জী ৰূপহী আইৰ নামেৰে 'ৰূপহীবিল'ৰ সেউজী বননিত প্ৰকৃতিসুলভ জীৱন-যাপন কৰা লোকসকলেই সোণোৱাল কছাৰী লোক বুলি প্ৰবাদ আছে।

ধৰ্মবিশ্বাস এই জনগোষ্ঠীৰ অনেক থাকিলেও, সকলোৱে তেওঁলোকৰ পৰম্পৰাগত আৰাধ্য দেৱতা 'বাথৌ'কে বিশ্বাস কৰে। বাথৌ দেৱতাৰ কাৰণে তেওঁলোকৰ সুকীয়া মন্দিৰ আছে। এই মন্দিৰত বছৰৰ মূৰত পৰম্পৰাগত পূজা কৰিও বহুকাল ধৰি সত্ৰীয়া-সংস্কৃতিৰ লগত তেওঁলোকৰ পৰিচয়, যোগাযোগ আদিৰ দ্বাৰা আৰু সত্ৰীয়া পৰম্পৰাৰ লগত বহুদিনীয়া পৰিচয়ৰ দ্বাৰা এই সম্প্ৰদায়ৰ লোকসকলো ক'ব নোৱাৰাকৈয়ে সত্ৰীয়া-সংস্কৃতিৰ মাজত সোমাই পৰে। উদাহৰণ স্বৰূপে গাঁওখনৰ সকলোলোকেই আউনীআটী সত্ৰৰ শিষ্যত্ব গ্ৰহণ কৰিছে আৰু গাঁওখনত দুটা নামঘৰ প্ৰতিষ্ঠা কৰি সকলোৱে সত্ৰীয়া পৰম্পৰাৰে আচাৰ-অনুষ্ঠান সম্পাদন কৰে। সেই নামঘৰতে দুজনা গুৰুৰ তিথি, বাৰ্ষিক সবাহ, নাম-প্ৰসংগ, ভাওনা আদিৰ যোগেদি সম্পূৰ্ণ সত্ৰীয়া-সংস্কৃতিক আদৰি লৈ গাঁওবাসীয়ে ধন্য মানিছে।

মাজুলীৰ জনজাতিসকলৰ মাজলৈ সোমাই গ'লে, মাজুলীৰ বাহিৰৰ জনজাতিসকলৰ মাজত এইসকলৰ চিনাকি সুকীয়াকৈ ধৰা পৰে। আচাৰ-ব্যৱহাৰ, মাত-কথা, চলন-ফুৰণ এই আটাইবোৰতে এক সংস্কৃত আৰু পৰিমাৰ্জিত ৰূপ চকুত ধৰা দিয়ে। এই পৰিমাৰ্জিত আৰু শালীনতা বৈষ্ণৱ-সংস্কৃতিৰ প্ৰভাৱে মাজুলীৰ জনজাতিসকলক অন্য এক দিক্ দৰ্শনৰ নিৰ্ণায়কৰ ভূমিকা গ্ৰহণ কৰিছে বুলি অভিহিত কৰিব পাৰি। ইন্দ্ৰেশ্বৰ পেগুদেৱৰ ভাষাৰে ক'ব পাৰি— "For the influence of the Satras these tribal communities of Majuli are living with mutual co-existence with tolerance and communal harmony. Inspite of devasting natural calamities they continue to survive through wear and tear."

মাজুলীৰ জপংচুকৰ পৰা আঁহতগুৰি-কৰতিপাৰলৈকে বিস্তাৰিত হৈ থকা বিভিন্ন জনজাতিসকলৰ গাঁও আৰু এই গাঁওসমূহত বিৰাজ কৰি থকা মহাপুৰুষৰ অভিনৱ নামঘৰসমূহেই বহুধা বিভক্ত অসমীয়া সমাজখনক 'এক সমাজ', 'এক-হৃদয়', 'এক-প্ৰাণ'ৰ দৰে অসমক উন্নতিৰ পথত আগুৱাই নিয়াৰ বাবে প্ৰেৰণা যোগায়। জনজাতি সম্প্ৰদায়ৰ ভালেমান ৰথব্যেলোকে ভগ্নপ্ৰায় অসমীয়া জাতীয় সত্তাটোক জোৰা লগোৱাৰ উদ্দেশ্যে আপ্ৰাণ চেষ্টা কৰিছে। তাৰ ভিতৰত— জেংৰাইমুখৰ শ্ৰদ্ধেয় ইন্দ্ৰেশ্বৰ পেগুৱে ভেখেতৰ সহযোগীসহ ১৯৬১ খ্ৰীঃত স্থাপন কৰা জেংৰাইমুখৰ 'শ্ৰীমন্তশংকৰ মন্দিৰেই' জেংৰাইমুখত শিপাবলৈ লোৱা খ্ৰীষ্টানধৰ্ম অধিক প্ৰচাৰ প্ৰতিহত কৰাত সহায়ক হৈছে। ইয়াৰ উপৰি জনসাধাৰণক সংস্কাৰমুখী কৰাতো প্ৰভূত বৰঙণি আগবঢ়াইছে। একেদৰেই চিৰাম দেউৰী আৰু মাজৰ দেউৰী গাঁও দুখনৰ উপৰি সোণোৱাল কছাৰী গাঁৱত প্ৰতিষ্ঠা হোৱা নামঘৰসমূহে মহাপুৰুষীয়া সংস্কৃতিক চেৰাই অন্য ধৰ্মৰ প্ৰতি আকৰ্ষিত হোৱাৰ পৰা ৰক্ষা প্ৰদান কৰিছে।

যুগ যুগ ধৰি ধৰ্মীয়-সাংস্কৃতিক ডোলেৰে বান্ধ খাই থকা এই পৰম্পৰাক কোনো কাৰণ, কোনো পৰিস্থিতিতে মাজুলীৰ জনজাতিসকলে এই বৈষ্ণৱ-সংস্কৃতিৰ প্ৰভাৱ পৰিহাৰ কৰিব নোখোজে; বৰঞ্চ সংস্কৃতিৰ নতুন নতুন খোজেৰে নিজকে আগবঢ়াই নিয়াৰ বাবে যত্ন কৰাৰ লগতে তেওঁলোকে অসমৰ সাংস্কৃতিক জগতখনৰ সমন্বয় সাধনৰ নিমিত্তে নিজকে উৎসৰ্গা কৰাৰ বাবে অগ্ৰসৰ হৈছে। ইয়ে মাজুলীৰ বাৰে-বৰণীয়া সংস্কৃতিৰ ভঁৰালত সোণত-সুৱগা চৰাইছে।

## সহায় লোৱা গ্ৰন্থ :


১। যোৰহাট ২০০

২। স্মৰণিকা, 'সত্ৰীয়া-সংস্কৃতি-চৰ্চা, সমাৱেশ'।

৩। The Tribal Community of the Majuli Island.

৪। 'আকাশী গংগা', অসম সত্ৰ মহাসভা।

৫। 'শ্ৰীমন্ত শংকৰদেৱ :: কৃতি আৰু কৃতিত্ব', শ্ৰীশিৱনাথ বৰ্মন।

৬। ভাগৱত; ৭। কীৰ্তন ৮। 'ভকতি', স্মৃতিগ্ৰন্থ।

## মাজুলীৰ এটি আৰ্থিক সমীক্ষা

একালত ব্ৰহ্মপুত্ৰ নদীৰ গতিপথৰ পৰিৱৰ্তনৰ ফলত সৃষ্টি হোৱা মাজুলী বৰ্তমান যোৰহাট জিলাৰ এটি মহকুমা আৰু পৃথিৱীৰ ভিতৰতে মানুহ বাস কৰা বৃহত্তম নদী-দ্বীপ। ব্ৰহ্মপুত্ৰ আৰু লুইত-খেৰকটীয়া সুঁতিৰ ৮৮০ বৰ্গ কিল'মিটাৰ নদী-দ্বীপটোৰ সৃষ্টিৰ সময়ত মাটিকালি বৰ্তমানতকৈ বহু পৰিমাণে বেছি আছিল। একালত শস্য-মৎস্যৰে ভৰপূৰ মাজুলী আছিল অফুৰন্ত ভোগৰ ঠাই। উভৈনদীকৈ পোৱা মাজুলীৰ মাছ-গাখীৰ অসমৰ আন অঞ্চলৰ লোকে উৎকৃষ্ট বুলি গণ্য কৰিছিল। কুৰি শতিকাৰ আৰম্ভণিলৈকে নিমখ আৰু কেৰাচিন তেলৰ বাহিৰে অন্যান্য দৈনন্দিন প্ৰয়োজনীয় দ্ৰব্য ইয়াৰ লোকসকলে ঘৰতে বা একোখন গাঁৱতে উৎপাদন কৰিছিল। একেদৰে গৃহনিৰ্মাণ সামগ্ৰী, যেনে— বাঁহ, বেত, ইকৰা, খেৰ, কাঠ আদি দ্বীপটোত থকা হাবি-জংঘলত অপৰ্যাপ্ত পৰিমাণে পোৱা গৈছিল। বজাৰ-অৰ্থনীতিলৈ ধাৱমান নোহোৱা কৃষি আৰু ইয়াৰ আনুষংগিক কৰ্মৰাজিৰে সমৃদ্ধ মাজুলী আছিল আবদ্ধ-অৰ্থনীতি ব্যৱস্থাৰ অন্যতম উদাহৰণ; কিন্তু বৰ্তমান মাজুলীত পূৰ্বৰ ভোগৰ ঠাইত দুবেলা-দুমুঠি খাবলৈ নোপোৱা, মাটিবাৰী সমস্ত হেৰুৱাই মথাউৰিত সৰু সৰু চালি দি বাস কৰা লোকৰ সংখ্যা দিনক-দিনে বৃদ্ধি পাইছে। উভৈনদীকৈ মাছ উৎপাদন হোৱা মাজুলীত অন্ধ্ৰপ্ৰদেশৰ পৰা অহা মাছ বজাৰত বিক্ৰী হয়। পঞ্জাব-হাৰিয়ানাৰ পৰা অহা চাউলেৰে মাজুলীৰ বহুলোকৰ ভাতমুঠি হয়। যোৱা শতিকাৰ ষাঠি দশকলৈকে হাবি-জংঘলে ভৰা, বনৰীয়া হাতী,ম'হ, বাঘ, হৰিণ আদি বনৰীয়া জীৱ-জন্তুৰো বাসস্থান আছিল; কিন্তু তাৰ ঠাইত মাজুলীত বৰ্তমান মুকলি বালিময় পথাৰহে দেখা পোৱা যায়। আনকি দৈনন্দিন ৰন্ধনত ব্যৱহাৰ কৰা খৰি-খেৰৰ অতিপাত নাটনিৰ ফলত দুখীয়া লোক-সকলৰ সন্মুখত ডাঙৰ প্ৰত্যাহ্বান আহি পৰিছে। পাৰ হৈ যোৱা ১০০ বছৰত মাজুলীৰ মাজুলী ভূ-খণ্ডৰ ৪৪৫.৫১ বৰ্গ কিল'মিটাৰ মাটি নদীৰ বুকুত জাহ গ'ল। বৰ্তমান মাজুলী এনে এটি সন্ধিক্ষণত উপনীত হৈছে যে ইয়াৰ স্থায়িত্ব সম্পৰ্কে মাজুলীবাসীক সন্দিহান কৰি তুলিছে। এনে অস্থিৰ আৰ্থিক অৱস্থাৰ এটি থূলমূল খতিয়ান দাঙি ধৰাৰ প্ৰয়াসেৰে এই লেখনি যুগুত কৰা হৈছে। তুলনামূলক বিশ্লেষণৰ বাবে অতীতৰ কিছু তথ্য ইয়াত উল্লেখ কৰা হৈছে।

আৰ্থিক সম্পদ বা আহিলাবোৰৰ মূল্যাংকনৰ দ্বাৰা দেশ বা অঞ্চলৰ আৰ্থিক অৱস্থা নিৰ্ণয় কৰা হয়। কৃষিপ্ৰধান অঞ্চলত কৃষি-ভূমিয়েই হ'ল অত্যন্ত লাগতিয়াল সম্পদ। মাজুলী যিহেতু নদীয়ে সৃষ্টি কৰা দ্বীপ; ইয়াৰ আৰ্থিক অৱস্থা ব্ৰহ্মপুত্ৰ নদীয়েই নিৰ্ণয় কৰি আহিছে। বাৰিষা বানপানীৰ দ্বাৰা কৃষি-ভূমি পলসুৱা কৰা, গৰু-ম'হ পুহিবৰ কাৰণে চৰ-চাপৰি আৰু মাছ উৎপাদনৰ কাৰণে নদী, সুঁতি আৰু বিলৰ সৃষ্টি কৰা আদি সকলোবোৰ ব্ৰহ্মপুত্ৰ নদীৰ অৱদান। এই ইয়াত আলোচনাৰ সুবিধাৰ কাৰণে আৰ্থিক সম্পদৰাজি তলত দিয়াৰ দৰে ভাগ কৰা হৈছে।

১) ভূমি সম্পদ, ২) জলজ সম্পদ, ৩) বান-নিয়ন্ত্ৰণ, ৪) মানৱ সম্পদ, ৫) শিক্ষা ব্যৱস্থা, ৬) শিল্প, ৭) যাতায়াত আৰু ৮) বজাৰ ব্যৱস্থা।

**ভূমি :** পাহাৰীয়া বা তেনে কোনো উচ্চভূমি নথকাৰ কাৰণে মাজুলী দ্বীপটোৱেই এখন সমভূমি। ইয়াত অৱস্থিত এখন নৈ, কেইবাটাও নদী-নলা বা জান ব্ৰহ্মপুত্ৰৰ মূল সুঁতিৰ লগত সংলগ্ন হৈ আছে। বাৰিষা এই নদীসুঁতিবোৰ পানীৰে উপচি পৰি ব্ৰহ্মপুত্ৰৰ পানীৰ লগ হৈ বানপানীৰ সৃষ্টি কৰে। অৱশ্যে এনেকৈ বছৰি হোৱা বানপানীয়ে ১৯৫০ চনৰ আগলৈকে তেনে কোনো সমস্যাৰ সৃষ্টি কৰা নাছিল; বৰঞ্চ দ্বীপটোৰ শস্যভূমি পলসুৱাহে কৰিছিল। অঞ্চলভেদে দ্বীপটোৰ ভূমিৰ গুণাগুণৰ তাৰতম্য আছে। উজনি মাজুলীৰ মাটিভাগ ওখ আৰু পুৰণি পলসুৱা মাটি। মধ্য অংশৰ মাটিভাগ নতুন পলসুৱা, উচ্চতা ক্ৰমান্বয়ে হ্ৰাস পাইছে। নামনি মাজুলীৰ মাটিভাগ নতুন পলসুৱা আৰু নিম্নভূমি। এনেকুৱা ভূমিৰ গুণাগুণৰ ভিন্নতাই শস্য উৎপাদন প্ৰণালীৰ তাৰতম্য নিৰ্ণয় কৰিছে।

১৮৫৩ চনৰ মিলছৰ ৰিপৰ্টত উল্লেখ কৰা আছে যে ভালকৈ শস্য উৎপাদন কৰি বহুলোকৰ বসতিস্থান দ্বীপটোৰ বৰ্তমান বেছিভাগ ভূমিয়েই ঘন বাঁহ-বন আৰু জংঘলেৰে ভৰা। দ্বীপটোৰ সৰ্বমুঠ ভূমিৰ ২৮২, ১৬৫ একৰ অৰ্থাৎ ১১৪২ বৰ্গ কিল'মিটাৰৰ ভিতৰত ৭৪৪৬ একৰ মাটিৰহে খাজনা দিয়া হৈছিল। সম্ভৱতঃ প্ৰাকৃতিক কাৰণত সেই সময়ত জনবসতি একেবাৰে সেৰেঙা আছিল আৰু কৃষিভূমিৰ পৰিমাণ

কম আছিল। আনহাতে চৰকাৰীভাৱে উল্লেখিত তথ্যত আমি দেখিম যে ১৯০১ খ্ৰী:ত দ্বীপটোৰ মাটিকালি আছিল ১৩২৫.৫১ বৰ্গ কিল'মিটাৰ; অৰ্থাৎ প্ৰায় ৫০ বছৰৰ ভিতৰত প্ৰায় ১৮৩.৫১ বৰ্গ কিল'মিটাৰ ভূমি ব্ৰহ্মপুত্ৰ নদীয়ে চাপৰিৰ দ্বাৰা দ্বীপটোত সংযোগ কৰিছিল। আকৌ যোৱা এশ বছৰত দ্বীপটোৰ ৪৪৫.৫১ বৰ্গ কিল'মিটাৰ ভূমি নদীৰ বুকুত জাহ গৈছে, অৰ্থাৎ বৰ্তমান মাজুলীৰ মাটিকালি হ'ল ৮৮০ বৰ্গ কিল'মিটাৰ। অৱশ্যে ১৯৫০ খ্ৰী:লৈকে দ্বীপটোৰ ভূমিৰ পৰিমাণ প্ৰায় একে আছিল। পঞ্চাশৰ প্ৰলয়ংকৰী ভূমিকম্পৰ পিছৰ পৰা ব্ৰহ্মপুত্ৰৰ গভীৰতা হ্ৰাস হোৱাৰ ফলত পিছৰ দশকত (১৯৫১-৬১ খ্ৰী:) প্ৰায় ৪০০ বৰ্গ কিল'মিটাৰ দ্বীপটোৰ ভূমি ব্ৰহ্মপুত্ৰত বিলীন হ'ল। একেদৰে ১৯৬১-৭১ খ্ৰী:ৰ দশকত দ্বীপটোৰ ৫বৰ্গ কিল'মিটাৰ ভূমি নদীয়ে খহাই নিয়ে। ১৯৭১ খ্ৰী:ৰ পৰা ১৯৯১ খ্ৰী:লৈ মাজুলীৰ মাটিৰ পৰিমাণ প্ৰায় একে আছিল। পুনৰ ১৯৯১—৯৯ খ্ৰী:ৰ ভিতৰত ৪৪.৬০ বৰ্গ কিল'মিটাৰ ভূমি ব্ৰহ্মপুত্ৰৰ বুকুত জাহ যায়। কেৱল সেয়ে নহয়, কমলাবাৰী মৌজাৰ চুমৈমাৰী অঞ্চলৰ পৰা দৰিয়া ডুবিলৈ বৰ্তমান বাৰিষাকালত যি সুঁতি সৃষ্টি হৈছে সিয়ে এই অঞ্চলৰ বৃহৎ এলেকা এটা বালিয়ে পুতি কৃষিৰ অনুপযোগী কৰিছে। একেদৰে আঁহতগুৰি মৌজাৰ বাঘগাঁও অঞ্চলৰ মাজেদি সোৱণশিৰী নদীলৈ যি সুঁতিৰ সৃষ্টি হৈছে তাৰ ফলত মৌজাটোৰ নামনি ভাগ সৰু এটি মাজুলী দ্বীপলৈ ৰূপান্তৰিত হৈছে। তলত দিয়া তালিকাত যোৱা এশ বছৰত মাজুলীৰ মাটিৰ পৰিমাণ আৰু জনসংখ্যাৰ ঘনত্ব দেখুওৱা হৈছে।

*তালিকা— ১

মাটিকালি আৰু জনসংখ্যাৰ ঘনত্ব (১৯০১--১৯৯৯ খ্ৰী:)

| দশক | মাটিকালি (বৰ্গ কি: মি:) | জনসংখ্যাৰ ঘনত্ব |
|---|---|---|
| ১৯০১ | ১৩২৫.৫১ | ২৪ |
| ১৯৪১ | ১৩২৫.৫১ | ৫৭ |
| ১৯৫১ | ১৩২৩.৪৮ | ৬১ |
| ১৯৬১ | ৯২৯.৮০ | ১০১ |
| ১৯৭১ | ৯২৪.৬০ | ১০১ |
| ১৯৯১ | ৯২৪.৬০ | ১৪৬ |
| ১৯৯৯ | ৮৮০.০০ | ১৭৪ |

উৎস : মাজুলীৰ এছ. ডি. ও. অফিচ, কমলাবাৰী।

*১৯৭১ চনৰ পিয়লত আঁহতগুৰি মৌজাৰ ৭খন গাঁও প্ৰশাসনিক সুবিধাৰ কাৰণে মাজুলীৰ পৰা কাটি [illegible] জিলাৰ লগত চামিল কৰা হৈছিল।

বৰ্তমান দ্বীপটোৰ শস্য-ভূমি ব্যৱহাৰৰ কিছু তথ্য তলৰ তালিকাত দিয়া হ'ল।

তালিকা – ২

শস্যভূমিৰ ব্যৱহাৰ (১৯৯৮-৯৯)

| মাটিৰ পৰিমাণ (হেক্টৰ) | | শতকৰা ভাগ |
|---|---|---|
| ১। মুঠ মাটিৰ পৰিমাণ | : ৮৮০০০ | — |
| ২। কৃষি উপযোগী মাটি | : ৩০৫৫৬ | ৩৪.৭২ (মুঠ মাটিৰ) |
| ৩। প্ৰকৃত কৃষিত ব্যৱহৃত মাটি | : ২৮৪৫২ | ৯৮.৪২ (মুঠ শস্যভূমি) |
| ৪। সৰ্বমুঠ শস্যভূমি | : ৫৩৬৮৯ | |
| ৫। শস্যভূমি ব্যৱহাৰৰ সূচাংক | : ১৮৯ | |
| ৬। কৃষিভূমি গড় | : ০.৯৫ | |

উৎস : কৃষি বিভাগ, মাজুলী

কৃষি ব্যৱস্থা : কৃষিজীৱী লোকৰ জীৱন ধাৰণৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হ'ল কৃষি ব্যৱস্থা। একেদৰে কোনো এটা অঞ্চলত শস্যানুসৰণ নিৰ্ভৰ কৰে কৃষক পৰিয়ালৰ খাদ্যাভ্যাস, ভৌগোলিক স্থিতি আৰু আৰ্থ-সামাজিক ব্যৱস্থাৰ। দ্বীপটোত অতীজৰে পৰা কৃষকসকলে আহুধানৰ খেতি, মাটিমাহ, সৰিয়হ, আলু আদিৰ খেতি কৰিছিল বুলি অনুমান কৰিব পাৰি। পিছলৈ কিছু অংশত (বিশেষকৈ উজনি মাজুলীত) শালিধানৰ খেতি কৰিবলৈ শিকিছিল। যোৱা শতিকাৰ সত্তৰ দশকত মাজুলীত ঘেঁহুখেতি আৰু মটৰ মাহৰ খেতি কৰি কৃষক অধিক লাভৱান হৈছিল। বৰ্তমান একেডৰা মাটিতে দুটা বা অধিক শস্য উৎপাদন কৰা প্ৰযুক্তি কৌশল কিছু সংখ্যক কৃষকে ব্যৱহাৰ কৰিবলৈ লৈছে। মাজুলীৰ শস্যানুসৰণৰ প্ৰধান ভাগকেইটা এনে ধৰণৰ—

১। আহুধান → সৰিয়হ/মাটিমাহ/ঘেঁহু
২। বাও/শালিধান → মটৰ/ঘেঁহু
৩। আলু/নহৰু/শাক-পাচলি।

জলজ সম্পদ : দ্বীপটোৰ চাৰিওকাষে থকা ব্ৰহ্মপুত্ৰ নদীৰ বাহিৰেও কেইবাটাও নদীসুঁতি, জান আৰু অসংখ্য বিল আছে। টুনী নৈ হৈছে ব্ৰহ্মপুত্ৰৰ প্ৰধান সুঁতি। ইয়াৰ বাহিৰেও দীঘলগাৰা, শুকানসুঁতি, ছিদিজান, গজলা, লেতেৰাজান, বালিয়াসুঁতি আৰু কলাকটা দ্বীপটোৰ উল্লেখনীয় নদীসুঁতি-জান। বিলৰ ভিতৰত বৰঘুলি, লেতেৰা, মণিহাৰা, ভকতিবিল, পূৰ্ণিয়া, চন্দামাৰা, কাকৰিকটা, পচতীয়া, দীঘলী, বৰবিল আৰু চৰাইচুৰা বিলেই প্ৰধান। যোৱা শতিকাৰ আশী দশক মানলৈকে এই নদীসুঁতি আৰু বিলবোৰত প্ৰচুৰ মাছ পোৱা গৈছিল। সেয়েহে দ্বীপটো মাছৰ বাবে বিখ্যাত আছিল। অতীজৰ পৰাই মাজুলীৰ বহু পৰিমাণৰ মাছ যোৰহাট আৰু শিৱসাগৰ নগৰলৈ পঠোৱা হয়। ইয়াৰ বাহিৰেও এই বিলবিলাক নানা প্ৰজাতিৰ বনৰীয়া চৰাইৰ বিচৰণ থলী; কিন্তু ক্ৰমান্বয়ে বিল, নদীসুঁতিসমূহ বাম হৈ অহাত আৰু বিবেচনাহীনভাৱে মাছ ধৰাৰ কৌশল ব্যৱহাৰ কৰাৰ ফলত বৰ্তমান মাজুলীত মাছৰ উৎপাদন একেবাৰে হ্ৰাস পাইছে। মাজুলীৰ জল সম্পদৰ এটি বৈশিষ্ট্য হ'ল প্ৰাকৃতিকভাৱে কৃষিভূমি প্লাৱিত কৰাৰ বাহিৰে বৈজ্ঞানিকভাৱে কৃষিকাৰ্যত ইয়াৰ ব্যৱহাৰ হোৱা নাই। যদিও মাজুলীত খৰালিৰ শস্য উৎপাদনহে বিপদমুক্ত; কিন্তু জলসিঞ্চনৰ ব্যৱস্থা নথকাৰ কাৰণে ৰবি শস্যৰ উৎপাদন গড়ৰ পৰিমাণ অন্যান্য অঞ্চলতকৈ কম।

বান নিয়ন্ত্ৰণ : প্ৰতিবছৰে বাৰিষা বানপানী হোৱাটো দ্বীপটোৰ বৈশিষ্ট্য। যোৱা শতিকাৰ ষাঠি দশকলৈকে মাজুলীত বান নিয়ন্ত্ৰণৰ ব্যৱস্থা নাছিল। ফলত প্ৰাকৃতিকভাৱে বানপানী আহে আৰু কম সময়ৰ ভিতৰতে পানী শুকাই যায়। এনেকৈয়ে বানপানীয়ে মাজুলীত খেতি-পথাৰত পলস পেলাই মাটি সাৰুৱা কৰে, নদীসুঁতি আৰু বিলবোৰত প্ৰাকৃতিকভাৱে মাছৰ সংখ্যা বৃদ্ধি কৰে। মাজুলীৰ বাসিন্দাসকলে বানপানীৰ মুখামুখি হ'বলৈ প্ৰতিঘৰতে একোখন সৰু কাঠৰ নাও, ওখকৈ চাংসাজিবৰ কাৰণে কাঠৰ তক্তা আদিৰ যোগাৰ ৰাখে। জনজাতিয় লোকসকলতো ওখ চাংঘৰত বাস কৰেই। এনেকৈয়ে বানপানীৰ লগত যুগ যুগ ধৰি সহবাস কৰা মাজুলীবাসীলৈ ১৯৫০ খ্ৰী:ৰ বৰভূঁইকঁপে দুৰ্যোগ কঢ়িয়াই আনে। নদীপৃষ্ঠ বাম হৈ পৰিল আৰু বানপানীৰ প্ৰকোপ বৃদ্ধি পাবলৈ ধৰিলে। চৰকাৰে ষাঠি দশকত বানপানী নিয়ন্ত্ৰণ কৰিবলৈ পূব আৰু দক্ষিণত ব্ৰহ্মপুত্ৰৰ পাৰত মথাউৰি নিৰ্মাণ কৰে। ১৯৫৩ খ্ৰী:ত পোনপ্ৰথম হালধিবাৰী বেচামাৰাত ৩৪.৪৯২ কিল'মিটাৰ দৈৰ্ঘৰ মথাউৰি নিৰ্মাণ কৰে। ১৯৫৬ খ্ৰী:ত মাজুলীৰ উত্তৰ-পূব দিশত ১০.১৭ কি: মি: দৈৰ্ঘ্যৰ মথাউৰি নিৰ্মাণ কৰি খেৰকটীয়া বন্ধ কৰি দিয়ে। তথ্যপাতিৰ পৰা দেখা গৈছে যে ২০০০ খ্ৰী:লৈকে চৰকাৰে মাজুলীত বান নিয়ন্ত্ৰণৰ কাৰণে ১০৪.৩৬ কি: মি: দৈৰ্ঘ্যৰ মথাউৰি নিৰ্মাণ কৰে। ইয়াৰে ৭৫.৫২ কি: মি: ব্ৰহ্মপুত্ৰ নদীৰ বান্ধ আৰু ২৮.৮৪ কি: মি: সোৱণশিৰী নদীৰ বান্ধ। অৱশ্যে কেইবাটাও বান্ধৰ ইতিমধ্যে বহু অংশ নদীৰ বুকুত জাহ গৈছে। মথাউৰি নিৰ্মাণ কৰাৰ ফলত বাৰিষা হঠাৎ মথাউৰি ভাগি হোৱা প্ৰবল বানপানীয়ে ঘৰ-বাৰী ধ্বংস কৰাৰ লগতে গৰু-ম'হ উটুৱাই নিয়ে। বহু অঞ্চলত কৃষিভূমি বালিময় কৰি পেলায়। সেয়েহে বহুলোকে মথাউৰি নিৰ্মাণ মাজুলীৰ দুৰ্দশাৰ কাৰণ বুলি বিবেচনা কৰে।

মানৱ সম্পদ : সম্ভৱতঃ সোতৰ শতিকাৰ প্ৰথমভাগত আহোম স্বৰ্গদেউ জয়ধ্বজ সিংহৰ ৰাজত্বকালত দ্বীপটো সম্পূৰ্ণ বসবাসৰ উপযোগী হৈ আছিল। স্বৰ্গদেৱে নিৰঞ্জন বাপুত শৰণ লৈ মাজুলীত পোনপ্ৰথমে আউনীআটী সত্ৰ স্থাপন কৰে আৰু তেতিয়াৰ পৰাই মাজুলী বৈষ্ণৱ ধৰ্মৰ কেন্দ্ৰ হৈ পৰে। ফলত পূৰ্বতে বসবাস কৰি থকা জনজাতীয়লোক আৰু অনুসূচীত লোকসকলৰ বাহিৰেও ধৰ্ম চৰ্চাৰ কাৰণে উচ্চ বৰ্ণৰ হিন্দু বিশেষকৈ, গোসাঁই, মহন্ত, ব্ৰাহ্মণ, কলিতা আদি লোকসকল অসমৰ বিভিন্ন ঠাইৰ পৰা আহি মাজুলীত বাস কৰিবলৈ লয়। একেদৰে সত্ৰসমূহ সুচাৰুৰূপে চলিবলৈ আৰু বিকাশৰ কাৰণে বিভিন্ন বৃত্তিৰ অন্যান্য সম্প্ৰদায়ৰ লোক ৰজাঘৰীয়া নিৰ্দেশত মাজুলীত স্থাপন কৰা হৈছিল। মুঠতে সত্ৰ-সংস্কৃতি আৰু প্ৰাকৃতিক পৰিস্থিতিৰ প্ৰভাৱে মাজুলীত বৰ্তমানে থকা জন-গাঁথনি সৃষ্টি কৰিলে বুলি ঠাৱৰ কৰিব পাৰি। গতিকে মাজুলীত ৪০০ বছৰমান আগৰ পৰা প্ৰধানকৈ, ধৰ্মকেন্দ্ৰিক মানৱ সম্পদৰ সৃষ্টি হৈছিল। কালক্ৰমত জনসংখ্যা বৃদ্ধি আৰু আৰ্থিক প্ৰয়োজনত সত্ৰৰ লগত প্ৰত্যক্ষভাৱে জড়িত লোকসকলৰ বাহিৰে আন লোকসকল কৃষিকৰ্মত জড়িত হৈ পৰিছিল। কৈৱৰ্ত লোকসকল মাছধৰা ব্যৱসায়ত, মিচিং আৰু দেউৰী লোকসকল খৰালিৰ খেতি-বাতি আৰু কুমাৰসকলে মৃৎ-শিল্পত নিপুণতা লাভ কৰিছিল। পিছলৈ বজাৰ-অৰ্থনীতি প্ৰচলনৰ ফলত ৰাজস্থানী, বিহাৰী, নেপালী আৰু বঙালী লোকসকল মাজুলীলৈ আহি স্থায়ীভাৱে বসবাস কৰিবলৈ লয়।

১৯০১ খ্ৰী:ৰ তথ্যমতে দ্বীপটোত মুঠ জনসংখ্যা আছিল

৩১২১৯জন আৰু ২০০১ চনত ইয়াৰ পৰিমাণ হ'লগৈ--- ১,৫৩৩৬২ জন (আনুমানিক)। প্ৰতি বৰ্গ কি: মি:ত জনসংখ্যাৰ ঘনত্ব আছিল ১৯০১ খ্ৰী:ত ২৪ জন, ১৯৫০ খ্ৰী:ত ৬১ জন আৰু ২০০১ খ্ৰী:ত ১৭৪ জন। বিগত ১০০ বছৰত মাজুলীৰ জনসংখ্যা ১,২২১৪৩ জন বৃদ্ধি পাইছে। তলত দিয়া তালিকাত কেইটিমান দশকত জনসংখ্যা বৃদ্ধিৰ হাৰ দেখুওৱা হ'ল।

**তালিকা—৩**

**মাজুলীত জনসংখ্যা বৃদ্ধি (১৯০১—২০০১ খ্ৰীষ্টাব্দ)**

| দশক | জনসংখ্যা | বৃদ্ধিৰ হাৰ (দশকত) |
|---|---|---|
| ১৯০১ | ৩১২১৯ | — |
| ১৯১১ | ৪০৪২০ | ২৯.৪৭ |
| ১৯৪১ | ৭৫০৪০ | — |
| ১৯৫১ | ৮১০০১ | ৭.৯৪ |
| ১৯৬১ | ৯৩৫৪১ | ১৫.৪৮ |
| ১৯৯১ | ১,৩৫,৩৭৮ | — |
| ২০০১ | ১,৫৩,৩৬২ | ১৩.২৮ |

উল্লেখিত তথ্যৰ পৰা অনুমান কৰিব পাৰি যে প্ৰথম দশকত অসমৰ অন্যান্য অঞ্চলৰ পৰা লোকসকল আহি মাজুলীত বাস কৰিবলৈ লৈছিল। পুনৰ ১৯৫১ খ্ৰী:ত ভূমিকম্পই বিধ্বস্ত কৰাৰ ফলত বহুতো লোক মাজুলীৰ পৰা (বিশেষকৈ আঁহতগুৰি মৌজাৰ) উত্তৰ লখিমপুৰলৈ স্থানান্তৰিত হৈছিল।

**শিক্ষা :** বৈষ্ণৱ ধৰ্মৰ প্ৰাণকেন্দ্ৰৰূপে গঢ়ি উঠা মাজুলীত ১৯ শতিকাৰ শেষলৈকে সত্ৰসমূহত সত্ৰীয়া সংস্কৃতিৰ শিক্ষাৰ বাহিৰে আনুষ্ঠানিক শিক্ষানুষ্ঠান গঢ়ি উঠা নাছিল। তদুপৰি দ্বীপটো অন্যান্য অঞ্চলৰ পৰা অকলশৰীয়া হোৱাত ইয়াত শিক্ষাৰ পোহৰ পলমকৈহে পৰে। অৱশ্যে সত্ৰসমূহত সংস্কৃত শিক্ষাৰ প্ৰচলন আছিল। কুৰি শতিকাৰ আৰম্ভণিতে কেইখনমান এম. ভি. স্কুল স্থাপনেৰে মাজুলীত শিক্ষাৰ বুনিয়াদ গঢ়ি উঠিছিল। ১৯২৪ খ্ৰী:ত কমলাবাৰীত মাজুলী আউনীআটী হেমচন্দ্ৰ হাইস্কুল স্থাপন হোৱাত পিছৰে পৰা বাস্তৱিকতে মাজুলীত শিক্ষাৰ প্ৰসাৰ হৈছিল। এইক্ষেত্ৰত উক্ত স্কুলৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক, মাজুলীৰে সন্তান ৺কেশৱৰাম বৰাদেৱক মাজুলীবাসীয়ে শ্ৰদ্ধাৰে সোঁৱৰে। চল্লিছৰ দশকত কৰতিপাৰ আৰু মেৰাগড় হাইস্কুল স্থাপন হোৱাত উজনি, নামনি আৰু মধ্য মাজুলীত শিক্ষাৰ বিস্তাৰ হ'বলৈ ধৰে। পিছলৈ অসমৰ আন অঞ্চলৰ দৰে মাজুলীতো বহুতো শিক্ষানুষ্ঠান গঢ় লৈ উঠে। ১৯৬২ খ্ৰী:ত মাজুলীৰ বাইজে মাজুলী মহাবিদ্যালয় স্থাপন কৰি উচ্চশিক্ষাৰ ভেঁটি স্থাপন কৰে। বৰ্তমান মাজুলীত ৫০২খন প্ৰাইমেৰী স্কুল, ১০৮খন এম. ই. আৰু এম. ভি. স্কুল, ৮৭খন হাইস্কুল, ৭ খন হায়াৰ চেকেণ্ডেৰী স্কুল আৰু ৫খন মহাবিদ্যালয় আছে। ইয়াৰ বাহিৰেও ৫খন সংস্কৃত টোল আৰু ১খন কাৰিকৰী বিদ্যালয় আছে।

**যাতায়াত :** মিল্‌ছৰ প্ৰতিবেদনত উল্লেখ আছে যে ১৯ শতিকাৰ আৰম্ভণিলৈকে মাজুলীৰ মধ্যভাগত উত্তৰ লখিমপুৰ আৰু কমলাবাৰী সংযোগ কৰা এটাই মাত্ৰ যাতায়াতৰ পথ আছিল। বাৰিষা নাৱেৰে আৰু খৰালি গাঁওবোৰ সংলগ্ন কৰা সৰু বাটেৰে এখন গাঁৱৰ পৰা আন এখন গাঁৱলৈ বিশেষকৈ, সত্ৰসমূহলৈ অহা-যোৱা কৰা ব্যৱস্থা আছিল। অৱশ্যে পিছলৈ যোৰহাট, শিৱসাগৰ, লখিমপুৰ, দেৰগাঁও আদি ঠাইলৈ পাৰ হৈ যাবলৈ নদী-ঘাটৰ সৃষ্টি হৈছিল। যোৱা শতিকাৰ আৰম্ভণিতে ব্ৰিটিছসকলে ব্ৰহ্মপুত্ৰ নদীত জাহাজ চলোৱাত বদতিঘাট, বেঙেনাআটী আৰু কমলাবাৰী ঘাটৰ যোগেদি বহিঃবিশ্বৰ লগত সংযোগ স্থাপন কৰাত সহজ হৈ পৰে। পিছলৈ ভাপ-ইঞ্জিন চালিত নাৱৰ প্ৰচলনে অন্যান্য ঠাইৰ লগত যাতায়াত আৰু বেহা-বেপাৰৰ ক্ষেত্ৰত এটি স্থায়ী ব্যৱস্থা গঢ় লৈ উঠিল। বৰ্তমান মাজুলীৰ নদী পাৰ-ঘাটকেইটা হ'ল—

| | | |
|---|---|---|
| ফুলনি | — | নিমাতি |
| শালমৰা | — | নিমাতি |
| দক্ষিণপাট | — | নিমাতি |
| বেচামৰা | — | জাঁজীমুখ |
| চুমৈমাৰী | — | নিমাতি |
| কমলাবাৰী | — | নিমাতি |
| সাঁকোপৰা | — | নিমাতি |
| আঁহতগুৰি | — | চিকাৰীঘাট |
| বাঘগাঁও | — | বদতি ঘাট |

এই নদী-ঘাটবোৰ বৰ্তমান পাৰ ভাগি বালিময় হোৱাত যাত্ৰীসকলে নাৱৰ পৰা নামি মটৰগাড়ী ধৰিবলৈ বহুদূৰ যাব লাগে আৰু

মাল-বস্তু কঢ়িওৱাটো কষ্টসাধ্য আৰু ব্যয়-বহুল হৈ পৰিছে। দ্বীপটোৰ ভিতৰত উজনি আৰু নামনি মাজুলী সংযোগ পথ তথা পাৰ-ঘাটবোৰ সংযোগ কৰা যিবোৰ পথ আছে; সেইকেইটা হ'ল— উত্তৰ লখিমপুৰৰ পৰা কমলাবাৰী ঘাটলৈ, বাঘমৰাৰ পৰা শালমৰাঘাটলৈ আৰু পদুমৰাৰ পৰা হালধিবাৰীলৈ। পথকেইটা যোৱা শতিকাৰ ষাঠি দশকত নিৰ্মাণ কৰা। ১৯৬২ খ্ৰী:ৰ প্ৰলয়ংকৰী বানপানীয়ে দ্বীপটোৰ ৰাস্তা-ঘাটৰ বহুতো অনিষ্ট কৰিছিল। গড়কাপ্তানী বিভাগে পিছৰ তিনি দশকত কিছু মেৰামতি কৰাৰ উপৰি প্ৰধান ৰাস্তাকেইটালৈ কেইবাটাও সংযোগ পথ নিৰ্মাণ কৰিছিল; কিন্তু ১৯৯৮ খ্ৰী:ত হোৱা প্ৰলয়ংকৰী বানপানীয়ে মাজুলীৰ সকলোবোৰ পথ বিধ্বস্ত কৰি পেলায়। বৰ্তমান মাজুলীত খৰালিৰ বাহিৰে বাৰিষা মটৰ-গাড়ী চলা ৰাস্তাই নাই বুলিব পাৰি। বহুতে মত পোষণ কৰে যে মাজুলীৰ ৰাস্তাবোৰ ওখকৈ নাবান্ধি বাৰিষা সহজে পানী বাগৰি যাব পৰাকৈ নিৰ্মাণ কৰিলে হঠাৎ হোৱা বানপানীয়ে ছিঙি পেলোৱাৰ পৰা ৰক্ষা পোৱা যাব। অৱশ্যে বালি-মাটিৰে নিৰ্মাণ কৰিবলগীয়া ৰাস্তাবোৰ এনেকৈ নিৰ্মাণ কৰিলেও স্থায়ী নহয়। মুঠতে দ্বীপটোৰ নদীৰ খহনীয়াৰ দৰে যাতায়াতো এটি জটিল সমস্যা।

**শিল্প :** শিল্প-উদ্যোগৰ ক্ষেত্ৰত মাজুলী একেবাৰে পিছপৰা। পৰম্পৰাগতভাৱে যি দুই-এটা শিল্প বৰ্তি আছে সেইবোৰৰ আৰম্ভণি হৈছিল ইয়াৰ লোকসকলৰ অত্যন্ত প্ৰয়োজনত। বানপানীৰ কাৰণে প্ৰয়োজন নাও আৰু সত্ৰসমূহৰ প্ৰয়োজন হোৱা তথা সাধাৰণভাৱে ব্যৱহৃত হোৱা মাটিৰ পাত্ৰ উৎপাদন মাজুলীৰ অতি পুৰণি শিল্প। জনজাতীয় মহিলাসকলে বিশেষকৈ, মিচিং মহিলাই তৈয়াৰ কৰা মিৰিজিম্ পৰম্পৰাগতভাৱে চলি অহা হস্ততাঁত শিল্পৰ এটি উৎকৃষ্ট নমুনা। এনেকুৱা কাপোৰ মিচিংসকলৰ বাহিৰেও অন্যান্য লোকসকলে আদৰ কৰি আহিছে। এফালে চাহিদা আনফালে প্ৰচুৰ পৰিমাণে আজাৰ কাঠ পোৱা মাজুলীত কাঠৰ নাও সজা কৌশল দ্বীপটোত মানুহ বাস কৰাৰ দিনৰ পৰাই প্ৰচলিত হৈ আহিছে। এই নাওবোৰ মাজুলীবাসীৰ চাহিদা পূৰণ কৰাৰ বাহিৰেও অসমৰ অন্যান্য অঞ্চললৈ যোগান ধৰা হয়। বৰ্তমান শালমৰা, আউনীআটী আৰু নতুন কমলাবাৰী সত্ৰত এই শিল্প বৰ্তি আছে। অৱশ্যে প্ৰয়োজনীয় কাঠৰ নাটনিয়ে বাঢ়ৈসকলক সমস্যাত পেলাইছে।

শালমৰা অঞ্চলত বাস কৰা কুমাৰ সম্প্ৰদায়ৰ লোকসকলৰ মৃৎ-শিল্পই হ'ল মাজুলীত লাভজনকভাৱে চলি থকা একমাত্ৰ ক্ষুদ্ৰ উদ্যোগ। খুব সম্ভৱ আৰম্ভণিতে আহোম ৰজাই সত্ৰসমূহত প্ৰয়োজন হোৱা মাটিৰ পাত্ৰ তৈয়াৰ কৰিবলৈ কুমাৰ সম্প্ৰদায়ৰ লোকসকলক দ্বীপটোত সংস্থাপন কৰিছিল। এই শিল্পৰ কাৰণে উপযুক্ত মাটি দ্বীপটোৰ পূবত শালমৰা অঞ্চলত সহজে পোৱা যায়। সেয়েহে বৰ্তমানো এই অঞ্চলৰ কুমাৰ লোকসকলে মৃৎ-শিল্পক জীৱিকা হিচাপে গ্ৰহণ কৰি লাভৱান হৈছে। এই শিল্পত তৈয়াৰ কৰা বিভিন্ন পাত্ৰ অসমৰ অন্যান্য অঞ্চললৈ যোগান ধৰাৰ ব্যৱস্থা অতি পুৰণি। ইয়াৰ দ্বাৰাই প্ৰথমে দ্বীপটোৰ লোকসকলে অসমৰ অন্যান্য অঞ্চলৰ লোকৰ লগত যোগাযোগ স্থাপন কৰিছিল। বৰ্তমান প্ৰায় ৫০০মান পৰিয়ালৰ ৫০০০মান লোকৰ জীৱিকাৰ মুখ্য পথ হ'ল এই মৃৎ-শিল্প। মহিলা আৰু পুৰুষ সমানে এই শিল্পৰ লগত জড়িত। ইয়াৰ বাহিৰেও আউনীআটী আৰু নতুন কমলাবাৰী সত্ৰত বেতৰ বিচনী অতি মনোগ্ৰাহী আৰু মূল্যবান সামগ্ৰী। এইবিধ হস্ততাঁত শিল্পজাত সামগ্ৰী আমাৰ দেশৰ বাহিৰেও অন্যান্য দেশলৈ ৰপ্তানি কৰিব পৰাৰ থল আছে।

**বজাৰ ব্যৱস্থা :** ভাৰতবৰ্ষৰ অন্যান্য ধৰ্মীয় স্থান ধৰ্মক কেন্দ্ৰ কৰি বিভিন্ন সামগ্ৰীৰ ব্যৱসায় গঢ়ি উঠা আমি দেখিবলৈ পাওঁ; কিন্তু মাজুলী বৈষ্ণৱ ধৰ্মৰ প্ৰাণকেন্দ্ৰ হোৱাৰ সত্বেও তেনে কোনো ব্যৱসায় গঢ়ি নুঠাৰ মূল কাৰণ হ'ল ইয়াৰ যাতায়াতৰ অসুবিধা আৰু সত্ৰসমূহৰ ধৰ্ম চৰ্চাৰ বিশিষ্টতা। দ্বীপটো অসমৰ আন অংশৰ পৰা নিসংগ হৈ থকাত বজাৰ-অৰ্থনীতিৰ প্ৰচলন কুৰি শতিকাৰ আৰম্ভণিলৈকে নিচেই সীমিত আছিল। মৃৎ-শিল্পৰ বিভিন্ন সামগ্ৰী অসম তথা অৰুণাচলৰ কিছু ঠাইলৈ যোগান ধৰা কাৰ্যই বহিৰ্জগতৰ লগত মাজুলীৰ লোকসকলৰ বেহা-বেপাৰৰ আৰম্ভণি ঠাৱৰ কৰিব পাৰি। পিছলৈ কৈৱৰ্ত লোকসকলে যোৰহাট, শিৱসাগৰ আদি ঠাইলৈ মাছৰ যোগান ধৰি কদ্ধ-অৰ্থনীতিক কিছু গতিশীলতা প্ৰদান কৰিছিল। পিছলৈ গাখীৰ, মাছ, সৰিয়হ, ধান আদি উৎপাদিত শস্য যোৰহাট, দেৰগাঁও, শিৱসাগৰ আদি ঠাইলৈ যোগান ধৰি বজাৰ ব্যৱস্থাৰ সম্প্ৰসাৰণ কৰে। যোৱা শতিকাৰ দ্বিতীয় দশকমানত মাৰোৱাৰী লোকসকলে কিছুমান বিশেষ অঞ্চলত দোকান খুলি উৎপাদিত শস্য অন্য ঠাইলৈ পঠোৱা আৰু দৈনন্দিন প্ৰয়োজনীয় দ্ৰব্য যোগান ধৰি চাহিদাৰ সৃষ্টি কৰি ব্যৱসায় সম্প্ৰসাৰণ কৰিছিল। বৰ্তমান অসমৰ কোনো উন্নত গাঁও অঞ্চলৰ দৰে মাজুলীৰ বজাৰ ব্যৱস্থাও একে ধৰণৰ। অৱশ্যে যাতায়াতৰ অসুবিধাৰ কাৰণে ব্যৱসায় সম্প্ৰসাৰণত বাধাৰ সৃষ্টি হৈছে। কমলাবাৰী, গড়মূৰ, জেংৰাইমুখ, নতুন বজাৰ, বনগাঁও, বাঘগাঁও, ফুলনি আদি ঠাইবোৰত ব্যৱসায় প্ৰতিষ্ঠান গঢ়ি উঠিছে।

## মাজুলীৰ অৰ্থনীতিৰ সাম্প্ৰতিক দৃশ্যপট

পঞ্চাশৰ দশকলৈকে মাজুলী নামৰ পৃথিৱীৰ সৰ্ববৃহৎ নদী-দ্বীপটি শস্যে-মৎস্যে নদন-বদন আছিল। সম্পূৰ্ণৰূপে গ্ৰামীণ ইয়াৰ অৰ্থনীতি আছিল ৰাহি প্ৰকৃতিৰ। কেৰাচিন, নিমখ আৰু কপাহী বস্ত্ৰৰ বাহিৰে মাছ-গাখীৰকে ধৰি প্ৰায়সমূহ লাগতিয়াল দ্ৰব্যকেই ইয়াৰ কৃষিজীৱী বাসিন্দাসকলে নিজাকৈয়ে উৎপাদন কৰি লৈছিল আৰু ভালেমান ক্ষেত্ৰত পণ্য-বিনিময় প্ৰথা প্ৰবৰ্তিত আছিল। সেইবাবেই নিশ্চয়, সাহিত্যাচাৰ্য অতুলচন্দ্ৰ হাজৰিকাদেৱে 'মাজুলী' শব্দৰ সন্ধি ভাঙি 'লক্ষ্মীৰ ভঁৰাল' (মা- লক্ষ্মী, জুলী- ভঁৰাল) হিচাপে আখ্যায়িত কৰিছিল।

পিছে, ১৯৫০ খ্ৰী:ৰ 'প্ৰবল ভূঁইকঁপ'ত ব্ৰহ্মপুত্ৰৰ তলি ভাগ বাম হোৱাৰ পৰাই মাজুলী হৈ পৰিল প্ৰতিবছৰৰ বানপানীত ভাৰাক্ৰান্ত হোৱা এটি অঞ্চল। বানপানীৰ লগতে হোৱা প্ৰতিবছৰৰ ব্ৰহ্মপুত্ৰৰ প্ৰবল খহনীয়াই ইয়াৰ ভূমিভাগ ক্ৰমে ক্ৰমে সংকুচিত কৰি আনিলে; হাজাৰ হাজাৰ লোক হ'ল গৃহহীন। চৰকাৰী হিচাপ অনুসৰি ১৯৯৯ চনলৈকে মুঠ ৭৬খন ৰাজহ গাঁও খহনীয়াত আক্ৰান্ত হৈছে আৰু প্ৰায় ৫৮৮.০৫ বৰ্গ কি: মি: এলেকাৰ খেতি বা বাসোপযোগী মাটি ব্ৰহ্মপুত্ৰত জাহ গৈছে। ব্ৰহ্মপুত্ৰৰ তাণ্ডৱৰ ফলত আগৰ শস্য-শ্যামলা, স্বাৱলম্বী মাজুলী হৈ পৰিছে গোটাদিয়েক চৰ-চাপৰিৰ সমষ্টি। বৰ্তমান মাজুলীত ২২টা চৰ বা চাপৰি আছে; যিয়ে ইয়াৰ আয়তনৰ প্ৰায় ৫৯৩৯.০১ হেক্টৰ মাটি আগুৰি আছে। ইয়াৰে ১৭টা মাজুলী ৰাজহচক্ৰৰ দ্বাৰা জৰীপ হৈছে। ১৯৭১ খ্ৰী:ৰ কৃষি-জৰীপ অনুসৰি নদী-দ্বীপটোৰ মুঠ ভৌগোলিক আয়তন আছিল ১২৪৫.৫৯ বৰ্গ কি: মি:; কিন্তু ব্ৰহ্মপুত্ৰৰ প্ৰবল খহনীয়াই এক বৃহৎ এলেকা গ্ৰাস কৰাৰ ফলস্বৰূপে ১৯৯১ খ্ৰী:ত মাজুলীৰ ভৌগোলিক আয়তন ৯২৪.৬০ বৰ্গ কি: মি:লৈ সংকুচিত কৰে আৰু একেদৰেই ১৯৯৯ খ্ৰী:ত ইয়াৰ আয়তন হয়গৈ ৭৩৭.৪৬ বৰ্গ কি: মি:। সি যি কি নহওক, ১৯৫০ খ্ৰী:ৰ ভূমিকম্পৰ পিছৰ পৰাই মাজুলীত খহনীয়াৰ দৌৰাত্ম্য ক্ৰমান্বয়ে বৃদ্ধি পাইছে আৰু ইয়াৰ ফলস্বৰূপেই মাজুলীৰ এক বৃহৎ এলেকাৰ খেতিৰ উপযোগী ভূমি যে ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গৈছে সেয়া তলৰ তালিকাৰ পৰাই অনুমান কৰিব পাৰি।

**তালিকা - ১**

**মাজুলীৰ ভৌগোলিক আয়তন — ১৯৪১-১৯৯৯**

| বছৰ | আয়তন (বৰ্গ কি: মি: হিচাপত) |
|---|---|
| ১৯৪১ | ১৩২৫.৫১ |
| ১৯৫১ | ১৩২৫.৫১ |
| ১৯৬১ | ১২৮৫.৩৪ |
| ১৯৭১ | ১২৪৫.৫৯ |
| ১৯৯১ | ৯২৪.৬০ |
| ১৯৯৯ | ৭৩৭.৪৬ |

উৎস : ক) ১৯৪১-৬১ লৈ — ড° কুমুদ বৰাৰ গৱেষণা গ্ৰন্থ।
খ) ১৯৭১-৯৯ লৈ — উপপ্ৰতি সমাহৰ্তাৰ কাৰ্যালয়, কমলাবাৰী।

মাজুলীৰ ভূমিৰ শ্ৰেণীকৰণলৈ লক্ষ্য কৰিলে দেখা যায় যে ১৯৯৩-৯৪ খ্ৰী:ত এই দ্বীপটোৰ খেতি-বাতিত ব্যৱহাৰ নকৰা মাটিৰ পৰিমাণ আছিল ৫৯১৩০.৭৮ হেক্টৰ, যিটো মুঠ মাটিকালিৰ প্ৰায় ৬৪ শতাংশ। সেইদৰে খেতিৰ অনুপযোগী, পতিত মাটি ৩০৫৯০.২০ হেক্টৰ (৩৩.০৮%); চৰণীয়া পথাৰ আৰু স্থায়ী ঘাঁহনি ১৩৪৪.০৮ (১.৪৫%) আৰু গছ-গছনি আছিল ১৩৩৫০.৯৭ (১৪.৪৪%)। গতিকে কেৱল ২৮৬৮৪.৬৬ হেক্টৰ মাটিহে (মুঠ মাটিকালিৰ ৩১.০২ শতাংশ) প্ৰকৃততে খেতি-বাতিৰ বাবে ব্যৱহাৰ কৰা হৈছিল।

শেহতীয়াভাৱে মাজুলীৰ কমলাবাৰীস্থিত উপপ্ৰতি সমাহৰ্তা কাৰ্যালয়ৰ পৰা সংগ্ৰহ কৰা তথ্য অনুসৰি ১৯৯৯ চনৰ মাজুলীৰ ভূমিৰ শ্ৰেণীকৰণ তলৰ তালিকাৰ জৰিয়তে দেখুৱাব পাৰি—

**তালিকা-২**

**মাজুলীৰ ভূমিৰ শ্ৰেণীকৰণ : ১৯৯৯**

| শিতান | এলেকা (হেক্টৰ) |
|---|---|
| ১। ঘৰবস্তি | ২২২.৭৬ |
| ২। খেতিৰ উপযোগী | ৩২২৩৭.১৬ |
| ৩। সদায় পানীৰ তলত থকা | ১৪৮৩৪.৬৬ |
| ৪। খেতিৰ অনুপযোগী | ৭৬৭১.২৩ |
| ৫। চৰ (২২টা) | ৫৯৩৯.০১ |
| ৬। সংৰক্ষিত চৰকাৰী | ৬১১৫৩.০৯ |

ওপৰৰ তালিকাৰ পৰা দেখা যায় যে, যদি ইতিমধ্যে খহাই নিয়া ভূ-ভাগো মাজুলীৰ মুঠ মাটিকালিৰ ভিতৰত ধৰা হয় তেন্তে প্ৰায় ১২% ভূমিয়েই সদায় পানীৰ তলত থকা ভূমি আৰু মাত্ৰ ২৫.৮৮ শতাংশ খেতিৰ উপযোগী ভূমিৰ বাহিৰে বাকীসমূহ কৃষিকৰ্মৰ উপযোগী নহয়।

**কৃষিব্যৱস্থা :** গ্ৰাম্যপ্ৰধান মাজুলীৰ অৰ্থনৈতিক স্থিতি এতিয়াও পুৰণিকলীয়া হৈয়ে আছে। এই বৃহৎ নদী-দ্বীপটোৰ অৰ্থনৈতিক পদ্ধতি (Economic Pattern) নিৰ্ভৰ কৰিছে কৃষিৰ ওপৰতেই; কিয়নো ইয়াৰ প্ৰায় ৯০ শতাংশ লোকেই কৃষি বা তাৰ আনুষংগিক কাম-কাজৰ জৰিয়তে জীৱিকা নিৰ্বাহ কৰে। অৱশ্যে প্ৰায়বোৰ কৃষিজীৱী লোকৰেই অৱস্থা সন্তোষজনক নহয়। মুঠ কৃষকৰ অৱশ্যে প্ৰায় ৮০ শতাংশ লোকেই প্ৰান্তিক-কৃষক বুলিব পাৰি।

মাজুলী ব্ৰহ্মপুত্ৰ উপত্যকাৰ কৃষি-জলবায়ু মণ্ডলৰ ভিতৰুৱা। ইয়াৰ মাটি মূলতঃ পলসুৱা (New-alluvial)। ব্ৰহ্মপুত্ৰৰ প্ৰবল বানত উটি অহা পৰ্যাপ্ত পৰিমাণৰ পলস পৰি সাধাৰণতেই ক'লাচানেকীয়া মাজুলীৰ মাটি যথেষ্ট সাৰুৱা হয়। মাজুলীৰ এই উৰ্বৰ মাটিভাগ খাৰিফ আৰু ৰবি দুয়োবিধ শস্যৰ বাবেই উপযোগী। এই দ্বীপটোত উৎপন্ন হোৱা প্ৰধান খাৰিফ শস্যবোৰ হ'ল— আহুধান, শালিধান, বাওধান আৰু গ্ৰীষ্মকালীন বিভিন্ন শাক-পাচলি আদি। আনহাতে ইয়াৰ প্ৰধান ৰবিশস্যবোৰ হ'ল— ঘেঁহু, তেলজাতীয় শস্য, মাহজাতীয় শস্য, আলু, পিঁয়াজ, নহৰু আৰু অন্যান্য শীতকালীন শাক-পাচলি। মাজুলীত হোৱা তেলজাতীয় শস্যৰ ভিতৰত সৰিয়হ আৰু তিলেই প্ৰধান। মাটি মাহ, মগু মাহ, মটৰ মাহ, কলা মাহেই হ'ল এই অঞ্চলৰ মূল মাহজাতীয় শস্য। সম্প্ৰতি সূৰ্যমুখী ফুল আৰু বৰো ধান বা অন্যান্য উন্নত জাতৰ ধানৰ খেতি কৰিও কিছুসংখ্যক কৃষক উপকৃত হৈছে।

১৯৯৮-৯৯ খ্ৰী:ত মাজুলীৰ মুঠ কৃষিভূমিৰ পৰিমাণ আছিল ৩০৫৫৬.০০ হেক্টৰ, যিটো মুঠ ভৌগোলিক এলেকাৰ ৪১.৪৩ শতাংশ। ঠিক তেনেদৰে শস্য সিঁচা নিগুটি (Net) ভূমি আৰু সৰ্বমুঠ (Gross) কৃষিভূমিৰ পৰিমাণ আছিল ক্ৰমে ২৮৪৫২.০০ আৰু ৫৩৬৮৯.০০। তলৰ তালিকাত ১৯৯৮-৯৯ খ্ৰী:ত মাজুলীৰ কৃষিভূমিৰ ব্যৱহাৰ সম্পৰ্কে দেখুওৱা হৈছে—

তালিকা-৩

মাজুলীৰ কৃষিভূমিৰ ব্যৱহাৰ : ১৯৯৮-৯৯

| শিতান | ভূমি (হেক্টৰ) | মুঠ ভৌগোলিক এলেকাৰ শতাংশ |
|---|---|---|
| মুঠ কৃষিভূমি | ৩০৫৫৬.০০ | ৪১.৪৩ |
| শস্য সিঁচা নিগুটি (Net) ভূমি | ২৮৪৫২.০০ | ৩৮.৫৮ |
| সৰ্বমুঠ (Gross) কৃষিভূমি | ৫৩৬৮৯.০০ | ৭২.৮০ |
| দুতৰপীয়াকৈ কৰা কৃষিভূমি | ২০৯৪৩.০০ | ২৮.৪০ |
| তিনিতৰপীয়াকৈ কৰা কৃষিভূমি | ৪২৯৪.০০ | ৫.৮২ |
| গড় ভূমিৰ আয়তন | ০.৯৫ | — |
| শস্যৰ ঘনত্ব (Intensity) | ১৭৫.৭০ | — |

উৎস : মহকুমা কৃষি বিষয়াৰ কাৰ্যালয় : গড়মূৰ, মাজুলী।

সিপিঠিৰ তালিকাৰ পৰা দেখা যায় যে, ১৯৯৮-৯৯ খ্রী:ত মাজুলীৰ গড় ভূমিৰ আয়তন (Average land holding) হ'ল ০.৯৫ হেক্টৰ, যিটো ১৯৮৮-৮৯ খ্রী:ত আছিল ১.৪৮ হেক্টৰ। বিগত ১০ বছৰত মাজুলীত ভূমিৰ গড় আয়তনৰ এনে দ্রুত হ্রাস হোৱাৰ কাৰণ হ'ল প্রবল খহনীয়াৰ ফলত মাজুলীৰ ভূমিভাগ সংকুচিত হোৱাৰ বিপৰীতে দ্বীপটোৰ জনসংখ্যাৰ দ্রুতগামী বৃদ্ধি।

মাজুলীত উৎপন্ন হোৱা বিভিন্ন খাদ্য-শস্য তথা অন্যান্য শস্যৰ ভিতৰত ধানেই হ'ল প্রধান। ১৯৯৮-৯৯ খ্রী:ত নদী-দ্বীপটোৰ মুঠ কৃষিভূমিৰ শতকৰা প্রায় ৭৪ ভাগতেই ধানখেতি কৰা হৈছিল। ধানৰ পিছতে সেইবছৰ সৰিয়হে মুঠ কৃষিভূমিৰ ৩৫.৮৮ শতাংশ দখল কৰি দ্বিতীয় প্রধান শস্য হিচাপে স্বীকৃতি লাভ কৰিছে। ঘেঁহু, ৰবিকালীন মাহ, আলু আদিয়ে দখল কৰা মুঠ কৃষিভূমিৰ শতকৰা ভাগ হ'ল যথাক্রমে ১০.২১, ১৩.৬৮ আৰু ৪.৯৪। সেই বছৰত কুঁহিয়াৰ খেতি কৰা ভূমিৰ পৰিমাণ আছিল তেনেই নগণ্য। তলৰ তালিকাত ১৯৯৮-৯৯ খ্রী:ত মাজুলীৰ শস্য-প্রয়োগৰ ধৰণ দেখুওৱা হৈছে—

### তালিকা-৪

### মাজুলীত শস্য প্রয়োগৰ ধৰণ : ১৯৯৮-৯৯

| ক্র. নং | শস্যৰ নাম | এলেকা (হেক্টৰ) | মুঠ কৃষিভূমিৰ শতকৰা অনুপাত |
|---|---|---|---|
| ১. | গ্রীষ্মকালীন ধান | ৯৬৬১ | ৩১.৬২ |
| ২. | শীতকালীন ধান | ১২৫০৩ | ৪০.৯২ |
| ৩. | শৰৎকালীন ধান | ৩৫৭ | ১.১৭ |
| ৪. | সৰিয়হ | ১০৯৬২ | ৩৫.৮৮ |
| ৫. | ঘেঁহু | ৩১২০ | ১০.২১ |
| ৬. | মাটি মাহ | ১৬৫০ | ৫.৪০ |
| ৭. | মটৰ মাহ | ৮০৮ | ২.৬৪ |
| ৮. | আলু | ১৫০৮ | ৪.৯৪ |
| ৯. | মগু মাহ | ১৪৪ | ০.৪৭ |
| ১০. | মচুৰ মাহ | ১৫৮০ | ৫.১৭ |

উৎস : অসম চৰকাৰৰ অর্থনীতি আৰু পৰিসংখ্যা সঞ্চালকালয়ৰ বার্ষিক প্রতিবেদন, ১৯৯৮-৯৯

প্রসংগক্রমে উল্লেখ কৰিব পাৰি যে বর্তমান বছৰবোৰত সন্তোষজনকভাৱে নহ'লেও মাজুলীৰ কৃষকসকলে জয়া, পুচা, আই. আৰ.-৮, আই. আৰ.-৩৮, কালছাৰ-১ আদি উন্নত আৰু উৎপাদনক্ষম জাতৰ ধানৰ খেতি কৰিবলৈ লৈছে।

এই কথা আগতেই উল্লেখ কৰা হৈছে যে, মাজুলীৰ বাবে বানপানী হৈছে এক গতানুগতিক পৰিঘটনা। মে' মাহৰ পহিলা ভাগৰ পৰা ছেপ্টেম্বৰ মাহৰ শেষলৈকে মাজুলীৰ বহু অঞ্চলত দুইৰ পৰা পাঁচ-ছয়বাৰ পর্যন্ত বানপানী হয়। এই বানপানীয়ে মাজুলীত বছৰি হাজাৰ হাজাৰ টকা মূল্যৰ শস্য নষ্ট কৰে। বানপানীৰ দ্বাৰা সততে নষ্ট হোৱা শস্যসমূহৰ ভিতৰত চপাবলগীয়া আহুধান, মৰাপাট আৰু গ্রীষ্মকালীন মাহজাতীয় শস্য; শালি আৰু বাও ধানৰ কঠীয়া তথা বোৱা আৰু গ্রীষ্মকালীন শাক-পাচলিয়েই প্রধান। তদুপৰি খেতিৰ মাটিত বালি পেলোৱা, শস্যভূমি খহোৱা, শস্যৰ ভঁৰাল ডুব যোৱা আদিৰ ফলত প্রতি বছৰে অনেক প্রকাৰৰ শস্য নষ্ট হয়।

তথ্য-পাতিয়ে দেখুৱায় যে ১৯৯৫ খ্রী:ত ৮,০০০ হেক্টৰ এলেকাৰ শস্যভূমি বানপানীত নষ্ট হৈছিল। ১৯৯৬ আৰু ১৯৯৮ খ্রী:ত পানীত নষ্ট হোৱা শস্যভূমিৰ পৰিমাণ হয়গৈ যথাক্রমে ১৮,১৪০ হেক্টৰ আৰু ১৭,০৯০.৫৬ হেক্টৰ। গতিকে এই কথা ঠিক যে মাজুলীৰ মাটি খাৰিফ আৰু ৰবি— এই দুয়োবিধ শস্যৰ বাবে উপযোগী হ'লেও প্রতিবছৰে হোৱা বানপানীৰ ফলত মাজুলীৰ কৃষকে কৰা খাৰিফ শস্যৰ ব্যাপক ক্ষতি হয়। সেয়েহে, মাজুলীৰ দৰে সঘন বান-প্রপীড়িত অঞ্চল এটাত কৃষি উৎপাদন নিশ্চিত কৰিবলৈ হ'লে বানমুক্ত সময়ত হোৱা ৰবি শস্যৰ খেতিৰ ওপৰত উপযুক্ত গুৰুত্ব আৰোপ কৰিব লাগিব আৰু প্রচলিত শস্যক্রমৰ আমূল পৰিৱর্তন সাধন কৰি ৰবি শস্যৰ অনুকূল হোৱাকৈ শস্যক্রমৰ পুনৰ গঠন কৰিব লাগিব। উপযুক্ত প্রযুক্তিবিদ্যা, পানী যোগানৰ কার্যকৰী ব্যৱস্থা গ্রহণ, বানমুক্ত সময়ত কৰিব পৰা

উপযুক্ত হ্ৰস্বম্যাদী শস্যৰ সঁচ উদ্ভাৱন, বজাৰ-ব্যৱস্থাৰ উন্নতি সাধন আদি ব্যৱস্থা গ্ৰহণ কৰিব পাৰিলে মাজুলীৰ কৃষি উৎপাদন যে সুনিশ্চিত হ'ব সেই কথা নিশ্চিত।

**কৃষিজাত সামগ্ৰীৰ বজাৰ :** মাজুলীৰ শস্যৰ বজাৰ-ব্যৱস্থা আজিকোপতি উন্নত হোৱা নাই। গতিকে ইয়াৰ প্ৰায়বোৰ কৃষকৰে অৱস্থা অৰ্থনৈতিকভাৱে সন্তোষজনক নহয়। গতিকে পূৰ্বৰ ঋণগ্ৰস্ততাৰ বাবে মধ্যভোগী ব্যৱসায়ীক পূৰ্ব নিৰ্দ্ধাৰিত কম দামতে উৎপাদিত শস্য বিক্ৰী কৰিব লাগে। তদুপৰি যাতায়াতৰ প্ৰতিকূল অৱস্থাৰ বাবেও কৃষকসকলে শস্য-মূল্যৰ উপযুক্ত দাম পোৱাৰ পৰা বঞ্চিত হ'ব লগা হয়।

কৃষিপ্ৰধান এই নদী-দ্বীপটোৰ কৃষিজাত উৎপাদন উপযুক্তভাৱে সংৰক্ষণৰ ব্যৱস্থা তথা ভৱিষ্যতৰ বাবে নষ্ট নোহোৱাকৈ বীজসমূহ ৰাখিবৰ বাবে শীতল-ঘৰ (Cold Storage)ৰ ব্যৱস্থা--- কোনোটোৱেই নাই। ১৯৮৫ খ্ৰী:ত কমলাবাৰীত 'নিয়ন্ত্ৰিত বজাৰ' (Regulated Market) খন মুকলি কৰা হৈছিল যদিও প্ৰয়োজনীয় অৱগাঁথনিৰ অভাৱত পিছত ইয়াক প্ৰথমে ১৯৮৯ খ্ৰী:ত লখিমপুৰৰ লগত আৰু ১৯৯৭ খ্ৰী:ত যোৰহাট নিয়ন্ত্ৰিত বজাৰৰ লগত চামিল কৰা হয়। বৰ্তমান কমলাবাৰীত থকা দ্বীপটোৰ একমাত্ৰ 'ৰাজ্যিক বেচা-কিনা আৰু গ্ৰাহক সমবায় সমিতি' (STATFED) ৰ গুদাম ঘৰটোও সকলোৰে প্ৰয়োজন পূৰাব পৰাকৈ বৃহৎ নহয়। প্ৰতিখন 'গাঁও পঞ্চায়ত সমবায় সমিতি'ৰে নিজাকৈ একোটি গুদাম ঘৰ আছে যদিও অত্যন্ত সৰু; গতিকে সেয়াই যথেষ্ট নহয়। মাজুলীত উৎপাদিত সামগ্ৰীসমূহৰ বজাৰৰ প্ৰধান কেন্দ্ৰস্থল হৈছে কমলাবাৰী। তদুপৰি গড়মূৰ, ৰাৱণাপাৰ, ফুলনি, জেংৰাইমুখ, নতুন বজাৰ, বনগাঁও, বালিচাপৰি, ৰতনপুৰ আদি কৃষিজাত সামগ্ৰী বেচা-কিনাৰ উল্লেখযোগ্য কেন্দ্ৰস্থল। মহকুমাটোৰ বিভিন্ন অঞ্চলত বৰ্তমান ৬খন সাপ্তাহিক আৰু ৮খন দৈনিক বজাৰ বহে, যাৰ জৰিয়তে কৃষিজাত বিভিন্ন সামগ্ৰী ক্ৰয়-বিক্ৰয় কৰিব পৰা যায়।

**শ্ৰমিকৰ অৰ্থনৈতিক শ্ৰেণীকৰণ :** ১৯৯১ খ্ৰী:ৰ পিয়ল অনুসৰি মাজুলীৰ মুঠ শ্ৰমিকৰ সংখ্যা ৪৫,৭২২জন। ইয়াৰে ৩৬,৯৬৮জন কৃষক, যি মুঠ শ্ৰমিকৰ ৮০.৮৫ শতাংশ দখল কৰিছে। ১৯৭১ খ্ৰী:ত মাজুলীত কৃষকৰ সংখ্যা আছিল ২২,১৫৬জন আৰু ই মুঠ শ্ৰমিকৰ (২৮,২৬৯জন) ৭৮.৩৭ শতাংশ আছিল। মাজুলীত শ্ৰমিকৰ অৰ্থনৈতিক শ্ৰেণীকৰণৰ ছবিখন পৰ্যালোচনা কৰিলে দেখা যায় যে শতাংশ হিচাপত ইয়াত কৃষকৰ সংখ্যাই মুঠ শ্ৰমিকৰ গৰিষ্ঠ অংশ দখল কৰি আছে। তলৰ তালিকাত ১৯৭১ আৰু ১৯৯১ চনৰ তথ্যৰ ভিত্তিত মাজুলীত শ্ৰমিকৰ অৰ্থনৈতিক শ্ৰেণীকৰণ আৰু মুঠ শ্ৰমিকৰ সংখ্যাৰ অনুপাতত প্ৰত্যেকৰে শতকৰা ভাগ দেখুওৱা হৈছে।

### তালিকা-৫

### মাজুলীত শ্ৰমিকৰ অৰ্থনৈতিক শ্ৰেণীকৰণ : ১৯৭১ আৰু ১৯৯১

| | ১৯৭১ | | ১৯৯১ | |
|---|---|---|---|---|
| শিতান | জনসংখ্যা (জন) | মুঠ শ্ৰমিকৰ শতাংশ | জনসংখ্যা (জন) | মুঠ শ্ৰমিকৰ শতাংশ |
| ১। মুঠ শ্ৰমিক | ২৮,২৬৯ | — | ৪৫,৭২২ | — |
| ২। কৃষক | ২২,১৫৬ | ৭৮.৩৭ | ৩৬,৯৬৮ | ৮০.৮৫ |
| ৩। কৃষি-বনুৱা | ৫৩৩ | ১.৮৯ | ৯৩৬ | ২.০৫ |
| ৪। হাঁহ-কুকুৰা, পশুপালন, মীন, বন, গৃহ-নিৰ্মাণত জড়িত শ্ৰমিক। | ২৭৮ | ০.৯৮ | ৪৪০ | ০.৯৬ |
| ৫। খনিত কাম কৰা | ২০ | ০.০৭ | ১১ | ০.০২ |
| ৬। ঘৰুৱা শিল্পী | ১১৩৫ | ৪.০১ | ১৪৩৩ | ৩.১৩ |
| ৭। ঘৰুৱা শিল্পৰ বাদে অন্য শিল্পত কাম কৰা | ২৭৬ | ০.৯৮ | ২৬৪ | ০.৫৮ |
| ৮। গঠনমূলক কাম কৰা বনুৱা | ১৮৭ | ০.৬৬ | ৩৮৪ | ০.৮৪ |
| ৯। ব্যৱসায়-বাণিজ্য | নাই | — | ২৫০ | ০.৫৫ |
| ১০। অন্য সেৱাত নিয়োজিত | ১,৭৬২ | ৬.২৩ | ৪,৭৭০ | ১০.৪৩ |
| ১১। প্ৰান্তিক শ্ৰমিক | তথ্যৰ অভাৱ | — | ৬,৭৫৪ | ১৪.৭৭ |
| ১২। অনা-শ্ৰমিক। | ঐ | — | ৮১,৪০৫ | — |

উৎস : খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়, কমলাবাৰী, মাজুলী।

সিপিঠিৰ তালিকাৰ পৰা এই কথা সহজে অনুমেয় যে কৃষিয়েই মাজুলীবাসীৰ জীৱিকাৰ প্ৰধান উৎস যদিও কৃষিৰ বাহিৰেও অন্যান্য উৎসৰ পৰাও কম-বেছি পৰিমাণে উপাৰ্জন হয়। মাজুলীত তেনে কোনো উল্লেখযোগ্য আধুনিক শিল্প-উদ্যোগ নাই যদিও ইয়াত এনে দুই-এটি কুটীৰ শিল্প আছে, যিয়ে কেৱল ইয়াত জড়িতসকলৰ বাবে আয়-উপাৰ্জনতেই সীমাবদ্ধ থকা নাই বৰঞ্চ সমগ্ৰ ৰাজ্যতে এক উল্লেখযোগ্য স্থান লাভ কৰিবলৈ সমৰ্থবান হৈছে। সেইসমূহ হ'ল— মৃৎ-শিল্প, নৌকা-শিল্প, মুখা-শিল্প, হস্তুতাঁত আৰু বয়ন-শিল্প, বাঁহ-বেতৰ শিল্প ইত্যাদি। তদুপৰি মীন পালন আৰু পশুপালন হ'ল এই অঞ্চলৰ দুটি লাভজনক কৃষি আনুষংগিক কৰ্ম যাৰ জৰিয়তে বৃজন পৰিমাণৰ আনুষংগিক উপাৰ্জন লাভ কৰাৰ সম্ভাৱনা আছে। তলত উল্লিখিত কুটীৰ শিল্পসমূহ আৰু আনুষংগিক কৃষি-কৰ্মৰ বৰ্তমানৰ স্থিতি আৰু সম্ভাৱনীয়তা সম্পৰ্কে ব্যাখ্যা কৰা হ'ল।

**মৃৎ-শিল্প :** মৃৎ-শিল্প উজনি মাজুলীৰ শালমৰা অঞ্চলত স্তূপীকৃত এক প্ৰাচীন গ্ৰাম্য শিল্প। এই অঞ্চলত উৎপাদিত বিভিন্ন ধৰণৰ মাটিৰ বাচন দক্ষিণে ধনশিৰি নৈৰ কাষৰীয়া ঠাইসমূহ, উত্তৰে বিশ্বনাথ-তেজপুৰ তথা সোৱনশিৰিৰ কাষৰীয়া ঠাইসমূহ আৰু অৰুণাচলৰ ঠাই বিশেষত বহু পৰিমাণে বিক্ৰী কৰা হয়। মৃৎ-শিল্পজাত বিভিন্ন বাচন-বৰ্তন তৈয়াৰ বা বিক্ৰী কৰিয়েই শালমৰা অঞ্চলৰ মুঠ ৬৭৫টা পৰিয়ালৰ ৫৮০টা পৰিয়ালে প্ৰায় ৫০০০ লোকৰ বাবে জীৱিকা উলিয়াই আছে। শালমৰা অঞ্চলত উৎপাদিত মৃৎ-বাচনসমূহে অসম তথা অৰুণাচল প্ৰদেশৰ মুঠ মৃৎ-শিল্পজাত দ্ৰব্যৰ চাহিদাৰ প্ৰায় ৩৪% পূৰণ কৰে। কেৱল এই শিল্পত নিয়োজিত হৈয়ে একোটা পৰিয়ালে গড় হিচাপত বাৰ্ষিক প্ৰায় ২০,০০০ টকা উপাৰ্জন কৰিবলৈ সক্ষম হয়।

অৰ্থনৈতিক দিশৰ পৰা দেখা যায় যে পৰম্পৰাগত পদ্ধতিৰ মৃৎ-শিল্পত তুলনামূলকভাৱে কম অৰ্থ বা মূলধনৰ প্ৰয়োজন হয়। সেইবুলি শ্ৰমিকৰ কষ্ট বা খাটনিৰ অনুপাতে ইয়াত লাভৰ পৰিমাণ বেছি নহয়। এই শিল্পজাত দ্ৰব্যৰ উৎপাদন-প্ৰক্ৰিয়াত যিদৰে শ্ৰমিকৰ অশেষ শ্ৰম জড়িত হৈ থাকে, সেইদৰেই উৎপাদিত দ্ৰব্য বিক্ৰীৰ ক্ষেত্ৰতো যথেষ্ট কষ্ট স্বীকাৰ কৰিব লাগে। ব্ৰহ্মপুত্ৰৰ কোবাল সোঁতত উজাই বা ভটিয়াই নাৱেৰে অসমৰ বিভিন্ন ঠাই, অৰুণাচল আদিলৈ এই দ্ৰব্যসমূহ বিক্ৰীৰ বাবে নিয়া হয়। স্থানীয়ভাৱেও বহুলোকে কান্ধেৰে ভাৰ কৰি ঠায়ে ঠায়ে এই সামগ্ৰীবোৰ বিক্ৰী কৰে। বছৰেকত তিনিবাৰকৈ এই মৃৎ-শিল্পজাত সামগ্ৰীসমূহ উৎপাদন আৰু বিক্ৰী কৰা হয়। উৎপাদন আৰু বিক্ৰীৰ এই সময়ক 'খেপ' বুলি কোৱা হয়— আহুখেপ, শালিখেপ আৰু বেচাখেপ। আহু আৰু শালিখেপৰ বাচনসমূহ আহুধান আৰু শালিধানৰ সলনি বিনিময় কৰা হয়। বেচাখেপত মুদ্ৰাৰ বিনিময়ত বিক্ৰী কৰা হয়। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে মৃৎ-শিল্পত কুশলী শালমৰাৰ এই 'কুমাৰ'সকল নৌকা-শিল্পতো পাকৈত। বাৰিষাৰ সময়ছোৱাত, যি সময়ত মৃৎ-শিল্পৰ কাম-কাজ বন্ধ থাকে, তেওঁলোকে নাও তৈয়াৰ কৰি নিজৰ লগতে আনৰো অভাৱ পূৰণ কৰে। নিজে সজা প্ৰকাণ্ড আয়তনৰ নাৱেৰেই এই কুমাৰসকলে নদী-পথেদিয়েই শিল্পজাত বিভিন্ন দ্ৰব্য বেপাৰৰ অৰ্থে বিভিন্ন ঠাইলৈ নিয়ে।

মৃৎ-শিল্পৰ লগত জড়িত কৃষিভূমিহীন বহুতো পৰিয়ালৰ বাবে এই শিল্প হৈছে জীৱন নিৰ্বাহৰ মুখ্য অৱলম্বন আৰু কৃষিভূমি থকাসকলৰ বাবেও ই আনুষংগিক উপাৰ্জনৰ ঘাই পথ। উচ্চ শিক্ষা লাভ কৰি কৰ্মসংস্থানৰ সুবিধা নোপোৱা বহুতো শিক্ষিত যুৱক-যুৱতীয়ে এই শিল্পত নিয়োজিত হৈ আত্মসংস্থাপন লাভ কৰিছে।

এই শিল্পৰ আধুনিকীকৰণ কৰিবৰ অৰ্থে যদি অৰ্হতাসম্পন্ন মৃৎ-শিল্পীক উপযুক্ত প্ৰশিক্ষণৰ দিহা কৰা, প্ৰয়োজনীয় বুনিয়াদী সা-সুবিধা প্ৰদান কৰা, ৰেহাই হাৰত মূলধনৰ যোগান ধৰা, বজাৰৰ উপযুক্ত সুবিধাৰ সৃষ্টি কৰা আদি ব্যৱস্থাসমূহ গ্ৰহণ কৰা হয়, তেনেহ'লে এই উদ্যোগী শিল্পীসকল কেৱল আত্মনিৰ্ভৰশীল হোৱাই নহয়, ই নিবনুৱা আৰু ভূমিহীন সমস্যাও বহু পৰিমাণে লাঘৱ কৰাটো নিশ্চিত।

**হস্তুতাঁত আৰু বয়ন-শিল্প :** হস্তুতাঁত আৰু বয়ন-শিল্প হ'ল মাজুলীৰ প্ৰধান গ্ৰাম্য-শিল্প, যি দ্বীপবাসীৰ এক গৰিষ্ঠসংখ্যক লোকৰ আনুষংগিক উপাৰ্জনৰ পথ প্ৰশস্ত কৰিছে। বিশেষকৈ, মাজুলীত বাসকৰা জনজাতীয় মহিলা (মিচিং আৰু দেউৰী)সকলৰ বাবে হস্তুতাঁত আৰু বয়ন-শিল্প অতিৰিক্ত উপাৰ্জনৰ ঘাই পথ। জনজাতীয় মহিলাসকলৰ প্ৰায় ৮০শতাংশতকৈয়ো অধিক অংশই পাট, এৰী, মুগা, কপাহী বস্ত্ৰ উৎপাদনত নিজকে আত্মনিয়োগ কৰে। চৰকাৰী হিচাপমতে বৰ্তমান নদী-দ্বীপটোৰ প্ৰায় ৭০৭৯টা পৰিয়ালে এৰী, মুগা আৰু পাটৰ বিভিন্ন গুণবিশিষ্ট কাপোৰ উৎপাদন কৰে আৰু মুঠ ১৫১খন গাঁৱক "Sericultural village" হিচাপে চৰকাৰে অভিহিত কৰিছে।

বাৰণাপাৰত থকা Eri Concentration Centre, সোণাৰিআটিৰ 'Collective Mulberry Garden' আৰু লুইতপাৰত থকা 'Muga Food Plantation Centre'ৰ যোগেদি চৰকাৰে হস্ততাঁত আৰু বয়ন-শিল্পীসকললৈ বিভিন্ন সুবিধা প্ৰদান কৰি আহিছে।

এই শিল্প মাজুলীৰ, বিশেষকৈ ৰতনপুৰ মিৰি, জেংৰাইমুখ, বণ্ডাচহী, সোণাৰিআটি, বৰগঞা মিচিং, বাৰণাপাৰ, পহুমৰা আৰু নামনি মাজুলীৰ কিছু অংশত কেন্দ্ৰীভূত হৈ আছে বুলি ক'ব পাৰি। এই কথা ক'বই লাগিব যে মাজুলীৰ মহিলা শিল্পী— অজনজাতি তথা জনজাতি উভয়েই আকৰ্ষণীয় ৰূপত বিভিন্ন বস্ত্ৰ উৎপাদন কৰিব পাৰে। ইয়াৰ জনজাতি, যেনে— মিচিং, দেউৰী আদি আৰু অজনজাতীয় তিৰোতাৰ দ্বাৰা উৎপাদিত বিভিন্ন বস্ত্ৰ, যেনে— গামোছা, চেলেং; পাট, এৰী আৰু মুগাৰ কাপোৰৰ অসমৰ বিভিন্ন ঠাইত প্ৰচুৰ চাহিদা আছে। তদুপৰি জনজাতীয় মহিলাৰ দ্বাৰা উৎপাদিত আকৰ্ষণীয় বস্ত্ৰ— 'মিবুগালোক', 'ৰিবিগাচেং', 'মিৰিজিম', গামোছা আদিয়ে আন্তৰ্জাতিক পৰ্যায়ৰ বজাৰ লাভ কৰিবলৈ সমৰ্থ হোৱাটো মাজুলীৰ হস্ততাঁত আৰু বয়ন-শিল্পৰ সাফল্যৰ চানেকি।

**বাঁহ-বেতৰ শিল্প :** বাঁহ-বেতৰ শিল্প হ'ল মাজুলীৰ অন্য এক উল্লেখযোগ্য প্ৰাচীন হস্ত-শিল্প। ইয়াৰ শিল্পীসকলে নিজস্ব কৌশল আৰু স্বকীয় পদ্ধতিৰে বাঁহ-বেতৰ সৰঞ্জাম নিজৰ প্ৰয়োজনৰ লগতে বিক্ৰীৰ অৰ্থেও তৈয়াৰ কৰে। মাজুলীৰ কিছুমান অঞ্চল, বিশেষকৈ আউনীআটী আৰু নতুন কমলাবাৰী সত্ৰৰ বাহিৰেও অন্যান্য অঞ্চলৰ গঞা ৰাইজেও আকৰ্ষণীয়ভাৱে বাঁহ-বেতৰ সৰঞ্জাম উৎপাদন কৰে। আউনীআটী সত্ৰত এসময়ত হাতীদাঁতৰ সুত তৈয়াৰ কৰি পাটী বোৱা আৰু পিতলৰ কামীৰে খৰাহি বোৱা দক্ষ খনিকৰো আছিল। এই দুয়োখন সত্ৰৰ বৈষ্ণৱে আকৰ্ষণীয়ভাৱে বেতৰ বিচনী তৈয়াৰ কৰি এতিয়াও বাহিৰৰ লোকৰ মন মুহি আহিছে। মাজুলীৰ বিভিন্ন সত্ৰত সংৰক্ষিত উদাসীন ভক্তবৃন্দৰ দ্বাৰা কাৰুকাৰ্যৰে নিৰ্মিত কাঠৰ বণ্ডা শৰাই, বেতৰ জপা, বেতৰ বিচনী, হাতীদাঁতৰ পাটী, পিতলৰ কামীৰে বোৱা খৰাহি আদি সংগ্ৰহালয়ত থ'বৰ যোগ্য। স্থানীয়ভাৱে সহজলভ্য বাঁহ আৰু বেতেৰে প্ৰস্তুত কৰিব পৰা এই সা-সৰঞ্জামসমূহ মাজুলীৰ কৃষিজীৱী ৰাইজে আজিৰ পৰত তৈয়াৰ কৰে আৰু মাজুলীৰ বাহিৰলৈ ৰপ্তানি কৰি উপকৰা উপাৰ্জন কৰে। আশা কৰিব পাৰি যে এই শিল্পীসকলৰ দ্বাৰা উৎপাদিত বাঁহ-বেতৰ সামগ্ৰী তৈয়াৰৰ বাবে প্ৰয়োজনীয় বুনিয়াদী সা-সুবিধাসমূহ প্ৰদান আৰু উপযুক্ত বজাৰৰ সুবিধা দিলে ইয়াৰ বেতৰ বিচনী, পাটী আদিয়ে আন্তৰ্জাতিক বজাৰ পাবলৈকো সমৰ্থবান হ'ব।

**নৌকা-শিল্প :** এই কথা উল্লেখ কৰাৰ নিষ্প্ৰয়োজন যে বাৰিষাৰ সময়ছোৱাত মাজুলীত জলপথেই হ'ল যাতায়াতৰ আটাইতকৈ সুবিধাজনক আৰু অৰ্থনৈতিক উপায়। গতিকে মাজুলীৰ প্ৰতিটো পৰিয়ালৰ বাবেই নাও সংগ্ৰহ কৰাটো অত্যন্ত প্ৰয়োজনীয় বিষয়। এতেকে এই দ্বীপবাসীৰ মাজত নাৱৰ চাহিদা অধিক। এই চাহিদা পূৰাবৰ অৰ্থে মাজুলীৰে কিছুসংখ্যক লোকে নিজকে নৌকা-শিল্পত নিয়োজিত কৰি উপাৰ্জনৰ পথ সুগম কৰিছে। নৌকা তৈয়াৰৰ এই কুটীৰ শিল্পটি প্ৰধানকৈ শালমৰা, আউনীআটী তথা নতুন কমলাবাৰী সত্ৰ আৰু বৰগঞা মিচিং গাঁৱত কেন্দ্ৰীভূত বুলি ক'ব পৰা যায়। উল্লেখযোগ্য যে নৌকা-শিল্পৰ বাবে প্ৰয়োজনীয় কাঠ বহুসময়ত শিল্পীসকলে ব্ৰহ্মপুত্ৰইদি বাৰিষা উটি অহা কাঠ ধৰিয়েই সংগ্ৰহ কৰে। মাজুলীত উৎপাদিত এইপদ সামগ্ৰী অসমৰ বিভিন্ন ঠাইলৈ যোগান ধৰি মাজুলীৰ শিল্পীসকলে অতিৰিক্ত আয় অৰ্জন কৰে।

**মুখা-শিল্প :** মুখা-শিল্প মাজুলীৰ চামগুৰি সত্ৰৰ পৰম্পৰাগত শিল্প বুলি ক'ব পাৰি। অৱশ্যে চামগুৰি সত্ৰৰ বাহিৰে এলেঙি নৰসিংহ, বিহিমপুৰ, নতুন কমলাবাৰী আদি সত্ৰতো এই শিল্পৰ সাধনা চলে। মাজুলীৰ শিল্পীসকল মুখা-শিল্পত ইমানেই সুনিপুণ যে তেওঁলোকৰ দ্বাৰা সাধনাৰে নিৰ্মিত নৃসিংহ, ৰাৱণ, পুতনা, ৰাক্ষস, সৰস্বতী আদিৰ মূৰ্তিবোৰ কেৱল জীৱটোহে দিবলৈ বাকী থাকে। চামগুৰি সত্ৰৰ শিল্পীৰ দ্বাৰা নিৰ্মিত মুখাৰ অসমৰ বিভিন্ন ঠাইত যথেষ্ট চাহিদা আছে। তদুপৰি বিভিন্ন সত্ৰৰ প্ৰায়বোৰ বৈষ্ণৱে ভাওনাৰ সাজ-পোছাক তৈয়াৰ কৰিও লাভৱান হোৱা দেখা যায়। এই শিল্পীসকলে মুখা বিক্ৰী কৰি অথবা ভাওনাৰ সাজ ভাড়ালৈ দি আয় অৰ্জন কৰে।

**পশুপালন :** প্ৰাকৃতিক অৱস্থিতিয়েই মাজুলীত পশুপালন কৰাৰ যথেষ্ট সুবিধা প্ৰদান কৰিছে। নদীয়ে সৃষ্টি কৰা পৰিত্যক্ত চৰ-চাপৰিবোৰ, যিবোৰ কঁহুৱা, বিৰিণা, এৰালি আদিৰে পৰিপূৰ্ণ; সেইবোৰ ম'হ, গৰু আৰু ছাগলী পালনৰ বাবে উপযুক্ত ঠাই। এই এৰাপৰলীয়া চাপৰিসমূহত যদি ভাল জাতৰ ঘাঁহ উৎপন্ন কৰিব পৰা যায় আৰু উন্নত জাতৰ ম'হ, গৰু আৰু ছাগলী পালন কৰা হয় তেন্তে ইতিমধ্যেই

মাজুলীয়ে কৰা ৰাহি গাখীৰ উৎপাদন আৰু অধিক বৃদ্ধি পাব বুলি ক'ব পাৰি।

প্ৰাকৃতিকভাৱে সৃষ্ট মাজুলীৰ খাল, বিল, পিটনি, জলাশয় আদিত সহজে উৎপন্ন হোৱা সৰু মাছ, শামুক, শেলুৱৈ, খাৰবন, অন্যান্য জলজ কীট-পতংগ আদিয়ে এই অঞ্চলত হাঁহ-পালন অতি সহজ আৰু লাভজনক কৰি তুলিছে। তথ্য-পাতিৰ ভিত্তিত ক'ব পাৰি যে মাজুলীত বৰ্তমান ২খন গাহৰি পামৰ বাহিৰে আন কোনো কুকুৰা বা হাঁহৰ পাম আৰু ছাগলী ফাৰ্ম নাই। ইয়াৰ পৰিত্যক্ত চাপৰি এলেকাসমূহত যদি প্ৰণালীবদ্ধ আৰু বিজ্ঞান-সন্মতভাৱে ছাগলী পালনৰ দিহা কৰা হয়, তেতিয়া মাজুলীৰ পৰা উৎপাদিত মাংসৰেই দেশৰ ক্ৰমবৰ্দ্ধিত ছাগলী মাংসৰ চাহিদা বহুখিনি পূৰাব পৰা যাব। সেইদৰেই প্ৰায়বোৰ জনজাতীয় পৰিয়ালেই পৰম্পৰাগত পদ্ধতিৰে পালন কৰি অহা গাহৰিৰ ক্ষেত্ৰত যদি 'Grading up' কাৰ্যক্ৰমৰ জৰিয়তে স্থানীয় গাহৰিক উন্নত জাতৰ গাহৰি, যেনে— Hampsire, Yorksire আদিৰে বৰ্ণশংকৰ (cross) কৰিব পৰা যায়; তেন্তে এই অঞ্চলত নিঃসন্দেহে গাহৰি মঙহ (Pork)ৰ উদ্যোগ গঢ়ি উঠিব।

**মীন পালন :** নদী-দ্বীপটো বহু পৰিমাণে বান-প্ৰপীড়িত হোৱাৰ বাবে ইয়াত কৃত্ৰিম মীন-পালন সম্ভৱ বুলি ক'ব পাৰি। তথাপি ঠায়ে ঠায়ে ব্যক্তিগত উদ্যোগত কৃত্ৰিমভাৱে মীন-পালন কৰি লাভজনক হোৱা দেখা যায়। স্বৰূপাৰ্থত প্ৰাকৃতিক জলাশয়, খাল, বিল, ব্ৰহ্মপুত্ৰৰ মূল সুঁতি, মৰা-সুঁতিসমূহত পৰ্যাপ্ত পৰিমাণে মাছ-কাছৰ উৎপাদন হয়। চৰকাৰী হিচাপমতে মাজুলীৰ এক বৃহৎ এলেকাই প্ৰাকৃতিক জলাশয়। ইয়াৰ পঞ্জীয়নকৃত বিলৰ আয়তন ৯৪৯.৭৯ হেক্টৰ, অপঞ্জীয়নকৃত জলাশয়ৰ আয়তন ৩০৮ হেক্টৰ আৰু পঞ্জীয়নভুক্ত নদীৰ আয়তন ২৭৪ হেক্টৰ। এইসমূহ প্ৰাকৃতিক জলাশয়ত হোৱা মৎস্যৰ ওপৰত ভিত্তি কৰিয়েই নদী-দ্বীপটোৰ ১০-২০ শতাংশ লোকে জীৱন নিৰ্বাহ কৰে। মাজুলীত বাস কৰা অনুসূচীত জাতি আৰু জনজাতিলোকৰ সৰহ সংখ্যকেই মৎস্য ব্যৱসায়ক জীৱনৰ মুখ্য অৱলম্বন হিচাপে গ্ৰহণ কৰে।

এই দ্বীপটোৰ বিভিন্ন প্ৰাকৃতিক খাল, বিল, সুঁতি আদিত সহজে আৰু পৰ্যাপ্ত পৰিমাণে পোৱা মাছৰ পৰা কিছুমান আনুষংগিক উদ্যোগ গঢ়ি তুলিব পাৰিলে মৎস্য-পালন বা ব্যৱসায়ৰ লগত জড়িত লোকসকল অধিক স্বাৱলম্বী আৰু আৰ্থিকভাৱে লাভৱান হ'ব পাৰিব। তদুপৰি মীন-খাদ্য গাহৰি আৰু হাঁহ-কুকুৰাৰ উত্তম খাদ্য। গতিকে মীন-পালনৰ সমসাময়িকভাৱে হাঁহ-কুকুৰা বা গাহৰি পালন কৰিলে উভয় ক্ষেত্ৰতে লাভৱান হ'ব পৰা যাব।

মাজুলীত উৎপাদিত মাছ-কাছ সাধাৰণতে অসমৰ বিভিন্ন ঠাইলৈ ৰপ্তানি কৰা হয়। জনজাতিসকলৰ মাজত বহুল সমাদৃত শুকান মাছৰ ব্যৱসায় কৰিও বহুসময়ত লাভৱান হ'ব পাৰি। শুকান মাছৰ দৰেই টেমা-মাছৰ চাহিদাও অসম, মেঘালয়, মণিপুৰ, মিজোৰাম, নাগালেণ্ড তথা ত্ৰিপুৰাত যথেষ্ট বেছি। জনজাতিসকলৰ প্ৰিয় খাদ্য 'নামছিং' (শুকান মাছৰ গুৰি)ক অধিক উন্নত আৰু আকৰ্ষণীয় ৰূপত বজাৰলৈ উলিয়াব পাৰিলে প্ৰচুৰ লাভৱান হ'ব পৰাতো নিশ্চিত। মাজুলীত উল্লিখিত কেউটা ব্যৱসায় গঢ়ি তুলিব পৰাৰ প্ৰচুৰ সম্ভাৱনা আছে।

পৃথিৱীৰ সৰ্ববৃহৎ নদী-দ্বীপটোৰ ওপৰত উল্লিখিত ক্ষুদ্ৰ আৰু কুটীৰ শিল্প তথা কৃষিৰ আনুষংগিক কাৰ্যাৱলী উন্নয়ন সাধনৰ প্ৰচুৰ সম্ভাৱনা থকাৰ উপৰি ইয়াত এনে কিছুমান প্ৰাকৃতিক সম্পদ কম আয়াসতে পোৱা যায়, যিসমূহৰ ওপৰত ভিত্তি কৰি শিল্প বা উদ্যোগ গঢ়ি তুলিব পাৰি। ইয়াৰ বিভিন্ন অঞ্চলৰ জলাশয়, পিটনি, দ-চানেকীয়া ঠাইত প্ৰাকৃতিকভাৱে, সহজে উৎপন্ন হোৱা 'গোগোল' আৰু স্থলভাগত সহজে গজা 'কুঁহিলা'ৰ পৰা উন্নত মানদণ্ডৰ আৰু আকৰ্ষণীয় কঠ; বিভিন্ন জাৰণিত গজা 'পাটিদৈ'ৰ পৰা পাটী তৈয়াৰ কৰি বহুতো লোকে অতিৰিক্ত উপাৰ্জন কৰা দেখা যায়। এই ঠাইত 'গোগোল'ৰ শ্ৰীবৃদ্ধি ইমানেই বেছি যে ইয়াক প্ৰণালীবদ্ধভাৱে, খেতি হিচাপে কৰিলে মাজুলীত 'কঠ-উদ্যোগ' স্থাপন কৰিব পৰাকৈয়ে 'গোগোল'ৰ উৎপাদন কৰিব পৰা যাব। সাধাৰণতে চাপৰি অঞ্চলত গজা ইকৰা, খাগৰি, সৰণ খেৰ আদিও অৰ্থনৈতিকভাৱে গুৰুত্বপূৰ্ণ এই ঠাইৰ সহজলভ্য আৰু সম্ভাৱনা থকা প্ৰাকৃতিক সম্পদ। তদুপৰি, নদী, বিল, পুখুৰী আদিত সহজে পোৱা নিকৰি আৰু শিঙৰি গুটি কিছুমান জনগোষ্ঠীৰ উৎকৃষ্ট খাদ্য। এনে গুটি নগৰাঞ্চলতো প্ৰতি কি: গ্ৰা:ত ২০-২৫ টকা হাৰত বিক্ৰী হোৱা দেখা যায়। আটাইতকৈ উল্লেখযোগ্য কথা হ'ল, বাৰিষাৰ পানীত ব্ৰহ্মপুত্ৰৰ মূল সুঁতিয়েদি পাহাৰৰ পৰা উটি অহা মূল্যৱান কাঠ, যেনে— শাল, সৰল, তিতাচপা আদিৰ টুকুৰা সংগ্ৰহ কৰি বহুতো লোকে সাময়িকভাৱে জীৱিকা উলিয়ায়। মাজুলীৰ উত্তৰ-পূব অংশত শেহতীয়াকৈ তেলৰ কূঁপৰ

সন্ধান পোৱাটোও অৰ্থনৈতিক দিশৰ পৰা উল্লেখযোগ্য।


ওপৰত উল্লেখ কৰা অৰ্থনৈতিক ক্ষেত্ৰৰ সম্ভাৱনাৰ উপৰি সত্ৰীয়া-সংস্কৃতি, ঐতিহ্য, জৈৱ-বিচিত্ৰতা আদি দিশসমূহৰ পৰা বিচাৰ কৰিলে মাজুলীত পৰ্যটন উদ্যোগ গঢ়ি তোলাৰ যথেষ্ট সম্ভাৱনীয়তা দেখা যায়। এই কথা উল্লেখযোগ্য আৰু সুখৰ বিষয় যে এই সম্ভাৱনীয়তাক লৈ ইতিমধ্যে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো গুণা-গঁথা চলিছে। যদি পৃথিৱীৰ বৃহত্তম নদী-দ্বীপ, সত্ৰীয়া কৃষ্টিৰ প্ৰাণকেন্দ্ৰ মাজুলীক সকলোৱে ভবাৰ দৰেই পৰ্যটন কেন্দ্ৰ ৰূপে স্বীকৃতি প্ৰদান কৰা হয়; তেন্তে নিঃসন্দেহে ইয়াৰ অৰ্থনৈতিক প্ৰেক্ষাপটত প্ৰভূত উত্তৰণ পৰিলক্ষিত হ'ব। বিশেষকৈ, মাজুলী-উন্নয়নৰ হেঙাৰ স্বৰূপ যাতায়াত-যোগাযোগ ব্যৱস্থাৰ উন্নতি সাধনৰ লগে লগেই অৰ্থনীতিটোৰ সামগ্ৰিক উন্নয়ন সাধিত হ'ব। পৰ্যটন উদ্যোগৰ ফলস্বৰূপে তাৰ সমান্তৰালভাৱে আন কিছুমান লাভজনক ব্যৱসায়, যেনে— হোটেল, বিভিন্ন সামগ্ৰীৰ দোকান, পথ-প্ৰদৰ্শক (Guide) আদি মাজুলীত গঢ় লৈ উঠিব; যাৰ জৰিয়তে বহুতো শিক্ষিত নিবনুৱাই নিয়োগৰ সুবিধা পাব আৰু সেইদৰেই নিবনুৱা সমস্যাৰ বোজা বহু পৰিমাণে পাতলিব। তদুপৰি, পৰ্যটকৰ আকৰ্ষণ বৃদ্ধিৰ বাবে ক্ষুদ্ৰ আৰু কুটীৰ শিল্পীসকলে তেওঁলোকৰ শিল্পজাত বিভিন্ন দ্ৰব্যৰ গুণমান বৃদ্ধি কৰাৰ প্ৰচেষ্টা চলোৱাৰ ফলত সিবোৰৰ বজাৰৰ পৰিধি যথেষ্ট বাঢ়িব। একেদৰেই কৃষিজ উৎপাদন, শিল্পজাত দ্ৰব্যৰ উৎপাদন বাঢ়িব; কিয়নো উৎপাদিত দ্ৰব্যৰ বিক্ৰী বৃদ্ধিৰ জৰিয়তে সিবোৰৰ বজাৰৰ সম্প্ৰসাৰণ ঘটিব। আৰ্থিক কাৰ্য-কলাপৰ পৰিধি আগতকৈ বৃদ্ধি পাব আৰু জনসাধাৰণৰ আয় বাঢ়িব। চকুকৈ ক'বলৈ গ'লে পৰ্যটন কেন্দ্ৰৰূপে স্বীকৃত হ'লে উন্নয়নৰ বাবে প্ৰয়োজনীয় আন্তঃগাঁথনিৰ ক্ষেত্ৰত থকা সমস্যাসমূহ সমাধান হোৱাৰ ফলত মাজুলীৰ অৰ্থনৈতিক দৃশ্যপটত উন্নয়নমুখী পৰিৱৰ্তন সাধিত হ'ব।

## প্ৰসংগসূচী :

১। Borah, K C (1985) :
'Income Distribution, Saving and Expenditure Pattern in the Rural Economy of Assam" Mittal Publication, New Delhi

২। Rajkhowa, U K &
Saikia Debajit (2001) :
"The Socio-Economic Profile of Majuli"
'Souvenir', Convention on Heritage Conservation Majuli, 16th-20th January

৩। শইকীয়া, দেবজিৎ (২০০১) :
"শালমৰাৰ মৃৎশিল্প: সুদীৰ্ঘ ইতিহাস আৰু নাতিদীৰ্ঘ ভৱিষ্যৎ"। দৈনিক জনমভূমি (দেওবৰীয়া পৰিপূৰিকা), ফেব্ৰুৱাৰী, ১৮।



## মাজুলীত আনুষ্ঠানিক শিক্ষাৰ সম্প্ৰসাৰণ

ইতিহাসৰ পাত লুটিয়ালে দেখা যায় যে অসমলৈ ব্ৰিটিছৰ আগমনৰ বহু শতাব্দীৰ পূৰ্বেই মাজুলীত শিক্ষাৰ প্ৰচলন আছিল। কোৱা বাহুল্য যে এই শিক্ষা আছিল অনানুষ্ঠানিক আৰু ধৰ্মকেন্দ্ৰিক। নৱবৈষ্ণৱ ধৰ্মৰ জনপ্ৰিয়তা বৃদ্ধিৰ লগে লগে সত্ৰানুষ্ঠানবোৰত অনানুষ্ঠানিক শিক্ষাৰ লগতে নামঘৰবিলাকৰ প্ৰাংগণতো শিক্ষাদানৰ ব্যৱস্থা বৃদ্ধি হৈছিল। মাজুলীৰ আঁহতগুৰি মৌজাৰ ধুৱাহাট বেলগুৰি অঞ্চলত মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱৰ মণি-কাঞ্চন সংযোগ ঘটিছিল। এই ঐতিহাসিক ঘটনাই মাজুলীত শিক্ষা চৰ্চাৰ পটভূমি ৰচনা কৰিছিল। এই ঘটনাৰ পৰৱৰ্তী কালত আহোম স্বৰ্গদেউ জয়ধ্বজ সিংহৰ পৃষ্ঠপোষকতাত আৰু শংকৰ-মাধৱৰ অনুগামীসকলৰ যত্নত কেইবাখনো সত্ৰ প্ৰতিষ্ঠা হৈছিল, যিসমূহে মাজুলীত ধৰ্মচৰ্চা আৰু সত্ৰীয়া সংস্কৃতিৰ চৰ্চাৰ বাহিৰেও 'টোল' প্ৰতিষ্ঠা কৰি তাত সংস্কৃত শিক্ষা চৰ্চাৰ ব্যৱস্থা কৰিছিল। সেইফালৰ পৰা আমি সত্ৰসমূহক মাজুলীৰ শিক্ষা চৰ্চাৰ বাটকটীয়া বুলিব পাৰোঁ। অসমৰ শৈক্ষিক উত্তৰণতো যে মাজুলীৰ সত্ৰসমূহৰ অনবদ্য অৱদান আছে তাক আউনীআটী সত্ৰৰ পৰা প্ৰকাশ পোৱা অসমৰ দ্বিতীয়খন বাতৰি কাকত 'আসাম বিলাসিনী' ১৮৭১ খ্ৰী:ত প্ৰথম প্ৰকাশ হোৱাৰ কথাৰ পৰাই বুজিব পাৰি। সত্ৰসমূহ সেই সময়ত জনসাধাৰণৰ জীৱনৰ অংগস্বৰূপ হৈ পৰিছিল। সত্ৰসমূহৰ লগত থকা জনসাধাৰণৰ নিবিড় সান্নিধ্যৰ ফলস্বৰূপে কেইজনমান সচেতন ব্যক্তি সত্ৰসমূহত চৰ্চা হৈ থকা শিক্ষা ব্যৱস্থাৰ প্ৰতি আকৰ্ষিত হৈ পৰিছিল আৰু তেওঁলোকৰ মনত ভৱিষ্যত প্ৰজন্মক আনুষ্ঠানিক শিক্ষা দিয়াৰ প্ৰবল আগ্ৰহ জন্মে। যাৰ পৰিণতিত মাজুলীত আনুষ্ঠানিক শিক্ষাৰ প্ৰচলন আৰম্ভ হয়। উপযুক্ত তথ্যৰ অভাৱত আমি এতিয়াও মাজুলীত আনুষ্ঠানিক শিক্ষাৰ শুভাৰম্ভ প্ৰথম ক'ত হৈছিল তাক জানিব পৰা নাই; তথাপি প্ৰাপ্ত তথ্যমতে ৰাইজৰ সহযোগত কমলাবাৰী মৌজাত এখন প্ৰাথমিক বিদ্যালয় স্থাপনৰ প্ৰয়োজন অনুভৱ কৰি এক ৰাজহুৱা সভাত সিদ্ধান্ত গ্ৰহণ কৰা হয়, যাৰ ফলশ্ৰুতিতেই ৰাইজৰ দান-বৰঙণি আৰু সহায়-সহযোগত ১৮৮৮ খ্ৰী:ত অংকুৰণ ঘটে ওপৰকাটনি গাঁও প্ৰাথমিক বিদ্যালয়ৰ। সমসাময়িকভাৱে আঁহতগুৰি মৌজা আৰু শালমৰা মৌজাতো প্ৰাথমিক বিদ্যালয় স্থাপন হোৱাৰ কথা জনা যায়। সেই সময়ত এটি শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰি তাক জীয়াই ৰখাটো অতি দুঃসাধ্য কাম আছিল, বিশেষকৈ মাজুলীৰ দৰে দুৰ্গম অঞ্চলত। আৰ্থিক সমস্যাৰ উপৰি সেই সময়ত শিক্ষকৰো অভাৱ আছিল। মাজুলীবাসীয়ে বিভিন্ন প্ৰাকৃতিক দুৰ্যোগৰ সন্মুখীন হৈয়ো এই শিক্ষানুষ্ঠান জীয়াই ৰখাৰ উপৰি আন আন ঠাইত শিক্ষানুষ্ঠান স্থাপনৰ কাম হাতত লয়। তাৰ ফলশ্ৰুতিতেই কুৰি শতিকাৰ আৰম্ভণিতে কেইবাখনো প্ৰাথমিক বিদ্যালয়ৰ বাহিৰেও আঁহতগুৰিৰ মধ্য অসমীয়া বিদ্যালয়, বনগাঁও মধ্য অসমীয়া বিদ্যালয় আৰু আউনীআটী মধ্য অসমীয়া বিদ্যালয় তিনিখন স্থাপন হোৱা দেখিবলৈ পাওঁ।

১৯২৪ খ্ৰী:টো মাজুলীত ইংৰাজী শিক্ষা অংকুৰণৰ এক উল্লেখযোগ্য বৰ্ষ। মাজুলীৰ শিক্ষাজগতৰ বাটকটীয়া, মাজুলীৰ প্ৰথম স্নাতক ⌐কেশৰৰাম বৰা প্ৰমুখ্যে কেইগৰাকীমান দূৰদৃষ্টিসম্পন্ন ব্যক্তিৰ অবিৰত প্ৰচেষ্টা আৰু ত্যাগৰ বিনিময়ত মাজুলীত ইংৰাজী শিক্ষাৰ প্ৰথম অনুষ্ঠান বনগাঁও মধ্য ইংৰাজী বিদ্যালয় শালমৰা মৌজাত প্ৰতিষ্ঠা কৰা হয়। নানা সমস্যাৰ সন্মুখীন হোৱা বনগাঁও মধ্য ইংৰাজী বিদ্যালয়খন পৰৱৰ্তী কালত বিভিন্ন স্থানলৈ স্থানান্তৰিত কৰিবলগীয়া হৈছিল আৰু অৱশেষত কমলাবাৰীত স্থায়ীভাৱে স্থাপন কৰা হয়। ১৯৩২ খ্ৰী:ৰ পৰা এই বিদ্যালয়ত উচ্চ ইংৰাজী শ্ৰেণীসমূহ আৰম্ভ কৰা হয়। এই বিদ্যালয়ৰ গৃহ আউনীআটী সত্ৰৰ তেতিয়াৰ সত্ৰাধিকাৰ ⌐হেমচন্দ্ৰ দেৱ গোস্বামীৰ দানেৰে নিৰ্মাণ কৰা হয় আৰু বিদ্যালয়খনক 'মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চ ইংৰাজী বিদ্যালয়' নামেৰে নামকৰণ কৰা হয়। এই বিদ্যালয় স্থাপনৰ পূৰ্বৱৰ্তী কালত মাজুলীৰ ছাত্ৰই ইংৰাজী শিক্ষা আহৰণৰ বাবে বৰনৈ পাৰ হৈ সাধাৰণতে যোৰহাট অথবা লখিমপুৰত শিক্ষা গ্ৰহণ কৰিবলগীয়া হৈছিল; যিটো সম্ভৱ হৈছিল মুষ্টিমেয় দুই-চাৰিজনৰ বাবেহে। এই বিদ্যালয়খন পৰৱৰ্তী কালত মাজুলীত ইংৰাজী শিক্ষা প্ৰসাৰৰ মাইলৰ খুঁটি হিচাপে পৰিগণিত হয়। এই বিদ্যালয়ত শিক্ষাগ্ৰহণ কৰা বহুতো শিক্ষাৰ্থীয়ে পৰৱৰ্তী কালত মাজুলীৰ বিভিন্ন অঞ্চলত ভিন্ ভিন্ স্তৰৰ শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰি অঞ্চলটোক শিক্ষাৰ ক্ষেত্ৰত দ্ৰুতভাৱে আগবঢ়াই নিবলৈ সক্ষম হয়। এক সমীক্ষা মতে, বৰ্তমান মাজুলীত ৪৯৬খন প্ৰাদেশীকৃত প্ৰাথমিক বিদ্যালয়, ১৮খন মধ্য অসমীয়া আৰু ৯০খন মধ্য ইংৰাজী বিদ্যালয়, ৮৭খন প্ৰাদেশীকৃত আৰু নিয়মীয়াকৰণ

উচ্চ ইংৰাজী বিদ্যালয় আছে।

মানুহৰ গতি সদায় উচ্চলৈ। জ্ঞানৰ প্ৰতি থকা মানৱজাতিৰ যি অসীম তৃষ্ণা, সেই তৃষ্ণাৰ বাবেই প্ৰাথমিক, মজলীয়া আৰু উচ্চ ইংৰাজী বিদ্যালয় স্থাপন হোৱাৰ পাছত মাজুলীবাসীয়ে উচ্চ শিক্ষাৰ অভাৱ অনুভৱ কৰিবলৈ ধৰিলে, যাৰ পৰিণতি স্বৰূপে জন্ম ল'লে মাজুলীত উচ্চ শিক্ষাৰ প্ৰধান আৰু প্ৰথম কেন্দ্ৰস্থল— 'মাজুলী মহাবিদ্যালয়'।

মাজুলী প্ৰাথমিক শিক্ষক সংস্থাই লাহলিয়াল গাঁৱত অনুষ্ঠিত হোৱা ইয়াৰ এক বাৰ্ষিক অধিৱেশনত মাজুলীত উচ্চ শিক্ষাৰ সম্প্ৰসাৰণৰ বাবে এখন মহাবিদ্যালয় স্থাপনৰ প্ৰয়োজনীয়তা অনুভৱ কৰি এই বিষয় সন্দৰ্ভত এক প্ৰস্তাৱ গ্ৰহণ কৰাৰ লগতে গাঁৱে-ভূঞে ইয়াৰ বহুল প্ৰচাৰ আৰম্ভ কৰে, যি প্ৰচাৰে মাজুলীত এক মহাবিদ্যালয় স্থাপনৰ অনুকূল পৰিৱেশ সৃষ্টি কৰে। এই পৰিৱেশত ১৯৬২ খ্ৰী:ৰ মাৰ্চ মাহত কমলাবাৰীৰ 'মাজুলী মিলন সংঘ'ত এক বৃহৎ ৰাজহুৱা সভাৰ আয়োজন কৰা হয়। যাৰ একমাত্ৰ উদ্দেশ্য আছিল মাজুলীত উচ্চ শিক্ষাৰ বাবে এখন মহাবিদ্যালয় প্ৰতিষ্ঠা কৰা। এই সভাই অতি সোনকালে মাজুলীত এখন মহাবিদ্যালয় প্ৰতিষ্ঠাৰ সৰ্বসন্মত মত পোষণ কৰি মাজুলীৰ সকলো সম্প্ৰদায়ৰ পৰা প্ৰতিনিধি গোটাই এখন কৰ্ণধাৰ সমিতি গঠন কৰি এই মহৎ কাৰ্য সম্পাদনৰ ভাৰ তেওঁলোৰ ওপৰত ন্যস্ত কৰে। মাজুলীৰ সুযোগ্য সন্তান ৺কেশৱৰাম বৰা আৰু ৺কৃষ্ণকান্ত গোস্বামীক এই সমিতিৰ ক্ৰমে সভাপতি আৰু সম্পাদকৰ দায়িত্ব অৰ্পণ কৰা হৈছিল। এই দুজন ব্যক্তিয়ে মাজুলীৰ দুৰ্গম যাতায়াতৰ বাধা নেওচি, ইয়াৰ চুকে-কোণে বাস কৰা ব্যক্তিকো শিক্ষাৰ গুৰুত্ব বুজাই প্ৰস্তাৱিত মহাবিদ্যালয়ৰ বাবে দান-বৰঙণি সংগ্ৰহ কৰিছিল। এনেদৰেই মাজুলীবাসীৰ অদম্য ইচ্ছা, শিক্ষাৰ প্ৰতি থকা প্ৰবল ধাউতি আৰু কেইজনমান ব্যক্তিৰ আন্তৰিক ইচ্ছা আৰু অপৰিসীম কষ্টৰ ফলস্বৰূপে ১৯৬২ খ্ৰী:ৰ ছেপ্টেম্বৰ মাহত মাজুলী মহাবিদ্যালয়ৰ জন্ম হয়। প্ৰাৰম্ভিক অৱস্থাত স্থায়ী গৃহৰ অভাৱত এই মহাবিদ্যালয়ৰ কাম-কাজ মাজুলী আউনীআটী হেমচন্দ্ৰ হাইস্কুলত কিছু বছৰৰ বাবে চলোৱা হৈছিল।

মাজুলীবাসীৰ সকলো ক্ষেত্ৰতে সত্ৰসমূহে পালন কৰি অহা ধনাত্মক ভূমিকা অনস্বীকাৰ্য। ১৯৬৭ খ্ৰী:ত মাজুলীৰ দুই বৃহৎ সত্ৰানুষ্ঠান আউনীআটী আৰু দক্ষিণপাট সত্ৰৰ আৰ্থিক সাহায্যত মাজুলী মহাবিদ্যালয়ৰ স্থায়ী গৃহ নিৰ্মাণ কৰি মহাবিদ্যালয়খন কমলাবাৰীৰ বৰ্তমানৰ স্থানলৈ স্থানান্তৰিত কৰা হয়। তাৰ পাছৰে পৰা বিশ্ববিদ্যালয় অনুদান আয়োগ, ৰাজ্য চৰকাৰৰ সাহায্যৰে পুষ্ট হৈ মাজুলী মহাবিদ্যালয় বৰ্তমান ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত এক উল্লেখনীয় বৃহৎ শিক্ষানুষ্ঠান। এইখন হৈছে বিজ্ঞান আৰু কলা দুয়োটা বিভাগৰে শিক্ষাদানৰ ব্যৱস্থা থকা মাজুলীৰ একমাত্ৰ মহাবিদ্যালয়।

মাজুলী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাই মাজুলীত উচ্চ শিক্ষাৰ দীৰ্ঘদিনীয়া অভাৱ দূৰ কৰিলে আৰু উচ্চ শিক্ষাৰ প্ৰসাৰ যে দ্ৰুত কৰিলে তাত কোনো সন্দেহ নাই; কিন্তু মাজুলীৰ যি বৃহৎ পৰিসৰ তাৰবাবে এখন মহাবিদ্যালয় পৰ্যাপ্ত নহয়। সেয়েহে এই মহাবিদ্যালয় স্থাপনৰ পৰৱৰ্তী কালত আৰু কেইবাখনো মহাবিদ্যালয় এই মহাবিদ্যালয়ৰ অনুপ্ৰেৰণাতে প্ৰতিষ্ঠা হয়। সেইবিলাকৰ ভিতৰত জেংৰাইমুখ মহাবিদ্যালয় (১৯৭৩ খ্ৰী:), উজনি মাজুলীৰ মাজুলী খেৰকটা মহাবিদ্যালয় (১৯৭৩ খ্ৰী:), ৰঙাচাহী মহাবিদ্যালয়— উল্লেখযোগ্য। ইয়াৰ বাহিৰেও সদ্য চৰকাৰী অনুমোদনপ্ৰাপ্ত পীতাম্বৰদেৱ কনিষ্ঠ মহাবিদ্যালয়, গড়মূৰ; নামনি মাজুলী কনিষ্ঠ মহাবিদ্যালয়, মহৰীচুক আৰু অমঞ্জুৰীপ্ৰাপ্ত পূব মাজুলী মহাবিদ্যালয়, বনগাঁও আৰু চাৰিখন স্বীকৃতিপ্ৰাপ্ত উচ্চতৰ মাধ্যমিক বিদ্যালয় আছে, যিবিলাকে মাজুলীত শিক্ষা বিস্তাৰৰ বাবে প্ৰভূত বৰঙণি আগবঢ়াই আহিছে।

মাজুলীৰ শিক্ষানুষ্ঠানসমূহে ইয়াৰ লোকসকলক নিঃসন্দেহে যথেষ্ট উপকৃত কৰিছে। মাজুলীবাসীৰ জীৱন কঠোৰ জীৱন-সংগ্ৰামৰ ইতিহাসেৰে ভৰা। প্ৰতিকূল প্ৰাকৃতিক পৰিৱেশৰ সৈতে নিৰন্তৰ সংগ্ৰাম কৰি থাকিবলগীয়া হ'লেও মাজুলীবাসীৰ শিক্ষাৰ প্ৰতি থকা ধাউতি আৰু আগ্ৰহ অসীম। শেহতীয়া পৰিসংখ্যাত প্ৰকাশিত ৭১.২% শিক্ষিত হাৰে এই কথাকে নিশ্চিতভাৱে প্ৰমাণ কৰিছে।

## শিক্ষাৰ বিভিন্ন দিশত আলোকপাত

**সত্ৰীয়া শিক্ষা :** নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰবৰ্তক, বৃহত্তৰ অসমীয়া জাতিৰ নিৰ্মাতা জগতগুৰু শ্ৰীমন্ত শংকৰদেৱ, গুৰু মাধৱদেৱৰ মিলনভূমি, 'মণি-কাঞ্চন' নামে খ্যাত মাজুলীৰ ধুঁৱাহাটতে দুয়োগৰাকীয়ে নৱ-বৈষ্ণৱ ধৰ্মৰ ব্যাপক প্ৰচাৰৰ পথ নিৰ্ণয় কৰিছিল। তাৰ পাছতে গুৰুজনাই বেলগুৰিতে এখনি সত্ৰ প্ৰতিষ্ঠা কৰি দুয়োজনা

কেইবাবছৰ থকাৰে পৰা মাজুলীত সত্ৰৰ আৰ্হি, কৰ্মাৱলীৰ বুনিয়াদ তৈয়াৰ হৈছিল। পৰৱৰ্তী সময়ত গুৰুজনাৰ অনুগামী উত্তৰাধিকাৰীয়ে মাজুলীত কেইবাখনো সত্ৰ প্ৰতিষ্ঠা কৰিছিল। তাৰ উপৰি ৰাজনৈতিক কাৰণত ৰজাঘৰীয়া উদ্যোগত কেইখনমান সত্ৰ স্থাপিত হৈছিল। এইদৰে মাজুলীত প্ৰতিষ্ঠিত সত্ৰসমূহত ধৰ্ম চৰ্চা, আধ্যাত্মিক উৎকৰ্ষ সাধন, সুস্থ, শান্তিপূৰ্ণ সামাজিক জীৱন-যাপনৰ প্ৰমূল্যসমূহ আহৰণ; আচাৰ-ব্যৱহাৰ, সাজ-সজ্জা, পদ-ঘোষা, নাম-প্ৰসংগ, পূজা-পাৰ্বণ, ভাওনা, নৃত্য-গীত-মাত, সংকীৰ্তন, বাদ্য-বাদন আদি বিভিন্ন দিশত শিক্ষানুষ্ঠানৰ দৰেই শিক্ষা, প্ৰশিক্ষণ একাধাৰে চলিয়েই আছে। ইয়াৰ উপৰি ধৰ্মীয় তত্ত্বমূলক ব্যাখ্যা, শাস্ত্ৰ-ভাগৱত, গুৰুচৰিত পঠন-শ্ৰৱণ; স্থাপত্য, ভাস্কৰ্য, শিল্প-কলা আদিৰ চৰ্চা, শিক্ষাদান আদি নৈমিত্তিক কৰ্মৰ দৰেই চলি আছে। এইদৰে ওপৰোক্ত বিভিন্ন শিক্ষণীয় দিশৰ কাৰ্য শিক্ষাৰে অংগ বুলি কোৱাৰ থল আছে।

সত্ৰসমূহক শিক্ষানুষ্ঠান হিচাপেই প্ৰাধান্য আৰোপ কৰি বিপ্লৱী ধৰ্মগুৰু, সমাজ-সংস্কাৰক, স্বাধীনতা আন্দোলনৰ অগ্ৰণী নেতা, প্ৰৱাদপুৰুষ, সংস্কৃতি-সাধক, পীতাম্বৰদেৱ গোস্বামীয়ে সময়োচিত-ভাৱেই কৈছিল, "আজিৰ এই প্ৰগতিশীল যুগতো শংকৰগুৰুৰ শিক্ষা সাধনাত ঐকান্তিকভাৱে আশ্ৰয় নকৰিলে অসমীয়া সৰ্বাত্মকভাৱে জাতীয় জীৱনৰ উৰ্ধগামী হোৱাৰ আশা নাই।"

**সংস্কৃত শিক্ষা :** এটা সময়ত সংস্কৃত ভাষা তথা শিক্ষাৰ আধাৰতে ভাৰতীয় সভ্যতা, সামাজিক, সাংস্কৃতিক আদি দিশৰ বিকাশ সাধন ঘটিছিল। হিন্দুধৰ্মৰ দৰ্শনতত্ত্ব ভিত্তিক প্ৰায়বিলাক শাস্ত্ৰ, বিধি-বিধান, কাহিনী, আখ্যান, নীতি-আচাৰ-বিচাৰ ইত্যাদি সংস্কৃত ভাষাতেই লিপিবদ্ধ। সেই কাৰণেই সত্ৰৰ সত্ৰাধিকাৰ, ডেকা সত্ৰাধিকাৰ, পূজাৰী বা অন্য বৈষ্ণৱে সংস্কৃত ভাষাৰ শিক্ষা গ্ৰহণ অপৰিহাৰ্য বুলি অনুভৱ কৰি সত্ৰৰ বাহিৰত বা সত্ৰলৈ সংস্কৃত পণ্ডিত অনাই সংস্কৃত ভাষাৰ শিক্ষা গ্ৰহণৰ ব্যৱস্থা আছিল। পৰৱৰ্তী সময়ত প্ৰায়বিলাক সত্ৰয়েই সংস্কৃত টোল প্ৰতিষ্ঠা কৰি লৈছিল।

১৮২৬ শকত দক্ষিণপাট সত্ৰত তদানীন্তন সত্ৰাধিকাৰ নাৰায়ণ চন্দ্ৰ দেৱ গোস্বামীয়ে 'শ্ৰীশ্ৰীনৰ-দেৱ সংস্কৃত টোল' প্ৰতিষ্ঠা কৰিছিল আৰু টোলৰ প্ৰথমগৰাকী অধ্যাপক নলবাৰীৰ ৺প্ৰিয়নাথ দেৱশৰ্মা (ব্যাকৰণতীৰ্থ) আছিল।

আউনীআটী সত্ৰত ১৭৮০ শক মানৰ পৰা সংস্কৃত অধ্যাপক অনাই সত্ৰতে সংস্কৃত শিক্ষা গ্ৰহণৰ ব্যৱস্থা কৰা হৈছিল যদিও ১৯২৮ খ্ৰী:ত 'আউনীআটী কমলদেৱ চতুষ্পাঠী' নামেৰে সংস্কৃত টোলটি প্ৰতিষ্ঠিত হৈছিল।

গড়মূৰ সত্ৰতো বাহিৰলৈ গৈ আৰু বহুত সময়ত সত্ৰলৈকে সংস্কৃত পণ্ডিত অনাই সংস্কৃত শিক্ষা গ্ৰহণৰ ব্যৱস্থা আছিল যদিও পীতাম্বৰদেৱ গোস্বামীয়ে গড়মূৰ সত্ৰত ১৯১৮ খ্ৰী:ত 'গোপালদেৱ আশ্ৰম' নামে সংস্কৃত শিক্ষানুষ্ঠান এটি প্ৰতিষ্ঠা কৰিছিল। তদুপৰি সংস্কৃত শিক্ষাৰ ব্যাপক প্ৰসাৰৰ বাবে ১৯২১ খ্ৰী:ত নগাঁও জিলাৰ পুৰণিগুদামত 'বংশীগোপাল সংস্কৃত টোল' আৰু ১৯২২ খ্ৰী:ত জাজীত 'সাৰস্বত বিদ্যালয়' নামে দুখন সংস্কৃত শিক্ষাৰ অনুষ্ঠান প্ৰতিষ্ঠা কৰিছিল। প্ৰতিষ্ঠাপক অধ্যাপক আছিল ৺নিত্যানন্দদেৱ ভাগৱতী (বিদ্যাবাগীশ)।

উল্লেখিত সত্ৰকেইখনিৰ দৰেই বাহিৰলৈ গৈ আৰু বহু সময়ত সত্ৰলৈ সংস্কৃত পণ্ডিত অনাই সংস্কৃত শিক্ষা গ্ৰহণৰ ব্যৱস্থা বিলুপ্ত ঘটাই বেঙেনাআটী সত্ৰৰ তদানীন্তন সত্ৰাধিকাৰ পূৰ্ণানন্দদেৱ গোস্বামীয়ে ১৮৯৫ খ্ৰী:ত 'পূৰ্ণানন্দ চতুষ্পাঠী' নামে এটি সংস্কৃত শিক্ষানুষ্ঠান সত্ৰতে স্থাপন কৰিছিল।

এইদৰে এটা সময়ত কমলাবাৰী সত্ৰ (বৰ্তমান তিতাবৰত), আদি এলেঙি সত্ৰ (বৰ্তমান উত্তৰ লখিমপুৰৰ গোসাঁইপুখুৰীত), কৰতিপাৰ, ভোগপুৰ, নতুন কমলাবাৰী (মাজুলী কমলাবাৰী), নতুন চামগুৰি আদি চৈধ্যখন সত্ৰত সংস্কৃত শিক্ষাৰ অনুষ্ঠান (টোল) আছিল। কেইখনমান সত্ৰ স্থানান্তৰৰ পাছত বৰ্তমান ৯খন সংস্কৃত টোল আছে যদিও দুখনমান টোল সুপ্ত অৱস্থাত আছে। ইতিমধ্যে মাজুলীত কেইবাখনো টোল প্ৰাদেশিকীকৰণ কৰা হ'ল।

**পাঠশালা, প্ৰাথমিক বিদ্যালয় :** এসময়ত পাঠশালাৰ নিৰ্দিষ্ট পাঠ্যপুথি, সময়সূচী, কৰ্ম-তালিকা, বন্ধৰ তালিকা আদি নোহোৱাকৈ ডাঙৰ গছৰ তলত বা শিক্ষাগুৰুজনৰ গৃহত পঢ়িব-লিখিব পৰা সাধাৰণ শিক্ষাদান চলিছিল। সাধাৰণতে সাধু, আখ্যান, কাহিনী আদিৰ কথন, ব্যাখ্যাৰে একোজন ছাত্ৰক পঢ়িব-লিখিব পৰা শিক্ষাদান কৰাৰ লগতে ছাত্ৰক নৈতিকতা, চৰিত্ৰ গঠন, আচৰণ, সত্যনিষ্ঠ, নীতিনিষ্ঠ আদি গুণৰ অধিকাৰী হ'বলৈ শিক্ষা দিছিল।

ইষ্ট ইণ্ডিয়া কোম্পানী আৰু খ্ৰীষ্টান মিছনেৰীসকলে আধুনিক

শিক্ষা প্ৰৱৰ্তনৰ উদ্দেশ্যে প্ৰথমে পাঠশালাবিলাকত ছাত্ৰসংখ্যা বৃদ্ধি কৰিবলৈ ১০জন ছাত্ৰৰ এটি গোটৰ বিপৰীতে এটকাকৈ নিম্নতম ৩টা গোটৰ সীমা বান্ধি পণ্ডিতজনক উৎসাহমূলকভাৱে ৩টকাকৈ দিছিল। পাঠ্যপুথি আদিৰ ব্যৱস্থা প্ৰৱৰ্তনেও ক্ৰমাগত পাঠশালাক প্ৰাইমেৰী স্কুল হিচাপে স্বীকৃতি দি শিক্ষক নিয়োগৰ ব্যৱস্থা কৰি আধুনিক শিক্ষাৰ পাতনি মেলিছিল আৰু ক্ৰমান্বয়ে খ্ৰীষ্টান মিছনেৰী দল এটিৰ প্ৰচেষ্টাত উজনি অসমৰ বিভিন্ন স্থানত প্ৰাথমিক বিদ্যালয় স্থাপিত হৈছিল।

১৮৭৮ খ্ৰী:ত(') মাজুলীৰ কঢ়ালগাঁৱতো এখন প্ৰাথমিক বিদ্যালয় প্ৰতিষ্ঠা হৈছিল (১নং কঢ়ালগাঁও নিবাসী শ্ৰীনিৰ্মল বৰা, শ্ৰীতৰুণ বৰা আৰু ২নং কঢ়ালগাঁও নিবাসী ১০১ বছৰ বয়সীয়া প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক শ্ৰীবগাৰাম বৰা; ১নং কঢ়ালগাঁৱৰ ৮৮ বছৰীয়া শ্ৰীপদ্ম শইকীয়াৰ আনুমানিক তথ্যৰ পৰা জনা যায়)। উক্ত বিদ্যালয়খন কঢ়ালগাঁও প্ৰাথমিক বিদ্যালয় নামেই বৰ্তমান ১নং, ২নং কঢ়ালগাঁৱৰ মাজত জনশূন্য ঠাইত (এসময়ত কঢ়ালগাঁও অবিভক্ত আছিল) প্ৰতিষ্ঠিত হৈছিল । প্ৰতিষ্ঠাপক শিক্ষক আৰু পাছত প্ৰধান শিক্ষক স্বনামধন্য ৺ ভাবিৰাম পণ্ডিত (শইকীয়া) আছিল আৰু তেখেতে সেই অঞ্চলৰে ৺ৰঘুনাথ গাঁওবুঢ়া, ৺ পূৰ্ণ শইকীয়া (চিপাহী বংশৰ), ৺ৰবিৰাম শইকীয়া আদি ভালেকেইজন শিক্ষানুৰাগী, সমাজকৰ্মীৰ সহযোগত আশাশুধীয়া প্ৰচেষ্টা, ত্যাগ-কষ্টৰ বিনিময়ত বিদ্যালয়খনি প্ৰতিষ্ঠা কৰিছিল।

কিছুবছৰৰ পাছত ৰাজহ বিভাগে কঢ়ালগাঁও ১নং, ২নং দুটা খণ্ডত বিভক্ত কৰাৰ পাছত ১নং কঢ়ালগাঁও প্ৰাথমিক বিদ্যালয় নামেৰে বৰ্তমান থকা স্থানলৈ স্থানান্তৰিত কৰা হৈছিল।

তথ্য অনুযায়ী ১৮৭৮ খ্ৰী:ত প্ৰতিষ্ঠিত এই কঢ়ালগাঁও প্ৰাথমিক বিদ্যালয়খনি অবিভক্ত শিৱসাগৰ জিলাৰ সদৰ, যোৰহাটত ১৮ নং স্থানৰ প্ৰাথমিক বিদ্যালয় আৰু মাজুলীৰ সৰ্বপ্ৰথম প্ৰাথমিক বিদ্যালয় আছিল।

শিক্ষাৰ প্ৰতি ক্ৰমাগত মানুহৰ আগ্ৰহ বৃদ্ধি পোৱাত ১৮৮৫ খ্ৰী:ত কেইবাখনো গাঁৱৰ কেন্দ্ৰস্থল কমাৰগাঁৱত স্থানীয় শিক্ষানুৰাগী, নেতৃস্থানীয় সমাজকৰ্মীয়ে কমাৰগাঁও প্ৰাথমিক বিদ্যালয় প্ৰতিষ্ঠা কৰিছিল। ১৮/১৯খন গাঁৱৰ ছাত্ৰৰ উপৰি কমলাবাৰী অঞ্চলৰ ৺হীৰালাল ঠাকুৰ (মাজুলীৰ এজন বিশিষ্ট সমাজকৰ্মী তথা দাতা) প্ৰমুখ্যে ভালেসংখ্যক দূৰণিবটীয়া ছাত্ৰই এই বিদ্যালয়ত অধ্যয়ন কৰিছিল। ১৯৫৫ খ্ৰী:ত 'মাজুলী গড়কাপ্তানী পথ'ৰ কাষলৈ বিদ্যালয়খনি স্থানান্তৰ কৰা হৈছিল।

১৮৮৮ খ্ৰী:ত কমলাবাৰী মৌজাৰ দ্বিতীয়খন প্ৰাথমিক বিদ্যালয় ওপৰ কাটনি গাঁৱত স্থাপিত হৈছিল। কমলাবাৰীৰ ওপৰ কাটনি গাঁৱত প্ৰতিষ্ঠা কৰা বিদ্যালয়খনিৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত সেই সময়ৰ উক্ত অঞ্চলৰ শিক্ষানুৰাগী নেতৃস্থানীয় ব্যক্তি ৺ গোলাপ হাজৰিকা গাঁওবুঢ়া, ৺ৰামেশ্বৰ হাজৰিকা, ৺সোণাৰাম শইকীয়া, ৺কুশাই হাজৰিকা, ৺ গোমধৰ বৰুৱা, ৺খগেশ্বৰ বৰুৱা, ৺মুহীধৰ শৰ্মা, ৺ৰত্ন ভাগৱতী আদিয়ে অশেষ ত্যাগ, অৱদান আগবঢ়াইছিল। তেখেতসকলৰ ঐকান্তিক প্ৰচেষ্টাত ৰাইজেও সহযোগ কৰিছিল।

বিদ্যালয়খনি পৰিচালনা আৰু ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে প্ৰথমস্থানৰ পৰা দুবাৰ স্থানান্তৰ কৰা হেতু বৰ্তমান স্থানত ১নং কমলাবাৰী প্ৰাথমিক বিদ্যালয় নামেৰে স্থিতি লাভ কৰিছিল। স্বনামধন্য ৺ যোগধৰ শৰ্মা, ৺ঠগিৰাম বৰাৰ পাছত ৺দীননাথ বৰুৱা, ৺ৰূপৰাম ভূঞা, পদ্মপাণি গোস্বামী আৰু ৺ পোৱাল চন্দ্ৰ হাজৰিকাই প্ৰধান শিক্ষকৰ দায়িত্ব যোগ্যভাৱে বহন কৰিছিল।

সংশ্লিষ্ট অভিভাৱকসকলেও নিজ নিজ ছাত্ৰৰ অধ্যয়নৰ দিশত তত্বাৱধান, শিক্ষক-প্ৰধান শিক্ষকসকলৰ লগত সততে যোগাযোগ তথা সমন্বয়ত শিক্ষাৰ মানদণ্ড উচ্চ পৰ্যায়ত ৰখাত সহায় কৰি আহিছে। বিদ্যালয়খনিৰ বিভিন্ন দিশৰ উন্নয়ত প্ৰধান শিক্ষক-সহকাৰী শিক্ষকসকলক প্ৰায়েই দিহা-পৰামৰ্শ, সহায়-সহযোগ আগবঢ়াই উৎসাহিত কৰাসকলৰ ভিতৰত শিক্ষাবিদ ৺কেশৱৰাম বৰা, ৺ ৰোমেশ্বৰ হাজৰিকা, ৺ডম্বৰুধৰ বৰুৱা, ৺ ৰোম বৰুৱা, ৺শশীধৰ বৰুৱা, ৺বিপিন বৰকটকী, ৺ কাৰ্ক চন্দ্ৰ দলে, ৺ ভোলানাথ শৰ্মা, ৺ৰজনী বৰুৱা আদিৰ নাম স্মৰণীয়।

প্ৰতি বছৰেই প্ৰাথমিক বিদ্যালয়ৰ বৃত্তি পৰীক্ষাত কেইবাজন ছাত্ৰ-ছাত্ৰীয়ে বৃত্তি লাভ কৰি মাজুলী তথা যোৰহাট জিলাতেই খ্যাতি অৰ্জন কৰিছে। এই বিদ্যালয়ৰ অনেক মেধা তথা কৃতী ছাত্ৰই পৰৱৰ্তী সময়তো মেধাশক্তিৰ পৰিচয়েৰে চিকিৎসক, অভিযন্তা, প্ৰৱক্তা, অধিবক্তা, অধ্যক্ষ, প্ৰধান শিক্ষক, উচ্চ পৰ্যায়ৰ চৰকাৰী বিষয়া, ৰাষ্ট্ৰীয় পৰ্যায়ৰ ক্ৰীড়াবিদ, অনাতাঁৰ-দূৰদৰ্শনৰ শিল্পী, আন্তৰ্জাতিক-আঞ্চলিক পৰ্যায়ৰ খ্যাতি-সম্পন্ন বৈজ্ঞানিক; বহুজন ডক্টৰেট উপাধি লাভ কৰা সু-নাগৰিক হৈছে। তদুপৰি কৃতী ছাত্ৰ, খ্যাতিসম্পন্ন নাগৰিক গঢ়া

খনিকৰ স্বৰূপ প্ৰধান শিক্ষক স্বনামধন্য ৺পোৱাল চন্দ্ৰ হাজৰিকাদেৱে তেখেতৰ সু-সংহত ব্যক্তিত্ব আৰু প্ৰকৃত শিক্ষকৰ গুণেৰে বৈশিষ্টপূৰ্ণ শিক্ষক হিচাপে ৰাষ্ট্ৰপতি পুৰস্কাৰ লাভ কৰি বিদ্যালয়খনিৰ লগতে মাজুলীৰ গৌৰৱ দুগুণে বৃদ্ধি কৰিলে।

উল্লেখিত অগ্ৰণী প্ৰাথমিক বিদ্যালয়কেইখনৰ পাছতে শালমৰা, গড়মূৰ, দক্ষিণপাট, আউনীআটী, বেঙেনাআটী, জুগুনিধাৰী, লাহলিয়াল, গুৱালগাঁও, বিৰিণাবাৰী, কৰতিপাৰ, আঁহতগুৰি, চেলেকগাঁও, বালিচাপৰি, বৌমৰা আদি ঠাইত কুৰি শতিকাৰ চতুৰ্থ দশকৰ ভিতৰতে ৪৪খন প্ৰাথমিক বিদ্যালয় প্ৰতিষ্ঠা হৈছিল। অসমৰ ভিতৰত মিচিং জনজাতি সম্প্ৰদায়ৰ প্ৰথম স্নাতক স্বনামধন্য ৺চাৰুচন্দ্ৰ দলে ডাঙৰীয়া সহকাৰী পৰিদৰ্শক হিচাপে ১৯৩৫ চনত নিয়োজিত হোৱাৰ পাছত তেখেতৰ প্ৰচেষ্টাত অধিক প্ৰাথমিক বিদ্যালয়ে মাজুলীত প্ৰতিষ্ঠা লাভ কৰিছিল। বিশেষকৈ শিক্ষাত অনগ্ৰসৰ মিচিং সম্প্ৰদায়ৰ গাঁওসমূহত তেখেতৰ আন্তৰিক আশাশুধীয়া প্ৰচেষ্টাৰ ফলত প্ৰাথমিক বিদ্যালয় প্ৰতিষ্ঠাৰ ক্ষেত্ৰত জন-জাগৰণ হৈছিল। তেখেতৰ ঐকান্তিক প্ৰচেষ্টাতে মাজুলীত কেইবাখনো মধ্য অসমীয়া বিদ্যালয়ো স্থাপিত হৈছিল। পৰৱৰ্তী সময়ৰ এচ. আই., স্বনামধন্য ৺চক্ৰপাল কাগয়ুং, কমল বৰঠাকুৰেও শিক্ষাৰ দিশত অনগ্ৰসৰ অঞ্চলত প্ৰাথমিক, মধ্য অসমীয়া, মধ্য ইংৰাজী বিদ্যালয়সমূহ প্ৰতিষ্ঠাত দিহা-পৰামৰ্শ আগবঢ়াইছিল। ইতিমধ্যে ১৮৮২ খ্ৰী:ৰ ভাৰতীয় শিক্ষা অয়োগৰ পৰামৰ্শ অনুযায়ী প্ৰাথমিক, মজলীয়া বিদ্যালয়সমূহৰ কৰ্তৃত্ব লোকেল ব'ৰ্ডৰ অধীনলৈ হস্তান্তৰ হোৱাৰ পৰিপ্ৰেক্ষিতত মাজুলীৰ প্ৰাথমিক, মধ্য অসমীয়া, মধ্য ইংৰাজী বিদ্যালয় প্ৰতিষ্ঠাৰ ক্ষেত্ৰত সেই সময়ৰ লোকেল ব'ৰ্ডৰ সদস্য—সমাজকৰ্মী ৺বেথাৰাম বৰা, ৺ কাৰ্কচন্দ্ৰ দলে, ৺পদ্মধৰ পেগু, ৺দেৱী গাম, ৺ ঠগীৰাম ভূঞা, ৺গুণাৰাম হাজৰিকা (আঁহতগুৰি), ৺চন্দ্ৰধৰ ভঁৰালী, ৺দাসীৰাম পেগু, ৺খগেশ্বৰ হাজৰিকা, ৺ৰজনী বৰা, সোণাৰাম শইকীয়া আদিৰ অৱদান স্মৰণীয়।

১৯৭২ খ্ৰী:ত আঁহতগুৰি মৌজাৰ বিদ্যালয়সমূহ মাজুলী ডি. আই.ৰ কৰ্তৃত্বাধীন হোৱাৰ পাছত ১৯৯৮ খ্ৰী: পৰ্যন্ত মাজুলীত বৰ্তমান দুখন চৰকাৰী, তিনিখন অভ্যসন প্ৰাথমিক বিদ্যালয় আৰু ৪২১খন চৰকাৰীকৰণ বিদ্যালয়সহ সৰ্বমুঠ ৪২৬খন প্ৰাথমিক বিদ্যালয় আছে। ইতিমধ্যে প্ৰাথমিক বিদ্যালয়সমূহক পৰ্যায়ক্ৰমে নিম্ন বুনিয়াদী বিদ্যালয় হিচাপে নামাংকন কৰিছে আৰু পৰ্যায়ক্ৰমে শিক্ষকসকলক বুনিয়াদী প্ৰশিক্ষণ প্ৰদান কৰিছে।

**মধ্য অসমীয়া বিদ্যালয় (এম. ভি. স্কুল) :** ১৮৮৪ খ্ৰী:ত স্থাপিত প্ৰাথমিক বিদ্যালয়খন সুপ্ত হৈ পৰিছিল যদিও সেই স্থানতে ১৯১৪ খ্ৰী:ত বনগাঁও এম. ভি. স্কুলখনিয়ে জন্ম লাভ কৰিছিল। 'ক' শ্ৰেণীৰ পৰা ষষ্ঠ শ্ৰেণীলৈকে বনগাঁও এম. ভি. স্কুলখনে পূৰ্ণতা লাভ কৰাত চৰকাৰী মঞ্জুৰী সোনকালেই লাভ কৰিছিল। এই বিদ্যালয়খনেই মাজুলীত সৰ্বপ্ৰথম উচ্চশিক্ষাৰ অনুষ্ঠান। বনগাঁও এম. ভি. স্কুলখনি চিৰনমস্য সমাজসেৱক, শিক্ষানুৰাগী ৺চন্দ্ৰধৰ তামুলী, ৺লক্ষীনাথ তামুলী, ৺কামেশ্বৰ তামুলী, ৺নন্দী হাজৰিকা, ৺ইন্দিৰাম নামলগোৱা, ৺মগু মুক্তিয়াৰ, ৺বক্সীৰাম ঠাকুৰ, ৺ৰামৰূপ বৰুৱা, ৺ঘনকান্ত কাকতি আদিয়ে অশেষ কষ্ট, ত্যাগ স্বীকাৰ কৰি স্থাপিত কৰিছিল আৰু শিক্ষা বিস্তাৰৰ ক্ষেত্ৰত অগ্ৰণী তথা বাটকটীয়া স্বনামধন্য ৺বেথাৰাম বৰাদেৱৰ ঐকান্তিক প্ৰচেষ্টা, ত্যাগ, অৱদানত বিদ্যালয়খন পূৰ্ণ পৰ্যায়ত উপনীত হৈছিল। ৺বেথাৰাম বৰাদেৱে যোৰহাট নৰ্মাল স্কুলত অধ্যয়ন কৰি থাকোঁতেই বনগাঁও মজলীয়া অসমীয়া বিদ্যালয়খনৰ প্ৰধান শিক্ষকৰ গুৰু দায়িত্ব বহন কৰিবলগা হোৱাত তেখেতে নৰ্মালৰ চূড়ান্ত পৰীক্ষাতো অৱতীৰ্ণ হ'ব নোৱাৰিলে।

আউনীআটী এম. ভি. স্কুলখনি ১৯১৯ খ্ৰী:ত প্ৰতিষ্ঠা হৈছিল। স্বনামধন্য, প্ৰাথমিক বিদ্যালয় শাখাৰ শিক্ষক ৺বলাই পণ্ডিত, শুভ চন্দ্ৰ পণ্ডিত আদি কেইগৰাকীমান শিক্ষানুৰাগী ব্যক্তিৰ প্ৰচেষ্টাত আৰু শ্ৰীশ্ৰীআউনীআটীয় সত্ৰাধিকাৰৰ পৃষ্ঠপোষকতা তথা সত্ৰৰ আৰ্থিক সাহায্যত আউনীআটী এম. ভি. স্কুলখনি স্থাপিত হৈছিল। বিদ্যালখনিৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক আছিল স্বনামধন্য ৺ভোলাৰাম বৰুৱা আৰু প্ৰতিষ্ঠাপক বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি আছিল তদানীন্তন আউনীআটীয় সত্ৰাধিকাৰ। মাজুলীৰ, বিশেষকৈ নামনি মাজুলীৰ আঁহতগুৰি আদিৰ দূৰ-দূৰণিৰ ছাত্ৰ আহি এই বিদ্যালয়ত অধ্যয়ন কৰিছিল। বিদ্যালয়খনৰ শিক্ষাৰ মানদণ্ড, অনুশাসন, শৃংখলা আদি উন্নত পৰ্যায়ৰ হোৱা বাবে এম. ভি. চূড়ান্ত আৰু বৃত্তি পৰীক্ষাৰ ফলাফল সন্তোষজনক আছিল। এই বিদ্যালয়ৰ পৰাই আন্তৰ্জাতিক খ্যাতিসম্পন্ন বৈজ্ঞানিক কুমুদ চন্দ্ৰ বৰাদেৱে বৃত্তিসহ কৃতিত্বৰে এম. ভি. চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ বিদ্যালয়খনৰ গৌৰৱ উজ্জ্বল কৰিছিল।

**১৯২৮ খ্ৰী:ত মাজুলীৰ তৃতীয় স্থানৰ উচ্চ শিক্ষাৰ অনুষ্ঠান আঁতিগুৰি এম. ভি. স্কুলখন** স্থাপিত হৈছিল। সেই সময়ৰ লোকেল ব'ৰ্ডৰ সদস্য ৺গুণাৰাম হাজৰিকা, নেতৃস্থানীয় ব্যক্তি ৺সোণাৰাম বৰা, কমলাকান্ত ফুকন আদি ব্যক্তিৰ অশেষ ত্যাগ, কষ্ট, ঐকান্তিক প্ৰচেষ্টা আৰু ৰাইজৰ সহযোগত বিদ্যালয়খনে জন্মলাভ কৰিছিল।

শ্ৰীশ্ৰীদক্ষিণপাট সত্ৰাধিকাৰ প্ৰভুৰ পৃষ্ঠপোষকতা, সত্ৰৰ আৰ্থিক সাহায্যত ৺নীল বৰদলৈ, ৺ব্ৰজেন্দ্ৰ বৰা, ৺ধীৰেশ্বৰ বৰঠাকুৰ, ৺সকনাথ কাকতি, ৺আনন্দ ভূঞা, ৺মিঠাৰাম গাঁওবুঢ়া আদি শিক্ষানুৰাগী, সমাজসেৱকসকলৰ অক্লান্ত পৰিশ্ৰমত ১৯৪০ খ্ৰী:ত দক্ষিণপাট এম. ভি. স্কুলখন স্থাপিত হৈছিল। প্ৰতিষ্ঠাপক হেড পণ্ডিত আছিল স্বনামধন্য ৺নীল বৰদলৈ।

১৯৪২ খ্ৰী:ত স্বনামধন্য ৺বেথাৰাম বৰা, ৺গোলাপ ফুকন, ৺সৰ্বেশ্বৰ শইকীয়া (কঠালখোৱা), ৺হেম বৰা, ৺বংশী দত্ত (গায়নগাঁও), ৺বেণুধৰ গগৈ, ৺বেজীৰাম বৰা আদিৰ ঐকান্তিক প্ৰচেষ্টাত ৰতনপুৰ মধ্য অসমীয়া বিদ্যালয়খন প্ৰতিষ্ঠা হৈছিল। প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক আছিল টটয়া গাঁৱৰ ৺নবীন ফুকন।

ওপৰোক্ত বিদ্যালয়কেইখনৰ পাছত ১৯৪৬ খ্ৰী:ত সোণাৰিআটী, ১৯৪৮ খ্ৰী:ত শালমৰা, ১৯৫০ খ্ৰী:ত কাণকুৰিকা, ১৯৫৩ খ্ৰী:ত দেওদিয়াআটী, ১৯৫৪ খ্ৰী:ত তেলীয়াবাৰী মুদৈবিল, ১৯৫৬ খ্ৰী:ত গায়নগাঁও, ১৯৫৮ খ্ৰী:ত আমগুৰি, ১৯৬৮ খ্ৰী:ত বটিয়ামাৰীত এম. ভি. স্কুলসমূহ প্ৰতিষ্ঠা হৈছিল। ১৯৫২ খ্ৰী:ত টটয়া চৰকাৰী এম. ভি. আৰু ৰতনপুৰ মিৰি চৰকাৰী এম. ভি. স্কুল দুখন স্থাপিত হৈছিল। বৰ্তমান মাজুলীত চৰকাৰী দুখনৰ সৈতে ১৮খন এম. ভি. স্কুল আছে।

**এম. ই. স্কুল :** বনগাঁও এম. ভি. স্কুলৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক ৺বেথাৰাম বৰা আৰু উক্ত এম. ভি. স্কুলখনৰ প্ৰতিষ্ঠা-লগ্নত জড়িত শিক্ষানুৰাগীসকলৰ আপ্ৰাণ চেষ্টাত বনগাঁও এম. ভি. স্কুলৰ কাষতে ১৯২০ খ্ৰী:ত মাজুলী মাইনৰ স্কুলখনৰ জন্ম লাভ কৰিছিল। এই মাইনৰ স্কুলখনেই মাজুলীত ইংৰাজী শিক্ষাৰ অংকুৰ আছিল; কিন্তু ১৯২১ খ্ৰী:ত স্বাধীনতা আন্দোলনৰ অসহযোগ কাৰ্যসূচী তথা বনগাঁও অঞ্চলতো প্ৰবলভাৱেই আন্দোলনৰ প্ৰভাৱ পৰাত, ৰাজনৈতিক কাৰণত ছাত্ৰৰ সমস্যাৰ প্ৰত্যাহ্বানৰ সন্মুখীন হয়। ফলস্বৰূপে প্ৰতিষ্ঠাৰ দুবছৰমানৰ পাছত সুপ্ত হৈ পৰিছিল। ইতিমধ্যে শালমৰা গাঁৱৰ ৺ৰামচৰণ বৰা গাঁওবুঢ়াৰ সুযোগ্য পুত্ৰ মাজুলীৰ সৰ্বপ্ৰথম স্নাতক আৰু উজনি অসমৰ পঞ্চমজন বিজ্ঞান স্নাতক ৺কেশৱৰাম বৰাদেৱক মাজুলী মাইনৰ স্কুলখনৰ গুৰি ধৰি গঢ়ি তুলিবলৈ ৺বেথাৰাম বৰা, ৺লক্ষীনাথ তামুলী আদি বনগাঁও অঞ্চলৰ সজাতীদলে অনুৰোধ জনাইছিল। সেই সময়ত স্বনামধন্য ৺বৰাদেৱে চৰকাৰী চাকৰি প্ৰত্যাখ্যান কৰি স্বাধীনতা সংগ্ৰামত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল আৰু ১৯২১ খ্ৰী:ত কাৰাবাস খাটিবলগা হৈছিল।

স্বাধীনতা আন্দোলনৰ ধুমুহা কিছু শাম কটাৰ লগে লগে চিৰনমস্য ৺কেশৱৰাম বৰাদেৱে বনগাঁও এম. ভি. স্কুলৰ তদানীন্তন প্ৰধান শিক্ষক, শিক্ষকবৰ্গ আৰু নেতৃস্থানীয় ব্যক্তি আদিৰ দিহা-পৰামৰ্শ, সহায়-সহযোগত বনগাঁও নামনিমূৰৰ গোসাঁইবাৰীত (বৰ্তমান মেৰাগড় না: দে: উ: মা: বিদ্যালয় থকা স্থানত) ১৯২৪ খ্ৰী:ত মাজুলী মাইনৰ স্কুলখন পুনৰ প্ৰতিষ্ঠা কৰিছিল; কিন্তু ছাত্ৰৰ অভাৱ, অন্য কিছুমান অসুবিধাৰ কাৰণে, ১৯২৬ খ্ৰী:ত কমাৰগাঁৱলৈ আৰু কমাৰগাঁৱতো এবাৰ নোৱৰা কিছুমান সমস্যাৰ বাবে ১৯২৮ খ্ৰী:ত কমলাবাৰীৰ টুনী নৈৰ দক্ষিণফালৰ ঠাইলৈ স্থানান্তৰ কৰিবলগা হৈছিল। কমাৰগাঁৱত থকা কালতে মাজুলীৰ অন্য এগৰাকী সু-সন্তান শিক্ষাবিদ, সু-সংহত, প্ৰতিভাসম্পন্ন ব্যক্তি ৺যোগেশ্বৰ হাজৰিকাদেৱক মাজুলী মাইনৰ স্কুলৰ দ্বিতীয় শিক্ষক হিচাপে নিয়োগ কৰা হৈছিল। সমস্যা, অসুবিধা তথা প্ৰতিবন্ধকতাই লগ নেৰা বাবে পুনৰ কমলাবাৰীৰ পৰা ইতিহাস প্ৰসিদ্ধ ৰাৱণা পুখুৰীৰ পাৰলৈ বিদ্যালয়খন ১৯৩২ খ্ৰী:ত স্থানান্তৰ কৰিবলগা হৈছিল। ৰাৱণাপাৰত দূৰণিবটীয়া ছাত্ৰসকলে স্কুলৰ কাষতে ব'ৰ্ডিং সাজি অধ্যয়ন কৰিছিল আৰু ছাত্ৰ-সংখ্যাও বৃদ্ধি হৈছিল। বৰ্ধিত ছাত্ৰসংখ্যা আৰু উচ্চ ইংৰাজী স্তৰৰ শ্ৰেণী খোলাৰ মানসেৰে বিদ্যালয়খনৰ শিক্ষক হিচাপে ৺কাৰ্ক চন্দ্ৰ দলে, ৺ঠগিৰাম ভূঞা, ৺বিপিন চন্দ্ৰ বৰাদেৱক নিয়োগ কৰা হৈছিল। ৰাৱণাপাৰতে ৭ম, ৮ম শ্ৰেণী দুটা আৰম্ভ কৰা হৈছিল যদিও সমাধান কৰিব নোৱৰা কিছুমান সমস্যাই বাতিল কৰিবলৈ বাধ্য কৰাইছিল। ৰাৱণাপাৰৰ শিক্ষকসকলৰ উদ্যম, ঐকান্তিক প্ৰচেষ্টাত মাজুলী মাইনৰ স্কুলৰ দ্ৰুত উন্নয়ন হৈছিল যদিও দুৰ্ভাগ্যবশতঃ অগ্নিকাণ্ডত ব'ৰ্ডিং, বিদ্যালয়ৰ গৃহ, সা-সৰঞ্জাম, আচবাব সমূলঞ্চে ভস্মীভূত হোৱাত সকলো বিমৰ্ষ হৈছিল। উপায়ান্তৰ হৈ কমলাবাৰী অঞ্চলৰ

নেতৃস্থানীয়, সমাজকৰ্মী, শিক্ষানুৰাগী কিছু ব্যক্তিৰ অনুৰোধ মৰ্মে ১৯৩৫ খ্ৰী:ত বিদ্যালয়খন কমলাবাৰীলৈ স্থানান্তৰ কৰিবলগা হৈছিল। কমলাবাৰীলৈ স্থানান্তৰিত হোৱাৰ পাছত অলপো সময় অপচয় নকৰি ৰাইজৰ আগ্ৰহ, সহযোগত ওপৰকাটনী নামঘৰত মাজুলী মাইনৰ স্কুলৰ শিক্ষাদান আদি কাৰ্য পূৰ্ণ উদ্যমে আৰম্ভ হ'ল।

বিদ্যালয়খনি স্থানান্তৰৰ কিছুদিনৰ পাছতেই অনুষ্ঠিত ৰাজহুৱা সভাৰ সিদ্ধান্ত অনুযায়ী বিদ্যালয়খনৰ বাবে মাটি, গৃহাদিৰ ব্যৱস্থা, পুঁজি সংগ্ৰহ আদি কাৰ্যপন্থা নিৰ্ধাৰণ হ'ল আৰু এখন শক্তিশালী প্ৰতিষ্ঠা তথা পৰিচালনা সমিতি গঠন কৰা হ'ল। বিদ্যালয়খনৰ শিক্ষকবৰ্গৰ সহযোগত প্ৰতিষ্ঠা কমিটীৰ সদস্যবৃন্দই জনোৱা অনুৰোধৰ প্ৰতি সঁহাৰি জনাই বদান্যতাৰ চূড়ান্ত নিদৰ্শন স্বৰূপে ত্যাগী পুৰুষ, ওপৰকাটনী গাঁও নিবাসী ৺সোমধৰ বৰুৱাই বিদ্যালয়খনৰ কাৰণে প্ৰয়োজনীয় মাটি দান কৰাত এটি ডাঙৰ সমস্যা সমাধান হ'ল। সেই মাটিৰ সংলগ্ন গড়কাপ্টানী পথ পৰ্যন্ত থকা চৰকাৰী মাটিত অশেষ চেষ্টাৰ ফলত বিদ্যালয়ৰ দখলাধীন হ'ল। উক্ত মাটিতে বৰ্তমানলৈকে বিদ্যালয়খন উন্নীতকৰণ হৈ অৱস্থিত। মাটিৰ সমস্যা সমাধানৰ লগে লগেই ৰাজহুৱা সভাৰ প্ৰস্তাৱ, শিক্ষক-পৰিচালনা সমিতিৰ সদস্যবৃন্দৰ বিনম্ৰ অনুৰোধৰ প্ৰতি গুৰুত্ব প্ৰদান কৰি শ্ৰীশ্ৰীহেমচন্দ্ৰ গোস্বামী প্ৰভুৰ নামত নামকৰণ কৰাৰ চৰ্তত আউনীআটীয় সত্ৰাধিকাৰ শ্ৰীশ্ৰীহেমচন্দ্ৰ গোস্বামীয়ে গৃহৰ দান দিয়াৰ সন্মতি প্ৰদান কৰে। সেই মৰ্মে বিদ্যালয়খনিৰ প্ৰধান শিক্ষক, সহকাৰী শিক্ষকবৰ্গ, পৰিচালনা সমিতিৰ সদস্যবৃন্দ তথা নেতৃস্থানীয় ব্যক্তিসকলে চৰ্ত মানি লোৱাত গৃহ নিৰ্মাণৰ কাম আৰম্ভ হ'ল। খৰতকীয়াকৈ গৃহ নিৰ্মাণৰ কাম সম্পূৰ্ণ হোৱাত ১৯৩৭ খ্ৰী:ৰ এটি শুভদিনৰ পবিত্ৰ ক্ষণত মাজুলী আউনীআটী হেমচন্দ্ৰ গোস্বামী ইনষ্টিটিউট (এম. ই. স্কুল) নামেৰে থিতাপি লগাই শুভাৰম্ভ কৰা হৈছিল।

মেৰাগড় নাৰায়ণদেৱ মধ্য ইংৰাজী বিদ্যালয়খনি মাজুলীত দ্বিতীয়খন ইংৰাজী শিক্ষাৰ অনুষ্ঠান আছিল। ১৯২৯ খ্ৰী:ত যোগীগাঁও নামঘৰৰ চোঁ-ঘৰতে প্ৰথমতে এম. ই. স্কুলখনৰ পাঠদান আদি কাৰ্য পৰিচালনা হৈছিল। কিছুদিনৰ পাছত ওচৰৰ গাঁওসমূহৰ সহযোগ বৃদ্ধি পাইছিল। বিশেষকৈ, যোগীগাঁও, মেৰাগড়গাঁও— এই গাঁও দুখনৰ সহযোগত দুইখন গাঁৱৰ মাজৰ জনশূন্য স্থানত অহানিৰ বালিচৰী ডোবাৰ কাষতে বিদ্যালয়খন ৰাইজে দান-বৰঙণিৰে নিৰ্মাণ কৰা গৃহলৈ স্থানান্তৰিত কৰা হৈছিল। ৰাজহুৱা সভাৰ প্ৰস্তাৱ আৰু পৰিচালনা সমিতিৰ অনুৰোধ মৰ্মে দক্ষিণপাট সত্ৰৰ সত্ৰাধিকাৰ হৰিদেৱ গোস্বামীয়ে পূৰ্বৰ বৈকুণ্ঠগামী সত্ৰাধিকাৰ শ্ৰীশ্ৰীনাৰায়ণ গোস্বামীৰ নামত বিদ্যালয়খনৰ গৃহ দান দিবলৈ সন্মতি জনাইছিল। পৰিচালনা সমিতিয়েও নামকৰণৰ চৰ্ত মানি লোৱাত ১৯৪০ খ্ৰী:ত গৃহ-নিৰ্মাণ কাৰ্য সম্পন্ন হোৱাৰ পাছত মেৰাগড় নাৰায়ণদেৱ মধ্য ইংৰাজী বিদ্যালয় নামে নতুন গৃহত বিদ্যালয়খনৰ শুভাৰম্ভ হৈছিল।

উজনি মাজুলীৰ এটি বৃহত্তৰ অঞ্চলৰ কেন্দ্ৰস্থল গেজেৰাত সেই সময়ৰ আঞ্চলিক নেতৃস্থানীয় শিক্ষাপ্ৰেমী, সমাজকৰ্মী ৺খগেশ্বৰ হাজৰিকা, ৺ৰামেশ্বৰ দলে, ৺খগেশ্বৰ দলে, ৺বাপুৰাম বৰা, ৺বগেন পেগু, ৺বলোৰাম দলে আদিৰ অপৰিসীম ত্যাগ, অৱদান, কঠোৰ পৰিশ্ৰমৰ বিনিময়ত ১৯৩৮ খ্ৰী:ত গেজেৰা মধ্য ইংৰাজী বিদ্যালয়খন প্ৰতিষ্ঠা হৈছিল। প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক আৰু পৰিচালনা সমিতিৰ সভাপতি আছিল ক্ৰমে— ৺খগেশ্বৰ হাজৰিকা আৰু ৺ৰামেশ্বৰ দলে। অধিকাংশ মিচিং জনজাতি সম্প্ৰদায়ৰ জনসংখ্যাৰে পৰিবেষ্টিত উক্ত বৃহৎ অঞ্চলটিত একমাত্ৰ গেজেৰা এম. ই. স্কুলখনে ইংৰাজী শিক্ষা গ্ৰহণত প্ৰচুৰ সহায়ক আছিল। ১৯৭৪ খ্ৰী:ৰ পৰা সৃষ্টি হোৱা ব্ৰহ্মপুত্ৰ নদীৰ গৰাখহনীয়াই অঞ্চলটি প্ৰায় নিঃচিহ্ন কৰা হেতু ১৯৭৮ খ্ৰী:ত খেৰকটীয়া মথাউৰিৰ উত্তৰফালৈ বিদ্যালয়খনি স্থানান্তৰিত কৰা হ'ল।

উজনি মাজুলীৰ উত্তৰ দিশৰ মিচিং সম্প্ৰদায়ৰ জনসংখ্যাৰে পৰিপূৰ্ণ অন্য এটি বৃহৎ অঞ্চলৰ কেন্দ্ৰস্থলত ১৯৪২ খ্ৰী:ত জেংৰাইমুখ মধ্য ইংৰাজী বিদ্যালয়খন স্থাপিত হৈছিল। প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক ৺কৃষ্ণৰাম বৰুৱাই (উত্তৰ লখিমপুৰৰ ব্যক্তি) উদ্যোক্তাবৃন্দ, ৰাইজৰ সহযোগত বিদ্যালয়খনৰ প্ৰতিষ্ঠাৰ কাম আগুৱাই নিছিল। প্ৰতিষ্ঠাকালত স্বনামধন্য ৺তৰুণ চন্দ্ৰ পামেগাম, ৺বগাৰাম দলে— দুয়োজনে অশেষ ত্যাগেৰে শিক্ষাদানত ব্ৰতী হৈছিল। প্ৰতিষ্ঠাৰ সময়ৰ পৰা পূৰ্ণ পৰ্যায়লৈকে স্থানীয় সমাজসেৱক ৺মণিৰাম পেগু, ৺দাসীৰাম পেগু, ৺সনাতন পেগু, ৺দেওবৰ পেগু আদিয়ে বৰ্ণনাতীত পৰিশ্ৰম কৰিছিল। এই বিদ্যালয়খনিয়ে উক্ত সুবৃহৎ অঞ্চলত ইংৰাজী শিক্ষাৰ দুৱাৰ মুকলি কৰিছিল।

আঁহতগুৰি মৌজাৰ সৰ্বপ্ৰথম আঁহতগুৰি মধ্য ইংৰাজী বিদ্যালয়খনি ১৯৫০ খ্ৰী:ত স্থাপিত হৈছিল। প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক

সোমেশ্বৰ দত্ত আৰু প্ৰতিষ্ঠাকালত শিক্ষক হিচাপে ৺হিতেশ্বৰ বৰুৱা, ভুবন পূজাৰী, মদন ভৰালী, গোলাপ হাজৰিকা আদিয়ে অশেষ ত্যাগ, অৱদান আগবঢ়াইছিল।

১৯৫২ খ্ৰী:ত গড়মূৰত শ্ৰীশ্ৰীপীতাম্বৰদেৱ এম. ই. স্কুলখন স্থাপিত হৈছিল। প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক স্বনামধন্য ৺তৰুণ চন্দ্ৰ পায়েগাম আছিল আৰু সহকাৰী শিক্ষক ৺ভাৰত বৰা, ৺উপেন দত্ত, কৃষ্ণ কাকতি, বলীন্দ্ৰ শইকীয়া আছিল।

একেবছৰতে গুৱালগাঁৱৰ বালিচাপৰি গাঁৱৰ মধ্য স্থানত শ্ৰীলুইত এম. ই. স্কুলখনি প্ৰতিষ্ঠা হৈছিল। প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক যোগেন দত্ত আৰু প্ৰতিষ্ঠাকালত সুশীল বৰুৱা, চন্দ্ৰ বৰদলৈ, ৺ৰমা মিশ্ৰ, ৺লোকনাথ বৰা আদি জড়িত আছিল।

১৯৫২ খ্ৰী:তে ৺মালভোগ হাজৰিকা, লীলা বেজ, ক্ষীৰেশ্বৰ বৰা আদিৰ যত্নতে ৰতনপুৰ মধ্য ইংৰাজী বিদ্যালয়খন স্থাপিত হৈছিল।

১৯৫৬ খ্ৰী:ত চামগুৰি মধ্য ইংৰাজী বিদ্যালয়খন স্থাপন হৈছিল। পাছলৈ এই বিদ্যালয়খনেই ১৯৬১ খ্ৰী:ত ৰাৱণাপাৰলৈ স্থানান্তৰিত কৰিবলগা হৈছিল আৰু ইতিমধ্যে প্ৰতিষ্ঠিত ৰাৱণাপাৰ এম. ই. স্কুলৰ লগত একত্ৰীকৰণ কৰিব লগা হোৱাত বিদ্যালয়খনৰ নাম 'চামগুৰিসত্ৰ ৰাৱণাপাৰ এম. ই. স্কুল' হ'ল।

১৯৫৭ খ্ৰী:ত ৰঙাচাহী তনুৰাম নাথ এম. ই. স্কুলখনে জন্মলাভ কৰিছিল। ৰঙাচাহী গাঁৱৰ আঢ্যৱন্ত ব্যক্তি তনুৰাম নাথৰ স্মৃতিত তেখেতৰ পুত্ৰসকলে বিদ্যালয়ৰ গৃহ দান দিয়াৰ পৰিপ্ৰেক্ষিতত চৰ্ত অনুযায়ী অনুষ্ঠানটিৰ নাম ৰঙাচাহী তনুৰাম নাথ মধ্য ইংৰাজী বিদ্যালয় হ'ল।

এইদৰে ষাঠি দশকৰ ভিতৰত সোণোৱাল কছাৰী এম. ই., আঁহতগুৰি মৌজাত আঁহতগুৰি আদৰ্শ এম. ই., জোনাকী এম. ই. স্কুল আৰু সত্তৰ দশকৰ ভিতৰত ভকতিজুৱাৰ এম. ই., শালমৰা এম. ই., মহৰীচুক এম. ই., মধ্য মাজুলী পাৰিজাত এম. ই., দক্ষিণপাট এম. ই. আদি ভালেমান স্কুল স্থাপিত হৈছিল। কুৰি শতিকাৰ অন্তিম দশকলৈকে এম. ই. স্কুল প্ৰতিষ্ঠিত হৈছে। সম্প্ৰতি মাজুলীত ৭১খন চৰকাৰীকৰণ আৰু ১৬খন বিভাগীয় স্বীকৃতিপ্ৰাপ্ত, অনুমতি প্ৰাপ্ত মধ্য ইংৰাজী বিদ্যালয় আছে। সকলো বিদ্যালয়ৰ ইতিবৃত্ত দাঙি ধৰা সম্ভৱ নহ'ল বাবে অঞ্চল বিশেষে অগ্ৰণীয় মধ্য ইংৰাজী বিদ্যালয় কেইখনমানৰ চমু ইতিবৃত্ত দাঙি ধৰা হৈছে।

১৯৪৫ খ্ৰী:ত শালমৰাত স্বৰ্গীয় মাণিক ফুকনৰ ব্যক্তিগত মালিকানাত 'ফুকনৰ এম. ই. স্কুল' নামৰ এখন স্কুল ১৯৫২ খ্ৰী:লৈকে চলিছিল।

**উচ্চ মাধ্যমিক বিদ্যালয় :** কলেজীয়া জীৱনতে উপহাসমূলক পৰিস্থিতিৰ সন্মুখীন হওঁতেই সংগোপনে লোৱা সংকল্পক বাস্তৱায়িত কৰাৰ প্ৰথম পদক্ষেপ হিচাপে অনেক ঘাত-প্ৰতিঘাত, সমস্যা অতিক্ৰমী মাজুলীত উচ্চ ইংৰাজী শিক্ষাৰ বাটকটীয়া শিক্ষাবিদ, ত্যাগী পুৰুষ ৺কেশৱৰাম বৰাদেৱে এখন পূৰ্ণাংগ পৰ্যায়ৰ মধ্য ইংৰাজী বিদ্যালয় প্ৰতিষ্ঠাত সফল হ'ল। চৰ্ত অনুযায়ী মধ্য ইংৰাজী বিদ্যালয়ৰ পৰিৱৰ্তে 'মাজুলী আউনীআটী হেমচন্দ্ৰ ইনষ্টিটিউট' বুলি নামাংকন কৰাৰ সময়তে উচ্চ ইংৰাজী স্তৰ আৰম্ভণিৰ পথ সুগম কৰি লৈছিল। কেইবছৰমানৰ পাছত ২৭।৪।৪০ তাৰিখে শিক্ষাবিদ ৺চাৰু চন্দ্ৰ দলেদেৱৰ সভাপতিত্বত উচ্চ ইংৰাজী বিদ্যালয় আৰম্ভ কৰাৰ সন্দৰ্ভত এখনি ৰাজহুৱা সভা অনুষ্ঠিত হৈছিল। সভাত সেই বছৰতে ৭ম, ৮ম দুয়োটা শ্ৰেণী আৰম্ভ কৰিবলৈ সৰ্বসন্মত সিদ্ধান্ত গৃহীত হৈছিল। সভাৰ প্ৰস্তাৱ অনুযায়ী মাজুলী আউনীআটী হেমচন্দ্ৰ ইনষ্টিটিউটৰ পৰিৱৰ্তে 'মাজুলী আউনীআটী হেমচন্দ্ৰ হাইস্কুল' হিচাপে চিহ্নিত হৈছিল। উক্ত সভাৰ প্ৰস্তাৱ অনুযায়ী আছুতীয়া পুঁজিৰ বাবে ২০০০ (দুহেজাৰ) টকা আৰু অন্যান্য সাহায্য আউনীআটী সত্ৰই বহন কৰিছিল। ৰাজহুৱা সভাৰ সিদ্ধান্ত মৰ্মে ৺চাৰুচন্দ্ৰ দলেদেৱক সভাপতি আৰু ৺গোবিন্দ শৰ্মাক সম্পাদক হিচাপে মনোনীত কৰি ১১জনীয়া কমিটী গঠন কৰা হ'ল। ইয়াৰ উপৰি বিশদ আলোচনাৰ পাছত ইতিমধ্যে চৰকাৰী মঞ্জুৰীপ্ৰাপ্ত এম. ই. স্তৰৰ প্ৰধান শিক্ষক হিচাপে কাৰ্যনিৰ্বাহ কৰা হেতু বিভাগীয় বিধি অনুযায়ী উচ্চ ইংৰাজী স্তৰৰ প্ৰধান শিক্ষক হিচাপে ৺খগেশ্বৰ চুতীয়াক (যোৰহাটৰ) আৰু ৺কৃষ্ণকান্ত গোস্বামী, থানুৰাম হাজৰিকাক সহকাৰী শিক্ষক হিচাপে ৰাজহুৱা সভাখনৰ সিদ্ধান্ত মৰ্মেই নিযুক্তি দিয়া হৈছিল। কিন্তু কম দিনৰ ব্যৱধানত ৺খগেশ্বৰ চুতীয়াই অব্যাহতি লোৱাৰ বাবে ২০।৮।৪১ তাৰিখৰ পৰিচালনা সমিতিয়ে যোৰহাট চাৰিগাঁৱৰ ৺ফণীধৰ বৰদলৈক প্ৰধান শিক্ষক হিচাপে নিযুক্তি দিছিল যদিও বৰদলৈয়ে প্ৰায় ৮ মাহৰ পাছত পদত্যাগ কৰিছিল। তেখেতসকলৰ পাছত ৭।৪।৪২ তাৰিখে অনুষ্ঠিত পৰিচালনা সমিতিৰ সৰ্বসন্মত সিদ্ধান্ত অনুযায়ী সহকাৰী শিক্ষক

৺কৃষ্ণকান্ত গোস্বামীদেৱক প্ৰধান শিক্ষকৰ দায়িত্ব অৰ্পণ কৰা হয়।

ইতিমধ্যে চৰকাৰী মঞ্জুৰীপ্ৰাপ্ত মাজুলী আউনীআটী হেমচন্দ্ৰ মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক ৺কেশৱৰাম বৰা, শিক্ষক ৺কোমেশ্বৰ হাজৰিকা, ৺বিপিন বৰা আদিয়ে উচ্চ ইংৰাজী স্তৰৰ শ্ৰেণীসমূহত নিয়মীয়াকৈ শিক্ষাদানত ব্ৰতী হৈছিল। তেখেতসকলৰ দিহা-পৰামৰ্শ, সহায়-সহযোগত উচ্চ ইংৰাজী বিদ্যালয় শাখাৰ প্ৰধান শিক্ষক ৺কৃষ্ণকান্ত গোস্বামীয়ে ঐকান্তিক প্ৰচেষ্টাৰে পূৰ্ণাংগ ৰূপ দিয়াত চৰকাৰী মঞ্জুৰী আদি লাভ কৰাত সফল হৈছিল।

১৯৪৪ খ্ৰী:ত প্ৰথমবাৰ ১১জন ছাত্ৰ প্ৰৱেশিকা পৰীক্ষাত অৱতীৰ্ণ হৈছিল যদিও সৰ্বেশ্বৰ ফুকনে (প্ৰাক্তন প্ৰ: শি:) দ্বিতীয় বিভাগত আৰু ধৰ্মেশ্বৰ বৰাই (অধিবক্তা) তৃতীয় বিভাগত উত্তীৰ্ণ হোৱা সৰ্বপ্ৰথম পৰীক্ষাৰ্থী। ১৯৪৭ খ্ৰী:ত প্ৰৱেশিকা পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা শ্ৰীতৰুণ চন্দ্ৰ বৰকটকী সৰ্বপ্ৰথম ছাত্ৰ। নাৰায়ণ চন্দ্ৰ শৰ্মাই অসমৰ ভিতৰতে ইংৰাজী বিষয়ত সৰ্বোচ্চ নম্বৰ প্ৰাপ্তিৰ ভিত্তিত অসম মাধ্যমিক শিক্ষা পৰিষদৰ পুৰস্কাৰ লাভ কৰা আৰু কল্লজিৎ শইকীয়াই তিনিটা বিষয়ত লেটাৰসহ ষ্টাৰ মাৰ্ক লাভ আদি কৃতিত্বপূৰ্ণ উ: মা: শিক্ষান্ত পৰীক্ষাৰ ফলাফলে বিদ্যালয়খনৰ গৌৰৱ দুগুণে বৃদ্ধি কৰিছে। বিদ্যালয়খনৰ পৰা সুখ্যাতিৰে প্ৰৱেশিকা বা উ: মা: শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ যোৱা কৃতী ছাত্ৰসকলৰ ভিতৰত ১১জন ডক্টৰেট উপাধিধাৰী, কেইবাজনো চিকিৎসা বিজ্ঞানৰ স্নাতক, কেইবাজনো অভিযন্তা, অসম প্ৰশাসনিক সেৱাৰ উচ্চপদস্থ চৰকাৰী বিষয়া, বিশ্ববিদ্যালয়ৰ অধ্যাপক/প্ৰবক্তা, মহাবিদ্যালয়, উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ; ভালেসংখ্যক উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক, অধিবক্তা, ন্যায়াধীশ, জিলা ন্যায়াধীশ আদি সন্মানজনক পদত নিযুক্ত হৈছে। আন্তৰ্জাতিক খ্যাতিসম্পন্ন বিজ্ঞানী ড° ৺কুমুদ চন্দ্ৰ বৰা, ড° বাবুল বৰা, আঞ্চলিক গৱেষণাগাৰৰ বিজ্ঞানী ড° ৰবীন বৰুৱা, প্ৰাক্তন জিলা ন্যায়াধীশ আৰু গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পঞ্জীয়ক ৺শ্ৰীধৰ বৰুৱা; অন্য এগৰাকী প্ৰাক্তন জিলা ন্যায়াধীশ আৰু ট্ৰিবিউনেলৰ অধ্যক্ষ নগেন হাজৰিকা, ৰাষ্ট্ৰীয় পৰ্যায়ৰ খ্যাতনামা খেলুৱৈ মীনা শইকীয়া আদিয়ে বিদ্যালয় তথা মাজুলীৰ গৌৰৱ যুগমীয়াকৈ কঢ়িয়াই আনিছে।

মেৰাগড় নাৰায়ণদেৱ মধ্য ইংৰাজী বিদ্যালয়খনিৰ লগতে ১৯৪৬ খ্ৰী:ত স্থাপিত মেৰাগড় নাৰায়ণদেৱ উচ্চ মাধ্যমিক বিদ্যালয়খনেই মাজুলীত দ্বিতীয়খন উচ্চ ইংৰাজী শিক্ষানুষ্ঠান। ১৯৭৪ খ্ৰী:ৰ প্ৰবল বানপানীয়ে বিদ্যালয়খনৰ গৃহাদি সমূলঞ্চে ধ্বংস কৰাৰ ফলত এম. ই. আৰু হাই দুয়ো শাখাৰ তথ্য-পাতি নিঃশেষ হোৱাত অ'ত ত'ত সংগৃহীত তথ্যানুযায়ী চমু ইতিবৃত্ত দাঙি ধৰা হৈছে।

১৯৪৬ খ্ৰী:ৰ জানুৱাৰী মাহত স্বনামধন্য ৺বেথাৰাম বৰাদেৱৰ সভাপতিত্বত এখনি ৰাজহুৱা সভা অনুষ্ঠিত হৈছিল। উক্ত ৰাজহুৱা সভাৰ সিদ্ধান্ত অনুযায়ী সেইবছৰৰ জানুৱাৰী মাহৰ চতুৰ্থ সপ্তাহৰ পৰা ছাত্ৰৰ নামভৰ্তি কৰি ৭ম শ্ৰেণীৰে হাইস্কুলৰ শুভাৰম্ভ কৰা হৈছিল। অন্য কেইটিমান সিদ্ধান্ত অনুযায়ী ৺বেথাৰাম বৰাক সভাপতি, এম. ই. শাখাৰ প্ৰধান শিক্ষক ৺বাসৱ কলিতাক সম্পাদক হিচাপে মনোনীত কৰি প্ৰতিষ্ঠাপক পৰিচালনা সমিতি গঠন কৰা হৈছিল। অন্য এটি সিদ্ধান্ত অনুযায়ী উচ্চ ইংৰাজী বিদ্যালয় শাখাৰ প্ৰধান শিক্ষক হিচাপে শ্ৰীসৰ্বেশ্বৰ হাজৰিকাক নিযুক্তি আৰু প্ৰয়োজনীয় গৃহ, আছুতীয়া পুঁজিৰ বাবে দুহেজাৰ টকাৰ সাহায্য বিচাৰি দক্ষিণপাট সত্ৰৰ সত্ৰাধিকাৰৰ ওচৰলৈ সঁজাতীদল প্ৰেৰণ আদি সিদ্ধান্তসমূহেই প্ৰধান আছিল। দক্ষিণপাট সত্ৰৰ সত্ৰাধিকাৰে পুনৰ গৃহ সম্প্ৰসাৰণ কৰাৰ বাবদ ২০০০ টকাৰ আৰ্থিক সাহায্য দিয়াৰ আশ্বাস অনুযায়ী কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছিল। আশানুৰূপ ছাত্ৰসংখ্যাৰে বিদ্যালয়খনৰ প্ৰস্তুতি আগবাঢ়িছিল; কিন্তু সৰ্বেশ্বৰ হাজৰিকাদেৱে অন্য চাকৰিত নিযুক্তি পাই প্ৰধান শিক্ষকৰ দায়িত্বৰ পৰা অব্যাহতি লোৱাত পৰিচালনা সমিতিয়ে উপায়ন্তৰ হৈ ইজনৰ পাছত সিজনকৈ ক্ৰমে ৺মালভোগ হাজৰিকা, মালচন্দ্ৰ পেগু আৰু নগেন হাজৰিকাক প্ৰধান শিক্ষকৰ দায়িত্ব আৰোপ কৰিবলগা হৈছিল। ১৯৪৮ খ্ৰী:ত নগেন হাজৰিকাদেৱৰ কাৰ্যকালত চৰকাৰী মঞ্জুৰী আদিৰ ক্ষেত্ৰত বহুত আগবাঢ়িছিল যদিও তেখেতেও উচ্চ শিক্ষা গ্ৰহণাৰ্থে আঁতৰি যাবলগা হোৱাত সমিতিয়ে কাকজানৰ হেমচন্দ্ৰ মহন্তদেৱক ১৯৪৯ খ্ৰী:ৰ জানুৱাৰী মাহত নিয়োগ কৰাত তেখেতে ০২।০২।৪৯ তাৰিখে প্ৰধান শিক্ষক হিচাপে যোগদান কৰে। নৱ-নিযুক্ত প্ৰধান শিক্ষক মহন্তদেৱৰ নিষ্ঠা, সততা, ঐকান্তিক প্ৰচেষ্টা, নীতিনিষ্ঠ, প্ৰণালীবদ্ধ কৰ্মপন্থাই খুব কম দিনৰ ভিতৰত বিদ্যালয়খনে ঘাটি মঞ্জুৰীপ্ৰাপ্তি; শিক্ষাৰ মানদণ্ডৰ উন্নয়ন আদি বিভিন্ন দিশত সঠিকভাৱেই বিদ্যালয়খনৰ উন্নয়ন হৈছিল।

মেৰাগড় নাৰায়ণদেৱ হাইস্কুলৰ পৰা সৰ্বপ্ৰথম ১৯৫০ খ্ৰী:ত

১২জন ছাত্ৰ প্ৰৱেশিকা পৰীক্ষাত অৱতীৰ্ণ হৈছিল আৰু তাৰ ভিতৰত ৪জন উত্তীৰ্ণ হৈছিল। সেইসকল হ'ল-- ভোলাৰাম বৰা, ৰূপৰাম শইকীয়া, ৰজনীকান্ত হাজৰিকা আৰু হৰেন হাজৰিকা। প্ৰথম বৰ্ষৰ পৰা চলিত বৰ্ষলৈকে প্ৰৱেশিকা বা উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত এই বিদ্যালয়ৰ পৰীক্ষাৰ্থী শতকৰা গড় হিচাপে প্ৰায় ৬০জনকৈ উত্তীৰ্ণ হৈ আহিছে। এতিয়ালৈকে দুই-শতাধিক পৰীক্ষাৰ্থীয়ে প্ৰথম বিভাগত, বহুজনে লেটাৰসহ প্ৰথম বিভাগত আৰু ৫জনে ষ্টাৰ মাৰ্ক লাভ কৰি বিদ্যালয়খনৰ সুনাম বিয়পাইছে। সত্তৰ দশকত এই বিদ্যালয়ে উচ্চমানৰ আৰু ৭৫%ৰ অধিক উত্তীৰ্ণ হাৰৰ বাবে অবিভক্ত শিৱসাগৰ জিলাতে অগ্ৰণীয় স্থান পাইছিল। এই বিদ্যালয়ৰ কৃতী ছাত্ৰসকলৰ ভিতৰত ৮জনে ডক্টৰেট উপাধি লাভ কৰিছে আৰু কেইবাজনে উচ্চ পৰ্যায়ৰ চৰকাৰী বিষয়া হিচাপে কাৰ্যনিৰ্বাহ কৰিছে। বহুজন চিকিৎসা শাখাৰ স্নাতক, বহুজন অভিযন্তা, মহাবিদ্যালয়, উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ/প্ৰবক্তা/প্ৰধান শিক্ষক/অধিবক্তা; ৰাজনীতিবিদ, চৰকাৰী উচ্চ বিষয়া আদি সন্মানজনক স্থানত উপবিষ্ট হৈ গৌৰৱ বৃদ্ধি কৰিছে। অসম কৃষি বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° মহেন্দ্ৰ বৰা, ড° খগেশ্বৰ বেজ, ড° ৺ঘনশ্যাম চমুৱা, ড° যাদৱ শৰ্মা, ড° জয়কৃষ্ণ মহন্ত, ড° নৰনাথ শইকীয়া, ডাঃ নৱকৃষ্ণ মহন্ত আদি কৃতী ছাত্ৰই বিদ্যালয়খনৰ কৃতিত্বপূৰ্ণ মানদণ্ড যুগমীয়া কৰি ৰাখিছে।

১৯৭৫ খ্ৰী:ত প্ৰবল বানপানীয়ে বিদ্যালয়খন সৰ্বস্বান্ত কৰাৰ পাছত বনগাঁও নামনিৰ গোসাঁইবাৰীলৈ ১৯৭৭ খ্ৰী:ত স্থানান্তৰ কৰা হয়। পূৰ্বৰ দৰে ঘৰ-দুৱাৰ আদি পূৰ্ণাংগ নহ'লেও শৈক্ষিক পৰিৱেশ, শিক্ষাৰ মানদণ্ড/হাৰ অৱনমিত হোৱা নাই। ১৯৭৭ খ্ৰী:ত প্ৰধান শিক্ষক হেমচন্দ্ৰ মহন্তদেৱে অৱসৰ গ্ৰহণ কৰাত সহ: প্ৰধান শিক্ষক ললিতচন্দ্ৰ দত্তদেৱক প্ৰধান শিক্ষকৰ দায়িত্ব অৰ্পণ কৰা হয় আৰু তেখেতৰ কাৰ্যকালতে বিদ্যালয়খন উচ্চতৰ পৰ্যায়লৈ উন্নীতকৰণ কৰাত তেখেতেই প্ৰথম অধ্যক্ষ হিচাপে বিদ্যালয়খনৰ ক্ৰমোন্নতিত আত্মনিয়োগ কৰি আহিছে।

মেৰাগড় নাৰায়ণদেৱ মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰতিষ্ঠাকালত জড়িত সদাশয় ব্যক্তিসকলৰ উপৰি পৰৱৰ্তী কালত ৺ঠগিৰাম ভূঞা, ৺চন্দ্ৰধৰ ভৰালী, ৺ললিত তামুলী, ৺খগেন কলিতা, ৺মাণিক ভূঞা, ৺আনন্দৰাম ভূঞা, ৺বক্সীৰাম ঠাকুৰ, ৺গংগাৰাম চমুৱা, ৺বাছাৰাম গাঁওবুঢ়া, ৺মাণিক বৰা, ৺বীৰমন ভৰালী, ৺ধৰ্মেশ্বৰ পেগু, সোণাৰাম শইকীয়া আদি জড়িত আছিল।

মাজুলী আউনীআটী হেমচন্দ্ৰ হাইস্কুল আৰু মেৰাগড় নাৰায়ণদেৱ হাইস্কুল— এই দুখনি বিদ্যালয়েই সমগ্ৰ মাজুলীত শিক্ষাৰ পোহৰ বিলাইছিল যদিও শিক্ষাপ্ৰয়াসীসকলে মাজুলীৰ বিভিন্ন ঠাইত বহুত উচ্চ মাধ্যমিক বিদ্যালয় প্ৰতিষ্ঠা কৰিলে। এই সকলোবিলাক বিদ্যালয়ৰ ইতিবৃত্ত দাঙি ধৰা সম্ভৱ নহয় বাবেই এই প্ৰবন্ধতে কেইখনমান উ: মা: বিদ্যালয়ৰ চমু ইতিবৃত্ত দাঙি ধৰাৰ চেষ্টা কৰা হৈছে।

জেংৰাইমুখ মধ্য ইংৰাজী বিদ্যালয়খনৰ লগতে ১৯৪৮ খ্ৰী:ত জেংৰাইমুখ হাইস্কুলখনৰ শুভাৰম্ভ হৈছিল। মধ্য ইংৰাজী পাপৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক ৺কৃষ্ণৰাম বৰুৱাদেৱেই উচ্চ ইংৰাজী স্তৰৰ প্ৰধান শিক্ষক হিচাপে প্ৰতিষ্ঠাৰ প্ৰাৰম্ভিক কামসমূহ কৰিছিল যদিও শিক্ষাগত অৰ্হতা নথকা আৰু বিভাগীয় নীতি অনুযায়ী ঘাটিমঞ্জুৰীপ্ৰাপ্ত এম. ই. বিদ্যালয়খনৰ প্ৰধান শিক্ষকগৰাকী হাইস্কুলৰ প্ৰধান শিক্ষকৰ দায়িত্ব বহন কৰাত প্ৰতিবন্ধকতা থকা হেতু পৰিচালনা সমিতিয়ে পটিয়ৰী গাঁৱৰ ভোলানাথ বৰা (স্নাতক)দেৱক ১৯৫৫ খ্ৰী:ত জেংৰাইমুখ হাইস্কুলৰ প্ৰধান শিক্ষক হিচাপে নিযুক্তি দিয়ে। নৱ-নিযুক্ত প্ৰধান শিক্ষকগৰাকীৰ যত্নত ৯ম, ১০ম শ্ৰেণীৰ স্বীকৃতি লাভ; ১।১০।৫৭ তাৰিখৰ পৰা ঘাটিমঞ্জুৰী লাভ কৰিবলৈ সক্ষম হৈছিল। ইতিমধ্যে বিভাগীয় কৰ্তৃপক্ষৰ নিৰ্দেশানুযায়ী এম. ই. আৰু হাইস্কুলৰ দুয়োটা স্তৰ একত্ৰীকৰণ হৈ কেৱল জেংৰাইমুখ হাইস্কুল বুলি চিহ্নিত হ'ল। প্ৰতিষ্ঠাপক পৰিচালনা সমিতিৰ সভাপতি ৺দাসীৰাম পেগু আৰু সম্পাদক ৺কৃষ্ণৰাম বৰুৱা আছিল। এই বিদ্যালয়খনে গৰিষ্ঠসংখ্যক মিচিং জনজাতি সম্প্ৰদায়ৰ জনসংখ্যা পৰিপূৰ্ণ সুবৃহৎ অঞ্চলটিৰ শিক্ষাপ্ৰয়াসীসকলক উচ্চ ইংৰাজী স্তৰৰ শিক্ষা গ্ৰহণ কৰাত বহুত অসুবিধা দূৰ কৰিলে। এই বিদ্যালয়ৰ পৰাও ৺নন্দেশ্বৰ নাথ, ডাঃ বিশ্বেশ্বৰ পেগু, ৰাজীৱলোচন পেগু, ৰাম পেগু (এছ. ডি. চি.) আদি কৃতী ছাত্ৰই প্ৰৱেশিকা পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হৈ খ্যাতি অৰ্জন কৰিছে।

১৯৪৬ খ্ৰী:ত প্ৰতিষ্ঠিত কৰতিপাৰ এম. ই. স্কুলখন ১৯৫২ খ্ৰী:ত হাইস্কুল স্তৰলৈ উন্নীতকৰণ কৰি সেই অঞ্চলত উচ্চ ইংৰাজী শিক্ষা গ্ৰহণৰ পথ মুকলি কৰিছিল।

১৯৫৬ চনত আঁহতগুৰি এম. ই. স্কুলৰ লগতে আঁহতগুৰি

হাইস্কুলখন আৰম্ভ হৈছিল। প্ৰতিষ্ঠাৰ সময়ত প্ৰাৰম্ভিক কাম-কাজ আঁহতগুৰি এম. ই. স্কুলৰ প্ৰধান শিক্ষক সোমেশ্বৰ দত্তদেৱেই কৰিছিল যদিও বিভাগীয় বিধি অনুযায়ী বিনোদ চন্দ্ৰ বৰাক বিদ্যালয়খনৰ প্ৰধান শিক্ষকৰ দায়িত্ব প্ৰতিষ্ঠাপক পৰিচালনা সমিতিয়ে অৰ্পণ কৰিছিল। তেখেতেই প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক হিচাপে বিদ্যালয়খনৰ স্বীকৃতি, উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষা কেন্দ্ৰৰ বাবে অনুমতি আদি অতি অপৰিহাৰ্য কামবোৰ সু-সম্পন্ন কৰাৰ পাছত ঘাটিমঞ্জুৰী, চৰকাৰীকৰণৰ অন্তৰ্ভুক্ত কৰিবলৈ যোগ্যতাৰ সকলো গুৰুত্বপূৰ্ণ কাম নিখুঁতভাৱে কৰিছিল।

১৯৬০ খ্ৰী:ত ৰঙাচাহী তনুৰাম নাথ মধ্য ইংৰাজী বিদ্যালয়খনৰ লগতে হাইস্কুলখন স্থাপিত হৈছিল। প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক লোকনাথ নাথ আৰু প্ৰতিষ্ঠাপক পৰিচালনা সমিতিৰ সভাপতি আছিল ✓ভঞ্জন বৰা। ✓তনুৰাম নাথদেৱৰ পুত্ৰসকলৰ দান আৰু ত্যাগৰ কাৰণেই বিদ্যালয়খনৰ নাম 'ৰঙাচাহী তনুৰাম নাথ হাইস্কুল' ৰখা হৈছিল। এই বিদ্যালয়ৰ পৰা শতাধিক ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম বিভাগত, বহুজনে লেটাৰসহ প্ৰথম বিভাগত, তিনিজনে ষ্টাৰ মাৰ্ক প্ৰাপ্তিৰে উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ বিদ্যালয়খনৰ গৌৰৱ বৃদ্ধি কৰিছে। এই বিদ্যালয়ৰ পৰা প্ৰৱেশিকা পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হোৱা বহুজন স্নাতকোত্তৰ, ডাক্তৰ, ডক্টৰেট উপাধি লাভ, প্ৰবক্তা, অভিযন্তা, উচ্চ পৰ্যায়ৰ চৰকাৰী বিষয়া আদিয়ে কৃতিত্ব ৰাখি আহিছে।

১৯৫৮ খ্ৰী:ত ✓মালভোগ হাজৰিকা, ✓ধনীৰাম শইকীয়া, লীলা বেজ, ক্ষীৰোদ বৰা, ভোলানাথ খাৰঘৰীয়া আদিয়ে স্থানীয় ৰাইজৰ সহযোগ আৰু ✓বেথাৰাম বৰাদেৱৰ পৃষ্ঠপোষকতাত ৰতনপুৰ এম. ই. বিদ্যালয়ৰ লগতে ৰতনপুৰ হাইস্কুলখন প্ৰতিষ্ঠা কৰিছিল।

১৯৬০ খ্ৰী:ত উজনি মাজুলীৰ শীৰ্ষ অঞ্চলত অৱস্থিত গেজেৰা এম. ই. স্কুলৰ লগতে গেজেৰা হাইস্কুলখন শিক্ষানুৰাগী ৰাইজে প্ৰতিষ্ঠা কৰিছিল; কিন্তু ১৯৭৪ খ্ৰী:ৰ পৰা বানপানী, প্ৰবল গৰাখহনীয়াত অঞ্চলটিৰ সৰ্বাধিক অংশ নিঃশেষ হোৱা বাবে ১৯৭৮ খ্ৰী:ত গেজেৰা এম. ই. স্কুল স্থানান্তৰ কৰা স্থানলৈ এই উচ্চ মাধ্যমিক বিদ্যালয়খনো স্থানান্তৰ কৰা হয়।

১৯৬২ খ্ৰী:ত গড়মূৰ শ্ৰীশ্ৰীপীতাম্বৰদেৱ উচ্চ মাধ্যমিক বিদ্যালয়খন একে নামৰ এম. ই. স্কুলৰ লগতে প্ৰতিষ্ঠা হৈছিল। প্ৰতিষ্ঠা-লগ্নত সৰ্বেশ্বৰ দত্ত প্ৰধান শিক্ষক আছিল যদিও কেইবছৰমানৰ পাছতে তেখেতে পদত্যাগ কৰা বাবে বেণু বৰাদেৱক পৰিচালনা সমিতিয়ে প্ৰধান শিক্ষক হিচাপে নিযুক্তি দিয়ে। তেখেতৰ কাৰ্যকালতে বিদ্যালয়খন ঘাটিমঞ্জুৰী, চৰকাৰীকৰণৰ অন্তৰ্ভুক্ত হৈছিল। প্ৰতিষ্ঠাপক পৰিচালনা সমিতিৰ সভাপতি আছিল গড়মূৰ সত্ৰৰ তদানীন্তন ডেকা অধিকাৰ কৃষ্ণচন্দ্ৰদেৱ গোস্বামী। প্ৰতিষ্ঠাকালত এম. ই. স্কুলৰ প্ৰধান শিক্ষক ✓তৰুণ চন্দ্ৰ পামেগাম, ✓ভাৰত বৰা, ✓কমল দত্ত, ✓ভোলাৰাম বৰুৱা, ✓দণ্ডেশ্বৰ বৰা, কৃষ্ণ কাকতি, যজ্ঞেশ্বৰ পায়েং, সূৰ্য কুমাৰ ভূঞা, থানেশ্বৰ হাজৰিকা, বলীন শইকীয়া, কণমাই মুদৈ আদিয়ে শিক্ষাদানত ব্ৰতী হৈ যথেষ্ট ত্যাগ স্বীকাৰ কৰিছিল। এই বিদ্যালয়ৰ প্ৰতিষ্ঠা-লগ্নত ✓ভোলানাথ দত্ত কাকতি, ✓ভোলাৰাম কাকতি, ✓উমাৰাম শইকীয়া, ✓থোলোক হাজৰিকা, ✓কনক দত্ত, চাৰু কাকতি, ইন্দ্ৰেশ্বৰ ভূঞা, দেব ভূঞা, নিত্যানন্দ ভঁৰালী আদি উল্লেখযোগ্য ব্যক্তি জড়িত আছিল।

এই বিদ্যালয়ৰ পৰা কৃতিত্বৰে উচ্চ মাধ্যমিক শেষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা মাজুলীৰ সু-সন্তান ড° ডম্বৰুধৰ নাথ, ডাঃ প্ৰশান্ত ভূঞা আদি ছাত্ৰৰ নাম উল্লেখযোগ্য।

১৯৬২ খ্ৰী:ত চামগুৰি সত্ৰ ৰাৱণাপাৰ মধ্য ইংৰাজী বিদ্যালয়ৰ লগতে চামগুৰিসত্ৰ ৰাৱণাপাৰ হাইস্কুল (বৰ্তমান উচ্চতৰ মাধ্যমিক)খন স্থাপিত হৈছিল। প্ৰতিষ্ঠা-লগ্নত হৰেশ্বৰ বৰা প্ৰধান শিক্ষকৰ দায়িত্বত আছিল যদিও তেখেতে উচ্চশিক্ষা গ্ৰহণাৰ্থে আঁতৰি যাবলগা হোৱাত পৰিচালনা সমিতি তথা সাধাৰণ সভাই ভূবন চন্দ্ৰ ঠাকুৰক প্ৰধান শিক্ষক হিচাপে নিযুক্তি দিছিল। তেখেতেই প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক হিচাপে বিদ্যালয়খনে বিভাগীয় অনুমতি, ৯ম, ১০ শ্ৰেণীৰ অনুমতি, স্বীকৃতি, তদৰ্থক মঞ্জুৰী আদি প্ৰাপ্তিৰ কাৰণে অহোপুৰুষাৰ্থ কৰিছিল। প্ৰতিষ্ঠাপক পৰিচালনা সমিতিৰ সভাপতি আৰু সম্পাদক আছিল ক্ৰমে, চামগুৰি সত্ৰৰ তেতিয়াৰ অধিকাৰ কমল চন্দ্ৰ গোস্বামী আৰু হেমচন্দ্ৰ ওজা।

বিদ্যালয়খনৰ উচ্চ মাধ্যমিক শেষান্ত পৰীক্ষাৰ ফলাফল সন্তোষজনক। এই বিদ্যালয়ৰ কৃতী ছাত্ৰসকলৰ ভিতৰত ড° তৰুণ চন্দ্ৰ গোস্বামী, ডাঃ সুজিত শইকীয়া, তুলসী শইকীয়া, ✓যাদৱ মহন্ত আদিৰ নাম উল্লেখযোগ্য। চলিত বছৰলৈকে এই বিদ্যালয়ৰ পৰা শতাধিক ছাত্ৰই প্ৰথম বিভাগত, বহুজনে লেটাৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ হৈ খ্যাতি অৰ্জন কৰিছে। এই বিদ্যালয়ৰ বহুজন প্ৰাক্তন ছাত্ৰ ডাক্তৰ, অভিযন্তা,

কনিষ্ঠ অভিযন্তা, চৰকাৰী উচ্চপদস্থ বিষয়া আদি স্থানত উপবিষ্ট হৈছে।

১৯৬৩ খ্ৰী:ৰ পৰা ১৯৮০ খ্ৰী:ৰ ভিতৰত মধ্য মাজুলী পাৰিজাত হাইস্কুল, চিৰাম বনমালী, জোনাকী, জোনাকী ছমহীয়াআটী, সোণোৱাল কছাৰী, ভকতিদুৱাৰ, চিউলাল বায়নলাল, মাজৰ দেউৰী, দক্ষিণপাট, গাৰজান, ফুলনি আদি উচ্চ মাধ্যমিক বিদ্যালয়সমূহ প্ৰতিষ্ঠা হৈছে। ইয়াৰ পাছতো শালমৰা, গায়ন গাঁও, নৱজ্যোতি, লুইতপৰীয়া, স্বৰ্ণশ্ৰী, মধ্য আঁহতগুৰি নৱজ্যোতি, বিষ্ণুদেৱ, বেঙেনাআটী ৰমাকান্তদেৱ, আউনীআটী বিষ্ণুদেৱ, কেশৱৰাম বৰা, আমগুৰি জনজাতি, পটিয়া গাঁও শ্ৰীমন্ত শংকৰদেৱ, টটয়া মিলনজ্যোতি, শেনচোৱা আদি নামৰ বহুত উচ্চ মাধ্যমিক বিদ্যালয় স্থাপিত হৈছে।

সম্প্ৰতি মাজুলীত ৩৯খন চৰকাৰীকৰণ, ২২খন অসম মাধ্যমিক শিক্ষা পৰিষদৰ স্বীকৃতিপ্ৰাপ্ত, ১০খন দশম শ্ৰেণীৰ অনুমতি প্ৰাপ্ত আৰু ৪খন ৮ম মানৰ অনুমতি প্ৰাপ্ত উচ্চ মাধ্যমিক বিদ্যালয়সহ প্ৰায় ৭৫খন উচ্চ মাধ্যমিক বিদ্যালয় আছে। উল্লেখনীয় যে মাজুলীত জেংৰাইমুখৰ ডনবস্ক' হাইস্কুলকে ধৰি কেইবাখনো ইংৰাজী মাধ্যমৰ বিদ্যালয়ো ইতিমধ্যে স্থাপিত হৈছে।

**উচ্চতৰ মাধ্যমিক বিদ্যালয় :** উল্লেখিত ৩৯খন চৰকাৰীকৰণ উচ্চ মাধ্যমিক বিদ্যালয়ৰে চামগুৰি সত্ৰ ৰাৱণাপাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু মেৰাগড় নাৰায়ণদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়— দুয়োখন ১৯৭৯ খ্ৰী:ৰ জুলাই মাহৰ পৰা অসম চৰকাৰৰ শিক্ষা বিভাগে চৰকাৰীকৰণ উচ্চতৰ মাধ্যমিক বিদ্যালয় হিচাপে উন্নীতকৰণ কৰিছিল। প্ৰতিষ্ঠাপক অধ্যক্ষ যথাক্ৰমে— চামগুৰি সত্ৰ ৰাৱণাপাৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ ভুবন চন্দ্ৰ ঠকুৰ আৰু মেৰাগড় নাৰায়ণদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ললিত চন্দ্ৰ দত্তদেৱ আছিল।

জোনাকী ছমহীয়াআটী উচ্চ মাধ্যমিক বিদ্যালয়খনৰ প্ৰধান শিক্ষক দেৱেন্দ্ৰনাথ দেৱ গোস্বামীয়ে পৰিচালনা সমিতিৰ সিদ্ধান্ত তথা সহযোগত ১৯৯২ খ্ৰী:ত কলা বিভাগত উচ্চতৰ পৰ্যায়ৰ শ্ৰেণী দুটা আৰম্ভ কৰি পৰিচালনা কৰি আছিল। তেখেতৰ ঐকান্তিক প্ৰচেষ্টা, ত্যাগ-কষ্ট স্বীকাৰৰ ফলতেই ১৯৯৬ খ্ৰী:ত অসম চৰকাৰৰ শিক্ষা বিভাগে চৰকাৰীকৰণৰ অন্তৰ্ভুক্ত কৰি পূৰ্ণ স্থিতি-মৰ্যাদাৰে জোনাকী ছমহীয়াআটি বিদ্যালয়খনে সেই অঞ্চলত বিশেষকৈ, আৰ্থিকভাৱে অনগ্ৰসৰ শিক্ষাভিলাষী ছাত্ৰ-ছাত্ৰীৰ কাৰণে অশেষ সুবিধা আগবঢ়ালে।

অন্য এখন উল্লেখযোগ্য শিক্ষানুষ্ঠান চিৰাম বনমালী উচ্চ মাধ্যমিক বিদ্যালয়খনৰ প্ৰধান শিক্ষক নৰেন শৰ্মা, পৰিচালনা সমিতিৰ সভাপতি ইন্দ্ৰেশ্বৰ শাস্ত্ৰী, কলিৰাম শইকীয়া আদিৰ আপ্ৰাণ চেষ্টাত ১৯৯৬ খ্ৰী:ত অসম চৰকাৰে কলা বিভাগত উচ্চতৰ মাধ্যমিক বিদ্যালয় হিচাপে চৰকাৰীকৰণ কৰিলে। প্ৰধান শিক্ষক শ্ৰীনৰেন শৰ্মা, বিদ্যালয়খনৰ শিক্ষকবৰ্গৰ কষ্ট, ত্যাগ, পৰিশ্ৰমেৰে ১৯৯২ ৰ পৰাই উচ্চতৰ মাধ্যমিক স্তৰৰ শ্ৰেণী খুলি শিক্ষাদান কাৰ্য চলাই আছিল।

ওপৰোক্ত চাৰিখন চৰকাৰীকৰণ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উপৰি কেইবাবছৰৰ আগৰে পৰা মাজুলী আউনীআটি হেমচন্দ্ৰ উচ্চ মাধ্যমিক বিদ্যালয়তে উচ্চতৰ মাধ্যমিক স্তৰৰ কলা শাখাত শ্ৰেণী দুটা আৰম্ভ কৰি কেইজনমান স্নাতকোত্তৰ উদ্যোগী বিষয়-শিক্ষকে শিক্ষাদান কাৰ্য চলাই আছে।

মধ্য মাজুলী পাৰিজাত উচ্চ মাধ্যমিক আৰু ভকতিদুৱাৰ উচ্চ মাধ্যমিক বিদ্যালয়তো ১৯৯৭ খ্ৰী:ৰ পৰা কলা বিভাগত উচ্চতৰ মাধ্যমিক স্তৰৰ শ্ৰেণী দুটা আৰম্ভ কৰি অৰ্হতাসম্পন্ন বিষয়-শিক্ষকেই শিক্ষাকাৰ্য চলাই আছে।

**কনিষ্ঠ মহাবিদ্যালয় :** মাজুলী মহকুমাৰ সদৰ স্থান গড়মূৰত ১৯৮৬ খ্ৰী:ৰ আগষ্ট মাহত 'পীতাম্বৰদেৱ গোস্বামী কনিষ্ঠ মহাবিদ্যালয়'খন স্থাপিত হৈছিল। প্ৰতিষ্ঠাপক অধ্যক্ষ ঘনকান্ত নাথে অনুষ্ঠানটিৰ ক্ৰমোন্নয়নত অশেষ ত্যাগ, কষ্ট স্বীকাৰ কৰিছে।

১৯৮৬ খ্ৰী:ত কেৱল কলা শাখাত আৰম্ভ কৰিছিল যদিও ১৯৯১ খ্ৰী:ত এই কনিষ্ঠ মহাবিদ্যালয়ত বাণিজ্য শাখাও প্ৰবৰ্তন কৰা হ'ল। সম্প্ৰতি ঘাটিমজুৰী শিতানত মহাবিদ্যালয়খন ০১।০২।২০০১ তাৰিখৰ পৰা অন্তৰ্ভুক্ত হ'ল। ইয়াৰ পৰাই ১৯৯৪ খ্ৰী:ত অজিত বৰাই অসমৰ ভিতৰতে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৬ষ্ঠস্থান অধিকাৰ কৰি কনিষ্ঠ মহাবিদ্যালয়ৰ লগতে মাজুলীৰ গৌৰৱ বৃদ্ধি কৰিছিল। ১৯৮৮ খ্ৰী:ত 'নামনি মাজুলী কনিষ্ঠ মহাবিদ্যালয়'খন কেইজনমান শিক্ষানুৰাগী সমাজকৰ্মীৰ উদ্যোগ আৰু স্থানীয় ৰাইজৰ সহযোগত স্থাপিত হৈছিল। প্ৰতিষ্ঠা-লগ্নত যোগেশ্বৰ দলে কনিষ্ঠ মহাবিদ্যালয়খনৰ অধ্যক্ষ আছিল যদিও পিছত অনিল বৰাক নামনি মাজুলী কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ পদত নিযুক্তি দিছিল। প্ৰতিষ্ঠাপক পৰিচালনা সমিতিৰ সভাপতি আছিল সুশীল বৰুৱা। কলা শাখা থকা মহাবিদ্যালয়খন সম্প্ৰতি

০১।০২।২০০১ অৰিখৰ পৰা ঘাটিমঞ্জুৰীৰ অন্তৰ্ভুক্ত হৈছে।

**মহাবিদ্যালয় :** চিৰনমস্য ৺কেশৱৰাম বৰা আধুনিক শিক্ষা প্ৰসাৰেৰে মাজুলী নিৰ্মাণৰ স্বপ্নদ্ৰষ্টা আৰু উদ্দেশ্য সাধনত এগৰাকী ক্লান্তিহীন প্ৰচেষ্টাত ব্ৰতী ত্যাগী পুৰুষ আছিল। কলেজীয়া জীৱনতে গ্ৰহণ কৰা সংকল্প অনুযায়ী মাজুলীত ততোধিক উচ্চ শিক্ষাৰ অনুষ্ঠান গঢ়াই তেখেতৰ জীৱনৰ ঐকান্তিক কঠোৰ ব্ৰত আছিল। সেয়েহে তেখেতৰ নেতৃত্বত মাজুলীত এখন মহাবিদ্যালয় স্থাপনৰ বাবে জাগৰণ হৈছিল। তেনে জাগৰণৰ ফলশ্ৰুতিত ১৯৬১ খ্ৰী:ৰ নৱেম্বৰ মাহত অনুষ্ঠিত ৰাজহুৱা সভাই মাজুলীৰ কেন্দ্ৰস্থল কমলাবাৰীত মাজুলী মহাবিদ্যালয় নামে ১৯৬২ খ্ৰী:ৰ শিক্ষাবৰ্ষৰ পৰা আৰম্ভ কৰিবলৈ সৰ্বসন্মত সিদ্ধান্ত গ্ৰহণ কৰিছিল। উক্ত ৰাজহুৱা সভাতে মহাবিদ্যালয়ৰ কাৰণে প্ৰয়োজনীয় মাটি, পুঁজি সংগ্ৰহ; প্ৰধানকৈ দুখন সত্ৰৰ পৰা গৃহৰ দান বিচৰা আদি ভালেকেইটা প্ৰয়োজনীয় বিষয়ত প্ৰস্তাৱ গৃহীত হৈছিল। সেই সভাতে গঠিত প্ৰতিষ্ঠাপক পৰিচালনা সমিতিৰ সভাপতি ৺কেশৱৰাম বৰা, সম্পাদক ৺কৃষ্ণকান্ত গোস্বামী, যুটীয়া সম্পাদক ভুৱন চন্দ্ৰ ঠাকুৰ আছিল। পৰৱৰ্তী সময়ত পৰিচালনা সমিতিয়ে ৰাজহুৱা সভাতে উত্থাপিত নাম অনুযায়ী অগ্ৰাধিকাৰ ভিত্তিত মাজুলীৰে সু-সন্তান অতুল চন্দ্ৰ গোস্বামীক অধ্যক্ষৰ দায়িত্ব অৰ্পণ কৰিছিল আৰু তেখেতেও মহাবিদ্যালয়খন প্ৰতিষ্ঠাৰ ক্ষেত্ৰত কঠোৰ পৰিশ্ৰম, অশেষ ত্যাগ স্বীকাৰ কৰিছিল।

১৯৬১ খ্ৰী:ৰ নৱেম্বৰত অনুষ্ঠিত ৰাজহুৱা সভাৰ প্ৰস্তাৱসহ পৰিচালনা সমিতিৰ আবেদনৰ ভিত্তিত সঁজাতীদলে জনোৱা বিনম্ৰ অনুৰোধত শ্ৰীশ্ৰীআউনীআটি সত্ৰ আৰু শ্ৰীশ্ৰীদক্ষিণপাট সত্ৰৰ তদানীন্তন দুয়োগৰাকী সত্ৰাধিকাৰে গৃহ দান দিয়াত সন্মতি জনাইছিল। ইয়াৰ উপৰি পৰিচালনা সমিতিৰ সজাঁতীদলে জনোৱা অনুৰোধৰ প্ৰতি সঁহাৰি জনাই দৰীয়াগাঁও নিবাসী স্বনামধন্য ৺লক্ষী বৰা, বৈদ্য সেনে মাটি দান দিয়াৰ আশ্বাস দিছিল। এইদৰে মহাবিদ্যালয়খন প্ৰতিষ্ঠাৰ কাৰণে মৌলিক প্ৰয়োজনখিনি পূৰণেৰে প্ৰস্তুতিৰ কাম আগবাঢ়িল। এইদৰেই ১৯৬২ খ্ৰী:ৰ ১৭ ছেপ্টেম্বৰত মাজুলীৰ প্ৰথমখন মহাবিদ্যালয়ৰ শুভাৰম্ভ হ'ল।

যাতায়াতৰ অসুবিধা আৰু অন্যান্য কাৰণত প্ৰথম বছৰত ছাত্ৰসংখ্যা আশানুৰূপ নাছিল। ৺তৰুণচন্দ্ৰ পামেগাম, দ্ৰোণ ভাগৱতী, টুনীৰাম সভাপণ্ডিত, গিৰিধৰ ভাগৱতী আদি ভালেকেইজন শিক্ষক, চৰকাৰী কৰ্মচাৰীয়ে নামভৰ্তি কৰিছিল। নিজা মাটিত নিজা গৃহ নোহোৱালৈকে মাজুলী আউনীআটী হেমচন্দ্ৰ হাইস্কুলতে পুৱাবেলা মহাবিদ্যালয়ৰ শিক্ষাদান আদি কাৰ্য চলিছিল।

মহাবিদ্যালয়ৰ ব্যয়ৰ বোজা সকাহ পাবলৈ মহাবিদ্যালয়ৰ অধ্যক্ষপ্ৰমুখ্যে কেইবাগৰাকী প্ৰবক্তাক মাজুলী আউনীআটী হেমচন্দ্ৰ হাইস্কুলত অস্থায়ীভাৱে শিক্ষকতা (বেতনসহ) কৰিবলৈ বিদ্যালয় পৰিচালনা সমিতিয়ে নিয়োগ কৰিছিল। হৰিদেৱ গোস্বামী, বিষ্ণুদেৱ গোস্বামীৰ নামত যথাক্ৰমে দক্ষিণপাট আৰু আউনীআটী সত্ৰই দুটা আহল-বহল স্থায়ী গৃহৰ দান, ৺লক্ষী বৰা, বৈদ্যসেন আদি কেইজনমানে মহাবিদ্যালয়খনৰ কাৰণে দিয়া মাটিৰ দান আৰু বানপানীয়ে সৰ্বস্বান্ত কৰা কিছুমান গাঁৱৰ ৰাইজে বিল-ডোঙা আদি বিক্ৰীৰ দ্বাৰা দিয়া আৰ্থিক দান অতুলনীয় আৰু স্মৰণীয়।

প্ৰতিষ্ঠাকালত নবীন গগৈ, কুমুদ হাজৰিকা, বুদ্ধিন বৰুৱা (স্কুল এচ. আই.), চন্দ্ৰ বৰুৱা, ৰোষ শৰ্মা আদি ভালেকেইজন ব্যক্তিয়ে পাঠদান আৰু শিক্ষণ কাৰ্যত যথেষ্ট কষ্ট স্বীকাৰ কৰিছিল। স্বনামধন্য ৺তৰুণ চন্দ্ৰ পামেগাম আৰু কনক বৰুৱা (বৰ্তমান এই মহাবিদ্যালয়ৰে প্ৰবক্তা) মাজুলী মহাবিদ্যালয়ৰ পৰা উত্তীৰ্ণ হোৱা প্ৰথম স্নাতক। মহাবিদ্যালয়খনক ১৯৬৯ খ্ৰী:ত অসম চৰকাৰে ঘাটিমঞ্জুৰীৰ অন্তৰ্ভুক্ত কৰিছিল। ১৯৭৮ খ্ৰী:ত বিজ্ঞান শাখাটি খোলাত মাজুলীত বিজ্ঞান শিক্ষাৰ ক্ষেত্ৰত এটি ডাঙৰ অভাৱ দূৰ হ'ল। মহাবিদ্যালয়খনৰ পৰা কলা আৰু বিজ্ঞান স্নাতক চূড়ান্ত পৰীক্ষাৰ পৰীক্ষাৰ্থীৰ ভিতৰত ২০০ খ্ৰী:লৈকে ১৩জনে ডিষ্টিংশ্যন পাইছে আৰু ভূগোল, ৰাজনীতি বিজ্ঞান, অসমীয়া আদি কেইবাটাও গুৰু বিষয়ত বহুজন পৰীক্ষাৰ্থীয়ে ভালদৰেই উত্তীৰ্ণ হৈ মহাবিদ্যালয়খনৰ মৰ্যাদা বৃদ্ধি কৰিছে।

মহাবিদ্যালয়খন পূৰ্ণাংগ পৰ্যায়ত গঢ়ি তোলা আৰু শৈক্ষিক পৰিবেশ সুস্থ-সবল কৰি তোলাত প্ৰতিষ্ঠাপক অধ্যক্ষ অতুল গোস্বামী প্ৰমুখ্যে কেইগৰাকীমান প্ৰবক্তাৰ দক্ষতা, নিষ্ঠা, সততা, ঐকান্তিক প্ৰচেষ্টা, আন্তৰিক তথা উৎসৰ্গিত মানসিকতা চিৰ-স্মৰণীয় হৈ ৰ'ব।

**জেংৰাইমুখ মহাবিদ্যালয় :** ১৯৭৩ খ্ৰী:ত মাজুলীৰ অন্য এটি জনবহুল তথা জনজাতিপ্ৰধান অঞ্চলৰ কেন্দ্ৰস্থল জেংৰাইমুখত এখনি মহাবিদ্যালয় ৰাইজৰ প্ৰচেষ্টাত স্থাপিত হৈছিল। 'জেংৰাইমুখ মহাবিদ্যালয়' নামে স্থাপিত হোৱা উচ্চ শিক্ষানুষ্ঠানটিৰ প্ৰতিষ্ঠাপক অধ্যক্ষ আছিল ইন্দ্ৰেশ্বৰ পেগু। কেৱল কলা শাখাতহে মহাবিদ্যালয়খনত

শিক্ষাৰ ব্যৱস্থা মুকলি কৰা হৈছিল। প্ৰতিষ্ঠাকালত বগাৰাম নাথ, দুৰ্গেশ্বৰ দলে, পদ্মধৰ পেগু, যোগেন গগৈ আদি ভালেকেইজনে অবৈতনিক শিক্ষক কাৰ্যত জড়িত আছিল। মহাবিদ্যালয়খনৰ নিজা গৃহাদি নোহোৱা পৰ্যন্ত জেংৰাইমুখ হাইস্কুলতে ছাত্ৰৰ নামভৰ্ত্তি, পাঠদান আদি মহাবিদ্যালয়ৰ বিভিন্ন কাম পৰিচালিত হৈছিল। সেয়েহে বিভিন্ন দিশত মহাবিদ্যালয়খনৰ দ্ৰুত উন্নয়নত জেংৰাইমুখ হাইস্কুলৰ শিক্ষক, কৰ্মচাৰী আৰু পৰিচালনা সমিতিৰ সহায়-সহযোগ উল্লেখনীয় হৈ ৰৈছে। প্ৰতিষ্ঠাপক পৰিচালনা সমিতিৰ সভাপতি তদানীন্তন বিধায়ক মাল পেগু, সম্পাদক ইন্দ্ৰেশ্বৰ পেগু আৰু যুটীয়া সম্পাদক মহেশ্বৰ দলে আৰু ভুবন চন্দ্ৰ ঠাকুৰ আছিল। পৰিচালনা সমিতিৰ সদস্য তথা প্ৰতিষ্ঠাপক বিশেষ গুৰিধৰোঁতাসকলৰ ভিতৰত ৺মনাই চন্দ্ৰ পেগু, ৺দাসীৰাম পেগু, ৺দেওবৰ পেগু, ৺সনাতন পেগু, ৺ধৰ্মকান্ত বৈশ্য, ৺ডম্বৰু শইকীয়া, ৺মোলাৰাম নাথ, ৺কমল নাথ আদিৰ ঐকান্তিক প্ৰচেষ্টা স্মৰণীয়।

১৯৭৭ খ্ৰী:ত মহাবিদ্যালয়খনে ঘাটিমঞ্জুৰী লাভ কৰিছিল। মহাবিদ্যালয়খনৰ প্ৰাক্-বিশ্ববিদ্যালয় সম্প্ৰতি উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা, স্নাতক পৰীক্ষাৰ ফলাফল সন্তোষজনক।

**উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয় :** উজনি মাজুলীৰ উত্তৰ দিশত এটি ঘন জনবসতিপূৰ্ণ বিস্তৃত অঞ্চলৰ কেন্দ্ৰস্থল ৰতনপুৰ মিৰি (নয়াবজাৰ)ত ১৯৭৩ খ্ৰী:ত উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়খন প্ৰতিষ্ঠিত হৈছিল। প্ৰতিষ্ঠাৰ সময়ত ৺বিষ্ণু বৰা অধ্যক্ষ আছিল যদিও কেইমাহ মানৰ পাছত তেখেতে পদত্যাগ কৰা হেতু বাণীকান্ত পেগুদেৱক নিযুক্তি দিয়া হয় যদিও তেখেতেও প্ৰশাসনিক বিষয়া হিচাপে নিযুক্তি পোৱাত এবছৰমান কাৰ্যকালৰ অন্তত আঁতৰি যাবলগা হৈছিল। সেই খালী অধ্যক্ষ পদত ফণীধৰ তাহ্‌ক পৰিচালনা সমিতিয়ে নিযুক্তি দিছিল। নৱ-নিযুক্ত অধ্যক্ষ তাহ্‌ৰে অপৰিসীম ত্যাগ, নিষ্ঠা, সততা, ঐকান্তিক প্ৰচেষ্টা তথা দক্ষতাৰে মহাবিদ্যালয়খন পূৰ্ণাংগ পৰ্যায়লৈ উন্নীত কৰাবলৈ সমৰ্থ হৈছিল। ০১।০১।৮৮ তাৰিখৰ পৰা উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়খন ঘাটিমঞ্জুৰী শিতানত অন্তৰ্ভুক্ত হয়।

**ৰঙাচাহী মহাবিদ্যালয় :** বিস্তৃত জোৰবিল, ৰঙাচাহী, নিকিনিখোৱা অঞ্চলত এখন মহাবিদ্যালয়ৰ আৱশ্যকতাৰ অনুভৱ কৰি সেই অঞ্চলৰ একালৰ নেতৃস্থানীয় সমাজকৰ্মী ৺ভঞ্জন বৰা, ৺ডম্বৰু শইকীয়া, ৺দীনাৰাম বায়ন, ৺টংক নাথ, ৺মণিৰাম গাঁওবুঢ়া, ৺মোলাৰাম নাথ, মাখন নাথ, দণ্ডি শইকীয়া, হৰিদাস বৰুৱা, টাবুৰাম মিলি, বোধেশ্বৰ বেজ, ভবেন নাথ, ইন্দি শইকীয়া, বগাৰাম নাথ আদিৰ অশেষ চেষ্টা, দান-অৱদান, অপৰিসীম কষ্ট আৰু ৰাইজৰ সহযোগত ১৯৮৩ খ্ৰী:ত ৰঙাচাহী মহাবিদ্যালয়খন (কলা শাখা) স্থাপিত হৈছিল। প্ৰতিষ্ঠাপক অধ্যক্ষ আছিল বগাৰাম নাথ আৰু তেখেতে এবছৰমানৰ পাছত পদত্যাগ কৰাত ৰামসাগৰ নাথক অধ্যক্ষ হিচাপে নিযুক্তি দিয়াত তেখেতেই উক্ত পদত উপৱিষ্ট হৈ আছে। ১৯৯৬ খ্ৰী:ত মহাবিদ্যালয়খনে অসম চৰকাৰৰ ঘাটিমঞ্জুৰী লাভ কৰে।

**পূব মাজুলী মহাবিদ্যালয় :** মাজুলীত সৰ্বপ্ৰথম এম. ভি., এম. ই. স্কুল প্ৰতিষ্ঠা লাভ কৰা স্থান বনগাঁৱত ১৯৯০ খ্ৰী:তহে 'পূব মাজুলী মহাবিদ্যালয়' নামে কেৱল কলা শাখাৰ স্নাতক পৰ্যায়ৰ শিক্ষানুষ্ঠানটি গঢ় লৈ উঠিছিল। প্ৰতিষ্ঠা-লগ্নৰে পৰা অধ্যক্ষ হিচাপে অৰূপ বৰাই অশেষ ত্যাগ, কষ্ট স্বীকাৰ কৰি ৰাইজৰ সহযোগত সম্প্ৰতি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্বীকৃতি লাভ কৰিছে।

**নাৰী-শিক্ষা :** অসমৰ বিভিন্ন ঠাইত নাৰী-শিক্ষাৰ বাবে জাগৰণ সৃষ্টি হোৱাত মাজুলীতো ধৰ্মগুৰু, সমাজ-সংস্কাৰক, অগ্ৰণী স্বাধীনতা সংগ্ৰামী পীতাম্বৰদেৱ গোস্বামীয়েও নাৰী-শিক্ষাৰ বাবে প্ৰভূত জন-জাগৰণৰ সৃষ্টি কৰিছিল। তেখেতেই ১৯৩৬ খ্ৰী:ত গড়মূৰ সত্ৰৰ সমীপতে সৰ্বপ্ৰথম বালিকা প্ৰাথমিক বিদ্যালয় প্ৰতিষ্ঠা কৰিছিল আৰু প্ৰতিষ্ঠাপক শিক্ষয়িত্ৰী তথা প্ৰধান শিক্ষয়িত্ৰী হিচাপে পূজ্যা ৺সোমেশ্বৰী দত্ত কাকতিয়ে একনিষ্ঠভাৱে শিক্ষাদানত ব্ৰতী আছিল। অৱশ্যে, পৰৱৰ্তী সময়ত গড়মূৰ সত্ৰ প্ৰাথমিক বিদ্যালয়ৰ (বৰ্তমান গড়মূৰ সদৰ প্ৰাথমিক বিদ্যালয়) লগত চামিল কৰা হৈছিল। ১৯৪০ খ্ৰী:তো সমাজকৰ্মী ৺হীৰালালা ঠাকুৰে তেখেতৰ মাতৃৰ নামত কমলাবাৰীত এখন বালিকা প্ৰাথমিক বিদ্যালয় স্থাপন কৰিছিল; কিন্তু ছাত্ৰী সংখ্যা অতি নগণ্য হোৱা হেতু দুবছৰমানৰ পাছত ওপৰকাটনী প্ৰাথমিক বিদ্যালয়ৰ লগত চামিল কৰা হৈছিল।

মাজুলীত নাৰীৰ কাৰণে ইংৰাজী শিক্ষা গ্ৰহণাৰ্থে 'বনগাঁও বালিকা মধ্য ইংৰাজী বিদ্যালয়' ১৯৬১ খ্ৰী:ত স্থাপিত হৈছিল। এই বিদ্যালয়খনৰ পাছত ১৯৬৮ খ্ৰী:ত কমলাবাৰী অঞ্চলৰ বিষ্ণুৰাম বৰুৱা,

ললিত চন্দ্ৰ দত্ত, ডাঃ অমূল্য হাজৰিকা, ভোলা বৰা, প্ৰেমানন্দ ঠাকুৰ, ৰেণু বৰা, কিশোৰীমোহন পাল, ৺যোগ গোস্বামী, ৺হৰেন হাজৰিকা আদিৰ চেষ্টাত কমলাবাৰী বালিকা মধ্য ইংৰাজী বিদ্যালয়খন স্থাপিত হৈছিল। প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক আৰু পৰিচালনা সমিতিৰ সভাপতি আছিল ক্ৰমে— ভোলা বৰা আৰু বিষ্টুৰাম বৰুৱা।

১৯৭১ খ্ৰী:ত গড়মূৰ গোপালপুৰত পীতাম্বৰদেৱ বালিকা মধ্য ইংৰাজী বিদ্যালয়খন স্থাপিত হৈছিল। প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক আৰু পৰিচালনা সমিতিৰ সভাপতি আছিল ক্ৰমে— চন্দ্ৰ নাথ আৰু দেৱ ভূঞা।

ওপৰোক্ত ব্যক্তিসকলৰ ঐকান্তিক প্ৰচেষ্টা আৰু আঞ্চলিক ৰাইজৰ অকুণ্ঠ সহায়-সহযোগত ১৯৭১ খ্ৰী:তে 'পীতাম্বৰদেৱ গাৰ্লছ এম. ই. স্কুল'ৰ লগতে 'পীতাম্বৰদেৱ গাৰ্লছ হাইস্কুল'খনো স্থাপিত হৈছিল।

কমলাবাৰী বালিকা মধ্য ইংৰাজী বিদ্যালয়ৰ লগতে ১৯৭১ খ্ৰী:ত কমলাবাৰী উচ্চ মাধ্যমিক বিদ্যালয়খন স্থাপিত হৈছিল। বিদ্যালয়খনৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষয়িত্ৰী, পৰিচালনা সমিতিৰ সভাপতি আৰু সম্পাদক আছিল ক্ৰমে— মৃদুলা কাকতি হাজৰিকা, বিষ্টুৰাম বৰুৱা আৰু প্ৰেমানন্দ ঠাকুৰ।

১৯৭৩ খ্ৰী:ত বনগাঁও বালিকা মধ্য ইংৰাজী বিদ্যালয়ৰ লগতে বনগাঁও বালিকা উচ্চ মাধ্যমিক বিদ্যালয়খনো প্ৰতিষ্ঠিত হৈছিল।

১৯৭৫ খ্ৰী:ত জেংৰাইমুখ বালিকা উচ্চ মাধ্যমিক বিদ্যালয়খন স্থাপিত হৈছিল। বিদ্যালয়খনৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক নন্দনাথ দলে।

১৯৮০ খ্ৰী:ত কমলাবাৰীত অন্য এখনি বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ে জন্মলাভ কৰিছিল। এই বিদ্যালয়খনৰ নাম 'কমলাবাৰী গাৰ্লছ একাডেমী'।

১৯৮১ খ্ৰী:ত ৰতনপুৰ মিৰি বালিকা উচ্চ মাধ্যমিক বিদ্যালয়খন অঞ্চলৰ সমাজকৰ্মী দেৱাই পাতিৰ, খৰ্গেশ্বৰ কুলী, মংগল সিং পেগু, ৺ভগন দলে, আইচা চাৰহ আদি ব্যক্তিসকলৰ আপ্ৰাণ চেষ্টাত প্ৰতিষ্ঠা লাভ কৰিছিল।

কুৰি শতিকাৰ প্ৰায় অন্তিম সময়ত ফুলনিত এখনি বালিকা উচ্চ মাধ্যমিক বিদ্যালয় স্থানীয় ৰাইজৰ উদ্যোগত স্থাপিত হৈছে। 'ফুলনি গাৰ্লছ হাইস্কুল' নামেৰে প্ৰতিষ্ঠিত বিদ্যালয়খনে বিভাগীয় অনুমতি লাভ কৰি উন্নয়নৰ পথত যথেষ্ট আগবাঢ়ি গৈছে।

উল্লেখিত পীতাম্বৰদেৱ বালিকা উচ্চ মাধ্যমিক, কমলাবাৰী বালিকা উচ্চ মাধ্যমিক, বনগাঁও বালিকা উচ্চ মাধ্যমিক বিদ্যালয় আৰু কমলাবাৰী গাৰ্লছ একাডেমী অসম চৰকাৰৰ শিক্ষা বিভাগৰ প্ৰাদেশিকীকৰণ আইনৰ অন্তৰ্ভুক্ত হৈছে।

**ৰাষ্ট্ৰভাষা হিন্দীভাষা শিক্ষা :** মাজুলীত হিন্দী শিক্ষাৰ কাৰণে ১৯৫০ খ্ৰী:ৰ পৰা পৰিৱেশ সৃষ্টি হৈ আহিছে। অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতিয়ে বিভিন্ন পৰ্যায়ৰ পৰীক্ষা, শিক্ষাদান আদি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ আগৰ পৰা ৱাৰ্দ্ধা হিন্দী প্ৰচাৰ সমিতিৰ অধীনস্থ পৰীক্ষাসমূহত অৱতীৰ্ণ হ'বলৈ প্ৰয়োজনীয় পাঠ্যক্ৰমৰ অধ্যয়ন কৰিবলৈ ইচ্ছুক ছাত্ৰ-ছাত্ৰী মাজুলীৰ বাহিৰলৈ যাবলগা হৈছিল; কিন্তু দুই-তিনিবছৰ মানৰ পাছৰ পৰা মাজুলীতো শিক্ষা গ্ৰহণৰ ব্যৱস্থা হ'ল আৰু সেই সুবিধা গ্ৰহণ কৰি বহুজন ছাত্ৰ-ছাত্ৰীয়ে ৱাৰ্দ্ধা সমিতিৰ পৰিচালিত 'কোবিদ' পৰ্যন্ত পৰীক্ষা মাজুলীতে দিব পৰা হ'ল। শীৰ্ষতম প্ৰমাণপত্ৰ 'ৰত্ন' উপাধিৰ পৰীক্ষা মাজুলীৰ বাহিৰত থকা কেন্দ্ৰত দিব লাগিছিল। ইতিমধ্যে অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতিৰ ব্যাপক ব্যৱস্থানুযায়ী মাজুলীৰ শ শ ছাত্ৰই প্ৰতি বছৰে শীৰ্ষ উপাধি 'প্ৰৱীণ' পৰীক্ষাৰ বাদে প্ৰাৰম্ভিক, প্ৰবোধ, বিশাৰদ পৰীক্ষা মাজুলীতে দিয়াৰ ব্যৱস্থা হ'ল। এনে জাগৰণৰ বাবেই গড়মূৰ, কমলাবাৰী, বনগাঁৱত নিয়মীয়া শিক্ষানুষ্ঠানৰ দৰেই ৰাষ্ট্ৰভাষা হিন্দী শিক্ষাদানৰ বহুজন শিক্ষাব্ৰতীয়ে আত্মনিয়োগ কৰি আহিছে। সম্প্ৰতি শ্ৰীলুইত উচ্চ মাধ্যমিক বিদ্যালয়, কমলাবাৰীস্থ মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চ মাধ্যমিক বিদ্যালয়, বনগাঁৱত বনগাঁও ৰাষ্ট্ৰভাষা মহাবিদ্যালয় আৰু মাজৰ দেউৰী উচ্চ মাধ্যমিক বিদ্যালয়ত হিন্দী পৰীক্ষাৰ কেন্দ্ৰ আছে।

**বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰ :** মাজুলীৰ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকসকলে বাহিৰত প্ৰশিক্ষণ গ্ৰহণত যাতায়াত আদিৰ বহুত অসুবিধা দূৰীকৰণৰ বাবে মাজুলীতে এখন নিম্ন বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰ প্ৰতিষ্ঠা কৰিবলৈ মাজুলীৰ শিক্ষাপ্ৰেমী ৰাইজ, শিক্ষকবৃন্দ আদিয়ে চৰকাৰৰ ওচৰত দাবী জনাই অহাৰ পৰিপ্ৰেক্ষিতত ১৯৬০ খ্ৰী:ত মাজুলীত এটি প্ৰশিক্ষণ কেন্দ্ৰ প্ৰতিষ্ঠাৰ সিদ্ধান্ত চৰকাৰে গ্ৰহণ কৰিছিল। সেই সিদ্ধান্ত অনুযায়ী মাজুলীত সুকীয়া নিম্ন বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰ দাবী সমিতিয়ে ঐতিহাসিক পুখুৰী বাৰুণাপাৰৰ দক্ষিণফালে স্থানীয় ৰাইজ আৰু মাটিৰ মালিকসকলৰ ত্যাগ-দানেৰে সকলো প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰাৰ

পাছত 'ৰাৱণাপাৰ নিম্ন বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰ'টি চৰকাৰে প্ৰতিষ্ঠা কৰে। ১৯৬২ খ্ৰী:ৰ জুন মাহৰ পৰা প্ৰশিক্ষণৰ শুভাৰম্ভ হৈছিল। সম্প্ৰতি ভগ্ন-গৃহ, ছাত্ৰাবাসতে প্ৰশিক্ষণ কাৰ্য প্ৰতিবছৰে চলিয়েই আছে। দাবী সমিতিৰ সভাপতি স্বনামধন্য ৺কেশৱৰাম বৰা, উপ-সভাপতি স্বনামধন্য ৺কৃষ্ণকান্ত গোস্বামী আৰু সাধাৰণ সম্পাদক ভুবন চন্দ্ৰ ঠাকুৰ আছিল।

**কাৰিকৰী শিক্ষা :** ১৯৫৮ খ্ৰী:ত তদানীন্তন বিধায়ক স্বনামধন্য ৺মুহীধৰ পেগুৰ আশাশুধীয়া প্ৰচেষ্টাত জনজাতি উন্নয়ন পৰিকল্পনা আঁচনিৰ অধীনত এটি কনিষ্ঠ কাৰিকৰী শিক্ষণ উৎপাদনমুখী অনুষ্ঠান চৰকাৰে মঞ্জুৰ কৰিছিল। সেই মৰ্মে প্ৰয়োজনীয় গৃহাদিৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ, প্ৰশিক্ষক নিয়োগ আৰু সা-সৰঞ্জামৰ যোগাৰৰ কামবিলাক সম্পন্ন হোৱাৰ পাছত ১৯৬০ খ্ৰী:ৰ পৰা মোৱামাৰী গাঁৱত 'মোৱামাৰী কনিষ্ঠ কাৰিকৰী শিক্ষণ তথা উৎপাদন' অনুষ্ঠানটিৰ শুভাৰম্ভ হ'ল।

১৯৮৫ খ্ৰী:ৰ ৫ এপ্ৰিল তাৰিখে চামগুৰি সত্ৰ ৰাৱণাপাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাংগণত অনুষ্ঠিত ৰাজহুৱা সভাত উপস্থিত থকা তদানীন্তন অসমৰ শিক্ষামন্ত্ৰী মুকুট শৰ্মাদেৱক বনগাঁও অঞ্চলৰ নেতা, সমাজকৰ্মী পূৰ্ণ শইকীয়া, ধৰ্মেশ্বৰ গোস্বামী, ভুবনচন্দ্ৰ ঠাকুৰ, ৺উপেন নগৰীয়া আদিয়ে দিয়া স্মাৰকপত্ৰৰ যোগেদি বনগাঁৱত এটি কনিষ্ঠ উদ্যোগ প্ৰশিক্ষণকেন্দ্ৰৰ বাবে জনোৱা অনুৰোধ মৰ্মে অসম চৰকাৰৰ শ্ৰম আৰু উদ্যোগ মন্ত্ৰালয়ে ১৯৮৫ খ্ৰী:ৰ পৰা বনগাঁৱত আন এটি কনিষ্ঠ উদ্যোগ প্ৰশিক্ষণ কেন্দ্ৰ মঞ্জুৰ কৰিছিল। দুবছৰ স্থগিত ৰখাৰ পাছত ১৯৮৭ খ্ৰী:ৰ পৰা উক্ত কনিষ্ঠ ঔদ্যোগিক প্ৰশিক্ষণ কেন্দ্ৰটিৰ শুভাৰম্ভ হ'ল।

**সংগীত-নৃত্যৰ শিক্ষানুষ্ঠান :** মাজুলী শংকৰী তথা সত্ৰীয়া কলা-সংস্কৃতিৰ যাদুঘৰ বুলি খ্যাত হৈ আহিছে। মাজুলীৰ সত্ৰসমূহত বিভিন্ন সত্ৰীয়া নৃত্য, গীত, গায়ন-বায়ন, পদ, ঘোষা, সংকীৰ্তন আদিৰ চৰ্চা-শিক্ষাদান পৰম্পৰাগতভাৱে নীতিসিদ্ধ হৈ আহিছে। ইতিমধ্যে সত্ৰীয়া, বিশেষকৈ শংকৰী নৃত্য-গীতৰ পাঠ্যক্ৰম ব্যাকৰণভিত্তিত শিক্ষক আৰু পৰীক্ষণৰ যোগেদি মানদণ্ড নিৰূপণৰ ব্যৱস্থা প্ৰবৰ্তন হ'ল। অসমৰ বহু ঠাইত সত্ৰীয়া সংগীত বিদ্যালয় আৰু মহাবিদ্যালয় স্থাপিত হৈছে। অসম সত্ৰ মহাসভাৰ দ্বাৰাও শংকৰী নৃত্য-গীত শিক্ষাৰ মহাবিদ্যালয় প্ৰতিষ্ঠা হৈছে। সত্ৰসমূহৰ কোনো কোনো শিল্পীৰ দ্বাৰা মাজুলীৰ অ'ত ত'ত কেইবছৰমান আগলৈকে সত্ৰীয়া নৃত্য-গীত, গায়ন-বায়ন, অংকীয়া ভাওনা আদিৰ শিক্ষাদান কাৰ্য চলিছিল যদিও ব্যাপক নাছিল।

১৯৭৯ খ্ৰী:ত মাজুলীত এটি সাংস্কৃতিক কেন্দ্ৰ অসম চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ে মঞ্জুৰ কৰে। উক্ত কেন্দ্ৰ প্ৰতিষ্ঠাৰ পাছত সত্ৰীয়া নৃত্য-গীত, অংকীয়া ভাওনা, ওজাপালি, গায়ন-বায়ন, মিচিং-দেউৰীসকলৰ নৃত্য-গীত; জ্যোতি-বিষ্ণুৰাভা সংগীত আদি বিভিন্ন শিল্প-কলাৰ ব্যাপক শিক্ষণ-প্ৰশিক্ষণ কাৰ্য চলিছে। সাংস্কৃতিক কেন্দ্ৰটিৰ ভাৰপ্ৰাপ্ত বিষয়া তৰুণ বৰুৱাৰ যোগ্য, দক্ষ, সুনিপুণ সাংগঠনিক প্ৰক্ৰিয়াত অসমৰ সাংস্কৃতিক জগতত মাজুলীৰ সাংস্কৃতিক বৈশিষ্ট্য সঠিকভাৱেই উপস্থাপন কৰিব পৰা গৈছে।

কেইবাবছৰৰ আগৰ পৰা মাজুলী কমলাবাৰী সত্ৰত (নতুন কমলাবাৰী সত্ৰ) সত্ৰাধিকাৰ নাৰায়ণ চন্দ্ৰ গোস্বামীৰ শুভ-প্ৰচেষ্টাত শংকৰী নৃত্য-গীত আদিৰ শিক্ষণ-প্ৰশিক্ষণ আৰু পৰীক্ষণৰ কাৰ্যাৱলী পৰিচালিত হৈ আছে।

ইয়াৰ উপৰি মাজুলীত কেইবাখনো সংগীত বিদ্যালয় আৰু মহাবিদ্যালয় স্থাপিত হৈছে। ১৯৮৬ খ্ৰী:ত মাজুলীৰে এগৰাকী সু-শিল্পী ৰঞ্জিৎ কুমাৰ ভূঞা, তৰুণ বৰুৱা প্ৰমুখ্যে শিল্পী আৰু কেইগৰাকীমান উদ্যোগী ব্যক্তিয়ে শ্ৰীশ্ৰীআউনীআটীয় সত্ৰাধিকাৰৰ আশীৰ্বাদ আৰু শিল্প-কলাপ্ৰেমী ৰাইজৰ সহযোগত কমলাবাৰীত 'মাজুলী কেন্দ্ৰীয় সংগীত মহাবিদ্যালয়' প্ৰতিষ্ঠা কৰিছে। মহাবিদ্যালয়খনৰ অধ্যক্ষ শ্ৰীভূঞাই অনুষ্ঠানটিৰ যাৱতীয় শিক্ষণ আদি কাৰ্য সুচাৰুৰূপে পৰিচালনা কৰি আহিছে।

আউনীআটী সত্ৰৰ অধিকাৰ পীতাম্বৰদেৱ গোস্বামীৰ শুভ-প্ৰচেষ্টাত সকলো সা-সৰঞ্জামেৰে পৰিপূৰ্ণ 'আউনীআটী সত্ৰীয়া সংগীত মহাবিদ্যালয়'খন কেইবাবছৰৰ আগতেই স্থাপিত হৈছে।


১৯৯০ খ্ৰী:ত টটয়া গাঁৱত জ্যোতি-বিষ্ণুৰাভা সংগীত বিদ্যালয়খনি স্থাপিত হৈছিল আৰু অধ্যক্ষ সঞ্জীৱ বৰাৰ সু-পৰিচালনাত জ্যোতি সংগীত, নৃত্য; বিষ্ণুৰাভা সংগীত আদি বিভিন্ন নৃত্য-সংগীত-কলাৰ শিক্ষাদান কাৰ্য চলি আছে।

১৯৯৮ খ্ৰী:ত জ্যোতি সংগীত বিদ্যালয়, ১৯৯৯ খ্ৰী:ত শংকৰদেৱ সাংস্কৃতিক বিকাশ কেন্দ্ৰ, ১৯৯৬ খ্ৰী:ত ৰতনপুৰ আঞ্চলিক সংগীত বিদ্যালয়, ১৯৯৬ খ্ৰী:ত ৰঙাচাহী আঞ্চলিক সংগীত বিদ্যালয়

স্থাপিত হৈছিল। উক্ত বিদ্যালয়সমূহৰ ক্ৰম অনুযায়ী যথাক্ৰমে খগেন হাজৰিকা, খগেন মুক্তিয়াৰ, ব্ৰজেন শৰ্মা, ধীৰেন নাথে অধ্যক্ষ হিচাপে সকলো কাম-কাজ ৰূপায়ণ কৰি আহিছে। ওপৰোক্ত সংগীত মহাবিদ্যালয় আৰু বিদ্যালয়সমূহৰ উপৰি ২০০১ খ্ৰী:ত কমাৰগাঁৱত সত্ৰীয়া সংগীত মহাবিদ্যালয়খন গোবিন্দ কলিতাৰ অধ্যক্ষতাত স্থাপিত হৈছে।

এই সংগীত শিক্ষানুষ্ঠানসমূহে বহুত প্ৰতিভাৱান সম্ভাৱনাক আনুষ্ঠানিকভাৱে নীতি-নিয়ম তথা নিৰ্দিষ্ট পাঠ্যক্ৰমৰ মাজেদি সুনিপুণ শিল্পী হিচাপে গঢ় দিয়াত আৰু সত্ৰীয়া কলা-কৃষ্টি, নৃত্য-গীতৰ ব্যাপক বিকাশ আৰু প্ৰসাৰত অৰিহণা যোগাব পাৰিছে।

মাজুলীত কুৰি শতিকাৰ পঞ্চাশ দশকৰ পৰা অন্তিম দশকলৈকে ব্যাপকভাৱে শিক্ষানুষ্ঠান গঢ়ি উঠাত শিক্ষিত, উচ্চশিক্ষিতৰ হাৰ উৰ্ধমুখী হৈছে; কিন্তু আত্মসংস্থাপন, স্বনিয়োজনৰ প্ৰয়োজন সাপেক্ষে উৎস, বুনিয়াদ নথকাৰ বাবে শিক্ষিত, অৰ্ধ-শিক্ষিত নিবনুৱাৰ সংখ্যা বৃদ্ধি পাইছে। প্ৰযুক্তিবিদ্যা, আধুনিক উন্নত পদ্ধতিৰে কৃষিজাত দ্ৰব্য উৎপাদন বৃদ্ধি কৰিবলৈ, শিল্প-উদ্যোগ গঢ়িবলৈকো পৰিৱেশ আৰু চৰকাৰী বা বেচৰকাৰী সহায়কাৰী ব্যৱস্থাৰ অভাৱে বহুত নিবনুৱাক হতাশাত ভোগাইছে। ফলত সামাজিক মূল্যবোধৰ, পূৰ্বৰ সহজ-সৰল প্ৰবল নৈতিকতাপূৰ্ণ আচৰণৰো অবক্ষয়ৰ সূচনা হৈছে।



## মাজুলীৰ স্বাস্থ্য-ব্যৱস্থাৰ অতীত আৰু বৰ্তমান

পৃথিৱী-বৃহৎ নদী-দ্বীপ মাজুলীত বিংশ শতাব্দীৰ প্ৰথম দশকলৈকে অতি পুৰণি পদ্ধতিৰেই চিকিৎসা আৰু স্বাস্থ্যৰ চিন্তা-চৰ্চা কৰা হৈছিল। জ্বৰ-নৰিয়া হ'লেই মানুহে ততাতৈয়াকৈ পোনপ্ৰথমে আইসকললৈ টোপোলা বান্ধি কিছুমান বন-পাত, জাতিলাও পাত আদি পিহি 'ভৰণ' আদি দি চিকিৎসা কৰিছিল। যিকোনো ধৰণৰ জ্বৰ-নৰিয়া হ'লেই 'নাৰী বৰ্ণ' (নাড়ী বৰণৰ) এপালি ঔষধ প্ৰথমতে ৰোগীক সেৱন কৰিবলৈ দিয়া হয় আৰু অসুখ বেছি হ'লে ৰোগীৰ জ্বৰ মূৰত উঠি ভ্ৰম বকিলে বা মূৰ্ছা গ'লে, ইচাট্-বিচাট্ কৰিলে, হাত-মুখ-ভৰি আদি উখহিলে; প্ৰসূতিজনিত কাৰণত ৰোগীৰ অস্বাভাৱিকতা দেখা দিলে বেজ-ওজানী লগাই জৰা-ফুকা কৰা, পানী জাৰি খাবলৈ দিয়া আদি চিকিৎসা কৰা হৈছিল। সেইখিনি সময়ত টান নৰিয়াত পৰি ৰোগীয়ে অস্বাভাৱিকতা দেখুৱাই অকাল মৃত্যুক সাৱটি ল'লে দেও-ভূত আদি 'বাহিৰা চাট্' লাগিল বুলি দৃঢ়বিশ্বাস কৰা হৈছিল। কেৱল মাজুলীতে নহয়, সমগ্ৰ দেশতে হয়তো এনে ধৰণৰ দৃঢ়বিশ্বাসে দকৈ শিপাই আছিল আৰু সেয়ে আজিও তাৰ অৱশিষ্ট আমাৰ মাজত বিৰাজমান। বিংশ শতিকাৰ বৃটিছৰ শাসন কালৰ প্ৰথমাৱস্থাৰ পৰাই আমাৰ দেশত শিক্ষা, বিজ্ঞান, প্ৰযুক্তিবিদ্যা, সমাজ-জীৱন আদিৰ দ্ৰুত পৰিৱৰ্তন ঘটিবলৈ ধৰিছিল। ইতিমধ্যে বেৰী হোৱাইট চাহাবে ডিব্ৰুগড়ত 'মেডিকেল স্কুল' প্ৰতিষ্ঠা কৰাৰ লগে লগে গাঁৱে-ভূঞে আধুনিক চিকিৎসাৰ বীজ ৰোপিত হ'বলৈ ধৰিলে। বিংশ শতিকাৰ দোকমোকালিৰ পৰাই আধুনিক শিক্ষা-বিজ্ঞানৰ পৰশ পাই আৰু বিজ্ঞানৰ ক্ৰমাৎ জয়-যাত্ৰাৰ কথা উপলব্ধি কৰি নদী-দ্বীপ মাজুলীতো চিকিৎসালয় স্থাপনৰ কথা কেইজনমান শিক্ষিত সমাজকৰ্মীয়ে চিন্তা কৰিবলৈ ধৰিলে।

১৯১৪ খ্ৰীষ্টাব্দ। মাজুলীৰ স্বাস্থ্য-জগতত এক নতুন অধ্যায়ৰ সূচনা হ'ল। বিনয় প্ৰসাদ ঘোষ নামৰ এজন বঙালী সম্প্ৰদায়ৰ কবিৰাজী ডাক্তৰ গুৱাহাটীৰ ফালৰ পৰা আহি সেই বছৰতে মাজুলীৰ বনগাঁৱত চিকিৎসা-সেৱা আৰম্ভ কৰিলেহি। ব্ৰিটিছৰ শাসনকালত ৰাইজৰ উদ্যোগত আৰু সেই চিকিৎসকজনৰ তত্বাৱধানত ব্ৰহ্মপুত্ৰ নদীৰ বাঢ়নি পানীত তল নাযাবৰ বাবে চাংঘৰ সাজি তাত চিকিৎসালয় প্ৰতিষ্ঠা কৰা হ'ল; কিন্তু চৰকাৰৰ তৰফৰ পৰা তেতিয়া কোনো চিকিৎসা-সেৱাৰ বাবে উন্নয়নমূলক ব্যৱস্থা বিশেষভাৱে লোৱা হোৱা নাছিল। গাঁৱৰ প্ৰতিজনে পঁচিশ পইচাকৈ অৰিহণা তুলি চিকিৎসকজনক দৰমহা আদি দিয়াৰ লগতে অনুষ্ঠানটিৰ উন্নয়নৰ বাবেও চিন্তা কৰা হৈছিল। এইখনেই মাজুলীৰ প্ৰথম চিকিৎসালয়; যিখন বৰ্তমান মাজুলী বনগাঁৱৰ পৰা প্ৰায় ৪-৫ কি: মি: পূবলৈ শালমৰাৰ ওচৰত ব্ৰহ্মপুত্ৰৰ পাৰতে আছিল। উপৰ্যুপৰি বানপানী আৰু গৰাখহনীয়াৰ কবলত পৰি যাতায়াত তথা বসতি স্থাপনৰ ব্যৱস্থা সুচল নোহোৱাত আজিৰ পৰা তিনিটামান দশকৰ আগতে বৰ্তমানৰ স্থানলৈ অৰ্থাৎ বনগাঁৱৰ সমীপৰ মেৰাগড়লৈ চিকিৎসালয়খন স্থানান্তৰিত কৰা হয়। বিনয় প্ৰসাদ ঘোষৰ পাছত মাজুলীত চিকিৎসা-সেৱা আগবঢ়াবলৈ আহে 'মেকলীয়া ডাক্তৰ' বুলি খ্যাত গোলাঘাটৰ এজন চিকিৎসক। তেওঁৰ পিছত আহে যোৰহাটৰ তৰাজানৰ ডাঃ ভূপেন বৰুৱা নামৰ এজন লাইচেন্সধাৰী (L M P.) চিকিৎসক। তেওঁৰ সময়তে ধনদা গগৈ বুলি প্ৰথম এ. এন. এম. গৰাকীৰ সহযোগত মাজুলীত 'মাতৃ আৰু শিশুৰ স্বাস্থ্যৰ যতন আঁচনি' (M C H. Programme— Mother and Child Health Care)ৰ সূত্ৰপাত আৰু কাৰ্যকৰী হয়। তেতিয়াৰ পৰা ভাৰত স্বাধীন হোৱালৈকে (১৯৪৭খ্ৰী:) আৰু বিশ্ব স্বাস্থ্য সংস্থা (W H. O ) ৰ জন্ম হোৱালৈকে (১৯৪৭ খ্ৰী:, ৭ এপ্ৰিল) পৃথিৱীৰ ভিন্ন প্ৰান্তৰৰ স্বাস্থ্যবিষয়ক আলোচনা-বিলোচনাৰে সমসাময়িক -ভাৱেই অসমৰ লগতে মাজুলীতো বিভিন্ন স্বাস্থ্য-আঁচনিসমূহৰ বিষয়ে চিন্তা-চৰ্চা কৰা হয়। W. H. O. ৰ জন্মৰ পিছতে সমূহ আঁচনিৰ সফল ৰূপায়ণৰ ক্ষেত্ৰত মাজুলীৰ স্বাস্থ্য বিভাগৰ অৱদান দেশৰ অন্যান্য এলেকাৰ লগত একে হৈ পৰে আৰু এই ধাৰাবাহিকতাৰ আজিৰ পাল্‌চ-পলিঅ' প্ৰতিষেধক প্ৰদানলৈকে ত্ৰুটি হোৱা নাই। প্ৰতিষ্ঠা হোৱাৰ কিছু বছৰ পিছতেই ব্ৰিটিছৰ আমোলত চিকিৎসালয়খন 'বনগাঁও ৰাজ্যিক চিকিৎসালয়' নাম পায় আৰু ডাক্তৰ ভূপেন বৰুৱা আৰু ধনদা গগৈ (এ. এন. এম.)ৰ দিনৰ পৰাই ৰোগী চিকিৎসাৰ লগতে স্বাস্থ্য বিভাগৰ সমূহীয়া আঁচনিসমূহ পৰিচালিত হ'বলৈ ধৰে। প্ৰাকৃতিক দুৰ্যোগ, স্থানান্তৰকৰণ আৰু কেতিয়াবা মানুহৰ অমনোযোগিতাৰ বাবেই হয়তো এই স্বাস্থ্য-

ব্যৱস্থাটোৰ সমূহ খতিয়ান তথা নথি-পত্ৰাদিৰ প্ৰাপ্তিত কিছু বাধা আহি পৰিছে। চিকিৎসকসকলৰ সঠিক কাৰ্যকাল, তেখেতসকলৰ সেৱা আৰু কৰ্মৰাজিৰ খতিয়ান পাবলৈ জটিল হ'লেও জনসাধাৰণৰ মুখে মুখে এইসকল চিকিৎসকৰ কৃতিৰ কথা প্ৰায়ে শুনা যায়। চিকিৎসকসকলৰ ভিতৰত বাহিৰৰ পৰা আহি চিকিৎসা-সেৱা সৰ্বাধিক দিনৰ বাবে আগবঢ়োৱাজন হ'ল ডাক্তৰ ধীৰেন্দ্ৰ কুমাৰ পালিত। স্বাধীনোত্তৰ কালছোৱাত বৰাক উপত্যকাৰ কৰিমগঞ্জৰ ফালৰ পৰা আহি চৰকাৰীভাৱে চিকিৎসা-সেৱা আগবঢ়াই সুদীৰ্ঘ ত্ৰিশ বছৰৰো অধিক কাল তেখেতে জনসাধাৰণৰ মাজত থাকি যোৱাৰ কথা মাজুলীবাসীয়ে পাহৰিব নোৱাৰে। ডাঃ পালিতৰ পিছতেই মাজুলীলৈ আগমন হয় বৰ্তমানৰ চিকিৎসকসকল— ডাঃ গোলাপ চন্দ্ৰ ডেকা (বৰ্তমান শিশু চিকিৎসক, যোৰহাট দেবেশ্বৰ শৰ্মা অসামৰিক চিকিৎসালয়), ডাঃ নগেন্দ্ৰ দলে (বৰ্তমান জ্যেষ্ঠ চিকিৎসা বিষয়া, কমলাবাৰী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ), ডাঃ কমল চন্দ্ৰ মৰাং (জ্যেষ্ঠ চিকিৎসা বিষয়া, নকছাৰি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ), ডাঃ অমূল্য গোস্বামী, ডাঃ অপূৰ্ব শৰ্মা, ডাঃ বিনোদ বৰা আদি। দুখৰ বিষয়, ১৯১৪ খ্ৰীঃতে স্থাপিত হোৱা এই ঐতিহাসিক চিকিৎসালয়খনিৰ আচবাব, সা-সৰঞ্জাম, চিকিৎসক-কৰ্মচাৰী আদিৰ নিযুক্তি, যাতায়াত তথা ৰোগীৰ পৰিবহণ ব্যৱস্থাৰ বিশেষ চকুত লগা পৰিৱৰ্তন হৈছে বুলি ক'ব নোৱাৰি।

M. C. H. Care Programme আৰু অন্যান্য স্বাস্থ্য-আঁচনিসমূহৰ ৰূপায়ণৰ সম্পূৰ্ণ ভূমিকা কেৱল এখন ডিছপেন্সাৰীয়ে পালন কৰাটো সম্ভৱ নহয়; কাজেই ব্ৰিটিছ শাসনৰ প্ৰায় শেষৰফালে কিছুমান বিশেষ ব্যক্তিৰ উদ্যোগত মাজুলী বনগাঁৱৰ পৰা প্ৰায় দৈৰ্ঘ্য কিঃ মিঃ পশ্চিমলৈ কমলাবাৰীত (সম্ভৱতঃ ১৯৩৫ খ্ৰীঃত) 'কমলাবাৰী প্ৰাথমিক চিকিৎসালয়' স্থাপিত হয়। কমলাবাৰীৰ টুনী সুঁতিৰ পাৰত (বৰ্তমান মাজুলী আৰক্ষী চকী আৰু ডাকঘৰৰ সমীপত) প্ৰতিষ্ঠিত স্বাস্থ্য কেন্দ্ৰটিত সেৱা আগবঢ়াবলৈ আহিছিল গুৱাহাটীৰ মালিগাঁৱৰ পৰা ডাঃ বিপিন বৰকটকী। তাৰ আগলৈকে চিকিৎসা চলিছিল বেঙেনাআটি সত্ৰৰ এজন কবিৰাজৰ কিস্তিত বাতি তৈয়াৰ কৰা বিভিন্ন বনৌষধিৰে। জনশ্ৰুতিৰ মতে কমলাবাৰীৰ দাঁতিকাষৰীয়া এলেকাবোৰ বেতনি, বিভিন্ন গছ-গছনিৰে গেজেপনি মৰা হাবি আছিল। গ্ৰীষ্মকালীন সংক্ৰামক ৰোগৰ (যেনে- হাইজা, গ্ৰহণী, বসন্ত, পেলু, মেলেৰিয়া, যক্ষ্মা আদি) প্ৰাদুৰ্ভাৱ তেতিয়া কম নাছিল। নদী-দ্বীপটোত সেৱা আগবঢ়াবলৈ আহি কেইবছৰমানৰ পিছত মালিগাঁৱৰ এই চিকিৎসকজন যক্ষ্মা ৰোগত ঢুকাল। ইতিমধ্যে কমলাবাৰী প্ৰাথমিক স্বাস্থ্য- কেন্দ্ৰটিও জনসাধাৰণৰ সুবিধাৰ্থে আৰু প্ৰাকৃতিক দুৰ্যোগৰ কাৰণত স্থানান্তৰিত কৰিবৰ বাবে যো-জা চলিল। ষাঠি দশকৰ আৰম্ভণিতে চিকিৎসালয়খনি ক'ত স্থাপন কৰা যাব তাক লৈ টনা-আজোৰাও হৈছিল। স্বাস্থ্যসেৱা সঞ্চালক কুল কুটুমৰ কৰ্মকালত কেইজনমান ব্যক্তিৰ কথামতে বৰ্তমান মাজুলীৰ সদৰ ঠাই গড়মূৰত পাতিবলৈ ঠিক-ঠাক কৰা হৈছিল; কিন্তু ভাৰতৰ স্বাধীনতা সংগ্ৰামী তথা জনহিতৈষী সমাজকৰ্মী ব্যক্তি বিষ্টুৰাম বৰুৱাৰ সৈতে সমাজকৰ্মী, শিক্ষক ৺গোপাল হাজৰিকা আদি কেইজনমান বিশিষ্ট ব্যক্তিয়ে বাক্-বিতণ্ডা, আলোচনা-বিলোচনা কৰি কমলাবাৰীৰ টুনী দলঙৰ পৰা ডেৰ-দুই কিঃ মিঃ মান উজাই গৈ বৰ্তমানৰ বৰহোলা গাঁৱত পতাৰ কথা সিদ্ধান্ত কৰিলে আৰু গৃহীত হ'ল। তেতিয়া আহিছিল নকুল গগৈ নামৰ এজন চিকিৎসক। তেওঁৰ ভৰি এখন খোৰা আছিল বাবে সকলোৰে মাজত 'লেঙেৰা ডাক্তৰ' নামেৰেহে জনাজাত আছিল। বৰহোলা গাঁৱৰ গেজেপনি মৰা ইকৰানি-বেতনিৰ মাজত থাকি চিকিৎসা-সেৱা আগবঢ়াই তেওঁ শিশুৰ পৰা বৃদ্ধলৈকে সকলোৰে পৰা যথেষ্ট সমাদৰ লাভ কৰিছিল। তেওঁৰ লগত বন্ধন প্ৰকৰণৰ পৰা চিকিৎসালয়ৰ সকলো কাম-কাজত সহায়-সহযোগ কৰা মোহনলাল শৰ্মা ইতিমধ্যে কমলাবাৰীৰ ৩০খন বিছনাযুক্ত গ্ৰাম্য চিকিৎসালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰিছে। তেওঁ এতিয়াও সেইদিনৰ ৰোমাঞ্চকৰ কাহিনীবোৰ গৌৰৱেৰে সোঁৱৰণ কৰে। এইদৰেই চৰকাৰ, অঞ্চলটোৰ সচেতন ব্যক্তিসকল, সংশ্লিষ্ট চিকিৎসকজনৰ উদ্যোগত কমলাবাৰী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰটিয়ে পূৰ্ণতা পালে। বিষ্টুৰাম বৰুৱা প্ৰমুখ্যে বিভিন্ন বিশিষ্ট ব্যক্তিসকলৰ প্ৰচেষ্টাত গঠন হোৱা তেৰজনীয়া সদস্যৰ উপদেষ্টা কমিটিখনে (Advisory Committee) এই ক্ষেত্ৰত অগ্ৰণী ভূমিকা লয়। বিষ্টুৰাম বৰুৱা আছিল সভাপতি, ডাঃনকুল গগৈ আছিল সম্পাদক (চিকিৎসা আৰু স্বাস্থ্য বিষয়াজনক সচিব নিৰ্বাচন কৰা হয়) আৰু বাকীসকল কাৰ্যকৰী সদস্য। এনেদৰে ষাঠি দশকৰ শেষৰফালে বিভিন্ন সমস্যাৰে জৰ্জৰিত স্বাস্থ্য কেন্দ্ৰটিৰ উপদেষ্টা কমিটিখনেই হেল্থ কমিটি গঠন কৰি ইং ৩০-৭-১৯৬১ তাৰিখে প্ৰথম বৈঠক অনুষ্ঠিত কৰে। কেন্দ্ৰটিত প্ৰয়োজন অনুসৰি ঔষধ, সা-সঁজুলি, খাদ্য, বিজুলী, পানী

আদি যোগানৰ উপৰি শৌচাগাৰ নিৰ্মাণ; চাৰিসীমাৰ বেৰ নিৰ্মাণ, চিকিৎসালয়ৰ মেৰামতিৰ বাবে উক্ত সভাত প্ৰস্তাৱ গ্ৰহণ কৰা হয়। এই হেল্‌থ কমিটিখনে প্ৰতি বছৰে তথা জৰুৰী সময়ত কাৰ্যকৰী সভা অনুষ্ঠিত কৰি জনসাধাৰণৰ সুচল সেৱাৰ্থে অৰিহণা যোগাই আহিছিল।

ডাঃ নকুল গগৈৰ পিছতে চিকিৎসা আৰু স্বাস্থ্য-বিষয়া হিচাপে যোগদান কৰিছিল ডাঃ মংগল ভঁৰালীয়ে ১৯৬৫ খ্ৰী:ত। সত্তৰ দশকটোৰ বাকীকেইটা বছৰ সুখ্যাতিৰে সেৱা আগবঢ়োৱাৰ পিছতে চিকিৎসালয়খন পুনৰ স্থানান্তৰ কৰাৰ কথা চিন্তা কৰা হ'ল। যিহেতু বৰহোলা ঠাইকণ আছিল দ, সহজে পানী বৈ যোৱা আৰু ওলাই নোযোৱা; তাতে গেজেপনি মৰা হাবিৰ মাজত। গতিকে বৰ্তমানৰ কমলাবাৰী প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ তথা ৩০খন বিছনাযুক্ত চিকিৎসালয় অৱস্থিত স্থানলৈ স্থানান্তৰিত কৰাৰ ক্ষিপ্ৰ যো-জা চলিল। চিকিৎসালয় স্থাপনৰ বাবে মাটি প্ৰদান কৰা ব্যক্তিও আগবাঢ়ি আহিল। কমলাবাৰীৰ দৰিয়া গাঁৱৰ নিবাসী ভোগেশ্বৰ বৰুৱা আৰু তেওঁৰ পৰিয়ালে প্ৰায় বিশ বিঘামান মাটি চিকিৎসালয় স্থাপনৰ বাবে কৰ্তৃপক্ষক প্ৰদান কৰে। কমলাবাৰী হেল্‌থ কমিটিখন বিষ্ণুৰাম বৰুৱাৰ সভাপতিত্বত একেদৰেই থাকিল; কেৱল মুখ্য চিকিৎসা বিষয়াজন বদলি হৈ থকা বাবে সম্পাদকজনহে সলনি হৈছিল। চুবুৰীয়া এলেকাৰ ৰাইজৰ লগত বুজা-পৰা হৈ চিকিৎসালয়ৰ কৰ্মচাৰী আৰু হেল্‌থ কমিটীৰ বিষয়ববীয়াৰ তত্বাৱধানত অনুষ্ঠানটি ১৯৮৫ খ্ৰীষ্টাব্দ পৰ্যন্ত একেবাৰে পৰিচালিত হৈছিল। তাৰ পাছৰ পৰা এই ধাৰাৰ হীন-ডেটি ঘটিল। ৰাইজ আৰু কৰ্মচাৰীৰ যুটিয়া আলোচনা-বিলোচনাবোৰ ক্ৰমাৎ কমি আহিল। ডাঃ মংগল ভৰালীৰ পাছত চিকিৎসা বিষয়াৰ দায়িত্ব লৈ আহে ডাঃ অমূল্য হাজৰিকা (১৯৭২ খ্ৰী:)। ইতিমধ্যে জেংৰাইমুখ ৰত্নপুৰ মিৰি (নয়াবজাৰ) আৰু কৰতিপাৰত তিনিখন মিনি পি. এইচ. চি. স্থাপন হ'ল আৰু কমলাবাৰী পি. এইচ. চি.খন 'ব্লক পি এইচ. চি. হিচাপে পৰিগণিত হ'ল আৰু সমূহ মাজুলীৰ স্বাস্থ্য-আঁচনিৰ কাম এই কমলাবাৰী পি. এইচ. চি.ৰ পৰাই পৰিচালিত হ'বলৈ ধৰিলে। সেই ধাৰা আজিকোপতি অব্যাহত আছে। ডাঃ অমূল্য হাজৰিকা জেংৰাইমুখ পি. এইচ. চি.লৈ যোৱাৰ পাছত কমলাবাৰীলৈ আহে ডাঃ ধীৰেন শৰ্মা (১৯৭৮ খ্ৰী:) চিকিৎসা বিষয়া তথা হেল্‌থ কমিটীৰ সচিব হিচাপে। তেখেতৰ সমসাময়িক হিচাপেই ডাঃ বিপুল বৰুৱা, ডাঃ চৈতন্য দত্ত আদি চিকিৎসকসকলে চিকিৎসা বিষয়া হিচাপে কমলাবাৰীৰ পৰা সেৱা আগবঢ়ায়। তাৰ পিছত আহিল ডাঃ সুন্দৰ মিলি (১৯৮৫)। কেইবাবছৰৰো আগৰ পৰা কমলাবাৰী হেল্‌থ কমিটী তথা জনসাধাৰণে মাজুলীত এখন বিছনাযুক্ত চিকিৎসালয়ৰ প্ৰয়োজনীয়তা বাৰুকৈয়ে উপলব্ধি কৰি আহিছিল। সেই মৰ্মেই কমলাবাৰী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ কাষতে ওপৰোক্ত দাতাৰ মাটিৰে স্থাপন কৰা হৈছিল কমলাবাৰী ত্ৰিশখন বিছনাযুক্ত গ্ৰাম্য চিকিৎসালয় (Community Health Centre/ CHC)। তেতিয়াৰ স্বাস্থ্যমন্ত্ৰী ডাঃ ভূমিধৰ বৰ্মণৰ নিৰ্দেশিত বিষ্ণুৰাম বৰুৱাৰ সভাপতিত্বত ১৯৮৫ খ্ৰী:ৰ ২১ জুনত সমূহ মাজুলীবাসীৰ চিকিৎসা সেৱাৰ হকে এই চিকিৎসালয়খন মুকলি কৰি দিয়া হয়। লগে লগে মাজুলীৰ স্বাস্থ্য জগতলৈ এক নতুন দিনৰ আগমন ঘটিল; অন্ততঃ ৰোগীক বিছনাত ভৰ্তি কৰি চিকিৎসা কৰিব পৰা সুবিধা এটা হ'ল। ডাঃ সুন্দৰ মিলি, ডাঃ ত্ৰিনয়ন হাজৰিকা, ডাঃ যোগেন শইকীয়া, ডাঃ জিতেন্দ্ৰ লাহন গাম, ডাঃ শশীধৰ ফুকন, ডাঃ ৰেখা কোঁৱৰ হাজৰিকা, ডাঃ অমূল্য গোস্বামী, ডাঃ নীলকান্ত পেগু, ডাঃ নিৰঞ্জন দাস, ডাঃ ৰাতুল বৰদলৈ, ডাঃ নন্দিতা দেৱী, ডাঃ অমিত কুমাৰ বৰুৱা, ডাঃ ডালিমী দাস, ডাঃ দীপ কুমাৰ বৈশ্য (দন্ত চিকিৎসক); ডাঃ পূৰ্ণকান্ত (হোমিঅ' চিকিৎসক) আদি অনেক চৰকাৰী ডাক্তৰে এই চিকিৎসালয়ৰ যোগেদি বৰ্তমানলৈকে সেৱা আগবঢ়াই আহিছে। ইতিমধ্যে পুৰণা পি. এইচ. চি.খনত ডাঃ বিশ্বেশ্বৰ পেগু, ডাঃ নন্দেশ্বৰ দলে, ডাঃ অপূৰ্ব শৰ্মা, ডাঃ দেবেসিং পেগু, ডাঃ মনোজ শৰ্মা, ডাঃ জৱাহৰলাল ডেকা আদিয়ে সমূহ আঁচনিৰ সফল ৰূপায়ণৰ হকে সেৱা আগবঢ়ায়। শেহতীয়াকৈ C. H. C. খনত এজন উপ-অধীক্ষক (Deputy Superintend-ent) নিয়োগ কৰা হৈছে (১৯৯৪ খ্ৰী:)। এই পদ অলংকৃত কৰা চিকিৎসকসকল— ডাঃ মহেন বৰুৱা, ডাঃ প্ৰবীণ কুমাৰ বৰা, ডাঃ অনন্ত কুমাৰ নেওগ, ডাঃ অনুপ কুমাৰ বৰা আদি।

বৰহোলা গাঁৱত থকা সময়তে কমলাবাৰী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ প্ৰায় একে সময়তে প্ৰতিষ্ঠা হৈছিল দক্ষিণপাট সত্ৰৰ ওচৰতে 'দক্ষিণপাট ৰাজ্যিক চিকিৎসালয়' (State Dispensary), তাৰ ঠিক আগতে বঙাচাহীত স্থাপিত হয় 'বৰগুৰি ৰাজ্যিক চিকিৎসালয়' আৰু সমসাময়িকভাৱে প্ৰতিষ্ঠা হয় 'আঁহতগুৰি ৰাজ্যিক চিকিৎসালয়'। কমলাবাৰী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত জেংৰাইমুখ (১৯৮৮ খ্ৰী:ৰ পৰাহে মিনি পি. এইচ. ই. ৰূপে পৰিগণিত হয়। তাৰ আগছোৱাত ই

ৰাজ্যিক চিকিৎসালয় হিচাপে সেৱা আগবঢ়াইছিল।), কৰতিপাৰ আৰু ৰতনপুৰ মিৰি 'মিনি পি. এইচ. চি.'ৰ লগতে ৰতনপুৰ লাহন গাঁৱত আৰু এখন মিনি পি. এইচ. ই.ৰ হকে প্ৰস্তাৱ আছিল। ১৯৮৫ খ্ৰী:তে তাৰ অনুমোদন হৈছিল যদিও ১৯৯৪ খ্ৰী:ৰ পৰাহে ৰাইজে চিকিৎসানুষ্ঠানটিৰ পৰা সেৱা পাবলৈ সক্ষম হৈছে। এনেকৈ ১৯১৪ খ্ৰী:ৰ পৰা বাটকুৰি বাই আহি মাজুলীৰ স্বাস্থ্য বিভাগটোৱে জন্ম দিলে ৩০খন বিছনাযুক্ত এখন গ্ৰাম্য চিকিৎসালয় (মাজুলীৰ ৰাইজে 'চিভিল' বুলি যাক অভিহিত কৰে)। চাৰিখন ষ্টেট ডিছপেন্সৰী, এখন ব্লক পি. এইচ. চি.ৰ অন্তৰ্গত চাৰিখন মিনি পি. এইচ. চি. আৰু মুঠ তেত্ৰিশটা স্বাস্থ্য উপকেন্দ্ৰ, এখন ৰেডক্ৰছ চিকিৎসালয় আৰু এখন নিৰ্মাণৰত ১০০খন বিছনাযুক্ত অসামৰিক চিকিৎসালয়। এই এশখন বিছনাযুক্ত চিকিৎসালয়খনৰ আধাৰশিলা অসম গণ পৰিষদ চৰকাৰৰ দিনত (১৯৮৬) স্বাস্থ্যমন্ত্ৰী চাম্ সিং হাঙ্গেই স্থাপন কৰে। দুৰ্ভাগ্যবশতঃ আজি পোন্ধৰটা বছৰে তাৰ নিৰ্মাণ শামুকীয়া গতিতেই চলি থাকিল; মুকলি হ'বলৈ এতিয়াও সময় আৰু অৰ্থ দুয়োটাৰে বহুত প্ৰয়োজন হ'ব।

মাজুলী জিলা শাখা, ভাৰতীয় ৰেডক্ৰছ ছ'চাইটিৰ উদ্যোগত ১৭।৬।১৯৮৩ খ্ৰী:ত মাজুলীৰ সদৰ গড়মূৰৰ পৰা প্ৰায় তিনি কি: মি: পশ্চিমত ৰেডক্ৰছ হস্পিটেল প্ৰতিষ্ঠা হয়। এই অনুষ্ঠানটি পৰিচালনা কৰিবলৈ ১৫জনীয়া সদস্যৰে এখনি পৰিচালনা কমিটি গঠিত হৈছিল। এই কমিটিখনৰ সভাপতি আছিল মাজুলী মহকুমাৰ মহকুমাধিপতি (সভাপতিজন মহকুমাধিপতি হ'ব লাগিব) কাৰ্যকৰী সভাপতি আৰু কোষাধ্যক্ষ আছিল চাৰু চন্দ্ৰ কাকতি। ইন্দ্ৰেশ্বৰ হাজৰিকা, ভুবন দত্ত ক্ৰমে সম্পাদক আৰু সহ: সম্পাদক; নিত্যানন্দ ভৰালী, মুকুন্দীধৰ বৰঠাকুৰ, মহকুমা স্বাস্থ্য বিষয়া, প্ৰকল্প বিষয়া, খণ্ড উন্নয়ন বিষয়া, ৺হলিৰাম দত্ত, ৺ৰোহিনী ভূঞা, লক্ষীমাই মুক্তিয়াৰ, বিষ্টুৰাম বৰুৱা, ইন্দ্ৰেশ্বৰ পেগু আৰু মহিলা সমিতিৰ সভানেত্ৰীগৰাকীৰে সৈতে গঠিত হোৱা কমিটিখনৰ সংবিধান অনুসৰি তিনিবছৰৰ মূৰে মূৰে সাল-সলনি হৈ থাকে। ১৯৮৩ খ্ৰী:ৰ পৰা ১৯৮৯ খ্ৰী:লৈ যথাক্ৰমে ইন্দ্ৰেশ্বৰ হাজৰিকা আৰু মুকুন্দীধৰ বৰঠাকুৰ সম্পাদক হয়। বৰ্তমান মুকুন্দীধৰ বৰঠাকুৰ আৰু ভুবন দত্তই সম্পাদক আৰু সহ: সম্পাদক হিচাপে কাৰ্যভাৰ চলাই আছে। 'ৰেডক্ৰছ'ৰ ফালৰ পৰা (ৰাজ্যিক শাখা) ১৯৮৩ খ্ৰী:ত হস্পিটেলৰ কাম আৰম্ভ হোৱাৰ পৰা এখন এম্বুলেন্স ঔষধসহ যোগান ধৰা হৈছিল। ঘৰটো সম্পূৰ্ণ হৈ উঠাৰ পাছত ডাঃ কন্দৰ্প দাসে বহুতো গাঁৱত বিনামূলীয়া সেৱা আগবঢ়াইছিল। ডাঃ কন্দৰ্প দাসৰ কাৰ্যকাল শেষ হোৱাৰ পাছত কমলাবাৰী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসক ডাঃ অপূৰ্ব কুমাৰ শৰ্মা আৰু ডাঃ মনোজ শৰ্মাই কিছুদিনলৈ সেৱা আগবঢ়াইছিল। ১৯৯৩ খ্ৰী:ত এম্বুলেন্সখন অচল হয় আৰু আজি পৰ্যন্ত ই সুচল হৈ উঠা দেখা নগ'ল। ১৯৯৩-৯৪ আৰু ১৯৯৮-৯১ খ্ৰী:ত বানপানী আদিত আক্ৰান্ত লোকক ৰাজ্যিক শাখাৰ সহায়ত 'ৰেডক্ৰছ' মাজুলী শাখাই খাদ্য, কাপোৰ আৰু লগতে ঔষধ-পাতিৰ যোগান ধৰি সেৱা আগবঢ়াইছিল; কিন্তু বৰ্তমান 'ৰেডক্ৰছ'ৰ তৰফৰ পৰা ৰোগীক চিকিৎসা সেৱা আগবঢ়োৱাৰ ব্যৱস্থা নাই বুলিলেই হয়। দুবছৰমান আগলৈকে ৰেডক্ৰছ হস্পিটেলত থকা অক্সিজেন চিলিণ্ডাৰটোৱে কমলাবাৰী ত্ৰিশখন বিছনাযুক্ত গ্ৰাম্য চিকিৎসালয়ত জৰুৰী ৰোগীক চিকিৎসা কৰিব পৰা হৈছিল; কিন্তু সেইটোও শেষ হোৱাত পিছত ইয়াৰ ভূমিকাও শূন্য হৈ পৰিল।

**ওপঙা হস্পিটেল :** মাজুলীৰ বিভিন্ন এলেকাত গাঁৱে-ভূঞে গৈ চিকিৎসা-সেৱা আগবঢ়াবৰ বাবে অসম চৰকাৰে ১৯৯৬ খ্ৰী:ত ব্ৰহ্মপুত্ৰৰ বুকুত এখনি 'ওপঙা হস্পিটেল' স্থাপন কৰি দিয়ে, যাতে সেইখনৰ জৰিয়তে ঔষধ-পাতি, সা-সৰঞ্জাম কঢ়িয়াই দূৰ-দূৰণিৰ নদী-কাষৰীয়া অঞ্চলৰ ৰোগীক ভ্ৰাম্যমাণ ৰূপত চিকিৎসা-সেৱা আগবঢ়াব পৰা যায়। ১৯৯৬ খ্ৰী:ত অসমৰ স্বাস্থ্যমন্ত্ৰী ডাঃ কমলা কলিতাই চিকিৎসালয়খনি উদ্বোধন কৰে। দুজন চিকিৎসক, দুগৰাকী পৰিচাৰিকা, ফাৰ্মাচিষ্ট, চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী, নাও চলোৱা আৰু মেৰামতি কৰা কৰ্মচাৰী, এজন অভিযন্তা ইত্যাদিৰে মাহিলি প্ৰায় আঢ়ৈ লাখ টকা খৰচৰ বিনিময়ত চৰকাৰে ঠিকেই জন-সেৱাৰ ব্যৱস্থা কৰিছিল; কিন্তু এই খৰচৰ বিনিময়ত জনসাধাৰণে আদায় কৰা সেৱাৰ পৰিমাণো বহুলাংশে নগণ্য আছিল।

নাওখনত ইঞ্জিন নথকাটো ওপঙা হস্পিটেলখনৰ প্ৰধান আঁসোৱাহ বুলিব পাৰি। কিয়নো, নাওখন জৰুৰী সময়ত যথাস্থানলৈ দ্ৰুতভাৱে নিয়াটো সম্ভৱ নহৈছিল। তদুপৰি, নাওখন গধুৰ হোৱাৰ বাবে (কম পানী থকা ঠাইত) স্থলভাগৰ কাষলৈ নিব পৰা নগৈছিল। আটাইতকৈ ডাঙৰ অসুবিধাটো আছিল— যিখন মেচিনযুক্ত নাৱেৰে সৈতে ওপঙা হস্পিটেলখন (নাওখন) লক্ষ্যস্থানলৈ নিয়া হৈছিল

সেইসময়ৰ বাবে যথেষ্ট পৰিমাণে ইন্ধনৰ প্ৰয়োজন হৈছিল। সেয়ে ইন্ধনৰ বাবে যথেষ্ট টকা-পইচাৰ প্ৰয়োজন হয়; ফলত সময়ত ইন্ধনৰ বাবে অনুদান নোপোৱাত হস্পিটেলখন বিকল হৈ পৰে। এনেবোৰ অসুবিধাৰ বাবে যি উদ্দেশ্য আৰু লক্ষ্যৰে ওপঙা হস্পিটেল প্ৰৱৰ্তন কৰিছিল, সেয়া সফল নহ'ল বুলিব পাৰি।

এনে ভালেমান ত্ৰুটি-বিচ্যুতিৰ বাবে স্বাস্থ্য বিভাগ, প্ৰশাসন তথা জনসাধাৰণে এই চিকিৎসালয়খনিৰ ঠাইত এখন ইঞ্জিনযুক্ত পৰিবহণ নাও বিচাৰে, য'ত ক্ষিপ্ৰ গতিৰে ৰোগী এজন মাজুলীৰ পৰা যোৰহাট আদিলৈ নি – দিন হওক, ৰাতি হওক, বাৰিষা হওক, শীতকালি হওক; চিকিৎসা কৰাবলৈ পাৰে। তদুপৰি মাজুলীলৈ যোৰহাটৰ মুখ্য কাৰ্যালয়ৰ পৰা ঔষধ-পাতি আনিবলৈ, বিভিন্ন স্বাস্থ্য-আঁচনিসমূহ চৰ-চাপৰি আদিত ৰূপায়িত কৰিবলৈ স্বাস্থ্য বিভাগক এখন নিজাববীয়া পৰিবহণ নাৱৰ অত্যন্ত প্ৰয়োজন।

### মাজুলীৰ অনুন্নত স্বাস্থ্য-সেৱাৰ কাৰণ

বিজ্ঞানৰ অগ্ৰগতিৰ লগে লগে মাজুলীৰ জনসাধাৰণো সময়ৰ লগত ফেৰমাৰি আগবাঢ়িবলৈ সক্ষম হৈছে; কিন্তু এই প্ৰায় এটা শতিকাত অন্য ঠাইৰ তুলনাত মাজুলীৰ চিকিৎসা তথা স্বাস্থ্য-সেৱা ব্যৱস্থাটো যিমান আগবাঢ়িব লাগিছিল সিমান আগবাঢ়িব পৰা নাই বুলি ক'ব পাৰি। বিভিন্ন দৃষ্টিকোণৰ পৰা চালে ইয়াৰ কাৰণসমূহ এনেধৰণৰ বুলি ঠাৱৰ কৰিব পাৰি—

১) চিকিৎসালয়সমূহৰ আচবাব, বিজুলী, পানী-যোগান ব্যৱস্থা, বিছনা-পত্ৰ, আৱাসগৃহ, চিকিৎসালয়-কক্ষ আদিৰ বিশেষ কোনো মেৰামতি আজি বহু বছৰধৰি পৰিলক্ষিত হোৱা নাই; যদিওবা কেতিয়াবা মেৰামতিৰ আদেশ আৰু পুঁজিৰ অনুমোদনৰ কথা গম পোৱা যায়, শেষত দুচপৰামান ইটা-বালিৰেই ইয়াক সামৰা হয়। বিজুলী ব্যৱস্থাৰ পৰিদৰ্শন আৰু জোখ-মাপ আদি কমলাবাৰী গ্ৰাম্য চিকিৎসালয়খনিত যোৱা তিনিবছৰে মেৰামতিৰ বাবে কৰিয়ে থকা দেখা গ'ল; কিন্তু নিতৌ চিকিৎসক-কৰ্মচাৰী তথা ভৰ্তি হৈ থকা ৰোগীৰ অভিভাৱকে গাঁঠিৰ ধন খৰচ কৰি কোনোৰকমে দুই-এটা বাল্ব জ্বলাব পৰা কৰি ৰাখিছে।

২) চিকিৎসালয়লৈ ৰোগীক আনি চিকিৎসা কৰোৱাতকৈ চিকিৎসালয়ৰ পৰা ডাক্তৰ মাতি আনি ঘৰতে চিকিৎসা কৰোৱাৰ প্ৰৱণতা অধিক; ফলত ৰোগীয়ে নিয়মীয়াকৈ ঔষধ সেৱন কৰাৰ কথা পাহৰি পেলায় বা সঠিক সময়ত চিকিৎসা গ্ৰহণৰ পৰা বঞ্চিত হ'ব লগা হয়।

৩) যাতায়াত, আৱাসগৃহ আদিৰ অসুচল ব্যৱস্থাৰ বাবে নগৰৰ বা বাহিৰৰ চিকিৎসকে মাজুলীলৈ আহিবলৈ মন নকৰে। উদাহৰণ স্বৰূপে আঁহতগুৰি ডিছপেন্সেৰীয়ে চিকিৎসকৰ মুখ নেদেখাকৈয়ে ব্ৰহ্মপুত্ৰৰ বুকুত বিলীন হৈ গ'ল। এজন প্ৰসূতি আৰু স্ত্ৰীৰোগ বিশেষজ্ঞ নাইবা শল্য চিকিৎসাৰ বিশেষজ্ঞক মাজুলীৰ কোনোবা এটা স্বাস্থ্য কেন্দ্ৰত নিযুক্তি দিলেই আপত্তি আহিব— চিকিৎসালয়ত শল্য চিকিৎসাৰ উপযুক্ত পৰিৱেশ, পৰীক্ষাগাৰ, ব্লাড-বেংক, অক্সিজেন, সংজ্ঞা-নাশক বা জটিল প্ৰসূতিৰ বাবে ছিজাৰিয়ানৰ সু-ব্যৱস্থা নথকাৰ বাবে তেওঁ সু-চিকিৎসা কেনেকৈ আগবঢ়াব ? কাজেই তেওঁ নগৰৰ সা-সুবিধাযুক্ত চিকিৎসালয় কিম্বা নাৰ্ছিংহ'মলৈ ঢাপলি মেলে ।

৪) আজি গাঁৱে-ভূঞে স্বয়ম্ভু চিকিৎসকৰ সংখ্যা বাঢ়িছে। মাজুলীও ইয়াৰ ব্যতিক্ৰম নহয়। মানুহে অকণমান কষ্ট স্বীকাৰ কৰি ৰোগীক চিকিৎসালয়লৈ আনিবলৈ টান পাই ওচৰৰে গাঁৱে-ভূঞে বেজী দি ফুৰা ব্যক্তিজনক, কম্পাউণ্ডাৰজনক, ভেক্সিনেটৰ, চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী, ধাইগৰাকীক মাতি আনি চিকিৎসা কৰায়। তেওঁলোকেও প্ৰাথমিক পৰামৰ্শ প্ৰদানৰ পৰিবৰ্তে দামী দামী ঔষধ-চেলাইনৰ প্ৰেছক্ৰিপশ্যন লিখি দিয়ে; গএগাইও তেখেতকে অভিজ্ঞ চিকিৎসক বুলি দেৱতাজ্ঞান কৰি সময়, পৰিমাণ, ৰোগৰ লক্ষণ আদিৰ প্ৰতি একো লক্ষ্য নাৰাখি, পাৰ্যমানে দামী ঔষধেৰে চিকিৎসা কৰায়। কেতিয়াবা ৰোগী আৰোগ্য হয়; কিন্তু সৰহভাগেই মুমূৰ্ষু অৱস্থাত চিকিৎসালয়লৈ আহিব লগা হয়। "ষ্টেথ'স্ক'প" ব্যৱহাৰ কৰা এইসকল 'চিকিৎসকে' বুকুৰ স্পন্দন কি বুজি পাই ক'ব নোৱাৰোঁ; কিন্তু জটিল প্ৰসৱ কাৰ্য সমাধা কৰিবলৈ, গৰ্ভপাত আদি কৰিবলৈকো কিঞ্চিত দ্বিধাবোধ নকৰি আগবাঢ়ি আছে। জনসাধাৰণ তথা সেই 'চিকিৎসক'সকলে এনে কাৰ্যৰ পথ উদ্ভৱ হ'ব পৰা গুৰুতৰ পৰিস্থিতি সম্পৰ্কে অনুধাৱন কৰি চোৱা উচিত।

৫) বিভিন্ন স্বাস্থ্য আঁচনিসমূহ ৰূপায়ণ কৰিবলৈ যাওঁতে তাৰ বিপক্ষে প্ৰচাৰ কৰি স্বাস্থ্যকৰ্মীক বাধা দিয়াৰ দৰে কাৰ্য মাজুলীত আজিও

আছে। বিৰূপ মন্তব্য কৰাসকলৰ ভিতৰত শিক্ষিতলোকো আছে। "পালচ্ পলিঅ' খুৱাই শিশুবোৰক হত্যা কৰি দেশৰ বৰ্দ্ধিত জনসংখ্যা হ্ৰাস কৰিবলৈ চৰকাৰে এই ব্যৱস্থা গ্ৰহণ কৰিছে" বুলি অপপ্ৰচাৰ কৰা শিক্ষকৰ উদাহৰণো নথকা নহয়; ই আজিৰ সমাজৰ বাবে অতি দুৰ্ভাগ্যজনক। বৰ্তমান মানুহে নিজৰ দোষ-ত্ৰুটিক প্ৰথমতে তন্ন-তন্নকৈ পৰীক্ষা কৰি চোৱাৰ সময়। প্ৰতিষেধক ঔষধ ব্যৱহাৰ নকৰা পৰিয়াল (Resistant Family) আজিও মাজুলীত বহুত ওলাব।

৬) বিভিন্ন আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত স্বাস্থ্য কৰ্মীসকলক যিবোৰ প্ৰশিক্ষণ দিয়া হয়, সি সম্পূৰ্ণ ত্ৰুটিমুক্ত নহয়। আকৌ, ধাই প্ৰশিক্ষণ,অন্যান্য স্বেচ্ছাসেৱকসকলৰ প্ৰশিক্ষণ আদিত একাধিক মানুহে কিবা এটা জানিম-শিকিম বুলি ভাবি অহাতকৈ পইচা কেইটামান পাম বুলি ভাবিহে আহে। এনে হ'লে প্ৰশিক্ষণটোৰ সাৰ্থকতা নাথাকে। তদুপৰি, ওপৰ মহলাৰ পৰা কৰ্মচাৰীসকলৰ কাম-কাজৰ নিয়মীয়া পৰিদৰ্শন, পৰামৰ্শ আদিৰ অভাৱ পৰিলক্ষিত হয়। সেয়ে তলতীয়া কৰ্মচাৰীয়ে নকৰিলেও কৰিছোঁ বুলি ক'লে, জনসাধাৰণ প্ৰকৃত সেৱাৰ পৰা বঞ্চিত হোৱাতো স্বাভাৱিক।

৭) কমলাবাৰী গ্ৰাম্য চিকিৎসালয়ত বৰ্তমান দুখন এম্বুলেন্স, পি. এইচ. চি.ত দুখন জীপ গাড়ী অচলাৱস্থাত আছে। ১৯৯৬ খ্ৰী:ত ডাঃ কমলা কলিতা স্বাস্থ্যমন্ত্ৰী থাকোঁতে 'অসম আঞ্চলিক প্ৰকল্প(নৱম)'ৰ তৰফৰ পৰা দ্বিতীয়খন এম্বুলেন্স দিছিল; চাৰিবছৰৰ মূৰত বেটেৰী আৰু ব্ৰেকৰ কাৰণেই ই অচল হৈ আছে, মেৰামতিৰ বাবে টকা-পইচা অনুমোদন নাই। এনেকৈ, স্বাস্থ্য কেন্দ্ৰবোৰত থকা আচবাব আদিও মেৰামতিৰ অভাৱত পচি যাবলৈ ধৰাত স্বাস্থ্য ব্যৱস্থাটোৰ উত্তৰণত ব্যাঘাত জন্মিছে।

৮) অন্যান্য কৰ্মচাৰীৰ লগতে স্বাস্থ্য কৰ্মচাৰী-বিষয়াসকলৰ বেতনৰ অনিয়মিত ব্যৱস্থাইও উৎকৃষ্ট জনসেৱাত বাধা কঢ়িয়াই আনে। বাজেট, ৰিটেনশ্যান, ৰিজাৰ্ভ বেংকৰ বিত্তীয় নিষেধাজ্ঞাৰ অজুহাতত স্বাস্থ্য-কৰ্মচাৰীসকলেও যোৱা পাঁচ বছৰমান মাহিলী বেতন নিয়মীয়াকৈ নোপোৱাত বাধগ্ৰস্ত হৈছে বুলি আপত্তি আছে।

৯) স্বাস্থ্য ব্যৱস্থাটোৰ অনগ্ৰসৰতাৰ আটাইতকৈ ডাঙৰ আৰু প্ৰধান কাৰণটো হ'ল— নদী-দ্বীপটোত হোৱা উপৰ্যুপৰি প্ৰাকৃতিক দুৰ্যোগ। ১৯৫০ খ্ৰী:ৰ বৰ-ভূঁইকঁপৰ পৰা ১৯৯৮ চনৰ ভৰি থ'বলৈ মাটি নোহোৱা বানপানীলৈকে মাজুলীবাসীয়ে বাৰম্বাৰ প্ৰাকৃতিক দুৰ্যোগত নিজৰ স্থিৰতা হেৰুওৱাৰ উপক্ৰম হৈছে। বানপানী আৰু গৰাখহনীয়াত প্ৰত্যেক বছৰতে খাদ্য, ঘৰ-বাৰী, জীৱ-জন্তু, অৰ্থ-সম্পত্তি হেৰুৱাই একাংশ লোকে চিকিৎসা-সেৱাৰ কথা পাহৰি পেলায়। দুৰ্যোগৰ পিছত মহামাৰীত যেতিয়া একে ঘৰৰে চাৰি-পাঁচটিকৈ প্ৰাণী মৃত্যুমুখত পৰে, তেতিয়াহে জনসাধাৰণৰ চেতনা আহে। বান-গৰাখহনীয়াৰ ফলত এক কিল'মিটাৰ ৰাস্তাৰ দুই-তিনি ঠাইত ছিগি যোৱা বাবে দৈনন্দিন কাম-কাজ, হাত-বজাৰ, অফিচ-কাছাৰী আদিৰ লগতে চিকিৎসা গ্ৰহণৰ বাবেও মানুহৰ যোগাযোগ বিচ্ছিন্ন হৈ যায়। এই অৱস্থাৰ পুনৰাবৃত্তি ঘটিয়ে থাকে। সেয়ে ভাব হয়, মাজুলীৰ ভূখণ্ডক বিজ্ঞানসন্মতভাৱে ব্ৰহ্মপুত্ৰৰ বান আৰু গৰাখহনীয়াৰ পৰা স্থায়ী সুৰক্ষা দিব পাৰিলে আন সকলো দিশৰ লগতে স্বাস্থ্যসেৱা দিশটোৰো উন্নতি হ'ব আৰু জনসাধাৰণে অসুখ-বিসুখত যোৰহাটলৈ নোযোৱাকৈয়ে অত্যাধুনিক চিকিৎসাসেৱা গ্ৰহণ কৰিব পাৰিব। গড়মূৰত এশখন বিছনাযুক্ত অসামৰিক চিকিৎসালয়খনৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হোৱাৰ পথত। নদী-দ্বীপটোক ভৌগোলিক সুৰক্ষা প্ৰদান কৰি দেশৰ নামজ্বলা চিকিৎসকসকলৰ সৈতে অত্যাধুনিক সা-সুবিধাৰে চিকিৎসালয়খন মুকলি হওক, মাজুলী-লখিমপুৰ, মাজুলী-যোৰহাটৰ যাতায়াত ব্যৱস্থা উন্নত কৰি দিবলৈ সক্ষম হ'লেহে মাজুলীত চিকিৎসা ব্যৱস্থালৈ স্থিৰতা আহিব আৰু তেতিয়াহে যিকোনো চিকিৎসকে মাজুলীত চিকিৎসাসেৱা আগবঢ়াবলৈ আন্তৰিকতাৰে আগবাঢ়ি আহিব।

(সিপিঠিত ১নং তালিকা চাওক)

---

**উৎস :** কমলাবাৰী প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ তথা বনগাঁও ৰাজ্যিক চিকিৎসালয়ৰ কিছু তথ্য-পাতি; সমাজকৰ্মী, প্ৰবীণ মুক্তিযুঁজাৰু বিষ্টুৰাম বৰুৱাদেৱৰ পৌৰোহিত্যত তথা সভাপতিত্বত কাৰ্যকৰী হৈ গঢ় লোৱা 'কমলাবাৰী হেল্থ ইউনিট'ৰ কাৰ্যকৰী সভাৰ প্ৰতিবেদন; ৰেডক্ৰচ হস্পিটেলৰ সম্পাদক মুক্তীধৰ বৰঠাকুৰদেৱৰ পৰা পোৱা তথ্য-পাতি; বৰ্তমান অৱসৰপ্ৰাপ্ত, তেতিয়াৰ স্বাস্থ্যকৰ্মী তথা স্বাস্থ্যসেৱা বিভাগত হোৱা ঘাত-প্ৰতিঘাতৰ প্ৰত্যক্ষদৰ্শী প্ৰৌঢ়সকলৰ পৰা কিছু তথ্য সংগ্ৰহ কৰা হৈছে।

তালিকা — ১

## মাজুলীৰ বৰ্তমান চিকিৎসা আৰু স্বাস্থ্য কেন্দ্ৰসমূহ

1. ১) প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ (কমলাবাৰী)
   - ক) জেংৰাইমুখ মিনি পি. এইচ. চি.
   - খ) কৰতিপাৰ মিনি পি. এইচ. চি.
   - গ) ৰতনপুৰ মিৰি নয়াবজাৰ মিনি পি. এইচ. চি.
   - ঘ) ৰতনপুৰ লাহন মিনি পি. এইচ. চি.
2. ২) ডিছ্‌পেন্সেৰী
   - ক) বনগাঁও ৰাজ্যিক চিকিৎসালয়
   - (খ) বৰগুৰি ৰাজ্যিক চিকিৎসালয়
   - গ) আঁহতগুৰি ৰাজ্যিক চিকিৎসালয়
3. ৩) ৩০খন বিছনাযুক্ত গ্ৰাম্য চিকিৎসালয় (কমলাবাৰী)
4. ৪) ১০০খন বিছনাযুক্ত অসামৰিক চিকিৎসালয় (গড়মূৰ : নিৰ্মীয়মান)
5. ৫) ৰেডক্ৰছ হস্পিটেল (গড়মূৰ)
6. ৬) ওপঙা হস্পিটেল

## কমলাবাৰী পি. এইচ. চি.ৰ অন্তৰ্গত স্বাস্থ্য উপ-কেন্দ্ৰসমূহ

উজনি গেজেৰা, বনৰীয়া চাপৰি, কুঁহিয়াৰ বাৰী, ভকতিদুৱাৰ, শ্ৰীৰাম চাপৰি (বৰ্তমান নাই)☆, মাজ দেউৰী, ফুলনি, জেংৰাইমুখ বালিচাপৰি, নামকলিয়া/জকাইবোৱা, ৰতনপুৰ লাহন, ন-পমুৱা, শালমৰা, ৰাওনাপাৰ, পতিয়াচুমৈমাৰী, উৰিয়ামপাৰা, লাইমনিকা, হাজৰিকা চুক, ম'হখুঁটি মিচিং, আউনীআটী সত্ৰ, বোকোৰা, পদুমৰা কৈৱৰ্ত, বালিচাপৰি, চিলা কলা☆, মলাপিন্ধা কদৈগুৰি☆, বাঘগাঁও (আঁহতগুৰি), চেৰপাইখোৱা (মিছামৰা)☆, শিকলি চাপৰি, মধ্য আঁহতগুৰি (বৰ্তমান নাই)☆, ধোদাং চাপৰি☆, নতুন বেচামৰা (এতিয়া বন্ধ, তাত এঘৰ মানুহ বহিল)☆, ফুৰফুৰীয়া চাপৰি☆, নয়াবজাৰ, ম'হখুটি মিচিং নং-১ (নিৰ্মীয়মান)☆।

☆ *এই চাব-চেণ্টাৰসমূহ বৰ্তমান অচলাৱস্থাত আছে। মাজে-সময়ে নাৰ্চে পৈ প্ৰতিষেধক দিয়া হয়।*

# দ্বিতীয় খণ্ড

## প্ৰদূষণমুক্ত মাজুলী আৰু পৰিৱেশ

বৰলুইতৰ বুকুৰ মাজুলী কেৱল শুৱনি তথা সাংস্কৃতিকভাৱে এখন ঐতিহ্যমণ্ডিত ঠায়েই নহয়, ই আজিৰ সময় আৰু পৰিস্থিতিতো প্ৰদূষণমুক্ত এক অঞ্চল হিচাপেও স্বীকৃত। মাজুলীৰ পৰিবেশ বুলিলে সাধাৰণতে বিশ্বায়নৰ পৰিবেশ বিষয়টোৰ এক অংশবিশেষ বুলি ভবা হয়। পৰিবেশ শব্দটোৱে ভিন্ ভিন্ ক্ষেত্ৰত ভিন্ ভিন্ অৰ্থ প্ৰকাশ কৰাৰ লগতে নানা পৰিস্থিতিৰ বিভিন্ন স্তৰত ইয়াক বহুলভাৱে আলোচনা কৰা হয়; কিন্তু সেয়া হ'লেও পৰিবেশ বুলিলে ঘাইকৈ প্ৰাকৃতিক পৰিবেশকে বুজোৱা হয়, য'ত জীৱৰ চৌপাশৰ বাসোপযোগী অৱস্থা বিৰাজ কৰে অথবা পৰিবেশ বুলি জীৱকুলৰ চাৰিওফালে থকা প্ৰাকৃতিক আৰু অপ্ৰাকৃতিক উপাদানসমূহৰ সমষ্টিকে বুজায়। সন্তুলিত পৰিবেশৰ ওপৰতে মানুহ আৰু সমস্ত জীৱ বৈচিত্ৰ্যৰে ভৰপূৰ বিনন্দীয়া ধৰণীৰ অস্তিত্ব নিৰ্ভৰ কৰি আহিছে। এটা গুৰুত্বপূৰ্ণ ভূ-প্ৰাকৃতিক গোট হিচাপে মাজুলী প্ৰাকৃতিক আৰু অপ্ৰাকৃতিক বা সামাজিক পৰিবেশৰ এখন অতি উপযোগী কঠীয়াতলি হিচাপে পৰিগণিত হৈ আছে। মাজুলীৰ পৰিবেশৰ বিষয়টো এটা গভীৰ আৰু বিস্তৃত বিষয়, যাৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী। উদ্যোগ, কল-কাৰখানাবিহীন অঞ্চল হিচাপে মাজুলী আজিকোপতি প্ৰায় প্ৰদূষণমুক্ত হৈ আছে। অৱশ্যে আগৰ তুলনাত যান-বাহনৰ পৰিমাণ বৃদ্ধি হৈছে যদিও মাটিকালিৰ তুলনাত ইয়াৰ প্ৰভাৱ যথেষ্ট কম; কিন্তু মানুহৰ ভিন্ ভিন্ কাৰ্য, অবিৰতভাৱে হৈ থকা গৰাখহনীয়া আৰু প্ৰলয়ংকৰী বানপানীয়ে ইয়াৰ পৰিবেশৰ হীন-ডেঢ়ি ঘটাইছে। স্মৰণযোগ্য যে মাজুলীত ৰাসায়নিক সাৰ, কীটনাশক দ্ৰব্য আদিৰ ব্যৱহাৰ অতি সীমিত হোৱাটোৱেও বহুলাংশে প্ৰদূষণ ৰোধত সহায় কৰি আছে। মাজুলীৰ পৰিবেশক সাধাৰণতে দুটা ভাগত বিভক্ত কৰিব পাৰি— ১। প্ৰাকৃতিক পৰিবেশ আৰু ২। অ-প্ৰাকৃতিক বা সামাজিক পৰিবেশ। এই অঞ্চলটোৰ প্ৰাকৃতিক পৰিবেশ বুলিলে ইয়াৰ ভৌগোলিক অৱস্থান, ভূ-প্ৰকৃতি, জলবায়ু, মাটি, নদ-নদী, উদ্ভিদ বা গছ-গছনি, জীৱ-জন্তু, চৰাই-চিৰিকতি আদিকে বুজায়। আনহাতে ইয়াৰ জনসংখ্যা, জনবসতি, শিক্ষা, জনগোষ্ঠী, ধৰ্ম, প্ৰশাসনীয় ব্যৱস্থা, ব্যৱসায়, সাংস্কৃতিক ব্যৱস্থা আদি উপকৰণসমূহৰ সমষ্টিয়ে অ-প্ৰাকৃতিক বা সামাজিক পৰিবেশ গঢ়ি তুলিছে।

মাজুলীৰ ভৌগোলিক অৱস্থিতিৰ এক বিশেষ বৈশিষ্ট্য আছে। প্ৰায় চাৰিওফালে পানীৰে আগুৰি থকা এই মহদ্ভূমাটো দেশৰ মূল ভূ-খণ্ডৰ পৰা বিচ্ছিন্ন হৈ অকলশৰীয়া অৱস্থানেৰে প্ৰাকৃতিক দুৰ্যোগৰে বৰ্তি আছে। অসমৰ মানচিত্ৰত মাজুলীয়ে এনে অৱস্থিতিৰ পৰিবেশত থকাৰ বাবে প্ৰায় ক্ষেত্ৰতে বিশেষ শ্ৰীবৃদ্ধি কৰিব পৰা নাই; কাৰণ এনে অৱস্থানে যাতায়াত আৰু পৰিবহন ব্যৱস্থাত পোনপটীয়াকৈ বাধা দিয়ে। ফলত আৰ্থ-সামাজিক ক্ষেত্ৰত আগবঢ়া অঞ্চল হিচাপে পৰিগণিত হ'ব পৰা নাই।

মাজুলীৰ পৰ্বত-পাহাৰহীন পৰিবেশীয় ভূ-প্ৰকৃতি বুলিলে সাধাৰণতে ইয়াৰ সমতলভূমি, সক্ৰিয় প্লাৱনভূমি, বালিচৰ, চৰ-চাপৰি আদিকে বুজায়। ইয়াৰ সমতলভূমি বাসোপযোগী আৰু শতকৰা ৮০%ভাগ মানুহে ইয়াত বাস কৰে। মাজুলীৰ চৰ-চাপৰিবোৰেও আৰ্থ-সামাজিক দিশত এক বিশেষ প্ৰভাৱ বিস্তাৰ কৰি আহিছে। ঘাইকৈ এই অঞ্চলবোৰত হোৱা অহকালি আৰু শীতকালি খেতি, দুগ্ধশিল্প, পশুপালন ব্যৱস্থাৰ উপৰিও ইয়াত হোৱা সৰণখেৰ, ঝাওগছ আদিয়ে ঘৰ সজা আৰু খৰিৰ বাবে গ্ৰামাঞ্চলত অশেষ উপকাৰ সাধন কৰিছে।

মাজুলীৰ অন্য এটি উল্লেখনীয় প্ৰাকৃতিক পৰিবেশীয় কাৰক হ'ল জলবায়ু। মাজুলী জলবায়ু হ'ল উপক্ৰান্তীয় মৌচুমী জলবায়ু, যিয়ে অঞ্চলটোৰ বাসিন্দাসকলৰ জীৱন ধাৰণত এক শক্তিশালী ভূমিকাৰে দেখি থকা সকলো ক্ষেত্ৰতে প্ৰভাৱ বিস্তাৰ কৰি আছে। ঘাইকৈ ইয়াৰ কৃষি, ব্যৱসায়, শিক্ষা, যাতায়াত আৰু পৰিবহনৰ দিশত প্ৰভাৱ অপৰিসীম। ইয়াৰ উপৰি সংস্কৃতিৰ দিশতো এই জলবায়ু যথেষ্ট সহায়ক হৈছে। শীতকালি মাজুলীত ইয়াৰ ভূ-ভাগৰ ওপৰত বালি-মাটিৰ পৰিমাণ বেছি হোৱাত ধূলিৰ মাত্ৰা আশা কৰাতকৈ অধিক যদিও অস্থায়ী আৰু বিশেষ অনিষ্টকাৰী নহয়। মাজুলীৰ সত্ৰানুষ্ঠানৰ ওপৰতো জলবায়ুৰ প্ৰভাৱ প্ৰচুৰ। সেইদৰে ইয়াৰ বসতিৰ প্ৰতিৰূপ, খাদ্য, আচৰ-ব্যৱহাৰ, ধৰ্মীয় ব্যৱস্থাতো প্ৰভাৱ বিস্তাৰ কৰা দেখা যায়।

মাজুলীৰ মাটিয়েও অঞ্চলটোৰ লোকসকলৰ জীৱিকা উপাৰ্জনৰ ক্ষেত্ৰত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিছে। ইয়াৰ মাটি প্ৰধানতঃ পলসুৱা আৰু ই তিনি প্ৰকাৰৰ মাটিৰ সংমিশ্ৰণ, যেনে— বালিমাটি, বালিচঁহীয়া

মাটি আৰু বোকামাটি। পৰিবেশীয় অতি লাগতীয়াল উপাদান এই মাটিৰ ওপৰত নিৰ্ভৰ কৰি অঞ্চলৰটোৰ বাসিন্দাই অনেক মৌলিক প্ৰয়োজন পূৰণ কৰে। তদুপৰি প্ৰত্যক্ষভাৱে কৃষিকাৰ্যৰ যোগেদি যথেষ্ট লাভৱান হৈছে। মাজুলীৰ এই মাটি কৃষিৰ বাবে অতি উপযোগী। সময়োপযোগী বতৰ পালে দেশৰ অন্য অঞ্চলে কৃষিত মাজুলীক চেৰ পেলাব নোৱাৰে। সেইদৰে মাজুলীৰ ওপৰত নদ-নদীয়েও সদায় পোনপটিয়াকৈ, প্ৰায় সকলো ক্ষেত্ৰতে প্ৰভাৱ বিস্তাৰ কৰি আহিছে। নদ-নদীক মাজুলীৰ প্ৰাণকেন্দ্ৰ বুলি কোৱা হয়। ঘাইকৈ ব্ৰহ্মপুত্ৰ, সোৱণশিৰি, লোহিত, খেৰকটীয়া, নদী-উপনদীয়েই হ'ল জীৱনৰেখা। এই নৈকেইখনে চিৰদিন দিয়া-নিয়াৰ ব্যৱস্থাৰে মাজুলীক জীপাল কৰি ৰাখিছে। সেয়ে পৰিবেশীয় কাৰক এই নদী-উপনদীবোৰে মাজুলীৰ সৰ্বতো-প্ৰকাৰৰ উন্নয়নৰ ক্ষেত্ৰত আটাইবোৰ উপাদানৰ উৰ্দ্ধত। বন্যা-বিপন্ন অঞ্চলটোত এক বুজন সংখ্যক বিল-খাল, জলাহ-পিতনি আৰু ডুবি বা ডোবাও আছে। এই জলাধাৰবোৰত নানান জলজ সম্পদৰ উপৰিও দেশী-বিদেশী চৰাইৰ একো-একোটা বিৰাট ভঁৰাল গঢ় লৈ উঠিছে। ফলস্বৰূপে এক মনোৰম, নিকা, পৰ্যটন-আকৰ্ষণীয় পৰিবেশ গঢ়ি তোলাত সহায় কৰিছে।

মাজুলী নদী-দ্বীপীয় অঞ্চল হিচাপে ইয়াত উদ্ভিদ, ঘাইকৈ স্থানীয় আৰু প্ৰাকৃতিক দুয়োবিধৰ গছ-গছনি দেখিবলৈ পোৱা যায়। এই গছ-গছনিবোৰে ইয়াৰ মানুহৰ জীৱন-ধাৰণৰ প্ৰণালীত, বিশেষকৈ ঘৰুৱা কাম-কাজ, খৰি, ঘৰ-দুৱাৰ নিৰ্মাণ কাৰ্য, নাওশিল্প, কুটীৰশিল্প, কাঠৰ আচবাব আদি প্ৰস্তুত কৰা শিল্প, ঔষধ-পাতি, খোৱা খাদ্য যুগুত কৰাৰ ক্ষেত্ৰত অশেষ প্ৰভাৱ পেলাইছে। মাজুলীৰ জনসাধাৰণৰ জীৱন-যাত্ৰাত প্ৰভাৱ বিস্তাৰ কৰা আন এটা পৰিবেশীয় উপাদান হ'ল, জীৱ-জন্তু। এই জীৱ-জন্তুৰ ওপৰত ইয়াৰ বাসিন্দাই প্ৰায় ক্ষেত্ৰতে নিৰ্ভৰ কৰিবলগীয়া হয়। অঞ্চলটোৰ মানুহৰ খাদ্য সামগ্ৰী, যেনে— মাছ, মাংস, গাখীৰ, ঘিউ, কণী আদি জীৱ-জন্তুৰ পৰাই আহৰণ কৰা হয়। গৰু, ম'হ, ঘোঁৰা, ছাগলী আদিৰ পৰা অনেক কাম কৰোৱা হয়— বিভিন্ন সামগ্ৰী প্ৰস্তুত কৰা হয়। তেনেকৈ পক্ষী, চৰাই-চিৰিকতিৰ পৰাও অনেক উপকাৰ সাধন হয়।

প্ৰাকৃতিক পৰিবেশৰ দৰে অপ্ৰাকৃতিক বা সামাজিক পৰিবেশৰ উপাদানবোৰেও মাজুলীৰ মানুহৰ জীৱন যাত্ৰাৰ ধৰণ কৰণত বহু পৰিমাণে প্ৰভাৱান্বিত কৰিছে। ইয়াৰ বাসিন্দাসকলৰ কৰ্মধাৰা, জীৱনবোধ আৰু কাৰ্য-কলাপত প্ৰভাৱ বিস্তাৰ কৰি এক সুস্থ পৰিৱেশ গঢ়ি তোলাত সহায়ক হৈছে।

সামাজিক পৰিবেশীয় উপাদান জনসংখ্যা, ইয়াৰ বিতৰণ গাঁথনি আৰু ঘনত্বইও মাজুলীৰ সৰ্বাংগীন বিকাশত এক বিশেষ তাৎপৰ্যৰে প্ৰভাৱ বিস্তাৰ কৰিছে। আয়তন অনুপাতে মাজুলীৰ জনবসতিৰ ঘনত্ব কম। এই জন-সম্পদে অঞ্চলটোৰ সামাজিক, শৈক্ষিক, ধৰ্মীয়, ৰাজনৈতিক আদি ক্ষেত্ৰত প্ৰাকৃতিক বাধাকো নেওচি সদায় উন্নয়নৰ হকে কাম কৰি আহিছে। অৰ্থনৈতিক ক্ষেত্ৰত ইয়াৰ জনসাধাৰণে অহৰহ চেষ্টা চলায় আৰ্থিক সমতা ৰক্ষা কৰাত ব্ৰতী হৈ আছে। ফলত সুস্থ আৰু নতুন সামাজিক পৰিবেশ গঢ়ি উঠাত সহায় হৈছে।

সেইদৰে জনগোষ্ঠীৰ দিশটোও এই অপ্ৰাকৃতিক পৰিবেশীয় ব্যৱস্থাত সাঙোৰ খাই আছে। জনগোষ্ঠীয় দিশৰ পৰা মাজুলী বৃহত্তৰ অসমৰ ক্ষুদ্ৰ সংস্কৰণ। অনুসূচীত জনজাতি আৰু অনুসূচীত জাতিৰ লগতে অন্যান্য মূল সম্প্ৰদায়ভুক্ত বৰ্ণাঢ্য জন-সমষ্টিৰে এক বিচিত্ৰপূৰ্ণ মিলনভূমি এই মাজুলী। শতকৰা ৯০% ভাগ লোক গ্ৰাম্য-বসতিৰে থাকি এক নিকা বাতাবৰণ সৃষ্টি কৰাত সকলো ফালৰ পৰা সহায়ক হৈছে। মাজুলীৰ জনগোষ্ঠীৰ ধৰ্মীয় গাঁথনিও বিশেষ মন কৰিবলগীয়া। হিন্দুধৰ্মৰ লোকেই সমগ্ৰ মাজুলীত প্ৰাধান্য লাভ কৰিছে আৰু সামাজিক, নৈতিক, বৌদ্ধিক আৰু আধ্যাত্মিক বিকাশ সাধন কৰাত যথেষ্ট প্ৰভাৱ পেলাইছে। একশৰণ সনাতন ধৰ্ম আৰু নামঘৰ তথা সত্ৰানুষ্ঠানসমূহৰ ছত্ৰ-ছাঁয়াতে মাজুলীৰ লক্ষ্যাধিক মানুহে ভকতিৰ দোলেৰে বান্ধখাই এক পৰিমাৰ্জিত সামাজিক পৰিবেশ সৃষ্টি কৰিছে।

অন্য এক সামাজিক পৰিবেশীয় কাৰক ব্যৱসায়-বাণিজ্যয়ো মাজুলীৰ আৰ্থ-সামাজিক উন্নয়নত বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। এটা গ্ৰাম্য মহকুমা হিচাপে গ্ৰাম্য অৰ্থনীতিৰে ইয়াৰ জনসাধাৰণে জীৱন নিৰ্বাহ কৰি আহিছে। অৱশ্যে জন-গাঁথনি অনুসৰি ব্যৱসায় বেলেগ বেলেগ। কৃষিয়েই গোটেই অঞ্চলটোৰ মানুহৰ মূল ব্যৱসায় আৰু প্ৰায় ৯০% লোকেই ইয়াত নিয়োজিত। আৰোপৰি চাকৰি, বিভিন্ন প্ৰকাৰৰ

সৰু, মজলীয়া, বৃহৎ ব্যৱসায়; বনুৱা, বাঢ়ৈ, মাছধৰা, পশুপালন, হস্ততাঁত শিল্প, কুটীৰ শিল্প, কাঠ আৰু মাটিৰ ব্যৱসায় অৱলম্বন কৰিও এক সুস্থিৰ সামাজিক পৰিবেশ ৰক্ষাত ব্ৰতী হৈ আছে।

শিক্ষা ব্যৱস্থাইও মাজুলীৰ মানুহৰ জীৱন নিৰ্বাহত পুৰণিকালৰ পৰাই প্ৰায় ক্ষেত্ৰতে অপৰিসীম প্ৰভাৱ বিস্তাৰ কৰি আহিছে। গুৰু শিল্প-উদ্যোগবিহীন মাজুলীত শিক্ষা অনুষ্ঠান-বোৰত শতকৰা ৫০% শতাংশতকৈও অধিক লোক প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে নিয়োগ হৈ আছে। ২০০১ খ্ৰী:ৰ তথ্যমতে মাজুলীৰ সাক্ষৰতাৰ হাৰ হ'ল—৭৭.৯%। মাজুলীৰ মুঠ শিক্ষিত লোকৰ সংখ্যা হ'ল, ১,২১,১৪০জন। ইয়াৰে ৬৮,২০১ জন পুৰুষ আৰু ৫৩,৯৭১ গৰাকী মহিলা। ইয়াত প্ৰাথমিক বিদ্যালয়ৰ পৰা মহাবিদ্যালয়লৈকে এক বুজন সংখ্যক শিক্ষানুষ্ঠানৰ লগতে সংস্কৃত টোল, ইংৰাজী মাধ্যমৰ বিদ্যালয়, হিন্দী বিদ্যালয় আৰু বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰও আছে। সেয়ে শৈক্ষিক পৰিবেশ ইয়াৰ সামগ্ৰিকভাৱে উন্নত আৰু সুস্থিৰ। মাজুলীৰ অন্য এক উল্লেখনীয় সামাজিক পৰিবেশৰ উপাদান হ'ল, প্ৰশাসনীয় ব্যৱস্থা। অসমৰ এটি উল্লেখনীয় মহকুমা মাজুলীক প্ৰশাসনীয় ব্যৱস্থাই ইয়াৰ উন্নতি আৰু বিকাশত ভালেমান আঁচনি গ্ৰহণ কৰি আহিছে। ইয়াৰ মহকুমাধিপতিৰ কাৰ্যালয়, উপপ্ৰতি সমাহৰ্তাৰ কাৰ্যালয়, সহযোগী আৱশ্যকীয় কাৰ্যালয়বোৰ, মহকুমা পৰিষদ, গাঁও পঞ্চায়ত, খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয় আদিৰ ভিন্ ভিন্ কল্যাণমূলক আঁচনিৰ জৰিয়তে অঞ্চলটোৰ সামগ্ৰিক উন্নতিত যথেষ্ট সহায় হৈছে। প্ৰাকৃতিক বাধা থকা সত্বেও প্ৰত্যেকটো বিভাগে কম-বেছি পৰিমাণে নিয়াৰিকৈ কাৰ্য সম্পন্ন কৰা বুলি ক'ব লাগিব।

ইয়াৰ উপৰি মাজুলীৰ সাংস্কৃতিক দিশটোও সামাজিক পৰিবেশৰ অন্য এটা অতি উল্লেখনীয় সবল উপাদান হিচাপে প্ৰভাৱ বিস্তাৰ কৰি আছে। সাংস্কৃতিক দিশত মাজুলীৰ উন্নয়ন লেখত ল'বলগীয়া আৰু সদায় গৌৰৱৰ ধ্বজা উৰুৱাই আহিছে। মাজুলী হ'ল অসমৰ সংস্কৃতিৰ বৰঘৰ, তীৰ্থভূমি আৰু পৰ্যটনৰ আকৰ্ষণীয় থলী। মাজুলীত আধুনিক সাংস্কৃতিক প্ৰৱাহৰ লগতে সত্ৰীয়া-সংস্কৃতি, মিচিং, দেউৰীসকলৰ কৃষ্টিসমূহে প্ৰভূত অৰিহণা যোগাইছে। সেয়ে হয়তো আজি মাজুলীক বিশ্বৰ ঐতিহ্যমণ্ডিত সাংস্কৃতিক কেন্দ্ৰ হিচাপে স্বীকৃতি দিবলৈ অসমৰ চৰকাৰৰ লগতে কেন্দ্ৰীয় চৰকাৰেও অহৰহ প্ৰচেষ্টা চলাই আহিছে।

মাজুলীৰ এই গুৰুত্বপূৰ্ণ পৰিবেশৰ অৱস্থা পূৰ্বৰ তুলনাত বিভি উপাদানৰ ক্ষেত্ৰত ভালেখিনি পৰিৱৰ্তন হোৱা পৰিলক্ষিত হৈছে। ৬ বা ৭০ দশকৰ পৰিবেশীয় মাটিকালিৰ অনুপাতে মানুহৰ সংখ্যা ক যদিও সাধাৰণ গতিত আগতকৈ মানুহ বৃদ্ধি হৈছে আৰু সঘনে হো বানপানী তথা অবিৰতভাৱে হোৱা নৈৰ গৰাখহনীয়াৰ বাবে কৃষি আ বসবাসৰ ভূমি সংকোচন হোৱাত প্ৰাকৃতিক উপাদানবোৰত কেউফাল পৰা হেঁচা পৰিছে। অৰ্থাৎ মানুহৰ কৃতকৰ্ম, প্ৰাকৃতিক দুৰ্যোগ আদিয়ে মাজুলীৰ প্ৰাকৃতিক পৰিবেশ অনেকগুণে হীনডেঢ়ি ঘটাইছে আৰু কিছুমান চিৰদিনৰ বাবে লুপ্ত হ'ল অথবা চিৰদিনৰ বাবে নিঃশেষ হোৱাৰ পথত। ইয়াৰ লগে লগে সমান্তৰালভাৱে সাংস্কৃতিক বা সামাজিক পৰিবেশৰ উপাদানসমূহতো আঘাত হানিছে আৰু বৰ্তমান অনেকগুণে আগৰ সজীৱতাও বহুপৰিমাণে ম্লান হৈছে আৰু ক্ৰমবৰ্দ্ধমান চাহিদা পূৰণৰ বাবে দিনক দিনে জটিলতা বৃদ্ধি পাইছে; কিন্তু এনে অৱস্থা পালেও মাজুলীৰ পৰিবেশ দেশৰ আন আন অঞ্চলৰ তুলনাত বৰ্তমান অনেকগুণে সুস্থ আৰু প্ৰদূষণমুক্ত হৈ আছে। শুদ্ধ, নিকা বায়ু এতিয়াও মাজুলীত সেৱন কৰিব পাৰি। বিশুদ্ধ পানী আৰু প্ৰদূষিত নোহোৱা মাটি এতিয়ালৈকে মাজুলীত প্ৰচুৰ পৰিমাণে আছে। সেইফালৰ পৰা চাবলৈ গ'লে মাজুলীৰ পৰিবেশত প্ৰদূষণ আৰু পৰিবেশৰ অবনতিৰ পৰিমাণ বহু কম।

মাজুলীত প্ৰাকৃতিক পৰিবেশীয় উপাদানসমূহে প্ৰাকৃতিক ঐতিহ্য সৃষ্টি কৰিছে আৰু এই প্ৰাকৃতিক ঐতিহ্যৰ কোলাতে শক্তিশালী সাংস্কৃতিক ঐতিহ্যই জন্মলাভ কৰি বিশ্বত সুনাম বুটলিছে। প্ৰাকৃতিক দুৰ্যোগৰ ফলত প্ৰাকৃতিক পৰিবেশীয় উপাদানবোৰ নাইকিয়া হ'লে মানৱসৃষ্ট সামাজিক পৰিবেশৰ উপাদানবোৰো নোহোৱা হ'ব, ঐতিহ্য ম্লান হ'ব, সংস্কৃতিৰ বিলুপ্তি ঘটিব।

মাজুলীত প্ৰাকৃতিকভাৱে হোৱা ভূমি অৱক্ষয় ৰোধ, জীৱ-বৈচিত্ৰ সংৰক্ষণ আৰু তিনিওটা অপৰিহাৰ্য উপাদান (মাটি, পানী, বায়ু)ৰ প্ৰদূষণ ৰোধ নিতান্তই প্ৰয়োজন। এনে প্ৰচেষ্টাৰ ফলতহে মাজুলীৰ প্ৰদূষণমুক্ত অৱস্থা বৰ্তি থাকিব।

## মাজুলী মহকুমাৰ সংক্ষিপ্ত তথ্যৰাজি

**(অন্যান্য অধ্যায়ত অন্তৰ্ভুক্ত নোহোৱা কেইটামান তথ্য)**

| | | |
|---|---|---|
| সদৰ ঠাই | — | গড়মূৰ। |
| ৰাজহ চক্ৰ | — | মাজুলী, কমলাবাৰী। |
| মৌজা | — | ৩টা; ক) শালমৰা, খ) কমলাবাৰী, গ) আঁহতগুৰি। |
| কেডেষ্টেল গাঁও | — | ২১০ খন। |
| নন-কেডেষ্টেল গাঁও | — | ৩৩ খন। |
| চৰ-চাপৰি | — | ২২টা (ইতিমধ্যে ১৮টা চৰ-চাপৰি স্থায়ী হিচাপে মাজুলী ৰাজহ চক্ৰৰ নথিভুক্ত)। |
| জনসংখ্যা | — | (২০০১ খ্ৰী:ৰ তথ্য অনুসৰি)<br>মুঠ — ১,৫৩,৩৬২ জন।<br>পুৰুষ — ৭৯,৪৯০।<br>মহিলা— ৭৩,৮৭২। |

### মাজুলীৰ প্ৰধান ঠাইসমূহ :

গড়মূৰ, কমলাবাৰী, আউনীআটী, বেঙেনাআটী, দক্ষিণপাট, ৰাৱণাপাৰ, জেংৰাইমুখ, বনগাঁও, শালমৰা, আঁহতগুৰি, ৰতনপুৰ, ৰঙাচাহী, বৰগুৰি, নয়াবজাৰ, কৰতিপাৰ, ভকতিদুৱাৰ, ফুলনি, সোণোৱাল কছাৰী, বালি চাপৰি, কমলাবাৰী ঘাট।

### প্ৰধান আলিবাটসমূহ :

১) কমলাবাৰী-গড়মূৰ (লোহিত ঘাট হৈ) উত্তৰ লখিমপুৰ পথ
২) কমলাবাৰীৰ পৰা কমলাবাৰী ফেৰী-ঘাটলৈ
৩) কমলাবাৰীৰ পৰা বনগাঁও হৈ শালমৰা আৰু দক্ষিণপাটলৈ
৪) কমলাবাৰীৰ পৰা জেংৰাইমুখ নয়াবজাৰ হৈ দক্ষিণপাটলৈ
৫) কমলাবাৰীৰ পৰা বনগাঁও হৈ দক্ষিণপাটলৈ
৬) কমলাবাৰীৰ পৰা গড়মূৰ হৈ বালিচাপৰি কৰতিপাৰলৈ
৭) কমলাবাৰীৰ পৰা আউনীআটী সত্ৰলৈ
৮) কমলাবাৰীৰ পৰা জেংৰাইমুখ খেৰকটীয়া বান্ধ হৈ ঢকুৱাখনা লখিমপুৰ পথ।

## মাজুলী মহকুমাৰ কাৰ্যালয়সমূহ

মাজুলীৰ 'প্ৰশাসনিক আৰু ৰাজনৈতিক দৃশ্যপট' শিতানত মাজুলী মহকুমাৰ কাৰ্যালয়, খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয় আদি কেইটামান কাৰ্যালয়ৰ নাম উল্লেখ কৰা হৈছে। ইয়াৰ উপৰিও মাজুলীস্থিত উল্লেখযোগ্য কাৰ্যালয়সমূহ হ'ল : সমন্বিত জনজাতি উন্নয়ন প্ৰকল্প সঞ্চালকৰ কাৰ্যালয়, মহকুমা জনসংযোগ, কোষাগাৰ, যোগান বিভাগৰ সহ: সঞ্চালকৰ কাৰ্যালয়, মহকুমা পুথিভঁৰাল, সামাজিক বনানিকৰণ, সমবায় সমিতিৰ সহকাৰী পঞ্জীয়কৰ কাৰ্যালয়, মহকুমা কৃষি-বিষয়াৰ কাৰ্যালয়, সহকাৰী কাৰ্যবাহী অভিযন্তা (পথ সংমণ্ডল), সহকাৰী কাৰ্যবাহী অভিযন্তা (গড়কাপ্টানী, গৃহ), উদ্যোগ অধীক্ষকৰ কাৰ্যালয়, কাৰ্যবাহী অভিযন্তা (ই. এণ্ড. ডি.), সহকাৰী নিয়োগ বিষয়াৰ কাৰ্যালয়, মহকুমা ন্যায়িক দণ্ডাধীশৰ আদালত, পৰিসংখ্যা বিষয়াৰ কাৰ্যালয়, চৰ-উন্নয়ন প্ৰকল্প, সংমণ্ডল বিষয়াৰ কাৰ্যালয়, অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ (গড়মূৰ), শ্ৰম-বিষয়াৰ কাৰ্যালয়, নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়, আবকাৰী সহকাৰী পৰিদৰ্শকৰ কাৰ্যালয়, গৃহ-নিৰ্মাণ, চক্ৰ বিষয়াৰ কাৰ্যালয়, মহকুমা চিকিৎসা বিষয়াৰ কাৰ্যালয়, বিদ্যালয়ৰ উপ-পৰিদৰ্শকৰ কাৰ্যালয়, খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়, মহকুমা আৰক্ষী বিষয়া, ৰেচম অধীক্ষকৰ কাৰ্যালয়, মীন বিভাগ, মহকুমা পশু চিকিৎসা বিষয়াৰ কাৰ্যালয়, জনস্বাস্থ্য কাৰিকৰী সংমণ্ডল বিষয়াৰ কাৰ্যালয়, জলসিঞ্চন (সংমণ্ডল বিষয়া), প্ৰাপ্তবয়স্ক শিক্ষা প্ৰকল্প, শিশু উন্নয়ন প্ৰকল্প বিষয়াৰ কাৰ্যালয়, ক্ষুদ্ৰ জলসিঞ্চন, হস্ততাঁত আৰু বস্ত্ৰ অধীক্ষকৰ কাৰ্যালয়, মহকুমা পৰিষদ, বজাৰ সমিতি, ভূমি সংৰক্ষণ, বীজ নিগম, ষ্টেটফেড আদি।

### বেংকৰ শাখা

মাজুলী মহকুমাত কমলাবাৰীত ইউনাইটেড বেংক অৱ ইণ্ডিয়া, শিৱসাগৰ ক'-অপাৰেটিভ বেংক, জেংৰাইমুখত ইউনাইটেড কমাৰ্চিয়েল বেংক, বনগাঁৱত ইউনাইটেড বেংক অৱ ইণ্ডিয়া; গড়মূৰ আৰু নয়াবজাৰত লখিমী গাঁৱলীয়া বেংকৰ শাখা আছে।

### বিদ্যুৎ যোগান ব্যৱস্থা

মাজুলীলৈ লখিমপুৰৰ পৰা খাবলু নদীৰ ওপৰত নিৰ্মিত টাৱাৰ লাইনৰ যোগেদি বিদ্যুৎ যোগান ধৰা হয়। ১৯৭৫ খ্ৰী:ৰ পৰা আৰম্ভ

হোৱা বিদ্যুৎ যোগান আঁচনিৰ অধীনত মাজুলীত ২০০১ খ্রী: পৰ্যন্ত ১১৬খন গাঁৱত বিদ্যুৎ সংযোগ দিয়া হৈছে। প্ৰাপ্ত তথ্য অনুসৰি উল্লিখিত সময়লৈকে দিনে ১ মেগাৱাট শক্তিৰ বিদ্যুৎ যোগান ধৰি থকা হৈছে।

## নিয়োগ বিনিময় কেন্দ্ৰ

২০০১ খ্রী: পৰ্যন্ত মাজুলী নিয়োগ বিনিময় কেন্দ্ৰত পঞ্জীয়নভুক্ত নিবনুৱাৰ সংখ্যা তলত দিয়া ধৰণৰ—

**হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা :**

**পুৰুষ—১১৯৩; মহিলা— ১৫৬৪**

**উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হোৱা :**

পুৰুষ — ৫৫২; মহিলা — ৭০৪

**স্নাতক পৰীক্ষাত উত্তীৰ্ণ হোৱা :**

পুৰুষ (কলা)— ৪৩০; (বিজ্ঞান)— ৮৫ (বাণিজ্য)— নাই।

**কাৰিকৰী শিক্ষা সমাপ্ত কৰা (পুৰুষ-মহিলা) : মুঠ — ২৫।**

**জে. ই. চি. (পুৰুষ-মহিলা) : মুঠ — ১৫।**

## গাঁও পঞ্চায়ত

মাজুলীত মুঠ গাঁও পঞ্চায়তৰ সংখ্যা — ২০

গাঁও পঞ্চায়ত সমবায় সমিতিৰ সংখ্যা — ২

**আঞ্চলিক পঞ্চায়তৰ সংখ্যা** — ২

**খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ৰ সংখ্যা** — ২, ক) উজনি মাজুলী উন্নয়ন খণ্ড, জেংৰাইমুখ আৰু খ) নামনি মাজুলী উন্নয়ন খণ্ড, কমলাবাৰী।

## আৰক্ষী থানা

**মাজুলীত আৰক্ষী থানাৰ সংখ্যা — ৩, ক) মাজুলী, কমলাবাৰী** খ) জেংৰাইমুখ আৰু গ) গড়মূৰ আৰক্ষী থানা।

**আউটপোষ্ট** — ১ (বনগাঁও)।

**পেৰল পোষ্ট** — ২, ক) নয়া বজাৰ আৰু খ) আঁহতগুৰি।

## মাজুলীৰ পঞ্জীয়নভুক্ত মীন-মহল সমবায় সমিতিসমূহ (কাৰ্যক্ষম অৱস্থাত থকা)

১। ১৮ নং শুকানসুঁতি মীন-মহল সমবায় সমিতি, ৰাঙলীবাহাৰ।
২। দক্ষিণপাট বৰবিল মাছ-মহল সমবায় সমিতি।
৩। বেঙেনাআটী মাছ-মহল সমবায় সমিতি।
৪। ২৯ নং দৰিয়াডুবি মীন-মহল সমবায় সমিতি।
৫। চিলাকলা হুৰহুয়া মাছ-মহল সমবায় সমিতি।
৬। ১৫ নং খাৰজান মীন-মহল সমবায় সমিতি।
৭। ১৭ নং লুহিত এৰাসুঁতি মাছ-মহল সমবায় সমিতি।
৮। ২৮ নং ভেৰেকী মাছ-মহল সমবায় সমিতি।
৯। কমলাবাৰী লাখেৰাজ মীন-মহল সমবায় সমিতি।
১০। ভুৰামৰা মীন-মহল সমবায় সমিতি।
১১। ব্ৰহ্মপুত্ৰ ২য় খণ্ড মীন-মহল সমবায় সমিতি।
১২। ঢেকিয়াজুলি মীন-মহল সমবায় সমিতি।
১৩। কঠালগুৰি মীন-মহল সমবায় সমিতি।
১৪। কাকৰিকটা মীন-মহল সমবায় সমিতি।
১৫। জাহ্নবী মৎস্যজীৱী সমবায় সমিতি।
১৬। পকাজৰা মীন-মহল সমবায় সমিতি।

## টেলিফোন সেৱা

১৯৯২ খ্রী:ৰ পৰা মাজুলীত টেলিফোন সেৱা আৰম্ভ হয়। গড়মূৰ, কমলাবাৰী, ফুলনি, জেংৰাইমুখ, গুৱাল গাঁও আৰু বনগাঁৱত থকা টেলিফোন কেন্দ্ৰ (মিনি)ৰ যোগেদি ২০০১ খ্রী: পৰ্যন্ত প্ৰায় ৬০০ টেলিফোনৰ সংযোগ দিয়া হৈছে।

## শিশু-উন্নয়ন প্ৰকল্প

১—৬ বছৰৰ শিশুসকলৰ শাৰীৰিক, মানসিক আৰু শৈক্ষিক দিশত উন্নয়নৰ বাবে মাজুলীত (কমলাবাৰীত থকা শিশু-উন্নয়ন প্ৰকল্প কাৰ্যালয়ৰ তথ্য অনুসৰি) মুঠ ২৭৫টা অংগনবাদী কেন্দ্ৰ আছে।

## মাজুলী মহকুমা পুথিভঁৰাল

১৯৯৭ খ্রী:ত মাজুলী মহকুমা পুথিভঁৰালটো স্থাপন কৰা হয়। ২০০১ খ্রী: পৰ্যন্ত পুথিভঁৰালটোত ১৬,০৮৩খন বিভিন্নধৰ্মী পুথি আছে। ইয়াৰ ভিতৰত অসমীয়া পুথিৰ সংখ্যা— ১২,২৬২, ইংৰাজী-— ১৮৭৩, বাংলা— ১৪৯১ আৰু হিন্দী— ৪৫৭খন। উল্লিখিত পুথিসমূহৰ ভিতৰত বুৰঞ্জীমূলক, সাহিত্য-সংস্কৃতিমূলক, গল্প-উপন্যাস, ধৰ্মীয় আৰু অন্যান্য বিষয়ৰ পুথি পোৱা যায়।


এটা বিজ্ঞানসন্মত আৰু বানপানী হোৱাৰ লগে লগে পানীত ডুব

যাব নোৱৰাকৈ এটা ওখ ভেঁটিৰ ঘৰ নথকাৰ ফলত প্ৰায় প্ৰতি বছৰে বান-প্ৰপীড়িত মাজুলীৰ এই মহকুমা পুথিভঁৰালটোৰ বহু মূল্যৱান গ্ৰন্থ ইতিমধ্যে নষ্ট হৈছে।

## মাজুলী সাংস্কৃতিক কেন্দ্ৰ

অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ অধীনত ১৯৮৫ খ্ৰী:ত মাজুলী মহকুমা তথা যোৰহাট জিলাৰ সাংস্কৃতিক বিভাগ হিচাপে কমলাবাৰীত 'মাজুলী সাংস্কৃতিক কেন্দ্ৰ' প্ৰতিষ্ঠা কৰা হয়। প্ৰতিষ্ঠাৰ পিছৰে পৰা এজন ভাৰপ্ৰাপ্ত বিষয়াৰ তত্বাৱধানত এই কেন্দ্ৰৰ জৰিয়তে মাজুলী তথা সামগ্ৰিকভাৱে যোৰহাট জিলাৰ চলিত কলা-সংস্কৃতিসমূহৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। বিভিন্ন শিল্পীক প্ৰশিক্ষণ দি সফলতা অৰ্জন কৰিব পৰা কাৰ্যসূচী অব্যাহত আছে।

প্ৰশিক্ষণ আঁচনিৰ অধীনত শংকৰী-সত্ৰীয়া কৃষ্টিৰ বৰগীত, অংকৰ গীত, ওজাপালি, মাটি আখৰা, ঝুমুৰ নৃত্য, ছালি নৃত্য, নাদুভংগী নৃত্য, কৃষ্ণ নৃত্য, সূত্ৰধাৰী নৃত্য আৰু সকলো অংকীয়া ভাওনা; মিচিং কৃষ্টি, দেউৰী কৃষ্টি, বিহুনৃত্য, লোকগীত, বিষ্ণুৰাভা গীত, জ্যোতি সংগীত আদি। প্ৰণিধানযোগ্য যে, এনে প্ৰশিক্ষণৰ যোগে বিভিন্ন জাতি-জনজাতিৰ মাজত সমন্বয় সাধন কৰা হৈছে। এই প্ৰশিক্ষণ আঁচনি মাজুলীৰ মূল ভূখণ্ড আৰু চৰ-চাপৰিৰ উপৰিও টীয়ক, তিতাবৰ, গোলাঘাট, দেৰগাঁও, যোৰহাট, বোকাখাত, লখিমপুৰ আদিৰ বিভিন্ন স্থানত এশৰো অধিক প্ৰশিক্ষণ শিৱিৰ সংলগ্ন কৰা হৈছে। ইতিমধ্যে এহেজাৰৰ অধিক এনে প্ৰশিক্ষণপ্ৰাপ্ত শিল্পীক প্ৰতিষ্ঠা কৰা হৈছে। ভৱিষ্যতে মাজুলীত উল্লিখিত আঁচনিৰ উপৰিও এটা সাংস্কৃতিক সংগ্ৰহালয়ৰ ব্যৱস্থা কৰিলে ইয়াৰ সত্ৰসমূহৰ লগতে জনগোষ্ঠীসমূহৰ মাজত থকা আপুৰুগীয়া সম্পদ (কৃষ্টি-সংস্কৃতিৰ লগত জড়িত) সংগ্ৰহ আৰু সংৰক্ষণত সহায়ক হ'ব বুলি আশা কৰিব পাৰি।



## মাজুলীৰ পক্ষী

মাজুলীখন পক্ষীৰ স্বৰ্গ বুলি ক'লেও বোধকৰো অধিক কোৱা নহ'ব। খাল-বিল, নৈ-ডোবাৰ লগতে ইয়াৰ বিস্তৃত বনভূমি পক্ষীৰ বাবে নিৰাপদ আশ্ৰয়স্থল। অতীজতে অসমৰ আন ঠাইসমূহৰ দৰে মাজুলীতো বিভিন্ন পক্ষীৰ প্ৰাচুৰ্য বিৰাজমান আছিল। কৃষিভূমিৰ প্ৰসাৰণ, নগৰাঞ্চলৰ বৰ্দ্ধন, চাহ বাগানৰ আগ্ৰাসী ভূমিকাই যেনেদৰে অসমৰ আন ঠাইসমূহৰ পক্ষীকুল ধ্বংস কৰিলে, মাজুলীতো ধ্বংস হ'ল যদিও ইয়াৰ অস্তিত্ব চকুত পৰা বিধৰ হৈয়ে আছে। সাধাৰণ প্ৰশাসন আৰু আৰক্ষী প্ৰশাসন আন ঠাইসমূহৰ তুলনাত ইয়াত এই ক্ষেত্ৰত অধিক সক্ৰিয় হোৱাত পৰিবেশ কৰ্মীসকলে উৎসাহবোধ কৰিছে। উমাল মৰমত ব্যাপক পক্ষীৰ কলনী গঢ়ি উঠিছে। গায়নগাঁও, লাওভগা পথাৰ, আলিছিগা, ভকতি, চৰাইচোং, পোহাৰদিয়াত শ শ কাউৰী, বগলী, পানী-কাউৰীৰ সমাহাৰ দেখিলে বিস্ময়ত হতবাক হ'ব লগা হয়। নামকাটনী গাঁৱত গঢ়ি উঠিছে বিশাল শামুকভঙাৰ কলনী। বাহ সজা বা পোৱালি উৰুৱাবলৈ এই সময়ছোৱাত গোটেই অঞ্চলটোৱেই পক্ষীসমূহৰ কলৰৱে টৌৱাই থাকে।

এই শিতানত Checklist of Birds of Majuli, Sub-Directory যুগুতোৱা হৈছে। ইয়াত আৰু বহুতো পক্ষীৰ ক্ৰম সন্নিবিষ্ট হ'ব। চিনাক্তকৰণৰ বিভিন্ন অসুবিধা-বশতঃ সকলো পক্ষীৰ নাম সন্নিবিষ্ট কৰা হোৱা নাই। ভৱিষ্যতে নিশ্চয় এই তালিকা দীঘলীয়া হ'ব।

**ত অন্তৰ্ভুক্ত পক্ষীৰ বিৱৰণ :**

**১। Little Grab :** ইয়াৰ অসমীয়া নাম জনা হোৱা নাই। প্ৰধান বিলসমূহৰ লগতে ৰাস্তাৰ কাষৰ ডাঙৰ ডোবাবোৰত এই পক্ষী দেখা যায়। আকাৰত তেনেই সৰু (প্ৰায় ২৩ ছে: মি:), যোৰ হিচাপে পানীত চৰি ফুৰে। তুপুংকৈ বুৰ মাৰি পানীৰ তলেদি বহুদূৰ যাব পাৰে। পোৱালিক টোপ খুউওৱা দৃশ্য অতি মনোৰম। সাধাৰণতে নৱেম্বৰ মাহত পোৱালিবোৰ ডাঙৰ হৈ মাক-বাপেকৰ লগতে একেলগে সাঁতুৰি খেলি ফুৰে।

**২। ধেৰা (Spotted Billed Pelican) :** আজি প্ৰায় ৩০ বছৰ আগলৈকে ই মাজুলীৰ স্থানীয় পক্ষী আছিল। চিকাৰীৰ অত্যাচাৰৰ ফলতেই ই মাজুলীত বাহ সাজিবলৈ এৰিলে। শীতকালৰ লগে লগেই বিলসমূহত আৰু ব্ৰহ্মপুত্ৰত দেখা যায়। জাক পাতি ঠোঁটেৰে মাছ ধৰাৰ দৃশ্য সঁচাই চাবলগীয়া। স্থানীয়ভাৱে প্ৰব্ৰজনকাৰী (কাজিৰঙাৰ পৰা অহা বুলি অনুমান কৰা হৈছে) ইহঁতক সাধাৰণতে দেখা পোৱা বিলবোৰ হ'ল— চাকুলি, ভেৰেকী, কাকৰিকটা, ঢেৱাপৰা বিল, দুৰৰিতলি, মাগুৰমাৰী, ভকতি আদি।

**৩। দৰিকলা (Large Cormorant) :** শীতকালৰ লগে লগে (নৱেম্বৰ-ডিচেম্বৰ মাহত) সাধাৰণতে ব্ৰহ্মপুত্ৰ নদীত দেখা পোৱা যায়। পুৱাৰ কুঁৱলিৰ উলাহতে দীঘলীয়া শাৰী পাতি খাদ্যৰ অন্বেষণত ওলায় যায়। ব্ৰহ্মপুত্ৰৰ চৰসমূহৰ পানী-জুঁৱলিৰ কাষত কেতিয়াবা থুপখাই বহি থাকে। মাজে মাজে ওখ গছবোৰত জিৰণি লয়। নৱেম্বৰৰ পৰা মাৰ্চ মাহলৈ মাজুলীত ইয়াক দেখা পোৱা যায়। দেখা পোৱা উল্লেখযোগ্য স্থান — ব্ৰহ্মপুত্ৰ নদী আৰু ভকতি বিল।

**৪। পানী-কাউৰী (Little Cormorant) :** নিমাখিত এই পক্ষী দিনটো নিজৰ কামতে ব্যস্ত। বুৰ মাৰি মাছ ধৰা, পাখি শুকুওৱা দৃশ্য চাবলগীয়া। য'ত মাছ অধিক তাত একেলগে শ শ হিচাপত দেখা যায়। কেতিয়াবা এটাই আনটোৰ মুখৰ পৰা খাদ্য কাঢ়ি খায়। ইহঁতৰ প্ৰধান খাদ্য মাছ।

দেখা পোৱা স্থান : প্ৰায় সকলোবোৰ বিল, ডোবা, নদ-নদী। তাৰোপৰি গায়নগাঁও, লাওভগা পথাৰ (বনগাঁৱৰ পূব দিশত), পোহাৰদিয়া গাঁও, আলিছিগা (কমলাবাৰী), নামকাটনী গাঁও (কমলাবাৰী), বেবেজীয়া (কৰতিপাৰ), ভকতি আদিত ইহঁতৰ বৃহৎ কলনী আছে।

**৫। মণিয়ৰী (Darkter Heron) :** পানী-কাউৰীতকৈ ডাঙৰ, ডিঙি দীঘল এই পক্ষীৰ প্ৰাচুৰ্য মাজুলীত অধিক নহয়। শীতকালত শামুকভঙা কলনীৰ কাষত অথবা পানী-কাউৰীৰ কলনীত কম সংখ্যক এই পক্ষী দেখা যায়।

দেখা পোৱা স্থান : নামকাটনী, দক্ষিণপাট, গায়নগাঁও, ভকতি।

**৬। বগী আজান (Grey Heron) :** প্ৰায় ৯৭ ছে: মি: দীঘল এই আজানবিধ দেখিবলৈ বৰ ধুনীয়া। মূৰত এডাল টিকনি থাকে। কেতিয়াবা শীতকালত মুকলি ধান চপোৱা পথাৰত দেখা যায়। কোন কোন বিলত থাকে ই নিৰ্দিষ্ট নহয়। সংখ্যাত তাকৰ।

৭। আজান (Purple Heron) : বিলবোৰত দূৰৈৰ পৰা ইয়াৰ অস্তিত্ব অনুমান কৰিব পৰা ডিঙি দীঘল আজান মাজুলীৰ প্ৰায়বোৰ বিলতে দেখা যায়। নীৰৱতা প্ৰিয় এই পক্ষীয়ে মানুহ ওচৰলৈ যোৱা গম পালেই লাহে লাহে কেক্ কেক্ শব্দ কৰি আঁতৰি যায়। দুৱৰিতলি, বিলত ইয়াৰ আধিক্য বেছি।

৮। কণামুছৰি (Pond Heron) : সকলোৰে চিনাকি এই পক্ষী মাজুলীৰ সৰ্বত্ৰ বিৰাজমান।

৯। ইটাগুৰীয়া (Chesnut Bittern) : মানুহ দেখিলেই অলপ দূৰ দৌৰ মাৰি উৰি আঁতৰি যোৱা, কণামুছৰিতকৈ অলপ ডাঙৰ এই ইটাগুৰীয়া সংখ্যাত বেছি নহয়। সাধাৰণতে ৰাস্তাৰ কাষৰ ডোবাবোৰত ভালকৈ মন কৰিলে ইয়াক দেখা পোৱা যায়।

১০। গো-বগ (Cattle-Egret) : সকলোৰে চিনাকি এই গো-বগ মাজুলীৰ সৰ্বত্ৰ বিৰাজমান। মাজুলীৰ কৃষি-পথাৰত হালবাওঁতে খেতিয়কৰ পাছে পাছে ইহঁত ঘূৰি ফুৰা দেখা যায়।

১১। বৰ-বগ (Great-Egret) : গো-বগতকৈ যথেষ্ট ডাঙৰ এই পক্ষী ডাঙৰ বিল, ডোবা, ব্ৰহ্মপুত্ৰত দেখা যায়। বাৰিষা চৰসমূহত ইহঁতৰ আধিক্য বেছি দেখা যায়।

১২। বগলী (Little-Egret) : সৰ্বত্ৰ বিৰাজমান এই পক্ষীৰ মৎস্য চিকাৰ বৰ ভাল লগা। বিশেষকৈ মুকলি খাল-বিলবোৰত (শীতকালি যেতিয়া পানী একেবাৰে কমি যায়) ভৰিৰে উমান কৰি কৰি মাছ ধৰা দৃশ্য মনোমোহা। বেলি ডুবু ডুবু পৰত ইহঁত বাহলৈ অহা দৃশ্যই সপোনপুৰী ৰচনা কৰে। প্ৰায় ইংৰাজী আখৰৰ আকৃতিত, মাজে মাজে অৰ্ধচন্দ্ৰাকৃতি হৈ একো-একোটা জাক নিৰলে বাহলৈ উভটি আহে।

১৩। শামুকভঙা (Open-Bill Stork) : তেনেই নিৰ্জু প্ৰকৃতিৰ এই পক্ষী মাজুলীৰ প্ৰায় সৰ্বত্ৰ বিৰাজমান। নামকাটনী গাঁৱত থকা ইয়াৰ কলনী চাবলগীয়া। বাহ সজাৰ পৰা পোৱালি জগোৱালৈ এই দৃশ্য অতি মনোৰম। জুলাই/আগষ্ট মাহৰ পৰা বাহ সজা আৰম্ভ কৰি নৱেম্বৰ-ডিচেম্বৰত পোৱালি উকৱায়। পোৱালিবোৰ উৰিব পৰাৰ পিছত ইহঁত বাহবোৰৰ পৰা আঁতৰি যায়।

শামুকভঙাৰ কলনী : নামকাটনী গাঁও, কমলাবাৰী।

১৪। ওৱাক-চৰাই (Black-Crowned Night Heron) : সাধাৰণতে গধূলি পৰত উৰি যাওঁতে ই মাতি যোৱা মাতৰ পৰাই ইয়াৰ অস্তিত্ব গম পোৱা যায়।

১৫। কনুৱা (White-Necked Stork) : বগা ডিঙিৰ এই পক্ষীবিধ তেনেই নিৰ্জু প্ৰকৃতিৰ। পোক, কেচু, বেং, মাছ আদিয়েই ইয়াৰ মুখ্য খাদ্য। একেলগে ২৪টালৈকে দেখা গৈছিল (১৯৯৫ খ্ৰী:ত)। খৰালি বিলৰ কাষত আৰু বাৰিষা পথাৰবোৰৰ মাজত দেখা যায়। পানী বাঢ়ি অহাৰ লগে লগে পথাৰবোৰৰ কাষত সহজতে গোট খাইছি।

সাধাৰণতে দেখাপোৱা অঞ্চল : গুৱালগাঁও, আউনীআটী, চাকুলি, ভেৰেকী, দুৱৰিতলি, ভকতি, ৰাঙলীবাহাৰ দলনি।

১৬। হাড়গিলা (Greater Adjutant Stork) : এই পক্ষী বৰ্তমান মাজুলীত দুষ্প্ৰাপ্য বুলি ক'ব পৰা যায়। গড়মূৰ বৰসত্ৰত ১৯৯৭ খ্ৰী:ৰ ডিচেম্বৰ মাহত পোৱালিসহ এটা বাহ দেখা গৈছিল। বৰ্তমান ছেগা-চোৰোকাকৈ দুই-এটা এনে পক্ষী দেখা গৈছে।

১৭। বৰটোকোলা (Lesser Adjutant Stork) : সমগ্ৰ মাজুলীতে ইয়াক দেখা যায়। খাদ্যক্ষেত্ৰ বিঘ্নিত হোৱা বাবে অদূৰ ভৱিষ্যতে ইয়ো নিঃশেষ হোৱাৰ আশংকা আছে।

১৮। ৰাজহংস (Greylag Goose) : মধ্য আৰু পশ্চিম এচিয়াৰ বাসিন্দা (Birds of Assam, p no -124) এই পক্ষী শীতকালত অক্টোবৰ-নৱেম্বৰ মাহত মাজুলীলৈ আহে। মাৰ্চ-এপ্ৰিল মাহলৈকে দেখা যায়। মাজুলীত এই পক্ষীৰ আধিক্য ক্ৰমান্বয়ে বাঢ়ি গৈছে। অক্টোবৰ-নৱেম্বৰ মাহত প্ৰথমে কমলাবাৰীৰ নিচেই ওচৰৰ চাকুলি, ভেৰেকী বিলত দেখা যায়। জলজ তৃণ, দুৱৰি, শেলুক, চেচোঁৰ আদি ইয়াৰ প্ৰিয় খাদ্য। ঘেহুৰ গজালি, আহুধানৰ গজালিও ইয়াৰ প্ৰিয় খাদ্য। আহুধানৰ তলিসমূহত ইহঁত গৰু-ছাগলী চৰাদি চৰি ফুৰা দৃশ্য অতি মনোমোহা। ইহঁতৰ কলৰৱে আকাশ-বতাহ মুখৰিত কৰি এক সপোনপুৰী ৰচনা কৰে।

মাৰ্চ-এপ্ৰিল মাহত ব্ৰহ্মপুত্ৰৰ ঘূলিসমূহত ইহঁতে খেলি ফুৰে। তেতিয়াই চোৰাং চিকাৰীয়ে পানীৰ ঘূলিবোৰত মাৰাত্মক কীট-নাশক দৰৱ দি ইহঁতক নিৰ্মমভাৱে হত্যা কৰে। সেয়ে (বিশেষকৈ মাৰ্চ-এপ্ৰিল মাহত) বন বিভাগে ব্যাপক অনুসন্ধান তথা তৎপৰতা গ্ৰহণ কৰা আৱশ্যক।

চৰণ-ক্ষেত্ৰ : চাকুলি, ভেৰেকী, বাঘেমাৰী, দুৱৰিতলি, মাগুৰমাৰী; বিভিন্ন পথাৰ অঞ্চল আৰু ব্ৰহ্মপুত্ৰ, ৰাঙলীবাহাৰ দলনি।

**১৯। ধৃৎৰাজ (Barheaded Goose) :** প্ৰায়ে চাকৈ-চকোৱাৰ লগত দেখা যায়।

**২০। শৰালি**
**২১। বৰ-শৰালি** } ছেপ্টেম্বৰ মাহৰ পৰাই মাজুলীৰ আকাশত পোৱালিৰে সৈতে জাক পাতি শুকুলা কহুৱা ফুলৰ দলিচাৰ ওপৰত উৰি ফুৰা দেখা যায়। এনে সময়ত জোনাক ৰাতিও ইহঁতৰ চিঁ-চিঁয়নিয়ে উদং আকাশৰ বুকু ভৰাই তোলে। বিল, বাওধানৰ পথাৰ, ডাঙৰ ডোবাৰ মেটেকানি-নলনিৰ মাজত ইহঁতে কণী পাৰে। একোবাহত ১০।১৫টা লৈকে পোৱালি থাকে।

আহিন-কাতি মাহৰ অন্ধকাৰ নিশাবোৰ ইহঁতৰ বাবে দুৰ্যোগৰ দিন। এনে নিশাবোৰত বিলবোৰত ব্যাপক হাৰত শাৰালি নিধন কৰা হয়। অসম বিজ্ঞান সমিতিৰ নেৰা-নেপেৰো প্ৰচেষ্টাত বৰ্তমান এনে গৰ্হিত কাৰ্য নোহোৱা হৈছে। সমূলঞ্চে এনে কাৰ্য নিঃশেষ কৰিবৰ বাবে চৰকাৰী প্ৰশাসনে কঠোৰ পদক্ষেপ লোৱাটো বাঞ্ছনীয়।

**২২। চাকৈ-চকোৱা (Brahminy Duck) :** কিছুলোকে চাকৈ-চকোৱাক ৰামকং বুলিও কয়। প্ৰায় অক্টোবৰ মাহৰ প্ৰথম ভাগতে চাকৈ-চকোৱাই মাজুলী অঞ্চলত ভুমুকি মাৰেহি। উৰি যাওঁতে কেতিয়াবা যথেষ্ট চিঞৰ-বাখৰ কৰি যায়। ইহঁতক মাৰ্চ-এপ্ৰিললৈকে ব্ৰহ্মপুত্ৰৰ চৰবিলাকত দেখা যায়। চাকৈ-চকোৱাবোৰে কণী পাৰিবৰ বাবে লাডাখ, তিব্বত আৰু নেপাললৈ যায়গৈ (Book of Indian Birds. p. 85)। বিচৰণ স্থান : সমগ্ৰ মাজুলী। সহজতে ইহঁতক লক্ষ্য কৰিব পৰা স্থান-– চাকুলি, ভেৰেকী, কাকৰিকটা, খৰখৰি বিল আৰু ইয়াৰ কাষৰ পথাৰ অঞ্চল; ভকতি, দুৱৰিতলি, মাগুৰমাৰী, ৰাওলীবাহাৰ দলনি, ব্ৰহ্মপুত্ৰ নদ ইত্যাদি। আহুখেতিৰ দিনত আহুতলিৰ মাজে মাজে দেখা যায়। ই তৃণাহাৰী।

সন্ধ্যা সময়ত ব্ৰহ্মপুত্ৰৰ ঘূলিবোৰত আশ্ৰয় ল'বলৈ যোৱা দৃশ্য চাবলগীয়া। ওপৰৰ পৰা হঠাতে দ্ৰুতবেগে তললৈ ই নাচি-বাগি নামি যায়। এই সময়ত পাখিৰ শব্দই চৌপাশ ৰজন-জনাই যায়।

চোৰাং চিকাৰীয়ে একোখন বৃহৎ জাল পাতি ব্ৰহ্মপুত্ৰত ধৰে বুলি শেহতীয়াকৈ গম পোৱা হৈছে।

**২৩। আমৰলীয়া পাতি হাঁহ (Mallard) :** শীতকালৰ আলহী এই পক্ষী প্ৰায় অক্টোবৰ-নৱেম্বৰ মাহত দেখা যায়। আন হাঁহৰ দৰে ইয়াক মাৰ্চ-এপ্ৰিললৈ মাজুলীত দেখা যায়। কণী পৰা ঠাই— কাশ্মীৰ।

**২৪। ঘিলা হাঁহ (Cotton Teal) :** স্থানীয় পক্ষী এই বেগী হাঁহবিধে গছৰ খোৰোঙত বাহ সাজে। বাৰিষা যোৰ হিচাপে চৰি ফুৰা দেখা যায়।

**২৫। দীঘলনেজী হাঁহ (Pintail) :** পাতি হাঁহৰ সমান ডাঙৰ এই পক্ষী আমৰলীয়া পাতি হাঁহৰ লগতে একে সময়তে দেখা যায়। ইহঁতে বাহ সাজি কণী পৰা অঞ্চল হ'ল— ইউৰোপ, উত্তৰ আৰু মধ্য এচিয়া। প্ৰায় মাৰ্চ-এপ্ৰিল মাহৰ পৰা ইয়াক মাজুলীত দেখা পোৱা নাযায়।

**২৬। বনৰীয়া পাতি হাঁহ (Spotbill Duck) :** হাজাৰ হাজাৰ পাতি হাঁহ অক্টোবৰ-নৱেম্বৰ মাহৰ পৰা মাজুলীৰ বিলবোৰত দেখা পোৱা যায়। হাজাৰ হাজাৰ পাতি হাঁহ ভেৰেকী আৰু চাকুলি বিলত পৰা দৃশ্যই স্বৰ্গীয় অনুভূতি আনি দিয়ে। আকাশ আৱৰি অতি বেগী এই হাঁহবিধে পানীলৈ নামি অহাৰ দৃশ্য এবাৰ চোৱাৰ পাছত যিকোনো মানুহেই এনে দৃশ্য পুনৰবাৰ চাবৰ বাবে ব্যাকুল হৈ পৰিব।

ব্যাপক হাৰত দেখাপোৱা অঞ্চলবোৰ হ'ল— চাকুলি, কাকৰিকটা, ভেৰেকী, মাগুৰমাৰী, খৰখৰী, বাঘেমাৰী, নলনি, ভকতি, ৰাওলীবাহাৰ দলনি আৰু ব্ৰহ্মপুত্ৰ।

**২৭। ৰঙামূৰীয়া হাঁহ (Red Crested Pochard) :** শীতৰ আলহী এই পক্ষী সংখ্যাত তাকৰ। বনৰীয়া পাতি হাঁহবোৰৰ লগত একেলগে দেখা যায়।

**২৮। চিলনী, ২৯। ক'লা চিলনী, ৩০। ৰঙা চিলনী, ৩১। কুকুৰা, ৩২। উকঁহ**— মাজুলীত এই পক্ষীসমূহ সংখ্যাত কমি যোৱা দেখা গৈছে।

**৩৩। পাতি শগুন (White Backed Vulture) :** প্ৰকৃতিৰ জামাদাৰ এই পক্ষী মাজুলীত ব্যাপকহাৰত কমি গৈছে।

**৩৪। হুঁয়কলি (Swamp Patridge) :** এই পক্ষী মাজুলীৰ যোগীগাঁও, কমলনিবাৰী আৰু মেৰাগড়ৰ নলনিসমূহত পোৱা যায়।

**৩৫। ফাটি কুকুৰা (Crow-Pheasant) :** আজলী ইটাগুৰীয়া ৰঙা ৰঙৰ পক্ষী প্ৰায় সৰ্বত্ৰ বিৰাজমান যদিও সংখ্যা দ্ৰুতহাৰত কমি গৈছে। বাসস্থানৰ সংকট আৰু সহজতে বাটলুগুটিৰেই হত্যা কৰিব পৰাটোৱেই ই কমি যোৱাৰ মূল কাৰণ।

**৩৬। বন-কুকুৰা (Red Jungle Fowl) :** মাজুলীৰ পূব আৰু উজনি অঞ্চলতহে বন-কুকুৰা দেখিবলৈ পোৱা যায়। বিশেষকৈ

কমাৰগাঁও, ৰাৱণাপাৰ, মেখেলি গাঁও, বনগাঁও, যোগীগাঁও, কলনিবাৰী, মেৰাগড়, নিকিনিখোৱা, অভয়পুৰ আৰু গায়নগাঁও। খৰালি হোৱাৰ লগে লগে জাক জাক বন-কুকুৰা বাৰীবোৰৰ কাষৰ মুকলি পথাৰলৈ ওলাই আহে।

**৩৭। কমন ক্ৰেন (Common Crane) :** সুদূৰ চাইবেৰিয়াৰ পৰা শ শ কিলোমিটাৰ অতিক্ৰম কৰি অহা প্ৰকাণ্ড, দীঘল ডিঙিৰ এই পক্ষীবিধ ডিচেম্বৰ-জানুৱাৰী মাহত চাপৰি অঞ্চলত উপস্থিত হয়। ক্ৰমান্বয়ে ইয়াৰ সংখ্যা বিগত বছৰবোৰত বাঢ়িছে। চৰণীয়া গৰু-পালৰ মাজত ই চৰি ফুৰে। ঠোঁটেৰে গাঁত খান্দি মাটিত থকা পোক খায়। ঠোঁটেৰে বনৰ জোপাও ই উভালি পেলাব পাৰে। ইহঁতক আমনি কৰিলে একোটা তীব্ৰ শব্দ কৰি আঁতৰি যায়। ইয়াৰ মাত বহুত দূৰৰ পৰা শুনা যায়। কেতিয়াবা বালিচৰবোৰত জঁপিয়াই জঁপিয়াই নৃত্য কৰি উৰি যায়। দৰবাৰ চাপৰিৰ দামোদৰ পায়েঙে ইহঁতক যথেষ্ট ৰক্ষণাবেক্ষণ দিয়ে।

স্থান : ভকত চাপৰি, মাজৰ চাপৰি, দৰবাৰ, কুমলীয়া আদি।

**৩৮। ডাউক (White Breasted Waterhen) :** মাজুলীৰ সৰ্বত্ৰ বিৰাজমান এই পক্ষীৰ সংখ্যা অৱশ্যে হ্ৰাস পাই আহিছে। অঘৰীজাতীয় চোৰাং চিকাৰীয়ে চিটিকা পাতি এই পক্ষী নিধন কৰাটো অতি পৰিতাপৰ কথা হৈছে। পুৱা আৰু গধূলি এনেলোকে বিল-ডোবা, টুনী নৈৰ পাৰৰ জোপাবোৰত চিটিকা পাতি ডাউক চৰাই ধৰে।

**৩৯। কাম চৰাই (Purple Moorhen) :** সেউজবুলীয়া ৰঙা ঠোঁটৰ কাম চৰাইৰ সংখ্যাও হ্ৰাস পাইছে। ঠাই বিশেষে বিলসমূহত অৱশ্যে ব্যাপক হাৰত দেখা যায়। বাওধানৰ গেৰ ফালি ই বাও ধানৰ ব্যাপক ক্ষতি কৰে। মাৰ্চ মাহত পানী কমি যোৱাৰ লগে লগে কমলাবাৰী চাৰিআলিৰ পঞ্চায়ত কাৰ্যালয়ৰ ওচৰৰ গছ-গছনিসমূহত গধূলি হোৱাৰ লগে লগে ব্যাপক হাৰত ওচৰৰ পিটনিত থকা কাম চৰাইবোৰে আশ্ৰয় লয়হি।

**৪০। দলম'ৰা (Pheasant Tailed Jacana) :** জুন-জুলাই মাহত পথাৰবোৰ যেতিয়া পানীৰে উপচি পৰে, তেতিয়া ৰাস্তাৰ পৰাই এই চৰাইবিধ দেখিবলৈ পোৱা যায়। মাতটোৰ পৰাই ইয়াৰ অৱস্থিতি অনুমান কৰিব পাৰি। ভেট আৰু সৰল (নিকৰি) হোৱা অঞ্চলত ই বিচৰণ কৰা বাবে তেনে ঠাইত ইয়াক সহজতে চিনিব পাৰি। ই মাজুলীৰ সৰ্বত্ৰ বিৰাজমান যদিও সংখ্যা কমি আহিছে।

**৪১। দলপুঙা (Bronze Winged Jacana) :** আৰু

**৪২। জিকৰ (Indian Moorhen) :** সৰ্বত্ৰ মাজুলীৰ খাল বিলবোৰত ইহঁতক পোৱা যায়।

**৪৩। বালিঘোঁৰা (Red Wattled Lapuring) :** খেতি-পথাৰ আৰু বিলবোৰত পানী কমি যোৱাৰ লগে লগে সকলোতে এই পক্ষী দেখিবলৈ পোৱা যায়।

**৪৪। গংগাচিলনী (River Turn) :** অক্টোবৰ-নৱেম্বৰ মাহত নৈ-বিলবোৰত পানী কমি যোৱাৰ লগে লগে মাজুলীত গংগাচিলনী দেখিবলৈ পোৱা যায়। গংগাচিলনীয়ে ওপৰৰ পৰা তললৈ চোঁ-মাৰি মাছ ধৰা দৃশ্য অতি মনোৰম।

**৪৫। ৰামপাৰ (Black-Headed Gulh) :** শীতৰ আলহী এই পক্ষী অতি শীত পৰাৰ লগে লগে (ডিচেম্বৰ-জানুৱাৰী) ডাঙৰ বিল আৰু ব্ৰহ্মপুত্ৰত তুলাৰ দৰে ওপঙি থকা দেখা যায়।

বিচৰণ স্থান : চাকুলি, ভেৰেকী, কাকৰিকটা, খৰখৰি, ব্ৰহ্মপুত্ৰ আৰু ভকতি।

**৪৬। হাইঠা (Common Green Pigeon) :** সাধাৰণতে দোক্‌মোকালি সময়ত এই পক্ষীবিধ সকলো ঋতুতে দেখা যায়। বিশেষকৈ আঁহতৰ গুটি, পোৰোজাৰ গুটি ইয়াৰ প্ৰিয় খাদ্য। মানুহৰ বসতি অঞ্চলত পুৱা মানুহৰ সমাগম হোৱাৰ লগে লগে ইহঁত আঁতৰি যায়।

**৪৭। পাতি কপৌ (Spotted Dove), ৪৮। হাকৱা কপৌ (Red Turtle Dove), ৪৯। কপৌ (Ring Dove), ৫০। কপৌ (Little Brown Dove) :** মাজুলীৰ প্ৰায় সৰ্বত্ৰ বিৰাজমান। সংখ্যা ঠাইবিশেষে বৃদ্ধি হৈছে।

**৫১। ভাটৌ (Large Indian Parakeet), ৫২। গলমণিকা (Rose Ringed Parakeet) :** সমগ্ৰ মাজুলীত বিদ্যমান এই পক্ষীয়ে গছৰ খোৰোঙত পোৱালি জগায়। আম, ধান পকিবৰ দিনত বা আগৰা গছৰ গুটি পকিবৰ দিনত, নিম গছৰ গুটি পূৰঠ হোৱাৰ সময়ত জাক জাক ভাটৌ আৰু গলমণিকা দেখা যায়।

**৫৩। ভাটৌ (Indian Lorikeet) :** এই শ্ৰেণীৰ ভাটৌ আঁহতগছ বা কলগছত প্ৰায়ে দেখা যায় যদিও সংখ্যাত তাকৰ। এই পক্ষীয়ে নিশা গছৰ ডালত ওলমি টোপনি যায়।

৫৪। কেতেকী (Common Hawk Cuckoo or Brain Fever Bird) : প্রায় ব'হাগ মাহত দেখা দিয়া এই পক্ষীয়ে দিনত সময়ে সময়ে মাতি থকাৰ উপৰিও গোটেই নিশাটো মাতি থাকে। আহাৰ মাহমানৰ পৰা ইয়াক দেখা নাযায়।

৫৫। কুলি (Koel) : ঢোঁৰা কাউৰীৰ বাহত ডাঙৰ-দীঘল হোৱা এই সুৱদী কণ্ঠী কুলি চ'তৰ পৰা আহিন মাহলৈকে দেখা যায়।

৫৬। দিনকণা (Jungle Nightjar) : নামেই তাৰ চিনাকি। অৱশ্যে দিনত ই চকুৰে দেখা পাইনে নাপায় সঠিক জনা নাযায়। নিশাৰ চিকাৰী এই চৰাইবিধ দিনত তেনেকৈ দেখা নাযায়।

৫৭। বতাহী (House Swift) : সমগ্ৰ মাজুলীত বিদ্যমান।

৫৮। ক'লা-বগা মাছৰোকা (Pied King-Fisher), ৫৯। সৰু নীলা মাছৰোকা (Small Blue King-Fisher), ৬০। বগা বুকুৰ মাছৰোকা (White Breasted King-Fisher) : এই আটাইকেইবিধ মাছৰোকাই সমগ্ৰ মাজুলীত বিদ্যমান। সৰু নীলা মাছৰোকাবিধে ঘৰৰ কাষৰ পুখুৰীৰ থিয় গড়াতো মাটিত খোৰোং কৰি বাহ সাজে। ক'লা-বগা মাছৰোকাই নদীৰ কাষৰ থিয় গড়াত খোৰোং বনাই বাহ সাজে। তেনেই পাতল ক'লা-বগা মাছৰোকাৰ ঠোঁট অতি শক্তিশালী।

৬১। জীয়াখাটী (Chesnut-headed bee eater), ৬২। জীয়াখাটী (Small-green bee eater) : সমগ্ৰ মাজুলীত ইয়াক দেখিবলৈ পোৱা যায়। মানুহৰ সমাগমৰ পৰা অলপ আঁতৰত ৰাস্তাৰ কাষত বহুতো জীয়াখাটী একেলগে দেখা যায়। চাপৰিবোৰতো ইয়াক পোৱা যায়।

৬৩। হেতুলুকা (Small-green Barbet), ৬৪। হেতুলুকা (Blue-throated Barbet), ৬৫। হেতুলুকা (Lineated Barbet) : কলখোৱাত পাকৈত এই পক্ষী মাজুলীৰ সৰ্বত্ৰ বিৰাজমান। ইহঁতে আন আন গছৰ গুটি, যেনে– আঁহত আৰু পোৰোজা গুটি খোৱাও দেখা যায়।

৬৬। হুপু (Hoopoe) : মূৰত সুন্দৰ এখন ফাণেৰে হুপু প্ৰায় সকলো সময়তে মাজুলীত দেখা যায়। চাপৰিসমূহত শীতকালি একোটা জাকৰ সৈতে দেখা যায়।

৬৭। পাকৈটোঁৰা (Indian Pied Hornbill) : স্থানীয় এই পক্ষী প্ৰায় ৩০ বছৰ ধৰি মাজুলীত কোনো অস্তিত্বই নাছিল। ব্যাপক কাঠনি ধ্বংস আৰু অতি সহজতে ইয়াক হত্যা কৰিব পৰা হোৱা বাবে ই মাজুলীত নিৰ্মূল হৈছিল। বন্যপ্ৰাণী সংৰক্ষণ আইনৰ প্ৰথম সূচীৰ অন্তৰ্ভুক্ত এই পক্ষী এহালে ২০০১ চনৰ মাৰ্চ মাহত কমলাবাৰী খনি বিলৰ কাষৰ মজ এজোপাত বাহ লয়। জুন মাহত পোৱালি এহালো ওলায়। গতিকে বৰ্তমান মাত্ৰ চাৰিটা পাকৈটোঁৰা দেখা গৈছে। ইয়াক হত্যা নকৰিলে আৰু উপযুক্ত পৰিৱেশ পালে ইয়াৰ পুনৰ বংশ বৃদ্ধি হোৱাৰ আশা আছে। ইয়াৰ বাবে জনসাধাৰণেই ইয়াক নিৰাপত্তা প্ৰদান কৰিব লাগিব।

৬৮। বাঢ়েটোকা (Black backed Wood Pecker), ৬৯। সোণবাঢ়েটোকা (Lesser golden Wood Pecker) : সমগ্ৰ মাজুলীতে দেখা যায় যদিও লাহে লাহে বাসস্থানৰ অভাৱ হ'ব ধৰিছে।

৭০। ভীমৰাজ (Greater Racket tailed drongo) : ফেচুপক্ষী সদৃশ কিন্তু ফেচুতকৈ আকাৰত ডাঙৰ এই পক্ষী প্ৰথমে নতুন কলমাবাৰী সত্ৰৰ ৰাস্তাৰ কাষত (২৯ অক্টোবৰ/'৯৯ খ্ৰী:) দেখা যায়। পিছফালৰ পৰা দুডাল দীঘল সুকীয়া নেজৰ সৈতে ই নাচি-বাগি বতাহতে পোক ধৰি খায়। মাতটো সুৱলা। সাধাৰণতে বাঁহগছৰ লাহি আগত পৰি থাকে। সম্প্ৰতি এইবিধ চৰাই দৃষ্টিগোচৰ হোৱা নাই।

৭১। ফেচু (Black Drongo or King Crow) : স্থানীয় ক'লা ৰঙৰ এই পক্ষী মাজুলীৰ সৰ্বত্ৰ বিৰাজমান। ই বিভিন্ন সময়ত বিভিন্ন মাত মতা দেখা যায়।

৭২। কাণকুৰিকা (Pied Myna) : দন্দুৰা প্ৰকৃতিৰ জাক জাক কাণকুৰিকা মাজুলীৰ সৰ্বত্ৰ বিৰাজমান। জাকপাতি থকা বাসস্থানত পুৱা-গধূলি ইহঁতৰ কাজিয়া শুনিবলৈ বৰ ভাল।

৭৩। মাটি শালিকা (Bank Myna) : এই শালিকাৰ সংখ্যা কম হ'ব। আন শালিকাবোৰৰ লগত পথাৰত খুব কম পৰিমাণে দেখা গৈছে।

৭৪। কাঠ শালিকা (Grey headed Myna) : সৰ্বত্ৰ বিৰাজমান। শিমলু ফুলাৰ দিনত শিমলু গছত সহজতে চকুত পৰে। ই স্থানীয় পক্ষী।

৭৫। চুটিয়া শালিকা (Jungle Myna) : সহজতে পোহমনা চুটিয়া

শালিকা মাজুলীৰ সৰ্বত্ৰ বিৰাজমান।

৭৬। ঘৰ শালিকা (Common Myna) : সৰ্বত্ৰ বিৰাজমান। শেন, ফেঁচা, সাপ, মেকুৰী আদি দেখিলে ই সহায়ৰ বাবে যথেষ্ট চিঞৰ-বাখৰ কৰে।

৭৭। পাতি কাউৰী (House Crow) : পাতি কাউৰীৰ সংখ্যা একেবাৰে কমি গ'ল। বৰ্তমান ইয়াৰ সংখ্যা বৃদ্ধি হোৱা দেখা গৈছে।

৭৮। ঢোঁৰা কাউৰী (Jungle Crow) : মাজুলীৰ সৰ্বত্ৰ বিৰাজমান।

৭৯। সখীয়তী (Black headed Oriole) : ই প্ৰায় সৰ্বত্ৰ বিৰাজমান।

৮০। দহিকতৰা (Magpie Robin) : দিনটো গান গাই থকা এই পক্ষী সৰ্বত্ৰ বিৰাজমান। বছৰৰ বিভিন্ন ঋতুত ই বিভিন্ন মাত মাতে। জুন-জুলাই মাহত পোৱালিক টোপ খুৱাই থকা অৱস্থাত পোৱা যায়।

৮১। কেচুলুকা (Red Redvented Bulbul), ৮২। বুলবুলি (Red Whiskened Bulbul) : সৰ্বত্ৰ বিৰাজমান। জুন-জুলাই মাহত ই পোৱালি ডাঙৰ-দীঘল কৰে। শীতকালি কবি খেতিত কবি পুলিবোৰ খাবলৈ জাক জাক কেচুলুকা/বুলবুলি আহে।

৮৩। ভদৰকলি (Grey Lit) : দহিকতৰা, বুলবুলিৰ দৰে ই একে সময়তে পোৱালি ডাঙৰ-দীঘল কৰে। ই প্ৰায় ঘৰৰ নিচেই কাষত বাঁহৰ চুঙাত বাহ লৈ ভাল পায়। পোৱালি ডাঙৰ হোৱাৰ পিছত পোৱালিৰ সৈতে গছত ওলমি ওলমি পোক-পতংগ খাই ফুৰে।

৮৪। টোকোৰা (Baya Weaver), ৮৫। টোকোৰা (Black breasted Weaver bird) : প্ৰায় সৰ্বত্ৰ বিৰাজমান। তামোলৰ গছ, নাৰিকল, বেতৰ জোপা, বিল/খালত হোৱা গোগোল গছত সাধাৰণতে বাহ সাজে।

সহজতে দেখা পোৱা অঞ্চল : লাহলীয়াল গাঁও, কৰিচা খোৱা গাওঁ, ফাৰ্ম তিনিআলি, বনগআও ৰ'ডৰ কাষৰ বেতনিবোৰ, মুদৈগাঁও আদি।

৮৬। শ্যামা (Shama) : দীঘল সুৱলা সুহুৰি মাৰিব পৰা এই পক্ষী তেনেকৈ দেখা নাযায়। ৬ নৱেম্বৰ, ১৯৯৯ খ্ৰী:ত মাত্ৰ এবাৰহে এই পক্ষী দেখাৰ সুযোগ পোৱা গৈছিল।

৮৭। চেক্‌চেকী (Tree-pie) : সৰ্বত্ৰ বিৰাজমান। তেনেই নিৰ্জু প্ৰকৃতিৰ চেক্‌চেকীৰ একোটা বাহত দুটাৰ পৰা চাৰিটালৈকে পোৱালি দেখা যায়। বহু দূৰৰ পৰা ইয়াৰ মাত শুনা যায়।

৮৮। মৌ-পিয়া (Purple Sunbird) : দীঘল ঠোঁটৰ লাহি কণমানি এই পক্ষী সৰ্বত্ৰ বিৰাজমান। ফুলনি অথবা কলৰ ডিলত অতি সহজতে দেখা পোৱা যায়। শিমলু তুলা উৰাৰ পিছতে ই বাহ সাজে। সৰু বাহটোত ঠোঁটেৰে তুলা আনি দলিচা পাৰি কণী পাৰে।

৮৯। নীলকণ্ঠ (Indian Roller) : নীলাৰঙৰ নীলকণ্ঠ প্ৰায় শিমলু গছত পৰি থকা দেখা যায়। পোক-পতংগ মাটিত নামি ধৰি পুনৰ ই গছলৈ উৰি যায়। ঢোঁৰা কাউৰী ইয়াৰ পোৱালিবোৰৰ প্ৰধান শত্ৰু। মাক-বাপেকহালে কাউৰী দেখিলেই চিঞৰ-বাখৰ লগাই পোৱালি ৰক্ষা কৰি থাকে।

৯০। পাতসীয়া (Tailor Bird) : মাজুলীৰ সৰ্বত্ৰ বিৰাজমান।

৯১। নাচনী (White Browed Fantal Fly Catcher) : সৰ্বত্ৰ বিৰাজমান। ঘৰৰ পিছফালৰ বাৰীবোৰত নাচি-বাগি পোক-পৰুৱা খাই ফুৰা দেখিবলৈ পোৱা যায়।

৯২। নাচনী (Grey Headed Fly Catcher) : খুব মন দি চালেহে এই নাচনী পক্ষীবিধ ধৰা পৰে। উৰি ফুৰা মহ বা এনে পতংগ একোটা পাক মাৰি উৰি আহি ধৰি খায়। ক'ৰবাত অকণমান ৰয়। পুনৰ উৰি আহি খায়।

৯৩। নি-থ্ (Common Jora) : এই পক্ষীয়ে ইয়াৰ নামটোৰ দৰেই দীঘলীয়া মাত মাতে। অকণমানি পক্ষীটো মাজে মাজে ওখ গছৰ ডালৰ আগত পাতৰ আঁৰত থাকি নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে মাত মাতি থাকে।

৯৪। কাৰলিউ (Stone Curlew) : প্ৰব্ৰজনকাৰী এই পক্ষী পানী শুকুওৱাৰ লগে লগে অক্টোবৰ-নৱেম্বৰ মাহত দেখা যায়। মাজুলীত জানুৱাৰী-ফেব্ৰুৱাৰী মাহত নৈৰ কাষত দল পাতি থকা দেখা যায়।

৯৫। বালিমাহী (White Wagtail), ৯৬। বালিমাহী (Greay Wagtail) : ছেপ্টেম্বৰ-অক্টোবৰ মাহত ইহঁতক দেখা যায়। মানুহৰ ঘৰৰ চোতালৰ পৰা আৰম্ভ কৰি পথাৰ, বিল-নদীৰ পাৰত সকলোতে দৃষ্টিগোচৰ হয়। প্ৰব্ৰজনকাৰী এই পক্ষী মাৰ্চ-এপ্ৰিল মাহত নিজৰ আবাসস্থলীলৈ ঘূৰি যায়। স্থানীয় বিশ্বাসমতে বালিমাহী ওলোৱাৰ পিছত পানী নাবাঢ়ে বা বান নহয়।

**৯৭। ঘৰচিৰিকা (House Sparrow) :** মাজুলীত সৰ্বত্ৰ বিৰাজমান যদিও সংখ্যা দ্ৰুত হাৰত হ্ৰাস পাইছে।

**৯৮। টুনি (Red Munia), ৯৯। টুনি (Red Munia) :** সৰ্বত্ৰ বিৰাজমান।

**১০০। শেন চৰাই (Laggar Falcon) :** সৰ্বত্ৰ বিৰাজমান।

**১০১। ফেঁচা (Spotted Owlet) :** সৰ্বত্ৰ বিৰাজমান। সংখ্যা কমিছে।

**১০২। লক্ষীফেঁচা (Barn Owl) :** সাধাৰণ ফেঁচাতকৈ ডাঙৰ, কোমল পাখিৰ এই পক্ষীৰ পোৱালি ডিচেম্বৰ-জানুৱাৰী মাহত ডাঙৰ হৈ উৰিব পৰা হয়। একোবাহত চাৰিটালৈকে পোৱালি দেখা গৈছে। পোৱালিবোৰে দিনটো মনে মনে থাকে। গধূলি হোৱাৰ লগে লগে মাত মাতিবলৈ আৰম্ভ কৰে। এইবিধ ফেঁচাৰ সংখ্যাও কমি গৈছে।

**১০৩। তেলটুপি :** সৰ্বত্ৰ বিৰাজমান।

**১০৪। চেট্‌চেটী (Brown Shrike) :** শীতকালৰ প্ৰব্ৰজনকাৰী এই পক্ষী অক্টোবৰৰ পৰা মাৰ্চ-এপ্ৰিললৈকে দেখা পোৱা যায়। ধাননি পথাৰৰ কাষৰ গছত পৰি থাকি পোক-পতংগ ধৰি খায়।

**মাজুলীৰ পৰা বিলুপ্তপ্ৰায় পক্ষী —**

**১। উলুমৰা (Beugal Floricon) :** উলুবনীত চৰি ফুৰা এই পক্ষী আজি প্ৰায় ৩০ বছৰ আগলৈকে সুলভ আছিল। কৃষি ক্ষেত্ৰৰ প্ৰসাৰণ আৰু নদীৰ খহনীয়াই ইয়াৰ আবাসস্থল, যেৰনি সম্পূৰ্ণ ধ্বংস কৰাত ইয়াক দেখা পোৱা হোৱা নাই।

**২। তেলীয়া সাৰেং (Black Necked Stork) :** আগতে বিলসমূহৰ পাৰত শীতকালি পুৱাৰ ভাগত এই পক্ষী দেখা পোৱা গৈছিল। প্ৰব্ৰজনকাৰী এই পক্ষীৰ বৰ্তমান উপস্থিতিৰ কোনো তথ্য পোৱা নাই।

**৩। কালশৰ (Black Stork) :** ক'লা ৰঙৰ বৃহদাকাৰৰ এই পক্ষীৰ পাখি অংশ তিৰ্‌বিৰাই থাকে। শীতকালৰ প্ৰব্ৰজনকাৰী এই পক্ষীৰো বৰ্তমান কোনো তথ্য পোৱা নাই।

**৪। কালযোগ আৰু ৫। ডৰিক :** এই চৰাই দুবিধ ইতিমধ্যে মাজুলীৰ পৰা বিলুপ্ত হৈছে বুলি ভবাৰ থল আছে।

**পক্ষী সংৰক্ষণ :** গোটেই বিশ্বজুৰি বন্যপক্ষী সংৰক্ষণৰ কাৰণে তৎপৰতা আৰম্ভ হৈছে। মাজুলীত পক্ষী সংৰক্ষণত অগ্ৰণী ভূমিকা গ্ৰহণ কৰা স্বেচ্ছাসেৱী অনুষ্ঠান হ'ল— অসম বিজ্ঞান সমিতি, মাজুলী শাখা। ইয়াৰ বাদেও সেউজবন্ধু, প্ৰকৃতি সংৰক্ষণ গোষ্ঠীয়েও দুই-চাৰিটা সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰিছে। জলজ পক্ষীৰ লগত আৰ্দ্ৰভূমি জড়িত। সেয়ে প্ৰতি পঞ্চায়তে কমেও একোখন বিল সংৰক্ষণ কৰা প্ৰয়োজন। এনে কৰিলে মাছৰ প্ৰাকৃতিক বৃদ্ধি হোৱাৰ লগতে জলজ পক্ষী নিৰাপদ হোৱাৰ থল আছে।

---

**তথ্য সংগ্ৰহ/চিনাক্তকৰণত সহায় কৰা ব্যক্তিসকল হ'ল**

১। কুলজ্যোতি লহকৰ (গুৱাহাটী) — বগী আড়ান
২। প্ৰশান্ত বৰদলৈ (নগাঁও) — ভদৰকলি
৩। সোমেশ্বৰ শইকীয়া (বনগাঁও) — হয়কলি
৪। ভোলানাথ বৰা (কমলাবাৰী) — ধৃৎৰাজ
৫। হেৰম্ব প্ৰসাদ বৰা (জুগুনীধাৰী) — তেলীয়াসাৰেং
৬। গুৰুপ্ৰসাদ বৰা (কমলাবাৰী) — মনিয়ৰী
৭। সুৰেণ দত্ত (ওপৰকাটনী) — উলুম'ৰা
৮। তিলক শইকীয়া (বনগাঁও) — ডৰিক।

---

**সহায়ক গ্ৰন্থ :**


1 The Birds of Assam — Choudhury, Anwaruddin
2. Checklist of the Birds of Assam — Choudhury, Anwaruddin.
3 The Book of Indian Birds — Ali, Salim.
4 Checklist, Bordoibam Beelmukh Bird Sanctuary — Megamix Nature Club.
5 A Checklist of Birds of Barpeta District — Lahkar, Kulojyoti
6. Flora, Fauna and Wetlands of Majuli, A Report — Sarmah, T. C.
7. A Guide to Indian's Wild Life — T. T. Maps & Publication Ltd.
8. Birds of Greater Guwahati — Gogoi, P C.
9. 'চৰাই চিনো আহক'— চলিহা, ডিম্বেশ্বৰ।

# মাজুলীত দেখিবলৈ পোৱা স্থানীয় আৰু পৰিভ্ৰমী পক্ষী (১৯৯৫ৰ পৰা ২০০১ চনলৈ)ৰ তালিকা

| ক্ৰ. নং. | অসমীয়া নাম | ইংৰাজী নাম | বৈজ্ঞানিক নাম | স্থানীয়(R)/স্থানীয় প্ৰব্ৰজনকাৰী (LM)/প্ৰব্ৰজনকাৰী(M)/সাধাৰণ(C)/প্ৰাচুৰ্য বেছি নহয়(U)শীতকালৰ প্ৰব্ৰজনকাৰী (WM) |
|---|---|---|---|---|
| ১। | — | Little Grebe | *Tachy baptus ruficollis* | R, C. |
| ২। | ধেৰা | Spotted Billed or Grey Pelican | *Pellcanus Phillippensis* | LM, U |
| ৩। | দৰিকলা | Large Cormorant | *Phalacrocorax Carbo* | WM, U |
| ৪। | পানী কাউৰী | Little Cororant | *Pholacrocorax niger* | R, C. |
| ৫। | মণিয়ৰী | Darkter or Snake bird | *Anhinga melanogaster* | R, LM., U |
| ৬। | বগী আজান | Grey Heron | *Ardea cinerea* | R, LM, U |
| ৭। | আজান | Purple Heron | *Ardea purpurea* | R, LM, C |
| ৮। | কণামুছৰি | Pond Heron | *Ardeola Striatus* | R, C |
| ৯। | গো-বগ | Cattle Egret | *Bubulcus ibis* | R, C |
| ১০। | ইটাগুৰীয়া | Chesnut Bittern | *Ixobrychus cinnamomeus* | R, U |
| ১১। | বৰ-বগ | Great Egret | *Ardea alba* | R, C. |
| ১২। | বগলী | Little Egret | *Egretta garzetta* | R, C. |
| ১৩। | শামুকভঙা | Open Bill Stork | *Anastomus oscitans* | R, C. |
| ১৪। | ওৱাক চৰাই | Black Crowned Night Heron | *Nycticorax nycticorax* | R, LM, C |
| ১৫। | কনুৱা | White Necked Stork | *Ciconia episcopus* | R, U |
| ১৬। | হাড়গিলা | Greater Adjutant Stork | *Leptoptilos dubius* | R, U |
| ১৭। | বৰটোকোলা | Lesser Adjutant Stork | *Leptoptilos javanicus* | R, C |
| ১৮। | ৰাজহংস | Greyleg Goose | *Anser anser* | WM, C |
| ১৯। | ধৃংৰাজ | Barheaded Goose | *Answer indicus* | WM, C |
| ২০। | শৰালি | Leser Whistling Teal | *Dendrocygna javancia* | R, C |
| ২১। | বৰ-শৰালি | Large Whistling Teal | *Dendrocygna bicolor* | R, C |
| ২২। | চাকৈ-চকোৱা | Ruddy Shelduck or Brahminy Duck. | *Tandorna tadorna* | WM, C |
| ২৩। | আমৰলীয়া হাঁহ | Mallard | *Anas platyrhynchos* | WM, C |
| ২৪। | ঘিলা হাঁহ | Cotton Teal | *Nettapus coromandelianus* | R, LM, C |
| ২৫। | দীঘলনেজী হাঁহ | Pintail | *Anas acuta* | WM, C |

| ক্র. নং. | অসমীয়া নাম | ইংৰাজী নাম | বৈজ্ঞানিক নাম | স্থানীয়(R)/স্থানীয় প্ৰব্ৰজনকাৰী (LM) প্ৰব্ৰজনকাৰী(M)/সাধাৰণ(C)/প্ৰাচুৰ্য বেছি নহয়(U) শীতকালৰ প্ৰব্ৰজনকাৰী (WM) |
|---|---|---|---|---|
| ২৬। | বনৰীয়া পাতিহাঁহ (শীৰ্ষাসন কৰা হাঁহ) | Spotbill Duck | *Anas poecilorhyncha* | WM. C |
| ২৭। | ৰঙামূৰীয়া হাঁহ | Red Crested Pochard | *Netta rufina* | WM. U |
| ২৮। | চিলনী | Black winged Kite | *Elanus caeruleus* | R. C |
| ২৯। | ক'লা চিলনী | Pariale Kite | *Milvus migrans govida* | R. C |
| ৩০। | ৰঙা চিলনী | Brahminy Kite | *Haliastur indus* | R. U |
| ৩১। | কুৰুৰা | Pallas's Fish Eagle | *Haliaeetus leucoryplus* | U |
| ৩২। | উকঁহ | Short-Toed Snake Eagle | *Circaetus gallicus* | U |
| ৩৩। | পাতি শগুন | White backed Vulture | *Gyps-bengatensis* | U |
| ৩৪। | হয়ঁকলি | Swamp patridge | *Francolinus gularis* | R. U |
| ৩৫। | ফাটি কুকুৰা (কুকুহা) | Coucal, Greater Coucal or Crow-pheasant | *Centropus sinesis* | R. U |
| ৩৬। | বন কুকুৰা | Red jungle Fowl | *Gullus gallus murgli* | R. U |
| ৩৭। | কমন ক্ৰেন | Common Crane | *Grus grus* | WM. U |
| ৩৮। | ডাউক | White breasted Water hen | *Amauromis phoenicurus* | R. C |
| ৩৯। | কাম চৰাই | Purple Moorhen | *Porphyrio porphyrio* | R. C |
| ৪০। | দল ম'ৰা | Pheasant tailed Jacana | *Hydrophasianus chirurgus* | R. LM. U |
| ৪১। | দলপুঙা | Bronze winged Jacana | *Metopidius indicus* | R. C |
| ৪২। | জিকৰ | Indian Moorhen | *Gallinula chloropus* | R. C |
| ৪৩। | বালিঘোঁৰা | Redwattled Lapwing | *Vanellus malabaricus* | WM. C |
| ৪৪। | গংগা চিলনী | River turn | *Sterna aurantia* | WM. C |
| ৪৫। | ৰামপাৰ | Black headed Gull | *Larus ichthyaetus* | WM. C |
| ৪৬। | হাইঠা | Common green Pigeon | *Treron phoenicoptera* | LM. C |
| ৪৭। | পাতিকপৌ | Spotted Dove | *Streptopelia chinensis* | R, C |
| ৪৮। | হাকৰা কপৌ | Red Dove | *Streptopelia tranquebarica* | R, C |
| ৪৯। | কপৌ | Ring Dove | *Streptopelia decaoc to* | R, C |
| ৫০। | কপৌ | Little brown Dove | *Streptopetla senegalensis* | R, C |

| ক্র. নং. | অসমীয়া নাম | ইংৰাজী নাম | বৈজ্ঞানিক নাম | স্থানীয়(R)/স্থানীয় প্ৰব্ৰজনকাৰী (LM) প্ৰব্ৰজনকাৰী(M)/সাধাৰণ(C)/প্ৰাচুৰ্য বেছি নহয়(U) শীতকালৰ প্ৰব্ৰজনকাৰী (WM) |
|---|---|---|---|---|
| ৫১। | ভাটৌ | Large Indian Parakeet | *Psittacula eupatria* | R, LM, C |
| ৫২। | গলমণিকা | Rose Ringed Parakeet | *Psittacula krameri* | LM, C |
| ৫৩। | ভাটৌ | Indian Lorikeet | *Loriculus vernalis* | LM, U |
| ৫৪। | কেতেকী | Common Hawk Cuckoo or Brain Fever bird | *Cuculus (Syn Hirerococcyx) varius* | LM, C |
| ৫৫। | কুলি | Koel | *Eudynamys scolopacea* | R, LM, C |
| ৫৬। | দিনকণা | Jungle Nightjar | *Coprimulgus indicus* | U |
| ৫৭। | বতাহী | House swift | *Apus affinis* | R, C |
| ৫৮। | ক'লা-বগা মাছৰোকা | Pied Kingfisher | *Ceryle rudis* | R, C |
| ৫৯। | সৰু নীলা মাছৰোকা | Small blue Kingfisher | *Alcedo atthis* | R, C |
| ৬০। | বগা বুকুৰ মাছৰোকা | White breasted Kingfisher | *Halcyon smyrnensis* | R, C |
| ৬১। | জিঁয়াখাটী | Small green bee eater | *Merops orientalis* | R, C |
| ৬২। | জিঁয়াখাটী | Chesnut-headed bee eater | *Merops Ieschenaulti* | R, C |
| ৬৩। | হেট্‌লুকা | Small green barbet | *Megalaima viridis* | R, LM, C |
| ৬৪। | হেট্‌লুকা | Blue-throated barbet | *Megalaima asiatica.* | LM, C |
| ৬৫। | হেট্‌লুকা | Lineated barbet | *Megalaima lineata* | LM, C |
| ৬৬। | হুপু | Hoopoe | *Upupa epops* | LM, C |
| ৬৭। | পাকৈচোঁৰা ★ | Indian Pied Hornbill | *Anthracoceros malabaricus* | R, LM, U |
| ৬৮। | বাঢ়েটোকা | Black-backed Woodpecker | *Chrysocolaptes festivus* | M, C |
| ৬৯। | সোণ বাঢ়েটোকা | Lesser-golden-backed Woodpecker | *Dinopium benghalense* | M, C |
| ৭০। | ভীমৰাজ☆ | Greater Racked tailed Drongo. | *Dicrurus paradiseus* | M, U |

★ মাৰ্চ ২০০১ত কমলাবাৰীৰ ওচৰত খনি বিলৰ কাষৰ মজ এজোপাত এহাল পাকৈচোঁৰাই বাহ লয়। জুন ২০০১ত এহাল পোৱালি বাহৰ পৰা ওলায়। ২০ বছৰমান ধৰি মাজুলীত ই লোপ পাইছিল। অৱশ্যে আগতে ই স্থানীয় পক্ষীয়ে আছিল।

☆ ১৯৯৯ খ্ৰী:ৰ ২৯ অক্টোবৰত মাত্ৰ এটাহে দেখা পোৱা গ'ল। ইয়াৰ পিছত দেখা হোৱা নাই।

| ক্র. নং. | অসমীয়া নাম | ইংৰাজী নাম | বৈজ্ঞানিক নাম | স্থানীয়(R)/স্থানীয় প্ৰব্ৰজনকাৰী (LM)/ প্ৰব্ৰজনকাৰী(M)/সাধাৰণ(C)/প্ৰাচুৰ্য বেছি নহয়(U) শীতকালৰ প্ৰব্ৰজনকাৰী (WM) |
|---|---|---|---|---|
| ৭১। | ফেচু | Black drongo or king Crow | *Dicrurus adsimilis* | R, C |
| ৭২। | কাণকুৰিকা | Pied Myna | *Sturnus contra* | R, C |
| ৭৩। | মাটি শালিকা | Bank Myna | *Acridotheres ginginianus* | LM, U |
| ৭৪। | কাঠ শালিকা | Grey-headed Myna | *Sturnus malabaricus malabaricus* | R, C |
| ৭৫। | চুটিয়া শালিকা | Jungle Myna | *Acridotheres Fuscus* | R, C |
| ৭৬। | ঘৰ শালিকা | Common Myna | *Acridotheres tristis* | R, C |
| ৭৭। | পাতি কাউৰী | House Crow | *Corvus splendens* | R, U |
| ৭৮। | ঢোঁৰা কাউৰী | Jungle Crow | *Corvus marorhynchos* | R, C |
| ৭৯। | সখিয়তী | Black-headed Oriole | *Oriolus xanthornus* | R, C |
| ৮০। | দহিকতৰা | Magpie Robin | *Copsychus saularis* | R, C |
| ৮১। | ফেচুলুকা | Redvented Bulbul | *Pycnonotus cafer* | R, C |
| ৮২। | বুলবুলি | Red-whiskered Bulbul | *Pycnonotus jocosus* | R, C |
| ৮৩। | ভদৰকলি | Greay Tit | *Parus major* | R, C |
| ৮৪। | টোকোৰা | Baya Weaver | *Ploceus philippinus* | R, LM, C |
| ৮৫। | টোকোৰা | Black-Breasted Weaver bird | *Ploceus benghalensis* | R, LM, C |
| ৮৬। | শ্যামা★ | Shama | *Copsychus malabaricus* | M, U |
| ৮৭। | চেক্‌চেকী | Tree Pie (Indian or Rofous) | *Dendrocitta vagabunda* | R, C |
| ৮৮। | মৌ-পিয়া | Purple Sunbird | *Nectarinia asiatica* | R, LM, C |
| ৮৯। | নীলকণ্ঠ | Indian Roller | *Coracias benghalensis* | R, U |
| ৯০। | পাতসীয়া | Tailor Bird | *Orthotomus sutorius* | R, C |
| ৯১। | নাচনী | White-browned Fantal Fly-Catcher | *Rhipidura aureola* | R, LM, C |
| ৯২। | নাচনী | Grey-headed Fly-Catcher | *Culicicapa ceylonensis* | LM, U |

★ ৬ নৱেম্বৰ, ১৯৯৯ত মাত্ৰ এবাৰহে দেখাপোৱা গ'ল। ইয়াৰ পাছত দেখা নাই।

| ক্র. নং. | অসমীয়া নাম | ইংৰাজী নাম | বৈজ্ঞানিক নাম | স্থানীয়(R)/স্থানীয় প্ৰব্ৰজনকাৰী (LM)/ প্ৰব্ৰজনকাৰী(M)/সাধাৰণ(C)/প্ৰাচুৰ্য বেছি নহয়(U) শীতকালৰ প্ৰব্ৰজনকাৰী (WM) |
|---|---|---|---|---|
| ৯৩। | নি-থ | White Jora. | *Aegithina tiphia* | M, U |
| ৯৪। | কাৰলিউ | Stone Curlew | *Burhinus oedicnemus* | WM, C |
| ৯৫। | বালিমাহী | White Wagtail | *Motacilla alba* | WM, C |
| ৯৬। | বালিমাহী | Grey Wagtail | *Motacilla cinerea* | WM, C |
| ৯৭। | ঘৰচিৰিকা | House Sparrow | *Passer domesticus* | R, U |
| ৯৮। | টুনি | Red Munia | *Estrilda amandava* | R, U |
| ৯৯। | টুনি | Spotted Munia | *Lonchura punctulata* | R, U |
| ১০০। | শেন চৰাই | Laggar Falcon | *Falco juggar* | R, C |
| ১০১। | ফেঁচা | Spotted Owlet | *Athene brama* | R, C |
| ১০২। | লক্ষী-ফেঁচা | Barn Owl | *Tyto alba* | R, U |
| ১০৩। | তেলতুপী | Common Swallow | *Hirundo rustica gutturalis* | U |
| ১০৪। | চেট্চেটী | Brown Shrike | *Lanius cristatus* | WM, U |

## ABBREVIATION

R : Residential (স্থানীয়)
LM : Locally migratory (স্থানীয় প্ৰব্ৰজনকাৰী)
WM : Winter migratory (শীতকালি প্ৰব্ৰজন)
M : Migratory (প্ৰব্ৰজনকাৰী)
C : Common (সাধাৰণ)
U : Uncommon (প্ৰাচুৰ্য বেছি নহয়)



## মাজুলীৰ উদ্ভিদ

মাজুলীত মিশ্ৰ-উদ্ভিদ দেখিবলৈ পোৱা যায়। ইয়াৰ মূলভাগত দেখা উদ্ভিদ আৰু নতুনকৈ ব্ৰহ্মপুত্ৰই সৃষ্টি কৰা চাপৰি অঞ্চলত থকা উদ্ভিদৰ পাৰ্থক্য দেখিবলৈ পোৱা যায়। চাপৰিসমূহত ঘাইকৈ ঝাওবন, লুহিয়া, খাগৰি, ইকৰা, বিৰিণা, সৰণ খেৰৰ লগতে মানুহে ৰোপণ কৰা কল আৰু আন আন গছ দেখা পোৱা যায়। চৰ অঞ্চলৰ খহনীয়া, কৃষি প্ৰাবল্য বৃদ্ধি হোৱা আৰু গৰু-ম'হৰ চৰণীয়া ক্ষেত্ৰ হিচাপে ব্যৱহাৰ কৰাৰ ফলতো বন্য উদ্ভিদৰ পৰ্যাপ্ততা কমি আহিছে।

একেদৰে, ব্ৰহ্মপুত্ৰৰ খহনীয়াই মূল ভূভাগৰ পৰিমাণ কমাই অনাৰ ফলতো বহুতো আপুৰুগীয়া উদ্ভিদ চিৰকালৰ বাবে হেৰাই গ'ল। অপৰিকল্পিত মথাউৰিয়ে সৃষ্টি কৰা কৃত্ৰিম বানতো ক্ৰমান্বয়ে বহুতো উদ্ভিদ হেৰাই গ'ল। প্ৰায় পঞ্চাছ বছৰ আগতে দেখা পোৱা 'বৰহমথুৰি' এতিয়া মাজুলীত নাই। কৃষিভূমিৰ প্ৰসাৰণৰ ফলতো বহুতো উদ্ভিদ দুষ্প্ৰাপ্য হৈ পৰিছে, যেন— জেতুলীপকা, লেতাগুটি আদি। আকৌ, ছাতিৰ ব্যৱহাৰ আৰু টিনপাতৰ আৱাসগৃহ বৃদ্ধিৰ লগে লগে টকৌপাতৰ চাহিদা কমি গ'ল। সেয়ে টকৌগছ মাজুলীত দিনক দিনে কমি গৈছে। আগৰ মানুহে টকৌপাতেৰে নাৱৰ চৈ তৈয়াৰ কৰিছিল।

তলত মাজুলীৰ বিভিন্ন উদ্ভিদৰ এখনি তালিকা প্ৰস্তুত কৰা হৈছে। সকলোজাতীয় উদ্ভিদ একেলগেই তালিকাবদ্ধ কৰা হৈছে। এই তালিকাখনত বহু জলজ উদ্ভিদৰ লগতে লতাজাতীয় আৰু ঘাঁহজাতীয় উদ্ভিদৰ নাম আমি এতিয়াও উদ্ধাৰ কৰিবলৈ সক্ষম হোৱা নাই। মাজুলীৰ বিভিন্ন অঞ্চলৰ বহুলোকে এই ক্ষেত্ৰত উদ্ভিদৰ নাম আৰু চিনাক্তকৰণত সহায় কৰাৰ বাবে তেখেতসকলৰ ওচৰত আমি কৃতজ্ঞ। নিঃসন্দেহে মাজুলীৰ সমগ্ৰ উদ্ভিদৰ এটি সামান্য অংশহে লিপিবদ্ধ কৰিব পৰা গৈছে।

এই তালিকাত থকা বিপন্ন হ'ব ধৰা (মাজুলীৰ) উদ্ভিদ হ'ল, জেতুলীপকা, শতমূল, পাটীদৈ, চেংমৰা, বান্দৰকেকোঁৱা, টকৌ, অসমীয়া পুঁৰৈ, কোৱাভাতুৰী, কেতেকী, ভাতঘিলা, জৰঠ, নলটেঙা আৰু তৰাগছ।

| ব্যক্তিৰ নাম | উদ্ভিদ চিনাক্ত | ব্যক্তিৰ নাম | উদ্ভিদ চিনাক্ত |
|---|---|---|---|
| তিলক শইকীয়া (বনগাঁও) | আগেছিতা | অনিল বৰা (লাহলীয়াল) | চেকেৰাটেঙা |
| সোমেশ্বৰ শইকীয়া (বনগাঁও) | জেতুলীপকা | নিত্যানন্দ শইকীয়া (কমলাবাৰী) | পদ্মসোকোতা |
| ডাঃ পাটগিৰি (কমলাবাৰী) | চাউলধোৱা | পুণ্য মহন্ত (কমলাবাৰী) | বননীল |
| কৃষ্ণ বৰুৱা (কমলাবাৰী) | টুবুকী লতা | মুক্তিনাথ বৰা (যোৰহাট) | পূৰ্ণনৱা |
| যুগল হাজৰিকা (বেঙেনাআটী) | ঠিকনী লতা | গুণাৰাম (চামগুৰি) | বান্দৰকেঁকোৱা |
| হৰেন বৰা (বনগাঁও) | সোৰোপাটেঙা | | |

# মাজুলীৰ বিভিন্ন উদ্ভিদ

| অসমীয়া নাম | ব্যৱহাৰ, বিস্তৃতি | অসমীয়া নাম | ব্যৱহাৰ, বিস্তৃতি |
|---|---|---|---|
| **অ** | | **ই** | |
| অগৰা | অপতৃণ, খাদ্য; সমগ্ৰ মাজুলী | ইকৰা | ঘৰৰ বেৰ দিয়া; গৰুৰ খাদ্য, ফুটুকী |
| অমৰা | খাদ্য, ঔষধ; সমগ্ৰ মাজুলী | ইলাচী | গৰম মছলা, কমলাবাৰী |
| অৰ্জুন | ঔষধ; দক্ষিণপাট, কমলাবাৰী | ইন্দ্ৰমালতী | সৌন্দৰ্য বৰ্দ্ধক, কমলাবাৰী। |
| অশোক | ঔষধ; কমলাবাৰী, গড়মূৰ, দক্ষিণপাট | **উ** | |
| অসমীয়া কপাহ | চাকিৰ শলিতা, সমগ্ৰ মাজুলী | উৰহী | খাদ্য, প্ৰায়বোৰ অঞ্চলত |
| অপৰাজিতা (বগা) | | উৰিদল | গৰুৰ খাদ্য, প্ৰায়বোৰ বিলত |
| অপৰাজিতা (নীলা) | ঔষধ; প্ৰায়বোৰ অঞ্চলত | উৰিয়াম | ইন্ধন/গৃহ-নিৰ্মাণ, প্ৰায় সমগ্ৰ মাজুলী। |
| অমিতা | খাদ্য; সমগ্ৰ মাজুলী | **এ** | |
| অশ্বগন্ধা | ঔষধ; কমলাবাৰী, বনগাঁও | এজলা | কৃষিত ব্যৱহাৰ, ঠাইবিশেষে |
| অসমীয়া পিঁয়াজ | | এৰাগছ | এৰী-পলুৰ খাদ্য, সমগ্ৰ মাজুলী |
| অসমীয়া পুৰৈ | খাদ্য; সমগ্ৰ মাজুলী | এৰালি | গৰুৰ খাদ্য, সমগ্ৰ মাজুলী |
| **আ** | | একেচিয়া | ইন্ধন; কমলাবাৰী, গড়মূৰ, জেংৰাই। |
| আকাশীলতা | অপকাৰী উদ্ভিদ; সমগ্ৰ মাজুলী | **ঔ** | |
| আকন | ঔষধ; সমগ্ৰ মাজুলী | ঔ-টেঙা | খাদ্য, অন্যান্য কাম; সমগ্ৰ মাজুলী। |
| আগেচিতা | ঔষধ; বনগাঁও অঞ্চলত | **ক** | |
| আতলাচ | খাদ্য; সমগ্ৰ মাজুলী | কমলা | খাদ্য, ছেগাচোৰোকাকৈ |
| আদা | খাদ্য/ঔষধ; সমগ্ৰ মাজুলী | কৰজা | খাদ্য, নতুন কমলাবাৰী সত্ৰ |
| আজাৰ | ইন্ধন, নাও নিৰ্মাণ, অন্যান্য; সমগ্ৰ মাজুলী | কৰদৈ | খাদ্য, সমগ্ৰ মাজুলী |
| আঁহত | ইন্ধন, সমগ্ৰ মাজুলী | কৰবী | সৌন্দৰ্যবৰ্দ্ধক, সমগ্ৰ মাজুলী |
| আহোম বগৰী | খাদ্য, প্ৰায়বোৰ অঞ্চলত | কদম | ইন্ধন, অন্যান্য; সমগ্ৰ মাজুলী |
| আমলখি | খাদ্য, ঔষধ; প্ৰায়বোৰ অঞ্চল | কৰৈ | ইন্ধন, অন্যান্য; সমগ্ৰ মাজুলী |
| আম | খাদ্য, অন্যান্য কাম; সমগ্ৰ মাজুলী | | |
| আচফল | খাদ্য, অঞ্চলবিশেষে। | | |

| অসমীয়া নাম | ব্যৱহাৰ, বিস্তৃতি |
|---|---|
| ক'চি | ইন্ধন, সমগ্ৰ মাজুলী |
| কলমৌ | খাদ্য, অপতৃণ; সমগ্ৰ মাজুলী |
| কটাৰী জামু | ইন্ধন, অন্যান্য; সমগ্ৰ মাজুলী |
| কল : | |
| ভীম/আঠিয়া | খাদ্য, কলাখাৰ, কলৰ ভূৰ; সমগ্ৰ মাজুলী |
| চেনিচম্পা | খাদ্য, সমগ্ৰ মাজুলী |
| মালভোগ | ঐ |
| পুৰা (কাচ্) | ঐ |
| মনোহৰ | ঐ |
| ডিল নাইকিয়া | ঐ |
| জাহাজী (কটীয়া) ঐ | |
| জাহাজী (বঙালী) ঐ | |
| গোবিন্দ তুলসী | ঐ, কমলাবাৰী। |
| কচু : | |
| বনৰীয়া ক'লা কচু | খাদ্য, ঔষধ; সমগ্ৰ মাজুলী |
| বনৰীয়া বগা কচু | ঐ |
| বেজ | ব্যৱহাৰ জনা হোৱা নাই, কমলাবাৰী, |
| বনগাঁও | |
| ঘিঁউ | খাদ্য, সমগ্ৰ মাজুলী |
| দহি | খাদ্য, ঔষধ; সমগ্ৰ মাজুলী |
| চেমা কচু | কিছুলোকে খায়; সমগ্ৰ মাজুলী |
| দফলা কচু | খাদ্য, সমগ্ৰ মাজুলী |
| কাকবাঁহ | কৰিয়া বনোৱা, গৃহ-নিৰ্মাণ; বনগাঁও |
| কপালফুটা | সমগ্ৰ মাজুলী |
| কেচেৰু | ইন্ধন, মাজুলীৰ মূলভাগত |
| কেহেৰাজ | ঔষধ, সমগ্ৰ মাজুলী |

| অসমীয়া নাম | ব্যৱহাৰ, বিস্তৃতি |
|---|---|
| কণা শিমলু | ঔষধ, সমগ্ৰ মাজুলী |
| কুঁহিলা | ঢাৰি-কঠ নিৰ্মাণ, সমগ্ৰ মাজুলী |
| কেঞাবন | ঔষধ, সমগ্ৰ মাজুলী |
| কুঁকুসূতা | ঔষধ, সমগ্ৰ মাজুলী |
| কোটাহী বেঙেনা | ঔষধ, সমগ্ৰ মাজুলী |
| কোটকোৰা | সমগ্ৰ মাজুলী |
| কাউৰীমণি | ঔষধ, পুৰণা কমলাবাৰী সত্ৰ চাপৰি |
| কুজি ঠেকেৰা | ঔষধ, খাদ্য; মাজুলীৰ মূলভাগত |
| কেন্দু | জালত ৰং দিয়া কাম, কমলাবাৰী, |
| ভোগপুৰ | |
| কুঁৱৰীলতা | বন্ধা-মেলা কামত, সমগ্ৰ মাজুলী |
| কঁৰিয়া বিজ্ৰল | ঔষধ, সমগ্ৰ মাজুলীত |
| কৃষ্ণচূড়া | সৌন্দৰ্যবৰ্দ্ধক, সমগ্ৰ মাজুলী। |
| **খ** | |
| খৰিকাজাঁই | সৌন্দৰ্যবৰ্দ্ধক, সমগ্ৰ মাজুলী |
| খেজুৰ | খাদ্য; কমলাবাৰী, গড়মূৰ, বনগাঁও |
| খাগৰি | গৰু-ম'হৰ খাদ্য, সমগ্ৰ চাপৰি |
| খাৰবন | সকলোবোৰ বিলত পোৱা যায়। |
| **গ** | |
| গৰুখিচ্ | অপতৃণ, সমগ্ৰ মাজুলী |
| গধূলি গোপাল (ৰঙা, বগা, | সৌন্দৰ্যবৰ্দ্ধক, সমগ্ৰ মাজুলী |
| হালধীয়া, পখৰা) | |
| গোগোল (মুঠা) | ঢাৰি-কঠ নিৰ্মাণ, প্ৰায়বোৰ বিলত |
| পোৱা যায় | |
| গোলনেমু | খাদ্য, ঔষধ; সমগ্ৰ মাজুলী। |

| অসমীয়া নাম | ব্যৱহাৰ, বিস্তৃতি | অসমীয়া নাম | ব্যৱহাৰ, বিস্তৃতি |
|---|---|---|---|
| **ঘ** | | **ঝ** | |
| ঘোঁৰানিম | ইন্ধন, অন্যান্য; সমগ্ৰ মাজুলী | ঝাওবন | ইন্ধন, নৈৰ চৰ অঞ্চলত |
| ঘণ্টাকৰ্ণ ফুল | সৌন্দৰ্যবৰ্দ্ধক, ঠাইবিশেষে | **ট** | |
| **চ** | | | |
| চকলাটেঙা | খাদ্য, সমগ্ৰ মাজুলী | টকৌ | জাপি সজা, নাৱৰ চৈ সজা; |
| চন্দন | প্ৰসাধন, কমলাবাৰী | | ঠাইবিশেষে |
| চুপহি জবা | সৌন্দৰ্যবৰ্দ্ধক, সমগ্ৰ মাজুলী | টিকনীলতা | বিস্তৃত ব্যৱহৃত, মূল ভূ-ভাগত |
| চেকেৰা টেঙা | খাদ্য, লাহলীয়াল গাঁও | টেঁপৰ | খাদ্য, মূল ভূ-ভাগত। |
| চিচু (শিশু) | ইন্ধন, সমগ্ৰ মাজুলী | টেঙামৰা (ৰঙা, সাধাৰণ) | খাদ্য, ঔষধ, সমগ্ৰ মাজুলী |
| চোম | ইন্ধন, মুগা-পালন; সমগ্ৰ মাজুলী | **ড** | |
| চজিনা | খাদ্য, সমগ্ৰ মাজুলী | | |
| চতিয়না | ইন্ধন, অন্যান্য; সমগ্ৰ মাজুলী | ডালিম | খাদ্য, সমগ্ৰ মাজুলী |
| চাউলধোৱা | ঔষধ, মূল ভূ-ভাগত | **ঢ** | |
| চুকাশাক | খাদ্য, সমগ্ৰ মাজুলী | ঢেঁকীয়া | খাদ্য, সমগ্ৰ মাজুলী |
| চেকামৰা | অপতৃণ, সমগ্ৰ মাজুলী | ঢেঁকীয়ালতি | বিভিন্ন কামত, মূল ভূ-ভাগত |
| **ছ** | | **ত** | |
| ছালকুঁৱৰী | ঔষধ, কমলাবাৰী | | |
| ছালগোম | খাদ্য, সমগ্ৰ মাজুলী | তগৰ | সৌন্দৰ্যবৰ্দ্ধক, প্ৰায় সকলো অঞ্চলতে |
| ছেৱা | কৃষি সঁজুলি, সমগ্ৰ মাজুলী | তকৰা কদম | সৌন্দৰ্যবৰ্দ্ধক, ঔষধ; প্ৰায় সকলো |
| **জ** | | অঞ্চলতে. | |
| জবা(ৰক্ত) | সৌন্দৰ্যবৰ্দ্ধক, প্ৰসাধন; সমগ্ৰ মাজুলী | তিতা বাহেক | ঔষধ, খাদ্য; কমলাবাৰী, বনগাঁও |
| জৰঠ | ইন্ধন, মূল ভূ-ভাগত | তিতা কেৰেলা | খাদ্য, প্ৰায় সকলো অঞ্চলতে |
| জলফাই | খাদ্য, সমগ্ৰ মাজুলী | তামোল | মুখশুদ্ধি, বেতৰ বিচনীৰ নাল; সমগ্ৰ |
| জামু (বগী) | খাদ্য, সমগ্ৰ মাজুলী | মাজুলী | |
| জিকা | পাচলি, সমগ্ৰ মাজুলী | তেজমুই | ঔষধ, প্ৰায় সকলোতে |
| জেতুকা | প্ৰসাধন, ঔষধ; সমগ্ৰ মাজুলী | তাৰাক (মিচিং) | |
| জিলমিল্ | খাদ্য, সমগ্ৰ মাজুলী | তেজপাত | খাদ্য (সুগন্ধি), ঠাইবিশেষে |
| জেতুলীপকা☆ | খাদ্য, সমগ্ৰ মাজুলী | | |


| অসমীয়া নাম | ব্যৱহাৰ, বিস্তৃতি |
|---|---|
| **থ** | |
| থেকেৰা : | |
| কুজি | খাদ্য, ঔষধ, প্ৰায় সকলোতে |
| বৰ | ঐ |
| ৰূপহী | ঐ |
| **দ** | |
| দূবৰি | গৰু-ছাগলীৰ খাদ্য, সকলো অঞ্চলত |
| দোৰোণ | ঔষধ, খাদ্য; সমগ্ৰ মাজুলী |
| দীঘলতী | গৰুবিহুত ব্যৱহাৰ, সমগ্ৰ মাজুলী |
| দেৱদাৰু | সৌন্দৰ্যবৰ্দ্ধক; কমলাবাৰী, গড়মূৰ। |
| **ধ** | |
| ধান : | |
| কণজহা | খাদ্য, সমগ্ৰ মাজুলী |
| শুৱাগমণি | ঐ |
| মাচুৰী | ঐ |
| মালভোগ | ঐ |
| বৰ জাহেংগিয়া | ঐ |
| সক জাহেংগিয়া | ঐ |
| শ'লপোনা | ঐ |
| শিয়ালশালি | ঐ |
| মৈমনচিঙীয়া বাও | ঐ |
| ৰঙাগোঠা বাও | ঐ |
| এদলীয়া বাও | ঐ |
| আহিনীয়া বাও | ঐ |
| অমনা বাও | ঐ |
| ধুতুৰা | ঔষধ, সৌন্দৰ্যবৰ্দ্ধক; প্ৰায়বোৰ অঞ্চলত |
| ধুন্দুলি | খাদ্য (পাচলি) ঐ |

| অসমীয়া নাম | ব্যৱহাৰ, বিস্তৃতি |
|---|---|
| ধনীয়া (অসমীয়া) | খাদ্য (সুগন্ধি), সমগ্ৰ মাজুলী। |
| **ন** | |
| নহৰু | খাদ্য, সমগ্ৰ মাজুলী |
| নল | বিভিন্ন কামত ব্যৱহৃত |
| নাচপতি | সুস্বাদু ফল, কম পৰিমাণে দেখা যায়। |
| নেফাফু | ঔষধ, সমগ্ৰ মাজুলী |
| নাৰ্জীফুল | সৌন্দৰ্যবৰ্দ্ধক, সমগ্ৰ মাজুলী |
| নেমু (কাজি) | খাদ্য, সমগ্ৰ মাজুলী |
| নেমু (জৰা) | ঐ |
| নিলাজী বন | ঔষধ, অপতৃণ, সমগ্ৰ মাজুলী |
| নিকৰি | খাদ্য; দূবৰিতলি, ভেৰেকী, অন্যান্য বিল। |
| **প** | |
| পকমৌ | খাব পাৰি, আহুধানৰ লগত হয় |
| পথৰুৱা বিহলঙনী | ঔষধ, খৰালি খাল, ডোবা আদিত পোৱা যায় |
| পচতীয়া | ঔষধ, সমগ্ৰ মাজুলী |
| পহুসোকোটা | ঔষধ, সমগ্ৰ মাজুলী |
| পলাশ | ঐ |
| পাণ (জাতি) | মুখশুদ্ধি, ঔষধ, ঠাইবিশেষে |
| পাণ (আউনী) | ঐ |
| পানী মাটি-কাঁদুৰি | গৰুৰ খাদ্য, অপতৃণ |
| পাটিদৈ | শোৱাপাটি বনোৱা কামত, পলসুৱা অঞ্চলত |
| পালেং | খাদ্য, সমগ্ৰ মাজুলী |
| পিৰালি পালেং | খাদ্য, ঔষধ; সমগ্ৰ মাজুলী |
| পূৰ্ণনৱা (পুনৌনোৱা) | ঔষধ, সমগ্ৰ মাজুলী |
| পঞ্চমুখী আলু (বনৰীয়া) | ঔষধ, মূল ভূ-ভাগত |
| পিপলি | ঔষধ, মূল ভূ-ভাগত। |

| অসমীয়া নাম | ব্যৱহাৰ, বিস্তৃতি |
|---|---|
| **ফ** | |
| ফুলসজ্জা | সৌন্দৰ্যবৰ্দ্ধক, ঠাইবিশেষে |
| **ব** | |
| বৰ-ডিমৰু | বিভিন্ন কামত, সমগ্ৰ মাজুলী |
| বৰ-মেদেলুৱা | ঔষধ, সমগ্ৰ মাজুলী |
| বৰ-সোণবৰীয়াল | ঔষধ, ঐ |
| বৰ-টেঙেচী | খাদ্য, ঐ |
| বৰ-পুনি | পুখুৰী, বিল; সমগ্ৰ মাজুলী |
| বন-কপাহ | সমগ্ৰ মাজুলী |
| বন-খৰিকাজাঁই | সৌন্দৰ্যবৰ্দ্ধক, সমগ্ৰ মাজুলী |
| বহঁত | ইন্ধন, সমগ্ৰ মাজুলী |
| বোৱাল | ইন্ধন; অন্যান্য কামত, সমগ্ৰ মাজুলী |
| বননীল | ঔষধ, সমগ্ৰ মাজুলী |
| বগীতৰা | ইন্ধন, সমগ্ৰ মাজুলী |
| বান্দৰ কেঁকোৰা | ঔষধ, চামগুৰি (বনগাঁও) |
| বঙালী এৰা | ঔষধ, সমগ্ৰ মাজুলী |
| বিনৈ | অপতৃণ, সমগ্ৰ মাজুলী |
| বচ গছ | ঔষধ, সমগ্ৰ মাজুলী |
| বগা বাহেক | ঔষধ; নতুন কমলাবাৰী সত্ৰ, কমলাবাৰী |
| বাঘ আঁচোৰা | ঔষধ; অপতৃণ; মূল ভূ-ভাগত |
| বেতগাছ | বিভিন্ন কামত, সমগ্ৰ মাজুলী |
| বন-নহৰু | ঔষধ, মূল ভূ-ভাগত |
| বন-জালুক | ঔষধ, সমগ্ৰ মাজুলী |
| ব্ৰাহ্মী | ঔষধ, ঠাইবিশেষে। |
| **ম** | |
| মৰলীয়া শাক | খাদ্য, সমগ্ৰ মাজুলী |
| মজ | ইন্ধন, সমগ্ৰ মাজুলী |
| মচন্দৰী | ঔষধ, সমগ্ৰ মাজুলী |

| অসমীয়া নাম | ব্যৱহাৰ, বিস্তৃতি |
|---|---|
| মণিচাল | ঐ |
| মহানিম | ঐ |
| মৰণা বন | অপতৃণ, সমগ্ৰ মাজুলী |
| মাটি কঁঠাল | খাদ্য, ঠাইবিশেষে |
| মালভোগ খুটৰা | খাদ্য, সমগ্ৰ মাজুলী |
| মাদুৰী তুলা | বিভিন্ন কামত, ব্ৰহ্মপুত্ৰৰ চাপৰি |
| মাখিয়তী | গৰুবিহুত ব্যৱহৃত, সমগ্ৰ মাজুলী |
| মাছ-কাঁইটা | ইন্ধন, মূল ভূ-ভাগত |
| মাধৈ-মালতী | সৌন্দৰ্যবৰ্দ্ধক, ঠাইবিশেষে |
| মান-ধনীয়া | খাদ্য (সুগন্ধি), সমগ্ৰ মাজুলী |
| মিৰিকা টেঙা | খাদ্য, সমগ্ৰ মাজুলী |
| মিঠা-অমৰা | খাদ্য, ঠাইবিশেষে |
| মিৰি-আলু | খাদ্য, মূল ভূ-ভাগত |
| মোৱা আলু | খাদ্য, সমগ্ৰ মাজুলী |
| মে' ফ্লাৱাৰ | সৌন্দৰ্যবৰ্দ্ধক, ঠাইবিশেষে |
| মৌ-শৰালি | ঔষধ, বিলৰ পাৰত, পথাৰৰ কাষত |
| মৰাপাট | বিভিন্ন কামত, সমগ্ৰ মাজুলী |
| **ভ** | |
| ভাত কেৰেলা | খাদ্য (পাচলি), সমগ্ৰ মাজুলী |
| ভেষ | ইন্ধন, গায়নগাঁও অঞ্চলত |
| ভেট | খাদ্য, খাল-পুখুৰী-বিল, পথাৰ আদিত |
| ভেদাইলতা | খাদ্য, ঔষধ, সমগ্ৰ মাজুলী |
| ভাতঘিলা | ঔষধি, গড়মূৰ |
| **য** | |
| যম-লাখুটি | ঔষধ, ঠাইবিশেষে |

| অসমীয়া নাম | ব্যৱহাৰ, বিস্তৃতি |
|---|---|
| **ৰ** | |
| ৰঙালাও | খাদ্য (পাচলি), সমগ্ৰ মাজুলী |
| ৰজনীগন্ধা | সৌন্দৰ্যবৰ্দ্ধক, ঠাইবিশেষে |
| ৰহদৈ | খাদ্য, ঠাইবিশেষে |
| ৰঘুমলা | অপতৃণ, সমগ্ৰ মাজুলী |
| ৰাম-তুলসী | ঠাইবিশেষে |
| ৰাধাচূড়া | সৌন্দৰ্যবৰ্দ্ধক সমগ্ৰ মাজুলী |
| ৰিহা | গৰুৰ লেতেকুৰা বেমাৰত ব্যৱহাৰ; মাজুলীত আজিকালি দুষ্প্ৰাপ্য। |
| **ল** | |
| ল-বকৰা | খাদ্য, সমগ্ৰ মাজুলী |
| লফা | খাদ্য (পাচলি), সমগ্ৰ মাজুলী |
| লকচা | গৰুৰ খাদ্য, সমগ্ৰ মাজুলী |
| লেতাগুটি | ঔষধ, সমগ্ৰ মাজুলী |
| লাই-জাবৰি | ঐ |
| **শ** | |
| শতদল পদ্ম | সৌন্দৰ্যবৰ্দ্ধক, ঠাইবিশেষে |
| শতমূল☆ | ঔষধ, মূল ভূ-ভাগত |
| শগুণীলতা | ঐ |
| শিয়ালনেজীয়া | অপতৃণ, সমগ্ৰ মাজুলী |
| শিঙৰী | খাদ্য,খাল-ডোবা; কমলাবাৰী, বনগাঁও, |
| শিমলু আলু | খাদ্য, ঠাইবিশেষে |
| শেৱালি | সৌন্দৰ্যবৰ্দ্ধক, সমগ্ৰ মাজুলী |
| শেগুনীয়া | |
| শেগুনীয়া | — |
| শুকলতি | খাদ্য, ঔষধ; সমগ্ৰ মাজুলী |
| শংখমালতী | সৌন্দৰ্যবৰ্দ্ধক, ঠাইবিশেষে |
| **স** | |
| সক-মেদেলুৱা | ঔষধ, সমগ্ৰ মাজুলী |
| সক-টেঙেচী | ঐ |
| স্থলপদ্ম | সৌন্দৰ্যবৰ্দ্ধক, ঠাইবিশেষে |
| সাপকচু | ঐ |
| সোণাৰু | ইন্ধন, অন্যান্য কামত, মূল ভূ-ভাগত |
| **স** | |
| সোৱালু | ইন্ধন, অন্যান্য কামত; মূল ভূ-ভাগত |
| সেন্দুৰী লতা | সমগ্ৰ মাজুলী |
| সৌৰা | দাঁতোন; মৎস্য ক্ষেত্ৰ, সমগ্ৰ মাজুলী |
| সূৰ্যকান্তি | সৌন্দৰ্যবৰ্দ্ধক,ঠাইবিশেষে। |
| **হ** | |
| হালধি | খাদ্য, ঔষধ; সমগ্ৰ মাজুলী |
| হাড়যোৰা লতা | ঔষধ, ঠাইবিশেষে |
| হাচিয়তী (মাইচান) | ঔষধ, খাদ্য, সমগ্ৰ মাজুলী |
| হাচনাহানা | সৌন্দৰ্যবৰ্দ্ধক, ঠাইবিশেষে |
| হাতী-খুতুৰা | গৰুৰ খাদ্য, সমগ্ৰ মাজুলী |
| হেলঞ্চিশাক | খাদ্য, ইন্ধন; ঠাইবিশেষে। |



## মাজুলীৰ আৰ্দ্ৰভূমি

চাৰিওফালে জল-পৰিবেষ্টিত মাজুলীৰ অন্তৰ্ভাগতো বহুসংখ্যক বিল-ডোবা বিদ্যমান। এই বিল-ডোবাবোৰে মাজুলীৰ চহকী জৈব-বৈচিত্ৰ অধিক প্ৰাণৱন্ত কৰি তুলিছে। তাৰোপৰি মাজুলীৰ অৰ্থনীতিত এই বিল-ডোবাবোৰে অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। এই বিল-ডোবাবোৰ প্ৰধানকৈ প্ৰাকৃতিক মৎস্যক্ষেত্ৰ হিচাপে গণ্য কৰি অহা হৈছে।

প্ৰবহনতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা এই বিল-ডোবাবোৰৰ কাষে কাষে অপৰিকল্পিতভাৱে নিৰ্মিত আলি-পদূলিয়ে বিলবোৰৰ তলি তৰাং কৰি আনিছে। ব্ৰহ্মপুত্ৰত নদীৰ খহনীয়াইও ইতিমধ্যে বহুকেইগন বিল নদীৰ গৰ্ভত বিলীন কৰিলে। আনহাতে জনসংখ্যা বৃদ্ধিৰ ফলত বিলবোৰৰ কাষলৈকে কৃষিভূমিৰ প্ৰসাৰ হৈ থকাত বিলবোৰ অতি সহজতে মৃত্যুমুখত পৰিব। সেয়ে পৰিকল্পিতভাৱে বৈজ্ঞানিক উপায়েৰে বিলবোৰৰ আগৰ অৱস্থা ঘূৰাই আনিবলৈ চেষ্টা কৰাটো প্ৰতিজনৰে দায়িত্ব।

সমগ্ৰ মাজুলীৰ বিল-ডোবাৰ তালিকা ইয়াত সন্নিবিষ্ট কৰা হৈছে।

### প্ৰাকৃতিক মৎস্যক্ষেত্ৰ হিচাপে বিল-ডোবাৰ নাম

| পঞ্চায়ত | বিল-খাল/নদ-নদীৰ নাম | মৎস্যক্ষেত্ৰৰ কালি (বৰ্গ কি: মি:) |
|---|---|---|
| (১) [illegible] গাঁও-পঞ্চায়ত | ১। গোজোবা বিল | .০৩ বৰ্গ কি: মি: |
| | ২। মিছামৰা বাহিৰ ঘূলি | .০২ " " |
| | ৩। মিছামৰা চাপৰি বিল | .০১ " " |
| | ৪। জলজলীয়া ডুবি | .০০৫ " " |
| | ৫। ভোমোৰাগুৰি বিল | .০০২ " " |
| | ৬। চিৰাম চাপৰি | .০২৭ " " |
| | ৭। কংকুৰ চাপৰি | .০১ " " |
| (২) [illegible] গাঁও-পঞ্চায়ত | ৮। কলিদুৱাৰ বিল | .০৭৭ " " |
| | ৯। জোনাই বিল | — — |
| | ১০। গেলাডোৱাৰ বিল | .০৩ " " |
| | ১১। বৰদোৱাৰ বিল | .০৯৭ " " |
| | ১২। কাঠ চাপৰি | .০২ " " |

# প্ৰাকৃতিক মৎস্যক্ষেত্ৰ হিচাপে বিল-ডোবাৰ নাম

| পঞ্চায়ত | বিল-খাল/নদ-নদীৰ নাম | মৎস্যক্ষেত্ৰৰ কালি (বৰ্গ কি: মি:) |
|---|---|---|
| (৩) শ্ৰীলুইত (চিৰিলুইত) গাঁও-পঞ্চায়ত | ১৩। বেলগুৰি বিল | .০০৬ বৰ্গ কি: মি: |
| | ১৪। নল-দোৱাৰ বিল | .০২ " " |
| | ১৫। কলীয়া বিল | .০৩ " " |
| | ১৬। দীঘলীয়া বিল | .০২৬ " " |
| | ১৭। মলাপিন্ধা বিল | .০০২ " " |
| | ১৮। ললিতি বালিদুৱাৰ | .০০৯ " " |
| (৪) গড়মূৰ গাঁও-পঞ্চায়ত | ১৯। মৰি খাৰজান বিল | .০৫ " " |
| | ২০। গড়মূৰ ফুটুকী | .০০৫ " " |
| | ২১। খাৰজান মৰিসুঁতি | .০৭ " " |
| | ২২। ১৩ কি: মি: গড়মূৰ যোগী পথাৰ | .০০২ " " |
| (৫) চিলাকলা গাঁও-পঞ্চায়ত | ২৩। বৰাচুক নাডুৱা | .০০৫ " " |
| | ২৪। মায়াসুঁতি | .০০২ " " |
| | ২৫। ১নং বৰগঞা | .০৬ " " |
| (৬) ৰাৱণাপাৰ গাঁও-পঞ্চায়ত | ২৬। পিঠাখোৱা বিল | — — |
| | ২৭। টটয়া বিল | .০২ " " |
| | ২৮। টটয়া ঔডুবি | .০৭ " " |
| | ২৯। টটয়া খনিডুবি | ০.২ " " |
| | ৩০। পটিয়া কছাৰী বোকা | ০৪ " " |
| | ৩১। ৰাৱণাপাৰ ডুবি | .০০৯ " " |
| | ৩২। পটিয়া নদ্যা | .০২ " " |
| | ৩৩। টটয়া গাঁও বিল | .০৪ " " |
| | ৩৪। ডেকা শেনচোৱা বিল | .০৫ " " |
| | ৩৫। মেখেলি গাঁও বিল | .০৬৯ " " |
| | ৩৬। দুবৰিতলি | — — |
| | ৩৭। বিহদিয়া বিল | — — |

# প্ৰাকৃতিক মৎস্যক্ষেত্ৰ হিচাপে বিল-ডোবাৰ নাম

| পঞ্চায়ত | বিল-খাল/নদ-নদীৰ নাম | মৎস্যক্ষেত্ৰৰ কালি (বৰ্গ কি: মি:) |
|---|---|---|
| (৭) দক্ষিণ কমলাবাৰী গাঁও-পঞ্চায়ত | ৩৮। জুগুনীধাৰী বিল | .০১ বৰ্গ কি: মি: |
| | ৩৯। লাহলীয়াল বাস্তা পশ্চিম অংশ | .০০১ ” ” |
| | ৪০। লাহলীয়াল চাকুলি | .০৪ ” ” |
| | ৪১। ঢেৰাপৰা বিল | — — |
| | ৪২। ডাউকপৰা বিল | — — |
| (৮) কমলাবাৰী গাঁও-পঞ্চায়ত | ৪৩। পোহাৰদিয়া গেৰেকী | .০০৭ ” ” |
| | ৪৪। ভোগপুৰ বিল | .০১ ” ” |
| | ৪৫। পোহাৰদিয়া দীঘলী | .০০৩ ” ” |
| | ৪৬। মটিয়াবাৰী বিল (মলহাখোৰা) | .০১ ” ” |
| | ৪৭। দৰিয়া আলিছিগা | — — |
| | ৪৮। কেৰেলাগাঁও আলিছিগা | — — |
| | ৪৯। ভেৰেক বিল | — — |
| | ৫০। বৰ ফুটুকা | .০০৯ ” ” |
| | ৫১। ২নং ম’হখুটি | — — |
| | ৫২। বৰখহলি | — — |
| | ৫৩। কেৰেলা গাঁও বিল | — — |
| (৯) পকাজৰা গাঁও-পঞ্চায়ত | ৫৪। পকাজৰা বিল | .০৬ ” ” |
| | ৫৫। ৩নং ম’হখুটি | .০৩ ” ” |
| | ৫৬। ৩৮ নং পকাজৰা | .০১৩ ” ” |
| | ৫৭। বালিডুবি | .০১৬ ” ” |
| | ৫৮। ৩২৫ নং পকাজৰা | .০১১ ” ” |
| | ৫৯। গৰুবাট বিল | .০০৯ ” ” |
| | ৬০। পকাজৰা চৰলা | .০২৯ ” ” |
| | ৬১। ১৬১ নং জকাইবোৰা | .০২ ” ” |
| | ৬২। ঠাকুৰসুঁতি, গৰৈমাৰি | — — |

# প্ৰাকৃতিক মৎস্যক্ষেত্ৰ হিচাপে বিল-ডোবাৰ নাম

| পঞ্চায়ত | বিল-খাল/নদ-নদীৰ নাম | মৎস্যক্ষেত্ৰৰ কালি (বৰ্গ কিঃ মিঃ) |
|---|---|---|
| (৯) পকাজৰা গাঁও-পঞ্চায়ত | ৬৩। ৩ নং ভূৰামৰা | .০৭ বৰ্গ কি: মি: |
| | ৬৪। টেকেলিডুবী, শ'লমাৰি | — — |
| | ৬৫। কলীয়া জকাইবোৱা | .১৪ " " |
| (১০) বনগাঁও গাঁও-পঞ্চায়ত | ৬৬। চৰলা বিল | .০৫ " " |
| | ৬৭। কাপোৰ ধোৱা গা-খজুৱা | .০৭ " " |
| | ৬৮। টুনীনদী বালিচাট | .০৩ " " |
| | ৬৯। ধোৱাচলা প'ৰাম | .১০ " " |
| | ৭০। বাঘেমাৰি বিল | .০৬৬ " " |
| (১১) দক্ষিণপাট গাঁও-পঞ্চায়ত | ৭১। বোকাবিল | .০৫ " " |
| | ৭২। মৰাণ বিল | .০১৪ " " |
| | ৭৩। গৰৈমাৰি বিল | .০৬৬ " " |
| | ৭৪। গা-খজুৱা বিল | .০৭ " " |
| | ৭৫। ঘোটাহোলা বিল | .১৪ " " |
| | ৭৬। মাগুৰমাৰি, বৰবিল | — — |
| | ৭৭। দক্ষিণপাট মথাউৰি খান্দা | .০১২ " " |
| (১২) ফুটুকপৰীয়া গাঁও-পঞ্চায়ত | ৭৮। তকৰা বিল | .০২ " " |
| | ৭৯। মৰিসুঁতি খাম্‌খা ডোবা | .০০২ " " |
| | ৮০। মৰিসুঁতি গড়কাপ্টানী ছিগা | .০০১ " " |
| | ৮১। মৰিসুঁতি বৰগঞা ডোবা | .০০৭ " " |
| | ৮২। পানীখাটী বিল | .০১৬ " " |
| | ৮৩। কাঙ্কুলিমাৰি মথাউৰি ছিগা | .০৬ " " |
| | ৮৪। কাছমাৰি গাঁও সমীপৰ ছিগা | .০৬ " " |
| | ৮৫। কছাৰী ভগনীয়া বিল | .০১৩ " " |
| | ৮৬। টেঙাপনীয়া বিল | .০১০ " " |
| | ৮৭। কাঙ্কুলিমাৰি বাহিৰ-ভিতৰ বিল | .০০৮ " " |

# প্ৰাকৃতিক মৎস্যক্ষেত্ৰ হিচাপে বিল-ডোবাৰ নাম

| পঞ্চায়ত | বিল-খাল/নদ-নদীৰ নাম | মৎস্যক্ষেত্ৰৰ কালি (বৰ্গ কি: মি:) |
|---|---|---|
| (১৩) ৰতনপুৰ গাঁও-পঞ্চায়ত | ৮৮। মিলিগাঁও তিনিআলি মথাউৰি ছিগা | .০০৬ বৰ্গ কি: মি: |
| | ৮৯। মিলিগাঁও হালধিবাৰী ১নং গড়কাপ্টানী ছিগা | .০০৫ " " |
| | | — — |
| | ৯০। গেজেৰা মথাউৰি ছিগা | .০৮ " " |
| | ৯১। চাওঁৰেকিয়া মথাউৰি ছিগা | .০১১ " " |
| | ৯২। ই. এণ্ড. ডি. ছিগা, হালধিবাৰী | .০৩ " " |
| | ৯৩। হালধিবাৰী গড়কাপ্টানী ছিগা | .০১৩ " " |
| | ৯৪। হালধিবাৰী মথাউৰি ছিগা, | .০৬ " " |
| | ৯৫। ভলুকাগুৰি ছিগা | — — |
| | ৯৬। কচুৰা ডুবি বিল | .০৩ " " |
| | ৯৭। কাছমাৰি | .০০৫ " " |
| | ৯৮। বগলীপুৰা বিল | .০০২ " " |
| (১৪) জেংৰাই গাঁও-পঞ্চায়ত | ৯৯। বৰপমুৱা আলিছিগা ডোবা | .০১ " " |
| | ১০০। ধুনীয়াসুঁতি বিল | .০১৮ " " |
| | ১০১। কচুৰা ডুবি | .০২ " " |
| | ১০২। আলিছিগা ডোবা | .০০২ " " |
| | ১০৩। পি. ডি. জি. ৯ কি: মি: সমীপৰ ডুবি | .০৯ " " |
| (১৫) ৰতনপুৰ মাজন গাঁও-পঞ্চায়ত | ১০৪। এলেংমাৰি বিল (চৰাইচোং) | .০৫ " " |
| | ১০৫। বোকাবিল | .০১৯ " " |
| | ১০৬। বোকাজান বিল | .০১৯ " " |
| | ১০৭। কোটাই নাহৰণি বিল | — — |
| | ১০৮। কঁঠালখোৱা কঠমীয়া বিল | .০১১ " " |

# প্ৰাকৃতিক মৎস্যক্ষেত্ৰ হিচাপে বিল-ডোবাৰ নাম

| পঞ্চায়ত | বিল-খাল/নদ-নদীৰ নাম | মৎস্যক্ষেত্ৰৰ কালি (বৰ্গ কিঃ মিঃ) |
|---|---|---|
| (১৬) চেৰেপাই গাঁও-পঞ্চায়ত | ১০৯। খেৰকটা এৰাসুঁতি | .১৭ বৰ্গ কিঃ মিঃ |
| | ১১০। কুমাৰবাৰী আলি ডুবি | .০১৩ " " |
| | ১১১। শালমাৰি বিল | .০৯ " " |
| | ১১২। চেৰেপাই মাজৰ ডুবি | .০২ " " |
| (১৭) ফুলনী গাঁও-পঞ্চায়ত | ১১৩। গতঙা পুলমুখ ডোবা | .০০২ " " |
| | ১১৪। ফুলনি দলং | .০০২ " " |
| | ১১৫। গাতিয়ঁলা আলিছিগা ডুবি | .০০২ " " |
| | ১১৬। ফুলনি আলিছিগা ডুবি | .০০৬ " " |
| | ১১৭। নাগনচুক আলিছিগা | .০০৫ " " |
| | ১১৮। সোণাৰি বিল | — — |
| | ১১৯। কলীয়া বিল | — — |
| (১৮) শ্ৰীৰাম গাঁও-পঞ্চায়ত | ১২০। মুদৈ বিল | .০৬৪ " " |
| | ১২১। হাতীমূৰীয়া বিল | .০৯ " " |
| | ১২২। বোকাজান বিল | .১৬৮ " " |
| | ১২৩। শ্ৰীৰাম দেউৰী | .১২৭ " " |
| | ১২৪। চেঙামাৰি ডুবি | .০৪৬ " " |
| | ১২৫। হৰাই ডুবি | .০৩৪ " " |
| | ১২৬। বোকাজান ডুবি | .০১৮ " " |
| | ১২৭। দেউৰী বিল | .০২৯ " " |
| (১৯) ৰঙাচাহী গাঁও-পঞ্চায়ত | ১২৮। বৰগুৰি আলিছিগা | .০১ " " |
| | ১২৯। পহুমৰা চাওলা ডুবি | .০০২ " " |
| | ১৩০। সোণাৰিআটী আলিছিগা ডুবি | .০০৪ " " |
| | ১৩১। ৰঙাচাহী ডোবা | .০২৩ " " |


# প্ৰাকৃতিক মৎস্যক্ষেত্ৰ হিচাপে বিল-ডোবাৰ নাম

| পঞ্চায়ত | বিল-খাল/নদ-নদীৰ নাম | মৎস্যক্ষেত্ৰৰ কালি (বৰ্গ কি: মি:) |
|---|---|---|
| (১৯) বঙাআটী গাঁও-পঞ্চায়ত | ১৩২। বাতমাৰি বিল | .০৬ বৰ্গ কি: মি: |
| | ১৩৩। নলনি বিল | .০২৬ " " |
| | ১৩৪। বৰবাম চাপৰি মাজৰ ডুবি | .০০৯ " " |
| | ১৩৫। পহুমৰা ন-ভঙা ডোবা | .০১৮ " " |
| | ১৩৬। খেৰকাটি বিল | .০০৮ " " |
| | ১৩৭। পহুমৰা আলিছিগা | .০০১৩" " |
| | ১৩৮। ঠাকুৰসুঁতি বিল | .০১৩ " " |
| | ১৩৯। চান্দমাৰি বিল | .০৬৪ " " |
| | ১৪০। ৩০ নং ভূৰামৰা বিল | .২৩৭ " " |
| (২০) ৰাজহ বিভাগৰ ফিচাৰী | ১৪১। ২৩ নং গড়মূৰ যোগীপথাৰ ঘূলি ফিচাৰী | .৫৪ " " |
| | ১৪২। ১৮নং শুকানসুঁতি বৰবিল(ভকতি বিল) ফিচাৰী | .৩৯ " " |
| | ১৪৩। ১৫নং খাৰজান ঘূলি ফিঁচাৰী | .৬১৮ " " |
| | ১৪৪। ২১নং খৰখৰী ফিচাৰী | .০৩৬ " " |
| | ১৪৫। ২৯নং দৰিয়াডুবি ফিচাৰী | .০৬ " " |
| | ১৪৬। ২৮নং ভেৰেকী | .৪২ " " |
| | ১৪৭। ১৭নং লুহিত এৰাসুঁতি ফিচাৰী | ১.৭ " " |
| | ১৪৮। ৩১/৩২ ৰূপহী মলং বৰবিল ফিচাৰী | .৩৬ " " |
| | ১৪৯। ১৩নং দক্ষিণপাট বৰবিল ফিচাৰী | .১০২ " " |
| | ১৫০। ১৬ নং যোৰবিল ফিচাৰী | .২৩ " " |
| | ১৫১। ২০ নং হাউলী ফিচাৰী | .০৪ " " |
| | ১৫২। ১৬ নং বুৰুক বিল ফিচাৰী | .২৪৮ " " |
| (২১) এ. ক. ডি. চি চি | ১। কাকৰীকটা ফিচাৰী | |
| | ২। টুনী ফিচাৰী | |
| | ৩। শাওলা গতঙা | |

তালিকাখনি প্ৰস্তুতকৰণত নথি-পত্ৰ যোগান দিয়া বাবে খণ্ড-উন্নয়ন বিষয়াৰ কাৰ্যালয় আৰু মহকুমা পৰিষদক ধন্যবাদ জ্ঞাপন কৰা হ'ল। কমলাবাৰী মৎস্য-ব্যৱসায়ীসকলে তেখেতসকলৰ জ্ঞাত তথ্য অকপটে এই ক্ষেত্ৰত প্ৰদান কৰিছে। এই ক্ষেত্ৰত সহায় কৰা আন ব্যক্তিসকল হ'ল—

১। ৰবীন শইকীয়া, ধোৱাচলা, মাজুলী ২। প্ৰফুল্ল বৰুৱা, ৰঙাচাহী, মাজুলী ৩। খগেন দাস, খোৰাহোলা, মাজুলী ৪। মদন শইকীয়া, উৰিয়াম পাৰা, মাজুলী ৫। প্ৰমোদ দত্ত, বালিচাপৰি, মাজুলী ৬। উপেন বৰা, মেখেলি গাঁও, মাজুলী ৭। দেবেশ্বৰ শইকীয়া, বনগাঁও, মাজুলী ৮। দুৰ্লভ দাস, ৰাঙলীবাহাৰ, মাজুলী ৯। ৰঞ্জন দত্ত (মণ্ডল), কমলাবাৰী, মাজুলী ১০। দেবেন শইকীয়া, কাঠনিবাৰী, কমলাবাৰী ১১। শংকৰ গাম, ঢাপাক গাঁও, কমলাবাৰী, ১২। যুগল হাজৰিকা, বেঙেনাআটী, মাজুলী।

চৰকাৰী তথ্যমতে বিল-ডোবাৰ ক্ষেত্ৰৰ একক বিঘা-কঠা-লোচাত আছিল যদিও মেট্ৰিক পদ্ধতিলৈ ৰূপান্তৰ কৰা হৈছে। বহু বিল/ডোবাৰ ক্ষেত্ৰ নথিভুক্ত নোহোৱাৰ বাবে উল্লেখ কৰিব পৰা নগ'ল। বিল/ডোবাবোৰ পঞ্চায়ত হিচাপে নথিভুক্ত কৰা হৈছে। চৰকাৰীভাবে লিজত দিয়া আৰু নিদিয়া দুই প্ৰকাৰৰ বিলেই ইয়াত অন্তৰ্ভুক্ত কৰা হ'ল। এই তালিকা-খনিত দুই-চাৰিখন বিল হয়তো অন্তৰ্ভুক্ত নকৰাকৈ থাকি যাব পাৰে। পৰৱৰ্তীসকলে তালিকাক ভেটি কৰি সহজতেই আন তথ্যসমূহ সংগ্ৰহ কৰিব পাৰি। ব্যক্তিগত পুখুৰী আৰু ব্ৰহ্মপুত্ৰ নদৰ বিভিন্ন ঘূলিসমূহ ইয়াত অন্তৰ্ভুক্ত কৰা হোৱা নাই।



## পৰ্যটকৰ বাবে আকৰ্ষণীয় উপাদানসমূহ

মাজুলী দেশ-বিদেশৰ পৰ্যটকৰ বাবে এখন আকৰ্ষণীয় স্থানৰূপে পৰিগণিত হ'বলৈ ধৰিছে। ইয়াৰ মূল কাৰণ হ'ল ভৌগোলিক মানচিত্ৰত বৃহত্তম নদী-দ্বীপ হিচাপে মাজুলীৰ পৰিচয়। তদুপৰি কেইবাটাও পৰ্যটকৰ বাবে আকৰ্ষণীয় উপাদান আছে; যিকেইটাই পৰ্যটকক প্ৰলোভিত কৰে। সেয়া হৈছে— প্ৰথমে, বৈষ্ণৱ কলা-সংস্কৃতিৰ অপূৰ্ব সমাৱেশ; দ্বিতীয়তে, প্ৰদূষণমুক্ত নিৰ্মল পৰিবেশ; তৃতীয়তে, দেশী-বিদেশী পক্ষীৰ বিচৰণ-ভূমি— বিল, সুঁতি আদি; চতুৰ্থতে, পুৰণি স্মৃতিচিহ্ন জড়িত ঐতিহাসিক স্থানবোৰ। শিল্পকলা, বয়ন-শিল্পৰ চালে-চকুৱে৷ৰা কৰ্মৰাজি আৰু বৰ্ণাঢ্য সামাজিক-সাংস্কৃতিক পৰিৱেশ। পৰ্যটনস্থলী মাজুলীৰ বিভিন্ন দিশবোৰ তলত ক্ৰমানুসাৰে আলোচনা কৰা হ'ল।

১) বৃহত্তম নদী-দ্বীপ স্বৰূপে মাজুলী : আজি বিশ্বৰ বিভিন্ন দেশৰ অনুসন্ধিৎসুসকলৰ বাবে মাজুলীৰ সৃষ্টি, গঠন আৰু ভৌগোলিক অৱস্থিতি আদি বিষয়বোৰ কৌতুহলপূৰ্ণ সমল। যাক স্বচক্ষে দেখাৰ বাবে তেওঁলোক আগ্ৰহী হৈ থাকে। ভূ-প্ৰাকৃতিক পৰিঘটনাৰ ফলত সৃষ্টি হোৱা নদীৰ মাজৰ এই বৃহত্তম দ্বীপটো চাবৰ বাবে উত্ৰাৱল হৈ থকাটো স্বাভাৱিক। সঁচাকৈয়ে প্ৰকৃতিয়ে জন্ম দিয়া মাজুলীলৈ যোৱাৰ অভিজ্ঞতা এক ৰোমাঞ্চকৰ হৈ থাকিব এজন পৰ্যটকৰ বাবে। প্ৰথমে এছোৱা বাছ বা আন যান-বাহনৰ সহায়ত নিমাতি ঘাটলৈ যোৱা, তাৰ পিছত ৰবলুইতৰ বুকুৰ মাজেৰে ঘাটৰ পৰা নাৱেৰে যোৱা, দূৰ-দূৰণি তথা মাজুলীৰ গছ-গছনি আদিৰ নয়নভৰা দৃশ্য নৈৰ মাজৰ পৰা নাৱত উঠি উপভোগ কৰা; তাৰ পিছত মাজুলীৰ কোনোবা এটা ঘাটত উপস্থিত হৈ পুনৰ বাহেৰে দ্বীপভূমিত বিচৰণ কৰি বিভিন্ন অভিজ্ঞতাৰ সোৱাদ লোৱা। কি যে প্ৰকৃতিৰ অৱদান! নদীৰ মাজত বেলেগ এখন জগত, য'ৰ মাটি, বালি, জলবায়ু, গছ-গছনি, পানী, পৰিবেশ আদি যেন অলপ হ'লেও বেলেগ। এয়াই দ্বীপ মাজুলী। হেঁপাহেৰে তাবি থকা, ভ্ৰমণপ্ৰিয়জনে ইয়াতে বিচাৰি পাব নতুন নতুন তথ্যৰ উৎস। এই দ্বীপৰ চাৰিসীমা কেনেকুৱা? ইয়াত পানী বাঢ়িলে পানীবোৰ ক'লৈ যাব? দ্বীপৰ আশে-পাশে থকা বালিৰ চৰবোৰ কেনেকৈ হ'ল? নদীৰ মাজৰ এই দ্বীপটো কেতিয়াবা পানীয়ে উটাই লৈ যাব নেকি? এই বিভিন্ন ধৰণৰ তথ্যৰ সোৱাদ ইয়ালৈ অহা পৰ্যটক এজনৰ বাবে এক সদা-স্মৰণীয় হৈ থাকিব। ইয়াৰ মানুহৰ আচাৰ-ব্যৱহাৰ, কথা-বতৰা, চাল-চলন আদি প্ৰতিটো বিষয় পৰ্যটকৰ বাবে সমল। কিয়নো ই এটা নদী-দ্বীপৰ মাজত, বিশেষ এক পৰিবেশৰ মাজত গঢ় লোৱা মানুহৰ সমাজ। যোৱা কেইবছৰমানৰ পৰা এই নদী-দ্বীপ মাজুলীৰ বিষয়ে বিভিন্ন প্ৰচাৰ মাধ্যমত ঠাই পোৱাত দেশ-বিদেশত মাজুলীৰ বিষয়ে বহু কথা জানিব পাৰিছে। সেয়ে বৰ্তমান দেশ-বিদেশৰ ভ্ৰমণকাৰী আগতকৈ বৃদ্ধি হোৱা দেখা গৈছে। পৰ্যটকৰ উপযোগী যাৱতীয় কিছু সা-সুবিধা বা উপযুক্ত পৰিবেশ সৃষ্টি কৰিব পাৰিলে পৰ্যটকৰ সংখ্যা আৰু বৃদ্ধি পোৱাৰ প্ৰচুৰ সম্ভাৱনা আছে।

২) বৈষ্ণৱ কলা-সংস্কৃতিৰ অপূৰ্ব সমাৱেশ : মাজুলী যে বৃহত্তম নদী-দ্বীপৰূপে পৰিচিত এনে নহয়, মাজুলীক অসমৰ বৈষ্ণৱ কলা-সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ তথা ভঁৰাল বুলি অভিহিত কৰা হয়। ইয়াৰ সত্ৰীয়া-সংস্কৃতিৰ উপাদানবোৰ পৰ্যটকৰ বাবে এক আকৰ্ষণীয় বিষয়। মাজুলীত এসময়ত ৬০খনৰো অধিক সত্ৰ থকাৰ কথা জনা যায়। তাৰো আগতে মাজুলীৰ ধুঁৱাহাটত অসমৰ দুজন মহাপুৰুষৰ মণি-কাঞ্চন সংযোগ ঘটিছিল। তাৰ পিছৰ পৰাই মাজুলী এখন পবিত্ৰ ভূমিৰূপে গঢ় লয়, যাৰ ফলত বহুসংখ্যক সত্ৰৰ সমাৱেশ ঘটে। এনেদৰে সত্ৰৰ কেন্দ্ৰস্থল ইমান কম ঠাইত আৰু খুব কম সময়ৰ ভিতৰত কেন্দ্ৰীভূত হৈ পৰাটো এক মন কৰিবলগীয়া দিশ। অৱশ্যে পিছলৈ বিভিন্ন কাৰণত ইয়াৰ সত্ৰৰ সংখ্যা হ্ৰাস পাবলৈ ধৰে। বৰ্তমান ইয়াৰ সত্ৰৰ সংখ্যা ৩৬খন বুলি জনা যায়। অসম সত্ৰ মহাসভাই প্ৰকাশ কৰা তথ্যমতে মাজুলীত বৰ্তমানো ৩৬খন সত্ৰ কাৰ্যক্ষম হৈ আছে। সেই সত্ৰসমূহ হৈছে : ১। আউনীআটী, ২। গড়মূৰ, ৩। দক্ষিণপাট, ৪। নতুন কমলাবাৰী, ৫। বেঙেনাআটী, ৬। ভোগপুৰ, ৭। উত্তৰ কমলাবাৰী, ৮। বেলসিদ্ধিয়া, ৯। সাঁকোপাৰা, ১০। ঔনা সত্ৰ, ১১। আধাৰ সত্ৰ, ১২। পুনিয়া বৰভাগ, ১৩। বৰ এলেঙি, ১৪। বালিচাপৰি বৰ এলেঙি, ১৫। চামগুৰি, ১৬। নতুন চামগুৰি, ১৭। দলনি চামগুৰি, ১৮। দিখৌমুখ এলেঙি, ১৯। বগীআই, ২০। নৰসিংহ, ২১। বিহিমপুৰ, ২২। বাঁহজেঙনি, ২৩। টকৌবাৰী, ২৪। কালশিলা, ২৫। চকলা সত্ৰ, ২৬। দুৱামাৰি, ২৭। চাৰিভিয়া, ২৮। এলেঙি-মদাৰগুৰি, ২৯। দীঘলী সত্ৰ,

৩০। মধ্য মাজুলী কমলাবাৰী, ৩১। নতুন বৰ এলেঙি, ৩২। মলুৱাল বৰ এলেঙি, ৩৩। আঁহতগুৰি, ৩৪। ফুলনি পুনিয়া সত্ৰ, ৩৫। বতৰগএগ্ৰা আৰু ৩৬। ৰাজগুৰুবাৰী। কিন্তু এই সংখ্যা নিৰ্ভৰযোগ্য নহয়। অৰ্থাৎ সামান্য সংখ্যক বঢ়া-টুটা হ'ব পাৰে। অসমৰ প্ৰধান চাৰিসত্ৰৰ তিনিখনেই মাজুলীত অৱস্থিত। কাল-সংহতি, ব্ৰহ্ম-সংহতি, পুৰুষ-সংহতি আৰু নিকা-সংহতি— এই চাৰিও সংহতিয়েই মাজুলীৰ ভিন্ ভিন্ সত্ৰত সিঁচৰতি হৈ আছে। তলত মাজুলীৰ কেইখনমান প্ৰধান উল্লেখযোগ্য পৰ্যটকৰ বাবে গুৰুত্বপূৰ্ণ সত্ৰৰ বিষয়ে সংক্ষিপ্ত বিৱৰণ দিয়া হ'ল।

**আউনীআটী সত্ৰ :** মাজুলীৰ চাৰিসত্ৰৰ প্ৰথমখন গুৰুত্বপূৰ্ণ এই আউনীআটী সত্ৰ। পৰ্যটকৰ বাবে অতি আকৰ্ষণীয় এই আউনীআটী সত্ৰৰ কেইটামান উল্লেখযোগ্য দিশ হ'ল— ইয়াত অনুষ্ঠিত হোৱা কাতি মাহৰ পালনাম, সত্ৰীয়া নৃত্যৰ বিভিন্ন কলা-কৌশল, অঙ্কৰা নৃত্য, পুতলা নাচ, ওজাপালি আৰু বিভিন্ন পুৰাতাত্ত্বিক আচবাব আদি (স্থানান্তৰত সবিশেষ দিয়া হৈছে।)। এইখন সত্ৰৰ পৰাই প্ৰথম থলুৱা লোকৰ প্ৰচেষ্টাত আৰু সেই সময়ৰ সত্ৰাধিকাৰ দত্তদেৱ গোস্বামীৰ উদ্যোগত 'আসাম বিলাসিনী' কাকত বহু কণ্টকময় পৰিৱেশৰ মাজত প্ৰকাশ পাইছিল। বহুতো সাঁচিপাতৰ পুথি, চৰিতপুথি, ধৰ্মীয় নাট আদি এই সত্ৰত থুপখাই আছে। অপৰূপ ৰং-তুলিকাৰে আঁকি থোৱা ছবিৰে সৈতে 'হস্তি বিদ্যাৰ্ণৱ' পুথিখনি চাবলগীয়া তাৎপৰ্যপূৰ্ণ পুথি। আউনীআটী সত্ৰৰ কাতি মাহত নামঘৰৰ দক্ষিণপ্ৰান্তত প্ৰজ্বলিত শাৰী শাৰী আকাশ-বন্তিৰ দৃশ্য অতি আকৰ্ষণীয়। ইয়াৰ নৃত্য-গীত, অংকীয়া ভাওনা, নাম-প্ৰসংগ, গায়ন-বায়ন, তিথি-পাৰ্বণ, ৰাসলীলা, নাট্যাভিনয় আদি অতি উপভোগ্য। এই সত্ৰত কাতি বিহুও উলহ-মালহেৰে পালন কৰা হয়। এই সত্ৰই এতিয়াও বিভিন্ন দিশত ঐতিহ্যপূৰ্ণ সুনাম অটুট ৰাখিব পাৰিছে। বছৰি ইয়ালৈ বহুতো বৈষ্ণৱপ্ৰাণ ভকতৰ লগতে দেশ-বিদেশৰ ভ্ৰমণকাৰীৰ আগমন হয়।

**দক্ষিণপাট সত্ৰ :** মহাবাহু ব্ৰহ্মপুত্ৰৰ নিচেই কাষতে মাজুলীৰ দক্ষিণ-পূবত ঐতিহাসিক চাৰিসত্ৰৰ অন্যতম দক্ষিণপাট সত্ৰ। দক্ষিণপাট সত্ৰৰ ৰাসৰ এক বিশেষ সুনাম আছে। দক্ষিণপাট সত্ৰৰ ৰাসৰ কৃষ্ণই সোণ-ৰূপ মিশ্ৰিত মুকুট পিন্ধি ওলায়। এই ৰাসপূজা আৰু নাট্যাভিনয়ৰ সময়ত দক্ষিণপাট সত্ৰত বহুতো ভক্ত, শিষ্য, গুণমুগ্ধ আৰু ভ্ৰমণকাৰীৰ সমাৱেশ ঘটে। এই সত্ৰতো বহুতো ৰজাদিনীয়া আপুৰুগীয়া সম্পদ, আ-অলংকাৰ, পুথি, তাম্ৰপত্ৰ আদি চাবলগীয়া আহিলা আছে। ইয়াৰ বহুমূলীয়া পুৰণি সম্পদবোৰ নিয়াৰিকৈ ৰখাৰ বাবে স্বেচ্ছাসেৱী অনুষ্ঠানৰ সহযোগত সংগ্ৰহালয় নিৰ্মাণৰ কাম-কাজ চলি থকাৰ কথা জনা যায়। সংগ্ৰহালয় হৈ উঠিলে পৰ্যটকে এই আপুৰুগীয়া সম্পদবোৰ চোৱাত অধিক সুবিধা হ'ব।

**গড়মূৰ সত্ৰ :** ৰজাঘৰীয়া চাৰিসত্ৰৰ অন্যতম গড়মূৰ সত্ৰ। এই সত্ৰৰো পৰ্যটকক আকৰ্ষণ কৰাৰ কিছু সমল আছে। সত্ৰৰ বাটচ'ৰাৰ ভাস্কৰ্যখোদিত শিল-চিমেণ্টেৰে পৌৰাণিক নিৰ্মাণ-শৈলীৰে নিৰ্মিত তোৰণ, বংগীয় আৰ্হিৰে থলুৱা শিল্পীৰ হতুৱাই নিৰ্মাণ কৰোৱা সত্ৰাধিকাৰৰ কেইবামহলীয়া আসন, বহুতো আপুৰুগীয়া পুথি, নামঘৰৰ চৌপাশে থকা পুৰণিকলীয়া বৃক্ষ, আধুনিক আৰ্হিৰে তৈয়াৰী বৈতমঞ্চৰ প্ৰেক্ষাগৃহ, বংশীগোপাল নাট্যমন্দিৰ, এসময়ৰ সংস্কাৰবাদী সংগ্ৰামী নেতা তথা সত্ৰাধিকাৰ পীতাম্বৰদেৱ গোস্বামীৰ মাৰ্বলৰ প্ৰতিমূৰ্তি, জয়ধ্বজ সিংহৰ আমোলতে ৰোৱা চম্পাফুল আৰু বকুলফুলৰ গছজোপা পৰ্যটকৰ বাবে আকৰ্ষণীয় সমল।

উত্তৰ-পূৰ্বাঞ্চলত ৰজাঘৰৰ সত্ৰ হিচাপে এতিয়াও অসম তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলতে হিন্দুসমাজখনৰ ওপৰত এই সত্ৰকেইখনৰ যথেষ্ট প্ৰভাৱ আছে।

**বেঙেনাআটী সত্ৰ :** ৰাজ-অনুগ্ৰহ লাভ কৰা এই সত্ৰৰ আপুৰুগীয়া সম্পদসমূহে প্ৰাচীন ঐতিহ্য বহন কৰাৰ লগতে পৰ্যটকৰ আকৰ্ষণ কেন্দ্ৰৰূপে পৰিগণিত হৈছে। ইয়াৰ প্ৰাচীন সম্পদবোৰ অতি পৰিপাটিকৈ সজাই-পৰাই থোৱাৰ বাবে এইবিলাক চাবলৈ যোৱাসকলৰ বাবে ই মনোগ্ৰাহী বিষয় হৈ পৰে। বেঙেনাআটী সত্ৰৰ ফাকুৱা উৎসৱে এক আনন্দময় পৰিৱেশৰ সৃষ্টি কৰে।

**চামগুৰি সত্ৰ :** চামগুৰি সত্ৰৰ শিল্প-কলাৰ নিদৰ্শন চালে চকু যোৱা। এই সত্ৰৰ পৌৰাণিক আৰু আধুনিক চিত্ৰকলা আৰু ভাস্কৰ্যৰ নিদৰ্শনে দেশ-বিদেশৰ পৰ্যটকৰ মন মুহিবলৈ সক্ষম হৈছে। বাঁহ-বেতেৰে তৈয়াৰী ভিন্ন প্ৰকাৰৰ মুখা-শিল্প এই অঞ্চলটোৰে এক উল্লেখনীয় সম্পদ। চামগুৰি সত্ৰত শংকৰদেৱৰ ব্যৱহৃত কেইবা পদো সম্পদ আছে বুলি জনা যায়। ইয়াৰ মুখা-শিল্পক লৈ দেশ-বিদেশত সম্প্ৰতি আলোচিত হোৱাৰ কথা জনা গৈছে।

**নতুন কমলাবাৰী আৰু উত্তৰ কমলাবাৰী সত্ৰ :** মাজুলীৰ মহাপুৰুষীয়া সত্ৰসমূহৰ ভিতৰত কমলাবাৰী সত্ৰ অন্যতম আৰু শংকৰী কলা-কৃষ্টিৰ মূল বাহকৰূপে পৰিচিত। এইখন সত্ৰতো বহুতো পুৰণি লেখত ল'বলগীয়া সা-সামগ্ৰী আছে। যিবোৰ পৰ্যটকৰ বাবে অতি গুৰুত্বপূৰ্ণ সমল হিচাপে স্থান পাইছে। নিতৌ ইয়াত চৰ্চিত হৈ থকা সত্ৰীয়া নানাবিধ বাদ্যযন্ত্ৰৰ অনুপম ধ্বনিয়ে আৰু চৌপাশৰ প্ৰাকৃতিক পৰিবেশে অতি মনোৰম কৰি তোলে। এই সত্ৰৰ চালি, ঝুমুৰ, নাদুভংগী, বিহাৰ নাচ আৰু ভাদমহীয়া তিথি-উৎসৱ অতি উল্লেখযোগ্য। সত্ৰীয়া নৃত্য-গীতৰ উপৰি সাহিত্য, অভিনয়, ভাস্কৰ্য আৰু স্থাপত্য-কলা তথা অসমীয়া জন-জীৱনলৈ এই সত্ৰৰ সাংস্কৃতিক অৰিহণা অনন্য। ১৯৭৫ খ্ৰী:ত তেতিয়াৰ ৰাষ্ট্ৰপতি ফকৰুদ্দিন আলি আহমেদৰ বদান্যতাত এই সত্ৰৰ বৈষ্ণৱ শিল্পীসকলে সুদূৰ ইণ্ডোনেচিয়াত অংকীয়া ভাওনা প্ৰদৰ্শন কৰি আন্তৰ্জাতিক প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে।

**ভোগপুৰ সত্ৰ :** ভোগপুৰ সত্ৰও মাজুলীৰ অন্যতম এখন খ্যাতিমান মহাপুৰুষীয়া সত্ৰ। ইয়াৰ পুৰণি সাঁচিপতীয়া পুথি, কিছুমান পুৰণি মূল্যৱান সামগ্ৰীৰ লগতে মহাপুৰুষ শংকৰদেৱৰ দুই-এপদ সম্পদ আছে বুলি জনা যায়। ভোগপুৰ সত্ৰৰ ভোৰতাল-নৃত্য পৰ্যটকৰ বাবে অতি আকৰ্ষণীয় নৃত্যৰূপে পৰিগণিত হৈছে।

**ন-গোসাঁই সত্ৰ :** মাজুলীৰ ফুলনিৰ সমীপৰ পহুমৰাৰ মাটিৰ দৌল, ৰজাদিনীয়া ইটাৰ অৱশেষ, পুখুৰী আৰু অন্যান্য কীৰ্তিচিহ্নই ন-গোসাঁই সত্ৰৰ অৱস্থিতিৰ প্ৰমাণ। মোৱামৰীয়া বিদ্ৰোহৰ সময়ত এই সত্ৰ মাজুলীত তিষ্ঠিব নোৱাৰিলে। মোৱামৰীয়া বিদ্ৰোহৰ পৰিণতি বহন কৰা এই স্থান ঐতিহাসিকভাৱে গৱেষক-পৰ্যটকসকলৰ আকৰ্ষণৰ বিন্দু হ'ব পাৰে।


**ধুঁৱাহাট বেলগুৰি সত্ৰ :** শংকৰ-মাধৱ দুজনা গুৰুৰ 'মণি-কাঞ্চন সংযোগ ক্ষেত্ৰ' ধুঁৱাহাট বেলগুৰি মহাবাহু ব্ৰহ্মপুত্ৰৰ বুকুত বিলীন হৈ যোৱাত এই স্থানৰ পৰাই গুৰুদুজনাৰ কেইপদমান সম্পদসহ ভকতে আহি শালমৰাত থিতাপি লয় যদিও ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াত সৰ্বস্বান্ত হৈ বৰ্তমানৰ ন-পমুৱাৰ কাষতে সামান্যভাৱে সংস্থাপিত হৈ আছে।

উল্লেখিত সত্ৰসমূহৰ উপৰি মাজুলীৰ পবিত্ৰ পীঠত বৰ্তমান ৩৬খন সৰু-বৰ সত্ৰ আছে। যিবোৰ সত্ৰই শংকৰ-মাধৱ দুজনা গুৰু তথা তেখেতসকলৰ অনুগামী আৰু আহোম স্বৰ্গদেউসকলৰ মহানুভৱতাৰ পৰিচয় বহন কৰি আছে। তদুপৰি বহুকেইখন সত্ৰত অনেক কাৰু শিল্পৰ নিদৰ্শন দেখিবলৈ পোৱা যায়। মহাবাহু ব্ৰহ্মপুত্ৰৰ প্ৰবল ধ্বংসলীলা চলি থাকিলেও সত্ৰসমূহৰ সাংস্কৃতিক ঐতিহ্য আৰু আধ্যাত্মিক পবিত্ৰতা এতিয়াও বাহ্যিক আৱহাৱাই স্পৰ্শ কৰিব পৰা নাই বুলি বিশ্বাস কৰা হয়।

**প্ৰদূষণমুক্ত নিৰ্মল প্ৰাকৃতিক পৰিৱেশ :** সাম্প্ৰতিক সময়ৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ বিকাশৰ চৰম স্তৰতো সমগ্ৰ পৃথিৱীক প্ৰদূষণৰ বিভীষিকাই চাটি ধৰা মুহূৰ্তত মাজুলী নদী-দ্বীপটোৱে ইয়াৰ পবিত্ৰতা তথা নিভাঁজ বিশুদ্ধ স্থিতি বহুখিনি অক্ষুণ্ণ ৰাখিব পাৰিছে বুলি ক'ব পাৰি। কোনো প্ৰদূষিত উদ্যোগ আদি নোহোৱাৰ ফলত আৰু অধিকাংশ দিশ পানীৰে পৰিবেষ্টিত হৈ থকাৰ ফলত ইয়াৰ সকলোতে নিৰ্মল সতেজ পৰিৱেশেৰে মুখৰিত হৈ থকাত ইয়াৰ পথাৰ-বাৰী আদিত ব্ৰহ্মপুত্ৰৰ বাঢ়নীপানীৰ পলস পৰি মাটি সাৰুৱা হৈ থাকে; যাৰ বাবে কোনো ৰাসায়নিক সাৰ আদি প্ৰয়োগ নকৰাকৈ উন্নতমানৰ খাদ্য-শস্য, শাক-পাচলি আদি এতিয়াও পোৱাটো সম্ভৱ হৈ আছে। বহু পৰ্যটকে নগৰীয়া কোলাহলৰ পৰা কিছুদিনৰ বাবে শান্ত, স্নিগ্ধ পৰিৱেশে আৱৰা ঠাইত কটোৱাৰ কথা ভাবিব; য'ত যান্ত্ৰিক শব্দ, ধোঁৱা, হাই-উৰুমিৰ সলনি প্ৰকৃতিৰ স্বভাৱসিদ্ধ বাতাবৰণ বিৰাজ কৰি থাকে। সেইসকলৰ বাবে মাজুলী উপযুক্ত স্থান হিচাপে নিৰ্বাচিত হ'ব। কোনোবা বিলৰ পাৰ, নিজান বালিচৰ বা চাপৰি, য'ত ঝাওবন আৰু কঁহুৱা বনৰ মাজত নিৰ্মল বায়ু, মৃদু বতাহৰ মাজত এক শান্তিময় পৰিৱেশত কটাব পাৰে। ইয়াৰ বাবে অৱশ্যে পৰ্যটকৰ উপযোগী কিছু আন্তঃগাঁথনিমূলক সা-সুবিধা থকাটো প্ৰয়োজনীয় হৈ পৰিছে। ৰূপত মন ভুলোৱা লুইতৰ ৰূপোৱালী বালি, বানান্তৰত ফুলি উঠা দিগ্-বিদিক মনিব নোৱৰা অগণন কঁহুৱা ফুল, লুইতৰ বুকুত অস্তমিত সূৰ্যৰ অপূৰ্ব কিৰণ, হালধীয়া সৰিয়হ ফুলৰ দলিচা আৰু সোণোৱালী ধাননি; মটৰ মাহ, ঘেঁহু, মাহজাতীয় শস্যৰ সেউজীয়া ধৰণী; জলাশয়, দ-পথাৰ, পুখুৰী আদিত ফুলা পদুমৰ নয়নভৰা দৃশ্যবিলাক মাজুলীৰ বাহিৰে বোধকৰো ক'তো পোৱা নাযাব। এনেবিলাক দৃশ্যই নিশ্চয়কৈ পৰ্যটকৰ মন আকৰ্ষণ কৰিব। বহুসংখ্যক পৰ্যটকৰ বাবে এনে দৃশ্য উপভোগ গোটেই জীৱনটোৰ বাবে এক মনোৰম স্মৰণীয় অভিজ্ঞতা হৈ ৰ'ব।

**দেশী-বিদেশী পক্ষীৰ বিচৰণভূমি— বিল, সুঁতি আদি :**

# মাজুলী



৯৩°৪৫´
৯৪°০´
৯৪°১৫´
৯৪°৩০´
২৭°০´
২৬°৪৫´
উঃ
পঃ
পূঃ
দঃ
লখিমপুৰ জিলা
যোৰহাট মহকুমা
ঢকুৱা খানা
লোহিত ঘাট
বদতি ঘাট
কমলাবাৰী ঘাট
নিমাতী ঘাট
সত্ৰ
১. কমলাবাৰী.
২. আউনীআটী.
৩. গড়মূৰ.
৪. দক্ষিণপাট.
৫. উত্তৰ কমলাবাৰী.
৬. বেংগেনাআটী.
৭. ভোগপুৰ,
৮. চামগুৰী.
৯. পৰলি চামগুৰি.
১০. দীঘলী সত্ৰ
১১. নৰসিংহ সত্ৰ.
গড় কাপ্তানী পথ.
ই.এণ্ড.ডি বান্ধ
গুৰুত্বপূৰ্ণ প্ৰধান ঠাই।
স্কেল ঃ
১ ঃ ২,৫০,০০০

মাজুলীৰ টুনী নৈ আৰু ইয়াত থকা বহুতো বিল, সুঁতি, জলাশয়, পুখুৰী আদিত বছৰৰ বিশেষ এক সময়ত বিশ্বৰ বিভিন্ন প্ৰান্তৰৰ পৰা হাজাৰ হাজাৰ পক্ষীৰ আগমন ঘটে। তদুপৰি দেশীয় চৰাই-চিৰিকতিৰ সংখ্যাও যথেষ্ট। পৰ্যটকৰ বাবে সম্পূৰ্ণ প্ৰাকৃতিক পৰিৱেশত বহু দূৰলৈকে বিয়পি থকা বিল-জলাশয় আদিত পুৱা-গধূলি পক্ষীৰ উঠা আৰু নমাৰ অপূৰ্ব দৃশ্য সঁচাকৈয়ে অতি আকৰ্ষণীয়। এই পৰিভ্ৰমী আৰু দেশীয় পক্ষীৰ মাতৰ কল-কাকলিৰ জোৱাৰে পৰিৱেশ মোহনীয় কৰি তোলে। এই পক্ষীবোৰৰ ভিতৰত বিলুপ্ত হ'ব খোজা কোনো কোনো প্ৰজাতিৰ পক্ষী শীতকালৰ আৰম্ভণিতে নদী-দ্বীপটোলৈ আগমন হয়। ব্ৰহ্মপুত্ৰৰ কাষৰ চৰ-চাপৰিসমূহত প্ৰব্ৰজনকাৰী পক্ষীৰ বিচৰণৰ দৃশ্য অতি মনোমোহা। চাইবেৰিয়া দেশৰ বগলী আৰু হাঁহ আদি ইয়ালৈ অহাৰ কথা জনা যায়। ইয়াৰ আন উল্লেখযোগ্য স্থানীয় পক্ষীবোৰ হৈছে— বগ, বগলী, ঢেৰা, বৰটোকোলা (হাড়গিলা), শৰালি, শামুকভঙা, ডাউক, পানী-কাউৰী, ৰাজহাঁহ, পাতিহাঁহ, ঘিলাহাঁহ, কনুৱা, কণামুছৰি, দৈকলা আদি।

**পুৰণি স্মৃতি চিহ্নজড়িত ঐতিহাসিক স্থানবোৰ :** মাজুলীৰ বিভিন্ন ঠাইত ঐতিহাসিক দিশৰ কিছু স্বাক্ষৰ বহন কৰিব পৰা স্থান-চিহ্ন আদি আজিও বিৰাজমান। ঐতিহাসিক পটভূমিৰ উৎস জনাৰ বাবে আগ্ৰহী আৰু পুৰণি দিনৰ প্ৰতীকস্বৰূপ এইবিলাকৰ পৰা সমল উদ্ধাৰ বা চোৱাসকলক উপকৃত কৰিব পাৰিব। এনে কিছু স্থান আৰু চিহ্নৰ বিষয়ে তলত আলোচনা কৰা হ'ল।

ৰতনপুৰ, ৰাৱণাপাৰ, চিনাতলী, শালমৰা, সোণোৱাল কছাৰী, সোণাৰিআটী, শেনচোৱা, ৰাইদঙীয়া, দৰবাৰ চাপৰি আদি ঠাইবোৰ কিছুমান ঐতিহাসিক ঘটনাৰ ফলশ্ৰুতিত গঢ় লোৱা ঠাই হিচাপে পৰিগণিত।☆ এই স্থানবোৰ পৰ্যটকৰ বাবে গুৰুত্বপূৰ্ণ বুলি ক'ব পাৰি। অৱশ্যে এইবোৰৰ বিষয়ে উপযুক্ত প্ৰচাৰ আৰু নিৰ্দেশনা থাকিলে পৰ্যটকৰ বাবে সুবিধা হ'ব।

ঐতিহাসিক থান হিচাপে মাজুলীৰ ফুলেশ্বৰী থান আৰু গোসাঁনী থানৰ নাম উল্লেখযোগ্য। এই থান দুখনেও ইতিহাসৰ কিছু সমল পৰ্যটকক দিব পাৰিব। মাজুলীৰ বিভিন্ন ঠাইত কেইবাটাও বুৰঞ্জীপ্ৰসিদ্ধ গড় আছে। এই গড়বোৰে পৰ্যটকক আকৰ্ষণ কৰিব পৰাৰ যথেষ্ট অৱকাশ আছে। গড়বোৰ হৈছে— ধোৱাচলা গড়, মেৰাগড়, বাপুবৰুৱা গড়, গোসাঁইবাৰী গড় আদি। এই গড়বোৰৰ সম্পূৰ্ণ ৰূপ বৰ্তমান নাই যদিও পৰ্যটকে ইয়াৰ পৰা যথেষ্ট গুৰুত্বপূৰ্ণ দিশ উন্মোচন কৰিব পৰাৰ থল আছে। (এই গড়কেইটাৰ বিষয়েও স্থানান্তৰত আলোচনা কৰা হৈছে।)

**ভাস্কৰ্য, শিল্প-কলা আৰু বয়ন-শিল্পৰ চানেকি :** সমগ্ৰ মাজুলী পৰিদৰ্শন কৰিলে এটা কথাই গভীৰভাৱে ৰেখাপাত কৰে যে মাজুলীৰ মানুহৰ কিবা নহয় কিবা এক দিশৰ প্ৰতি থকা শিল্পীসুলভ গুণ। যিটো কোনো এক কৰ্মত প্ৰতিফলিত হোৱা আমি দেখিবলৈ পাওঁ।

সত্ৰীয়া-সংস্কৃতিৰ সৈতে জড়িত বহুতো সামগ্ৰী আদি ইয়াৰ নিপুণ শিল্পী-খনিকৰে বহুদিনৰ পৰাই তৈয়াৰ কৰি আহিছে। বহুদিনৰ পূৰ্বে তৈয়াৰী ভাস্কৰ্যখোদিত সিংহাসন, কাঠৰ মূৰ্তি, হেঙুল-হাইতাল বোলোৱা বৈষ্ণৱমাৰ্গীয় ঠগী-থাপনা, শৰাই, খুন্দনাসমূহ আজিও অপূৰ্ব চানেকি হিচাপে পৰিচয় দিয়ে। যিবিলাকে দেশী-বিদেশী পৰ্যটকক তন্ময় হৈ চাবলৈ বাধ্য কৰে। ইয়াৰ উপৰি মুখা-শিল্পৰ সুন্দৰ নমুনা চামগুৰি, বিহিমপুৰ আৰু নৰসিংহ আদি সত্ৰত এতিয়াও নীৰৱ প্ৰচেষ্টাৰে চলাই থকা হৈছে। বাঁহ-বেতেৰে তৈয়াৰী এই মুখা-শিল্পৰ বিষয়ে বিদেশতো প্ৰচাৰ হ'ব লাগিছে। সত্ৰসমূহৰ নামঘৰ, মণিকূট আৰু বেৰ অথবা খুঁটাত সৃষ্টি কৰা আধ্যাত্মিক চিত্ৰৰূপ, শিল্প-ভাস্কৰ্য ভকতসকলৰ শিল্প-নৈপুণ্যৰ নিদৰ্শন বুলি ক'ব পাৰি।

আউনীআটী আৰু কমলাবাৰী সত্ৰৰ বেতৰ বনকৰা বিচনী, বিভিন্ন ঠাইত পৰম্পৰাগতভাৱে নিৰ্মাণ কৰি অহা মাজুলীৰ নৌকা-শিল্প, শালমৰাৰ কুমাৰ সম্প্ৰদায়ৰ দ্বাৰা নিৰ্মিত ৰং-চঙীয়া মৃন্ময়-পাত্ৰ, ৰঙাচাহী অঞ্চলৰ এৰী-মুগা আৰু পাট-শিল্প, মোৱামৰীয়া কমাৰ শিল্প, মিচিং-দেউৰীসকলৰ বাৰে-বৰণীয়া বয়ন-শিল্প আৰু বিখ্যাত মিৰিজিম, কাপোৰ আদি পৰ্যটকৰ বাবে আকৰ্ষণীয় উপাদান।

**বৰ্ণাঢ্য সামাজিক-সাংস্কৃতিক পৰিৱেশ :** অসমীয়া জনসাধাৰণৰ সামাজিক বৈশিষ্ট্যৰ প্ৰকৃত প্ৰতিফলন মাজুলীত সুন্দৰ ৰূপত দেখা পোৱা যায়। সুন্দৰ বাৰীৰে সৈতে এখন আটোম-টোকাৰি ঘৰ, বাৰীত শাৰী শাৰী তামোল-পাণ; বৰঘৰ, মাৰলঘৰ, চ'ৰাঘৰ, গোহালি আৰু ভঁৰালৰ সৈতে সম্পূৰ্ণ গাঁৱলীয়া সমাজৰ এখন নিখুঁত ছবি ইয়াত দেখিবলৈ পাব। এজন পৰ্যটকৰ বাবে এটা জাতিৰ সামাজিক বৈশিষ্ট্যবোৰ ইয়াত সহজতে দৃষ্টিগোচৰ হ'ব। অসমীয়া মানুহৰ

☆ *এই স্থানবোৰৰ বিষয়ে সবিশেষ আলোচনা 'ঐতিহাসিক পটভূমি' অধ্যায়ত কৰা হৈছে।*

অতিথিপৰায়ণতাৰ যি গুণ সেয়াও ইয়াত গৈ পোৱা মাত্ৰকে অনুধাৱন কৰিব পাৰিব।

মাজুলীক অসমৰ অধিকাংশ জাতি-জনজাতিৰ এক মিলনভূমি বুলি ক'ব পাৰি। ইয়াত ব্ৰাহ্মণ, কায়স্থ, কোঁচ, কলিতা, কেওঁট, নাথ, চুতীয়া, আহোম, কছাৰী, মিচিং, দেউৰী, কুমাৰ, কৈৱৰ্ত, বণিয়া আদি বহু জাতিৰ লোক বাস কৰে। ইয়াত ইমানবোৰ জাতি-জনজাতিৰ লোক আছে যদিও দশকজুৰি সমন্বয় তথা মিলা-প্ৰীতিৰ বিচ্যুতি ঘটা নাই। তাৎপৰ্য-পূৰ্ণভাৱে মাজুলীৰ সকলো শ্ৰেণীৰ জনসাধাৰণক সত্ৰানুষ্ঠান -সমূহে পবিত্ৰ ৰীতি-নীতিৰ পৰিসীমাৰ মাজত সামাজিক বান্ধোনেৰে নিয়ন্ত্ৰণ কৰি আছে বুলি ক'লেও ভুল নহ'ব। সেয়ে হয়তো আজি নদী-দ্বীপটোত থকা সকলো জনগোষ্ঠীৰ লোকে শৃংখলিত জীৱন-যাপন কৰি আহিব পাৰিছে। এইবিলাকে পৰ্যটকক আকৰ্ষণ নকৰাকৈ কেতিয়াও নাথাকে।

মাজুলীৰ বিভিন্ন জাতিৰ মাজত এৰী, মুগা আৰু পাটপলু পালন, হাতত জাকৈ, চালনী, পল-জুলুকি লৈ মাছ ধৰিবলৈ অহা বিভিন্ন সম্প্ৰদায়ৰ যুৱক-যুৱতীৰ প্ৰাণ-চঞ্চল হাঁহি-আনন্দৰ দৃশ্য; জনজাতীয় মহিলাসকলৰ কাপোৰ বৈ থকা দৃশ্য; মিচিং-দেউৰীসকলৰ শাৰী শাৰী চাংঘৰ, নৈৰ পাৰৰ পানীত জলক্ৰীড়া কৰা নাঙঠ শিশুৰ দল; পোৱালি কাছৰ জাক আদি দৃশ্যবোৰ সঁচাকৈয়ে প্ৰকৃতিৰ চহা গ্ৰাম্য-জীৱনৰ অপূৰ্ব সমাহাৰ। এই আপুৰুগীয়া দৃশ্যবোৰ বৰ্তমান অসমৰ গাঁৱত দেখিবলৈ পোৱাটো দুৰূহ হৈ পৰিছে। পৰ্যটকৰ বাবে ইও এক বিৰল অভিজ্ঞতা হৈ ধৰা দিব।

এইবিলাকৰ উপৰি মাজুলীৰ বিভিন্ন জাতি-জনজাতিৰ সাংস্কৃতিক উৎসৱ, পূজা-পাৰ্বণ আদি পৰ্যটকৰ বাবে উল্লেখনীয় দিশ। সেই উৎসৱসমূহ হৈছে— মিচিংসকলৰ নৱাহিগা বিহু, কেবাং, প'ৰাগ, আলি-আই-লৃগাং; দেউৰীসকলৰ বিচু; সোণোৱাল কছাৰীসকলৰ বাথৌ পূজাৰ হাইডাং গীত; শেনচোৱা গাঁৱৰ মৃদংগৰ কৃষ্টি আদি সঁচাকৈয়ে পৰ্যটকৰ বাবে মন-পৰশা দৃশ্য।

## মাজুলীৰ জৈৱ-বৈচিত্ৰ্যৰ আকৰ্ষণ

নদীবেষ্টিত আৰ্দ্ৰভূমিৰে সুন্দৰ জলবায়ুসহ, প্ৰদূষণমুক্ত জলবায়ুৰ মাজুলীক কোনো ঠাইৰে সৈতে তুলনা কৰিব নোৱাৰি। মহাবাহু ব্ৰহ্মপুত্ৰৰ বুকুত নদীয়ে সৃষ্টি কৰা সাৰুৱাভূমিৰ গঠন প্ৰক্ৰিয়াও অনন্য। এক বিৰল নদী-পৰিৱেশত জলজ আৰু স্থলজ উদ্ভিদ আৰু প্ৰাণীৰ চহকী বৈচিত্ৰ্য বিৰাজমান। ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলৰ এই নদী-দ্বীপটোৰ চহকী জৈৱ-বিচিত্ৰতা পৰিলক্ষিত হয়। বন্য-উদ্ভিদ, প্ৰাণী-সম্পদত চহকী হোৱাৰ লগতে ইয়াৰ বনজ সম্পদসমূহৰ ব্যৱহাৰৰ বিচিত্ৰতাও লক্ষ্যণীয়। বনৰীয়া খাদ্য-উদ্ভিদ, গৃহ-নিৰ্মাণ সামগ্ৰী, ঔষধিগছ, প্ৰাণ-খাদ্য আৰু অন্যান্য ব্যৱহাৰৰ বাবে উদ্ভিদ আৰু প্ৰাণী, জৈৱিক উৎসৰ অন্যান্য দ্ৰব্যসমূহৰ স্থানীয় লোকসকলৰ দৈনন্দিন জীৱনত বিশেষ আঞ্চলিক গুৰুত্ব আছে।

শীতকালত সন্ধিয়াৰ নীল-আকাশৰ পশ্চিমত, মহাবাহু ব্ৰহ্মপুত্ৰৰ বুকুভেদি অস্তমিত সূৰ্যৰ সেন্দুৰীয়া প্ৰস্থান; ব্ৰহ্মপুত্ৰৰ নদী-বলুকা আৰু জান-জুৰি-বিলৰ পাৰত শাৰী শাৰী ৰাজহাঁহ, ঘিলাহাঁহ, শৰালিৰ কোৰাছ; ৰূপোৱালী বালিৰ মাজত চাকৈ-চকোৱাৰ আত্মবিভোৰ বিচৰণ কোনো শিল্পীৰ তুলিকাৰ কাল্পনিক ৰূপ নহয়।

মাজুলীৰ বিল আৰু জলাশয়ত থকা যথেষ্ট পৰিমাণৰ 'ফাইট প্লেংটন' নদী-দ্বীপবোৰ উল্লেখযোগ্য প্ৰাকৃতিক সম্পদ। এই প্ৰাকৃতিক সম্পদৰাজিয়ে বিভিন্ন প্ৰজাতিৰ মাছৰ আৱাসস্থলৰ বাবে অনুকূল পৰিৱেশ সৃষ্টি কৰিছে।

মাজুলীত উদ্ভিদ প্ৰজাতিৰ বিচিত্ৰতাও মন কৰিব লগীয়া। বিশেষকৈ ঘাঁহজাতীয় উদ্ভিদৰ উপস্থিতিয়ে চৰ-চাপৰি আৰু নদী-কাষৰীয়া অঞ্চলত গৰু-ম'হ আদি পশু পালনৰ উপযোগী কৰি তুলিছে। ঘাঁহ-বন, খেৰ-কঁহুৱা, নল-খাগৰি-ইকৰা আদি জলজ আৰু স্থলজ দুয়োশ্ৰেণীৰ উদ্ভিদ ইয়াত বিদ্যমান। গৱেষকসকলৰ মতে ২০০তকৈও অধিক ঘাঁহ-বন প্ৰজাতিৰ উদ্ভিদ নদী-দ্বীপটোত পোৱা যায়।

কোনো নিৰ্দিষ্ট বা প্ৰতিষ্ঠিত বনভূমি বা সংৰক্ষিত বনাঞ্চল নাথাকিলেও মাজুলীৰ স্থানীয় গছ-গছনি বা উদ্ভিদ শ্ৰেণীৰ মাজত 'শিমলু' আৰু 'আজাৰ' গছৰ প্ৰাচুৰ্যতা মন কৰিব লগীয়া। জোপোহা গছৰ প্ৰজাতি সংখ্যাত অধিক নহয়। ইয়াৰ উদ্ভিদ-বিচিত্ৰতাৰ বিশেষ তাৎপৰ্য ব্যৱহাৰৰ ওপৰত নিৰ্ভৰ কৰে; যেনে— গৃহ-নিৰ্মাণ সামগ্ৰী, উদ্যোগৰ কেঁচা সামগ্ৰী, আহাৰ বা খাদ্য (মানুহ আৰু পশুৰ), ইন্ধন, মৃত্তিকা ক্ষয়ৰোধক আৰু ঔষধ। বিভিন্ন প্ৰজাতিৰ ঔষধি গছৰ উপস্থিতি মাজুলীৰ উদ্ভিদ-বিচিত্ৰতাৰ অন্য এক গুৰুত্বপূৰ্ণ দিশ।

প্ৰাণী-বিচিত্ৰতা : মাজুলীৰ অন্তৰ্ভাগত থকা জান-জুৰি, বিল, পুখুৰী আৰু জলাশয়সমূহত 'জু-প্লেংটন'ৰ (জৈৱিক খাদ্য) স্থিতি ভৰপূৰ।

ইয়াত থকা প্ৰাণীসমূহৰ ভিতৰত কীট-পতংগ, পোক-পৰুৱা, এন্দুৰ, সৰীসৃপ শ্ৰেণী, পক্ষী, স্তন্যপায়ী প্ৰাণী আৰু মাছ-কাছই প্ৰধান।

নদী-দ্বীপটোৰ কীট-পতংগ আৰু পোক-পৰুৱাৰ সংখ্যা অতুলনীয়। ১০০ৰো অধিক স্থলজ আৰু জলজ কীট-পতংগ মাজুলী ভূখণ্ডত আছে। এইবোৰৰ এতিয়াও কোনো আনুষ্ঠানিক অনুসন্ধান হোৱা নাই। যথেষ্ট সংখ্যক তৃণভোজী আৰু মাংসহাৰী জীৱ-জন্তু এই অঞ্চলত পোৱা যায়। এন্দুৰ, সৰীসৃপ আৰু পক্ষী-প্ৰজাতিৰ প্ৰাণীৰ বাবে উপযুক্ত আৱাসথলী। মহাবাহু ব্ৰহ্মপুত্ৰৰ কাষৰীয়া পলসভূমি আৰু নদীয়ে নিজে গঢ়া চৰ-চাপৰিসমূহত এক বিশেষ প্ৰাকৃতিক পৰিৱেশৰ সৃষ্টি হৈছে। কমপক্ষেও ১০টা প্ৰজাতিৰ 'কাছ' নদী-দ্বীপটোৰ জলাশয়ত পোৱা যায়; এইবোৰৰ ভিতৰত কিছুসংখ্যক প্ৰজাতি বৰ্তমান বিলুপ্তপ্ৰায়।

মাজুলীৰ থলুৱা বহুতো চৰাই-চিৰিকতিৰ উপৰি বছৰৰ বিভিন্ন সময়ত বিভিন্ন ধৰণৰ পক্ষীৰ আগমন ঘটে। দেশ-বিদেশৰ বিভিন্ন প্ৰজাতিৰ পক্ষীৰ লগতে বৰ্তমান পৃথিৱীৰ পৰা বিলুপ্তি হ'ব খোজা কোনো কোনো প্ৰজাতিৰ পক্ষীও শীতকালৰ আৰম্ভণিতে ইয়ালৈ আগমন ঘটে। হাঁহ আৰু বগলীজাতীয় পক্ষীৰ উপস্থিতিয়ে শীতকালৰ জলাশয়সমূহত উল্লেখনীয় প্ৰভাৱ পেলায়। ব্ৰহ্মপুত্ৰৰ কাষৰ চৰ-চাপৰিসমূহত প্ৰব্ৰজনকাৰী পক্ষীৰ বিচৰণৰ দৃশ্য অতি মনোমোহা। সুদূৰ চাইবেৰিয়াৰ বগলীজাতীয় পক্ষী চাপৰি অঞ্চললৈ আগমন হোৱা প্ৰত্যক্ষ কৰা হৈছে। বৰ্তমানলৈকে মাজুলীত ১০১ বিধ প্ৰজাতিৰ পক্ষী চিনাক্ত কৰা হৈছে। ব্ৰহ্মপুত্ৰ আৰু লুইতৰ বুকুত 'শিহু'ৰ উপস্থিতি অন্য এক উল্লেখযোগ্য আকৰ্ষণ বুলিব পাৰি। সাম্প্ৰতিক সময়ত বিলুপ্ত হ'ব খোজা জলজ প্ৰাণীৰ ভিতৰত 'শিহু'ৰ দেহৰ পৰা উলিওৱা তেলৰ ৯০৭বিধ ঔষধি গুণ আছে বুলি উল্লেখ পোৱা যায়।

## মাজুলীলৈ কেনেকৈ যাব :

যোৰহাট নগৰত উপস্থিত হোৱাৰ পিছত মাজুলীলৈ যাবলৈ কিছু কষ্টকৰ হ'লেও সহজে যাব পৰাৰ ব্যৱস্থা আছে। যোৰহাটৰ পৰা ১২ কি: মি: দূৰত থকা নিমাতি ঘাটলৈ নাৱৰ সময়ৰ লগত সংগতি ৰাখি বেচৰকাৰী বাছ আৰু আনৰ পৰা বাছ চলাচল কৰে। অৱশ্যে নিজাববীয়াকৈ মাৰুতিভান, টাটা ছুমু বা অট'ৰিক্সা আদি ভাৰা কৰিও যাব পাৰি। নিমাতি ঘাটৰ পৰা মাজুলীৰ বিভিন্ন ঠাইত থকা ঘাটলৈ নাও চলাচল কৰে। পৰ্যটকৰ বাবে প্ৰথমে কমলাবাৰী ঘাটলৈ যোৱা ফেৰী বা নাৱত যোৱাটো বেছি সুবিধাজনক হ'ব। নিমাতি ঘাটৰ পৰা নাও লৈ কমলাবাৰী ঘাট পোৱাৰ পিছত সেইফালে বাছ কমলাবাৰী নাৱৰ মূল ঠাইখনলৈ লৈ যাবৰ বাবে ৰৈ থাকে। কমলাবাৰী পোৱাৰ পিছত পৰ্যটকৰ ইচ্ছামতে যিদৰে কাৰ্যসূচী মিলাই, সেইমতে সুবিধা হোৱাকৈ কৰি ল'ব পাৰে। লখিমপুৰ, ধেমাজি আদি ঠাইৰ ফালে অসমৰ প্ৰায়বোৰ ঠাইৰ লোক যোৰহাট হৈ মাজুলীলৈ অহাটোৱেই অধিক সুবিধাজনক। লখিমপুৰ, ধেমাজি আদি ঠাইৰ পৰা আহিব খোজাসকল লখিমপুৰ নগৰৰ পৰা খাবলু আৰু লুইত নৈৰ পাৰ-ঘাটেদি গড়মূৰৰ সৈতে সংলগ্ন পথেদি মাজুলীলৈ অহা-যোৱাৰ সুবিধা আছে।

পৰ্যটকৰ থকাৰ বাবে মাজুলীত পৰ্যাপ্ত সুবিধা নাই যদিও নতুন কমলাবাৰী সত্ৰত পৰ্যটক থাকিব পৰা এটা অতিথিশালা আছে। তদুপৰি কমলাবাৰীত চৰকাৰী ডাকবঙলা আছে। ইয়াৰ পৰা ৮ কি: মি: দূৰত থকা মহকুমাৰ সদৰ ঠাই গড়মূৰত এটা চৰকাৰী আৱৰ্তভৱন আৰু গড়মূৰ সত্ৰত এটা অতিথিশালা আছে। জেংৰাইমুখতো এটা আই. বি. আছে। মাজুলীলৈ সৰহীয়া দলৰ ভ্ৰমণকাৰী আহিলে থকাৰ বাবে কিছু অসুবিধাৰ সন্মুখীন হ'বলগীয়া হয়। এক কথাত ক'বলৈ গ'লে আজিৰ দিনত পৰ্যটন উদ্যোগৰ যি সুবিধাজনক স্থিতিৰ পৰিৱেশ গঢ় লৈ উঠিছে, মাজুলীত সেই দৃষ্টিৰে পৰ্যটকক আকৰ্ষিত ক'ৰবলৈ সা-সুবিধাবোৰ এতিয়াও সীমিত পৰ্যায়তে আছে। পৰ্যটন কেন্দ্ৰ এটা গঢ়াৰ বাবে আলোচিত হৈছে যদিও বৰ্তমানলৈকে ই কাৰ্যকৰী হোৱা দেখা নাই। গড়মূৰত ইতিমধ্যে পৰ্যটকক তথ্যাদি যোগান ধৰিবৰ বাবে বেচৰকাৰীভাৱে এক প্ৰচেষ্টা চলোৱা হৈছে।

মুঠতে মাজুলীত সকলো শ্ৰেণীৰ পৰ্যটকক আকৰ্ষণ কৰিব পৰাকৈ প্ৰকৃতিয়ে গঢ় দিছে। লগতে পুৰণি সাংস্কৃতিক ঐতিহ্য তথা সামাজিক পৰিৱেশে ইয়াৰ গুৰুত্ব অধিক বঢ়াই তুলিছে। পৰ্যটকৰ বাবে আৱশ্যকীয় কিছুমান সা-সুবিধা কৰি দিব পাৰিলে, ইয়ালৈ ভৱিষ্যতে যথেষ্ট পৰ্যটক অহাৰ সম্ভাৱনা অতি উজ্জ্বল।

সহায়ক উৎস :

১। সত্ৰীয়া-সংস্কৃতিৰ মণিকূট মাজুলী— গোস্বামী, শীতাম্বৰদেৱ।

২। মাজুলী : এক ঐতিহাসিক অৱলোকন— ভূঞন, দিলীপ কুমাৰ।

৩। মাজুলীৰ দেউৰীসকলৰ চমু ইতিহাস ও সংস্কৃতি— দেউৰী, বিদ্যাসাগৰ।

৪। পৰ্যটন নিবাসৰ পটভূমিত মাজুলী— শইকীয়া, মিৰণ।

৫। A Checklist of the Birds of Majuli— Sarma, Tilak.

## মাজুলীৰ গৌৰৱ

মাজুলীৰ বহুকেইগৰাকী ব্যক্তিয়ে ধৰ্মীয়, সাহিত্য, কলা-সংস্কৃতি, খেলা-ধূলা আদি ক্ষেত্ৰত সময়ে সময়ে উল্লেখনীয় বৰঙণি আগবঢ়াই আহিছে। জীৱিত অথবা মৃত এনে ব্যক্তিৰ কৃতকৰ্মৰ ফলে কেতিয়াবা মাজুলীৰ সীমা অতিক্ৰম্ম কৰি সমগ্ৰ অসমীয়া জাতিকে উপকৃত কৰিছে। কিছু ব্যক্তিয়ে আকৌ নিজা নিজা ক্ষেত্ৰত (বা বৃত্তিত) বিশেষ ব্যুৎপত্তি দেখুৱাই মাজুলীৰ ভৱিষ্যত প্ৰজন্মক অনুপ্ৰাণিত কৰিছে; মাজুলী নামৰ আওহতীয়া নদী-দ্বীপটোৰ নাম বাহিৰত পৰিচয় কৰাই দিছে। ইয়াৰ উপৰিও কেইবাগৰাকী ব্যক্তিয়ে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো বিশেষ কৃতিত্ব লাভ কৰি মাজুলী তথা অসমবাসীলৈ গৌৰৱ কঢ়িয়াই আনিছে। মাজুলীৰ এই সু-সন্তানসকলৰ বহুতৰ বিষয়ে এই গ্ৰন্থৰ 'মাজুলীৰ মুক্তি যুঁজাৰুসকল', 'মাজুলীৰ শিক্ষানুষ্ঠানৰ সবিশেষ', 'মাজুলীৰ সাংস্কৃতিক ঐতিহ্য আৰু পৰিক্ৰমা', 'মাজুলীৰ সাহিত্যসেৱীসকল', 'মাজুলীৰ সংবাদসেৱীসকল', 'মাজুলীৰ মহিলা আৰু মহিলা স্বেচ্ছাসেৱী অনুষ্ঠান' আৰু 'মাজুলীৰ ক্ৰীড়াৰ ক্ৰমবিকাশ' শিতানত প্ৰসংগ আৰু গুৰুত্ব অনুসৰি উল্লেখ কৰা হৈছে। কিন্তু মাজুলীৰ উজ্বল জ্যোতিষ্ক স্বৰূপ কেইগৰাকীমান ব্যক্তি— অসমীয়া সংবাদ পত্ৰৰ জনক দত্তদেৱ গোস্বামী; বিপ্লৱী-ধৰ্মগুৰু, সমাজ-সংস্কাৰক পীতাম্বৰদেৱ গোস্বামী; আধুনিক মাজুলীৰ নিৰ্মাতা, প্ৰথম স্নাতক কেশৱৰাম বৰা; অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি, সাহিত্যিক-শিল্পী তৰুণ চন্দ্ৰ পামেগাম আদি এনে কেইগৰাকীমান কালপূৰ্বজ পুৰুষ, যি কেইগৰাকীৰ বিষয়ে বিভিন্ন প্ৰসংগত আলোচনা হোৱা সত্বেও পুনৰ সংক্ষিপ্ত জীৱনী আগবঢ়োৱা হৈছে। সবিনয়ে এই কথাও স্বীকাৰ কৰিব লাগিব যে সামগ্ৰিকভাৱে সমাজৰ শ্ৰীবৃদ্ধিৰ বাবে অৱদান আগবঢ়োৱা উল্লিখিত ব্যক্তিসকলৰ লগতে এই গ্ৰন্থৰ স্থানান্তৰত অন্তৰ্ভুক্ত নোহোৱা প্ৰত্যেকজনেই মাজুলীবাসীক গৌৰৱান্বিত কৰিছে। তথাপি আটাইকেইজনৰ বিষয়ে এই লেখাত অন্তৰ্ভুক্ত নকৰি গুৰুত্ব অনুযায়ী কেইজনমানৰ বিষয়ে পুনৰ উল্লেখ কৰা হৈছে।

**দত্তদেৱ গোস্বামী (১৮১৮-১৯০৪) :** সুদীৰ্ঘ ৬৬ বছৰ ধৰি ধৰ্মৰ গাদী অলংকৃত কৰাৰ উপৰিও পুৰণি প্ৰমূল্য ৰক্ষাৰ বাবে এটা আধুনিক মন লৈ নতুন প্ৰযুক্তিৰ সহায়ত অসমীয়াত্ব ৰক্ষা কৰোঁতাসকলৰ ভিতৰত আছিল অগ্ৰদূত স্বৰূপ। খ্ৰীষ্টান ধৰ্মৰ আগ্ৰাসী ভূমিকাৰ পৰা অসমীয়া সমাজখন ৰক্ষা কৰিবৰ বাবে ১৮৭১ খ্ৰী:ত কলিকতাৰ পৰা এটি ছপাকল অনাই 'ধৰ্মপ্ৰকাশ যন্ত্ৰ' নাম দি দুৰ্গম মাজুলীৰ পৰা অসমীয়া লোকৰ দ্বাৰা প্ৰথম সম্পাদিত বাৰ্তালোচনী 'আসাম বিলাসিনী' ছপা কৰি 'অৰুনোদই'ৰ গৰাহৰ পৰা একশৰণ ভাগৱতী বৈষ্ণৱ ধৰ্ম ৰক্ষাত স্বনিয়োজিত হৈছিল। এই কাকত একেৰাহে বাৰ বছৰ ধৰি মাজুলীৰ পৰা প্ৰচাৰ হৈছিল। শ্ৰীধৰ ওজাৰ সম্পাদনাত আৰু সত্ৰাধিকাৰজনাৰ পৃষ্ঠপোষকতাত 'আসাম তৰা', 'আসাম দীপক' নামৰ কাকত দুখনো এই সত্ৰৰ পৰা ওলাইছিল। তেখেতে বহুতো নাটক, পদ-গ্ৰন্থ ৰচনা কৰাৰ উপৰিও ধৰ্মীয় গীত ৰচনা কৰি নিজে সুৰ দিছিল। এই গ্ৰন্থসমূহ 'ধৰ্মপ্ৰকাশ যন্ত্ৰ'ৰ দ্বাৰা প্ৰকাশিত হৈ তৎকালীন অসমীয়া সমাজৰ জ্ঞানস্পৃহা দূৰ কৰাত অৰিহণা যোগাইছিল। শংকৰদেৱ-মাধৱদেৱৰ বৰগীতসমূহ, গুণমালা, লীলামালা আদিও পোন প্ৰথমে তেখেতেই ছপাই উলিয়াইছিল। (*দত্তদেৱ গোস্বামী সম্পৰ্কে অধিক 'মাজুলীৰ সাংস্কৃতিক ঐতিহ্য আৰু পটভূমি' অধ্যায়ত দিয়া হৈছে*)।

**পীতাম্বৰদেৱ গোস্বামী (১৮৮৫-১৯৬২) :** কালপূৰ্বজ তথা বিপ্লৱী-ধৰ্মগুৰু পীতাম্বৰদেৱ গোস্বামীদেৱে গড়মূৰৰ দৰে চাৰিসত্ৰীয়াৰ এখন গুৰুত্বপূৰ্ণ সত্ৰত একৈশ বছৰ বয়সতেই ধৰ্মাসনত অধিষ্ঠিত হৈও জাতীয় জীৱনলৈ যিখিনি অৰিহণা যোগালে, তাক ভাবি বিস্ময় মানিব লাগে। অস্পৃশ্যতা বৰ্জন আন্দোলন (১৯০৯), উন্নত প্ৰণালীৰে কৃষিকৰ্মৰ প্ৰচলন (১৯১৭), সত্ৰাধিকাৰৰ সাত খলপীয়া গাদী ত্যাগ (১৯১৮), গুৰুকৰ বিলোপ (১৯১৯), খাটোলা ত্যাগ (১৯২১), অসম সংস্কৃত ব'ৰ্ডৰ সভাপতি (১৯২৭), অস্পৃশ্যসকলক মন্দিৰত প্ৰৱেশৰ অনুমতি দান (১৯২৮), কৈৱৰ্ত সন্মিলনৰ সভাপতি (১৯৩০), অসম ছাত্ৰ সন্মিলনীৰ সভাপতি (১৯৩২), হৰিজন সেৱক সংঘৰ সভাপতি (১৯৩৪), অসম হিন্দী প্ৰচাৰ সমিতিৰ সভাপতি (১৯৩৬), ভাৰতত প্ৰথম বৃক্ষৰোপণ আঁচনি (১৯৪১), পাহাৰীয়া লোকৰ মাজত ধৰ্ম আৰু শিক্ষা বিস্তাৰ (১৯৪৬-৪৮), সহ-অভিনয়ৰ প্ৰচলন (১৯৫০), প্ৰজা মজদুৰ সংঘৰ সভাপতি (১৯৫২) স্বৰূপে জাতিক সেৱা কৰাৰ উপৰিও ১৯৪৩-৪৫ খ্ৰী:ত কাৰাবন্দী হৈ থকা

অৱস্থাত ভাগৱতৰ দশম, একাদশ আৰু দ্বাদশ স্কন্ধৰ ভাঙনি কৰে (অপ্ৰকাশিত)। তদুপৰি ধৰ্মবাণী (১৯৬২ত প্ৰকাশিত) নামৰ এখনি তত্ত্বগধুৰ গ্ৰন্থ, 'সপ্তসুৰৰ উৎপত্তি', 'বলিছলন', 'প্ৰহ্লাদ চৰিত্ৰ', 'ৰাসলীলা' (৪খন নাটক), 'কাৰ্বিভক্ত হৰিদাস', 'বেদান্তসাৰ' (এইখন অপ্ৰকাশিত), 'সনাতন ধৰ্মৰ মুখপত্ৰ' (সম্পাদিত), তৎকালীন আৰু ভাবীকালীন সমস্যাৰ বিষয়ে সাময়িক পত্ৰ-পত্ৰিকাত লিখা চিন্তাগধুৰ প্ৰবন্ধৰাজি আৰু ভাষণাৱলীৰ যোগেদি তেখেতে মাতৃ ভাষালৈ অনবদ্য অৱদান আগবঢ়াই গৈছে। (*পীতাম্বৰদেৱ গোস্বামীৰ বিষয়ে অধিক তথ্য 'মাজুলীৰ মুক্তি যুঁজাৰুসকল', 'সাংস্কৃতিক ঐতিহ্য আৰু পৰিক্ৰমা', 'সমাজ পৰিৱৰ্তনৰ পটভূমি' ত উল্লেখ কৰা হৈছে।*)

**শ্ৰীধৰ বৰুৱা (ওজা) :** আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ দত্তদেৱ গোস্বামীৰ স্নেহধন্য শ্ৰীধৰ বৰুৱা (ওজা)ই 'ধৰ্মপ্ৰকাশ যন্ত্ৰ' ছপাশালৰ কাম আৰু তাৰ পৰা প্ৰকাশিত 'আসাম বিলাসিনী' কাকতৰ সৰহখিনি কাম কৰিছিল। তেওঁ প্ৰবন্ধ-পাতি লিখাৰ উপৰিও কাকতখনৰ ভালেমান সম্পাদকীয় লিখিছিল বুলি জনা যায়। আউনীআটী সত্ৰৰ পৰাই প্ৰকাশিত 'আসাম তাৰা', 'আসাম দীপক' নামৰ ধৰ্মালোচনী দুখনৰ সৈতেও শ্ৰীধৰ বৰুৱা (ওজা) জড়িত হৈ গুৰু দায়িত্ব পালন কৰিছিল।

**কেশৱৰাম বৰা (১৮৯০-১৯৭১) :** কেশৱৰাম বৰাক আধুনিক মাজুলীৰ শিক্ষা জগতৰ প্ৰাণপুৰুষ বুলি অভিহিত কৰা হয়। আধুনিক মাজুলী নিৰ্মাণৰ বিভিন্ন দিশত কেশৱৰাম বৰাৰ অৱদান আজিও মাজুলী-বাসীয়ে শ্ৰদ্ধাৰে সোঁৱৰে। এইগৰাকী অসাধাৰণ পুৰুষৰ চমু জীৱনী তলত আলোকপাত কৰা হ'ল—

মাজুলীৰ বিখ্যাত শালমৰা গাঁৱৰ এটি আঢ্যৱন্ত পৰিয়ালত আনুমানিক ১৮৯০ খ্ৰী:ৰ ভাদ মাহত কেশৱৰাম বৰাৰ জন্ম হৈছিল বুলি জনা যায়। বিশেষ কাৰণত ককাদেউতাকে তেখেতৰ সোঁৱৰণীখন জুইত পুৰি পেলোৱাত তেখেতৰ জন্মৰ সঠিক চন-তাৰিখ জনা নাযায়। তেওঁৰ পিতৃ ৰামচৰণ গাঁওবুঢ়া সমগ্ৰ অঞ্চলটোৰে এজন প্ৰভাৱশালী নমস্য ব্যক্তি আছিল। তেওঁৰ মাক ফুলেশ্বৰী বৰা ধৰ্মপ্ৰাণা নাৰী আছিল। গতিকে এইটো সহজে বোধগম্য যে ঘৰখনেই তেখেতৰ ব্যক্তিত্ব গঢ়াত সহায় কৰিছিল।

তেওঁৰ আধালিখা আত্মজীৱনীৰ পৰা জনা যায়, তেওঁ কুশৰাম নামৰ দক্ষিণপাৰৰ এজন শিক্ষকৰ তলত প্ৰাথমিক শিক্ষা শেষ কৰে ১৯০৮ খ্ৰী:ত। সেই সময়লৈকে মাজুলীত বোলে প্ৰাথমিক স্কুলৰ শিক্ষকতা কৰিব পৰা লোক ওলোৱা নাছিল। ১৯০৮ খ্ৰী:ত প্ৰাথমিক শিক্ষা শেষ কৰি যোৰহাট চৰকাৰী হাইস্কুলত চতুৰ্থ শ্ৰেণীত ভৰ্তি হয়। দদাইদেৱেক নাৰায়ণ বৰাৰ তত্ত্বাৱধানত হাইস্কুলত নাম ভৰ্তি কৰাৰ আগতেই ইংৰাজী অধ্যয়ন কৰা বাবে চতুৰ্থ শ্ৰেণীত ভৰ্তি হ'বলৈ অনুমতি দিয়া হৈছিল।

বৰাৰ পিতৃ-পৰিয়াল একান্ত সাত্বিক আছিল। ছাত্ৰাবাসত থাকি অধ্যয়ন কৰিলে অনাচাৰী-ব্যভিচাৰী হ'ব বুলি ভয় কৰি ভোগদৈৰ পাৰৰ নকাৰী গাঁৱৰ শিক্ষক গোলোক ফুকনৰ ঘৰৰ কাষতে এটি পঁজাঘৰ সাজি দি দদাইদেৱেক নাৰায়ণ বৰাৰ লগত কেশৱৰাম বৰাৰ থকা-মেলাৰ আৰু অধ্যয়নৰ ব্যৱস্থা কৰা হৈছিল। নাৰায়ণ বৰা নৈষ্ঠিক ধৰ্মপৰায়ণ লোক। তেওঁৰ লগত থাকি বৰাই পুৱা-গধূলি ভোগদৈত গা-ধোৱাৰ পৰা আৰম্ভ কৰি কঠিন ধৰ্মাচৰণ বিধিসমূহ পালন কৰিবলগা হৈছিল। ধৰ্মাচৰণৰ এই বাহ্যিকতাবোৰ তেওঁৰ অন্তৰে মানি ল'বলৈ টান পাইছিল। সেয়ে দদাইদেৱেকে মেট্ৰিক পাছ কৰি কলিকতালৈ (বৰ্তমান ক'লকতা) পঢ়িবলৈ যোৱাত তেওঁ মুক্তি পোৱাদি পাইছিল।

দদাইদেৱেকৰ সংগৰ পৰা মুক্ত হৈ কেশৱৰাম বৰাই তেওঁৰ বিভিন্ন ধৰ্মী বন্ধু-বান্ধৱৰ লগত অবাধ মিলা-মিচা আৰম্ভ কৰে আৰু খোৱা-বোৱাও য'তে-ত'তে কৰিবলৈ ধৰে। এই কথা গম পাই পিতৃ আৰু ককাদেউতাক খঙত জ্বলি-পকি উঠে আৰু তেওঁৰ মুক্ত জীৱন শৃংখলিত কৰাৰ উদ্দেশ্যে ১৯১৪ খ্ৰী:ত তেওঁ অষ্টমৰ পৰা নৱমলৈ পৰীক্ষা দিয়াৰ পাছতে নিমাতি-ককিলামুখৰ এটি বিখ্যাত পৰিয়ালৰ অকুমাৰী কন্যা মধুমতীৰ লগত জোৰ কৰি তেওঁৰ বিয়া পাতি দিয়ে।

বিয়াৰ পাছত যোৰহাটৰ স্কুলীয়া বন্ধু-বান্ধৱৰ আগত ওলাবলৈ লাজ পাই বৰাই যোৰহাট চৰকাৰী হাইস্কুলৰ পৰা ছাৰ্টিফিকেট লৈ ডিব্ৰুগড় জৰ্জ ইনষ্টিটিউটত নৱম শ্ৰেণীত ভৰ্তি হয়। ডিব্ৰুগড়ৰ পৰা মেট্ৰিক পাছ কৰি বৰাই গুৱাহাটীৰ কটন কলেজত বিজ্ঞান শাখাত ভৰ্তি হয় আৰু এই কলেজৰ পৰাই ১৯২০ খ্ৰী:ত সুখ্যাতিৰে বি. এছ. চি. পাছ কৰে। কটন কলেজত তেওঁ অসমৰ ভূতপূৰ্ব মন্ত্ৰী মতিৰাম বৰাৰ সৈতে একেটা কোঠাতে আছিল আৰু দুয়ো বৰ নলে-গলে লগা বন্ধু আছিল। বি এছ. চি. পাছ কৰাৰ পিছতেই তেওঁ মাজুলীৰ প্ৰথম স্নাতক (গ্ৰেজুৱেট)ৰূপে পৰিগণিত হয়।

কেশৱৰাম বৰাৰ আত্মজীৱনীৰ পৰা জনা যায় যে ষষ্ঠ শ্ৰেণীত পঢ়ি থকা অৱস্থাতে এদিন শিক্ষক চন্দ্ৰকান্ত বৰপূজাৰীৰ এটা প্ৰশ্নৰ উত্তৰ দিব নোৱৰাৰ বাবে তেওঁক এইবুলি গালি পাৰে— "গোট বৰালি মাছ খোৱা মাজুলীয়াল, পিছপৰা মাজুলীৰ পৰা আহি পিছ নপৰি কি আগবাঢ়িবি ? যা যা পঢ়িব নালাগে, মাজুলীত গোসাঁইৰ প্ৰসাদ খাই থাকগৈ।" ইয়াতে খং আৰু লাজত অপমানিত বোধ কৰি কান্দি-কাটি স্কুলৰ পৰা ওলাই আহে আৰু একেবাৰে ঘৰলৈ যোৱাৰ উদ্দেশ্যে টালি-টোপোলা বান্ধেগৈ। ইতিমধ্যে দদাইদেৱেকে আহি পাই কথবোৰ শুনি বুজনি দিয়ে— "মাজুলীত পঢ়া-শুনা মানুহ নাই কাৰণে শিক্ষকে পিছপৰা বুলি কৈছে। গতিকে তয়ো পঢ়, ময়ো পঢ়োঁ; দুয়োটাই বি. এ. পাছ কৰি মাজুলীত স্কুল পাতিম।" দদাইদেৱেকৰ এই বাণীয়ে বৰাৰ অন্তৰ স্পৰ্শ কৰে আৰু তেতিয়াই পঢ়া-শুনা কৰি মাজুলীত স্কুল প্ৰতিষ্ঠা কৰাৰ সংকল্প গ্ৰহণ কৰে।

১৯২০ খ্ৰী:ত বি. এছ. চি. পাছ কৰাৰ পাছত তেওঁক আদালতৰ বিচাৰকৰ পদ যঁচা হৈছিল; কিন্তু পূৰ্বে লোৱা সংকল্পৰ বাবে এই পদ গ্ৰহণ নকৰিলে।

**স্বাধীনতা ৰণত যোগদান :** স্নাতক হৈয়ে তেওঁ মাজুলীত স্কুল স্থাপন কৰিবলৈ মন মেলে; কিন্তু ইতিমধ্যে মহাত্মা গান্ধীৰ অসহযোগ আন্দোলনে সকলোকে সজাগ কৰি তোলে দেশৰ স্বাধীনতা পুনৰুদ্ধাৰ বাবে।

বৰাই স্কুল স্থাপনৰ কথা অলপদিন পাছলৈ থৈ গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ পীতাম্বৰদেৱ গোস্বামীৰ লগত সহযোগিতা কৰি মাজুলীতো স্বাধীনতা আন্দোলনৰ ঢৌ তোলে। ইয়াতে ১৯২৪ খ্ৰী:ত সত্ৰাধিকাৰ প্ৰমুখ্যে বৰাইও কাৰাবৰণ খাটিব লগা হয়। বেণুধৰ শৰ্মাৰ 'কংগ্ৰেছৰ কাঁচিয়লি ৰ'দত' গ্ৰন্থত বৰাই স্বাধীনতা সংগ্ৰামত গ্ৰহণ কৰা ভূমিকাৰ বিষয়ে উল্লেখ কৰিছে।

**মাজুলীত স্কুল স্থাপন, প্ৰথম ইংৰাজী শিক্ষাৰ পাতনি :** জেলৰ পৰা মুকলি হৈয়ে বৰাই মাজুলীত ইংৰাজী স্কুল স্থাপন কৰিবলৈ উঠি-পৰি লাগে। মাজুলীবাসী ৰাইজৰ শিক্ষাৰ প্ৰতি নিস্পৃহ মনোভাব আৰু ইংৰাজী শিক্ষাৰ প্ৰতি প্ৰবল বিদ্বেষ ভাব তেওঁৰ পথত প্ৰধান অন্তৰায় হৈ থিয় দিছিল। দক্ষিণপাট, আউনীআটী আদি সত্ৰৰ সত্ৰাধিকাৰসকলেও মাজুলীত ইংৰাজী শিক্ষাৰ স্কুল খোলাত তেওঁক উৎসাহিত কৰা নাছিল। ইয়ানবিলাক বাধা সত্বেও তেওঁ ১৯২৪ খ্ৰী:ত মাজুলীৰ কমাৰগাঁৱত এখন মধ্য ইংৰাজী স্কুল স্থাপন কৰি মাজুলীত প্ৰথম ইংৰাজী শিক্ষাৰ পাতনি মেলে। এই কাৰ্যত বেথাৰাম বৰাকে মুখ্য কৰি জনচেৰেক লোক তেওঁৰ প্ৰধান সহায়ক আছিল। পাছত সুযোগ্য শিক্ষক বোমেশ্বৰ হাজৰিকাৰ সহযোগত বৰাৰ শিক্ষা বিস্তাৰ কাৰ্য সহজ হৈ পৰে। ১৯২৪ খ্ৰী:লৈকে মাজুলীত কেইখনমান প্ৰাথমিক আৰু কেইখনমান মধ্য অসমীয়া স্কুলহে মাথোন আছিল। সেই সময়ত বাট-পদূলিৰ নামত মাজুলীত একো নাছিল বুলি ক'ব পাৰি। ইয়াৰ ফলত বিভিন্ন ঠাইৰ পৰা স্কুললৈ অহা ছাত্ৰসকল আহ-যাহ কৰাত প্ৰধান সমস্যাই দেখা দিছিল। সেইকাৰণে স্কুলৰ কাষতে ছাত্ৰাবাস সাজি ল'ৰাবোৰক ৰখাৰ ব্যৱস্থা কৰিছিল। এই স্কুলঘৰ আৰু ছাত্ৰাবাস স্কুলীয়া ল'ৰা আৰু স্থানীয় ৰাইজৰ সহযোগত কৰা হৈছিল; সাধাৰণ খেৰ আৰু বাঁহেৰে। ঘৰে ঘৰে গৈ অভিভাৱকক নানা যুক্তিৰে বুজাই স্কুলৰ ল'ৰা সংগ্ৰহ কৰিবলগা হৈছিল। ছাত্ৰাবাসত ল'ৰাবোৰক ৰখাৰ আন এটা উদ্দেশ্য হ'ল— ল'ৰাবোৰক ঘৰৰ পৰা আঁতৰত ৰখা। ঘৰৰ পৰা অহা-যোৱা কৰি পঢ়িবলৈ দিয়া ল'ৰাবোৰ পঢ়া-শুনাত অমনোযোগী আৰু প্ৰায়ে স্কুল এৰি দিয়া দেখা গৈছিল। সেই সময়ত মাজুলী অৰণ্যময় আছিল আৰু দিনতে বাঘ-ঘোং আদি ওলাইছিল বাবে স্কুলৰ কাষতে থকাটো সমীচিন আছিল।

আধুনিক শিক্ষাৰ প্ৰতি ৰাইজক সজাগ কৰাৰ উদ্দেশ্যে আৰু ছাত্ৰ সংগ্ৰহৰ সুবিধাৰ্থে সময়ে সময়ে স্কুলখন স্থানান্তৰ কৰা হৈছিল। এটা অঞ্চলত অলপদিন স্কুলখন চলাই সেই অঞ্চলৰ কিছু ছাত্ৰ সংগ্ৰহ কৰি আন ঠাইলৈ স্কুলখন স্থানান্তৰ কৰি সেই অঞ্চলৰ কিছু ছাত্ৰ সংগ্ৰহ কৰি আন ঠাইলৈ স্কুলখন উঠাই নিয়া হৈছিল। কমাৰগাঁৱৰ পৰা ৰাৱণাপাৰ, ৰাৱণাপাৰৰ পৰা বনগাঁও, বনগাঁৱৰ পৰা আকৌ কমাৰগাঁও; এনেকৈ কেইবাৰো ঠাই সলনি কৰা হ'ল। অৱশেষত ১৯৩৭ খ্ৰী:ত কমলাবাৰীলৈ স্কুলখন উঠাই অনা হয়। এইবাৰ আউনীআটীয় সত্ৰাধিকাৰ হেমচন্দ্ৰ গোস্বামীৰ বদান্যতাত কমলাবাৰীত স্থায়ীভাৱে স্কুলঘৰ নিৰ্মাণ কৰা হয়। তেতিয়াৰ পৰা এই স্কুল মাজুলী আউনীআটী হেমচন্দ্ৰ হাইস্কুল হিচাপে নামকৰণ কৰা হয়। এই কামত গড়মূৰীয়া সত্ৰাধিকাৰ পীতাম্বৰদেৱ গোস্বামী, হীৰালাল ঠাকুৰ, ডম্বৰু বৰুৱা, গোবিন্দ শৰ্মা, কৃষ্ণ গোস্বামী, যোগেশ্বৰ শইকীয়া, ঘনশ্যাম ভূঞা, সৰ্বেশ্বৰ ফুকন

আদিয়ে শিক্ষাৰ দিশত যথেষ্ট সহায় কৰে। কেশৱৰাম বৰা এই বিদ্যালয়ৰ প্ৰধান শিক্ষকৰূপে সুদীৰ্ঘ কাল থাকি ১৯৬৩ খ্ৰী:ত অৱসৰ গ্ৰহণ কৰে।

**কলেজ স্থাপন :** স্কুলৰ পৰা অৱসৰ লোৱাৰ আগৰে পৰাই মাজুলীত এখন কলেজ স্থাপনৰ কামত বৰাই কাম আৰম্ভ কৰে। এই উদ্দেশ্যে মাজুলীৰ বিভিন্ন ঠাইত ঘূৰি, সভা-সমিতি পাতি ৰাইজৰ সহযোগ বিচাৰে। হীৰালাল ঠাকুৰ, ৰোমেশ্বৰ হাজৰিকা আদিৰ লগ লাগি অৱশেষত সমগ্ৰ মাজুলীৰ ৰাইজৰ সক্ৰিয় সহযোগত ১৯৬২ খ্ৰী:ত বানপানীৰ মাজতেই কমলাবাৰীত 'মাজুলী কলেজ' প্ৰতিষ্ঠা কৰে। ১৯৬৩ খ্ৰী:ত শাৰীৰিক অসুস্থতাৰ বাবে কলেজৰ সম্পাদকৰ দায়িত্ব কৃষ্ণকান্ত গোস্বামীৰ হাতত অৰ্পণ কৰে।

সুদীৰ্ঘ ৮ বছৰ কাল উচ্চ ৰক্তচাপ ৰোগত ভুগি ১৯৭১ খ্ৰী:ৰ ১১ অক্টোবৰত ৮২ বছৰ বয়সত তেওঁ মৃত্যু বৰণ কৰে।

বৰা এজন সবল-সুঠাম সুপুৰুষ আছিল। সদায় হাঁহিৰে ভৰা মুখেৰে তেওঁ সহজে সকলোৰে অন্তৰ জয় কৰিছিল। গোটেই জীৱন চাইকেলত নুঠাকৈয়ে খোজকাঢ়ি মাজুলীৰ ইমূৰৰ পৰা সিমূৰলৈ অহা-যোৱা কৰিছিল। তেওঁ য'লৈকে যায়, তাতেই যেন এটা শোভাযাত্ৰাহে হয়। এখন গাঁৱত সোমালে প্ৰত্যেক ঘৰতেই সোমাই যাবই। বিশেষকৈ, দুখীয়া মানুহকেইঘৰত সোমাই মাত লগাবলৈ তেওঁ কোনোদিন নাপাহৰে। সৰু-ল'ৰা-ছোৱালীক তেওঁ বৰ ভাল পাইছিল।

অসম্ভৱ নিৰ্ভীক এইজন লোকে মাজৰাতিও জয়াল হাবিৰ মাজেৰে নিৰ্ভয়ে অহা-যোৱা কৰিছিল। বিয়া-সবাহ, উৎসৱ-পাৰ্বন, সভা-সমিতি, জ্বৰ-নৰীয়া সকলোতে তেওঁক বিচাৰিলেই পোৱা গৈছিল। সমগ্ৰ জীৱন বিশ্ৰাম নোলোৱাকৈ পাৰ কৰা বৰাদেৱে শিক্ষকতা কৰাৰ উপৰি তেওঁ সমাজৰ সকলো দিশতে নিষ্ঠাৰে দায়িত্ব পালন কৰিছিল। তেওঁ মাজুলীৰ অভিনয়-জগতৰো এটি উজ্বল নক্ষত্ৰ আছিল। স্বাস্থ্যৰ কথালৈ নাভাবি অত্যাধিক পৰিশ্ৰম কৰাৰ ফলত জীৱনৰ শেষ কালছোৱা নৰীয়া অৱস্থাতে কটাবলগা হ'ল। চৰকাৰে আগবঢ়োৱা ৰাজনৈতিক নিৰ্যাতিতৰ পেঞ্চন তেওঁ গ্ৰহণ কৰা নাছিল।

পীতাম্বৰদেৱ গোস্বামীৰ সমাজ-সংস্কাৰমূলক কাৰ্যত তেওঁ সোঁহাতস্বৰূপ আছিল। দুয়ো সঘনে আলোচনাত বহিছিল আৰু সকলো কথাতে একমত আছিল। অসমৰ এইজনা স্বনামধন্য গুৰুৰ বৰা অতি প্ৰিয়পাত্ৰ আছিল।

বিষ্ণুৰাম মেধি, মতিৰাম বৰা, ৰামনাথ দাস, দেৱেশ্বৰ শৰ্মা, কুলধৰ চলিহা, বাগ্মীবৰ নীলমণি ফুকন আদি প্ৰখ্যাত ব্যক্তিসকল বৰাৰ বন্ধুস্বৰূপ আছিল। উল্লেখযোগ্য যে ১৯৩৭ খ্ৰী:ত মাজুলী আউনীআটী হেমচন্দ্ৰ বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত এখন সভাত পণ্ডিত জৱাহৰলাল নেহৰুৱে ভাষণ দিছিল; এই সভাৰ সভাপতিৰ আসনত আছিল কেশৱৰাম বৰা। (*কেশৱৰাম বৰাৰ বিষয়ে 'মাজুলীৰ মুক্তিযুঁজাৰুসকল' আৰু 'মাজুলীৰ শিক্ষা-ব্যৱস্থাৰ ক্ৰমবিকাশ'ত অধিক তথ্য দিয়া হৈছে।*)

**ৰুদ্ৰকান্ত গোস্বামী (১৯০১-২০০০) :** চামগুৰি সত্ৰত জন্ম গ্ৰহণ কৰা ৰুদ্ৰকান্ত গোস্বামীৰ আনুষ্ঠানিক শিক্ষা সপ্তম শ্ৰেণীতেই ইতি পৰে যদিও 'ৰুচি গোসাঁই' বুলি পৰিচিত এইজন ব্যক্তিৰ সুৰুচিপূৰ্ণ ব্যৱহাৰ আৰু জীৱন-চৰ্যাই বিদ্বৎজনৰো শ্ৰদ্ধা-ভক্তি আদায় কৰিবলৈ সক্ষম হৈছিল। চোঁ-মুখা, চাৰু-কাৰু শিল্পাদি চৰ্চাৰ ক্ষেত্ৰত গৌৰৱময় ঐতিহ্যৰ অধিকাৰী চামগুৰি সত্ৰই এইজনা সত্ৰাধিকাৰৰ দিনতেই সত্ৰীয়া কলা-সম্পদসমূহ বাহিৰৰ জগতখনলৈ উলিয়াই নিয়ে। নৃত্য-গীত-বাদ্য-অভিনয়ত পাৰ্গত এইজনা ব্যক্তিয়ে 'এশটা শৰতৰ' পৰমায়ু পাই সুকৃতিৰ যোগেদি জীৱনৰ প্ৰতিটো ক্ষণ সাৰ্থকভাৱে উপভোগ কৰাৰ উপৰিও বহুজনক দিগ্‌দৰ্শনো কৰাইছিল। কাঠ-বাঁহ-বেত, কাপোৰ-কাগজৰ জীৱন্ত চোঁ-মুখাৰ পৰা আৰম্ভ কৰি চিমেন্ট-লোহাৰে সিংহ, গজব্যাল, হৰিণ নিৰ্মাণত যেনেকৈ পটু আছিল, ঠিক সেইদৰে হেঙুল-হাইতাল বোলাই সজা কাঠৰ সিংহাসন-গৰুড়াসন-ময়ূৰাসনৰ বাবেও তেখেতৰ নাম গোটেই অসমতে ৰজনজনাই গৈছিল। বাসুদেৱ থানৰ মূল বিগ্ৰহ পুনৰ নিৰ্মাণ, ব্ৰহ্মা-বিষ্ণু-মহেশ, বৰদোৱা কীৰ্ত্তন-ঘৰৰ সিংহমূৰ্তি, দক্ষিণপাট সত্ৰৰ মণিকূটৰ দেৱালত নিৰ্মিত প্ৰাচীন গড়ৰ সিংহদ্বয়, ভোগপুৰ সত্ৰৰ সিংহদ্বয়, পহুমৰা নাথ গাঁৱৰ অনন্তশয্যা আৰু শিৱ-বৃষভৰ চিমেন্ট নিৰ্মিত মূৰ্তি আদি তেখেতৰ দ্বাৰাই নিৰ্মিত। আজীৱন সত্ৰীয়া-সংস্কৃতিৰ সাধক গোস্বামীদেৱে অসমৰ বাহিৰ-ভিতৰৰ বিদ্বৎ সমাজৰ পৰা ভাস্কৰ্য নিৰ্মাণ আৰু সংস্কৃতি-চৰ্চাৰ ক্ষেত্ৰত ভূয়সী প্ৰশংসা পাইছিল। ভুবনেশ্বৰ বৰুৱা, লক্ষ্যধৰ চৌধুৰী, বিপ্লৱী ধৰ্মগুৰু পীতাম্বৰদেৱ গোস্বামী, কুলধৰ চলিহা, মহেন্দ্ৰমোহন চৌধুৰী, দেৱেশ্বৰ শৰ্মা, ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, প্ৰদীপ চলিহা, নীলমণি ফুকন আদি বিশিষ্ট ব্যক্তিসকলৰ সান্নিধ্য আৰু প্ৰেৰণাই তেখেতক অধিক কলানুৰাগী কৰি তুলিছিল। তেখেতে গড়মূৰ, বেঙেনাআটি, ৰৰ এলেঙি আদি সত্ৰতো

সত্ৰীয়া-সংস্কৃতিৰ শিক্ষাদান কৰিছিল। অগ্নিপুৰাণ, উদ্যোগপৰ্ব, ভীষ্মপৰ্ব আৰু পাতালী পুৰাণ আদি নাটক ৰচনা আৰু পৰিচালনা কৰিও সুনাম অৰ্জন কৰিছিল।

**ড° কুমুদ বৰা (১৯২২-১৯৮১):** আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বিজ্ঞানী ড° কুমুদ বৰাই জন্ম গ্ৰহণ কৰে মাজুলীৰ কৰতিপাৰ সত্ৰৰ এটি সাধাৰণ কৃষক পৰিয়ালত ১৯২২ খ্ৰী:ত। বহু মৌলিক গবেষণাপ্ৰসূত কৃতিত্বৰ অধিকাৰী ড° বৰা ভাৰতৰ এট'মিক এনাৰ্জি কমিশ্যন, বিশ্ব স্বাস্থ্য সংস্থা, আৰ্থিক সহযোগিতা আৰু উন্নয়ন আন্তঃৰাষ্ট্ৰীয় সংস্থা, কানাডাৰ ৰাষ্ট্ৰীয় স্বাস্থ্য আৰু জনকল্যাণ বিভাগ, কানাডা চৰকাৰৰ স্বাস্থ্য আৰু পাৰিপাৰ্শ্বিকতা সম্পৰ্কীয় উপদেষ্টা সমিতি আদিৰ লগত ওতঃপ্ৰোতভাৱে জড়িত আছিল। অনেক ঘাত-প্ৰতিঘাতৰ মাজত ডাঙৰ-দীঘল হোৱা ড° বৰাই কৰতিপাৰ প্ৰাইমেৰী বিদ্যালয়ত প্ৰাথমিক শিক্ষা গ্ৰহণ কৰি পিছলৈ যোৰহাটৰ শংকৰদেৱ ছেমিনাৰী আৰু খ্ৰীষ্টিয়ান মিশ্যন হাইস্কুলত পঢ়ি ১৯৪১ খ্ৰী:ত কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত মেট্ৰিক পৰীক্ষা দি চাৰিটা বিষয়ত লেটাৰসহ ষ্টাৰ মাৰ্ক পাই সপ্তম স্থান অধিকাৰ কৰে। ১৯৪৪ খ্ৰী:ত কটন কলেজৰ পৰা বি. এচ. ছি. পৰীক্ষাত উত্তীৰ্ণ হওঁতে তেওঁ ডিষ্টিংশ্যনসহ উদ্ভিদ বিজ্ঞানত সৰ্বাধিক নম্বৰ পায়। ১৯৪৭ খ্ৰী:ত তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰ পৰা উদ্ভিদ বিজ্ঞানত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰে আৰু অসমলৈ ঘূৰি আহি প্ৰথমে অসম কৃষি মহাবিদ্যালয় আৰু কিছুদিন গুৱাহাটী বিশ্ববিদ্যালয়ৰ উদ্ভিদ-বিজ্ঞান বিষয়ৰ প্ৰৱক্তাৰূপে কাৰ্যনিৰ্বাহ কৰে। ১৯৫০ খ্ৰী:ত এটা ফেল'শ্বিপ পাই কেম্ব্ৰিজ বিশ্ববিদ্যালয়লৈ যায় আৰু ১৯৫৩ খ্ৰী:ত প্লেন্ট জেনেটিক্সৰ বিষয়ে গবেষণা কৰি ডক্টৰেট ডিগ্ৰী লাভ কৰে। ড° বৰা পুনৰ গুৱাহাটী বিশ্ববিদ্যালয়লৈ ঘূৰি আহে যদিও ১৯৫৫ খ্ৰী:ত তেওঁক বোম্বাইৰ (বৰ্তমান মুম্বাই) এট'মিক এনাৰ্জি কমিশ্যনলৈ মাতি নিয়া হয়। তেতিয়াৰে পৰা ড° বৰাই কেতিয়াও পিছলৈ ঘূৰি চাবলগা নহ'ল। কিছুদিনৰ ভিতৰতে উক্ত বিভাগৰ বায়'লজি আৰু মেডিচিন বিভাগৰ (ছাইট'জেনেটিক্স গ্ৰুপ)ৰ মুৰব্বী হয়। এইছোৱা সময়তে ড° বৰাই এক বৃহৎ সংখ্যক বিজ্ঞানীক সংবদ্ধ কৰি বিকিৰণ আৰু ৰাসায়নিকভাৱে ক্ৰ'মজম বিনষ্ট হোৱা সম্পৰ্কীয় গবেষণা পৰিচালনা কৰি এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। কানাডাৰ বিজ্ঞানী জৰ্জ ডগ্‌লাছৰ মতে, "This type of research can be regarded as the forerunner of what we now call genetic toxicology"।

সি যি কি নহওক, ১৯৬৩ খ্ৰী:ৰ ভিতৰত ড° বৰাৰ বৈজ্ঞানিক কৰ্ম আৰু খ্যাতিয়ে আন্তঃৰাষ্ট্ৰীয় স্বীকৃতি লাভ কৰে। ইয়াৰ ফলশ্ৰুতিতে তেওঁ অতি উচ্চ সন্মানজনক, বিশ্ব স্বাস্থ্য সংস্থাৰ বিজ্ঞান-বিষয়া হিচাপে পদবী লাভ কৰি নিউয়ৰ্কলৈ যায়। ইয়াত কৃতিত্বৰে এবছৰ কাৰ্যনিৰ্বাহ কৰি কানাডালৈ যাত্ৰা কৰে। কানাডাত তেওঁ অতি গুৰুত্বপূৰ্ণ পদবী গ্ৰহণ কৰি কাৰ্যনিৰ্বাহ কৰাৰ কথা ইতিমধ্যে উল্লেখ কৰি অহা হৈছে। কানাডাতে ড° বৰাই স্থায়ী নাগৰিকত্ব লাভ কৰি পত্নী আৰু চাৰি-পুত্ৰসহ বসবাস কৰি থকা অৱস্থাত ১৯৮১ খ্ৰী:ৰ ১৬ জুলাই তাৰিখে ৫৮ বছৰ বয়সত মৃত্যু বৰণ কৰে। মাজুলীৰে সু-সন্তান, সকলোৰে আদৰ্শ স্বৰূপ বিশিষ্ট বিজ্ঞানীজন অসমতকৈ আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তহে অধিক জনাজাত। (উৎস : প্ৰান্তিক, প্ৰথম বছৰ ১২শ সংখ্যা, ১৯৮২ আৰু আনন্দ চন্দ্ৰ দত্তৰ প্ৰবন্ধ 'মাজুলীৰ কুমুদ বৰা', দৈনিক জনভূমি।)

**তৰুণ চন্দ্ৰ পামেগাম : (১৯২৪-১৯৮৩)** মাজুলীবাসীয়ে যিসকল ব্যক্তিক লৈ সদায়ে গৌৰৱবোধ কৰে, তেওঁলোক ভিতৰত প্ৰয়াত তৰুণ চন্দ্ৰ পামেগাম অন্যতম। অতি সাধাৰণভাৱে জীৱন-যাপন কৰি অসাধাৰণ প্ৰতিভাৰে অসমীয়া ভাষা-সংস্কৃতিত পামেগামে এক সুকীয়া আসন প্ৰতিষ্ঠা কৰি গৈছে। সৃষ্টিৰ প্ৰেৰণাত নিজৰ জীৱনকো বিপন্ন কৰি মিচিং সমাজৰ লোক-কলা, লোক-সাহিত্যৰ গবেষণাৰে উত্তৰ পুৰুষলৈ দি গ'ল সময়-বালিত এক বলিষ্ঠ পদক্ষেপ। উদাৰ দৃষ্টিভংগীৰে বহল মনৰ গৰাকী, একাধাৰে গল্পকাৰ, নাট্যকাৰ, ঔপন্যাসিক, কবি, প্ৰবন্ধ লেখক, অভিনেতা, গায়ক, বাদ্যকাৰ, পৰিচালক, শিক্ষক আৰু সমাজ-সংগঠক স্বৰ্গীয় পামেগামৰ জীৱন-বুৰঞ্জীৰ পাত লুটিয়াই চালে দেখা পাওঁ পূৰ্ণতাৰে জীৱন-পাত্ৰ ভৰাই মৰণ পৰ্যন্ত যুঁজি-জিকি, শিকি-শিকাই লাভ কৰা অবিৰত সাধনাৰ জীৱন-ফচল। সৰু সৰু মানুহৰ বহল হৃদয়ৰ আত্মোপলব্ধিৰ বিশ্লেষণ ঘটিছিল সাধনাৰ পটভূমি আৰু সংস্কৃতিৰ পথাৰত অংকুৰিত কৰিছিল সাম্য-মৈত্ৰীৰ অমোঘ মন্ত্ৰ।

এইগৰাকী সুন্দৰৰ সাধকৰ জন্ম হৈছিল মাজুলীৰ ২নং বৰগএঞা মিচিং গাঁৱৰ এটি সাধাৰণ পৰিয়ালত ১৯২৪ খ্ৰী:ৰ ১৬ আগষ্ট তাৰিখে। যোৰহাটত উচ্চশিক্ষা গ্ৰহণ কৰা স্বৰ্গীয় পামেগামে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ দেওনা পাৰ হ'বলগীয়া সময়তে পিতৃ বুধবৰ পামেগামে

পুতেকক ৰচদ-পাতি যোগান দিবলৈ যাওঁতে এক মটৰ দুৰ্ঘটনাত স্বৰ্গগামী হোৱাত শিক্ষা-জীৱনৰ দৃশ্যপট সলনি কৰি পেলালে। শিক্ষা-জীৱনৰ ইতি পেলাই বায়ুসেনা বিভাগত যোগদান কৰা পামেগামক কৰ্মজীৱনে শিক্ষা গ্ৰহণৰ অদম্য হেঁপাহক বান্ধি ৰাখিব নোৱাৰিলে। 'ঘৰৰ ল'ৰা ঘৰলৈ ঘূৰি আহি' জেংৰাই এম. ই. স্কুলত শিক্ষকতাৰ পাতনি মেলি পীতাম্বৰদেৱ উচ্চ ইংৰাজী বিদ্যালয়ত শিক্ষকতাৰে সামৰণি মৰা স্বৰ্গীয় পামেগামে শিক্ষা গ্ৰহণৰ হেঁপাহো পূৰ্ণ কৰিলে।

মাজুলীলৈ প্ৰত্যাৱৰ্তন কৰা পামেগামে শিক্ষকতাৰ ব্যস্ততাৰ মাজতো মিচিং লোক-কলাৰ গবেষণা আৰু লুপ্তপ্ৰায় পুৰণি সাংস্কৃতিক উপাদানসমূহ পুনৰুদ্ধাৰৰ সেৱাত মনোনিৱেশ কৰে। ১৯৫৩ খ্ৰী:ৰ পৰা ১৯৬৫ খ্ৰী:লৈকে গুৱাহাটী বিশ্ববিদ্যালয়ত মিচিং কৃষ্টিৰ গবেষণা সহায়কৰূপে নিযোজিত হয়। ১৯৭৭ খ্ৰী:ৰ পৰা ১৯৭৮ খ্ৰী:লৈকে 'প্ৰকাশ' আলোচনীৰ সম্পাদনা সমিতিৰ সদস্যৰূপে কাৰ্যনিৰ্বাহ কৰাৰ উপৰিও ১৯৭৫ খ্ৰী:ত অসম সাহিত্য সভাৰ উপ-সভাপতিৰূপে সেৱা আগবঢ়ায়। অসম সাহিত্য সভাৰ 'ডিফু' অধিৱেশনৰ বাবে সভাপতিৰ তালিকাত অন্তৰ্ভুক্ত হৈছিল যদিও ১৯৮৩ খ্ৰী:ৰ ৩০ আগষ্টত চিৰবিদায় লোৱাত সেই আশা পূৰ্ণ নহ'ল। স্বৰ্গীয় পামেগামে ১৯৭২ খ্ৰী:ৰ পৰা ১৯৭৮ খ্ৰী:লৈকে সুদীৰ্ঘ ১৮ বছৰ কাল গড়মূৰ সাহিত্য সভাৰ সভাপতিৰ পদ অলংকৃত কৰে। তদুপৰি মাজুলীৰ বিভিন্ন সাংস্কৃতিক আৰু সামাজিক সংগঠনৰ লগত মৃত্যুৰ সময়লৈকে জড়িত হৈ আছিল।

প্ৰয়াত স্বাধীনতা যুঁজাৰু, ধৰ্মগুৰু পীতাম্বৰদেৱ গোস্বামীৰ সান্নিধ্যলৈ আহি স্বৰ্গীয় পামেগামে মাজুলীৰ সাংস্কৃতিক আৰু সামাজিক দিশত এক নতুন যুগৰ সূচনা কৰি গ'ল। গড়মূৰ বংশীগোপাল নাট্যমন্দিৰৰ 'ৰাসলীলা' অভিনয়ৰ পৰা আৰম্ভ কৰি সামাজিক নাটকলৈকে পামেগাম এৰাব নোৱৰা অংগ আছিল। সেইদৰেই জেংৰাই অঞ্চলৰ সামাজিক নাটকৰ বাটকটীয়া আছিল পামেগামেই। নিজৰ জন্মস্থানত 'খাৰজানপাৰ কৃষ্টি কেন্দ্ৰ' প্ৰতিষ্ঠা কৰি 'ৰাসলীলা' মঞ্চস্থ কৰাৰ উপৰিও মিচিং আৰু অনুসূচীত জাতিৰ লোকসকলৰ মাজত নিয়মীয়াকৈ কৃষ্টি চৰ্চাৰ পৰিৱেশ গঢ়ি তুলিছিল। মিচিং গাভৰুক মঞ্চত অভিনয় কৰোৱা, ফুটবল আদি খেল খেলোৱা মাজুলীৰ প্ৰথমজন ব্যক্তি। বৰ্তমানেও সেই চৰ্চাৰ পৰিবেশত পামেগামৰ নাতিনী অঞ্জুমণি টাকুৱে অসমলৈ গৌৰৱ গঢ়িয়াই আনি মাজুলীকো মহীয়ান কৰিছে। শ্বিলং, গুৱাহাটী, ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ প্ৰতিষ্ঠাকালৰে পৰা মিচিং গীত-মাত পৰিৱেশন আৰু মঞ্চত মিচিং কৃষ্টিক উপস্থাপন কৰোৱা প্ৰথমজন ব্যক্তি।

সমাজৰ অন্ধবিশ্বাস, কুসংস্কাৰেৰে ভৰা সমাজখনৰ এলাহু গুচাবলৈ আপ্ৰাণ চেষ্টা কৰা পামেগামক প্ৰয়াত পীতাম্বৰদেৱ গোস্বামীয়ে অনুপ্ৰেৰণা যোগাইছিল এনেদৰে— "মই ধৰ্মগুৰু, তুমি শিক্ষাগুৰু, আমি দুয়োজনে ব্ৰাহ্মণৰ কামকে কৰিছোঁ।" আনহাতে পামেগামৰ দৃষ্টিত কৃষ্টিৰ সংজ্ঞা আছিল এনেধৰণৰ— "মানুহেই কৃষ্টিৰ সৃষ্টি কৰে, ঈশ্বৰে পৃথিৱীলৈ আমাক পঠিয়াইছে আমাৰ জীৱন সুন্দৰ কৰিবলৈ, অকল্যাণৰ জড়তা নাশ কৰিবলৈ, সুখ-সমৃদ্ধি আৰু আনন্দৰ পোহৰ ছটিয়াবলৈ; পৃথিৱী সুন্দৰৰ পৰা সুন্দৰতম কৰিবলৈ। কৃষ্টিৰ আধাৰ স্বৰূপ সমাজ-কৃষ্টিৰ সৃষ্টিকাৰী প্ৰত্যেক ব্যক্তিয়ে কৃষ্টিৰ কল্যাণকামী উঠি অহা অনুজসকলৰ সূক্ষ্ম বিবেচনা, শুদ্ধ চিন্তা আৰু সুস্থিৰ কাৰ্যপন্থাৰ প্ৰতি লক্ষ্য ৰাখি কৃষ্টিক ৰূপ দিব লাগিব।"

পামেগামৰ জীৱিত কালত তেখেতৰ সাহিত্য প্ৰতিভাৰ কোনেও উমান নাপালে। সেয়েহে বহুতো মূল্যৱান সম্পদ সময় -সোঁতত হেৰাই গ'ল। সাহিত্যিক-পেন্সন লাভ কৰা সাহিত্যিক-গৰাকীৰ সাহিত্য-প্ৰতিভা আছিল জন্মগত। প্ৰবীন সাহিত্যিক ডিম্বেশ্বৰ দয়াল শৰ্মাই কয়-– " 'জেউতি'তে লিখিবলৈ আৰম্ভ কৰি পাছত অসমীয়া ভাষা-সাহিত্যত অবিস্মৰণীয় আসন যিসকলে অধিকাৰ কৰিলেগৈ, সেইসকলৰ ভিতৰতে এটি বৰেণ্য নাম স্বৰ্গীয় তৰুণচন্দ্ৰ পামেগাম। পামেগামৰ দৰে উদাৰ হৃদয়, সংহতিৰ প্ৰবক্তা, অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি তথা মিচিং ভাষা-সাহিত্য-সংস্কৃতিৰ অক্লান্ত নীৰৱ পূজাৰীৰ পুণ্য স্মৃতিয়ে উঠি অহা চামক প্ৰেৰণা যোগাব।

এইগৰাকী সাহিত্যিকে ১৯৩৮ খ্ৰী:ত ষষ্ঠ শ্ৰেণীত পঢ়ি থাকোঁতেই স্বৰ্গীয় বেণুধৰ শৰ্মা সম্পাদিত 'জেউতি'ত 'চকুলো' নামৰ গল্প লিখি আত্মপ্ৰকাশ কৰিছিল। ১৯৪৫ খ্ৰী:ৰ পৰা 'আৰোহণ' নামৰ এখন আলোচনী সম্পাদনা কৰাৰ উপৰিও যোৰহাট B. T. College আলোচনী Education আৰু মিচিং বানে কীবাওৰ স্মৃতিগ্ৰন্থ 'ৰঙা নৈৰ ৰেঙনি' আদিও সম্পাদনা কৰে। তদুপৰি বিভিন্ন আলোচনী-কাকতত গল্প, প্ৰবন্ধ, কবিতা আদি সিঁচৰতি হৈ আছে। এইগৰাকী সাহিত্যিকৰ কাপৰ পৰা নিগৰিত হৈছিল কেইবাখনো যুগজয়ী নাট। সেইবিলাকৰ ভিতৰত পপীয়াতৰা, নুৰজাহান, চান্দ সদাগৰ, বনবীৰ,

ফৰমুলা, খদমদম্, সমান্তৰাল, সন্ধি, চোৰ, সংকল্প, ফেঁহুজালি, পৰাচিত, সেতু আদিয়ে প্ৰধান। ইয়াৰে কেইবাখনো নাট ডিব্ৰুগড় আৰু গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ যোগে সম্প্ৰচাৰিত হৈ জনপ্ৰিয়তা লাভ কৰে। ইয়াৰে 'সেতু' নাটখনে সৰ্বভাৰতীয় পুৰস্কাৰো লাভ কৰে। আনহাতে মঞ্চস্থ কৰা কেইবাখনো নাটৰ বাবে পিছত মেল চপাই ৰাইজৰ মাজত ভুল বুজাবুজি আঁতৰ কৰিবলগীয়া কাৰ্যই নাট্যকাৰৰ সফলতাকে প্ৰতিপন্ন কৰে। কবি আৰু গীতিকাৰ ৰূপেও পামেগামে সফলতা লাভ কৰিছিল। প্ৰকাশিত কবিতা পুথিসমূহৰ ভিতৰত কবিতা লেছেৰী, কবিতাৰ লেছেৰী বোটলা, চকামকা, মিচিং ঐনিতম আৰু আনুনিতম আদিয়ে প্ৰধান। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি গীতিকাৰ ৰূপে জনপ্ৰিয়তা লাভ কৰা পামেগামৰ গীতেৰে 'মিচিং আগম কৌবাঙ'ৰ পতাকা উত্তোলন কৰা হয়। উপন্যাস সৃষ্টিত সিদ্ধহস্ত পামেগামৰ পাহাৰী জুৰি, সমাজৰ শেষ সীমাত, অগ্নিযুগৰ ফিৰিঙতি শেষৰাতি আদিৰ লগতে গল্প সংকলনসমূহ হ'ল— গল্প-লেছেৰী, গল্প সংকলন, নীলা খামৰ ফটো, পলাশৰ জুই আৰু মিচিং সাধু অসমীয়া সাহিত্যৰ ভঁৰাললৈ উল্লেখনীয় অৱদান।

পামেগামৰ লেখনিৰ মাজত সামাজিক ব্যাধি, অস্পৃশ্যতাৰ বিৰুদ্ধে, দেশপ্ৰেম আৰু মানৱপ্ৰেমক উদাৰ আৰু গভীৰভাৱে নিৰ্ভীকতাৰে প্ৰতিষ্ঠা কৰাৰ প্ৰয়াস দেখিবলৈ পোৱা যায়। জন-মনৰ হৃদয়ৰ আবেদন অনুধাৱন কৰি বিশ্লেষণাত্মক দৃষ্টিৰে বঞ্চিত, নিপীড়িত জনতাৰ ন্যায়প্ৰাপ্তিৰ দাবীৰে সাম্য-মৈত্ৰী আৰু অহিংসাক প্ৰতিষ্ঠা কৰাৰ উপায় বিচাৰিছিল। শতযুগৰ এলান্ধুকলীয়া শৃংখলৰ পৰা জনতাৰ মুক্তিৰ আৰ্তনাদ জনসমুদ্ৰত বিয়পাই দিছিল। সৰু সৰু মানুহৰ বহল মনৰ পৰিধিখন উদঙাই যান্ত্ৰিক সভ্যতাই গৰকি যোৱা সমাজখনত শান্তিৰ জীপাল মৰুদ্যান কল্পনা কৰিছিল। অতি সহজ-সৰল ভাষাৰ প্ৰয়োগ, ঘৰুৱা শব্দৰ প্ৰাঞ্জল ব্যঞ্জনা, প্ৰচলিত ৰূপকথাৰ উপমাৰে পামেগামৰ ৰচনাৰাজি ছন্দোময়। সৰল অথচ নিটোলভাৱে পামেগামে ভূমিপুত্ৰৰ মৌখিক ভাষাকো প্ৰতিষ্ঠা কৰি গৈছে।

বহুমুখী প্ৰতিভাৰ জ্বলন্ত ভাস্বৰ পামেগামৰ বহুতো ৰচনা আমি হেৰুৱাইছোঁ। অসম সাহিত্য সভাই প্ৰকাশ কৰা 'পামেগাম ৰচনাৱলী'য়ে (১ম খণ্ড) আমাক সকলো দিশৰ উমান দিব নোৱাৰিলে। সমগ্ৰ ৰচনাৰাজি উদ্ধাৰ সম্ভৱ নহ'লেও বৰ্তমান সংগৃহীত তথ্য-পাতিবোৰ একগোট কৰি প্ৰকাশ কৰিব নোৱাৰিলে পামেগামৰ আত্মাই শান্তি নাপাব। মাজুলীৰ মাদলীস্বৰূপ মিচিং সন্তান পামেগামৰ প্ৰতিভাৰ প্ৰতিটো দিশ আলোচনা হোৱা উচিত। পামেগামৰ ফচল কালৰ বুকুত অমৰ হৈ ৰওক।

**মণিৰাম দত্ত মোক্তাৰ (১৮৮১–১৯৬৬) :** মাত্ৰ ছবছৰ বয়সতে উদাসীন সত্ৰৰ নীতি-আৰ্হিৰ ভিত্তিত মাজুলীৰ কমলাবাৰী সত্ৰলৈ অহা মণিৰাম দত্ত মোক্তাৰ মাজুলী তথা অসমৰ সত্ৰীয়া বুৰঞ্জীত এটি স্মৰণীয় নাম। দেশৰ ৰাজধানী প্ৰমুখ্যে বিভিন্ন ঠাইত সত্ৰীয়া নৃত্যৰ প্ৰসাৰ-প্ৰচাৰৰ বাবে অশেষ চেষ্টা কৰাৰ স্বীকৃতি স্বৰূপে মণিৰাম দত্ত মোক্তাৰে ১৯৬৩ খ্ৰী:ত ৰাষ্ট্ৰপতি ড° ৰাধাকৃষ্ণণৰ পৰা সংগীত-নাটক অকাডেমী পুৰস্কাৰ লাভ কৰে। ড° মহেশ্বৰ নেওগে 'সত্ৰীয়া নৃত্য আৰু সত্ৰীয়া নৃত্যৰ তাল' গ্ৰন্থ লিখোঁতে বহু নৃত্যৰ তাল এইজন সত্ৰীয়া-সংস্কৃতিৰ পণ্ডিতৰ পৰা গ্ৰহণ কৰিছিল।

**বাপুৰাম বায়ন (১৮৮৮–১৯৮৩) :** মাজুলীৰ বামুণ গাঁৱত বাপুৰাম বায়ন আতৈৰ জন্ম। পাঁচ বছৰ বয়সৰে পৰা কমলাবাৰী সত্ৰত সত্ৰীয়া পৰিৱেশৰ মাজত ডাঙৰ-দীঘল হোৱা বাপুৰাম আতৈয়ে কম বয়সতে গীত-বাদ্য-নৃত্যাদিত পাৰ্গত হৈ উঠে। এনেদৰেই এদিন অসমৰ বাহিৰে-ভিতৰে সত্ৰীয়াকলা-সংস্কৃতিৰ বিকাশ তথা প্ৰচাৰৰ বাবে অহোপুৰুষাৰ্থ কৰি সুধী সমাজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। তেখেত অসম সংগীত-নাটক অকাডেমীৰো সক্ৰিয় সদস্য আছিল। পূৰ্বজ সত্ৰীয়া-সংস্কৃতিৰ সাধক মণিৰাম দত্ত মোক্তাৰৰ দৰেই প্ৰয়াত বাপুৰাম বায়ন আতৈলৈও সত্ৰীয়া-সংস্কৃতিৰ বিকাশৰ বাবে আগবঢ়োৱা নিষ্ঠাপূৰ্ণ সেৱাৰ স্বীকৃতি স্বৰূপে ১৯৭৯ খ্ৰী:ত সংগীত-নাটক অকাডেমীৰ বঁটা আগবঢ়োৱা হয়।

**ৰসেশ্বৰ শইকীয়া বায়ন মোক্তাৰ (১৯২৮–২০০১) :** মাত্ৰ পাঁচ বছৰ বয়সতে টীয়কৰ পৰা কমলাবাৰী সত্ৰলৈ অহা ৰসেশ্বৰ শইকীয়া বৰবায়নে সংগীত-নাটক অকাডেমী বঁটা বিজয়ী শিল্পীদ্বয় মণিৰাম দত্ত মোক্তাৰ আৰু বাপুৰাম বায়ন আতৈৰ দৰে বৰেণ্য সত্ৰীয়া গীত-নৃত্যৰ পণ্ডিতৰ অধীনত শিক্ষা গ্ৰহণৰ সুবিধা লাভ কৰে। অতি কম দিনৰ ভিতৰতে নৃত্য-সমালোচক তথা অনুৰাগীৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হোৱা ৰসেশ্বৰ শইকীয়া বায়নে মাজুলীৰ বাহিৰলৈ গৈ,— প্ৰথমে তিনিচুকীয়া আৰু পাছলৈ গুৱাহাটীত সত্ৰীয়া সংগীত-নৃত্যৰ প্ৰশিক্ষণ দিবলৈ ধৰে। মৃত্যু পৰ্যন্ত গুৱাহাটীত বসবাস কৰা ৰসেশ্বৰ শইকীয়া বায়নে সত্ৰীয়া-সংস্কৃতিৰ শ্ৰীবৃদ্ধি, প্ৰচাৰ-প্ৰসাৰ তথা জনপ্ৰিয় কৰাত

আশেষ চেষ্টা কৰে আৰু তাৰেই স্বীকৃতি স্বৰূপে ১৯৮১ খ্ৰী:ত সংগীত-নাটক অকাডেমীৰ বঁটাৰে বিভূষিত হয়।

**পৰমানন্দ বৰবায়ন :** ১৯৩৬ খ্ৰী:ত জন্ম গ্ৰহণ কৰা পৰমানন্দ বৰবায়ন লখিমপুৰ জিলাৰ লাহলিয়াল গাঁৱৰ পৰা ৮ বছৰ বয়সত মাজুলীৰ উত্তৰ কমলাবাৰী সত্ৰলৈ আহে। পাছলৈ অসমৰ সত্ৰীয়া-সংস্কৃতিৰ ওজা স্বৰূপে বাহিৰে-ভিতৰে সুখ্যাতি অৰ্জন কৰিবলৈ সক্ষম হয়। ইণ্ডোনেছিয়া, নতুন দিল্লী, মাদ্ৰাজ (বৰ্তমানৰ চেন্নাই), কলিকতা (বৰ্তমান ক'লকতা), দাৰ্জিলিং, হাইদৰাবাদ, পঞ্জাবৰ বিভিন্ন ঠাই; কেৰালা আদি ঠাইত অংকীয়া ভাওনা, নৃত্য আদি প্ৰদৰ্শনত পৰিচালক-শিল্পী ৰূপে বিশাল অভিজ্ঞতাৰে পুষ্ট পৰমানন্দ বৰবায়নে অতি উচিত ব্যক্তিৰূপে সত্ৰীয়া নৃত্য-গীত-নাটৰ বাবে সংগীত-নাটক অকাডেমী পুৰস্কাৰ লাভ কৰে। পৰমানন্দ বৰ বায়নে ১৯৯০ খ্ৰী:ৰ পৰা ৰাজ্যিক আৰু ১৯৯২ খ্ৰী:ৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ শিল্পী-পেঞ্চনো লাভ কৰে।

*(এই সত্ৰীয়া শিল্পী কেইগৰাকীৰ তথ্য উৎস: 'সত্ৰী সংস্কৃতিৰ স্বৰ্ণৰেখা'ৰ পৰা লোৱা হৈছে- সম্পাদক)*

উল্লিখিত সত্ৰীয়া শিল্পী কেইগৰাকীৰ উপৰিও মাজুলীৰ সত্ৰসমূহৰ বহু শিল্পীয়ে (জীৱিত অথবা মৃত উভয়) অসমীয়া সংস্কৃতিৰ ভঁৰাললৈ বিশিষ্ট অৱদান আগবঢ়াই আহিছে। এনেকুৱা প্ৰত্যেকগৰাকী শিল্পীয়ে অসম তথা মাজুলীৰ কলা-সংস্কৃতিৰ ক্ষেত্ৰ সমৃদ্ধ কৰি আটাইতকৈ গৌৰৱান্বিত কৰিছে।

**নাৰায়ণ চন্দ্ৰ গোস্বামী :** নতুন কমলাবাৰী সত্ৰৰ দ্বিতীয়জনা সত্ৰাধিকাৰ। সংস্কৃত ভাষাৰ এগৰাকী পণ্ডিত। এইগৰাকী সত্ৰাধিকাৰে ১৯৭১ খ্ৰী:ত গুৰু-আসনত অধিষ্ঠিত হয়। শ্ৰীমন্ত শংকৰদেৱ, শ্ৰীশ্ৰীমাধৱদেৱ আৰু এই সত্ৰৰ প্ৰতিষ্ঠাপক ৵শ্ৰীশ্ৰীবদলা আতাৰ জীৱন আৰু কৰ্মৰাজিৰ প্ৰতি প্ৰগাঢ় শ্ৰদ্ধা-ভক্তি থকাৰ কাৰণেই মহাপুৰুষ দুজনাই দি থৈ যোৱা ধৰ্ম আৰু সাংস্কৃতিক সম্পদৰাজি যুগোপযোগী সংৰক্ষণ আৰু সংবৰ্দ্ধনৰ কাৰণে অশেষ ত্যাগ আৰু কষ্ট কৰিছে।

সংস্কৃত ভাষাৰ বিভিন্ন পুথি অধ্যয়নৰ মাজতে থাকি আনন্দ পোৱা আৰু পুথিসমূহৰ পৰা জ্ঞানৰ আলোকেৰে উদ্ভাষিত হৈ উঠা এইগৰাকী সত্ৰাধিকাৰে মহাপুৰুষ শংকৰ-মাধৱৰ গীত, নৃত্য, অংকীয়া নাটসমূহক প্ৰচাৰ কৰিবৰ কাৰণে প্ৰযোজক আৰু পৰিচালকৰ দায়িত্ব লৈ দিল্লী, মাদ্ৰাজ, বাৰানসী, পঞ্জাব আৰু মধ্যপ্ৰদেশত 'ৰামবিজয়' ভাওনা প্ৰদৰ্শন কৰোৱাই গৌৰৱ কঢ়িয়াই অনাৰ লগতে মাজুলীৰ সত্ৰীয়া-সংস্কৃতিৰ মহিমা বিস্তাৰ কৰিছে। সুদূৰ ইণ্ডোনেছিয়াতো ভাৰতৰ ৰাষ্ট্ৰপতি ৵ফকৰুদ্দিন আলি আহমেদৰ লগত ভাৰতীয় সংস্কৃতিৰ প্ৰতিনিধিত্ব কৰি 'ৰামবিজয়' ভাওনাই গৌৰৱ আৰু যশস্যা কঢ়িয়াই আনে।

অধ্যয়নপুষ্ট এইগৰাকী সত্ৰাধিকাৰে অসমীয়া সাহিত্য-সংস্কৃতিৰ জগতখনলৈ বহুতো উল্লেখযোগ্য বৰঙণি আগবঢ়াইছে। 'গয়াসুৰৰ হৰি পাদ-পদ্ম লাভ'; 'ৰাসলীলা', 'দ্বাপৰৰ দৰ্পচূৰ্ণ', 'প্ৰহ্লাদৰ বৈকুণ্ঠ অভিযান'; 'অন্ধকাসুৰ বধ', 'অৱন্তী উদ্ধাৰ' আদি নাটক, শতাধিক ধৰ্মালোচনী সভাৰ অভিভাষণ, শতাধিক স্মৃতিগ্ৰন্থত চিন্তাগধুৰ প্ৰবন্ধৰাজি তেখেতৰ মূল্যৱান সাহিত্যকৰ্ম।

'সত্ৰীয়া-সংস্কৃতিৰ স্বৰ্ণৰেখা', 'ব্ৰজাৱলী ভাষাৰ ব্যাকৰণ আৰু অভিধান', 'কীৰ্তন ঘোষা আৰু নামঘোষাৰ তত্ত্বাৰ্থ সমীক্ষা' নামৰ গ্ৰন্থৰাজিৰ মাজেদি এইজনা সত্ৰাধিকাৰে অসমীয়া সাহিত্যৰ বুৰঞ্জীত সন্মানীয় আসনত প্ৰতিষ্ঠিত হৈছে। একেষাৰতে ক'বলৈ হ'লে এইজনা সত্ৰাধিকাৰ মাজুলীৰ সত্ৰীয়া-সংস্কৃতিৰ প্ৰচাৰ আৰু বিকাশৰ যেন এটা মিছন।

**ড° পীতাম্বৰদেৱ গোস্বামী :** ১৯৯৮ খ্ৰী:ৰ ৬ ফেব্ৰুৱাৰী তাৰিখে আউনীআটী সত্ৰৰ ষষ্ঠদশ সত্ৰাধিকাৰ হয় শ্ৰীশ্ৰীপীতাম্বৰদেৱ গোস্বামী। শিক্ষা গ্ৰহণৰ প্ৰতি থকা তেখেতৰ আগ্ৰহ, নিষ্ঠা আৰু অধ্যৱসায়েৰে সত্ৰীয়া পৰম্পৰাৰ বাধা অতিক্ৰম কৰি প্ৰাথমিক বিদ্যালয়ৰ পৰা আৰম্ভ কৰি বিশ্ববিদ্যালয়ৰ শ্ৰেণীকোঠাতো আধুনিক শিক্ষা-পদ্ধতিৰে শিক্ষা গ্ৰহণ কৰে। একে সময়তে এই মাননীয় সত্ৰৰ সত্ৰীয়া ৰীতি-নীতি, আচাৰ-অনুষ্ঠান আদিৰো জ্ঞান আহৰণ কৰে। এজন ধৰ্মগুৰু হিচাপে তেখেতৰ গাত থাকিবলগা আৱশ্যকীয় আধ্যাত্মিক জ্ঞানৰ জ্যোতি, তেখেতৰ মাত-কথা আৰু মধুৰ আচৰণৰ মাজেদি প্ৰকাশ হয়। মহাপুৰুষ মাধৱদেৱে যেনেকৈ নিজৰ গভীৰ প্ৰজ্ঞাক আত্মলঘিমাৰে মহীয়ান কৰি থৈ গ'ল; এইজনা সত্ৰাধিকাৰো তদ্ৰুপ আচৰণেৰে লোক-সমাজৰ অতি প্ৰিয়জন আৰু শ্ৰদ্ধেয় হৈ পৰিছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° নগেন শইকীয়াৰ তত্বাৱধানত ''অসমৰ সত্ৰীয়া উৎসৱ অনুষ্ঠান'' বিষয়ত গৱেষণা কৰি ২০০১ খ্ৰী:ত উক্ত বিষয়ত ডক্টৰেট উপাধিৰে বিভূষিত

হয়। বহুতো স্মৃতিগ্রন্থত তেখেতৰ বিভিন্ন বিষয়ৰ চিন্তাগধুৰ প্ৰবন্ধ প্ৰকাশ পাইছে। অজামিল উপাখ্যান, দিতিৰ দৰ্পচূৰ্ণ, একাদশী, অতনুৰ জীৱন মুক্তি তেখেতৰ স্বৰচিত নাটক। সদ্য প্ৰকাশিত নাট্য-গীতি তৰংগিনী নামৰ পুথি (পাঁচখন নৃত্য-নাটিকা) সংস্কৃতিৰ জগতলৈ তেখেতৰ অমূল্য উপহাৰ। তেখেতৰ দ্বাৰা ৰচিত আৰু পৰিচালিত 'কৃষ্টিৰ বৰঘৰ মাজুলী' সংগীতালেখ্যখনি ডিব্ৰুগড় দূৰদৰ্শন, অনাতাঁৰ কেন্দ্ৰ আৰু যোৰহাট অনাতাঁৰ কেন্দ্ৰযোগে প্ৰচাৰিত হৈছে। 'শংকৰদেৱ' নামৰ আন এখন সংগীতালেখ্য ডিব্ৰুগড় আৰু যোৰহাট অনাতাঁৰ কেন্দ্ৰৰযোগে প্ৰচাৰ হৈছে। ১৯৯৬ খ্ৰী:ৰ ৯ ছেপ্টেম্বৰ তাৰিখে এইজনা সত্ৰাধিকাৰে মাজুলীৰ সুৰক্ষা তথা সৰ্বাংগীন উন্নতিৰ দাবীত সেই সময়ৰ ভাৰতৰ প্ৰধানমন্ত্ৰীক দিল্লীত সাক্ষাৎ কৰি স্মাৰকপত্ৰ দিয়ে। ২০০১ খ্ৰী:ৰ ছেপ্টেম্বৰ মাহত তেখেতে চীনৰ লিজিয়াঙত ইউনেস্ক'ৰ তত্বাৱধানত অনুষ্ঠিত "কালছাৰেল হেৰিটেজ মেনেজমেন্ট এণ্ড টুৰিজিম : মডেলছ্ ফৰ ক'অপাৰেশ্যন.এমং ষ্টেক্ হ'ল্ডাৰ্ছ" শীৰ্ষক সন্মিলন আৰু কৰ্মশালাত দিলীপ কুমাৰ মেধিৰ নেতৃত্বত যোৱা প্ৰতিনিধি দলৰ অন্যতম হিচাপে মাজুলীক বিশ্ব-ঐতিহ্য ক্ষেত্ৰ হিচাপে ঘোষণা কৰিবলৈ যুক্তি আৰু তথ্যসহকাৰে বক্তব্য উত্থাপন কৰি আহিছে।

**ইন্দ্ৰেশ্বৰ পেগু :** তৰুণ চন্দ্ৰ পামেগামৰ পাছতেই মাজুলীৰ জনপ্ৰিয় জনজাতীয় নেতা ইন্দ্ৰেশ্বৰ পেগুৰ জন্ম হয় ১৯৩৯ খ্ৰী:ৰ ১ জানুৱাৰী তাৰিখে জেংৰাই বালিচাপৰি গাঁৱত। সৰুকালৰ পৰাই শিক্ষাৰ প্ৰতি গভীৰ নিষ্ঠা আৰু আগ্ৰহ আছিল। মাজুলী আউনীআটী হেমচন্দ্ৰ হাইস্কুলৰ পৰা ১৯৩৭ খ্ৰী:ত মেট্ৰিক পাছ কৰি ১৯৬১ খ্ৰী:ত যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ পৰা স্নাতক পৰীক্ষাত উত্তীৰ্ণ হৈ জেংৰাইমুখ হাইস্কুলত সহকাৰী শিক্ষক হিচাপে যোগদান কৰে। ১৯৬৪ খ্ৰী:ত শোণিতপুৰ জিলাৰ লুহিতমুখ হাইস্কুলৰ প্ৰধান শিক্ষক হয়। তাৰ পৰাই প্ৰাইভেট হিচাপে 'দৰ্শন' বিষয়ত এম. এ. পাছ কৰে। ১৯৬৭ খ্ৰী:ৰ সাধাৰণ নিৰ্বাচনত মাজুলী সমষ্টিৰ পৰা বিধান সভাৰ সদস্যৰ প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰি পৰাজয় হয়। সেই সময়তে যোৰহাট জিলা কংগ্ৰেছৰ উপ-সভাপতি হয়। ১৯৬৮ খ্ৰী:ত যোৰহাট কলেজত দৰ্শন বিষয়ৰ প্ৰৱক্তা হিচাপে যোগদান কৰে আৰু তাত থাকোঁতেই ৰাজনীতি বিষয়ত প্ৰাইভেটকৈ এম. এ. পাছ কৰে। কৃষিপ্ৰেমী এইজন ব্যক্তিয়ে শিক্ষা, সাহিত্য, ৰাজনীতি আৰু সাংস্কৃতিক দিশতো আত্মনিয়োগ কৰি জনগণৰ সেৱা কৰ্মত নিজকে উৎসৰ্গা কৰে। ১৯৬১ খ্ৰী:ৰ পৰা ১৯৬৯ খ্ৰী:লৈকে গুৱাহাটী অনাতাঁৰ কেন্দ্ৰযোগে মিচিংগীত নিজে পৰিৱেশন কৰে। ১৯৬১ খ্ৰী:ত 'অবনৰী বিল্লাম' নামৰ এখনি মিচিং ভাষাৰ আলোচনী সম্পাদনা কৰি প্ৰকাশ কৰে। ১৯৭১ খ্ৰী:ত "ৰণানাৰ'টেকা" নামৰ এখন দৰ্শনৰ কিতাপ ইংৰাজী ভাষাত লিখি প্ৰকাশ কৰে। কিতাপখনে বিদ্বৎ সমাজৰ বিশেষ সমাদৰ লাভ কৰে।

১৯৭৩ খ্ৰী:ত জেংৰাইমুখ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ হিচাপে দায়িত্ব গ্ৰহণ কৰি অঞ্চলৰ উচ্চশিক্ষাৰ প্ৰতি মনোনিৱেশ কৰে। পুনৰ ১৯৮৩ খ্ৰী:ত মাজুলী সমষ্টিৰ পৰা সাধাৰণ নিৰ্বাচনত বিধায়ক হিচাপে মনোনয়ন দাখিল কৰে; কিন্তু নিৰ্বাচন অনুষ্ঠিত নোহোৱাত সেই সময়তছোৱাত মাজুলীৰ এজন বিশেষ ৰাজনৈতিক প্ৰতিনিধি হিচাপে কাৰ্য পালন কৰে। ১৯৮০/৮১ বছৰত জেংৰাইমুখ অঞ্চলত সত্ৰীয়া-সংস্কৃতিৰ চৰ্চা আৰু প্ৰচাৰৰ লগতে অভিনয়-শিক্ষাৰ বাবে 'জেংৰাইমুখ ৰংগমঞ্চ' প্ৰতিষ্ঠা কৰে। ৰাসলীলা অভিনয়েৰে পাতনি মেলা এই মঞ্চত তেখেতে কংস আৰু নাৰদৰ চৰিত্ৰ সুখ্যাতিৰে ৰূপায়ণ কৰি যুৱ-সমাজক উৎসাহিত কৰিছে। জনজাতীয় নেতা হ'লেও এইজন ব্যক্তিয়ে মাজুলীৰ অ-জনজাতীয়সকলৰ হকেও অকপটে আৰু আন্তৰিকতাৰে সেৱা আগবঢ়াই আহিছে।

কেইবাখনো হাইস্কুল আৰু মহাবিদ্যালয়ত শিক্ষকতা কৰি অৱশেষত জেংৰাইমুখ মহাবিদ্যালয়ত মৃত্যু পৰ্যন্ত অধ্যাপনা কৰা প্ৰয়াত বিষ্ণু বৰা ওৰফে সুৰেণ বৰা মাজুলীৰ সাংস্কৃতিক জগতৰ, বিশেষকৈ অভিনয়ৰ ক্ষেত্ৰত চিনাকি নাম। তিনিখন কথাছবিত অভিনয় কৰি প্ৰতিভাৰ চানেকি ৰাখি যোৱা বিষ্ণু বৰা মাজুলীৰ মঞ্চ-জগতৰ এটি উজ্বল নক্ষত্ৰ স্বৰূপ।

১৯২৯ খ্ৰী:ত গড়মূৰ সৰু সত্ৰত জন্মগ্ৰহণ কৰা দ্ৰোণ ভাগৱতীৰ মাজুলীৰ সাংস্কৃতিক সমাজত এক বিশিষ্ট আসন আছে। সুদক্ষ মঞ্চ অভিনেতা, চিন্তাশীল নিবন্ধকাৰ, ভক্তিগীতৰ সু-গায়ক, সত্ৰীয়া নৃত্য-শিল্পী, নাট্যকাৰ আৰু নিষ্ঠাবান নিঃস্বাৰ্থ সমাজকৰ্মী ভাগৱতীয়ে মাজুলীৰ উন্নয়নৰ হকে বহুখিনি কৰিছে।

মাজুলীৰ কমলাবাৰী অঞ্চলৰ সামগ্ৰিক উন্নতিৰ কাৰণে নিজকে সততে জড়িত ৰখা এজন প্ৰবীন সমাজকৰ্মী আৰু মুক্তিযোদ্ধা। মাজুলীবাসীৰ ৰাজনৈতিক সচেতনতা বৃদ্ধিত এখেতৰ অৱদান স্মৰণীয়।

নীৰৱ সমাজ আৰু সাংস্কৃতিক কৰ্মী দেৱ ভূঞা এজন সুদক্ষ মঞ্চ অভিনেতা, ৰূপসজ্জা শিল্পী আৰু ভক্তিগীতৰ গায়ক। গড়মূৰ সত্ৰৰ চমু বুৰঞ্জীৰ সংকলক ভূঞাই গড়মূৰ তথা মাজুলীৰ বিভিন্ন দিশৰ উন্নতিৰ হকে নিজৰ আন্তৰিক সেৱা আগবঢ়াইছে।

টুনুৰাম নাথ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক বগাৰাম নাথৰ জন্ম হয় ১৯৩২ খ্ৰী:ত। ৰঙাচাহী অঞ্চলৰ অগ্ৰণী সমাজকৰ্মী নাথে অঞ্চলৰ শিক্ষা আৰু সামাজিক উন্নতিৰ কাৰণে উল্লেখনীয় অৱদান আগবঢ়াইছে। জেংৰাইমুখ মহাবিদ্যালয়, ৰঙাচাহী মহাবিদ্যালয় আৰু প্ৰগতি ৰংগমঞ্চ স্থাপন কৰাত এখেতৰ সক্ৰিয় ভূমিকাই ৰাইজৰ সমাদৰ লাভ কৰিছে।

মাজুলীৰ চামগুৰি সত্ৰৰ বিখ্যাত ভাস্কৰ্য শিল্পী প্ৰয়াত ৰুদ্ৰকান্ত গোস্বামীৰ পুত্ৰ হেম গোস্বামী তেওঁৰ স্বকীয় সৃষ্টিশীল কলা-প্ৰতিভাৰে অসম তথা ভাৰতৰ কলাজগতত এটি চিনাকি নাম। পিতৃৰ পৰা বাল্যকালৰে পৰা পোৱা শিক্ষা আৰু স্বকীয় সাধনালব্ধ জ্ঞানেৰে তেওঁ মুখা-শিল্পক ভাৰতৰ বিভিন্ন প্ৰান্তত পৰিচয় কৰাইছে। এওঁ তৈয়াৰ কৰা ৰাৱণৰ মুখা অসম তথা ভাৰতৰ বিভিন্ন ৰাজ্যৰ যাদুঘৰত সংৰক্ষিত হৈ আছে। কাঠ, বাঁহ, খেৰ, বেত আৰু কংক্ৰিটেৰে সজা বিভিন্ন জীৱ-জন্তু, শৰাই, সিংহাসন, তোৰণ আদি মাজুলী আৰু অসমৰ বিভিন্ন অঞ্চলৰ নামঘৰ, বিদ্যালয়, মহাবিদ্যালয় আদিত বিদ্যমান। মাজুলীৰ নতুন প্ৰজন্মৰ বাবে এওঁ এটি প্ৰশিক্ষণ কেন্দ্ৰ খুলি সুপৰিচালনা কৰি আছে।

ওপৰত উল্লেখ কৰা বৰেণ্য ব্যক্তিসকলৰ উপৰিও মাজুলীৰ অনেক গুণী-জ্ঞানী, ত্যাগী, সমাজ-কৰ্মী, শিল্পী-শিক্ষাবিদ, সাংস্কৃতিক কৰ্মী আছে। ইয়াত সকলোৰে পৰিচয় দাঙি ধৰা সম্ভৱ নহয় অথচ তেওঁলোক প্ৰত্যেকগৰাকী ৰূপকাৰেই মাজুলীবাসীৰ গৌৰৱ। সেইসকলৰ অৱদান আৰু প্ৰতিভাৰ প্ৰতি শ্ৰদ্ধা জনাই একাংশৰ নাম উল্লেখ কৰিয়ে সন্তুষ্ট থাকিব লগা হ'ল।

কৰ্ম আৰু জীৱিকাসূত্ৰে মাজুলীৰ বাহিৰত বসবাস কৰিলেও, মাজুলীতে জন্ম গ্ৰহণ কৰা বহু ব্যক্তিয়ে বিভিন্ন সময়ত সুখ্যাতি অৰ্জন কৰিছে। ড° মথুৰানাথ গোস্বামী তেনে এজন বিশিষ্ট অৰ্থনীতিবিদ হোৱাৰ উপৰিও অসম চৰকাৰৰ প্ৰাক্তন বিত্ত সচিব আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য। ড° মহেন্দ্ৰ বৰাই অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ পদ অলংকৃত কৰি মাজুলীবাসীক গৌৰৱান্বিত কৰিছে। স্বাধীন ভাৰতৰ সংসদীয় গণতান্ত্ৰিক ব্যৱস্থাৱলী প্ৰৱৰ্তনৰ প্ৰাৰম্ভতে আওহতীয়া, অনগ্ৰসৰ মাজুলীৰ প্ৰতিনিধিত্ব কৰি, অতি সহজ-সৰলভাৱে জীৱন-যাপন কৰা মহীধৰ পেগু প্ৰমুখ্যে প্ৰাক্তন বিধায়কসকলো মাজুলীৰ গৌৰৱ। এজন নীৰৱ লেখক, নিষ্ঠাবান কৰ্মী হিচাপে তেখেতক আজিও মাজুলীবাসীয়ে সোঁৱৰে। একেদৰেই মালচন্দ্ৰ পেগু আৰু চকভাল কাগয়ুং আদি প্ৰাক্তন বিধায়কসকলো মাজুলীবাসীৰ আদৰণীয় ব্যক্তি।

বিভিন্ন উচ্চপদস্থ চৰকাৰী বিষয়া হিচাপে সুখ্যাতি অৰ্জন কৰা প্ৰাক্তন উপায়ুক্ত, সচিব, সঞ্চালক আদি পদত কাৰ্য নিৰ্বাহ কৰা কুলধৰ কুটুম, বাণীকান্ত পেগু আদি মাজুলীৰ গৌৰৱ। প্ৰাক্তন ন্যায়াধীশ, সাংবাদিক, সাহিত্যিক, সমাজসেৱী তথা ভাৰত চৰকাৰৰ দ্বাৰা কেন্দ্ৰীয় চৰকাৰী ভাষা আয়োগলৈ নিৰ্বাচিত উ: পূ: ভাৰতৰ একমাত্ৰ সদস্য প্ৰয়াত ৰাধানাথ হাজৰিকা, প্ৰাক্তন জিলা ন্যায়াধীশ তথা অসম উচ্চ ন্যায়ালয়ৰ পঞ্জীয়কদ্বয় শ্ৰীধৰ বৰুৱা আৰু নগেন হাজৰিকা; অন্যান্য উচ্চ পদস্থ বিষয়া ডাঃ অমূল্য হাজৰিকা, হৰেন্দ্ৰনাথ ঠাকুৰ, ৰমেশ পেগু, বিদ্যাধৰ পায়েং, আমেৰিকা যুক্তৰাষ্ট্ৰত কাৰ্যনিৰ্বাহ কৰি থকা আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বিজ্ঞানী ড° বাবুল চন্দ্ৰ বৰা আদি ব্যক্তিসকলো মাজুলীৰে সন্তান।

স্থানান্তৰত উল্লেখিত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° দুৰ্গেশ্বৰ দলে, কৰ্মৰত অধ্যাপক ড° ডম্বৰুধৰ নাথ, ড° কুমুদ বৰা; তেজপুৰ আৰু বেনাৰচ বিশ্ববিদ্যালয়ত কৰ্মৰত ৰীডাৰ ক্ৰমে ড° মুনীন্দ্ৰ বৰা আৰু ড° কৃষ্ণকান্ত শৰ্মা; গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ সু-চিকিৎসক তথা চিন্তাশীল লেখক-গবেষক ডাঃ ধ্ৰুৱজ্যোতি বৰা, যোৰহাট আঞ্চলিক গবেষণাগাৰৰ বিজ্ঞানী ড° ৰবীন বৰুৱা, প্ৰবীন সমাজকৰ্মী, শিক্ষাবিদ বগাৰাম নাথ আদি উপৰিও বিভিন্ন পৰীক্ষা আৰু কৃতিত্ব অৰ্জনত মাজুলীৰ সৰ্বপ্ৰথম হোৱাসকল— ডাঃ হেমন্তলাল ঠাকুৰ (মেডিকেল স্নাতক, চিকিৎসক), নাৰায়ণ শইকীয়া (অভিযান্ত্ৰিক স্নাতক), অতুল চন্দ্ৰ গোস্বামী (স্নাতকোত্তৰ), হৰিচন্দ্ৰ মহন্ত (ডক্টৰেট), ৰঞ্জিত শইকীয়া (দেহশ্ৰী প্ৰতিযোগিতাত ৰাজ্যিক খিতাপ) আদি মাজুলীৰ উত্তৰ পুৰুষৰ বাবে অনুপ্ৰেৰণা হৈ ৰ'ব। ভোলানাথ দত্ত কাকতি মাজুলীৰ প্ৰথমখন কথাছবিৰ শিল্পী আৰু তেওঁৰেই নাতি ইলা কাকতি (হাজৰিকা)

মাজুলীৰ প্ৰথমগৰাকী মহিলা চলচ্চিত্ৰ শিল্পী, যিসকলক লৈ মাজুলীবাসী গৌৰৱান্বিত।

বিগত কিছুদিনৰ পৰা মাজুলীৰ সুৰক্ষা, ঐতিহ্য তথা ইয়াৰ প্ৰকৃতি আদি সংৰক্ষণৰ বাবে এচাম লোকে অহৰহ নিৰ্বাচ্ছিন্ন প্ৰচেষ্টা হাতত লৈ সংশ্লিষ্ট কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰি আহিছে। সেইসকল হ'ল— প্ৰয়াত বিধায়ক কৰুণা দত্ত, সাংসদ ড° অৰুণ কুমাৰ শৰ্মা, হেম ভূঞা, ড° তৰুণ কৃষ্ণ গোস্বামী, নৰেন ঠাকুৰীয়া, আনন্দ হাজৰিকা, ভবত চন্দ্ৰ শইকীয়া, হৰেশ্বৰ বৰা, নীলমণি ভূঞা আদি। ড° অৰুণ কুমাৰ শৰ্মাই লোকসভা আৰু ৰাজ্যসভাৰ সাংসদ হৈ মাজুলীক বিশ্ব দৰবাৰত, বিশেষকৈ ভাৰত চৰকাৰৰ নেতৃবৰ্গৰ দৃষ্টি আকৰ্ষণৰ জৰিয়তে প্ৰতিষ্ঠাৰ বাবে বলিষ্ঠ ভূমিকা লৈ আহিছে। শেহতীয়াকৈ মাজুলীত বিশ্ব-ঐতিহ্য সাংস্কৃতিক কেন্দ্ৰৰূপে ইউনেস্ক'ই স্বীকৃতি দিবলৈ লোৱাৰ মূলতে যিসকল ব্যক্তি (অনুষ্ঠান) জড়িত তাৰ ভিতৰত ড° শৰ্মাও অন্যতম। সেয়ে ড° শৰ্মা মাজুলীৰ ব্যক্তি নোহোৱা সত্ত্বেও মাজুলীবাসীৰ গৌৰৱৰ পাত্ৰ। চিত্ৰ আৰু গ্ৰাফিকছ শিল্পী দিলীপ তামুলী, ভাস্কৰ্য শিল্পী কৃষ্ণ গোস্বামী আদিৰ দৰে ব্যক্তিয়ে নিজৰ নিজৰ ক্ষেত্ৰত সাধনাৰে সফলতা লাভ কৰাৰ উপৰি অসম চৰকাৰী আৰ্ট কলেজত প্ৰবক্তাৰূপে কাৰ্যনিৰ্বাহ কৰি মাজুলীলৈ আশাৰ বতৰা কঢ়িয়াই আনিছে। আনহাতে মাজুলীতে আজীৱন থাকি, নীৰৱে সমাজ-সেৱা কৰা, শিল্প-সংস্কৃতি চৰ্চা কৰা ব্যক্তিৰ (*বহু ব্যক্তিৰ বিষয়ে যথা সময়ত তথ্যাদি নোপোৱাৰ বাবে সেইসকলৰ নাম উল্লেখ কৰিব নোৱৰাত আমি দুঃখিত*) উপৰিও ইতিমধ্যে স্বৰ্গগামী হোৱা শ্ৰদ্ধেয় আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ হেমচন্দ্ৰ গোস্বামী, দক্ষিণপাটৰ নাৰায়ণদেৱ গোস্বামী আদি মহানুভৱ ধৰ্মাধিকাৰসকলে দান-বৰঙণিৰে শিক্ষানুষ্ঠান আদি প্ৰতিষ্ঠা কৰি মাজুলীবাসীক আশা আৰু আলোকৰ পথ দেখুৱাই গৈছে।

## মাজুলীৰ সাহিত্য-সেৱীসকল

ব্ৰহ্মপুত্ৰ আৰু লুইতৰ মাজৰ আৰ্যাবৰ্তসদৃশ মাজুলীৰ বাসিন্দাই বানপানীৰ লগত সহাৱস্থান কৰি থাকিও জীৱন-যুঁজৰ ফাঁকে ফাঁকে ভাষা-সাহিত্য-সংস্কৃতিৰ নিৰবচ্ছিন্ন সাধনা কৰি আহিছে। বান-খহনীয়াই তেওঁলোকৰ ঘৰ-বাৰী, সা-সম্পত্তি প্ৰতিবছৰে ধ্বংস কৰি আহিছে যদিও তেওঁলোকৰ সৃষ্টিশীল মনটো ধ্বংস কৰিব পৰা নাই। এই লিখাত 'মাজলি' (মাজুলী)ৰ প্ৰথম 'কৱি' (কৱি শব্দই সৃষ্টিকাৰক বুজায়) শ্ৰীমন্ত শংকৰদেৱৰ সাহিত্য, সত্ৰীয়া-সাহিত্য আৰু 'আসাম বিলাসিনী'কেন্দ্ৰিক সাহিত্য তথা সাহিত্য-সেৱীসকলক অন্তৰ্ভুক্ত কৰা হোৱা নাই। ইতিপূৰ্বে সেই সম্বন্ধে আলোচনা কৰি অহা হৈছে। 'জোনাকী' আৰু 'আবাহন' কাকতৰ পৰা সাম্প্ৰতিক কালৰ মাজুলীভিত্তিক আলোচনী-পুস্তিকাৰ জৰিয়তে সাহিত্য-সেৱা কৰাসকল পৰ্যন্ত ইয়াত সামৰিবলৈ প্ৰয়াস কৰা হৈছে। অৱশ্যে ক্ষমা প্ৰাৰ্থনাৰে এই কথা কৈ থোৱা উচিত হ'ব যে পৰ্যাপ্ত তথ্যৰ অভাৱত কিছুসংখ্যক সাহিত্য-সেৱীৰ নাম বাদ পৰি যোৱাটোও অস্বাভাৱিক নহ'ব।

বেলগুৰি থানৰ স্বত্বাধিকাৰী পৰিয়ালৰ (বৰ্তমান থানখন উজনি মাজুলীৰ ন-পমুৱালৈ স্থানান্তৰিত) মীনধৰ হাজৰিকাই 'জোনাকী' কাকতত 'গতি পাচনি' ছদ্ম নামেৰে নিয়মীয়া শিতান এটাও চলাইছিল। অলপ দিনৰ বাবে অস্থায়ী সম্পাদকৰ দায়িত্বত থাকি পিছত সহকাৰী সম্পাদক ৰূপে 'অসমীয়া'ত কাৰ্যনিৰ্বাহ কৰোঁতা বেলগুৰি থানৰে সন্তান ৰাধানাথ হাজৰিকাই (ন্যায়াধীশ) 'অসমীয়া'ত 'পাচনিৰ জোলোঙা' নামৰ শিতান এটি 'মেমেৰা মেধি' ছদ্ম নামেৰে চলাইছিল। উল্লেখ্য যে, 'ঘূৰণীয়া মেজমেল' (Round Table Conference) শব্দবাক্যটিৰ স্ৰষ্টা হ'ল এই হাজৰিকাদেৱ। পোনতে 'ঘোঁৰা টাবুৰা মেল' শব্দটোহে ব্যৱহৃত হৈছিল। হাজৰিকাদেৱ 'ভ্ৰমৰ'ৰ নিয়মীয়া লেখক আছিল। যোৰহাট সাহিত্য সভা আৰু অসম সাহিত্য সভাৰ লগত নিবিড়ভাৱে জড়িত হাজৰিকাদেৱে 'তুংখুঙীয়া বুৰঞ্জী' সম্পাদনাৰ কামত ড° সূৰ্যকুমাৰ ভূঞাক সহায় কৰিছিল।

মাজুলীৰে সন্তান বিনন্দ হাজৰিকায়ো 'বাঁহী'ৰ লগত জড়িত হৈ সাহিত্য-সেৱা কৰিছিল। বিপ্লৱী ধৰ্মগুৰু পীতাম্বৰদেৱ গোস্বামীৰ গুণগ্ৰাহী, অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি তৰুণ চন্দ্ৰ পামেগামে তেওঁৰ সাহিত্যকৃতিৰ যোগেদি মাজুলীলৈ নতুন ঢল বোৱাই আনে। তেওঁৰ সামাজিক-সংস্কাৰধৰ্মী লিখনি আৰু বৈপ্লৱিক চিন্তাধাৰাই, বিশেষকৈ মিচিং সমাজত জাগৰণ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। পামেগামদেৱৰ 'চকামকা', 'নাৰী', 'সমাজৰ শেষ সীমাত', 'পাহাৰপুৰী' নামৰ উপন্যাস; 'গল্প লেছেৰী', 'কবিতা লেছেৰী'; 'মিচিং সাধু', 'আৰোহণ', 'সেতু' আদি প্ৰণয়ন কৰাৰ উপৰিও মিচিং বানে

কৌবাঙৰ স্মৃতিগ্ৰন্থ সম্পাদনা কৰে। ইয়াৰে 'সেতু' সাম্প্ৰদায়িক সম্প্ৰীতিৰ বিষয়ে লিখা এখন অনুপম নাটক। এইখনে সৰ্বভাৰতীয় ভিত্তিত দ্বিতীয় পুৰস্কাৰ লাভ কৰিছিল। ইয়াৰ উপৰিও তেওঁ বিভিন্ন বাতৰি কাকত, আলোচনীত আবাহন যুগৰ পৰা চিন্তামূলক প্ৰবন্ধ-পাতি লিখি ভাষা-জননীৰ সেৱা কৰে। তেওঁৰ লেখনিসমূহ ভৃগুমনি কাগয়ুং আৰু দিলীপ কুমাৰ ফুকনে 'তৰুণ চন্দ্ৰ পামেগাম ৰচনাৱলী' (১ম খণ্ড) নামকৰণেৰে যুটীয়াভাৱে সম্পাদনা কৰি অসম সাহিত্য সভাৰ দ্বাৰা প্ৰকাশ কৰায়। বিপিন চন্দ্ৰ বৰা আবাহন যুগৰে এজন লেখক। তেওঁৰ 'বিধিৰ বিধান' আৰু 'ছদ্মবেশী' ডিটেক্টিভ উপন্যাস দুখন 'আবাহন'ত প্ৰকাশ হৈছিল। মাজুলী মিলন সংঘ প্ৰেক্ষাগৃহত প্ৰত্যেক বছৰে অভিনীত 'ৰাস-পূৰ্ণিমা' নাটকৰো তেওঁ সফল স্ৰষ্টা। সমাজকৰ্মী, প্ৰাক্তন বিধায়ক মহীধৰ পেগু আৰু আনজন শিক্ষাবিদ, সমাজকৰ্মী তথা প্ৰাক্তন বিধায়ক চকভাল কাগয়ুং— দুয়োজন নীৰৱ সাহিত্যিক আছিল। তেওঁলোকে বিভিন্ন আলোচনীত মূল্যবান, চিন্তাশীল প্ৰবন্ধ লিখি ব্যস্ততাৰ মাজতো সাহিত্য-সেৱা কৰি গৈছে। একালত গড়মূৰীয় সত্ৰাধিকাৰ পীতাম্বৰদেৱৰ লগত নিবিড়ভাৱে থকা তিতাবৰৰ গংগাধৰ হাজৰিকাৰ 'শ্ৰীশ্ৰীমৎ ধৰ্মাচাৰ্য পীতাম্বৰদেৱ' ঐতিহাসিক সম্বলেৰে পৰিপূৰ্ণ এক প্ৰামাণ্য জীৱনী গ্ৰন্থ। অন্ততঃ এই গ্ৰন্থৰ বাবেই হাজৰিকাদেৱ অমৰ হৈ ৰৈছে বুলিব পাৰি।

দেৱ ভূএগ আৰু কনক দত্তই যুটীয়াভাৱে প্ৰণয়ন কৰা স্মৃতিচাৰণ গ্ৰন্থ 'পীতাম্বৰদেৱ গোস্বামীৰ চমু বুৰঞ্জী' আৰু 'গড়মূৰ সত্ৰৰ চমু বুৰঞ্জী' দুখন উল্লেখযোগ্য পুথি। কনক দত্তৰ আন এখনি তথ্যসমৃদ্ধ পুথি হ'ল 'মাজুলীৰ স্বাধীনতা সংগ্ৰামৰ বুৰঞ্জী'। বিশিষ্ট শিক্ষাবিদ তথা জেংৰাইমুখ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ইন্দ্ৰেশ্বৰ পেগু এজন চিন্তাশীল লেখক। 'অৱনিৰ বিল্লাম'ৰ (সোৱণশিৰিৰ সোঁত) সম্পাদক পেগুৱে বিভিন্ন আলোচনী-ৰাতৰি কাকতত বিবিধ প্ৰবন্ধ-পাতি লিখাৰ উপৰিও মিচিং ধৰ্ম, ভাষা, সংস্কৃতি সম্পৰ্কে অনেক চৰ্চাৰ উমান দিয়ে। তেওঁৰ এনে প্ৰৱন্ধ ভৃগুমনি কাগয়ুং সম্পাদিত 'মিচিং সংস্কৃতিৰ আলেখ্য'ত সংকলিত হৈছে। 'তানি আগম'ৰ (মানৱ-ভাষা) লেখক জেংৰাইমুখৰ শিল্পী গণেশ পেগুও এজন কবি, গীতিকাৰ আৰু নিবন্ধকাৰ। উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা তথা অসম সাহিত্য সভাৰ একালৰ অসমীয়া ভাষাজ্ঞান সংসদৰ সচিব দিলীপ কুমাৰ ফুকন এজন কবি আৰু চিন্তাশীল লেখক। তেওঁ একালত উচ্চ মানদণ্ডৰ কবিতা লিখিছিল যদিও শেহতীয়াকৈ বহু গবেষণামূলক লিখনিতহে মনোনিৱেশ কৰা দেখা গৈছে। তেওঁৰ সম্পাদিত ভূষণ দ্বিজৰ 'শ্ৰীশ্ৰী শংকৰদেৱ' (গুৰুচৰিত), 'তৰুণ চন্দ্ৰ পামেগামৰ ৰচনাৱলী' (১ম খণ্ড, ভৃগুমনি কাগয়ুঙৰ সৈতে যুটীয়াকৈ), 'পীতাম্বৰ-প্ৰতিভা' (শ্ৰীশ্ৰীপীতাম্বৰদেৱ গোস্বামীৰ জন্ম শতবাৰ্ষিকী উপলক্ষে প্ৰকাশিত) আদি উল্লেখযোগ্য কৃতিত্ব। ফুকনে গোৰহাট নৰ্মাল স্কুলত কৰ্মৰত অৱস্থাত উক্ত স্কুলৰ মহাৰজত জয়ন্তীৰ স্মৃতিগ্ৰন্থ আৰু শিৱসাগৰ জিলা সাহিত্য পৰিষদৰ মুখপত্ৰ সম্পাদনা কৰে। গড়মূৰৰ তৰুণ বৰায়ো সাহিত্যকৰ্মৰ লগত স্বনিয়োজিত হৈ 'সীতাৰ কাহিনী', 'বীৰ হনুমানৰ কাহিনী', 'অকণিৰ লক্ষ্মীনাথ', 'ভীষ্মবীৰৰ কথা' আদি শিশুগ্ৰন্থ; 'মন জেতুকাৰ ৰং' আৰু 'মই যাক বিচাৰোঁ' উপন্যাস ৰচনা কৰিছে। দক্ষিণপাটৰ স্বভাৱ কবি সোণাৰাম কাকতিৰ 'ৰসিক-বাণী' হ'ল গ্ৰামীন পদ্যৰ এখনি জনপ্ৰিয় সংকলন। বিনোদ বৰা আৰু দেৱেশ্বৰ শাস্ত্ৰীৰ 'ভাৰত-দৰ্শন' এখনি অনাড়ম্বৰ ভ্ৰমণ কাহিনী। অভয় দাসে লেখত ল'বলগীয়া বৰঙণিৰে ভাষা-সাহিত্য সমৃদ্ধ কৰিছে। তেওঁৰ উপন্যাসসমূহ হৈছে— 'টুনীমুখৰ চকুলো', 'কামনা-বাসনা', 'সোণমইনা', 'বৰমানুহ', 'নিশাৰ সুৰভি' আৰু 'নিশিগন্ধা'। 'সংস্কাৰ', 'নৱসূৰ্য', 'চোৰ', 'অভিনেত্ৰী', 'পাপ আৰু পৰাচিত' নাটকৰ উপৰিও 'পঞ্চৰাগ' আৰু 'একাংকিকা মালা'ও দাসৰে সৃষ্টি।

বৰ্তমান মাজুলীৰ বাহিৰত বসবাস কৰা এনে বহু কেইগৰাকী লেখক-গৱেষক আছে, যিসকলৰ 'ঘাই-শিপাডাল মাজুলীৰে'; ডাঃ ধ্ৰুৱজ্যোতি বৰা তেনে এগৰাকী ব্যক্তি। 'মোৱামৰীয়া গণ-অভ্যুত্থান', 'ইতিহাস চিন্তা', 'অন্বেষণ', 'ফৰাছী বিপ্লৱ', 'দ্বিতীয় মহাসমৰ', 'জাতীয় প্ৰশ্ন আৰু আত্ম নিয়ন্ত্ৰণ', 'সমকালীন টোকা বহী', 'সন্ধানৰ ক্ষণ' আদি গৱেষণামূলক গ্ৰন্থৰ উপৰিও 'লোহা', 'ভোক', 'যান্ত্ৰিক আৰু অন্যান্য', 'কালান্তৰৰ গদ্য' ('গৰীয়সী'ত খণ্ড খণ্ডকৈ প্ৰকাশিত) আদি উপন্যাসৰ স্ৰষ্টা ডাঃ বৰা অসমৰে এজন আগশাৰীৰ চিন্তাশীল লেখক হিচাপে পৰিচিত। বিভিন্ন বাতৰি-আলোচনীতো নিয়মীয়াকৈ বিবিধ বিষয়ৰ লেখক ডাঃ বৰাই শেহতীয়াকৈ মাহেকীয়া সাহিত্য-আলোচনী 'গৰীয়সী'ত 'কমলাবাৰী সত্ৰৰ বুৰঞ্জী' লিখি মাজুলীৰ প্ৰতি থকা গভীৰ অনুৰাগকে প্ৰতিফলিত কৰিছে। বৰ্তমান ডিব্ৰুগড়

বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অধ্যাপক ড° ডম্বৰুধৰ নাথ অসমৰ এজন বিশিষ্ট বুৰঞ্জীবিদ। 'History of the Koch Kingdom' (C 1515-1615), 'অসম বুৰঞ্জী', 'ভাৰতৰ ৰাজনৈতিক আৰু সাংস্কৃতিক বুৰঞ্জী', 'আধুনিক বিশ্বৰ বুৰঞ্জী', 'উত্তৰ-পূব ভাৰতত পৰ্যটন আৰু ইয়াৰ বিকাশ' (যুটীয়াভাৱে), 'ডিব্ৰুগড়ৰ বুৰঞ্জী' (সম্পাদিত) আদি ড° নাথৰ উল্লেখনীয় গৱেষণামূলক গ্ৰন্থ। 'লুইতৰ মাজুলী— মাজুলী দ্বীপ : ইয়াৰ সৃষ্টি আৰু ঐতিহাসিক অৱস্থান', 'Majuli in the Mayamarah Civil War', 'A Satradhikar's Role in National Awakening' আদি গৱেষণামূলক প্ৰৱন্ধই তেওঁৰ মাজুলীৰ বিষয়ে থকা গভীৰ জ্ঞানৰ পৰিচয় দিয়ে। তদুপৰি এনেবোৰ প্ৰৱন্ধই মাজুলী সম্পৰ্কে অনুসন্ধিৎসুসকলক সমল যোগান ধৰিছে। মাজুলীৰে সন্তান বোকাখাট নিবাসী থানেশ্বৰ হাজৰিকাৰ 'অৰ্ণা মাজুলীৰ অন্য জাহাজ' (কবিতা) আৰু অনেক কবিতা, প্ৰৱন্ধ আদি বাৰ্তালোচনী, স্মৃতিগ্ৰন্থত লিখাৰ উপৰিও অমৃতা প্ৰীতমৰ উপন্যাসৰ অসমীয়া ভাষান্তৰ 'অমৰ প্ৰেম'ৰ যোগেদি সাহিত্য-চৰ্চা অব্যাহত ৰাখিছে। একালৰ 'শিল্পীৰ পৃথিৱী', 'শ্ৰীময়ী', 'পূবালী' আদি আলোচনীৰ সম্পাদক ৰূপে কাৰ্যনিৰ্বাহ কৰা বেণীমাধৱ দাস মাজুলীৰে সন্তান। তেওঁ 'মাজুলী' নামৰ এখন সংগীতালেখ্যৰো স্ৰষ্টা। জেংৰাইৰ হেমচন্দ্ৰ দলে এজন উদীয়মান সাহিত্য-সেৱী। বৰ্তমান গুৱাহাটীৰ পৰা প্ৰকাশিত জনপ্ৰিয় আলোচনী 'প্ৰিয় সখি'ৰ কাৰ্যবহী সম্পাদকৰ দায়িত্বত থকা দলেই সককালৰে পৰা সাহিত্য-চৰ্চা কৰি আহিছে। আনহাতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সমাজশাস্ত্ৰ বিভাগৰ পৰা অৱসৰ গ্ৰহণ কৰা প্ৰাৱন্ধিক তথা গৱেষক ড° দুৰ্গেশ্বৰ দলে আৰু ড° কুমুদ বৰাই (এওঁ অৰ্থনীতি বিভাগত কৰ্মৰত) নিজা ক্ষেত্ৰত সাহিত্যৰ বেদীলৈ যথাসাধ্য অৱদান যোগাই আহিছে। শেহতীয়াকৈ ড° খৰ্গেশ্বৰ বেজে কমল তুলি লোৱাও পৰিলক্ষিত হৈছে। অধুনালুপ্ত 'উন্মীলন' নামৰ ভিন্ন ধৰ্মী আলোচনীখনৰ সম্পাদক হেম বৰাই এসময়ত ভালেমান গল্প-প্ৰৱন্ধৰে সাহিত্যিক প্ৰতিভাৰ পৰিচয় দিছিল। গোসাঁইবাৰী গাঁৱৰ জগত বৰাই যোৰহাটৰ পৰা প্ৰকাশিত জনপ্ৰিয় শিশু আলোচনী 'মৌচাক'ৰ সৈতে নিবিড়ভাৱে জড়িত হৈ যথাসাধ্য সাহিত্য-সেৱা কৰি থকাটো নবীন চামৰ বাবে উৎসাহজনক। প্ৰতিষ্ঠিত সাহিত্যিক মানিক বৰাই নিয়মীয়াকৈ গল্প আৰু উপন্যাস লিখি মাজুলীবাসীক গৌৰৱান্বিত কৰিছিল।

গড়মূৰৰ নীলমণি ভূঞা এজন প্ৰতিভাৱান কবি, নাট্যকাৰ আৰু প্ৰৱন্ধকাৰ। তেওঁৰ 'টকাৰ দুনীয়া', 'এমুঠি অন্ন', 'লাল পাঞ্জা', 'প্ৰতিমা', 'সংস্কাৰ', 'আজিৰ মানুহ' উল্লেখযোগ্য অৱদান। একে ঠাইৰে দ্ৰোণ ভাগৱতীয়েও সাহিত্য-চৰ্চা অব্যাহত ৰাখিছে। এই প্ৰবীন লেখকগৰাকীয়ে 'সম্প্ৰীতিৰ সাঁকো', 'সত্যৰ সন্ধান' আদি ৰচনা কৰিছে। বিশিষ্ট নিৱন্ধকাৰ, সাংবাদিক কিশোৰী মোহন পালৰ 'যুগসন্ধিৰ প্ৰতিশ্ৰুতি' এখনি সুখপাঠ্য কবিতা পুথি। ইয়াৰ উপৰিও তেওঁ বাতৰি-কাকত, আলোচনী আদিত নিৰৱচ্ছিন্নভাৱে লিখা-চৰ্চা কৰি আছে। মাজুলীৰে নতুন প্ৰজন্মৰ ভিতৰত উল্লেখযোগ্য এজন হ'ল পীতাম্বৰদেৱ গোস্বামী কনিষ্ঠ মহাবিদ্যালয়ৰ সমাজশাস্ত্ৰৰ প্ৰবক্তা গুণমণি নাথ। 'শেষ প্ৰহৰৰ গান', 'ৰক্তাক্ত সন্ধিয়া', 'ৰক্তবীজৰ চকুলো', 'জোনাকত এখন মুখ' আদি উপন্যাসৰ লেখক নাথৰ 'মহাভাৰতৰ মনোৰম কাহিনী', 'ৰামায়ণৰ মৌ-কোঁহ', 'শিয়াল আৰু বান্দৰৰ সাধু' আদি শিশু পুথিও প্ৰকাশ হৈ ওলাইছে। ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ উপযোগীকৈ তেওঁ কেইবাখনো সমাজশাস্ত্ৰৰ পুথি ৰচনা কৰিছে। শেহতীয়াকৈ বিপ্লৱী সত্ৰাধিকাৰ শ্ৰীশ্ৰী৺পীতাম্বৰদেৱৰ জীৱনৰ আধাৰত তেওঁ এখনি উপন্যাস ৰচনা কৰিছে। তদুপৰি বিভিন্ন কাকত-আলোচনী আৰু আকাশবাণীৰ মাধ্যমেৰেও এই প্ৰতিভাৱান লেখকজনৰ বহুসংখ্যক গল্প, প্ৰৱন্ধ, কবিতা আদি প্ৰকাশ আৰু প্ৰচাৰ হৈ আহিছে। জেংৰাইমুখ মহাবিদ্যালয়ৰ প্ৰবক্তা থানেশ্বৰ গোস্বামী এজন কবি, প্ৰাৱন্ধিক আৰু সাংবাদিক। উক্ত মহাবিদ্যালয়ৰে আন এজন প্ৰবক্তা চেঙাৰাম মৰাঙেও চিন্তাশীল লেখনিৰে অসমীয়া ভাষা-সাহিত্যলৈ বৰঙণি যোগাইছে। ৰঙাচাহী অঞ্চলৰ বিশিষ্ট শিক্ষাবিদ বগাৰাম নাথে ইতিমধ্যে 'প্ৰথম কুকুৰাৰ ডাক', 'যদা যদাহি ধৰ্মস্য গ্লানি' (শ্ৰীকৃষ্ণৰ জীৱন আধাৰিত) উপন্যাস আৰু নাথ তত্ত্ব-দৰ্শন সম্বন্ধীয় 'অস্তিত্বৰ দৰ্শন' নামৰ পুস্তিকা আদি ৰচনাৰে সাহিত্যৰ ভঁৰাল সমৃদ্ধ কৰিছে। পুৰণিবাৰী গাঁৱৰ পুনাৰাম নাথে বহুতো চিন্তাশীল প্ৰৱন্ধ আৰু কবিতাৰে সাহিত্য-চৰ্চাৰ অবিচ্ছিন্ন ধাৰা অব্যাহত ৰাখিছে। বিভিন্ন বাতৰি-আলোচনীত তেওঁ লিখাৰ উপৰিও অনেক গুৰুত্বপূৰ্ণ স্মৃতিগ্ৰন্থ সম্পাদনা কৰি জ্ঞান-অভিজ্ঞতাৰ পৰিচয় দিছে।

মাজুলীৰ এজন অক্লান্ত সাংস্কৃতিক কৰ্মী ৰঞ্জিৎ কুমাৰ ভূঞা এজন চিন্তাশীল লেখক আৰু সাংবাদিক। তেওঁৰ 'মাজুলী' আৰু 'বিষ্ণুৰাভা'

দুখন সুন্দৰ আলেখ্য। ভূঞা আৰু মৃদুলা কাকতি হাজৰিকাৰ 'সুৰৰ সাতেসৰী' এখন মূল্যবান গীতি-সাহিত্য। মাজুলীৰ দেউৰী জনগোষ্ঠীৰ গীতি-কবি বিদ্যাধৰ দেউৰীৰ 'দেউৰী চাজেবা' (দেউৰী গীত) এখন মূল্যবান গীতৰ পুথি। জন্মসূত্ৰে বংগভাষী এসময়ৰ মাজুলীৰ চিকিৎসক ডাঃ ধীৰেন্দ্ৰনাথ পালিতে 'ৰক্তবিধৌত বাংলা' নামৰ এখন নাটক লিখিছিল। বনগাঁও আৰু কমলাবাৰী ৰংগমঞ্চত অভিনীত নাটকখনি এক যুগমীয়া সৃষ্টি।

ইয়াৰ উপৰিও মাজুলীত আৰু বহুজনে সাহিত্য-সেৱাৰে মাজুলীৰ সাহিত্য-চৰ্চাৰ প্ৰৱাহ অক্ষুণ্ণ ৰাখিছে। ডাঃ অমূল্য হাজৰিকাই বিভিন্ন বাতৰি-আলোচনীত লিখাৰ উপৰিও 'মোৰ দৃষ্টিত পিতৃ ৰোমেশ্বৰ হাজৰিকা' লিখি প্ৰতিভাৰ স্বাক্ষৰ ৰাখিছে। ৰাৱণাপাৰ অঞ্চলৰ উদীয়মান কবি ৰামেশ্বৰ শইকীয়াৰ কবিতা পুথি 'পূবালী', পদ্মবিকাশ নাথৰ কবিতা পুথি 'তুমি হৃদয় নদী', প্ৰফুল্ল বৰাৰ 'শিশু প্ৰহ্লাদ', যাদৱ বৰাৰ 'মৃগছাঁয়া' (উপন্যাস), কামিনী কুমাৰ দত্তৰ মাজুলীবিষয়ক পুস্তিকা 'বন্যাবিপন্না মাজুলী', প্ৰমথেশ দাসৰ 'অসমী আইৰ সন্তান', ৰাজেন্দ্ৰ নাথ নেওগৰ 'হাচতি', দেৱেন্দ্ৰনাথ শৰ্মাৰ 'বিজুলী', সুৰেশ গোস্বামী সম্পাদিত 'গড়মূৰ সত্ৰৰ বংশীগোপাল নাট্য সমিতিৰ ইতিবৃত্ত', 'বনগাঁও ৰংঘৰৰ ইতিবৃত্ত' আদি পুস্তিকা; ৰামসাগৰ নাথৰ কবিতা পুথি 'আলোক সন্ধান', ভৰত চন্দ্ৰ শইকীয়াৰ প্ৰবন্ধ সংকলন 'ৰত্নগৰ্ভা মাজুলী' আদিৰ জৰিয়তে সাহিত্যৰ বেদীলৈ যথাসাধ্য অৱদান আগবঢ়াইছে।

গড়মূৰৰ লক্ষিন্দৰ শইকীয়াৰ 'সিংহগড় বিজয়' নাটক, কমলাবাৰীৰ নীৰৱ সাহিত্যসেৱী বোধেশ্বৰ শইকীয়াৰ 'উদিত সূৰ্যৰ দেশত' (কাব্য), ৰবীন ভূঞা আৰু অতুল মুক্তিয়াৰৰ 'বিষণ্ণ প্ৰহৰ বন্যা' আদিও উল্লেখনীয় সৃষ্টি। ইয়াৰ উপৰি প্ৰফুল্ল খাটনিয়াৰ, বৰ্ণালী বৰা, সঞ্জীৱ দত্ত, দেৱেশ্বৰ শইকীয়া, বুধেশ্বৰ খাউণ্ড, অশোক দাস, সৰ্বেশ্বৰ দত্ত, নিৰা শইকীয়া আদিয়ে ছেগা-চোৰোকাকৈ সাহিত্য অনুশীলন কৰি আছে। নবীন কবি দেৱজিৎ শইকীয়াৰ কবিতাই প্ৰতিশ্ৰুতি বহন কৰিছে।

কৰ্মসূত্ৰে মাজুলীত বাস কৰা কেইবাগৰাকী প্ৰবাসীয়েও মাজুলীৰ সাহিত্য-ভঁৰাললৈ অৱদান আগবঢ়াইছে। মানিক নেওগে 'মাজুলীৰ সংক্ষিপ্ত ইতিহাস', বিভিন্ন চিন্তাশীল প্ৰবন্ধ; ডাঃ নিৰঞ্জন দাসে কবিতা আৰু গল্প আদি ৰচনাৰ কথা প্ৰসংগত উল্লেখযোগ্য। আনহাতে কোনো উল্লেখনীয় গ্ৰন্থ ৰচনা নকৰিলেও এনে বহুলোক আছে যি স্মৰণিকা, শিক্ষানুষ্ঠানৰ মুখপত্ৰ আৰু অন্যান্য বাতৰি-আলোচনীত বিভিন্নধৰ্মী লিখনীৰে সুন্দৰৰ সাধনাত ব্ৰতী আছে। তেওঁলোকৰ ভিতৰত— একালৰ কটন কলেজৰ মুখপত্ৰ 'কটনিয়ান'ৰ সম্পাদক হেমন্ত নাথ, ছমগুৰীয়াআটী উ: মা: বিদ্যালয়ৰ অধ্যক্ষ দেৱেন্দ্ৰদেৱ গোস্বামী, খেৰকটা মহাবিদ্যালয়ৰ প্ৰবক্তা ড° কমলাকান্ত দত্ত (শেষৰ দুয়োজন মাজুলী প্ৰবাসী), কোষকান্ত গোস্বামী, ৰত্নেশ্বৰ পেগু, খগেন দেউৰী, নিত্যানন্দ ভৰালী, কামিনী ছত্ৰধৰ; মাজুলী কলেজৰ প্ৰবক্তাত্ৰয় উমা ৰাজখোৱা, আনন্দ হাজৰিকা, নৰেন ঠাকুৰীয়া; বৰ্তমান গোলাঘাটৰ বাসিন্দা ভূৱন ঠাকুৰ, বৰ্তমান নাৰায়ণপুৰৰ মাধৱদেৱ মহাবিদ্যালয়ৰ প্ৰবক্তা, একালৰ 'চায়েন্টিফিক কটনিয়ান'ৰ সম্পাদক দুলাল মহন্ত, ভকতিদুৱাৰৰ দুৰ্গেশ্বৰ শইকীয়া; গোবিন খাউণ্ড, ৰাঙলীবাহাৰৰ দুৰ্লভ দাস, গড়মূৰৰ নিৰেণ শইকীয়া, বাহজেঙনি সত্ৰৰ মোহন চন্দ্ৰ মহন্ত, মাধবী দাস, তিলক শৰ্মা, বিপিন শইকীয়া, ইন্দ্ৰেশ্বৰ হাজৰিকা আদি।

মাজুলীৰ ভৌগোলিক-সাংস্কৃতিক বৈশিষ্ট্যই নিৰন্তৰ বৰ্হিঃ মাজুলীৰ পৰ্যটক-বৈষ্ণৱ ধৰ্মাৱলম্বীসকলকেই কেৱল আকৰ্ষণ কৰা নাই, বৰঞ্চ বহু সাহিত্যিককো আকৰ্ষণ কৰি আহিছে। তাৰেই ফলশ্ৰুতিত তেওঁলোকৰ কলমৰ পৰা ভালেমান আপুৰুগীয়া ৰচনাও সৃষ্টি হৈছে। উল্লেখযোগ্য হ'ল বেণুধৰ শৰ্মাৰ 'দক্ষিণপাট সত্ৰৰ বুৰঞ্জী' আৰু তীৰ্থনাথ শৰ্মাৰ 'আউনীআটী সত্ৰৰ বুৰঞ্জী' (দুয়োখনেই মাজুলীৰ অনেক মূল্যবান তথ্যৰে সমৃদ্ধ), অজিত বৰুৱাৰ 'জেংৰাই' (কবিতা), ড° লক্ষ্মীনন্দন বৰাৰ 'মাটিত মেঘৰ ছাঁ' (উপন্যাস), ডাঃ উপেন কাকতিৰ 'মিঠা জেংৰাই' (?), দিলীপ চন্দনৰ 'মাজুলীত এতিয়া গধূলি' (উপন্যাস), ড° নিৰ্মলপ্ৰভা বৰদলৈৰ 'জলপদ্ম', সুমিতা ঘোষৰ দ্বাৰা সম্পাদিত 'সঞ্জয়ৰ ডায়েৰীৰ পাতৰ পৰা' (য'ত মাজুলী সম্পৰ্কে বহু স্মৃতি বিজড়িত ঘটনা তথা বিষয়ৰ বৰ্ণনা আছে) আদি অন্যতম।

প্ৰাকৃতিক দুৰ্যোগ, দুৰ্গম যাতায়াত, অন্ন-বস্ত্ৰ-বাসস্থানৰ চিন্তাত জৰ্জৰিত হোৱাৰ বাবে মাজুলীবাসীৰ সাহিত্য-চৰ্চাৰ ধাৰাটো কেতিয়াবা ক্ষীণ হৈছে যদিও ই বিচ্ছিন্ন নহৈ অন্তঃসলিলা ফল্গুৰ দৰে নিৰৱচ্ছিন্নভাৱে প্ৰৱাহিত হৈ থকাটোৱেই হ'ল ইয়াৰ ইতিবাচক দিশ।

## মাজুলীৰ সংবাদ-পত্ৰ আৰু সংবাদসেৱীসকল

ডেৰশ বছৰীয়া অসমৰ সংবাদ-পত্ৰৰ উত্থান-পতনৰ ইতিহাসত বেপ্টিষ্ট মিছনেৰীসকলৰ দ্বাৰা প্ৰকাশিত 'অৰুনোদই' যেনেকৈ মাইলৰ খুঁটিস্বৰূপ, ঠিক তেনেদৰে বন্যা-বিপন্না মাজুলীৰ আউনীআটী সত্ৰৰ পৰা পোন প্ৰথমবাৰৰ বাবে এককভাৱে অসমীয়ালোকৰ উদ্যোগত প্ৰকাশিত 'আসাম বিলাসিনী' অসমীয়া সংবাদ-পত্ৰৰ ইতিহাসত স্বৰ্ণ-মুকুতাস্বৰূপ। মিছনেৰীসকলে অসমত ছপাশাল প্ৰতিষ্ঠাৰ জৰিয়তে আধুনিক অসমীয়া ভাষা-সাহিত্যৰ উৎকৰ্ষ সাধনৰ ক্ষেত্ৰত এক বিশেষ ভূমিকা পালন কৰিলেও কাকতখনে অসমত খ্ৰীষ্টধৰ্ম প্ৰচাৰ-প্ৰসাৰৰ হকেও বিশেষ উদ্যোগ লোৱা দেখা গৈছিল। মিছনেৰীসকলে সুচতুৰভাৱে খ্ৰীষ্টধৰ্মৰ পুস্তকো প্ৰকাশ কৰিছিল। খ্ৰীষ্টান ধৰ্মৰ এই আগ্ৰাসনৰ পৰা অসম আৰু অসমীয়াক মুক্ত কৰাৰ উদ্দেশ্যে আউনীআটীৰ স্বনামধন্য ধৰ্মগুৰু শ্ৰীশ্ৰীদত্তদেৱ গোস্বামীয়ে সত্ৰৰ চৌহদত 'ধৰ্মপ্ৰকাশ যন্ত্ৰ' নামে এটি ছপাশাল স্থাপন কৰি ১৮৭১ খ্ৰী:ত 'আসাম বিলাসিনী' প্ৰকাশ কৰি অসমীয়া সংবাদ-পত্ৰৰ জয়যাত্ৰা আৰম্ভ কৰে। সম্পূৰ্ণ ধৰ্মীয় পৃষ্ঠপোষকতাত প্ৰকাশিত 'আসাম বিলাসিনী' ধৰ্মীয় বিষয়ৰ উপৰি মাজে-সময়ে জ্ঞান-বিজ্ঞানৰ বাতৰিয়েও ভুমুকি মাৰিছিল। আনকি 'সম্বাদাৱলী' শিতানত বিবিধ বিষয়ৰ খবৰ-বাতৰিও প্ৰকাশ পাইছিল। আউনীআটী সত্ৰৰে একান্ত বৈষ্ণৱ, এই সত্ৰৰে পৰা শ্ৰীধৰ বৰুৱাৰ সম্পাদনাত 'আসাম তৰা' (১৮৮৮ খ্ৰী:ত) আৰু 'আসাম দীপক' (১৮৭৬ খ্ৰী:ত) নামৰ আন দুখনি ধৰ্মালোচনী প্ৰকাশ পাইছিল। অসমৰ আধুনিক পণ্ডিতসকলে লিখা সংস্কৃত কাব্যৰ ভিতৰত শ্ৰীধৰ বৰুৱা ওজাৰ 'হৰি-সংকীৰ্তনম্' নামৰ গীতি-কাব্যখনেই প্ৰথম সংস্কৃত কাব্য আছিল।

যোগাযোগ বিচ্ছিন্ন মাজুলীৰ প্ৰতিকূল অৱস্থাৰ লগত সংগ্ৰাম কৰি বেলগুৰি থানৰ স্বত্বাধিকাৰী পৰিয়ালৰ মীনধৰ হাজৰিকাই 'জোনাকী' কাকতত গতি পাচনি ছদ্মনামেৰে নিয়মীয়া শিতান এটি চলাইছিল। 'অসমীয়া' নামৰ কাকতখনত ৰাধানাথ হাজৰিকাই মেমেৰা মেথি ছদ্মনামেৰে 'পাচনিৰ জোলোঙা' নামৰ শিতান এটি চলাইছিল। বিনন্দি হাজৰিকাই 'বাঁহী'ৰ লগত সম্বন্ধ ৰাখি সংবাদসেৱা কৰিছিল।

সময়ৰ গতিত সংবাদ-পত্ৰৰ গুৰুত্ব বৃদ্ধি পোৱাৰ লগে লগে আৰু সময়ৰ লগত খোজ মিলাই মাজুলীৰ পৰাও অল্পায়ুসেৰে আলোচনী আৰু বাতৰি কাকত ওলাইছিল। সেইবোৰৰ ভিতৰত 'নিয়ৰ', 'জুলি', 'দ্বীপালোক', 'চিনাকি', 'বৰ্ণালী' আৰু আউনীআটী সত্ৰৰ প্ৰকাশিত হৈ থকা বৰ্তমানৰ ত্ৰিমাসিক 'সংস্কৃতি-পল্লৱ'ৰ নামেই প্ৰধান। বাৰ্তালোচনী হিচাপে 'পষেকীয়া মাজুলী' আৰু 'দ্বীপবাৰ্তা'ৰ নাম উল্লেখযোগ্য। পৃথিৱীৰ লগত যোগাযোগ ৰক্ষা কৰি পাঠক-সমাজক খবৰ যোগান ধৰিব পৰা অৱস্থা মাজুলীত বৰ্তমানেও যথেষ্ট নহয়।

এনে এক পটভূমিত মাজুলীৰ দৰে দুৰ্গম ঠাইৰ পৰা বিভিন্ন সময়ত প্ৰকাশ পোৱা বাতৰি-আলোচনী প্ৰকাশৰ প্ৰচেষ্টা কম গুৰুত্বপূৰ্ণ নহয়। মাজুলীৰ সংবাদসেৱীসকলে অসমৰ বিভিন্ন কাকতলৈ সাম্প্ৰতিক কালতো বাতৰি প্ৰেৰণৰ বেলিকা যথেষ্ট কষ্ট স্বীকাৰ কৰিব লগা হয়। সেয়েহে কাকতসমূহে মাজুলীৰ সংবাদসেৱীসকলক যথেষ্ট পৰিমাণে গুৰুত্ব দিয়া উচিত। অসমৰ আগশাৰী আটাইকেইখন অসমীয়া বাতৰি কাকতেই বৰ্তমানে প্ৰায় চৈধ্যজন সংবাদসেৱীয়ে সেৱা আগবঢ়াই আছে। সেইসকল— থানেশ্বৰ গোস্বামী (দৈনিক জনমভূমি), আনন্দ হাজৰিকা (আমাৰ অসম), কিশোৰী মোহন পাল (প্ৰতিদিন, অসম ট্ৰিবিউন) বিপিন শইকীয়া (দৈনিক জনমভূমি), নিৰ্মল বৰা (প্ৰতিদিন), গোবিন্দ খাউণ্ড (আমাৰ অসম), কমল দত্ত (জনমভূমি), প্ৰদীপ বৰা (আমাৰ অসম), নিত্যানন্দ ভঁৰালী (দৈনিক জনমভূমি), ত্ৰিশ্বেশ্বৰ বৰা (আজি), ৰঞ্জিৰ্ত ভূঞা (আজিৰ অসম), সঞ্জীৱ শৰ্মা (আমাৰ অসম), অৰুণ বৰা (আমাৰ অসম), ভবেন শইকীয়া(আমাৰ অসম)ই প্ৰধান। উল্লেখিত ব্যক্তিসকলৰ বাহিৰেও সঞ্জীৱ দত্ত, পৱন শইকীয়া, অনন্ত কুমাৰ নাথ, মাধৱ হাজৰিকা, মনোহৰ ব্যাস, ইন্দ্ৰ কলিতা, দিগন্ত বৰা, যোগেন শইকীয়া, প্ৰশান্ত ভাগৱতী, তিলেশ্বৰ দত্ত, হেমচন্দ্ৰ দলে আদি কেইবাজন সংবাদসেৱীয়ে মাজে-সময়ে সংবাদ পৰিৱেশন কৰি মাজুলীৰ স্বাৰ্থৰ হকে মাত মাতি আহিছে। গড়মূৰত অৱস্থিত ষ্টাইল' ষ্টুডিঅ'ই মাজুলীৰ বিভিন্ন আলোকচিত্ৰ বাতৰি কাকতত প্ৰকাশ কৰি একপ্ৰকাৰ সংবাদসেৱা কৰি আহিছে।দুৰ্গম মাজুলীৰ প্ৰবীণ সংবাদসেৱীদ্বয় প্ৰেমানন্দ ঠাকুৰ আৰু জিনাৰাম বৰুৱাই আগবঢ়োৱা সেৱাৰ কথাও এই প্ৰসংগত উল্লেখ্য।

মাজুলীৰ পৰা সংবাদ-সেৱা কৰাটো যেনেকৈ দুৰূহ, ঠিক তেনেদৰে মাজুলীৰ ভিন্ন ঠাইৰ লোকে কাকত এখন পঢ়িবলৈ পোৱাটোও

জটিল। এই ক্ষেত্ৰত অনেক কষ্ট স্বীকাৰ কৰি বা অধিক লাভৰ কথা নাভাবি, নিয়মীয়াকৈ বাতৰি কাকত যোগান অব্যাহত ৰখা এজেণ্টসকলো ধন্যবাদৰ পাত্ৰ। অন্য ঠাইত যিদৰে পুৱা বাতৰিখন পঢ়াটো অভ্যাস, ঠিক সেইদৰে যোগাযোগৰ অসুবিধাৰ বাবে মাজুলীত আবেলি পঢ়িবলৈ পোৱাটোও আশাপ্ৰদ বুলিয়ে ক'ব লাগিব। উজনি মাজুলীৰ সংবাদসেৱী আৰু পাঠকসকলে এই ক্ষেত্ৰত যথেষ্ট সমস্যাৰ সন্মুখীন হৈ আহিছে। বাতৰি পঠোৱাৰ কোনো উপযুক্ত ব্যৱস্থা উজনি মাজুলীত বৰ্তমানেও গঢ় লৈ উঠা নাই। গড়মূৰ-কমলাবাৰীৰ সংবাদসেৱীসকলে যৎসামান্য ফোনৰ সুবিধা লাভ কৰিছে। কমলাবাৰীত শেহতীয়াকৈ ফেক্স ব্যৱস্থা হোৱাটো সংবাদসেৱীসকলৰ বাবে সুখবৰ। চৰকাৰী তথা সংশ্লিষ্ট পক্ষই উজনি মাজুলীতো ফেক্সৰ ব্যৱস্থা কৰাৰ ব্যৱস্থা কৰিলে সংবাদসেৱীসকল উপকৃত হ'ব। এই ক্ষেত্ৰত নৱগঠিত মাজুলীৰ সাংবাদিক সন্থাই বিশেষ পদক্ষেপ ল'ব বুলি আশা কৰিব পাৰি।

সাম্প্ৰতিক সময়ত গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ প্ৰতি বিভিন্ন পক্ষৰ পৰা যি অশুভ প্ৰত্যাহ্বান আহিছে, তাৰ কবলৰ পৰা মাজুলীৰ সংবাদসেৱীসকলো সাৰি যোৱা নাই। বহিৰ্জগতৰ আগত মাজুলীৰ প্ৰকৃত প্ৰতিচ্ছবি দাঙি ধৰিবলৈ সংবাদসেৱীসকল সদা-সচেষ্ট হ'ব লাগিব। ইয়াৰ বাবে বুদ্ধিজীৱী আৰু নাগৰিকসকলেও সহায়ৰ হাত আগবঢ়াব লাগিব।

## মাজুলীৰ স্বেচ্ছাসেৱী অনুষ্ঠানসমূহ

প্ৰায় জন্ম-লগ্নৰে পৰা বান, গৰাখহনীয়া আদিৰ দৰে প্ৰাকৃতিক দুৰ্যোগৰ দ্বাৰা আক্ৰান্ত মাজুলীৰ দৰে আওহতীয়া ঠাইত স্বেচ্ছাসেৱী, সামাজিক-সাংস্কৃতিক অনুষ্ঠানৰ গুৰুত্ব অপৰিসীম। দুৰ্গম যাতায়াত ব্যৱস্থাই মাজুলীক বহিৰ্জগতৰ পৰা প্ৰায় বিচ্ছিন্ন কৰি ৰাখিছিল। এনে এক পৰিৱেশত মাজুলীত বিভিন্ন সময়ত গঢ় লৈ উঠা প্ৰতিটো স্বেচ্ছাসেৱী অনুষ্ঠানৰে পৰ্যাপ্ত গুৰুত্ব আছে। এসময়ত মাজুলীৰ সত্ৰানুষ্ঠানসমূহ আৰু গাঁৱে-ভূঞে থকা নামঘৰ আৰু অন্যান্য ধৰ্মীয় অনুষ্ঠানবোৰেই স্বেচ্ছাসেৱী অনুষ্ঠানসমূহৰ ভূমিকা পালন কৰিছিল বুলি ক'ব পাৰি। শেহতীয়াকৈ মাজুলীৰ ভৌগোলিক স্থিতি সুৰক্ষাৰ বাবে অৰ্থাৎ অধিক সংকোচন ৰোধৰ বাবে অথবা বানপানী প্ৰতিৰোধ আৰু প্ৰাকৃতিক দুৰ্যোগৰ ফলত দুৰ্গতসকলৰ সহায়ৰ বাবে বহু স্বেচ্ছাসেৱী সামাজিক সাংস্কৃতিক, অৰাজনৈতিক অনুষ্ঠান গঢ় লৈ উঠিছে। ইয়াৰ উপৰিও বহু সংগঠন-অনুষ্ঠানে মাজুলীৰ প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা, দুৰ্লভ চৰাই চিৰিকতি সংৰক্ষণ, স্বাস্থ্য-সজাগতা সৃষ্টিৰ বাবে অথবা দেশী বিদেশী পৰ্যটকক মাজুলীলৈ আকৰ্ষণৰ বাবে বিভিন্ন প্ৰচেষ্টা গ্ৰহণ কৰা দেখা গৈছে। এনে অনুষ্ঠানবিলাকৰ ভিতৰত 'মাজুলী দ্বীপ সুৰক্ষা আৰু উন্নয়ন পৰিষদ'(Majuli Island Protection and Development Council), 'অসম বিজ্ঞান সমিতি' (মাজুলী শাখা), 'এভাৰ্ড এন. ই.' (AVARD-NE), 'সদৌ অসম ছাত্ৰ সন্থা', 'জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ', 'বানে কেবাং', 'টি. এম. পি. কে.', 'আগম কেবাং', 'নীড়ছ' (NEADS), 'ৰেড্‌ছ' (REDS), 'সঞ্জয় ঘোষ স্মাৰক ন্যাস সমিতি', 'মাজুলী অধ্যয়ন আৰু উন্নয়ন সংস্থা' আদিয়ে প্ৰধান। ইয়াৰ উপৰি মাজুলীৰ সত্ৰসমূহ আৰু বিভিন্ন গাঁৱৰ বা অঞ্চলৰ সমাজ-সংগঠনসমূহৰ নামো এই প্ৰসংগত উল্লেখ কৰিব পাৰি।

স্বেচ্ছাসেৱী অনুষ্ঠানসমূহে মাজুলীৰ বিভিন্ন দিশত আগবঢ়োৱা উন্নয়নমূলক কাম আৰু সেৱাৰ বিষয়ে উল্লেখ কৰিবলৈ যাওঁতে ইতিমধ্যে বন্ধ হৈ যোৱা এভাৰ্ড-এন.ই.ৰ নাম ল'বই লাগিব। ১৯৯৬ খ্ৰী:ত ৰাজস্থানৰ পৰা আহি সঞ্জয় ঘোষে মাজুলীত এটি বেচৰকাৰী সংগঠন AVARD-NE (Association of Voluntary Agencies for Rural Development, North-East) অৰ্থাৎ 'গ্ৰাম্য উন্নয়ন সংগঠন সমূহৰ সংস্থা, উত্তৰ-পূব'ৰ কাম-কাজ আৰম্ভ কৰিছিল। সংগঠনটোৰ সম্পাদক সঞ্জয় ঘোষৰ প্ৰচেষ্টাত এই অনুষ্ঠানটো মাজুলীৰ উচ্চপদস্থ বিষয়াৰ পৰা সৰ্বসাধাৰণ লোকলৈকে আদৰৰ সংগঠন ৰূপে প্ৰতিষ্ঠিত হৈছিল। ই মাজুলীক সুৰক্ষিত কৰিবলৈ প্ৰাকৃতিক প্ৰতিৰোধ ব্যৱস্থা কৰাৰ উপৰি মহকুমাটোত গ্ৰাম্য উন্নয়নৰ দিশত যথেষ্ট কাম কৰিছিল। মাজুলীক বিশ্বদৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ সংগঠনটোৱে অনেক ব্যৱস্থা গ্ৰহণ কৰিছিল। পিছপৰা অঞ্চলটোৰ সৰ্বাংগীন উন্নতিৰ বাবে জনসাধাৰণক সচেতন কৰি তুলিবলৈও ব্যৱস্থা গ্ৰহণ কৰিছিল। এই স্বেচ্ছাসেৱী অনুষ্ঠানটোৱে ব্ৰহ্মপুত্ৰ নদীৰ খহনীয়া আদি নিয়ন্ত্ৰণৰ ব্যৱস্থাৰ উপৰি বহু শিক্ষিত যুৱক-যুৱতীক স্বনিয়োজন আঁচনিৰে আত্মনিৰ্ভৰশীল হোৱাৰ পথ প্ৰশস্ত কৰি দিছিল। ই 'দ্বীপালোক' নামৰ এখন আলোচনীও প্ৰকাশ কৰিছিল। ১৯৯৭ খ্ৰী:ৰ ৪ জুলাই তাৰিখে

উচ্চশিক্ষিত, বিশিষ্ট সমাজকৰ্মী সঞ্জয় ঘোষে এক দুৰ্ভাগ্যজনক পৰিস্থিতিত মৃত্যুবৰণ কৰিবলগা হয়। এভাৰ্ড-এন. ই.ৰ মেৰুদণ্ড স্বৰূপ সঞ্জয় ঘোষৰ মৃত্যুৰ লগে লগে মাজুলীত সংগঠনটোৰ কাম-কাজ বন্ধ হৈ পৰে। তথাপি প্ৰয়াত সঞ্জয় ঘোষে মাজুলীৰ উন্নতিৰ হকে কম সময়ৰ ভিতৰতে গ্ৰহণ কৰা আঁচনিসমূহ আৰু জন-সচেতনতা স্মৰণীয় হৈ ৰ'ব।

১৯৮৪ খ্ৰী:ত প্ৰতিষ্ঠিত অসম বিজ্ঞান সমিতি, মাজুলী শাখাৰ কাম-কাজৰো বিশেষ তাৎপৰ্য আছে। মাজুলী শাখাই অসম বিজ্ঞান সমিতিৰ দ্বাৰা নিৰ্দ্ধাৰিত বিভিন্ন আঁচনি ৰূপায়ণ কৰাৰ লগতে মাজুলীৰ পৰিবেশ সংৰক্ষণত বিশেষ গুৰুত্ব দি আহিছে। অনুষ্ঠানটোৱে মাজুলীৰ বিভিন্ন স্থানত জনসাধাৰণৰ মাজত এক বিজ্ঞানমুখী সচেতনতা গঢ়া, সমান্তৰালভাৱে নদী-দ্বীপটোৰ প্ৰাকৃতিক সৌন্দৰ্যবৰ্দ্ধন আৰু সংৰক্ষণৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। বিভিন্ন গছ-গছনি, বিল-ডোবা, মাছ-কাছৰ সুৰক্ষাৰ উপৰি মাজুলীলৈ অহা ভিন্ন প্ৰজাতিৰ প্ৰব্ৰজনকাৰী পক্ষীৰ ৰক্ষণাবেক্ষণ দি দেশী-বিদেশী তথা প্ৰকৃতিপ্ৰেমী পৰ্যটকক আকৰ্ষণ কৰাৰ চেষ্টা কৰি আহিছে। এনেধৰণৰ বিভিন্ন কামৰ উপৰি মাজুলীৰ বিদ্যালয় পৰ্যায়ৰ বিজ্ঞান শিক্ষকসকলক প্ৰশিক্ষণৰো দিহা কৰি আহিছে।

১৯৯৬ খ্ৰী:ৰ ছেপ্টেম্বৰ মাহত মাজুলীৰ উদ্যোগী বিধায়ক ৺কৰুণা দত্ত আৰু সাংসদ ড° অৰুণ শৰ্মাৰ প্ৰচেষ্টাত দিল্লীৰ দৰবাৰত মাজুলীৰ সুৰক্ষাৰ বাবে এটি ৩৬জনীয়া প্ৰতিনিধি দলে তদানীন্তন প্ৰধানমন্ত্ৰী দেৱগোড়া, যোজনা আয়োগৰ উপ-সভাপতি মধু দণ্ডৱতে আৰু যোজনা দপ্তৰৰ ৰাজ্যমন্ত্ৰী ৱাই. কে. আল্লাখক লগ ধৰে। এই ৩৬জনীয়া সঁজাতী দলৰ সৈতে আউনীআটীয় সত্ৰাধিকাৰ পীতাম্বৰদেৱ গোস্বামী আৰু ভোগপুৰ সত্ৰৰ সত্ৰাধিকাৰ দত্তদেৱ গোস্বামীও উপস্থিত আছিল। নেতাসকলে পোনপ্ৰথমবাৰৰ বাবে দ্বীপটোৰ বিশিষ্টতা সম্পৰ্কে অনুধাৱন কৰি ইয়াৰ উন্নয়ন আৰু ৰক্ষণাবেক্ষণৰ প্ৰতি আগ্ৰহ প্ৰকাশ কৰিলে। উল্লেখিত নেতৃবৃন্দৰ পৰামৰ্শ অনুসৰি 'মাজুলী দ্বীপ সুৰক্ষা আৰু উন্নয়ন পৰিষদ' বা MIPADC (Majuli Island Protection and Development Council) নামেৰে বেচৰকাৰী, স্বেচ্ছাসেৱী অনুষ্ঠানটো গঠন কৰা হয়। (১৩ ছেপ্টেম্বৰ, ১৯৯৬ খ্ৰী:)। জন্মৰ ডেৰমাহৰ পৰাই ই মাজুলীৰ বান আৰু গৰাখহনীয়া প্ৰতিৰোধ আৰু আৰ্থ-সামাজিক উন্নয়নৰ বাবে পৃথকে পৃথকে দুখন আঁচনি অসমৰ মুখ্য মন্ত্ৰীৰ যোগেদি কেন্দ্ৰীয় যোজনা আয়োগলৈ প্ৰেৰণ কৰে। সেই মৰ্মে আঁচনি দুখনে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰে। ইয়াৰে প্ৰথমখন আঁচনি কাৰ্যকৰী কৰিবলৈ বান-নিয়ন্ত্ৰণ বিভাগক নিৰ্দেশো দিয়ে। তেতিয়াৰ পৰা অনুষ্ঠানটিয়ে নিৰন্তৰ মাজুলীৰ উন্নয়নৰ হকে কাম কৰি আহিছে। ইতিমধ্যে পৰিষদে নিজৰ ফালৰ পৰা কমলাবাৰী নগৰৰ পশ্চিমফালে আবাদী হৈ থকা 'অসম এগ্ৰিকালছাৰেল মাৰ্কেটিঙ'ৰ চৌহদত এক পৰ্যটন কেন্দ্ৰ গঢ়ি তুলিবলৈ আয়োজন কৰিছে। পৰিষদে নিজাববীয়া এটা স্থায়ী কাৰ্যালয় মাজুলীৰ গড়মূৰত নিৰ্মাণ কৰি আছে। গুৱাহাটীৰ কাৰ্যালয়, গুৱাহাটীৰ জয়া নগৰৰ এটা ভাড়াঘৰৰ চৌহদৰ পৰাই পৰিচালিত হৈ আছে।

সি যি কি নহওক, এই মাজুলী দ্বীপ সুৰক্ষা আৰু উন্নয়ন পৰিষদে এক উল্লেখযোগ্য পদক্ষেপত বৰ্তমান মাজুলীক বিশ্বৰ ঐতিহ্যমণ্ডিত সাংস্কৃতিক কেন্দ্ৰ (World Cultural Heritage Site) হিচাপে প্ৰতিষ্ঠা কৰিবলৈ পৰিকল্পনা কৰা আঁচনিত কেন্দ্ৰীয় চৰকাৰে অনুমোদন জনাই UNESCO লৈ প্ৰেৰণ কৰিছে (২৮ মাৰ্চ, ১৯৯৮ খ্ৰী:)। ইতিমধ্যে এই প্ৰস্তাৱ সম্পৰ্কে বন আৰু পৰিবেশ মন্ত্ৰীয়ে ৰাজ্যসভাত ১৯৯৯ খ্ৰী:ত আনুষ্ঠানিকভাৱে ঘোষণাও কৰিছে। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে পৰিষদে মাজুলী বিশ্বৰ ঐতিহ্যমণ্ডিত স্থান, ইয়াৰ মনোনয়নৰ সমৰ্থনত 'The Threatened Heritage' শীৰ্ষক এখনি তথ্যচিত্ৰও UNESCO লৈ প্ৰেৰণ কৰিছে। পৰিষদৰ আমন্ত্ৰণক্ৰমে ইতিমধ্যে (২০০০ খ্ৰী:ত) বেংককত থকা UNESCOৰ এছিয়া আৰু প্ৰশান্ত মহাসাগৰীয় দেশসমূহৰ সাংস্কৃতিক বিভাগৰ উপদেষ্টা ৰিচাৰ্ড এ. এঞ্জেলহাৰ্টে তিনিদিনীয়াকৈ মাজুলী ভ্ৰমণ কৰি ওপৰত উল্লেখিত প্ৰস্তাৱৰ সমৰ্থন ব্যক্ত কৰাৰ লগতে কেইটামান সংশোধনীৰে প্ৰস্তাৱটো UNESCO লৈ প্ৰেৰণৰ দিহা দিয়ে। শেহতীয়াকৈ পৰিষদে মাজুলীক বিশ্বৰ বিভিন্ন প্ৰান্তত প্ৰচাৰ হ'ব পৰাকৈ Photoৰ Album cum Book আৰু Tour Guide-Book-Cum History of Majuli আদি প্ৰকাশৰো দিহা কৰিছে। ইয়াৰ উপৰি পৰিষদে মাজুলীৰ সত্ৰসমূহৰ পুৰণি পুথি-পাঁজিবোৰ সংৰক্ষণৰ বাবে ৬৬টা লোৰ আলমাৰি যোগান ধৰিছে। বৰ্তমান পৰিষদৰ উদ্যোগতে আউনীআটী, দক্ষিণপাট আৰু নতুন কমলাবাৰী সত্ৰত একোটাকৈ যাদুঘৰ নিৰ্মাণৰ কাম চলি আছে।

সঞ্জয় ঘোষৰ পদাংক অনুসৰণ কৰি মাজুলীবাসী এভাৰ্ড-এন. ই.ৰ কৰ্মীসকলে 'গ্ৰামীন আৰ্থিক বিকাশ সমিতি', চমুকৈ REDS (Rural Economic Development Society) নামে ১৯৯৯ খ্ৰী:ত এটি বেচৰকাৰী সংগঠন প্ৰতিষ্ঠা কৰে। স্বনিয়োজন আঁচনিৰে শিক্ষিত নিবনুৱা যুৱক-যুৱতীৰ জৰিয়তে বাঁহ, বেত, কাঠ আদিৰ সামগ্ৰী আৰু কাপোৰ বৈ উপকৃত হোৱাটো পৰিলক্ষিত হৈছে। সংগঠনটোৰ প্ৰতিষ্ঠাপক সভাপতি আৰু সম্পাদক ক্ৰমে পদ্ম পেগু আৰু প্ৰদীপ দাস।

এটা সময়ত 'মাজুলী অধ্যয়ন আৰু উন্নয়ন সংস্থা' (The Society for Study and Development, Majuli) নামৰ এটি স্বেচ্ছাসেৱী সংগঠনে সততে মাজুলীৰ স্বাৰ্থৰ হকে কৰ্ম-আঁচনি গ্ৰহণ কৰি, তাৰ কাৰ্যকৰণৰ বাবে সংশ্লিষ্ট পক্ষৰ ওচৰত দাবী জনাই, বিভিন্ন বিষয়ত সচেতন লোকৰ দৃষ্টি আকৰ্ষণ কৰা দেখা গৈছিল। মাজুলীৰ সুৰক্ষা তথা উন্নয়ৰ বাবে গঢ় লোৱা এই সংগঠনবোৰে নিঃসন্দেহে শুভ দৃষ্টান্ত বহন কৰি আহিছে।

সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ পীড়িতসকলৰ উন্নয়নৰ হকে গঠিত 'উত্তৰ-পূব পীড়িত অঞ্চল উন্নয়ন সমিতি', চমুকৈ NEADS (North-East Affected Area Development Society) মাজুলীৰ দুৰ্গত, অসহায়সকলৰ হকে সুপৰিকল্পিতভাৱে সেৱা আগবঢ়াবলৈ লৈছে। সংগঠনটোৱে বিভিন্ন উৎসৰ পৰা চাউল, দাইল, তেল, কাপোৰ, আদি দুখীয়া জনসাধাৰণৰ মাজত যোগান ধৰি বিশেষকৈ, বান-পীড়িতসকলক উপকৃত কৰি আহিছে।

ইয়াৰ উপৰি লিওপাৰ্ডছ, ভাস্কৰজ্যোতি আদি অনুষ্ঠানসমূহে সমাজ-জীৱনলৈ আগবঢ়োৱা সেৱা আৰু অৱদান মাজুলীবাসীৰ জীৱন-যুঁজৰ অনুপ্ৰেৰণাৰ উৎস বুলিব পাৰি। ইতিপূৰ্বে উল্লেখ কৰি অহা ছাত্ৰ সংগঠনসমূহেও সংগঠনৰ নিজস্ব কাৰ্য-ক্ৰমণিকাৰ লগতে মাজুলী অঞ্চলৰ বাবে উপযোগী বহু কাম কৰি বা মাজুলীৰ সমস্যা তথা সমাধানৰ প্ৰতি সংশ্লিষ্ট কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰি অহা দেখা গৈছে। ১৯৯৯ খ্ৰী:ত 'আছু'ৱে "অসমৰ বান আৰু খহনীয়া সমস্যা আৰু মাজুলী দ্বীপ সুৰক্ষা" বিষয়ক এখনি আলোচনাচক্ৰ কমলাবাৰীৰ মাজুলী মিলন সংঘত অনুষ্ঠিত কৰালৈ আঙুলিয়াব পাৰি।

উল্লেখিত স্বেচ্ছাসেৱী অনুষ্ঠানসমূহৰ উপৰি বহু সামাজিক-সাংস্কৃতিক অনুষ্ঠান মাজুলীত অতীজৰে পৰা বৰ্তি আছে আৰু নতুনকৈও গঢ় লৈ উঠিছে। মাজুলীস্থিত সত্ৰসমূহৰ সামাজিক, সাংস্কৃতিক, আধ্যাত্মিক, অৰ্থনৈতিক আদি অৱদানসমূহ কেৱল মাজুলীতে আৱদ্ধ হৈ থকা নাই; বৰঞ্চ অসমৰ বিভিন্ন ঠাইলৈও সম্প্ৰসাৰিত হৈ আছে।* সত্ৰসমূহৰ উপৰি মাজুলীত তিনিকুৰিৰো অধিক সাংস্কৃতিক অনুষ্ঠান বা সংঘ আছে; যিবিলাকৰ মাধ্যমেদি সামাজিক সেৱা আৰু সাংস্কৃতিক চৰ্চা নিৰৱচ্ছিন্নভাৱে চলি আছে।

মাজুলীৰ উল্লেখযোগ্য কেইটামান অনুষ্ঠান হৈছে—

শ্ৰীমন্ত শংকৰদেৱ কৃষ্টি সংঘ (গড়মূৰ), মিলন কৃষ্টি মন্দিৰ (টটয়া), মাধৱদেৱ কৃষ্টি সংঘ (কাকতিবাৰী), প্ৰগতি ৰংগ মঞ্চ (ৰঙাচাহী), তৰুণ নাট্য সমাজ (গুৱালগাঁও), ৰূপালী যুৱক সংঘ (কমাৰগাঁও), শংকৰী কলা-কৃষ্টি বিকাশ কেন্দ্ৰ (কমাৰগাঁও), বনগাঁও ৰংঘৰ (বনগাঁও), সূৰ্যোদয় আঞ্চলিক সাংস্কৃতিক বিকাশ কেন্দ্ৰ (পহুমৰা), নৱজ্যোতি কৃষ্টি সংঘ (সোণাৰিআটী), মিলনজ্যোতি সংঘ (ফুলনি), মিলিত কৃষ্টি সংঘ (বালিচাপৰি), জ্যোতি ৰংঘৰ (ভকতিদুৱাৰ), প'ৰাম আঞ্চলিক কৃষ্টি সংঘ (ধোৱাচলা), সাহিত্যৰথী সংঘ (ৰতনপুৰ), চিতাদাৰচুক সংঘ, জকাইকলিয়া সংঘ, জনতা কৃষ্টি সংঘ, খাৰজানপাৰ কৃষ্টি সংঘ, কৰতিপাৰ কৃষ্টি সংঘ, আঁহতগুৰি কৃষ্টি সংঘ, নয়াবজাৰ ৰংঘৰ, লাইমণিকা কৃষ্টি সংঘ, কঢ়ালগাঁও কৃষ্টি সংঘ, গায়নগাঁও ৰংঘৰ, জেংৰাই কৃষ্টি সংঘ আদি।

* *সত্ৰসমূহৰ বিষয়ে সবিশেষ 'মাজুলীৰ সত্ৰসমূহ', 'মাজুলীৰ সাংস্কৃতিক ঐতিহ্য আৰু পটভূমি' অধ্যায়ত সবিস্তাৰে বৰ্ণনা কৰা হৈছে।— সম্পাদক।*

## মাজুলীৰ উল্লেখযোগ্য মহিলা অনুষ্ঠান

পৰিৱৰ্তনশীল সমাজত কেতিয়াবা বালিৰ বুকুত সোণৰ খনি পোৱাৰ দৰে মাজুলীতো অসম তথা ভাৰতৰ অন্য ঠাইৰ দৰে এসময়ত নাৰী-শিক্ষাৰ জাগৰণে দেখা দিলে। মহাত্মা গান্ধীৰ নেতৃত্বত সমগ্ৰ দেশজুৰি জাতীয়তাবোধৰ চেতনাৰে নাৰী-পুৰুষ উভয়কে সমানে আপ্লুত কৰিলে।

১৯২৪ খ্ৰী:ত মাজুলীত প্ৰথম শিক্ষানুষ্ঠান মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চ ইংৰাজী বিদ্যালয় প্ৰতিষ্ঠা হোৱাত প্ৰায়বিলাক ছাত্ৰীয়েই

নামভৰ্তি কৰিবলৈ আৰু শিক্ষা ল'বলৈ সুবিধা পায়। অৱশ্যে ল'ৰাৰ তুলনাত ছোৱালীয়ে সুবিধা কম পাইছিল। সেই সময়ৰ ৰক্ষণশীল সমাজ ছোৱালী-শিক্ষাৰ প্ৰতি উদাসীন আছিল। সি যি কি নহওক, এসময়ত মাজুলীৰ অশিক্ষিত তথা অৰ্দ্ধশিক্ষিত নাৰীসকলৰ মাজৰ পৰাই সচেতন নাৰী হিচাপে বনগাঁও অঞ্চলৰ বোধেশ্বৰী হাজৰিকা (দাস) ৰাজপথলৈ ওলাই আহিল মাজুলীৰ মহিলাসকলক আগবঢ়াই নিবলৈ। স্বাধীনতা আন্দোলনত জপিয়াই পৰা বোধেশ্বৰী দাসে লগত মহিলাসকলক লৈ মাজুলীৰ আৰক্ষী থানাত পতাকা উৰুৱাইছিল। মাজুলীৰ গৌৰব, এইগৰাকী মহিলাৰ নগাঁৱৰ সু-সন্তান মহেন্দ্ৰ হাজৰিকাৰ লগত বিয়া হৈছিল। মহেন্দ্ৰ হাজৰিকাই মন্ত্ৰীসভাতো স্থান পাইছিল।

আন এগৰাকী সমাজসেৱিকা মহিলা হ'ল ৺মধুমতী বৰা। তেখেত আছিল মাজুলীত উচ্চশিক্ষাৰ পোহৰ বিলাওঁতা স্বৰ্গীয় কেশৰৰাম বৰাদেৱৰ পত্নী। এইগৰাকী মহিলাই বৰাদেৱক সেৱা কৰাই নহয়, সেই সময়ত হেমচন্দ্ৰ হাইস্কুলত পঢ়িবলৈ অহা ছাত্ৰসকলক তেখেতে খুৱাই-বুৱাই বিদ্যালয়লৈ পঠিয়াইছিল। কেতিয়াবা দূৰণিবটীয়া ছাত্ৰসকলক নিজৰ ঘৰত ৰাখি পঢ়া-শুনা কৰাৰ সুবিধা দিয়াৰ উপৰি খোৱা-লোৱাৰ দায়িত্ব লৈছিল। অন্যহাতে ৺ফুলেশ্বৰী বৰুৱাই গাঁৱৰ আৰু ওচৰৰ-পাজৰৰ মহিলাসকলক গোটাই নামঘৰত বা নিজৰ ঘৰতে নাম-কীৰ্তন মহিলাই কেনেদৰে কৰিব লাগে, নিজে হাতে-কামে কৰি দেখুৱাইছিল। নিজে শাস্ত্ৰ আৰু ভাগৱতৰ বহু কাহিনী কৈ মহিলাসকলক নৈতিক আৰু আধ্যাত্মিক দিশত আগ্ৰহী কৰি তুলিছিল। যিসকল মহিলাই লিখা-পঢ়া নাজানিছিল, তেওঁলোকক কলপাতত আখৰ লিখিবলৈ আৰ্হি দেখুৱাইছিল। তদুপৰি গ্ৰামসেৱিকা জীৱেশ্বৰী বৰাই মাজুলীৰ মহিলাসকলক বহুদিশতে আগবঢ়াই লৈ গৈছিল। প্ৰায়বিলাক গাঁৱলৈ গৈ হাতে-কামে মহিলাসকলক তাঁতবোৱা, চিলাই কৰা, উল গোঁথা, গীত-মাত গোৱা ইত্যাদি আৰ্থিক আৰু সামাজিক দিশত আগবাঢ়ি যাবলৈ পৰামৰ্শ দিছিল। তেখেতে অৱশেষত মাজুলী ব্লকৰ খণ্ড উন্নয়ন বিষয়া হিচাপে অৱসৰ লয়। মাজুলীৰ স্বেচ্ছাসেৱী অনুষ্ঠান 'মহিলা সমিতি'ৰ উন্নতি এইগৰাকী মহিলাৰ দিনতে হয় বুলি ক'ব লাগিব।

মাজুলীত মহিলা সমিতি গঠন হোৱাৰ পিছত পদ্মাৱতী দত্তই সমাজক বহু সেৱা আগবঢ়ায়। তেখেতে নিঃস্বাৰ্থভাৱে মাজুলীৰ মহিলাসকলক একত্ৰিত কৰি সমাজৰ চুকে-কোণে থকা অন্ধবিশ্বাস, অন্যায়-অবিচাৰ আদিৰ বিৰুদ্ধে মাত মাতিবলৈ মহিলাসকলক উৎসাহিত কৰে। এই সময়তে মহিলা সমিতিৰ শাখাসমূহ গঠন হয়। মহিলা সমিতিৰ সভানেত্ৰী হিচাপে বহু কাম কৰি মাজুলীৰ বাহিৰতো তেওঁ প্ৰতিনিধিত্ব কৰিছিল। তেখেতক সহায় কৰিছিল ইন্দ্ৰানী গোস্বামীয়ে। যি সময়ত গোসাঁই পৰিয়াল ৰক্ষণশীল হৈ পৰ্দাৰ ভিতৰত আছিল, সেই সময়ত সমাজৰ সেৱা কৰিবলৈ স্ব-ইচ্ছাই আগবাঢ়ি আহিছিল ইন্দ্ৰানী গোস্বামী। তেখেতে আইনাম, বিয়ানাম, গোসাঁইনাম কেনেকৈ গাব লাগে মহিলাসকলক এই বিষয়ে শিকাইছিল। তাৰ পিছতে ইন্দ্ৰমা বৰা, সৰোজ দত্ত, ৺অঞ্জলি ঠাকুৰে মহিলাসকলৰ উন্নতিৰ হকে আপ্ৰাণ চেষ্টা চলাইছিল। সামাজিক দিশত মহিলাসকলৰ উন্নতিৰ হকে কেইবাখনো নাট মঞ্চস্থ কৰি ভূয়সী প্ৰশংসা লাভ কৰিছিল। আৰ্থিক উন্নতিৰ হকে চৰকাৰৰ পৰা দুখীয়া মহিলাসকললৈ চাউল, কাপোৰ আদি এই মহিলা সমিতিবোৰৰ যোগে যোগান ধৰা হৈছিল। বছৰি হোৱা বানপানীৰ পিছত এই সমিতিয়ে মহিলাসকলৰ স্বাস্থ্যৰ উন্নতিৰ বাবে স্বাস্থ্যসেৱা আগবঢ়ায়। এই মহিলা সমিতিত সক্ৰিয় অংশ গ্ৰহণ কৰিবলৈ মাজুলীৰ ইমূৰৰ পৰা সিমূৰলৈ বহু মহিলা জড়িত হৈ একেলগে কাম কৰিবলৈ ওলাই আহিছিল।

১৯৫০ খ্ৰী:ত গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ, ধৰ্মপ্ৰচাৰক, স্বাধীনতা সংগ্ৰামী পীতাম্বৰদেৱ গোস্বামীৰ মহান ত্যাগৰ ফলস্বৰূপে মাজুলীত মহিলাই প্ৰথমবাৰৰ বাবে ৰংগমঞ্চত উঠে। সহ-অভিনয় কৰাৰ সুযোগ লাভ কৰে। ইতিমধ্যে ষাঠিদশকত কেইগৰাকীমান মহিলাই প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ মাজুলীৰ বাহিৰত উচ্চশিক্ষা ল'বলৈ যায়। বিংশ শতিকাৰ সপ্তম দশকৰ পৰা মাজুলীত মহিলা-শিক্ষাৰ প্ৰথম বিদ্যালয় স্থাপন হয়।

মাজুলীৰ শালমৰা মৌজাৰ ৺অনিমা হাজৰিকা আৰু কমলাবাৰীৰ কমলা দলে যথাক্ৰমে প্ৰথম আৰু দ্বিতীয় মহিলা স্নাতক। ১৯৬২ খ্ৰী:ত প্ৰতিষ্ঠা হোৱা মাজুলীৰ উচ্চশিক্ষাৰ প্ৰথমগছি বন্তি— "মাজুলী মহাবিদ্যালয়"ৰ পৰা অঞ্জনা ভূঞাই স্নাতক ডিগ্ৰী লাভ কৰে। ইয়াৰ পিছত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা আৰতি বৰাই বুৰঞ্জী বিভাগত প্ৰথম স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি মাজুলীলৈ গৌৰৱ কঢ়িয়াই আনে। মাজুলীৰ সুযোগ্যা মহিলা কৰুণা বৰাই গাৰ্হস্থ্য বিজ্ঞানত স্বৰ্ণপদক লাভ কৰে। ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ প্ৰশিক্ষণপ্ৰাপ্ত উমী বৰুৱাই অসম তথা

ভাৰতৰ বিভিন্ন ঠাইত নিজৰ প্ৰতিভা বিকাশ কৰিবলৈ সমৰ্থ হয়।

ধৰ্মগুৰু পীতাম্বৰদেৱ গোস্বামীৰ অহোপুৰুষাৰ্থত মাজুলীৰ ৰংগমঞ্চত প্ৰথম মহিলাৰ সহ-অভিনয়ৰ শুভাৰম্ভ হয়। তেওঁৰ কৃপাতে চিত্ৰতাৰকা ইলা কাকতিয়ে মাজুলীলৈ গৌৰৱ কঢ়িয়াই আনে। লগতে মণি বৰুৱা, বীণা শইকীয়াৰ নাম উল্লেখ কৰিব লাগিব। মাজুলীত প্ৰথম সহ-অভিনয় কৰা সাৰদা শইকীয়াই সেই সময়ত বহু ঘাত-প্ৰতিঘাতৰ সন্মুখীন হ'বলগা হৈছিল। সাৰদা শইকীয়া মাজুলীৰ সাংস্কৃতিক জগতৰ মহিলাসকলৰ বাবে মাইলৰ খুঁটি স্বৰূপ। ইয়াৰ পিছত বিভিন্ন মঞ্চবোৰত, বিশেষকৈ ৰাসোৎসৱত মহিলাসকলে অভিনয়ৰ সুযোগ লাভ কৰে। অভিনয় জগতত বিশেষ পাৰদৰ্শিতা দেখুওৱাৰ বাবে C. C. R. T. ৰ বৃত্তিও পাইছে মাজুলীৰ মহিলাই। সেইগৰাকী মহিলা হৈছে বৰটানিৰ ৰূপালী বৰা।

সংগীত জগততো মাজুলীৰ মহিলাই উল্লেখযোগ্য স্থান দখল কৰিছে। বিভিন্ন মঞ্চত গীত, নৃত্য পৰিৱেশন কৰাৰ বাহিৰেও অনাতাঁৰ, দূৰদৰ্শনৰ যোগেও নিজৰ প্ৰতিভা বিকাশ ঘটাইছে। সেইসকলৰ ভিতৰত অৱন্তী পামেগাম চেতিয়া,অনিমা শইকীয়া, মৃদুলা দেৱী, পপী বৰুৱা ঠাকুৰ, উৎপলা বৰা, কণমণি গাম, পূৰবী বৰা, মীনাক্ষি ভাগৱতী, ৰূপৰেখা খাউণ্ড আদি। অন্যহাতে কমী ভৰালীয়ে শাস্ত্ৰীয় সংগীত-বিশাৰদ উপাধি লাভ কৰি মাজুলীলৈ গৌৰৱ কঢ়িয়াই আনিছে। ইয়াৰ পিছত উৎপলা বৰাই শাস্ত্ৰীয় সংগীত-বিশাৰদ উপাধি লাভ কৰে। আনহাতে শাস্ত্ৰীয় সংগীতত বিশাৰদ লাভ কৰা অন্যগৰাকী বিশিষ্টা মহিলা মিতালী গোস্বামীয়ে বৰ্তমান মাজুলীত সংগীতৰ সেৱা আগবঢ়াইছে। অসমৰ শংকৰী সংগীত বিদ্যাপীঠৰ অধীনত, অসমৰ ভিতৰত প্ৰথম হৈ সংগীত-বিশাৰদ উপাধি পোৱা মালতী শইকীয়া ভূএগ়াৰ এক বিশেষ স্থান আছে। ইয়াৰ পিছতে ৰূপমণি শইকীয়া, অনিমা শইকীয়া, কল্যাণী কুটুম, বন্তি শইকীয়া, ৰূপৰেখা খাউণ্ড, শিখা বৰুৱা আৰু মাধবী দাসে সংগীত-বিশাৰদ উপাধি ল'বলৈ সক্ষম হয়। ইয়াৰ উপৰি কাকুলি বৰুৱাই সত্ৰীয়া নৃত্যত অসমৰ ভিতৰত প্ৰথম স্থান অধিকাৰ কৰি এক বিশেষ স্থান দখল কৰে।

খেল-জগততো মাজুলী মহিলাৰ এখন সুকীয়া আসন আছে। খেলৰ কথা ক'লেই অসম তথা ভাৰতৰ বাহিৰতো প্ৰতিভা বিকাশ কৰা মীনা শইকীয়াৰ নাম ল'বই লাগিব। একেদৰেই অসমৰ বৰদৈচিলা, আন্তঃৰাষ্ট্ৰীয় খেলুৱৈ জুনুমণি শইকীয়াৰ ছবিখন মনলৈ আহে। ইয়াৰ বাহিৰেও জোনালী শইকীয়াই অসম তথা ভাৰতৰ বিভিন্ন ঠাইত খেল প্ৰদৰ্শন কৰি মাজুলীৰ সুনাম অক্ষুন্ন ৰাখিবলৈ সক্ষম হৈছে। ইয়াৰ পিছতে প্ৰমিলা শইকীয়া আৰু পাপু হাজৰিকাই মাজুলীলৈ গৌৰৱ কঢ়িয়াই আনিছে।

সাহিত্যৰ দিশতো মহিলাসকলে অৱদান আগবঢ়াইছে। বনগাঁৱৰ বৰ্ণালী বৰাই কবিতা-পত্ৰিকা 'শংখধ্বনি' সম্পাদনা কৰি উলিয়াই নিজৰ প্ৰতিভাৰ স্বাক্ষৰ ৰাখিছে। মৃদুলা কাকতি হাজৰিকাই 'পৃথিৱীৰ অসুখ' কবিতা পুথি লিখি সাহিত্য জগতলৈ বৰঙণি আগবঢ়াইছে। মাধবী দাসে দুবাৰ শিশু-সমাৰোহৰ দুখন স্মৰণিকা সম্পাদনা কৰি পঢ়ুৱৈসকলৰ হাতলৈ দিছে।

বৰ্তমান মাজুলীৰ মহিলাই ফাৰ্মাচিষ্ট, পশু-চিকিৎসা, বিজ্ঞানশাস্ত্ৰ, কাৰিকৰী-শিক্ষা, মানৱ চিকিৎসা, ব্যৱসায়, ঠিকা আদিত অৰ্হতা লাভ কৰি কৰ্মৰত অৱস্থাত আছে। বৰ্তমান মাজুলীৰ মহিলা কৰ্মচাৰীৰ সংখ্যা ১২৫৮ গৰাকী। বৰ্তমান মামণি শইকীয়াই ভ্ৰাম্যমাণ থিয়েটাৰত শিল্পীৰূপে আত্মনিয়োগ কৰি মাজুলীৰ গৌৰৱ অক্ষুন্ন ৰাখিছে।

আনহাতে মাজুলীত বাস কৰা মিচিং জনজাতিৰ লোকসকলৰ ভিতৰত অৱন্তী পামেগাম চেতিয়া অন্যতম মহিলা কৰ্মচাৰী। জ্যোৎস্না পেগু অন্য এগৰাকী মহিলা কৰ্মচাৰী। তেওঁ নাচে-গানে পাৰ্গত শিল্পী হোৱাৰ উপৰি তেওঁ নিজে বোৱা কাপোৰৰ এটি ক্ষুদ্ৰ উদ্যোগৰো গৰাকী। তেওঁ বোৱা মিচিং কাপোৰে অসম তথা ভাৰতৰ বাহিৰতো সমাদৰ পাইছে। এনে অন্য এগৰাকী মিচিং শিল্পী স্বপ্না পায়েং। মিচিং ঐনিতম গাই, মিচিং বিহু নাচি সমাজৰ প্ৰশংসা বুটলি বৰ্তমান প্ৰথম মহিলা শিল্পী-পেঞ্চন পাবলৈ সমৰ্থ হৈছে।

মাজুলীৰ প্ৰথম মহিলা সামাজিক অনুষ্ঠান 'সদৌ মাজুলী মহিলা সমিতি'য়ে মাজুলীৰ মহিলাসকলক আগবঢ়াই নিবলৈ বিশেষ ভূমিকা লৈ আহিছে। বৰ্তমান এই অনুষ্ঠানৰ প্ৰসাৰতা লাভ কৰি দুশৰ ওচৰা-ওচৰি শাখা মহিলা সমিতি গঠন হৈছে। এই অনুষ্ঠানটিয়ে নিঃস্বাৰ্থভাৱে জাতি-বৰ্ণ নিৰ্বিশেষে সকলোৰে সৰ্বাংগীন উন্নতিৰ বাবে কাম কৰিছে।

ইয়াৰ বাদেও ১৯৯৯ খ্ৰী:ৰ ১৫ মে'ত কেইজনমান ব্যক্তিৰ আশাশুধীয়া প্ৰচেষ্টাৰ ফলত জন্ম হ'ল— "মাজুলী জিলা মহিলা আইন

সাহায্য কোষ।" সমাজৰ অৱহেলিতা, নিপীড়িতা, লাঞ্ছিতাসকলক আইনৰ সেৱা আগবঢ়াই এই স্বেচ্ছাসেৱী অনুষ্ঠানটোৱে এক বলিষ্ঠ পদক্ষেপ লোৱা দেখা গৈছে। অৱশ্যে এই অনুষ্ঠানৰ কাৰ্যসূচী ৰূপায়ণৰ ক্ষেত্ৰত ৰাইজৰ সহযোগিতা আৰু প্ৰশাসনৰ তৎপৰতাৰ কথা মন কৰিবলগীয়া। শালমৰাৰ নোমল হাজৰিকাৰ পুতেক-বোৱাৰীয়েক, বৰবিলৰ দিপালী দত্ত, বৰটনীৰ বীণা দেৱী, মাজদেউৰী গাঁৱৰ মহিলাসকলৰ বিভিন্ন সমস্যা এই স্বেচ্ছাসেৱী অনুষ্ঠানটিয়ে সমাধান কৰিছে। এতিয়াও বহু সমস্যা অনুষ্ঠানটোৰ হাতত অমীমাংসিত অৱস্থাত আছে। এই অনুষ্ঠানে নামনি মাজুলীৰ বালিচাপৰি, ৰঙাচাহী, গড়মূৰ, কমলাবাৰী, মাজদেউৰী ইত্যাদি বহু ঠাইত সাধাৰণ সভা পাতি মহিলাসকলক বিশেষজ্ঞৰ (আইনৰ) হতুৱাই সচেতন কৰি দিয়া হয়। সমাজকৰ্মীসকলৰ ভিতৰত মাধৱী দাস, ক্ষীৰদা দত্ত, ৰেণুমালা দত্ত, স্বপ্না পায়েং, ডলী বৰুৱা, সুৰ হাজৰিকা, প্ৰভা দলে, কল্পনা বৰুৱা, স্বৰ্ণ দলে, প্ৰমা দাস, অনু বৰা, সুভদ্ৰা বৰা, কুন্তী ভূঞা, চেনেহী গগৈ, ইলা বৰঠাকুৰ, মিনতি শইকীয়া, প্ৰণতি শইকীয়া, জুনু তামুলী, মীনা নাথ, হীৰা দেউৰী উল্লেখযোগ্য।

ইয়াৰ উপৰি মাজুলীত এটি লেখিকা সন্থা আছে। এই অনুষ্ঠানৰ যোগে মহিলাসকলক সেৱা আগবঢ়োৱা হয়। এই অনুষ্ঠানৰ গুৰিধৰাসকল— মৃদুলা কাকতি হাজৰিকা, কল্যাণী শইকীয়া, মাধবী দাস, পবিত্ৰী বৰুৱা, নীলিমা বৰা, ৰেণুমালা দত্ত, বৰ্ণালী বৰা উল্লেখযোগ্য। এই অনুষ্ঠানৰ যোগে 'দণ্ডিনাথ কলিতা সোঁৱৰণী বক্তৃতা মালা' সদৌ অসম লেখিকা সন্থাৰ সহযোগত মাজুলীৰ কমলাবাৰীত অনুষ্ঠিত কৰা হয়।

গড়মূৰ শিশু নিকেতনৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাতৃসকলে শিশু আৰু মাতৃসকলৰ উন্নয়নৰ উদ্দেশ্যে 'মাতৃ অনুষ্ঠান' এটি প্ৰতিষ্ঠা কৰি মাতৃ আৰু শিশুৰ শাৰীৰিক, মানসিক উন্নতি সাধন কৰিছে। ইয়াত আগভাগ লোৱা মহিলা কৰ্মী মায়াশ্ৰী ডেকা আৰু ইলা বৰঠাকুৰে বহু নিষ্ঠাৰে কাম কৰা দেখা গৈছে। ইয়াৰ উপৰি অসম জাতীয়তাবাদী যুব ছাত্ৰ পৰিষদৰ মহিলাসকলেও মাজুলীৰ মহিলাসকলৰ উন্নয়নৰ হকে সেৱা আগবঢ়াইছে। সেইসকল মহিলা কৰ্মীৰ ভিতৰত অৰ্চনা বৰা, পুতলী দত্তৰ নাম উল্লেখযোগ্য।

আনহাতে ৰাজ্যিক পুৰস্কাৰপ্ৰাপ্ত অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী লীলাৱতী বৰুৱাই মাজুলীলৈ গৌৰৱ কঢ়িয়াই আনিছে। তদুপৰি সুভলক্ষ্মী দলেই সুখ্যাতিৰে কথকনৃত্য-বিশাৰদ উপাধি লাভ কৰি মাজুলীত কথকনৃত্য-শিক্ষাৰ প্ৰথম পদক্ষেপ হাতত লয়। উল্লেখযোগ্য যে এইগৰাকী শিল্পীয়ে মাজুলীৰ পৰা বিহুনৃত্যত পাৰদৰ্শিতা দেখুৱাই C. C. R. T. বৃত্তি লাভ কৰিবলৈ সক্ষম হয়। আন্তঃবিদ্যালয়ৰ সংগীত প্ৰতিযোগিতাত যোৰহাট জিলাৰ ভিতৰত প্ৰথম স্থান পোৱা মৌচুমী বৰা আৰু মম্পী হাজৰিকাই মাজুলীলৈ গৌৰৱ কঢ়িয়াই আনে। বিজুমণি দাসে মহিলা-চুলীয়াৰ মাজত বিশেষ আসন দখল কৰিছে।

অসমৰ আগশাৰীৰ লেখিকা নিৰুপমা বৰগোহাঞিৰ দৰে মহিলাই মাজুলীত থাকি, মাজুলীত চাকৰি কৰি মাজুলীৰ বহু কেঁচা অভিজ্ঞতাৰ কথা তেখেতৰ লেখনিত লিখি মাজুলীবাসীক গৌৰৱান্বিত কৰিছে।

## মাজুলীৰ ক্ৰীড়াৰ খতিয়ান

অতীতৰে পৰা মাজুলীত কিছুমান আনন্দদায়ক, সাধাৰণতে পুৰণি দিনৰে পৰা অন্যান্য ঠাইত থকাৰ দৰেই, সাধাৰণ আনন্দদায়ক খেল-ধেমালিৰ প্ৰচলন আছিল। সাম্প্ৰতিক কালত বিলুপ্তপ্ৰায় হাইগুডু, গুডু, কড়ীখেল, চোৰধৰা, টাংগুটি, ঘিলা, পানীত খেলা হলৌ, চাবুক আদি বেছ জনপ্ৰিয় আছিল আৰু সেই খেল-ধেমালিয়ে তেতিয়া জনসাধাৰণক শাৰীৰিক, মানসিক উৎকৰ্ষ সাধনৰ লগতে বিমল আনন্দ তথা মনোৰঞ্জন দিছিল। মাঘ বিহুৰ মেজিৰ দিনা জুইৰ আগুঠাৰ খেল, হিলৈ, পানী-হিলৈ ফুটোৱা, টেকেলি-ভঙা আদি খেল অনুষ্ঠিত হৈছিল। ফাকু উৎসৱৰ দিনা গাত বোকা সানি পালোৱানী খেল আৰু ভৰিৰে নাৰিকল ভঙা আদি খেল খেলিছিল। ব'হাগ বিহুত বৰটেঙাৰ (ৰবাব) আৰু কাপোৰৰ বল খেলি খেলুৱৈসকলে আনন্দ উপভোগ কৰিছিল। কোনো কোনো ঠাইত মাঘৰ বিহুত ম'হ-যুঁজ, কুকুৰা-যুঁজ, কণী-ভঙা খেল আদিও হৈছিল। ফাগুন মাহত চিলা উৰুওৱা আৰু চিলা কটা এটা জনপ্ৰিয় খেল আছিল।

১৯৬৩ খ্ৰী:ৰ চীনৰ আক্ৰমণৰ পাছত তদানীন্তন চৰকাৰে অসমৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষকসকলক শাৰীৰিক ব্যায়াম, ক্ৰীড়া, কুচ্-কাৱাজ (drill) আদি বিষয়ৰ প্ৰশিক্ষণ লোৱাটো বাধ্যতামূলক

কৰে। সেইমৰ্মে গুৰুপ্ৰসাদ বৰা উক্ত প্ৰশিক্ষণৰ বাবে বাছনি হয়। দেৰগাঁও, তিতাবৰ, নগাঁও আদি প্ৰশিক্ষণ কেন্দ্ৰত পৰ্যায় ক্ৰমে স্কাউট, শাৰীৰিক ব্যায়াম, এন. এফ. চি. (N. F. C.) এ. চি. চি. (A. C. C.) প্ৰশিক্ষণ লৈ গুৰুপ্ৰসাদ বৰাই ১৯৬৪ খ্ৰী:ত মাজুলী আউনীআটী হেমচন্দ্ৰ হাইস্কুলত খেল-শিক্ষক ৰূপে যোগদান কৰে। সেই সময়ত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক যেনেকৈ শাৰীৰিকভাৱে উপযুক্ত কৰাটো বাধ্যতামূলক আছিল, এনেদৰে খেল-ধেমালিত তেওঁলোকক উৎসাহ আৰু প্ৰশিক্ষণ দিয়াটোও খেল-শিক্ষকৰ কৰ্তব্য আছিল। এই আনুষ্ঠানিক বিদ্যালয়ৰ শিক্ষাৰ মাজতেই মাজুলীত প্ৰথম আধুনিক ক্ৰীড়া অনুশীলনৰ অংকুৰণ ঘটে বুলিব পাৰি। তথাপি ১৯৭০ খ্ৰী:লৈকে মাজুলীৰ খেলুৱৈসকলৰ মাজুলীৰ বাহিৰলৈ গৈ কোনো প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰাৰ সুবিধা নাছিল আৰু বিজ্ঞানসন্মত বা প্ৰণালীবদ্ধভাৱে খেল শিকাৰো অসুবিধা আছিল। সেই সময়ত অনুভৱ কৰা হৈছিল, মাজুলীত ক্ৰীড়া সন্থা নথকাৰ বাবেই খেলুৱৈসকলক কোনো বিধা দিব পৰা নাই আৰু মাজুলীৰ বাহিৰলৈও নিব পৰা নাই। ১৯৭১ খ্ৰী:ত যোৰহাট ক্ৰীড়া সন্থাৰ লগত যোগাযোগ কৰাত সংশ্লিষ্ট পক্ষই মাজুলীত ক্ৰীড়া সন্থা পতাৰ পৰামৰ্শ আগবঢ়ায়। সেইমৰ্মে মাজুলীৰ বিভিন্ন অঞ্চলৰ কেইজনমান ক্ৰীড়ামোদী ব্যক্তিক লৈ এখন তদৰ্থ কমিটী গঠন কৰি বিভিন্ন খেলৰ বিষয়ে আলোচনা কৰা হয় আৰু মাজুলীৰ কেইজনমান দাতাৰ পৰা পুৰস্কাৰ তথা পুঁজি সংগ্ৰহ কৰি মাত্ৰ ফুটবলৰ প্ৰতিযোগিতামূলক খেল অনুষ্ঠিত কৰা হয়। কিন্তু সেই সময়ত উপযুক্ত খেল-পৰিচালক নথকাৰ বাবে শশী শইকীয়া আৰু গুৰু প্ৰসাদ বৰাই বহুতো অসুবিধাৰ মাজেৰে খেলসমূহ পৰিচালনা কৰিছিল। এইদৰে ৩/৪ বছৰ অতিক্ৰম কৰাৰ পাছত যোৰহাট জিলা ক্ৰীড়া সন্থাৰ বিষয়-ববীয়াসকলৰ পৰামৰ্শ -ক্ৰমে এখন পূৰ্ণাংগ কমিটী গঠন কৰি অনুমোদনৰ বাবে প্ৰেৰণ কৰা হয়; কিন্তু সকলো বিভাগৰে খেলৰ প্ৰদৰ্শন নাথাকিলে বা সকলো বিভাগৰে খেলুৱৈ নোলালে যোৰহাট জিলা ক্ৰীড়া সন্থাই উক্ত সমিতিৰ অনুমোদন নিদিয়ে। যোৰহাট জিলা ক্ৰীড়া সন্থাই তদৰ্থ কমিটীৰ লগত আলোচনা কৰি সকলো দিশ সামৰি মাজুলীত এখন প্ৰতিযোগিতামূলক খেল পাতিবলৈ পৰামৰ্শ আগবঢ়ায়।·তেতিয়াৰ কমিটী দুৰ্বল আছিল বাবে পুঁজি সংগ্ৰহ কৰি খেল অনুষ্ঠিত কৰিবলৈ অসমৰ্থ হয়। তেতিয়া (১৯৭৫ খ্ৰী:ৰ পৰা ১৯৭৮ খ্ৰী:লৈকে) গুৰু প্ৰসাদ বৰাই নিজেই সম্পাদক, সভাপতি, ৰেফাৰী, সংগঠক আদিৰ দায়িত্ব বহন কৰি মাজুলীৰ বিভিন্ন ঠাইত বহুতো আলৈ-আহুকালৰ মাজেৰে খেল পাতি খেলুৱৈসকলক নিৰ্বাচিত কৰে। ১৯৮১ খ্ৰী:ৰ পৰা অসমত গাঁও-পঞ্চায়তৰ জৰিয়তেও গ্ৰাম্য-ক্ৰীড়া অনুষ্ঠিত কৰি খেলুৱৈসকলক জিলা, ৰাজ্যিক পৰ্যায়ত নিৰ্বাচন কৰিব লগা হোৱাত মাজুলীৰ পঞ্চায়তৰ খেলসমূহ অনুষ্ঠিত কৰিবলৈ পুনৰ গুৰু প্ৰসাদ বৰাকে দায়িত্ব অৰ্পণ কৰা হয়। বৰাই বিভাগীয় কৰ্মচাৰীৰ সহযোগত মাজুলীৰ বাহিৰলৈ দলসমূহ নিয়া আৰু পৰিচালনা কৰাৰ সকলো দায়িত্ব বহন কৰে। সেই সময়ত মাজুলীৰ বিদ্যালয়সমূহতো কোনো ধৰণৰ প্ৰতিযোগিতামূলক খেল অনুষ্ঠিত হোৱা নাছিল। সেয়ে গুৰু প্ৰসাদ বৰাই আউনীআটী হেমচন্দ্ৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেল-শিক্ষক হোৱা সূত্ৰে সেই বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ লগত আলোচনা কৰি যোৰহাট জিলাৰ স্কুল টুৰ্নামেণ্টত হেমচন্দ্ৰ হাইস্কুলেও অংশ গ্ৰহণ কৰোৱাৰ ব্যৱস্থা কৰা হয়। টুৰ্নামেণ্টত আউনীআটী হেমচন্দ্ৰ হাইস্কুলে যোৰহাট জিলাৰ ভিতৰত শ্ৰেষ্ঠ দল হিচাপে পৰিগণিত হয়। মাজুলীৰ বিদ্যালয়সমূহৰ বছৰেকীয়া খেল-ধেমালি সপ্তাহো খেল-শিক্ষক বৰাৰ প্ৰচেষ্টাতেই শুভাৰম্ভ হয়। পৰৱৰ্তী সময়ছোৱাত দুবাৰকৈ শিশু সমাৰোহ (কমলাবাৰী) অনুষ্ঠিত কৰি শিশুসকলকো খেল-ধেমালিৰ দিশত আগবঢ়াই নিয়াৰ প্ৰচেষ্টা চলোৱা হয়।

উল্লেখযোগ্য যে মাজুলীত পূৰ্ণ পৰ্যায়ৰ ক্ৰীড়া সন্থা এটি নোহোৱাৰ বাবে মাজুলীৰ পাৰ্গত খেলুৱৈসকলকো যোৰহাট জিলা ক্ৰীড়া সন্থাৰ অধীনতহে বাহিৰলৈ পঠাব লগা হৈছিল। সদৌ অসম ক্ৰীড়া সন্থাৰ লগত বহুতো যোগাযোগ আৰু প্ৰচেষ্টা চলোৱাৰ মূৰত 'মাজুলী ক্ৰীড়া সন্থা' (কোন খ্ৰী:ত ?) সদৌ অসম ক্ৰীড়া সন্থাৰ অধীনত পঞ্জীয়নভুক্ত হয়। তেতিয়া জিলা আৰু ৰাজ্যিক পৰ্যায়ৰ খেলসমূহত মাজুলীৰ খেলুৱৈসকলে স্বতন্ত্ৰভাৱে অংশ গ্ৰহণ কৰিবলৈ সমৰ্থ হয়।

খেল-পৰিচালকৰ অভাৱৰ হেতু মাজুলী ক্ৰীড়া সন্থাৰ জৰিয়তে (তেতিয়াৰ তদৰ্থ পৰ্যায়ৰ) ১৯৮৫ খ্ৰী:ত এটি ৰেফাৰী পৰীক্ষা অনুষ্ঠিত কৰা হয়। উক্ত পৰীক্ষাত ৬জনৰ ভিতৰত ৪জন পৰীক্ষাৰ্থী উত্তীৰ্ণ হয় আৰু বৰ্তমানে দুজন উত্তীৰ্ণ পৰিচালকেহে খেলসমূহ পৰিচালনা কৰি আছে। মাজুলীৰ খেল-পৰিচালকৰ প্ৰমাণ-পত্ৰ পোৱা খেলুৱৈকেইজন যথাক্ৰমে— খগেন বৰা (বেঙেনাআটী), পূৰ্ণকান্ত শইকীয়া (বৰবাৰী),

পদ্মকান্ত শইকীয়া (কমলাবাৰী) আৰু তৰুণ দত্ত (কমলাবাৰী)। উপযুক্ত পৰিচালক নহ'লে খেলসমূহ নিয়াৰিকৈ অনুষ্ঠিত কৰাত বহুতো অসুবিধাৰ বাবে অশেষ কষ্ট আৰু পাৰশ্ৰম কৰি ৰাজ্যিক পৰ্যায়ৰ প্ৰশিক্ষক আনিও মাজুলীত সকলো খেলৰ প্ৰশিক্ষণ দিয়া হৈছিল। এই ক্ষেত্ৰত প্ৰাক্তন বিধায়ক ৺কৰুণা দত্তয়ো মাজুলীৰ ক্ৰীড়া-সংগঠকসকলৰ লগত পূৰ্ণ সহযোগিতা আগবঢ়াইছিল। উক্ত প্ৰশিক্ষণ লোৱাত বহুতো বিদ্যালয়ৰ পৰা নতুন নতুন খেলুৱৈ ওলাইছিল আৰু এটি মহিলা ভলীবল দল মাজুলীৰ পৰা নিৰ্বাচিত হৈছিল।

মাজুলীৰ পৰা জিলা তথা ৰাজ্যিক পৰ্যায়লৈ নিৰ্বাচিত হোৱা খেলুৱৈসকলৰ ভিতৰত নীলকান্ত পেগু, ৺অজয় বৰুৱা, মীনা শইকীয়া, তুলসী শইকীয়া, মামণি শইকীয়া, জুনুমণি শইকীয়া, বিজুমণি দলে, জোনালী শইকীয়া, প্ৰমিলা শইকীয়া, পাপু হাজৰিকা আদিৰ নাম উল্লেখযোগ্য। এইসকলৰ ভিতৰত নীলকান্ত পেগু (হেমাৰ থ্ৰ'), জুনুমণি শইকীয়া (১০০,২০০ মিটাৰ দৌৰ), মামণি শইকীয়া (১০০, ২০০ মিটাৰ দৌৰ), জোনালী শইকীয়া (১০০, ২০০ মিটাৰ দৌৰ আৰু হাই জাম্প), মীনা শইকীয়া (৪০০ মিটাৰ ৰিলে দৌৰ, হাই জাম্প) আদিয়ে ৰাজ্যিক পৰ্যায়ৰ উপৰিও ৰাষ্ট্ৰীয় পৰ্যায়তো পুৰস্কাৰ অৰ্জন কৰি মাজুলীৰ গৌৰৱ অক্ষুন্ন ৰাখে। মীনা শইকীয়াই আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলতো যোগদান কৰি মাজুলী তথা অসমৰ নাম উজ্বলাই ৰাখিছে।

মাজুলী ক্ৰীড়া সন্থালৈ আৰ্থিক, মানসিক আৰু শাৰীৰিকভাৱে উৎসাহ-উদ্দীপনা যোগাই খেলুৱৈসকলক অনুপ্ৰাণিত কৰাত আগভাগ লোৱাসকলৰ ভিতৰত ৺হৰেণ হাজৰিকা, ৺কৰুণা দত্ত, ৺নাৰায়ণ শইকীয়া, বাদল মিত্ৰ মজুমদাৰ, ৺পদ্মকান্ত ভূঞা, ৺ ভৱৰলাল কোঠাৰী, ডাঃ অমূল্য হাজৰিকা, গণেশ চোমানি, সোমধৰ খনিকৰ, যজ্ঞেশ্বৰ দলে আদিয়েই প্ৰধান। ইয়াৰ ভিতৰত ৺হৰেণ হাজৰিকা আৰু ৺কৰুণা দত্তৰ উৎসাহ আৰু অনুদান প্ৰশংসনীয়।

মাজুলীৰ কমলাবাৰীত এখন খেল পথাৰৰ অসুবিধাৰ বাবে গড়মূৰ হাইস্কুলৰ প্ৰধান শিক্ষকৰ লগত যোগাযোগ কৰি ক্ৰীড়া সন্থাৰ বাবে উক্ত খেল পথাৰখনকে সেই সময়ৰ বিধায়ক ৺কৰুণা দত্তৰ প্ৰচেষ্টাত লোৱা হয়। আমাৰ লগতে ৺দত্তৰ প্ৰচেষ্টাত মাজুলী ক্ৰীড়া সন্থাই স্বীকৃতি লাভ কৰে। ৺দত্তদেৱৰ নেতৃত্বত উক্ত মিনি ষ্টেডিয়ামতে সদৌ অসম ভলীবল (চাব-জুনিয়ৰ) প্ৰতিযোগিতা অনুষ্ঠিত কৰি মাজুলীত পূৰ্ণ পৰ্যায়ৰ ক্ৰীড়া সন্থা এটা আছে বুলি ৰাইজক অৱগত কৰোৱা হয়। বৰ্তমান মাজুলী ক্ৰীড়া সন্থাৰ অধীনত পঞ্জীয়নভুক্ত প্ৰায় শতাধিক সংস্থা, ক্লাব আদি আছে। উল্লেখযোগ্য যে স্থানীয় লিওপাউছ ক্লাবে (কমলাবাৰী) ১৯৯৯ খ্ৰী:ৰ ২৩ জানুৱাৰীত সদৌ অসম ভিত্তিত এখন 'প্ৰাইজমানি' দেহশ্ৰী প্ৰতিযোগিতা অনুষ্ঠিত কৰেআৰু ইয়াত বিজিত গৰ্গে প্ৰমুখ্যে বহুতো প্ৰখ্যাত শৰীৰচৰ্চাবিদে অংশ গ্ৰহণ কৰে।


সি যি কি নহওক, সীমিত সুবিধাৰে হ'লেও মাজুলীৰ কেইবাগৰাকী খেলুৱৈয়ে ইতিমধ্যে ৰাজ্যিক পৰ্যায়ৰ পৰা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈকে অংশ গ্ৰহণ কৰি সুনাম বুটলিবলৈ সমৰ্থ হৈছে। বৰ্তমান তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ (শিৱসাগৰ) কৰ্মচাৰীয়ে ৰাজ্যিক, আন্তঃৰাজ্যিক আৰু আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতাত ৫০টা সোণৰ পদক, ২৫টা ৰূপৰ, ২৫টা ব্ৰঞ্জৰ পদক লাভ কৰাৰ উপৰিও ভেটাৰ্ণ মীটত ইণ্ডোনেচিয়া আৰু আমেৰিকা যুক্তৰাষ্ট্ৰত অংশ গ্ৰহণ কৰি ভাৰতবৰ্ষলৈ গৌৰৱ কঢ়িয়াই আনিছে। মাজুলীৰ আন এগৰাকী এথলীট জুনুমণি শইকীয়াই ১৯৮৮ৰ পৰা ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিদ্বন্দ্বিতা কৰিছে। ১৯৯১ ত 'জুনিয়ৰ এচিয়ান ট্ৰেক এণ্ড ফিল্ড'ত ৪×১০০ মিটাৰ ৰিলেত ৰচিতা মিস্ত্ৰী, ৰেণু মেহৰা, লেখা থমাছৰ সৈতে এচীয় অভিলেখ গঢ়ি থৈছে। তেওঁ পি. টি. উষা, অশ্বিনী নাচাপ্পা আৰু কে. চাৰাম্মাৰ সৈতেও একে বিভাগত 'মাদ্ৰাজ অপেন মীট'ত অংশ লৈছিল। এফ. চি. আই.ৰ কৰ্মচাৰী জুনুমণি শইকীয়া মালয়েচিয়া, বেইজিং, শ্ৰীলংকা আদিতো প্ৰতিযোগিতা কৰি সফল হৈছে।

আনহাতে বডি-বিল্ডিং প্ৰতিযোগিতাত ৰঞ্জিৎ শইকীয়াৰ কৃতিত্বও চকুতলগা বিধৰ। ৰাজ্যিক-আন্তঃৰাজ্যিক পৰ্যায়ৰ উল্লেখনীয় ১২খন (২০০১ খ্ৰী: পৰ্যন্ত) প্ৰতিযোগিতাত তিনি ঠাইত প্ৰথম, পাঁচ ঠাইত দ্বিতীয় স্থান অধিকাৰ কৰাৰ উপৰিও ৭০ কি: গ্ৰা: শাখাত 'মিষ্টাৰ যোৰহাট', ৬৫ কি: গ্ৰা: শাখাত মিষ্টাৰ অসম আৰু '২০০০ মি: নৰ্থ-ইষ্ট ইণ্ডিয়া' (শ্বিলং) প্ৰতিযোগিতাৰ ৬০—৬৫ কি: গ্ৰা: শাখাত দ্বিতীয় স্থান লাভ কৰি মাজুলীলৈ গৌৰৱ কঢ়িয়াই আনিছে। ইয়াৰ উপৰি তেওঁ মহাৰাষ্ট্ৰ আৰু মধ্যপ্ৰদেশতো অংশ গ্ৰহণ কৰিছে। একে বিভাগতে (বডি-বিল্ডিং) আন দুগৰাকী উদীয়মান খেলুৱৈ সিদ্ধাৰ্থ হাজৰিকা আৰু কান্ত মেধিয়ে অসমৰ বিভিন্ন ঠাইৰ প্ৰতিযোগিতাত অংশ লৈ সুনাম অৰ্জন কৰি মাজুলীবাসীক গৌৰৱান্বিত কৰিছে।

মাজুলীৰ এগৰাকী প্ৰতিভাৱান এথ্‌লীট্‌ পাপু হাজৰিকাই ইতিমধ্যে নাজিৰাত ১৯৯৭-৯৮ খ্ৰী:ত অনুষ্ঠিত আন্তঃজিলা এথ্‌লেটিক চেম্পিয়নশ্বিপত শ্বটপুটত প্ৰথম, ধনশিৰিত ১৯৯৯-২০০০ খ্ৰী:ত দুশ মিটাৰ দৌৰত দ্বিতীয় স্থান অধিকাৰ কৰি যোগ্যতা প্ৰতিপন্ন কৰিছে। আনহাতে ১৯৯৫ খ্ৰী:ত 'উত্তৰ-পূব ফুল-কনটেক্ট মাৰ্চিয়েল আৰ্টছ্‌ চেম্পিয়নশ্বিপ'ত প্ৰথম আৰু শ্ৰেষ্ঠ প্ৰতিযোগী আৰু একে খ্ৰী:তে গোলাঘাটত অনুষ্ঠিত 'সদৌ অসম এইডচ্‌ সজাগতা নগদ ধন ফুল-কনটেক্ট কেটাটে চেম্পিয়নশ্বিপ' প্ৰতিযোগিতাতো প্ৰথম স্থান দখল কৰিবলৈ সক্ষম হোৱা পাপু হাজৰিকাই ২০০০ খ্ৰী:ত ৱৰ্ল্ড কেৰাটে এছ'চিয়েশ্যনৰ পৰা 'ব্লেকবেল্ট' লাভ কৰি উল্লেখযোগ্য কৃতিত্ব অৰ্জন কৰে।

উল্লেখিত খেলুৱৈসকলৰ উপৰিও দবাত (শ্বেচ্‌) উৰ্জান মাজুলীৰ ধৰ্মেশ্বৰ পেগুৱে (বৰ্তমান দুলীয়াজানৰ ভাৰতীয় তেল নিগমৰ কৰ্মচাৰী) ১৯৮৪--৮৮ পৰ্যন্ত কেইবাখনো ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় স্থান দখল কৰাটো উল্লেখনীয় সাফল্য। একেদৰে ডম্বৰু দেউৰীয়ে নিম্ন শাখাত (দবা) 'অসম খিতাপ' দখল কৰি মাজুলীৰ দবাৰুসকললৈ আশাৰ বতৰা কঢ়িয়াই আনিছে।

মাজুলীৰ দৰে পিছপৰা, খেল-ধেমালিৰ বিশেষ সা-সুবিধা নথকা ঠাইখনত ধীৰ গতিৰে হ'লেও খেল-ধেমালিৰ পৰিৱেশ সৃষ্টি হোৱাটোৱে ভৱিষ্যত প্ৰজন্মৰ বাবে অনুপ্ৰেৰণা যোগাব বুলি আশা কৰিব পাৰি।



## সমস্যাৰ পটভূমি

জন্ম লগ্নৰে পৰা বানপানীৰ দ্বাৰা আক্ৰান্ত হ'লেও মাজুলী পঞ্চাশৰ দশকলৈকে শস্য-মৎস্যে নদন-বদন আছিল। বিশেষকৈ বয়োবৃদ্ধসকলৰ মতে ১৯৫০ খ্ৰী:ৰ ভূমিকম্পৰ পৰা মাজুলীৰ ভূখণ্ডৰ বহু মৌলিক পৰিৱৰ্তন হ'বলৈ ধৰে; বানপানীৰ প্ৰকোপ বহুগুণে বৃদ্ধি পালে আৰু সমান্তৰালভাৱে নতুন সমস্যা খহনীয়াই সৰ্বগ্ৰাসী ৰূপ ধাৰণ কৰিবলৈ ধৰে। পূৰ্বতে বান্ধ-মথাউৰিহীন মাজুলীত বাৰিষা বানপানী হোৱাটো নিচেই সাধাৰণ কথা আছিল। বান আহে আৰু 'নিৰ্দিষ্ট' সময়ত ওলাই যায়; বানে এৰি যোৱা পলসে কৃষিভূমি সাৰুৱা কৰে আৰু খাল-বিল-পুখুৰী মাছে পৰিপূৰ্ণ হৈ পৰে, ইত্যাদি। কিন্তু ১৯৫০ খ্ৰী:ৰ পাছৰে পৰা মাজুলীত বানপানী, বিশেষকৈ খহনীয়াৰ দৌৰাত্ম্য ক্ৰমান্বয়ে এনে পৰ্যায় পাইগৈ যে এই দুই সমস্যাই সামগ্ৰিক মাজুলীৰ ভৌগোলিক ৰূপেই সলনি পেলায়। ১৩শ বৰ্গ কিল' মিটাৰৰো অধিক ভৌগোলিক আয়তনৰ মাজুলী ১৯৯৯ খ্ৰী:ত প্ৰায় ৭শ বৰ্গ কি: মি:লৈ হ্ৰাস পায়। এই ভয়াবহতাৰ কিছু তথ্য 'মাজুলীৰ অৰ্থনীতিৰ সাম্প্ৰতিক দৃশ্যপট' শিতানতো সন্নিবিষ্ট কৰা হৈছে।

২০০১ খ্ৰী: পৰ্যন্ত মাজুলীৰ কমেও ৭৮খন ৰাজহ গাঁও খহনীয়াত আক্ৰান্ত হৈছে আৰু সেই অনুপাতে কেইবা শ বৰ্গ কি: মি: এলেকাৰ বাসোপযোগী বা খেতি মাটি ব্ৰহ্মপুত্ৰৰ বুকুত বিলীন হৈ গৈছে। এক তথ্য☆ অনুসৰি ১৯৫০ খ্ৰী:ৰ পৰা শালমৰা মৌজাৰ বাঘৰচুক, লহকৰ গাঁও, বৰামাৰী, গোপালপুৰ, দক্ষিণপাট কৈৱৰ্ত গাঁও, চিনাতলি, কমলপুৰ; কমলাবাৰী মৌজাৰ পৰা পুৰণা কমলাবাৰী সত্ৰ, ৰৌমৰা, সাঁকোপাৰা, আউনীআটী, বামুণ গাঁও, বৰএলেঙি, কাৰ্তিক চাপৰি, জুগুনিধাৰী, কঢ়াল গাঁও; আঁতগুৰি মৌজাৰ পৰা আলিমূৰ মিৰিগাঁও, বামুণ গাঁও, ধোৱাপাৰ, আঁহতগুৰি আদি গাঁও তিতাবৰ আৰু যোৰহাট চাৰ্কোলৰ বিভিন্ন ঠাইলৈ স্থানান্তৰিত হ'ব লগা হৈছে। ইয়াৰ অৰ্থ এই যে মাজুলীত ১৯৫০ খ্ৰী:ৰে পৰা গৃহহীনৰ সমস্যাৰ সূচনা হৈছে আৰু বহু মাজুলী বাসিন্দাই ঘৰ-দুৱাৰ হেৰুৱাই মাজুলীৰ বাহিৰত সংস্থাপিত হ'বলৈ বাধ্য হৈছে। চাবলৈ গ'লে বান-খহনীয়াই সমস্যা-জৰ্জৰিত মাজুলীত নতুনকৈ ভূমিহীন আৰু গৃহহীনৰ সমস্যাৰো জন্ম দিলে। মাজুলীত বানপানী আৰু গৰাখহনীয়াই প্ৰতি বছৰে বহুতো পৰিয়ালৰ ঘৰ-বাৰী উটুৱাই বা খহাই নিয়াৰ ফলত গৃহহাৰা হোৱাটো সাধাৰণ ঘটনাত পৰিণত হৈছে। খেতি-পথাৰে নদন-বদন হৈ থকা ভালেমান গাঁও বা পৰিয়াল এই সমস্যাৰ পাকত পৰি সৰ্বস্বান্ত হোৱাৰ উদাহৰণ আছে। মাজুলীৰ চিনাতলি, শালমৰা, বেচামৰা, চুমৈমাৰী আদি ঠাইত মথাউৰি আৰু বাট-পথৰ দাঁতিত এনে গৃহহীন তথা সৰ্বস্বান্তসকলৰ দুৰ্বিসহ জীৱন-যাত্ৰা প্ৰত্যক্ষ কৰাসকলেহে কেৱল মাজুলীবাসীয়ে জীয়াতু ভোগা সমস্যাৰ গভীৰতা উপলব্ধি কৰিব পাৰিব। শালমৰা অঞ্চলৰ মৃৎ-শিল্পীসকলে প্ৰতিমুহূৰ্ততে খহনীয়াৰ মুখামুখি হৈও কি দৰে সংগ্ৰাম কৰি জীয়াই আছে, সেই কথা বৰ্ণনাৰো অতীত। অথচ এইসকল লোকৰ এনে দুৰ্যোগৰ স্থায়ী নিৰাময় কৰাৰ আঁচনি গ্ৰহণ কৰা দূৰৰে কথা, সাময়িক আঁচনি লোৱাও চকুত নপৰে। ইতিমধ্যে চুমৈমাৰীত 'স্পাৰ'ৰ ব্যৱস্থাৰে গৰাখহনীয়া ৰোধৰ এক বিশেষ আঁচনি লৈ নিৰ্মাণৰ কাম কৰাটোৱে বৰ্তমানলৈকে মাজুলী সুৰক্ষাৰ উল্লেখযোগ্য পদক্ষেপ বুলিব পাৰি।

পূৰ্বৰ বান-খনহনীয়াৰ খতিয়ান বাদ দি মাত্ৰ ১৯৯৮ খ্ৰী:ত মাজুলীৰ প্ৰলয়ংকৰী বানৰ ক্ষয়-ক্ষতিৰ তথ্যসমূহ চকু ফুৰালেই এই সমস্যাৰ ভয়াবহতা উপলব্ধি কৰিব পৰা যাব। উক্ত বানত মাজুলীৰ মুঠ ২৪৪খন গাঁৱৰ ভিতৰত ২১০খন গাঁৱেই ক্ষতিগ্ৰস্ত হয়, য'ত প্ৰায় ডেৰলাখ জনসংখ্যাৰ ভিতৰত ১লাখ ৩০ হাজাৰ লোকেই অভূতপূৰ্ব বিপৰ্যয়ৰ সন্মুখীন হয়। ১২জন মানুহ আৰু দহ হাজাৰৰো অধিক জীৱ-জন্তুৰ মৃত্যু হোৱা সেই বানত অসংখ্য বাসগৃহ, বিদ্যালয়, নামঘৰ আদি ধ্বংসপ্ৰাপ্ত হয়। মাজুলীৰ ৰাজহ-চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ তথ্য অনুসৰি বিভিন্ন শস্য, ঘৰ-দুৱাৰ, জীৱ-জন্তুৰ ক্ষয়-ক্ষতিৰ পৰিমাণ প্ৰায় ২২ কোটি (আনুমানিক) টকা হ'ব। উল্লেখ্য যে উক্ত বানত এশ হেক্টৰ মাটি (পাঁচখন গাঁৱৰ ১৫২টা পৰিয়াল আক্ৰান্ত) খহনীয়াত জাহ যায়।

সি যি কি নহওক, মাজুলীৰ বানপানী আৰু খহনীয়াই ইয়াৰ বাহিৰেও আনুষংগিক আৰু অনেক সমস্যাৰ জন্ম দিছে। নদী পৰিবেষ্টিত হোৱাৰ বাবে মাজুলী ভূখণ্ড অতীতৰে পৰা বহিৰ্জগতৰ লগত প্ৰায় বিচ্ছিন্ন আছিল। প্ৰতি বছৰে হোৱা এই দুই প্ৰাকৃতিক দুৰ্যোগৰ কাৰণে মাজুলীৰ বিচ্ছিন্নতা অধিক গভীৰ হ'ল; কৃষি-অৰ্থনীতি ভাগি পৰিল আৰু সামগ্ৰিক

☆ ৰাণীদেৱী বৰাৰ গৱেষণাপত্ৰ : The Migrants from Majuli Rehabilitated in Jorhat Sub-Division . A Study of their Socio-Economic Characteristics, 1995.

বিকাশো তেনেই স্থবিৰ হৈ পৰে। ষাঠি দশকৰ আৰম্ভণিৰে পৰা মাজুলীত মথাউৰি আদি বন্ধাই বানপানী নিয়ন্ত্ৰণ কৰা সম্ভৱ বুলি ভবা হৈছিল যদিও সি হিতে বিপৰীত হোৱাৰ দৰেহে হ'ল। ভৰ বাৰিষা মথাউৰি ছিগিলে জনসাধাৰণৰ অধিক ক্ষতিহে হ'বলৈ ধৰে। বানৰ প্ৰাবল্যই ৰাস্তা-পদূলিৰো ব্যাপক ক্ষতি সাধন কৰে। ফল স্বৰূপে পূৰ্বৰে পৰা শোচনীয় পথ-যোগাযোগ ব্যৱস্থাও অধিক শোচনীয় হ'বলৈ ধৰে। বান আৰু খহনীয়াৰ নিৰন্তৰ দৌৰাত্ম্যই জন-জীৱনো দুৰ্বিসহ কৰি তোলে। উপৰ্যুপৰি হোৱা বানপানী বা খহনীয়াই (অথবা দুয়োটাই) বাসিন্দা-সকলৰ মনলৈ অনিশ্চয়তাৰ ভাব কঢ়িয়াই আনে। এনে অনিশ্চয়তাই মাজুলীৰ সামগ্ৰিক উন্নয়ন প্ৰক্ৰিয়া বাধাগ্ৰস্ত কৰি তোলে বুলি ক'লেও অত্যুক্তি কৰা নহয়। সেইফালৰ পৰা চাবলৈ গ'লে মাজুলীৰ সমস্যাক বানপানী আৰু খহনীয়াতে সীমাবদ্ধ কৰিব নোৱাৰি। তথাপি প্ৰধান সমস্যা হিচাপে অৰ্থনৈতিক অনগ্ৰসৰতাৰ লগতে বানপানী, খহনীয়া আৰু যাতায়াত ব্যৱস্থাক চিহ্নিত কৰিব পাৰি।

অৰ্থনৈতিক বিষয়সমূহ ইতিমধ্যে স্থানান্তৰত আলোচিত হোৱাৰ কাৰণে ইয়াত উল্লিখিত তিনিটা বিশেষ সমস্যাৰ কথা আলোচনা কৰা হ'ল। সমস্যা কেইটাৰ, বিশেষকৈ বান আৰু খহনীয়াৰ আলোচনাৰ সমান্তৰালভাৱে সমাধান-সূত্ৰ আগবঢ়াবলৈ দুই-এটা পৰামৰ্শ আগবঢ়াবলৈও চেষ্টা কৰা হৈছে। অৱশ্যে সমাধান-সূত্ৰসমূহ কিমান গ্ৰহণযোগ্য বা তাৰ কাৰ্যকৰীকৰণ সম্ভৱ নে অসম্ভৱ, সেয়া বিশেষজ্ঞ-সকলেই অধিক আলোচনাৰে নিৰূপণ কৰিব পাৰিব।

(প্ৰশান্ত কুমাৰ মহন্ত)।

## মাজুলীৰ বানপানী আৰু খহনীয়াৰ কাৰণ

সাম্প্ৰতিক কালত ব্ৰহ্মপুত্ৰৰ প্ৰবল বানপানী আৰু খহনীয়াৰ কবলত পৰি মাজুলী দ্বীপৰ বৈচিত্ৰময় ভৌগোলিক অস্তিত্ব আৰু সমৃদ্ধিশালী সমাজ-সাংস্কৃতিক ঐতিহ্য বিপন্ন হ'ব ধৰিছে। বানপানী আৰু খহনীয়া মাজুলীবাসীৰ বাবে এতিয়া সবাতোকৈ বিধ্বংসী প্ৰাকৃতিক দুৰ্যোগ বুলি বিবেচিত হৈছে।

মাজুলীৰ ভূপ্ৰকৃতি আৰু বিশেষকৈ ইয়াৰ ভৌগোলিক অৱস্থিতিলৈ লক্ষ্য কৰিলে দেখা যায় যে বানপানী আৰু খহনীয়া সমস্যা মাজুলীৰ বাবে অৱশ্যম্ভাৱী। ব্ৰহ্মপুত্ৰৰ দৰে বিশাল নদীৰ বুকুত অৱস্থিত হোৱাৰ কাৰণে এই নদী-দ্বীপটো ব্ৰহ্মপুত্ৰৰ সক্ৰিয় প্লাৱন ভূমিৰ অবিচ্ছেদ্য অংশ হৈ পৰিছে। আচলতে, ব্ৰহ্মপুত্ৰৰ বিশালতাই হৈছে মাজুলীৰ বানপানী আৰু খহনীয়া সমস্যাৰ ব্যাপকতাৰ প্ৰধান কাৰণ। ব্ৰহ্মপুত্ৰ পৃথিৱীৰ ভিতৰতে এখন অন্যতম ডাঙৰ নদী। পৃথিৱীৰ বৃহৎ নদীবিলাকৰ ভিতৰত ই জলপৰিবহনৰ ক্ষেত্ৰত চতুৰ্থ, গেদ পৰিবহনৰ ক্ষেত্ৰত দ্বিতীয় আৰু অৱবাহিকা অঞ্চলৰ প্ৰতি বৰ্গ কি:মি: মাটিকালিৰ পৰা নিৰ্গত হোৱা পানীৰ পৰিমাণৰ ক্ষেত্ৰত প্ৰথম স্থান অধিকাৰ কৰিছে। গড়ে প্ৰায় ৬-৮ কি:মি: প্ৰস্থবিশিষ্ট এই বিশাল নদীখনে প্ৰচুৰ পৰিমাণৰ পানী আৰু গেদ পৰিবহন কৰাৰ উপৰিও সঘনে সুঁতি সলোৱা আৰু তলি উত্থানৰ দৰে জটিল প্ৰক্ৰিয়া পূৰ্ণোদ্যমে অব্যাহত ৰাখিছে। এনে স্বকীয় প্ৰাকৃতিক বৈশিষ্ট্যৰ লগতে নদীখনে যেতিয়া বৰ্ষাকালত ইয়াৰ পাৰ্বত্য অৱবাহিকা অঞ্চলত হোৱা প্ৰবল বৰষুণৰ দ্বাৰা পৰিপুষ্ট হৈ পৰে তেতিয়া ই সংহাৰ মূৰ্তি ধাৰণ কৰি বানপানী আৰু খহনীয়াৰ দৰে অৱৰ্ণনীয় দুৰ্যোগৰ সূচনা কৰে। সেয়েহে বানপানী আৰু খহনীয়া মাজুলীবাসীৰ বাবে অতি ভয়াবহ প্ৰাকৃতিক দুৰ্যোগ বুলি সৰ্বত্ৰ বিবেচিত হৈছে।

মাজুলীত প্ৰতি বছৰে বানপানী হয়। মৌচুমী বায়ুৰ প্ৰভাৱত হিমালয়ৰ নামনি অঞ্চলত হোৱা প্ৰবল বৰষুণৰ বাবে ব্ৰহ্মপুত্ৰৰ জলস্তৰ উৰ্দ্ধগামী হৈ বানপানীৰ সৃষ্টি কৰে। প্ৰাকৃতিক কাৰণত মৌচুমী বায়ুৰ পৰ্য্যায়ক্ৰমিক ক্ৰিয়াৰ ফলত বৰ্ষাকালৰ ভিতৰতে একাধিকবাৰ ধাৰাষাৰ বৰষুণ হয় আৰু ইয়াৰ লগত সংগতি ৰক্ষা কৰি ব্ৰহ্মপুত্ৰৰ বুকুত বছৰি কমেও দুই-তিনিটা বান আহে। এই প্ৰক্ৰিয়াৰে সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকাত বানপানী হোৱাৰ দৰে মাজুলীতো এবছৰত কমেও ৩-৪ টা বানৰ তাণ্ডৱলীলা প্ৰত্যক্ষ কৰা হয়। একেটা বছৰতে হোৱা বিভিন্ন প্ৰাবল্যৰ কেইবাটাও বানৰ উপৰ্যুপৰি আক্ৰমণত মাজুলীবাসীৰ দুখ-দুৰ্গতিৰ সীমা নোহোৱা হয়। বানৰ ক্ষয়-ক্ষতি কল্পনাতীত হাৰত সংঘটিত হয়।

বানৰ ক্ষয়-ক্ষতিৰ সাধাৰণতে নিৰ্ভৰ কৰে (ক) বানৰ প্ৰাবল্য আৰু ব্যাপকতা আৰু (খ) বানাক্ৰান্ত অঞ্চলৰ অৰ্থনৈতিক অৱস্থাৰ ওপৰত। মাজুলীৰ বানপানীৰ প্ৰাবল্য আৰু ব্যাপকতা সম্পৰ্কে চাঁৰকাৰী তথ্যৰাজি আৰু বিশেষকৈ ক্ষেত্ৰ অধ্যয়নৰ চাক্ষুস অভিজ্ঞতাৰ পৰা এই কথা সন্দেহাতীতভাৱে প্ৰতিপন্ন হয় যে ব্ৰহ্মপুত্ৰ উপত্যকাৰ কোনো অঞ্চলেই মাজুলীৰ দৰে সঘনে আৰু ব্যাপক ৰূপত বানাক্ৰান্ত নহয়। ১৯৫০ খ্ৰী:ৰ বৰ ভূঁইকপৰ পিছত ১৯৫৪ খ্ৰী:ৰ পৰাই মাজুলী প্ৰায় প্ৰতিবছৰে কম-বেছি পৰিমাণে বানাক্ৰান্ত হৈ আহিছে। কিন্তু প্ৰণিধানযোগ্য যে, আজিলৈকে মাজুলীত হোৱা বানপানীৰ ভিতৰত

১৯৮৮ আৰু ১৯৯৮ খ্রী:ত হোৱা দুয়োটা বানেই সবতোকৈ বিধ্বংসী আছিল। মাজুলী মূলতঃ কৃষি প্ৰধান অঞ্চল হোৱাৰ বাবে বানপানীৰ ফলত ইয়াৰ কৃষি অৰ্থনীতি শোচনীয়ভাৱে ক্ষতিগ্ৰস্ত হয়। লক্ষ্যণীয় যে, বানপানীৰ সময়ছোৱাতে (জেঠৰ পৰা শাওন মাহলৈ) মূল কৃষি হিচাপে 'শালি খেতি' পৰম্পৰাগতভাৱে কৰি অহা হৈছে। ইয়াৰ ফলত বানপানীয়ে স্বাভাৱিকতে শালি খেতিৰ বিস্তৰ ক্ষতিসাধন কৰে। সাম্প্ৰতিক কালত মাজুলীৰ জনসংখ্যা বৃদ্ধি আৰু জনবসতি সম্প্ৰসাৰণৰ লগে লগে অৰ্থনৈতিক কাম-কাজ তথা উন্নয়নমূলক নিৰ্মাণ-কাৰ্যও বাঢ়ি গৈছে আৰু ফলস্বৰূপে বানৰ দ্বাৰা হোৱা লোকচানৰ পৰিমানো বাঢ়ি যাব লাগিছে। এই প্ৰসংগতে উল্লেখযোগ্য যে, বানৰ কবলত পৰি জনসাধাৰণে ভোক কৰা পৰোক্ষ ক্ষতি (indirect damage) বানৰ ক্ষয়-ক্ষতিৰ হিচাপত ধৰা নহয়। মাজুলীৰ দৰে সঘনে দুৰ্যোগপূৰ্ণ বানৰ দ্বাৰা আক্ৰান্ত হোৱা অঞ্চলৰ বাবে এনে পৰোক্ষ ক্ষতিৰ হিচাপটো যথেষ্ট ডাঙৰ। পৰোক্ষ ক্ষতিৰ ভিতৰত বানৰ বাবে হোৱা মানসিক দুঃচিন্তা আৰু ভয়, স্বাস্থ্যজনিত ক্ষতি, বাট-পথৰ ক্ষতিৰ ফলত ব্যাহত হোৱা পৰিবহন ব্যৱস্থাৰ বাবে হোৱা ক্ষতি, কুটীৰ শিল্প বা লঘু উদ্যোগৰ উৎপাদন কাৰ্য অচল হোৱাৰ অজুহাতত হোৱা ক্ষতি, কৰ্ম-দিনৰ ক্ষতি, ছাত্ৰ-ছাত্ৰীৰ স্কুল-দিনৰ ক্ষতি আৰু মুদ্ৰাস্ফীতিৰ ফলত হোৱা ক্ষতিয়েই প্ৰধান । যিহেতু পৰোক্ষ ক্ষতিয়ে বানৰ সামগ্ৰিক ক্ষতিৰ এটা বুজন আৰু গুৰুত্বপূৰ্ণ অংশ দাবী কৰে সেয়েহে মাজুলীৰ বান-সমস্যা ব্যৱস্থাপনাৰ ক্ষেত্ৰত পৰোক্ষ ক্ষতিৰ বিষয়টোও গুৰুত্ব সহকাৰে বিবেচনা কৰিব লাগিব।

বানপানীৰ দৰেই মাজুলীৰ আন এটা প্ৰধান প্ৰাকৃতিক দুৰ্যোগ হৈছে গৰাখহনীয়া। এই দুৰ্যোগ বিশেষকৈ ব্ৰহ্মপুত্ৰৰ বানৰ আগমনৰ লগে লগে উদ্ভৱ হয়। প্ৰকৃতাৰ্থত গৰাখহনীয়া বান-সমস্যাৰে এক আনুষংগিক সমস্যা বুলি ক'ব পাৰি। সঘনে বানপানী সৃষ্টি কৰা ব্ৰহ্মপুত্ৰ নদীয়ে সততে মাজুলীত খহনীয়া সমস্যাৰ সৃষ্টি কৰি আহিছে। ১৯৫০ খ্রী:ৰ আগলৈকে মাজুলীৰ খহনীয়া সমস্যা আজিৰ দৰে সিমান দুৰ্যোগপূৰ্ণ নাছিল। কিন্তু ১৯৫৪ খ্রী:ত হোৱা বানপানীৰ পিছৰ পৰা এই সমস্যাই ভয়াবহ ৰূপ ধাৰণ কৰিছে। প্ৰাপ্ত তথ্যমতে প্ৰথমে ১৯৫৫-৫৬ খ্রী:ৰ কালছোৱাত মাজুলীৰ পূব অংশত ব্ৰহ্মপুত্ৰৰ খহনীয়া আৰম্ভ হয়। ১৯৫৬ খ্রী:ৰ পৰা ১৯৬৪ খ্রী:ৰ ভিতৰত ১৬ কি:মি: মথাউৰি আৰু ১৯ কি:মি: ৰাস্তাৰ ক্ষতিসাধন হোৱাৰ উপৰিও মুঠ ২৩৫ বৰ্গ কি:মি: অঞ্চল খহনীয়াৰ কবলত পৰি ব্ৰহ্মপুত্ৰৰ বুকুত জাহ যায়। ইয়াৰ পিছত ১৯৬৮ খ্রী:ত পুনৰ খহনীয়া অধিক সক্ৰিয় হৈ উঠে। ভাৰতীয় মহাকাশ গৱেষণা সংস্থা আৰু ব্ৰহ্মপুত্ৰ বৰ্ডে যুটীয়াভাৱে চলোৱা এক অধ্যয়নত প্ৰকাশ যে, ১৯৬৯-৯৪ৰ কালছোৱাৰ ভিতৰত মাজুলীৰ মুঠ ৫০.২৭ বৰ্গ কি:মি: মাটিকালি খহনীয়াত নিশ্চিহ্ন হয় (শেষ পৃষ্ঠাৰ তালিকা - ১)। অৱশ্যে ইয়াৰে ৪৬.৩৬ বৰ্গ কি:মি: ব্ৰহ্মপুত্ৰৰ দ্বাৰা আৰু ৩.৯১ বৰ্গ কি:মি: সোৱণশিৰি নদীৰ দ্বাৰা ক্ষয়সাধন হয়। এই তথ্যৰ পৰা এই কথাও প্ৰতীয়মান হয় যে মাজুলীৰ ভূখণ্ড প্ৰধানকৈ ব্ৰহ্মপুত্ৰৰ দ্বাৰাই ক্ষয়সাধন হৈছে। আনহাতে ড° অশোক কুমাৰ বৰাই মাজুলীৰ খহনীয়া সম্পৰ্কে চলোৱা এটা অধ্যয়নৰ পৰা জানিব পৰা গৈছে যে ১৯১৫ খ্রী:ৰ পৰা ১৯৯৫ খ্রী:ৰ ভিতৰত খহনীয়াৰ ফলত বছৰি গড়ে ৭.৪ বৰ্গ কি:মি: হাৰত মাজুলীৰ মূল ভূখণ্ডৰ মাটিকালি হ্ৰাস হৈছে। একেটা অধ্যয়নতে পোৱা গৈছে যে ১৯১৫ খ্রী:ৰ পৰা ১৯৭১ খ্রী:ৰ ভিতৰত বছৰি গড়ে ৫.৬১ বৰ্গ কি:মি:, ১৯৭১ খ্রী:ৰ পৰা ১৯৮৪ খ্রী:ৰ ভিতৰত বছৰি গড়ে ১২ বৰ্গ কি: মি: আৰু ১৯৮৪ খ্রী:ৰ পৰা ১৯৯৫ খ্রী:ৰ ভিতৰত গড়ে ৮.৯১ বৰ্গ কি: মি: হাৰত মাজুলীৰ ভূখণ্ড ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গৈছে।

মাজুলীত ব্ৰহ্মপুত্ৰৰ বানৰ তাণ্ডৱলীলা আৰম্ভ হোৱাৰ লগে লগে গৰাখহনীয়াও আৰম্ভ হয়। অৱশ্যে বানপানী লাহে লাহে কমিবলৈ ধৰিলে গৰাখহনীয়াৰ প্ৰকোপ দুগুণে বৃদ্ধি পায় আৰু বানপানী হৈ যোৱাৰ পিছতো ভালেমান দিনলৈকে খহনীয়া চলি থাকে। বানপানীৰ সময়ত বানীৰ কোবাল সোঁতে স্বাভাৱিকতে পাৰ-খনন কাৰ্য সংঘটিত কৰে। আনহাতে বানপানী কমিলে নদীৰ জলস্তৰ (water level) নিম্ন-গামী হয় আৰু নদীপাৰৰ বেৰত পানীৰ চাপ (hydraulic pressure) হ্ৰাস পায়। ফলস্বৰূপে, ইতিমধ্যে সংপৃক্ত হৈ থকা পাৰৰ মাটিভাগ সহজে নদীৰ গৰ্ভলৈ খহি পৰে। ইয়াৰ উপৰিও বানপানীৰ প্ৰভাৱ নোহোৱাকৈ ব্ৰহ্মপুত্ৰৰ সুঁতি-বিভাজন প্ৰক্ৰিয়াৰ দ্বাৰাও মাজুলীত খহনীয়া হোৱা দেখা যায়। প্ৰচুৰ গেদ পৰিবহনৰ ফলত ব্ৰহ্মপুত্ৰৰ বুকুত চৰ-চাপৰি সঘনে সৃষ্টি হয় আৰু সুঁতি-বিভাজন প্ৰক্ৰিয়া চলি থাকে। নদীৰ বুকুত সৃষ্ট চৰ-চাপৰিৰ দ্বাৰা নদী-সুঁতিৰ বিক্ষেপণ ঘটি পাৰৰ কোনো অংশত পোনে পোনে আহি প্ৰচণ্ড আঘাত কৰে আৰু পাৰ-খনন কাৰ্য্য আৰম্ভ হয়। আকৌ নদীৰ পানী কমি গ'লেও নদীৰ সোঁতে সাধাৰণতে ওখ পাৰৰ নিম্ন অংশ খান্দিবলৈ লয়। ফলত পাৰৰ ওপৰৰ অংশৰ মাটিভাগ মাধ্যাকৰ্ষণ শক্তিৰ বাবে খহি পৰে। উল্লেখযোগ্য যে এনে প্ৰাকৃতিক কাৰকৰ উপৰিও কিছুমান কাৰিকৰী আঁচনি, যেনে— স্পাৰ আদি দিয়া কাৰ্যৰ ফলতো গৰাখহনীয়া সমস্যাৰ সৃষ্টি হয়। কাৰিকৰী আঁচনিৰ দ্বাৰা এঠাইত খহনীয়া প্ৰতিৰোধ কৰিলেও আন ঠাইত তাৰ বিৰূপ প্ৰতিক্ৰিয়া

ঘটি প্ৰবল খহনীয়াৰ সূত্ৰপাত হয়। যি কি নহওক, ঠোৰতে ইয়াকে ক'ব পাৰি যে, মাজুলীৰ খহনীয়া সমস্যা সামগ্ৰিকভাৱে প্ৰাকৃতিক আৰু কোনো বিশেষ ক্ষেত্ৰত মানৱজনিত কাৰণত সৃষ্টি হৈছে। খহনীয়াই মাজুলীৰ প্ৰায়বিলাক গাঁৱকে জুৰুলা কৰিছে। চৰকাৰী তথ্য মতে মাজুলীৰ জৰীপ হোৱা আৰু জৰীপ নোহোৱা মুঠ ২৪৪ খন গাঁৱৰ ভিতৰত ৬৪খন গাঁও সম্পূৰ্ণৰূপে আৰু ৩০খন গাঁও আংশিকভাৱে খহনীয়াত ক্ষতিগ্ৰস্ত হৈছে। তলৰ ২নং তালিকাত মৌজা ভিত্তিত খহনীয়াৰ দ্বাৰা আক্ৰান্ত গাঁৱৰ সংখ্যা দাঙি ধৰা হ'ল।

বানপানী আৰু খহনীয়া যে মাজুলীৰ প্ৰধান প্ৰাকৃতিক দুৰ্যোগ এই কথা এতিয়া দেশৰ বাহিৰে-ভিতৰে প্ৰচাৰ হ'ব ধৰিছে। এই সমস্যা দুটাৰ গভীৰতা সঠিকভাৱে অনুধাৱন কৰি সমাধানৰ পথ নিৰ্ধাৰণ কৰাৰ সময় সমাগত। মাজুলীৰ খহনীয়া মানে অসমীয়া কৃষ্টি-সংস্কৃতিৰ গৰাখহনীয়া, ব্ৰহ্মপুত্ৰ উপত্যকাৰ ঐতিহ্যময় সভ্যতাৰ গৰাখহনীয়া। বানপানীৰ সমস্যাতকৈও ভয়াবহ গৰাখহনীয়া সমস্যা। খহনীয়াই হিয়াৰ আমঠু সাৰুৱা মাটি চিৰকাললৈ গ্ৰাস কৰে। খহনীয়াৰ বিধ্বংসী গ্ৰাসত মাজুলীৰ অস্তিত্ব আজি বিপদাপন্ন। মাজুলীক এনে সংকটৰ পৰা উদ্ধাৰ কৰাৰ প্ৰচেষ্টা সময় থাকোতেই হাতত ল'ব লাগিব।

**তালিকা - ১ : মাজুলীৰ খহনীয়া সম্পৰ্কীয় তথ্য (১৯৬৯-৯৪)**

| খহনীয়াত জড়িত নদী | খহনীয়াত বিধ্বস্ত গাঁও | খহনীয়াত নিশ্চিহ্ন হোৱা মাটিকালি (বৰ্গ: কি:) |
|---|---|---|
| ব্ৰহ্মপুত্ৰ | ১। কাঠনী গাঁও, উজনি গেজেৰা গাঁও, সোণোৱাল কছাৰী গাঁও | ২২.৬৩ |
| | ২। লাচন গাঁও | ৩.১৫ |
| | ৩। কুমাৰ গাঁও, বৰমাৰী | ৭.৭৫ |
| | ৪। শালমৰা, বেছামৰা মিৰি গাঁও | ০.৭৫ |
| | ৫। কানিয়া গাঁও, বটীয়ামাৰী গাঁও | ৭.৪৫ |
| | ৬। বিৰিণাবাৰী, খোৰাপাৰা গাঁও | ৪.৬৩ |
| | | মুঠ — ৪৬.৩৬ |
| শোৱণশিৰি | ১। কুমাৰ বাৰী | ১.৫০ |
| | ২। চিটাদাৰ চাপৰি | ০.৭৫ |
| | ৩। চিটাদাৰ চাপৰি | ০.৬৪ |
| | ৪। বৰবাৰীৰ পশ্চিমাঞ্চল | ০.৬০ |
| | ৫। কৈৱৰ্ত্ত গাঁও | ০.৪২ |
| | | মুঠ— ৩.৯১ |
| | মাজুলী (সৰ্বমুঠ) | ৫০.২৭ |

**তালিকা - ২ : মৌজা-ভিত্তিক মাজুলীৰ খহনীয়া গাঁৱৰ তথ্য**

| মৌজা | মাজুলীৰ গাঁৱৰ সংখ্যা | | আংশিক খহনীয়াগ্ৰস্ত গাঁও | সম্পূৰ্ণ খহনীয়াগ্ৰস্ত গাঁও |
|---|---|---|---|---|
| | জৰীপ হোৱা | জৰীপ নোহোৱা | | |
| ১) কমলাবাৰী | ৯২ | ১৩ | ১২ | ১৮ |
| ২) শালমৰা | ৮১ | ১১ | ১৬ | ১১ |
| ৩) আঁহতগুৰি | ৩৭ | ৯ | ২ | ৩৫ |
| মুঠ গাঁও | ২১০ | ৩৩ | ৩০ | ৬৪ |

# মাজুলীৰ বান আৰু খহনীয়া : ইয়াৰ সমাধান (এক)

জন্মলগ্নৰ পৰাই নদী-দ্বীপ মাজুলীৰ বান আৰু খহনীয়াৰ লগত ওতঃপ্ৰোত সম্বন্ধ আৰু ইয়াৰ জনসাধাৰণেও বসতিৰ আৰম্ভণিৰ পৰাই এই দুয়োটা সমস্যাৰ লগত মুখামুখি হৈ আহিছে। অতীজতে মাজুলী অতি কম সময়ৰ বাবেহে প্লাৱিত হৈছিল আৰু ইয়াৰ উপৰিভাগত খেতি-বাতিৰ কাৰণে উপযোগী পলসৰ এটা পাতল তৰপ এৰি থৈ গৈছিল। কিন্তু এই ছবিখন ১৯৫০ খ্ৰী:ৰ ভূমিকম্পৰ পাছত সম্পূৰ্ণভাৱে সলনি হৈ গ'ল; এই ভূমিকম্পৰ পাছত ব্ৰহ্মপুত্ৰ নদীৰ তলিখন বালি পৰি ক্ৰমান্বয়ে বাম হৈ গ'ল আৰু সৰু-সুৰা বানতো মাজুলী বাৰিষা কালত যেতিয়াই তেতিয়াই প্লাৱিত হ'বলৈ ধৰিলে। তদুপৰি বানপানী আৰু খহনীয়াৰ সংহাৰ মূৰ্তিৰ প্ৰকোপো বাঢ়ি যাবলৈ আৰম্ভ কৰিলে।

মাজুলীক বানপানী আৰু খহনীয়াৰ কৰালগ্ৰাসৰ পৰা ৰক্ষা কৰিবলৈ ১৯৫২ খ্ৰী:ত টেকেলিফুটাৰ পৰা বেচামৰা কুমাৰ গাঁৱলৈ প্ৰায় ৪০ কি: মি: দীঘল এটা মথাউৰি ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰে নিৰ্মাণ কৰিলে; যিটোৱে মাজুলীক বানপানী আৰু খহনীয়াৰ পৰা ৰক্ষা কৰাত বিফল হ'ল। তাৰ পাছতে ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে জেংৰাইমুখৰ পৰা ১০ কি: মি: গাড়ী-মটৰ চলাচল কৰাৰ সুবিধা থকা এটা মথাউৰি আৰু টুনী নৈৰ পাৰে পাৰে এটা 'ডাইক' নিৰ্মাণ কৰিলে যদিও ফলপ্ৰসূ নহ'ল; বৰঞ্চ বানপানী আৰু খহনীয়াৰ প্ৰকোপ বৃদ্ধি পাবলৈহে ধৰিলে। আকৌ ১৯৬৫ চনত খেৰকটীয়া সুঁতিৰ উৎসত এটা বান্ধ নিৰ্মাণ কৰি খেৰকটীয়া সুঁতিৰ মুখখন বন্ধ কৰি দিয়াত গোটেই পানী ব্ৰহ্মপুত্ৰইদি বোৱাৰ ফলত মাজুলীত বানপানী আৰু খহনীয়াৰ প্ৰকোপ এখোপ চৰাহে হ'ল। মুঠতে মাজুলীত মথাউৰি, বান্ধ আৰু খেৰকটীয়া সুঁতিৰ উৎস বন্ধ কৰাৰ ফলত বান আৰু খহনীয়াই মাজুলীবাসীলৈ অবৰ্ণনীয় দুখ-কষ্ট কঢ়িয়াই আনিলে। মাজুলীৰ খহনীয়াৰ প্ৰথম চিকাৰ হয় কমলাবাৰী মৌজাৰ নিম্নাংশৰ পৰা আঁহতগুৰি মৌজালৈকে। ১৯৫০ খ্ৰী:ৰ পৰা ১৯৭৫ খ্ৰী:ৰ ভিতৰত তিনিওটা মৌজাৰ ৫৭খন গাঁও সম্পূৰ্ণভাৱে আৰু ১৯খন গাঁও আংশিকভাৱে খহনীয়াত নিশ্চিহ্ন হয় (তালিকা নং - ১)[১] ১৯৫১ খ্ৰী:ৰ পৰা ১৯৯০ খ্ৰী:ৰ ভিতৰতে মাজুলীয়ে মুঠ ৩০৪২৮ হেক্টৰ

| তালিকা-১ | খহনীয়াত পৰা গাঁও | |
|---|---|---|
| মৌজা | সম্পূৰ্ণভাৱে | আংশিকভাৱে |
| শালমৰা | ০৮ | ১৩ |
| কমলাবাৰী | ১৯ | ০২ |
| আঁহতগুৰি | ৩০ | ০৪ |

মাটি খহনীয়াত হেৰুৱাবলগীয়া হয়। (তালিকা নং-২)।[২]

তালিকা-২

(মাটিকালি, হেক্টৰ হিচাপত)

| | ১৯৫১ | ১৯৯০ | মুঠ খহনীয়া |
|---|---|---|---|
| মাজুলী মহকুমা | ১৩২৫.৫৮ | ১০২১.৩০ | ৩০৪.২৮ |
| শালমৰা মৌজা | ৫০৫.০৩ | ৩৮৮.১০ | ১১৬.৯৩ |
| কমলাবাৰী মৌজা | ৪২৪.৮৭ | ৩৯৪.১০ | ৩০.৭৭ |
| আঁহতগুৰি মৌজা | ৩৯৫.৬৮ | ২৩৯.১০ | ১৫৬.৫৮ |

খহনীয়াই 'এটকা মহন্তৰ স্থান' হিচাপে ঐতিহ্য বহনকাৰী মাজুলীৰ সত্ৰসমূহৰ ওপৰতো প্ৰচণ্ড আঘাত হানে। মাজুলীৰ ঐতিহ্যমণ্ডিত সত্ৰ— আউনীআটী, বেঙেনাআটী, কমলাবাৰী সত্ৰ আৰু লগতে নতুন কমলাবাৰী, বৰ এলেঙি, আদি-এলেঙি, পুণিয়া, [illegible], চুপহা সত্ৰ খহনীয়াৰ প্ৰকোপত মাজুলীৰ পৰা স্থানান্তৰ হ'বলগীয়া হয় যদিও আউনীআটী, বেঙেনাআটী আৰু নতুন কমলাবাৰী সত্ৰ মাজুলীতে স্থাপিত হয়।

মাজুলীৰ বানপানী আৰু খহনীয়াৰ ভয়াবহতা ১৯৭৪ খ্ৰী:ৰ উদাহৰণৰ পৰাই অনুমান কৰিব পাৰি। উক্ত বানত ৯৩২.৭৫ বৰ্গ কি: মি: মাটি প্লাৱিত হৈছিল, ২০০০তকৈও বেছি গৰু-ম'হৰ মৃত্যু হৈছিল, ১০০০তকৈও বেছি মানুহ ভূমিহীন হৈছিল আৰু ৭৭.৬৯ বৰ্গ কি: মি: খেতিৰ উপযোগী মাটিত বালি পৰি কৃষিৰ অনুপযোগী হৈছিল। উক্ত বানত আনুমানিক মুঠ ক্ষয়-ক্ষতিৰ পৰিমাণ ৮৪,৫৫,২০০.০০

১। চক্ৰ বিষয়াৰ কাৰ্যালয়, মাজুলী, কমলাবাৰী।

২। চক্ৰ বিষয়াৰ কাৰ্যালয়, মাজুলী, কমলাবাৰী।

টকা হ'ব বুলি ঠাৱৰ কৰা হৈছিল।[৩] ১৯৫০ আৰু ১৯৯০ খ্রী:ৰ ভিতৰত শালমৰা, কমলাবাৰী আৰু আঁহতগুৰি মৌজাত যথাক্রমে ১৩.৩৭ বর্গ কি: মি:, ২২.৫৬ বর্গ কি: মি: আৰু ৮০.২৭ বর্গ কি: মি: মাটিত বালি পৰি খেতিৰ অনুপযোগী হৈছিল।

মাজুলীক বান আৰু খহনীয়াৰ পৰা ৰক্ষা কৰিবৰ নিমিত্তে ব্রহ্মপুত্রৰ পাৰত দক্ষিণপাটৰ পৰা কমলাবাৰীলৈ ৪৫ কি: মি: দীঘল, কাকৰিকটাৰ পৰা গুৱালগাঁৱলৈ ৬৫ কি: মি: দীঘল আৰু মলুৱাৰ পৰা মলাপিন্ধালৈ ৩৫.৯০ কি: মি: দীঘল 'ডাইক' নির্মাণ কৰা হয়। আকৌ হালধিবাৰী-বেচামৰা মথাউৰিৰ চিনাতলি (১৩ কি: মি:)ৰ পৰা বেচামৰালৈ এটা ৪৮ কি: মি: দীঘল 'চেক-ডাম' নির্মাণ কৰা হয়। খেৰকটীয়া সুঁতিৰ পাৰত গড়মূৰৰ পৰা মলাপিন্ধালৈ ৫৪ কি: মি: দীঘল মথাউৰিও নির্মাণ কৰা হয়। তাৰোপৰি ডাঙৰ বানপানীৰ সময়ত মানুহ আৰু পোহনীয়া জীৱন-জন্তু বচাবৰ কাৰণে ১২,৪৭,৫০০.০০ টকা ব্যয়ৰে ২২খন ওখ ঠাই (প্লেটফর্ম) বিভিন্ন অঞ্চলত নির্মাণ কৰা হৈছিল।

মাজুলীক বানৰ পৰা ৰক্ষা কৰিবলৈ নির্মাণ কৰা ওপৰোক্ত ব্যৱস্থাসমূহে মাজুলীক বানপানীৰ পৰা ৰক্ষা কৰাতকৈ অপকাৰহে বেছি কৰিছে। যিহেতু, দ্বীপটোৰ ভূ-ভাগৰ গঠনৰ অধ্যয়ন আৰু ব্রহ্মপুত্র নদীৰ সোঁতৰ গতিৰ কোনো বিজ্ঞানসন্মত অধ্যয়ন নকৰাকৈ আওপুৰণি পদ্ধতিৰে মথাউৰি আৰু 'ডাইক' নির্মাণ কৰাৰ ফলত মথাউৰি আৰু 'ডাইক'বিলাক ডাঙৰ বানপানীৰ সময়ত ছিগি যোৱাৰ যথেষ্ট সম্ভাৱনা থাকে; যিটো প্রায়ে ঘটি থকা দেখা যায়। যেতিয়া মথাউৰি ছিগে, সেই সময়ত নদীৰ পানী প্রচণ্ড গতিয়ে মানুহৰ সম্পত্তি, গৰু-ম'হ উটুৱাই নিয়ে আৰু কেতিয়াবা কেতিয়াবা মানুহৰো মৃত্যু হোৱা দেখা যায়। নদীৰ পানীভাগ ভিতৰুৱা অঞ্চললৈ সোমাই সেই অঞ্চলৰ আশে-পাশে বালি পেলাই অঞ্চলটো খেতি-বাতি আনকি মানুহৰো বসবাসৰ অনুপযোগী কৰা দেখা যায়। এনেকুৱা ঘটনা মাজুলীত সততে ঘটিয়েই থাকে।

**বানপানী আৰু খহনীয়াৰ কাৰক :**

**১। ব্রহ্মপুত্রৰ সুঁতি খেৰকটীয়াইদি অতীজতে ব্রহ্মপুত্রৰ পানীৰ এটা অংশ প্রবাহিত হৈ আছিল; কিন্তু খেৰকটীয়া সুঁতিৰ উৎসতে 'বান্ধ' নির্মাণ কৰাৰ ফলত এই সুঁতিয়েদি বৈ যোৱা পানীখিনিও ব্রহ্মপুত্রইদি যোৱাৰ কাৰণে বানপানী আৰু খহনীয়াৰ প্রকোপ বেছি হ'বলৈ ধৰিলে।**

২। একালত ব্রহ্মপুত্র নদীৰ কাষ গছ-গছনিৰে পৰিপূর্ণ হৈ আছিল; কিন্তু জনসংখ্যাৰ দ্রুত বৃদ্ধিৰ ফলত কালক্রমত এই গছ-গছনিবোৰ নাইকিয়া হৈ গ'ল।

৩। মথাউৰি আৰু 'ডাইক'বোৰ অবিজ্ঞানসন্মতভাৱে নির্মাণ কৰিছে।

৪। ডিব্রুগড় নগৰ আৰু ককিলামুখত 'স্পাৰ' নির্মাণ কৰাৰ ফলত মাজুলী-পাৰে ক্ষতিৰ পৰিমাণ বৃদ্ধি হ'ব ধৰিছে।

আগতেই আলোচনা কৰা হৈছে যে মাজুলীৰ খহনীয়াত ১৯৫১ খ্রী:ৰ পৰা ১৯৯০ খ্রী:ৰ ভিতৰত ২৬৪.০৬ বর্গ কি: মি: স্থলভাগ ব্রহ্মপুত্রত জাহ গৈছে। যদি এইধৰণে কেইবছৰমান মাজুলীত খহনীয়া চলি থাকে; তেন্তে পৃথিৱীৰ বৈশিষ্ট্যপূর্ণ বৃহৎ নদী-দ্বীপটো পৃথিৱীৰ পৰা নিঃচিহ্ন হৈ যোৱাটো অসম্ভৱ নহয়। সেই নিমিত্তে তলত উল্লেখ কৰা সময়োপযোগী ব্যৱস্থাসমূহ নদী-দ্বীপটো খহনীয়াৰ পৰা ৰক্ষা কৰিবলৈ লোৱাৰ অতীৱ প্রয়োজন।

**ব্যৱস্থাসমূহ :**

১। খেৰকটীয়া সুঁতিৰ উৎসত দিয়া বান্ধটো ভাঙি দি সুঁতিটোৰ তলিভাগ দ-কৰাৰ ব্যৱস্থা কৰিব লাগিব যাতে আগৰ দৰেই ব্রহ্মপুত্রৰ পানী এই সুঁতিয়েদি বিনা বাধাই বৈ যায়; যাৰ ফলত ব্রহ্মপুত্রৰ ওপৰতো পানীৰ হেঁচা হ্রাস পাব।

২। মথাউৰি আৰু 'ডাইক'বিলাক আধুনিক প্রযুক্তি-বিজ্ঞানসন্মতভাৱে নির্মাণ কৰি আৰু লগতে যথেষ্ট সংখ্যক 'শ্লুইছ্ গেট'ৰ ব্যৱস্থা কৰিব লাগিব; যিহেতু ডাঙৰ বানপানীৰ সময়ত এই 'শ্লুইছ্ গেট' মথাউৰি আৰু 'ডাইক'ৰ নিৰাপত্তাৰ কাৰণে অত্যন্ত প্রয়োজন।

৩। মথাউৰিৰ কাষত বসবাস কৰা লোকক মথাউৰি পাৰৰ পৰা নি আঁতৰত বসতি কৰাৰ ব্যৱস্থা কৰা উচিত, অন্যথাই ডাঙৰ বানপানীৰ সময়ত কূটাঘাতমূলক কার্য কৰাৰ যথেষ্ট সম্ভাৱনা থাকে।

৪। ৰাস্তা-পদূলিবোৰত যথেষ্ট সংখ্যক 'কালভার্ট'ৰ ব্যৱস্থা থকা উচিত; যিহেতু বাৰিষা বৰষুণত জমা হোৱা পানী বিল, জান-জুৰি আদিলৈ গৈ নদী বা খেৰকটীয়া সুঁতিত পৰিব পাৰে।

৫। খহনীয়া প্রতিৰোধৰ কাৰণে মথাউৰি, 'ডাইক', নদীৰ কাষে কাষে গভীৰ শিপাযুক্ত গছ, যেনে— শিমলু, আঁহত, জৰী, ঔ, উৰিয়াম, চতিয়না আদি ৰোৱাৰ ব্যৱস্থা কৰাটো অতীৱ প্রয়োজন; যিহেতু এই গছবোৰৰ শিপা খহনীয়া প্রতিৰোধক।

৩। চক্র বিষয়াৰ কার্যালয়, মাজুলী, কমলাবাৰী।

৬। ডিব্রুগড় নগৰ আৰু ককিলামুখত খহনীয়া প্ৰতিৰোধক স্পাৰ নিৰ্মাণ কৰাত ব্ৰহ্মপুত্ৰৰ পানীৰ সোঁতে শালমৰা আৰু নামনি মাজুলীৰ আঁহতগুৰি মৌজাত খুন্দা মৰা স্থলতো স্পাৰ নিৰ্মাণ কৰাটো অতীব প্ৰয়োজন। (ড° নৰনাথ শইকীয়া)

## (দুই)

গৰাখহনীয়া আৰু বানপানী— এই দুয়োটা প্ৰাকৃতিক দুৰ্যোগৰ বাবে মাজুলীৰ অস্তিত্বই বিপন্ন হৈছে বুলি বহুতে মত পোষণ কৰিছে। এই ক্ষেত্ৰত প্ৰতিৰোধ ব্যৱস্থা সম্পৰ্কে আলোচনা কৰাৰ আগতে যিবোৰ কাৰণত গৰাখহনীয়া আৰু বানপানী হয় সেই বিষয়ে ভালদৰে জানি লোৱা আৱশ্যক।

মাজুলীৰ দক্ষিণৰ ব্ৰহ্মপুত্ৰ আৰু উত্তৰৰ সোৱণশিৰি, দুয়োখন নদীৰ কাৰণে গৰাখহনীয়া হৈ আহিছে। ইয়াৰ গৰাখহনীয়াবোৰ লক্ষ্য কৰিলে দুটা কাৰণত খহনীয়া হৈছে বুলি জানিব পাৰি।

১) মাজুলীত নদীৰ গৰাবোৰত কেইবাটাও গেদৰ স্তৰ দেখা পোৱা যায়। এই স্তৰবোৰৰ ওপৰফালে পলস বা মাটিৰে গঠিত আৰু তললৈ মোটা আকাৰৰ বালিৰে গঠিত। এই বালিৰ স্তৰবোৰ কোনো আঠাজাতীয় বস্তুৰে বান্ধ খাই নথকা বাবে অতি কোমল। বাঢ়নি অৱস্থাত নদীৰ পানীৰ তলৰ অংশত সোঁত বেছি হয়। সেই সোঁতে নিম্নাংশৰ কোমল বালিৰ স্তৰ সহজে খান্দি নি গৰাটো থিয় কৰি পেলায়। বহু সময়ত বালিৰ স্তৰৰ বালি পানীৰ লগত মিলি তৰলীকৃত হৈ বৈ আহি এক খালী ঠাই সৃষ্টি কৰে। তেনেকুৱা অৱস্থাত ওপৰৰ মাটিৰ স্তৰবোৰে ভাৰসাম্যতা হেৰুৱায়, তাত ফাঁট মেল খায় আৰু মাটি চপৰা-চপৰে নদীলৈ বাগৰি পৰে।

২) বানপানীৰ সময়ত বা নদীৰ পাৰ চপ-চপীয়া হৈ থকা অৱস্থাত নদীৰ পানী পাৰত সকলোবোৰ স্তৰৰ মাজলৈ সোমাই যায়। সেই বাবে স্তৰবোৰ গধুৰ হৈ পৰে। পাৰ-পূৰ্ণ অৱস্থাত পানীৰ হেঁচাই গৰাৰ গধূৰ ভাৰ ধৰি ৰাখিব পাৰে। পানী শুকোৱা অৱস্থাত যিমান বেগত পানী তললৈ নামে, সিমান বেগত পাৰৰ মাটিৰ মাজত সোমাই পৰা পানী ওলাই আহিব নোৱাৰে। ফলস্বৰূপে এহাতে গৰাবোৰ অধিক গধূৰ হয় আৰু আনহাতে ইহঁতক ধৰি ৰখা পানীৰ হেঁচাও নোহোৱা হয়। গতিকে পাৰৰ মাটিয়ে ভাৰসাম্যতা হেৰুৱাই ভাগি নদীলৈ বাগৰি পৰে। সেইবাবে বহুত ঠাইত বানপানী শুকুৱাৰ পাছতহে খহনীয়া বেছি হয়।

গৰাখহনীয়া প্ৰতিৰোধ কৰিবৰ বাবে প্ৰধান কৰিবলগা কাম হ'ব নিম্ন-খননৰ মাত্ৰা হ্ৰাস কৰা বা নিৰ্মূল কৰা। ইয়াকে কৰিবলৈ নদীৰ সোঁতে যাতে পাৰত পোনপটীয়াকৈ খুন্দা মাৰিব নোৱাৰে তাৰ বাবে ব্যৱস্থা ল'ব লাগিব। নদীৰ গৰাৰ যিবোৰ ঠাইত নিম্নস্থ বালিৰ স্তৰ আছে, সেইবোৰ ঠাইত বিজ্ঞানসন্মতভাৱে নিয়মিত দূৰত্বত শিল, বাঁহ বা কাঠৰ বুৰুজ দ-লৈকে পুতি নদীৰ সোঁতক বিপদমুক্ত দিশলৈ আঁতৰাই দিব পাৰিলে গৰাৰ নিম্ন-খনন ৰোধ কৰিব পৰা যাব। সেয়া হ'লে ওপৰৰ মাটিৰ সৈতে খহনীয়া সম্পূৰ্ণ ৰোধ হ'ব।

কিছুমান গছ-গছনি বা ঘাঁহ-বনে গৰাৰ ওপৰৰ স্তৰবোৰৰ মাটি ধৰি ৰাখিব পৰা ক্ষমতা থকা দেখা যায়। যিবোৰ ঠাইত গৰাৰ নিম্নাংশ আলতীয়া মাটিৰে গঠিত আৰু মাটিবোৰ খহনীয়া প্ৰতিৰোধ কৰিব পৰা ক্ষমতা থকা বিধৰ, তেনে ঠাইত ওপৰৰ কোমল পলসুৱা স্তৰ বা মাটিক ধৰি ৰাখিব পৰাকৈ ওপৰোক্ত ধৰণৰ গছ-বন ৰোৱাৰ ব্যৱস্থা কৰিব লাগিব।

গোটেই মাজুলীৰ বাবে খহনীয়া প্ৰতিৰোধ ব্যৱস্থা একেবিধৰ নহ'ব। নদীৰ সোঁতৰ দিশ আৰু গৰাৰ স্তৰবোৰৰ গঠন ভালদৰে অধ্যয়ন কৰি লৈহে যুক্তিযুক্তভাৱে ভিন্ ভিন্ ঠাইত বিভিন্ন ব্যৱস্থা হাতত ল'ব লাগিব।

মাজুলীৰ বানপানীৰ ক্ষয়-ক্ষতিৰ পৰিমাণ দিনক-দিনে বৃদ্ধি পাই আহিছে। মূল নৈখনলৈ অহা পানীৰ পৰিমাণ হ্ৰাস কৰিব পাৰিলে আৰু নদীখনৰ পানী কঢ়িওৱা ক্ষমতা বৃদ্ধি কৰিব পাৰিলে বানপানীৰ প্ৰাৱল্য কমি যাব। মথাউৰি বান্ধি বানপানী প্ৰতিৰোধ কৰা হৈ আছে যদিও এই ব্যৱস্থাই নদীখনৰ প্ৰাকৃতিক ভাৰসাম্যতাৰ ওপৰত মাধমাৰ সোধায়। অকাৰিকৰীভাৱে নিৰ্মিত মথাউৰি ছিগি গ'লে যি বানপানী হয়, তাৰ ক্ষয়-ক্ষতি সাধাৰণ বানপানীৰ তুলনাত অনেকগুণে বেছি। অসংখ্য সুঁতিৰে ভৰা মাজুলীৰ সকলো চুক-কোণ সামৰি মথাউৰি সজা কামটোও বৰ জটিল বিষয়। যিহেতু ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে সৰহভাগ ঠাইত মথাউৰি সজা হৈছে; গতিকে মথাউৰি নথকা ঠাইবোৰত ঠাইবোৰত

বানপানী হোৱাটো স্বাভাৱিক।

নদীৰ পানী-পৰিবহন ক্ষমতা বঢ়াবৰ বাবে তলিখন খনন কৰিব পাৰি। তদুপৰি, বৰ্তমান বান্ধ কৰি দিয়া খেৰকটীয়া সুঁতিয়েদি বাৰিষা এসোঁতা পানী ব'বলৈ দিয়াৰ ব্যৱস্থা কৰিলে মূল ব্ৰহ্মপুত্ৰলৈ অহা পানীৰ পৰিমাণ কিছু কমিব।

যেতিয়ালৈকে স্থায়ী বান্ধৰ দৰে ব্যৱস্থা কৰি নদীৰ বান-নিয়ন্ত্ৰণ কৰা নাযায়, তেতিয়ালৈকে বানপানীৰ পৰা হ'ব পৰা ক্ষয়-ক্ষতি হ্ৰাস কৰিব পৰা আঁচনি যুগুতোৱাহে যুক্তিকৰ কাম হ'ব। প্ৰত্যেকৰে এটি হ'লেও চাংঘৰ, সমূহীয়া ওখ ভেঁটি, নাও বা ভুৰ সাজিবলৈ কলগছ ৰোৱাৰ ব্যৱস্থা কৰা উচিত। বানপানীত তিষ্ঠিব পৰা জাতৰ শস্যৰ বীজ নিৰ্বাচন, ৰবি শস্যত অধিক গুৰুত্ব আৰু বানপানীৰ ক্ষয়-ক্ষতিৰ বাবে চৰকাৰী বীমা-ব্যৱস্থাই বানপীড়িত ৰাইজক সকাহ দিব বুলি ভবাৰ যুক্তি আছে।

(ড° যোগেন শৰ্মা)

## (তিনি)

পৃথিৱীৰ ঐতিহ্যপূৰ্ণ স্থান হিচাপে সংৰক্ষণ কৰিবলৈ বিচৰা (ইতিমধ্যে ইউনেস্ক'ই বিশ্ব-ঐতিহ্য সাংস্কৃতিক কেন্দ্ৰৰ স্বীকৃতি দিবলৈ লৈছেই) মাজুলীৰ অস্তিত্বৰ সমুখত প্ৰশ্নবোধক চিন হিচাপে থিয় দিছে বানপানী আৰু গৰাখহনীয়াই। দ্বীপ হিচাপে মাজুলীৰ সৃষ্টিৰ মূলতেই হ'ল বানপানী। ভাৰতীয় ভূতাত্ত্বিক জৰীপ বিভাগৰ মতে সোৱণশিৰি উপত্যকাৰ সমতলভূমি ক্ৰমান্বয়ে তললৈ বহি গৈ আছে। হিমালয় পৰ্বতমালা অবিৰতভাৱে ওখ হৈ গৈ থকাৰ এইটো পৰিপূৰক প্ৰক্ৰিয়া বুলি এই বিভাগে মত প্ৰকাশ কৰিছে। গতিকে বানপানীৰ পলসৰ সহায়ত ক্ৰমান্বয়ে ওখ হৈ যোৱাৰ সম্ভাৱনা মাজুলীৰ ক্ষেত্ৰত অতি ক্ষীণ। মাজুলীৰ গৰাখহনীয়াৰ বুৰঞ্জীলৈ চালে দেখিবলৈ পোৱা যাব যে স্বয়ং শংকৰদেৱে ১৫২৪ খ্ৰী:তেই স্থাপন কৰা মাজুলীৰ প্ৰথমখন সত্ৰ বেলগুৰি গৰাখহনীয়াই নাইকিয়া কৰিলে। মহেশ্বৰ নেওগদেৱৰ মতে "১৮৩৭ শকৰ (১৯১৪ খ্ৰী:) বাৰিষা ব্ৰহ্মপুত্ৰই থান খহাই নিয়ে, সত্ৰ লখিমপুৰলৈ (কাচিকটা) উঠি যায়।" ১৮৫৩ খ্ৰী:ত ম'ফাট মিল্‌ছে (A. J. Moffat Mills) অসমৰ বিষয়ে এখন প্ৰতিবেদন লিখি থৈ গৈছে, নাম—'Report on the Province of Assam। ইয়াৰ মতে 'মাজুলীৰ মুঠ মাটিকালি ২,৮২,১৬৫ একৰ (১১৪৩ বৰ্গ কি: মি:); কিন্তু ইয়াৰে মাত্ৰ ৭,৪৪৬ একৰৰ পৰাহে খাজনা আদায় হয়।" ১৯৭১ খ্ৰী:ৰ লোকপিয়লত অসমৰ বিষয়ে লিখা 'General Report, Part I-A'ত শিৱসাগৰ জিলা শিতানত লিখা হৈছে— ব্ৰহ্মপুত্ৰৰ উত্তৰলৈ থকা মাজুলী পৃথিৱীৰ বৃহত্তম নদী-দ্বীপ। মাটিকালি প্ৰায় ৫৭৮ বৰ্গ কি: মি:। এই মাটিকালিত মাজুলী থানাৰ অধীনৰ ১৭৯খন গাঁও অন্তৰ্ভুক্ত কৰা হৈছে। ১৯৯১ খ্ৰী:ৰ লোকপিয়লত কিন্তু মাজুলী ৰাজহ চক্ৰৰ অধীনৰ ২৪৪খন গাঁৱৰ মাটিকালি লৈ মাজুলীৰ মুঠ মাটিকালি ৮৮২ বৰ্গ কি: মি: বুলি প্ৰতিবেদন প্ৰকাশ কৰা হৈছে। ইয়াৰে বহুতো গাঁও মাজুলীৰ দাঁতিৰ চাপৰিত থকা, যেনে— পৰম চাপৰি গাঁও, কাচিকটা চাপৰি গাঁও, চৰাই চাপৰি গাঁও ইত্যাদি। সি যি কি নহওক, মাজুলী দ্বীপৰ যে এক-তৃতীয়াংশতকৈও বেছি মাটি গৰাখহনীয়াই নিশ্চিহ্ন কৰিলে, সেই বিষয়ে কোনো সন্দেহ নাই। ১৯৩৬ খ্ৰী:ৰ মাজুলীৰ মানচিত্ৰৰ লগত বৰ্তমানৰ মাজুলীক ৰিজাই চালেই এই কথা জলজল পট্‌পটকৈ ওলাই পৰিব। পশ্চিম মাজুলীৰ আঁহতগুৰি মৌজা এতিয়া প্ৰায় নিশ্চিহ্ন; ই এতিয়া কেইটামান চাপৰিৰহে সমষ্টি।

এতিয়াৰ পৰা ঠিক এশ বছৰৰ আগৰ মাজুলীৰ এখন ছবি পোৱা যায় ১৯০৬ খ্ৰী:ৰ শিৱসাগৰ জিলাৰ গেজেটিয়াৰত দিয়া বি. ছি. এলেন (B. C. Allen)ৰ বৰ্ণনাৰ পৰা। "প্ৰায় গোটেইখন মাজুলীয়েই ইমান দ যে ই কঠীয়া পাৰি ৰোৱা ধানখেতিৰ কাৰণে উপযুক্ত নহয়; ইয়াৰ প্ৰধান শস্য গ্ৰীষ্মকালত হোৱা ধান (বড়ো আৰু আহু) আৰু সৰিয়হ।" যোৱা এটা শতিকাত মাজুলীৰ এই অৱস্থাৰ অলপো পৰিৱৰ্তন হোৱা নাই।

ৰাষ্ট্ৰসংঘৰ সহায় লৈ মাজুলীক সংৰক্ষণ কৰিবলৈ সম্প্ৰতি চেষ্টা কৰা হৈছে; কিন্তু বানপানী আৰু খহনীয়াৰ পৰা মাজুলীক ৰক্ষা কৰাটো কিমানদূৰ সম্ভৱ ? অতীতলৈ উভতি চালে দেখিবলৈ পোৱা যাব যে, মহাভাৰতৰ যুগৰ পৰাই, তিনি হাজাৰ বছৰৰো অধিক সময়জুৰি প্ৰসিদ্ধ হোৱা অসমৰ দুখন নগৰৰ অস্তিত্বৰ প্ৰতি ব্ৰহ্মপুত্ৰৰ বানপানী আৰু খহনীয়া কেতিয়াও ভাবুকি হৈ দেখা দিয়া নাই। প্ৰথমখন ভগদত্তৰ ৰাজধানী প্ৰাগজ্যোতিষপুৰ, এতিয়াৰ গুৱাহাটী; দ্বিতীয়খন বাণ ৰজাৰ ৰাজধানী শোণিতপুৰ, এতিয়াৰ তেজপুৰ। দুয়োখন নগৰেই ব্ৰহ্মপুত্ৰৰ

পাৰত। মধ্যযুগৰ পৰাই নদী-বন্দৰ আৰু লগতে নৌবাহিনীৰ কোঠ হিচাপে খ্যাতি লাভ কৰা ঠাইকেইখন হ'ল ধুবুৰী, যোগীঘোপা, শৰাইঘাট আৰু কলিয়াবৰ। গুৱাহাটীকে মুখ্য কৰি এই আটাইকেইখন ঠাইৰেই এটা উমৈহতীয়া বৈশিষ্ট্য আছে। প্ৰত্যেকখনৰেই ভিত্তি কঠিন শিলাস্তৰৰ ওপৰত। এই শিলাস্তৰেই ঠাইকেইখনৰ প্ৰকৃতিদত্ত ৰক্ষাকবচ। মাজুলীৰ অস্তিত্ব আঢ়েশ বছৰতকৈ অলপহে বেছি। গতিকে মাজুলীক ৰক্ষা কৰিবলৈ প্ৰযুক্তি বিদ্যাৰ সহায় লোৱাৰ বাহিৰে গত্যন্তৰ নাই। অসমৰ আন এখন প্ৰাকৃতিক সুৰক্ষা নোহোৱা নগৰ হ'ল ডিব্ৰুগড়। যোৱা আধা শতিকাজুৰি ডিব্ৰুগড়ক বানপানী আৰু খহনীয়াৰ পৰা ৰক্ষা কৰিবলৈ যিবোৰ ব্যৱস্থা লোৱা হৈছে, সেইবোৰ কিমানদূৰ ফলপ্ৰসূ হৈছে সি সকলোৱে জনা কথা। প্ৰকৃতিৰ শক্তিসমূহৰ সন্মুখত প্ৰযুক্তিবিদ্যা কিমান অসহায় ডিব্ৰুগড়ত তাৰেই প্ৰমাণ পোৱা গৈছে। ৰাষ্ট্ৰসংঘৰ পৰা লাভ কৰা প্ৰযুক্তিবিদ্যা মাজুলীৰ ক্ষেত্ৰত সফল হ'ব বুলি আশা কৰাৰ বাহিৰে অন্য পথ নাই। (তৰুণ চন্দ্ৰ ভট্টাচাৰ্য)

## মাজুলীৰ যাতায়াত

অতীত মাজুলীৰ যাতায়াত, ৰাস্তা-ঘাটৰ বিষয়ে যি সামান্য লিখিত বৰ্ণনা তথা বয়োবৃদ্ধলোকৰ চাক্ষুস বিৱৰণ পোৱা যায়, সেই প্ৰতিচ্ছবিৰ লগত সাম্প্ৰতিক মাজুলীৰ বাট-পদূলি বা যাতায়াত ব্যৱস্থাৰ তুলনা কৰিলে উন্নতি হোৱা বুলিয়ে ক'ব লাগিব। অৱশ্যে এই উন্নতিয়ে মাজুলীক এতিয়াও আধুনিক যুগৰ চৰিত্ৰ প্ৰদান কৰিব পৰা নাই। দূৰ-দূৰণিৰ পৰা মাজুলী চাবলৈ অহা লোক বা পৰ্যটকৰতো দূৰৰে কথা, মাজুলীতে ডাঙৰ-দীঘল হোৱা লোকৰ বাবেও মাজুলী এতিয়াও এখন দুৰ্গম ঠাইৰূপে পৰিচিত। 'প্ৰাক্-স্বাধীন মাজুলীৰ ছঁয়া-ময়া ছবি' শীৰ্ষক এক প্ৰবন্ধত[১] প্ৰয়াত তৰুণ পামেগামে লিখিছিল— "কথিত সময়ৰ মাজুলীত আলি-পদূলি দূৰৰে কথা এখন ঠাইৰ পৰা আন এখন ঠাইলৈ যাবলৈ সাধাৰণ বাটো নাছিল। গোটেই মাজুলী হাবি-জংঘলেৰে ভৰা আছিল। নৈৰ পাৰে পাৰে বা গাঁৱৰ খেতি-খোলাৰ কাষে-কাষে হাবি আৰু কাঠনিৰ লুংলুঙীয়া বাটেদি মানুহে যাতায়াত কৰিছিল।" মাজুলীৰ এই দুৰ্গম পৰিবেশ আৰু যাতায়াতৰ বৰ্ণনা মাত্ৰ ত্ৰিশ-চল্লিশ দশকৰ। ড° জন পীটাৰ ৱেডৰ বৰ্ণনা অনুসৰি ১৮০০ খ্ৰী:ত মাজুলীৰ 'প্ৰায় এক চতুৰ্থাংশ' ঠাই অনাবিষ্কৃত হৈয়ে আছিল।[২] দুৰ্গম যাতায়াত আৰু হাবি-জংঘলময় পৰিবেশেই উল্লিখিত সময়ত মাজুলী অনাবিষ্কৃত হৈ থকাৰ কাৰণ আছিল বুলি নিঃসন্দেহে ক'ব পাৰি। প্ৰয়াত মুক্তিযোদ্ধা জননেতা দেৱেশ্বৰ শৰ্মাই প্ৰয়াত পীতাম্বৰদেৱ গোস্বামী সম্পৰ্কীয় এক প্ৰবন্ধত[৩] সন্ধিয়া বনৰীয়া হাতী-ম'হৰ ভয়ত কমলাবাৰীৰ পৰা গড়মূৰলৈ যাব নোৱাৰাৰ কথা উল্লেখ কৰিছে। সেয়া ১৯২০ খ্ৰী:ৰ কথা। বৰ্তমানৰ মাজুলীৰ আটাইতকৈ উন্নত আৰু গুৰুত্বপূৰ্ণ স্থান কমলাবাৰী আৰু গড়মূৰৰ দূৰত্ব ৫/৬ কিলোমিটাৰতকৈ বেছি নহয়। সেই সময়ত এই দুই ঠাইত বনৰীয়া জীৱ-জন্তুৰ অৱস্থিতিয়ে মাজুলীৰ অন্যান্য ভিতৰুৱা ঠাইবোৰ যে অধিক দুৰ্গম আৰু অৰণ্যময় তাৰ এক স্পষ্ট ধাৰণা দিয়ে। অৱশ্যে, ১৮ শতিকা অথবা ১৯ শতিকাত মাজুলীৰ জনসংখ্যা যথেষ্ট কম হোৱাৰ বাবেও বহু অঞ্চল হাবি-জংঘলেৰে আবৃত হৈ আছিল। 'আলি-পদূলি, বান্ধ-মথাউৰি নোহোৱা সেইকালৰ মাজুলী বাৰিষাকালত এখন পানীৰ পৃথিৱীত পৰিণত হৈছিল।'[৪] এনে এক পৰিবেশত আলি-পদূলিৰ অৱস্থা কেনেকুৱা হ'ব সি সহজে অনুমান কৰিব পাৰি। আনহে নালাগে স্বাধীনোত্তৰ কালতো ১৯৫৫-৬০ খ্ৰী: পৰ্যন্ত মাজুলীৰ দুৰ্গম আৰু শোচনীয় বাট-পথৰ বিশেষ পৰিৱৰ্তন হৈছিল বুলি ক'ব নোৱাৰি। লোকেল ব'ৰ্ডৰ তত্বাৱধানত মাজুলীৰ ৰাস্তা-পদূলিৰ উন্নয়ন তথা চোৱা-চিতাৰ বাবে ইতিমধ্যে যি ব্যৱস্থা হৈছিল, তেতিয়াও আক্ষৰিক অৰ্থত মাজুলীত সুচল ৰাস্তা-পদূলিৰ অৱস্থিতিয়ে নাছিল। মানুহৰ বাৰীতকৈ চাপৰ লুংলুঙীয়া বাটেই আছিল আন্তঃ-মাজুলীৰ যোগাযোগৰ মাধ্যম। লোকেল ব'ৰ্ডে মাজে-সময়ে ইয়াৰ কাষৰ মাটি কাটি গাঁত আদি পূৰাই অথবা বন-বাত আঁতৰাই উন্নতি সাধন কৰিছিল।[৫]

১৯৫২ খ্ৰী:ত অনুষ্ঠিত সাধাৰণ নিৰ্বাচনৰ (দেশৰ প্ৰথমটো) পিছৰে পৰা মাজুলীত কেইটামান বাট-পথ নিৰ্মাণৰ কাম সম্পন্ন হয়। হালধিবাৰী-বেচামৰা ব্ৰহ্মপুত্ৰ ডাইক আছিল ইয়াৰ ভিতৰত অন্যতম। প্ৰাপ্ত তথ্যমতে ১৭ মাইল দৈৰ্ঘ্যৰ সেই বান্ধটো সেই সময়ত উজনি অসমৰ ভিতৰতে সৰ্বাধিক দীঘল বান্ধ হিচাপে পৰিগণিত হৈছিল।[৬]

মাজুলীৰ অনুসূচীত জাতিৰ প্ৰতিনিধি, বিধায়ক ৰামনাথ দাস গড়কাপ্তানী মন্ত্ৰী হৈ থকা সময়তে মাজুলীৰ কেইবাটাও গুৰুত্বপূৰ্ণ পথৰ উন্নয়ন সাধন হোৱা বুলি জনা যায়। কমলাবাৰী-হালধিবাৰী (গড়মূৰ-জেংৰাই হৈ) গড়কাপ্তানী পথৰ কাম (১৯৬২ খ্ৰী:ত) সম্পন্ন হোৱাত মাজুলীৰ যাতায়াতৰ বুৰঞ্জীত এক নতুন অধ্যায় সুচনা হয়। মাজুলীৰ

ইমূৰৰ পৰা সিমূৰলৈ অহা-যোৱা কৰিবৰ নিমিত্তে এটি সুচল পথ হোৱাত ই মাজুলীৰ ৰাজহাড়স্বৰূপে পৰিগণিত হয়। একেদৰে কমলাবাৰী-শালমৰা (মাজুলী ৰ'ড), গড়মূৰ-বালিচাপৰি আদি পথ নিৰ্মাণৰ কামো হ'বলৈ ধৰে।

উল্লেখিত ৰাস্তা-পদূলি আৰু সামগ্ৰিকভাৱে বিল, ডুবি, সুঁতি, নলনি, বাঁহ-বেতনিৰে ভৰা মাজুলীৰ তদানীন্তন কালত বিশেষকৈ বাৰিষা যোগাযোগৰ প্ৰধান আহিলা আছিল নাও, যিটো ব্যৱস্থা এতিয়াও তেনেই সুলভ। খৰালি কালত গৰুগাড়ী আৰু কমসংখ্যক হাতী-গাড়ী বাহন হিচাপে ব্যৱহৃত হৈছিল। এনে দুৰ্গম পৰিবেশত কমলাবাৰী বা বনগাঁৱৰ পৰা চিকিৎসক আনিবলৈ হ'লে হাতীয়েই আছিল উত্তম বাহন। উজনি মাজুলীত অন্ততঃ চল্লিশ দশক পৰ্যন্ত এখনো চাইকেল দেখিবলৈ পোৱা নগৈছিল। ইয়াৰ পৰৱৰ্তী সময়ত যি দুই-এখন চাইকেল দেখিবলৈ পোৱা গৈছিল, সেইবোৰো কলিকতাৰ পৰা 'মগাই' অনা হৈছিল।

যি কি নহওক, ব্ৰিটিছৰ শাসনৰ কালতেই সম্ভৱতঃ ১৯২৫ খ্ৰী: মানৰ পৰাই কমলাবাৰীৰ পৰা ককিলামুখলৈ; পিছত নিমাতিলৈ এই পাৰঘাট দুটাত জাহাজ চলিছিল। স্থলপথৰ ক্ষেত্ৰত কমলাবাৰীৰ পৰা উত্তৰ লক্ষীমপুৰলৈ (বৰ্তমান লখিমপুৰ) সম্ভৱ ১৯০১/০২ খ্ৰী:তে এটা গড়কাপ্তানী পথ নিৰ্মাণ কৰা হৈছিল আৰু বৰ্তমানো খণ্ড-বিখণ্ড অৱস্থাত চলি থকা দেখা গৈছে। কথিত আছে যে, এই পথটো হেনো তেতিয়াৰ অসমৰ বিভিন্ন জেলৰ কয়দীবিলাকৰ হতুৱাই নিৰ্মাণ কৰোৱাইছিল। ১৯৫৬/৫৭ খ্ৰী:ৰ পিছৰ পৰাহে মাজুলীত সীমিতভাৱে যান-বাহনৰ চলাচল হয়। তেতিয়াৰ গড়কাপ্তানী মন্ত্ৰী ✓ৰামনাথ দাসৰ কাৰ্যকালতে মাজুলীৰ গড়কাপ্তানী আৰু মথাউৰিৰ কাম আৰম্ভ হৈছিল বুলি ইতিপূৰ্বে উল্লেখ কৰা হৈছে। উল্লেখযোগ্য যে, ১৯৪০ খ্ৰী:মানৰ আগতে থকা মাথোঁ কিছুসংখ্যক বাইচাইকেলৰ বিপৰীতে এতিয়া প্ৰায় ঘৰে ঘৰে বাইচাইকেলৰ উপৰিও স্কুটাৰ-মটৰচাইকেল আৰু বিবিধ মটৰ গাড়ী দেখিবলৈ পোৱা যায়। কেৱল সেয়ে নহয়, মাজুলীত এতিয়া বহুকেইখন ডাঙৰ-সৰু বাছ আৰু অসংখ্য ট্ৰাক আদিয়ে মাজুলীৰ যাতায়াত তথা পৰিবহন ব্যৱস্থা পূৰ্বতকৈ সহজ কৰি তুলিছে। এয়া নিশ্চয় সময় আৰু প্ৰয়োজনৰ তাগিদাৰেই ফলশ্ৰুতি।

মাজুলীত মটৰগাড়ী নচলাৰ সময়ত বিয়াত দৰাই হাতীত উঠি আৰু বৰযাত্ৰীসকলে খোজকাঢ়ি কইনাৰ ঘৰলৈ গৈছিল। পিছত নতুন দৰা-কইনাই আঠ-মঙলা খাবলৈ যাওঁতে ৰঙা গোলাপফুল থকা টিনৰ চুটকেছ হাতত লৈ খোজকাঢ়ি যোৱাৰ দৃশ্য তেনেই সুলভ আছিল। বৰ্তমান দৰা-কইনা বাদেই, অন্যলোকেও এমাইল-দুমাইল খোজকাঢ়িবলৈয়ো এলাহ কৰে। কমলাবাৰীত পঢ়ি থকা সময়ত (১৯৪২-৪৯ খ্ৰী:) যেতিয়া এমাহ/দুমাহৰ মূৰত দূৰৈৰ ছাত্ৰবোৰ ঘৰলৈ গৈছিল, তেতিয়া প্ৰায় ২৫ মাইলমান বাট খোজকাঢ়ি গৈ দিনটোৰ ভিতৰতে ঘৰ পোৱাৰ কথা আজিও বহুতৰ মনত সেউজ হৈ আছে।

মাজুলীৰ যাতায়াত ব্যৱস্থা জলপথ আৰু স্থলপথৰ ওপৰত নিৰ্ভৰশীল। মাজুলীৰ চাৰিওফালে থকা যোৰহাট, শিৱসাগৰ, লখিমপুৰ আদি প্ৰত্যেক ঠাইৰ সৈতে জলপথেৰে অহা-যোৱা কৰিব পাৰি। ইয়াৰ বাবে ইঞ্জিনযুক্ত নাও আৰু ফেৰীৰ ব্যৱস্থা আছে। আনহাতে লখিমপুৰৰ সৈতে মাজুলীক জলপথ আৰু স্থলপথ উভয়ে সংযোগ কৰিছে। আন্তঃমাজুলীৰ ৰাস্তা-পদূলিৰ অধিকাংশই কেঁচা অৰ্থাৎ মাটিৰ। ১৯৭৮ খ্ৰী:ৰ পাছত মহকুমাৰ মৰ্যাদা পোৱা মাজুলীত পকী পথ মাত্ৰ ১২ কি: মি:। এই তথ্যই মাজুলীৰ যাতায়াতৰ উন্নতিৰ ছবি দাঙি ধৰে। স্বাধীনোত্তৰ কালত মাজুলীৰ পথ-ব্যৱস্থাৰ উন্নতিকল্পে নিৰ্মিত শিল দিয়া গড়কাপ্তানী পথসমূহৰ অৱস্থাও সন্তোষজনক নহয়। প্ৰায়ে বানাক্ৰান্ত হৈ থকাৰ বাবে পথসমূহ বহু ঠাইত খণ্ড-বিখণ্ড হৈ স্বাভাৱিক যাতায়াতৰ অনুপযোগী হৈ পৰা দেখা যায়। ফলস্বৰূপে এনে পথত বাছৰ চলাচল বন্ধ হৈ পৰে আৰু উক্ত অঞ্চলসমূহে বাছ-সেৱাৰ পৰা বঞ্চিত হৈ থাকিবলগা হয়। এতিয়াও (২০০১ খ্ৰী: পৰ্যন্ত) মাজুলীৰ এনে অঞ্চল আছে য'ত দুই/তিনি কিল'মিটাৰ পথ অতিক্ৰম কৰিবলৈ দুই/তিনিবাৰ টুলুঙা নাৱত পাৰ হ'ব লাগে। ইয়াৰ পথৰ দুৰৱস্থাৰ এটা উদাহৰণ দিলেই যথেষ্ট হ'ব। ১৯৬২ চনৰ প্ৰবল বানত কমলাবাৰী আৰু গড়মূৰ পথত ডৰিয়া নামৰ ঠাইত এটা ডুবি হ'ল আৰু পৰৱৰ্তী সময়ত ডুবিৰ ওপৰত এখন কাঠৰ দলং দিয়া হৈছিল। প্ৰাপ্ত তথ্য মতে ১৯৭৪ খ্ৰী:ত সেই দলংখন বানে উটুৱাই নিয়ে। বিস্ময়কৰ কথা এই যে দলংখন উটুৱাই নিয়াৰ একুৰি সাত বছৰৰ পাছতো পুনৰ এখন দলং হৈ নুঠিল। ফলত বাৰিষা ডুবিটো পানীৰে পূৰ্ণ হৈ যোৱাৰ লগে লগেই আৰম্ভ হয় পথাচাৰীৰ দুৰ্যোগ। বিভাগীয় কৰ্তৃপক্ষই মেচিনযুক্ত মাৰ-নাৱৰ ব্যৱস্থা কৰিলেও জৰুৰী কামৰ বাবে অহা-যোৱা কৰা লোকে নিৰ্দিষ্ট মূল্যৰ বিনিময়ত পাৰাপাৰৰ বাবে থকা হাত-নাৱত পাৰ হ'ব লাগে। অৱশ্যে খৰালি পানী শুকাই যোৱাৰ ফলত ডুবিটোৰ পশ্চিম মূৰেদি নিৰ্মিত উপপথেদি যাতায়াত বাহাল থাকে। উল্লেখ্য যে মাজুলীৰ বহু অঞ্চলত এনেধৰণে

নাৱৰ সহায়ত (কিছুমান নাও গাঁও পঞ্চায়ত বা গড়কাপ্তানী বিভাগে চলায় আৰু যাত্ৰীয়ে বিনা-পইচাৰে পাৰাপাৰ হ'ব পাৰে।) যোগাযোগ চলি আছে। তদুপৰি এনে বহু ঠাই আছে য'ত বাঁহৰ দলং আৰু সাঁকোৰেদি পাৰাপাৰ হ'ব লাগে। অবিশ্বাস্য হ'লেও সত্য যে মাজুলীৰ যাতায়াত-যোগাযোগ দুৰ্গম কৰি তোলা বহু অঞ্চলত (বিশেষকৈ বাৰিষা কালত) ৰোগী দূৰ-দূৰণিলৈ নিবৰ বাবে চাইকেল, ঠেলা আদিত তুলি পাৰঘাটলৈ অথবা কোনো চিকিৎসালয়লৈ নিব লগা হয়। এনে বিধ্বস্ত যাতায়াত-যোগাযোগে মাজুলীৰ আনুষংগিক বহু সমস্যাৰ সৃষ্টি কৰিছে। অৰ্থনৈতিক বাধাস্বৰূপ এই যোগাযোগৰ ফলত মাজুলীবাসীয়ে অত্যাধিক মূল্যত বয়-বস্তু ক্ৰয় কৰিব লগাত পৰে। উদাহৰণ স্বৰূপে যোৰহাটৰ পৰা নিমাতি ঘাটলৈ অনা বয়-বস্তু পুনৰ ফেৰী বা মাঝি-নাৱত ভৰাই মাজুলী পাৰৰ পৰা বিভিন্ন ঠাইলৈ নিব লগা হোৱাত স্বাভাৱিকতে পৰিবহনৰ অতিৰিক্ত খৰচ গ্ৰাহকসকলে ভৰিব লাগে। এনে প্ৰেক্ষাপটত অৰ্থনৈতিকভাৱে দুৰ্বল মাজুলীবাসীৰ জীৱন-ধাৰণৰ বোজা বহুগুণে বৃদ্ধি পাইছে। গভীৰ উদ্বেগৰ কথা হৈছে, মাজুলীবাসীয়ে এইবোৰ সমস্যাৰ পৰা মুক্তি পোৱাৰ সম্ভাৱনাও অতি কম। অৱশ্যে মাজুলীৰ বিশেষ ভৌগোলিক পৰিৱেশ তথা প্ৰাকৃতিক কাৰণতেই মুখ্যতঃ বাট-পদূলিবোৰৰ ব্যাপক অনিষ্ট হয়। মাজুলীৰ নৈপৰীয়া দিশৰ মাটি বালিয়া হোৱাৰ বাবে আৰু বালিয়া মাটিৰেই বাট-পথ নিৰ্মাণ কৰাৰ বাবে বাৰিষা পানীৰ কম প্ৰাবল্যতে সিবোৰৰ ব্যাপক ক্ষতি সাধন হয়। দ্বিতীয়তে ইয়াৰ পানী ওলাই যাবৰ বাবে বাট-পথত পৰ্যাপ্ত আৰু পৰিকল্পিতভাৱে কালভাৰ্ট, দলং আদি নিৰ্মাণ নকৰাত ৰাস্তা-পদূলিৰ ক্ষতি অধিক হয়। আনহাতে প্ৰতি বছৰে বানৰ প্ৰকোপত জুৰুলা হোৱা বাট-পথবোৰ ভালদৰে নিৰ্মাণ কৰিবলৈ নৌপাওঁতেই (বহু সময়ত নিৰ্মাণৰ প্ৰস্তুতিয়ে শেষ নহয়) পুনৰ বাঢ়নি পানী বা বাৰিষাৰ বতৰে যাতায়াত ব্যৱস্থা বিচ্ছিন্ন কৰি পেলায়। অতি বিস্ময়কৰ কথা যে প্ৰয়াত বিধায়ক কৰুণা দত্তই বিধায়কৰ স্থানীয় এলেকা উন্নয়ন পুঁজিৰে স্থানীয় ৰাইজৰ সহযোগত ভকতিদুৱাৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ সন্মুখৰ এটা পথত ১৯৯৮-৯৯ খ্ৰী:ত নিৰ্মাণ কৰা ১৮×১৪ ফুট পকী দলংখনৰ বাহিৰে সমগ্ৰ মাজুলী মহকুমাটোৰ ক'তো এখন পকী দলং নাই।

যি কি নহওক, বান-বিধ্বস্ত মাজুলীৰ অধিকাংশ অঞ্চল এতিয়াও বাছ-সেৱাৰ পৰা বঞ্চিত হৈ আছে। বিশেষকৈ উজনি মাজুলীৰ ব্যাপক অঞ্চলত বাছ-সেৱা কৰিব পৰা পথ নাই। এনেবোৰ অঞ্চলৰ লোকে নিজস্ব যান-বাহন, যেনে– চাইকেল, স্কুটাৰ, মটৰচাইকেল লৈ অথবা খোজকাঢ়িয়ে ফেৰীঘাট বা অন্যান্য ঠাইলৈ যাবলগা হয়। প্ৰণিধানযোগ্য যে, এনে ঠাইত দোকান-বজাৰৰ বয়-বস্তু ঘাটৰ পৰা ঘোঁৰাগাড়ীৰে অনা-নিয়া কৰা দৃশ্য তেনেই স্বাভাৱিক। বৰ্তমান মাজুলীৰ বিভিন্ন ঠাইৰ পৰা কেইবাটাও ঘাটলৈ বাছ চলাচল হয় যদিও যাতায়াত ব্যৱস্থা অতি কষ্টকৰ। তদুপৰি বাৰিষা কালত কেইবাটাও পথত সেই ব্যৱস্থাও বন্ধ হৈ পৰে। মাজুলীৰ খণ্ড-বিখণ্ড বাট-পথসমূহৰ ছবিয়ে যোৰহাট জিলাৰ গুৰুত্বপূৰ্ণ মহকুমাটোৰ শোচনীয় অৱস্থা প্ৰকট কৰি তোলে। যুগে যুগে জন-জীৱন বিপৰ্যস্ত কৰি অহা সত্বেও মাজুলীবাসী অসহায় দৰ্শক হোৱাৰ বাহিৰে উপায় নাই। এনে প্ৰতিকূল পৰিস্থিতিৰ সৈতে মাজুলীৰ জনসাধাৰণে সহাৱস্থান কৰি জীৱন অতিবাহিত কৰাৰ বাহিৰে বিকল্প নোহোৱা হৈছে।

•


**পাদটীকা :**

১। 'প্ৰকাশ' ষষ্ঠ বছৰ পঞ্চম সংখ্যা, ১৯৮১ খ্ৰীষ্টাব্দ।
২। 'The History of Assam' গ্ৰন্থৰ লগত সংযোজিত A Geographical Sketch of Assamৰ 33 পৃষ্ঠা।
৩। মহাপুৰুষ শ্ৰীশ্ৰীপীতাম্বৰদেৱ গোস্বামী, পীতাম্বৰ প্ৰতিভা, সম্পাদক: দিলীপ কুমাৰ ফুকন, পৃ. ৭।
৪। তৰুণ পামেগামৰ ওপৰোক্ত প্ৰবন্ধৰ পৰা উদ্ধৃত।
৫। ১৯৫৫-৬০ খ্ৰী:লৈ মাজুলীৰ লোকেল ব'ৰ্ডৰ এজন সদস্য অৱসৰপ্ৰাপ্ত ন্যায়াধীশ শ্ৰীনগেন হাজৰিকাৰ পৰা সংগৃহীত তথ্য।
৬। সুদীৰ্ঘ দিনধৰি মাজুলীৰ ই. এণ্ড. ডি. বিভাগত কাম কৰি অৱসৰ গ্ৰহণ কৰা শ্ৰীকনক মহন্তৰ পৰা সংগৃহীত তথ্য।



# পৰিশিষ্ট (ক)

# লেখকৰ চমু পৰিচয়



**দিলীপ কুমাৰ ফুকন :** অসম সাহিত্য সভাৰ সৈতে অতি ঘনিষ্ঠভাৱে জড়িত দিলীপ কুমাৰ ফুকন মুখ্যতঃ সাহিত্য-চৰ্চা তথা সামাজিক কামত জড়িত হৈ থকাৰ লগতে ইতিমধ্যে তেওঁ অসমৰ, বিশেষকৈ যোৰহাট (মাজুলীকে ধৰি) আৰু লখিমপুৰ জিলাৰ বহুতো প্ৰত্নতাত্বিক কলা-সম্পদ উদ্ধাৰ আৰু সংৰক্ষণৰ বাবে অহোপুৰুষাৰ্থ কৰি আহিছে। অসমীয়া সাহিত্যৰ স্নাতকোত্তৰ শ্ৰীফুকনৰ জন্ম মাজুলীৰ শিলিখাগুৰি গাঁৱত । সম্প্ৰতি উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ত প্ৰবক্তাৰূপে কৰ্মৰত। অনেক চিন্তাশীল তথা গবেষণামূলক প্ৰবন্ধৰ লেখক শ্ৰীফুকনে তৰুণচন্দ্ৰ পামেগামৰ ৰচনাৱলী (১ম খণ্ড, যুটীয়াভাৱে), ভূষণ দ্বিজৰ শ্ৰীশ্ৰী শংকৰদেৱ (গুৰু চৰিত) আদি সম্পাদনাৰে সুনাম অৰ্জন কৰিছে।


শ্ৰীফুকনে এই গ্ৰন্থত 'মাজুলী নামৰ উৎপত্তি আৰু তাৎপৰ্য' (যুটীয়াকৈ), 'মাজুলীৰ বৃত্তিয়াল গাঁওসমূহ', বাণিজ্য কেন্দ্ৰৰূপে মাজুলী আৰু 'মাজুলীৰ সাহিত্যসেৱীসকল'ৰ এটা অংশ ৰচনা কৰিছে।

**প্ৰশান্ত কুমাৰ মহন্ত :** 'মাজুলী'ৰ সম্পাদক প্ৰশান্ত কুমাৰ মহন্তৰ 'মাজুলী নামৰ উৎপত্তি আৰু তাৎপৰ্য', 'মাজুলীৰ গৌৰৱ', 'মাজুলীৰ সাহিত্যসেৱীসকল' 'মাজুলীৰ সমস্যাৰ পটভূমি' আৰু 'মাজুলীৰ যাতায়াত' শীৰ্ষক ৰচনা ইয়াত প্ৰকাশ পাইছে।



**নৰেন ঠাকুৰীয়া :** মাজুলী মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ মুৰব্বী অধ্যাপক নৰেন ঠাকুৰীয়াৰ মাজুলী সম্পৰ্কত ভালেমান তথ্যগধুৰ প্ৰবন্ধ ইতিমধ্যে প্ৰকাশ পাইছে। শ্ৰীঠাকুৰীয়া অসম বিজ্ঞান সমিতিৰ মাজুলী শাখাৰো সভাপতি আৰু এই সমিতিয়ে মাজুলীৰ পৰিৱেশ সংৰক্ষণ তথা জৈৱ-বৈচিত্ৰৰ প্ৰতি সজাগতা বঢ়োৱাৰ ওপৰত সময়োচিত ব্যৱস্থা গ্ৰহণ কৰি আহিছে। অসম সাহিত্য সভা আৰু উত্তৰ-পূব ভাৰত ভূগোল সংস্থাৰ আজীৱন সদস্য শ্ৰীঠাকুৰীয়া ভালেমান স্থানীয় অনুষ্ঠানৰ সৈতে জড়িত হৈ থাকি সেৱা আগবঢ়াই আহিছে।

শ্ৰীঠাকুৰীয়াৰ এই গ্ৰন্থত মাজুলীৰ অৱস্থিতি, চাৰিসীমা, মাজুলীৰ জলবায়ু, মাজুলীৰ ভূ-প্ৰকৃতি, ভৌগোলিক অৱস্থিতি আৰু জলনিৰ্গম প্ৰণালী,'প্ৰদূষণমুক্ত মাজুলী আৰু পৰিৱেশ' শীৰ্ষক ৰচনা প্ৰকাশ পাইছে।



**ড° যোগেন শৰ্মা :** ড° যোগেন শৰ্মাই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰায়োগিক ভূতত্ত্ব বিভাগৰ পৰা প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ এম. টেক্. ডিগ্ৰী লোৱাৰ পাছত ভূতত্ত্ববিদ হিচাপে মেঘালয়ত প্ৰথম কৰ্মজীৱন আৰম্ভ কৰে। ১৯৭৬ খ্ৰী:ত ডিব্ৰুগড় বিশ্ববিদ্যালয়ত উক্ত বিভাগত প্ৰবক্তা ৰূপে যোগদান কৰি বৰ্তমান অধ্যাপক ৰূপে কাম কৰি আছে। তেওঁ অসমৰ নদীৰ বিষয়ে অধ্যয়ন কৰি ডক্টৰেট উপাধি লাভ কৰে। পাছত আমেৰিকা যুক্তৰাষ্ট্ৰৰ সন্মানীয় ফুলব্ৰাইট ফেল'শ্বিপ লাভ কৰি তাৰ জন হপকিন্স বিশ্ববিদ্যালয়ত বানপানী আৰু ভূমিকম্পৰ ওপৰত প'ষ্ট ডক্টৰেট গবেষণা কৰে। ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় উচ্চমানৰ গবেষণামূলক আলোচনীত তেওঁৰ গবেষণা-পত্ৰ প্ৰকাশিত হৈছে। অসমীয়া ভাষাত জনপ্ৰিয় বৈজ্ঞানিক প্ৰবন্ধ-পাতি লিখা ড° শৰ্মা অন্যতম উল্লেখযোগ্য ব্যক্তি। তেওঁ লিখা উল্লেখযোগ্য অসমীয়া কিতাপ 'অসমৰ নদ-নদী' (অসম সাহিত্য সভা), 'খাৰুৱা তেলৰ কাহিনী' (অসম প্ৰকাশন পৰিষদ), 'চলমান ভূ-পৃষ্ঠ' (অসম বিজ্ঞান সমিতি) আৰু 'আমেৰিকাৰ ইণ্ডিয়ানসকলৰ সাধু' (অসম শিশু-সাহিত্য ন্যাস) ইত্যাদি।

ড° শৰ্মাৰ এই গ্ৰন্থত 'মাজুলীৰ মাটিকালি, ভূ-তাত্ত্বিক গঠন, মাজুলীৰ নৈ: টুনী নৈ, মাজুলীৰ বান আৰু খহনীয়া, ইয়াৰ সমাধান' শীৰ্ষক ৰচনা প্ৰকাশ পাইছে।



**ড° ডম্বৰুধৰ নাথ :** মাজুলীৰ পুৰণি বাৰী গাঁৱত ড° ডম্বৰুধৰ নাথৰ জন্ম। স্কুলীয়া শিক্ষা মাজুলীতে শেষ কৰি, মাজুলী কলেজৰ পৰা স্নাতক ডিগ্ৰী লৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা বুৰঞ্জী বিভাগত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে।

বৰ্তমান ডিব্ৰুগড় বিশ্ব-বিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মূৰব্বী অধ্যাপক ৰূপে কাৰ্য নিৰ্বাহ কৰি থকা ড° নাথে ১৯৮৩ খ্ৰী:ত কোঁচ ৰাজ্য সম্পৰ্কীয় গৱেষণাৰ বাবে পি. এইচ. ডি উপাধি লাভ কৰে। অসমৰ এগৰাকী বিশিষ্ট ইতিহাসবিদ ৰূপে পৰিচিত ড° নাথৰ উল্লেখনীয় গ্ৰন্থ কেইখন হৈছে— অসম বুৰঞ্জী, ভাৰতৰ ৰাজনৈতিক আৰু সাংস্কৃতিক ইতিহাস, ডিব্ৰুগড়ৰ বুৰঞ্জী (সম্পাদিত) আদি। ইয়াৰ উপৰি ড° নাথৰ ভালেমান গুৰুত্বপূৰ্ণ প্ৰবন্ধ, কেইবাখনো গ্ৰন্থ; বিভিন্ন আলোচনী, বাতৰি কাকত আদিত ইতিমধ্যে প্ৰকাশ পাইছে। তেওঁ ডিব্ৰুগড়ৰ বিভিন্ন সামাজিক-সাহিত্যানুষ্ঠানৰ লগতো জড়িত।

ড° নাথৰ এই গ্ৰন্থত 'মাজুলী এক ঐতিহাসিক পৰিচয়' আৰু 'মাজুলীৰ সামাজিক পৰিৱৰ্তনৰ গুৰিকথা' শীৰ্ষক ৰচনা প্ৰকাশ পাইছে।



**ড° নৰনাথ শইকীয়া :** ১৯৪২ খ্ৰী:ত মাজুলীৰ বনগাঁৱৰ্ত নৰনাথ শইকীয়াৰ জন্ম। জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ পৰা ভূগোল বিষয়ত স্নাতক, গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ১৯৬৫ত একে বিষয়তে স্নাতকোত্তৰ ডিগ্ৰী অৰ্জন কৰে। মৰাণ মহাবিদ্যালয়ত প্ৰবক্তাৰূপে কৰ্ম-জীৱন আৰম্ভ কৰা ড° শইকীয়া সম্প্ৰতি উক্ত মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ মূৰব্বী। তেওঁ ১৯৯৪ খ্ৰী:ত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা পি. এইচ. ডি. ডিগ্ৰী লাভ কৰে। মাজুলীৰ ভৌগোলিক বিষয়বস্তুৰ ওপৰত যথেষ্ট অধ্যয়ন আৰু জ্ঞান থকা ড° শইকীয়াই গৱেষণাৰ বিষয়ো নিৰ্বাচন কৰিছিল মাজুলীৰ এক গুৰুত্বপূৰ্ণ দিশ; সেয়া আছিল— Majuli : A Geographic study of its problems and prospects. ড° শইকীয়াৰ এই গৱেষণা-পত্ৰখনে বৰ্তমানেও বিভিন্ন মহলত সমাদৰ লাভ কৰি আছে।

ড° শইকীয়াৰ এই গ্ৰন্থত 'মাজুলী দ্বীপ সৃষ্টিৰ কাৰণ' আৰু 'মাজুলীৰ বান আৰু খহনীয়া' শীৰ্ষক ৰচনা প্ৰকাশ পাইছে।



**তৰুণ চন্দ্ৰ ভট্টাচাৰ্য :** নলবাৰী চহৰৰ সমীপৱৰ্তী এখন গাঁৱত ১৯৩২ খ্ৰী:ত জন্ম গ্ৰহণ কৰা শ্ৰীতৰুণ চন্দ্ৰ ভট্টাচাৰ্যই প্ৰৱেশিকা আৰু ইন্টাৰ-মেডিয়েট দুয়োটা পৰীক্ষাতে ক্ৰমে পঞ্চম আৰু চতুৰ্থ স্থান অধিকাৰ কৰি সকলোৰে পৰা মেধাৰ পৰিচয় দিয়ে। বাৰানসী হিন্দু বিশ্ববিদ্যালয়ৰ অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ পৰা নৱম স্থান অধিকাৰ কৰি সুখ্যাতিৰে উত্তীৰ্ণ হৈ অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ এজন সহকাৰী অভিযন্তা হিচাপে কৰ্ম-জীৱন আৰম্ভ কৰে আৰু ১৯৯৩ খ্ৰী:ত অৱসৰ লয়। অসমৰ আটাইবোৰ জলবিদ্যুৎ প্ৰকল্পত বিভিন্ন পদত কাৰ্য নিৰ্বাহ কৰা শ্ৰীভট্টাচাৰ্য, বিশেষকৈ সংস্কৃত ভাষা আৰু সাহিত্যত গভীৰভাৱে অনুৰক্ত হ'লেও জলবিদ্যুৎ প্ৰকল্প নিৰ্মাণৰ সময়ত ভূতাত্ত্বিক অনুসন্ধান আৰু অধ্যয়নত জড়িত হৈ পৰাত ভূতত্ত্ব-বিজ্ঞানৰ প্ৰতিও আকৃষ্ট হয়। ইতিমধ্যে তেওঁ 'ভূ-বিজ্ঞানৰ দৃষ্টিত ব্ৰহ্মপুত্ৰ' আদিৰ দৰে জটিল বিষয়ৰ প্ৰবন্ধ লিখি সংশ্লিষ্ট মহলৰ বিশেষ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। সেই অধ্যয়নৰ আনুষংগিক বিষয় হিচাপে অৱধাৰিতভাৱে মাজুলী দ্বীপ সৃষ্টিৰ সময় নিৰূপণ কৰিবলৈ প্ৰয়াস কৰিছে।

এই গ্ৰন্থত শ্ৰীভট্টাচাৰ্যৰ 'মাজুলী দ্বীপ সৃষ্টিৰ সময়', 'মাজুলীৰ বান আৰু খহনীয়া: ইয়াৰ সমাধান' শীৰ্ষক দুটি ৰচনা প্ৰকাশ পাইছে।



**ড° অমূল্য চন্দ্ৰ শৰ্মা :** যোৰহাট মালৌ, আলি নিবাসী, যোৰহাট মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° অমূল্য চন্দ্ৰ শৰ্মা এজন চিন্তাশীল লেখক আৰু সমাজ-কৰ্মী। উত্তৰ-পূব ভাৰত বুৰঞ্জী সন্মিলন, অসম সাহিত্য সভা, অসম ৰাজনৈতিক বিজ্ঞান সন্মিলন আদি বিভিন্ন অনুষ্ঠানৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত ড° শৰ্মাই ৰাজনীতি বিজ্ঞান বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লোৱাৰ পাছত ১৯৮২ খ্ৰী:ত "A Study of Ahom System of Government with special reference to public personal Administration" শীৰ্ষক গৱেষণাৰ বাবে পি. এইচ. ডি. ডিগ্ৰী লাভ কৰে। Tai-Ahom System of Government, যুগে যুগে গণতন্ত্ৰ, সাতাৱন চাল আৰু পিয়লি বৰুৱা, প্ৰথম অসমীয়া চাহ-খেতিয়ক আদি কেইবাখনো গ্ৰন্থৰ লেখক ড° শৰ্মাৰ বাতৰি কাকত, আলোচনীতো শতাধিক প্ৰবন্ধ প্ৰকাশ পাইছে।

ড° শৰ্মাৰ এইগ্ৰন্থত 'প্ৰাক্-স্বাধীন যুগৰ মাজুলী' আৰু জাগৰণৰ যুগত মাজুলী' শীৰ্ষক দুটি ৰচনা প্ৰকাশ পাইছে।



**ললিত বৰা :** যোৰহাট বাঘমৰীয়া পটীয়াগাঁৱত জন্ম গ্ৰহণ কৰা ললিত বৰা এজন অধ্যয়নশীল ব্যক্তি ৰূপে পৰিচিত। যোৰহাট চৰকাৰী উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ অসমীয়া বিষয়ৰ বিষয়-শিক্ষক হিচাপে কৰ্মৰত শ্ৰীবৰাই শ্বহীদ-তীৰ্থ,

ৰক্তবো[illegible], ৰণধ্বনি (কবিতা), এতিয়া যুঁজাৰ সময়, শ্বহীদ কুশল কোঁৱৰ আদি গ্ৰন্থ ৰচনা কৰাৰ উপৰিও বাতৰি কাকত-আলোচনীত বিভিন্ন বিষয়ৰ প্ৰবন্ধ লিখি চিন্তাৰ গভীৰতা প্ৰকাশ কৰিছে।

এইগ্ৰন্থত শ্ৰীবৰাৰ 'মাজুলী সত্ৰ প্ৰতিষ্ঠাৰ ইতিবৃত্ত (এক)' শীৰ্ষক এটি ৰচনা প্ৰকাশ পাইছে।



**ডাঃ ধ্ৰুৱজ্যোতি বৰা :** অসমৰ বিদ্বৎ-সমাজত এজন 'ছিৰিয়াছ' ঔপন্যাসিক, প্ৰাবন্ধিক তথা সমাজবিজ্ঞান আৰু ইতিহাসৰ লেখক ৰূপেই ডাঃ ধ্ৰুৱজ্যোতি বৰাৰ পৰিচয়। বাল্যকালৰে পৰা মেধাৰ পৰিচয় দিয়া ডাঃ বৰাই ১৯৭২ খ্ৰী:ত হাইস্কুল শিক্ষান্ত পৰীক্ষাত অসমৰ ভিতৰতে প্ৰথম স্থান অধিকাৰ কৰাৰ উপৰিও অসম চিকিৎসা মহাবিদ্যালয়ৰ পৰা (১৯৭৭) এম. বি. বি. এছ. পৰীক্ষাতো প্ৰথম স্থান অধিকাৰ কৰিছিল। মাজুলীৰে সু-সন্তান, অসম কৃষি বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° মহেন্দ্ৰ বৰাৰ পুত্ৰ ডাঃ ধ্ৰুৱজ্যোতি বৰা সম্প্ৰতি গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ মেডিচিন বিভাগৰ অধ্যাপক আৰু অসম চৰকাৰৰ 'মেডিকেল এডুকেশ্যন (প্লেনিং আৰু ৰিছাৰ্চ)'ৰ যুটীয়া সঞ্চালক পদত কাৰ্য নিৰ্বাহ কৰি আছে। লোহা, কালান্তৰৰ গদ্য, ভোক, ফৰাছী বিপ্লৱ, ইতিহাস চিন্তা, মোৱামৰীয়া গণ-অভ্যুত্থান আদি গ্ৰন্থৰ লেখক ডাঃ বৰা অসমৰ, বিশেষকৈ গুৱাহাটীৰ বহুতো শৈক্ষিক-সাংস্কৃতিক অনুষ্ঠানৰ লগতো জড়িত।

এই গ্ৰন্থত ডাঃ বৰাৰ 'সত্ৰ প্ৰতিষ্ঠাৰ ইতিবৃত্ত (দুই)', 'মাজুলীৰ জন-বসতিৰ পটভূমি' শীৰ্ষক দুটি ৰচনা প্ৰকাশ পাইছে।




**নাৰায়ণ চন্দ্ৰ গোস্বামী :** মাজুলীৰ ঐতিহ্যমণ্ডিত নতুন কমলাবাৰী সত্ৰৰ স্বনামধন্য সত্ৰাধিকাৰ, সত্ৰীয়া-সংস্কৃতিৰ বিশিষ্ট গবেষক-পণ্ডিত নাৰায়ণচন্দ্ৰ গোস্বামীয়ে সত্ৰীয়া-সংস্কৃতিৰ সংৰক্ষণ-সংবৰ্দ্ধনৰ হকে অশেষ চেষ্টা কৰি আহিছে। সত্ৰীয়া-সংস্কৃতিৰ সমৃদ্ধ ৰূপ আৰু মহিমা বিস্তাৰৰ অৰ্থে অসম তথা ভাৰতৰ বিভিন্ন ঠাইত গীত, নৃত্য, অংকীয়া নাটক প্ৰচাৰ-প্ৰদৰ্শনৰ ব্যৱস্থা কৰি সত্ৰাধিকাৰগৰাকীয়ে এজন সংস্কৃতি-পূজাৰীৰ দায়বদ্ধতা ৰক্ষা কৰিছে। সংস্কৃত ভাষাৰ এগৰাকী পণ্ডিত সত্ৰাধিকাৰগৰাকীয়ে বহুসংখ্যক নাটক ৰচনা কৰাৰ উপৰিও ব্ৰজাৱলী ভাষাৰ ব্যাকৰণ আৰু অভিধান, সত্ৰীয়া-সংস্কৃতিৰ স্বৰ্ণৰেখা আৰু নামঘোষাৰ তত্ত্বাৰ্থ সমীক্ষা আদি কেইবাখনো মূল্যবান গ্ৰন্থ লিখি অসমীয়া সাহিত্যৰ ভঁৰাল সমৃদ্ধ কৰিছে। অসম সত্ৰ মহাসভাৰ (২০০১-২০০৩)সভাপতি আসন অলংকৃত কৰা সত্ৰাধিকাৰ গোস্বামী সত্ৰীয়া নৃত্য আৰু বৰগীত সম্পৰ্কীয় বহু বিশ্লেষণাত্মক প্ৰবন্ধৰো লেখক।

এই গ্ৰন্থত সত্ৰাধিকাৰ নাৰায়ণ চন্দ্ৰ গোস্বামীৰ 'মাজুলীৰ সত্ৰসমূহ' শীৰ্ষক ৰচনাটি প্ৰকাশ পাইছে।




**ড° দীপা দত্ত :** যোৰহাট দেৱীচৰণ বৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষা ড° দীপা দত্ত এগৰাকী চিন্তাশীল প্ৰাবন্ধিক। ১৯৬৪ খ্ৰী:ত গুৱাহাটী বিশ্বদ্যিালয়ৰ পৰা ৰাজনীতি-বিজ্ঞান বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা ড° দত্তই অসমৰ সত্ৰানুষ্ঠানৰ প্ৰশাসনিক দিশৰ বিষয়ে গৱেষণা কৰিবলৈ মন মেলে। সেই অনুসৰি ড° দত্তই গুৱাহাটী বিশ্ববিদ্যালয়ৰ ড° ভি. ভেংকট ৰাওৰ অধীনত "The Administration and Development of Satra Institution in Assam with Special reference to Garmur Satra" শীৰ্ষক গৱেষণাৰ বাবে পি. এইচ. ডি. ডিগ্ৰী লাভ কৰে।

এই গ্ৰন্থত ড° দত্তৰ 'সত্ৰৰ প্ৰশাসনীয় ব্যৱস্থা' শীৰ্ষক এটি ৰচনা প্ৰকাশ পাইছে।




**কৰুণা বৰা :** সত্ৰীয়া নৃত্য, গীত, বাদ্য, নাট্যৰ নিষ্ঠাবান শিল্পী কৰুণা বৰাৰ জন্ম হয় নগাঁৱৰ কামপুৰৰ পটীয়াপাম গাঁৱত ১৯৬২ খ্ৰী:ত। মাত্ৰ আঠ বছৰ বয়সতে মাজুলীৰ উত্তৰ কমলাবাৰী সত্ৰত থাকিবলৈ লৈ সংগীত-নাটক অকাডেমী বঁটা বিজয়ী প্ৰখ্যাত সত্ৰীয়া-শিল্পী পৰমানন্দ বৰবায়নৰ দৰে ব্যক্তিৰ তত্ত্বাৱধানত নৃত্য-গীতৰ শিক্ষা গ্ৰহণৰ সুবিধা পায়। অসমীয়া বিষয়ৰ স্নাতকোত্তৰ, সম্প্ৰতি আউনীআটী হেমচন্দ্ৰ হাইস্কুলৰ সংগীত-শিক্ষক শ্ৰীবৰাই অসমৰ বাহিৰেও নতুন দিল্লী, পঞ্জাব কেৰালা, কলিকতা, ভূপাল, চেন্নাই আদি বিভিন্ন ঠাইত মাজুলীৰ সাংস্কৃতিক দলৰ সৈতে গৈ সত্ৰীয়া নৃত্য-গীত-বাদ্যৰ শিল্পী হিচাপে অংশ গ্ৰহণ কৰিছে। সত্ৰীয়া-নৃত্যই ৰাষ্ট্ৰীয় স্বীকৃতি লাভ কৰাৰ প্ৰাক্‌মুহূৰ্তত শ্ৰীবৰাই গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱনত 'সত্ৰীয়া নৃত্যৰ অন্তৰ্গত সত্ৰীয়া ওজাপালি' সন্দৰ্ভত পৰিৱেশনগত ভাষণ প্ৰদান কৰাৰ সুযোগ লাভ কৰিছিল। গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰো সত্ৰীয়া নৃত্যৰ এজন নিৰ্বাচিত শিল্পী শ্ৰীবৰা এজন সুদক্ষ নৃত্য-শিল্পী হোৱাৰ উপৰিও বহুতো গুৰুত্বপূৰ্ণ বিষয়ৰ প্ৰাবন্ধিক।

এই গ্ৰন্থত শ্ৰীবৰাৰ 'উদাসীন সত্ৰৰ বাসন আনয়ন পৰম্পৰা' শীৰ্ষক এটি ৰচনা প্ৰকাশ পাইছে।



**ড° হেমেন্দ্ৰ নাথ দত্ত :** অসমৰ প্ৰত্নতত্ত্ব অধ্যয়নৰ ক্ষেত্ৰত শেহতীয়াকৈ যি কেইগৰাকী মুষ্টিমেয় গৱেষক-কৰ্মীয়ে এক নতুন দিশৰ সূচনা কৰিছে, সেইসকলৰ ভিতৰত ড° হেমেন্দ্ৰ নাথ দত্ত অন্যতম। ১৯৫২ খ্ৰী:ত গোলাঘাটৰ বৰপমুৱা গাঁৱত জন্ম বুৰঞ্জী বিষয়ৰ স্নাতকোত্তৰ ড° দত্তই "অসমৰ দৈয়াং-ধনশিৰি উপত্যকাৰ প্ৰত্নতত্ত্ব আৰু শিল্প-কলা" বিষয়ৰ গৱেষণাৰ বাবে পি. এইচ. ডি. ডিগ্ৰী লাভ কৰে। ১৯৮২ খ্ৰী:ত পৰ্যটন বিষয়া হিচাপে কৰ্ম-জীৱন আৰম্ভ কৰা ড° দত্তই কম দিনৰ ভিতৰতে চাৰি হাজাৰৰো অধিক অসমৰ কলা-সম্পদৰ পৰ্যটন কৰি বহু দুষ্প্ৰাপ্য তথা মূল্যবান সম্পদৰ সন্ধান দিয়াই নহয়, সংৰক্ষণৰ দিহা কৰে। ড° দত্তৰ প্ৰচেষ্টাতে যোৰহাটত প্ৰথম পৰ্যায়ত প্ৰায় ৩৫০টা কলা-সম্পদৰ সংগ্ৰহেৰে যোৰহাট জিলা সংগ্ৰহালয় স্থাপন হয়। কলা-সম্পদ আৰু সংস্কৃতি বিষয়ৰ বহু মূল্যবান প্ৰবন্ধৰ লেখক (অসমীয়া-ইংৰাজী উভয় ভাষাত) ড° দত্তই বৰ্তমান প্ৰত্নতত্ত্ব সঞ্চালকালয়ৰ উপ-সঞ্চালক পদত কাৰ্যনিৰ্বাহ কৰি আছে।

মাজুলীৰ সৈতে অতি ঘনিষ্ঠ সম্পৰ্ক থকা ড° দত্তৰ এই গ্ৰন্থত 'মাজুলীৰ প্ৰত্নতাত্ত্বিক স্থান আৰু কলা-সম্পদ' শীৰ্ষক এটি ৰচনা প্ৰকাশ পাইছে।



**বোধেশ্বৰ শইকীয়া :** কেইবাটাও গুৰুত্বপূৰ্ণ লেখনিৰে মাজুলী বিষয়ত থকা অধ্যয়নৰ পৰিচয় দিবলৈ সক্ষম হোৱা বোধেশ্বৰ শইকীয়াৰ জন্ম মাজুলীৰ কমলাবাৰীত।


অসমীয়া সাহিত্যৰ স্নাতকোত্তৰ শ্ৰীশইকীয়া মাজুলীৰ বহু সামাজিক-সাংস্কৃতিক অনুষ্ঠানৰ সৈতে জড়িত। কেইবাখনো গুৰুত্বপূৰ্ণ স্মৃতিগ্ৰন্থ সম্পাদনাৰে অভিজ্ঞ শ্ৰীশইকীয়া এজন কবি হিচাপেও পৰিচিত।

এই গ্ৰন্থত শ্ৰীশইকীয়াৰ 'মাজুলীৰ জন-গাঁথনিৰ ইতিবৃত্ত' আৰু মাজুলীৰ কোঁচৰাজবংশীসকল' শীৰ্ষক দুটি ৰচনা প্ৰকাশ পাইছে।



**অমৃতেশ্বৰ চুতীয়া :** ১৯৬১ খ্ৰী:ত লখিমপুৰ জিলাৰ বৰ্তমান ঢকুৱাখনা মহকুমাৰ কেঁকুৰি গাঁৱত অমৃতেশ্বৰ চুতীয়াৰ জন্ম। ১৯৭৬ ত প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ, ১৯৭৮ ত প্ৰাক্-স্নাতক, ১৯৮০ত স্নাতক আৰু ১৯৮৩ খ্ৰী:ত অসমীয়া বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ। কিছুদিন ঢকুৱাখনা বাণিজ্য মহাবিদ্যালয়ত শিক্ষকতা কৰাৰ পিছত ১৯৮৬ খ্ৰী:ৰ পৰা মাজুলী মহাবিদ্যালয়ত শিক্ষকতা। কমলাবাৰী অঞ্চলৰ বিভিন্ন ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত শ্ৰীচুতীয়াৰ ভালে সংখ্যক প্ৰবন্ধ-পাতি আলোচনী, স্মৃতিগ্ৰন্থ আদিত প্ৰকাশ পাইছে।

এই গ্ৰন্থত শ্ৰী চুতীয়াৰ 'মাজুলীৰ জন-গাঁথনিৰ স্বৰূপ' শীৰ্ষক ৰচনাটি প্ৰকাশ পাইছে।



**ইন্দ্ৰেশ্বৰ পেগু :** মাজুলীৰ বিশিষ্ট সমাজকৰ্মী, শিক্ষাবিদ তথা মিচিং-সংস্কৃতিৰ গৱেষক ইন্দ্ৰেশ্বৰ পেগুৰ ১৯৩৪ খ্ৰী:ত জেংৰাই বালিচাপৰি গাঁৱত জন্ম। দৰ্শন আৰু ৰাজনীতি—দুয়োটা বিষয়তে স্নাতকোত্তৰ ডিগ্ৰীধাৰী শ্ৰীপেগুৱে কিছুদিনৰ বাবে যোৰহাট মহাবিদ্যালয়ত দৰ্শনৰ প্ৰবক্তা হিচাপে কাম কৰিছিল যদিও পুনৰ মাজুলীলৈ ঘূৰি যায়। মিচিং জনজাতি অধ্যুষিত জেংৰাইমুখত ১৯৭৩ খ্ৰী:ত প্ৰতিষ্ঠিত জেংৰাইমুখ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষৰূপে দায়িত্ব লৈ অঞ্চলটোৰ শিক্ষাৰ প্ৰসাৰৰ বাবে অহোপুৰুষাৰ্থ কৰে। গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ যোগেদি নিজে মিচিং গীত পৰিৱেশন কৰা শ্ৰীপেগুৱে 'জেংৰাইমুখ ৰংগ মঞ্চ' প্ৰতিষ্ঠা কৰি সত্ৰীয়া-সংস্কৃতিৰ প্ৰসাৰ-প্ৰচাৰৰ উপৰিও ৰাসলীলা আদি অভিনয়ৰ জৰিয়তে উদাৰ দৃষ্টিভংগীৰে সমাজ-গঠনত মনোনিৱেশ কৰে। বহুতো গৱেষণামূলক তথা চিন্তামূলক প্ৰবন্ধৰ লেখক শ্ৰীপেগুৱে শেহতীয়াকৈ মাজুলীক বিশ্বৰ ঐতিহ্যপূৰ্ণ স্থান হিচাপে স্বীকৃতি দিবৰ বাবেও সংশ্লিষ্টমহলৰ সৈতে প্ৰচেষ্টা অব্যাহত ৰাখিছে।

এই গ্ৰন্থত শ্ৰীপেগুৰ 'মাজুলীৰ মিচিংসকলৰ পৰিচয়' শীৰ্ষক ৰচনাটি প্ৰকাশ পাইছে।



**থানেশ্বৰ গোস্বামী :** জেংৰাইমুখ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা থানেশ্বৰ গোস্বামী এজন অধ্যয়নশীল লেখক ৰূপেই পৰিচিত। ১৯৫২ খ্ৰী:ত শিৱসাগৰ জিলাৰ টকৌপালেঙী গাঁৱত জন্ম শ্ৰীগোস্বামী জন্মসূত্ৰে মাজুলীৰ নোহোৱা সত্ত্বেও মাজুলীৰ জন-জীৱনৰ সৈতে অতি ঘনিষ্ঠ। বিভিন্ন কাকত-আলোচনীত প্ৰবন্ধ, কবিতা আদি লিখাৰ উপৰিও শ্ৰীগোস্বামী দৈনিক কাকতৰ সংবাদ-সেৱাৰ সৈতেও জড়িত। শ্ৰীগোস্বামী 'দ্বীপ-বাৰ্তা' নামৰ এখন অধুনালুপ্ত পত্ৰিকাৰো সম্পাদক। গৱেষণামূলক-

কাম : 'অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ মিচিংসকলৰ আৰ্থ-সামাজিক আৰু সাংস্কৃতিক দিশৰ এটি সমীক্ষাত্মক অধ্যয়ন'।

এইগ্ৰন্থত শ্ৰীগোস্বামীৰ 'মাজুলীৰ মিচিং সকলৰ আৰ্থ-সামাজিক দিশ' শীৰ্ষক এটি ৰচনা প্ৰকাশ পাইছে।




**বিদ্যাসাগৰ দেউৰী :** ১৯৫৮ খ্ৰী:ত মাজুলীৰ মাজৰ দেউৰী গাঁৱত জন্ম গ্ৰহণ কৰা বিদ্যাসাগৰ দেউৰী মাজুলীৰ দেউৰী কলা-সংস্কৃতিৰ প্ৰসাৰ তথা প্ৰচাৰৰ হকে কাম কৰা শিল্পীসকলৰ ভিতৰত অন্যতম। নিজে এজন গায়ক হোৱা সূত্ৰে শ্ৰীদেউৰীয়ে নৱৈ দশকৰ মাজ ভাগৰ পৰা এজন স্বীকৃত অনাতাঁৰ শিল্পী হিচাপে দেউৰী গীত পৰিৱেশন কৰি আহিছে। শ্ৰীদেউৰীয়ে দেউৰী গীত-মাত, নৃত্যৰ চৰ্চাৰ লগতে দেউৰী লোকগীত আৰু লোকাচাৰসমূহ সংৰক্ষণৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। শ্ৰীদেউৰীৰ ৰচিত 'দেউৰী-চাজেবা' তেনে এখন দেউৰী জনগোষ্ঠীৰ মাজৰ পৰা হেৰাই যাব খোজা গীত-পদৰ সংগ্ৰহ।

এইগ্ৰন্থত শ্ৰীদেউৰীৰ 'মাজুলীৰ দেউৰীসকলৰ ইতিবৃত্ত' শীৰ্ষক ৰচনাটি প্ৰকাশ পাইছে।




**খগেন চন্দ্ৰ দেউৰী :** লখিমপুৰ জিলাৰ, মাজুলীৰ গাতে লাগি থকা বালিদেউৰী গাঁৱত ১৯৫৮ খ্ৰী:ত দেউৰী কলা-সংস্কৃতিৰ উন্নয়ন তথা প্ৰসাৰৰ হকে কাম কৰি থকা খগেন চন্দ্ৰ দেউৰীৰ জন্ম। যোৰহাট নগৰৰ সমীপৰ এখন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক শ্ৰীদেউৰী সদৌ অসম দেউৰী ছাত্ৰ সন্থা, যোৰহাট জিলা ট্ৰাইবেল ছাত্ৰ সন্থা, যোৰহাট জিলা দেউৰী ছাত্ৰ সন্থা, মাজুলী জেংৰাইমুখ আঞ্চলিক গণসংগ্ৰাম পৰিষদ আদিৰ সম্পাদক ৰূপে ইতিপূৰ্বে দায়িত্ব পালন কৰি আহিছে। শ্ৰীদেউৰী সম্প্ৰতি দেউৰী সাহিত্য সভাৰ প্ৰধান সম্পাদক। শ্ৰীদেউৰীয়ে ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ যোগেদি গীত পৰিৱেশন কৰাৰ উপৰিও দেউৰী জনগোষ্ঠীৰ সামাজিক জীৱন-বিষয়ক এক তথ্যচিত্ৰৰ নিৰ্দেশক আছিল।

অন্যান্য বিভিন্ন সামাজিক-শৈক্ষিক-সাংস্কৃতিক অনুষ্ঠানৰ সৈতে জড়িত শ্ৰীদেউৰীৰ 'মাজুলীৰ দেউৰীসকলৰ অতীত আৰু বৰ্তমান' শীৰ্ষক ৰচনাটি প্ৰকাশ পাইছে।



**বগাৰাম নাথ :** আজীৱন মাজুলীৰ শৈক্ষিক-সামাজিক উন্নয়নৰ হকে কাম কৰি অহা বগাৰাম নাথ মাজুলীৰ এটি পৰিচিত নাম (জন্ম ১৯৩২ খ্ৰী:)। অসমীয়া সাহিত্যত স্নাতকোত্তৰ শ্ৰীনাথ বহুকেইখন উচ্চ মাধ্যমিক বিদ্যালয় আৰু জেংৰাইমুখ আৰু ৰঙাচাহী মহাবিদ্যালয় প্ৰতিষ্ঠাৰ লগত নিবিড়ভাৱে জড়িত। প্ৰথম কুকুৰাৰ ডাক, যদা যদাহি ধৰ্মস্য গ্লানি আদি উপন্যাসৰো স্ৰষ্টা শ্ৰীনাথে বহুতো চিন্তামূলক শৈক্ষিক-সামাজিক বিষয়ৰ প্ৰবন্ধ লিখিছে।

ইতিমধ্যে টনুৰাম নাথ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক পদৰ পৰা অৱসৰ গ্ৰহণ কৰা শ্ৰীনাথৰ 'মাজুলীৰ নাথসকলৰ অতীত আৰু বৰ্তমান' শীৰ্ষক ৰচনাটি এই গ্ৰন্থত প্ৰকাশ পাইছে।



**দুৰ্লভ দাস :** মুখ্যতঃ এজন সমাজকৰ্মী আৰু সংগঠক দুৰ্লভ দাস মাজুলী জিলা অনুসূচীত জাতি পৰিষদৰ এটি পৰিচিত নাম। মাজুলীৰ ৰাঙলীবাহাৰ গাঁৱত জন্ম শ্ৰীদাস ছাত্ৰাৱস্থাৰে পৰা বিভিন্ন সামাজিক-সাংস্কৃতিক অনুষ্ঠানৰ লগত জড়িত। শ্ৰীদাসে যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ পৰা বাণিজ্য শাখাত স্নাতক ডিগ্ৰী লৈ ১৯৯২ খ্ৰী:ৰ পৰা মাজুলী মহকুমা ন্যায়িক দণ্ডাধীশৰ কাৰ্যালয়ৰ মুখ্য-সহায়কৰ পদত কাৰ্য নিৰ্বাহ কৰি আছে।

শ্ৰীদাসৰ এই গ্ৰন্থত মাজুলীৰ জনগাঁথনি অধ্যায়ৰ অন্তৰ্গত 'মাজুলীৰ কৈৱৰ্তসকল' শীৰ্ষক এটি ৰচনা প্ৰকাশ পাইছে।




**কিশোৰী মোহন পাল :** ১৯৪৭ খ্ৰী:ত অবিভক্ত অসমৰ শ্ৰীহট্ট জিলাৰ কাছাৰীপাৰা গাঁৱত কিশোৰী মোহন পালৰ জন্ম। ইংৰাজী সাহিত্যৰ স্নাতকোত্তৰ শ্ৰীপাল মাজুলীৰ বিভিন্ন সাহিত্য-সংস্কৃতি বিষয়ক অনুষ্ঠানৰ সৈতে জড়িত। পূৰ্বে আছাম এক্সপ্ৰেছ, নাগৰিক, জনমত, নৰ্থ-ইষ্ট অৱজাৰভাৰ আদি কাকতত সাংবাদিকতা কৰা শ্ৰীপাল বৰ্তমান আছাম ট্ৰিবিউন আৰু অসমীয়া প্ৰতিদিনৰ মাজুলী-কমলাবাৰীৰ প্ৰতিনিধি। যোৰহাট জিলা সাংবাদিক সম্মিলনৰ সভাপতিৰ দায়িত্বত থকা শ্ৰীপাল এজন কবি আৰু প্ৰাবন্ধিকো। প্ৰকাশিত কবিতা পুথি 'যুসন্ধিৰ প্ৰতিশ্ৰুতি'।

শ্ৰীপালৰ এই গ্ৰন্থত 'মাজুলীৰ প্ৰশাসনিক ব্যৱস্থাৰ ক্ৰমবিকাশ' শীৰ্ষক ৰচনা এই গ্ৰন্থত প্ৰকাশ পাইছে।



**তিলেশ্বৰ বৰদলৈ :** যোৰহাটৰ পকামূৰাত ১৯২৪ খ্ৰী:ত জন্ম গ্ৰহণ কৰা তিলেশ্বৰ বৰদলৈ কেৱল এজন মুক্তিযোদ্ধাই নহয়, এজন বিশিষ্ট সমাজকৰ্মী, সংগঠক তথা সাংস্কৃতিক কৰ্মী। ১৯৪২ৰ গণ-বিপ্লৱত ছাত্ৰাৱস্থাতে অংশ গ্ৰহণ কৰি শ্ৰীবৰদলৈয়ে এবছৰতকৈ অধিক কাল কাৰাবাস খাটে। কাৰাবাসৰ অন্তত অসম ছাত্ৰ-কংগ্ৰেছৰ সভাপতি, পাছলৈ ৰবৈয়া বনুৱা উন্নয়ন প্ৰশিক্ষণ কেন্দ্ৰৰ অধ্যক্ষ, যোৰহাট মহকুমা পৰিষদৰো সভাপতি, শংকৰদেৱ চেমিনাৰী, দহোটীয়া, দেৱীচৰণ বৰুৱা হাইস্কুলৰ শিক্ষক আদি বহু দায়িত্ব সফলতাৰে পালন কৰা শ্ৰীবৰদলৈ সাংবাদিকতাৰ লগতো জড়িত আছিল। তেওঁ গুৱাহাটীৰ পৰা প্ৰকাশিত 'নতুন অসমীয়া'ৰ সহযোগী সম্পাদক আৰু 'জনমভূমি'ৰ প্ৰতিনিধি হিচাপে কাৰ্য নিৰ্বাহ কৰিছিল। যোৰহাট জিলা মুক্তি-যুঁজাৰু সন্মিলনৰো প্ৰধান সম্পাদকৰ দায়িত্ব পালন কৰে। শ্ৰীবৰদলৈয়ে আন এজন মুক্তিযোদ্ধা শ্ৰীদেৱেশ্বৰ দলৈৰ সৈতে যুটীয়াকৈ 'স্বাধীনতা সংগ্ৰামত যোৰহাট' গ্ৰন্থখনো সম্পাদন কৰিছে।

শ্ৰীবৰদলৈৰ 'মাজুলীৰ মুক্তিযুঁজাৰুসকল' শীৰ্ষক এটি লেখা এই গ্ৰন্থত প্ৰকাশ পাইছে।



**ড° পীতাম্বৰদেৱ গোস্বামী :** মাজুলীৰ ঐতিহ্যমণ্ডিত আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড° পীতাম্বৰদেৱ গোস্বামী সত্ৰীয়া-সংস্কৃতিৰ এজন বিশিষ্ট গবেষক তথা লেখক। ১৯৯৮ খ্ৰী:ত আউনীআটী সত্ৰৰ ষষ্ঠদশ সত্ৰাধিকাৰ ৰূপে দায়িত্বভাৰ গ্ৰহণ কৰা সত্ৰাধিকাৰ ড° পীতাম্বৰদেৱ গোস্বামীয়ে সত্ৰীয়া ৰীতি-নীতি, আচাৰ-অনুষ্ঠান পালন কৰিও প্ৰাথমিক বিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা পৰ্যন্ত আধুনিক শিক্ষা গ্ৰহণ কৰে। একান্ত জ্ঞান লাভৰ উদ্দেশ্যেই সত্ৰাধিকাৰগৰাকীয়ে 'অসমৰ সত্ৰীয়া উৎসৱ-অনুষ্ঠান' বিষয়ক গবেষণাৰ বাবে ডক্টৰেট উপাধি লৈ বিৰল আদৰ্শ দাঙি ধৰে। ইতিমধ্যে দূৰদৰ্শন, অনাতাঁৰ কেন্দ্ৰৰ যোগেদি সম্প্ৰচাৰিত একাধিক সংগীতালেখ্যৰ স্ৰষ্টা সত্ৰাধিকাৰগৰাকীৰ ভালেমান সুচিন্তিত আৰু চিন্তাগধুৰ প্ৰবন্ধ বিভিন্ন বাতৰি কাকত, আলোচনী, স্মৃতিগ্ৰন্থত প্ৰকাশ পাইছে।

সত্ৰাধিকাৰ ড° পীতাম্বৰদেৱ গোস্বামীৰ 'সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ মাজুলী' শীৰ্ষক ৰচনা এই গ্ৰন্থত প্ৰকাশ পাইছে।



**নীলমণি ভূঞা :** মাজুলীৰ সাহিত্য-সংস্কৃতি বিষয়ৰ লগত সততে জড়িত নীলমণি ভূঞা সম্প্ৰতি গড়মূৰ পীতাম্বৰদেৱ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক। গড়মূৰ শাখা সাহিত্য সভা, গড়মূৰ পূবেৰুণ কলা পৰিষদ, গড়মূৰ শংকৰদেৱ শিশু নিকেতন; অসম বিজ্ঞান সমিতি, মাজুলী শাখা আদি বিভিন্ন অনুষ্ঠানৰ সৈতে শ্ৰীভূঞা জড়িত। শ্ৰীভূঞাই বাতৰি কাকত-আলোচনী আদিত তথ্যসমৃদ্ধ প্ৰবন্ধাদি লিখাৰ উপৰিও প্ৰতিমা, সংস্কাৰ, আজিৰ মানুহ আদি কেইবাখনো নাটক ৰচনা কৰিছে।

এই গ্ৰন্থত শ্ৰীভূঞাৰ 'মাজুলীৰ সাংস্কৃতিক ঐতিহ্য' আৰু 'মাজুলীৰ গৌৰৱ' (আংশিক) শীৰ্ষক ৰচনা প্ৰকাশ পাইছে।



**বঙ্কিম কুমাৰ ভূঞা :** বিশিষ্ট শিল্পী তথা সংগঠক বঙ্কিম কুমাৰ ভূঞা মাজুলীৰ এটি পৰিচিত নাম। অসমীয়া সাহিত্যত স্নাতকোত্তৰ, শ্ৰীভূঞা বৃত্তিত এজন শিক্ষক হ'লেও তেওঁৰ কৰ্মক্ষেত্ৰ সংগীত, অভিনয়, সাহিত্য, সাংবাদিকতা আদি ক্ষেত্ৰলৈ বিস্তৃত হৈ আছে। সংগীত বিশাৰদ শ্ৰীভূঞা মাজুলী কেন্দ্ৰীয় সংগীত মহাবিদ্যালয়ৰো অধ্যক্ষ। ইতিমধ্যে তেওঁ ২১খন সংগীতালেখ্য, কথিকা, ব্যংগচিত্ৰ আৰু ৫খন অংকীয়া নাট ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰত প্ৰযোজনা কৰিছে। ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ কৰ্মানুষ্ঠান উপদেষ্টা সমিতিৰো সদস্য শ্ৰীভূঞাই অভিনয়তত্ত্ব, সুৰৰ সাতসৰি আদি পুথি লিখাৰ উপৰিও জুলি, পষেকীয়া মাজুলী আদি কাকত সম্পাদনা কৰিছিল আৰু বৰ্তমান তেওঁ আজিৰ অসম, অগ্ৰদূত, পূৰ্বাচল আদি কাকতৰ সংবাদ-সেৱাৰ সৈতে জড়িত।


শ্ৰীভূঞাৰ 'মাজুলীৰ সাংস্কৃতিক বৈশিষ্ট্য আৰু পৰিক্ৰমা' আৰু 'মাজুলীৰ গৌৰৱ'ৰ তৰুণচন্দ্ৰ পামেগাম শীৰ্ষক ৰচনা এই গ্ৰন্থত প্ৰকাশ পাইছে।



**ড° জগন্নাথ মহন্ত :** ১৯৪০ খ্ৰী:ত জাঁজীৰ জৰাবাৰী সত্ৰত ড° জগন্নাথ মহন্তৰ জন্ম। বৰ্তমান জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ত অসমীয়া বিষয়ৰ প্ৰবক্তাৰূপে কৰ্মৰত ড° মহন্তই ১৯৯৯ খ্ৰী:ত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা সত্ৰীয়া নৃত্য বিষয়ক

(Satria Dances of Assam : An analytical and critical study) গৱেষণাৰ বাবে পি. এইচ. ডি. ডিগ্ৰী লাভ কৰে। ড° মহন্তৰ কেইখনো অংকীয়া নাট, অনাতাঁৰ আৰু দূৰদৰ্শনযোগে প্ৰচাৰিত হোৱাৰ লগতে অসমৰ বাহিৰত (যেনে— কোচবিহাৰ, পণ্ডিচেৰী, দিল্লী আদি ঠাইত ড° মহন্তৰ পৰিচালিত নাট আৰু সত্ৰীয়া নৃত্য পৰিবেশিত হৈ) উচ্চ প্ৰশংসা লাভ কৰিছে। সংগীত-নাটক অকাডেমীয়ে সত্ৰীয়া নৃত্যৰ কেইবাটিও গুৰুত্বপূৰ্ণ দিশৰ ওপৰত আলোকপাত আৰু পৰিৱেশনৰ সঠিক ক্ৰমৰ বিষয়ে ড° মহন্তৰ পৰা ৰাষ্ট্ৰীয় স্বীকৃতি (সত্ৰীয়া নৃত্যই) পোৱাৰ পূৰ্বেই সংগ্ৰহ কৰি নিছিল। ১৯৯৮ খ্ৰী:ত যোৰহাটত প্ৰতিষ্ঠিত অসম সত্ৰীয়া সংগীত মহাবিদ্যালয়ৰো অধ্যক্ষৰ আসনত থকা ড° মহন্তৰ আঢ়েশৰো অধিক গুৰুত্বপূৰ্ণ প্ৰবন্ধ বিভিন্ন বাতৰি কাকত, আলোচনী আদিত প্ৰকাশ পাইছে। তেওঁৰ 'সত্ৰীয়া নৃত্যৰ হস্ত' এখন উচ্চ প্ৰশংসিত আৰু গুৰুত্বপূৰ্ণ গ্ৰন্থৰূপে বিবেচিত।


এই গ্ৰন্থত ড° মহন্তৰ মাজুলীৰ বিভিন্ন নৃত্য বিষয়ক 'মাজুলীৰ নৃত্য-সম্ভাৰ' শীৰ্ষক ৰচনাটি প্ৰকাশ পাইছে।



**ড° পবিত্ৰপ্ৰাণ গোস্বামী :** সংগীত, বিশেষকৈ বৰগীতৰ বিশিষ্ট গবেষক পবিত্ৰপ্ৰাণ গোস্বামীৰ জন্ম যোৰহাটৰ সাউদকুচি সত্ৰত। বৰ্তমান যোৰহাট মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মূৰব্বী অধ্যাপক ড° গোস্বামীয়ে "Borgit : A Study of its Literature and System of Music" শীৰ্ষক গবেষণা গ্ৰন্থৰ বাবে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা পি. এইচ. ডি. ডিগ্ৰী লাভ কৰে।

হিন্দুস্তানী সংগীতৰো বি. মিউজ ড° গোস্বামীৰ বিভিন্ন আলোচনীত ভালেমান গল্প-প্ৰবন্ধ-কবিতা প্ৰকাশ হোৱাৰ উপৰি পি. এইচ. ডি. ডিগ্ৰীৰ বাবে প্ৰস্তুত কৰা গৱেষণা গ্ৰন্থখনৰ সংশোধিত ৰূপ 'Borgit, A Musicological Exploration' নামেৰে এখন গ্ৰন্থও প্ৰকাশ হৈছে।

ড° গোস্বামীৰ এই গ্ৰন্থত 'মাজুলীত ৰাগ-সংগীতৰ চৰ্চা' শীৰ্ষক ৰচনাটি প্ৰকাশ পাইছে।



**অধ্যাপক ডিম্বেশ্বৰ দয়াল শৰ্মা :** বিশিষ্ট লেখক, সমালোচক, অধ্যাপক ডিম্বেশ্বৰ দয়াল শৰ্মাৰ জন্ম হৈছিল ১৯২৫ খ্ৰী:ৰ ৮ নৱেম্বৰত যোৰহাটৰ বালিগাঁৱত। শ্ৰীশৰ্মাই যোৰহাটতে স্কুলীয়া আৰু কলেজীয়া শিক্ষা গ্ৰহণ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। বিদ্যালয়ৰ শিক্ষকৰূপে কৰ্ম-জীৱন আৰম্ভ কৰা শ্ৰীশৰ্মাই যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ পৰা অধ্যাপক ৰূপে কৰ্ম-জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰে। এজন সুনিপুণ বক্তাৰূপে জন-সমাজত পৰিচিত শ্ৰীশৰ্মাই কেবাখনো জীৱনী গ্ৰন্থ ৰচনা কৰাৰ উপৰিও বাতৰি কাকত আৰু আলোচনীত ভালেমান চিন্তাগধুৰ প্ৰবন্ধ ৰচনা কৰিছে।

এই গ্ৰন্থত শ্ৰীশৰ্মাৰ 'পুণ্যক্ষেত্ৰ মাজুলীৰ সত্ৰীয়া সাহিত্য' শীৰ্ষক প্ৰকাশ ৰচনাটি পাইছে।




**কৃষ্ণ গোস্বামী :** বিশিষ্ট ভাস্কৰ্য-শিল্পী কৃষ্ণ গোস্বামীৰ জন্ম মাজুলীৰ নতুন চামগুৰি সত্ৰত। অসমৰ এজন প্ৰখ্যাত লোক-শিল্পী প্ৰয়াত ৰুদ্ৰকান্ত গোস্বামীৰ পুত্ৰ। শ্ৰীগোস্বামীৰ বাল্যকালৰে পৰা মুখা, কাঠ আৰু কংক্ৰিটৰ ভাস্কৰ্য-শিল্পৰ সৈতে প্ৰত্যক্ষ পৰিচয় ঘটে। শান্তিনিকেতনৰ কলা ভৱনৰ পৰা মাষ্টাৰ অৱ ফাইন আৰ্টছ্ (ভাস্কৰ্য) ডিগ্ৰী লাভ কৰা শ্ৰীগোস্বামী সম্প্ৰতি অসম চৰকাৰী চাৰু-কাৰু-কলা মহাবিদ্যালয়ৰ প্ৰবক্তা (ভাস্কৰ্য বিভাগ)। বৰগীতৰো বিশিষ্ট গায়ক শ্ৰীগোস্বামী বৰগীত, মুখা-শিল্প সম্পৰ্কেও যথেষ্ট জ্ঞান-অভিজ্ঞতাৰে পুষ্ট।

শ্ৰীগোস্বামীৰ 'মাজুলীৰ মুখা-শিল্পৰ পৰম্পৰা আৰু চৰ্চা' শীৰ্ষক এটি ৰচনা এই গ্ৰন্থত প্ৰকাশ পাইছে।



**চালেহা আহমেদ :** অসমৰ এগৰাকী প্ৰসিদ্ধ তথা সংবেদনশীল শিল্পী চালেহা আহমেদৰ জন্ম যোৰহাটত। মুখ্যতঃ এগৰাকী মডেলাৰ বা প্ৰতিমালেপকাৰ আহমেদ খোদাই আৰু ঢালাই কামতো পাৰ্গত। শান্তি নিকেতনৰ কলা ভৱনৰ ফাইন আৰ্টছ (ভাস্কৰ্য)ৰ স্নাতক; কলিকতা, নতুন দিল্লী, ডিমাপুৰ, গুৱাহাটী আদি বিভিন্ন ঠাইত ভালেসংখ্যক কলা-শিল্পৰ প্ৰদৰ্শনী আৰু কৰ্মশালাত অংশ গ্ৰহণ কৰিছে। টেৰাকটা, কাঠ, প্লাষ্টাৰ, লোহা আৰু ব্ৰঞ্জৰ মাধ্যমত বহুতো উচ্চ প্ৰশংসিত ভাস্কৰ্যৰ স্ৰষ্টা আহমেদে মাজে-সময়ে কবিতা লিখাও দেখা যায়।

মাজুলীৰ শালমৰা অঞ্চলকে ধৰি অসমৰ মৃৎ-শিল্প নিৰ্মাণৰ বিভিন্ন স্থানত ক্ষেত্ৰ অধ্যয়নৰ অভিজ্ঞতাৰ পৰা যুগুতোৱা আহমেদৰ 'মাজুলীৰ মৃৎ-শিল্প' শীৰ্ষক এটি ৰচনা এই গ্ৰন্থত প্ৰকাশ পাইছে।



**গুণমণি নাথ :** ১৯৮৪ খ্ৰী:ত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা সমাজশাস্ত্ৰ বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লোৱা গুণমণি নাথ মাজুলীৰ সাহিত্য-ক্ষেত্ৰত এটি পৰিচিত নাম। উচ্চতৰ মাধ্যমিক আৰু স্নাতক মহলাৰ সমাজশাস্ত্ৰ বিষয়ৰ কেইবাখনো পাঠ্যপুথিৰ লেখক শ্ৰীনাথ শেষ প্ৰহৰৰ গান, ৰক্তাক্ত সন্ধিয়া, ৰক্তজবাৰ চকুলো, জোনাকত এখন মুখ আদি উপন্যাস, বহুকেইখন শিশু-গ্ৰন্থ আৰু অনেক কবিতাৰো ৰচক। কেইবাখনো বাতৰি কাকতত নিয়মীয়াকৈ প্ৰবন্ধ-কবিতাৰে চৰ্চা অব্যাহত ৰখা শ্ৰীনাথ বৰ্তমান গড়মূৰ পীতাম্বৰদেৱ কনিষ্ঠ মহাবিদ্যালয়ৰ উপাধ্যক্ষ।

শেহতীয়াকৈ বিপ্লৱী-ধৰ্মগুৰু পীতাম্বৰদেৱ গোস্বামীৰ জীৱনৰ আধাৰত 'তযু-গুণ-নাম' উপন্যাসৰো স্ৰষ্টা শ্ৰীনাথৰ 'মাজুলীৰ ৰাস আৰু পালনাম' শীৰ্ষক এটি ৰচনা এই গ্ৰন্থত প্ৰকাশ পাইছে।



**দেৱেন্দ্ৰদেৱ গোস্বামী :** লখিমপুৰ জিলাৰ অন্তৰ্গত বাসুদেৱ থান নৰোৱা সত্ৰত জন্ম গ্ৰহণ কৰা দেৱেন্দ্ৰদেৱ গোস্বামী মাজুলীৰ সামাজিক-সাংস্কৃতিক জীৱনৰ সৈতে ঘনিষ্ঠভাৱে জড়িত। অসমীয়া সাহিত্যত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা শ্ৰীগোস্বামী বৰ্তমান মাজুলী ছমৰীয়াআটী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ। মাজুলীৰ জনজাতি অধ্যুষিত এই বিদ্যালয় থকা স্থানত শিক্ষা প্ৰসাৰৰ বাবে অহোপুৰুষাৰ্থ কৰা শ্ৰীগোস্বামী এজন চিন্তাশীল লেখকৰূপেও পৰিচিত।

শ্ৰীগোস্বামীৰ 'জনজাতিসকলৰ ওপৰত বৈষ্ণৱ ধৰ্মসংস্কৃতিৰ প্ৰভাৱ' শীৰ্ষক ৰচনাটি এই গ্ৰন্থত প্ৰকাশ পাইছে।



**তৰুণ বৰুৱা :** সাংস্কৃতিক সঞ্চালকালয়, অসমৰ অধীনত কমলাবাৰীত স্থাপিত 'মাজুলী সাংস্কৃতিক কেন্দ্ৰ'ৰ ভাৰপ্ৰাপ্ত বিষয়া তৰুণ বৰুৱা মাজুলীৰ সাংস্কৃতিক ক্ষেত্ৰত এটি পৰিচিত নাম। শ্ৰীবৰুৱাৰ প্ৰচেষ্টাত মাজুলীৰ সুবিধাৰ পৰা বঞ্চিত অথচ প্ৰতিভাৱান বহু শিল্পী, কলা-কুশলীলৈ যথেষ্ট সহায় আগবঢ়াইছে। শ্ৰীবৰুৱাই মাজুলী সম্পৰ্কীয় ভালেমান তথ্য-সমৃদ্ধ প্ৰবন্ধও ৰচনা কৰিছে।

এই গ্ৰন্থত শ্ৰীবৰুৱাৰ 'মাজুলীৰ জাতি-জনজাতিসকলৰ বৰেণ্য ব্যক্তি' আৰু 'মাজুলীৰ গৌৰৱ' (আংশিক) শীৰ্ষক ৰচনা প্ৰকাশ পাইছে।



**সাহিত্যাচাৰ্য যতীন্দ্ৰনাথ গোস্বামী :** অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, সাহিত্যাচাৰ্য যতীন্দ্ৰনাথ গোস্বামীৰ ১৯১৮ খ্ৰী:ৰ ১২ নৱেম্বৰত টীয়ক নেপালী সত্ৰত জন্ম হয়। বিভিন্ন বিদ্যালয় আৰু মহাবিদ্যালয়ত শিক্ষকতা কৰি শ্ৰীগোস্বামীয়ে ১৯৮০ খ্ৰী:ত যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়ত অসমীয়া বিভাগৰ মূৰব্বীৰূপে অৱসৰ গ্ৰহণ কৰে। অসম সাহিত্য সভাৰ লগত আজীৱন জড়িত শ্ৰীগোস্বামীয়ে বিভিন্ন সময়ত সভাৰ সহকাৰী সম্পাদক, প্ৰধান সম্পাদক, উপ-সভাপতি আৰু ১৯৮০-৮১ বছৰত সভাপতিৰূপে কাৰ্য নিৰ্বাহ কৰে। অসম কলেজ শিক্ষক সংস্থাৰো গোস্বামীয়ে দুবাৰ সভাপতিৰ আসন অলংকৃত কৰিছিল। শ্ৰীগোস্বামী প্ৰধানকৈ সাহিত্য-সমালোচক আৰু জীৱনী লেখক। তেখেতে প্ৰায় পঁচিশখনমান উল্লেখযোগ্য গ্ৰন্থ সম্পাদনা কৰিছে। বাঁহী কাকতৰ পৰা আৰম্ভ কৰি বৰ্তমানৰ বিভিন্ন কাকত-আলোচনীত শ্ৰীগোস্বামীৰ অজস্ৰ লেখা সিঁচৰতি হৈ আছে।

এই গ্ৰন্থত শ্ৰীগোস্বামীয়ে ''কীৰ্তিমান পুৰুষ দত্তদেৱ গোস্বামী আৰু আসাম বিলাসিনী' শীৰ্ষক ৰচনাটি লিখিছে।



**শান্তনু কৌশিক বৰুৱা :** ১৯৬৫ খ্ৰী:ত যোৰহাটত শান্তনু কৌশিক বৰুৱাৰ জন্ম। সম্প্ৰতি অসমীয়া প্ৰতিদিন কাকতৰ উপ-সম্পাদক শ্ৰীবৰুৱাই ১৯৮৭ খ্ৰী:ৰ পৰা প্ৰবীন সাংবাদিক জগদীশ ফুকনৰ ওচৰত সাংবাদিকতাৰ প্ৰাথমিক শিক্ষা গ্ৰহণ কৰে। ১৯৮৮-১৯৯৩ খ্ৰী:লৈকে শিশু আলোচনী 'মৌচাক'ৰ সহযোগী সম্পাদকৰূপে থকা শ্ৰীবৰুৱাই 'নতুন দৈনিক' কাকততো জ্যেষ্ঠ উপ-সম্পাদক হিচাপে কাৰ্য নিৰ্বাহ কৰিছিল।

সূৰ্য হাজৰিকা সম্পাদিত 'আধুনিক অসমীয়া বিশ্বকোষ' আৰু চন্দ্ৰপ্ৰসাদ শইকীয়া সম্পাদিত 'অসমৰ বাতৰি কাকতৰ ডেৰশ বছৰীয়া ইতিহাস' গ্ৰন্থৰ ৰচনাত বিশেষ ভূমিকা থকা শ্ৰীবৰুৱাৰ প্ৰকাশিত উল্লেখনীয় পুথি হৈছে— মেঘনাথ সাহা, আমাৰ শৰীৰ, এক আচৰিত যন্ত্ৰ, বিশ্বৰ বৰেণ্য বিজ্ঞানী, বিজ্ঞানৰ কি কিয় কেনেকৈ কোন, কোনে কেতিয়া ক'ত কেনেকৈ কি আৱিষ্কাৰ কৰিছিল, অসম-অভিধান আৰু

সম্পাদিত গ্ৰন্থ; গাঁৱলৈ আহিলোঁ ঘূৰি (সাংবাদিক জগদীশ ফুকনৰ ৰচনা সংকলন) আদি।

এইগ্ৰন্থত শ্ৰীবৰুৱাৰ "অসমৰ সংবাদপত্ৰৰ অবিস্মৰণীয় অগ্ৰদূত 'আসাম বিলাসিনী' " শীৰ্ষক ৰচনাটি প্ৰকাশ পাইছে।



**প্ৰসন্ন কুমাৰ ফুকন :** ১৯৩৫ খ্ৰী:ত দেৰগাঁৱৰ ফুকন নগৰত প্ৰসন্ন কুমাৰ ফুকনৰ জন্ম। জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ পৰা স্নাতক শিক্ষা শেষ কৰি যোৰহাট ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী (N. C. C.) ৰ কাৰ্যালয়ত কৰ্ম-জীৱন আৰম্ভ কৰি সেই কাৰ্যালয়ৰে কাৰ্যালয় অধীক্ষক হিচাপে ১৯৯৪ খ্ৰী:ত অৱসৰ গ্ৰহণ কৰে। অসমৰ কেইবাখনো বাতৰি কাকত আৰু আলোচনীত তেখেতৰ ভালেমান লেখনি প্ৰকাশ পোৱাৰ উপৰিও গ্ৰন্থ হিচাপে— 'অসমৰ সংবাদ পত্ৰৰ সমীক্ষাত্মক অধ্যয়ন' আৰু 'হেঙুল-হাইতাল' উল্লেখনীয়।

দেৰগাঁও সাহিত্য সভাৰ লগত ঘনিষ্ঠভাৱে জড়িত শ্ৰীফুকনে এই গ্ৰন্থত 'মাজুলী আৰু আসাম বিলাসিনী' শীৰ্ষক ৰচনা যুগুত কৰিছে।



**ড° কুমুদ বৰা :** ১৯৪৮ খ্ৰী:ত মাজুলীৰ আউনীআটী সত্ৰৰ সমীপৰ জুগুনীধাৰী গাঁৱত ড° কুমুদ বৰাৰ জন্ম। মাজুলী মহাবিদ্যালয়ৰ পৰা স্নাতক শিক্ষা সমাপ্ত কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা অৰ্থনীতি বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। ড° বৰাই প্ৰথমে পাচিঘাট জৱাহৰলাল নেহৰু মহাবিদ্যালয়ত প্ৰৱক্তাৰূপে কৰ্ম-জীৱন আৰম্ভ কৰে। পিছলৈ তেওঁ ডিব্ৰুগড় বিশ্ববিদ্যালয়ত যোগদান কৰি সম্প্ৰতি একে বিশ্ববিদ্যালয়ৰে অৰ্থনীতি বিভাগৰ অধ্যাপকৰূপে কৰ্মৰত। ড° বৰাই মাজুলীৰ আৰ্থ-সামাজিক দিশৰ বিষয়ে গবেষণা কৰি পি. এইচ. ডি. ডিগ্ৰী লাভ কৰে। ডিব্ৰুগড়ৰ অনেক সামাজিক অনুষ্ঠানৰ লগত জড়িত ড° বৰাই ভালেমান চিন্তামূলক প্ৰবন্ধ লিখিছে।

ড° বৰাৰ 'মাজুলীৰ এটি আৰ্থিক সমীক্ষা' শীৰ্ষক ৰচনা এই গ্ৰন্থত প্ৰকাশ পাইছে।



**দেৱজিৎ শইকীয়া :** ১৯৭২ খ্ৰী:ত মাজুলীৰ দেওদিয়াআটী গাঁৱত দেৱজিৎ শইকীয়াৰ জন্ম। ১৯৮৮ খ্ৰী:ত মাজুলী আউনীআটী হেমচন্দ্ৰ হাইস্কুলৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ শ্ৰীশইকীয়াই ১৯৯৬ খ্ৰী:ত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা অৰ্থনীতি বিভাগত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰি স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। বৰ্তমান মাজুলী মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ প্ৰৱক্তা শ্ৰীশইকীয়াৰ বিভিন্ন কাকত-আলোচনীৰ যোগেদি অনেক চিন্তাশীল আৰু বিশ্লেষণাত্মক প্ৰবন্ধ প্ৰকাশ হোৱাৰ উপৰিও প্ৰায় এশ কবিতা প্ৰকাশ হৈছে।

এই গ্ৰন্থত শ্ৰীশইকীয়াৰ 'মাজুলীৰ অৰ্থনীতিৰ সাম্প্ৰতিক দৃশ্যপট' শীৰ্ষক এটি লেখা প্ৰকাশ পাইছে।



**ভুবন চন্দ্ৰ ঠাকুৰ :** মেৰাগড় নাৰায়ণদেৱ উচ্চ ইংৰাজী বিদ্যালয়ৰ প্ৰাক্তন সহকাৰী শিক্ষক, চামগুৰি ৰাৱণাপাৰ উচ্চ ইংৰাজী বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক আৰু উন্নীতকৰণৰ পাছত চামগুৰি সত্ৰ ৰাৱণাপাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ভুবন চন্দ্ৰ ঠাকুৰৰ ১৯৩৫ খ্ৰী:ত মাজুলীৰ বনগাঁৱত জন্ম। শ্ৰীঠাকুৰে বদলিসূত্ৰে তদানীন্তন গোলাঘাট মহকুমাত এখন, কৰিমগঞ্জ জিলাত দুখন, গুৱাহাটী মহানগৰীৰ এখন— মুঠ ৫খন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অধ্যক্ষ হিচাপে কাৰ্য নিৰ্বাহ কৰি অৱসৰ গ্ৰহণ কৰে। এগৰাকী সমাজ-সেৱক, সুসংগঠক, সাংস্কৃতিক কৰ্মী আৰু জনপ্ৰিয় মঞ্চাভিনেতা শ্ৰীঠাকুৰ এজন সাহিত্যানুৰাগী ব্যক্তি।

মাজুলীৰ বিভিন্ন অনুষ্ঠান, সংগঠনত অগ্ৰণী ভূমিকাৰে জড়িত ব্যক্তি শ্ৰীঠাকুৰৰ এই গ্ৰন্থত 'শিক্ষাৰ বিভিন্ন দিশত আলোকপাত' শীৰ্ষক এটি ৰচনা প্ৰকাশ পাইছে।




**ডাঃ নিৰঞ্জন দাস :** শিৱসাগৰ জিলাৰ হেলাইগুৰীয়া গাঁৱত ডাঃ নিৰঞ্জন দাসৰ ১৯৬৭ খ্ৰী:ত জন্ম। মাজুলীৰ কমলাবাৰীত অৱস্থিত গ্ৰাম্য চিকিৎসালয়ৰ চিকিৎসা আৰু স্বাস্থ্য বিষয়া হিচাপে কৰ্মৰত ডাঃ দাস অসম সাহিত্য সভাৰ 'মাজুলী ৰামধনু সাহিত্য সভা'ৰ লগত নিবিড়ভাৱে জড়িত। ডাঃ দাসে বিভিন্ন বাতৰি কাতত-আলোচনীত নিয়মীয়াকৈ কবিতা লিখি সাহিত্য চৰ্চা অব্যাহত ৰাখিছে। ডাঃ দাস স্বাস্থ্য-বিষয়ক ছমহীয়া আলোচনী 'স্বাস্থ্য-চিন্তা'ৰো সহকাৰী সম্পাদক (অবৈতনিক)।

ডাঃ দাসৰ 'মাজুলীৰ স্বাস্থ্য ব্যৱস্থাৰ অতীত আৰু বৰ্তমান' শীৰ্ষক ৰচনাটি এই গ্ৰন্থত প্ৰকাশ পাইছে।



**তিলক চন্দ্ৰ শৰ্মা :** মাজুলীৰ বৈশিষ্ট্যপূৰ্ণ বিভিন্ন চৰাই-চিৰিকতি, গছ-গছনি, আৰ্দ্ৰভূমি আদি বিষয়ত বিস্তৃত অনুসন্ধান আৰু অধ্যয়নৰ জৰিয়তে মাজুলীৰ বাহিৰে-ভিতৰে প্ৰকৃতিপ্ৰেমীসকলৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হোৱা তিলক চন্দ্ৰ শৰ্মাৰ জন্ম মাজুলীৰ কমলাবাৰী চহৰত। পদাৰ্থ বিজ্ঞানৰ স্নাতকোত্তৰ শ্ৰীশৰ্মা বৃত্তিত এজন বিষয়-শিক্ষক। তেওঁ অসম বিজ্ঞান সমিতি, নেচাৰ্ছ বেকন, গ্ৰাম্য উন্নয়নৰ অৰ্থে গঠিত 'ৰেডছ' নামৰ স্বেচ্ছাসেৱী অনুষ্ঠানৰ সৈতে ঘনিষ্ঠভাৱে জড়িত হোৱাৰ উপৰি অসম বিজ্ঞান সমিতি, মাজুলী শাখাৰ কেইবাবছৰ ধৰি সম্পাদকৰ দায়িত্ব পালন কৰি আহিছে।

১৯৯৫ চনৰ পৰা মাজুলীত দৃষ্টিগোচৰ হোৱা স্থানীয় আৰু প্ৰব্ৰজনকাৰী পক্ষীৰ এখন তালিকা প্ৰস্তুত কৰি থকা শ্ৰীশৰ্মাৰ 'মাজুলীৰ পক্ষী', 'মাজুলীৰ উদ্ভিদ' আৰু 'মাজুলীৰ আৰ্দ্ৰভূমি' শীৰ্ষক ৰচনা তিনিটি এই গ্ৰন্থত প্ৰকাশ পাইছে।



**আনন্দ হাজৰিকা :** মাজুলী মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ জ্যেষ্ঠ প্ৰবক্তা আনন্দ হাজৰিকা মাজুলীৰ বহুতো সামাজিক-সাংস্কৃতিক অনুষ্ঠানৰ লগতো জড়িত। ৰামধনু শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীহাজৰিকা সম্প্ৰতি অসম বিজ্ঞান সমিতি, মাজুলী শাখাৰ সৈতে ওতঃপ্ৰোতভাৱে সম্পৰ্কিত এজন সদস্য আৰু মাজুলী মিলন সংঘ নামৰ সামাজিক-সাংস্কৃতিক অনুষ্ঠানৰো সম্পাদক। অসমৰ কেইখনো দৈনিক বাতৰি কাকতৰ হৈ সাংবাদিকতাতো জড়িত শ্ৰীহাজৰিকাই বিভিন্ন বাতৰি কাকত-আলোচনীত মাজুলীবিষয়ক প্ৰবন্ধ-পাতি লিখিছে। উল্লেখ্য যে ভূপালত থকা ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মানৱ সম্পদ সংগ্ৰহালয়ত অনুষ্ঠিত মাজুলী অনুষ্ঠানত শ্ৰীহাজৰিকাই এজন 'সম্পদ ব্যক্তি' হিচাপে অংশ গ্ৰহণ কৰে।

মাজুলী দ্বীপ সুৰক্ষা আৰু উন্নয়ন পৰিষদ (MIPADC)ৰ এজন কৰ্মকৰ্তা শ্ৰীহাজৰিকাৰ এই গ্ৰন্থত 'পৰ্যটকৰ বাবে আকৰ্ষণীয় উপাদানসমূহ', 'মাজুলীৰ জৈৱ-বৈচিত্ৰৰ আকৰ্ষণ' শীৰ্ষক ৰচনা দুটি প্ৰকাশ পাইছে।



**গুৰুপ্ৰসাদ বৰা :** মাজুলীৰ ক্ৰীড়াৰ বিকাশত গুৰুপ্ৰসাদ বৰাৰ অৱদান অবিস্মৰণীয়। ১৯৬৪ খ্ৰী:ত আউনীআটী হেমচন্দ্ৰ হাইস্কুলত খেল-শিক্ষক হিচাপে যোগদান কৰি ছাত্ৰ-ছাত্ৰীৰ মনত স্বাস্থ্যৰক্ষা আৰু খেলা-ধূলাৰ প্ৰতি সচেতনতা বৃদ্ধিৰজৰিয়তে মাজুলীৰ ক্ৰীড়া ক্ষেত্ৰৰ ভেঁটি নিৰ্মাণ প্ৰক্ৰিয়াৰ সূচনা কৰে।

এই গ্ৰন্থত শ্ৰীশইকীয়াৰ 'মাজুলীৰ ক্ৰীড়াৰ খতিয়ান' শীৰ্ষক ৰচনাটি প্ৰকাশ পাইছে।




**গোবিন কুমাৰ খাউণ্ড :** মাজুলীৰ ভকতিদুৱাৰ গাঁৱত জন্ম গোবিন কুমাৰ খাউণ্ড বিগত কেইবাবছৰ ধৰি সাংবাদিকতাৰ সৈতে জড়িত হৈ মাজুলীৰ, বিশেষকৈ অধিক আওহতীয়া উজনি মাজুলীৰ সমস্যাৰাজি তথ্যসহকাৰে দাঙি ধৰিবলৈ সক্ষম হৈছে। 'আমাৰ অসম', 'দৈনিক জনমভূমি'ৰ সংবাদদাতাৰূপে কৰ্মৰত শ্ৰীখাউণ্ড উল্লিখিত অঞ্চলৰ কেইবাটাও সামাজিক-সাংস্কৃতিক অনুষ্ঠানৰো সক্ৰিয় কৰ্মী।

সাংবাদিকতাৰ উপৰিও ভিন্ন বিষয়ত লিখা-মেলা কৰা শ্ৰীখাউণ্ডৰ 'মাজুলীৰ সংবাদ-পত্ৰ আৰু সংবাদসেৱীসকল' শীৰ্ষক ৰচনাটি এই গ্ৰন্থত প্ৰকাশ পাইছে।



**মাধৱী দাস (বৰুৱা) :** ১৯৫৬ খ্ৰী:ত জন্ম গ্ৰহণ কৰা শ্ৰীমতী মাধৱী দাস বৰ্তমান কমলাবাৰী উচ্চমাধ্যমিক বালিকা বিদ্যালয়ৰ ভা: প্ৰা: প্ৰধান শিক্ষয়িত্ৰী। মাজুলী জিলা মইনা পাৰিজাতৰ উপ-সমানেত্ৰী, মাজুলী জিলা মহিলা সমিতিৰ উপ-সভানেত্ৰী, মাজুলী জিলা মহিলা আইন সাহায্য কোষৰ সভানেত্ৰী হিচাপে কাৰ্য নিৰ্বাহ কৰি থকা শ্ৰীমতী দাসে মাজুলী কেন্দ্ৰীয় সংগীত মহাবিদ্যালয়ৰ পৰা বৰগীত বিষয়ত 'বিশাৰদ' উপাধি লাভ কৰিছে। বিভিন্ন আলোচনী, স্মৃতিগ্ৰন্থ, বাতৰি কাকত, অনাতাঁৰ-দূৰদৰ্শন কেন্দ্ৰ আদিত তেওঁৰ লেখনি-কঠিকা আদি প্ৰকাশ পাইছে।

শ্ৰীমতী দাসৰ 'মাজুলীৰ উল্লেখযোগ্য মহিলা অনুষ্ঠান' শীৰ্ষক এটি ৰচনা এই গ্ৰন্থত প্ৰকাশ পাইছে।




**জগত বৰা :** এজন সাংস্কৃতিক কৰ্মী জগত বৰা বাল্যকালৰে পৰা আউনীআটী সত্ৰৰ বিভিন্ন কলা-সাংস্কৃতিক কাৰ্যাৱলী ৰূপায়ণৰ সৈতে জড়িত। বৰ্তমান আউনীআটী হেমচন্দ্ৰ হাইস্কুলৰ মুখ্য সহায়ক শ্ৰীবৰাই মাজুলী সম্বন্ধীয় বিষয়ত সময়ে সময়ে সুচিন্তিতভাৱে লিখা-মেলা কৰি আহিছে।

শ্ৰীবৰাৰ 'মাজুলীৰ স্বেচ্ছাসেৱী অনুষ্ঠানসমূহ' শীৰ্ষক এটি ৰচনা এই গ্ৰন্থত প্ৰকাশ পাইছে।



**চন্দ্ৰধৰ বৰুৱা :** আউনীআটী হেমচন্দ্ৰ হাইস্কুলৰ পৰা ইতিমধ্যে অৱসৰ গ্ৰহণ কৰা চন্দ্ৰধৰ বৰুৱা এজন বিশিষ্ট শিক্ষক আৰু সমাজকৰ্মী। ১৯৩২ খ্ৰী:ত জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ পৰা স্নাতক, গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ক্ৰমে অৰ্থনীতি আৰু ৰাজনীতি বিজ্ঞান বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে।

কাকতে-পত্ৰই বিভিন্ন তথ্য-সমৃদ্ধ চিন্তাশীল প্ৰবন্ধ লিখা শ্ৰীবৰুৱাৰ 'মাজুলীৰ যাতায়াত' (প্ৰশান্ত কুমাৰ মহন্তৰ সৈতে যুটীয়াভাৱে) শীৰ্ষক এটি প্ৰবন্ধ এই গ্ৰন্থত প্ৰকাশ পাইছে।



**নিৰ্মল চন্দ্ৰ বৰা :** মাজুলীৰ কঢ়ালগাঁৱত ১৯৪৯ খ্ৰী:ত নিৰ্মল চন্দ্ৰ বৰাৰ জন্ম। বাণিজ্য-স্নাতক শ্ৰীবৰাই কষ্ট এণ্ড ৱৰ্কচ একাউণ্টেচী অব ইণ্ডিয়াৰ ফেলশ্বিপ লাভ কৰাৰ উপৰিও ইণ্ডিয়ান অলটাৰনেটিভ মেডিচিনৰ ৰেজিষ্টাৰ্ড প্ৰেক্টিশ্যনাৰ। বিভিন্ন সামাজিক-সাংস্কৃতিক বিষয়ৰ লগত জড়িত শ্ৰীবৰাই কৰ্মসূত্ৰে সমবায় প্ৰতিষ্ঠানৰ বিষয়া হিচাপে কাৰ্য নিৰ্বাহ কৰিছিল যদিও বৰ্তমান এজন সাংবাদিক হিচাপে কৰ্মৰত।

শ্ৰীবৰাৰ 'মাজুলীৰ ঐতিহ্যৰ অন্য এক সংযোজন : তামোল নোখোৱা আতৈৰ সাহিত্য আৰু দৰ্শন' শীৰ্ষক এটি ৰচনা এই গ্ৰন্থত প্ৰকাশ পাইছে।



**মুক্তিনাথ বৰা :** মাজুলীতে শিক্ষা-জীৱন আৰম্ভ কৰা মুক্তিনাথ বৰাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ৰসায়ন বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। ১৯৬৩ খ্ৰী:ৰ পৰা জে. বি. কলেজত প্ৰবক্তাৰূপে কৰ্মজীৱন আৰম্ভ কৰে আৰু ১৯৯৪ খ্ৰী:ত একে কলেজৰে পৰা অৱসৰ গ্ৰহণ কৰে। সততে সামাজিক-সাংস্কৃতিক কামত জড়িত থকা মুক্তিনাথ বৰা আধুনিক মাজুলীৰ নিৰ্মাতা স্বৰূপ প্ৰয়াত কেশববাম বৰাৰ পুত্ৰ।

মুক্তিনাথ বৰাৰ 'মাজুলীৰ গৌৰৱ' ৰচনাৰ অন্তৰ্গত 'কেশববাম বৰাৰ জীৱন -কৰ্ম' অংশটো এই গ্ৰন্থত প্ৰকাশ পাইছে।




**পুনাৰাম নাথ :** বাতৰি কাকত, আলোচনীত বিভিন্ন বিষয়ৰ প্ৰবন্ধ আৰু কবিতা লিখা পুনাৰাম নাথে মাজুলীৰ পৰা বিভিন্ন উপলক্ষ্যত প্ৰকাশিত গুৰুত্বপূৰ্ণ স্মৃতিগ্ৰন্থও সম্পাদনা কৰিছে। মাজুলীৰ পুৰণিবাৰী গাঁৱৰ বাসিন্দা শ্ৰীনাথৰ কেইবাটাও প্ৰবন্ধ অনাতাঁৰ কেন্দ্ৰৰযোগেদিও সম্প্ৰচাৰিত হৈছে। বৃত্তিত শিক্ষক শ্ৰীনাথ এজন সাংস্কৃতিক কৰ্মী তথা সংগঠক।

শ্ৰীনাথৰ 'মাজুলীৰ সাহিত্যসেৱাসকল' শীৰ্ষক, এই গ্ৰন্থত প্ৰকাশ পোৱা ৰচনাৰ এজন সহযোগী লেখক।



**ড° অশোক কুমাৰ বৰা :** গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল-বিজ্ঞান বিভাগৰ ৰীডাৰ ড° বৰা ভূপ্ৰকৃতি বিজ্ঞান আৰু জল-ভূপ্ৰকৃতি বিজ্ঞান বিষয়ৰ এজন নিষ্ঠাবান গবেষক। ইতিমধ্যে গবেষণা-পত্ৰ সন্দৰ্ভত চীন, বাংলাদেশ আৰু জাপান ভ্ৰমণ কৰিছে। দূৰসংবেদন, জি. আই. চি. বিষয়তো বিশেষ অনুশীলন পাঠ্যক্ৰম সম্পন্ন কৰা ড° বৰা ভূগোল-বিজ্ঞান, ভূপ্ৰকৃতি-বিজ্ঞান আৰু ভূতত্ত্ব-বিজ্ঞানৰ দহোটা ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ সদস্য।

মাজুলীৰ বানপানী আৰু খহনীয়া সম্পৰ্কে ক্ষেত্ৰ অধ্যয়নৰ অভিজ্ঞতা থকা ড° অশোক কুমাৰ বৰাৰ '(মাজুলী)ৰ বান আৰু খহনীয়া' শীৰ্ষক ৰচনাটি এই গ্ৰন্থত প্ৰকাশ পাইছে।



**অতুল চন্দ্ৰ গোস্বামী :** ১৯৬২ খ্ৰী:ত মাজুলীত প্ৰতিষ্ঠিত প্ৰথমখন মহাবিদ্যালয় (মাজুলী মহাবিদ্যালয়) গঢ় দিয়াৰ স্বাৰ্থত উত্তৰ লখিমপুৰ মহাবিদ্যালয়ৰ প্ৰবক্তা পদ ত্যাগ কৰি নতুন মহাবিদ্যালয়ৰ অধ্যক্ষ (অবৈতনিক)ৰ দায়িত্ব গ্ৰহণ কৰা অতুলচন্দ্ৰ গোস্বামীৰ মাজুলীৰ উচ্চ শিক্ষাৰ বিকাশত প্ৰভূত বৰঙণি আছে। অসমীয়া বিষয়ৰ স্নাতকোত্তৰ শ্ৰীগোস্বামী বৰ্তমান মাজুলী মহকুমা ন্যায়িক দণ্ডাধিশৰ আদালতত চৰকাৰী অধিবক্তা হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে।

তথ্যসমৃদ্ধ প্ৰবন্ধৰ লেখক শ্ৰীগোস্বামীৰ 'মাজুলীত আনুষ্ঠানিক শিক্ষাৰ সম্প্ৰসাৰণ' শীৰ্ষক ৰচনাটি এই গ্ৰন্থত প্ৰকাশ পাইছে।

# পৰিশিষ্ট - (খ)

## (এই গ্ৰন্থৰ) সম্পাদনা-সহায়ক উৎস-পঞ্জীৰ একাংশ

**গ্ৰন্থ**


অসম, সত্যেন বৰকটকী (সম্পাদিত)
অসম-অভিধান, শান্তনু কৌশিক বৰুৱা
অসমৰ জনজাতি, প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য (সম্পাদিত)
অসম বুৰঞ্জী, ড° ডম্বৰুধৰ নাথ
অসমৰ সংবাদ পত্ৰৰ সমীক্ষাত্মক অধ্যয়ন : প্ৰসন্ন কুমাৰ ফুকন
অসমৰ লোক-সংস্কৃতি, বিৰিঞ্চি কুমাৰ বৰুৱা
অসমীয়া জীৱনী অভিধান, শিৱনাথ বৰ্মন
অসমীয়া ভাষা আৰু সংস্কৃতি, বিৰিঞ্চি কুমাৰ বৰুৱা
অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, ড° সত্যেন্দ্ৰনাথ শৰ্মা
আধুনিক অসমীয়া সাহিত্যত শংকৰদেৱৰ প্ৰসংগ, প্ৰফুল্ল চন্দ্ৰ বৰা
আউনীআটী সত্ৰৰ বুৰঞ্জী, তীৰ্থনাথ শৰ্মা
কংগ্ৰেছৰ কাঁচিয়লি ৰ'দত, বেণুধৰ শৰ্মা
চাৰি ৰাজসত্ৰৰ চমু বুৰঞ্জী, শিৰীষ কুমাৰ ভট্টাচাৰ্য্য
পবিত্ৰ অসম, মহেশ্বৰ নেওগ (সম্পাদিত)
পীতাম্বৰ প্ৰতিভা, দিলীপ কুমাৰ ফুকন
মোৰ জীৱন সংগ্ৰামৰ সোঁৱৰণ, সৰ্বেশ্বৰ বৰদলৈ
বিংশ শতাব্দীৰ অসমীয়া সাহিত্য, হোমেন বৰগোহাঞি
বন্যা বিপন্ন মাজুলী, কামিনী কুমাৰ দত্ত
বেণুধৰ শৰ্মা ৰচনাৱলী (বুৰঞ্জীৰ সফুৰা), বেণুধৰ শৰ্মা
ভাৰতৰ স্বাধীনতা সংগ্ৰামত অসমৰ অৱদান, লক্ষ্মীনাথ তামুলী
মিচিং সংস্কৃতিৰ আলেখ্য, ভৃগুমুণি কাগয়ুং (সম্পাদিত)
লোক কল্পদৃষ্টি, নীলমণি ফুকন
শ্ৰীশ্ৰীশংকৰদেৱ, মহেশ্বৰ নেওগ
শ্ৰীমন্ত শংকৰদেৱৰ কৃতি আৰু কৃতিত্ব, শিৱনাথ বৰ্মন
সঞ্জয়ৰ ডায়েৰীৰ পাতৰ পৰা, সুমিতা ঘোষ (সম্পাদনা), (অনুবাদ) পংকজ ঠাকুৰ
সত্ৰীয়া সংস্কৃতিৰ স্বৰ্ণৰেখা, নাৰায়ণ চন্দ্ৰ গোস্বামী
স্বাধীনতা সংগ্ৰামত যোৰহাট (সম্পাদিত), দেৱেশ্বৰ দলৈ, তিলেশ্বৰ বৰদলৈ
**A Few Aspect of Assamese Literature and Culture**, Dr. Satyendra Nath Sarma.
**A History of Assam**, Sir Edward Gait.
**The History of Assam**, John Peter Wade
The **Brahmaputra**, Arup Kumar Dutta



| আলোচনী আদি | সম্পাদক |
|---|---|
| অগ্ৰগামী | অমূল্য কুমাৰ নাথ |
| কল্পতৰু | প্ৰদীপজ্যোতি মহন্ত<br>জয়জ্যোতি গোস্বামী |
| দেৰগাঁও সাহিত্য সভা পত্ৰিকা (১ম বছৰ ১ম সংখ্যা) | প্ৰসন্ন কুমাৰ ফুকন |
| প্ৰকাশ (ষষ্ঠ বছৰ পঞ্চম সংখ্যা) | চন্দ্ৰ প্ৰসাদ শইকীয়া |
| যোৰহাট-২০০ | প্ৰভাত সভাপণ্ডিত |
| ৰামধেনু | ডাঃ নিৰঞ্জন দাস |
| প্ৰান্তিক,১ম বছৰ ১২শ সংখ্যা '৮২ | প্ৰদীপ বৰুৱা |
| " ২য় বছৰ ১৭শ সংখ্যা '৮৩ | " " " |
| " ৩য় বছৰ ৫ম সংখ্যা '৮৪ | " " " |
| " ৭ম বছৰ ১৫শ সংখ্যা '৮৮ | " " " |
| " ১১ বছৰ ১১শ সংখ্যা '৯২ | " " " |
| " ১৮ বছৰ ১৮শ সংখ্যা '৯৯ | " " " |
| সত্ৰ মঞ্জৰী | দুলাল গোস্বামী |
| স্মৃতিগ্ৰন্থ, মহাৰজত জয়ন্তী, মাজুলী আউনীআটী হেমচন্দ্ৰ গোস্বামী হাইস্কুল, কমলাবাৰী | বোধেশ্বৰ শইকীয়া |
| **SOUVENIR** | **EDITOR** |
| North East India History Association XIV Annual Conference, Jorhat | Dr. Prabhat Ch. Sabhapandit |
| Souvenir Convention of Heritage Conservation - Majuli | Amriteswar Chutia<br>Ghana Kanta Nath |


**ইয়াৰ উপৰি 'আমাৰ অসম', 'দৈনিক জনমভূমি', 'প্ৰতিদিন' 'আজিৰ অসম', 'আজি' আদি কাকতৰ প্ৰবন্ধ আৰু বাতৰি (মাজুলী সম্পৰ্কীয়)ৰ সহায় লোৱা হৈছে।**

# মাজুলী ৰাজহচক্ৰৰ চৰ-চাপৰি অঞ্চলৰ বিৱৰণ (২০০১-২০০২ খ্ৰীষ্টাব্দ)

| ৰাজহচক্ৰৰ নাম | স্থায়ী চৰ-চাপৰিৰ নাম | আনুমানিক মাটিকালি | বসতি কৰা জনসংখ্যা | পৰিয়ালৰ সংখ্যা | জৰীপ কৰা হৈছিল নে নাই | বৰ্তমান অৱস্থা |
|---|---|---|---|---|---|---|
| ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭ |
| মাজুলী ৰাজহচক্ৰ | সাধু চাপৰি | ৩১৭২/৭ | ৫৬৭ | ৬৮ | জৰীপ হোৱা নাই | বসবাসৰ উপযোগী |
| | চৰাই চাপৰি | ২৩৭৩/৮ | ১৭৯৬ | ১৫১ | ঐ | ঐ |
| | আবানী চাপৰি | ৩৩৮/৫ | ৩০৬ | ৬১ | ঐ | ঐ |
| | ফুৰফুৰীয়া চাপৰি | ১৩৫৫ | ১১৯৬ | ১৯৩ | ঐ | ঐ |
| | ধোদাং চাপৰি | ১৭০২৪/৯ | ১৩৫৩ | ২৫৬ | ঐ | ঐ |
| | শিকলি চাপৰি | ৪০০ | ২৫৫ | ৫০ | ঐ | ঐ |
| | চয়ং চাপৰি | ৩১৫ | ১০৬ | ১৭ | ঐ | ঐ |
| | মিছামৰা চাপৰি | ৪০০ | ৭৩৩ | ৮২ | ঐ | ঐ |
| | পছমৰা ভেকেলি | ১১২৮/৯ | ৮০৪ | ৮৪ | ঐ | ঐ |
| | কুমলীয়া চাপৰি | ২২৫/১ | ১৯৩ | ২১ | ঐ | ঐ |
| | নতুন কাৰ্তিক চাপৰি | ২০১১/১০ | ২৭৫ | ৪৮ | ঐ | ঐ |
| | মাজৰ চাপৰি | ৭৮৮/১২ | ১০০৬ | ১০৭ | ঐ | ঐ |
| | বৰডোৱাৰ চাপৰি | ৯৬৬০ | ১৬৩৮ | ১৬০ | ঐ | ঐ |
| | নতুন কুলামুৱা চাপৰি | ২০০ | ৬৬৪ | ৭৭ | ঐ | ঐ |
| | বেদাং চাপৰি | ৫৬০ | ১০৩৭ | ২৫১ | ঐ | ঐ |
| | চিনাতলি চাপৰি | ১৪৪৭ | ৫৮ | ২৪ | ঐ | ঐ |
| | দাবলা চাপৰি | ৮০০ | ৩০১ | ৪২ | ঐ | ঐ |
| | নতুন বনৰীয়া চাপৰি | ৯০০ | ৪৫৩ | ৬৫ | ঐ | ঐ |

**উৎস : মাজুলী ৰাজহচক্ৰ কাৰ্যালয়, কমলাবাৰী** (ৰাহজ চক্ৰ বিষয়াৰ সৌজন্যত)


MAJULI SUB. DIVISION SKETCH MAP
DISTRICT. JORHAT. 2001
LAKHIMPUR DISTRICT
SIBSAGAR DISTRICT
GOLAGHAT DISTRICT
JORHAT SUB-DIVISION
BRAHMAPUTRA RIVER
SONITPUR DIST
JENGRAI
PHULANI
HALDHIBARI
GARAMUR
KAMALABARI
GOALGAON
KAMALABARI GHAT
BONGAON
SALMARA GHAT
SAKHINPAT GHAT
NEAMATI GHAT
PREPARED BY
RANJAN KR DUTTA
L.M.
MAJULI CIRCLE OFFICE.
REFERENCE:
1. SUB.DIVISION BOUNDARY :
2. P.W.D. ROAD :
3. E & D DYKE :
4. MOUZA BOUNDARY :
5. RIVER :



বেঙেনাআটী সত্ৰত সংৰক্ষিত ৰজাদিনীয়া ৰূপৰ কলা-সম্পদ।



মাজুলীৰ মৎস্যজীবীসকল এনেকৈয়ে জীৱন-সংগ্ৰামত ব্যস্ত।




মাজুলীৰ বিনন্দীয়া চাপৰিৰ এটি দৃশ্য।



গায়ন-বায়নৰ এটি ভংগী (নতুন কমলাবাৰী সত্ৰ)।



ছালিনৃত্যৰ এটি ভংগী (নতুন কমলাবাৰী সত্ৰ)।



বেঙেনাআটী সত্ৰৰ ৰজাদিনীয়া ৰূপৰ কলা-সম্পদ।



মাজুলীৰ প্ৰখ্যাত 'মিৰাজিম' লৈ এগৰাকী মিচিং গাভৰু।



পৰম্পৰাগতভাৱে মাজুলীৰ কুমাৰ সকলে অনেকেয়ে চাক ৰ দৰে
আহিলা ব্যৱহাৰ নকৰাকৈয়ে কলহ-টেকেলি আদি নিৰ্মাণ কৰে।



আউনীআটী সত্ৰত সংৰক্ষিত আঁঠ বাটি বটা।



মাজুলীৰ মুখা শিল্পৰ এক ঐতিহ্যপূৰ্ণ
গৌৰৱ আছে। নতুন চামগুৰি সত্ৰৰ এটি মুখা



আউনীআটী সত্ৰৰ সুখ্যাত, ঐতিহ্যপূৰ্ণ পালনাম আৰম্ভ হোৱাৰ এক মুহূৰ্ত।



শৌচনায় যাতায়াতৰ নমুনা। মাজুলীৰ সদৰ আৰু কমলাবাৰীৰ মাজৰ মূল পথৰ
ডবিয়া ডুবিৰ মাজত কেইবা দশকজুৰি এনেকৈয়ে পথ-যোগাযোগ চলি আছে




মাজুলীৰ অন্যতম জনজাতি দেউৰীসকলৰ ঘৰৰ দৃশ্য।



গড়মূৰ সত্ৰৰ ঐাট কাঠৰ ভাস্কৰ্য।



দক্ষিণপাট সত্ৰৰ ঐতিহ্যপূৰ্ণ ৰাসলীলা
অভিনয়ত পৰম্পৰাগতভাৱে কৃষ্ণ-বলোৰামৰ
সোণ-ৰূপৰ মুকুট আৰু বাঁহী।



যেঙেনাআটী সত্ৰত সংৰক্ষিত ৰজাদিনীয়া
সোণৰ ছাতি আৰু ৰূপৰ বন কৰা শৰাই।



দক্ষিণপাট সত্ৰৰ নামঘৰৰ ভিতৰভাগ।



কমলাবাৰী আৰু আউনীআটী সত্ৰৰ বেতৰ বিচনী সৰ্বজনবিদিত। নতুন কমলাবাৰী সত্ৰৰ ভকতে নিৰ্মাণ কৰা এখন বিচনী।



দেশী-বিদেশী পক্ষীৰ বিচৰণভূমি মাজুলী। এবাহ হাড়গিলা দেখা গৈছে।



দক্ষিণপাট সত্ৰৰ সচিত্ৰ ভাগৱতৰ এটি পৃষ্ঠা।



ভঙা-গঢ়াৰ খেল!
এনেকৈয়ে ব্ৰহ্মপুত্ৰই পতা চাপৰি ভাঙিছে ব্ৰহ্মপুত্ৰই।



বেঙেনাআটী সত্ৰত সংৰক্ষিত ক্ষুদ্ৰাকৃতিৰ সাঁচিপাতৰ গুণমালা পুথি (দীঘ-প্ৰস্থঃ ২X১ ইঞ্চি)।



মাজুলীৰ বৰ্ণাঢ্য সংস্কৃতিৰ অন্যতম মিচিং বিহু।




বানাক্ৰান্ত মাজুলীৰ নাওখনেই প্ৰধান সম্বল।
বাৰিষাৰ আগে-পিছে এনেকৈয়ে ব্যস্ত হৈ পৰে নাও নিৰ্মাণ কৰা লোকসকল।



মাজুলীৰ মিচিং-দেউৰীসকলে পৰম্পৰাগতভাৱে এতিয়াও উৰাল ব্যৱহাৰ কৰে।
কৰ্মৰত এগৰাকী মিচিং মহিলা।



প্ৰাকৃতিক সৌন্দৰ্যৰে সমৃদ্ধ মাজুলীৰ এখন বিল।



নিমাতিঘাটৰ পৰা মাজুলীলৈ যোৱাৰ পথত
ব্ৰহ্মপুত্ৰৰ বুকুত দেখা সূৰ্যাস্তৰ দৃশ্য।



আউনীআটী সত্ৰৰ ঐতিহ্যপূৰ্ণ আকাশবন্তিৰ দৃশ্য।
সমগ্ৰ কাতি মাহজুৰি এইদৰে
আকাশবন্তি প্ৰজ্বলন কৰা হয়।